
পৱিত্ৰ
কুৰআন
ASSAMESE

পৱিত্ৰ
কুৰআন

অনুবাদ
মওলানা ৰাহিদুদ্দিন খান
অধ্যাপিকা ফৰিদা খানম

অসমীয়া ৰূপান্তৰ
মোহাম্মদ মজীদ আলী

পুনঃ পর্যবেক্ষণ
জিয়াউল ইছলাম

GOODWORD BOOKS

Assamese translation of the Quran is copyright free
First published in 2022

Goodword Books
A-21, Sector 4, NOIDA-201301
Delhi NCR, India
Tel. +91 120-4314871, Mob: +91-8588822672
email: info@goodwordbooks.com
www.goodwordbooks.com

CPS International
Centre for Peace and Spirituality International
1, Nizamuddin West Market, New Delhi-110 013
Mob. +91-9999944119
email: info@cpsglobal.org
www.cpsglobal.org

Center for Peace and Spirituality USA
2665 Byberry Road, Bensalem, PA 19020, USA
Cell: 617-960-7156
email: kkaleemuddin@gmail.com

Printed in India

সূচীপত্র

	পৰিচিতি	8
	কুৰআনৰ সময়ানুক্রমিক তালিকা	21
	পৱিত্র কুৰআন	
১.	আল-ফাতিহা	23
২.	আল-বাকাৰা	23
৩.	আলে-ইমৰাণ	72
৪.	আন-নিছা	99
৫.	আল-মায়িদা	127
৬.	আল-আনআম	148
৭.	আল-আৰাফ	172
৮.	আল-আনফাল	199
৯.	আত-তওবা	209
১০.	ইউনুছ	229
১১.	হূদ	243
১২.	ইউছুফ	260
১৩.	আৰ-ৰা'দ	274
১৪.	ইব্রাহীম	281
১৫.	আল-হিজৰ	288
১৬.	আন-নাহল	294
১৭.	আল-ইছৰা	310
১৮.	আল-কাহাফ	323
১৯.	মৰয়ম	337
২০.	ত্বাহা	346

২১.	আল-আম্বিয়া	357
২২.	আল-হজ	369
২৩.	আল-মুমিনূন	379
২৪.	আন-নূৰ	389
২৫.	আল-ফুৰকান	399
২৬.	আছ-ছু'আৰা	406
২৭.	আন-নমল	418
২৮.	আল-কাছাছ	428
২৯.	আল-আন্‌কাবূত	440
৩০.	আৰ-ৰূম	448
৩১.	লোকমান	455
৩২.	আছ-ছাজদাহ	459
৩৩.	আল-আহযাব	462
৩৪.	চাবা	472
৩৫.	ফাতিৰ	480
৩৬.	য়া-ছীন	486
৩৭.	আছ-ছাফফাত	493
৩৮.	চাদ	502
৩৯.	আয-যুমাৰ	508
৪০.	আল-গাফীৰ	518
৪১.	ফুচচিলাত	528
৪২.	আছ-ছূৰা	535
৪৩.	আয-যুখৰুফ	542
৪৪.	আদ-দুখান	550

৪৫. আল-জাছিয়া 553
৪৬. আল-আহ্কাফ 557
৪৭. মুহাম্মদ 563
৪৮. আল-ফাতহ্ 568
৪৯. আল-হুজুৰাত 573
৫০. ক্বা-ফ 576
৫১. আয-যাৰিয়াহ্ 580
৫২. আত-তূৰ 583
৫৩. আন-নাজম 586
৫৪. আল-কামাৰ 589
৫৫. আৰ-ৰহ্মান 593
৫৬. আল-ৱাকিয়া 597
৫৭. আল-হাদীদ 600
৫৮. আল-মুজাদিলা 605
৫৯. আল-হাছ্ৰ 609
৬০. আল-মুমতাহিনা 613
৬১. আছ্-ছফ 616
৬২. আল-জুমুআ 618
৬৩. আল-মুনাফিকুন 620
৬৪. আত-তাগাবুন 621
৬৫. আত-তালাক 623
৬৬. আত-তাহ্ৰীম 626
৬৭. আল-মুলক 628
৬৮. আল-কলম 631

৬৯.	আল-হাক্কাহ	634
৭০.	আল-মা'আরিজ	637
৭১.	আন-নূহ	639
৭২.	আল-জ্বিন	641
৭৩.	আল-মুয্যাম্মিল	643
৭৪.	আল-মুদ্দাছ্ছির	645
৭৫.	আল-কিয়ামাহ	648
৭৬.	আল-ইনছান	649
৭৭.	আল-মুরছালাত	652
৭৮.	আন-নাবা	654
৭৯.	আন-নাযিয়াত	656
৮০.	আল-আবাছা	658
৮১.	আত-তাকরীর	659
৮২.	আন-ইনফিতার	660
৮৩.	আল-মুতাফফিফীন	661
৮৪.	আল-ইনছিকাক	663
৮৫.	আল-বুরূজ	664
৮৬.	আত-তারিক	665
৮৭.	আল-আ'লা	665
৮৮.	আল-গাছিয়া	666
৮৯.	আল-ফজর	667
৯০.	আল-বালাদ	669
৯১.	আছ-ছামচ	669
৯২.	আল-লাইল	670

৯৩.	আদ-দুহা	671
৯৪.	আল-ইনছিৰাহ	672
৯৫.	আত-তীন	672
৯৬.	আল-আলাক	672
৯৭.	আল-কদৰ	673
৯৮.	আল-বাইয়িনাহ	674
৯৯.	আয-যিলযাল	674
১০০.	আল-আদিয়াত	675
১০১.	আল-কাৰিআ	675
১০২.	আত-তাকাছুৰ	676
১০৩.	আল-আছৰ	676
১০৪.	আল-হুমাযা	676
১০৫.	আল-ফীল	677
১০৬.	কুৰাইছ	677
১০৭.	আল-মাউন	678
১০৮.	আল-কাওচাৰ	678
১০৯.	আল-কাফিৰুণ	678
১১০.	আন-নাছৰ	679
১১১.	আল-লাহাব	679
১১২.	আল-ইখলাছ	679
১১৩.	আল-ফালাক	680
১১৪.	আন-নাছ	680

পৰিচিতি

কুৰআন আল্লাহৰ পুথি। ই অৱতীৰ্ণৰ সময়ৰে পৰা বৰ্তমানলৈ সৰ্বাৱস্থাত সুৰক্ষিত হৈ আহিছে। মূল পুথিখন আৰবী ভাষাত লিখিত। এনে এখন পুথিৰ অনুবাদ কদাপিও মূল গ্ৰন্থৰ বিকল্প হ'ব নোৱাৰে। তথাপি ইয়াক ভাঙণি কৰাৰ মূল উদ্দেশ্য হ'ল, আৰবী নজনা ব্যক্তিসকলৰ মাজত আল্লাহৰ পৰিত্ৰ বাণী বোধগম্য কৰি তোলা।

পৰিত্ৰ কুৰআন আৰবী ভাষাত হ'লেও আচলতে ই প্ৰকৃতিৰ ভাষাত ৰচিত, অৰ্থাৎ সেই ভাষাত, যি ভাষাত সৃষ্টিৰ ৰচনা কালতে আল্লাহে সকলো মানুহকে প্ৰত্যক্ষভাৱে সম্বোধন কৰিছে। এই সামগ্ৰিক সম্বোধন প্ৰত্যেক পুৰুষ-মহিলাৰ সহজ ৰূপত সৰ্বদা বিদ্যমান। সেইবাবে পৰিত্ৰ কুৰআন সৰ্বসাধাৰণে সহজতে বুজিব পৰা এখন পুথি। ই কিছুমানৰ বাবে চেতন ৰূপে আৰু কিছুমানৰ বাবে অবচেতন ৰূপে বিদ্যমান।

এই বাস্তৱকে কুৰআনত এনেভাৱে উল্লেখ কৰা হৈছে- 'এয়া তেওঁলোকৰ অন্তৰৰ বাবে স্পষ্ট নিদৰ্শন, যিসকলক জ্ঞান দান কৰা হৈছে।' এই ভাষ্যত আকৌ এনেকৈও কোৱা হৈছে- 'অন্যায়কাৰীবিলাকৰ ব্যতীত আনে আমাৰ এই নিদৰ্শন অগ্ৰাহ্য নকৰে।' (২৯ঃ৪৯)

ইয়াৰ অৰ্থ এই যে, কুৰআন যি ঐশীবাণীৰ বাস্তৱিকতাৰ চেতনাৰ ভাষাত কোৱা হৈছে, সেয়া সহজ ভাষাত আদিৰ পৰাই মানুহৰ মাজত বিদ্যমান আছে। কুৰআনৰ বাৰ্তা মানুহৰ বাবে অচিনাকী কোনো নতুন বাৰ্তা নহয়। ই সেই জ্ঞানৰেই এক শাৱ্দিক, যাৰ সৈতে মানৱ প্ৰকৃতিৰ স্তৰত প্ৰথমৰ পৰাই পৰিচিত। কুৰআনত কোৱা হৈছে, যিবিলাক মানুহ পৰৱৰ্তী কালত জন্ম গ্ৰহণ কৰিছে, সেয়া সেই সময়তে আল্লাহে সমগ্ৰ মানৱ আত্মাক

প্ৰত্যক্ষ সম্বোধন কৰিছিল। ইয়াকে কুৰআনত এনে ভাৱে উল্লেখ কৰা হৈছে- '(হে নবী) যেতিয়া তোমাৰ প্ৰভুৱে আদম সন্তানসকলৰ পৃষ্ঠদেহৰ পৰা সিহঁতৰ বংশধৰসকলক উলিয়াইছিল আৰু সিহঁতকে সিহঁতৰ নিজৰ প্ৰতি সাক্ষী কৰি সুধিছিল- মই তোমালোকৰ প্ৰভু নহয়নে? সিহঁতে উত্তৰ দিছিল- হয়, আমি সাক্ষ্য দিছো তুমিয়েই প্ৰভু। সেয়া এইবাবে যাতে সিহঁতে কিয়ামতৰ দিনা ক'ব নোৱাৰে যে, আমি এই বিষয়ে অজ্ঞ আছিলো।' (৭ঃ১৭২)

আল্লাহ আৰু মানুহৰ মাজত হোৱা কথোপকথন সংক্ৰান্তত কুৰআনৰ আন এঠাইত এনেদৰে উল্লেখ আছে- 'আমি এই আমানত (দায়িত্বভাৰ) আকাশমণ্ডল, পৃথিৱী আৰু পৰ্বতবোৰৰ প্ৰতি অৰ্পণ কৰিবলৈ বিচাৰিছিলো, সেইবোৰে এই দায়িত্ব বহন কৰিবলৈ অস্বীকাৰ কৰিলে আৰু সেয়া ল'বলৈ ভয় কৰিলে। কিন্তু মানুহে সেয়া বহন কৰিলে। মানুহ অবিবেচক আৰু নিৰ্বোধ বুলি সাব্যস্ত হ'ল।' (৩৩ঃ৭২)

এই আয়াতৰ পৰা জনা যায় সৃষ্টিৰ আদিতে আল্লাহে মানুহক প্ৰত্যক্ষভাৱে সম্বোধন কৰিছিল। সেয়া সকলো মানুহৰ অৱচেতন মনত সুৰক্ষিত কৰি দিয়া হৈছে। আল্লাহৰ সম্বোধনৰ মাধ্যমত মানুহে আল্লাহৰ বাণী শুনিছে, বুজিছে আৰু উত্তৰো দিছে। সেয়ে কুৰআন মানুহৰ জনাৰ আৰু বুজাৰ মাধ্যম। এয়া কোনো নজনা বা হঠাৎ শুনা কথা নহয়। আচল কথা হ'ল, কুৰআন মানুহৰ চেতনাৰ উন্মেষ।

যি ব্যক্তিৰ প্ৰকৃতি জীৱিত, তেওঁ নিজকে নিজে পৰৱৰ্তী পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰা ৰক্ষা কৰিছে। তেওঁ যেতিয়া কুৰআন পঢ়িব, তেওঁৰ মগজুৰ শিৰা-উপশিৰা সক্ৰিয় হ'ব আৰু আল্লাহৰ লগত হোৱা প্ৰথম কথোপকথন উদ্ভাসিত হ'ব। এয়া যদি স্মৰণত থাকে, তেনেহ'লে কুৰআনৰ প্ৰকৃতাৰ্থ ভাঙণি বুজাত কোনো জটিল নহ'ব।

আল্লাহৰ প্ৰথম সম্বোধন আছিল আল্লাহক মানি লোৱাৰ প্ৰথম প্ৰতিশ্ৰুতি আৰু দ্বিতীয়টো আছিল কুৰআনক মানি চলাৰ দ্বিতীয় প্ৰতিশ্ৰুতি। ইয়াৰ দুয়োটা বাক্য এটা আনটোৰ পৰিপূৰক। কোনো ব্যক্তিয়ে যদি আৰবী ভাষা নাজানে বা অলপ জানে আৰু তেওঁ কেৱল কুৰআনৰ ভাঙণি পঢ়াৰ স্থিতিত থাকে, তেনেহ'লে তেওঁ কুৰআন নুবুজাৰ হতাশাত ভোগা উচিত নহয়। কুৰআনৰ এই মানৰ ধাৰণা বৰ্তমান যুগত এক বৈজ্ঞানিক তথ্যত পৰিণত হৈছে। বৰ্তমান যুগৰ জেনেটিক কোডৰ বিজ্ঞান আৰু এনথ্ৰোপলজিৰ অধ্যায় দুটাই এই দৃষ্টিকোণকে সমৰ্থন কৰে।

আল্লাহৰ সৃষ্টি নিমাৰ্ণৰ যোজনা

প্ৰত্যেক কিতাবৰ এটি লক্ষ্য আৰু উদ্দেশ্য থাকে আৰু কুৰআনৰ উদ্দেশ্য হ'ল আল্লাহৰ সৃষ্টি নিমাৰ্ণৰ যোজনা (Creation Plan of God)ৰ বিষয়ে মানুহক অৱগত কৰোৱা। অৰ্থাৎ মানুহক এই কথা জনোৱা যে, আল্লাহে এই বিশ্ব জগত কিয় সৃজন কৰিলে। মানুহক এই পৃথিৱীত বসবাস কৰোৱাৰ উদ্দেশ্য কি? মৃত্যুৰ পূৰ্বৰ জীৱন কালত মানুহৰ কি আকাংক্ষা আৰু মৃত্যুৰ পৰৱৰ্তী জীৱনত মানুহৰ লগত কি ঘটিব। মানুহ অমৰ সৃষ্টি। আল্লাহে যেতিয়া মানুহ সৃষ্টি কৰিছিল, মানুহৰ জীৱন পৰিক্ৰমাক দুটা ভাগত ভাগ কৰিছিল। এটা মৃত্যুৰ পূৰ্বৰ জীৱন, যিটো মানুহৰ পৰীক্ষাৰ কাল আৰু আনটো মৃত্যুৰ পৰৱৰ্তী জীৱন, যি এই কালছোৱা হ'ল মৃত্যুৰ পূৰ্বে কৰা মানুহৰ সৎকৰ্মৰ প্ৰতিদান দিয়া আৰু অসৎকৰ্মৰ বাবে শাস্তি দিয়াৰ চিৰকলীয়া সময়। হয় মানুহ চিৰকলীয়া স্বৰ্গত থাকিব, নহয় চিৰকলীয়া নৰকত থাকিব। এই পৰম সত্যকে কুৰআনে মানুহক অৱগত কৰাব বিচাৰিছে। এয়াই হ'ল এই ঐশীপুথি কুৰআনৰ প্ৰকৃত উদ্দেশ্য। এই উদ্দেশ্য

বাস্তবায়নৰ বাবে মানুহৰ মৃত্যুৰ পূৰ্বৰ জীৱন কালছোৱাত কৰণীয় উপদেশ দিয়ে।

এয়া বাস্তৱ সত্য যে, মানুহ জন্মগত সূত্ৰে অনুসন্ধিতসু। সেয়ে প্ৰত্যেক মানুহৰ মনত এই ভাৱ উদয় হয়, মই কোন? মোৰ জীৱনৰ উদ্দেশ্য কি? জীৱন আৰু মৰণৰ প্ৰকৃত স্বৰূপ কি? মানুহৰ কৃতকাৰ্যতা আৰু ব্যৰ্থতাৰ গুঢ়তত্ত্ব কি? এনে ধৰণৰ প্ৰশ্নসমূহৰ কুৰআনৰ উত্তৰ হ'ল- এই পাৰ্থিৱ জগত মানৱ জীৱনৰ পৰীক্ষাৰ ক্ষেত্ৰ আৰু মৃত্যুৰ পূৰ্বলৈকে যিবোৰ বাধা-বিঘিনি মানুহে পায়, সেইবোৰ পৰীক্ষাৰ এটা অংশ। মৰণৰ পৰৱৰ্তী কালছোৱা হ'ল পৰীক্ষাৰ ফলাফল ঘোষণাৰ অৱস্থান। সৰ্বশক্তিমান আল্লাহে মানুহৰ পাৰ্থিৱ জীৱনৰ কৰ্মৰ হিচাব-নিকাচ কৰি তাৰ ভিত্তিত পুৰস্কাৰ বা শাস্তি নিৰ্ণয় কৰিব। মানুহৰ ইহকালীন জীৱনৰ কৃতকাৰ্যতাৰ এই গূঢ় তত্ত্বই হ'ল আল্লাহৰ মানৱ সৃষ্টি নিমাৰ্ণৰ যোজনা আৰু তদানুযায়ী জীৱন পৰিক্ৰমাৰ ৰূপৰেখা নিৰ্ধাৰিত হয়।

ঐশী সতৰ্কবাণী পুথি

কুৰআন এখন ঐশী সতৰ্কীকৰণ পুথি। শিক্ষণ আৰু উপদেশ দানৰ সমাহাৰ। প্ৰকৃতাৰ্থত ক'বলৈ হ'লে ই জ্ঞান তত্ত্বৰে ভৰপূৰ এখন পুথি। গতানুগতিক ভাৱে ৰচিত পুথিৰ দৰে কুৰআন এখন ৰচিত পুথি নহয়। প্ৰকৃতাৰ্থত যেতিয়া পাঠকসকলে কুৰআন পাঠ কৰে, তেতিয়া ধাৰণা হয় যে, এয়া অপূৰ্ণ উক্তিৰ সমাহাৰহে। দৰাচলতে এই ধাৰণা সত্য নহয়। কুৰআনত সন্নিবিষ্ট এই ক্ৰমিক ধাৰাত কোনো ত্ৰুটি-বিচ্যুতি নাই। আছে মাথোন কুৰআন ৰচনাৰ মূল উদ্দেশ্য সাব্যস্তকৰণৰ সামঞ্জস্যতা, যিয়ে পাঠকৰ মনত ইয়াৰ প্ৰকৃত বাৰ্তা পৌছাই দিয়ে। সি মূল পুথিৰ এটা অধ্যয়েই পঢ়ক বা এটা আয়াতেই পঢ়ক।

কুৰআনৰ মৌলিক বৈশিষ্ট্য হ'ল সৰ্বোত্তম কৰুণাময়ৰ পৰম দয়াৰ কথা মানুহক সোঁৱৰাই দিয়া। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাবোৰ হ'ল, কিছুমান অনন্য বৈশিষ্ট্য সৃষ্টিৰ সূচনা কালতে আল্লাহে মানুহৰ আভ্যন্তৰত সন্নিবিষ্ট কৰি দিছে। আন এটা কৰুণা হ'ল, তেওঁ মানুহক পৃথিৱীত বসবাস কৰাইছে। একো একোটা নক্ষত্ৰত মানুহৰ উপকাৰত আহিব পৰা সকলো ধৰণৰ কল্যাণ নিহিত কৰি দিছে। কুৰআনৰ উদ্দেশ্য হ'ল, এয়া সাব্যস্ত কৰা যে যেতিয়া মানুহে প্ৰকৃতি প্ৰদত্ত দয়া উপভোগ কৰিব, তেতিয়াও সততে মানুহে তেওঁৰ কল্যাণ সাধনৰ কথা মনত ৰখা উচিত আৰু নিশ্চয় তেওঁ তেওঁৰ সৃষ্টিকৰ্তাৰ প্ৰতি বদান্য হোৱা উচিত। এনে প্ৰকৃতিয়ে মানুহক চিৰকলীয়া স্বৰ্গৰ প্ৰৱেশৰ দ্বাৰ মুকলি কৰে। আনহাতে যিজনে তেওঁৰ বদান্যতাক অগ্ৰাহ্য কৰিব, তাক পোনে পোনে নৰকলৈ লৈ যাব। কুৰআন হ'ল এনে অপৰিহাৰ্য পৰম সত্যৰেই সোঁৱৰণ।

আভ্যন্তৰিণ উদ্দ্যম আৰু আল্লাহৰ অনুধাৱন

কুৰআনৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ই আমাক কেৱল মৌলিক অথচ প্ৰয়োজনীয় নীতি-নিয়মবোৰ প্ৰায়ে পুনৰাবৃত্তি কৰি শুনায়। বৈপৰীত্য, গৌণ, অমৌলিক আৰু অহেতুক বিষয়সমূহো এই পুথিত উল্লেখ কৰা হৈছে। এইটোও কুৰআনৰ আঁচনিৰ এটা সামঞ্জস্যপূৰ্ণ যদিও ইয়াক সম্পূৰ্ণ গৌণ বিষয় হিচাবে উত্থাপন কৰা হৈছে। কুৰআনত কেৱল সেইবোৰ নীতি-নিয়মক গুৰুত্ব দিয়া হৈছে, যিবোৰ বিষয় মূলতঃ মৌলিক নীতি-নিৰ্দেশনাত্মক। এই দিশৰ পৰা কুৰআনৰ উদ্দেশ্য স্পষ্ট হোৱাই নহয়, ই উল্লেখযোগ্য।

আভ্যন্তৰিণ উদ্দ্যম-উদ্দীপনাৰ প্ৰকৃত সত্যৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল, ইছলামিক ব্যক্তিত্ব গঢ় দিয়া। এবাৰ যদি এই আভ্যন্তৰিণ উদ্দীপনা

গঢ় দিয়া হয়, নিশ্চয় ই সঠিক স্বাভাৱিক পথ ৰূপে সাব্যস্ত হ'ব। কিন্তু এই আভ্যন্তৰিণ উৎসাহ-উদ্দীপনা স্বাভাৱিকতে নিজে নিজে কেতিয়াও উদ্ভূত নহয়। সেয়ে কুৰআনৰ উদ্দেশ্য হ'ল, মানুহৰ মাজত বৌদ্ধিক জাগৰণ উদ্ভুত কৰা আৰু সিদ্ধি লাভ কৰা। এই বৌদ্ধিক জাগৰণক কৌৰাণিক ভাষাত কোৱা হয়- 'মা ৰিফাহ', (সত্য অনুধাবন) (৫ঃ৮৩)

প্রকৃত সত্য উদ্‌ঘাটন আৰু অনুধাৱনৰ ওপৰত কুৰআনে সবাতোকৈ বেছি গুৰুত্ব আৰোপ কৰে। আল্লাহৰ প্রতি দৃঢ় বিশ্বাসেই মানুহক এনে উন্নত পর্যায়লৈ উন্নিত কৰায় য'ত কোনো অনুধাৱন নাই, তাত বিশ্বাস নাই।

আল্লাহৰ বাণী

আপোনালোকে কুৰআন পাঠ কৰিলে ঘনে ঘনে উল্লেখ কৰা দেখিব যে, এয়া আল্লাহৰ বাণী। দৰাচলতে এয়া ধ্রুৱ সত্য। ইয়াৰ প্রসংগৰ প্রতি দৃষ্টিপাত কৰিলে, ইয়াক উপৰঞ্চি সংযোজন বাক্য যেন লাগে। পৃথিৱীত বহু গ্রন্থ আছে, যিসমূহক ধর্মীয় পুথি বুলি বিশ্বাস কৰা হয়। কিন্তু একমাত্র কুৰআন ব্যতীত আন কোনো ধর্মীয় গ্রন্থত 'এইখন আল্লাহৰ পুথি' বুলি উল্লেখ পোৱা নাযায়। কুৰআনৰ এনে ধৰণৰ অনন্য ঘোষণাই পাঠকৰ মনত ব্যতিক্রমী দিশৰ চিন্তাৰ উদ্রেক কৰে। এইখনক সচৰাচৰ মানৱ ৰচিত গ্রন্থৰ দৰে জ্ঞান নকৰি, ব্যতিক্রম ধর্মী পুথি হিচাবে তেতিয়া অধ্যয়ন কৰিবলৈ লয়। সাধাৰণতে আমি কুৰআনত কম-বেছি পৰিমাণে এনে ধৰণৰ পংক্তিৰ উল্লেখ দেখো- 'হে মানৱ, এইজনেই তোমালোকৰ প্রভু, যিজনে তোমালোকক আহবান কৰিছে। সেয়ে তেওঁৰ কথা শুনা আৰু তেওঁক মানি চলা।' আনকি এনে ধৰণৰ বচন শৈলীও অনন্য। পোনপটীয়া ঐশী সম্বোধিত নতুনত্ব আন কোনো ধর্মীয় পুথিত পোৱা নাযায়। ইয়ে মানুহৰ মনত স্থায়ী ৰেখাপাত কৰে। তেওঁ ভাৱে আল্লাহে তেওঁক পোনে পোনে সম্বোধন কৰিছে। এই দৃঢ় ঘোষণাই মানুহক সাধাৰণতে দৈনন্দিন

পাঠ কৰি থকা মাথোন এখন কিতাবৰ বিপৰীতে কুৰআন সম্পৰ্কে অনুধাৱন কৰিবলৈ অতি উৎসুক কৰি তোলে। কুৰআনৰ ৰচনা শৈলীও অনন্য। মানৱ ৰচিত গ্ৰন্থসমূহ নিয়মতান্ত্ৰিকতা আৰু শ্ৰেণী পৰম্পৰা ৰক্ষা কৰি আদিৰ পৰা অন্তলৈকে বস্তুনিষ্ঠ বিষয়ৰ ওপৰত ভিত্তি কৰি ক্ৰম অনুযায়ী লিখা হয়। কিন্তু কুৰআনত এনে ধৰণৰ গ্ৰন্থ প্ৰণয়নৰ নিয়ম অনুসৰণ কৰা নাই। সেয়ে সাধাৰণ মানুহৰ মনত কুৰআন এখন অক্ৰমবদ্ধ বাণী হিচাবে ধাৰণা হয়। কিন্তু ইয়াক বাস্তৱ দিশত চালে দেখা যায় ই এখন সু-সামঞ্জস্যশীল ক্ৰমবদ্ধ ধাৰাত ৰচিত গ্ৰন্থ। ইয়াৰ ৰচনা শৈলীৰ ধৰণ সম্পূৰ্ণ অভিনৱ। কুৰআন পাঠ কৰিলে ধাৰণা হয় যে, ইয়াৰ ৰচকজনে এনে উচ্চতম স্থানত অধিষ্ঠিত হৈ আছে, য'ৰ পৰা তেওঁ সম্পূৰ্ণ মানৱমণ্ডলীক দেখি আছে আৰু সম্পৰ্ক ৰক্ষা কৰি আছে। এই সম্বোধনত তেওঁ কেতিয়াবা বিশেষ এটা দলৰ প্ৰতি কেন্দ্ৰীভূত কৰিছে আৰু কেতিয়াবা সমগ্ৰ মানৱ জাতিক সামৰি লৈছে।

কুৰআনৰ এটা বিশেষ দৃষ্টিকোণ হ'ল যে ইয়াৰ পাঠকে যিকোনো মুহূৰ্ততে ইয়াৰ লেখকৰ লগত পৰামৰ্শ কৰিব পাৰে। কুৰআনৰ লেখক স্বয়ং আল্লাহ নিজেই। সেয়ে পাঠকে আল্লাহক প্ৰশ্ন কৰিব পাৰে আৰু উত্তৰো তেওঁৰ পৰাই পাব। আল্লাহ চিৰন্তন-চিৰঞ্জীৱ। মানুহৰ সৃষ্টিকৰ্তা। তেওঁ পোনে পোনে মানুহৰ কথা শুনে আৰু মানুহৰ আহবানত সঁহাৰি জনায়।

এটা শান্তিপূৰ্ণ আদৰ্শভিত্তিক সংগ্ৰাম

যিসকলে সংবাদ মাধ্যমৰ জৰিয়তে কুৰআনক উপস্থাপন কৰে, সাধাৰণতে তেওঁলোকে কুৰআনক এখন 'জিহাদ'ৰ পুথি হিচাবে ধাৰণা দিব বিচাৰে আৰু 'জিহাদ' বুলি হিংসাত্মক কাৰ্যকলাপেৰে মূল লক্ষ্যত উপনীত হোৱা ব্যৱস্থাপনাক অভিহিত কৰে। কিন্তু এনে ধাৰণা বিভ্ৰান্তিৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু যিজনে কুৰআন অধ্যয়ন কৰে, তেওঁ নিজেই সততে

বখানিবলৈ লয় যে, কুৰআনৰ আহবানত ক'তো কোনো হিংসাত্মক কথাৰ উল্লেখ নাই। কুৰআন এনে এখন পুথি, য'ত আৰম্ভণিৰ পৰা অন্তলৈকে ব্যাপকভাৱে কেৱল শান্তিৰ বাণীহে প্ৰচাৰ কৰা হৈছে, তাত ক'তো হিংসাত্মক ভাৱাবেগৰ উল্লেখ নাই। কুৰআনৰ শিক্ষাসমূহৰ মাজৰ এটা শিক্ষাক 'জিহাদ' বোলা হয়। কিন্তু প্ৰকৃতাৰ্থত এয়া শুদ্ধ নহয়। ইয়াৰ আচল অৰ্থ হ'ল হিংসাত্মক কাৰ্যকলাপ ব্যতিৰেকে শান্তিপূৰ্ণভাৱে সংগ্ৰাম কৰাৰ নামেই জিহাদ। জিহাদৰ ভাৱধাৰাক কুৰআনৰ ভাষ্যত এনেদৰে উল্লেখ কৰা হৈছে- 'ইয়াৰ (কুৰআনৰ) সহায়ত জিহাদত (কঠোৰ পৰিশ্ৰমত) লিপ্ত হোৱা।' (২৫ঃ৫২)

নিশ্চয় কুৰআন কোনো অস্ত্ৰ নহয়, ই এখন পুথি, যিখনে আমাক শান্তিপূৰ্ণ ঐশী আদৰ্শভিত্তিক সংগ্ৰামৰ (Divine Ideology of Peaceful Struggle) পথ প্ৰদৰ্শন কৰে। কুৰআনৰ ভাষ্যত এনে সংগ্ৰামৰ পদ্ধতি হ'ল- 'তেওঁলোকক এনে ধৰণৰ কথা কোৱা যাতে তেওঁলোকৰ অন্তৰত প্ৰভাৱ পেলাব পাৰে।' (৪ঃ৬৩)

সেয়ে কুৰআন অনুসৰি বাঞ্ছিত উপস্থাপনে মানুহৰ মন-মগজুত আলোড়নৰ সৃষ্টি কৰে। সেয়াই মানুহৰ মন-মানসিকতাক পোনে পোনে আহবান কৰে, তেওঁলোকক সন্তুষ্টি প্ৰদান কৰে। কুৰআনৰ সত্যতাই তেওঁলোকক প্ৰভাৱিত কৰে। থোৱতে ক'বলৈ হ'লে, তেওঁলোকৰ মনত বৌদ্ধিক আন্দোলন জাগ্ৰত কৰে। এয়াই কুৰআনৰ উদ্দেশ্য। এই উদ্দেশ্য সাধন হ'ব কেৱল যুক্তি-যুক্ততা উত্থাপনৰ ভিত্তিত। কোনো সংঘৰ্ষ বা সশস্ত্ৰ সংগ্ৰামৰ ভিত্তিত কদাপিও এয়া প্ৰতিষ্ঠিত হ'ব নোৱাৰে।

এয়া বাস্তৱ সত্য যে কুৰআনত এনে কিছুমান উক্তি আছে, যি দেখাত ইয়াৰ হেঙাৰ স্বৰূপ যেন লাগে। যেনে- 'য'তে তোমালোকৰ লগত সিহঁতৰ মুখামুখি হয়, ত'তে সিহঁতক বধ কৰা।' (২ঃ১৯১)

এনে ধৰণৰ পংক্তিৰ উদ্ধৃতি দি কিছুমানে ধাৰণা দিব বিচাৰে যে ইছলাম ধৰ্ম যুদ্ধ আৰু সংঘৰ্ষৰ ধৰ্ম। আচলতে এয়া গোকাট মিছা। এনে ধৰণৰ পংক্তি বিশেষ পৰিবেশ পৰিস্থিতিৰ সময় সাপেক্ষেহে, যিবিলাকে একপক্ষীয়ভাৱে মুছলিমসকলক আক্ৰমণ কৰিছিল। উপৰুক্ত উক্তিবোৰ ইছলাম ধৰ্মত সাধাৰণ ঘোষণা হিচাবে প্ৰযোজ্য নহয়।

এয়া সত্য যে বৰ্তমান কুৰআনক যি ৰূপত দেখা গৈছে, সেই ৰূপত অৱতীৰ্ণ হোৱা নাছিল। এয়া সময়ে সময়ে আৰু পৰিবেশ পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি সুদীৰ্ঘ ২৩ বছৰত অৱতীৰ্ণ হৈছিল। এই সময়ছোৱাক যদি যুদ্ধ আৰু শান্তি দুটা পৰ্যায়ত ভাগ কৰো, তেনেহ'লে শান্তিৰ সময়ছোৱা হ'ব ২০ বছৰ আৰু যুদ্ধৰ সময়ছোৱা হ'ব মাথোন ৩ বছৰ। এই কুড়ি বছৰীয়া শান্তিৰ সময়ছোৱাত অৱতীৰ্ণ হৈছিল ইছলামৰ শান্তি-সম্প্ৰীতিৰ নীতি শিক্ষা আৰু মহান আল্লাহৰ উপলব্ধিত উপাসনা-আৰাধনা, নীতি-নৈতিকতা, ন্যায় প্ৰক্ৰিয়া ইত্যাদি।

বিভিন্ন দিশত দিয়া নানা ধৰণৰ আদেশ-নিষেধ সমূহ স্বভাৱসিদ্ধ আৰু সকলো ধৰ্ম গ্ৰন্থতে এই সমূহ পোৱা যায়। হিন্দুসকলৰ পৱিত্ৰ ধৰ্ম গ্ৰন্থ গীতাত এনে জ্ঞানতত্ত্বমূলক আৰু নৈতিক প্ৰমূল্যবোধ সম্পৰ্কিত বহু উপমা পোৱা যায়। ইয়াৰ লগতে শ্ৰীকৃষ্ণই অৰ্জুনক উপদেশ দিছে আৰু যুদ্ধ কৰাৰ বাবে উৎসাহিত কৰিছে। (ভাগৱত গীতা- ৩ঃ৩০)। ইয়াৰ উদ্দেশ্য এইটো নহয় যে, গীতাৰ অনুসাৰীসকলে অনবৰত যুদ্ধ কৰি থাকিব লাগিব। এই একেখনি গীতা পুথিৰ পৰা মহাত্মা গান্ধীয়ে উদ্বুদ্ধ হৈ অহিংসাৰ দৰ্শন প্ৰচাৰ কৰে। সেয়ে কোনো গত্যন্তৰ নথকাত উপায়ন্তৰ হৈ বিশেষ পৰিস্থিতিত গীতাত যুদ্ধৰ উপদেশ দিয়া হৈছে। কিন্তু দৈনন্দিন জীৱনত শান্তি-সম্প্ৰীতি বজাই ৰখাৰ আদেশকে দিয়া হৈছে, যাক মহাত্মা গান্ধীয়ে 'অহিংস পৰম ধৰ্ম' বুলি কৈছে।

তদ্ৰূপ যীশু খৃষ্টয়ো কৈছে- 'নাভাবিবা যে মই পৃথিৱীত কেৱল শান্তি আনিবলৈ আহিছো। মই মাথোন শান্তি আনিবলৈকে অহা নাই। তৰোৱাল লৈ আহিছো।' (মেথিউ- ১০ঃ৩৪)

ইয়াৰ ভিত্তিত এনে সিদ্ধান্ত লোৱা সংগত নহ'ব যে, যীশু খৃষ্টই যুদ্ধ আৰু সংঘর্ষৰ জৰিয়তে ধর্ম প্রচাৰ কৰিছিল। এনে ধৰণৰ উদ্ধৃতি বিশেষ পৰিবেশ পৰিস্থিতি সাপেক্ষেহে প্রযোজ্য। সচৰাচৰ দৈনন্দিন জীৱনত যীশু খৃষ্টই শান্তি-সম্প্রীতিৰ মূল্যবোধৰ শিক্ষা দিয়ে আৰু ইয়াৰ ভিত্তিত গঢ় লয় উন্নত মানৰ নৈতিক চৰিত্র, পৰস্পৰৰ ভাল পোৱা, দুখীয়া-অভাৱগ্রস্তক সাহায্য কৰা ইত্যাদি।

কুৰআনৰ ক্ষেত্রতো একে কথাই প্রযোজ্য। যেতিয়া হজৰত মুহাম্মদে (তেওঁৰ ওপৰত শান্তি বর্ষিত হওক) মক্কাৰ পৰা মদিনালৈ প্রবজন (হিজৰত) কৰিলে, তাৰ মূর্তিপূজক গোষ্ঠীবোৰ তেওঁৰ প্রতি খর্গহস্ত হৈ পৰিল। কিন্তু হজৰত মুহাম্মদে সদায় শান্তি চুক্তিৰ প্রস্তাৰ দি আক্রমণতাত্মক মনোবৃত্তিৰ পৰা এৰাই চলাৰ পন্থা অৱলম্বন কৰিছিল। তথাপি বিশেষ কিছু পৰিবেশ পৰিস্থিতিত নিজক আত্মৰক্ষা কৰাৰ বাদে আন কোনো গত্যন্তৰ নাছিল। সেয়ে বিশেষ অনিবার্য কাৰণ বশতঃ তেখেতে যুদ্ধ কৰিব লগীয়া হৈছিল। এনে পৰিপ্রেক্ষিততে যুদ্ধ সংক্রান্তীয় কিছু পংক্তি অৱতীর্ণ হয়। এই আদেশ সমূহ কোনো নির্দিষ্ট পৰিস্থিতি সাপেক্ষেহে দিয়া হৈছে। এয়া কোনো সাধাৰণতে প্রযোজ্য হোৱা আদেশ নহয়। এয়া সকলো সময়তে প্রযোজ্য নহয়। সেই কাৰণে নবী হজৰত মুহাম্মদৰ মৌলিক বৈশিষ্ট্য হিচাবে তেওঁক 'সমগ্র মানৱৰ কাৰণে কৰুণা স্বৰূপ' (২১ঃ১০৭) বুলি অভিহিত কৰা হৈছে।

ইছলাম ধর্ম শান্তিৰ ধর্ম। ইয়াৰ নামেই এই অর্থ বহন কৰে। কুৰআনৰ ভাষ্যত এই পথক 'শান্তিৰ পথ' (৫ঃ১৬) বুলি কোৱা হয়। 'আপোচ মীমাংসা উত্তম পন্থা' বুলি কোৱা হৈছে (৪ঃ১২৮) আৰু কোৱা হৈছে যে- 'আল্লাহে

অশান্তি আৰু বিশৃঙ্খলতা ভাল নাপায়' (২ঃ২০৫)। সেয়ে আমি ইছলাম আৰু সংঘর্ষ পৰস্পৰৰ বিৰোধী বুলি ক'লে কোনো অতিৰঞ্জিত নহ'ব।

কুৰআন ঐশীপুথি

কুৰআন আল্লাহৰ পক্ষৰ পৰা নবী হজৰত মুহাম্মদৰ প্ৰতি অৱতীৰ্ণ পুথি। এইখন পূৰ্ণাংগ পুথিৰ ৰূপত একেলগে তেওঁলৈ অৱতীৰ্ণ হোৱা নাছিল। ২৩ বছৰ ধৰি অলপ অলপকৈ অৱতীৰ্ণ হৈছিল। ইয়াৰ প্ৰথম অংশ ৬১০ খৃষ্টাব্দত অৱতীৰ্ণ হৈছিল যেতিয়া তেওঁ মক্কাত আছিল। পৰ্যায়ক্ৰমে আন আন পংক্তিবোৰ নিয়মিত ভাৱে অৱতীৰ্ণ হ'বলৈ ধৰে আৰু তেওঁ যেতিয়া মদিনাত আছিল, তেতিয়া ৬৩২ খৃষ্টাব্দত শেষ পক্তি অৱতীৰ্ণ হৈছিল।

কুৰআনৰ ১১৪ টা ছুৰা (অধ্যায়) আছে। কিছুমান দীঘল আৰু কিছুমান চুটি। আয়াতৰ সংখ্যা প্ৰায় ৬৬০০ টা। অধ্যয়ন আৰু গঠনৰ সুবিধাৰ্থে ইয়াক ৩০ টা খণ্ডত বিভক্ত কৰা হৈছে। এই খণ্ডবোৰ আল্লাহে অৱতীৰ্ণ কৰা সময়তে জিব্ৰাইল ফিৰিস্তাৰ তত্ত্বাৱধানত একাদিক্ৰমে বিভক্ত কৰা হৈছিল।

কুৰআন যেতিয়া ৭তম খৃষ্টাব্দৰ আৰম্ভণিৰ সময়ছোৱাতে অৱতীৰ্ণ হৈছিল, তেতিয়া কাগজৰ আৱিষ্কাৰ হৈছিল। এই কাগজ মিছৰৰ এবিধ গছৰ ছালৰ পৰা তৈয়াৰ কৰা হৈছিল। ইয়াক 'পাইৰাছ' কোৱা হয়। যেতিয়াই কুৰআনৰ কোনো অংশ অৱতীৰ্ণ হৈছিল, সেয়া পাইৰাছত লিখা হৈছিল। ইয়াকে আৰবীত 'আয়াত' বুলি কোৱা হয়। এই আয়াতসমূহ মানুহে মুখস্থ কৰি লৈছিল। কুৰআনেই মাথোন একক গ্ৰন্থ যিখন নামাজ পঢ়োতে বা উপাসনা কৰোতে পাঠ কৰা হয়। তেনেদৰে এই বাণী পাঠ কৰি মানুহক আহবান কৰা হয়। এনেদৰে কুৰআনৰ মুখস্থ প্ৰক্ৰিয়াৰ লগতে লিখিত

প্ৰক্ৰিয়াও অব্যাহত ৰখা হয়। হজৰত মুহাম্মদৰ জীৱন কাল ছোৱাতে কুৰআন সংৰক্ষণৰ এই ব্যৱস্থা কাৰ্যকৰী হয়। তেওঁৰ জীৱন কালৰ পৰাই এই প্ৰক্ৰিয়া চলি আহিছে।

তৃতীয় খলিফা হজৰত ওমৰ বিন আফ্ফানৰ দিনত কুৰআনৰ বহু কপি কৰা হয়। তেওঁ সেইবোৰ বিভিন্ন চহৰত ডাঙৰ ডাঙৰ মছজিদসমূহলৈ পঠিয়াই দিছিল। এইসমূহ মানুহে কেৱল পাঠ কৰাই নহয়, সেইবোৰৰ পৰা আৰু বহু কপি লিখি উলিয়াইছিল।

ছপা যন্ত্ৰ আৱিষ্কাৰ নোহোৱালৈকে মানুহে হাতেৰে কুৰআন লিখি আছিল। কাগজ আৰু ছপা যন্ত্ৰ আৱিষ্কাৰ হোৱাৰ পিচত একে লগে বৃহৎ পৰিমাণৰ কপি প্ৰস্তুত কৰিব পৰা হ'ল। উদ্যোগিকৰণৰ উত্থানক ধন্যবাদ। ইয়াৰ পিচৰ পৰাই কুৰআন ছপা হ'বলৈ ধৰে। ছপাৰ মাধ্যম উন্নত হোৱাৰ লগে লগে কুৰআন ছপাৰ ধৰণো উন্নত হ'বলৈ ধৰে। বৰ্তমান কুৰআন মুদ্ৰিত সংখ্যা সৰ্বত্ৰতে যেনে- প্ৰতিটো ঘৰত, মছজিদত, পুথিভড়ালত আৰু কিতাবৰ দোকানত পোৱা যায়। বৰ্তমানত যিকোনো ব্যক্তিয়ে এখন আটক ধুনীয়া কুৰআনৰ কপি পৃথিৱীৰ য'তেই নিবিচাৰক কিয় সকলোতে পোৱা যায়।

কুৰআন কেনেকৈ অধ্যয়ন কৰিব?

কুৰআনতে কোৱা হৈছে- 'কুৰআন নিম্ন স্বৰে আৰু স্পষ্টভাৱে পাঠ কৰিবা।' (৭৩ঃ৪)। ইয়াৰ অৰ্থ হ'ল- কুৰআন ধীৰে ধীৰে স্পষ্টকৈ শুৱলা স্বৰত পাঠ কৰা। ইয়াৰ বিষয়বস্তুৰ প্ৰতি গুৰুত্ব দি আন্তৰিকতাৰে পাঠ কৰা। এনে ধৰণে পাঠ কৰিলে কুৰআন আৰু পাঠকৰ মাজত দুই ধৰণৰ পদ্ধতি উদ্ভাসিত হয়। তেওঁৰ মানত কুৰআনে তেওঁক সম্বোধন কৰিছে নাইবা এয়া আল্লাহৰ বাণী আৰু তেওঁৰ অন্তৰে এই বাণীবোৰৰ প্ৰতি সততে

সঁহাৰি জনায়। কুৰআনৰ য'তেই আল্লাহৰ প্ৰভূত্ব আৰু মহত্বৰ কথা উল্লেখ পোৱা যায়, ত'তেই পাঠকৰ মনত সম্পূৰ্ণৰূপে তেওঁৰ মাহাত্ম্যৰ অস্তিত্বৰ কথা অনুভূত হয়। আল্লাহৰ পৰম কৰুণাৰ কথা কুৰআনত উল্লেখ পালে, পাঠকৰ অন্তৰ আনুগত্যৰ উদ্দীপনাৰে উপচি পৰে। আকৌ কুৰআনত আল্লাহৰ কঠোৰ শাস্তিৰ কথা উল্লেখ পালেই পাঠকে সেয়া পাঠ কৰি ভয়ত থৰহৰি কম্পমান হয়। আনহাতে আল্লাহৰ আদেশ-নিৰ্দেশ বাক্য পালে পাঠকৰ অন্তৰত আনুগত্যৰ তীব্ৰ অনুভূতি জাগ্ৰত হয় আৰু তেওঁৰ নিজ প্ৰভুৰ আদেশ-নিষেধ পালনত বাধ্য হয়।

ৰাহিদুদ্দিন খান, নিউ দিল্লী, জানুৱাৰী, ২০০৯
www.mwkhan.com

কুৰআনৰ সময়ানুক্ৰমিক তালিকা

৫৭০- হজৰত মুহাম্মদ (ছঃ)ৰ জন্ম। (কেইমাহ মানৰ আগতে পিতৃৰ বিয়োগ)।

৫৭৬- হজৰত মুহাম্মদ (ছঃ)ৰ মাতৃ আমিনাৰ মৃত্যু। হজৰত মুহাম্মদ (ছঃ)ৰ বয়স ৬ বছৰ।

৫৭৮- হজৰত মুহাম্মদ (ছঃ)ৰ দদায়েক আব্দুল মুত্তালিবৰ মৃত্যু।

৫৯৫- বিবি খাদিজা (ৰাঃ)ৰ লগত হজৰত মুহাম্মদ (ছঃ)ৰ বিবাহ।

৬১০- হজৰত মুহাম্মদ (ছঃ)ৰ প্ৰথম ঐশী বাণী (কুৰআন) অৱতীৰ্ণ, মক্কাৰ ওচৰৰ আন-নূৰ পৰ্বতত।

৬১৩- প্ৰথম ইছলাম প্ৰচাৰ।

৬১৫- মক্কাবাসীৰ অত্যাচাৰ-উৎপীড়নৰ পৰা ৰেহাই পাবলৈ হজৰত মুহাম্মদ (ছঃ)ৰ কিছুমান সংগী আবিচিনিয়ালৈ (ইথিউপিয়া) গমণ।

৬১৬- ৬১৯- বনু হাছিম গোত্ৰই হজৰত মুহাম্মদ (ছঃ)ক জুই-পানী আলগ কৰিছিল।

৬১৯- হজৰত মুহাম্মদ (ছঃ)ৰ সহধৰ্মিনী খাদিজাৰ মৃত্যু আৰু দদায়েক আবু তালিবৰ মৃত্যু।

৬১৯- সঁহাৰি পোৱাৰ আশাৰে হজৰত মুহাম্মদ (ছঃ)ৰ তায়েফলৈ গমন, কিন্তু তাত তেওঁক অকথ্য অত্যাচাৰ কৰা হয়।

৬২০- হজৰত মুহাম্মদ (ছঃ)ৰ জেৰুজালেম ভ্ৰমণ আৰু পিচত সপ্ত আকাশ ভ্ৰমণ।

৬২২- হজৰত মুহাম্মদ (ছঃ)ৰ মক্কাৰ পৰা মদিনালৈ 'হিজৰত' (স্বদেশ ত্যাগ) আৰু ই ইছলামিক দিনপঞ্জীৰ উল্লেখযোগ্য ঘটনা।

৬২৪- বদৰ যুদ্ধ- মুষ্ঠিমেয় কেইজনমান মুছলিমৰ দ্বাৰা মক্কাৰ বহু সংখ্যকৰ পৰাজয় কৰণ।

৬২৫- ওহুদ যুদ্ধ- মুছলিমসকল মক্কাৰ অমুছলিমসকলৰ হাতত পৰাজয়।

৬২৮- হুদাইবিয়াৰ চুক্তি। দহ বছৰলৈ অমুছলিমসকলৰ লগত যুদ্ধ বিৰতি আৰু শান্তি চুক্তি। ইয়াৰ লগতে শান্তিপূৰ্ণভাৱে ইছলাম প্ৰচাৰ আৰু ফলস্বৰূপে বহু লোকৰ ইছলাম গ্ৰহণ।

৬৩০- মক্কাৰ অমুছলিমসকলৰ চুক্তি ভংগ। মক্কাবাসীৰ আত্মসমৰ্পণ আৰু হজৰত মুহাম্মদ (ছঃ)ৰ মক্কাবাসীৰ প্ৰতি ব্যাপক ক্ষমাদানৰ ঘোষণা আৰু সমগ্ৰ মক্কাবাসীৰ ইছলাম গ্ৰহণ।

৬৩১- 'ইছলামৰ সোণালী যুগ' আৰম্ভ বিভিন্ন গোত্ৰৰ ইছলাম গ্ৰহণ। সমগ্ৰ খৃষ্টান আৰু ইহুদীসকলৰ লগত হজৰত মুহাম্মদ (ছঃ)ৰ শান্তি চুক্তি গ্ৰহণ।

৬৩২- হজৰত মুহাম্মদ (ছঃ)ৰ হজ সমাপনৰ বাবে মক্কা গমণ।

৬৩২- ৮ জুন, হজৰত মুহাম্মদ (ছঃ)ৰ মদিনাত মহাপ্ৰস্থান।

৬৩৩- খলিফা আবু বকৰ (ৰাঃ)ৰ দ্বাৰা কুৰআন এখন পুথিৰ ৰূপত সংকলন।

৬৪৫- খলিফা হজৰত ওমৰ (ৰাঃ)ৰ দিনত কুৰআনৰ বহু কপি কৰি ওচৰ-চুবুৰীয়া ৰাজ্যলৈ প্ৰেৰণ।

১১৫৩- লেটিন ভাষালৈ প্ৰথম কুৰআন অনুবাদ।

১৫৪৩- মার্টিন লুথাৰৰ পাতনিৰ সৈতে প্ৰথম মুদ্ৰিত কৰণ।

১৬৪৯- আলেকজেণ্ডাৰ ৰুছৰ দ্বাৰা ফ্ৰান্স ভাষাৰ পৰা ইংৰাজী ভাষালৈ কুৰআনৰ অনুবাদ কৰণ।

১৭৩৪- জৰ্জ চেলচৰ ইংৰাজীলৈ কুৰআনৰ অনুবাদ।

১৯৩০- মুহাম্মদ মাৰমাডিউক পিকথলৰ দ্বাৰা কুৰআনৰ অনুবাদ।

১৯৩৪- আব্দুল্লাহ ইউছুফ আলীৰ দ্বাৰা কুৰআনৰ অনুবাদ।

১৯৮০- মুহাম্মদ আছাদৰ দ্বাৰা কুৰআনৰ অনুবাদ।

আল-ফাতিহা (আৰম্ভণি)

(১) আৰম্ভ কৰিলো পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত। (২) সকলো প্রশংসা আল্লাহৰ বাবে যিজন বিশ্বজগতৰ প্রভু, (৩) যিজন অতি মৰমিয়াল, অতি দয়ালু, (৪) ন্যায় বিচাৰৰ দিনৰ মালিক (৫) আমি কেৱল তোমাৰেই উপাসনা কৰোঁ আৰু তোমাৰ ওচৰতেই সাহায্য প্রার্থনা কৰোঁ। (৬) আমাক সৰল পথ প্রদর্শন কৰা, (৭) সেইসকলৰ পথ, যিসকলক তুমি কৃপা কৰিছা, (৮) সেই বিলাকৰ পথ নহয়, যিবিলাক তোমাৰ কোপত পৰিছে আৰু বিপথে গৈছে।

আল-বাকাৰা (গাই-গৰু)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলীফ-লাম-মীম। (২) এইখনেই পুথি য'ত কোনো সন্দেহ নাই। এইখন সেইসকল ব্যক্তিৰ বাবে যিসকল আল্লাহৰ প্রতি মনোযোগী, (৩) যিসকলে অদৃশ্যত বিশ্বাস স্থাপন কৰে, নামাজ প্রতিষ্ঠা কৰে আৰু আমি তেওঁলোকক যি জীৱিকা দিছো তাৰ পৰা খৰচ কৰে; (৪) আৰু তোমাৰ প্রতি যি অৱতীর্ণ হৈছে আৰু যি তোমাৰ পূর্বে অৱতীর্ণ কৰা হৈছিল সেইবোৰ তেওঁলোকে বিশ্বাস কৰে আৰু পৰকালৰ জীৱন সম্বন্ধে দৃঢ় বিশ্বাস ৰাখে, (৫) তেওঁলোকেই সেইসকল, যিসকল তেওঁলোকৰ প্রভুৰ সঠিক পথৰ অনুসাৰী আৰু তেওঁলোকেই সফলতা লাভ কৰিব। (৬) যিসকলে (এইবোৰ সত্য কথা) মানিবলৈ অস্বীকাৰ কৰে, তুমি সিহঁতক সতর্ক কৰি দিয়া বা নিদিয়া একে কথা। সিহঁতে বিশ্বাস নকৰে। (৭) আল্লাহে সিহঁতৰ অন্তৰত মোহৰ মাৰি দিছে আৰু কাণত আৱৰণ পৰিছে। সিহঁতৰ কাৰণে আছে ভয়ানক শাস্তি।

(৮) এনে কিছুমান মানুহ আছে, যিবিলাকে কয়- 'আমি আল্লাহ আৰু

পৰকালৰ ওপৰত বিশ্বাস স্থাপন কৰিছো'; আচলতে সিহঁতে বিশ্বাস কৰাই নাই। (৯) সিহঁতে আল্লাহ আৰু বিশ্বাস স্থাপন কৰা লোকসকলক প্ৰতাড়িত কৰিবলৈ বিচাৰে। প্ৰকৃততে সিহঁতে নিজকে প্ৰতাড়িত কৰিছে, সেয়া সিহঁতে অনুভৱ কৰা নাই। (১০) সিহঁতৰ অন্তৰত ব্যাধি আছে। সেয়া আল্লাহে বৃদ্ধি কৰি দিছে। সিহঁতে মিছা কোৱাৰ বাবে সিহঁতৰ কাৰণে যন্ত্ৰণাদায়ক শাস্তি আছে। (১১) সিহঁতক যেতিয়া কোৱা হয়- 'ধৰাৰ বুকুত অশান্তি সৃষ্টি নকৰিবা', তেতিয়া সিহঁতে কয়- 'আমি শান্তি প্ৰতিষ্ঠাকাৰীহে।' (১২) কিন্তু প্ৰকৃততে সিহঁতহে অশান্তি সৃষ্টিকাৰী। এই সম্পৰ্কে সিহঁতৰ চেতনাই নাই। (১৩) আৰু যেতিয়া সিহঁতক কোৱা হয়- 'আন আন লোকসকলে বিশ্বাস স্থাপন কৰাৰ দৰে তোমালোকেও বিশ্বাস স্থাপন কৰা', তেতিয়া সিহঁতে কয়- 'নিৰ্বোধ মানুহবিলাকে বিশ্বাস স্থাপন কৰাৰ দৰে আমিও বিশ্বাস স্থাপন কৰিম নেকি?' নিশ্চয় সিহঁতহে নিৰ্বোধ, সেই কথা সিহঁতে বুজা নাই। (১৪) যেতিয়া বিশ্বাস স্থাপনকাৰীসকলৰ লগত সিহঁতৰ সাক্ষাৎ হয়, সিহঁতে কয়- 'আমিও বিশ্বাস স্থাপন কৰিছো' আৰু যেতিয়া সিহঁতে অকলশৰীয়াকৈ সিহঁতৰ ছয়তান নেতাবিলাকৰ লগত লগ লাগে, তেতিয়া কয়- 'প্ৰকৃততে আমি তোমালোকৰ লগতেই আছো; সিহঁতক উপহাসহে কৰোঁ।' (১৫) আল্লাহে সিহঁতকো উপহাস কৰে আৰু সিহঁতৰ বাবে খোদাদ্ৰোহীতাৰ ৰছী ঢিলাই দিছে; ফলত সিহঁতে অন্ধৰ দৰে বাট খেপিয়াই ফুৰিছে। (১৬) সিহঁতে সুপথৰ সলনি বিপথ কিনি লৈছে; কিন্তু সিহঁতৰ বাবে এই ব্যৱসায় মুঠেই লাভজনক নহয় আৰু সিহঁতে সত্য সৎপথো নাপায়।

(১৭) সিহঁতৰ দৃষ্টান্ত হ'ল যে, এজন মানুহে একুৰা জুই জ্বলালে আৰু যেতিয়া ওচৰ-পাজৰ উজ্বলাই তুলিলে, তেতিয়া আল্লাহে সিহঁতৰ চকুৰ জ্যোতি অপসাৰণ কৰিলে আৰু সিহঁতক এনে অন্ধকাৰত পেলোৱা হ'ল যে সিহঁতে একোৱেই দেখিবলৈ নোপোৱা হ'ল। (১৮) সিহঁত কলা, বোবা আৰু অন্ধ;

গতিকে সিহঁতে কদাপিও (সৎ পথলৈ) উভতি নাহে। (১৯) অথবা সিহঁতৰ দৃষ্টান্ত হ'ল এনে ধৰণৰ যে আকাশৰ পৰা ধাৰাষাৰে বৰষুণ পৰিছে, তাৰ লগতে অন্ধকাৰ, ঢেৰেকণি আৰু বিজুলীৰ চমকণিও আছে। সিহঁতে বজ্ৰৰ গৰ্জন শুনি মৃত্যুৰ ভয়ত আঙুলিৰে কাণত সোপা দিছে। আল্লাহে সত্য অস্বীকাৰকাৰী বিলাকক কেউদিশৰ পৰা এনেদৰে ঘেৰি আছে। (২০) বিজুলীৰ চমকনিয়ে সিহঁতৰ চকু এনেদৰে চাট মাৰি ধৰিছে যে এতিয়াই যেন সিহঁতৰ দৃষ্টি শক্তি হৰণ কৰি নিবহি। বিজুলীৰ এচেৰেঙা পোহৰ দেখিলেই আগবাঢ়ি যায় আৰু আন্ধাৰে আচ্ছন্ন কৰিলেই থমকি ৰয়। আল্লাহে ইচ্ছা কৰিলে সিহঁতৰ দৃষ্টি শক্তি আৰু শ্ৰৱণ শক্তি কাঢ়ি নিব পাৰিলেহেঁতেন। নিশ্চয় আল্লাহ সৰ্ববিষয় ক্ষমতাবান।

(২১) হে মানৱ, তোমালোকৰ প্ৰভুৰ উপাসনা কৰা, যিজনে তোমালোকক আৰু তোমালোকৰ পূৰ্বৱৰ্তী সকলো মানুহক সৃষ্টি কৰিছে যাতে তোমালোকে নৰকৰ অগ্নিৰ পৰা ৰক্ষা পোৱা, (২২) যিজনে পৃথিৱীখনক তোমালোকৰ বাবে শয্যা কৰি দিছে, আকাশখনক চাল কৰি দিছে আৰু তেৱেঁই তাৰ পৰা পানী বৰ্ষাইছে আৰু সেই পানীৰে নানা ধৰণৰ ফল-মূল উৎপন্ন কৰিছে তোমালোকৰ খাদ্য হিচাবে। এইবিলাক যিহেতু তোমালোকে জানা, সেয়ে আন কাকো আল্লাহৰ সমকক্ষ বুলি মানি নল'বা। (২৩) যদি তোমালোকৰ এই ঐশীবাণীৰ (কুৰআন) প্ৰতি সন্দেহ হয়, যিখন আমি এই দাসৰ প্ৰতি অৱতীৰ্ণ কৰিছো, তেনেহ'লে ইয়াৰ অনুৰূপ এটা ছুৰা আনা, ইয়াৰ বাবে আল্লাহৰ বাহিৰে তোমালোকৰ সহায়কাৰীবিলাকক মাতা, যদি তোমালোক সত্যবাদী হোৱা। (২৪) এয়া যদি তোমালোকে কৰিব নোৱাৰা আৰু তোমালোকে কেতিয়াও কৰিব নোৱাৰা, তেনেহ'লে তোমালোকে নিজকে সেই অগ্নিৰ পৰা ৰক্ষা কৰা যাৰ ইন্ধন হ'ব মানুহ আৰু শিল। সত্য অস্বীকাৰকাৰীবিলাকৰ বাবে এয়া প্ৰস্তুত কৰি ৰখা হৈছে। (২৫) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎ কৰ্ম কৰে, তেওঁলোকক সুসংবাদ দিয়া যে তেওঁলোকৰ বাবে এনে উদ্যানৰ

ব্যৱস্থা কৰা হৈছে যাৰ মাজেৰে নিজৰাবোৰ বৈ থাকে। যেতিয়াই তেওঁলোকক সেই উদ্যানৰ ফল খাবলৈ দিয়া হ'ব, তেতিয়াই তেওঁলোকে ক'ব- 'ইতিপূর্বে এনে ধৰণৰ ফল আমাক দিয়া হৈছিল।' সেইবোৰ দেখাত পৃথিৱীৰ ফলৰ দৰেই হ'ব। তেওঁলোকৰ বাবে তাত থাকিব পৱিত্রা সংগিনী আৰু তাত তেওঁলোক চিৰকাল থাকিব।

(২৬) নিশ্চয় আল্লাহে মহ, মাখি নাইবা তাতোকৈ ক্ষুদ্র বস্তুৰ উপমা দিয়াত লজ্জাবোধ নকৰে। বিশ্বাস স্থাপনকাৰীসকলে এই উপমাসমূহ দেখা মাত্রকেই বুজিব পাৰে যে এয়া সত্য, তেওঁলোকৰ প্রভুৰ পৰা আহিছে; কিন্তু যিবিলাকে সত্যক অস্বীকাৰ কৰিছে, সিহঁতে কয়- 'এই উপমাসমূহৰ দ্বাৰা আল্লাহে কি বুজাব খুজিছে?' আল্লাহে ইয়াৰ জৱিয়তে বহু মানুহক পথভ্রষ্ট কৰে আৰু আন বহুতক সুপথ দেখুৱায়। আল্লাহে কেৱল অবাধ্যকাৰী বিলাককহে পথ ভ্রষ্ট কৰে। (২৭) যিবিলাকে আল্লাহৰ লগত অংগীকাৰ কৰাৰ পিছত ভংগ কৰে আৰু আল্লাহে যিটো অক্ষুণ্ণ ৰখাৰ নির্দেশ দিছে তাক ছিন্ন কৰে আৰু ধৰাৰ বুকুত বিশৃংখলতা সৃষ্টি কৰে, প্রকৃততে সিহঁতেই ক্ষতিগ্রস্ত হ'ব। (২৮) তোমালোকে কেনেকৈ আল্লাহৰ লগত অবাধ্যতাৰ আচৰণ কৰিবা? কিয়নো যেতিয়া তোমালোক নিস্প্রাণ আছিলা, তেৱেঁই তোমালোকক জীৱন দান কৰিছে। তাৰ পিছত তেৱেঁই তোমালোকৰ মৃত্যু ঘটাব, তাৰ পিছত পুনৰাই জীৱন দান কৰিব আৰু অৱশেষত তেওঁৰ ওচৰলৈকে উভতাই নিয়া হ'ব। (২৯) একমাত্র তেৱেঁই তোমালোকৰ বাবে পৃথিৱীৰ সকলো বস্তু সৃষ্টি কৰিলে, তাৰ পিছত তেওঁ আকাশৰ পিনে মনোযোগ দিলে আৰু সাতখন আকাশ গঠন কৰিলে। নিশ্চয় তেওঁ সকলো বস্তু সম্পর্কে অৱগত।

(৩০) যেতিয়া তোমালোকৰ প্রভুৱে ফিৰিস্তাসকলক কৈছিল- 'মই পৃথিৱীত প্রতিনিধি নিযুক্ত কৰিবলৈ স্থিৰ কৰিছো', তেতিয়া তেওঁলোকে কৈছিল- 'আপুনি পৃথিৱীত এনে মানুহক স্থাপন কৰিব বিচাৰেনে, যিয়ে তাৰ

নিয়ম-শৃংখলা ভংগ কৰিব আৰু ৰক্তপাত কৰিব ? আমিয়েই দেখোন আপোনাৰ প্ৰশংসা কীৰ্তন কৰি আছো।' আল্লাহে ক'লে- 'মই যি জানো, তোমালোকে সেয়া নাজানা।' (৩১) আল্লাহে আদমক সকলো বস্তুৰ নাম শিকাই দিলে আৰু ফিৰিস্তাসকলৰ সন্মুখত ৰাখি ক'লে- 'কোৱা মোক এই বস্তুবোৰৰ নাম, যদি তোমালোকে সঁচাই কৈছা।' (৩২) তেওঁলোকে ক'লে- 'প্ৰশংসা কেৱল আপোনাৰ বাবেই। আপুনি আমাক যিমানখিনি জানিবলৈ দিছে তাৰ বাহিৰে আমাৰ আন কোনো জ্ঞান নাই। নিশ্চয় আপুনি মহাজ্ঞানী, বিজ্ঞানময়।' (৩৩) আল্লাহে ক'লে- 'হে আদম, তুমি এই বস্তুবোৰৰ নাম তেওঁলোকক কৈ দিয়া।' আদমে যেতিয়া বস্তুবোৰৰ নাম তেওঁলোকক কৈ দিলে, তেতিয়া আল্লাহে ফিৰিস্তাসকলক ক'লে- 'মই তোমালোকক কোৱা নাছিলো নে যে আকাশমণ্ডল আৰু পৃথিৱীৰ গোপন তত্ত্ব সম্পৰ্কে মই জ্ঞাত। তোমালোকে যিবোৰ প্ৰকাশ কৰা আৰু যিবোৰ গোপন কৰা, সেই সকলোবোৰ মই জানো।'

(৩৪) যেতিয়া আমি ফিৰিস্তাসকলক ক'লো- 'আদমৰ প্ৰতি নতশিৰ হোৱা,' তেতিয়া ইবলিচ (ছয়তানৰ) ব্যতীত সকলোৱে নত হ'ল। সি সেয়া মানিবলৈ অস্বীকাৰ কৰিলে আৰু অহংকাৰ কৰিলে আৰু অবাধ্যবিলাকৰ দলভুক্ত হ'ল। (৩৫) আৰু আমি আদমক ক'লো- 'হে আদম, তুমি আৰু তোমাৰ স্ত্ৰী উভয়ে স্বৰ্গত প্ৰৱেশ কৰা আৰু মুক্ত মনেৰে যি মন যায় তাকে খোৱা; কিন্তু এই গছজোপাৰ কাষলৈকে নাযাবা, অন্যথা সীমালংঘনকাৰী ৰূপে পৰিগণিত হ'বা।' (৩৬) পিছত ছয়তানে তেওঁলোক দুয়োকে সেই গছজোপাৰ প্ৰতি প্ৰলোভিত কৰিলে আৰু পদস্খলন ঘটালে আৰু তেওঁলোকক বহিস্কাৰ কৰালে। আমি ক'লো- 'এতিয়া ইয়াৰ পৰা তোমালোকে নামি যোৱা। তোমালোক (ছয়তান আৰু আদম-হাৱা) ইজন সিজনৰ শত্ৰু। এটা নিৰ্দিষ্ট সময়লৈকে পৃথিৱীখন তোমালোকৰ বাসস্থান আৰু জীৱন ধাৰণৰ ক্ষেত্ৰ হ'ব।' (৩৭) তেতিয়া আদমে তেওঁৰ প্ৰভুৰ পৰা কেইটামান কথা (প্ৰাৰ্থনাৰ) শিকি

লৈ অনুতপ্ত হৈ ক্ষমা প্ৰাৰ্থনা কৰিলে। তেওঁৰ প্ৰভুৱে তেওঁৰ প্ৰাৰ্থনা গ্ৰহণ কৰিলে। তেওঁ অতি ক্ষমাশীল, পৰম দয়ালু।(৩৮) আমি ক'লো- 'তোমালোক আটায়ে ইয়াৰ পৰা নামি যোৱা। যেতিয়া মোৰ পৰা তোমালোকে যি সৎ পথৰ নিৰ্দেশ পাবা, সেই নিৰ্দেশ যিসকলে মানি চলিব, তেওঁলোকৰ কাৰণে ভয় আৰু শোকৰ কোনো কাৰণ নাই। (৩৯) আৰু যিসকলে অস্বীকাৰ কৰিব আৰু আমাৰ আয়াতসমূহক প্ৰত্যাখ্যান কৰিব, সিহঁত নৰকবাসী হ'ব আৰু তাত সিহঁত চিৰকাল থাকিব।'

(৪০) হে ইছ্ৰাঈলৰ বংশধৰসকল, মই তোমালোকক প্ৰদান কৰা অনুগ্ৰহৰ কথা মনত পেলোৱা। তোমালোকে মোৰ লগত কৰা প্ৰতিশ্ৰুতি পূৰণ কৰা, ময়ো তোমালোকৰ লগত কৰা প্ৰতিশ্ৰুতি পালন কৰিম। কেৱল মোকহে ভয় কৰা। (৪১) মই যি(পুথি) অৱতীৰ্ণ কৰিছো, সেয়া বিশ্বাস কৰা। এই পুথিখনে আগৰে পৰা তোমালোকৰ লগত থকা (তওৰাত) পুথিৰ সত্যতা সাব্যস্ত কৰে। গতিকে সৰ্বপ্ৰথমে তোমালোকে এই সত্যতাৰ অস্বীকাৰকাৰী নহ'বা আৰু মোৰ বাণীসমূহক সামান্য মূল্যত বিক্ৰী নকৰিবা। কেৱল মোকহে ভয় কৰা। (৪২) সত্যক অসত্যৰ লগত সানমিহলি নকৰিবা আৰু জানি-শুনি সত্যক গোপন নকৰিবা। (৪৩) নামাজ প্ৰতিষ্ঠা কৰা, যাকাত আদায় দিয়া আৰু মোৰ সন্মুখত মূৰ দোৱাওতাসকলৰ লগত লগ লাগি মূৰ দোওৱা। (৪৪) সৎ কৰ্ম কৰিবলৈ তোমালোকে আনক দিহা দিয়া আৰু নিজৰ বেলিকা পাহৰি যোৱা। অথচ তোমালোকেও আল্লাহৰ পুথি পাঠ কৰা। তেনেহ'লে তোমালোকে কি বুজি নোপোৱানেকি? (৪৫) ধৈৰ্য আৰু নামাজেৰে আল্লাহৰ সাহায্য প্ৰাৰ্থনা কৰা। নিঃসন্দেহে নামাজ এটা কঠিন কাম; কিন্তু আজ্ঞাবহসকলৰ বাবে ই মুঠেই কঠিন নহয়, (৪৬) যিসকলে আল্লাহৰ লগত সাক্ষাৎ হোৱাৰ, তেওঁৰ ওচৰলৈ উভতি যোৱাৰ ধাৰণা ৰাখে।

(৪৭) হে ইছ্ৰাঈলৰ বংশধৰসকল, মই তোমালোকক প্ৰদান কৰা

অনুগ্ৰহৰ কথা মনত পেলোৱা আৰু মনত কৰা মই তোমালোকক পৃথিৱীৰ জাতিসমূহৰ ওপৰত শ্ৰেষ্ঠত্ব প্ৰদান কৰিছিলো। (৪৮) তোমালোকে নিজকে সেই দিনটোৰ পৰা ৰক্ষা কৰা, যিদিনা কোনোৱেই কাৰো কামত নাহিব। কাৰো পক্ষে কোনো উকালতি গৃহীত নহ'ব। অপৰাধীবিলাকে কোনো ফালৰ পৰা কোনো সাহায্য নাপাব। (৪৯) আৰু মনত পেলোৱা যেতিয়া আমি তোমালোকক ফিৰাউনৰ মানুহবিলাকৰ কবলৰ পৰা উদ্ধাৰ কৰিছিলো, যিবিলাকে তোমালোকক নিৰ্মম অত্যাচাৰ কৰিছিল। তোমালোকৰ পুত্ৰ সন্তানবোৰক হত্যা কৰিছিল আৰু কন্যা সন্তানবোৰক জীয়াই থাকিবলৈ দিছিল। তাতেই আছিল তোমালোকৰ আল্লাহৰ ফালৰ পৰা তোমালোকৰ কাৰণে কঠিন পৰীক্ষা। (৫০) আৰু যেতিয়া আমি সমুদ্ৰৰ পানী দুভাগ কৰি দি তোমালোকক ত্ৰাণ কৰিছিলো আৰু ফিৰাউনৰ দলৰ মানুহবিলাকক পানীত ডুবাই মাৰিছিলো আৰু সেয়া তোমালোকে নিজ চকুৰে দেখিছা। (৫১) আমি মূছাৰ কাৰণে চল্লিছ ৰাতি ধাৰ্য কৰিছিলো চিনাই পৰ্বতত আৰু তেওঁৰ অনুপস্থিতিৰ সুযোগত তোমালোকে দামুৰিটোক উপাস্য হিচাবে গ্ৰহণ কৰিছিলা আৰু তোমালোক আছিলা সীমালংঘনকাৰী। (৫২) তাৰ পাছতো আমি তোমালোকক ক্ষমা কৰিছিলো যাতে তোমালোক কৃতজ্ঞ হোৱা। (৫৩) স্মৰণ কৰা, যেতিয়া আমি মূছাক পুথি আৰু ফোৰকান (ভাল-বেয়া পাৰ্থক্যকাৰী) প্ৰদান কৰিছিলো যাতে তোমালোকে সুপথ পাব পাৰা। (৫৪) যেতিয়া মূছাই তেওঁৰ সম্প্ৰদায়ৰ মানুহবিলাকক কৈছিল- 'হে মোৰ জাতিভাইসকল, এই দামুৰিটোক উপাস্য হিচাবে গ্ৰহণ কৰি তোমালোকে নিজে নিজৰ অন্যায় কৰিছা। এতিয়া তোমালোকে তোমালোকৰ সৃষ্টিকৰ্তাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা আৰু তোমালোকৰ মাজৰ অপৰাধীসকলক বধ কৰা। এয়া তোমালোকৰ সৃষ্টিকৰ্তাৰ ওচৰত তোমালোকৰ বাবে উত্তম। আল্লাহে তোমালোকৰ ক্ষমা প্ৰাৰ্থনা গ্ৰহণ কৰিলে। নিশ্চয় তেওঁ অতি ক্ষমাশীল, পৰম দয়ালু। (৫৫) স্মৰণ কৰা, যেতিয়া

তোমালোকে কৈছিলা- 'হে মূছা, আমি তোমাৰ কথা বিশ্বাস নকৰো যেতিয়ালৈ আমি নিজ চকুৰে আল্লাহক দেখা নাপাও।' তোমালোকে চাই থাকোতেই তোমালোকৰ ওপৰত বজ্রপাত হ'ল। (৫৬) তোমালোকৰ মৃত্যুৰ পিছত আমি তোমালোকক প্রাণ দান কৰিছিলো যাতে তোমালোক কৃতজ্ঞ হোৱা। (৫৭) আমি তোমালোকক মেঘৰ ছাঁ দান কৰিছিলো। 'মান্না' আৰু 'ছালৱা' (নামৰ বিশেষ খাদ্য) তোমালোকৰ বাবে যোগান ধৰিছিলো আৰু কৈছিলো- 'আমি তোমালোকক যি পৱিত্র খাদ্য দিছো সেয়া খোৱা।' আচলতে সিহঁতে আমাৰ কোনো ক্ষতি সাধন কৰিব পৰা নাছিল; বৰং নিজৰহে ক্ষতি সাধন কৰিছিল।

(৫৮) স্মৰণ কৰা, যেতিয়া আমি কৈছিলো- 'এই ঠাইত প্রৱেশ কৰা আৰু তোমালোকে আনন্দ চিত্তে ইয়াৰ খাদ্য-সামগ্রীবোৰ খোৱা। প্রৱেশ কৰোতে শিৰ নত কৰি প্রৱেশ কৰিবা আৰু 'হিত্তাতুন' (হে আল্লাহ, আমাৰ পাপবোৰ ক্ষম কৰা) বুলি কৈ থাকিবা। তেনে কৰিলে আমি তোমালোকৰ পাপবোৰ ক্ষমা কৰিম আৰু সৎ কর্মীসকলক অধিক অনুগ্রহ দান কৰিম।' (৫৯) কিন্তু অন্যায়কাৰীবিলাকে সেইবোৰ সলনি কৰি কিবা কৰি পেলালে যিবোৰ সিহঁতক কোৱা হৈছিল। সেয়ে আমি সেই অন্যায়কাৰীবিলাকৰ ওপৰত আকাশৰ পৰা শাস্তি অৱতীর্ণ কৰিলো। কিয়নো সিহঁত অবাধ্য আছিল। (৬০) মূছাই যেতিয়া তেওঁৰ সম্প্রদায়ৰ বাবে পানীৰ প্রার্থনা কৰিলে, আমি ক'লো- 'তোমাৰ লাখুটিডালেৰে শিলচটাত কোব মাৰি দিয়া।' (ফলত) বাৰটা নিজৰা প্রবাহিত হ'ল আৰু প্রত্যেক গোত্রই নিজৰ পানী খোৱা ঠাই বুজি ল'লে। (আমি কৈছিলো)- 'আল্লাহে তোমালোকক যি জীৱিকা দান কৰিছে সেয়া খোৱা আৰু পানাহাৰ কৰা; পৃথিৱীত অশান্তি আৰু বিপর্যয় সৃষ্টি নকৰিবা।' (৬১) যেতিয়া তোমালোকে মূছাক কৈছিলা- 'হে মূছা, একে ধৰণৰ খাদ্য খাই থাকিবলৈ আমাৰ ধৈর্য নাই, সেয়ে তুমি তোমাৰ প্রভুক প্রার্থনা কৰা, তেওঁ যেন আমাক পৃথিৱীত উৎপন্ন হোৱা শাক-পাচলি, গম, নহৰু, পিয়াজ, দাইল ইত্যাদি বস্তুৰ

ব্যৱস্থা কৰি দিয়ে।' মূছাই ক'লে- 'তোমালোকে উত্তম বস্তুৰ পৰিৱর্তে অতি নিম্ন মানৰ বস্তু বিচৰানে? তেনেহ'লে কোনো চহৰ অঞ্চলত বাস কৰাগৈ; তোমালোকে যি বিচৰিছা তাকে তাত পাবা।' শেষত সিহঁত লাঞ্ছনা, অপমান, অধঃপতন আৰু দুৰাৱস্থাত পতিত হ'ল। সিহঁতৰ ওপৰত আল্লাহৰ কোপদৃষ্টি পৰিল। কিয়নো সিহঁতে আল্লাহৰ আয়াতসমূহ অস্বীকাৰ কৰিছিল আৰু নবীসকলক অন্যায়ভাৱে হত্যা কৰিছিল। ইয়াৰ আন এটা কাৰণ হ'ল সিহঁত অবাধ্য আৰু সীমালংঘনকাৰী আছিল।

(৬২) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু যিসকল ইহুদী, খৃষ্টান, চাবিয়ীন আৰু নক্ষত্ৰ পূজাৰীয়ে আল্লাহ আৰু পৰকালত বিশ্বাস ৰাখে আৰু সৎ কাম কৰে, তেওঁলোকৰ বাবে আল্লাহৰ ওচৰত পুৰস্কাৰ আছে। তেওঁলোকে ভয় আৰু শোক কৰিব লগা কোনো কাৰণ নাই। (৬৩) স্মৰণ কৰা, আমি যেতিয়া তোমালোকৰ পৰা প্ৰতিশ্ৰুতি লৈছিলো আৰু তূৰ পৰ্বতক তোমালোকৰ ওপৰত সুউচ্চ কৰি কৈছিলো- 'আমি তোমালোকক যি (পুথি) দান কৰিছো, তাক দৃঢ়ভাৱে ধাৰণ কৰা আৰু যিবোৰ (উপদেশ বাণী) আছে মনত ৰাখা যাতে তোমালোকে নিজক ৰক্ষা কৰিব পাৰা।' (৬৪) তাৰ পিছতো তোমালোকে পিঠি দিলা; কিন্তু আল্লাহৰ কৃপা আৰু দয়া নথকাহেঁতেন, নিশ্চয় তোমালোক ধ্বংস হ'লাহেঁতেন। (৬৫) তোমালোকৰ সেই মানুহবিলাকৰ বিষয়ে জনা আছে, যিবিলাকে শনিবাৰৰ নিয়ম ভংগ কৰিছিল। আমি সিহঁতক কৈছিলো- 'অধম বান্দৰৰ দৰে হৈ যা'। (৬৬) এই ঘটনাক আমি সিহঁতৰ সমসাময়িক আৰু পৰৱর্তী বংশধৰবিলাকৰ বাবে শিক্ষাপ্ৰদ আৰু খোদাভীৰু মানুহৰ কাৰণে উপদেশ গ্ৰহণৰ আহিলা কৰি দিছোঁ।

(৬৭) মূছাই তেওঁৰ সম্প্ৰদায়ক কৈছিল- 'আল্লাহে তোমালোকক নির্দেশ দিছে এজনী গাই জবহ কৰিবলৈ।' সিহঁতে ক'লে- 'তুমি আমাৰ লগত ধেমালি কৰিছা নেকি?' মূছাই ক'লে- 'মূৰ্খৰ দৰে কথা কোৱাৰ পৰা মই আল্লাহৰ ওচৰত

আশ্রয় বিচাৰোঁ।' (৬৮) সিহঁতে ক'লে- 'তোমাৰ প্রভুক সুধি গাইজনী কেনেকুৱা হ'ব লাগিব সেই বিষয়ে আমাক বিস্তাৰিতভাৱে জানিবলৈ দিয়া।' মূছাই ক'লে- 'আল্লাহে কৈছে, সেই গাইজনী বুঢ়ীও হ'ব নালাগিব আৰু নিচেই পোৱালীও হ'ব নালাগিব। বৰং মধ্যম বয়সৰ হ'ব লাগিব। যি নির্দেশ দিয়া হৈছে এতিয়া তাক পালন কৰা।' (৬৯) সিহঁতে ক'লে- 'তোমাৰ প্রভুক মাতা আৰু আমাক দেখুৱাই দিয়ক গাইজনীৰ বৰণ কেনে হ'ব লাগিব?' মূছাই ক'লে- 'আল্লাহে কৈছে, গাইজনী মুগা বৰণৰ চকচকীয়া ৰঙৰ হ'ব লাগিব, দেখিলেই যেন মন ভাল লাগি যায়।' (৭০) সিহঁতে ক'লে- 'তোমাৰ প্রভুক স্পষ্টভাৱে সুধি-পুছি আমাক গাইজনীৰ বিশেষত্বৰ সঠিক বর্ণনা দিয়া; কিয়নো আমাৰ চকুত সকলো গাই একে যেন লাগে। আল্লাহে ইচ্ছা কৰিলে নিশ্চয় আমি তেনেকুৱা গাইৰ সন্ধান উলিয়াব পাৰিম।' (৭১) মূছাই ক'লে- 'তোমালোকৰ প্রভুৱে কৈছে, সেইজনী এনে গাই হ'ব লাগিব যিজনীক কোনো কামত খটোৱা নহয়। তাইৰে হাল বোৱাও নহয় আৰু তাইক খেতিত পানী দিবলৈও লগোৱা নহয়। তাই সুস্থ, সুঠাম আৰু নিখুঁত হ'ব লাগিব।' সিহঁতে ক'লে- 'এতিয়াহে তুমি আমাক আচল কথা কৈছা।' তাৰ পিছত সিহঁতে অনিচ্ছাসত্ত্বেও তেনে ধৰণৰ গাই জবহ কৰিলে।

(৭২) যেতিয়া তোমালোকে এজন মানুহক হত্যা কৰিছিলা আৰু ইজনে সিজনৰ ওপৰত হত্যাৰ দোষাৰূপ কৰিবলৈ চেষ্টা কৰিছিল; অথচ আল্লাহে সেয়া প্রকাশ কৰিলে যি তোমালোকে গোপন কৰিব বিচাৰিছিলা। (৭৩) আমি কৈছিলো- 'নিহত মানুহজনৰ গাত তাইৰ (গৰুজনীৰ মাংস) এটুকুৰাৰে আঘাত কৰা।' আল্লাহে এইদৰেই মৃতকক জীৱন দান কৰে আৰু তেওঁৰ নিদর্শনসমূহ তোমালোকৰ আগত প্রকাশ কৰে যাতে তোমালোকে জ্ঞান পাব পাৰা।

(৭৪) ইয়াৰ পিছতো তোমালোকৰ অন্তৰবোৰ আৰু কঠোৰহে হ'ল, শিলৰ দৰে কঠিন, বৰং তাতোকৈ কঠিন। কিয়নো কেতবোৰ শিলৰ পৰা

নিজৰা প্ৰবাহিত হয়। কেতবোৰ (শিল) ফাটি যায় আৰু তাৰপৰা জলাধাৰ নিৰ্গত হয়। আন কেতবোৰ আল্লাহৰ ভয়ত কম্পিত হৈ বাগৰি পৰে। তোমালোকৰ কাৰ্যকলাপৰ প্ৰতি আল্লাহ মুঠেই অমনোযোগী নহয়।

(৭৫) এতিয়াও তোমালোকে আশা পোষণ কৰানে যে সিহঁতে তোমালোকৰ কথাৰ প্ৰতি বিশ্বাস স্থাপন কৰিব? সিহঁতৰ কিছুমানে আল্লাহৰ বাণী শুনিছে আৰু ভালদৰে বুজি পাইয়ো তাক ইচ্ছাকৃতভাৱে বিকৃত কৰে। (৭৬) সিহঁতে বিশ্বাস স্থাপনকাৰীসকলক লগ পালে কয়- 'আমিও বিশ্বাস স্থাপনকাৰী'; কিন্তু অন্তৰালত যেতিয়া সিহঁতৰ পৰস্পৰৰ মাজত কথা-বতৰা হয়, তেতিয়া সিহঁতে কয়- 'আল্লাহে তোমালোকৰ আগত যি প্ৰকাশ কৰিছে, সেয়া সিহঁতক কৈ দিবানে?' তেনে কৰিলে সিহঁতে তোমালোকৰ প্ৰভুৰ ওচৰত সেইবোৰকে তোমালোকৰ বিৰুদ্ধে প্ৰমাণ স্বৰূপে দেখুৱাব, তাকো তোমালোকে নুবুজানে?' (৭৭) সিহঁতে নাজানে নেকি যে, আল্লাহৰ সেই সকলোবোৰ জনা আছে, সিহঁতে যিবোৰ গোপন কৰে আৰু যিবোৰ প্ৰকাশ কৰে।

(৭৮) সিহঁতৰ মাজত অনেক অশিক্ষিত মানুহ আছে, যিবিলাকৰ ঐশীপুথি সম্বন্ধে কোনো জ্ঞান নাই। ভিত্তিহীন আশা-আকাংখা আৰু ইচ্ছা-বাসনাই সিহঁতৰ একমাত্ৰ সম্বল আৰু সিহঁত মাথোন অমূলক ধাৰণা-বিশ্বাস অনুসৰণ কৰি চলে। (৭৯) সিহঁতৰ ধ্বংস নিশ্চিত, যিবিলাকে নিজ হাতেৰে শ্বৰিয়তৰ বিধান ৰচনা কৰি আনৰ আগত কয়- 'এইবোৰ আল্লাহৰ পৰা অৱতীৰ্ণ হৈছে।' ইয়াৰ জৰিয়তে সিহঁতে সামান্য অৰ্থ আৰ্জন কৰে। সিহঁতৰ হাতৰ লিখনি সিহঁতৰ ধ্বংসৰ কাৰণ আৰু তাৰ সহায়ত যি উপাৰ্জন কৰে সিয়ো সিহঁতৰ ধ্বংসৰ কাৰণ। (৮০) সিহঁতে কয়- 'নৰকৰ অগ্নিয়ে আমাক কেতিয়াও স্পৰ্শ কৰিব নোৱাৰে। অৱশ্যে অলপ দিনৰ বাবে শাস্তি ভুগিব লগীয়া হ'ব পাৰে।' সিহঁতক সোধা- 'আল্লাহৰ পৰা কোনো প্ৰতিশ্ৰুতি লৈছা নেকি, যিটো আল্লাহে কেতিয়াও ভংগ নকৰে? নে তোমালোকে নজনা-নুবুজাকৈয়ে আল্লাহৰ

প্ৰতি এনে আৰোপ কৰিছা?' (৮১) প্ৰকৃততে যিসকলে পাপ কৰে আৰু নিজৰ পাপৰ দ্বাৰা পৰিবেষ্টিত হৈ থাকে, সিহঁতক নৰকত নিক্ষেপ কৰা হ'ব আৰু তাতেই চিৰকাল থাকিব। (৮২) কিন্তু যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎ কৰ্ম কৰে, তেওঁলোক জান্নাতবাসী হ'ব আৰু তাত চিৰকাল থাকিব।

(৮৩) স্মৰণ কৰা, ইছ্ৰাঈলৰ বংশধৰসকলৰ পৰা এই দৃঢ় প্ৰতিশ্ৰুতি লৈছিলো যে, আল্লাহৰ বাহিৰে আন কাৰো উপাসনা নকৰিবা, পিতৃ-মাতৃ, আত্মীয়-স্বজন, অনাথ-অনাথিনী, দাল-দৰিদ্ৰৰ প্ৰতি সদ ব্যৱহাৰ কৰিবা, তেওঁলোকক সহায় কৰিবা। মানুহৰ লগত উত্তম ব্যৱহাৰ কৰিবা, নামাজ প্ৰতিষ্ঠা কৰিবা, যাকাত আদায় দিবা; কিন্তু খুব কম সংখ্যক মানুহৰ বাহিৰে তোমালোকে তাৰ প্ৰতি পিঠি দিছা আৰু তোমালোক অৱজ্ঞাকাৰী।

(৮৪) আৰু যেতিয়া আমি তোমালোকৰ পৰা প্ৰতিশ্ৰুতি লৈছিলো- 'তোমালোকে পৰস্পৰে ৰক্তপাত নকৰিবা আৰু ইজনে সিজনক নিজ ঘৰৰ পৰা বহিষ্কাৰ নকৰিবা।' এই কথা তোমালোকে মানি লৈছিলা আৰু তোমালোক নিজেই তাৰ সাক্ষী। (৮৫) কিন্তু তোমালোক হ'লা সেইসকল, যিসকলে নিজৰ ভিতৰতে হত্যাকাণ্ড চলাইছা, নিজ গোত্ৰৰ কিছুমান মানুহক নিজ গৃহৰ পৰা বহিষ্কাৰ কৰিছা। শত্ৰুতা আৰু পাপ কৰ্ম কৰাৰ অভিপ্ৰায়েৰে তেওঁলোকৰ বিৰুদ্ধে একগোট হৈছা। তেওঁলোকৰ কোনোবা যুদ্ধবন্দী হৈ আহিলে, তেওঁলোকৰ পৰা মুক্তিপণ লৈছা, অথচ তেওঁলোকক ঘৰৰ পৰা বহিষ্কাৰ কৰাটোৱেই তোমালোকৰ বাবে অবৈধ আছিল। তোমালোকে কি এই পুথিৰ এটা অংশ বিশ্বাস কৰা আৰু আনটো অংশ বিশ্বাস নকৰা? তোমালোকৰ যিসকলে এনে কাৰ্য কৰে, সিহঁতৰ বাবে এই পাৰ্থিৱ জীৱনত অপমান আৰু লাঞ্ছনাৰ ব্যতিৰেকে কি হ'ব আৰু পৰকালতো সিহঁতক কঠোৰ শাস্তি বিহা হ'ব। তোমালোকে যি কৰি আছা সেই বিষয়ে আল্লাহ আওকণীয়া নহয়।

(৮৬) প্ৰকৃততে এইবিলাক মানুহেই নিজৰ পৰকাল বিক্ৰী কৰি পাৰ্থিৱ জীৱন কিনি লৈছে। সিহঁতৰ শাস্তি অকণো লাঘৱ কৰা নহ'ব আৰু সিহঁতক কোনো সাহায্যও দিয়া নহ'ব।

(৮৭) আমি মূছাক পুথি দান কৰিছিলো। তেওঁৰ পিছত ক্ৰমাগতভাৱে বহু ৰছুল পঠাইছিলো। মৰিয়ম পুত্ৰ ঈছাক স্পষ্ট নিদৰ্শনৰ সৈতে পঠিয়াইছিলো আৰু পৱিত্ৰ আত্মাৰে ক্ষমতাসম্পন্ন কৰিছিলো। কিন্তু পিছত যেতিয়াই কোনো ৰছুলে তোমালোকে বাঞ্ছা নকৰা কিবা তোমালোকৰ ওচৰলৈ লৈ আহে, তেতিয়া তোমালোকৰ গৰ্ব-অহংকাৰ হয়; (তেওঁলোকৰ) কিছুমানক মিছা বুলি অগ্ৰাহ্য কৰিছা আৰু কিছুমানক হত্যা কৰিছা। (৮৮) সিহঁতে কয়- 'আমাৰ অন্তৰ সুৰক্ষিত।' প্ৰকৃত কথা হ'ল অৱজ্ঞাৰ কাৰণে সিহঁতৰ ওপৰত আল্লাহৰ অভিশাপ পৰিছে। সেয়ে সিহঁতে অতি কমহে বিশ্বাস কৰে।

(৮৯) এতিয়া সিহঁতৰ ওচৰলৈ আল্লাহৰ তৰফৰ পৰা পুথি (কুৰআন) অৱতীৰ্ণ হ'ল যিখনে সিহঁতৰ লগত থকা পুথিৰ (তওৰাতৰ) সত্যতাৰ সাক্ষ্য দিয়ে। সিহঁতে এইখনক অস্বীকাৰ কৰে। সিহঁতে নিজেই আগতে অবিশ্বাসকাৰী বিলাকৰ বিৰুদ্ধে নিজৰ বিজয় প্ৰাৰ্থনা কৰিছিল; কিন্তু পিছত যেতিয়া সেই বস্তুটো আহি গ'ল যিটোক সিহঁতে চিনিবও পাৰিছিল, সেইটো সিহঁতে অমান্য কৰিলে। সেয়ে সত্য অস্বীকাৰকাৰীবিলাকৰ ওপৰত আল্লাহৰ অভিশাপ। (৯০) সিহঁতে নিজ প্ৰাণৰ বাবে যি বিনিময় কৰিছে সেয়া কিমান নিকৃষ্ট! সিহঁতে জিদৰ বশৱৰ্তী হৈ আল্লাহে অৱতীৰ্ণ কৰা বাণী অস্বীকাৰ কৰিছে। আল্লাহে তেওঁৰ সেৱকসকলৰ মাজৰ পৰা যাক ইচ্ছা কৰে, তেওঁক নিজ অনুগ্ৰহ প্ৰদান কৰে। সিহঁতে উপৰ্যুপৰি আল্লাহৰ কোপদৃষ্টি অৰ্জন কৰিছে। সত্য অস্বীকাৰকাৰীবিলাকৰ বাবে লাঞ্ছনাদায়ক শাস্তি আছে।

(৯১) যেতিয়া সিহঁতক কোৱা হয়- 'আল্লাহে যি অৱতীৰ্ণ কৰিছে, সেয়া মানি লোৱা।' তেতিয়া সিহঁতে কয়- 'আমাৰ প্ৰতি যি অৱতীৰ্ণ হৈছে, সেয়াহে

আমি মানো।' সিহঁতে সেই সত্য নামানে যি ইয়াৰ পিছত অৱতীর্ণ হৈছে; অথচ এয়া প্ৰকৃত সত্য আৰু সিহঁতৰ লগত যি আছে তাৰো সত্যতাৰ প্ৰমাণ দিয়ে। সিহঁতক সোধা- 'যদি তোমালোকে প্ৰকৃততে বিশ্বাস কৰিছিলা, তেনেহ'লে অতীতত আল্লাহৰ নবীসকলক কিয় হত্যা কৰিছিলা?' (৯২) মূছাই তোমালোকৰ ওচৰলৈ স্পষ্ট নিদর্শন লৈ আহিছিল; কিন্তু তেওঁৰ অনুপস্থিতিত তোমালোকে দামুৰিটোক উপাসনা কৰিবলৈ ল'লা আৰু তোমালোক অবাধ্য হ'লা। (৯৩) যেতিয়া আমি তোমালোকৰ পৰা দৃঢ় প্ৰতিশ্ৰুতি ল'লো আৰু তূৰ পর্বতক তোমালোকৰ ওপৰত তুলি ধৰি ক'লো- 'আমি তোমালোকক দি আদেশ দিছো, সেয়া মানি চলা আৰু শুনা।' সিহঁতে ক'লে- 'আমি শুনিছো; কিন্তু নামানো।' সিহঁতৰ অন্তৰত দামুৰিটোৰ প্ৰভাৱহে বদ্ধমূল হৈ আছিল, প্ৰকৃত সত্য অস্বীকাৰ কৰাৰ কাৰণে সিহঁতক কোৱা- 'যদি তোমালোক বিশ্বাস স্থাপনকাৰী হোৱা, তেনেহ'লে এয়া তোমালোকৰ অতি নিকৃষ্ট বিশ্বাস যিয়ে অপকর্মৰ প্ৰেৰণা যোগায়।' (৯৪) সিহঁতক কোৱা- 'যদি সঁচাকৈয়ে আল্লাহৰ ওচৰত পৰকালৰ শান্তিপূর্ণ নিবাস সমগ্ৰ মানৱ জাতিৰ বাবে নহৈ কেৱল তোমালোকৰ বাবে নির্দিষ্ট হয়, তেনেহ'লে তোমালোকে মৃত্যু কামনা কৰা যদি তোমালোক সত্যবাদী হোৱা।' (৯৫) কিন্তু সিহঁতে কদাপিও মৃত্যু কামনা নকৰে; কিয়নো সিহঁতে নিজ হাতেৰে যি উপার্জন কৰি পঠিয়াইছে, সেয়া সিহঁতৰ জনা আছে। নিশ্চয় অন্যায়কাৰীবিলাকৰ অৱস্থা আল্লাহৰ ভালকৈয়ে জনা আছে। (৯৬) তুমি আন সকলো মানুহতকৈ সিহঁতৰ মাজত দীর্ঘকাল জীয়াই থকাৰ বাসনা দেখিবলৈ পাবা। আনকি এই ক্ষেত্ৰত সিহঁত অংশীবাদীবিলাকতকৈ আগবঢ়া। সিহঁতৰ প্ৰত্যেকে হাজাৰ বছৰ জীয়াই থাকিব বিচাৰে যদিও এই দীর্ঘ জীৱনে সিহঁতক (আমাৰ) শাস্তিৰ পৰা ৰক্ষা কৰিব নোৱাৰে। সিহঁতে যি কৰি আছে, আল্লাহে সেইবোৰ দেখি আছে। (৯৭) কোৱা- 'যি মানুহে জিব্ৰাইলৰ প্ৰতি শত্ৰুতা পোষণ কৰে, যিজনে (জিব্ৰাইলে) আল্লাহৰ

অনুমতিক্রমে (পৰিত্র কুৰআন) তোমাৰ অন্তৰত অৱতীর্ণ কৰিছে। এইখনে পূর্ৱৰতী ঐশীপুথিসমূহক সাব্যস্ত কৰে আৰু ই বিশ্বাস স্থাপনকাৰীসকলৰ বাবে সঠিক পথৰ সন্ধান আৰু সাফল্যৰ সুসংবাদদাতা। (৯৮) যিবিলাকে আল্লাহ, তেওঁৰ ফিৰিস্তাসকল নাইবা তেওঁৰ বার্তাবাহকসকল বা জিব্রাইল আৰু মিকাইলৰ প্রতি শত্রুভাৱাপন্ন, আল্লাহ সেই সত্য অস্বীকাৰকাৰীসকলৰ শত্রু।' (৯৯) আমি তোমাৰ প্রতি স্পষ্ট নিদর্শনসমূহ পঠাইছো আৰু এয়া সীমালংঘনকাৰীৰ ব্যতীত আনে মানিবলৈ অস্বীকাৰ নকৰে। (১০০) এইটোৱেই হৈ থকা নাইনে যে, যেতিয়াই সিহঁতে কোনো প্রতিশ্রুতি দিছে, তেতিয়াই সিহঁতৰ কোনো এটা উপদলে সেয়া উলাই কৰিছে। আচলতে সিহঁতৰ বেছিভাগেই বিশ্বাস কৰা নাই। (১০১) যেতিয়াই কোনো ৰছুল আল্লাহৰ ফালৰ পৰা আহি (পূর্ৱৰে পৰা) সিহঁতৰ লগত থকা ঐশীপুথিৰ সত্যতা স্বীকাৰ কৰি সমর্থন কৰে, তেতিয়া ঐশীপুথিপ্রাপ্তসকলে আল্লাহৰ পুথিক এনেভাৱে অৱজ্ঞা কৰে যেন এই সম্পর্কে সিহঁতে একোৱেই নাজানে।

(১০২) সিহঁতে সেইবোৰ কথাকে মানিবলৈ ধৰিলে, যিবোৰ কথা চয়তানে চুলাইমানৰ ৰাজত্বৰ নাম লৈ প্রচাৰ কৰিছিল। প্রকৃততে চুলাইমান কদাপিও অবিশ্বাসকাৰী নাছিল; সেই চয়তানবোৰহে অবিশ্বাসকাৰী আছিল। সিহঁতে মানুহক যাদুবিদ্যা শিকাইছিল আৰু বেবিলনৰ হাৰুত আৰু মাৰুত, এই দুই ফিৰিস্তাৰ প্রতি যিবোৰ অৱতীর্ণ কৰা হৈছিল, সেইবোৰ কাৰোবাক শিক্ষা দিয়াৰ আগতে সতর্ক কৰি কৈছিল-'আমি মাথোন এটা পৰীক্ষাহে, সেয়ে তোমালোকে অবিশ্বাসৰ পথ নল'বা।' কিন্তু মানুহে সেইবোৰহে সিহঁত দুজনৰ পৰা শিকি লৈছিল, যিবোৰে স্বামী-স্ত্রীৰ মাজত বিচ্ছেদ ঘটাব পাৰে। অথচ আল্লাহৰ অনুমতি বিনে এই উপায়েৰে সিহঁতে কাৰো একো ক্ষতি কৰিব নোৱাৰে। সিহঁতে সেইবোৰহে শিকিছিল, যিবোৰ সিহঁতৰ কাৰণে ক্ষতিকৰ আৰু সিহঁতৰ পক্ষে লাভজনক নহয়। সিহঁতে ভালদৰে জানিছিল

যে যাদুবিদ্যা ক্ৰয় কৰোতা (চৰ্চা কৰোতা) জনৰ পৰকালত কেতিয়াও কল্যাণ নহয়। যি বস্তুৰ বিনিময়ত সিহঁতে নিজৰ আত্মা বিক্ৰী কৰিছে, সেইয়া কিমান যে নিকৃষ্ট, এই কথা যদি সিহঁতে জানিলেহেঁতেন। (১০৩) যদি সিহঁতে বিশ্বাস স্থাপন কৰিলেহেঁতেন আৰু আল্লাহৰ প্ৰতি মনোনিবেশ কৰিলেহেঁতেন, তেনেহ'লে সিহঁতে আল্লাহৰ ওচৰত যি পুৰস্কাৰ পালেহেঁতেন আৰু এয়া সিহঁতৰ পক্ষে কিমান কল্যাণকৰ হ'লহেঁতেন, এই কথা যদি সিহঁতে উপলব্ধি কৰিলেহেঁতেন!

(১০৪) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে নবীক 'ৰায়িনা' বুলি নক'বা; 'উনযুৰনা' বুলিহে ক'বা আৰু তেওঁৰ কথা মন দি শুনা। সত্য অস্বীকাৰকাৰীবিলাকৰ কাৰণে যন্ত্ৰণাদায়ক শাস্তি আছে। (১০৫) যিবিলাকে এই সত্য মানিবলৈ মান্তি নহয়, সিহঁত ঐশীপুথিপ্ৰাপ্তই হওকবা অংশীবাদীয়েই হওক, সিহঁতে তোমাৰ প্ৰভুৰ পৰা তোমালোকলৈ কল্যাণ অহাটো কেতিয়াও কামনা নকৰে। কিন্তু আল্লাহে যাক ইচ্ছা কৰে, তেওঁক তেওঁৰ কল্যাণ দান কৰিবলৈ মনোনীত কৰি লয়। আল্লাহ অতিশয় কৃপাৱন্ত। (১০৬) যদি আমি আমাৰ কোনো আয়াত ৰহিত কৰো বা পাহৰাই দিও, তাৰ পৰিৱৰ্তে আমি তাতোকৈ উৎকৃষ্ট বা অনুৰূপ বাণী পঠিয়াই দিও। তুমি নাজানানে যে আল্লাহৰ সকলো কাম কৰাৰ ক্ষমতা আছে। (১০৭) তুমি নাজানানে আকাশমণ্ডল আৰু পৃথিৱীৰ ৰাজত্ব কেৱল মাথোন আল্লাহৰেই? তেওঁৰ বাহিৰে তোমালোকৰ আন কোনো বন্ধু আৰু সহায়কাৰী নাই। (১০৮) তোমালোকে তোমালোকৰ ৰছুলক প্ৰশ্ন সুধিব খোজানে, যেনেদৰে তোমালোকৰ আগেয়ে মূছাক প্ৰশ্ন সোধা হৈছিল? যিয়ে বিশ্বাস স্থাপনক অবিশ্বাসলৈ পৰিৱৰ্তন কৰে, সি প্ৰকৃত সৰল পথৰ পৰা বিচ্যুত হয়।

(১০৯) ঐশীপুথি প্ৰাপ্তসকলৰ সৰহভাগ মানুহে ইৰ্ষাবশতঃ তোমালোকক বিশ্বাস স্থাপন কৰাৰ পিছতো পুনৰাই অবিশ্বাসৰ অৱস্থালৈ ঘূৰাই নিব বিচাৰে;

অথচ সিহঁতৰ মনতো সত্য স্পষ্টভাৱে উদয় হৈছে। এই বিষয়ে আল্লাহে কোনো নির্দেশ নিদিয়ালৈকে তোমালোকে তেওঁলোকৰ সৈতে মার্জনাৰ নীতি অৱলম্বন কৰা আৰু ধৈর্য ধাৰণ কৰা। নিশ্চয় আল্লাহ সকলো বিষয়ে ক্ষমতাবান। (১১০) (তোমালোকে) নামাজ প্রতিষ্ঠা কৰা আৰু যাকাত আদায় দিয়া। তোমালোকে নিজৰ বাবে যি অগ্রিম সৎ কর্ম কৰা, সেয়া আল্লাহৰ ওচৰত পাবাগৈ। তোমালোকে যিহকে কৰা আল্লাহে সেয়া নিশ্চয় দেখি আছে। (১১১) সিহঁতে কয়- 'খৃষ্টান বা ইহুদী নহ'লে কোনোৱে জান্নাতত প্রৱেশ কৰিব নোৱাৰে।' এয়া সিহঁতৰ অলীক কামনাহে। (হে নবী) কোৱা- 'তোমালোকে যদি সঁচাই কৈছা, তেনেহ'লে তাৰ প্রমাণ দিয়া।' (১১২) প্রকৃততে যি ব্যক্তিয়ে আল্লাহৰ আনুগত্যত নিজকে সম্পূর্ণৰূপে সঁপি দিয়ে আৰু সৎ কর্ম কৰে, তেওঁৰ বাবে আল্লাহৰ প্রতিদান আছে। তেওঁলোকৰ বাবে ভয় আৰু দুশ্চিন্তাৰ কোনো কাৰণ নাই।

(১১৩) ইহুদীবিলাকে কয়- 'খৃষ্টানবিলাকৰ বিশ্বাস ভিত্তিহীন।' আকৌ খৃষ্টানবিলাকে কয়- 'ইহুদীবিলাকৰ বিশ্বাস ভিত্তিহীন।' অথচ সিহঁতে (উভয়ে) ঐশীপুথি পাঠ কৰে। যিবিলাকৰ ঐশীপুথি সম্পর্কে কোনো জ্ঞান নাই, সিহঁতে অনুৰূপ দাবীকেই কৰে। সিহঁতৰ মাজত যি বিষয়ে মতবিৰোধ হৈছে, কিয়ামতৰ দিনা আল্লাহে তাৰ চূড়ান্ত মীমাংসা কৰি দিব। (১১৪) সেইবিলাক মানুহতকৈ বেছি অন্যায়কাৰী আন কোন হ'ব পাৰে, যিবিলাকে আল্লাহৰ উপাসনালয়ত তেওঁৰ নাম স্মৰণ কৰাত বাধা দিয়ে আৰু সেইবোৰ নির্মূল কৰিব বিচাৰে? তেওঁলোকৰ বাবে এয়াই উত্তম হ'ব যে, অন্তৰত ভয়-ভীত ৰাখিহে তাত সোমাব। নিশ্চয় সিহঁতৰ বাবে ইহজগতত আছে চৰম লাঞ্ছনা আৰু পৰকালত আছে কঠোৰ শাস্তি। (১১৫) পূৱ-পশ্চিম আল্লাহৰেই। তুমি যিফালেই মুখ কৰা, সেই ফালেই আল্লাহ বিদ্যমান। আল্লাহ সর্ব্যাপী আৰু সর্বজ্ঞ। (১১৬) সিহঁতে কয়- 'আল্লাহে এজন পুত্র সন্তান গ্রহণ কৰিছে।' এনে কথাৰ পৰা তেওঁ পৱিত্র।

আকাশমণ্ডল আৰু পৃথিৱীৰ সকলো বস্তুৰেই গৰাকী আল্লাহ। সকলোৱেই তেওঁৰ অনুগত। (১১৭) তেৱেঁই আকাশমণ্ডল আৰু পৃথিৱীৰ উদ্ভাৱক। যেতিয়া তেওঁ কোনো কাৰ্য সম্পাদন কৰিব খোজে, তেওঁ মাথোন কয়-'হ' আৰু সি হৈ যায়।

(১১৮) অজ্ঞানী মানুহবিলাকে কয়- 'আল্লাহে আমাৰ লগত কথা নাপাতে কিয় নাইবা আমালৈ কোনো নিদৰ্শন নাহে কিয়?' তেওঁলোকৰ পূৰ্বৱৰ্তী মানুহবিলাকেও অনুৰূপ দাবীকে কৰিছিল। সিহঁত সকলোৰে মনোবৃত্তি একে। দৃঢ়ভাৱে বিশ্বাস স্থাপনকাৰীসকলৰ বাবে আমি নিদৰ্শনসমূহ সুস্পষ্ট কৰি দিছো। (১১৯) আমি তোমাক সত্য জ্ঞানৰ সৈতে সুসংবাদদাতা আৰু সকৰ্তকাৰী হিচাবে পঠাইছো। নৰকগামীসকলৰ বাবে তুমি জবাবদিহী নোহোৱা। (১২০) ইহুদী আৰু খৃষ্টানবিলাক তোমাৰ প্ৰতি কেতিয়াও সন্তুষ্ট নহয়, যেতিয়ালৈকে তুমি সিহঁতৰ পথ অনুসৰণ নকৰা। কোৱা- 'আল্লাহৰ পথ নিৰ্দেশনাই একমাত্ৰ প্ৰকৃত সত্য পথ।' তুমি আল্লাহ প্ৰদত্ত জ্ঞান লাভ কৰাৰ পিছতো যদি সিহঁতৰ কামনা অনুসৰি চলা, তেনেহ'লে আল্লাহৰ মোকাবিলাত তোমাৰ কোনো সাহায্যকাৰী আৰু বন্ধু নোলাব। (১২১) আমি যিসকলক পুথি দান কৰিছো, তেওঁলোকে তাক যিদৰে বিশ্বাস কৰি মানি চলিব লাগে, তেনেদৰে মানি চলে আৰু বিশ্বাস স্থাপন কৰে আৰু যিবিলাকে অবিশ্বাস কৰে, সিহঁতেই ক্ষতিগ্ৰস্ত হ'ব।

(১২২) হে ইছৰাঈলৰ বংশধৰসকল, মই তোমালোকক দান কৰা অনুগ্ৰহৰ কথা স্মৰণ কৰা, কেনেদৰে মই তোমালোকক সকলো জাতিৰ ওপৰত শ্ৰেষ্ঠত্ব দান কৰিছিলো। (১২৩) সেই দিনটোলৈ ভয় কৰা, যিদিনা কোনো কাৰো উপকাৰত নাহিব, কাৰো কোনো মুক্তিপণ গ্ৰহণ কৰা নহ'ব, কাৰো মধ্যস্থতা সিহঁতৰ কোনো উপকাৰত নাহিব আৰু কোনো ফালৰ পৰা সিহঁত সাহায্যপ্ৰাপ্ত নহ'ব। (১২৪) যেতিয়া ইব্ৰাহীমক তেওঁৰ প্ৰভুৱে বিশেষ

কেইটামান কথাৰে পৰীক্ষা কৰিলে আৰু সেই সকলোতে তেওঁ উত্তীর্ণ হ'ল। তেওঁৰ প্ৰভুৱে ক'লে- 'মই তোমাক মানৱ জাতিৰ নেতৃত্ব দান কৰিম।' ইব্ৰাহীমে সুধিলে- 'মোৰ সতি-সন্ততিৰ প্ৰতিও এয়া প্ৰযোজ্য হ'বনে?' উত্তৰত আল্লাহে ক'লে- 'মোৰ এই প্ৰতিশ্ৰুতি অন্যায়কাৰীবিলাকৰ বাবে নহয়।'

(১২৫) আৰু আমি এই ঘৰক (কা'বাক) মানৱ জাতিৰ কাৰণে কেন্দ্ৰস্থল আৰু নিৰাপত্তাৰ পুণ্যভূমি হিচাবে মনোনিত কৰিছিলো আৰু কৈছিলো- 'মাকামে-ইব্ৰাহীম ('ইব্ৰাহীমে যি ঠাইত উপাসনাৰ বাবে থিয় হৈছিল), সেই ঠাইক নামাজৰ স্থান কৰি লোৱা।' আমি ইব্ৰাহীম আৰু ইছমাইলক নির্দেশ দিছিলো- 'মোৰ এই ঘৰক পৱিত্ৰ কৰি ৰাখা সেইসকলৰ বাবে যিসকলে ইয়াৰ চাৰিওফালে প্ৰদশিন কৰে, তাত থাকি লৈ নিজকে আত্মোসর্গ কৰে, শিৰ নত কৰে আৰু সাস্তাংগে প্ৰণিপাত কৰে।' (১২৬) আৰু যেতিয়া ইব্ৰাহীমে প্ৰার্থনা কৰি কৈছিল- 'হে মোৰ প্ৰভু, এই ঠাইক নিৰাপত্তা আৰু শান্তিৰ নগৰ কৰি দিয়া। আল্লাহ আৰু পৰকালত বিশ্বাসকাৰীসকলৰ বাবে ফল-শস্য আদি প্ৰদান কৰা।' আল্লাহে ক'লে- 'যিয়ে সত্যক অবিশ্বাস কৰে, তাক দুদিনমানৰ কাৰণে সুখ-সম্পদ ভোগ কৰিবলৈ দিয়া হ'ব, তাৰ পাছত শাস্তিৰ বাবে নৰকলৈ নিয়া হ'ব আৰু ই অতি নিকৃষ্ট গন্তব্যস্থল।'

(১২৭) যেতিয়া ইব্ৰাহীম আৰু ইছমাইলে এই কা'বা ঘৰৰ ভেটি স্থাপন কৰিছিল, (তেতিয়া তেওঁলোকে প্ৰার্থনা কৰিছিল)- 'হে আমাৰ প্ৰভু, আমাৰ এই কার্য তুমি গ্ৰহণ কৰা। নিশ্চয় তুমি সকলো কথা জানা আৰু শুনা। (১২৮) হে প্ৰভু, আমাক উভয়কে তোমাৰ আদেশানুতগত কৰি দিয়া আৰু আমাৰ বংশৰ পৰা তোমাৰ আদেশানুগত এটা জাতিৰ উৎপত্তি কৰা। তোমাৰ উপাসনাৰ নিয়ম-প্ৰণালী আমাক শিকাই দিয়া আৰু আমাৰ দোষ-ত্ৰুটি ক্ষমা কৰা। নিশ্চয় তুমি অতি ক্ষমাশীল, পৰম দয়ালু। (১২৯) হে আমাৰ প্ৰভু, তেওঁলোকৰ মাজৰ পৰাই তেওঁলোকৰ বাবে এজন ৰছুল মনোনীত কৰা,

যিজনে তেওঁলোকক তোমাৰ বাণীসমূহ পাঠ কৰি শুনাব, ঐশীপুথি আৰু জ্ঞান-বিজ্ঞানৰ শিক্ষা দিব, তেওঁলোকক সংশোধন কৰিব। তুমি অতিশয় মহান আৰু বিজ্ঞ।'

(১৩০) নিৰ্বোধ মানুহৰ ব্যতিৰেকে আন কোনে ইব্ৰাহীমৰ ধৰ্মক অৱজ্ঞা কৰিব পাৰে? আমি তেওঁক পৃথিৱীতে মনোনীত কৰিছিলো আৰু পৰকালতো তেওঁ সৎকৰ্মীসকলৰ ভিতৰত পৰিগণিত হ'ব। (১৩১) তেওঁৰ প্ৰভুৱে তেওঁক কৈছিল- 'অনুগত হোৱা।' তেওঁ সঁহাৰি জনাই কৈছিল- 'মই বিশ্বজগতৰ প্ৰভুৰ অনুগত হ'লো।' (১৩২) এয়াই উপদেশ দিছিল ইব্ৰাহীমে নিজ সন্তানসকলক আৰু সেইদৰে ইয়াকুবেও নিজ পুত্ৰসকলক উপদেশ দি কৈছিল- 'হে মোৰ পুত্ৰসকল, আল্লাহে তোমালোকৰ বাবে এই ধৰ্ম মনোনীত কৰিছে, সেয়ে তোমালোকে অনুগত দাস নোহোৱালৈকে কদাপিও মৃত্যু বৰণ নকৰিব।' (১৩৩) ইয়াকুবৰ মৃত্যু ওচৰ চপাৰ সময়ত তোমালোক উপস্থিত আছিলা জানো? তেওঁ পুত্ৰসকলক সুধিছিল- 'মোৰ মৃত্যুৰ পিছত তোমালোকে কাৰ উপাসনা কৰিবা?' তেওঁলোকে কৈছিল- 'আমি একেজনকেই উপাসনা কৰিম যিজন আপোনাৰ প্ৰভু, আপোনাৰ উপৰি পুৰুষ ইব্ৰাহীম, ইছমাইল আৰু ইছহাকৰ প্ৰভু। আমি স্বেচ্ছাই তেওঁৰেই অনুগত হৈ থাকিম।' (১৩৪) সেয়া এটা সম্প্ৰদায় আছিল, অতীত হৈ গ'ল। তেওঁলোকে যি অৰ্জন কৰিছিল সেয়া তেওঁলোকৰ বাবে আৰু তোমালোকে যি অৰ্জন কৰিছা সেয়া তোমালোকৰ বাবে। তেওঁলোকে যি কৰিছিল তাৰ বাবে তোমালোক জবাবদিহী নোহোৱা।

(১৩৫) তেওঁলোকে কয়- 'ইহুদী বা খৃষ্টান হোৱা, সঠিক পথ লাভ কৰিবা।' কোৱা- 'সেয়া নহয়। আমি ইব্ৰাহীমৰ ধৰ্ম পন্থা বিশ্বাস কৰো। তেওঁ সততে (আল্লাহৰ) অনুগত আছিল। তেওঁ সেইবিলাকৰ দলত নাছিল, যিবিলাকে আনক আল্লাহৰ লগত অংশী কৰিছিল।' (১৩৬) কোৱা- 'আমি বিশ্বাস স্থাপন কৰিছো আৰু আল্লাহৰ প্ৰতি আৰু আমাৰ প্ৰতি যি অৱতীৰ্ণ

কৰিছে আৰু যি অৱতীর্ণ হৈছিল ইব্ৰাহীম, ইছমাইল, ইছহাক, ইয়াকুব আৰু তেওঁলোকৰ বংশধৰসকলৰ প্ৰতি আৰু যি দিয়া হৈছিল মূছা, ঈছা আৰু অন্যান্য নবীসকলক তেওঁলোকৰ প্ৰভুৰ তৰফৰ পৰা। আমি তেওঁলোকৰ মাজত পার্থক্য নকৰো আৰু আমি স্বেচ্ছাই আল্লাহৰ অনুগত হৈ থাকিম।'(১৩৭) তোমালোকে যেনেদৰে বিশ্বাস স্থাপন কৰিছা, তেওঁলোকেও যদি ঠিক সেইদৰে বিশ্বাস স্থাপন কৰে, তেনেহ'লে তেওঁলোকো সুপথ প্ৰাপ্ত হ'ব। কিন্তু যদি সিহঁত ঘূৰি যায়, তেনেহ'লে সেয়া সিহঁতৰ বিদ্বেষভাৱাপূর্ণতাৰ বাবে। সিহঁতৰ মোকাবিলাত তোমাৰ বাবে আল্লাহেই যথেষ্ট। তেওঁ সকলো কথা জানে আৰু শুনে। (১৩৮) আমি আল্লাহৰ ৰঙেৰে ৰঞ্জিত হ'লো। আল্লাহৰ ৰঙতকৈ কাৰ ৰং উৎকৃষ্ট হ'ব পাৰে? আমি একমাত্ৰ তেওঁৰেই উপাসক। (১৩৯) কোৱা- 'আল্লাহৰ বিষয় লৈ তোমালোকে আমাৰ লগত তর্ক-বিতর্ক কৰানে? অথচ তেৱেঁই আমাৰো প্ৰভু আৰু তোমালোকৰো প্ৰভু। আমাৰ কর্ম আমাৰ বাবে আৰু তোমালোকৰ কর্ম তোমালোকৰ বাবে। আমি অতি নিষ্ঠাৰে তেওঁৰেই দাসত্ব কৰি আছো। (১৪০) তোমালোকে দাবী কৰানে যে ইব্ৰাহীম, ইছমাইল, ইছহাক আৰু ইয়াকুব আৰু তেওঁৰ বংশধৰসকলৰ আটায়ে ইহুদী বা খৃষ্টান আছিল?' কোৱা- 'তোমালোকে ভালদৰে জানানে আল্লাহে বেছি ভালদৰে জানে?' সেই ব্যক্তিতকৈ অন্যায়কাৰী আন কোন হ'ব পাৰে, যিয়ে আল্লাহৰ পৰা পোৱা বিদ্যমান সাক্ষ্য গোপন কৰি ৰাখে। তোমালোকে যি কৰা সেই সম্পর্কে আল্লাহ মুঠেই অমনোযোগী নহয়। (১৪১) সেই সম্প্রদায় অতীত হ'ল। তেওঁলোকে যি কৰিছিল, সেয়া তেওঁলোকৰ বাবে আৰু তোমালোকে যি কৰিছা, সেয়া তোমালোকৰ বাবে। তেওঁলোকে যি কৰিছিল তাৰ বাবে তোমালোক জবাবদিহী নোহোৱা।

(১৪২) নিবোর্ধবিলাকে ক'ব- 'ইহঁতে যি দিশ কৰি নামাজ পঢ়ি আছিল, সেই দিশৰ পৰা কোনে সিহঁতৰ মুখ ঘূৰালে?' কোৱা- 'পূৱ-পশ্চিম আল্লাহৰ।

তেওঁ যাক ইচ্ছা কৰে, সঠিক পথত পৰিচালিত কৰে।' (১৪৩) এইদৰে আমি তোমালোকক এটা মধ্যম পন্থা অনুসাৰী সম্প্ৰদায় কৰিছো যাতে তোমালোকে মানৱ জাতিৰ কাৰণে সাক্ষী হোৱা আৰু ৰছুল তোমালোকৰ সাক্ষী হ'ব পাৰে। পূৰ্বতে যি দিশত তোমালোকে উপাসনা কৰিছিলা, সেয়া আমি এই কাৰণে ধাৰ্য কৰি দিছিলো যাতে আমি জানিব পাৰো কোনে ৰছুলক অনুসৰণ কৰে আৰু কোনে তেওঁৰ পৰা আঁতৰি যায়। এই কিব্‌লা (দিশ) পৰিৱৰ্তনৰ বিষয়টো সকলোৰে বাবে বৰ কঠিন পৰীক্ষা আছিল; কিন্তু আল্লাহে সত্যপথ দেখুওৱাসকলৰ বাবে মুঠেই কঠিন নাছিল। আল্লাহে তোমালোকৰ ঈমান (বিশ্বাস) কেতিয়াও অথলে যাবলৈ নিদিয়ে। নিঃসন্দেহ, আল্লাহ মানুহৰ প্ৰতি অতি কৰুণাময় আৰু পৰম দয়ালু।

(১৪৪) আমি তোমাৰ মুখমণ্ডল সঘনাই আকাশৰ ফালে উত্থিত হোৱা দেখিছো, গতিকে যি দিশ তোমাৰ মনঃপুত হয়, সেই দিশৰ ফালে আমি তোমাৰ মুখ ঘু�ৱাই দিম। সেয়ে এতিয়া তুমি পৱিত্ৰ মছজিদ (কা'বাৰ) ফালে মুখ ঘুৰোৱা। তোমালোকে য'তেই নাথাকা কিয়, তোমালোকে এই দিশত মুখ কৰিবা। যিবিলাকক ঐশীপুথি দিয়া হৈছে, তেওঁলোকে ভালদৰে জানে এই নির্দেশ সঁচা আৰু সিহঁতৰ প্ৰভুৰ পৰা আহিছে। তেওঁলোকে যি কৰে, সেই বিষয়ে আল্লাহ অমনোযোগী নহয়। (১৪৫) যদিও তুমি সমস্ত প্ৰমাণ দাঙি ধৰা, যিবিলাকে ঐশীপুথি পাইছিল তেওঁলোকে তোমালোকৰ নামাজৰ দিশ (কিবলা) কদাপিও মানি নলয়। সিহঁতৰ কোনেও কাৰো কিবলা (দিশ) মানি নলয়। তোমাক এই সকলো জ্ঞান দান কৰাৰ পিছতো যদি তুমি সিহঁতৰ কামনা অনুসৰি চলা, তেনেহ'লে নিশ্চয় তুমি সীমালংঘনকাৰীবিলাকৰ ভিতৰৰে এজন বুলি পৰিগণিত হ'বা। (১৪৬) যিবিলাকক আমি ঐশীপুথি প্ৰদান কৰিছো, সিহঁতে নিজ সন্তানক জনাৰ দৰে ইয়াকো ভালদৰে জানে। কিন্তু তেওঁলোকে জানি-শুনিও প্ৰকৃত কিছুমান সত্য গোপন কৰিছে। (১৪৭) এয়া তোমাৰ

প্ৰভুৰ পৰা অহা বাস্তৱ সত্য। সেয়ে তুমি তেওঁলোকৰ দৰে নহ'বা, যিবিলাকে সন্দেহ পোষণ কৰে।

(১৪৮) প্ৰত্যেক সম্প্ৰদায়ৰ একোটা দিশ আছে আৰু সেইফালেই সিহঁতে মুখ কৰে। গতিকে তোমালোকে প্ৰতিযোগিতাৰ মনোভাৱেৰে ভাল কাম কৰা। তোমালোক য'তেই নাথাকা কিয়, আল্লাহে তোমালোকক লৈ আহিব। নিশ্চয় আল্লাহ সৰ্ব বিষয়ত ক্ষমতাশীল। (১৪৯) তুমি য'তেই নাথাকা কিয়, তাৰ পৰা পৱিত্ৰ কা'বা মছজিদৰ ফালে মুখ কৰিবা। এয়া তোমাৰ প্ৰভুৰ পৰা অহা প্ৰকৃত সত্য। তোমালোকে যি কৰিছা, সেই বিষয়ে তেওঁ অমনোযোগী নহয়। (১৫০) তুমি য'ৰেই পৰা নাহা কিয়, পৱিত্ৰ কা'বালৈ মুখ কৰিবা আৰু য'তেই নাথাকা কিয় উক্ত দিশৰ ফালে মুখ কৰিবা যাতে মানুহে তোমালোকৰ বিৰুদ্ধে বিতৰ্কমূলক কথাৰ পাতনি মেলিব নোৱাৰে সিহঁতৰ মাজৰ অন্যায়কাৰীবিলাকৰ ব্যতীত। সিহঁতক ভয় নকৰিবা, মোকহে ভয় কৰা যাতে মই তোমালোকৰ প্ৰতি মোৰ অনুগ্ৰহ সম্পূৰ্ণ কৰিব পাৰো আৰু তোমালোকে সুপথ পোৱা। (১৫১) সেইদৰে আমি তোমালোকৰ মাজৰ পৰাই তোমালোকলৈ এজন ৰছুল পঠাইছো যাতে আমাৰ বাণীসমূহ তোমালোকক পাঠ কৰি শুনায়, তোমালোকক সংশোধন কৰে, তোমালোকক ঐশীপুথি আৰু জ্ঞান-বিজ্ঞানৰ শিক্ষা দিয়ে আৰু যিবিলাক তোমালোকে জনা নাছিলা সিবিলাকৰো শিক্ষা দিয়ে। (১৫২) গতিকে তোমালোকে মোক স্মৰণ কৰা, ময়ো তোমালোকক স্মৰণ কৰিম। তোমালোক মোৰ কৃতজ্ঞ হোৱা আৰু অকৃতজ্ঞ নহ'বা।

(১৫৩) হে বিশ্বাস স্থাপনকাৰীসকল, ধৈৰ্য আৰু নামাজেৰে সহায় ভিক্ষা কৰা। নিঃসন্দেহ, আল্লাহ ধৈৰ্যশীলসকলৰ লগত থাকে। (১৫৪) আল্লাহৰ পথত নিহত হোৱাসকলক মৰিল বুলি নক'বা। তেওঁলোক জীৱন্ত হৈ আছে; কিন্তু সেয়া তোমালোকে উপলদ্ধি কৰিব নোৱাৰা। (১৫৫) নিশ্চয় আমি

তোমালোকক ভয় আৰু ভোক, ধন, প্ৰাণ আৰু ফল-শস্য আদি হানি কৰি পৰীক্ষা কৰিম আৰু সেই দৃঢ় ধৈৰ্যশীলসকলক সুসংবাদ দিয়া- (১৫৬) যিসকলে চৰম বিপৰ্যয়ৰ সময়ত কয়- 'আমি আল্লাহৰেই আৰু তেওঁৰ পিনেই আমি উভতি যাম।' (১৫৭) তেওঁলোকৰ ওপৰত তেওঁলোকৰ প্ৰভুৰ পৰা অনুগ্ৰহ আৰু কৰুণা বৰ্ষিত হয় আৰু তেওঁলোক সত্যপথৰ অনুগামী।

(১৫৮) 'চাফা' আৰু 'মাৰৱা' আল্লাহৰ নিদৰ্শনসমূহৰ ভিতৰৰ। সেয়ে যিজনে পৰিত্ৰ কা'বা গৃহত হজ বা উমৰা কৰে, তেওঁ এই দুই পৰ্বতৰ মাজত খোজ কাঢ়ি অহা-যোৱা কৰা দোষণীয় নহয়। যদি কোনোৱে স্বেচ্ছাই সৎ কাম কৰে, আল্লাহে তাৰ স্বীকৃতি দিয়ে। আল্লাহে সেয়া জানে। (১৫৯) আমি আমাৰ পুথিত মানৱ জাতিৰ বাবে যি সত্যৰ সাক্ষ্যদান কৰিছো আৰু যিবোৰ উপদেশ অৱতীৰ্ণ কৰিছো আৰু পুথিপ্ৰাপ্ত লোকসকলক পৰিষ্কাৰ ৰূপে বুজাই দিয়াৰ পিচত যি মানুহে সেইবোৰ সত্য গোপন কৰে, সিহঁতৰ ওপৰত আল্লাহৰ অভিশাপ পৰে আৰু আন মানুহেও সিহঁতক অভিশাপ দিয়ে। (১৬০) কিন্তু যিবিলাক মানুহে নিজ কৰ্মৰ বাবে অনুতাপ কৰে আৰু নিজক সংশোধন কৰে, গোপন কৰা সত্যবোৰ প্ৰকাশ কৰে, মই সিহঁতক ক্ষমা কৰিম; কিয়নো মই অতি ক্ষমাশীল আৰু কৃপালু। (১৬১) কিন্তু যিবিলাকে সত্যক অস্বীকাৰ কৰে আৰু এই অস্বীকাৰকাৰী অৱস্থাতে মৃত্যু হয়, সিহঁতৰ প্ৰতি আল্লাহ, ফিৰিস্তাসকল, সমগ্ৰ মানৱ জাতিৰ অভিশাপ হয়। (১৬২) এই অভিশপ্ত অৱস্থাত সিহঁত চিৰকাল থাকিব। সিহঁতৰ শাস্তি অকণো লাঘৱ কৰা নহ'ব আৰু সিহঁতক অৱকাশো দিয়া নহ'ব।

(১৬৩) তোমালোকৰ উপাস্য একমাত্ৰ আল্লাহ। তেওঁৰ বিনে আন কোনো উপাস্য নাই। তেওঁ পৰম কৰুণাময় আৰু পৰম দয়ালু। (১৬৪) আকাশ মণ্ডল আৰু পৃথিৱীৰ সৃষ্টি, ৰাতি আৰু দিনৰ বিৱৰ্তন, মানুহৰ প্ৰয়োজনীয় দ্ৰব্য কঢ়িওৱা সামুদ্ৰিক জাহজবোৰ, আল্লাহে আকাশৰ পৰা বৰ্ষণ কৰা পানী আৰু

সেই পানীৰে নিৰ্জীৱ পৃথিৱীক সজীৱকৰণ, বিভিন্ন জীৱ-জন্তুৰ বিচৰণ, সন্তুলিত বায়ু চালন আৰু পৃথিৱী আৰু আকাশৰ মাজত নিয়ন্ত্রিত মেঘৰাশি, এই সকলোবোৰতেই আছে সুষ্ঠ বিবেক আৰু বিচাৰ-বুদ্ধি সম্পন্ন মানুহৰ বাবে আল্লাহৰ নিদর্শন। (১৬৫) এনে কিছুমান মানুহ আছে, যিবিলাকে আনক আল্লাহৰ সমকক্ষ বুলি গ্রহণ কৰে আৰু সিহঁতক এনেদৰে ভক্তি কৰে, যেনেদৰে আল্লাহক ভক্তি কৰা উচিত। কিন্তু বিশ্বাস স্থাপনকাৰীসকলৰ আল্লাহৰ প্রতি থকা প্রেম অতি দৃঢ় আৰু গভীৰ। অন্যায়কাৰীবিলাকে যদি দেখিলেহেঁতেন, যি দৰে কঠোৰ শাস্তি প্রাপ্তিৰ সময়ত দেখিবলৈ পাব। সকলো ক্ষমতা একমাত্র আল্লাহৰ আৰু শাস্তি বিধানত তেওঁ অতি কঠোৰ। (১৬৬) যেতিয়া সিহঁতে কঠোৰ শাস্তি প্রত্যক্ষভাৱে দেখিব, সিহঁতে যাক অনুসৰণ কৰিছিল, তেতিয়া অনুসৰণকাৰীৰ লগত থকা সম্পর্কৰ কথা সিহঁতে অস্বীকাৰ কৰিব আৰু সিহঁতৰ মাজৰ পাৰস্পৰিক সম্পর্ক ছিন্ন হৈ যাব। (১৬৭) অনুসৰণকাৰীবিলাকে ক'ব- 'যদি আমি আকৌ পৃথিৱীলৈ ঘুৰি যাব পাৰিলোহেঁতেন, তেনেহ'লে আমিও সিহঁতৰ লগত সম্পর্ক ছিন্ন কৰিলোহেঁতেন, যেনেদৰে আজি সিহঁতে আমাৰ লগত সম্পর্ক ছেদ কৰিছে।' আল্লাহে সিহঁতৰ দুষ্কর্মবোৰ সিহঁতৰ আগত উপস্থাপন কৰিব। ইয়ে সিহঁতৰ অত্যন্ত দুখ আৰু লজ্জাত অনুতপ্ত হৈ অন্তৰ দগ্ধ হোৱাৰ কাৰণ হ'ব। সিহঁতে কদাপিও দোজখৰ পৰা পৰিত্রাণ নাপাব।

(১৬৮) হে মানৱ, পৃথিৱীত যিবোৰ বৈধ আৰু পৰিত্র বস্তু আছে, সেইবোৰ খোৱা; কিন্তু চয়তানৰ পদানুসৰণ নকৰিবা, কিয়নো সি তোমালোকৰ প্রকাশ্য শত্রু। (১৬৯) সি তোমালোকক দুষ্কার্য আৰু অশ্লীলতাৰ ফালে আহ্বান কৰে আৰু এনেবোৰ কথা আল্লাহৰ নামত আৰোপ কৰে যিবোৰৰ বিষয়ে তোমালোকৰ কোনো জ্ঞান নাই। (১৭০) কিন্তু যেতিয়া কোৱা হয়- 'আল্লাহে যিবোৰ অৱতীর্ণ কৰিছে, সেইবোৰ মানি চলা', তেতিয়া সিহঁতে উত্তৰ দিয়ে- 'আমি আমাৰ বোপা-ককাসকলৰ নীতিকে মানি চলিম; যদিও সিহঁতৰ বোপা-

ককাসকল নিবোৰ্ধ আছিল আৰু সিহঁত সুপথগামীও নাছিল ? (১৭১) যিবিলাকে সত্য অস্বীকাৰ কৰিছে, সিহঁত সেইবোৰ জন্তুৰ লেখীয়া যিবোৰে তোমাৰ মাতৰ শব্দ আৰু চিঞৰ-বাখৰৰ ব্যতীত আন একো অর্থ বুজি নাপায়। সিহঁত কলা, বোবা, অন্ধ। সিহঁতে কোনো কথা নুবুজে।

(১৭২) হে বিশ্বাস স্থাপনকাৰীসকল, উৎকর্ষ সাধক পৱিত্র বস্তুবোৰ খোৱা, যিবোৰ আমি তোমালোকক দান কৰিছোঁ আৰু আল্লাহৰ কৃতজ্ঞতা স্বীকাৰ কৰা যদি তোমালোকে একমাত্র আল্লাহক উপাসনা কৰা ? (১৭৩) তোমালোকৰ বাবে নিষেধ কৰা হৈছে- মৃত জীৱৰ মাংস, ৰক্ত, গাহৰিৰ মাংস আৰু আল্লাহৰ বাহিৰে আনৰ নাম লৈ জবহ কৰা জন্তুৰ মাংস; কিন্তু কোনোৱে যদি বাধ্যত পৰে, আইন ভংগ কৰাৰ অভিপ্রায় নাথাকে আৰু সীমালংঘন নকৰে, তেনেহ'লে তেওঁৰ কোনো দোষ নহয়। আল্লাহ অতি ক্ষমাশীল, পৰম দয়ালু। (১৭৪) আল্লাহে অৱতীর্ণ কৰা পুথিৰ যিকোনো অংশ যদি কোনোৱে হীন পার্থিৱ স্বার্থৰ বাবে গোপন কৰে, সিহঁতে আচলতে পেটত জুইহে ভৰাই লয়। কিয়ামতৰ দিনা আল্লাহে সিহঁতৰ লগত কথা নাপাতে, সিহঁতক নিষ্কলুষো নকৰে। সিহঁতৰ বাবে অতি যন্ত্রণাদায়ক শাস্তি আছে। (১৭৫) সিহঁতে সুপথৰ বিনিময়ত বিপথ আৰু ক্ষমাৰ পৱিৱর্তে শাস্তি কিনি লৈছে। কি যে মৰসাহ! নৰকৰ জলন্ত অগ্নিৰ সন্মুখীন হ'বলৈও সিহঁত সাজু। (১৭৬) এইবোৰ এই বাবেই হৈছে যে, আল্লাহে প্রকৃত সত্যৰে এই পুথি অৱতীর্ণ কৰিছে। যিবিলাকে এই পুথিত মত বৈষম্যৰ সৃষ্টি কৰে, সিহঁত প্রকৃত সত্যৰ পৰা বহু দূৰ আঁতৰি গ'ল।

(১৭৭) তোমালোকে পূৱ বা পশ্চিম পিনে মুখ কৰাটোৱেই পুণ্যৰ কাম নহয়। পুণ্যৰ মানে হ'ল আল্লাহ, শেষ বিচাৰৰ দিন, ফিৰিস্তাসকল, ঐশীপুথি আৰু নবীসকলৰ ওপৰত বিশ্বাস স্থাপন। পুণ্যবান সেইসকল, যিসকলে নিজৰ ধন-সম্পদৰ প্রতি মোহ থকা সত্ত্বেও নিজৰ ধন-সম্পদ আত্মীয়-স্বজন, অনাথ,

দৰিদ্ৰ, ভ্ৰমণৰত প্ৰবাসী, খোজনীয়া আৰু দাস মুক্তিৰ বাবে ব্যয় কৰে আৰু যিজনে নামাজ প্ৰতিষ্ঠা কৰে, যাকাত আদায় দিয়ে, কোনো প্ৰতিজ্ঞা কৰিলে তাক পূৰণ কৰে, অভাৱ-অনাটন, দুৰ্যোগ-বিভীষিকা আৰু কঠিন সময়ত চৰম ধৈৰ্য ধা�ৰণ কৰে, তেওঁলোকেই প্ৰকৃত সত্যবাদী আৰু আল্লাহভীৰু।

(১৭৮) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকৰ বাবে নৰহত্যাৰ ক্ষেত্ৰত প্ৰতিশোধৰ বিধান ধাৰ্য কৰা হৈছে, স্বাধীন ব্যক্তিৰ পৰিৱৰ্তে স্বাধীন ব্যক্তি, দাসৰ পৰিৱৰ্তে দাস, স্ত্ৰীৰ পৰিৱৰ্তে স্ত্ৰী। মৃত ব্যক্তিৰ উত্তৰাধিকাৰীয়ে যদি ক্ষমা কৰিবলৈ মান্তি হয়, তেনেহ'লে নিহত ব্যক্তিৰ পক্ষক অকপটভাৱে চলিত ন্যায়-নীতি অনুযায়ী ৰক্ত মূল্য আদায় দিব লাগে। এই লঘুকৰণ বিধি তোমালোকৰ প্ৰতি আল্লাহৰ এটা অনুগ্ৰহ। ইয়াৰ পাছতো কোনোৱে সীমালংঘন কৰিলে তাৰ বাবে কঠোৰ যন্ত্ৰণাদায়ক শাস্তি আছে।

(১৭৯) হে জ্ঞান-বুদ্ধি সম্পন্ন মানুহ, এই প্ৰতিশোধ (কিছাছৰ) বিধানত তোমালোকৰ জীৱনৰ নিৰাপত্তা আছে। সম্ভৱতঃ এয়া তোমালোকে মানি চলিবা। (১৮০) যদি তোমালোকৰ কাৰোবাৰ মৃত্যু ওচৰ চাপে আৰু ধন-সম্পত্তি এৰি থৈ যাব লগীয়া হয়, তেতিয়া তেওঁ পিতৃ-মাতৃ আৰু আত্মীয়-স্বজনৰ বাবে ন্যায় সংগতভাৱে অচিয়ত কৰি যাব। এয়া তোমালোকৰ বাবে বিধিবদ্ধ কৰা হ'ল। এনে কৰা খোদাভীৰুসকলৰ কৰ্তব্য। (১৮১) এই অচিয়ত শুনাৰ পাছত যদি তাক পৰিৱৰ্তন কৰে, সেই পাপে পৰিৱৰ্তনকাৰীসকলকহে চুব। নিশ্চয় আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ। (১৮২) কিন্তু যদি অচিয়তকাৰীয়ে কোনো অবিচাৰ কৰিছে বা কাৰোবাক প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছে বুলি কোনোবাই আশংকা কৰে, তাৰ পাছত তেওঁ সংশ্লিষ্ট পক্ষৰ মাজত ন্যায় বিচাৰ কৰি মীমাংসা কৰি দিয়ে তেওঁৰ কোনো পাপ নহয়। আল্লাহ অতি ক্ষমাশীল, পৰম দয়ালু।

(১৮৩) হে বিশ্বাস স্থাপনকাৰীসকল, ৰোজা তোমালোকৰ বাবে পালনীয় কৰ্তব্য হিচাবে ধাৰ্য কৰা হ'ল যেনেদৰে তোমালোকৰ পূৰ্বৱৰ্তীসকলৰ প্ৰতি ধাৰ্য কৰা হৈছিল যাতে তোমালোকে নিজকে বেয়াৰ পৰা বচাব পাৰা। (১৮৪) এই ৰোজা হৈছে কেইটামান দিনৰ বাবেহে। যদি তোমালোকৰ কোনো অসুখত পৰে বা প্ৰবাসী হয়, তেতিয়া তেওঁ পিছত সেই দিন কেইটাৰ ৰোজা পূৰণ কৰিব। ৰোজা ৰখাৰ সামথ্য থকা সত্ত্বেও বিশেষ অসুবিধাৰ বাবে ৰখা নাই, তাৰ বাবে ফিদিয়াৰ ব্যৱস্থা আছে- এজন দৰিদ্ৰক আহাৰ কৰাব। যদি কোনোৱে স্বইচ্ছাই পুণ্যৰ কাম কৰিবলৈ আগ্ৰহ কৰে, তাৰ বাবে তেওঁ উত্তম পুৰস্কাৰ পাব; কিন্তু ৰোজা ৰখাটোৱেই তোমালোকৰ বাবে শ্ৰেয়ঃ। এইটো যদি তোমালোকে বুজিলাহেঁতেন। (১৮৫) ৰমজান সেইটো মাহ, যি মাহত কুৰআন অৱতীৰ্ণ হৈছিল মানৱ জাতিৰ সৎ পথ প্ৰদৰ্শন হিচাবে আৰু সুস্পষ্ট নিদৰ্শন হিচাবে। ই সত্য আৰু অসত্যৰ পৰিষ্কাৰ পাৰ্থক্যকাৰী। সেয়ে তোমালোকৰ যিয়ে এই মাহটো পোৱা, তেওঁ যাতে ৰোজা ৰাখে। কিন্তু কোনো যদি অসুখত পৰে বা ভ্ৰমণৰত প্ৰবাসী হয়, তেওঁ পিছত সেই কেইদিনৰ ৰোজা পূৰণ কৰিব। আল্লাহে তোমালোকৰ বাবে সহজটো বিচাৰে, জটিলতা নিবিচাৰে। তোমালোকে গোটেই মাহটো ৰোজা ধৰাটো তেওঁ বিচাৰে যাতে তোমালোকে তেওঁৰ শ্ৰেষ্ঠত্ব আৰু মাহাত্ম্য প্ৰকাশ কৰিব পাৰা আৰু প্ৰকৃত পথ দেখুওৱাৰ বাবে তেওঁৰ কৃতজ্ঞতা স্বীকাৰ কৰিব পাৰা।

(১৮৬) যেতিয়া মোৰ বান্দাই (দাসে) মোৰ বিষয়ে তোমাক সুধে, তেতিয়া কোৱা- 'মই নিচেই ওচৰতে আছো। যিয়ে মোক মাতে, সেই মাতত সঁহাৰি দিও। গতিকে মোৰ আহ্বানত তেওঁলোকে যেন সঁহাৰি দিয়ে আৰু মোৰ প্ৰতি বিশ্বাস স্থাপন কৰে যাতে তেওঁলোক সত্য পথৰ অনুসাৰী হ'ব পাৰে।' (১৮৭) ৰোজাৰ ৰাতি স্ত্ৰী গমণ কৰা তোমালোকৰ বাবে বৈধ কৰা হ'ল। তেওঁলোক তোমালোকৰ আৱৰণ আৰু তেনেদৰে তোমালোকো

তেওঁলোকৰ আৱৰণ। তোমালোকে নিজকে নিজে প্ৰতাড়না কৰাটো আল্লাহে জানিছে; কিন্তু তেওঁ তোমালোকৰ দোষ মাৰ্জনা কৰি তোমালোকক কৰুণা কৰিছে। এতিয়া তোমালোকে স্ত্ৰী সংগম কৰিব পাৰা আৰু আল্লাহে যি বিধি সংগত বিধান দিছে সেয়া ভোগ কৰা। পুৱতি নিশাৰ শুভ্ৰ ৰেখা দৃশ্যমান নোহোৱালৈকে তোমালোকে পানাহাৰ কৰা। নিশাৰ আগমনলৈকে ৰোজা ধৰিবা। মছজিদত ইতিকাফ কৰি থকা সময়ত স্ত্ৰী সংসৰ্গৰ পৰা বিৰত থাকিবা। এইবোৰ আল্লাহে নিৰ্ধাৰণ কৰি দিয়া সীমা। সেয়ে এইবোৰৰ ওচৰলৈকে নাযাবা। এইদৰেই আল্লাহে তেওঁৰ আদেশবোৰ মানৱ জাতিৰ বাবে সুস্পষ্ট কৰি দিছে যাতে সিহঁতে ভুল আচৰণৰ পৰা আঁতৰি থাকিব পাৰে। (১৮৮) তোমালোকে ইজনে সিজনৰ ধন-সম্পত্তি অন্যায়ভাৱে আত্মসাৎ নকৰিবা নাইবা কৰ্তৃপক্ষক ইয়াৰ পৰা একো উপস্থাপন নকৰিবা যে আনৰ সম্পত্তি কিছু অংশ ইচ্ছা কৰি জানি-শুনি অন্যায়ভাৱে ভক্ষণ কৰাৰ সুযোগ পোৱা।

(১৮৯) সিহঁতে তোমাক চন্দ্ৰৰ হ্ৰাস-বৃদ্ধিৰ বিষয়ে সোধে। কোৱা- 'সেয়া মানুহৰ বৈষয়িক দিশৰ আৰু হজৰ সময় নিৰ্ণয়ক।' তোমালোকে ঘৰৰ পিছ ফালেদি প্ৰৱেশ কৰাটো পুণ্যৰ কাম নহয়; বৰং যিয়ে আল্লাহৰ ভয়ত নিজকে বেয়াৰ পৰা বিৰত ৰাখে, তেৱেঁই প্ৰকৃত পুণ্যবান। তোমালোকে দুৱাৰেদি ঘৰত প্ৰৱেশ কৰিবা আৰু আল্লাহলৈ ভয় কৰি চলিবা যাতে তোমালোকে কল্যাণ লাভ কৰিব পাৰা। (১৯০) যিবিলাকে তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰে, তোমালোকে সিহঁতৰ বিৰুদ্ধে আল্লাহৰ পথত যুদ্ধ কৰা; কিন্তু সীমা অতিক্ৰম নকৰিবা। নিশ্চয় আল্লাহে সীমা লংঘনকাৰীক ভাল নাপায়। (১৯১) য'তে তোমালোৰ লগত সিহঁতৰ মুখামুখী হয়, ত'তে সিহঁতক বধ কৰা আৰু য'ৰ পৰা সিহঁতে তোমালোকক বহিষ্কাৰ কৰিছে, তাৰ পৰা সিহঁতকো বহিষ্কাৰ কৰা। অত্যাচাৰৰ দ্বাৰা অশান্তি সৃষ্টি কৰাটো নৰ হত্যাতকৈ জঘন্য। তোমালোকে পৱিত্ৰ কা'বা মছজিদৰ ওচৰত সিহঁতৰ বিৰুদ্ধে যুদ্ধ

নকৰিবা, যেতিয়ালৈকে সিহঁতে তোমালোকৰ বিৰুদ্ধে তাত যুদ্ধ নকৰে। সিহঁতে যদি তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰে, তেতিয়া সিহঁতক বধ কৰা। সত্য অস্বীকাৰকাৰীবিলাক এনে শাস্তিৰেই যোগ্য। (১৯২) কিন্তু সিহঁত যদি (যুদ্ধ কৰাৰ পৰা) বিৰত হয়, নিশ্চয় জানিবা আল্লাহ অতি ক্ষমাশীল, পৰম দয়ালু। (১৯৩) অন্যায়-উৎপীড়ন দূৰীভূত হৈ আল্লাহৰ জীৱন-ব্যৱস্থা প্ৰতিষ্ঠা নোহোৱালৈকে সংগ্ৰাম কৰি থাকা আৰু যেতিয়ালৈকে ধৰ্ম আল্লাহৰ হৈ নাযায়। ইয়াৰ পিছত যদি সিহঁত বিৰত হয়, তেতিয়া কেৱল অন্যায়কাৰীৰ ব্যতিৰেকে আনৰ ওপৰত হস্ত প্ৰসাৰিত নকৰিবা।

(১৯৪) যুদ্ধ নিষিদ্ধ পৱিত্ৰ মাহৰ সলনি যুদ্ধ নিষিদ্ধ পৱিত্ৰ মাহ। সকলো নিষিদ্ধ কাৰ্যৰ বাবে সমতাৰ আইন প্ৰযোজ্য। সিহঁতে যদি তোমালোকক আক্ৰমণ কৰে, তেনেহ'লে তোমালোকেও অনুৰূপ ভাৱে প্ৰতি আক্ৰমণ কৰিবা। আল্লাহক ভয় কৰা আৰু জানি থোৱা, আল্লাহ পৱিত্ৰ ভক্তসকলৰ সাৰথি। (১৯৫) আল্লাহৰ পথত ব্যয় কৰা। তোমালোকে নিজ হাতেৰে নিজকে ধ্বংসৰ ফালে ঠেলি নিদিবা। সৎ কৰ্ম কৰা। আল্লাহে সৎ কৰ্মীক ভাল পায়।

(১৯৬) আল্লাহৰ সন্তুষ্টিৰ বাবে তোমালোকে হজ আৰু উমৰাহ সম্পন্ন কৰা। যদি সেয়া সম্পন্ন কৰাত তোমালোক বাধা প্ৰাপ্ত হোৱা, তেনেহ'লে সহজে পাব পৰা এটা পশু কুৰবানী কৰা। কুৰবানীৰ পশু কুৰবানীৰ নিৰ্দিষ্ট স্থান নোপোৱালৈকে তোমালোকে মূৰ নুখুৰাবা। কিন্তু তোমালোকৰ কোনোৱে যদি বেমাৰত পৰে বা মূৰৰ অসুখত ভুগে, তেনেহ'লে শুদ্ধিকৰণৰ বাবে বিনিময় হিচাবে ৰোজা ৰখা, চদকা দিয়া বা কুৰবানী কৰা কৰ্তব্য। যেতিয়া তোমালোক নিৰাপদ হোৱা আৰু হজৰ সৈতে উমৰাহ কৰি পুণ্য লাভ কৰিবলৈ ইচ্ছা কৰা, তেনেহ'লে সহজে পাব পৰা পশু কুৰবানী কৰিবা, যিয়ে পশু নাপায়, তেওঁ হজৰ সময়ত তিনিটা ৰোজা আৰু ঘৰলৈ ঘূৰি আহি সাতোটো ৰোজা মুঠতে দহোটা ৰোজা ৰাখিব লাগিব। পৱিত্ৰ কা'বা মছজিদৰ ওচৰত

বাস নকৰাসকলৰ বাবে এই বিধান ধার্য কৰা হৈছে। আল্লাহক ভয় কৰা আৰু জানি থোৱা, আল্লাহ কঠোৰ শাস্তিদাতা। (১৯৭) হজৰ মাহ কেইটা ধার্য কৰা আছে। যিয়ে এই কেইমাহত হজ কর্মত ব্রতী হয়, অশ্লীল কথা-বতৰা, দুষ্কার্য আৰু দন-খৰিয়াল কৰাৰ পৰা বিৰত থাকিব। তোমালোকে যি পুণ্যৰ কাম কৰা, আল্লাহে তাক জানে। তোমালোকে পথৰ সম্বল ল'বা। কিন্তু সর্বোৎকৃষ্ট সম্বল হ'ল আল্লাহৰ প্রতি ভয়। হে জ্ঞান-বুদ্ধি সম্পন্ন লোকসকল, মোকহে ভয় কৰা।

(১৯৮) হজ কৰা অৱস্থাত তোমালোকে তোমালোৰ প্রভুৰ পৰা জীৱিকা অন্বেষণ কৰা দোষণীয় নহয়। যেতিয়া তোমালোকে আৰাফতৰ ময়দানৰ পৰা ঘূৰি আহা, তেতিয়া ধর্মৰ প্রিত্র প্রতীক স্থানত (মুজদালিফাত) কিছু সময় অৱস্থান কৰি আল্লাহক স্মৰণ কৰিবা যেনেদৰে তেওঁক স্মৰণ কৰিবলৈ নির্দেশ দিছে। নিশ্চয় ইয়াৰ আগেয়ে তোমালোক ভ্রান্ত পথত আছিলা। (১৯৯) ইয়াৰ পিছত তাৱাফ কৰা য'ৰ পৰা সর্বসাধাৰণ মানুহে আগবাঢ়ে আৰু আল্লাহৰ ওচৰত ক্ষমা প্রার্থনা কৰা। নিশ্চয় আল্লাহ অতি ক্ষমাশীল, পৰম দয়ালু। (২০০) হজৰ নির্ধাৰিত ক্রিয়াবোৰ সম্পাদন কৰাৰ পাছত তোমালোকে আল্লাহক স্মৰণ কৰা, যেনেদৰে তোমালোকৰ পূর্বে তোমালোকৰ পিতৃ-পিতামহসকলে স্মৰণ কৰিছিল; বৰং তাতোকৈ অধিক স্মৰণ কৰা। সিহঁতৰ মাজত এনে কিছুমান মানুহ আছে, যিবিলাকে কয়- 'হে আমাৰ প্রভু, এই পৃথিৱীত আমাক সকলো সুখ সম্পদ দান কৰা।' এনে মানুহে পৰকালত একোৱেই নাপাব। (২০১) কিন্তু সিহঁতৰ আন কিছুমানে এই বুলি প্রার্থনা কৰে- 'হে আমাৰ প্রভু, এই পৃথিৱীত আমাৰ মংগল কৰা আৰু পৰকালতো আমাৰ মংগল কৰা আৰু আমাক নৰকৰ যন্ত্রণাদায়ক শাস্তিৰ পৰা ৰক্ষা কৰা।' (২০২) তেওঁলোকে নিজ অর্জন অনুযায়ী ভাল অংশ লাভ কৰিব। হিচাব লোৱাত আল্লাহ অতি তৎপৰ। (২০৩) নির্দিষ্ট দিন কেইটা তোমালোকে

আল্লাহৰ প্ৰাৰ্থনা কৰি কটাবা। কোনোবাই যদি খৰখেদা কৰি দুদিনতে প্ৰত্যাৱৰ্তন কৰে, তেওঁৰ কোনো পাপ নহয় আৰু কোনোৱে বেছি সময় থাকি ঘূৰি আহে, তেওঁৰো পাপ নহয়। এয়া খোদাভীৰুসকলৰ বাবে। আল্লাহক ভয় কৰা আৰু জানি থোৱা তোমালোক সকলোকে তেওঁৰ সন্মুখত সমবেত কৰা হ'ব।

(২০৪) মানুহৰ মাজত এনে মানুহো আছে, যাৰ পাৰ্থিৱ জীৱনৰ কথা-বতৰাই তোমাক মোহিত কৰে। তাৰ মনোভাৱত তোমাক পতিয়ন নিয়াবলৈ আল্লাহক সাক্ষী কৰে, অথচ সিহঁতেই আটাইতকৈ বেছি বিবাদী। (২০৫) যেতিয়া সি ঘূৰি যায়, তেতিয়া সি পৃথিৱীত বিপৰ্যয় সৃষ্টি কৰিবলৈ, শস্যক্ষেত্ৰৰ অনিষ্ট কৰিবলৈ আৰু জীৱ-জন্তু বিনাশ কৰিবলৈ চেষ্টা কৰে। অথচ আল্লাহে দুৰ্নীতি বিশৃংখলতা ভাল নাপায়। (২০৬) যেতিয়া তাক কোৱা হয়- 'আল্লাহক ভয় কৰা' তেতিয়া অহংকাৰ আত্মাভিমানে তাক পাপত লিপ্ত কৰি ৰাখে। এনে ব্যক্তিৰ বাবে নৰকেই যথেষ্ট আৰু এয়া অতি জঘন্য স্থান। (২০৭) কিন্তু মানুহৰ মাজত এনে কিছুমান ব্যক্তি আছে, যিসকলে আল্লাহৰ সন্তুষ্টি লাভৰ উদ্দেশ্যে নিজৰ জীৱনকো বিসৰ্জন দিয়ে। আল্লাহ তেওঁৰ বান্দাসকলৰ প্ৰতি অতি স্নেহশীল।

(২০৮) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে সম্পূৰ্ণৰূপে ইছলামত অন্তৰ্ভুক্ত হোৱা আৰু চয়তানৰ পদাংক অনুসৰণ নকৰিবা। কিয়নো সি তোমালোকৰ দেখ্‌দেখ শত্ৰু। (২০৯) তোমালোকৰ প্ৰতি স্পষ্ট নিদৰ্শনসমূহ অহাৰ পিছতো যদি তোমালোক পদস্খলিত হোৱা, তেনেহ'লে জানি থোৱা, আল্লাহ মহাপৰাক্ৰমী, মহাজ্ঞানী। (২১০) এই অপেক্ষাত আছা নেকি যে, স্বয়ং আল্লাহে ফিৰিস্তাসকলক লৈ মেঘৰ ছায়াৰ মাজেৰে আহি উপস্থিত হওঁকহি যাতে সকলো কথা নিস্পত্তি হয়। সকলো বস্তু আল্লাহৰ ওচৰলৈ উভতি যাব। (২১১) ইছ্ৰাঈল বংশীয় মানুহবিলাকক সোধা, আমি সিহঁতক কিমান সুস্পষ্ট নিদৰ্শন দান কৰিছো। আল্লাহৰ অনুগ্ৰহ লাভ কৰাৰ পাছত যিয়ে সেইবোৰ

পৰিৱৰ্তন কৰে, সি আল্লাহক কঠোৰ শাস্তিদাতা হিচাবে পাব। (২১২) এই পার্থিৱ জীৱন সিহঁতৰ বাবে সুশোভিত কৰি দিয়া হৈছে, যিবিলাকে সত্যক অস্বীকাৰ কৰিছে আৰু সিহঁতে বিশ্বাস স্থাপনকাৰীসকলক বিদ্রূপ কৰে; কিন্তু কিয়ামতৰ দিনা সিহঁতৰ তুলনাত খোদাভীৰু পুণ্যবানসকলেহে উচ্চ মর্যাদা লাভ কৰিব। আল্লাহে যাক ইচ্ছা কৰে তাক অপৰিমিত সম্পদ দান কৰে।

(২১৩) মানৱ জাতি একেটা সম্প্রদায় আছিল। (কিন্তু মানুহৰ পৰস্পৰৰ মাজত মতভেদ সৃষ্টি হ'ল) তেতিয়া আল্লাহে তেওঁলোকলৈ নবীসকলক সুসংবাদদাতা আৰু সতর্কবাদী হিচাবে সত্য কিতাবসহ প্রেৰণ কৰিলে যাতে মানুহৰ মাজত যি মতভেদৰ সৃষ্টি হৈছে তাক তেওঁ (আল্লাহে) বিচাৰ মীমাংসা কৰিব পাৰে। কেৱল সেইসকলেহে মতভেদ সৃষ্টি কৰিছিল যিসকলক (ঐশীপুথি) দিয়া হৈছিল আৰু তেওঁলোকে সুপথৰ স্পষ্ট নিদর্শন পোৱাৰ পাছতো সেয়া অস্বীকাৰ কৰিছিল একমাত্র পৰস্পৰৰ মাজত থকা বিদ্বেষৰ বাবে। আল্লাহে নিজ কৃপাৰে বিশ্বাস স্থাপনকাৰীসকলক সেই সত্যৰ পথ দেখুৱালে, যি সত্য সম্পর্কে মানুহৰ মাজত মতানৈক্যৰ সৃষ্টি হৈছিল। আল্লাহে যাক ইচ্ছা কৰে, তাক সৰল, সঠিক পথত পৰিচালিত কৰে। (২১৪) তোমালোকে ভাবিছানেকি যে তোমালোকৰ পূর্বৱর্তীসকলে যি যাতনা ভোগ কৰিছিল, তেনে যাতনা নোপোৱাকৈয়ে তোমালোকে জান্নানতত প্রৱেশ কৰিবা? তেওঁলোকক নানা দুঃখ-কষ্ট, কঠোৰ বিপদ-বিপর্যয়ে এনেদৰে আক্রান্ত কৰিছিল যে এই বিপদত জর্জৰিত হৈ তদানিন্তন ৰছুল আৰু তেওঁৰ লগতে বিশ্বাস স্থাপনকাৰীসকলে আর্তনাদ কৰি কৈছিল- 'আল্লাহৰ সহায় কেতিয়া আহিব?' আল্লাহৰ সাহায্য সন্নিকট।

(২১৫) সিহঁতে তোমাক সোধে- 'আমি আনৰ বাবে কেনেদৰে ধন ব্যয় কৰিম?' কোৱা- 'তোমালোকে যি ধন ব্যয় কৰা সেইবোৰ পিতৃ-মাতৃ, আত্মীয়-স্বজন, অনাথ, দৰিদ্র, ভ্রমণৰত প্রবাসীৰ কাৰণে ব্যয় কৰিবা।' তোমালোকে যিবোৰ কল্যাণকৰ কাম কৰা সেইবোৰ আল্লাহে ভালদৰে জানে।

(২১৬) তোমালোকক যুদ্ধৰ (আত্মৰক্ষাৰ বাবে) নির্দেশ দিয়া হ'ল আৰু সেয়া তোমালোকৰ বাবে অপ্রিয় হ'ব পাৰে, অথচ তাতে তোমালোকৰ বাবে কল্যাণ নিহিত আছে। তোমালোকে কিছুমান ভাল পোৱা, অথচ সেইবোৰ তোমালোকৰ কাৰণে অনিষ্টকৰ। আল্লাহে জানে, তোমালোকে নাজানা।

(২১৭) সিহঁতে তোমাক সোধে, পৱিত্র মাহত যুদ্ধ কৰাটো কেনে কথা? কোৱা- '(নিষিদ্ধ মাহত) যুদ্ধ কৰাটো বৰ বেয়া কথা; কিন্তু মানুহক আল্লাহৰ পথৰ পৰা বিৰত ৰখা, আল্লাহক অস্বীকাৰ কৰা, 'মছজিদে হাৰাম'ৰ পথ বন্ধ কৰি দিয়া আৰু তাৰ অধিবাসীসকলক তাৰ পৰা বহিষ্কাৰ কৰা আল্লাহৰ মানত তাতোকৈ বেছি বেয়া কথা, অশান্তি-বিপর্যয় সৃষ্টি কৰাটো হত্যাতকৈয়ো ডাঙৰ অপৰাধ। সিহঁত যদি সক্ষম হয়, তোমালোকক ধর্ম বিশ্বাসৰ পৰা ঘূৰাই নিব নোৱাৰালৈকে তোমালোকৰ বিৰুদ্ধে যুঁজি থাকিব আৰু অবিশ্বাসকাৰী অৱস্থাতে সিহঁতে মৃত্যু বৰণ কৰিব, এনে মানুহৰ কৃতকর্ম ইহকাল আৰু পৰকালতো নিষ্ফল হ'ব আৰু সিহঁত নৰকবাসী হ'ব। তাত সিহঁত চিৰকাল থাকিব। (২১৮) কিন্তু যিসকলে বিশ্বাস স্থাপন কৰিছে, ঘৰ-বাৰী ত্যাগ কৰিছে, আল্লাহৰ পথত সংগ্রাম কৰিছে, তেওঁলোকেহে আল্লাহৰ অনুগ্রহ লাভ কৰিবলৈ আশা কৰা সমীচীন। আল্লাহ অতি ক্ষমাশীল, পৰম কৃপালু।

(২১৯) সিহঁতে তোমাক সুৰাপান আৰু জুৱাখেলৰ বিষয়ে সোধে। কোৱা- 'এই দুয়োটাতে অনেক পাপ আছে, যদিও তাত মানুহৰ বাবে কিছু উপকাৰ আছে। কিন্তু সেইবোৰৰ অপকাৰৰ মাত্রা উপকাৰতকৈ বেছি।' সিহঁতে তোমাক সোধে- '(আল্লাহৰ পথত) কি ব্যয় কৰিব?' কোৱা- 'যিখিনি প্রয়োজনতকৈ অতিৰিক্ত হয়।' এইদৰে আল্লাহে তোমালোকৰ বাবে তেওঁৰ নিদর্শনবোৰ সুস্পষ্ট কৰি দিছে যাতে তোমালোকে চিন্তা কৰা- (২২০) দুনিয়া আৰু আখিৰাত উভয়ৰ বিষয়ে। সিহঁতে তোমাক অনাথবিলাকৰ বিষয়ে সোধে, কোৱা- 'যি ব্যৱস্থা ল'লে সিহঁতৰ কল্যাণ হয়, সেইটোৱেই উত্তম।' তোমালোক

যদি সিহঁতৰ লগত বসবাস কৰা, তোমালোকৰ কোনো দোষ নহয়। কিয়নো সিহঁত তোমালোকৰ ভাই-ককাই। কোনে হিত সাধন কৰিব বিচাৰে আৰু কোনে অহিত সাধন কৰিব বিচাৰে আল্লাহে সেয়া জানে। আল্লাহে ইচ্ছা কৰিলে তোমালোকৰ ওপৰত কঠিন বোজা আৰোপ কৰিলেহেঁতেন। নিশ্চয় আল্লাহ অতি পৰাক্ৰমী, মহাজ্ঞানী।

(২২১) আল্লাহৰ লগত আনক অংশী কৰা নাৰীক তোমালোকে বিবাহ নকৰিবা যেতিয়ালৈকে সিহঁতে বিশ্বাস স্থাপন নকৰে। এজনী মু'মিন দাসী স্বাধীন অংশীবাদী নাৰীতকৈ উত্তম, তাই যিমানেই তোমালোকক মুগ্ধ নকৰক কিয়। তোমালোকৰ তিৰোতাসকলক অংশীবাদী পুৰুষৰ লগত বিবাহ নিদিবা যেতিয়ালৈকে সি বিশ্বাস স্থাপন নকৰে। এজন মু'মিন দাস এজন স্বাধীন অংশীবাদী পুৰুষতকৈ উত্তম লাগিলে সি যিমানে তোমালোকক মুগ্ধ নকৰক কিয়। এনে মানুহে তোমালোকক নৰকৰ অগ্নিৰ পিনে আহবান কৰে, কিন্তু আল্লাহে স্বৰ্গৰ উদ্যান আৰু ক্ষমাৰ ফালে আহবান কৰে। আল্লাহে তেওঁৰ বাণীবোৰ মানুহৰ বাবে স্পষ্ট কৰি দিছে যাতে মানুহে সেইবোৰ মনত ৰাখে। (২২২) সিহঁতে তোমাক তিৰোতাৰ ঋতুৰ বিষয়ে সোধে। কোৱা- 'ই এক প্ৰকাৰ অশুচি। সেয়ে এই ঋতুকালত স্ত্ৰী সংসৰ্গৰ পৰা আঁতৰত থাকিবা আৰু ঋতুমুক্ত হৈ শুচি নোহোৱালৈকে তেওঁলোকৰ ওচৰ নাচাপিবা। যেতিয়া তেওঁলোক শুচি হয়, তেতিয়া আল্লাহে যিদৰে নিৰ্দেশ দিছে, সেইদৰে তেওঁলোকৰ ওচৰলৈ গমন কৰিবা। আল্লাহে তেওঁলোকক ভাল পায়, যিসকলে অনুতপ্ত হৈ আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে আৰু আল্লাহে তেওঁলোককো ভাল পায় যিসকলে পৱিত্ৰতা অৱলম্বন কৰে।' (২২৩) তোমালোকৰ স্ত্ৰীসকল তোমালোকৰ কৃষিক্ষেত্ৰ। যিভাৱে তোমালোকে ইচ্ছা কৰা, সেইভাৱে তোমালোকে নিজ কৃষিক্ষেত্ৰলৈ গমন কৰিবা। তোমালোকৰ নিজৰ বাবে (কিছু ভাল কাম) আগতিয়াকৈ পঠোৱা আৰু আল্লাহক ভয় কৰা। জানি থোৱা,

তোমালোকে তেওঁক সাক্ষাৎ কৰিব লাগিব। বিশ্বাস স্থাপনকাৰীসকলক সুসংবাদ দিয়া।

(২২৪) যেতিয়া তোমালোকে আল্লাহৰ নামত শপত খোৱা আল্লাহক হেতু কৰি নল'বা যাৰ দ্বাৰা সৎ কৰ্ম কৰাত, পুণ্যবান হোৱাত আৰু মানুহৰ মাজত শান্তি স্থাপন কৰাত বাধা জন্মে। আল্লাহে সকলো কথা শুনে আৰু জানে। (২২৫) তোমালোকে অনিচ্ছাকৃতভাৱে খোৱা শপতৰ বাবে আল্লাহে দোষ নধৰে; কিন্তু তোমালোকৰ অন্তৰৰৰ অভিপ্ৰায়ৰ বাবে দোষ ধৰিব। আল্লাহ অতি ক্ষমাশীল, সহিষ্ণু। (২২৬) যিবিলাকে নিজ স্ত্ৰীৰ লগত সম্পৰ্ক নাৰাখিবলৈ প্ৰতীজ্ঞা কৰে, সিহঁতক চাৰি মাহ অপেক্ষাৰ সময় দিয়া হৈছে। সিহঁতে যদি বুজাপৰালৈ উভতি আহে, নিশ্চয় আল্লাহ অতি ক্ষমাশীল, পৰম দয়ালু। (২২৭) কিন্তু সিহঁতে যদি তালাক দিবলৈ সংকল্প কৰে, তেনেহ'লে আল্লাহে সকলো শুনে আৰু জানে। (২২৮) তালাকপ্ৰাপ্তা তিৰোতাই তিনিটা মাহেকীয়ালৈকে ৰব লাগিব। এইয়া তেওঁলোকৰ বাবে বৈধ নহয়, যদি তেওঁলোকে আল্লাহ আৰু পৰকালত বিশ্বাস ৰাখে যে তেওঁলোকৰ গৰ্ভত আল্লাহে কি সৃষ্টি কৰিছে সেয়া গোপন কৰা। তেওঁলোকৰ স্বামীৰ এইটো অধিকাৰ আছে যে, এই সময়ছোৱাৰ ভিতৰত যদি তেওঁলোকে পৰস্পৰে পুনৰ সম্পৰ্ক স্থাপন কৰিব বিচাৰে। ৰীতি মতে স্ত্ৰীসকলৰো সেই অধিকাৰ আছে, যিদৰে স্বামীসকলৰ আছে যিটো ৰীতি মতে শুদ্ধ বুলি বিবেচিত। অৱশ্যে নাৰীৰ ওপৰত পুৰুষৰ মৰ্যাদা আছে। আল্লাহ পৰাক্ৰমী, বিজ্ঞানময়।

(২২৯) তালাক দুবাৰ। ইয়াৰ পিছত হয় স্ত্ৰীক সসন্মানেৰে ৰাখিবা নাইবা সদয়ভাৱে বিদায় দিবা। স্ত্ৰীসকলক যি দিছা তাৰ কোনো কিছু ঘূৰাই লোৱা তোমালোকৰ বাবে বিধিসংগত নহয়। যদি উভয়ে আল্লাহৰ নিৰ্দিষ্ট বিধান অনুযায়ী জীৱন যাপন কৰিব নোৱাৰিব বুলি শংকা হয়, তেনেহ'লে স্ত্ৰীয়ে স্বামীৰ পৰা পাব লগীয়া অংশৰ কিছু এৰি দি বিচ্ছেদ ঘটাব পাৰে। তেনে

কৰিলে কোনো দোষ নহয়। এইবোৰ আল্লাহে নির্দিষ্ট কৰি দিয়া সীমা। ইয়াক অতিক্রম নকৰিবা। যিবিলাকে আল্লাহৰ দ্বাৰা নির্ধাৰিত সীমা অতিক্রম কৰে, সেইবিলাক অন্যায়কাৰী। (২৩০) শেষত যদি স্বামীয়ে স্ত্রীক তালাক দিয়ে, তেওঁ সেইজনী তিৰোতা বিবাহ কৰিব নোৱাৰিব, যেতিয়ালৈকে তাইৰ আন পুৰুষৰ লগত বিবাহ নহয়। পৰৱৰ্তী গিৰিয়েকে যদি তাইক তালাক দিয়ে, তেনেহ'লে পূৰ্বৱৰ্তী স্বামী আৰু স্ত্রীয়ে যদি অনুভৱ কৰে যে সিহঁতে আল্লাহে নির্দিষ্ট কৰি দিয়া বিধান অনুযায়ী জীৱন যাপন কৰিব পাৰিব, তেনেহ'লে সিহঁতৰ পুনৰ মিলনৰ কোনো দোষ নহয়। এইবোৰ আল্লাহৰ নির্ধাৰিত সীমা, যিবোৰ তেওঁ জ্ঞানসম্পন্ন মানুহৰ বাবে স্পষ্টকৈ বর্ণনা কৰিছে। (২৩১) যেতিয়া তোমালোকে স্ত্রীক তালাক দিয়া আৰু সিহঁতৰ 'ইদ্দত' উকলি যোৱাৰ সময় হয়, তেতিয়া হয় সিহঁতক নিয়মানুযায়ী ৰাখিবা নাইবা সদয়ভাৱে বিদায় দিবা। সিহঁতক কষ্ট দিবৰ বা নির্যাতন চলোৱাৰ উদ্দেশ্যে আবদ্ধ কৰি নাৰাখিবা। যিয়ে এনে কৰে, সি নিজৰ প্রতিহে অন্যায় কৰে। আল্লাহৰ বিধানসমূহ উপলুঙা নকৰিবা। তোমালোকক কৰা আল্লাহৰ অনুগ্রহবোৰ স্মৰণ কৰা আৰু সেই জ্ঞানগর্ভ পুথিখন, যিখন তেওঁ তোমালোকক উপদেশ দিবৰ বাবে অৱতীর্ণ কৰিছে। আল্লাহক ভয় কৰা আৰু জানি থোৱা, তেওঁ সকলো বিষয়ত মহাজ্ঞানী।

(২৩২) যেতিয়া তোমালোকে তিৰোতাক তালাক দিয়া আৰু সিহঁতে 'ইদ্দত' পূর্ণ কৰে, তেতিয়া সিহঁতক (পূৰ্বৰ) স্বামীৰ লগত পুনৰ বিবাহ হোৱাত বাধা নিদিবা, যদিহে সিহঁতে পৰস্পৰে আইনসংগতভাৱে বিবাহত সন্মতি প্রদান কৰে। এয়া তোমালোকৰ প্রত্যেকৰ বাবে উপদেশ, যিসকলে আল্লাহ আৰু শেষ বিচাৰৰ প্রতি বিশ্বাস স্থাপন কৰে। এয়া তোমালোকৰ বাবে অতি বিশুদ্ধ আৰু পৱিত্র পন্থা। আল্লাহে জানে, তোমালোকে নাজানা। (২৩৩) যদি কোনো পিতৃয়ে তেওঁৰ সন্তানক স্তন পান পূর্ণ কৰাবলৈ বিচাৰে, তেনেহ'লে

(তালাকপ্ৰাপ্তা) মাতৃয়ে নিজে সন্তানক পূৰ্ণ দুবছৰ কাল স্তন পান কৰাব লাগিব। এই সময়ছোৱাত সন্তানৰ পিতৃয়ে ন্যায় সংগতভাৱে মাকৰ খোৰাক-পোছাকৰ খৰচপাতি বহন কৰিব লাগিব। কোনো মানুহকে তেওঁৰ সাধ্যাতীত দায়িত্বৰ ভাৰ দিয়া নহয়। কোনো মাকে যেন নিজ সন্তানৰ বাবে ক্ষতিগ্ৰস্ত নহয় আৰু বাপেকো যেন নিজ সন্তানৰ বাবে ক্ষতিগ্ৰস্ত নহয়। এই একে দায়িত্ব পিতৃৰ উত্তৰাধিকাৰীৰ ওপৰতো নিৰ্দিষ্ট কৰা হৈছে। উভয় পক্ষই যদি মিলা-প্ৰীতিৰে পাৰস্পৰিক পৰামৰ্শৰ ভিত্তিত গাখীৰ এৰুৱাবলৈ ইচ্ছা কৰে তাৰ বাবে পাপ নহয়। তাতো কোনো পাপ নহয় যদি তোমালোকৰ সন্তানক অন্য তিৰোতাৰ স্তন পান কৰোৱাৰ ইচ্ছা কৰা যদিহে তোমালোকে ন্যায় সংগতভাৱে বিনিময় হিচাবে যি বন্দবস্ত কৰা তাক আদায় কৰা। আল্লাহক ভয় কৰা। জানি থোৱা, তোমালোকে যি কৰা, আল্লাহে সেয়া লক্ষ্য কৰি আছে।

(২৩৪) তোমালোকৰ কোনোৱে যদি নিজ পত্নীক এৰি মৃত্যু মুখত পতিত হয়, তেওঁলোকৰ বিধবা পত্নীসকলে নিজেই চাৰি মাহ দহ দিন অপেক্ষা কৰিব লাগিব। সিহঁতৰ নিৰ্ধাৰিত সময় উকলি যোৱাৰ পিছত সিহঁতে ন্যায় সংগতভাৱে নিজৰ ব্যৱস্থা কৰি ল'ব পাৰিব। তাত তোমালোকৰ কোনো দোষ নহয়। তোমালোকে যি কৰা আল্লাহে সেয়া জানে। (২৩৫) তোমালোকৰ এই বিষয়তো কোনো দোষ নহয় যে সিহঁতক (তালাকপ্ৰাপ্তা বা বিধবাক) প্ৰস্তাৱ দিয়া বা আকাৰে-ইংগিতে প্ৰকাশ কৰা নাইবা মনতে পাঙি ৰখা। আল্লাহে জানে যে সিহঁতৰ কথা তোমালোকৰ মনত জাগিবই। কিন্তু তোমালোকে সিহঁতৰ লগত কোনো গোপন চুক্তিত আৱদ্ধ নহ'বা। তোমালোকে নিয়মানুযায়ী ভালদৰে কথা ক'বা পাৰিবা। ইদ্দত পূৰ্ণ নোহোৱালৈকে বিবাহ বন্ধনত আৱদ্ধ হোৱাৰ সংকল্প নকৰিবা। তোমালোকৰ মনৰ অৱস্থা আল্লাহে ভালদৰে জানে। গতিকে জানি থোৱা আৰু মনত ৰাখিবা আল্লাহ ক্ষমাশীল, সহিষ্ণু। (২৩৬) তোমালোকৰ কোনো দোষ নহয় যদি তোমালোকে তিৰোতাক স্পৰ্শ

নকৰাকৈয়ে বা মোহৰ নির্ধাৰণ কৰাৰ আগতে তালাক দিয়া। কিন্তু সিহঁতক যথাসাধ্য কিছু দি সাহায্য কৰিবা। অৱস্থাপন্ন লোকে তেওঁৰ সামর্থ্য অনুযায়ী আৰু দৰিদ্ৰ লোকে তেওঁৰ সামর্থ্য অনুযায়ী সংস্থাপনৰ দিহা কৰিব। এয়া সৎ কর্মশীলসকলৰ দায়িত্ব। (২৩৭) যদি তোমালোকে সিহঁতক স্পর্শ কৰাৰ আগতে তালাক দিয়া; কিন্তু ইতিমধ্যে সিহঁতৰ বাবে মোহৰ নির্ধাৰণ কৰিছা, তেনেহ'লে তোমালোকে নির্ধাৰণ কৰা মোহৰৰ অর্ধেক অংশ আদায় দিব লাগিব। অৱশ্যে যদি তিৰোতাজনীয়ে সদয় হৈ মোহৰ নলয় বা যিজন পুৰুষৰ লগত বিবাহ বন্ধনৰ সম্পর্ক হৈছে, তেওঁ সদয় হয়। তোমালোকে উদাৰ চিত্তে ক্ষমা কৰাটো ধর্মভীৰুতাৰ সন্নিকট। তোমালোকে ইজনে সিজনৰ প্ৰতি উদাৰ আৰু সহৃদ হ'বলৈ আওকাণ নকৰিবা। তোমালোকে যি কৰি আছা, আল্লাহে দেখি আছে।

(২৩৮) অতি তৎপৰতাৰে নামাজৰ প্ৰতি যত্নবান হ'বা। বিশেষকৈ মধ্যৱর্তী নামাজ। অনুগত ভৃত্যৰ দৰে ভক্তিসহকাৰে আল্লাহৰ উদ্দেশ্যে থিয় হোৱা। (২৩৯) যদি তোমালোকে বিপদৰ আশংকা কৰা, তেনেহ'লে খোজ কঢ়া বা আৰোহী অৱস্থাতে নামাজ পঢ়িবা আৰু যেতিয়া তোমালোক নিৰাপদ হোৱা, তোমালোকে আল্লাহক সেই পদ্ধতিৰে স্মৰণ কৰিবা যিদৰে আল্লাহে তোমালোকক শিক্ষা দিছে, যিটো ইতিপূর্বে তোমালোকে জনা নাছিলা। (২৪০) তোমালোকৰ যিসকল মৃত্যু মুখত পতিত হয় আৰু বিধবা পত্নী এৰি থৈ যায়, তেওঁলোকে অচিয়ত কৰিব যে এবছৰলৈকে ঘৰত ৰাখি বিধবাসকলক ভৰণ-পোষণ দিয়ে। কিন্তু যদি সিহঁতে স্ব-ইচ্ছাই গুচি যায় আৰু নিজৰ ক্ষেত্ৰত নিয়ম অনুযায়ী কোনো ব্যৱস্থা লয়, তাৰ বাবে তোমালোকৰ কোনো দোষ নহয়। আল্লাহ মহাপ্ৰতাপী, জ্ঞানময়। (২৪১) তালাক দিয়া তিৰোতা সকলকো উপযুক্তভাৱে খা-খৰচ দিব লাগিব। এয়া সৎ কর্মীসকলৰ দায়িত্ব।

(২৪২) সেইদৰে আল্লাহে তেওঁৰ বিধানসমূহ তোমালোকৰ বাবে স্পষ্টভাৱে বৰ্ণনা কৰিছে যাতে তোমালোকে সেইবোৰ হৃদয়ংগম কৰিব পাৰা।

(২৪৩) তুমি সেই বিলাক মানুহক দেখা নাইনে, যিবিলাকে মৃত্যুৰ ভয়ত নিজৰ ঘৰবাৰী পৰিত্যাগ কৰিছিল? সিহঁত হাজাৰৰ সংখ্যাত আছিল। আল্লাহে সিহঁতক ক'লে- 'মৰি যোৱা' আৰু তাৰ পিছত সিহঁতক পুনৰ জীৱন্ত কৰিলে। নিশ্চয় আল্লাহ মানুহৰ প্ৰতি অতি অনুগ্ৰহশীল; কিন্তু অধিকাংশ মানুহেই কৃতজ্ঞতা স্বীকাৰ নকৰে। (২৪৪) (আত্মৰক্ষাৰ বাবে) আল্লাহৰ পথত যুদ্ধ কৰা আৰু জানি থোৱা, আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ। (২৪৫) তোমালোকৰ কোনে আল্লাহক উৎকৃষ্ট ঋণ দিব? আল্লাহে সেয়া কেবাগুণ বৃদ্ধি কৰি তেওঁক পৰিশোধ কৰিব। তেৱেঁই আল্লাহ, যিজনে (জীৱিকা) সংকুচিত কৰে আৰু তেৱেঁই প্ৰশস্তও কৰে আৰু তেওঁৰ ওচৰলৈকে তোমালোকে উভতি যাব লাগিব।

(২৪৬) তুমি বনী ইছৰাঈলবিলাকৰ মুছাৰ পাছৰ নেতাবিলাকৰ বিষয়ে শুনা নাইনে? সিহঁতে সিহঁতৰ নবীক কৈছিল- 'আমাৰ বাবে ৰজা নিযুক্ত কৰি দিয়ক আৰু আমি আল্লাহৰ পথত যুদ্ধ কৰিম।' তেওঁ উত্তৰত কৈছিল- 'তোমালোকক যুদ্ধ কৰিবলৈ নিৰ্দেশ দিয়াৰ পিছত তোমালোকে যদি তেনে কৰিবলৈ অস্বীকাৰ কৰা?' সিহঁতে ক'লে- 'আমি আল্লাহৰ পথত কি যুদ্ধ নকৰিম, যিহেতু আমাক আমাৰ ঘৰবাৰীৰ পৰা বহিষ্কাৰ কৰা হৈছে আৰু সন্তান-সন্ততিৰ পৰা বিচ্ছিন্ন কৰা হৈছে?' কিন্তু যেতিয়া সিহঁতক যুদ্ধ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল, তেতিয়া কম সংখ্যক মানুহৰ ব্যতীত সিহঁতৰ সকলোৱে অস্বীকাৰ কৰিলে। আল্লাহে অন্যায়কাৰীবিলাকক ভালদৰে জানে। (২৪৭) সিহঁতৰ নবীয়ে সিহঁতক ক'লে- 'আল্লাহে তালুতক তোমালোকৰ বাবে ৰজা নিযুক্ত কৰিছে।' সিহঁতে উত্তৰ দিলে- 'আমাৰ ওপৰত তেওঁ কেনেকৈ ৰাজত্ব কৰিব পাৰে, তেওঁতকৈ আমাৰহে বেছি ৰাজত্ব কৰাৰ অধিকাৰ আছে আৰু তেওঁৰ যথেষ্ট

ধন-সম্পত্তিও নাই।' তেওঁ ক'লে- 'আল্লাহে তেওঁকেই তোমালোকৰ বাবে মনোনীত কৰিছে আৰু তেওঁক ব্যাপক জ্ঞান আৰু শাৰীৰিক শক্তি দান কৰিছে। আল্লাহে যাক ইচ্ছা কৰে, তেওঁক ৰাজত্ব দান কৰে। আল্লাহ সর্বব্যাপী, সর্ব্বজ্ঞ।' (২৪৮) তেওঁলোকৰ নবীয়ে এই কথাও তেওঁলোকক ক'লে- 'তেওঁক ৰাজত্ব দান কৰাৰ নিদর্শন হ'ল যে, তোমালোকে সেই বাকচটো ঘূৰাই পাবা যিটোৰ ভিতৰত আছে তোমালোকৰ প্ৰভুৰ পৰা অহা সান্ত্বনাৰ সামগ্ৰী, মূছা আৰু হাৰুণৰ অৱশিষ্ট মংগলজনক বস্তু। এইটো ফিৰিস্তাসকলে কঢ়িয়াই আনিব। ইয়াত তোমালোকৰ বাবে নিদর্শন আছে যদি তোমালোকে বিশ্বাস কৰা।' (২৪৯) যেতিয়া তালুতে সৈন্য-বাহিনী লৈ যাত্ৰা কৰিলে, তেতিয়া তেওঁ সিহঁতক ক'লে- 'আল্লাহে এখন নৈৰ দ্বাৰা তোমালোকক পৰীক্ষা কৰিব। যেয়ে তাৰ পানী খাব, তেওঁ মোৰ লগত নাই আৰু যেয়ে তাৰ পানী পান নকৰে, তেওঁ মোৰ দলৰ। অৱশ্যে হাতেৰে দুই এচলু খোৱাত বাধা নাই;' কিন্তু কম সংখ্যকৰ বাহিৰে সকলোৱে তাৰ পানী খালে। যেতিয়া তেওঁ আৰু তেওঁৰ লগৰ বিশ্বাস স্থাপনকৰীসকল নৈ অতিক্ৰম কৰিলে, তেতিয়া তেওঁলোকে ক'লে- 'আজি জালুত আৰু তেওঁৰ সৈন্য-বাহিনীৰ লগত যুদ্ধ কৰিব পৰা শক্তি আমাৰ নাই'; কিন্তু তেওঁলোকৰ যিসকলে আল্লাহৰ লগত এদিন সাক্ষাৎ হ'ব লাগিব বুলি বিশ্বাস কৰিছিল, তেওঁলোকে উত্তৰত ক'লে- 'কিমান কম সংখ্যক সৈন্যই বৃহৎ সৈন্য-বাহিনীকো আল্লাহৰ ইচ্ছাত পৰাস্ত কৰিছে। আল্লাহ ধৈর্যশীলসকলৰ লগত থাকে।' (২৫০) যেতিয়া জালুত আৰু তেওঁৰ সৈন্য-বাহিনীৰ সন্মুখীন হ'ল, তেতিয়া তেওঁলোক ক'লে- 'হে আমাৰ প্ৰভু, আমাক ধৈর্য শক্তি দান কৰা। আমাৰ ভৰি সুদৃঢ় কৰি ৰাখা আৰু আমাক সহায় কৰা সিবিলাকৰ বিপৰীতে যিবিলাকে সত্য অবিশ্বাস কৰিছে।' (২৫১) আল্লাহৰ আদেশত তেওঁলোকে অবিশ্বাসকাৰীবিলাকক যুদ্ধত হৰুৱালে। দাউদে জালুতক নিহত কৰিলে। আল্লাহে তেওঁক ৰাজত্ব আৰু জ্ঞান

দান কৰিলে আৰু যি বিষয়ে জ্ঞান লভিব বিচাৰিছিল তাৰেই জ্ঞান দান কৰিলে। আল্লাহে মানুহৰ এটা দলৰ দ্বাৰা আন এটা দলক দমন নকৰাহেঁতেন, নিশ্চয় পৃথিৱীত বিশৃংখলতাই ভৰি পৰিলহেঁতেন। আল্লাহ মানৱ জাতিৰ প্ৰতি অতি অনুগ্ৰহশীল।

(২৫২) এইবোৰ আল্লাহৰ বাণী, যিবোৰ আমি তোমাক সঠিকভাৱে পাঠ কৰি শুনাইছো আৰু নিশ্চয় তুমি ৰছুলসকলৰ এজন। (২৫৩) এই ৰছুলসকলৰ ভিতৰত আমি কোনোবাক আন কোনোবাতকৈ অধিক মৰ্যাদা দান কৰিছোঁ। তেওঁলোকৰ মাজত এনে কিছু ৰছুলো আছিল, যিসকলৰ লগত আল্লাহে কথা পাতিছিল আৰু কাৰোবাক অন্যান্য দিশত উচ্চ সন্মান দান কৰিছে। আমি মৰিয়ম পুত্ৰ ঈছাক সুস্পষ্ট নিদৰ্শন দান কৰিছোঁ আৰু তেওঁক পৱিত্ৰ আত্মাৰে শক্তিশালী কৰিছো। আল্লাহে ইচ্ছা কৰাহেঁতেন, স্পষ্ট আদেশ অহাৰ পিছত তেওঁলোকৰ পৰৱৰ্তীসকলে যুঁজ-বাগৰ নকৰিলেহেঁতেন। সিহঁতে পৰস্পৰৰ মাজত মতভেদ সৃষ্টি কৰিছিল। সিহঁতৰ কিছুমানে বিশ্বাস স্থাপন কৰিলে আৰু কিছুমানে অস্বীকাৰ কৰিলে। অৱশ্যে আল্লাহে ইচ্ছা কৰাহেঁতেন, সিহঁতে কেতিয়াও যুঁজ-বাগৰ নকৰিলেহেঁতেন। আল্লাহে যি ইচ্ছা কৰে তাক সম্পূৰ্ণ কৰে।

(২৫৪) হে বিশ্বাস স্থাপনকাৰীসকল, আমি তোমালোকক যিবোৰ দান কৰিছোঁ তাৰ পৰা খৰচ কৰা সেই দিনটো অহাৰ আগেয়ে যিদিনা কোনো বেচা-কিনা নহ'ব, বন্ধুত্ব কোনো কামত নাহিব আৰু উকালতিও নচলিব। এইবিলাকেই সেইবিলাক, যিবিলাকে প্ৰকৃত সত্য অস্বীকাৰ কৰিছে, তেওঁলোকেই অবাধ্যতাৰ পথ অৱলম্বন কৰিছে। (২৫৫) আল্লাহ, তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেওঁ চিৰঞ্জীৱী আৰু চিৰ বিৰাজমান শাশ্বত সত্তা। তেওঁক কলাঘূমটি আৰু টোপনি একোৱেই নধৰে। আকাশমণ্ডল আৰু পৃথিৱীত যিবোৰ আছে, সকলোবোৰ তেওঁৰেই। আল্লাহৰ দৰবাৰত ওকালতি

কৰিব পৰা কোন আছে তেওঁৰ অনুমতি অবিহনে? সিহঁতৰ সন্মুখত যি আছে, সেইবোৰ আল্লাহে জানে আৰু যি সিহঁতৰ অগোচৰত সেইবোৰো তেওঁ অৱগত। সিহঁতে তেওঁৰ জ্ঞান-ভাণ্ডাৰৰ কোনো কথাই আয়ত্ব কৰিব নোৱাৰে। অৱশ্যে তেওঁ যিবোৰ জনাব তাৰ বাহিৰে। আকাশমণ্ডল আৰু পৃথিৱী ব্যাপী আছে তেওঁৰ সিংহাসন। ইবোৰক ৰক্ষণা-বেক্ষণ দিয়া কামে তেওঁক ক্লান্ত কৰিব নোৱাৰে। তেওঁ অতি উচ্চ আৰু মহান। (২৫৬) ধর্মৰ ক্ষেত্রত জোৰ-জবৰদস্তিৰ কোনো স্থান নাই। নিশ্চয় সত্য পথ ভ্রান্ত পথৰ পৰা পৃথক হৈছে। যিয়ে তাগুত (চয়তানক) অস্বীকাৰ কৰি আল্লাহৰ প্রতি বিশ্বাস স্থাপন কৰিছে, তেওঁ যেনিবা এডাল মজবুত ডোলতহে দৃঢ়ভাৱে খামোচ মাৰি ধৰিলে, যিডাল কেতিয়াও চিগি নাযায়। আল্লাহে সকলো শুনে, জানে। (২৫৭) আল্লাহ বিশ্বাস স্থাপনকাৰীসকলৰ পৃষ্ঠপোষক। তেওঁ তেওঁলোকক অন্ধকাৰৰ পৰা পোহৰলৈ লৈ যায়। যিবিলাকে অবিশ্বাস কৰিছে, সিহঁতৰ পৃষ্ঠপোষক চয়তান। সি সিহঁতক পোহৰৰ পৰা অন্ধকাৰলৈ লৈ যায়। সিহঁত নৰকলৈ যোৱা মানুহেই আৰু তাত সিহঁত চিৰকাল থাকিব।

(২৫৮) তুমি সেইজন ব্যক্তিক দেখা নাইনে, যিজনে ইব্রাহীমৰ লগত তেওঁৰ প্রভুৰ সম্পর্কে তর্কত লিপ্ত হৈছিল? কিয়নো আল্লাহে তাক ৰাজত্ব দান কৰিছিল। ইব্রাহীমে ক'লে- 'মোৰ প্রভু সেইজন, যিজনে জীৱন দান কৰে আৰু মৃত্যু ঘটায়।' সি উত্তৰ দিলে- 'ময়ো জীৱন দান কৰো আৰু মৃত্যু ঘটাও।' ইব্রাহীমে ক'লে- 'মোৰ প্রভুৱে সূর্যক পূৱফালে উদয় কৰে, তুমি ইয়াক পশ্চিমফালে উদয় কৰি দেখুৱাছোন।' তেতিয়া সেই সত্য অবিশ্বাসকাৰী হতবুদ্ধি হ'ল। আল্লাহে অন্যায়কাৰীবিলাকক সঠিক পথ নেদেখুৱায়।

(২৫৯) অথবা সেইজন ব্যক্তি, যিজনে সম্পূর্ণৰূপে বিধস্ত হোৱা গাওঁ এখনৰ মাজেৰে গৈছিল আৰু সেই গাঁৱৰ ঘৰ-বাৰীবোৰ ভাগি পৰি আছিল। তেওঁ কৈছিল- 'ধ্বংসপ্রাপ্ত হোৱাৰ পিছত এই জনবসতিক আল্লাহে দুনাই

কেনেকৈ জীৱিত কৰিব?' আল্লাহে তেওঁক এশ বছৰ মৃত অৱস্থাতে ৰাখিলে। আল্লাহে তেওঁক পুনৰজীৱিত কৰি সুধিলে- 'এই অৱস্থাত তুমি কিমান দিন আছিলা?' উত্তৰত তেওঁ ক'লে- 'এদিন বা এবেলা।' আল্লাহে ক'লে- 'নহয়, বৰং এনে অৱস্থাত তুমি এশ বছৰ আছিলা। তুমি তোমাৰ আহাৰ-পানীৰ পিনে লক্ষ্য কৰাছোন। সেয়া এতিয়াও অলপো পৰিৱৰ্তন হোৱা নাই। তোমাৰ গাধটো চোৱাছোন। আমি তোমাক মানৱ জাতিৰ বাবে এটা নিদৰ্শন কৰিম। হাড়বোৰৰ ফালে চোৱাচোন, কেনেদৰে আমি সেইবোৰ সংযোগ কৰিম আৰু মাংসৰে আবৃত কৰিম।' যেতিয়া সকলো সত্য তেওঁৰ সম্মুখত স্পষ্টভাৱে প্ৰতিভাত হ'ল, তেতিয়া তেওঁ ক'লে- 'মই এতিয়া জানিছো যে আল্লাহ সকলো বিষয়ৰ ওপৰত ক্ষমতাবান।' (২৬০) যেতিয়া ইব্ৰাহীমে ক'লে- 'হে প্ৰভু, মোক দেখুৱা, কেনেকৈ তুমি মৃতক জীৱিত কৰিবা?' আল্লাহে ক'লে- 'তুমি বিশ্বাস নকৰানেকি?' ইব্ৰাহীমে ক'লে- 'নহয়, মই বিশ্বাস কৰোঁ; কিন্তু মনত প্ৰশান্তি লভিবৰ বাবেহে।' আল্লাহে ক'লে- 'চাৰিটা চৰাই ধৰা আৰু সিহঁতক অভ্যস্ত কৰোৱা যাতে তুমি মাতিলেই তোমাৰ ওচৰলৈ উভতি আহে। তাৰ পাছত সিহঁতৰ একো একোটা টুকুৰা একোটাকৈ পাহাৰত ৰাখা আৰু সিহঁতক মাতা। সিহঁত উৰি তোমাৰ ওচৰলৈ আহিব। জানি থোৱা, আল্লাহ অতি ক্ষমতাশালী, প্ৰজ্ঞাময়।'

(২৬১) যিবিলাকে নিজৰ ধন-সম্পদ আল্লাহৰ পথত খৰচ কৰে, তেওঁলোকৰ দৃষ্টান্ত হ'ল এটা শস্যৰ বীজ ৰোপন কৰাৰ লেখীয়া। এটা বীজৰ পৰা সাতটা থোক ওলায় আৰু প্ৰত্যেক থোকত এশটাকৈ শস্য গুটি ধৰে। আল্লাহে যাক ইচ্ছা কৰে এইদৰে প্ৰাচুৰ্য দান কৰে। আল্লাহ উদাৰ দাতা আৰু মহাজ্ঞানী। (২৬২) যিবিলাকে আল্লাহৰ পথত নিজৰ ধন-সম্পত্তি খৰচ কৰে; কিন্তু তাৰ প্ৰতিদান নিবিচাৰে আৰু (গ্ৰহীতাক) মনোকষ্টও নিদিয়ে, তেওঁলোকৰ পুৰস্কাৰ তেওঁলোকৰ প্ৰভুৰ ওচৰত সুৰক্ষিত। তেওঁলোকৰ ভয় আৰু আশংকাৰ

কাৰণ নাই। (২৬৩) এযাৰ সাদৰি মাত আৰু ক্ষমা কোনো বস্তু দান কৰি পাছত মনত দুখ দিয়াতকৈ বহুগুণে শ্রেয়ঃ। আল্লাহ স্বয়ংসম্পূর্ণ আৰু অতি সহিষ্ণু। (২৬৪) হে বিশ্বাস স্থাপনকাৰীসকল, প্রতিদান বিচাৰি আৰু মনত দুখ দি তোমালোকৰ দান-খয়ৰাতবোৰ বিফলে যাবলৈ নিদিবা, যিদৰে এজন মানুহে আনক দেখুৱাবলৈ নিজ ধন-সম্পদ ব্যয় কৰে; কিন্তু আল্লাহ আৰু পৰকালক বিশ্বাস নকৰে। তাৰ দৃষ্টান্ত হ'ল, এডোখৰ শিলৰ দৰে, যাৰ ওপৰত মাটিৰ তৰপ পৰিছে। তাৰ ওপৰত ধাৰাষাৰ বৰষুণ পৰাত মাটিবোৰ উটি গৈ শিলডোখৰ পৰিষ্কাৰ হৈ পৰিল। এনে মানুহে অর্জন কৰা পুণ্যৰ কোনো ফল নাপাব। আল্লাহে সত্য অস্বীকাৰকাৰীবিলাকক সৎ পথ নেদেখুৱায়।

(২৬৫) যিসকলে নিজ ধন-সম্পদ আল্লাহক সন্তুষ্ট কৰাৰ আৰু মনৰ দৃঢ়তা আনিবৰ বাবে খৰচ কৰে, তেওঁলোক হ'ল উচ্চ ভূমিত অৱস্থিত এখন উদ্যানৰ দৰে, য'ত প্রচুৰ বৰষুণ হ'লে দুগুণ শস্য উৎপন্ন হয় আৰু প্রচুৰ পৰিমাণে নহ'লেও অলপ আদ্রতাই যথেষ্ট। তোমালোকে যি কৰা আল্লাহে সেয়া দেখি আছে। (২৬৬) তোমালোকৰ কোনোৱে এয়া বাঞ্ছা কৰানে যে তেওঁৰ খেজুৰ আৰু আঙ্গুৰৰ এখন উদ্যান হওঁক, তাৰ মাজেৰে নিজৰা প্রবাহিত হৈ থাকক আৰু তাত সকলো প্রকাৰ ফলমূল থাকক আৰু সেই সময়ত তেওঁক বার্দ্ধক্যই পালে, ইফালে তেওঁৰ কমবয়সীয়া সন্তানবিলাকো দুর্বল; এনেতে অগ্নিসহ প্রচণ্ড ঘূর্ণি বতাহ আহি উদ্যানখন দাহ কৰিলে। এইদৰে আল্লাহে তোমালোকৰ বাবে তেওঁৰ নিদর্শন স্পষ্টভাৱে ব্যক্ত কৰে যাতে তোমালোকে চিন্তা-বিবেচনা কৰা।

(২৬৭) হে বিশ্বাস স্থাপনকাৰীসকল, উৎকৃষ্ট বস্তু আল্লাহৰ পথত খৰচ কৰা তোমালোকে যি উপার্জন কৰিছা তাৰ পৰা আৰু তাৰ পৰাও কৰা যিবোৰ আমি তোমালোকৰ বাবে মাটিৰ পৰা উৎপন্ন কৰিছোঁ। আল্লাহৰ পথত খৰচ কৰিবৰ বাবে নিকৃষ্ট বস্তু বাছি নল'বা, যিবোৰ আনৰ পৰা গ্রহণ কৰিবলৈ ভাল

নোপোৱা, কৰিলেও অনিচ্ছাকৃতভাৱে গ্ৰহণ কৰা। জানি থোৱা, আল্লাহ কাৰো মুখাপেক্ষী নহয় আৰু সকলো প্ৰশংসাৰ যোগ্য। (২৬৮) চয়তানে তোমালোকক দৰিদ্ৰতাৰ ভয় দেখুৱায় আৰু অশালীন কাম কৰিবলৈ প্ৰৰোচনা কৰে; কিন্তু আল্লাহে তোমালোকক ক্ষমা আৰু অনুগ্ৰহৰ প্ৰতিশ্ৰুতি দিয়ে। আল্লাহ উদাৰ দাতা, মহাজ্ঞানী। (২৬৯) আল্লাহে যাক ইচ্ছা তাক জ্ঞান-বুদ্ধি দান কৰে আৰু যিজন জ্ঞান-বুদ্ধিপ্ৰাপ্ত হয়, তেওঁ প্ৰকৃততে প্ৰচুৰ কল্যাণ লাভ কৰে, তথাপিও এয়া অধিকাংশই গ্ৰহণ নকৰে আৰু তেওঁলোকেই উপদেশ গ্ৰহণ কৰে যিসকল জ্ঞান-বুদ্ধি সম্পন্ন।

(২৭০) তোমালোকে যিবোৰ খৰচ কৰিছা আৰু যিবোৰ উৎসৰ্গ কৰিবলৈ মনস্থ কৰিছা, আল্লাহে সেইবোৰ ভালদৰে জানে। কিন্তু অন্যায়কাৰীবিলাকৰ কোনো সাহায্যকাৰী নাই। (২৭১) তোমালোকে যদি প্ৰকাশ্যে দান-খয়ৰাত কৰা সেইটো ভাল কথা; কিন্তু যদি গোপনে অভাৱগ্ৰস্ত লোকক দান কৰা, সেইটো তোমালোকৰ কাৰণে অতি উত্তম আৰু তোমালোকৰ বহু অমংগল দূৰীভূত হ'ব। তোমালোকে যি কৰা আল্লাহে তাৰ সম্পূৰ্ণ খা-খবৰ ৰাখে। (২৭২) সিহঁতক সুপথত চলোৱা তোমাৰ দায়িত্ব নহয়। আল্লাহে যাক ইচ্ছা কৰে, তাক সুপথ দান কৰে। তোমালোকে যি ধন ব্যয় কৰা, সেয়া তোমালোকৰ মংগলৰ বাবেহে যদিহে আল্লাহৰ সন্তুষ্টি লাভৰ বাবেহে ব্যয় কৰা। তোমালোকে যি ধন ব্যয় কৰা, তাৰ প্ৰতিদান তোমালোকক সম্পূৰ্ণভাৱে দিয়া হ'ব আৰু তোমালোকৰ প্ৰতি অবিচাৰ কৰা নহ'ব। (২৭৩) সেইবোৰ অভাৱগ্ৰস্ত, যিসকলে আল্লাহৰ কামত আত্মনিয়োগ কৰি এনেদৰে আবদ্ধ থাকে, জীৱিকাৰ অন্বেষণত ইফালে-সিফালে ঘূৰি ফুৰিব নোৱাৰে। নিবোৰ্ধ মানুহবিলাকে তেওঁলোকৰ অৱস্থা স্বচ্ছল বুলি ভাৱে। কিয়নো তেওঁলোকে আনৰ ওচৰত হাত নাপাতে। তেওঁলোকৰ চেহেৰা দেখিলেই তেওঁলোকৰ অৱস্থা বুজিব পাৰিবা। তেওঁলোক মানুহৰ ওচৰত ব্যাকুলভাৱে সহায় ভিক্ষা কৰি নুফুৰে। তোমালোকে যি ধন-

সম্পদ ব্যয় কৰা, সেয়া আল্লাহে জানে। (২৭৪) যিসকলে নিজ ধন-সম্পদ দিনে-ৰাতিয়ে গোপনে আৰু প্ৰকাশ্যভাৱে খৰচ কৰে, তেওঁলোকৰ পুৰষ্কাৰ তেওঁলোকৰ প্ৰভুৰ পৰা পাব। তেওঁলোকৰ ভয় আৰু চিন্তাৰ কোনো কাৰণ নাই।

(২৭৫) যিবিলাকে সুত খায়, তেওঁলোকক তেওঁৰ প্ৰভুৰ সন্মুখত এনে মানুহৰ দৰে উঠোৱা হ'ব, যাক চয়তানে স্পৰ্শ কৰি বিবেকহীন কৰি দিছে। সিহঁতে কয়- 'বেহা-বেপাৰ সুতৰেই অনুৰূপ।' অথচ আল্লাহে বেহা-বেপাৰ বৈধ কৰিছে আৰু সুত নিষিদ্ধ কৰিছে। সেয়ে যিজনে তেওঁৰ প্ৰভুৰ এই নিৰ্দেশ পোৱাৰ পিছত বিৰত থাকিব তেওঁ অতীতত যি সুত খালে সেয়া খালেই। তাৰ বিচাৰ আল্লাহে কৰিব। কিন্তু যিবিলাকে ইয়াক পুনৰাবৃত্তি কৰে, সেইবিলাক নৰকবাসী হ'ব। সিহঁত তাত চিৰকাল থাকিব। (২৭৬) আল্লাহে সুতক হ্ৰাস কৰে আৰু দান-খয়ৰাতক বৃদ্ধি কৰি দিয়ে। আল্লাহে অকৃতজ্ঞ আৰু দুষ্কাৰ্যকাৰীক ভাল নাপায়। (২৭৭) যিসকলে বিশ্বাস স্থাপন কৰে, সৎ কাম কৰে, নামাজত নিয়মিতভাৱে উপস্থিত থাকে, যাকাত আদায় দিয়ে, তেওঁলোকক তেওঁলোকৰ প্ৰভুৱে পুৰস্কৃত কৰিব আৰু তেওঁলোকৰ কোনো ভয় আৰু দুশ্চিন্তাৰ কাৰণ নাই।

(২৭৮) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহক ভয় কৰা আৰু যি সুত পাবলৈ বাকী আছে, সেয়া এৰি দিয়া যদিহে তোমালোক প্ৰকৃত বিশ্বাস স্থাপনকাৰী হোৱা। (২৭৯) যদি তোমালোকে সেয়া নকৰা, তেনেহ'লে জানি থোৱা, আল্লাহ আৰু তেওঁৰ ৰছুলৰ তৰফৰ পৰা তোমালোকৰ বিৰুদ্ধে যুদ্ধৰ ঘোষণা আছে। কিন্তু যদি তোমালোকে অনুতাপ কৰা, তেনেহ'লে মূলধনখিনি ঘূৰাই ল'বলৈ তোমালোকৰ অধিকাৰ আছে। তোমালোকে অন্যায় নকৰিবা আৰু তোমালোককো অন্যায় কৰা নহ'ব। (২৮০) যদি ধৰুৱা অভাৱগ্ৰস্ত হয়, তেনেহ'লে তেওঁৰ অৱস্থা স্বচ্ছল নোহোৱালৈকে ম্যাদ বঢ়াই দিবা আৰু যদি

মাফ কৰি দিয়া, তেনেহ'লে সেয়া তোমালোকৰ বাবে অধিক মংগলজনক যদি তোমালোকে বুজিব পাৰিলাহেঁতেন। (২৮১) সেই দিনটোলৈ ভয় কৰা, যিদিনা তোমালোকক আল্লাহৰ ওচৰলৈ উভতাই নিয়া হ'ব। তাৰ পাছত প্ৰত্যেককে নিজ নিজ অৰ্জনৰ পূৰাপূৰি ফল দিয়া হ'ব আৰু তেওঁলোকক অন্যায় কৰা নহ'ব।

(২৮২) হে বিশ্বাস স্থাপনকাৰীসকল, যেতিয়া তোমালোকে নিৰ্দিষ্ট সময়ৰ বাবে পৰস্পৰে ঋণৰ লেনদেন কৰা, তেতিয়া তাক লিখি ৰাখিবা। তোমালোকৰ উভয় পক্ষৰ হৈ ন্যায়সংগতভাৱে দলীল লিখিব জনা ব্যক্তিয়ে লিখিবলৈ অস্বীকাৰ কৰিব নালাগে। আল্লাহে যেনেদৰে তেওঁক যোগ্যতা দিছে, সেইদৰেই তেওঁ লিখি দিয়া উচিত। ধাৰ লওঁতাই লিখিব লগীয়া কথাখিনি লিখাই দিব। তেওঁ আল্লাহক ভয় কৰা উচিত যিজন তেওঁৰ প্ৰভু আৰু লিখোতে যেন হেৰফেৰ নকৰে। ধাৰ লওঁতা যদি নিবোধ, দুৰ্বল নাইবা লিখিব লগীয়া কথাখিনি কৈ দিবলৈ অক্ষম হয়, তেনেহ'লে তেওঁৰ অভিভাৱকে ন্যায়সংগত ভাৱে কৈ লিখাই দিব আৰু তোমালোকৰ দুজন পুৰুষক সাক্ষী হিচাবে লোৱা। যদি দুজন পুৰুষ নোপোৱা, তেনেহ'লে এজন পুৰুষ আৰু দুজনী তিৰোতাক সাক্ষী হিচাবে লোৱা যাৰ সাক্ষ্য গ্ৰহণযোগ্য হয় যাতে এজনীয়ে পাহৰি গ'লে আনজনীয়ে সোঁৱৰাই দিয়ে। সাক্ষীসকলে অস্বীকাৰ কৰা উচিত নহয়, যেতিয়া তেওঁলোকক সাক্ষী দিবলৈ মতা হয়। লেনদেন সৰু হওঁক বা ডাঙৰ হওঁক ম্যাদ নিৰ্ধাৰিত কৰি দলীল লিখাই ল'বলৈ অৱহেলা নকৰিবা। এইটো আল্লাহৰ মানত অধিক ন্যায়সংগত পন্থা আৰু সাক্ষ্যৰ বাবে বেছি নিৰ্ভৰযোগ্য আৰু সন্দেহ-সংশয় উদ্ৰেক হোৱাৰ সম্ভাৱনা নাথাকে। অৱশ্যে যিবোৰ ব্যৱসায় সম্পৰ্কীয় লেনদেন তোমালোকে পৰস্পৰৰ মাজত হাতে হাতে কৰা, সেইবোৰ লিখি নাৰাখিলেও তোমালোকৰ কোনো দোষ নহয়। কিন্তু যেতিয়া তোমালোকে বন্দবস্ত কৰা, তেতিয়া সাক্ষী ৰাখিবা আৰু চাবা যাতে লেখক

আৰু সাক্ষীৰ অনিষ্ট নহয়। যদি তেনে কৰা, তেনেহ'লে তোমালোকৰ পাপ হ'ব। আল্লাহক ভয় কৰা। তেওঁ তোমালোকক শিক্ষা দিয়ে। তেওঁ সকলো বিষয় সবিশেষ জানে।(২৮৩) যদি তোমালোক ভ্ৰমণত থাকা আৰু লিখিবলৈ কোনো লেখক নোপোৱা, তেতিয়া বন্ধকী বস্তুলৈ লেনদেনৰ কাৰ্য সম্পন্ন কৰিবা। তোমালোকৰ কোনোৱে যদি কাৰোবাক বিশ্বাস কৰিছে, তেনেহ'লে যাক বিশ্বাস কৰা হৈছে, তেওঁ বিশ্বাস কৰোতাৰ বিশ্বাসক পূৰ্ণ কৰা উচিত। তেওঁ যেন আল্লাহক ভয় কৰে, যিজন তেওঁৰ প্ৰতিপালক প্ৰভু। সাক্ষ্য গোপন নকৰিবা। যিয়ে সাক্ষ্য গোপন কৰে, তাৰ অন্তৰ পাপেৰে কলুষিত হয়। তোমালোকে যি কৰা সেয়া আল্লাহে ভালদৰে জানে।

(২৮৪) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সেই সকলো আল্লাহৰ। তোমালোকৰ অন্তৰৰ কথা প্ৰকাশ কৰা বা গোপন কৰি ৰাখা, আল্লাহে সেইবোৰ হিচাব লবই। তাৰ পাছত তেওঁ যাক ইচ্ছা কৰে ক্ষমা কৰিব আৰু যাক ইচ্ছা শাস্তি দিব। আল্লাহ সকলো বস্তুৰ ওপৰত ক্ষমতাবান। (২৮৫) ৰছুলে সেইবোৰৰ প্ৰতি বিশ্বাস স্থাপন কৰিছে, যিবোৰ আল্লাহৰ পৰা তেওঁৰ প্ৰতি অৱতীৰ্ণ হৈছে। ঈমানদাৰসকলেও বিশ্বাস স্থাপন কৰিছে। তেওঁলোক সকলোৱে আল্লাহ, তেওঁৰ ফিৰিস্তাসকল, তেওঁৰ পুথিসমূহ আৰু তেওঁৰ ৰছুলসকলক বিশ্বাস কৰে, তেওঁলোকে কয়- 'আমি তেওঁৰ ৰছুলসকলৰ মাজত কোনো পাৰ্থক্য নকৰো। আমি শুনিলো আৰু মানিলো। হে আমাৰ প্ৰভু, আমাৰ পাপবোৰ মোচন কৰা আৰু তোমালৈকে আমাৰ প্ৰত্যাগমন।'(২৮৬) আল্লাহে কাৰো ওপৰত তেওঁৰ সাধ্যাতীত বোজা অৰ্পণ নকৰে। যিয়ে যি পুণ্য অৰ্জন কৰিছে, তাৰ সুফল তেৱেঁই ভোগ কৰিব আৰু যিয়ে পাপ অৰ্জন কৰিছে, তাৰ প্ৰতিফল সি ভোগ কৰিব। 'হে আমাৰ প্ৰভু, ভুল-ভ্ৰান্তি বশতঃ যি দোষ-ত্ৰুটি হৈছে তাৰ বাবে আমাক শাস্তি নিদিবা। হে আমাৰ প্ৰভু, আমাৰ ওপৰত সেই বোজা অৰ্পণ নকৰিবা, যি বোজা তুমি আমাৰ পূৰ্ববৰ্তীসকলৰ ওপৰত অৰ্পণ

কৰিছিলা। হে আমাৰ প্ৰভু, যি বোজা বহন কৰিবলৈ আমাৰ শক্তি নাই, তেনে বোজা বহন কৰিবলৈ আমাক নিদিবা। আমাক ক্ষমা কৰা, আমাক কৰুণা কৰা আৰু আমাৰ প্ৰতি অনুগ্ৰহ বৰ্ষণ কৰা। তুমিয়েই আমাৰ প্ৰভু আৰু কৰ্ম বিধায়ক; সেয়ে সত্য অবিশ্বাসকাৰীবিলাকৰ বিৰুদ্ধে তুমি আমাক সহায় কৰা।'

আলে-ইমৰাণ (ইমৰাণৰ বংশধৰ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলীফ-লাম-মীম। (২) আল্লাহ, তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেওঁ চিৰঞ্জীৱ আৰু সকলো সংৰক্ষক। (৩) তেৱেঁই তোমাৰ প্ৰতি এই পুথি সত্য সহকাৰে অৱতীৰ্ণ কৰিছে, যিখনে ইয়াৰ পূৰ্বে অহা পুথিসমূহৰ সত্যতা সাব্যস্ত কৰে। তেৱেঁই তওৰাত আৰু ইঞ্জিল অৱতীৰ্ণ কৰিছে- (৪) ইতিপূৰ্বেই মানুহৰ হিদায়তৰ পথ প্ৰদৰ্শনৰ বাবে। তেৱেঁই 'ফুৰকান' (সত্যৰ পৰা অসত্যক পৃথককাৰী গ্ৰন্থ) অৱতীৰ্ণ কৰিছে। যিসকলে আল্লাহৰ নিদৰ্শন অস্বীকাৰ কৰিছে, নিশ্চয় সিহঁতৰ বাবে কঠোৰ শাস্তি আছে। আল্লাহ পৰাক্ৰমী, প্ৰতিশোধ ল'বলৈ সক্ষম। (৫) নিশ্চয় আকাশ আৰু পৃথিৱীৰ কোনো বস্তু আল্লাহৰ পৰা গোপন নহয়। (৬) তেৱেঁই সেইজন, যিজনে তেওঁৰ ইচ্ছানুযায়ী মাতৃগৰ্ভত তোমালোকৰ আকাৰ-আকৃতি গঠন কৰে। তেওঁ অসীম পৰাক্ৰমী, পৰম জ্ঞানী।

(৭) তেৱেঁই সেইজন, যিজনে তোমাৰ প্ৰতি এই পুথিখন অৱতীৰ্ণ কৰিছে। ইয়াৰ কিছুমান পংক্তিৰ অৰ্থ স্পষ্ট, সেইবোৰেই পুথিখনৰ মূল ভিত্তি। আনহাতে বাকী অংশ ৰূপাত্মক। যিসকলৰ অন্তৰত বক্ৰতা আছে, সিহঁতে ৰূপাত্মক পংক্তিবোৰৰ পিছত লাগি থাকে ভিন্ন মত পোষণৰ অৰ্থৰ অন্বেষণত। অথচ ইয়াৰ প্ৰকৃত অৰ্থ আল্লাহৰ বাহিৰে আন কোনোৱে নাজানে। যিসকল

পৰিপক্ক জ্ঞানৰ অধিকাৰী, তেওঁলোকে কয়- 'আমি এয়া বিশ্বাস কৰিছো। সকলোবোৰ আমাৰ প্ৰভুৰ পৰা আহিছে।' কেৱল জ্ঞান-বুদ্ধিসম্পন্ন মানুহে ইয়াৰ উপদেশ গ্ৰহণ কৰে। (৮) 'হে আমাৰ প্ৰভু, আমাৰ মনত বক্ৰতা সৃষ্টি কৰি নিদিবা, যিহেতু তুমিয়েই আমাক সঠিক পথ প্ৰদৰ্শন কৰিছা। তোমাৰ কৰুণা আমাক দান কৰা। নিশ্চয় তুমি মহান দাতা। (৯) হে আমাৰ প্ৰভু, তুমি মানৱ জাতিক এদিন একেলগে সমবেত কৰিবা; সেই দিনটোৰ আগমন সম্পৰ্কে কোনো সন্দেহ নাই। আল্লাহ, তুমি নিজ প্ৰতিশ্ৰুতি কদাপিও ভংগ নকৰা।'

(১০) যিবিলাকে প্ৰকৃত সত্যক অবিশ্বাস কৰিছে, সিহঁতৰ ধন-সম্পদ আৰু সতি-সন্ততি আল্লাহৰ মোকাবিলাত কোনো কামত নাহিব। সেইবোৰেই নৰকৰ ইন্ধন হ'ব। (১১) সিহঁতৰ তেনে দশা হ'ব যেনে দশা ফিৰাউনৰ সম্প্ৰদায় আৰু সিহঁতৰ পূৰ্বৱৰ্তীসকলৰ হৈছিল। সিহঁতে আমাৰ নিদৰ্শনবোৰ অস্বীকাৰ কৰিছিল। সেয়ে আল্লাহে সিহঁতৰ পাপৰ বাবে সিহঁতক ধৰিলে। আল্লাহ কঠোৰ শাস্তি দাতা। (১২) যিবিলাকে অস্বীকাৰ কৰিছে সিহঁতক কোৱা- 'অচিৰেই তোমালোক পৰাভূত হ'বা আৰু নৰকৰ ফালে খেদি নিয়া হ'ব আৰু সেয়া অতি জঘন্য ঠাই।' (১৩) তাত তোমালোকৰ বাবে এটা নিদৰ্শন আছিল, যেতিয়া দুটা দলে (বদৰ প্ৰান্তত) পৰস্পৰে যুদ্ধত মুখামুখী হৈছিলা, এদলে আল্লাহৰ পথত যুদ্ধ কৰিছিল আৰু আনটো হ'ল অস্বীকাৰকাৰী দল। সিহঁতে (অস্বীকাৰকাৰীবিলাকে) নিজ চকুৰে ইটো দলৰ (বিশ্বাস স্থাপনকাৰীসকলক) দুগুণ দেখা পাইছিল; কিন্তু আল্লাহে যাক ইচ্ছা কৰে, তাক নিজ সাহায্য দানেৰে শক্তিশালী কৰে। দৃষ্টিমানসকলৰ বাবে ইয়াত শিক্ষা নিহিত আছে।

(১৪) মানুহৰ বাবে পাৰ্থিৱ বস্তু আকৰ্ষণীয় কৰি দিয়া হৈছে- মনঃপুত নাৰী, পুত্ৰ সন্তান, সোণ-ৰূপৰ দ'ম, চিহ্নিত ঘোঁৰা, পোহনীয়া জন্তু আৰু খেতিপথাৰ। এইবোৰ পাৰ্থিৱ জীৱনৰ ভোগ-বিলাসৰ সামগ্ৰী; কিন্তু আল্লাহৰ ওচৰতহে আছে শ্ৰেষ্ঠ আবাসস্থল। (১৫) কোৱা- 'মই তোমালোকক ইয়াতকৈ

উত্তম বস্তুৰ সংবাদ দিমনে? সাত্বিক মানুহৰ বাবে তেওঁলোকৰ প্রতিপালকৰ ওচৰত এনে উদ্যান আছে, যাৰ মাজেৰে নিজৰা প্রবাহিত হৈ থাকে। তাত তেওঁলোক চিৰকাল অৱস্থান কৰিব। তাত আছে তেওঁলোকৰ পৱিত্র সহধর্মিনী আৰু আল্লাহৰ সন্তুষ্টি। আল্লাহে তেওঁৰ দাসৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখে।' (১৬) যিসকলে কয়- 'হে আমাৰ প্রভু, আমি তোমাৰ প্রতি বিশ্বাস স্থাপন কৰিছো, সেয়ে আমাৰ পাপবোৰ মার্জনা কৰা আৰু আমাক নৰকৰ যন্ত্রণাৰ পৰা ৰক্ষা কৰা।' (১৭) তেওঁলোক সহিষ্ণু, সত্যপৰায়ণ, আজ্ঞাবহ, আল্লাহৰ ৰাস্তাত খৰচ কৰোতা আৰু পুৱতি নিশাৰ ক্ষমা প্রার্থনাকাৰী।

(১৮) আল্লাহে নিজে সাক্ষ্য দিছে যে, আল্লাহ ব্যতীত আন কোনো উপাস্য নাই। এইদৰে ফিৰিস্তাসকলে আৰু জ্ঞানবানসকলেও সাক্ষ্য দিছে। তেওঁ ন্যায় স্থাপনকাৰী। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেওঁ অসীম পৰাক্রমী, প্রজ্ঞাবান। (১৯) আল্লাহৰ মানত প্রকৃত ধর্ম হ'ল ইছলাম ধর্ম (সম্পূর্ণৰূপে আল্লাহৰ বশ্যতা স্বীকাৰ)। যিসকলক ঐশীপুথি দিয়া হৈছে, তেওঁলোকে বিদ্বেষ বশতঃ পৰস্পৰে মতভেদ সৃষ্টি কৰিছে তেওঁলোকৰ ওচৰত জ্ঞান অহাৰ পিছতহে। যিসকলে আল্লাহৰ নিদর্শনসমূহ অস্বীকাৰ কৰে, নিশ্চয় আল্লাহে অতি শীঘ্রে সিহঁতৰ হিচাব ল'ব। (২০) যদি সিহঁতে তোমাৰ লগত বাক-বিতণ্ডা কৰে, তেনেহ'লে কোৱা- 'মই নিজকে আল্লাহৰ ওচৰত আত্মসমর্পণ কৰিছো আৰু মোৰ অনুসাৰীসকলেও কৰিছে।' যিসকলে ঐশীপুথি পাইছে আৰু যিসকল নিৰক্ষৰ তেওঁলোকক সোধা- 'তোমালোকে নিজেও এনেদৰে আত্মসমর্পণ কৰিছানে?' সিহঁতে যদি নিজেই তেওঁৰ ওচৰত আত্মসমর্পণ কৰে, তেনেহ'লে নিশ্চয় সুপথ পাব; কিন্তু যদি সিহঁতে মুখ ঘুৰায়, তেনেহ'লে তোমাৰ দায়িত্ব কেৱল বার্তা পৌছাই দিয়া। আল্লাহে তেওঁৰ দাসবোৰক পর্যবেক্ষণ কৰি থাকে। (২১) যিবিলাকে আল্লাহৰ নিদর্শনসমূহ অস্বীকাৰ কৰে, নবীসকলক অন্যায়ভাৱে হত্যা কৰে আৰু সিহঁতকো হত্যা

কৰে, যিসকলে মানুহক ন্যায়পৰায়ণ হ'বলৈ নির্দেশ দিয়ে, সিহঁতক যন্ত্রণাদায়ক শাস্তিৰ কথা জনাই দিয়া। (২২) সিহঁতৰ কার্যাৱলী ইহকাল আৰু পৰকালত নিষ্ফল হ'ব আৰু সিহঁতৰ সাহায্যকাৰী কোনো নহ'ব।

(২৩) তুমি সিহঁতক দেখা নাইনে, যিবিলাকক আল্লাহৰ পুথিৰ এটা অংশ দিয়া হৈছিল। যেতিয়া সিহঁতক আল্লাহৰ কিতাবৰ পিনে আহ্বান কৰা হৈছিল যাতে সিহঁতে পৰস্পৰৰ বাদানুবাদ মীমাংসা কৰে, তেতিয়া সিহঁতৰ এদলে পিঠি দিলে আৰু ফালৰি কাটি গ'ল। (২৪) তাৰ কাৰণ হ'ল, সিহঁতে কয়- 'নৰকৰ অগ্নিয়ে আমাক স্পর্শ কৰিলেও মাত্র কেইদিনমান কৰিব।' সিহঁতৰ মনে সজা কথাই সিহঁতক ধর্ম বিষয়ত প্রতাড়িত কৰিছে। (২৫) তেতিয়া কি হ'ব? যেতিয়া আমি সিহঁতক একত্রিত কৰিম যিটো দিনৰ আগমনৰ বিষয়ে কোনো সন্দেহ নাই আৰু প্রতিজন ব্যক্তিক তাৰ আর্জিত কর্মফল সম্পূর্ণভাৱে আদায় দিয়া হ'ব আৰু সিহঁতৰ প্রতি কোনো অবিচাৰ কৰা নহ'ব। (২৬) কোৱা- 'আল্লাহ, সাম্রাজ্যৰ অধিপতি, তুমি যাক ইচ্ছা কৰা ৰাজত্ব দান কৰা আৰু যাক ইচ্ছা কৰা তাৰ পৰা ৰাজত্ব কাঢ়ি লোৱা। যাক ইচ্ছা কৰা সন্মানিত কৰা আৰু যাক ইচ্ছা কৰা লাঞ্ছিত কৰা। সর্বপ্রকাৰ কল্যাণ তোমাৰ হাততেই। নিশ্চয় তুমি সকলো কৰিবলৈ সক্ষম। (২৭) তুমি ৰাতিক দিনৰ মাজত আৰু দিনক ৰাতিৰ মাজত প্রৱেশ কৰোৱা। নির্জীৱৰ পৰা সজীৱ উলিওৱা আৰু সজীৱৰ পৰা নির্জীৱ উলিওৱা। তুমি যাক ইচ্ছা কৰা অপৰিসীম জীৱিকা দান কৰা।'

(২৮) বিশ্বাস স্থাপনকাৰীসকলে ঈমানদাৰসকলৰ ব্যতীত অস্বীকাৰ কাৰীবিলাকক বন্ধু হিচাবে গ্রহণ কৰা উচিত নহয়। যিয়ে এনে কৰে, তাৰ লগত আল্লাহৰ কোনো সম্পর্ক নাথাকিব। অৱশ্যে এই পদ্ধতিৰে তোমালোকে সিহঁতৰ পৰা ৰক্ষা পাব বিচৰা (অন্য কথা)। আল্লাহে তোমালোকক সতর্ক কৰি দিছে তেওঁক ভয় কৰিবলৈ আৰু আল্লাহৰ পিনেই সকলোৰে প্রত্যাগমন। (২৯) কোৱা- 'আল্লাহে সকলো জানে তোমালোকৰ অন্তৰত কি আছে সেয়া

গোপনেই কৰা বা প্ৰকাশেই কৰা। সেয়াও তেওঁ জানে আকাশমণ্ডল আৰু পৃথিৱীত যি আছে। আল্লাহ সকলো বস্তুৰ ওপৰত সাৰ্বভৌম ক্ষমতাপন্ন। (৩০) সেই দিনাখন যেতিয়া প্ৰতিজন ব্যক্তিয়ে নিজ উপাৰ্জিত পুণ্য তাৰ সন্মুখত বিদ্যমান পাব আৰু যি বেয়া কৰিছে, সেয়াও পাব। সেই দিনা প্ৰত্যেকেই কামনা কৰিব যে এই দিনটো যদি তাৰ ওচৰৰ পৰা বহু দূৰত্বত থাকিলহেঁতেন। আল্লাহে নিজেই তোমালোকক সতৰ্ক কৰি দিছে তেওঁক ভয় কৰিবলৈ; কিন্তু আল্লাহ তেওঁৰ বান্দাৰ প্ৰতি অতি দয়ালু। (৩১) কোৱা- 'যদি তোমালোকে আল্লাহক ভাল পোৱা, তেনেহ'লে মোক অনুসৰণ কৰা, আল্লাহে তোমাক ভাল পাব আৰু আল্লাহে তোমালোকৰ পাপবোৰ মাৰ্জনা কৰি দিব। তেওঁ অতি ক্ষমাশীল, পৰম দয়ালু।' (৩২) কোৱা- 'আল্লাহ আৰু ৰছুলৰ আনুগত্য কৰা।' যদি সিহঁতে মুখ ঘূৰায়, তেনেহ'লে আল্লাহে অবিশ্বাসকাৰীবিলাকক ভাল নাপায়।

(৩৩) আল্লাহে আদম, নূহ, ইব্ৰাহীমৰ বংশধৰ আৰু ইমৰাণৰ বংশধৰসকলক জগতবাসীৰ ওপৰত মনোনীত কৰিছিল। (৩৪) এওঁলোক এজন আনজনৰ বংশোদ্ভূত। আল্লাহ সৰ্ব শ্ৰোতা, সৰ্ব জ্ঞাতা। (৩৫) যেতিয়া ইমৰাণৰ পত্নীয়ে কৈছিল- 'হে প্ৰভু, মোৰ গৰ্ভত যি সন্তান আছে, সেয়া সম্পূৰ্ণভাৱে তোমাৰ উদ্দেশ্যে উচৰ্গা কৰিলো। সেয়া মোৰ পৰা গ্ৰহণ কৰা। নিশ্চয় তুমি সৰ্ব শ্ৰোতা, সৰ্বজ্ঞ।' (৩৬) যেতিয়া তেওঁ প্ৰসৱ কৰিলে, তেওঁ ক'লে- 'হে মোৰ প্ৰভু, মই কন্যা সন্তানহে প্ৰসৱ কৰিলোঁ।' তেওঁ যি প্ৰসৱ কৰিছিল, সেয়া আল্লাহৰ ভালকৈয়ে জনা আছিল। পুৰুষ মহিলাৰ লেখীয়া নহয়। 'মই তেওঁৰ নাম মৰিয়ম ৰাখিলো। তেওঁক আৰু তেওঁৰ সন্তান-সন্ততিক অভিশপ্ত চয়তানৰ কবলৰ পৰা তোমাৰ আশ্ৰয়ত অৰ্পণ কৰিলো।' (৩৭) তেওঁৰ প্ৰভুৱে তেওঁক আগ্ৰহেৰে গ্ৰহণ কৰিলে আৰু ভালদৰে গঢ়ি তুলিলে আৰু জাকাৰিয়াক তেওঁৰ তত্ত্বাৱধায়ক কৰিলে। যেতিয়াই জাকাৰিয়াই তেওঁক দেখা

কৰিবলৈ আচুতীয়া কক্ষলৈ যায়, তেতিয়াই তেওঁৰ সন্মুখত খাদ্য-সম্ভাৰ দেখিবলৈ পায়। তেওঁ সোধে- 'হে মৰিয়ম, এইবোৰ তোমালৈ ক'ৰ পৰা আহে?' উত্তৰত কয়- 'এয়া আল্লাহৰ পৰা আহে। নিশ্চয় আল্লাহে যাক ইচ্ছা কৰে তাক অপৰিসীম জীৱিকা দান কৰে।' (৩৮) সেই সময়ত জাকাৰিয়াই তেওঁৰ প্ৰভুক প্ৰাৰ্থনা কৰি ক'লে- 'হে প্ৰভু, তোমাৰ পৰা মোক সুসন্তান দান কৰা। নিশ্চয় তুমিয়েই প্ৰাৰ্থনা শ্ৰৱণকাৰী।' (৩৯) তেওঁ কক্ষত থিয় ৰৈ প্ৰাৰ্থনা কৰি থাকোতেই ফি�ৰিস্তাই তেওঁক সম্বোধন কৰি ক'লে- 'আল্লাহে তোমাক য়াহ্ইয়া সম্পৰ্কে সুসংবাদ দিছে যে তেওঁ আল্লাহৰ বাণীৰ সত্যতা সাব্যস্ত কৰিব। তেওঁ আল্লাহৰ বাণীৰ সমৰ্থক হ'ব, এজন নেতা হ'ব আৰু পুণ্যবান হ'ব আৰু এজন নবী হ'ব।' (৪০) যাকাৰিয়াই ক'লে- 'হে প্ৰভু, কিদৰে মোৰ পুত্ৰ হ'ব? মোক বাৰ্দ্ধক্যই চুলেহি আৰু মোৰ স্ত্ৰীয়ো বন্ধ্যা।' উত্তৰ আহিল- 'তেনেকৈয়ে হ'ব। আল্লাহে যি ইচ্ছ কৰে, তাকে কৰে।' (৪১) তেওঁ ক'লে- 'হে মোৰ প্ৰভু, মোক এটি নিদৰ্শন দান কৰা।' উত্তৰত ক'লে- 'তোমাৰ নিদৰ্শন হ'ল, আকাৰে-ইংগিতেৰে কোৱাৰ বাহিৰে তিনিদিনলৈ মানুহৰ লগত কথা পাতিব নোৱাৰিবা। তোমাৰ প্ৰভুক বেছিকৈ স্মৰণ কৰা। পুৱা-গধূলি তেওঁৰ মহিমা কীৰ্তন কৰা।' (৪২) ফি�ৰিস্তাই মৰিয়মক ক'লে- 'হে মৰিয়ম, আল্লাহে তোমাক মনোনীত কৰিছে, পৱিত্ৰতা দান কৰিছে আৰু সমগ্ৰ পৃথিৱীৰ নাৰীসকলৰ ওপৰত প্ৰাধান্য দি মনোনীত কৰিছে। (৪৩) হে মৰিয়ম, তোমাৰ প্ৰভুৰ অনুগত হোৱা, তেওঁক সাষ্টাংগে প্ৰণিপাত কৰা আৰু আল্লাহৰ আগত শিৰ নত কৰা মানুহৰ লগতে তুমিয়ো নত শিৰ হোৱা।' (৪৪) এয়া অদৃশ্য বিষয়ৰ সংবাদ, ঐশীবাণীৰ মাধ্যমত তোমাক অৱগত কৰিছো। তুমি সিহঁতৰ ওচৰত নাছিলা যেতিয়া সিহঁতে কলম নিক্ষেপ কৰিছিল মৰিয়মৰ পৃষ্ঠপোষক কোন হ'ব তাক নির্ণয় কৰিবলৈ আৰু তুমি সেই সময়তো নাছিলা যেতিয়া সিহঁতে এই বিষয়ে বাক-বিতণ্ডা কৰিছিল। (৪৫) যেতিয়া ফিৰিস্তাসকলে

কৈছিল- 'মৰিয়ম, তোমাৰ প্ৰভুৱে তোমাক তেওঁৰ এটি সুসংবাদ দিছে এটি নিদৰ্শনৰ দ্বাৰা যে তেওঁৰ নাম হ'ব মৰিয়ম পুত্ৰ ঈছা মছীহ। তেওঁ ইহজগত আৰু পৰজগততো মৰ্যাদা সম্পন্ন হ'ব আৰু আল্লাহৰ নৈকট্য প্ৰাপ্তসকলৰ এগৰাকী হ'ব। (৪৬) তেওঁ মানুহৰ লগত কথা পাতিব দোলনাত থকা অৱস্থাত আৰু পূৰ্ণ বয়সতো। তেওঁ পুণ্যবানসকলৰ এগৰাকী হ'ব।' (৪৭) মৰিয়মে ক'লে- 'হে প্ৰভু, কেনেকৈ মোৰ পুত্ৰ হ'ব? কোনো পুৰুষে মোক স্পৰ্শ কৰা নাই।' উত্তৰত ক'লে- 'সেইদৰেই হ'ব। আল্লাহে যি ইচ্ছা কৰে তাকে সৃষ্টি কৰে। আল্লাহে যেতিয়া কোনো কাম কৰাৰ ইচ্ছা কৰে, তেতিয়া মাথোন কয় 'হৈ যা' আৰু সেয়া হৈ যায়।' (৪৮) আল্লাহে তেওঁক ঐশী পুথি, প্ৰজ্ঞাময় কথা, তওৰাত আৰু ইঞ্জিলৰ শিক্ষা দিব, (৪৯) আৰু তেওঁক ৰছুল কৰি পঠিয়াব ইছৰাঈলৰ বংশধৰ সকলৰ প্ৰতি। তেওঁ ক'ব- 'মই তোমালোকৰ ওচৰলৈ তোমালোকৰ প্ৰভুৰ নিদৰ্শন লৈ আহিছো। মই তোমালোকৰ আগত মাটিৰে পক্ষীৰ আকাৰ দি তাত ফু দিওঁ আৰু ই আল্লাহৰ নিদেৰ্শত পক্ষী হৈ পৰে। মই আল্লাহৰ নিৰ্দেশত জন্মান্ধ আৰু কুষ্ঠ ৰোগীক আৰোগ্য কৰোঁ আৰু মই আল্লাহৰ আদেশত মৃতকক জীৱিত কৰোঁ। তোমালোকে কি খাইছা, ঘৰত কি সঞ্চয় কৰিছা, তাকো মই কৈ দিব পাৰো। নিশ্চয় তোমালোকৰ বাবে ইয়াত নিদৰ্শন আছে যদি তোমালোক বিশ্বাস স্থাপনকাৰী হোৱা। (৫০) মই আহিছো মোৰ পূৰ্বে অৱতীৰ্ণ হোৱা পুথি তওৰাতৰ সত্যতা প্ৰতিপন্নকাৰী হিচাবে আৰু এনে কিছুমান বস্তু তোমালোকৰ বাবে বৈধ কৰিব আহিছো, যিবোৰ তোমালোকৰ বাবে অবৈধ কৰা হৈছিল। মই তোমালোকৰ প্ৰভুৰ পৰা তোমালোকৰ বাবে নিদৰ্শন আনিছো। সেয়ে আল্লাহক ভয় কৰা আৰু মোৰ অনুগত হোৱা। (৫১) নিশ্চয় আল্লাহ মোৰো প্ৰভু, তোমালোকৰো প্ৰভু। সেয়ে তেওঁৰেই উপাসনা কৰা। এইটোৱেই সৰল সৎ পথ।'

(৫২) যেতিয়া ঈছাই সিহঁতৰ অস্বীকাৰৰ কথা উপলদ্ধি কৰিছিল,

তেতিয়া ক'লে- 'আল্লাহৰ পথত কোন মোৰ সহায়কাৰী হ'বা ?' অনুসাৰীসকলে সঁহাৰি দি ক'লে- 'আমি আল্লাহৰ সাহায্যকাৰী। আমি আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰিছোঁ। আপুনি সাক্ষী থাকক যে আমি আল্লাহৰ আনুগত্যত আত্মসমৰ্পণকাৰী। (৫৩) হে প্ৰভু, তুমি যি অৱতীৰ্ণ কৰিছা, সেয়া আমি বিশ্বাস কৰিছোঁ আৰু ৰছুলক অনুসৰণ কৰিছোঁ। সেয়ে তুমি আমাৰ নাম সাক্ষ্যদাতাসকলৰ লগত লিখি লোৱা।' (৫৪) সিহঁতে গোপন ষড়যন্ত্ৰ কৰিলে আৰু আল্লাহেও কৌশল কৰিলে। আল্লাহ শ্ৰেষ্ঠতম কৌশলী। (৫৫) আল্লাহে ক'লে- 'হে ঈছা, মই তোমাক ওভতাই আনিম আৰু মোৰ ওচৰলৈ উঠাই আনিম; অস্বীকাৰকাৰীবিলাকৰ পৰা তোমাক পৱিত্ৰ কৰিম। তোমাৰ অনুসাৰী সকলক কিয়ামত পৰ্যন্ত সত্যক অস্বীকাৰ কৰা লোকসকলৰ ওপৰত উচ্চতৰ কৰি ৰাখিম। অৱশেষত মোৰ ওচৰলৈকে সকলোৰে প্ৰত্যাৱৰ্তন আৰু তেতিয়া মই তোমালোকৰ মাজৰ মতভেদৰ বিষয়বোৰ মীমাংসা কৰি দিম। (৫৬) যিবিলাকে সত্যক অস্বীকাৰ কৰিছে, সিহঁতক মই ইহকালত কঠোৰ শাস্তি বিহিম আৰু পৰকালতো বিহিম আৰু সিহঁতক সহায় কৰিবলৈ কোনো নহ'ব। (৫৭) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎ কৰ্ম কৰে তেওঁলোকক পূৰাপূৰিভাৱে পুৰস্কাৰ দিয়া হ'ব। আল্লাহে অন্যায়কাৰীবিলাকক ভাল নাপায়।' (৫৮) এই যিবোৰ আমি তোমাক পাঠ কৰি শুনাইছো, এইবোৰ মোৰ বাণী আৰু জ্ঞানগৰ্ভ হিতোপদেশ।

(৫৯) ঈছাৰ দৃষ্টান্ত আল্লাহৰ ওচৰত আদমৰ দৰে। আল্লাহে তেওঁক মাটিৰ পৰা সৃষ্টি কৰিলে আৰু নিৰ্দেশ দিলে- 'হ' আৰু তেওঁ হৈ গ'ল। (৬০) এয়া তোমাৰ প্ৰভুৰ পৰা পোৱা সত্য কথা; সেয়ে তুমি সন্দেহ পোষণকাৰী নহ'বা। (৬১) তুমি এই জ্ঞান লাভ কৰাৰ পিছতো যদি কোনোৱে এই বিষয়ে তোমাৰ লগত তর্ক-বিতর্ক কৰে, সিহঁতক কোৱা- 'আহা! আমি আমাৰ পুত্ৰ-পৰিবাৰ লৈ আহোঁ আৰু তোমালোকেও তোমালোকৰ পুত্ৰ-

পৰিবাৰ লৈ আহা। আমি আটায়ে মিলি প্ৰাৰ্থনা কৰো যে যি অসত্যবাদী তাৰ ওপৰত আল্লাহৰ অভিসম্পাত হওঁক।' (৬২) এয়া সম্পূৰ্ণ সত্য কাহিনী। আল্লাহ ব্যতীত আন কোনো উপাস্য নাই আৰু আল্লাহ পৰাক্ৰমী, বিজ্ঞ। (৬৩) কিন্তু যদি সিহঁতে মুখ ঘুৰায়, তেনেহ'লে আল্লাহে বিপৰ্যয় সৃষ্টিকাৰী বিলাকক ভালকৈয়ে জানে।

(৬৪) কোৱা- 'হে ঐশীপুথিপ্ৰাপ্তসকল, এনে এটি কথাৰ পিনে আহা য'ত আমাৰ আৰু তোমালোকৰ মিল আছে, সেয়া হ'ল- আমি আল্লাহৰ ব্যতীত আন কাৰো উপাসনা নকৰোঁ, তেওঁৰ লগত কাকো অংশীদাৰ নকৰো আৰু আমাৰ মাজৰ পৰা কোনোৱে আল্লাহৰ বাহিৰে আন কাকো উপাস্য বুলি গ্ৰহণ নকৰোঁ।' সিহঁতে যদি মুখ ঘুৰায়, তেনেহ'লে কোৱা- 'তোমালোক সাক্ষী থাকা যে, আমি আল্লাহৰ আনুগত্যকাৰী।' (৬৫) হে ঐশীপুথিপ্ৰাপ্তসকল, তোমালোকে ইব্ৰাহীম সম্পৰ্কে কিয় তৰ্ক-বিতৰ্ক কৰা? তওৰাত আৰু ইঞ্জিল ইব্ৰাহীমৰ পিছতহে অৱতীৰ্ণ হৈছিল। তোমালোকে এই কথাও নুবুজানে? (৬৬) তোমালোক সেই ব্যক্তি যে, যিবোৰ বিষয়ে তোমালোকৰ জ্ঞান আছিল সেইবোৰ বিষয়তো তৰ্ক-বিতৰ্ক কৰিছিলা; কিন্তু যিবোৰ বিষয়ে তোমালোকৰ কোনো জ্ঞান নাই, সেই লৈ কিয় তৰ্ক-বিতৰ্ক কৰা?' আল্লাহে জানে, তোমালোকে নাজানা। (৬৭) ইব্ৰাহীম ইহুদীয়ো নাছিল, খৃষ্টানো নাছিল; তেওঁ এজন একনিষ্ঠ মুছলিম আছিল আৰু তেওঁ কেতিয়াও অংশীবাদীবিলাকৰ দলভুক্ত নাছিল। (৬৮) ইব্ৰাহীমৰ ঘনিষ্ঠ সেইসকল, যিসকলে তেওঁক অনুসৰণ কৰিছিল আৰু এইজনা নবী আৰু তেওঁৰ অনুসাৰী ঈমানদাৰসকল। আল্লাহ বিশ্বাস স্থাপনকাৰীসকলৰ তত্ত্বাৱধায়ক। (৬৯) ঐশীপুথিপ্ৰাপ্তসকলৰ এটা দলে তোমালোকক বিপথগামী কৰিব বিচাৰে। আচলতে সিহঁতে নিজৰ বাহিৰে আনক বিপথগামী কৰিব নোৱাৰে; কিন্তু সিহঁতে উপলব্ধি কৰিব নোৱাৰে। (৭০) হে ঐশীপুথিপ্ৰাপ্তসকল, তোমালোকে আল্লাহৰ বাণীবোৰ কিয় অস্বীকাৰ

কৰিছা? অথচ তোমালোকেই তাৰ প্ৰত্যক্ষ সাক্ষী। (৭১) হে ঐশীপুথিপ্ৰাপ্ত সকল, কিয় তোমালোকে সত্যক অসত্যৰ লগত মিশ্ৰিত কৰিছা আৰু জানি-বুজি কিয় সত্যক গোপন কৰিছা?

(৭২) ঐশীপুথিপ্ৰাপ্তসকলৰ কিছুমানৰ এজনে আনজনক কয়- 'বিশ্বাস স্থাপনকাৰীসকলৰ প্ৰতি যি অৱতীৰ্ণ কৰা হৈছে, সেয়া তোমালোকে আগবেলা বিশ্বাস কৰিবা আৰু পিছবেলা অস্বীকাৰ কৰিবা। সম্ভৱতঃ সিহঁত (নিজ বিশ্বাসৰপৰা) ঘূৰি আহিব।'

(৭৩) নিজ ধৰ্মমতৰ অনুগত মানুহৰ বাহিৰে আনৰ কথা নামানিবা। কোৱা- 'আল্লাহৰ নিৰ্দেশিত পথেই একমাত্ৰ পথ আৰু তোমালোকক যি দিয়া হৈছিল, সেয়া আনকো দিব পাৰে, নহ'লে আনে তোমালোকৰ প্ৰভুৰ ওচৰত গোচৰ তৰিবলৈ চেলু পাব।' কোৱা- 'সৰ্বতো অনুগ্ৰহ আল্লাহৰ হাতত। সেয়া তেওঁ যাক ইচ্ছা কৰে, দান কৰে। আল্লাহ সৰ্বব্যাপী, সৰ্বজ্ঞ।' (৭৪) তেওঁ যাক ইচ্ছা কৰে, নিজ অনুগ্ৰহৰ বাবে বাছি লয়। আল্লাহ অসীম অনুগ্ৰকাৰী। (৭৫) ঐশীপুথিপ্ৰাপ্তসকলৰ মাজত এনে মানুহো আছে, তুমি তাৰ ওচৰত বিপুল ধন-সম্পদ ৰাখিলেও সি তোমাক ঘূৰাই দিয়ে আৰু সিহঁতৰ মাজত এনে মানুহো আছে, যদি তুমি তাৰ ওচৰত এটি মাত্ৰ ডিনাৰ গচ্ছিত ৰাখা, সি তোমাক সেয়া ঘূৰাই নিদিয়ে; অৱশ্যে তাৰ ওচৰত দণ্ডায়মান হৈ থাকিলে ঘূৰাই দিব পাৰে। ইয়াৰ কাৰণ হ'ল, সিহঁতে কয়- 'উম্মীসকলৰ (অশিক্ষিত) প্ৰতি আমাৰ কোনো দায়িত্ব নাই।' সিহঁতে জানি-শুনি আল্লাহৰ প্ৰতি অসত্য আৰোপ কৰে। (৭৬) অৱশ্যে যি নিজ অংগীকাৰ পূৰণ কৰে আৰু আল্লাহক ভয় কৰে, এনে খোদাভীৰু মানুহক আল্লাহে ভাল পায়।

(৭৭) যিবিলাকে আল্লাহৰ লগত কৰা প্ৰতিশ্ৰুতি আৰু নিজ প্ৰতিজ্ঞাসমূহ সামান্য মূল্যত বিক্ৰী কৰে, সিহঁতৰ কাৰণে পৰকালত কোনো অংশ নাই। কিয়ামতৰ দিনা আল্লাহে সিহঁতৰ লগত কথা নাপাতে, সিহঁতৰ প্ৰতি দৃষ্টিয়ো

নিদিয়ে আৰু সিহঁতক শুচিও নকৰে। সিহঁতৰ কাৰণে আছে যন্ত্ৰণাদায়ক শাস্তি। (৭৮) সিহঁতৰ মাজত এনে কিছুমান মানুহ আছে, যিবিলাকে পুথি পাঠ কৰাৰ সময়ত জিভা বিকৃত কৰি এনেভাৱে পাঠ কৰে যে, তোমালোকৰ ধাৰণা হ'ব সিহঁতে পুথিৰ মূল অংশ পাঠ কৰিছে, অথচ সেয়া পুথিৰ অংশ নহয়। কিন্তু সিহঁতে কয়- 'এয়া আল্লাহৰ পৰা প্ৰাপ্ত।' সেয়া আল্লাহৰ পৰা প্ৰাপ্ত নহয়। সিহঁতে জানি-বুজি আল্লাহৰ প্ৰতি অসত্য আৰোপ কৰিছে। (৭৯) কোনো মানুহৰ পক্ষে সম্ভৱ নহয় যে আল্লাহে তেওঁক কিতাব, বিবেক-বুদ্ধি আৰু নবুৱত দান কৰাৰ পিছতো তেওঁ মানুহক ক'ব- 'তোমালোকে আল্লাহৰ পৰিৱৰ্তে মোৰ দাস হোৱা'; ৰৰং তেওঁ এনেকৈ ক'ব- 'তোমালোক প্ৰভুভক্ত হোৱা; কিয়নো তোমালোকে আনকো কিতাবৰ শিক্ষা দিয়া আৰু নিজেও সেয়া অধ্যয়ন কৰা।' (৮০) তেওঁ তোমালোকক এই নিৰ্দেশ নিদিয়ে যে ফিৰিস্তাসকলক আৰু পয়গাম্বৰসকলক প্ৰতিপালক হিচাবে গ্ৰহণ কৰা। তোমালোক মুছলিম হোৱাৰ পিছত তেওঁ তোমালোকক অস্বীকাৰকাৰী হ'বলৈ আদেশ দিবনে?

(৮১) আল্লাহে নবীসকলৰ পৰা এই প্ৰতিশ্ৰুতি লৈছিল- 'আজি মই যি পুথি আৰু জ্ঞান-বুদ্ধি দান কৰিছো, কাইলৈ যদি কোনো নবী আহে আৰু তোমালোকৰ ওচৰত যিবোৰ আছে তাৰ সত্যতা সাব্যস্ত কৰে, তেনেহ'লে তেওঁৰ প্ৰতি বিশ্বাস স্থাপন কৰিবা আৰু তেওঁক সহায় কৰিবা। আল্লাহে সুধিলে- 'তোমালোকে এয়া মানিবানে আৰু প্ৰতিশ্ৰুতিৰ গুৰু দায়িত্ব পালন কৰিবানে?' তেওঁলোকে ক'লে- 'হয়, আমি প্ৰতিশ্ৰুতি দিলো।' আল্লাহে ক'লে- 'তেনেহ'লে তোমালোক সাক্ষী থাকা আৰু ময়ো তোমালোকৰ লগত সাক্ষী থাকিলো।' (৮২) ইয়াৰ পিছত যিবিলাকে মুখ ঘূৰায়, সিহঁত দূৰন্ত দুৰাচাৰ। (৮৩) এই মানুহবিলাকে আল্লাহৰ ধৰ্ম পৰিত্যাগ কৰি আন ধৰ্ম গ্ৰহণ কৰিব বিচাৰেনে? অথচ আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলোৱেই ইচ্ছাই হওক বা অনিচ্ছাই হওক আল্লাহৰ ওচৰত আত্মপমৰ্পণ কৰিছে। সিহঁতক তেওঁৰ

ওচৰলৈ ঘূৰাই নিয়া হ'ব। (৮৪) কোৱা- 'আমি আল্লাহৰ ওপৰত বিশ্বাস স্থাপন কৰিছো আৰু যিবোৰ আমাৰ ওপৰত অৱতীৰ্ণ হৈছে আৰু ইব্ৰাহীম, ইছমাইল, ইছহাক, ইয়াকুব আৰু ইয়াকুবৰ বংশধৰসকলৰ প্ৰতি যি অৱতীৰ্ণ কৰা হৈছে তাৰ প্ৰতিও। সেইবোৰৰ প্ৰতিও বিশ্বাস স্থাপন কৰিছো যিবোৰ মূছা, ঈছা আৰু অন্যান্য পয়গাম্বৰসকলক আল্লাহৰ তৰফৰ পৰা দিয়া হৈছিল। আমি তেওঁলোকৰ মাজত কাকো পাৰ্থক্য নকৰো আৰু আমি তেওঁৰ ওচৰতেই স্বতঃস্ফূৰ্তভাৱে আত্মসমৰ্পণ কৰিছো।' (৮৫) যদি কোনোৱে ইছলাম ব্যতীত আন পন্থা অৱলম্বন কৰিব বিচাৰে, তাৰ সেয়া কদাপিও গ্ৰহণ কৰা নহ'ব আৰু পৰকালত সি ক্ষতিগ্ৰস্ত হ'ব। (৮৬) আল্লাহে সিহঁতক কিয় সুপথ দেখুৱাব, যিবিলাকে ঈমান অনাৰ পিছত অস্বীকাৰকাৰী হৈ পৰিছে। অথচ সিহঁতে নিজেই সাক্ষী দিছে যে, এইজন ৰছুল সত্য আৰু সিহঁতলৈ স্পষ্ট নিদৰ্শনবোৰো আহিছে। আল্লাহে অন্যায়কাৰীবিলাকক সুপথ নেদেখুৱায়। (৮৭) এনে মানুহৰ শাস্তি হ'ল, সিহঁতৰ ওপৰত আল্লাহ, ফিৰিস্তা আৰু সকলো মানুহৰেই অভিশম্পাত; (৮৮) এনে অৱস্থাত সিহঁতে চিৰদিন থাকিব। সিহঁতৰ শাস্তি লঘু কৰা নহ'ব আৰু সিহঁতক অৱকাশো দিয়া নহ'ব। (৮৯) অৱশ্যে যিসকলে অনুতপ্ত হয় আৰু নিজকে সংশোধন কৰি লয়, নিশ্চয় আল্লাহ অতি ক্ষমাশীল, দয়াময়। (৯০) কিন্তু যিবিলাকে ঈমান অনাৰ পিছত অবিশ্বাসৰ পথ অৱলম্বন কৰে আৰু অবিশ্বাসৰ পথত অগ্ৰসৰ হৈ থাকে, সিহঁতৰ ক্ষমা প্ৰাৰ্থনা কদাপিও গৃহীত নহ'ব। এনে মানুহবিলাকেই বিপথগামী। (৯১) যিবিলাকে অবিশ্বাসৰ পথ লৈছে আৰু অবিশ্বাসকাৰী অৱস্থাতে প্ৰাণ ত্যাগ কৰিছে, সিহঁতে নিজকে শাস্তিৰ পৰা বচাবৰ বাবে পৃথিৱীভৰা সোণ বিনিময় হিচাবে দিলেও সেয়া গৃহীত নহ'ব। সিহঁতৰ বাবে যন্ত্ৰণাদায়ক শাস্তি আছে আৰু সিহঁতে কোনো সাহায্যকাৰী নাপাব।

(৯২) তোমালোকে কেতিয়াও পুণ্য লাভ কৰিব নোৱাৰিবা যেতিয়ালৈকে তোমালোকে ভাল পোৱা বস্তুবোৰৰ পৰা ব্যয় নকৰা।

তোমালোকে যি ব্যয় কৰা, সেয়া আল্লাহৰ অৱগত। (৯৩) সকলো ধৰণৰ খাদ্য-দ্ৰব্যই ইছৰাঈল বংশধৰসকলৰ কাৰণেও বৈধ আছিল; কিন্তু তওৰাত অৱতীৰ্ণ হোৱাৰ পূৰ্বে ইছৰাঈলসকলে কিছুমান বস্তু নিজৰ ওপৰতে অবৈধ কৰি লৈছিল। সিহঁতক কোৱা- 'তওৰাত আনা আৰু পাঠ কৰা, যদি তোমালোকে সঁচা বুলি ভাবা।' (৯৪) ইয়াৰ পিছতো যিবিলাকে মিছা ৰচনা কৰি সেয়া আল্লাহৰ বাণী বুলি প্ৰচাৰ কৰে, সিহঁতেই অন্যায়কাৰী। (৯৫) কোৱা- 'আল্লাহে সত্য কথা কৈছে। তোমালোক সকলোৱে একনিষ্ঠভাৱে ইব্ৰাহীমৰ পথ অনুসৰণ কৰা। তেওঁ অংশীবাদী নাছিল।' (৯৬) নিশ্চয় বাক্কাত (মক্কাত) থকা ঘৰটোকেই মানুহৰ বাবে প্ৰথম উপাসনালয় হিচাবে সজোৱা হৈছিল। ইয়াক কল্যাণকৰ কৰি সমগ্ৰ বিশ্ববাসীৰ বাবে হিদায়তৰ কেন্দ্ৰ কৰা হৈছে। (৯৭) ইয়াত সুস্পষ্ট নিদৰ্শনসমূহ আছে, ইয়াতে ইব্ৰাহীম থিয় হৈছিল। এই ঘৰত যিয়ে প্ৰৱেশ কৰে, সি নিৰাপত্তা লাভ কৰে। আল্লাহৰ প্ৰতি মানুহৰ কৰ্তব্য হ'ল এই ঘৰলৈ অহাৰ যাৰ সামৰ্থ আছে, সি ইয়াত হজ কৰিব। যিয়ে অস্বীকাৰ কৰে, জানি থোৱা আল্লাহ পৃথিৱীবাসীৰ ওপৰত নিৰ্ভৰশীল নহয়। (৯৮) কোৱা- 'হে ঐশীপুথিপ্ৰাপ্তসকল, তোমালোকে আল্লাহৰ নিদৰ্শনসমূহ কিয় অস্বীকাৰ কৰিছা? তোমালোকে যি কাজ-কৰ্ম কৰি আছা, সেয়া আল্লাহে প্ৰত্যক্ষ কৰি আছে।' (৯৯) কোৱা- 'হে ঐশীপুথিপ্ৰাপ্তসকল, যিসকলে ঈমান আনিছে কিয় তোমালোকে তেওঁলোকক আল্লাহৰ পথত বাধা দিছা? তোমালোকে তাত বক্ৰতাৰ সন্ধান কৰিছা; অথচ তোমালোক নিজেই তাৰ সাক্ষী আছা। তোমালোকৰ কাৰ্যাৱলী সম্পৰ্কে আল্লাহ অমনোযোগী নহয়।'

(১০০) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে যদি ঐশীপুথিপ্ৰাপ্ত সকলৰ কোনো এটা দলক অনুসৰণ কৰা, তেনেহ'লে সিহঁতে তোমালোকক বিশ্বাস স্থাপন কৰাৰ পিছত আকৌ অবিশ্বাসৰ পথলৈ ঘূৰাই নিব; (১০১) কিন্তু এতিয়া তোমালোকে কি দৰে অস্বীকাৰ কৰিবা, যিহেতু তোমালোকক আল্লাহৰ

বাণী পাঠ কৰি শুনোৱা হৈছে আৰু তোমালোকৰ মাজত তেওঁৰ ৰছুল বিদ্যমান আছে? যিজনে আল্লাহক দৃঢ়ভাৱে ধৰিব, তাক নিশ্চয় সঠিক পথ প্রদর্শিত কৰা হ'ব। (১০২) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহক ভয় কৰা, যিদৰে তেওঁক ভয় কৰা উচিত আৰু তোমালোক মুছলিম হৈ থকা অৱস্থাত যেন তোমালোকৰ মৃত্যু হয়। (১০৩) তোমালোক আটায়ে মিলি আল্লাহৰ ৰছীত দৃঢ়তাৱে খামুচি ধৰা আৰু বিচ্ছিন্ন নহ'বা। তোমালোকক দিয়া আল্লাহৰ অনুগ্রহবোৰ স্মৰণ কৰা, তোমালোক এজন আনজনৰ শত্রু আছিলা, তেওঁ তোমালোকৰ অন্তৰত প্রীতি সঞ্চাৰ কৰিলে আৰু তেওঁৰ অনুগ্রহতেই তোমালোক পৰস্পৰ ভাতৃ হ'লা। তোমালোক অগ্নিকুণ্ডৰ নিচেই কাষত আছিলা, তাৰপৰা তেওঁ তোমালোকক উদ্ধাৰ কৰিলে। এইদৰে আল্লাহে তেওঁৰ নিদর্শনবোৰ তোমালোকৰ আগত স্পষ্টভাৱে দাঙি ধৰিছে যাতে তোমালোকে সঠিক দিশ লাভ কৰিব পাৰা।

(১০৪) তোমালোকৰ মাজত এনে এটা দল হোৱা উচিত, যি ভালৰ প্রতি আহ্বান জনাব, সৎ কামৰ নির্দেশ দিব, অসৎ কামৰ পৰা বিৰত ৰাখিব। যিসকলে এনে কৰিব, সিহঁতেই সার্থক হ'ব। (১০৫) তোমালোক সিহঁতৰ দৰে নহ'বা, যিবিলাক ভিন ভিন দলত বিভক্ত হ'ল আৰু স্পষ্ট নিদর্শন পোৱাৰ পিছতো সিহঁতৰ মতবিৰোধ সৃষ্টি হ'ল। সিহঁতে কঠোৰ শাস্তি ভুগিব লাগিব। (১০৬) সিদিনা কিছুমানৰ চেহেৰা উজ্বল হ'ব আৰু কিছুমানৰ চেহেৰা মলিন হ'ব। যিবিলাকৰ চেহেৰা মলিন হ'ব, সিহঁতক কোৱা হ'ব- 'তোমালোকে বিশ্বাস স্থাপন কৰাৰ পিছতো কিয় অবিশ্বাসৰ পথ অৱলম্বন কৰিছিলা? সেই অবিশ্বাসৰ ফল স্বৰূপে এতিয়া শাস্তিৰ সোৱাদ লোৱা।' (১০৭) যিসকলৰ চেহেৰা উজ্বল হ'ব, তেওঁলোক আল্লাহৰ কৰুণাৰ আশ্রয়ত থাকিব আৰু তাতে তেওঁলোক চিৰকাল থাকিব। (১০৮) এইবোৰ আল্লাহৰ বাণী, যিবোৰ আমি সম্পূর্ণ সত্যতাৰে তোমালোকক পাঠ কৰি শুনাইছো। আল্লাহে জগতবাসীৰ অন্যায়

কৰিবলৈ ইচ্ছা নকৰে। (১০৯) আকাশমণ্ডল আৰু পৃথিৱীৰ সকলো বস্তুৰ গৰাকী আল্লাহ আৰু আল্লাহৰ পিনেই যাৱতীয় সকলো বিষয় প্ৰত্যাৱৰ্তিত হ'ব।

(১১০) তোমালোকেই পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ সম্প্ৰদায়। তোমালোকক মানুহৰ সংস্কাৰৰ বাবে উদ্ভূত কৰা হৈছে। তোমালোকে সৎ কামৰ আদেশ দিয়া, অসৎ কাম নিষেধ কৰা আৰু আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰা। ঐশীপুথি প্ৰাপ্তসকলে যদি বিশ্বাস স্থাপন কৰে, সিহঁতৰেই কল্যাণ হ'ব। সিহঁতৰ মাজত কিছুমান বিশ্বাস স্থাপনকাৰী পোৱা যায় যদিও সিহঁতৰ অধিকাংশই মহা পাতকী। (১১১) সামান্য কষ্ট দিয়াৰ ব্যতীত সিহঁতে তোমালোকৰ কোনো ক্ষতি কৰিব নোৱাৰে। সিহঁতে যদি তোমালোকৰ সন্মুখ সমৰত অৱতীৰ্ণ হয়, সিহঁতে তোমালোকক পৃষ্ঠ প্ৰদৰ্শন কৰিব আৰু সিহঁত ইমান নিঠৰুৱা হ'ব যে কোনো ফালৰ পৰা সহায় নাপাব। (১১২) য'তেই সিহঁতক পোৱা যায়, ত'তে সিহঁতৰ বাবে লাঞ্ছনা নিহিত। অৱশ্যে কৰবাত আল্লাহ আৰু মানুহৰ আশ্ৰয় লাভ কৰিলে সেয়া অন্য কথা। সিহঁতে আল্লাহৰ অভিশাপ অৰ্জন কৰিছে। সিহঁতৰ ওপৰত দু�ৰাৱস্থা জাপি দিয়া হৈছে; কিয়নো সিহঁতে দৃঢ়তাৰে আল্লাহৰ নিদৰ্শনসমূহ অস্বীকাৰ কৰিছিল আৰু নবীসকলক অন্যায়ভাৱে হত্যা কৰিছিল। এয়া সিহঁতৰ অবাধ্যতা আৰু সীমা অতিক্ৰম কৰাৰ পৰিণতি মাথোন।

(১১৩) কিন্তু সকলো ঐশীপুথিপ্ৰাপ্ত মানুহ একে নহয়। সিহঁতৰ কিছুমান নিজ প্ৰতিজ্ঞাত অটল। তেওঁলোকে আল্লাহৰ পুথি পাঠ কৰি তেওঁৰ সন্মুখত ছিজদাহ কৰি ৰাতি কটায়, (১১৪) আল্লাহ আৰু পৰকালক বিশ্বাস কৰে, সৎ কৰ্মৰ আদেশ দিয়ে, অসৎ কৰ্ম নিষেধ কৰে আৰু কল্যাণকৰ কামত তৎপৰ হৈ থাকে। এওঁলোকেই ন্যায়পৰায়ণ লোক। (১১৫) তেওঁলোকে যি পুণ্যৰ কাম কৰে, সেয়া কেতিয়াও প্ৰত্যাখ্যান কৰা নহ'ব। আল্লাহে পুণ্যবানসকলক

ভালকৈয়ে জানে। (১১৬) যিবিলাকে সত্যক অস্বীকাৰ কৰিছে, সিহঁতৰ ধন-সম্পত্তি আৰু সন্তান-সন্ততি আল্লাহৰ মোকাবিলাত কোনো কামত নাহিব। সিহঁতেই নৰকবাসী আৰু তাত সিহঁত চিৰকাল থাকিব। (১১৭) এই পার্থিৰ জীৱনত সিহঁতে যি ব্যয় কৰে, তাৰ তুলনা কৰিব পাৰি এনে এছাতি বতাহৰ লগত যি বতাহে অতিশয় ঠাণ্ডা হিম লৈ আহে আৰু নিজৰ প্রতি অন্যায় কৰা কিছুমান মানুহৰ শস্যৰ ওপৰেদি প্রবাহিত হৈ শস্যবোৰ নষ্ট কৰে। আল্লাহে সিহঁতক অন্যায় কৰা নাই, সিহঁতে নিজেই নিজৰ অন্যায় সাধি লৈছে।

(১১৮) হে বিশ্বাসস্থাপনকাৰীসকল, (নিজ দলৰ) বাহিৰৰ মানুহক অন্তৰংগ বন্ধু কৰি নল'বা; সিহঁতে তোমালোকৰ ক্ষতি সাধিবলৈ চেষ্টাৰ ত্রুটি নকৰে। তোমালোকে কষ্ট ভোগ কৰিলে সিহঁতে সন্তোষ পায়। সিহঁতৰ প্রতিহিংসা সিহঁতৰ মুখেৰেই প্রকাশ পায় আৰু সিহঁতে অন্তৰত যি লুকাই ৰাখিছে সেয়া অধিক গুৰুতৰ। আমি আমাৰ নিদর্শনবোৰ তোমালোকৰ আগত স্পষ্ট কৰি দিছো যদি তোমালোকৰ জ্ঞান-বোধ আছে? (১১৯) তুমি সিহঁতক ভাল পোৱা; কিন্তু সিহঁতে তোমাক ভাল নাপায়, যদিও তোমালোকে সকলো ঐশীপুথিক স্বীকাৰ কৰা। যেতিয়া সিহঁতে তোমাক লগ পায়, তেতিয়া কয়- 'আমি বিশ্বাস স্থাপন কৰিছো'; কিন্তু যেতিয়া সিহঁতে পৰস্পৰে মিলিত হয়, তেতিয়া সিহঁতে তোমালোকৰ প্রতি ক্রোধত নিজৰ আঙুলি কামুৰিবলৈ লয়। কোৱা- 'নিজৰ ক্রোধত মৰ।' নিশ্চয় অন্তৰৰ গুপুত কথাবোৰো আল্লাহৰ অৱগত। (১২০) তোমালোকৰ কল্যাণ হ'লে সিহঁতে বেজাৰ পায় আৰু তোমালোকৰ ওপৰত বিপদ আহিলে, সিহঁত উল্লাসিত হয়। যদি তোমালোকে ধৈর্য ধৰা আৰু আল্লাহলৈ ভয় কৰা, তেনেহ'লে সিহঁতৰ চক্রান্তই তোমালোকৰ সামান্যতমো ক্ষতি কৰিব নোৱাৰে। সিহঁতে যি কৰি আছে, সেই সকলোবোৰ আল্লাহে পৰিবেষ্টন কৰি আছে।

(১২১) তুমি যেতিয়া দোকমোকালিতে ঘৰৰ পৰা ওলাই গৈছিলা

আৰু মুছলমানসকল যুদ্ধ ক্ষেত্ৰত কোন ক'ত থাকিব তাৰ নিৰ্দেশ দিছিলা। আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ। (১২২) যেতিয়া তোমালোকৰ মাজৰ দুটা দলে হতাশ হোৱাৰ উপক্ৰম হৈছিল, অথচ আল্লাহ সিহঁতৰ সহায়ক আছিল। মু'মিনসকলে আল্লাহৰ ওপৰতেই নিৰ্ভৰ কৰা উচিত। (১২৩) বদৰৰ যুদ্ধত আল্লাহে তোমালোকক সহায় কৰিছিল, যেতিয়া তোমালোক দুৰ্বল আছিলা। আল্লাহক ভয় কৰা। সম্ভৱতঃ তোমালোক কৃতজ্ঞ হ'ব পাৰিবা। (১২৪) (স্মৰণ কৰা) যেতিয়া তুমি মু'মিনসকলক কৈছিলা- 'এয়াই যথেষ্ট নহনে যে তোমালোকৰ প্ৰভুৱে তিনি হাজাৰ ফিৰিস্তা পঠিয়াই তোমালোকক সহায় কৰিব?' (১২৫) যদি তোমালোকে ধৈৰ্য ধাৰণ কৰি থাকা আৰু আল্লাহক ভয় কৰি থাকা আৰু শত্ৰুদলে আহি অতৰ্কিতে আক্ৰমণ কৰে, তেনেহ'লে তোমালোকৰ প্ৰভুৱে পাঁচ হাজাৰ চিহ্নিত ফিৰিস্তাৰ দ্বাৰা তোমালোকক সাহায্য কৰিব। (১২৬) এই শুভ সংবাদ আল্লাহে তোমালোকক এইবাবে জনাই দিছে যাতে তোমালোকৰ অন্তৰ আশ্বস্ত হয়। সাহায্য কেৱল আল্লাহৰ পৰাই আহে, যিজন পৰাক্ৰমী, সৰ্বজ্ঞানী। (১২৭) যাতে অস্বীকাৰকাৰীবিলাকৰ এটা অংশ বিচ্ছিন্ন হয় নাইবা সিহঁতক এনেভাৱে লাঞ্ছিত কৰিব যে সিহঁত নিৰাশ হৈ ঘূৰি যাব। (১২৮) এই বিষয়ত তুমি কোনো ৰায় দিব নোৱাৰা। হয় আল্লাহে সিহঁতৰ প্ৰতি সদয় হ'ব, নহয় তেওঁ সিহঁতক শাস্তি দিব। কিয়নো সিহঁত অন্যায়পৰায়ণ। (১২৯) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সেয়া সকলো আল্লাহৰ। তেওঁ যাক ইচ্ছা কৰে, তাক ক্ষমা কৰে আৰু যাক ইচ্ছা কৰে, তাক শাস্তি বিহে। আল্লাহ ক্ষমাশী, দয়ালু।

(১৩০) হে বিশ্বাস স্থাপনকাৰীসকল, সুত লৈ কেবাগুণো বৃদ্ধি কৰি নাখাবা আৰু আল্লাহক ভয় কৰা যাতে তোমালোক সাফল্য মণ্ডিত হোৱা; (১৩১) নিজকে সেই অগ্নিৰ পৰা আত্মৰক্ষা কৰা, যি অগ্নি অস্বীকাৰকাৰী বিলাকৰ কাৰণে প্ৰস্তুত কৰা হৈছে। (১৩২) আল্লাহ আৰু ৰছুলৰ আদেশ মানি

চলা যাতে তোমালোকে কৃপা লাভ কৰিব পাৰা। (১৩৩) খৰধৰ কৰা তোমালোকৰ প্ৰভুৰ ক্ষমা লভিবলৈ আৰু সেই জান্নাতৰ বাবে যাৰ প্ৰশস্ততা আকাশ আৰু পৃথিৱী জুৰি আছে আৰু সেয়া আল্লাহক ভয় কৰোতা সকলৰ বাবে প্ৰস্তুত কৰা হৈছে। (১৩৪) যিসকলে ব্যয় কৰে, সচ্ছল অৱস্থাতেই হওক বা অসচ্ছল অৱস্থাতেই হওক, যিসকলে ক্ৰোধ সম্বৰণ কৰে আৰু আনৰ প্ৰতি ক্ষমাশীল হয়, আল্লাহে এনে সাত্বিক মানুহক ভাল পায়। (১৩৫) আৰু এনে মানুহক যিসকলে প্ৰকাশ্যে কোনো অপকৰ্ম কৰে অথবা নিজৰ ওপৰতে অন্যায় কৰে আৰু লগে লগে আল্লাহক সুঁৱৰি নিজৰ পাপৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰে। আল্লাহৰ বাহিৰে পাপ মোচন কৰিব পৰা আন কোন আছে? আৰু যিসকলে জানি-বুজি নিজৰ ভুলৰ ওপৰত জিদ ধৰি নাথাকে, (১৩৬) তেওঁলোকৰ পুৰস্কাৰ হ'ল তেওঁলোকৰ প্ৰভুৰ ক্ষমা আৰু এনে জান্নাত যাৰ মাজেৰে প্ৰবাহিত হৈ থাকে নিজৰা, য'ত তেওঁলোক চিৰকাল থাকিব। কিমান উত্তম এই পুৰস্কাৰ সৎ কৰ্ম কৰা মানুহৰ বাবে। (১৩৭) তোমালোকৰ পূৰ্বে বহু দৃষ্টান্ত অতীত হৈ গ'ল, তোমালোকে পৃথিৱীত ঘূৰি-পকি চোৱা, সত্য অস্বীকাৰকাৰীবিলাকৰ কি দশা হ'ল! (১৩৮) এয়া (কুৰআন) মানুহৰ বাবে স্পষ্ট বিবৃতি আৰু পথ নিৰ্দেশনা আৰু হিতোপদেশ খোদাভীৰু মানুহৰ বাবে।

(১৩৯) মনোবল নেহেৰুৱাবা আৰু বিষণ্ণও নহ'বা, তোমালোকে বিজয়ী হ'বা যদি তোমালোক বিশ্বাস স্থাপনকাৰী হোৱা; (১৪০) তোমালোকে যদি আঘাত পাইছা, তেনেহ'লে শত্ৰুপক্ষও তেনেদৰে আঘাত পাইছিল। এনেদৰে দিনবোৰ মানুহৰ মাজত আৱৰ্তিত কৰি ৰাখো যাতে আল্লাহে জানিব পাৰে তোমালোকৰ প্ৰকৃত ঈমানদাৰ কোন আৰু তোমালোকৰ কাক সাক্ষী হিচাবে ল'ব পাৰে? আল্লাহে অন্যায়কাৰীবিলাকক ভাল নাপায়। (১৪১) আৰু যাতে আল্লাহে মু'মিনসকলক বাচি উলিয়াব পাৰে আৰু অস্বীকাৰকাৰীবিলাকক ধ্বংস কৰিব পাৰে। (১৪২) তোমালোকে ভাবানে এনেয়ে জান্নাতত প্ৰৱেশ কৰিবা,

অথচ আল্লাহে এতিয়ালৈকে পৰীক্ষা কৰা নাই যে তোমালোকৰ কোন আল্লাহৰ পথত প্ৰাণপণে যুঁজিবলৈ সাজু আৰু কোন অবিচল হৈ থাকিব? (১৪৩) তোমালোকে মৃত্যুৰ কামনা কৰিছিলা মৃত্যুৰ সন্মুখীন হোৱাৰ পূৰ্বেই আৰু এতিয়া তোমালোকে এয়া স্বচক্ষে দেখিবলৈ পাইছা।

(১৪৪) মুহাম্মদ কেৱল মাথোন এজন ৰছুল। তেওঁৰ পূৰ্বে বহু ৰছুল অতীত হৈ গৈছে। যদি তেওঁৰ মৃত্যু হয় বা তেওঁক হত্যা কৰা হয়, তেনেহ'লে তোমালোকে উভতি খোজ ল'বা নেকি? যি ব্যক্তিয়ে উভতি যায়, সি কদাপিও আল্লাহৰ কোনো ক্ষতি সাধিব নোৱাৰে আৰু আল্লাহে কৃতজ্ঞসকলক পুৰস্কৃত কৰিব। (১৪৫) আল্লাহৰ অনুমতি বিনে কোনো প্ৰাণীয়ে মৃত্যু বৰণ কৰিব নোৱাৰে নিৰ্ধাৰিত ক্ষণ ব্যতীত। যিজনে পাৰ্থিৱ ফল বিচাৰে, আমি তাক সেয়া এই পৃথিৱীৰ পৰাই দিওঁ আৰু যিজনে পৰকালৰ সুফল বিচাৰে, আমি তাক পৰকালত দিও। কৃতজ্ঞ লোকসকলক অৱশ্যই আমি পুৰস্কৃত কৰিম। (১৪৬) কিমান যে নবী আছিল, যিসকলৰ লগত মিলি বহুতো খোদাভক্ত মানুহে ৰণ দিছিল। আল্লাহৰ পথত তেওঁলোকে যি বিপদৰ সন্মুখীন হৈছিল তাৰ বাবে তেওঁলোকে মনোবল হেৰুৱা নাছিল, দুৰ্বলতাও প্ৰকাশ কৰা নাছিল আৰু নতি স্বীকাৰ কৰা নাছিল। আল্লাহে ধৈৰ্যশীল মানুহক ভাল পায়। (১৪৭) তেওঁলোকৰ প্ৰাৰ্থনা মাথোন এয়ে আছিল- 'হে আমাৰ প্ৰভু, আমাৰ পাপবোৰ মাৰ্জনা কৰা, আমাৰ কাম-কাজত তুমি নিৰ্দিষ্ট কৰি দিয়া যি সীমা লংঘন কৰিছো তাৰ বাবে ক্ষমা কৰা, আমাৰ পদ সুদৃঢ় কৰি ৰাখা আৰু সত্য অস্বীকাৰকাৰীবিলাকৰ বিৰুদ্ধে আমাক সহায় কৰা।' (১৪৮) আল্লাহে তেওঁলোকক ইহকালতো পুৰস্কৃত কৰিলে আৰু পৰকালতো উত্তম পুৰস্কাৰ দিব। আল্লাহে এনে সৎ কৰ্মী মানুহক ভাল পায়।

(১৪৯) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে যদি অবিশ্বাসকাৰী বিলাকৰ কথা মানি চলা, তেনেহ'লে তোমালোকক আকৌ উভতাই লৈ যাব

আৰু তোমালোক ক্ষতিগ্ৰস্ত হ'বা। (১৫০) প্ৰকৃততে আল্লাহ তোমালোকৰ সহায়ক আৰু তেৱেঁই সৰ্বশ্ৰেষ্ঠ সাহায্যকাৰী। (১৫১) আমি অবিশ্বাসকাৰীবিলাকৰ অন্তৰত ভীতি সঞ্চাৰ কৰি দিম; কিয়নো সিহঁতে আল্লাহৰ লগত এনেবোৰক অংশী কৰিছে, যাৰ সম্পৰ্কে কোনো চনদ অৱতীৰ্ণ কৰা নাই। জাহান্নামেই সিহঁতৰ বাসস্থল। (১৫২) আল্লাহে তোমালোকক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিলে। তোমালোকে আল্লাহৰ আদেশত বিজয়ী হোৱাৰ উপক্ৰম হৈছিলা; কিন্তু তোমালোকে উদ্যম হেৰুৱালা আৰু নিজ কৰ্মৰ প্ৰতি পৰস্পৰৰ মাজত মতানৈক্যৰ সৃষ্টি কৰিলা আৰু (ৰছুলৰ কথা) অমান্য কৰিলা; অথচ আল্লাহে তোমালোকৰ আকাঙ্খিত বস্তুৰ আভাষ দেখু�ৱাইছিল, যিবোৰ তোমালোকে বিচাৰিছিলা। তোমালোকৰ কিছুমান পাৰ্থিৱ সম্পদৰ অভিলাষী আছিলা আৰু কিছুমান পৰকালৰ অভিলাষী আছিলা। আল্লাহে তোমালোকক যাতে পৰীক্ষা কৰিব পাৰে তাৰ বাবে শত্ৰুক পৰাজিত কৰাৰ পৰা তোমালোকক বিৰত ৰাখিলে। কিন্তু আল্লাহে তোমালোকক মাৰ্জনা কৰিলে। আল্লাহ মু'মিনসকলৰ প্ৰতি বৰ অনুগ্ৰহশীল। (১৫৩) যেতিয়া তোমালোকে পলায়ন কৰিছিলা আৰু উভতি চোৱাৰ অৱকাশো নাছিল, অথচ ৰছুলে তোমালোকক পিছ ফালৰ পৰা মাতি আছিল। আল্লাহে তোমালোকক দুখৰ ওপৰি দুখ দিলে যাতে যিবোৰ তোমালোকৰ হাতৰ পৰা যায় আৰু যিবোৰ বিপদত পৰা তাৰ বাবে মৰ্মাহত নোহোৱা। তোমালোকৰ কাম-কাজ সম্পৰ্কে আল্লাহ অৱহিত।

(১৫৪) দুখ-দৈন্যৰ পিছতো আল্লাহে তোমালোকৰ কিছুমানক এনে প্ৰশান্তি দান কৰিলে শান্তিময় তন্দ্ৰাচ্ছন্নৰ দ্বাৰা আৰু আন কিছুমানে নিজৰ জীৱনকলৈ উদ্বিগ্ন আছিল। সিহঁতে আল্লাহ সম্পৰ্কে অজ্ঞতা যুগৰ ধাৰণা পোষণ কৰিছিল। সিহঁতে সুধিছিল- 'এই বিষয়ত আমাৰো কিবা হাত আছেনে?' সিহঁতক কোৱা- 'সকলো কৰ্তৃত্ব আল্লাহৰ হাততহে আছে।' সিহঁতে নিজ অন্তৰত এনেবোৰ কথা গোপন কৰিছে সেয়া তোমাৰ আগত প্ৰকাশ নকৰে। সিহঁতে

কয়- 'এই বিষয়ত আমাৰ যদি হাত থাকিলহেঁতেন, তেনেহ'লে আমি কোনোৱে ইয়াত নিহত নহ'লোহেঁতেন।' সিহঁতক কোৱা- 'তোমালোকে নিজ ঘৰত থকাহেঁতেনো যিসকলৰ মৃত্যু অৱধাৰিত আছিল, সিহঁত নিশ্চয় নিহত হোৱা স্থানলৈ ওলাই আহিলেহেঁতেন।' আচলতে আল্লাহে বিচাৰে তোমালোকৰ অন্তৰত যি গোপন হৈ আছে সেয়া পৰীক্ষা কৰিব পাৰে আৰু তোমালোকৰ অন্তৰত যি আছে সেয়া আল্লাহে শোধন কৰিব পাৰে। (১৫৫) যিদিনা তোমালোকৰ দুটা দলে পৰস্পৰৰ মোকাবিলা কৰিছিল, সিদিনা যিবিলাকে পৃষ্ঠভংগ দিছিল, সিহঁতৰ কোনো কৃতকৰ্মৰ সুযোগত ছয়তানে সিহঁতৰ পদস্খলন ঘটাইছিল। কিন্তু আল্লাহে সিহঁতক ক্ষমা কৰিলে। নিশ্চয় আল্লাহ অতি ক্ষমাশীল, সহিষ্ণু। (১৫৬) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোক অবিশ্বাসকাৰীবিলাকৰ দৰে নহ'বা, যিবিলাকে সিহঁতৰ ভাতৃবৃন্দৰ বিষয়ে কয় যেতিয়া সিহঁত ভ্ৰমণ কৰে অথবা জিহাদত অংশ গ্ৰহণ কৰে- 'সিহঁত আমাৰ লগত থকাহেঁতেন, সিহঁতৰ মৃত্যু নহ'লহেঁতেন নাইবা নিহত নহ'লহেঁতেন।' এনে কথাক আল্লাহে সিহঁতৰ মনস্তাপৰ হেতু কৰিব পাৰে; কিয়নো আল্লাহে জীৱন দান কৰে আৰু মৃত্যু ঘটায়। তোমালোকে যি কৰা, সকলো আল্লাহৰ দৃষ্টিগোছৰ। (১৫৭) তোমালোক যদি আল্লাহৰ পথত নিহত হোৱা বা তোমালোকৰ মৃত্যু হয়, তেনেহ'লে আল্লাহৰ যি ক্ষমা আৰু কৰুণা লভিবা, সেয়া মানুহে সঞ্চয় কৰা সম্পদতকৈ শ্ৰেষ্ঠ। (১৫৮) তোমালোক মৃত্যুত পতিত হোৱা বা নিহত হোৱা সকলো অৱস্থাতে আল্লাহৰ ওচৰত সমবেত কৰা হ'ব। (১৫৯) আল্লাহৰ কৃপাত তুমি সিহঁতৰ প্ৰতি সদয় হৈছিলা, যদি তুমি ৰূঢ় আৰু কাঠচিতীয়া হ'লাহেঁতেন, নিশ্চয় সিহঁতে তোমাৰ সংগ ত্যাগ কৰিলেহেঁতেন। সেয়ে তুমি সিহঁতক মাৰ্জনা কৰা, সিহঁতৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা আৰু কাম-কাজৰ বাবে সিহঁতৰ লগত পৰামৰ্শ কৰা। যেতিয়া কোনো বিষয়ত সিদ্ধান্ত লোৱা, আল্লাহৰ ওপৰত ভৰসা কৰা। আল্লাহে তেওঁলোকক

ভাল পায়, যিসকলে আল্লাহৰ ওপৰত ভৰসা কৰে। (১৬০) আল্লাহ যদি তোমালোকৰ সহায়ক হয়, তোমালোকক কোনোৱে পৰাভূত কৰিব নোৱাৰে। যদি তেওঁ তোমালোকক পৰিত্যাগ কৰে, তেওঁৰ পৰিৱর্তে আন কোনে তোমালোকক সহায় কৰিব পাৰে? মু'মিনসকলে আল্লাহৰ ওপৰত ভৰসা কৰিব লাগে।

(১৬১) কোনো কিছু গোপন কৰা কোনো নবীৰেই কাম হ'ব নোৱাৰে। যিয়ে যি গোপন কৰে, কিয়ামতৰ দিনা গোপন কৰা বস্তুৰ সৈতে হাজিৰ হ'ব লাগিব। প্রত্যেক ব্যক্তিকেই নিজ কৃতকর্মৰ পূৰাপূৰি প্রতিফল দিয়া হ'ব আৰু কাৰো প্রতি অলপো অবিচাৰ কৰা নহ'ব। (১৬২) যি ব্যক্তি আল্লাহৰ অসন্তুষ্টি অনুসৰি চলে, তেওঁক সেই ব্যক্তিৰ লগত ৰিজাব পাৰি নেকি যেয়ে আল্লাহৰ সন্তুষ্টি অর্জন কৰে? সিহঁতৰ বাসস্থান জাহান্নাম আৰু কিমান জঘন্য এই বাসস্থান! (১৬৩) আল্লাহৰ ওচৰত সিহঁতৰ স্তৰ ভিন্ন ভিন্ন হ'ব। সিহঁতে যি কৰিছে, আল্লাহে সেয়া সকলো দেখি আছে। (১৬৪) নিশ্চয় মু'মিনসকলক আল্লাহে বৰ অনুগ্রহ কৰিছে যে তোমালোকৰেই এজনক তোমালোকৰ প্রতি ৰছুল কৰি পঠিয়াইছে। তেওঁ তোমালোকক আল্লাহৰ বাণী পাঠ কৰি শুনায়, তেওঁলোকক পৰিশোধন কৰে, আল্লাহৰ পুথি আৰু জ্ঞানৰ শিক্ষা দিয়ে যদিও ইয়াৰ পূর্বে সিহঁত স্পষ্ট বিভ্রান্তিত নিমর্জিত হৈ আছিল।

(১৬৫) যেতিয়া তোমালোকৰ দুর্গতি হ'ল, অথচ তোমালোকে নিজকে দুগুণ দুর্গতিত পতিত কৰিছিলা, তেতিয়া তোমালোকে ক'ব ধৰিলা- 'এয়া ক'ৰ পৰা আহিল?' কোৱা- 'এয়া তোমালোকৰ নিজৰ (দোষৰ) কাৰণেই আহিছে।' নিশ্চয় আল্লাহ সকলো কৰিবলৈ সক্ষম। (১৬৬) তোমালোক দুয়ো দলে ৰণত প্রবিষ্ট হোৱাৰ দিনা যি বিপর্যয় ঘটিছিল সেয়া আল্লাহৰ আদেশত হৈছিল। আল্লাহে জানিব বিচাৰিছিল তোমালোকৰ মাজত প্রকৃত মু'মিন কোন, (১৬৭) আৰু জানিব বিচাৰিছিল মুনাফিক (কপটাচাৰী) কোন? তেতিয়া

তেওঁলোকক কোৱা হ'ল- 'আহাঁ, আল্লাহৰ পথত যুদ্ধ কৰা অথবা আত্মৰক্ষা কৰা।' সিহঁতে উত্তৰ দিলে- 'যুদ্ধ হ'ব বুলি জনাহেঁতেন, নিশ্চয় আমি তোমালোকৰ লগত গ'লোহেঁতেন।' সেইদিনা সিহঁত বিশ্বাসতকৈ অবিশ্বাসৰ বেছি নিকটত আছিল। সিহঁতে মুখেৰে যিবোৰ কয়, আচলতে সিহঁতৰ অন্তৰত সেইবোৰ নাই। সিহঁতে যিবোৰ গোপন কৰে, সেইবোৰ আল্লাহে খুব ভালকৈয়ে জানে। (১৬৮) যিসকল ঘৰত ৰ'ল, সিহঁতে সিহঁতৰ ভাই-বন্ধুসকল সম্পৰ্কে ক'লে- 'সিহঁতে যদি আমাৰ কথা শুনিলেহেঁতেন, নিশ্চয় সিহঁত নিহত নহ'লহেঁতেন।' কোৱা- 'যদি তোমালোকে সঁচা কৈছা, মৃত্যুক তোমালোকৰ পৰা প্ৰতিহত কৰাচোন।'

(১৬৯) যিসকল আল্লাহৰ পথত নিহত হ'ল, তেওঁলোকৰ মৃত্যু হ'ল বুলি নাভাবিবা; ববং তেওঁলোক জীৱিত হৈ আছে। তেওঁলোকে আল্লাহৰ পৰা আহাৰ পাই থাকে। (১৭০) আল্লাহে নিজ অনুগ্ৰহৰ দ্বাৰা যি অনুগ্ৰহ দান কৰিছে, তাতে তেওঁলোক সন্তুষ্ট আৰু তেওঁলোকে সুসংবাদ দিছে তেওঁলোককো যিসকল তেওঁলোকৰ পিছত ৰৈ গৈছে আৰু তেওঁলোকক লগ পোৱা নাই এই কাৰণে যে, তেওঁলোকৰ কোনো ভয়-শংকাৰ কাৰণ নাই আৰু তেওঁলোকে দুখ কৰিব লগীয়াও নহয়। (১৭১) তেওঁলোকে আল্লাহৰ দান আৰু অনুগ্ৰহ পাই আনন্দ প্ৰকাশ কৰে আৰু (তেওঁলোকে জানে) আল্লাহে মু'মিনসকলৰ কৰ্মফল নষ্ট নকৰে। (১৭২) যিসকলে আহত হোৱাৰ পিছতো আল্লাহ আৰু ৰছুলৰ আহবানত সঁহাৰি জনাইছিল, তেওঁলোকৰ যিসকল পুণ্যবান, খোদাভীৰু তেওঁলোকৰ বাবে উত্তম প্ৰতিদান আছে। (১৭৩) মানুহ বিলাকে সিহঁতক ক'লে- 'শত্ৰুৰ বিৰাট সৈন্য-বাহিনী তোমালোকৰ বিৰুদ্ধে সমবেত হৈছে, গতিকে সিহঁতক ভয় কৰা।' এই কথাই তেওঁলোকৰ বিশ্বাস আৰু বৃদ্ধিহে কৰিলে আৰু তেওঁলোকে ক'লে- 'আমাৰ বাবে আল্লাহে যথেষ্ট। তেৱেঁই উত্তম নিৰ্ভৰযোগ্য অভিভাৱক।' (১৭৪) তেওঁলোকে আল্লাহৰ অনুগ্ৰহ

আৰু কৃপাত এনেভাৱে ঘুৰি আহিল যে তেওঁলোকৰ কোনো বিপর্যয় নহ'ল। তেওঁলোকে আল্লাহৰ সন্তুষ্টিৰ পথত চলিছিল। আল্লাহ অতি দয়ালু। (১৭৫) সিহঁতবোৰ ছয়তান, সিহঁতে বন্ধুবৰ্গকহে ভয় দেখুৱায়। সেয়ে তোমালোকে সিহঁতক ভয় নকৰিবা; বৰং মোকহে ভয় কৰা, যদি তোমালোক মু'মিন হোৱা।

(১৭৬) যিসকল অবিশ্বাসৰ পথ অৱলম্বন কৰাত তৎপৰ, তুমি সিহঁতৰ বাবে বিষণ্ণ নহ'বা। সিহঁতে কেতিয়াও আল্লাহৰ কোনো অনিষ্ট কৰিব নোৱাৰে। পৰকালত সিহঁতক লাভৰ অংশ দিয়াৰ ইচ্ছা আল্লাহৰ নাই আৰু সিহঁতৰ বাবে কঠোৰ শাস্তি আছে। (১৭৭) যিবিলাকে বিশ্বাসক নেওচি অবিশ্বাস ক্ৰয় কৰে, সিহঁতে কেতিয়াও আল্লাহৰ কোনো অনিষ্ট কৰিব নোৱাৰে। সিহঁতৰ কাৰণে অতি যন্ত্ৰণাদায়ক শাস্তি আছে। (১৭৮) অবিশ্বাসকাৰীবিলাকক আমি যে ঢিলাই দিছো, সেয়া সিহঁতৰ বাবে মংগলজনক বুলি সিহঁতে ভাবিব নালাগে। কিয়নো আমি এই কাৰণে ঢিলাই দিছো যাতে সিহঁতে আৰু বেছি পাপ কৰিবলৈ সুযোগ পায়। সিহঁতৰ বাবে লাঞ্ছনাদায়ক শাস্তি আছে। (১৭৯) আল্লাহে মু'মিনসকলক এই অৱস্থাত কেতিয়াও থাকিব নিদিয়ে বৰ্তমান যি অৱস্থাত আছে। তেওঁ তোমালোকক অপৱিত্ৰ মানুহবিলাকৰ পৰা অৱশ্যই পৃথক কৰিব। অদৃশ্য সম্পৰ্কে তোমালোকক অৱগত কৰোৱা আল্লাহৰ ৰীতি নহয়। অৱশ্যে আল্লাহে ৰছুলসকলৰ যাক ইচ্ছা কৰে, তেওঁক বাছি লয়। গতিকে তোমালোকে আল্লাহ আৰু তেওঁৰ ৰছুলসকলৰ প্ৰতি বিশ্বাস স্থাপন কৰিবা। তোমালোকে যদি বিশ্বাস স্থাপন কৰা আৰু অপৱিত্ৰতাৰ পৰা নিজক বচাই ৰাখা, তেনেহ'লে মহা পুৰস্কাৰ পাবা।

(১৮০) যিবিলাক মানুহক আল্লাহে নিজ অনুগ্ৰহ দান কৰি ধন্য কৰিছে, যদি সিহঁতে কাৰ্পণ্য কৰে, এই কাৰ্পণ্য সিহঁতৰ বাবে হিতকৰ নহয়; বৰং সেয়া সিহঁতৰ বাবে অহিতহে। যি লৈ সিহঁতে কৃপণতা কৰিছে, সেয়া কিয়ামতৰ

দিনা সিহঁতক গলাবদ্ধ কৰি দিয়া হ'ব। আকাশমণ্ডল আৰু পৃথিৱীৰ উত্তৰাধিকাৰী আল্লাহ। তোমালোকে যি কৰা, সেয়া আল্লাহে জানে। (১৮১) আল্লাহে সিহঁতৰ কথা শুনিলে, যিবিলাকে কৈছিল- 'আল্লাহ দৰিদ্ৰ আৰু আমি ধনবান।' আমি সিহঁতৰ এই কথা লিখি ৰাখিম আৰু পূৰ্বে নবীসকলক অন্যায়ভাৱে হত্যা কৰাৰ কথাও লিখি ৰখা হৈছে। আমি ক'ম- 'জলন্ত অগ্নিৰ সোৱাদ লোৱা, (১৮২) এয়া তোমালোকে আগেয়ে পঠোৱা নিজ হাতৰ কৰ্মফল। আল্লাহ তেওঁৰ বান্দাৰ প্ৰতি অন্যায়কাৰী নহয়।' (১৮৩) যিবিলাকে কয়- 'আল্লাহে আমাক এই নিৰ্দেশ দিছে- আমি যেন কাকো ৰছুল বুলি নামানো যেতিয়ালৈকে তেওঁ আমাৰ সন্মুখত এনে এটি উৎসৰ্গ নকৰে, যিটোক অগ্নি আহি দাহ নকৰে।' সিহঁতক কোৱা- 'মোৰ পূৰ্বে তোমালোকৰ ওচৰলৈ অনেক ৰছুলে স্পষ্ট নিদৰ্শন লৈ আহিছিল আৰু তোমালোকে যি নিদৰ্শনৰ কথা কৈছা, সেয়াও আনিছিল। তোমালোক যদি সত্যবাদী হোৱা, তেনেহ'লে কিয় তেওঁলোকক হত্যা কৰিছিলা?' (১৮৪) যদি সিহঁতে তোমাক অস্বীকাৰ কৰে, তেনেদৰে পূৰ্বেও অনেক ৰছুলক অস্বীকাৰ কৰিছিল। যিসকলে স্পষ্ট নিদৰ্শন, ঐশী পুস্তিকা আৰু আলোকদানকাৰী পুথি লৈ আহিছিল। (১৮৫) প্ৰত্যেক ব্যক্তিয়েই মৃত্যুৰ সোঁৱাদ গ্ৰহণ কৰিব লাগিব। কিয়ামতৰ দিনা তোমালোকক পূৰ্ণ প্ৰতিদান দিয়া হ'ব। যাক অগ্নিৰ পৰা নিস্কৃতি দি জান্নাতত প্ৰৱেশ কৰোৱা হ'ব, তেওঁহে সফলতা লাভ কৰিব। এই পাৰ্থিৱ জীৱনটো এটি ছলনাময় আনন্দ।

(১৮৬) নিশ্চয় তোমালোকক ধন-সম্পদ আৰু প্ৰাণেৰে পৰীক্ষা কৰা হ'ব। তোমালোকে নানা বেদনাদায়ক কথা শুনিবলৈ পাবা সিবিলাকৰ পৰা যিবিলাকক তোমালোকৰ পূৰ্বে ঐশী পুথি দিয়া হৈছিল আৰু যিবিলাকে আল্লাহৰ লগত আনক অংশী কৰিছে। তোমালোকে যদি ধৈৰ্য ধাৰণ কৰা আৰু আল্লাহক ভয় কৰি চলা, তেনেহ'লে সেয়া অতি উচ্চ খাপৰ দৃঢ়মনোবলৰ কাম।

(১৮৭) যেতিয়া আল্লাহে ঐশীপুথি প্ৰাপ্তসকলৰ পৰা প্ৰতিশ্ৰুতি লৈছিল যে, তোমালোকে এই পুথি মানুহৰ মাজত প্ৰচাৰ কৰিবা আৰু কোনো কিছু গোপন নকৰিবা; কিন্তু এই কথাৰ প্ৰতি সিহঁতে পিঠি দিলে আৰু সামান্য মূল্যত বিক্ৰি কৰিলে। সিহঁতে যি ক্ৰয় কৰিলে, সেয়া কিমান নিকৃষ্ট! (১৮৮) যিবিলাকে নিজে কৰা এই অসত্য কামৰ বাবে আনন্দ লভে আৰু যি কাম কৰা নাই তাৰ বাবেও প্ৰশংসা লভিব বিচাৰে, সেইবিলাক মানুহ শাস্তিৰ পৰা মুক্ত বুলি নাভাবিবা। সিহঁতৰ বাবে যন্ত্ৰণাদায়ক শাস্তি আছে। (১৮৯) আকাশমণ্ডল আৰু পৃথিৱীৰ ৰাজত্ব আল্লাহৰ। আল্লাহ সকলো বিষয়তে শক্তিমান।

(১৯০) আকাশমণ্ডল আৰু পৃথিৱীৰ সৃষ্টিত আৰু দিন-ৰাতিৰ আৱৰ্তনত জ্ঞানীসকলৰ বাবে বহু নিদৰ্শন আছে। (১৯১) তেওঁলোকে উঠোতে, বহোতে, শোওতে আল্লাহক স্মৰণ কৰে আৰু আকাশমণ্ডল আৰু পৃথিৱীৰ সৃষ্টিৰ বিষয়ে চিন্তা-চৰ্চা কৰে আৰু কয়- 'হে আমাৰ প্ৰভু, এইবোৰ তুমি অনৰ্থক সৃষ্টি কৰা নাই। তোমাৰেই সকলো বিজয় গৌৰৱ। তুমি আমাক নৰকৰ শাস্তিৰ পৰা ৰক্ষা কৰা। (১৯২) হে আমাৰ প্ৰভু, তুমি যাক নৰকত নিক্ষেপ কৰিছা, তাক লাঞ্ছিত কৰিছা। পাপিষ্ঠবিলাকৰ কোনো সাহায্যকাৰী নাই। (১৯৩) হে আমাৰ প্ৰভু, এজন আহবানকাৰীয়ে ঈমান আনিবলৈ আহবান কৰা শুনিছিলো।' তেওঁ কৈছিল- 'তোমালোকৰ প্ৰভুক বিশ্বাস কৰা' আৰু 'আমি বিশ্বাস স্থাপন কৰিলো। হে আমাৰ প্ৰভু, আমাৰ পাপবোৰ মাৰ্জনা কৰা, আমাৰ দোষবোৰ দূৰ কৰা আৰু আমাক পুণ্যবানসকলৰ লগত মৃত্যু দান কৰা। (১৯৪) হে আমাৰ প্ৰভু, তুমি তোমাৰ ৰছুলৰ মাধ্যমেৰে আমাক যি প্ৰতিশ্ৰুতি দিছিলা, সেয়া পূৰণ কৰা। কিয়ামতৰ দিনা আমাক লাঞ্ছিত নকৰিবা। নিঃসন্দেহ, তুমি তোমাৰ প্ৰতিশ্ৰুতি কেতিয়াও ভংগ নকৰা।'

(১৯৫) তেওঁলোকৰ প্ৰভুৱে তেওঁলোকৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিলে আৰু ক'লে- 'মই তোমালোকৰ কাৰো কৰ্ম নিষ্ফল নকৰো সি পুৰুষেই হওক বা নাৰীয়েই হওক। তোমালোক এজন আনজনৰ বাবে। যি মানুহে মাতৃভূমি ত্যাগ কৰিছে, নিজ ঘৰ-দুৱাৰৰ পৰা নিৰ্বাসিত হৈছে, নিৰ্যাতিত হৈছে আৰু মোৰ কাৰণে যুদ্ধ কৰিছে আৰু নিহত হৈছে, মই তেওঁলোকৰ পাপবোৰ দূৰ কৰি দিম আৰু তেওঁলোকক এনে জান্নাতত প্ৰৱেশ কৰাম, যাৰ মাজেৰে নিজৰা প্ৰবাহিত হৈ থাকে। এয়া আল্লাহৰ পৰা পোৱা তেওঁলোকৰ প্ৰতিদান আৰু উৎকৃষ্ট প্ৰতিদান আল্লাহৰ ওচৰতহে আছে। (১৯৬) অবিশ্বাসকাৰীবিলাকে দেশত কৰা বিচৰণে তোমাক যেন বিচলিত নকৰে। (১৯৭) এয়া সামান্য ভোগ-বিলাস মাত্ৰ। তাৰ পিছতেই সিহঁতৰ আবাসস্থল হ'ব নৰক আৰু ই অতি জঘন্য ঠাই। (১৯৮) যিসকলে তেওঁলোকৰ প্ৰভুক ভয় কৰে, তেওঁলোকৰ কাৰণে আছে এনে জান্নাত যাৰ মাজেৰে নিজৰা প্ৰবাহিত হৈ থাকে। তাত তেওঁলোক চিৰকাল থাকিব। এয়া আল্লাহৰ পক্ষৰ আতিথ্য। পুণ্যবানসকলৰ কাৰণে আল্লাহৰ ওচৰত যি আছে সেয়া শ্ৰেয়ঃ। (১৯৯) নিশ্চয় ঐশীপুথি প্ৰাপ্তসকলৰ মাজত এনে মানুহো আছে, যিসকলে আল্লাহৰ ওপৰত বিশ্বাস স্থাপন কৰে আৰু সেই পুথিসমূহকো মানে, যিসমূহ ইতিপূৰ্বে তেওঁলোকলৈ পঠোৱা হৈছিল। তেওঁলোকে আল্লাহৰ প্ৰতি বিনীতভাৱে অৱনত হয় আৰু আল্লাহৰ বাণীক নগণ্য মূল্যত বিক্ৰী নকৰে। তেওঁলোকৰ বাবে তেওঁলোকৰ প্ৰভুৰ ওচৰত পুৰস্কাৰ আছে। আল্লাহ হিচাব লোৱাত অতি ক্ষীপ্ৰ। (২০০) হে ঈমানদাৰসকল, ধৈৰ্য ধাৰণ কৰা, (অবিশ্বাসকাৰীবিলাকৰ) মোকাবিলাত দৃঢ় হৈ থাকা আৰু ঐক্যবদ্ধ হৈ থাকা। আল্লাহক ভয় কৰা। সম্ভৱতঃ তোমালোক সফল হ'বা।

আন-নিছা (নাৰী)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হে মানৱ, তোমালোকৰ প্ৰভুক ভয় কৰা, যিজনে তোমালোকক এটি জীৱনৰ পৰা সৃজন কৰিলে আৰু তাৰ পৰাই সৃজন কৰিলে তেওঁৰ সংগিনী। তেওঁ তেওঁলোক দুজনৰ পৰাই অনেক নৰ-নাৰী বিস্তাৰ কৰালে। আল্লাহক ভয় কৰা, যিজনৰ দোহাই দি তোমালোকে পৰস্পৰৰ অধিকাৰ সাব্যস্ত কৰা আৰু নিকটতাত্মীয় মানুহৰ সম্পৰ্ক ছিন্ন হোৱাৰ প্ৰতি সতৰ্ক থাকা। নিঃসন্দেহ, আল্লাহে তোমালোকক নিৰীক্ষণ কৰি আছে।(২) মাউৰাৰ ধন-সম্পদ সিহঁতক ঘূৰাই দিয়া। উৎকৃষ্ট বস্তুৰ লগত নিকৃষ্ট বস্তু সলনি নকৰিবা। তোমালোকৰ সম্পদৰ লগত সিহঁতৰ সম্পদ মিলাই গ্ৰাস নকৰিবা। নিশ্চয় এয়া অতি গুৰুতৰ অপৰাধ। (৩) যদি তোমালোকে মাউৰা ছোৱালীৰ লগত সুবিচাৰ কৰিব নোৱাৰিবা বুলি শংকা কৰা, তেনেহ'লে যি তিৰোতা তোমালোকৰ পছন্দ হয়, তাৰ পৰা দুজনী, তিনিজনী বা চাৰিজনীকৈ তিৰোতা বিবাহ কৰা আৰু যদি সিহঁতৰ মাজত সমবিচাৰ কৰিব নোৱাৰিবা বুলি সংশয় হয়, তেনেহ'লে এজনীহে বিবাহ কৰিবা নতুনা তোমালোকৰ অধীনত থকা দাসীক পত্নী হিচাবে গ্ৰহণ কৰিবা। এয়াই অবিচাৰৰ পৰা বচাৰ অধিক সম্ভৱপৰ উপায়। (৪) মহিলা সকলৰ মোহৰ সন্তুষ্ট চিত্তে আদায় দিবা। অৱশ্যে সিহঁতে যদি আনন্দ চিত্তে মোহৰৰ কিছু অংশ ৰেহাই দিয়ে, সেয়া তোমালোকে ৰংমনে ভোগ কৰা।

(৫) আল্লাহে যিবোৰ ধন-সম্পদ তোমালোকৰ জীৱিকাৰ উপকৰণ কৰি দিছে, সেইবোৰ অপৰিপক্ক মানসিকতাৰ মানুহৰ হাতত অৰ্পণ নকৰিবা; অৱশ্যে তাৰ পৰাই সিহঁতৰ খোৱা-বোৱা, পিন্ধা-উৰাৰ ব্যৱস্থা কৰি দিবা আৰু সিহঁতক সদ উপদেশ দিবা।(৬) মাউৰাবিলাক বিয়াৰ উপযুক্ত নোহোৱালৈকে সিহঁতক পৰ্যবেক্ষণ কৰা, যদি সিহঁতৰ পৰিপক্ক মানসিকতা দেখা, সিহঁতৰ

সম্পদ সিহঁতক গটাই দিয়া। সিহঁত বয়ঃপ্রাপ্ত হোৱাৰ ভয় কৰি লৰালৰিকৈ খাই শেষ নকৰিবা। মাউৰাৰ অভিভাৱকজন অৱস্থাপন্ন হ'লে, সি সিহঁতৰ ধন-সম্পদ খৰচ কৰাৰ পৰা বিৰত থাকিব আৰু দৰিদ্ৰ হ'লে তাৰ পৰা সামান্য পৰিমাণ ন্যায়সংগতভাৱে খৰচ কৰিব পাৰে। সিহঁতৰ ধন-সম্পদ সিহঁতক গটাই দিয়াৰ সময়ত সিহঁতৰ উপস্থিতিত সাক্ষী ৰাখিবা। হিচাব গ্ৰহণৰ বাবে আল্লাহেই যথেষ্ট। (৭) পিতৃ-মাতৃ আৰু আত্মীয়-স্বজনে এৰি যোৱা (সম্পদত) পুৰুষৰ অধিকাৰ আছে আৰু নাৰীৰো অধিকাৰ আছে, সেয়া অলপেই হওক বা বেছি হওক এয়া (আল্লাহৰ দ্বাৰা) নির্ধাৰিত অংশ। (৮) বণ্টনৰ সময়ত অনাত্মীয়-স্বজন, মাউৰা আৰু গৰীৱ লোক উপস্থিত থাকিলে, সিহঁতকো তাৰ পৰা কিছু দিবা। সিহঁতৰ লগত সৌহাদ্যপূর্ণ আলাপ কৰিবা। (৯) যদি তেওঁলোকৰ মৃত্যু হয়, অসহায় সন্তান-সন্ততিৰ বাবে আশংকা হয় আৰু এৰি থৈ যাবলগীয়া হয়, সেই একে আশংকা মাউৰা ল'ৰা-ছোৱালীৰ বাবেও হোৱা উচিত। সেয়ে সিহঁতে আল্লাহক ভয় কৰা আৰু ন্যায় সংগত কথা কোৱা উচিত। (১০) যিবিলাকে মাউৰাৰ ধন-সম্পদ অন্যায়ভাৱে গ্ৰাস কৰে, সিহঁতে আচলতে অগ্নিৰে উদৰ পুৰায় আৰু অচিৰেই সিহঁত জ্বলন্ত অগ্নিকুণ্ডত পতিত হ'ব।

(১১) তোমালোকৰ সন্তানবোৰৰ সম্বন্ধে আল্লাহে তোমালোকক আদেশ দিছে যে, এজন পুত্ৰৰ অংশ দুজনী কন্যাৰ অংশৰ সমান। কিন্তু দুজনী বা ততোধিক কন্যা হ'লে সিহঁতৰ কাৰণে মীৰাছৰ (পৰিত্যক্ত সম্পত্তি) দুই তৃতীয়াংশ আৰু কেৱল এজনী হ'লে তাইৰ কাৰণে অর্ধাংশ। মৃত ব্যক্তিৰ সন্তান থাকিলে তাৰ পিতৃ-মাতৃৰ প্ৰত্যেকৰ বাবে মীৰাছৰ এক ষষ্ঠাংশ। সন্তান নাথাকিলে কেৱল পিতৃ-মাতৃ উত্তৰাধিকাৰী হ'লে মাকৰ হ'ব এক তৃতীয়াংশ আৰু মৃতকৰ ককাই-ভাই, বাই-ভনী থাকিলে মাকৰ হ'ব এক ষষ্ঠাংশ। মৃতকৰ অচিয়ত আৰু ঋণ পৰিশোধ কৰাৰ পিচতহে এয়া বণ্টন হ'ব। তোমালোকৰ

পিতৃ-মাতৃ নে সন্তান-সন্ততি তোমালোকৰ বেছি উপকাৰত আহে তোমালোকে নাজানা। এয়া আল্লাহে নির্ধাৰণ কৰি দিয়া অংশ। নিশ্চয় আল্লাহ মহাজ্ঞানী, প্রজ্ঞাময়। (১২) তোমালোকৰ স্ত্রীসকলৰ পৰিত্যক্ত সম্পত্তিৰ অর্ধাংশ তোমালোকে পাবা যদি সিহঁতৰ কোনো সন্তান নাথাকে, কিন্তু যদি সন্তান থাকে, তেনেহ'লে সিহঁতৰ পৰিত্যক্ত সম্পত্তিৰ এক চতুর্থাংশ পাবা, এয়া অচিয়ত পূৰণ কৰা আৰু ঋণ থাকিলে পৰিশোধ কৰাৰ পিছত। তোমালোকৰ পৰিত্যক্ত সম্পত্তিৰ এক চতুর্থাংশ তোমালোকৰ স্ত্রীসকলে পাব যদি তোমালোকৰ কোনো সন্তান নাথাকে আৰু যদি তোমালোকৰ কোনো সন্তান থাকে, তেনেহ'লে তেওঁলোকে পৰিত্যক্ত সম্পত্তিৰ আঠ ভাগৰ এভাগ পাব আৰু কোনো অচিয়ত থাকিলে সেয়া পূৰণ কৰাৰ আৰু ঋণ থাকিলে সেয়া পৰিশোধ কৰাৰ পিছত। কোনো পুৰুষ কিম্বা স্ত্রী নিঃসন্তান হয় আৰু পিতৃ-মাতৃ নাথাকে, এজন ককায়েক-ভায়েক বা এজনী বায়েক-ভনীয়েক জীৱিত থাকে, তেনেহ'লে সিহঁতৰ প্রত্যেকে পৰিত্যক্ত সম্পত্তিৰ এক ষষ্ঠাংশ পাব। যদি ককায়ে-ভায়েক বা বায়েক-ভনীয়েক এজনতকৈ অধিক হয়, তেনেহ'লে তেওঁলোক সকলোৱে মিলি এক তৃতীয়াংশ পাব। এয়া অচিয়ত পূৰণ কৰা আৰু ঋণ পৰিশোধ কৰাৰ পিছত যাতে কাৰো কোনো ক্ষতি নহয়। এয়া আল্লাহৰ নির্দেশ। আল্লাহ সর্বজ্ঞ, অতি সহনশীল। (১৩) এইবোৰ আল্লাহ প্রদত্ত নির্ধাৰিত সীমা। যিজনে আল্লাহ আৰু তেওঁৰ ৰছুলৰ আনুগত্য কৰিব, আল্লাহে তেওঁক এনে জান্নাতত প্রৱেশ কৰাব যাৰ মাজেৰে প্রবাহিত হৈ থাকে নিজৰা আৰু তাত তেওঁলোক চিৰকাল থাকিব। সেয়াই চৰম সাফল্য। (১৪) কিন্তু যিজনে আল্লাহ আৰু তেওঁৰ ৰছুলৰ অবাধ্য হয় আৰু তেওঁৰ দ্বাৰা নির্ধাৰিত সীমা চেৰাই যায়, তাক জাহান্নামৰ জুইত নিক্ষেপ কৰিব আৰু তাত সি চিৰকাল থাকিব। তাৰ বাবে আছে লাঞ্ছনাদায়ক শাস্তি।

(১৫) তোমালোকৰ তিৰোতাসকলৰ যদি কোনোৱে ব্যভিচাৰ কৰে,

তেনেহ'লে সিহঁতৰ সম্পর্কে তোমালোকৰ পৰা চাৰিজন সাক্ষী লোৱা, সাক্ষীয়ে যদি সিহঁতৰ দোষৰ সাক্ষ্য দিয়ে, তেনেহ'লে তিৰোতাসকলক ঘৰত আবদ্ধ কৰি ৰাখা যেতিয়ালৈকে সিহঁতৰ মৃত্যু নহয় অথবা আল্লাহে অন্য কোনো ব্যৱস্থা কৰি নিদিয়ে। (১৬) তোমালোকৰ যদি দুজন ব্যক্তি (মতা-মাইকী) নিলর্জকৰ কর্ম কৰে, সিহঁত দুয়োটাকে শাস্তি দিয়া। সিহঁতে যদি তওবা (অনুশোচনা) কৰে আৰু নিজকে সংশোধন কৰি লয়, তেনেহ'লে সিহঁতক ৰেহাই দিয়া। আল্লাহ তওবা গ্ৰহণকাৰী, পৰম দয়ালু। (১৭) আল্লাহে এনে মানুহৰ তওবা গ্ৰহণ কৰে, যি অজ্ঞতাবশতঃ কুকর্ম কৰে আৰু ততালিকে তওবা কৰে; সিহঁতক আল্লাহে ক্ষমা কৰি দিয়ে। আল্লাহ সর্বজ্ঞ, সর্বজ্ঞানী। (১৮) তেনে মানুহৰ তওবা গ্ৰহণযোগ্য নহয়, যি কুকাম কৰি থাকে আৰু মৃত্যুৰ সময় উপস্থিত হ'লে কয়- 'মই এতিয়া তওবা কৰিলো' আৰু সিহঁতৰো তওবা গৃহীত নহয় যিবিলাকৰ অবিশ্বাসকাৰী অৱস্থাতে মৃত্যু হয়, সিহঁতৰ বাবে আমি যন্ত্ৰণাদায়ক শাস্তি প্ৰস্তুত কৰি ৰাখিছো।

(১৯) হে বিশ্বাস স্থাপনকাৰীসকল, বলপূৰ্বকভাৱে স্ত্রীসকলৰ উত্তৰাধিকাৰী হোৱা তোমালোকৰ বাবে বৈধ নহয়। সিহঁতক যিবোৰ দিয়া হৈছে তাৰে কিছু অংশ হস্তগত কৰিবলৈ সিহঁতক হাৰাশাস্তি কৰাও তোমালোকৰ বাবে বৈধ নহয়। অৱশ্যে যদি প্ৰকাশ্যে ব্যভিচাৰত লিপ্ত হয়, (সেয়া অন্য কথা)। সিহঁতৰ লগত সহজভাৱে জীৱন যাপন কৰা। যদি তোমালোকে তেওঁলোকক বেয়া পাইছা, হয়তো তাতেই আল্লাহে তোমালোকৰ বাবে অফুৰন্ত কল্যাণ নিহিত কৰি ৰাখিছে। (২০) যদি তোমালোকে এজনী স্ত্রীৰ সলনি অইন এজনী স্ত্রী ল'ব খোজা আৰু তোমালোকে তাইক প্ৰচুৰ পৰিমাণে অর্থ-কড়িও দিছিলা, তাৰ পৰা এটা ফুটা কড়িও ঘূৰাই নল'বা। তোমালোকে অপবাদ দি আৰু প্ৰকাশ্যে অত্যাচাৰ কৰি সেয়া ঘূৰাই ল'ব বিচৰানে? (২১) তোমালোকে সেয়া কেনেকৈ ল'বা? যিহেতু তোমালোকে পৰস্পৰে ঘনিষ্ট সম্পর্ক

গঢ়িছা আৰু তেওঁলোকে তোমালোকৰ পৰা দৃঢ় প্ৰতিশ্ৰুতি লৈছিল। (২২) তোমালোকে সেইবিলাক তিৰোতাক বিবাহ নকৰিবা, যিবিলাকক তোমালোকৰ পিতৃয়ে বিবাহ কৰিছে। পিছে অতীতত যি হ'ল, হ'ল; সেইটো অতি নিলৰ্জ, ঘৃণনীয় আৰু নিকৃষ্ট পন্থা আছিল।

(২৩) তোমালোকৰ কাৰণে নিষিদ্ধ কৰা হ'ল- তোমালোকৰ মাতৃ, দুহিতা, বাই-ভনী, জেঠাই-পেহী, জেঠাই-মাহী, ভতিজা ছোৱালী, ভাগিন ছোৱালী, ধাই মাতৃ, ধাই মাতৃৰ ছোৱালী, শাহুৱেৰা আৰু তোমালোকে সম্ভোগ কৰা স্ত্ৰীৰ পূৰ্বৰ স্বামীৰ ছোৱালী, যাক তোমালোকে লালন-পালন কৰিছা; কিন্তু যদি সিহঁতৰ লগত সম্ভোগ হোৱা নাই, তেনেহ'লে বিবাহ কৰাত কোনো দোষ নাই। তোমালোকৰ ঔৰষজাত পুত্ৰৰ স্ত্ৰীসকলক আৰু একেলগে বায়েক-ভনীয়েক দুয়োকে বিবাহ কৰা তোমালোকৰ বাবে নিষিদ্ধ কৰা হ'ল। কিন্তু অতীতত যি হ'ল, হ'ল। নিশ্চয় আল্লাহ ক্ষমাশীল, দয়ালু। (২৪) আনৰ বিবাহ বন্ধনত থকা তিৰোতা তোমালোকৰ বাবে নিষিদ্ধ কৰা হ'ল; কিন্তু যুদ্ধ বন্দিনী হৈ তোমালোকৰ হস্তগত হোৱা তিৰোতা বৈধ কৰা হ'ল। তোমালোকৰ বাবে এয়া আল্লাহ প্ৰদত্ত বিধান। এইসকল তিৰোতাৰ বাহিৰে আন যি কোনো তিৰোতা বৈধ কৰা হ'ল। চৰ্ত হ'ল- ধন-সম্পদৰ বিনিময়ত বিবাহ কৰা, বিবাহ কৰি সিহঁতক সুৰক্ষা দিয়া, নীতিহীন যৌন স্পৃহা পূৰণৰ বাবে নহয়। সিহঁতক বিবাহ কৰি তোমালোকে যি উপভোগ কৰা, তাৰ বিনিময়ত সিহঁতক নিৰ্ধাৰিত মোহৰ আদায় দিয়া। মোহৰ নিৰ্ধাৰণ কৰাৰ পাৰস্পৰিক সন্মতিত কম-বেছি কৰিলে তোমালোকৰ কোনো পাপ নহয়। আল্লাহ সৰ্বজ্ঞ, সৰ্বজ্ঞানী। (২৫) তোমালোকৰ যিসকলৰ স্বাধীন মুমিন তিৰোতা বিবাহ কৰাৰ সামৰ্থ নাই, তেওঁলোকে তেওঁলোকৰ অধিকাৰভুক্ত এগৰাকী মু'মিন দাসীক বিবাহ কৰিব। তোমালোকৰ ঈমানৰ বিষয়ে আল্লাহে ভালকৈয়ে জানে। মূলতঃ তোমালোক পৰস্পৰে এক। গতিকে সিহঁতৰ অভিভাৱকৰ অনুমতি লৈ

সিহঁতক বিবাহ কৰা আৰু ন্যায়সংগতভাৱে সিহঁতৰ মোহৰ আদায় দিয়া যাতে সিহঁত বিবাহ বন্ধনত আবদ্ধ হয়, অবৈধ যৌন কার্যত লিপ্ত নহয় নাইবা গোপনে প্রেম-প্রীতি নকৰে। বিবাহ বন্ধনত আবদ্ধ হোৱাৰ পিছতো যদি সিহঁত ব্যভিচাৰত লিপ্ত হয়, তেনেহ'লে সিহঁতৰ শাস্তি হ'ল স্বাধীন তিৰোতাৰ প্রতি নির্ধাৰিত শাস্তিৰ অর্ধেক। এয়া তোমালোকৰ সেইজনৰ বাবে যি অপকর্মত লিপ্ত হোৱাৰ সম্ভাৱনা থাকে। যদি তোমালোকে ধৈর্য ধাৰণ কৰা, সেয়া তোমালোকৰ বাবে উত্তম। আল্লাহ ক্ষমাশীল, দয়ালু।

(২৬) আল্লাহৰ অভিপ্রায় হ'ল তোমালোকক স্পষ্টভাৱে বুজাই দিব বিচাৰে আৰু তোমালোকৰ পূর্বৱর্তীসকলৰ পথ দেখুৱাব বিচাৰে আৰু তোমালোকক ক্ষমা কৰিব বিচাৰে। আল্লাহ সর্বজ্ঞ, সর্বাভিজ্ঞ। (২৭) আল্লাহে তোমালোকৰ প্রতি দয়াপৰবশ হ'ব বিচাৰে। যিবিলাকে নিজ প্রবৃত্তি অনুসৰণ কৰি চলে, সিহঁতে ইচ্ছা কৰে তোমালোক যেন সৎ পথৰ পৰা বহু দূৰলৈ আঁতৰি যোৱা। (২৮) আল্লাহে তোমালোকৰ বোজা লঘু কৰিব বিচাৰে; কিয়নো মানুহক দুর্বল কৰি সৃষ্টি কৰা হৈছে।

(২৯) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে এজনে আনজনৰ ধন-সম্পদ অন্যায়ভাৱে গ্রাস নকৰিবা। অৱশ্যে পৰস্পৰৰ সন্মতিসহকাৰে বেপাৰ-বাণিজ কৰিব পাৰা। তোমালোকে পৰস্পৰে পৰস্পৰক হত্যা নকৰিবা। আল্লাহ তোমালোকৰ প্রতি বৰ মৰমিয়াল। (৩০) যিজনে সীমা লংঘন কৰি অন্যায়ভাৱে এনে কৰিব, অবিলম্বে আমি তাক জাহান্নামৰ জুইত নিক্ষেপ কৰিম আৰু এয়া আল্লাহৰ পক্ষে তেনেই সহজ। (৩১) যিবোৰ মহাপাপ তোমালোকৰ কাৰণে নিষিদ্ধ কৰা হৈছে, সেইবোৰ যদি তোমালোকে পৰিহাৰ কৰি চলা, তেনেহ'লে তোমালোকৰ সৰু-সুৰা পাপবোৰ ক্ষমা কৰি দিম আৰু তোমালোকক সন্মানজনক স্থানত প্রৱেশ কৰাম। (৩২) আল্লাহে তোমালোকৰ এজনতকৈ আনজনক যি আধিক্য দান কৰিছে, তাৰ বাবে লালায়িত নহ'বা।

পুৰুষে যি কাম কৰে, সেয়া পুৰুষৰ অংশ আৰু নাৰীয়ে যি কাম কৰে, সেয়া নাৰীৰ অংশ। তোমালোকে আল্লাহৰ ওচৰত কৃপা প্ৰাৰ্থনা কৰা। আল্লাহ সৰ্বাভিজ্ঞ, সৰ্বজ্ঞ। (৩৩) পিতৃ-মাতৃ আৰু আত্মীয়-স্বজনে এৰি থৈ যোৱা সম্পত্তিত প্ৰত্যেকৰ বাবে উত্তৰাধিকাৰ নিৰ্ধাৰিত কৰি দিছো। যাৰ লগত তোমালোকে চুক্তি কৰিছা, সিহঁতৰ অংশ সিহঁতক দিয়া। নিশ্চয় আল্লাহে সকলো কথা পৰ্যবেক্ষণ কৰি আছে।

(৩৪) পুৰুষ নাৰীৰ ৰক্ষক; কিয়নো আল্লাহে এজনক আনজনৰ ওপৰত শ্ৰেষ্ঠত্ব দান কৰিছে। কাৰণ পুৰুষে তেওঁলোকৰ বাবে নিজ ধন-সম্পদ ব্যয় কৰে। সেয়ে সাধ্বী নাৰীসকলে অনুগত হৈ থাকে আৰু তেওঁলোকৰ অনুপস্থিতিতো আল্লাহে যি ৰক্ষণাবেক্ষণ দিবলৈ কৈছে, সেয়া ৰক্ষণাবেক্ষণ কৰে। যিসকল স্ত্ৰীৰ অবাধ্যতাৰ প্ৰতি তোমালোকৰ আশংকা হয়, সিহঁতক বুজাবা, সিহঁতৰ শয্যা ত্যাগ কৰিবা, শেষত সিহঁতক (লঘু) প্ৰহাৰ কৰিবা। সিহঁত যদি তোমালোকৰ বাধ্য হয়, তেনেহ'লে সিহঁতক অযথা কষ্ট দিবলৈ চেলু নিবিচাৰিবা। নিশ্চয় আল্লাহ সমুন্নত আৰু অতি মহান। (৩৫) যদি তোমালোকৰ স্বামী-স্ত্ৰীৰ পাৰস্পৰিক সম্পৰ্ক বিচ্ছেদ হোৱাৰ শংকা হয়, তেনেহ'লে মধ্যস্থতাকাৰী হিচাবে পুৰুষ আত্মীয়-স্বজনৰ পৰা আৰু স্ত্ৰীৰ আত্মীয়-স্বজনৰ পৰা একোজনকৈ ব্যক্তি নিযুক্ত কৰা। তেওঁলোক দুয়োজনে মিটমাট কৰিব বিচাৰিলে আল্লাহে সিহঁতৰ মাজত মিলা-প্ৰীতিৰ ব্যৱস্থা কৰি দিব। আল্লাহ সৰ্বজ্ঞ, সৰ্বাভিজ্ঞ।

(৩৬) আল্লাহৰ উপাসনা কৰা, তেওঁৰ লগত আন কাকো অংশী নকৰিবা। পিতৃ-মাতৃ, আত্মীয়-স্বজন, মাউৰা ল'ৰা-ছোৱালী, অভাৱগ্ৰস্ত লোক, আত্মীয় প্ৰতিবেশী. অনাত্মীয় প্ৰতিবেশী, ঘনিষ্ঠ সহচৰ, মুছাফিৰ আৰু তোমালোকৰ দাস-দাসীবোৰৰ প্ৰতি সদ্ব্যৱহাৰ কৰিবা। আল্লাহে গৰ্বী আৰু দাম্ভিক মানুহক ভাল নাপায়। (৩৭) (সিহঁতকো ভাল নাপায়) যিবিলাকে কৃপণালি কৰে,

আনকো কৃপণালি কৰিবলৈ উপদেশ দিয়ে আৰু আল্লাহে কৃপা কৰি যি দিছে, সেয়া গোপন কৰে। সত্য অস্বীকাৰকাৰীবিলাকৰ কাৰণে আমি লাঞ্ছনাদায়ক শাস্তি প্ৰস্তুত কৰি ৰাখিছো। (৩৮) (আল্লাহে ভাল নাপায়) সেইবিলাককো, যিবিলাকে আনক দেখুৱাৰ উদ্দেশ্যে নিজ ধন-সম্পদ ব্যয় কৰে। প্ৰকৃততে সিহঁতে আল্লাহক বিশ্বাস নকৰে, পৰকালকো বিশ্বাস নকৰে। ছয়তান যদি কাৰোবাৰ সংগী হয়, (দুৰ্ভাগ্যজনক) কিয়নো, সি বৰ জঘন্য সংগী। (৩৯) সিহঁতৰ কিনো ক্ষতি হ'লহেঁতেনে, যদি সিহঁতে আল্লাহ আৰু পৰকালৰ প্ৰতি বিশ্বাস স্থাপন কৰিলেহেঁতেন আৰু আল্লাহে সিহঁতক যি দান কৰিছে তাৰ পৰা ব্যয় কৰিলেহেঁতেন? আল্লাহে সিহঁতক ভালকৈয়ে জানে। (৪০) আল্লাহে কাৰো প্ৰতি অনুপৰিমাণো অবিচাৰ নকৰে। কোনোৱে পুণ্য কৰিলে, তেওঁ তাক দুগুণ বৃদ্ধি কৰি দিয়ে, তাৰোপৰি নিজৰ ফালৰ পৰা অশেষ পুৰস্কাৰ দান কৰে।

(৪১) তেতিয়া সিহঁতৰ কি দশা হ'ব, যেতিয়া আমি প্ৰত্যেক সম্প্ৰদায়ৰ পৰাই একোজনকৈ সাক্ষী উপস্থিত কৰাম আৰু তোমাক সিহঁতৰ সাক্ষী হিচাবে উপস্থিত কৰাম? (৪২) যিবিলাকে অস্বীকাৰ কৰিবলৈ বদ্ধ পৰিকৰ হৈ আছে আৰু ৰছুলক অমান্য কৰিছে, সেইদিনা সিহঁতে কামনা কৰিব যে সিহঁত যদি মাটিৰ লগত মিলি সমান হৈ গ'লহেঁতেন! সিহঁতে আল্লাহৰ পৰা কোনো কথা লুকোৱাব নোৱাৰে। (৪৩) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোক নিচাগ্ৰস্ত অৱস্থাত নামাজৰ ওচৰলৈকে নাযাবা যেতিয়ালৈকে তোমালোকে যি কোৱা সেয়া বুজি নোপোৱা। গা নোধোৱালৈকে (অপৱিত্ৰ অৱস্থাতো) নামাজৰ ওচৰলৈ নাযাবা। অৱশ্যে পথিকৰ বাবে আন ব্যৱস্থা আছে। তোমালোক যদি অসুস্থ হোৱা, প্ৰবাসলৈ যোৱা, তোমালোকৰ কোনোৱে শৌচাগাৰৰ পৰা আহা অথবা স্ত্ৰীক স্পৰ্শ কৰা আৰু পানী নোপোৱা, তেতিয়া পৱিত্ৰ মাটি লোৱা আৰু তাৰে তোমালোকৰ মুখমণ্ডল আৰু হাত মছেহ (ঘঁহা) কৰা। আল্লাহ

মার্জনাকাৰী আৰু ক্ষমাশীল।

(৪৪) তুমি লক্ষ্য কৰা নাইনে যিবিলাকক আমি পুথিৰ কিছু জ্ঞান দান কৰিলো? সিহঁতে ভ্ৰান্তি ক্ৰয় কৰিছে আৰু সিহঁতে কামনা কৰে তোমালোকো যেন ভ্ৰান্ত পথত চলা। (৪৫) আল্লাহে ভালকৈ জানে কোনবোৰ তোমালোকৰ শত্ৰু। পৃষ্ঠপোষক হিচাবে আল্লাহেই যথেষ্ট, সাহাৰ্যকাৰী হিচাবে আল্লাহ যথেষ্ট। (৪৬) ইহুদীবিলাকৰ কিছুমানে মূল প্ৰসংগ বিকৃত কৰি কয়- 'আমি শুনিলো, কিন্তু অমান্য কৰিলো' বা 'শুনা, তোমাকতো শুনাব নোৱাৰো।' সিহঁতে আৰু কয়- 'আমালৈ চোৱা।' কিন্তু ইছলাম ধৰ্মৰ প্ৰতি দোষাৰোপ কৰি তাচ্ছিল্য কৰিবলৈহে কয়। কিন্তু সিহঁতে যদি ক'লেহেঁতেন- 'আমি শুনিলো আৰু মানিলো' আৰু 'শুনা আৰু আমালৈ চোৱা', সেয়া সিহঁতৰ কাৰণে অতি উত্তম আৰু উপযুক্ত হ'লহেঁতেন; কিন্তু অস্বীকাৰৰ কাৰণে সিহঁতক অভিশপ্ত কৰা হৈছে। সেয়ে সিহঁতে বিশ্বাস স্থাপন নকৰে মাত্ৰ কেইজনমান মানুহৰ বাহিৰে।

(৪৭) হে ঐশীপুথিপ্ৰাপ্তসকল, আমি যি পুথি অৱতীৰ্ণ কৰিছো, সেয়া বিশ্বাস কৰা আৰু এইখনে তোমালোকৰ লগত থকা পুথিক সমৰ্থন কৰে আৰু সত্যতা সাব্যস্ত কৰে, আমি তোমালোকৰ চেহেৰা বিকৃত কৰি পিছ ফালে ঘূৰাই দিয়া অথবা শনিবৰীয়াবিলাকক অভিসম্পাত কৰাৰ (দৰে অভিসম্পাত) কৰাৰ পূৰ্বেই। আল্লাহৰ সিদ্ধান্ত কাৰ্যকৰি হ'বই। (৪৮) আল্লাহে তেওঁলোকক কদাপিও ক্ষমা নকৰে, যিয়ে তেওঁৰ লগত আনক অংশী কৰে। ইয়াৰ বাহিৰে আন যিকোনো গুনাহ যাক ইচ্ছা ক্ষমা কৰি দিয়ে। যি আল্লাহৰ লগত আনক অংশী কৰিলে, সি ভয়ংকৰ মিছা কথা ৰচি মহাপাপ অৰ্জন কৰিলে। (৪৯) তুমি সেইবিলাক মানুহক দেখিছানে, যিবিলাকে নিজকে পৱিত্ৰ বুলি জহাই ফুৰে? অৱশ্যে আল্লাহে যাক ইচ্ছা কৰে, তাকহে পৱিত্ৰতা দান কৰে আৰু সিহঁতৰ প্ৰতি তিল পৰিমাণো অবিচাৰ কৰা নহ'ব। (৫০) চোৱাচোন, সিহঁতে কেনেদৰে নিজে মিছা ৰচনা কৰি আল্লাহৰ প্ৰতি মিছা আৰোপ কৰিছে।

প্রকাশ্য পাপ হিচাবে ইয়েই যথেষ্ট।

(৫১) তুমি সিহঁতক মন কৰা নাইনে, যিবিলাকক পুথিৰ কিছু জ্ঞান দিয়া হৈছিল? সিহঁতে 'জিবত' (পৌত্তলিক) আৰু 'তাগুত' (ছয়তান আৰু অপশক্তি)ক বিশ্বাস কৰে। সিহঁতে অবিশ্বাসকাৰীবিলাকৰ সম্পৰ্কে কয়- 'ইহঁতেইতো বিশ্বাস স্থাপনকাৰীবিলাকতকৈ অধিক সঠিক পথত আছে।' (৫২) এইবিলাকেই হ'ল সেইবিলাক মানুহ, যিবিলাকক আল্লাহে অভিসম্পাত কৰিছে। আল্লাহে যাক অভিশপ্ত কৰে তাৰ কাৰণে কোনো সাহায্যকাৰী নাপাবা। (৫৩) আল্লাহৰ ক্ষমতাত সিহঁতৰ কোনো কর্তৃত্ব আছে নেকি? যদি থাকিলহেঁতেন, তেনেহ'লে সিহঁতে মানুহক এটা ফুটা কড়িও নিদিলেহেঁতেন। (৫৪) সিহঁতে আন মানুহক এই বাবে হিংসা কৰি নেকি যে, আল্লাহে এওঁলোকক বিশেষ অনুগ্ৰহ দান কৰিছে? আমিয়েতো ইব্ৰাহীমৰ বংশধৰসকলক পুথি আৰু জ্ঞান-বুদ্ধি প্ৰদান কৰিছিলো আৰু তেওঁলোকক এখন বিশাল সাম্ৰাজ্য দান কৰিছিলো। (৫৫) সিহঁতৰ কিছুমানে তেওঁৰ প্ৰতি বিশ্বাস আনিলে আৰু কিছুমানে তেওঁৰ পৰা মুখ ঘুৰালে। সিহঁতৰ বাবে দাউ দাউ কৰি জ্বলি থকা জাহান্নামৰ জুইয়েই যথেষ্ট। (৫৬) যিবিলাকে আমাৰ নিদৰ্শনসমূহ অস্বীকাৰ কৰিছে, অচিৰেই আমি সিহঁতক জুইত নিক্ষেপ কৰিম। যেতিয়াই সিহঁতৰ ছালবোৰ পুৰি দেই যাব, তেতিয়াই সেই ছাল সলাই আন ছাল দিম যাতে সিহঁতে পুৰামাত্ৰাই শাস্তি ভুগি থাকে। নিশ্চয় আল্লাহ মহাপৰাক্ৰমী, প্ৰজ্ঞাময়। (৫৭) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎ কৰ্ম কৰিছে, নিশ্চয় আমি তেওঁলোকক এনে জান্নাতত প্ৰৱেশ কৰাম যাৰ তলেৰে নিজৰা প্ৰবাহিত হৈ থাকে। তাত তেওঁলোক চিৰকাল থাকিব। তাত তেওঁলোকৰ পৰিত্ৰা সংগিনী থাকিব আৰু তেওঁলোকক চিৰস্নিগ্ধ ঘন ছাঁত আশ্ৰয় দান কৰিব।

(৫৮) আল্লাহে তোমালোকক আদেশ দিছে যে, আমানতৰ সম্পদ প্ৰকৃত গৰাকীক ঘুৰাই দিয়া। যেতিয়া মানুহৰ মাজত বিচাৰ-ফয়চলা কৰা ন্যায় বিচাৰ

কৰিবা। এয়া আল্লাহে তোমালোকক উত্তম উপদেশ দিছে। আল্লাহ সৰ্বশ্ৰোতা, সৰ্বদ্ৰষ্টা। (৫৯) হে বিশ্বাস স্থাপনকাৰীসকল, আনুগত্য কৰা আল্লাহৰ, আনুগত্য কৰা ৰছুলৰ আৰু তোমালোকৰ মাজত কৰ্তৃত্ব দান কৰা লোকসকলৰ। তোমালোকৰ মাজত কোনো বিষয়ত মতানৈক্য সৃষ্টি হ'লে সেয়া আল্লাহ আৰু ৰছুলৰ ওপৰত এৰি দিয়া, যদি তোমালোক আল্লাহ আৰু পৰকালৰ প্ৰতি বিশ্বাসী হোৱা। এয়াই সঠিক আৰু পৰিণতিৰ ফালৰ পৰাও উত্তম। (৬০) তুমি সিহঁতক মন কৰা নাইনে, যিবিলাকে তোমাৰ প্ৰতি আৰু তোমাৰ পূৰ্বে যি অৱতীৰ্ণ হৈছিল তাৰ প্ৰতি বিশ্বাস স্থাপন কৰা বুলি দাবী কৰে? কিন্তু সিহঁতে সিহঁতৰ যাৱতীয় বিষয়ৰ সিদ্ধান্তৰ বাবে তাগুতৰ (ছয়তানৰ) ওচৰ চাপিব খোজে, অথচ তাগুতৰ প্ৰতি আস্থা ৰাখিবলৈ সিহঁতক নিষেধ কৰা হৈছে। ছয়তানে সিহঁতক পথভ্ৰষ্ট কৰি বহু দূৰলৈ আঁতৰাই নিব বিচাৰে। (৬১) যেতিয়া সিহঁতক কোৱা হয়- 'আল্লাহে যি অৱতীৰ্ণ কৰিছে তাৰ পিনে আৰু ৰছুলৰ পিনে আহা', তেতিয়া তুমি দেখিবা মুনাফিকবিলাকে (কপটাচাৰীবিলাকে) তোমাৰ পৰা ফালৰি কাটি দূৰলৈ গৈছে। (৬২) তেতিয়া কি অৱস্থা হ'ব, যেতিয়া নিজ কৃতকৰ্মৰ ফল স্বৰূপে সিহঁতৰ ওপৰত কোনো বিপদ আহে? তেতিয়া সিহঁতে তোমাৰ ওচৰলৈ আহি শপত খাই ক'ব- 'আল্লাহৰ শপত, আমি কল্যাণ আৰু মিলাপ্ৰীতিৰ ব্যতীত একোৱেই বিচৰা নাছিলো।' (৬৩) আল্লাহে ভালকৈ জানে সিহঁতৰ অন্তৰত কি আছে। গতিকে সিহঁতক উপেক্ষা কৰা, সিহঁতক সদুপদেশ দিয়া আৰু এনেভাৱে বুজোৱা যেন সিহঁতৰ হৃদয় স্পৰ্শ কৰে।

(৬৪) আমি এই নিমিত্তেহে ৰছুল পঠাইছো যাতে আল্লাহৰ আদেশ অনুযায়ী তেওঁক আনুগত্য কৰা হয়। সিহঁতে নিজৰ ওপৰতে অন্যায় কৰাৰ লগে লগে যদি তোমাৰ ওচৰলৈ আহিলহেঁতেন আৰু আল্লাহৰ ওচৰত ক্ষমা বিচাৰিলে হেঁতেন আৰু ৰছুলেও সিহঁতৰ কাৰণে ক্ষমা প্ৰাৰ্থনা কৰিলেহেঁতেন, তেনেহ'লে

নিশ্চয় আল্লাহক ক্ষমাশীল আৰু দয়ালু ৰূপে পালেহেঁতেন। (৬৫) তোমাৰ প্ৰভুৰ শপত, সিহঁত কেতিয়াও মু'মিন হ'ব নোৱাৰে যেতিয়ালৈকে সিহঁতে সিহঁতৰ নিজৰ বিবাদৰ বিচাৰ কাৰ্যত তোমাক নিৰ্ণায়ক বিচাৰক হিচাবে মানি নল'ব। ইয়াৰ পিছত তুমি যি মীমাংসা কৰিবা সেই লৈ সিহঁতে কোনো দ্বিধাবোধ কৰিব নোৱাৰিব আৰু সেয়া সৰ্বান্তকৰণে মানি ল'ব লাগিব। (৬৬) যদি আমি সিহঁতক আদেশ দিলোহেঁতেন যে- 'তোমালোকে নিজকে উৎসৰ্গ কৰা, নিজ গৃহ ত্যাগ কৰা, তেনেহ'লে সিহঁতৰ খুব কম সংখ্যক মানুহে সেয়া পালন কৰিলেহেঁতেন। সিহঁতক যি কৰিবলৈ উপদেশ দিয়া হৈছিল, সেয়া যদি সিহঁতে কৰিলেহেঁতেন, সিহঁতৰ বাবেই মংগলজনক হ'লহেঁতেন আৰু (ঈমান) দৃঢ় হ'লহেঁতেন; (৬৭) আৰু তেতিয়া আমিয়ো আমাৰ ফালৰ পৰা অশেষ পুৰস্কাৰ নিশ্চয় দান কৰিলোহেঁতেন; (৬৮) আৰু সিহঁতক সৰল সৎ পথ দেখুৱালোহেঁতেন। (৬৯) যিজনে আল্লাহ আৰু ৰছুলৰ আনুগত্য কৰিব। তেওঁ সেইসকলৰ সংগ লাভ কৰিব, যিসকলক আল্লাহে অনুগ্ৰহ দান কৰিছে, অৰ্থাৎ নবী, সত্যবাদী, ছহীদ আৰু সজ্জন। এওঁলোক কেনে অতি উত্তম সংগী! (৭০) এয়া আল্লাহৰ অনুগ্ৰহ। আল্লাহৰ অসীম জ্ঞানেই যথেষ্ট।

(৭১) হে বিশ্বাস স্থাপনকাৰীসকল, সদায় সতৰ্ক হৈ থাকিবা আৰু (সুযোগ-সুবিধা অনুযায়ী) দলে দলে ভাগ হৈ যাবা অথবা একগোট হৈ যাবা। (৭২) তোমালোকৰ মাজত এনে মানুহো আছে, যি পিছ হোঁহকা মাৰে আৰু তোমালোক বিপদাপন্ন হ'লে কয়- 'আল্লাহে মোৰ প্ৰতি বৰ অনুগ্ৰহ কৰিলে যে মই সিহঁতৰ লগত নাছিলো।' (৭৩) কিন্তু তোমালোকৰ প্ৰতি আল্লাহৰ কোনো অনুগ্ৰহ হ'লে, তোমালোকৰ লগত তাৰ কোনো সহৃদয়তা আছিল বুলি ভাবি সি ক'ব- 'হায়! মই যদি সিহঁতৰ লগত থাকিলেহেঁতেন, মোৰ বহু লাভ হ'লহেঁতেন।' (৭৪) যিসকলে পৰকালৰ বাবে পাৰ্থিৱ জীৱন দান কৰে, তেওঁলোকে আল্লাহৰ পথত যুদ্ধ কৰা উচিত আৰু যিজনে আল্লাহৰ পথত ৰণ

দি নিহত হয় বা বিজয়ী হয়, আমি তেওঁক পৰম পুৰস্কাৰ দান কৰিম। (৭৫) তোমালোকৰ কি হ'ল যে, তোমালোকে আল্লাহৰ পথত যুদ্ধ নকৰা আৰু সেই নিপীড়িত দুৰ্বল মতা-তিৰোতা আৰু শিশুৰ বাবে যি সকলে আৰ্তনাদ কৰি কয়- 'হে আমাৰ প্ৰভু, আমাক এই ঠাইৰ পৰা উদ্ধাৰ কৰা। ইয়াৰ অধিবাসীবিলাক অত্যাচাৰী। তোমাৰ পিনৰ পৰাই আমাৰ বাবে এজন ৰক্ষণা-বেক্ষণকাৰী দিয়া আৰু তোমাৰ পিনৰ পৰাই আমাৰ বাবে এজন সাহায্যকাৰী দিয়া।' (৭৬) যিসকলে বিশ্বাস স্থাপন কৰিছে, তেওঁলোকে আল্লাহৰ পথত যুদ্ধ কৰে আৰু যিবিলাকে অবিশ্বাস কৰিছে, সিহঁতে ছয়তানৰ পথত যুদ্ধ কৰে। এতেকে ছয়তানৰ সংগীবিলাকৰ বিৰুদ্ধে যুদ্ধ কৰা। নিশ্চয় ছয়তানৰ কৌশল অতি দুৰ্বল।

(৭৭) তুমি সিহঁতক দেখা নাইনে, যিসকলক আদেশ দিয়া হৈছিল- 'তোমালোকৰ হাত সংযমিত কৰা, নামাজ প্ৰতিষ্ঠা কৰা আৰু যাকাত আদায় দিয়া?' তাৰ পিছত যেতিয়া সিহঁতক যুদ্ধৰ আদেশ দিয়া হ'ল, তেতিয়া সিহঁতৰ একাংশই মানুহক এনেদৰে ভয় কৰিব ধৰিলে, যেনেদৰে আল্লাহক ভয় কৰা উচিত। আনকি কিছুমানে তাতোকৈ বেছি ভয় কৰিব ধৰিলে আৰু ক'লে- 'হে আমাৰ প্ৰভু, আমাক কিয় যুদ্ধৰ আদেশ দিলা? কিয় আমাক আৰু কিছু সময় অৱকাশ নিদিলা?' কোৱা- 'পার্থিৱ জগতৰ ভোগ-বিলাস যৎসামান্য আৰু ক্ষন্তেকীয়া। খোদাভক্ত মানুহৰ বাবে পৰকাল উত্তম আৰু তোমালোকৰ ওপৰত তিল পৰিমাণো অবিচাৰ কৰা নহ'ব।' (৭৮) তোমালোক য'তেই থাকা মৃত্যুই তোমালোকক লগ ধৰিবই যিমানে সুৰক্ষিত সুদৃঢ় অট্টালিকাত সোমাই নাথাকা কিয়! সিহঁতৰ কিবা ভাল হ'লে কয়- 'এয়া আল্লাহৰ পৰা আহিছে' আৰু বেয়া হ'লে কয়- 'এয়া তোমাৰ কাৰণে হৈছে।' সিহঁতক কোৱা- 'সকলো আল্লাহৰ পক্ষৰ পৰা হয়।' এই মানুহবিলাকৰ কি হ'ল? ইহঁতে দেখোন কোনো কথাই বুজি নাপায়? (৭৯) তুমি যি কল্যাণ লাভ কৰা, সেয়া আল্লাহৰ পক্ষৰ পৰা

আহে আৰু তোমাৰ ওপৰত যি বিপদ পতিত হয়, সেয়া তোমাৰ নিজ অৰ্জনৰ কাৰণে হয়। আমি তোমাক মানুহৰ বাবে ৰছুল হিচাবে পঠাইছোঁ; ইয়াৰ বাবে আল্লাহৰ সাক্ষ্যই যথেষ্ট।

(৮০) যিজনে ৰছুলৰ আনুগত্য কৰে, তেওঁ আল্লাহক আনুগত্য কৰে আৰু যিবিলাকে মুখ ঘূৰায় (জানি থোৱা) সিহঁতক পহৰা দিবলৈ আমি তোমাক পঠোৱা নাই। (৮১) সিহঁতে কয়- 'আমি মানি লৈছোঁ; কিন্তু যেতিয়া সিহঁতে তোমাৰ পৰা আঁতৰি যায়, সিহঁতৰ কিছুমানে ৰাতিৰ ভাগত গোট খাই তুমি কোৱা কথাৰ বিপৰীতে দিহা-পৰামৰ্শ কৰে। সিহঁতৰ এই ষড়যন্ত্ৰৰ কথা আল্লাহে লিখি আছে। তুমি সিহঁতক উপেক্ষা কৰা আৰু আল্লাহৰ ওপৰত ভৰসা কৰা। ভৰসা কৰিবৰ বাবে আল্লাহে যথেষ্ট। (৮২) সিহঁতে কুৰআনৰ বিষয়ে চিন্তা-চৰ্চা নকৰানে? এইখন যদি আল্লাহৰ ব্যতীত অইন কোনোবাৰ পৰা আহিলহেঁতেন, তেনেহ'লে সিহঁতে ইয়াত অনেক বিসংগতি পালেহেঁতেন। (৮৩) যেতিয়া সিহঁতে কোনো শান্তি বা আতংকৰ বাতৰি পায়, তেতিয়া সিহঁতে সেয়া প্ৰচাৰ কৰি ফুৰে। সিহঁতে যদি সেয়া ৰছুল আৰু সিহঁতৰ কৰ্তৃত্বশীল ব্যক্তিৰ ওচৰত উত্থাপন কৰিলেহেঁতেন, তেনেহ'লে তেওঁলোকৰ কিছুমানে ইয়াৰ সত্য-অসত্যৰ তথ্য জানিব পাৰিলোহেঁতেন। তোমালোকৰ প্ৰতি আল্লাহৰ অনুগ্ৰহ আৰু কৰুণা নথকাহেঁতেন মাত্ৰ কেইজনমানৰ বাহিৰে আন সকলোৱে ছয়তানৰ অনুসাৰী হ'লহেঁতেন।

(৮৪) সেয়ে আল্লাহৰ পথত যুদ্ধ কৰা। তুমি কেৱল তোমাৰ নিজৰ বাবে দায়বদ্ধ। বিশ্বাস স্থাপনকাৰীসকলক উদ্বুদ্ধ কৰা। সম্ভৱতঃ আল্লাহে অবিশ্বাসকাৰীবিলাকৰ শক্তি খৰ্ব কৰিব। আল্লাহৰ শক্তি সৰ্বপেক্ষা প্ৰবল আৰু শাস্তি দানত তেওঁ অত্যন্ত কঠোৰ। (৮৫) যি মানুহে ভাল কামৰ বাবে মধ্যস্থতা কৰে, সিয়ো তাৰ ভাগ পাব। আল্লাহ সকলো বস্তুৰ ওপৰত দৃষ্টিমান। (৮৬) তোমালোকক কোনোৱে অভিবাদন জনালে তোমালোকে তাতোকৈ

অধিক উচ্ছাসেৰে অভিবাদন জনাবা অথবা অন্ততঃ অনুৰূপভাৱে জনাবা। নিশ্চয় আল্লাহ সকলো বিষয়ৰ হিচাব গ্ৰহণকাৰী। (৮৭) আল্লাহেই উপাস্য। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেওঁ তোমালোকৰ সকলোকে কিয়ামতৰ দিনা সমবেত কৰিব; ইয়াত কোনো সন্দেহ নাই। আল্লাহৰ কথাতকৈ কাৰ কথা আৰু অধিক সত্য হ'ব পাৰে?

(৮৮) তোমালোকৰ কি হ'ল, মুনাফিকবিলাকৰ সম্বন্ধে তোমালোক দুদলত বিভক্ত হ'লা? সিহঁতৰ নিজ কৃতকৰ্মৰ বাবে আল্লাহে সিহঁতক (পূৰ্বাৱস্থালৈ) ঘূৰাই দিলে। আল্লাহে যাক পথভ্ৰষ্ট কৰিছে, তাক তোমালোকে সুপথলৈ আনিবলৈ ইচ্ছা কৰা নেকি? আল্লাহে যাক পথভ্ৰষ্ট কৰিছে, তাৰ কাৰণে তুমি কোনো পথ নোপোৱা। (৮৯) সিহঁতে বাঞ্ছা কৰে সিহঁতে যেনেদৰে অবিশ্বাস কৰিলে, তোমালোকেও তেনেদৰে অবিশ্বাস কৰা যাতে তোমালোক আটায়ে সমপৰ্যয়ৰ হোৱা। সিহঁতৰ কাকো সঙ্গ হিচাবে গ্ৰহণ নকৰিবা, যেতিয়ালৈকে সিহঁত আল্লাহৰ পথত নিজ গৃহ ত্যাগ (হিজৰত) কৰি নাহে। এয়া যদি সিহঁতে মানি নলয়, তেনেহ'লে সিহঁতক য'তে পোৱা ধৰা আৰু বধ কৰা আৰু সিহঁতৰ কাকো সঙ্গ আৰু সহায়কাৰীৰূপে গ্ৰহণ নকৰিবা। (৯০) অৱশ্যে সেইবিলাক ইয়াৰ অন্তৰ্ভুক্ত নহয়, যিবিলাকে তোমালোকৰ চুক্তিবদ্ধ কোনো জাতিৰ লগত মিলিছেগৈ অথবা যিবিলাকে তোমালোকৰ ওচৰলৈ আহে অথচ সিহঁতে তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অনুৎসাহী আৰু স্বজাতিৰ বিৰুদ্ধেও যুদ্ধ কৰিবলৈ অনুৎসাহী। আল্লাহে ইচ্ছা কৰাহেঁতেন, তোমালোকতকৈ সিহঁতক বেছি শক্তিশালী কৰিলেহেঁতেন আৰু সিহঁতে তোমালোকৰ বিপক্ষে যুদ্ধ কৰিলেহেঁতেন। সেয়ে সিহঁতে যদি তোমালোকৰ পৰা আঁতৰি যায় আৰু তোমালোকৰ লগত যুদ্ধ নকৰি সন্ধি কৰিব বিচাৰে, তেনেহ'লে সিহঁতৰ ক্ষতি সাধিবলৈ আল্লাহে তোমালোকক অনুমতি দিয়া নাই। (৯১) তোমালোকে এনে এক শ্ৰেণীৰ মানুহ পাবা, যিবিলাকে তোমালোকৰ পৰা নিৰাপদে থাকিব

বিচাৰে আৰু নিজ সম্প্ৰদায়ৰ পৰাও নিৰাপদে থাকিব বিচাৰে। কিন্তু যেতিয়াই বিপৰ্যয় সৃষ্টি কৰাৰ সুযোগ পায় সিহঁতে উঠিপৰি লাগে। এই মানুহবিলাকে যদি বিৰত নাথাকে বা শান্তি ৰক্ষাৰ আশ্বাস নিদিয়ে নাইবা তোমালোকৰ প্ৰতি যুদ্ধ কৰাৰ পৰা নিজক সংযত নাৰাখে, তেনেহ'লে সিহঁতক য'তে পোৱা তাতে ধৰা আৰু বধ কৰা। সিহঁতৰ বিৰুদ্ধে আমি তোমালোকক প্ৰকাশ্য কৰ্তৃত্ব দিলো।

(৯২) কোনো মু'মিনে আন এজন মু'মিনক বধ কৰা বিধি সংগত নহয়; অৱশ্যে ভুল বশতঃ কৰিলে অন্য কথা। কোনো ব্যক্তিয়ে ভুল বশতঃ এজন মু'মিনক বধ কৰে, সি এজন মুমিন দাসক দাসত্বৰ পৰা মুক্ত কৰি দিব লাগিব আৰু নিহত ব্যক্তিৰ উত্তৰাধিকাৰীক ৰক্তমূল্য দিব লাগিব। যদি সিহঁতে ক্ষমা কৰে, অন্য কথা। নিহত ব্যক্তি যদি শত্ৰুপক্ষৰ মু'মিন ব্যক্তি হয়, তেনেহ'লে এজন দাস মুক্ত কৰি দিব লাগিব। নিহত ব্যক্তি যদি অমুছলিম ফৈদৰ হয়, যাৰ লগত তোমালোকে চুক্তিবদ্ধ হৈ আছা, তেনেহ'লে নিহত ব্যক্তিৰ উত্তৰাধিকাৰীক ৰক্তমূল্য দিব লাগিব আৰু এজন দাস মুক্ত কৰি দিব লাগিব। দাস মুক্ত কৰিবলৈ অক্ষম হ'লে একে লেখাৰিয়ে দুমাহ ৰোজা ৰাখিব লাগিব। এয়েই আল্লাহৰ তৰফৰ পৰা নিৰ্ধাৰিত প্ৰায়চিত্ত। আল্লাহ সৰ্বজ্ঞানী, প্ৰজ্ঞাময়।
(৯৩) কোনোৱে ইচ্ছাকৃতভাৱে কোনো মু'মিন ব্যক্তিক হত্যা কৰিলে, তাৰ প্ৰতিফল নৰক। তাত সি চিৰকাল থাকিব। তাৰ ওপৰত আল্লাহৰ অসন্তুষ্টি আৰু অভিশাপ আৰু আল্লাহে তাৰ বাবে কঠোৰ শাস্তি আয়োজন কৰি ৰাখিছে।

(৯৪) হে বিশ্বাস স্থাপনকাৰীসকল, যেতিয়া তোমালোকে আল্লাহৰ পথত অভিযানলৈ ওলাই যোৱা, তেতিয়া ভালদৰে বাচ-বিচাৰ কৰিবা। কোনোৱে তোমাক ছালাম দিলে তাক এইদৰে নক'বা- 'তুমি মু'মিন নহয়।' তোমালোকে যদি পাৰ্থিৱ জীৱনৰ সম্পদ বিচৰা, তেনেহ'লে আল্লাহৰ ওচৰতহে প্ৰচুৰ পৰিমাণে উত্তম সম্পদ আছে। পূৰ্বে তোমালোকেও এনে অৱস্থাতেই

আছিলা, পিছত আল্লাহে তোমালোকক বিশেষ অনুগ্রহ কৰিলে, সেয়ে সযত্নে অনুসন্ধান কৰি কাম কৰিবা। তোমালোকে যি কৰা, সকলো আল্লাহৰ অৱগত। (৯৫) যিসকল মু'মিন অক্ষমতাৰ অবিহনে ঘৰত বহি থাকে আৰু যিসকলে ধন-প্ৰাণ দি আল্লাহৰ পথত সংগ্ৰাম কৰে, উভয় প্ৰকাৰ লোক একে সমান হ'ব নোৱাৰে। ধন-প্ৰাণ দি যুদ্ধ কৰা লোকসকলৰ মৰ্যাদা ঘৰত বহি থকা লোকসকলতকৈ অনেক উৰ্ধত। আল্লাহে প্ৰত্যেককে কল্যাণৰ প্ৰতিশ্ৰুতি দিছে; কিন্তু ঘৰত থকা সকলতকৈ আল্লাহৰ পথত সংগ্ৰাম কৰা লোকসকলক অধিক পুৰস্কাৰ দান কৰিব। (৯৬) তেওঁলোকৰ বাবে আল্লাহৰ ওচৰত আছে মৰ্যাদাপূৰ্ণ স্থান আৰু আছে ক্ষমা আৰু কৰুণা। আল্লাহ ক্ষমাশীল, কৰুণাময়।

(৯৭) যিবিলাকে নিজে নিজৰ অনিষ্ট সাধে, ফিৰিস্তাসকলে সিহঁতৰ প্ৰাণ হৰণ কৰাৰ সময়ত সোধে- 'তোমালোক কি অৱস্থাত আছিলা?' সিহঁতে উত্তৰত কয়- 'পৃথিৱীত আমি দুৰ্বল আছিলো।' ফিৰিস্তাসকলে সোধে- 'আল্লাহৰ পৃথিৱী প্ৰশস্ত নাছিলনে যে তোমালোকে আন ঠাইলৈ হিজৰত কৰি যাব নোৱাৰিলা?' সেইবিলাক মানুহৰ বাসস্থল জাহান্নাম। ই অতি জঘন্য গন্তব্যস্থল। (৯৮) অৱশ্যে যিবিলাক মুনিহ-তিৰোতা, শিশু, দুৰ্বল, অসহায়, উপায়হীন আছিল আৰু পৰিত্ৰাণৰ উপায় পোৱা নাছিল আৰু ক'লৈ যাব তাকো জনা নাছিল; (৯৯) আল্লাহে সিহঁতক ক্ষমা কৰিব বুলি আশা কৰা যায়। আল্লাহ মাৰ্জনাকাৰী, ক্ষমাশীল। (১০০) যিজনে আল্লাহৰ পথত দেশ ত্যাগ কৰে, তেওঁ আশ্ৰয় ল'বলৈ পৃথিৱীত অনেক আশ্ৰয় স্থল আৰু প্ৰাচুৰ্য লাভ কৰিব। যিবিলাকে আল্লাহ আৰু ৰছুলৰ পথত ঘৰ ত্যাগ কৰি ওলাই গৈ মৃত্যু মুখত পৰে, তেওঁক প্ৰতিদান দিয়াতো আল্লাহৰ কৰ্তব্য হৈ পৰিল। আল্লাহ ক্ষমাশীল, পৰম দয়ালু।

(১০১) তোমালোকে পৃথিৱীত ভ্ৰমণ কৰাৰ সময়ত নামাজ কছৰ (সংক্ষিপ্ত) কৰিলে কোনো দোষ নহয়; যদিহে অবিশ্বাসকাৰীবিলাকে

তোমালোকক অনিষ্ট সাধন কৰাৰ আশংকা থাকে। নিশ্চয় অবিশ্বাসকাৰীবিলাক তোমালোকৰ প্ৰকাশ্য শত্ৰু। (১০২) যেতিয়া তুমি মুছলমানসকলৰ লগত থকা আৰু নামাজত নেতৃত্ব দিবৰ বাবে থিয় হোৱা, তেতিয়া এদলে অস্ত্ৰ-শস্ত্ৰ লৈ তোমাৰ লগত থিয় দিব। যেতিয়া তেওঁলোকে ছিজদা সম্পন্ন কৰিব, তেওঁলোক পিছলৈ যাব আৰু নামাজ নপঢ়া আনটো দল তোমাৰ লগত নামাজ পঢ়িব। তেওঁলোক সতৰ্ক থাকিব আৰু অস্ত্ৰ-শস্ত্ৰ লগত ৰাখিব। সত্য অস্বীকাৰকাৰীবিলাকে কামনা কৰে যে তোমালোকে নিজ অস্ত্ৰ-শস্ত্ৰ আৰু সাজ-সৰঞ্জামৰ প্ৰতি অলপ অসতৰ্ক হোৱা যাতে সিহঁতে অতৰ্কিতে তোমালোকক আক্ৰমণ কৰিব পাৰে। বৃষ্টিৰ কাৰণে যদি তোমালোকৰ অসুবিধা হয়, কিম্বা যদি তোমালোক অসুস্থ হোৱা, তেতিয়া অস্ত্ৰ নমাই থলে দোষ নহয়; তথাপিও সতৰ্কতা অৱলম্বন কৰিবা। নিশ্চয় আল্লাহে অস্বীকাৰকাৰী বিলাকৰ কাৰণে লাঞ্ছনাদায়ক শাস্তি আয়োজন কৰি ৰাখিছে। (১০৩) নামাজ সমাপ্ত কৰি পিছত তোমালোকে থিয় দি, বহি, শুই সৰ্বাৱস্থাত আল্লাহক স্মৰণ কৰিবা। নিৰাপদ অনুভৱ কৰিলে নিয়মানুযায়ী নামাজ পঢ়িবা। নামাজ এটি কৰণীয় কৰ্ম, সময়ানুৱৰ্তিতাৰ সৈতে ঈমানদাৰসকলৰ বাবে বাধ্যতামূলক কৰা হৈছে। (১০৪) শত্ৰুৰ পিছ লোৱাত হেলা নকৰিবা। যদি তোমালোকে কষ্ট পাইছা, সিহঁতেও তোমালোকৰ দৰে কষ্ট পাইছে; কিন্তু তোমালোকে আল্লাহৰ পৰা যি আশা কৰা, সিহঁতে সেয়া আশা নকৰে। আল্লাহ মহাজ্ঞানী, প্ৰজ্ঞাময়।

(১০৫) আমি এই পুথিখনি সত্যতাসহ তোমাৰ প্ৰতি অৱতীৰ্ণ কৰিছো যাতে তোমালোকে মানুহৰ মাজত এই অনুসৰি মীমাংসা কৰিব পাৰা আল্লাহে তোমালোকক যি দেখুৱাইছে। তুমি বিশ্বাসঘাতকবিলাকৰ সপক্ষে বিতৰ্কত লিপ্ত নহ'বা। (১০৬) আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা। আল্লাহ ক্ষমাশীল, পৰম দয়ালু। (১০৭) যিজনে নিজকে প্ৰতাড়ণা কৰে, তুমি সিহঁতৰ হৈ উকালতি নকৰিবা। নিশ্চয় আল্লাহে প্ৰতাড়ক আৰু পাপিষ্ঠবোৰক ভাল নাপায়।

(১০৮) সিহঁতে মানুহৰ ওচৰত লাজ অনুভৱ কৰে; কিন্তু আল্লাহৰ ওচৰত লাজ অনুভৱ নকৰে যদিও আল্লাহ সিহঁতৰ লগত থাকে যেতিয়া সিহঁতে ৰাতিৰ ভাগত আল্লাহৰ সন্তুষ্টিৰ বিপৰীতে শলা-পৰামৰ্শ কৰে। সিহঁতৰ সকলো কাম-কাজ আল্লাহৰ আয়ত্তাধীন।

(১০৯) তোমালোকে দুনিয়াত সিহঁতৰ পক্ষে বহুত তর্ক-বিতর্ক কৰিলা; কিন্তু কিয়ামতৰ দিনা সিহঁতৰ পক্ষে আল্লাহৰ ওচৰত কোনে উকালতি কৰিব আৰু কোন হ'ব সিহঁতৰ কার্যনিবাহক? (১১০) কোনোৱে যদি অপকর্ম কৰে বা নিজৰ প্ৰতি অন্যায় কৰে আৰু পিছত আল্লাহৰ ওচৰত ক্ষমা প্ৰার্থনা কৰে, তেনেহ'লে সি আল্লাহক ক্ষমাশীল আৰু দয়ালু হিচাবে পাব।

(১১১) যিজনে পাপ কর্ম কৰে, সেয়া সি নিজৰ বাবে কৰে। নিশ্চয় আল্লাহ সর্বজ্ঞ, জ্ঞানী। (১১২) যি ব্যক্তিয়ে ত্ৰুটি বা অপকর্ম কৰি কোনো নিৰপৰাধী ব্যক্তিৰ প্ৰতি সেয়া আৰোপ কৰে, সি জঘন্য মিছা অপবাদ আৰু স্পষ্ট পাপৰ বোজা নিজেই বহন কৰে। (১১৩) তোমাৰ প্ৰতি যদি আল্লাহৰ অনুগ্ৰহ আৰু কৃপা নহ'লহেঁতেন, তেনেহ'লে সিহঁতৰ এদলে তোমাক পথ ভ্ৰষ্ট কৰাৰ সংকল্প কৰিছিলেই; কিন্তু সিহঁতে তোমাৰ অকণো ক্ষতি কৰিব পৰা নাই। আল্লাহে তোমাৰ প্ৰতি পুথি আৰু জ্ঞান অৱতীর্ণ কৰিছে আৰু তোমাক এনে জ্ঞান দিলে, যিবোৰ তুমি জনা নাছিলা। তোমাৰ প্ৰতি আল্লাহৰ অশেষ অনুগ্ৰহ আছে।

(১১৪) সিহঁতৰ প্ৰায়ভাগ গোপন আলাপ-আলোচনাত হিতকৰ কথা নাই। অৱশ্যে আছে সেই গোপন পৰামর্শত য'ত দান কৰিবলৈ উপদেশ দিয়ে বা সৎ কর্ম অথবা মানুহক সংশোধন কৰাৰ উদগনি দিয়ে, সেয়া ভাল কথা। আল্লাহৰ প্ৰসন্নতা লাভৰ উদ্দেশ্যে যিজনে এনে কৰিব, আমি তাক মূল্যবান পুৰস্কাৰ দান কৰিম। (১১৫) কিন্তু সৎ পথ উদ্ভাসিত হোৱাৰ পিছত যি ব্যক্তি ৰছুলৰ বিৰুদ্ধাচৰণ কৰে, মু'মিনসকলৰ পথৰ ব্যতীত অন্য পথত চলে, সি যি

পথত চলিবলৈ লয়, আমি তাক সেই পথত চলিবলৈ দিম আৰু তাক জাহান্নামত নিক্ষেপ কৰিম আৰু ই অতি জঘন্য গন্তব্যস্থল।

(১১৬) যিজনে আল্লাহৰ লগত আনক অংশী কৰে, আল্লাহে তাক ক্ষমা নকৰে, ইয়াৰ বাহিৰে আন যি কোনো দোষ তেওঁ যাক ইচ্ছা কৰে, ক্ষমা কৰে। যিজনে আল্লাহৰ লগত আনক অংশী কৰিলে, সি বিপথে বহুদূৰ আগুৱাই গ'ল। (১১৭) সিহঁতে আল্লাহৰ পৰিৱৰ্তে দেৱীবোৰকহে প্ৰাৰ্থনা কৰে আৰু বিদ্রোহী ছয়তানবোৰৰ বাহিৰে আনক প্ৰাৰ্থনা নকৰে। (১১৮) যাক আল্লাহে অভিশপ্ত কৰিলে। সি আল্লাহক ক'লে- 'মই তোমাৰ বান্দাসকলৰ এটা নিৰ্দিষ্ট অংশ লৈহে এৰিম। (১১৯) মই সিহঁতক বিভ্রান্ত কৰিমেই, সিহঁতৰ মনত নানা প্ৰকাৰৰ মিছা আশা-আকাংক্ষা উদ্রেক কৰিম আৰু মই আদেশ দিম, মোৰ আদেশ মতে সিহঁতে পোহনীয়া জন্তুৰ কাণ ফালিবই, মোৰ আদেশত সিহঁতে আল্লাহৰ সৃষ্টিক বিকৃত কৰিবই।' যিজনে আল্লাহৰ পৰিৱৰ্তে ছয়তানক নিজৰ পৃষ্ঠপোষক কৰি লয়, দেখদেখকৈ তাৰ সৰ্বনাশ হ'ল। (১২০) সি সিহঁতক প্ৰতিশ্রুতি আৰু মিছা আশা দিয়ে; কিন্তু ছয়তানৰ প্ৰতিশ্রুতি প্ৰতাৰণাৰ বাহিৰে আন একো নহয়। (১২১) সিহঁতৰ বাসস্থল নৰক, তাৰ পৰা পৰিত্রাণ পোৱাৰ সিহঁতে কোনো উপায় নাপাব। (১২২) আনহাতে যিসকলে বিশ্বাস স্থাপন কৰিলে আৰু সৎ কৰ্ম কৰিলে, তেওঁলোকক আমি এনে স্বৰ্গোদ্যানত প্ৰৱেশ কৰাম যাৰ মাজেৰে নিজৰা প্ৰবাহিত হৈ থাকিব। এয়া আল্লাহৰ সত্য প্ৰতিশ্রুতি। কথা দিয়াত আল্লাহতকৈ আৰু কোন বেছি সত্যবাদী হ'ব পাৰে?

(১২৩) তোমালোকৰ আশা-আকাংক্ষা বা ঐশীপুথিপ্রাপ্তসকলৰ আশা-আকাংক্ষা নৰজিব। যেয়ে অপকৰ্ম কৰিব, তাৰ প্ৰতিফল তাক দিয়া হ'ব আৰু আল্লাহৰ বিনে সি নিজৰ বাবে কোনো সহায়ক আৰু পৃষ্ঠপোষক নাপাব। (১২৪) যি ব্যক্তি সৎ কৰ্ম কৰিব পুৰুষেই হওক বা নাৰীয়েই হওক, তেওঁ যদি বিশ্বাস স্থাপনকাৰী হয়, তেনে ব্যক্তি জান্নাতত প্ৰৱেশ কৰিব আৰু তেওঁলোকক

তিল পৰিমাণো অন্যায় কৰা নহ'ব। (১২৫) তেওঁতকৈ আৰু কাৰ ধৰ্ম উত্তম হ'ব পাৰে, যিজনে নিজকে আল্লাহৰ ওচৰত আত্মসমৰ্পণ কৰে, সৎ কৰ্ম কৰে আৰু একনিষ্ঠভাৱে ইব্ৰাহীমৰ পন্থা অনুসৰণ কৰে, যিজন একনিষ্ঠ আছিল? আল্লাহে ইব্ৰাহীমক নিজৰ বন্ধু হিচাবে বাছি লৈছিল। (১২৬) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সেয়া সকলো আল্লাহৰেই আৰু সকলো বস্তু আল্লাহৰ আয়ত্বাধীন।

(১২৭) সিহঁতে তোমাৰ পৰা তিৰোতাৰ সম্পৰ্কে জানিব বিচাৰে। কোৱা- 'আল্লাহে সিহঁতৰ সম্পৰ্কে তোমালোকক নিৰ্দেশ দিছে আৰু পুথিৰ মাধ্যমত মাউৰা ছোৱালী সম্পৰ্কীয় নিৰ্দেশ জনাই দিছে যে সিহঁতৰ বাবে নিৰ্ধাৰিত অংশ তোমালোকে সিহঁতক আদায় নকৰা অথচ সিহঁতক বিবাহ কৰিব খোজা।' নিঠৰুৱা শিশুবোৰৰ প্ৰতিও নিৰ্দেশ দিয়া হৈছে- 'মাউৰাবিলাকৰ প্ৰতি সুবিচাৰ কৰিবা।' তোমালোকে যিবোৰ সৎ কৰ্ম কৰা, সেইবোৰৰ বিষয়ে আল্লাহ সম্পূৰ্ণ অৱগত। (১২৮) যদি কোনো তিৰোতাই তাইৰ স্বামীৰ পৰা দুৰ্ব্যৱহাৰ বা তুচ্ছ-তাচ্ছিল্য কৰাৰ আশংকা কৰে, তেতিয়া সিহঁতে নিজৰ মাজতে আপোচ মীমাংসা কৰিলে দোষণীয় নহয়। আপোচ মীমাংসা কৰাই উত্তম। মানৱ প্ৰবৃত্তিৰ স্বাৰ্থপৰায়ণতাৰ প্ৰতি প্ৰৱণতা আছে। যদি তোমালোকে সৎ কৰ্ম কৰা আৰু আল্লাহক ভয় কৰা, তেনেহ'লে তোমালোকৰ এই কৰ্ম নীতি সম্পৰ্কে নিশ্চয় আল্লাহ অৱগত। (১২৯) তোমালোকৰ স্ত্ৰীসকলৰ প্ৰতি তোমালোকে কেতিয়াও সমব্যৱহাৰ কৰিব নোৱাৰা। তোমালোকে যিমানেই ইচ্ছা নকৰা কিয়? এজনীৰ প্ৰতি সম্পূৰ্ণৰূপে আত্মনিয়োগ কৰি আনজনীক উপেক্ষা কৰি উৎকণ্ঠাপূৰ্ণ অনিশ্চয়তাত নাৰাখিবা। তোমালোকে যদি সংশোধন হোৱা আৰু আল্লাহক ভয় কৰি কাম কৰা, নিশ্চয় আল্লাহ মাৰ্জনাকাৰী, পৰম দয়ালু। (১৩০) সিহঁত দুয়ো যদি পৰস্পৰৰ এৰা-এৰি হোৱাৰ সিদ্ধান্ত লয়, তেনেহ'লে আল্লাহে তেওঁৰ প্ৰাচুৰ্যৰ দ্বাৰা উভয়কে অভাৱমুক্ত কৰিব। আল্লাহ

বিশাল প্ৰাচুৰ্যৰ অধিকাৰী, সৰ্বজ্ঞানী।

(১৩১) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সেয়া সকলো আল্লাহৰেই। সিহঁতকো এই উপদেশ দিছিলো যিসকলক তোমালোকৰ পূৰ্বে ঐশীপুথি প্ৰদান কৰিছিলো আৰু এতিয়া তোমালোককো উপদেশ দিছো যে আল্লাহক ভয় কৰা। তোমালোকে যদি আল্লাহক অস্বীকাৰ কৰা (মনত ৰাখিবা) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সকলো আল্লাহৰেই। আল্লাহ অভাৱগ্ৰস্ততাৰ উৰ্ধত আৰু সকলো প্ৰশংসাৰ অধিকাৰী। (১৩২) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সকলো আল্লাহৰেই। ভৰসা কৰিবৰ বাবে আল্লাহেই যথেষ্ট। (১৩৩) তেওঁ যদি ইচ্ছা কৰে, তোমালোকক অপসাৰণ কৰি তোমালোকৰ ঠাইত আনক প্ৰতিষ্ঠা কৰিব পাৰে। সেয়া কৰিবলৈ আল্লাহ সম্পূৰ্ণ সক্ষম। (১৩৪) যিজনে এই পাৰ্থিৱ জগততে কল্যাণ বিচাৰে (সি জনা উচিত) আল্লাহৰ ওচৰত ইহকাল আৰু পৰকালৰো পু�ৰস্কাৰ আছে। আল্লাহ সৰ্বশ্ৰোতা, সৰ্বদ্ৰষ্টা।

(১৩৫) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে ন্যায় বিচাৰত দৃঢ় প্ৰতিষ্ঠিত থাকিবা। আল্লাহৰ পক্ষে সাক্ষ্য দিবা, সেয়া তোমালোকৰ নিজৰ, তোমালোকৰ পিতৃ-মাতৃৰ নাইবা আত্মীয়-স্বজনৰ বিৰুদ্ধেই নহওক কিয় অথবা ধনী বা দৰিদ্ৰৰ পক্ষেই নহওক কিয়? তোমালোকতকৈ আল্লাহহে সিহঁতৰ বেছি হিতাকাংক্ষী। এতেকে তোমালোকে প্ৰবৃত্তিৰ কামনাৰ বশৱৰ্তী হৈ ন্যায় বিচাৰৰ পৰা বিৰত নাথাকিবা। তোমালোকে যদি সত্যক গোপন কৰা বা এৰাই চলা, তেনেহ'লে জানি লোৱা, তোমালোকৰ সকলো কাম-কাজৰ বিষয়ে আল্লাহ অৱগত হৈ থাকে।

(১৩৬) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি, তেওঁৰ ৰছুলৰ প্ৰতি অৱতীৰ্ণ কৰা পুথিৰ প্ৰতি আৰু পূৰ্বে অৱতীৰ্ণ কৰা পুথিৰ প্ৰতিও বিশ্বাস স্থাপন কৰা। যিজনে আল্লাহ, তেওঁৰ ফি�ৰিস্তাসকল, তেওঁৰ

পুথিসমূহ আৰু তেওঁৰ ৰছুলসকলৰ প্ৰতি আৰু পৰকালক অবিশ্বাস কৰে, সেইজন নিশ্চয় বিপথে বহু দূৰলৈ আগুৰাই গ'ল। (১৩৭) যিবিলাকে বিশ্বাস স্থাপন কৰাৰ পিছত অবিশ্বাস কৰে, আকৌ বিশ্বাস স্থাপন কৰাৰ পিছত আকৌ অবিশ্বাস কৰে আৰু অবিশ্বাসতে দৃঢ় হৈ থাকে, আল্লাহে সিহঁতক কেতিয়াও ক্ষমা নকৰে আৰু সুপথো প্ৰদৰ্শন নকৰে। (১৩৮) মুনাফিকবিলাকক সাৱধান কৰি দিয়া যে, সিহঁতৰ বাবে যন্ত্ৰণাদায়ক শাস্তি আছে। (১৩৯) সিহঁতে বিশ্বাস স্থাপনকাৰীসকলক এৰি অস্বীকাৰকাৰীবিলাকক নিজৰ বন্ধু কৰি লয়, সিহঁতে সিহঁতৰ সান্নিধ্যত সন্মান বিচাৰে নেকি? নিশ্চয় সকলো সন্মানৰ গৰাকী আল্লাহ।

(১৪০) এই পুথিৰ জৰিয়তে আল্লাহে তোমালোকক এই নিৰ্দেশ দিছে যে, য'ত আল্লাহৰ বাণীক অস্বীকাৰ আৰু পেংলাই কৰা হৈছে, তাত তোমালোকে নবহিবা যেতিয়ালৈকে সিহঁতে আন প্ৰসংগৰ অৱতাৰণা নকৰে, নহ'লে তোমালোকেও সিহঁতৰ দৰে হ'বা। আল্লাহে মুনাফিক আৰু অবিশ্বাসকাৰীবিলাকক নৰকৰ একে ঠাইত সমবেত কৰিব। (১৪১) মুনাফিক বিলাকে তোমালোকক চাই আছে, আল্লাহৰ তৰফৰ পৰা তোমালোকৰ বিজয় হ'লে সিহঁতে আহি ক'ব- 'আমি তোমালোকৰ লগত নাছিলোনে?' আনহাতে অবিশ্বাসকাৰীবিলাকৰ কোনো দলে যেতিয়া মিলি যায়, তেতিয়া সিহঁতক কয়- 'তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰাৰ ক্ষমতা আমাৰ নাছিলনে? তথাপিও আমি তোমালোকক মুছলমানসকলৰ পৰা ৰক্ষা কৰা নাইনে?' পৰকালত আল্লাহে তোমালোকৰ মাজত বিচাৰ-মীমাংসা কৰিব আৰু মুছলমানসকলৰ বিৰুদ্ধে অবিশ্বাসকাৰীবিলাকক কোনো সুচল পথ কৰি নিদিয়ে।

(১৪২) মুনাফিকবিলাকে আল্লাহক প্ৰতাড়ণা কৰিব বিচাৰে; কিন্তু সিহঁত নিজেহে আল্লাহৰ দ্বাৰা প্ৰতাড়িত হয়। সিহঁতে নামাজৰ বাবে থিয় হওঁতে অলস্যভাৱে মানুহক দেখুৱাবৰ বাবেহে থিয় হয়। সিহঁতে আল্লাহক কমকৈহে

স্মৰণ কৰে। (১৪৩) সিহঁত দুয়োটাৰ (বিশ্বাস-অবিশ্বাসৰ) মাজত দোদুল্যমান। সিহঁত ইফালো নহয়, সিফালো নহয়। আল্লাহে যাক পথভ্রষ্ট কৰে, তাৰ বাবে তুমি কোনো পথ নোপোৱা। (১৪৪) হে বিশ্বাস স্থাপনকাৰীসকল, বিশ্বাস স্থাপনকাৰীসকলৰ পৰিৱর্তে অবিশ্বাসকাৰীবিলাকক নিজৰ বন্ধু ৰূপে গ্রহণ নকৰিবা। তোমালোকে নিজৰ বিপক্ষে আল্লাহৰ ওচৰত জ্বলন্ত প্রমাণ দিব বিচৰানে? (১৪৫) মুনাফিকবিলাকৰ স্থান হ'ল নৰকৰ আটাইতকৈ নিম্নস্তৰত। সিহঁতৰ বাবে তুমি কোনো সাহায্যকাৰী নাপাবা। (১৪৬) অৱশ্যে যিসকলে তওবা (অনুশোচনা) কৰে আৰু নিজকে সংশোধন কৰি লয় আৰু আল্লাহক দৃঢ়ভাৱে ধৰি থাকে আৰু নিজ বিশ্বাসক আন্তৰিকতাৰে একমাত্র আল্লাহক সঁপি দিয়ে, তেওঁলোক মু'মিনসকলৰ লগত থাকিব। আল্লাহে মু'মিনসকলক মহামূল্যৱান পুৰস্কাৰ দান কৰিব। (১৪৭) আল্লাহে তোমালোকক কিয় শাস্তি দিব যদি তোমালোক তেওঁৰ প্রতি কৃতজ্ঞ হোৱা আৰু তেওঁৰ প্রতি বিশ্বাস স্থাপন কৰা? আল্লাহ গুণগ্রাহী, সর্বজ্ঞ।

(১৪৮) বেয়া কথা কোৱা আল্লাহে ভাল নাপায়। অৱশ্যে কোনো অন্যায়ৰ স্বীকাৰ হ'লে অন্য কথা। আল্লাহ সর্বশ্রোতা, সর্বজ্ঞাতা। (১৪৯) যদি তোমালোকে প্রকাশ্যে বা গোপনে ভাল কাম কৰি যোৱা বা অন্যায়কাৰীক ক্ষমা কৰা, তেনেহ'লে আল্লাহ ক্ষমাশীল, সর্ব শক্তিমান। (১৫০) যিবিলাকে আল্লাহ আৰু তেওঁৰ ৰছুলসকলক অস্বীকাৰ কৰে আৰু আল্লাহ আৰু ৰছুলসকলৰ মাজত প্রভেদ সৃষ্টি কৰিবলৈ বিচাৰে আৰু কয়- 'আমি ৰছুলসকলৰ কিছুমানক স্বীকাৰ কৰো আৰু কিছুমানক স্বীকাৰ নকৰো।' সিহঁতে বিশ্বাস আৰু অবিশ্বাসৰ মাজত এটা মধ্যৱর্তী পথ অৱলম্বন কৰিব বিচাৰে। (১৫১) নিঃসন্দেহ, সিহঁত প্রকৃততে আচল অবিশ্বাসকাৰী। আমি অবিশ্বাসকাৰীবিলাকৰ কাৰণে লাঞ্ছনাদায়ক শাস্তি প্রস্তুত কৰি ৰাখিছো। (১৫২) যিসকলে আল্লাহ আৰু তেওঁৰ ৰছুলসকলৰ প্রতি বিশ্বাস স্থাপন কৰে

আৰু তেওঁলোকৰ মাজত কোনো প্ৰাৰ্থক্য নকৰে, নিশ্চয় আল্লাহে তেওঁলোকক তেওঁলোকৰ পুৰস্কাৰ দান কৰিব। আল্লাহ মাৰ্জনাকাৰী, পৰম দয়ালু।

(১৫৩) ঐশীপুথিপ্ৰাপ্তসকলে আকাশৰ পৰা সিহঁতৰ প্ৰতি এখন পুথি তোমাক আনিবলৈ কয়। সিহঁতে মূছাক ইয়াতকৈও বেছি দাবী কৰি কৈছিল- 'আমাক প্ৰকাশ্যভাৱে আল্লাহক দেখুওৱা।' এনে অসংগত দাবীৰ বাবে সিহঁত বজ্ৰাঘাত হৈ নিহত হ'ল। সিহঁতলৈ প্ৰকাশ্যে নিদৰ্শন অহাৰ পিছতো দামুৰি এটাক সিহঁতে উপাস্য কৰি লৈছিল; কিন্তু সেয়াও আমি মাৰ্জনা কৰি দিলো আৰু আমি মূছাক স্পষ্ট কৰ্তৃত্ব দান কৰিছিলো। (১৫৪) তূৰ পাহাৰক সিহঁতৰ ঊৰ্ধত উঠাই সিহঁতৰ পৰা অংগীকাৰ লৈছিলো। আমি সিহঁতক কৈছিলো- 'নতশিৰে দুৱাৰত প্ৰৱেশ কৰা।' আমি সিহঁতক আদেশ দিছিলো- 'চাবাতৰ (শনিবৰীয়া) আইন ভংগ নকৰিবা' সিহঁতৰ পৰা দৃঢ় অংগীকাৰ লৈছিলো।

(১৫৫) কিন্তু সিহঁতে সিহঁতৰ অংগীকাৰ ভংগ কৰিলে, আল্লাহৰ নিৰ্দেশাৱলীক অস্বীকাৰ কৰিলে, নবীসকলক অন্যায়ভাৱে হত্যা কৰিলে, আনকি এনেভাৱেও কৈছিল- 'আমাৰ অন্তৰ আৱৰণেৰে আবৃত।' আচলতে সিহঁতৰ অবিশ্বাসৰ কাৰণে সিহঁতৰ অন্তৰত আল্লাহে মোহৰ মাৰি দিলে। মুষ্টিমেয় কেইজনমানৰ বাহিৰে সিহঁতৰ কোনোৱে বিশ্বাস স্থাপন নকৰে। (১৫৬) সিহঁতে অবিশ্বাস কৰিলে আৰু সতী মৰিয়মকো জঘন্য অপযশ দিলে, (১৫৭) আৰু সিহঁতে কয়- 'আমি আল্লাহৰ ৰছুল মৰিয়ম পুত্ৰ ঈছা মছীহক হত্যা কৰিলো;' কিন্তু সিহঁতে তেওঁক হত্যাও কৰা নাছিল আৰু ক্ৰুছবিদ্ধও কৰা নাছিল; অৱশ্যে সিহঁতৰ প্ৰতি এনে সন্দেহজনক অৱস্থাৰ সৃষ্টি কৰি দিয়া হৈছিল। যিসকলে ইয়াত মতভেদ কৰিলে, সিহঁত সন্দেহৰ চিকাৰ হৈছে। এই বিষয়ে সিহঁতৰ কোনো সঠিক জ্ঞান নাই, সিহঁতে মাথোন অমূলক ধাৰণাৰ বশৱৰ্তী হৈ আছে। নিঃসন্দেহ, সিহঁতে তেওঁক হত্যা কৰা নাই। (১৫৮) ৰৱং আল্লাহে তেওঁক নিজৰ ওচৰলৈ উঠাই নিছে। আল্লাহ পৰাক্ৰমশালী, প্ৰজ্ঞাময়।

(১৫৯) ঐশীপুথিপ্রাপ্তসকলৰ এনে কোনো ব্যক্তি নহ'ব, যি মৃত্যুৰ আগতে ইয়াৰ প্রতি বিশ্বাস স্থাপন নকৰিব আৰু কিয়ামতৰ দিনা তেওঁ সিহঁতৰ বিপক্ষে সাক্ষ্য দিব। (১৬০) ইহুদীবিলাকৰ দুৰাচাৰিতাৰ কাৰণে আমি সেইবোৰ বস্তু সিহঁতৰ বাবে অবৈধ কৰিছো, যিবোৰ সিহঁতৰ বাবে আগতে বৈধ আছিল। কাৰণ সিহঁতে সততে অনেকক আল্লাহৰ পথত যোৱাত বাধা দিছিল; (১৬১) সুদ খাবলৈ নিষেধ কৰা সত্ত্বেও সিহঁতে খুদ খাইছিল, অন্যায়ভাৱে আনৰ ধন-সম্পদ গ্রাস কৰিছিল। সিহঁতৰ অস্বীকাৰকাৰীবিলাকৰ বাবে আমি যন্ত্রণাদায়ক শাস্তি প্রস্তুত কৰি ৰাখিছো। (১৬২) কিন্তু সিহঁতৰ যিসকলৰ গভীৰ জ্ঞান আছে আৰু বিশ্বাস স্থাপনকাৰী, তেওঁলোকে সম্পূর্ণ বিশ্বাস কৰিছে, যি তোমাৰ প্রতি অৱতীর্ণ কৰা হৈছে আৰু যি তোমাৰ পূর্বে অৱতীর্ণ কৰা হৈছিল। যিসকলে নামাজ প্রতিষ্ঠা কৰে, যাকাত আদায় দিয়ে, আল্লাহ আৰু পৰকালৰ প্রতি বিশ্বাস স্থাপন কৰে, নিশ্চয় আমি তেওঁলোকক অশেষ পুৰস্কাৰ দান কৰিম।

(১৬৩) (হে নবী) আমি তোমাৰ প্রতি প্রত্যাদেশ (ৱহী) পঠাইছো, যেনেদৰে আমি নূহ আৰু তেওঁৰ পৰৱর্তী নবীসকলৰ প্রতি পঠিয়াইছিলো আৰু ইব্রাহীম, ইছমাইল, ইছহাক, ইয়াকুব, ইয়াকুবৰ বংশধৰ, ঈছা, আইয়ুব, ইউনুছ, হাৰুণ আৰু চুলেইমানৰ প্রতিও পঠিয়াইছিলো আৰু দাউদক 'জবুৰ' দিছিলো। (১৬৪) আমি এনে কিছুমান ৰছুল পঠিয়াইছিলো যিসকলৰ বিষয়ে ইতিপূর্বে তোমাক কৈছো আৰু এনে কিছুমান নবী পঠিয়াইছিলো যিসকলৰ বিষয়ে তোমাক কোৱা নাই আৰু মূছাৰ লগত আল্লাহে পোনপটীয়াকৈ কথা পাতিছিল। (১৬৫) আল্লাহে ৰছুলসকলক সুসংবাদদাতা আৰু সতর্ককাৰী হিচাবে প্রেৰণ কৰিছিল যাতে তেওঁলোকক পঠোৱাৰ পিছত আল্লাহৰ প্রতি মানুহৰ কোনো অজুহাত নাথাকে। আল্লাহ পৰাক্রমী, সর্বজ্ঞানী।

(১৬৬) পিছে আল্লাহে সাক্ষ্য দিছে যে, তোমাৰ প্ৰতি যি অৱতীৰ্ণ কৰা হৈছে, সেয়া তেওঁ নিজ জ্ঞানৰ ভিত্তিত অৱতীৰ্ণ কৰিছে আৰু তাকে ফিৰিস্তা সকলেও সাক্ষ্য দিছে। সাক্ষী হিচাবে আল্লাহেই যথেষ্ট। (১৬৭) যিবিলাকে বিশ্বাস স্থাপন কৰিবলৈ অস্বীকাৰ কৰিছে আৰু আনক আল্লাহৰ পথত যোৱাত বাধা দিছে, সিহঁত পথভ্ৰষ্ট হৈ বহু দূৰলৈ আঁতৰি গ'ল। (১৬৮) যিবিলাকে বিশ্বাস স্থাপন কৰিবলৈ অস্বীকাৰ কৰে আৰু অন্যায় আচৰণ কৰে, সিহঁতক আল্লাহে কেতিয়াও মাৰ্জনা নকৰে আৰু কোনো পথও প্ৰদৰ্শন নকৰে, (১৬৯) নৰকৰ পথ ব্যতীত, য'ত সিহঁত চিৰকাল থাকিব। আল্লাহৰ পক্ষে সেয়া অতি সহজ। (১৭০) হে মানৱমণ্ডলী, তোমালোকৰ প্ৰভুৰ পৰা ৰছুলে তোমালোকলৈ সত্যবাণী লৈ আহিছে। সেয়ে বিশ্বাস স্থাপন কৰা, তোমালোকৰে মংগল হ'ব। যদি বিশ্বাস কৰিবলৈ অমান্তি হোৱা, (তেনেহ'লে জানি থোৱা) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সেয়া সকলো আল্লাহৰেই। আল্লাহ সৰ্বজ্ঞ, সৰ্বজ্ঞানী।

(১৭১) হে ঐশীপুথিপ্ৰাপ্তসকল, ধৰ্মৰ ক্ষেত্ৰত অতিচাৰ নকৰিবা। সত্যৰ বাহিৰে আল্লাহৰ বিষয়ে আন একো আৰোপ নকৰিবা। মৰিয়ম পুত্ৰ ঈছা মছীহ মাথোন আল্লাহৰ ৰছুলহে আছিল আৰু মৰিয়মৰ প্ৰতি পঠোৱা আল্লাহৰ এটি দৈৱবাণী আৰু তেওঁৰ 'আদিষ্ট আত্মা' আছিল। তোমালোকে আল্লাহ আৰু ৰছুলৰ প্ৰতি বিশ্বাস স্থাপন কৰা আৰু (আল্লাহ) তিনিজন বুলি নক'বা; এয়া পৰিত্যাগ কৰা। ইয়াতেই তোমালোকৰ মংগল। আল্লাহ একমাত্ৰ উপাস্য; আল্লাহৰ সন্তান হোৱা কথাৰ পৰা তেওঁ পৱিত্ৰ। আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সেয়া সকলো আল্লাহৰেই। কৰ্মবিধায়ক হিচাবে আল্লাহেই যথেষ্ট। (১৭২) আল্লাহৰ দাস হ'বলৈ মছীহে কেতিয়াও অৱজ্ঞা কৰা নাছিল আৰু তেওঁৰ সান্নিধ্য লভা ফিৰিস্তাসকলেও অৱজ্ঞা কৰা নাছিল। যিজনে আল্লাহৰ উপাসনা কৰিবলৈ অৱজ্ঞা কৰে আৰু আত্মগৰ্ব কৰে, আল্লাহে সকলোকে তেওঁৰ

ওচৰত সমবেত কৰিব। (১৭৩) যিসকলে বিশ্বাস কৰে আৰু সৎ কৰ্ম কৰে, তেওঁলোকৰ পূৰ্ণ প্ৰাপ্য দিয়া হ'ব। আল্লাহে নিজ অনুগ্ৰহৰ দ্বাৰা তেওঁলোকক আৰু অধিক পুৰস্কাৰ দান কৰিব। আনহাতে যিবিলাকে অৱজ্ঞা কৰে আৰু অহংকাৰ কৰে, আল্লাহে সিহঁতক অতি যন্ত্ৰণাদায়ক শাস্তি দিব। সিহঁতে আল্লাহ ব্যতীত আন কোনো সহায়কাৰী আৰু ৰক্ষণাবেক্ষণকাৰী নাপাব। (১৭৪) হে মানৱ, তোমালোকৰ প্ৰভুৰ পৰা তোমালোকলৈ জলন্ত প্ৰমাণ আহি পালেহি আৰু আমি তোমালোকৰ কাৰণে এটি পৰিষ্কাৰ জ্যোতি পঠাইছো।

(১৭৫) যিসকলে আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰে আৰু তেওঁক দৃঢ়তাৰে ধৰি থাকে, তেনে ব্যক্তিক তেওঁৰ নিজৰ কৰুণা আৰু অনুগ্ৰহত প্ৰৱেশ কৰাব আৰু তেওঁলোকক তেওঁৰ ওচৰলৈ যোৱাৰ সৰল পথত চালিত কৰিব। (১৭৬) মানুহবিলাকে তোমাৰ পৰা বিধান জানিবলৈ বিচাৰে। কোৱা- 'আল্লাহে তোমালোকক এই বিধান দিছে যে যদি কোনো মানুহৰ মৃত্যু হয়, তেওঁৰ পিতৃ-মাতৃও নাই আৰু তাৰ কোনো সন্তান নাথাকে; কিন্তু এজনী বায়েক বা ভনীয়েক থাকে, তেনেহ'লে তাই মৃতকৰ পৰিত্যক্ত সম্পত্তিৰ অৰ্ধেক পাব। বায়েক বা ভনীয়েক যদি সন্তানহীন হৈ মৰে, তেনেহ'লে তাইৰ ককায়েক বা ভায়েক তাইৰ উত্তৰাধিকাৰী হ'ব। যদি দুজনী বায়েক বা ভনীয়েক হয়, তেনেহ'লে পৰিত্যক্ত সম্পত্তিৰ দুই তৃতীয়াংশ পাব আৰু যদি মৃতকৰ কেবাজনো ককাই-ভাই বা বাই-ভনী হয়, তেনেহ'লে এজন পুৰুষে দুজনী তিৰোতাৰ সমান অংশ পাব। আল্লাহে তোমালোকক এইবোৰ এই কাৰণে স্পষ্ট কৰি দিছে যাতে তোমালোক বিভ্ৰান্ত নোহোৱা। আল্লাহে সকলো বিষয়ে সবিশেষ জানে।

আল-মায়িদা (তালিকা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকৰ অংগীকাৰ পূৰণ কৰিবা। তলত উল্লেখ কৰা জন্তুবোৰৰ বাহিৰে অন্য চতুস্পদ চৰণীয়া তৃণভোজী জন্তুবোৰ তোমালোকৰ বাবে বৈধ কৰা হ'ল। কিন্তু ইহৰাম (হজৰ বাবে পিন্ধা বিশেষ কাপোৰ) থকা অৱস্থাত তোমালোকে চিকাৰ কৰিব নোৱাৰা। আল্লাহে যি ইচ্ছা কৰে তাকে আদেশ দিয়ে। (২) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহৰ প্ৰতীকবোৰক, পৱিত্ৰ মাহবোৰক, কোৰবানীৰ পশুবোৰক আৰু আল্লাহৰ নামত আগবঢ়োৱা চিহ্ন স্বৰূপে ডিঙিত পট্টি বান্ধি দিয়া পশুবোৰকো আৰু নিজ প্ৰভুৰ অনুগ্ৰহ লাভৰ আশাত পৱিত্ৰ (কাবা) ঘৰলৈ যোৱা লোকসকলকো অসম্মান নকৰিবা। ইহৰাম মুক্ত হ'লে অৱশ্যে চিকাৰ কৰিব পাৰা। তোমালোকক পৱিত্ৰ মছজিদলৈ যোৱাত বাধা দিছিল বাবেই কোনো সম্প্ৰদায়ৰ শত্ৰুতাই তোমালোকক যেন উত্তেজিত কৰি সীমালংঘন নকৰায়। সৎ কৰ্ম আৰু ধাৰ্মিকতাত পৰস্পৰে সহযোগ কৰিবা। পাপ আৰু অধাৰ্মিকতাত পৰস্পৰে সহযোগ নকৰিবা। আল্লাহক ভয় কৰা। শাস্তি দিয়াত আল্লাহ অতি কঠোৰ।

(৩) তোমালোকৰ বাবে নিষিদ্ধ কৰা হ'ল- মৃত জন্তু, ৰক্ত, গাহৰিৰ মাংস আৰু আল্লাহৰ নামৰ বাহিৰে আনৰ নামত জবহ কৰা জন্তু। টেটু চেপি বধ কৰা, মৰিয়াই মৰা, পৰি মৰা, শিঙৰ খোচ খাই মৰা, হিংস্ৰ জন্তুৱে কিছু ভক্ষণ কৰিছে অথচ জীৱিত অৱস্থাত জবহ কৰিব নোৱাৰা আৰু বেদীত জবহ কৰা, তীৰ খেলৰ জুৱাৰে ভাগ্য নির্ধাৰণ কৰা নিষিদ্ধ কৰা হ'ল। এইবোৰ পাপ কৰ্ম। অবিশ্বাসকাৰীবিলাক তোমালোকৰ ধৰ্ম সম্পৰ্কে নিৰাশ হ'ল। সেয়ে তোমালোকে সিহঁতক ভয় নকৰিবা, মোকহে ভয় কৰা। আজি মই তোমালোকৰ ধৰ্মক তোমালোকৰ বাবে পূৰ্ণাংগ কৰি দিলো আৰু তোমালোকৰ কাৰণে

ইছলামক ধর্ম হিচাবে মনোনীত কৰি দিলো। (অৱশ্যে) পাপৰ প্ৰৱণতা নহৈ যদি কোনোৱে ভোকৰ তা�ৰণাত বাধ্য হৈ সেয়া কিছু ভক্ষণ কৰে, নিশ্চয় তেওঁ আল্লাহক ক্ষমাশীল আৰু দয়ালু হিচাবে পাব।

(৪) সিহঁতে তোমাক সোধে কি কি বস্তু সিহঁতৰ বাবে বৈধ কৰা হৈছে, কোৱা- 'সকলো পৱিত্ৰ বস্তু তোমালোকৰ বাবে বৈধ কৰা হ'ল আৰু যিবোৰ চিকাৰী জন্তুক তোমালোকে প্ৰশিক্ষণ দিছা আৰু আল্লাহে তোমালোকক যি দৰে শিক্ষা দিছে, সেইদৰে সিবোৰক তোমালোকে শিক্ষা দিছা, সেইবোৰে যিবোৰ জন্তু তোমালোকৰ বাবে ধৰে, সেয়া তোমালোকে খাব পাৰা। অৱশ্যে তাৰ ওপৰত তোমালোকে আল্লাহৰ নাম ল'বা। আল্লাহক ভয় কৰা। নিশ্চয় আল্লাহ দ্ৰুততাৰে হিচাব গ্ৰহণকাৰী। (৫) আজি তোমালোকৰ কাৰণে সকলো পৱিত্ৰ বস্তু বৈধ কৰা হ'ল। ঐশীপুথি প্ৰাপ্তসকলৰ খাদ্য তোমালোকৰ বাবে বৈধ কৰা হ'ল আৰু তোমালোকৰ খাদ্য সিহঁতৰ বাবেও বৈধ। বিশ্বাস স্থাপনকাৰীসকল আৰু তোমালোকৰ পূৰ্বে ঐশীপুথি প্ৰাপ্তসকলৰ সতী-সাধ্বী তিৰোতা তোমালোকৰ কাৰণে বৈধ কৰা হ'ল; চৰ্ত হ'ল- সিহঁতক মোহৰ আদায় দি বিবাহ কৰোৱা; কিন্তু অবৈধ যৌন কৰ্ম কৰিবলৈ বা গোপনে প্ৰণয় কৰিবলৈ নহয়। ঈমানৰ নীতি-নিয়ম যিয়ে অস্বীকাৰ কৰিব, তাৰ কৰ্মফল নিষ্ফল হ'ব আৰু পৰকালত সি সৰ্বস্বান্ত হ'ব।

(৬) হে বিশ্বাস স্থাপনকাৰীসকল, যেতিয়া তোমালোকে নামাজৰ কাৰণে উঠা, তেতিয়া মুখমণ্ডল ধুবা, কিলাকুটিলৈকে হাত দুখন ধুবা, মূৰ মছেহ কৰিবা আৰু ভৰি দুখন সৰুগাঁঠিলৈকে ধুবা। তোমালোকে অপৱিত্ৰ অৱস্থাত থাকিলে গা ধুই পৱিত্ৰ হ'বা। যদি অসুস্থ হোৱা বা ভ্ৰমণত থকা অথবা তোমালোকৰ কোনোৱে মল-মূত্ৰ ত্যাগ কৰি আহা নাইবা স্ত্ৰী সম্ভোগ কৰা আৰু পানী নোপোৱা, তেনেহ'লে পৱিত্ৰ মাটিৰ দ্বাৰা তোমালোকৰ মুখমণ্ডল আৰু হাতদুখন মছেহ কৰিবা। তোমালোকক কষ্ট দিয়া আল্লাহৰ ইচ্ছা নহয়;

আল্লাহৰ ইচ্ছা হ'ল তোমালোকক পৱিত্ৰ কৰাহে। তেওঁৰ কৃপাৰে তোমালোকক ধন্য কৰিব বিচাৰে যাতে তোমালোক কৃতজ্ঞ হোৱা।

(৭) স্মৰণ কৰা তোমালোকক দিয়া আল্লাহৰ অনুগ্ৰহবোৰ আৰু তেওঁ তোমালোকৰ পৰা অংগীকাৰ লৈছিল আৰু তোমালোকে কৈছিলা- 'আমি শুনিলো আৰু মানিলো।' আল্লাহক ভয় কৰা। আল্লাহে অন্তৰৰ কথা ভালকৈয়ে জানে। (৮) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহৰ পক্ষে ন্যায় সাক্ষ্য দিয়াত অটল হৈ থাকা, কোনো দলৰ শত্ৰুতাই তোমালোকক যেন ন্যায়ৰ পৰা বিচলিত নকৰে। ন্যায় বিচাৰ কৰিবা, খোদাভীতিৰ লগত ইয়াৰ সম্পৰ্ক আছে। আল্লাহক ভয় কৰা। তোমালোকে যি কৰা সেইবোৰ আল্লাহে ভালকৈ জানে। (৯) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎ কৰ্ম কৰিছে, তেওঁৰ প্ৰতি আল্লাহৰ প্ৰতিশ্ৰুতি হ'ল ক্ষমা আৰু উত্তম পুৰস্কাৰ। (১০) যিবিলাকে অস্বীকাৰ কৰিছে আৰু আমাৰ বাণীসমূহ মিছা বুলি কৈছে, সিহঁত নৰকবাসী। (১১) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকক দিয়া আল্লাহৰ অনুগ্ৰহৰ কথা স্মৰণ কৰা, যেতিয়া এদল মানুহে তোমালোকৰ ওপৰত হাত উঠাবলৈ সিদ্ধান্ত লৈছিল, তেতিয়া আল্লাহে তোমালোকৰ পৰা সিহঁতৰ হাতবোৰৰ নিবৃত্ত কৰিলে। আল্লাহক ভয় কৰা। মুমিনসকলে আল্লাহৰ ওপৰতে ভৰসা কৰা উচিত।

(১২) আল্লাহে ইছ্ৰাঈল বংশধৰসকলৰ পৰা অংগীকাৰ লৈছিল আৰু সিহঁতৰ মাজৰ পৰাই ১২জন লোকক নেতা হিচাবে নিযুক্ত কৰি দিছিল। আল্লাহে কৈছিল- 'মই তোমালোকৰ লগত আছো, যদি তোমালোকে নামাজ প্ৰতিষ্ঠা কৰা, যাকাত আদায় দিয়া, মোৰ নবীসকলৰ প্ৰতি বিশ্বাস স্থাপন কৰা, তেওঁলোকক সমৰ্থন দিয়া আৰু আল্লাহক উত্তম ঋণ দিয়া, তেনেহ'লে মই তোমালোকৰ পাপবোৰ মোচন কৰিম আৰু এনে জান্নাতত প্ৰৱেশ কৰাম যাৰ মাজেৰে নিজৰা প্ৰবাহিত হৈ থাকে। কিন্তু ইয়াৰ পিছতো তোমালোকৰ যিবিলাকে অস্বীকাৰ কৰিছে, সিহঁতে সত্য পথ হেৰুৱাইছে। (১৩) সিহঁতে

প্রতিশ্রুতি ভংগ কৰা বাবে সিহঁতক অভিশপ্ত কৰিছো। সিহঁতৰ হৃদয় কঠোৰ কৰি দিছো। সিহঁতে ঐশীপুথিৰ শব্দবোৰৰ অর্থ বিকৃত কৰিবলৈ ধৰিলে আৰু সিহঁতক দিয়া শিক্ষাৰ অধিকাংশই সিহঁতে পাহৰি গ'ল। মুষ্ঠিমেয় কেইজন মান মানুহৰ বাহিৰে সিহঁতৰ নিৰন্তৰ বিশ্বাসঘাতকতাৰ অভিজ্ঞতা তোমাৰ হৈছেই। সিহঁতক ক্ষমা কৰা আৰু উপেক্ষা কৰা। আল্লাহে সৎ কর্মীসকলক ভাল পায়।'

(১৪) আমি সিহঁতৰ পৰাও অংগীকাৰ লৈছিলো, যিবিলাকে কৈছিল- 'আমি খৃষ্টান,' কিন্তু সিহঁতক যি আদিষ্ট কৰা হৈছিল তাৰে অধিকাংশই সিহঁতে পাহৰি গ'ল। সিহঁতৰ মাজত আমি কিয়ামতলৈকে চিৰন্তন শত্রুতা আৰু হিংসা-বিদ্বেষ সঞ্চাৰ কৰি দিছো। সিহঁতে কি কৰিছিল আল্লাহে অনতিপলমে সিহঁতক জনাই দিব।

(১৫) হে ঐশীপুথি প্রাপ্তসকল, তোমালোকৰ ওচৰলৈ আমাৰ ৰছুল আহিছিল। তোমালোকে পুথিৰ পৰা যি গোপন কৰিছা তাৰে বেছিভাগ তেওঁ প্রকাশ কৰি দিছে আৰু বহু কিছু বাদ দিছে। আল্লাহৰ তৰফৰ পৰা তোমালোকলৈ এটি জ্যোতি আৰু এখন স্পষ্ট পুথি আহিছে, (১৬) ইয়াৰ দ্বাৰা তেওঁ শান্তিৰ পথ দেখুৱায় যিসকলে আল্লাহৰ সন্তুষ্টি লাভ কৰিব বিচাৰে আৰু তেওঁৰ ইচ্ছানুক্রমে তেওঁলোকক অন্ধকাৰৰ পৰা পোহৰলৈ আনি সঠিক পথৰ পিনে পৰিচালিত কৰে। (১৭) সিহঁত মিছা ৰটনাকাৰী, যিবিলাকে কয়- 'মৰিয়ম পুত্র ঈছা মছীহেই আল্লাহ।' কোৱা- 'আল্লাহৰ শক্তিক বাধা দিয়াৰ শক্তি কাৰ আছে? তেওঁ যদি মৰিয়ম পুত্র ঈছা মছীহ, তেওঁৰ মাতৃ আৰু পৃথিৱীৰ সকলোকে ধ্বংস কৰো বুলি কয়?' আকাশমণ্ডল- পৃথিৱী আৰু ইয়াৰ মাজত যি আছে সকলো তেওঁৰ কর্তৃত্বত। তেওঁ যি ইচ্ছা কৰে, তাকে সৃষ্টি কৰে। প্রতিটো বস্তুৰ ওপৰতে তেওঁৰ ক্ষমতা আছে।

(১৮) ইহুদী আৰু খৃষ্টানবিলাকে কয়- 'আমি আল্লাহৰ সন্তান আৰু

তেওঁৰ প্ৰিয়পাত্ৰ।' কোৱা- 'তেনেহ'লে তোমালোকৰ পাপৰ কাৰণে তেওঁ কিয় তোমালোকক শাস্তি দিয়ে?' প্ৰকৃততে আল্লাহৰ অন্যান্য সৃষ্ট মানুহৰ ভিতৰত তোমালোকো মানুহ। তেওঁ যাক ইচ্ছা ক্ষমা কৰে আৰু যাক ইচ্ছা শাস্তি দিয়ে। আকাশমণ্ডল-পৃথিৱী আৰু ইয়াৰ মাজত যি আছে সকলোতে তেওঁৰ কৰ্তৃত্ব। তেওঁৰ ওচৰলৈকে সকলোৱে উভতি যাব লাগিব। (১৯) হে ঐশীপুথি প্ৰাপ্তসকল, ৰছুল আগমণৰ এটা বিৰতি কালৰ পিছত এতিয়া তোমালোকৰ ওচৰলৈ ৰছুল আহিল। তেওঁ তোমালোকক স্পষ্টভাৱে বৰ্ণনা কৰি শুনাইছে যাতে তোমালোকে আপত্তি কৰিব নোৱাৰা- 'আমাৰ ওচৰলৈ কোনো সুসংবাদদাতা আৰু সতৰ্ককাৰী অহা নাছিল।' কিন্তু এতিয়া সেই সুসংবাদদাতা আৰু সতৰ্ককাৰী আহিছে। আল্লাহে সকলো কৰিবলৈ সক্ষম।

(২০) স্মৰণ কৰা, যেতিয়া মূছাই তেওঁৰ জাতিৰ মানুহবিলাকক কৈছিল- 'হে মোৰ জাতিভাইসকল, আল্লাহে তোমালোকক দান কৰা অনুগ্ৰহবোৰৰ কথা স্মৰণ কৰা। তেওঁ তোমালোকৰ মাজৰ পৰাই নবী (বাৰ্তাবাহক) উত্থিত কৰিছিল, ৰাজ্যৰ অধিপতি কৰিছিল আৰু তোমালোকক যি দান কৰিছিল, বিশ্বজগতৰ আন কাকো তেনে দান কৰা নাছিল। (২১) হে মোৰ জাতিভাই সকল, আল্লাহে তোমালোকৰ বাবে যি পৱিত্ৰ ভূমি নিৰ্দিষ্ট কৰি দিছে তাত প্ৰৱেশ কৰা, পিছ হোঁহকা নামাৰিবা; অন্যথা তোমালোকেই ক্ষতিগ্ৰস্ত হ'বা।' (২২) সিহঁতে ক'লে- 'হে মূছা, সেই ঠাইত এটা প্ৰৱল পৰাক্ৰমী জাতি আছে। আমি তাত কেতিয়াও প্ৰৱেশ নকৰো যেতিয়ালৈকে সিহঁত তাৰ পৰা ওলাই নাযায়। সিহঁত তাৰ পৰা ওলাই গ'লেহে আমি তাত প্ৰৱেশ কৰিম।' (২৩) সিহঁতৰ মাজত দুজন আল্লাহ ভক্ত লোক আছিল। তেওঁলোক দুজনক আল্লাহে অনুগ্ৰহ দান কৰিলে। তেওঁলোকে ক'লে- 'সিহঁতৰ মাজলৈ এই প্ৰৱেশ দ্বাৰেৰে সোমাই যোৱা। যিমান সোনকালে পাৰা প্ৰৱেশ কৰা। নিশ্চয় তোমালোকৰেই জয় হ'ব। আল্লাহৰ ওপৰত ভৰসা কৰা যদি তোমালোক

মুমিন হোৱা!' (২৪) সিহঁতে ক'লে- 'হে মূছা, সিহঁত তাত থকালৈকে আমি কদাপিও তাত প্ৰৱেশ নকৰো। যোৱা, তুমি আৰু তোমাৰ প্ৰভুৱে যুদ্ধ কৰাগৈ। আমি ইয়াতে বহি ৰলো।'

(২৫) মূছাই মিনতি কৰিলে- 'হে মোৰ প্ৰভু, মোৰ আৰু মোৰ ভাতৃৰ বাহিৰে আন কাৰো ওপৰত মোৰ অধিকাৰ নাই। সেয়ে অবাধ্য মানুহৰ পৰা আমাক আঁতৰাই নিয়া।' (২৬) আল্লাহে ক'লে- 'সেই পৱিত্ৰ ভূমি চল্লিছ বছৰলৈ সিহঁতৰ বাবে নিষিদ্ধ কৰা হ'ল। সিহঁত উদ্ভ্ৰান্ত ভাৱে পৃথিৱীত ঘূৰি ফুৰিব। এনে দু�ৰাচাৰ মানুহৰ প্ৰতি আপচোচ নকৰিবা।'

(২৭) আদমৰ দুই পুত্ৰৰ কাহিনীটো সিহঁতক বৰ্ণনা কৰি শুনোৱা। যেতিয়া দুয়োজনে কো�ৰবানী কৰিছিল, তেতিয়া এজনৰ কোৰবানী গৃহীত হ'ল আৰু আনজনৰ গৃহীত নহ'ল। সি ক'লে- 'মই তোমাক হত্যা কৰিম।' আনজনে ক'লে- 'আল্লাহে সজ্জনৰহে কোৰবানী গ্ৰহণ কৰে। (২৮) তুমি মোক হত্যা কৰিবলৈ হাত উঠালেও তোমাক হত্যা কৰিবলৈ মই মোৰ হাত নোতোলো। মই আল্লাহক ভয় কৰো যিজন বিশ্বজগতৰ প্ৰভু। (২৯) বৰং মোৰ ইচ্ছা তুমি মোৰ আৰু তোমাৰ নিজৰ পাপৰ ভাৰ অকলে বহন কৰা আৰু নৰকবাসী হোৱা। দুষ্কৰ্মীবিলাকৰ দুষ্কৰ্মৰ এয়ে প্ৰতিফল।'

(৩০) শেষত নিজ ভায়েকক হত্যা কৰিবলৈ তাৰ প্ৰবৃত্তিয়ে তাক উদ্বুদ্ধ কৰিলে আৰু সি তাক হত্যা কৰিলে আৰু সি ক্ষতিগ্ৰস্তবিলাকৰ দলভুক্ত হ'ল। (৩১) ইয়াৰ পিছতে আল্লাহে এটা কাউৰী পঠালে। সি মাটি খুচৰিলে যাতে দেখুৱাব পাৰে ভায়েকৰ শটো কেনেকৈ ঢাকিব পাৰে। সি ক'লে- 'হায়! মই এই কাউৰীটোৰ নিচিনাও হ'ব নোৱাৰিলোনে যে মোৰ ভাইৰ শটো কেনেকৈ ঢাকিব লাগে তাকো নাজানো?' সি অনুতপ্ত হ'ল।

(৩২) সেইবাবে আমি ইছ্ৰাঈল বংশধৰবিলাকক এই বিধান দিছিলো যে যদি কোনোৱে হত্যাৰ শাস্তিৰ পৰিৱৰ্তে নাইবা পৃথিৱীত অশান্তি সৃষ্টি

ৰোধ কৰাৰ বাহিৰে কাৰোবাক হত্যা কৰে, সি যেনিবা সমগ্ৰ মানৱ জাতিক হত্যা কৰিলে আৰু যদি সি কাৰোবাৰ জীৱন ৰক্ষা কৰিলে, যেনিবা সমগ্ৰ মানৱ জাতিক ৰক্ষা কৰিলে। আমাৰ ৰছুলসকলে সিহঁতৰ ওচৰলৈ স্পষ্ট নিদৰ্শন লৈ অনাৰ পিছতো সিহঁতৰ অধিকাংশই পৃথিৱীত অশান্তি সৃষ্টি কৰিছিল। (৩৩) যিবিলাকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰুদ্ধে যুদ্ধ কৰে আৰু দেশত অশান্তি সৃষ্টি কৰি ফুৰে, সিহঁতৰ শাস্তি হ'ল- সিহঁতক হত্যা কৰা বা শূলবিদ্ধ কৰা অথবা বিপৰীত ফালৰ পৰা হাত-ভৰি কটা নাইবা সিহঁতক দেশৰ পৰা বহিষ্কাৰ কৰা। সিহঁতৰ এই লঘু-লাঞ্ছনা দুনিয়াৰ বাবে, পৰকালত সিহঁতৰ বাবে ইয়াতকৈয়ো কঠোৰ শাস্তি আছে, (৩৪) সেইসকল ব্যতীত যিসকলে তোমালোকৰ ক্ষমতাৰ অধীনলৈ অহাৰ পূৰ্বে অনুতপ্ত হৈ নিজকে শুধৰাই ল'লে। জানি থোৱা, আল্লাহ ক্ষমাশীল, পৰম দয়ালু।

(৩৫) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহক ভয় কৰা। তেওঁৰ নৈকট্য লাভৰ উপায় সন্ধান কৰা, তেওঁৰ পথত চেষ্টা-সাধনা কৰা। সম্ভৱতঃ তোমালোক সফল হ'ব পাৰিবা। (৩৬) যিবিলাকে অস্বীকাৰ কৰিছে, যদি সিহঁতৰ পৃথিৱীৰ সমস্ত ধন-সম্পদ হয় আৰু তাৰ লগত সিমানখিনি সম্পদ লগ লগাই সিহঁতে কিয়ামতৰ শাস্তিৰ মুক্তিপণ হিচাবে দিব বিচাৰিলেও সিহঁতৰ সেয়া গ্ৰহণ কৰা নহ'ব। সিহঁতক কঠোৰ শাস্তি বিহা হ'ব। (৩৭) সিহঁতে নৰকৰ অগ্নিৰ পৰা ওলাবলৈ বিচাৰিব; কিন্তু তাৰ পৰা ওলাব নোৱাৰিব। সিহঁতৰ বাবে যুগমীয়া শাস্তি আছে। (৩৮) চোৰৰ হাত কাটিবা সি পুৰুষেই হওক বা নাৰীয়েই হওক। এয়া সিহঁতৰ কৃতকৰ্মৰ ফল আৰু আল্লাহৰ পক্ষৰ পৰা দৃষ্টান্তমূলক শাস্তি। আল্লাহ মহাপৰাক্ৰমী, মহাজ্ঞানী। (৩৯) অৱশ্যে আল্লাহে তাক নিশ্চয় ক্ষমা কৰিব, যিজনে অপৰাধ কৰাৰ পিছত অনুতপ্ত হৈ ক্ষমা প্ৰাৰ্থনা কৰে আৰু নিজকে সংশোধন কৰি লয়। আল্লাহ ক্ষমাশীল, পৰম দয়ালু। (৪০) তুমি নাজানানে যে আকাশমণ্ডল আৰু পৃথিৱীৰ আধিপত্য কেৱল

আল্লাহৰ? তেওঁ যাক ইচ্ছা কৰে শাস্তি দিয়ে আৰু যাক ইচ্ছা কৰে ক্ষমা কৰে। আল্লাহ সকলো বিষয়তে ক্ষমতাবান।

(৪১) হে ৰছুল, যিবিলাকে অস্বীকাৰৰ পথত দ্রুত গতিৰে যাবলৈ অৰিয়াঅৰি কৰে, তুমি সিহঁতৰ বাবে বিষণ্ণ নহ'বা। এইবিলাক মানুহে মুখেৰে কয়- 'আমি বিশ্বাস স্থাপন কৰিছো;' সিহঁতৰ অন্তৰত বিশ্বাস জন্মা নাই। ইহুদীবিলাকৰ এনে কিছুমান মানুহ আছে যিবিলাকে মিছা কথাত কাণ দিয়ে। সিহঁতে আন কিছুমানৰ কথা শুনে, যিবিলাকে এতিয়াও তোমাৰ ওচৰলৈ অহা নাই। সিহঁতে শব্দবোৰৰ সঠিক অর্থ বিকৃত কৰে। সিহঁতে মানুহক কয়- 'তোমালোকক এই আদেশ দিলে মানিবা, নহ'লে তাৰ পৰা আঁতৰি থাকিবা।' আল্লাহে কাৰোবাক পৰীক্ষা কৰিব খুজিলে তাৰ সপক্ষে আল্লাহৰ ইচ্ছাৰ বিৰুদ্ধে একো কৰিব নোৱাৰিবা। ইহঁত সেইবিলাক মানুহ, যাৰ অন্তৰ আল্লাহে পৱিত্র কৰিব নিবিচাৰে। সিহঁতৰ বাবে দুনিয়াত আছে লাঞ্ছনা আৰু পৰকালতো আছে কঠোৰ শাস্তি।

(৪২) সিহঁত মিছা শুনিবলৈ উৎসুক আৰু নিষিদ্ধ বস্তু গোগ্রাসে গিলিবলৈ অভ্যস্ত। সিহঁত তোমাৰ ওচৰলৈ আহিলে তুমি ইচ্ছা কৰিলে সিহঁতৰ বিচাৰ কৰি দিব পাৰা নাইবা উপেক্ষাও কৰিব পাৰা। যদি তুমি উপেক্ষা কৰা, তেনেহ'লে সিহঁতে তোমাৰ কোনো অনিষ্ট কৰিব নোৱাৰে। যদি বিচাৰ কৰা, ন্যায় বিচাৰ কৰিবা। ন্যায় বিচাৰকাৰীক আল্লাহে ভাল পায়। (৪৩) সিহঁতে কিয়নো তোমাৰ ওচৰলৈ ন্যায় বিচাৰৰ বাবে আহিব? সিহঁতৰ ওচৰত দেখোন তওৰাত বর্তমান আছেই য'ত আল্লাহৰ বিধান সন্নিবিষ্ট হৈ আছে। তথাপি সিহঁতে তাৰ পৰা মুখ ঘূৰাই লৈছে। প্রকৃততে সিহঁতৰ ঈমানেই নাই।

(৪৪) আমি তওৰাত অৱতীর্ণ কৰিছো। তাত সুপথৰ নির্দেশ আৰু জ্যোতি আছে। এই তওৰাত অনুযায়ী আমাৰ অনুগত নবীসকলে ইহুদীবিলাকৰ বিচাৰ কৰিছিল। তেনেদৰে শাস্ত্রজ্ঞ আৰু পুৰোহিতসকলেও বিচাৰ কৰিছিল।

কিয়নো তেওঁলোকক আল্লাহৰ এই পুথিৰ সংৰক্ষণৰ দায়িত্ব দিয়া হৈছিল আৰু তেওঁলোকেই ইয়াৰ সাক্ষী। 'মানুহক ভয় নকৰিবা, মোকহে ভয় কৰা। মোৰ বাণীসমূহ সামান্য মূল্যত বিক্ৰী নকৰিবা। যিবিলাকে আল্লাহ প্ৰদত্ত বিধান অনুযায়ী বিচাৰ নকৰে, সিহঁতেই অস্বীকাৰকাৰী।' (৪৫) আমি সিহঁতৰ বাবে (তওৰাতত) বিধিবদ্ধ কৰি দিছিলো- প্ৰাণৰ পৰিৱৰ্তে প্ৰাণ, চকুৰ পৰিৱৰ্তে চকু, নাকৰ পৰিৱৰ্তে নাক, কাণৰ পৰিৱৰ্তে কাণ, দাঁতৰ পৰিৱৰ্তে দাঁত আৰু আঘাতৰ পৰিৱৰ্তে অনুৰূপ আঘাত। যদি কোনোৱে ক্ষমা কৰে, সেয়া তেওঁৰ বাবে পাপৰ প্ৰায়চিত্ত হ'ব। যিবিলাকে আল্লাহে অৱতীৰ্ণ কৰা বিধান অনুযায়ী বিচাৰ নকৰে, সিহঁতেই অন্যায়কাৰী। (৪৬) সেইসকল ৰছুলৰ পিছত আমি মৰিয়ম পুত্ৰ ঈছাক পূৰ্বতে অৱতীৰ্ণ কৰা তওৰাতৰ সত্যতা প্ৰমাণকাৰী হিচাবে পঠাইছিলো। আমি তেওঁক ইঞ্জীল দান কৰিছিলো য'ত আছে সৎ পথৰ নিৰ্দেশনা আৰু জ্যোতি আৰু যিখনে পূৰ্বে পঠোৱা তওৰাতৰ সত্যতা সাব্যস্ত কৰে আৰু খোদাভীৰু মানুহক সৎ পথৰ নিৰ্দেশনা আৰু সদোপদেশ দিয়ে। (৪৭) সেইবাবে ইঞ্জীলৰ অনুগামীসকলে আল্লাহে তাত অৱতীৰ্ণ কৰা বিধান অনুযায়ী বিচাৰ কৰিব লাগে। যিবিলাকে আল্লাহে অৱতীৰ্ণ কৰা বিধান অনুযায়ী বিচাৰ নকৰে সিহঁত অবাধ্য।

(৪৮) আমি এই পুথিখন সত্য সহকাৰে তোমাৰ প্ৰতি অৱতীৰ্ণ কৰিছো। এইখনে পূৰ্বে অৱতীৰ্ণ হোৱা পুথিৰ সত্যতা সাব্যস্ত আৰু সংৰক্ষণ কৰিব। এতেকে আল্লাহে অৱতীৰ্ণ কৰা বিধান অনুযায়ী সিহঁতৰ মাজত বিচাৰ-ফয়চলা কৰিবা। তোমালৈ অৱতীৰ্ণ হোৱা সত্য পৰিত্যাগ কৰি সিহঁতৰ খিয়াল খুচি মতে নচলিবা। তোমালোকৰ প্ৰত্যেকৰ বাবে আমি এটা ধৰ্ম-বিধান আৰু এটা কৰ্ম পন্থা নিৰ্দিষ্ট কৰি দিছো। আল্লাহে ইচ্ছা কৰিলে নিশ্চয় তোমালোকক একেটা সম্প্ৰদায় কৰিলেহেঁতেন; কিন্তু তেওঁ সেয়া নকৰি তেওঁ দিয়া বিধান অনুযায়ী পৰীক্ষা কৰিব বিচাৰিলে। সেয়ে ভাল কামত প্ৰতিযোগিতাৰ

মনোভাৱেৰে আগুৱাই যোৱা। অৱশেষত আল্লাহৰ পিনেই তোমালোক সকলোৰে প্ৰত্যাৱৰ্তন। তেতিয়া তেওঁ তোমালোকক প্ৰকৃত সত্যটো অৱগত কৰাব, যি বিষয় লৈ তোমালোকৰ মতভেদ হৈছিল।

(৪৯) আল্লাহে অৱতীৰ্ণ কৰা বিধান অনুযায়ী সিহঁতৰ মাজত বিচাৰ কৰিবা। সিহঁতৰ কামনা-বাসনা অনুযায়ী নচলিবা। সিহঁতৰ পৰা সাৱধান হ'বা, সিহঁতে যাতে আল্লাহে অৱতীৰ্ণ কৰা একাংশ বিধানৰ পৰা তোমাক দূৰলৈ আঁতৰাই নিব নোৱাৰে। সিহঁতে যদি তোমাৰ বিচাৰ-ফয়চলাক অস্বীকাৰ কৰে, তেনেহ'লে জানিবা যে সিহঁতে পাপ কৰিবলৈ লোৱা সিদ্ধান্তৰ বাবে সিহঁতক শাস্তি দিয়া আল্লাহৰ ইচ্ছা। প্ৰকৃততে অধিকাংশ মানুহেই অবাধ্যকাৰী। (৫০) সিহঁতে অজ্ঞ যুগৰ দৰে বিচাৰ-বিধান বিচাৰে নেকি? আল্লাহৰ প্ৰতি দৃঢ় বিশ্বাস থকা লোকসকলৰ মানত আল্লাহতকৈ কাৰ বিচাৰ উৎকৃষ্ট হ'ব পাৰে?

(৫১) হে ঈমানদাৰসকল, ইহুদী আৰু খৃষ্টানবিলাকক মিত্ৰ কৰি নল'বা। সিহঁত পৰস্পৰ মিত্ৰ। তোমালোকৰ কোনোবাই সিহঁতক মিত্ৰ কৰি ল'লে, সি সিহঁতৰ লগত পৰিগণিত হ'ব। আল্লাহে অন্যায়কাৰীবিলাকক সৎ পথ প্ৰদৰ্শন নকৰে। (৫২) তুমি দেখিবলৈ পাইছা যিবিলাকৰ অন্তৰত ব্যাধি আছে, সিহঁতে খৰখেদাকৈ সিহঁতৰ ওচৰলৈ গৈ কয়- 'আমি কিবা বিপদত পৰো বুলি আমাৰ ভয় হৈছে।' হয়তো আল্লাহে তোমালোকক বিজয় দান কৰিব পাৰে বা তোমালোকৰ সপক্ষে কোনো সিদ্ধান্ত দিব পাৰে। তেনে কৰিলে সিহঁতে অন্তৰত যি লুকোৱাই ৰাখিছে তাৰ বাবে পস্তাব লাগিব। (৫৩) তেতিয়া বিশ্বাস স্থাপনকাৰীসকলে ক'ব- 'ইহঁতেই সেইবিলাক মানুহ নেকি, যিবিলাকে আল্লাহৰ নামত দৃঢ়ভাৱে শপত খাই কৈছিল, সিহঁত তোমালোকৰ লগত আছে? সিহঁতৰ সকলো কৰ্ম নিষ্ফল হ'ল আৰু সিহঁত ক্ষতিগ্ৰস্ত হ'ল।'

(৫৪) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকৰ কোনোৱে যদি নিজ ধৰ্ম ত্যাগ কৰে, সিহঁতৰ সলনি আল্লাহে আন বহু মানুহক আনিব, যিসকলক

তেওঁ ভাল পাব আৰু তেওঁলোকেও তেওঁক ভাল পাব। তেওঁলোক মুমিনসকলৰ প্ৰতি সদয় হ'ব আৰু অবিশ্বাসকাৰীবিলাকৰ প্ৰতি কঠোৰ হ'ব। তেওঁলোকে আল্লাহৰ পথত চেষ্টা-সাধনা কৰিব আৰু নিন্দুকৰ নিন্দাৰ প্ৰতি ভ্ৰক্ষেপ নকৰিব। এয়া আল্লাহৰ অনুগ্ৰহ। সেয়া তেওঁ যাক ইচ্ছা কৰে তাক দান কৰে। আল্লাহ বিপুল উপায়-উপকৰণৰ গৰাকী, মহাজ্ঞানী। (৫৫) তোমালোকৰ বন্ধু হ'ল আল্লাহ, তেওঁৰ ৰছুল আৰু সেইসকল বিশ্বাস স্থাপনকাৰী, যিসকলে নামাজ প্ৰতিষ্ঠা কৰে, যাকাত আদায় দিয়ে আৰু বিনীতভাৱে শিৰ নত কৰে। (৫৬) যিসকলে আল্লাহ, তেওঁৰ ৰছুল আৰু বিশ্বাস স্থাপনকাৰীসকলৰ লগত বন্ধুত্ব স্থাপন কৰে, তেওঁলোকে জনা উচিত কেৱল আল্লাহৰ দলটোৰেই জয় হ'ব।

(৫৭) হে বিশ্বাস স্থাপনকাৰীসকল, যিবিলাকে তোমালোকৰ ধৰ্মক ঠাট্টা-বিদ্ৰূপ আৰু ধেমালিৰ বস্তু কৰি লৈছে, সিহঁতক মিত্ৰ কৰি নল'বা লাগিলে সিহঁত পূৰ্ববৰ্তী ঐশীপুথি প্ৰাপ্তই হওক বা অবিশ্বাসকাৰীয়েই হওক। যদি তোমালোক প্ৰকৃত বিশ্বাস স্থাপনকাৰী হোৱা, আল্লাহক ভয় কৰা। (৫৮) যেতিয়া তোমালোকে সিহঁতক নামাজৰ বাবে আহ্বান কৰা, তেতিয়া সিহঁতে তাক উপহাস কৰে আৰু ধেমালি বুলিহে ভাৱে। তাৰ কাৰণ হ'ল- সিহঁতৰ কোনো জ্ঞান-বিবেচনা নাই। (৫৯) কোৱা- 'হে ঐশীপুথি প্ৰাপ্তসকল, তোমালোকে আমাৰ লগত এইবাবে বৈৰী আচৰণ কৰিছা নেকি যে আমি বিশ্বাস স্থাপন কৰিছো আল্লাহৰ প্ৰতি আৰু যিবোৰ আমাৰ প্ৰতি অৱতীৰ্ণ হৈছে আৰু আমাৰ পূৰ্ববৰ্তীসকলৰ প্ৰতি অৱতীৰ্ণ হৈছিল। আচলতে তোমালোকৰ অধিকাংশ মানুহ অবাধ্যকাৰী।'

(৬০) কোৱা- 'মই সেই বিলাক মানুহৰ কথা ক'মনে, যিবিলাকৰ অৱস্থা আল্লাহৰ ওচৰত পৰিণাম অনুসৰি অধিক শোচনীয় হ'ব? সিহঁত সেইবিলাক মানুহ, যিবিলাকৰ ওপৰত আল্লাহে অভিশাপ দিছে আৰু যিবিলাক তেওঁৰ

ৰোষত পৰিছে আৰু যিবিলাকক বান্দৰ আৰু গাহৰি কৰিলে আৰু যিবিলাকে ছয়তানৰ উপাসনা কৰিছে। এনে মানুহ অতি নীচ আৰু হীন আৰু সিহঁত সৎ পথৰ পৰা ভ্ৰষ্ট হৈ অনেক দূৰলৈ আঁতৰি গ'ল।

(৬১) সিহঁত যেতিয়া তোমালোকৰ ওচৰলৈ আহে, সিহঁতে কয়- 'আমি ঈমান আনিছো।' আচলতে সিহঁত অবিশ্বাসকাৰী অৱস্থাতেই আহিছিল আৰু অবিশ্বাসকাৰী অৱস্থাতেই গুচি গ'ল। সিহঁতে যিবোৰ গোপন কৰিছে, সেয়া আল্লাহে খুব ভালকৈয়ে জানে। (৬২) তুমি সিহঁতৰ অনেকক পাপ, সীমালংঘন আৰু নিষিদ্ধ বস্তু ভক্ষণ কৰাত তৎপৰ হৈ থকা দেখিবা। সিহঁতে যি কৰিছে, প্ৰকৃততে সেয়া অতি জঘন্য। ৬৩) সিহঁতৰ ধৰ্মগুৰু আৰু শাস্ত্ৰজ্ঞসকলে সিহঁতক পাপালোচনা আৰু নিষিদ্ধ বস্তু ভক্ষণ কৰাৰ পৰা বিৰত নাৰাখে কিয়? সিহঁতে যি কৰি আছে, সেয়া অতি জঘন্য কৰ্ম।

(৬৪) ইহুদীবিলাকে কয়- 'আল্লাহৰ হাত বান্ধি থোৱা আছে।' সিহঁতৰ হাতবোৰহে বন্ধা আছে আৰু সিহঁতে এনেদৰে কোৱাৰ বাবে সিহঁত অভিশপ্ত হৈছে। আল্লাহৰ হাত উন্মুক্ত। তেওঁ যিদৰে ইচ্ছা কৰে, সেইদৰে ব্যয় কৰে। তোমাৰ প্ৰভুৰ পৰা তোমাৰ প্ৰতি যি অৱতীৰ্ণ হৈছে, নিশ্চয় সেয়াই সিহঁতৰ অনেকৰ বাবে অবাধ্যতা আৰু অবিশ্বাস বৃদ্ধিৰ কাৰণ হৈছে। আমি সিহঁতৰ মাজত কিয়ামতৰ দিনলৈকে শত্ৰুতা আৰু বিদ্বেষ সঞ্চাৰ কৰি দিছো। যেতিয়া সিহঁতে যুদ্ধৰ অগ্নি প্ৰজ্বলিত কৰে, তেতিয়াই আল্লাহে সেয়া নিৰ্বাপিত কৰি দিয়ে। সিহঁতে পৃথিৱীত অৰাজকতা বিয়পাবলৈ সক্ৰীয় হৈ থাকে; কিন্তু আল্লাহে অশান্তি সৃষ্টিকাৰীক মুঠেই ভাল নাপায়। (৬৫) ঐশীপুথি প্ৰাপ্তসকলে যদি বিশ্বাস স্থাপন কৰিলেহেঁতেন আৰু আল্লাহক ভয় কৰিলেহেঁতেন, তেনেহ'লে নিশ্চয় আমি সিহঁতৰ দোষবোৰ দূৰ কৰিলোহেঁতেন আৰু পৰম সুখৰ জান্নাতত প্ৰৱেশ কৰালোহেঁতেন। (৬৬) সিহঁতে যদি তওৰাত, ইঞ্জীল আৰু সিহঁতৰ প্ৰভুৰ পৰা অৱতীৰ্ণ হোৱা পুথিসমূহত অধিষ্ঠিত থাকিলেহেঁতেন,

তেনেহ'লে সিহঁতে মূৰৰ ওপৰৰ পৰা, ভৰিৰ তলৰ পৰা খাদ্যৰ যোগান পালেহেঁতেন। সিহঁতৰ কিছুমান মানুহ সত্য সথত আছে আৰু বেছি ভাগ মানুহে অপকৰ্মহে কৰে।

(৬৭) হে ৰছুল, তোমাৰ প্ৰভুৰ পৰা তোমালৈ যি অৱতীৰ্ণ হৈছে সেয়া মানুহৰ মাজত প্ৰচাৰ কৰা। তুমি যদি তাকে নকৰা, তেনেহ'লে তেওঁৰ ৰছুলৰ দায়িত্ব পালন কৰা নহ'ল। আল্লাহে তোমাক মানুহৰ কবলৰ পৰা ৰক্ষা কৰিব। আল্লাহে অস্বীকাৰকাৰীবিলাকক কেতিয়াও পথ নেদেখুৱায়।

(৬৮) কোৱা- 'হে ঐশীপুথিপ্ৰাপ্তসকল, তোমালোকৰ কোনো মূল ভেটি নহ'ব, যেতিয়ালৈকে তওৰাত, ইঞ্জীল আৰু তোমালোকৰ প্ৰভুৰ পৰা তোমালোকৰ প্ৰতি অৱতীৰ্ণ হোৱা পুথিসমূহ মানি নচলা।' তোমাৰ প্ৰভুৰ পৰা তোমাৰ প্ৰতি যি অৱতীৰ্ণ হৈছে, নিশ্চয় সেইবোৰেই সিহঁতৰ অধিকাংশৰ অবাধ্যতা আৰু অস্বীকাৰ বৃদ্ধিৰ কাৰণ হৈছে। সেয়ে অস্বীকাৰকাৰীবিলাকৰ কাৰণে আক্ষেপ নকৰিবা। (৬৯) যিসকলে আল্লাহ আৰু পৰকালৰ প্ৰতি বিশ্বাস স্থাপন কৰে আৰু সৎ কৰ্ম কৰে, তেওঁলোক ইহুদীৱেই হওঁক, চাবিয়ীৱেই হওঁক বা খৃষ্টানেই হওঁক তেওঁলোকৰ কোনো ভয়ৰ কাৰণ নাই আৰু তেওঁলোক দুখীত হ'ব নালাগে।

(৭০) আমি ইছ্ৰাঈলৰ বংশধৰসকলৰ পৰা দৃঢ় অংগীকাৰ লৈছিলো আৰু সিহঁতৰ প্ৰতি অনেক বাৰ্তাবাহক প্ৰেৰণ কৰিছিলো; কিন্তু যেতিয়াই কোনো ৰছুলে কোনো কিছু আনিছিল আৰু সেয়া সিহঁতৰ মনঃপুত হোৱা নাছিল, তেতিয়া সিহঁতে কিছুমানক মিছলীয়া বুলি কৈছিল আৰু কিছুমানক হত্যা কৰিছিল। (৭১) সিহঁতৰ কোনো ক্ষতি নহ'ব বুলি সিহঁতে ধাৰণা কৰিছিল। সেয়ে সিহঁত অন্ধ আৰু বধিৰ হৈছিল। তথাপি আল্লাহে সিহঁতক ক্ষমা কৰিলে। ইয়াৰ পিছতো পুনৰ সিহঁতৰ অধিকাংশ মানুহ আৰু বেছিহে অন্ধ আৰু বধিৰ হ'বলৈ ধৰিলে। আল্লাহে সিহঁতৰ গতিবিধি লক্ষ্য কৰি আছে।

(৭২) নিশ্চয় সিহঁত অবিশ্বাসকাৰী, যিবিলাকে কয়- 'মৰিয়ম পুত্ৰ ঈছা মছীহেই আল্লাহ।' আনহাতে মছীহে কৈছে- 'হে ইছ্ৰাঈলৰ বংশধৰসকল, আল্লাহৰ উপাসনা কৰা, যিজন মোৰ প্ৰভু আৰু তোমালোকৰো প্ৰভু।' যিজনে আল্লাহৰ লগত আনক অংশী কৰে, আল্লাহে তাৰ বাবে জান্নাত নিষিদ্ধ কৰি দিছে। জাহান্নাম হ'ব তাৰ বাসস্থল। অন্যায়কাৰীবিলাকক সহায় কৰিবলৈ কোনো নাই। (৭৩) সিহঁত অস্বীকাৰকাৰী, যিবিলাকে কয়- 'আল্লাহ তিনিজনৰ এজন।' অথচ আল্লাহ মাথোন এজনেই। সিহঁতে যদি এনে ধৰণে কোৱাৰ পৰা বিৰত নাথাকে, তেনেহ'লে অস্বীকাৰতে অটল থকাৰ কাৰণে সিহঁতক যন্ত্ৰণাদায়ক শাস্তিয়ে গ্ৰাস কৰিব। (৭৪) সিহঁতে আল্লাহৰ ওচৰত অনুতপ্ত হৈ ক্ষমা-প্ৰাৰ্থনা নকৰে কিয়? আল্লাহ অতি ক্ষমাশীল, দয়াময়।

(৭৫) মৰিয়ম পুত্ৰ ঈছা মছীহ এজন ৰছুলৰ বাহিৰে আন একো নহয়। তেওঁৰ পূৰ্বে অনেক ৰছুল অতীত হৈ গ'ল। তেওঁৰ মাতৃ এগৰাকী সত্যনিষ্ঠা নিষ্ঠাবান মহিলা আছিল। তেওঁলোক দুয়ো খাদ্য খাইছিল। চোৱা, সত্যৰ নিদৰ্শনসমূহ কেনেদৰে স্পষ্টভাৱে আমি তোমালোকৰ আগত দাঙি ধৰিছো। আনহাতে চোৱা, সিহঁতে উভতি কোন ফালে গতি কৰিছে! (৭৬) কোৱা- 'তোমালোকে আল্লাহক এৰি সেইবিলাকৰ উপাসনা কৰা নেকি, যিবিলাকে তোমালোকৰ কোনো অপকাৰো কৰিব নোৱাৰে নাইবা উপকাৰো কৰিব নোৱাৰে? কেৱল আল্লাহে সকলো শুনে, সকলো জানে।'

(৭৭) কোৱা- 'হে ঐশীপুথিপ্ৰাপ্তসকল, তোমালোকে ধৰ্মৰ ক্ষেত্ৰত সমুচিত সীমাৰেখা অতিক্ৰম নকৰিবা। তোমালোকে সেইবিলাক মানুহৰ প্ৰবৃত্তি অনুসৰণ নকৰিবা, যিবিলাক তোমালোকৰ পূৰ্বে পথভ্ৰষ্ট হ'ল আৰু অনেকক পথভ্ৰষ্ট কৰিলে আৰু সিহঁত সঠিক পথৰ পৰা বহুদূৰ আঁতৰি গ'ল।'

(৭৮) ইছ্ৰাঈল বংশধৰবিলাকৰ যিবিলাকে অস্বীকাৰতে বদ্ধমূল আছিল, সিহঁতক দাউদ আৰু মৰিয়ম পুত্ৰ ঈছা কৰ্তৃক অভিশাপ দিয়া হৈছিল; কিয়নো

সিহঁত অবাধ্য হৈছিল আৰু সীমা অতিক্ৰম কৰিছিল। (৭৯) সিহঁতে যিবোৰ অপকৰ্ম কৰিছিল, তাৰ পৰা বিৰত ৰাখিবলৈ এজনে আনজনক বাধা দিয়া নাছিল। সিহঁতে কৰা কামবোৰ অতি কদৰ্য আছিল। (৮০) তুমি সিহঁতৰ মাজত এনে মানুহ দেখিবা, যিবিলাকে অবিশ্বাসকাৰী বিলাকক মিত্ৰ কৰি লয়। সিহঁতে আগতীয়াকৈ নিজৰ বাবে যি পঠাইছে, সেয়া কিমান নিকৃষ্ট! সিহঁতৰ ওপৰত আল্লাহ ক্ৰোধান্বিত হৈছে। সিহঁত চিৰস্থায়ী শাস্তিত পতিত হ'ব। (৮১) সিহঁতে যদি আল্লাহ, ৰছুল আৰু তেওঁৰ ৰছুলৰ প্ৰতি যি অৱতীৰ্ণ হৈছে, তাৰ প্ৰতি বিশ্বাস স্থাপন কৰিলেহেঁতেন, তেনেহ'লে সিহঁতে কদাপিও অবিশ্বাসকাৰী বিলাকক মিত্ৰ কৰি নল'লেহেঁতেন। সিহঁতৰ বেছিভাগ মানুহেই অবাধ্যকাৰী।

(৮২) ঈমানদাৰসকলৰ প্ৰতি শত্ৰুতাচৰণ কৰাত তোমালোকে ইহুদী আৰু অংশীবাদীবিলাকক সকলোতকৈ বেছি কঠোৰ পাবা আৰু সিহঁতক মুছলিমসকলৰ অতি ঘনিষ্ঠ মিত্ৰতা স্থাপনকাৰী হিচাবে পাবা, যিবিলাকে কয়- 'আমি খৃষ্টান।' কিয়নো সিহঁতৰ মাজত অনেক শাস্ত্ৰজ্ঞ উপাসনাকাৰী আৰু বৈৰাগী সাধু-সন্ত আছে, তেওঁলোকৰ অহংকাৰ বোধ নাই। (৮৩) ৰছুলৰ প্ৰতি অৱতীৰ্ণ হোৱা বাণী শুনিলে, তেওঁলোকে সত্য অনুধাৱন কৰিব পাৰি তেওঁলোকৰ নয়নেৰে অশ্ৰুধাৰা বৈ পৰা দেখিবা। তেওঁলোকে কয়- 'হে আমাৰ প্ৰভু, আমি বিশ্বাস স্থাপন কৰিছো, সেয়ে আমাৰ নাম সত্যৰ সাক্ষ্যদাতাৰ লগত লিখা। (৮৪) আমি কিয়নো আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন নকৰিম আৰু সেই মহা সত্যৰ প্ৰতি, যি আমাৰ ওচৰলৈ আহি পাইছে? আমি আশা কৰো, আমাৰ প্ৰভুৱে আমাক সৎ পন্থীসকলৰ দলভুক্ত কৰিব।' (৮৫) তেওঁলোকৰ এই কথাৰ কাৰণে আল্লাহে তেওঁলোকক এনে স্বৰ্গোদ্যানেৰে পুৰস্কৃত কৰিব, যাৰ মাজেৰে প্ৰবাহিত হৈ থাকে নিজৰা। তাত তেওঁলোক চিৰকাল থাকিব। এয়া সৎ কৰ্মীসকলৰ পুৰস্কাৰ। (৮৬) কিন্তু যিবিলাকে সত্যক অস্বীকাৰ কৰে আৰু আমাৰ বাণীসমূহ মিছা বুলি কয়, সিহঁত নৰকবাসী হ'ব।

(৮৭) হে বিশ্বাস স্থাপনকাৰীসকল, সেইবোৰ বস্তু তোমালোকে অবৈধ কৰি নল'বা, যিবোৰ বস্তু আল্লাহে তোমালোকৰ কাৰণে বৈধ কৰিছে। সীমা লংঘন নকৰিবা। আল্লাহে সীমালংঘনকাৰীক ভাল নাপায়। (৮৮) সেই পৱিত্ৰ আৰু বৈধ বস্তুবোৰ খাবা, যিবোৰ বস্তু আল্লাহে তোমালোকক দান কৰিছে। আল্লাহক ভয় কৰা, যিজনৰ প্ৰতি তোমালোকে বিশ্বাস স্থাপন কৰিছা। (৮৯) তোমালোকৰ নিৰৰ্থক শপতৰ বাবে আল্লাহে দোষ নধৰে; কিন্তু ঐকান্তিকতাৰে যিবোৰ শপত খোৱা, তাৰ বাবে নিশ্চয় দোষ ধৰিব। এনে শপতৰ প্ৰায়শ্চিত্ত হ'ল দহজন গৰীব মানুহক খাদ্য খুওৱাবা সাধাৰণতে তোমালোকে পৰিয়ালত যি খাদ্য খোৱা তেনে মধ্যম খাদ্য অথবা দহজন গৰীবক বস্ত্ৰ দান কৰিবা নাইবা এজন কৃতদাস মুক্ত কৰি দিবা। যাৰ এনে কৰাৰ সামৰ্থ নাই, তেওঁ তিনিদিন ৰোজা (উপবাস) ৰাখিব। এয়া হ'ল তোমালোকে শপত খাই ভংগ কৰাৰ প্ৰায়শ্চিত্ত। সেয়ে তোমালোকে শপত ৰক্ষা কৰিবা। এইদৰে আল্লাহে তোমালোকৰ বাবে তেওঁৰ নিদৰ্শনাৱলী বিশ্লেষণ কৰি দিছে যাতে তোমালোক কৃতজ্ঞ হোৱা।

(৯০) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে· মদ, জুৱা, বেদীত বলি দিয়া আৰু তীৰ খেলেৰে মঙ্গল চোৱা, এইবোৰ ছয়তানৰ কাম। এইবোৰ পৰিহাৰ কৰিবা। সম্ভৱতঃ তোমালোক সাফল্যমণ্ডিত হ'বা। (৯১) ছয়তানে মদ আৰু জুৱাৰ জৰিয়তে তোমালোকৰ মাজত শত্ৰুতা আৰু বিদ্বেষ সৃষ্টি কৰিবলৈ বিচাৰে আৰু তোমালোকক আল্লাহৰ স্মৰণ আৰু নামাজৰ পৰা বিৰত ৰাখিবলৈ বিচাৰে। তেনেহ'লে তোমালোকে এইবোৰৰ পৰা বিৰত নাথাকিবানে? (৯২) আল্লাহ আৰু তেওঁৰ ৰছুলক মানি চলিবা আৰু (অপকৰ্মৰ পৰা) সাৱধান হ'বা। তোমালোকে যদি নামানা, তেনেহ'লে জানি থোৱা, আমাৰ ৰছুলৰ দায়িত্ব হ'ল কেৱল স্পষ্টভাৱে তোমালোকক জনাই দিয়া। (৯৩) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎ কৰ্ম কৰিছে, তেওঁলোকে

পূৰ্বতে যিবোৰ খাইছিল, তাত তেওঁলোকৰ কোনো পাপ নহয় যদিহে তেওঁলোকে আল্লাহক ভয় কৰে আৰু তেওঁক বিশ্বাস কৰে আৰু সৎ কৰ্ম কৰে। আকৌ তেওঁলোকে আল্লাহক ভয় কৰে আৰু তেওঁক বিশ্বাস কৰে, আকৌ আল্লাহক ভয় কৰে আৰু সৎ কাম কৰে। আল্লাহে সৎকৰ্মীসকলক ভাল পায়।

(৯৪) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকৰ কৰায়ত্বত আৰু বল্লমৰ আওতাত থকা কিছু চিকাৰৰ প্ৰাণীৰ দ্বাৰা আল্লাহে তোমালোকক পৰীক্ষা কৰিব যাতে তেওঁ জানিব পাৰে কোনে নেদেখাকৈ তেওঁক ভয় কৰে। ইয়াৰ পিছত যিবিলাকে সীমা লংঘন কৰিব, সিহঁতৰ কাৰণে আছে অতি যন্ত্ৰণাদায়ক শাস্তি। (৯৫) হে বিশ্বাস স্থাপনকাৰীসকল, এহৰামৰ (হজৰ সময়ৰ বিশেষ পোছাক) অৱস্থাত চিকাৰ নকৰিবা। তোমালোকৰ কোনোৱে যদি ইচ্ছাকৃতভাৱে চিকাৰ বধ কৰা, তেনেহ'লে তাৰ ক্ষতিপূৰণ হ'ল- সি যি জন্তু বধ কৰিলে, তাৰ সমপৰ্যায়ৰ আন এটা জন্তু উৎসৰ্গ কৰিব লাগিব আৰু এয়া তোমালোকৰ মাজৰ দুজন ন্যায়নিষ্ঠ লোকে মীমাংসা কৰি দিব। এই অৰ্ঘ কা'বাত পৌছাই দিব লাগিব অথবা ইয়াৰ প্ৰায়শ্চিত্ত হিচাবে কেইজনমান গৰীৱ মানুহক আহাৰ কৰাব লাগিব; কিম্বা সেই অনুপাতে ৰোজা ৰাখিব লাগিব যেন সি নিজ কৃতকৰ্মৰ যাতনা ভোগ কৰিব পাৰে। পূৰ্বে যি কৰিছিল, সেয়া আল্লাহে মাৰ্জনা কৰিলে; কিন্তু কোনোৱে পুনৰপি এনে কৰ্ম কৰে, তেনেহ'লে আল্লাহে তাক শাস্তি বিহিব। আল্লাহ মহা পৰাক্ৰমী, সমুচিত শাস্তি বিহিবলৈ সক্ষম।

(৯৬) তোমালোকৰ বাবে সমুদ্ৰৰ চিকাৰ আৰু সেয়া খোৱা বৈধ কৰা হ'ল তোমালোকৰ আৰু ভ্ৰমণৰত অৱস্থাৰ সুবিধাৰ বাবে। কিন্তু স্থলভাগৰ চিকাৰ এহৰাম অৱস্থাত তোমালোকৰ বাবে নিষিদ্ধ কৰা হ'ল। আল্লাহক ভয় কৰা, যিজনৰ ওচৰত তোমালোকক সমবেত কৰা হ'ব। (৯৭) আল্লাহে মহা

সন্মানিত কা'বা ঘৰক মানুহৰ (সামাজিক জীৱন) প্ৰতিষ্ঠাৰ কেন্দ্ৰ কৰি দিছে আৰু পৱিত্ৰ (হজৰ) মাহ, কোৰবানীৰ জন্তু আৰু গলাবদ্ধ জন্তুকো মানুহৰ কল্যাণৰ বাবে নিৰ্ধাৰিত কৰি দিছে যাতে তোমালোকে জানিব পাৰা যে, আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলো আল্লাহৰ অৱগত আৰু প্ৰতিটো বস্তু সম্পৰ্কে তেওঁ সম্পূৰ্ণ জ্ঞাত। (৯৮) জানি থোৱা, শাস্তি দিয়াত আল্লাহ অতি কঠোৰ। (আনহাতে) আল্লাহ ক্ষমাশীল, পৰম দয়ালু। (৯৯) ৰছুলৰ পূৰ্ণ দায়িত্ব হ'ল কেৱল বার্তা পৌছাই দিয়া। তোমালোকে যিবোৰ প্ৰকাশ কৰা আৰু যিবোৰ গোপন কৰা, সেই সকলোবোৰ আল্লাহে জানে। (১০০) কোৱা- 'পৱিত্ৰ আৰু অপৱিত্ৰ একে নহয়, যদিও অপৱিত্ৰৰ প্ৰাচুৰ্যই তোমালোকক আকৃষ্ট কৰে। হে জ্ঞান-বুদ্ধি সম্পন্ন লোকসকল, আল্লাহক ভয় কৰা যাতে তোমালোক সফল হ'ব পাৰা।

(১০১) হে বিশ্বাস স্থাপনকাৰীসকল, এনে কথা নুসুধিবা, যিবোৰ ব্যক্ত হ'লে তোমালোকৰ দুৰ্বহ লাগিব। কিন্তু যদি তোমালোকে সেইবোৰ কথা কুৰআন অৱতীৰ্ণৰ সময়ত সোধা, সেয়া তোমালোকক ব্যক্ত কৰা হ'ব। আল্লাহে সেয়া ক্ষমা কৰি দিলে। আল্লাহ ক্ষমাশীল, সহনশীল। (১০২) তোমালোকৰ পূৰ্বেও কিছুমান মানুহে এনে ধৰণৰ প্ৰশ্নই কৰিছিল; কিন্তু যিবোৰ প্ৰকাশ কৰা হ'ল, সেয়া সিহঁতে অস্বীকাৰ কৰিলে। (১০৩) 'বাহীৰা', 'ছায়িবা', 'ৱাছীলা' আৰু 'হাম' (দেৱ-দেৱীৰ নামত এৰি দিয়া জন্তু) কোনোটোকে আল্লাহে নির্দিষ্ট কৰি দিয়া নাই; কিন্তু অবিশ্বাসকাৰীবিলাকে আল্লাহৰ প্ৰতি মিছা অপবাদ আৰোপ কৰে। সিহঁতৰ অধিকাংশই নির্বোধ। (১০৪) যেতিয়া সিহঁতক কোৱা হয়- 'আল্লাহে যি অৱতীৰ্ণ কৰিছে, সেই পিনে আহা আৰু ৰছুলৰ পিনে আহা', তেতিয়া সিহঁতে কয়- 'আমাৰ বাবে এয়াই যথেষ্ট, যি আমি পূৰ্বপুৰুষৰ পৰা পাইছো।' আনকি সিহঁতৰ পূৰ্বপুৰুষে একো নাজানিলেও আৰু সঠিক পথত নচলিওে! (১০৫) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে নিজে নিজৰ

বাবে সচেতন হ'বা। তোমালোকে সৎ পথত থাকিলে, পথভ্রষ্ট মানুহে তোমালোকৰ কোনো ক্ষতি কৰিব নোৱাৰে। আল্লাহৰ পিনেই তোমালোক সকলোৱে উভতি যাব লাগিব। তেতিয়া তেওঁ তোমালোকক অৱগত কৰাব, তোমালোকে কি কৰিছিলা।

(১০৬) হে বিশ্বাস স্থাপনকাৰীসকল, যেতিয়া তোমালোকৰ কাৰো মৃত্যুৰ সময় উপস্থিত হয় আৰু অচিয়ত কৰিব খোজা, তেতিয়া তোমালোকৰ মাজৰ পৰা দুজন ন্যায়পৰায়ণ মানুহক সাক্ষী ৰাখিবা। যদি তোমালোকে প্ৰবাসত থাকোতে মৃত্যুৰ বিপদ আসন্ন হয়, তেতিয়া তোমালোকৰ বাহিৰে আন মানুহৰ পৰা দুজনক সাক্ষীৰূপে মনোনীত কৰিবা। তেওঁলোকৰ ন্যায়পৰায়ণতা যদি সন্দেহজনক হয়, সিহঁত দুজনক নামাজৰ পিছত ৰখাই থবা, উভয়ে আল্লাহৰ নামত শপত খাই ক'ব- 'আমি কোনো বিনিময়ত সাক্ষী বিক্ৰী নকৰো, তেওঁ আমাৰ কোনো আত্মীয়ই নহওঁক কিয় আৰু আল্লাহৰ নামত দিয়া সাক্ষ্য গোপন নকৰো। আমি যদি তেনে কৰো, নিশ্চয় পাপিষ্ঠ বুলি পৰিগণিত হ'ম।' (১০৭) যদি জনা যায় যে, সিহঁত দুজনে বিশ্বাস ভংগ কৰিছিল, তেনেহ'লে সিহঁতৰ পৰিৱৰ্তে সিহঁতৰ মাজৰ পৰা এনে দুজনক সাক্ষী নিযুক্ত কৰিবা, যাৰ অধিকাৰ আগৰ দুজনৰ সাক্ষীয়ে হৰণ কৰিব বিচাৰিছিল। সিহঁতো আল্লাহৰ নামত শপত খাই ক'ব- 'সিহঁত দুজনতকৈ আমাৰ সাক্ষ্য অধিক সত্য আৰু আমি সাক্ষ্য দানত সীমা লংঘন কৰা নাই। এনে কৰিলে আমি নিশ্চয় অন্যায়কাৰীবিলাকৰ দলভুক্ত হ'ম।' (১০৮) এইটোৱেই নিকটতম পন্থা যে মানুহে সদায় সত্য সাক্ষ্য দিব, নহ'লেবা সিহঁতৰ অন্ততঃ এইটো ভয় থাকিব যে, সিহঁতৰ সাক্ষ্য আনৰ দ্বাৰা মিছা বুলি সাব্যস্ত হ'ব। আল্লাহক ভয় কৰা আৰু শুনা, আল্লাহে অবাধ্য-অন্যায়কাৰীবিলাকক সুপথ নেদেখুৱায়।

(১০৯) যিদিনা আল্লাহে ৰছুলসকলক সমবেত কৰি সুধিব- 'তোমালোকে কেনে সঁহাৰি পাইছিলা?' তেওঁলোকে উত্তৰ দিব- 'এই

বিষয়ে আমি একো জনা নাছিলো। কেৱল তুমিহে গুপুত কথাবোৰ জানা।' (১১০) তেতিয়া আল্লাহে ক'ব- 'হে মৰিয়ম পুত্ৰ ঈছা, মোৰ সেই অনুগ্ৰহৰ কথা মনত পেলোৱা, যি অনুগ্ৰহ মই তোমাক আৰু তোমাৰ মাতৃৰ প্ৰতি কৰিছিলো। পৱিত্ৰ আত্মাৰ মাধ্যমেৰে তোমাক শক্তিমান কৰিছিলো। তুমি মাতৃৰ কোলাত থকাৰ পৰাই পৈণত বয়সলৈকে মানুহৰ লগত কথা ক'ব পাৰিছিলা। মই তোমাক পুথি আৰু জ্ঞান-বুদ্ধি, তওৰাত আৰু ইঞ্জীলৰ জ্ঞান দান কৰিছিলো। তুমি মোৰ অনুমতিক্ৰমে বোকা মাটিৰ দ্বাৰা পখীৰ আকৃতি দি তাত ফুঁ দিছিলা আৰু মোৰ অনুমতিতেই সি জীৱিত পখী হৈছিল। তুমি জন্মান্ধ আৰু কুষ্ঠৰোগীক মোৰ অনুমতিতেই নিৰাময় কৰিছিলা আৰু মোৰ অনুমতিতেই তুমি মৃতকক জীৱিত অৱস্থালৈ আনিছিলা। মইহে তোমাক ইছৰাঈলৰ বংশধৰবিলাকৰ পৰা ৰক্ষা কৰিছিলো। যেতিয়া তুমি সিহঁতৰ ওচৰলৈ স্পষ্ট নিদৰ্শন আনিছিলা, তেতিয়া সিহঁতৰ মাজৰ অবিশ্বাসকাৰীবিলাকে কৈছিল- 'এয়া স্পষ্ট যাদুৰ বাহিৰে আন একো নহয়।'

(১১১) (সেই সময়ৰ কথা স্মৰণ কৰা) যেতিয়া মই হাৱাৰীবিলাকক প্ৰেৰণা দিছিলো যে- 'তোমালোকে মোৰ প্ৰতি আৰু মোৰ ৰছুলৰ প্ৰতি বিশ্বাস স্থাপন কৰা।' সিহঁতে কৈছিল- 'আমি বিশ্বাস স্থাপন কৰিলো আৰু তুমি সাক্ষী থাকা যে আমি মুছলমান।' (১১২) যেতিয়া হাৱাৰীবিলাকে সুধিছিল- 'হে মৰিয়ম পুত্ৰ ঈছা, তোমাৰ প্ৰভুৰে আমালৈ আকাশৰ পৰা খাদ্যৰে ভৰা থাল পঠিয়াব পাৰিবনে?' ঈছাই কৈছিল- 'আল্লাহক ভয় কৰা, যদি তোমালোক মুছলমান হোৱা!' (১১৩) সিহঁতে কৈছিল- 'আমাৰ ইচ্ছা হ'ল আমি তাৰপৰা কিছু খাদ্য খাব বিচাৰো যাতে আমাৰ অন্তৰে প্ৰশান্তি লভিব পাৰে আৰু তুমি আমাক সত্য কথাই কৈছা আৰু আমি তাৰ সাক্ষী হ'ম।' (১১৪) মৰিয়ম পুত্ৰ ঈছাই কৈছিল- 'হে আল্লাহ, আমাৰ প্ৰভু। আকাশৰ পৰা আমাৰ বাবে খাদ্য সম্ভাৰেৰে ভৰা এখন থাল পঠাই দিয়া, যিখন আমাৰ পূৰ্বৱৰ্তী আৰু

পৰৱর্তীসিকলৰ বাবে আনন্দৰ উপলক্ষ হ'ব আৰু আমাৰ সকলোৰে বাবে নিদর্শন স্বৰূপ হ'ব। আমাক জীৱিকা দান কৰা। তুমিয়েই সর্বশ্রেষ্ঠ জীৱিকাদাতা।' (১১৫) আল্লাহে ক'লে- 'মই অৱশ্যই সেয়া তোমালোকলৈ পঠিয়াম; কিন্তু ইয়াৰ পিছতো যদি তোমালোকৰ কোনোৱে অস্বীকাৰ কৰে, মই তাক এনেকুৱা শাস্তি দিম যি শাস্তি মই পৃথিৱীৰ আন কাকো দিয়া নাই।'

(১১৬) আল্লাহে যেতিয়া সুধিব- 'হে মৰিয়ম পুত্ৰ ঈছা, তুমি মানুহ বিলাকক এই বুলি কৈছিলা নেকি, আল্লাহৰ উপৰিও মোক আৰু মোৰ মাকো উপাস্য কৰি লোৱা', তেওঁ উত্তৰ দিব- 'আল্লাহ মহামহিম, মই এই কথা কেনেকৈ ক'ব পাৰো, যি কথা কোৱাৰ মোৰ কোনো অধিকাৰ নাই। মই যদি ক'লো হেঁতেন, নিশ্চয় তুমি জানিলাহেঁতেন। মোৰ অন্তৰত কি আছে সেয়া তুমি জানা; কিন্তু তোমাৰ অন্তৰত কি আছে, সেয়া মই নাজানো। কেৱল তুমিয়েই সকলো গুপুত কথাৰ তত্ত্ব জানা। (১১৭) মই সিহঁতক সেই কথাহে কৈছিলো, তুমি মোক যি আদেশ দিছিলা যে- আল্লাহৰ উপাসনা কৰা, যিজন মোৰো প্ৰভু, তোমালোকৰো প্ৰভু। যেতিয়ালৈকে মই সিহঁতৰ লগত আছিলো, সিহঁতক মই পর্যবেক্ষণ কৰিছিলো। যেতিয়া তুমি মোৰ আত্মা হৰণ কৰিলা, তেতিয়া তুমিয়েই সিহঁতক নিৰীক্ষণ কৰিছিলা। তুমি সকলো বস্তুৰে পর্যবেক্ষক। (১১৮) আৰু সিহঁতক যদি শাস্তি বিহা, তেনেহ'লে সিহঁততো তোমাৰেই দাস আৰু তুমি যদি ক্ষমা কৰা, নিশ্চয় তুমিয়েই মহা পৰাক্ৰমী, সর্বজ্ঞানী।'

(১১৯) আল্লাহে ক'ব- 'আজি এনে এটা দিন যে, সত্যতাই সত্যবাদী সকলৰ কামত আহিব। তেওঁলোকৰ বাবে জান্নাত আছে যাৰ মাজেৰে নিজৰা প্ৰবাহিত হৈ থাকে। তাত তেওঁলোক চিৰকাল থাকিব। আল্লাহ তেওঁলোকৰ প্ৰতি সন্তুষ্ট আৰু তেওঁলোকো আল্লাহৰ প্ৰতি সন্তুষ্ট হ'ব। এয়া পৰম সফলতা। (১২০) আকাশমণ্ডল, পৃথিৱী আৰু উভয়ৰ মাজত যি আছে সকলোতে আল্লাহৰেই আধিপত্য। তেওঁ সকলো বস্তুৰ ওপৰত ক্ষমতাবান।

আল-আনআম (ঘৰচীয়া জন্তু)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) সকলো প্ৰশংসা আল্লাহৰ বাবেই, যিজনে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে, আন্ধাৰ আৰু পোহৰো উদ্ভৱ কৰিছে। তথাপি সত্য অস্বীকাৰকাৰী বিলাকে আন কিছুমানক সিহঁতৰ প্ৰভুৰ সমকক্ষ কৰি লয়। (২) তেঁৱেই তোমালোকক মাটিৰ পৰা সৃষ্টি কৰিছে। তাৰ পিছত এটি আয়ুকাল নিৰ্ধাৰণ কৰি দিছে, আন এটি আয়ুকাল তেওঁৰ ওচৰত আছে। তথাপি তোমালোকে সন্দেহ কৰা! (৩) তেঁৱেই আকাশমণ্ডল আৰু পৃথিৱীৰ একমাত্ৰ আল্লাহ। তোমালোকে যি গোপন কৰা আৰু প্ৰকাশ কৰা, সেয়া সকলো তেওঁ জানে। তোমালোকে যি কৰা, সেয়াও তেওঁ জানে। (৪) তথাপি সিহঁতৰ প্ৰভুৰ পৰা যেতিয়াই কোনো নিদৰ্শন সিহঁতলৈ আহে, সিহঁতে তাৰ পৰা মুখ ঘূৰায়। (৫) যেতিয়াই সিহঁতলৈ সত্য আহিছে, সেয়া সিহঁতে মানিবলৈ অস্বীকাৰ কৰিছে। যি কথালৈ সিহঁতে ঠাট্টা-বিদ্ৰূপ কৰিছে, অচিৰেই সিহঁতে তাৰ যথাৰ্থতা জানিবলৈ পাব। (৬) সিহঁতে দেখা নাইনে, সিহঁতৰ পূৰ্বে আমি কিমান জাতিক ধ্বংস কৰিছো! সিহঁতক আমি এই ধৰাৰ বুকুত এনেদৰে প্ৰভাৱশালী আৰু প্ৰতিষ্ঠিত কৰিছিলো, তেনেদৰে তোমালোকক কৰা নাই। সিহঁতৰ বাবে আকাশৰ পৰা প্ৰচুৰ পৰিমাণে পানী বৰ্ষাইছিলো আৰু তলেদি নদ-নদী প্ৰবাহিত কৰাইছিলো। ইয়াৰ পিছতহে আমি সিহঁতক ধ্বংস কৰিছিলো সিহঁতৰ পাপৰ কাৰণে আৰু সিহঁতৰ পিছত আন এটা জাতিক উত্থিত কৰিছিলো।

(৭) আমি যদি তোমাৰ প্ৰতি কাগজত লিখিত পুথি অৱতীৰ্ণ কৰিলোহেঁতেন আৰু সিহঁতে সেয়া নিজ হাতেৰে স্পৰ্শ কৰি চোৱাহেঁতেনো সত্য অস্বীকাৰকাৰী মানুহবিলাকে ক'লেহেঁতেন- 'এয়া স্পষ্ট যাদুৰ বাহিৰে আন একো নহয়।' (৮) সিহঁতে কয়- 'এইজনা নবীৰ প্ৰতি কোনো ফিৰিস্তা

পঠোৱা হোৱা নাই কিয়?' আমি যদি ফিৰিস্তা পঠিয়ালোহেঁতেন, তেনেহ'লে পূৰ্বেই মীমাংসা হৈয়ে গ'লহেঁতেন আৰু সিহঁতক কোনো অৱকাশ দিয়া নগ'লহেঁতেন। (৯) আমি যদি কোনো ফিৰিস্তাক ৰছুল কৰি পঠিয়ালোহেঁতেন, তেওঁকো মানুহৰ আকৃতিতে পঠিয়ালোহেঁতেন আৰু বৰ্তমান সিহঁতে যি সংশয়-সন্দেহত ভুগি আছে, সেই সংশয়-সন্দেহেই সিহঁতৰ মনত উদ্রেক হ'লহেঁতেন। (১০) তোমাৰ পূৰ্বেও ৰছুলসকলক উপহাস কৰা হৈছিল। সিহঁতে যি লৈ উপলুঙা কৰিছিল, সেয়াই সিহঁতৰ ওপৰত আপতিত হৈছে। (১১) কোৱা- 'ধৰাৰ বুকুত ঘূৰি-পকি চোৱা, সত্য অস্বীকাৰকাৰীবিলাকৰ কি দশা হ'ল?' (১২) সোধা- 'আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সেয়া কাৰ?' কোৱা- 'সকলো আল্লাহৰেই। দয়া কৰা কৰ্তব্য বুলি তেওঁ নিজৰ ওপৰতেই ধাৰ্য কৰি লৈছে। কিয়ামতৰ দিনা তেওঁ তোমালোক সকলোকে সমবেত কৰিব, এয়া সন্দেহাতীত সত্য; কিন্তু যিবিলাকে নিজেই নিজৰ ধ্বংস মাতি আনিছে, সিহঁতে বিশ্বাস স্থাপন নকৰে।' (১৩) ৰাতি আৰু দিনত যি অৱস্থান কৰে, সকলোবোৰ আল্লাহৰেই। তেওঁ সৰ্বশ্রোতা, সৰ্বজ্ঞ। (১৪) কোৱা- 'আল্লাহক বাদ দি মই আনক অভিভাৱক কৰিমনে? যিজন আকাশমণ্ডল আৰু পৃথিৱীৰ সৃষ্টিকৰ্তা। তেওঁ সকলোকে খাদ্য খুৱায়; কিন্তু তেওঁক কোনোৱে নুখুৱায়।' কোৱা- 'মোক আদেশ দিয়া হৈছে সৰ্ব প্রথম ময়েই যেন তেওঁৰ সন্মুখত শিৰ নত কৰো আৰু কেতিয়াও অংশীবাদীবিলাকৰ দলভুক্ত নহও।' (১৫) কোৱা- 'কদাপিও মই মোৰ প্রভুৰ অবাধ্য নহওঁ, কিয়নো মই এটা ভয়ানক দিনৰ শাস্তিক ভয় কৰো।' (১৬) সিদিনা যাক শাস্তিৰ পৰা দূৰত ৰখা হ'ব, তেওঁক আল্লাহে কৰুণা কৰিলে আৰু এয়ে পৰম সফলতা।

(১৭) আল্লাহে যদি তোমাৰ ক্ষতি কৰিব বিচাৰে, তেওঁৰ ব্যতীত সেয়া কোনোৱে দূৰ কৰিব নোৱাৰে আৰু তেওঁ যদি তোমাক কল্যাণ কৰে, তেনেহ'লে তেওঁ সকলো কৰিবলৈ সক্ষম। (১৮) তেওঁ তেওঁৰ বান্দাসকলৰ ওপৰত

সার্বভৌম কর্তৃত্বশীল। তেওঁ সর্বজ্ঞানী, সর্বজ্ঞ। (১৯) সিহঁতক সোধা- 'কাৰ সাক্ষ্য আটাইতকৈ বেছি গ্ৰহণযোগ্য?' এই কুৰআনখনি মোৰ প্ৰতি অৱতীর্ণ কৰা হৈছে যাতে ইয়াৰ দ্বাৰা মই তোমালোকক আৰু এয়া যাৰ ওচৰলৈ গৈ পায়, সিহঁতকো সতর্ক কৰি দিব পাৰো। সঁচাকৈয়ে তোমালোকে এই সাক্ষ্য দিব পাৰিবানে যে আল্লাহৰ উপৰিও আন উপাস্য আছে?' কোৱা- 'মই কোনো পধ্যেই এনে সাক্ষ্য দিব নোৱাৰো।' কোৱা- 'তেঁৱেই আল্লাহ, একক। তোমালোকে তেওঁৰ লগত যি অংশীবাদীতাত লিপ্ত আছা, তাৰ লগত মোৰ কোনো সম্পর্ক নাই।'

(২০) যিসকলক আমি পুথি দিছো, তেওঁলোকে এই কথা এনেদৰে জানে যেনেদৰে তেওঁলোকে নিজ পুত্ৰসকলক জানে। যিবিলাকে নিজৰ ধ্বংস নিজেই মাতি আনিছে, সিবিলাকে বিশ্বাস স্থাপন নকৰে। (২১) সেই ব্যক্তিতকৈ বেছি অনাচাৰী কোন হ'ব পাৰে, যিয়ে আল্লাহৰ প্ৰতি মিছা কথা ৰচনা কৰে নাইবা তেওঁৰ নিদর্শনসমূহক অস্বীকাৰ কৰে। প্ৰকৃততে অনাচাৰীবিলাকে কদাপিও সফলতা লাভ কৰিব নোৱাৰে। (২২) যিদিনা আমি সিহঁত সকলোকে একেলগে সমবেত কৰিম আৰু অংশীবাদীবিলাকক সুধিম- 'সেইবোৰ এতিয়া ক'ত, যিবোৰক তোমালোকে অংশী উপাস্য বুলি দাবী কৰিছিলা?' (২৩) তেতিয়া সিহঁতে কোনো অজুহাত দেখুৱাব নোৱাৰি এনেকৈয়ে ক'ব- 'আমাৰ প্ৰভু আল্লাহৰ শপত, আমি কেতিয়াও অংশীবাদী নাছিলো।' (২৪) চোৱা, সিহঁতে কেনেদৰে নিজে নিজৰ সম্পর্কে মিছা কথা ৰচনা কৰে আৰু সিহঁতে যিবোৰ উদ্ভাৱন কৰি লৈছিল, সিবোৰ সিহঁতৰ পৰা উধাও হ'ল।

(২৫) সিহঁতৰ মাজত এনে কিছুমান মানুহ আছে, যিবিলাকে তোমাৰ কথা কাণ পাতি শুনে; কিন্তু আমি সিহঁতক এনে আৱৰণেৰে ঢাকি দিছো যে সিহঁতে তোমাৰ কথা উপলব্ধি কৰিব নোৱাৰে। সিহঁতৰ কাণ গধূৰ। সিহঁতে সকলো নিদর্শন দেখিলেও সেইবোৰ বিশ্বাস নকৰে। আনকি সিহঁতে যেতিয়া

বিতর্ক কৰিবলৈ তোমাৰ ওচৰলৈ আহে, তেতিয়া এই অবিশ্বাসকাৰীবিলাকে কয়- 'এইবোৰ পুৰণি কালৰ সাধুকথাৰ বাহিৰে আন একো নহয়।' (২৬) (এয়া বিশ্বাস কৰিবলৈ) সিহঁতে আনক বাধা দিয়ে আৰু নিজেও তাৰ পৰা আঁতৰি থাকে; কিন্তু সিহঁতে যে নিজেই নিজৰ ধ্বংস মাতি আনিছে সেই চেতনাই নাই। (২৭) যেতিয়া সিহঁতক জাহান্নামৰ ওচৰত থিয় কৰোৱা হ'ব, সেই অৱস্থা যদি তুমি দেখিলাহেঁতেন! তেতিয়া সিহঁতে ক'ব- 'হায়! আমাক যদি দুনাই ঘূৰাই পঠোৱা হয়, তেনেহ'লে আমি আল্লাহৰ নিদর্শনসমূহ প্ৰত্যাখ্যান নকৰো আৰু বিশ্বাস স্থাপনকাৰীসকলৰ দলভুক্ত হ'ম।' (২৮) সিহঁতে যিবোৰ (সত্য) আগেয়ে গোপন কৰিছিল, সেইবোৰ প্ৰকাশ হৈ পৰিব। সিহঁতক যদি দুনাই ঘূৰাই পঠোৱা হয়, তেনেহ'লে পুনৰ সেইবোৰ কামেই কৰিব, যিবোৰ সিহঁতক নিষেধ কৰা হৈছিল। আচলতে সিহঁত মিছলীয়া।

(২৯) সিহঁতে কয়- 'এই পার্থিৱ জীৱনৰ ব্যতীত আন কোনো জীৱন নাই। (মৃত্যুৰ পিছত) আমি কেতিয়াও পুনৰুত্থিত হ'ব নালাগিব।' (৩০) তুমি যদি দেখিলাহেঁতেন, যেতিয়া সিহঁতক সিহঁতৰ প্ৰভুৰ সন্মুখত থিয় কৰোৱা হ'ব, তেওঁ সিহঁতক সুধিব- 'এয়া (পুনৰ জীৱন) সত্য নহয়নে?' সিহঁতে ক'ব- 'হয়, আমাৰ প্ৰভুৰ শপত, এয়া সত্য।' আল্লাহে ক'ব- 'সত্যক অস্বীকাৰ কৰাৰ ফল স্বৰূপে তোমালোকে এতিয়া শাস্তিৰ সোৱাদ লোৱা।' (৩১) নিশ্চয় সিহঁত ক্ষতিগ্ৰস্ত হ'ল, যিবিলাকে আল্লাহৰ লগত সাক্ষাৎ হোৱাৰ কথা অস্বীকাৰ কৰিছিল। আচম্বিতে যেতিয়া সিহঁতৰ সন্মুখত সেই সময় আহি পৰিব, তেতিয়া সিহঁতে ক'ব- 'হায়! হায়!! এই কথা আমি কিমান যে আওকাণ কৰি আছিলো।' সিহঁতে পিঠিত নিজৰ পাপৰ বোজা বহন কৰিব। সি যি বোজা বহন কৰিব, সেয়া কিমান যে নিকৃষ্ট! (৩২) এই পার্থিৱ জীৱন খেল-ধেমালি আৰু আমোদ-প্ৰমোদৰ বাহিৰে আন একো নহয়। পুণ্যবানসকলৰ কাৰণে পৰকালৰ ঘৰ অতি উৎকৃষ্ট। সেয়া তোমালোকে নুবুজানে?

(৩৩) আমি জানো, সিহঁতৰ কথাই তোমাক মনোকষ্ট দিয়ে; কিন্তু সিহঁতে আচলতে তোমাক অস্বীকাৰ কৰা নাই, সেই দুৰাচাৰীবিলাকে আল্লাহৰ বাণীসমূহকহে অস্বীকাৰ কৰিছে। (৩৪) তোমাৰ পূৰ্বেও বহু ৰছুলক অস্বীকাৰ কৰা হৈছিল। তেওঁলোকক প্ৰত্যাখ্যান কৰা আৰু কষ্ট দিয়া সত্ত্বেও আমাৰ সাহায্য নহালৈকে তেওঁলোকে ধৈর্য সহকাৰে সহি আছিল। আল্লাহৰ বাণী পৰিৱৰ্তন কৰাৰ ক্ষমতা কাৰো নাই। সেই ৰছুলসকলৰ কিছু সংবাদ ইতিমধ্যে তুমি পাইছাই। (৩৫) সিহঁতৰ উপেক্ষা যদি তোমাৰ অসহ্য হয়, তেনেহ'লে তোমাৰ যদি সামর্থ আছে, পৃথিৱীত কোনো সুৰংগ বিচৰা অথবা আকাশত জখলা লগাই লোৱাগৈ আৰু সিহঁতলৈ কোনো নিদর্শন আনাগৈ। আল্লাহে ইচ্ছা কৰাহেঁতেন, সিহঁত সকলোকে সৎ পথত একত্রিত কৰিব পাৰিলেহেঁতেন। এতেকে তুমি অজ্ঞবিলাকৰ দলভুক্ত নহ'বা। (৩৬) যিসকলে শুনে, তেওঁলোকে আহৱানত সঁহাৰি জনায়। মৃত্যু হোৱা মানুহবিলাকক আল্লাহে পুনৰ জীৱিত কৰিব। ইয়াৰ পিছত তেওঁলোকক তেওঁৰ ওচৰলৈকে ঘু�ৰাই নিয়া হ'ব।

(৩৭) সিহঁতে কয়- 'এইজনা নবীৰ প্ৰতি তেওঁৰ প্ৰভুৰ পৰা কোনো নিদর্শন পঠোৱা হোৱা নাই কিয়?' কোৱা- 'নিশ্চয় নিদর্শন পঠিয়াবলৈ আল্লাহ সম্পূৰ্ণ সক্ষম; কিন্তু সিহঁতৰ প্ৰায়বিলাকৰে জ্ঞানবোধ নাই।' (৩৮) দুনীয়াত বিচৰণ কৰা এনে কোনো জীৱ-জন্তু নাই আৰু দেউকাৰে উৰা এনে কোনো পক্ষী নাই, যি তোমালোকৰ দৰে বিভিন্ন প্ৰজাতিৰ নহয়। এই পুথিত লিখিবলৈ আমি একো বাকী ৰখা নাই। শেষত সিহঁত সকলোকে একত্রিত কৰি সিহঁতৰ প্ৰভুৰ ওচৰত উপস্থিত কৰা হ'ব। (৩৯) যিবিলাকে আমাৰ বাণীসমূহ অস্বীকাৰ কৰিছে, সিহঁত কলা, বোবা; সিহঁত অন্ধকাৰৰ মাজত নিমর্জিত। আল্লাহে যাক ইচ্ছা কৰে, বিপথগামী কৰে আৰু যাক ইচ্ছা কৰে সঠিক পথত পৰিচালিত কৰে।

(৪০) কোৱা- 'কোৱাচোন, দৈবাৎ যদি তোমালোকৰ ওপৰত আল্লাহৰ

শাস্তি আহে বা প্ৰলয় সংঘটিত হয়, তেতিয়া তোমালোকে আল্লাহক বাদ দি আনক মাতিবা জানো? কোৱা, যদি তোমালোক সত্যবাদী হোৱা?' (৪১) বৰং তোমালোকে তেওঁকেই মাতা। তেওঁ ইচ্ছা কৰিলে তোমালোকৰ সেই বিপদ দূৰ কৰি দিব যাৰ বাবে তেওঁক মাতা আৰু তোমালোকে যাক তেওঁৰ লগত অংশী কৰিছা, সিহঁতক পাহৰি যোৱা।

(৪২) তোমাৰ পূৰ্বে আমি বহু জাতিৰ প্ৰতি ৰছুল পঠিয়াইছিলো আৰু সিহঁতক নানা দুখ-দুদৰ্শাত পতিত কৰিছিলো যাতে সিহঁতে বিনম্ৰভাৱে মোৰ ওচৰত নতি স্বীকাৰ কৰে। (৪৩) সিহঁতৰ ওপৰত আমাৰ শাস্তি অহাৰ পিছতো সিহঁত বিনয়ী নহ'ল। বৰং সিহঁতৰ অন্তৰ আৰু কঠোৰহে হ'ল। ছয়তানে সিহঁতৰ কৰ্মবোৰক সিহঁতৰ দৃষ্টিত মনোমোহা কৰি দেখুৱালে। (৪৪) যেতিয়া সিহঁতক দিয়া উপদেশবোৰ সিহঁতে পাহৰি গ'ল, তেতিয়া আমি সিহঁতৰ বাবে সকলো দ্বাৰ খুলি দিলো। সিহঁত যেতিয়া সেই সুখ-স্বাচ্ছন্দতা লৈ বিভোৰ হৈ আছিল, তেতিয়া আমি অতৰ্কিতে সিহঁতক আটক কৰিলো আৰু সিহঁত নিৰাশ হ'ল। (৪৫) এইদৰে সীমালংঘনকাৰীবিলাকক মূলোচ্ছেদ কৰা হ'ল। সকলো প্ৰশংসা আল্লাহৰ বাবেই, যিজন সমগ্ৰ বিশ্ব জগতৰ প্ৰভু।

(৪৬) সোধা- 'কোৱাচোন বাৰু, আল্লাহে যদি তোমালোকৰ শ্ৰৱণশক্তি আৰু দৃষ্টিশক্তি কাঢ়ি নিয়ে আৰু অন্তৰত মোহৰ মাৰি দিয়ে, তেনেহ'লে আল্লাহৰ বাহিৰে এনে কোন উপাস্য আছে, যিজনে সেইবোৰ ঘূৰাই আনিব পাৰে? চোৱা, আমি কি দৰে আমাৰ নিদৰ্শনবোৰ সিহঁতৰ আগত নানাভাৱে উপস্থাপন কৰিছো, তথাপি সিহঁতে কেনেদৰে তাৰ পৰা আঁতৰি যায়!' (৪৭) সিহঁতক সোধা- 'কোৱাচোন মোক, যদি অকস্মাৎ বা প্ৰকাশ্যভাৱে আল্লাহৰ শাস্তি আহি তোমালোকৰ ওপৰত পৰে, তেতিয়া অন্যায়কাৰী ব্যতীত আন কোনোবা ধ্বংস হ'বনে?' (৪৮) আমি ৰছুলসকলক কেৱল সুসংবাদ দিবলৈ আৰু সতৰ্কবাণী শুনাবলৈহে প্ৰেৰণ কৰিছো। সেয়ে যিসকলে বিশ্বাস স্থাপন কৰে

আৰু নিজকে সংশোধন কৰে, তেওঁলোকৰ বাবে ভয় আৰু দুশ্চিন্তাৰ কাৰণ নাই। (৪৯) যিবিলাকে আমাৰ বাণীসমূহ অস্বীকাৰ কৰে, সেই অবাধ্যতাৰ কাৰণে সিহঁতৰ ওপৰত শাস্তি আহিব। (৫০) কোৱা- 'মই তোমালোকক এই কথা কোৱা নাই যে, মোৰ ওচৰত আল্লাহৰ ধন-ভাণ্ডাৰ আছে। মই অদৃশ্যৰ বিষয়েও নাজানো আৰু মই এজন ফিৰিস্তা বুলিও তোমালোকক কোৱা নাই। মই কেৱল ঐশীবাণী অনুসৰণ কৰো যি মোৰ প্ৰতি প্ৰত্যাদেশ হয়।' কোৱা- 'অন্ধ আৰু দৃষ্টি সম্পন্ন লোক উভয়ে একেনে? তোমালোকে চিন্তা নকৰানে?'

(৫১) তুমি সিহঁতক সতর্ক কৰি দিয়া যিবিলাকে সিহঁতৰ প্ৰভুৰ ওচৰত সমবেত হ'ব লাগিব বুলি ভয় কৰে, যেতিয়া আল্লাহৰ বাহিৰে সিহঁতৰ আন কোনো সহায়কাৰী নহ'ব আৰু মধ্যস্থতাকাৰীও নাথাকিব। সম্ভৱতঃ সিহঁতে আল্লাহক ভয় কৰিব। (৫২) তুমি সিহঁতক আঁতৰাই নপঠিয়াবা যিসকলে সিহঁতৰ প্ৰভুৰ সন্তোষ লাভৰ উদ্দেশ্যে পুৱা-গধূলি তেওঁক প্ৰাৰ্থনা কৰে। সিহঁতৰ কামৰ জবাবদিহিৰ দায়িত্ব তোমাৰ নহয় আৰু তোমাৰ কামৰো জবাবদিহিৰ দায়িত্ব সিহঁতৰ নহয়। তথাপি যদি তুমি সিহঁতক আঁতৰাই পঠোৱা, তেনেহ'লে তুমিয়ো অন্যায়কাৰীবিলাকৰ দলভুক্ত হ'বা। (৫৩) এই দৰেই আমি সিহঁতৰ কিছুমানক আন কিছুমানৰ দ্বাৰা পৰীক্ষা কৰো যাতে সিহঁতে কয়- 'ইহঁতেই আমাৰ সেইবিলাক মানুহ নহয়নে, যিবিলাকক আল্লাহে অনুগ্ৰহ দান কৰিছে? আল্লাহে তেওঁৰ কৃতজ্ঞ বান্দাসকলৰ প্ৰতি সবাতোকৈ বেছি অৱগত নহয়নে?'

(৫৪) আমাৰ বাণীসমূহ বিশ্বাস কৰা মানুহবিলাক যেতিয়া তোমাৰ ওচৰলৈ আহে, সিহঁতক কোৱা- 'তোমালোকৰ ওপৰত শান্তি বৰ্ষিত হওঁক। তোমালোকৰ প্ৰভুৱে দয়া কৰাৰ নীতি তেওঁ নিজৰ ওপৰত নিজে বাধ্যতামূলক কৰি লৈছে। তোমালোকৰ কোনোৱে যদি অজ্ঞতাবশতঃ অপকৰ্ম কৰে আৰু পিছত তওবাহ (অনুতপ্ত হৈ ক্ষমা প্ৰাৰ্থনা) কৰে আৰু নিজকে সংশোধন কৰি

লয়, তেনেহ'লে আল্লাহ ক্ষমাশীল, পৰম দয়ালু।(৫৫) এই দৰে আমি আমাৰ বাণীসমূহ বিশদভাৰে বৰ্ণনা কৰো যাতে অপৰাধীবিলাকৰ পথ স্পষ্ট হৈ পৰে।

(৫৬) কোৱা- 'আল্লাহৰ ব্যতীত তোমালোকে আন যিবোৰক মাতা, সিবোৰৰ উপাসনা কৰিবলৈ নিষেধ কৰা হৈছে।' কোৱা- 'মই তোমালোকৰ কামনা-বাসনা অনুযায়ী নচলো। তেনে কৰিলে পথ ভ্ৰষ্ট হ'ম আৰু সৎপন্থী সকলৰ অন্তৰ্ভুক্ত হ'ব নোৱাৰিম।' (৫৭) কোৱা- 'মই মোৰ প্ৰভুৰ পৰা পোৱা জাজ্বল্যমান প্ৰমাণৰ ওপৰত প্ৰতিষ্ঠিত হৈ আছো, তথাপি তোমালোকে সেয়া অবিশ্বাস কৰিছা। তোমালোকে যি বস্তু ততালিকে পাব বিচৰা, সেয়া মোৰ আয়ত্বত নাই। ফয়চলা কৰা সকলো কৰ্তৃত্ব কেৱল আল্লাহৰ। তেওঁ সত্য বৰ্ণনা কৰে। তেঁৱেই সবাতোকৈ শ্ৰেষ্ঠ ফয়চলাকাৰী।' (৫৮) কোৱা- 'তোমালোকে যি বস্তুৰ বাবে খৰখেদা কৰিছা, সেয়া যদি মোৰ আয়ত্বত থাকিলহেঁতেন, তেনেহ'লে মোৰ আৰু তোমালোকৰ মাজত ইতিমধ্যে মীমাংসা হৈয়ে গ'লহেঁতেন। আল্লাহে অন্যায়কাৰীবিলাকক ভালদৰে জানে।' (৫৯) অদৃশ্যৰ চাবি-কাঠি আল্লাহৰ হাততেই। তেওঁৰ বাহিৰে সেয়া আন কোনোৱে নাজানে। জল আৰু স্থলত যি আছে, সেয়া সকলো তেওঁ জানে। তেওঁৰ অগোচৰে গছৰ পাত এটাও সৰিব নোৱাৰে। মাটিৰ অন্ধকাৰাচ্ছন্নত থকা অতি ক্ষুদ্রকণা কিংবা জীপাল আৰু শুকান যি আছে, সকলো সুস্পষ্ট পুথিত লিখা আছে।

(৬০) তেঁৱেই ৰাতি তোমালোকৰ প্ৰাণ হৰণ কৰে আৰু দিনত তোমালোকে যি কৰা, সেয়া সকলো তেওঁ জানে। তেওঁ তোমালোকক দিনত জাগ্ৰত কৰে যাতে নিৰ্দিষ্ট মিয়াদ পূৰ্ণ হয়। অৱশেষত তেওঁৰ ওচৰলৈকে তোমালোকৰ প্ৰত্যাৱৰ্তন আৰু তোমালোকে কি কৰি আছা, তেতিয়া সেয়া তেওঁ তোমালোকক অৱগত কৰাব।(৬১) তেওঁ তেওঁৰ বান্দাসকলৰ ওপৰত সাৰ্বভৌম কৰ্তৃত্বশীল। তেওঁ তোমালোকৰ কাৰণে তত্ত্বাৱধানকাৰী পঠায়

তোমালোকৰ কাৰোবাৰ মৃত্যুৰ ক্ষণ আহি নোপোৱালৈকে। (ক্ষণ আহি পালে) আমাৰ ফিৰিস্তাই তাৰ প্ৰাণ উলিয়াই লৈ যায় আৰু তেওঁলোকে অকণো ত্ৰুটি নকৰে। (৬২) তাৰ পিছত সিহঁতক সিহঁতৰ প্ৰকৃত প্ৰভুৰ ওচৰলৈকে উভতাই নিয়া হ'ব। ফয়চলা কৰাৰ সৰ্বতো কৰ্তৃত্ব তেওঁৰহে। হিচাব গ্ৰহণত তেওঁ অতি ক্ষীপ্ৰ।

(৬৩) কোৱা- 'স্থল আৰু সমুদ্ৰৰ ঘোৰ অন্ধকাৰত কোনে তোমালোকক বিপদৰ পৰা ৰক্ষা কৰে? তেতিয়া তোমালোকে কাতৰ কণ্ঠে বিনম্ৰতাৰে মৌনভাৱে আন্তৰিকতাৰে তেওঁক প্ৰাৰ্থনা কৰা।' আৰু কোৱা- 'এই বিপদৰ পৰা উদ্ধাৰ কৰিলে অৱশ্যই আমি তেওঁৰ চিৰকৃতজ্ঞ হৈ থাকিম।'

(৬৪) কোৱা- 'আল্লাহেই সেই বিপদৰ পৰা আৰু সকলো দুখ-কষ্টৰ পৰা উদ্ধাৰ কৰে; তথাপি তোমালোকে তেওঁৰ লগত আনক অংশী কৰা।' (৬৫) কোৱা- 'তেওঁ তোমালোকৰ ওপৰৰ পৰা বা ভৰিৰ তলৰ পৰা তোমালোকৰ প্ৰতি শাস্তি পঠাবলৈ নাইবা তোমালোকক বিভিন্ন দলত বিভক্ত কৰি এদলৰ দ্বাৰা আন এদলক হিংস্ৰতাৰ সোৱাদ লোৱাবলৈ সক্ষম।' চোৱা, কেনেদৰে আমি আমাৰ বাণীসমূহ নানাভাৱে বৰ্ণনা কৰিছো যাতে সিহঁতে বুজিব পাৰে। (৬৬) তোমাৰ জাতিৰ মানুহবিলাকে তাক অস্বীকাৰ কৰিছে, অথচ সেয়া প্ৰকৃত সত্য। কোৱা- 'মই তোমালোকৰ সংৰক্ষক (দাৰোগা) নহয়।' (৬৭) প্ৰতিটো সংবাদ প্ৰকাশৰ নিৰ্ধাৰিত সময় আছে আৰু অচিৰেই তোমালোকে সেয়া জানিব পাৰিবা।'

(৬৮) মানুহবিলাকে আমাৰ বাণীবোৰৰ দোষ খুচৰা দেখিলে তুমি তাৰ পৰা আঁতৰি যাবা যেতিয়ালৈকে সিহঁতে আন প্ৰসংগৰ আলোচনা নকৰে। যদি ছয়তানে তোমাক পাহৰাই দিয়ে, মনত পৰাৰ লগে লগে তুমি সেই অন্যায়কাৰীবিলাকৰ লগত নাথাকিবা।' (৬৯) অন্যায়কাৰীবিলাকৰ কোনো বিষয়ৰ দায়িত্ব সজ্জনসকলৰ ওপৰত আৰোপিত নহয়; অৱশ্যে উপদেশ দিয়া

তেওঁলোকৰ কৰ্তব্য যাতে সিহঁতে ভ্ৰান্ত নীতিৰ পৰা বিৰত থাকে। (৭০) সিহঁতৰ সংগ ত্যাগ কৰা, যিবিলাকে ধৰ্মক খেল-ধেমালিৰ বস্তু বুলি জ্ঞান কৰে আৰু যিবিলাক পাৰ্থিৰ জীৱনৰ দ্বাৰা প্ৰতাৰিত হৈছে। কুৰআনৰ মাধ্যমত সিহঁতক উপদেশ দি সতৰ্ক কৰি দিয়া যাতে কোনো ব্যক্তিয়ে নিজ ফলশ্ৰুতি হিচাবে এই অৱস্থাত ধৃত নহয় যে আল্লাহৰ ব্যতীত কোনো ৰক্ষণাবেক্ষণকাৰী বা মধ্যস্থতাকাৰী নাপাব। তাৰ যি আছে, সেয়া সকলোখিনি বিনিময় হিচাবে দিলেও সেয়া গ্ৰহণ কৰা নহ'ব। সিহঁত নিজ কৃতকৰ্মৰ বাবে বন্দী। সিহঁতে পাব পান কৰিবলৈ উতলা পানী আৰু ভুগিব লাগিব যন্ত্ৰণাদায়ক শাস্তি সত্য অস্বীকাৰ কৰাৰ পৰিণাম স্বৰূপে।

(৭১) কোৱা- 'আল্লাহৰ পৰিৱৰ্তে আমি সেইবোৰক মাতিমনে, যিবোৰে নে আমাৰ উপকাৰ কৰিব পাৰে, নে অপকাৰ কৰিব পাৰে? আমি কি সেইজনৰ দৰে পূৰ্বাৱস্থালৈ উভতি যাব পাৰোনে, যিহেতু আল্লাহে আমাক সৎ পথ দেখুৱাইছে, যিজনক ছয়তানে বিভ্ৰান্ত কৰিছে আৰু সি পৃথিৱীত দিশভ্ৰান্ত হৈ ঘূৰি ফুৰিছে? অথচ তাৰ সংগীসৱে তাক সৎ পথৰ পিনে মাতি আছে- 'এইফালে আহা।' কোৱা- 'আল্লাহে দেখুওৱা পথহে প্ৰকৃত পথ। তোমাক আদিষ্ট কৰা হৈছে- 'নিজকে বিশ্বজগতৰ প্ৰভুৰ ওচৰত আত্মসমৰ্পণ কৰা, (৭২) নামাজ প্ৰতিষ্ঠা কৰা আৰু আল্লাহক ভয় কৰা।' তেঁৱেই সেইজন, যাৰ ওচৰলৈ নি তোমালোক সকলোকে সমবেত কৰা হ'ব।' (৭৩) তেঁৱেই সেইজন, যিজনে সত্য সহকাৰে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে। যিদিনাই তেওঁ 'হ' বুলি ক'ব, সিদিনাই হ'ব। তেওঁৰ কথা ধ্ৰুৱ সত্য। সিদিনা সাৰ্বভৌম কৰ্তৃত্ব তেওঁৰেই হ'ব, যিদিনা শিঙাত ফু দিয়া হ'ব। দৃশ্য আৰু অদৃশ্য সকলো তেওঁৰ অৱগত। তেওঁ সৰ্বজ্ঞানী, সৰ্বাভিজ্ঞ। (৭৪) স্মৰণ কৰা, যেতিয়া ইব্ৰাহীমে তেওঁৰ পিতৃ আজৰক কৈছিল- 'আপুনি প্ৰতিমাবোৰক উপাস্য কৰি লৈছে নেকি? মই আপোনাক আৰু আপোনাৰ মানুহবিলাকক দেখ্‌দেখকৈ বিপথে

যোৱা দেখিছো।'

(৭৫) এই দৰেই আমি ইব্ৰাহীমক স্বৰ্গ-মৰ্ত্যৰ আমাৰ ৰাজত্ব ব্যৱস্থা দেখুৱাইছিলো যাতে তেওঁৰ দৃঢ় বিশ্বাস হয়। (৭৬) যেতিয়া নিশাৰ আন্ধাৰে তেওঁক আৱৰি ধৰিলে, তেওঁ এটা তৰা দেখিলে। তেওঁ ক'লে- 'এওঁ মোৰ প্ৰভু।' পিছত যেতিয়া ই অস্ত গ'ল, তেতিয়া তেওঁ ক'লে- 'অস্ত যোৱা বস্তুক মই ভাল নাপাও।' (৭৭) পিছত যেতিয়া চন্দ্ৰটো উদিত হ'ল আৰু উজ্বল হৈ উঠা দেখিলে, তেতিয়া তেওঁ ক'লে- 'এওঁহে মোৰ প্ৰভু'; কিন্তু যেতিয়া ইয়ো অস্ত গ'ল, তেতিয়া ক'লে- 'মোৰ প্ৰভুৱে যদি মোক পথ নেদেখুৱায়, তেনেহ'লে ময়ো পথভ্ৰষ্ট মানুহৰ অন্তৰ্ভুক্ত হ'ম।' (৭৮) পিছত যেতিয়া সূৰ্যটো জকমকাই উঠি অহা দেখিলে, ক'লে- 'এওঁহে মোৰ প্ৰভু। এওঁ সকলোতকৈ ডাঙৰ।' পিছত যেতিয়া ইয়ো অস্ত গ'ল, তেতিয়া তেওঁ ক'লে- 'হে মোৰ জাতিভাইসকল, সিবোৰৰ লগত মোৰ কোনো সম্পৰ্ক নাই, যিবোৰক তোমালোকে আল্লাহৰ পৰিৱৰ্তে উপাসনা কৰিছা। (৭৯) মই একাগ্ৰচিত্তে সেই মহান সত্তাৰ পিনে মুখ কৰিলো, যিজনে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে আৰু মই অংশীবাদীবিলাকৰ দলভুক্ত নহওঁ।' (৮০) তেওঁৰ সম্প্ৰদায়ৰ মানুহবিলাকে তেওঁৰ লগত তৰ্ক-বিতৰ্কত লিপ্ত হ'ল। তেওঁ ক'লে- 'তোমালোকে আল্লাহৰ বিষয়ে মোৰ লগত বিতৰ্ক কৰিছা? অথচ তেঁৱেই মোক সঠিক পথ দেখুৱাইছে। তোমালোকে তেওঁৰ লগত যাক অংশী কৰিছা, মই সিহঁতক ভয় নকৰোঁ। অৱশ্যে মোৰ প্ৰভুৱে কিবা কৰিব খুজিলে সেয়া অন্য কথা। মোৰ প্ৰভুৰ জ্ঞান সকলো বস্তুৰ ওপৰত পৰিব্যপ্ত হৈ আছে। তথাপি তোমালোকে চিন্তা-চৰ্চা নকৰানে? (৮১) তোমালোকে তেওঁৰ লগত যিবোৰক অংশী কৰিছা, সিবোৰক মই কিয় ভয় কৰিম? যিহেতু তোমালোকে সেইবোৰক আল্লাহৰ লগত অংশী কৰিবলৈ ভয় কৰা নাই, যিবোৰ সম্পৰ্কে তেওঁ কোনো চনদ পঠোৱা নাই। কোৱা মোক, যদি তোমালোকে প্ৰকৃত সত্যটো জানা,

কোন দল বেছি নিৰাপত্তা লাভৰ অধিকাৰী?'

(৮২) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু নিজ বিশ্বাসক অন্যায়ৰ লগত মিশ্রিত কৰা নাই, তেওঁলোকৰ বাবেই প্রকৃত নিৰাপত্তা আৰু তেওঁলোকেই সঠিক পথত আছে। (৮৩) এইবোৰ যুক্তি-প্রমাণেই আমি ইব্রাহীমক দিছিলো নিজ জাতিৰ লগত মোকাবিলা কৰিবৰ বাবে। আমি যাক ইচ্ছা কৰো, উচ্চ মর্যাদা দান কৰো। নিশ্চয় তোমাৰ প্রভু সর্বজ্ঞানী, সর্বজ্ঞ। (৮৪) আমি ইব্রাহীমক, ইছহাক আৰু ইয়াকুবক দান কৰিছিলো আৰু তেওঁলোক প্রত্যেককে আমি সুপথ দেখুৱাইছিলো, তেনেদৰে আমি পূর্বে নূহকো সুপথ দেখুৱাইছিলো। তেওঁৰেই বংশধৰ দাউদ, চুলাইমান, আইয়ুব, ইউছুফ, মূছা আৰু হাৰুণকো সুপথ দেখুৱাইছিলো। এনেদৰে আমি সৎ কর্মীসকলক পুৰস্কৃত কৰো।

(৮৫) জাকাৰিয়া, য়াহয়া, ঈছা আৰু ইলিয়াছ, এওঁলোক প্রত্যেকেই পুণ্যৱান আছিল। (৮৬) ইছমাইল, আল-য়াছা, ইউনুছ আৰু লূতকো (সুপথ দেখুৱাইছিলো) আৰু এওঁলোক প্রত্যেককে আমি আন মানুহৰ ওপৰত শ্রেষ্ঠত্ব দান কৰিছিলো। (৮৭) তেওঁলোকৰ পূর্ব-পুৰুষ, বংশধৰ আৰু ভাতৃবৃন্দৰ পৰা কিছুমানক আমি বাছি লৈছিলো আৰু তেওঁলোকক সঠিক সৎ পথত পৰিচালিত কৰিছিলো। (৮৮) এয়া আল্লাহৰ সুপথ। তেওঁৰ সেৱকসকলৰ যাক ইচ্ছা কৰে, তাক তেওঁ এই পথ প্রদর্শন কৰে। সিহঁতে যদি আল্লাহৰ লগত আনক অংশী কৰে, নিশ্চয় সিহঁতৰ সকলো কর্ম নিষ্ফল হ'ব। (৮৯) এওঁলোক সেইসকল লোক, যিসকলক আমি পুথি, কর্তৃত্ব আৰু নবুৱত দান কৰিছিলো। এতিয়া যদি তেওঁলোকে (মক্কাবাসীয়ে) এয়া অস্বীকাৰ কৰে, তেনেহ'লে আমি এনে মানুহক নিযুক্ত কৰিম, যিসকলে ইয়াক মানিবলৈ অস্বীকাৰ নকৰে। (৯০) তেওঁলোককে (পূর্বৱর্তী ৰছুলসকলক) আল্লাহে সুপথ প্রদর্শন কৰিছে। এতেকে তুমিও তেওঁলোকৰ পথকে অনুসৰণ কৰা আৰু

কোৱা- 'ইয়াৰ বাবে মই তোমালোকৰ পৰা কোনো প্ৰতিদান বিচৰা নাই। এয়া জগতবাসীৰ বাবে স্মাৰক মাথোন।' (৯১) সিহঁতে আল্লাহক যথাযথভাৱে মূল্যায়ন কৰিব পৰা নাই, সেয়ে সিহঁতে কয়- 'আল্লাহে কোনো মানুহৰ প্ৰতি কোনো কিছু অৱতীৰ্ণ কৰা নাই।' কোৱা- 'সেয়া কোনে অৱতীৰ্ণ কৰিছিল, যিখন পুথি মূছাই মানুহৰ বাবে এটা জ্যোতি আৰু পথ প্ৰদৰ্শক হিচাবে আনিছিল যাক তোমালোকে ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগত বিভক্ত কৰিলা? তাৰে কিছু অংশ প্ৰকাশ কৰা আৰু কিছু অংশ গোপন কৰা। তোমালোকক এনে কিছু শিকালে যিবোৰ তোমালোকে জনা নাছিলা আৰু তোমালোকৰ পূৰ্ব-পুৰুষসকলেও জনা নাছিল।' কোৱা- 'আল্লাহে অৱতীৰ্ণ কৰিছে।' ইয়াৰ পিছত সিহঁতৰ প্ৰসংগ বাদ দিয়া আৰু সিহঁত নিজ ধ্যান-ধাৰণাত মজি থাকক।

(৯২) এইখন কল্যাণময় পুথি, যিখন আমি অৱতীৰ্ণ কৰিছো। ই ইয়াৰ পূৰ্বৱৰ্তী পুথিসমূহৰ সমৰ্থক যাতে তুমি মাতৃনগৰ (মক্কাত) আৰু ইয়াৰ আশে-পাশে থকা মানুহবিলাকক সতৰ্ক কৰিব পাৰা। যিসকলে পৰকালক বিশ্বাস কৰে, তেওঁলোকে ইয়াক বিশ্বাস কৰে আৰু তেওঁলোকে নামাজ প্ৰতিষ্ঠাত সৰ্বদা নিষ্ঠাবান। (৯৩) সেইজনতকৈ অধিক অন্যায়কাৰী আন কোন হ'ব পাৰে, যিজনে আল্লাহ সম্পৰ্কে মিছা আৰোপ কৰে নাইবা কয়- 'মোৰ প্ৰতি আল্লাহৰ প্ৰত্যাদেশ হৈছে।' অথচ তাক কোনো প্ৰত্যাদেশ দিয়া হোৱা নাই আৰু যিজনে কয়- 'আল্লাহে যি অৱতীৰ্ণ কৰিছে, অনুৰূপ ময়ো অৱতীৰ্ণ কৰিম।' তুমি যদি অন্যায়কাৰীবিলাকক মৃত্যু যন্ত্ৰণাত চটফটাই থকা দেখিলাহেঁতেন আৰু ফিৰিস্তাসকলে হাত আগবঢ়াই দি কয়- 'দে, তহঁতৰ প্ৰাণ উলিয়াই দে। আজি তহঁতক লাঞ্ছনাদায়ক শাস্তি বিহা হ'ব; কিয়নো তোমালোকে আল্লাহৰ প্ৰতি মিছা অপবাদ দিছা আৰু বাণীসমূহৰ প্ৰতি উদ্ধত্য প্ৰকাশ কৰিছা।

(৯৪) আৰু এতিয়া তোমালোকে আমাৰ ওচৰলৈ অকলশৰে আহিছা,

যেনেদৰে প্ৰথমবাৰ আমি তোমালোকক সৃষ্টি কৰিছিলো। আমি তোমালোকক যি দিছিলো, সেয়া এৰি থৈ আহিছা আৰু তোমালোকৰ লগত সিহঁতকো দেখা নাই যিবিলাকক তোমালোকে মধ্যস্থতাকাৰী হিচাবে আল্লাহৰ অংশীদাৰ বুলি ভাবিছা। আজি তোমালোকৰ সম্পৰ্ক ছিন্ন হৈ গৈছে আৰু তোমালোকে দাবী কৰাবোৰো তোমালোকৰ পৰা উধাও হ'ল। (৯৫) আল্লাহে শস্যৰ বীজ আৰু ফলৰ গুটি অংকুৰিত কৰে। তেঁৱেই নিৰ্জীৱৰ পৰা সজীৱ উলিয়ায় আৰু সজীৱৰ পৰা নিৰ্জীৱ উলিয়ায়। তেঁৱেই আল্লাহ। তেনেস্থলত তোমালোকে সত্যৰ পৰা ভ্ৰান্ত হৈ কোন পিনে গতি কৰিছা?

(৯৬) তেঁৱেই ৰক্তীম প্ৰভাতৰ উন্মেষকাৰী। তেঁৱেই ৰাতিক বিশ্ৰামৰ বাবে আৰু সূর্য-চন্দ্ৰক সময় গণনাৰ বাবে সৃষ্টি কৰিছে। এইবোৰ মহা পৰাক্ৰমী আৰু সৰ্বজ্ঞৰ দ্বাৰা নির্ধাৰিত। (৯৭) এওঁৱেই সেইজনা, যিজনাই তোমালোকৰ বাবে নক্ষত্ৰবোৰ সৃষ্টি কৰিছে যাতে জল আৰু স্থলৰ গভীৰ অন্ধকাৰতো পথৰ দিশ পোৱা। জ্ঞান অন্বেষণকাৰীৰ বাবে আমি আমাৰ নিদর্শনসমূহক বিশদভাবে বর্ণনা কৰিছো। (৯৮) এওঁৱেই সেইজনা, যিজনাই তোমালোকক এটি প্ৰাণৰ পৰা সৃষ্টি কৰিছে। তাৰ পিছত প্ৰত্যেকৰে জীৱন কালৰ বাবে আছে অৱস্থানৰ স্থল আৰু (মৃত্যুৰ পিছত) আছে জিৰণিৰ ঠাই। জ্ঞানবুদ্ধিসম্পন্ন মানুহৰ বাবে আমি আমাৰ নিদর্শনসমূহ স্পষ্টভাৱে বর্ণনা কৰিছো।

(৯৯) এওঁৱেই সেইজনা, যিজনাই আকাশৰ পৰা পানী বৰষায়, তাৰে আমি নানা প্ৰকাৰ উদ্ভিদ উৎপন্ন কৰো আৰু উৎপন্ন কৰো সেউজীয়া খেতিপথাৰ, ওপৰা-ওপৰিকৈ লাগি থকা শস্যকণা আৰু খেজুৰ গছ, যি থোকাথোকে লাগি থাকে আৰু কোঁহৰ ভৰত উলমি পৰে। আংগুৰৰ বাগিচা, জলফাই আৰু ডালিম উৎপন্ন কৰে। এইবোৰ পৰস্পৰৰ সদৃশ; কিন্তু প্ৰত্যেকৰ বৈশিষ্ট্য ভিন ভিন। গছত ফল ফলা আৰু পকিবলৈ ধৰা অৱস্থাসমূহ লক্ষ্য কৰা। নিশ্চয় এইবোৰৰ মাজত বিশ্বাস স্থাপনকাৰীসকলৰ বাবে বহু নিদর্শন

আছে। (১০০) সিহঁতে জিনবোৰক আল্লাহৰ লগত অংশী কৰে। অথচ সিহঁতকো আল্লাহেই সৃষ্টি কৰিছে। সিহঁতে অজ্ঞতাবশতঃ সিহঁতক তেওঁৰ পুত্ৰ-পুত্ৰী বুলি গণ্য কৰে। সিহঁতে তেওঁৰ প্ৰতি যি আৰোপ কৰিছে, তাতকৈ তেওঁ বহু উৰ্ধত আৰু পৰিত্ৰ। (১০১) তেওঁ আকাশমণ্ডল আৰু পৃথিৱীৰ উদ্ভাৰক। তেওঁৰ সন্তান কেনেকৈ হ'ব পাৰে, যিহেতু তেওঁৰ কোনো স্ত্ৰী নাই। তেওঁ সকলো বস্তুকে সৃষ্টি কৰিছে আৰু প্ৰতিটো বস্তুকে তেওঁ ভালকৈ জানে। (১০২) তেঁৱেই আল্লাহ, তোমালোকৰ প্ৰভু। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেঁৱেই সকলো বস্তুৰ সৃষ্টিকৰ্তা। সেয়ে তোমালোকে তেওঁৰেই উপাসনা কৰা। তেওঁ সকলো বস্তুৰেই পৃষ্ঠপোষক। (১০৩) কোনো চকুৱে তেওঁক মনিব নোৱাৰে; কিন্তু সকলো চকু তেওঁৰ দৃষ্টিগোচৰ। তেওঁ অতি সূক্ষ্ম (ইন্দ্ৰিয়ৰ অগোচৰ), সৰ্বাভিজ্ঞ। (১০৪) তোমালোকৰ প্ৰভুৰ পৰা তোমালোকলৈ অন্তৰ্দৃষ্টিৰ আলোক আহিছে। গতিকে যেয়ে সেয়া প্ৰত্যক্ষ কৰিব, তেওঁৰ কল্যাণ হ'ব আৰু যেয়ে প্ৰত্যক্ষ নকৰে, তাৰ ক্ষতি হ'ব। কোৱা- 'মই তোমালোকৰ সংৰক্ষক নহয়।' (১০৫) এইদৰে আমি নানা ধৰণে আমাৰ বাণীসমূহ বৰ্ণনা কৰো, তথাপি সিহঁতে কয়- 'সেয়া তুমি শিকি লৈছা।' আমি অৱশ্যে জ্ঞান অন্বেষণকাৰীসকলৰ সন্মুখত (প্ৰকৃত সত্য) স্পষ্টভাৱে ব্যক্ত কৰো।

(১০৬) তুমি কেৱল সেয়াই অনুসৰণ কৰা, যি তোমাৰ প্ৰভুৰ পৰা তোমাৰ প্ৰতি অৱতীৰ্ণ কৰা হৈছে। তেওঁৰ বিনে আন কোনো উপাস্য নাই আৰু অংশীবাদীবিলাকৰ পৰা আঁতৰি আহা। (১০৭) আল্লাহে ইচ্ছা কৰাহেঁতেন, সিহঁতে আল্লাহৰ লগত আনক অংশী কৰি নল'লেহেঁতেন। তোমাক আমি সিহঁতৰ ৰখীয়া কৰা নাই আৰু তত্ত্বাৱধায়কো নহয়। (১০৮) আল্লাহ ব্যতীত সিহঁতে যিবোৰক আহ্ৱান কৰে, সিবোৰক নিন্দা নকৰিবা; কিয়নো অজ্ঞতাবশতঃ সিহঁতেও আল্লাহক নিন্দা কৰিব পাৰে!

এনেদৰে আমি প্ৰতিটো সম্প্ৰদায়ৰ দৃষ্টিত সিহঁতৰ নিজৰ কাৰ্যাৱলীক সিহঁতৰ বাবে শোভনীয় কৰি দিছো। শেষত সিহঁতৰ প্ৰভুৰ ওচৰলৈকে সিহঁতৰ প্ৰত্যাৱৰ্তন, তেতিয়া তেওঁ সিহঁতৰ কৰ্ম সম্পৰ্কে অৱগত কৰাব। (১০৯) সিহঁতে আল্লাহৰ নামত দৃঢ়ভাৱে শপত খাই কয় যে যদি সিহঁতৰ ওচৰলৈ কোনো নিদৰ্শন আহে, তেনেহ'লে সিহঁতে অৱশ্যই বিশ্বাস কৰিব। কোৱা- 'নিদৰ্শনৰ সকলো কৰ্তৃত্ব আল্লাহৰ আয়ত্বত।' এই কথা তোমালোকক কেনেকৈ বুজোৱা যায় যে, নিদৰ্শন আহিলেও সিহঁতে বিশ্বাস স্থাপন নকৰে?

(১১০) আমি সিহঁতৰ অন্তৰ আৰু দৃষ্টি অইনফালে ঘূৰাই দিম, যিহেতু সিহঁতে প্ৰথমতেই বিশ্বাস কৰা নাই, সিহঁতক অবাধ্যতাত উদভ্ৰান্ত হৈ থাকিবলৈ এৰি দিম। (১১১) আমি যদি সিহঁতলৈ ফিৰিস্তা পঠিয়ালোহেঁতেন, মৰা মানুহবিলাকেও সিহঁতৰ লগত কথা পাতিলেহেঁতেন, তথাপি সিহঁতে বিশ্বাস স্থাপন নকৰিলেহেঁতেন, যদি আল্লাহৰ মৰ্জি হয়, সেয়া অন্য কথা; কিন্তু সিহঁতৰ সৰহভাগেই অজ্ঞানীৰ দৰে কাম কৰে। (১১২) এনেদৰেই আমি ছয়তান মানুহ আৰু ছয়তান জিনক প্ৰত্যেক নবীৰ শত্ৰু কৰি দিছো। সিহঁতে প্ৰতাড়না কৰাৰ উদ্দেশ্যে পৰস্পৰে পৰস্পৰক ছলনাময় কথাৰে কু-মন্ত্ৰণা দিয়ে। সিহঁতে তেনে নকৰক বুলি তোমাৰ প্ৰভুৱে ইচ্ছা নকৰিলে, সিহঁতে তেনে নকৰিলেহেঁতেন। এতেকে মিছা ৰচনা কৰিবলৈ সিহঁতক এৰি দিয়া, (১১৩) এইবাবে যাতে পৰকালৰ প্ৰতি যিবিলাকৰ বিশ্বাস নাই, সিহঁতৰ অন্তৰ আকৃষ্ট হয়, সিহঁত তাতে সন্তুষ্ট থাকে আৰু যিবোৰ অপকৰ্ম কৰিছে, সেয়া কৰি যাব পাৰে। (১১৪) 'আল্লাহ ব্যতীত আন কাৰোবাক বিচাৰক হিচাবে মই অন্বেষণ কৰিমনে? অথচ এইজনা তেঁৱেই, যিজনাই পুথিখনি বিতংভাৱে তোমালোকৰ বাবে অৱতীৰ্ণ কৰিছে।' পূৰ্বে যিসকলক আমি পুথি দান কৰিছিলো, সিহঁতেও জানে যে, এই পুথিখন সত্য সহকাৰে অৱতীৰ্ণ কৰা হৈছে। সেয়েহে তুমি কদাপিও সন্দেহ পোষণকাৰীবিলাকৰ দলভুক্ত নহ'বা।

(১১৫) তোমাৰ প্ৰভুৰ বাণী সত্যতা আৰু ন্যায়ৰ ফালৰ পৰা সম্পূৰ্ণ নিখুঁত। কোনোৱে তেওঁৰ বাণী পৰিৱৰ্তন কৰিব নোৱাৰে। তেওঁ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ। (১১৬) তুমি যদি দুনিয়াৰ অধিকাংশ মানুহৰ কথামতে চলা, তেনেহ'লে সিহঁতে তোমাক আল্লাহৰ পথৰ পৰা বিচ্যুত কৰিব। সিহঁতে কেৱল ধ্যান-ধাৰণা অনুযায়ী চলে আৰু সিহঁত কেৱল ধাৰণাৰহে বশৱৰ্তী। (১১৭) তোমাৰ প্ৰভুৱে ভালকৈ জানে কোন তেওঁৰ পথৰ পৰা বিচ্যুত হৈছে আৰু কোন সুপথত আছে সেয়াও ভালকৈয়ে জানে। (১১৮) আল্লাহৰ নামত জবহ কৰা জন্তুৰ মাংস খোৱা, যদি তোমালোক তেওঁৰ বিধানসমূহৰ প্ৰতি বিশ্বাসী হোৱা।

(১১৯) তোমালোকে আল্লাহৰ নাম লৈ জবহ কৰা জন্তুৰ মাংস নোখোৱা কিয়? অথচ আল্লাহে তোমালোকৰ বাবে যিবোৰ অবৈধ কৰিছে তাৰ বিস্তাৰিত বিৱৰণ দিছে। অৱশ্যে নিৰূপায় হৈ তোমালোকে কিছু খাবলৈ বাধ্য হ'লে, সেয়া অন্য কথা। অনেকে অজ্ঞতাবশতঃ অনেকে নিজ ইচ্ছা-বাসনাৰ ভিত্তিত বিভ্ৰান্তিকৰ কথা-বতৰা কয়। সীমালংঘনকাৰীবিলাককক তোমালোকৰ প্ৰভুৱে খুব ভালকৈয়ে জানে। (১২০) তোমালোকে প্ৰকাশ্য আৰু গোপন পাপৰ পৰা বিৰত থাকা। যিবিলাকে পাপ কৰ্ম কৰে, সিহঁতে শীঘ্ৰে নিজ কৃতকৰ্মৰ প্ৰতিফল পাব। (১২১) তোমালোকে সেই প্ৰাণীৰ মাংস নাখাবা, যাৰ ওপৰত আল্লাহৰ নাম লোৱা হোৱা নাই। সেয়া খোৱা নিশ্চয় গুৰুতৰ অপৰাধ। ছয়তানে সিহঁতৰ অনুগামীবিলাকক উচটনি দিয়ে যাতে সিহঁতে তোমালোকৰ লগত বিতৰ্ক কৰে। তোমালোকে যদি সিহঁতৰ কথা মতে চলা, তেনেহ'লে তোমালোকো অংশীবাদীবিলাকৰ দলভুক্ত হ'বা। (১২২) যি ব্যক্তি মৃত আছিল, পিছত আমি তেওঁক জীৱিত কৰিলো আৰু এনে আলোক দান কৰিলো, যাৰ সহায়ত তেওঁ মানুহৰ মাজত চলা-ফিৰা কৰি আছে, তেওঁ কি সেই মানুহটোৰ দৰে হ'বনে, যি অন্ধকাৰত পতিত হৈ আছে আৰু তাৰ পৰা কোনো পথ্যে নোলায়। এনেদৰে অবিশ্বাসকাৰীবিলাকৰ বাবে সিহঁতৰ নিজ কৰ্মক

চিত্তাকর্ষক কৰি দিয়া হৈছে।

(১২৩) এনেদৰে আমি প্ৰত্যেক জনবসতিৰ দুৰ্জনবিলাকৰ বৰ বৰ নেতা নিযুক্ত কৰি দিছো যাতে সিহঁতে তাত চক্ৰান্তৰ বেহু ৰচনা কৰে; কিন্তু সিহঁতে যে সেই চক্ৰান্ত নিজৰ বিৰুদ্ধে ৰচে, সেয়া সিহঁতে গমেই নাপায়। (১২৪) সিহঁতৰ ওচৰলৈ যেতিয়া কোনো নিদৰ্শন আহে, তেতিয়া সিহঁতে কয়- 'আল্লাহৰ ৰছুলসকলক যি দিয়া হৈছে, সেয়া আমাকো নিদিয়ালৈকে আমি কেতিয়াও বিশ্বাস নকৰো।' আল্লাহে ভালকৈ জানে তেওঁ কাৰ ওপৰত ৰছুলৰ ভাৰ অৰ্পণ কৰে। দুৰাচাৰীবিলাকে নিজ চক্ৰান্তৰ শাস্তি স্বৰূপ আল্লাহৰ ওচৰত লঘু-লাঞ্ছনা আৰু কঠোৰ শাস্তি ভোগ কৰিব লাগিব। (১২৫) আল্লাহে যাক সুপথে পৰিচালিত কৰিব বিচাৰে, তেওঁৰ অন্তৰ ইছলামৰ বাবে প্ৰশস্ত কৰি দিয়ে আৰু যাক বিপথে পৰিচালিত কৰাৰ ইচ্ছা কৰে, তাৰ অন্তৰ সংকুচিত কৰি দিয়ে যেন সি আকাশলৈহে উঠিব ধৰিছে। এইদৰে আল্লাহে অবিশ্বাসকাৰী বিলাকৰ ওপৰত অপৱিত্ৰতা জাপি দিয়ে।

(১২৬) এয়াই হ'ল তোমাৰ প্ৰভুৰ সঠিক পথ। চিন্তাশীল ব্যক্তিসকলৰ বাবে আমি আমাৰ নিদৰ্শনসমূহ বিস্তাৰিতভাৱে বৰ্ণনা কৰিছো। (১২৭) তেওঁলোকৰ বাবে তেওঁলোকৰ প্ৰভুৰ ওচৰত আছে শান্তিৰ আলয়। তেওঁলোকে সঠিক কৰ্ম পদ্ধতি অৱলম্বন কৰা বাবে তেঁৱেই তেওঁলোকৰ পৃষ্ঠপোষক। (১২৮) সিদিনা যেতিয়া তেওঁ সিহঁত সকলোকে সমবেত কৰিব, তেওঁ ক'ব- 'হে জিন সম্প্ৰদায়! মানৱ জাতিৰ বহু মানুহক তোমালোকে ভ্ৰষ্ট কৰিলা।' তেতিয়া সিহঁতৰ মানৱ বন্ধুবোৰে ক'ব- 'হে আমাৰ প্ৰভু, আমি পৰস্পৰে পৰস্পৰৰ দ্বাৰা উপকৃত হৈছিলো আৰু এতিয়া তুমি আমাৰ বাবে নিৰ্ধাৰিত কৰি থোৱা সময়ত উপনীত হৈছোহি।' আল্লাহে ক'ব- 'জাহান্নামেই তোমালোকৰ বাসস্থল। তাত তোমালোক চিৰকাল থাকিব লাগিব।' আল্লাহে কিবা কৰিব বিচাৰিলে অন্য কথা। নিশ্চয় তোমালোকৰ প্ৰভু সৰ্বজ্ঞানী, সৰ্বজ্ঞ।

(১২৯) এনেদৰে আমি অন্যায়কাৰীবিলাকৰ কৃতকৰ্মৰ কাৰণে এদলক আন দলৰ লগত লগ লগাই দিও। (১৩০) 'হে জ্বিন আৰু মানৱ জাতি, তোমালোকৰ ওচৰলৈ তোমালোকৰ মাজৰ পৰাই ৰছুলসকল অহা নাছিলনে, যিসকলে মোৰ বাণীসমূহ তোমালোকক বিৱৰি শুনাইছিল আৰু এই দিনটোৰ সাক্ষাৎ সম্পৰ্কে সতৰ্ক কৰি দিছিল?' সিহঁতে ক'ব- 'আমি নিজৰ বিপক্ষেই সাক্ষ্য দিছো।' সিহঁতক এই পাৰ্থিৱ জীৱনে প্ৰতাৰিত কৰিছে, সেয়ে সিহঁতে নিজৰেই বিৰুদ্ধে সাক্ষ্য দিব যে সিহঁত অবিশ্বাসকাৰী আছিল। (১৩১) সত্য অৱগত নকৰোৱাকৈ কোনো জনবসতিক সিহঁতৰ অন্যায়ৰ বাবে আল্লাহে ধ্বংস নকৰে। (১৩২) প্ৰত্যেক ব্যক্তিৰ মৰ্যাদা তাৰ কৰ্ম অনুপাতে হয়। তোমাৰ প্ৰভু সিহঁতৰ কাম-কাজ সম্পৰ্কে বেখবৰ নহয়।

(১৩৩) তোমালোকৰ প্ৰভু স্বয়ং সম্পূৰ্ণ, কৰুণাময়। তেওঁ ইচ্ছা কৰিলে তোমালোকক অপসাৰিত কৰি আন যাক ইচ্ছা তাকে তোমালোকৰ স্থলাভিষিক্ত কৰিব পাৰে, যেনেদৰে তোমালোকক আন কিছুমান মানুহৰ বংশধৰৰ পৰা উদ্ভৱ কৰিছে। (১৩৪) তোমালোকক যি প্ৰতিশ্ৰুতি দিয়া হৈছিল, সেয়া নিশ্চয় বাস্তৱত পৰিণত হ'বই আৰু সেয়া তোমালোকে ব্যৰ্থ কৰিব নোৱাৰা। (১৩৫) কোৱা- 'হে মোৰ সম্প্ৰদায়, তোমালোকে তোমালোকৰ নিজ স্থানত কৰ্ম কৰি থাকা আৰু ময়ো মোৰ ভাগে কাম কৰি আছো। অচিৰেই তোমালোকে জানিবলৈ পাবা কাৰ শেষ পৰিণাম ভাল হয়! নিশ্চয় অন্যায়কাৰীবিলাকৰ কল্যাণ নহয়।' (১৩৬) আল্লাহে যি শস্য আৰু জন্তু সৃষ্টি কৰিছে, তাৰে এটা অংশ সিহঁতে আল্লাহৰ বাবে নিৰ্ধাৰিত কৰে আৰু নিজৰ ধাৰণা অনুযায়ী কয়- 'এয়া আল্লাহৰ বাবে আৰু এয়া আল্লাহৰ অংশীদাৰসকলৰ বাবে।' কিন্তু অংশীদাৰসকলৰ অংশ আল্লাহৰ ওচৰলৈ নাপায়গৈ, অথচ আল্লাহৰ নিৰ্ধাৰিত অংশ অংশীদাৰসকলৰ ওচৰ পায়গৈ। কিমান জঘন্য সিহঁতৰ বিচাৰ!

(১৩৭) এনেদৰে সিহঁতৰ অংশী প্ৰভুবিলাকে অংশীবাদীবিলাকৰ মানত সিহঁতৰ নিজ সন্তানক হত্যা কৰাটো শোভনীয় কৰি দিছে যাতে সিহঁতক ধ্বংস কৰিব পাৰে আৰু সিহঁতৰ ধৰ্ম বিশ্বাসত বিভ্ৰান্তি সৃষ্টি কৰিব পাৰে। আল্লাহে ইচ্ছা কৰাহেঁতেন, সিহঁতে তেনে কাম নকৰিলেহেঁতেন। এতেকে সিহঁতক এৰি দিয়া, সিহঁতে যি মিছা ৰচনা কৰিছে, তাতে মগ্ন থাকক। (১৩৮) সিহঁতে কয়- 'এই ঘৰচীয়া জন্তু আৰু এই খেতিপথাৰ নিষিদ্ধ। আমি যাক ইচ্ছা কৰো সিহঁতৰ ব্যতীত আনে ইয়াক খাব নোৱাৰে।' সিহঁতে দাবী কৰে, কিছুমান জীৱ-জন্তুৰ ওপৰত আৰোহণ কৰা নিষিদ্ধ আৰু কিছুমানৰ ওপৰত আল্লাহৰ নাম নলয়। এইদৰে সিহঁতে আল্লাহৰ নামত মিছা ৰচনা কৰি লৈছে। এনে মিছা ৰচনা কৰাৰ প্ৰতিফল আল্লাহে সিহঁতক দিব।

(১৩৯) সিহঁতে কয়- 'এই জন্তুবোৰৰ গৰ্ভত যি আছে, সেয়া বিশেষভাৱে আমাৰ পুৰুষসকলৰ বাবেহে আৰু আমাৰ তিৰোতাসকলৰ বাবে নিষিদ্ধ। কিন্তু যদি মৰা পোৱালি জগে, তেনেহ'লে সকলোৱে তাৰ ভাগ পাব। মিছা অপবাদ ৰচাৰ বাবে অচিৰেই সিহঁতক শাস্তি দিব। নিশ্চয় আল্লাহ সৰ্বজ্ঞানী, সৰ্বজ্ঞ। (১৪০) যিবিলাকে অজ্ঞতাবশতঃ নিবোৰ্ধৰ দৰে নিজ সন্তানবোৰক হত্যা কৰিছে আৰু আল্লাহৰ প্ৰতি ভ্ৰান্ত ধাৰণা পোষণ কৰি আল্লাহ প্ৰদত্ত জীৱিকাক অবৈধ কৰি লৈছে, অৱশ্যই সিহঁত ক্ষতিগ্ৰস্ত হ'ল। সিহঁত পথভ্ৰষ্ট হ'ল আৰু সিহঁত সৎ পথত নাছিল। (১৪১) তেঁৱেই আল্লাহ, যিজনে বাগিচা সৃষ্টি কৰিছে, তাৰে কিছুমান হেংডালিত বগায় আৰু কিছুমান নবগায়। খেজুৰ গছ, খেতি-পথাৰ, বিভিন্ন সোৱাদৰ শস্য, জলফাই আৰু ডালিম সৃষ্টি কৰিছে। কিছুমান ফলৰ আকৃতি দেখাত একেই, কিছুমান একে নহয়। সেইবোৰ ফল ধৰিলে তোমালোকে খাবা আৰু ফচল চপোৱাৰ দিনা আল্লাহৰ হক আদায় কৰিবা। অপচয় নকৰিবা। নিশ্চয় আল্লাহে অপচয়কাৰীক ভাল নাপায়।

(১৪২) ঘৰচীয়া জন্তুৰ কিছুমানক ভাৰ বহন কৰিবলৈ আৰু কিছুমানৰ

মাংস খাবলৈ সৃষ্টি কৰিছে। আল্লাহে তোমালোকক যি জীৱিকা দান কৰিছে, সেয়া খোৱা আৰু ছয়তানৰ পদাংক অনুসৰণ নকৰিবা; কিয়নো সি তোমালোকৰ প্রকাশ্য শত্রু। (১৪৩) আল্লাহে আঠ প্রকাৰ মতা-মাইকী জন্তু সৃষ্টি কৰিছে। ভেৰাৰ দুটাকৈ আৰু ছাগলীৰ দুটাকৈ। সিহঁতক সোধা- 'আল্লাহে মতা দুটাক নিষিদ্ধ কৰিছে, নে মাইকী দুজনীক? নাইবা মাইকী দুজনীৰ গর্ভত যি আছে, তাকে নিষিদ্ধ কৰিছে? যদি তোমালোক সত্যবাদী হোৱা, তেনেহ'লে নির্ভুল সঠিক জ্ঞানৰ ভিত্তিত মোক কোৱা।'

(১৪৪) তেনেদৰে উটৰ পৰা দুটাকৈ আৰু গৰুৰ পৰা দুটাকৈ। সিহঁতক সোধা- 'এইবোৰৰ মতা দুটাক নিষিদ্ধ কৰিছে, নে মাইকী দুজনীক? নাইবা মাইকীজনীৰ গর্ভত যি আছে তাকে নিষিদ্ধ কৰিছে? এইবোৰ আদেশ দিয়াৰ সময়ত তোমালোক তাত উপস্থিত আছিলানে?' তাতকৈ বেছি অন্যায়কাৰী কোন হ'ব পাৰে, যি নজনা-নুবুজাকৈ আন মানুহক বিভ্রান্ত কৰিবৰ বাবে আল্লাহৰ প্রতি মিছা ৰচনা কৰে? আল্লাহে অন্যায়কাৰীবিলাকক কদাপিও সুপথ নেদেখুৱায়। (১৪৫) (হে নবী) কোৱা- 'মোলৈ যি প্রত্যাদেশ আহিছে, খাবৰ বাবে তাত কোনো নিষিদ্ধ বস্তু পোৱা নাই; অৱশ্যে মৰা শ, বৈ যোৱা তেজ, গাহৰিৰ মাংস এইবোৰ অপৱিত্র আৰু আল্লাহৰ নামৰ বাহিৰে আনৰ নামত উৎসর্গ কৰা। কোনোৱে যদি একান্ত বাধ্যত পৰি খায়, অবাধ্য মানসেৰে নহয় বা সীমা লংঘন নকৰে, তেনেহ'লে তোমাৰ প্রভু অতি ক্ষমাশীল, দয়াবান। (১৪৬) আমি ইহুদীবিলাকৰ বাবে নখ থকা সকলো প্রাণী নিষিদ্ধ কৰিছিলো আৰু গৰু-ছাগলীৰ চর্বিও নিষিদ্ধ কৰিছিলো; কিন্তু পিঠিত, নাড়ী-ভুৰু বা হাড়ত লাগি থকা চর্বি নিষিদ্ধ কৰা নাছিলো। সিহঁতৰ অবাধ্যতাৰ কাৰণে সিহঁতক আমি এই শাস্তি বিহিছিলো। এয়া আমি সত্য কথা কৈছো।

(১৪৭) তুমি মিছা কৈছা বুলি সিহঁতে তোমাক দোষাৰূপ কৰে, কোৱা- 'তোমালোকৰ প্রভু অসীম কৰুণাৰ গৰাকী আৰু অপৰাধীবিলাকক দিয়া তেওঁৰ

শাস্তি প্রতিৰোধ কৰা সম্ভৱ নহয়। (১৪৮) যিবিলাকে আল্লাহৰ লগত আনক অংশী কৰিছে, সিহঁতে ক'ব- 'আল্লাহে ইচ্ছা কৰাহেঁতেন, আমি তেওঁক আনৰ অংশী নকৰিলোহেঁতেন, আমাৰ পিতৃ-পুৰুষসকলেও নকৰিলেহেঁতেন আৰু কোনো বস্তুকে অবৈধ কৰি নল'লোহেঁতেন।' সিহঁতৰ পূর্বৰ মানুহবিলাকেও আমাৰ শাস্তি ভোগ নকৰালৈকে এনে অসত্যাৰূপ কৰি আছিল। কোৱা- 'তোমালোকৰ কোনো জ্ঞান আছেনে? যদি আছে আমাৰ আগত উপস্থাপন কৰা। তোমালোকে কেৱল ধ্যান-ধাৰণাহে অনুসৰণ কৰা আৰু মনেগঢ়া কথা কোৱা।'

(১৪৯) কোৱা- 'অকাট্য যুক্তি প্রমাণ আল্লাহৰ ওচৰতহে আছে। তেওঁ ইচ্ছা কৰাহেঁতেন, তোমালোক সকলোকে সুপথ দেখুৱালেহেঁতেন।'(১৫০) কোৱা- 'আহা, আনা তোমালোকৰ সাক্ষীবোৰক, আল্লাহে এইবোৰ নিষিদ্ধ কৰিছে বুলি সাক্ষী দিয়কহি।' সিহঁতে মিছা সাক্ষী দিলেও তুমি সিহঁতৰ লগত সাক্ষ্য নিদিবা। তুমি সিহঁতৰ ইচ্ছানুসৰি নচলিবা, যিবিলাকে আমাৰ নিদর্শন সমূহক মিছা বুলি কৈছে, পৰকালক অবিশ্বাস কৰিছে আৰু আনক সিহঁতৰ নিজ প্রভুৰ সমতুল্য কৰি লৈছে। (১৫১) কোৱা- 'আহা, মই তোমালোকক শুনাও কি কি বস্তু তোমালোকৰ প্রভুৱে তোমালোকৰ বাবে নিষিদ্ধ কৰিছে। সেয়া হ'ল- আল্লাহৰ লগত আন কাকো অংশী নকৰিবা, পিতৃ-মাতৃৰ লগত সদ্ব্যৱহাৰ কৰিবা, দাৰিদ্রতাৰ ভয়ত তোমালোকৰ নিজ সন্তানবোৰক হত্যা নকৰিবা। আমি তোমালোকক জীৱিকা দিছো, সিহঁতকো দিম। প্রকাশ্যে হওক বা গোপনেই হওক, অশ্লীলতাৰ কাষলৈকে নাযাবা আৰু ন্যায়সংগত কাৰণ ব্যতিৰেকে আল্লাহে হত্যা কৰিবলৈ নিষেধ কৰা কোনো প্রাণকে হত্যা নকৰিবা। আল্লাহে তোমালোকক এই নির্দেশ দিছে যাতে তোমালোকে জ্ঞান লাভ কৰিব পাৰা।

(১৫২) উৎকৃষ্টভাৱে মংগল সাধন কৰাৰ উদ্দেশ্য ব্যতীত মাউৰাৰ ধন-সম্পত্তিৰ ওচৰ নাচাপিবা যেতিয়ালৈকে সিহঁত বয়ঃপ্রাপ্ত নহয়। জোখ-

মাপ কৰোতে পূৰাপূৰি ন্যায়পূৰ্ণভাৰে কৰিবা। আমি কাকো তাৰ সাধ্যাতীত বোজা জাপি নিদিও। যেতিয়া কথা কোৱা ন্যায় কথা ক'বা, সেয়া আত্মীয়-স্বজন সম্বন্ধেই নিহওক কিয়। আল্লাহৰ লগত কৰা অংগীকাৰ পূৰ্ণ কৰিবা। আল্লাহে তোমালোকক এইবোৰ নিৰ্দেশ দিছে যাতে তোমালোকে হৃদয়ংগম কৰা।

(১৫৩) (আল্লাহে আদেশ দিছে)- 'এইটো মোৰ সৰল পথ, সেয়ে এই পথত চলিবা। আন পথ নল'বা, কিয়নো আন পথে তোমালোকক সৰল পথৰ পৰা বিচ্যুত কৰিব।' আল্লাহে তোমালোকক এই নির্দেশ দিছে যাতে তোমালোকে বাচিব পাৰা। (১৫৪) (আমি মূছাক পুথি দান কৰিছিলো সৎকৰ্মশীল মানুহৰ ওপৰত আমাৰ অনুগ্রহ পূৰ্ণ কৰাৰ বাবে।) ইয়াত সকলো বিষয় খৰচি মাৰি আলোচনা কৰা হৈছে। এয়া পথ নির্দেশনা আৰু দয়া যাতে সিহঁতে সিহঁতৰ প্রভুৰ লগত সাক্ষাৎ হোৱাৰ প্রতি বিশ্বাস স্থাপন কৰে।

(১৫৫) এইখন এখন পুথি, আমি অৱতীর্ণ কৰিছো। ই কল্যাণকৰ পুথি। এইখন মানি চলা আৰু আল্লাহক ভয় কৰা যাতে তোমালোক অনুগ্রহপ্রাপ্ত হোৱা। (১৫৬) এতিয়া তোমালোকে এই কথা ক'ব নোৱাৰা যে, আমাৰ পূৰ্বে দুদল মানৰ গোষ্ঠীক পুথি দিয়া হৈছিল আৰু তেওঁলোকে অধ্যয়ন কৰিছিল, সেই বিষয়ে আমি অজ্ঞ আছিলো। (১৫৭) হয়তো ক'ব- 'এই পুথি আমাৰ প্রতি অৱতীর্ণ হোৱাহেঁতেন, সিহঁততকৈ আমি অধিক সুপথগামী হ'লোহেঁতেন।' এতিয়া দেখোন তোমালোকৰ প্রভুৰ পৰা স্পষ্ট চনদ, সুপথ আৰু অনুগ্রহ আহি পাইছেহি। তেওঁতকৈ অধিক অবিচাৰী কোন হ'ব পাৰে, যিয়ে আল্লাহৰ আয়াতসমূহ মিছা বুলি কয় আৰু তাৰ পৰা মুখ ঘূৰায়? যিবিলাকে আমাৰ নিদর্শনৰ পৰা মুখ ঘূৰায়, মুখ ঘূৰোৱাৰ ফলস্বৰূপে সিহঁতক ভয়ানক শাস্তি দিম। (১৫৮) এই মানুহবিলাকে ইয়াৰে অপেক্ষা কৰি আছে নেকি যে সিহঁতৰ ওচৰলৈ ফিৰিস্তা আহিব অথবা স্বয়ং তোমাৰ প্রভুৰেই আহিব নাইবা তোমাৰ প্রভুৰ কিছুমান নিদর্শন আহিব? তেতিয়া বিশ্বাস স্থাপন

কৰিলে কোনো কামত নাহিব, যিহেতু পূৰ্বৰে পৰা বিশ্বাস স্থাপন কৰা নাই আৰু বিশ্বাস অনুসৰি পুণ্য আহৰণ কৰা নাই। সিহঁতক কোৱা- 'তোমালোকে অপেক্ষা কৰা, আমিও অপেক্ষা কৰি আছো।' (১৫৯) যিবিলাকে নিজ ধৰ্মক লৈ নানা মত সৃষ্টি কৰিছে আৰু বিভিন্ন দলত বিভক্ত হৈছে, সিহঁতৰ লগত তোমাৰ কোনো সম্পৰ্ক নাই। সিহঁতৰ কথা আল্লাহৰ হাতত। সিহঁতে কি কৰিছিল, তেঁৱেই সিহঁতক জনাব।

(১৬০) যিজনে সৎকৰ্ম কৰে, তেওঁ তাৰ দহগুণ পুৰস্কাৰ পাব। যিয়ে অপকৰ্ম কৰে, তাক ঠিক সেই অনুপাতে প্ৰতিফল দিয়া হ'ব আৰু সিহঁতৰ প্ৰতি কোনো অবিচাৰ কৰা নহ'ব। (১৬১) কোৱা- 'মোৰ প্ৰভুৱে মোক সঠিক নিৰ্ভুল পথত পৰিচালিত কৰিছে। এয়া ইব্ৰাহীমে অৱলম্বন কৰা সঠিক ধৰ্মনীতি এয়া তেওঁ ঐকান্তিকতাৰে গ্ৰহণ কৰিছিল আৰু তেওঁ অংশীবাদী নাছিল।

(১৬২) কোৱা- 'মোৰ নামাজ, মোৰ কুৰবানী আৰু মোৰ জীৱন-মৰণ আল্লাহৰ বাবেই, যিজন বিশ্বজগতৰ প্ৰভু; (১৬৩) তেওঁৰ কোনো অংশী নাই। এয়া মোৰ প্ৰতি আদিষ্ট হৈছে আৰু আনুগত্যৰে শিৰ নত কৰা সকলৰ ভিতৰত মইেই প্ৰথম।' (১৬৪) কোৱা- 'আল্লাহৰ পৰিৱৰ্তে মই আন প্ৰভুৰ অন্বেষণ কৰিমনে? অথচ তেঁৱেই সকলো বস্তুৰ নিৰংকুশ প্ৰভু। যেয়ে যি অৰ্জন কৰে তাৰ বোজা সিয়ে বহন কৰিব। কোনেও কাৰো দায়িত্বৰ বোজা বহন নকৰে।' শেষত তোমালোকৰ প্ৰভুৰ ওচৰলৈকে তোমালোকৰ প্ৰত্যাৱৰ্তন। তেতিয়া তেওঁ তোমালোকক জনাই দিব কি বিষয়ে তোমালোকে মতভেদ কৰিছিলা। (১৬৫) তেঁৱেই তোমালোকক পৃথিৱীত এজনক আনজনৰ উত্তৰাধিকাৰী কৰিছে আৰু তোমালোকৰ এজনৰ তুলনাত আনজনক উচ্চ মৰ্যাদা দান কৰিছে যাতে তোমালোকক যি দিছে তাৰ বাবে পৰীক্ষা কৰিব পাৰে। তোমালোকৰ প্ৰভু শাস্তি দানত অতি ক্ষিপ্ৰ। তেওঁ অতি ক্ষমাশীল, দয়াময়ো।

আল-আৰাফ (উচ্চ স্থান)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলিফ-লাম-মীম-চাদ।

(২) এই পুথিখনি তোমাৰ প্ৰতি অৱতীৰ্ণ কৰা হৈছে, গতিকে ইয়াৰ বাবে তোমাৰ মনত যেন কোনো সংকীৰ্ণতা নাথাকে আৰু যাতে ইয়াৰ দ্বাৰা তুমি মানুহক সতৰ্ক কৰিব পাৰা আৰু বিশ্বাস স্থাপনকাৰীসকলৰ বাবে এটি স্মাৰক। (৩) তোমালোকৰ প্ৰভুৰে তোমালোকলৈ যি অৱতীৰ্ণ কৰিছে, সেয়া মানি চলা। তেওঁক বাদ দি আন পৃষ্ঠপোষকক অনুসৰণ নকৰিবা। তোমালোকে খুব কমহে উপদেশ মানি চলা। (৪) কিমান জনবসতি আমি ধ্বংস কৰিলো! আমাৰ শাস্তি হঠাৎ সিহঁতৰ ওপৰত পৰিছিল কেতিয়াবা ৰাতি বা কেতিয়াবা দুপৰীয়া বিশ্ৰাম লওঁতে। (৫) যেতিয়া আমাৰ শাস্তি আহি সিহঁতৰ ওপৰত পৰিল, তেতিয়া সিহঁতে কেৱল মাথোন চিঞৰী কৈছিল- 'সঁচাকৈয়ে আমি অন্যায়কাৰী আছিলো।' (৬) যিসকলৰ ওচৰলৈ আমি ৰছুল প্ৰেৰণ কৰিছিলো, অৱশ্যই আমি তেওঁলোকক সুধিম আৰু অৱশ্যই ৰছুলসকলকো সুধিম। (৭) পিছত আমি জ্ঞানসহকাৰে সিহঁতৰ সন্মুখত সকলো কথা বিৱৰি কম। আমিতো সিহঁতৰ পৰা আঁতৰত নাছিলো। (৮) সিদিনা সত্যই হ'ব ওজনৰ মাপকাঠি। গতিকে যিসকলৰ তৰ্জু গধুৰ হ'ব, তেওঁলোকেই সফলতা লাভ কৰিব। (৯) যিবিলাকৰ তৰ্জু পাতল হ'ব, সিহঁতে নিজেই নিজৰ ক্ষতি সাধিব। কিয়নো সিহঁতে আমাৰ নিদৰ্শনবোৰ অন্যায়ভাৱে অস্বীকাৰ কৰিছিল।

(১০) আমি তোমালোকক পৃথিৱীত প্ৰতিষ্ঠিত কৰিছিলো আৰু তাত তোমালোকক জীৱন নিৰ্বাহৰ সামগ্ৰীৰ ব্যৱস্থা কৰি দিছিলো; কিন্তু তোমালোকে খুব কমহে কৃতজ্ঞতা স্বীকাৰ কৰা। (১১) আমি তোমালোকক সৃষ্টি কৰিছিলো আৰু তোমালোকৰ আকৃতি গঠন কৰি ফিৰিস্তাসকলক কৈছিলো- 'আদমক

প্ৰণিপাত কৰা।' সিহঁত সকলোৱে প্ৰণিপাত কৰিলে; কিন্তু ইবলিছে নকৰিলে আৰু সি প্ৰণিপাতকাৰীসকলৰ দলভুক্ত নহ'ল। (১২) আল্লাহে সুধিলে- 'তোমাক কিহে প্ৰণিপাত কৰিবলৈ বাধা দিলে, যিহেতু মই তোমাক আদেশ দিছিলো?' সি উত্তৰ দিলে- 'মই তেওঁতকৈ শ্ৰেষ্ঠ। তুমি মোক জুইৰে সৃষ্টি কৰিছা আৰু তেওঁক মাটিৰে।' (১৩) আল্লাহে ক'লে- 'তুমি ইয়াৰ পৰা নামি যোৱা। এয়া তোমাৰ অহংকাৰ কৰাৰ ঠাই নহয়। ওলাই যোৱা, তুমি লাঞ্ছিতবোৰৰ দলভুক্ত।' (১৪) ছয়তানে ক'লে- 'পুনৰুত্থানৰ দিনলৈকে মোক অৱকাশ দিয়া।' (১৫) আল্লাহে ক'লে- 'তোমাক অৱকাশ দিয়া হ'ল।' (১৬) ছয়তানে ক'লে- 'যিহেতু তুমি মোক বিপথগামী কৰিলা, ময়ো সিহঁতৰ বাবে সত্য সৰল পথত খাপ দি ৰৈ থাকিম। (১৭) পিছত মই সিহঁতৰ ওচৰলৈ নিশ্চয় আহিম আগ-পিছ, সোঁ-বাওঁ কেউফালৰ পৰা আৰু সিহঁতৰ সৰহভাগকে কৃতজ্ঞৰূপে নাপাবা।' (১৮) আল্লাহে ক'লে- 'ওলাই যোৱা ইয়াৰ পৰা অপমানিত আৰু লাঞ্ছিত হৈ। সিহঁতৰ যিবিলাকে তোৰ আনুগত্য কৰিব, তোৰ লগতে সিহঁতৰ দ্বাৰা আমি নৰক পূৰ কৰিম।'

(১৯) আদমক তেওঁ ক'লে- 'তোমাৰ পত্নীৰসৈতে তুমি জান্নাতত বাস কৰা। য'ৰ পৰা যি মন যায় তাকে খোৱা; কিন্তু এই গছজোপাৰ ওচৰলৈ নাযাবা, অন্যথা অন্যায়কাৰীবিলাকৰ দলভুক্ত হ'বা।' (২০) তাৰ পিছত ছয়তানে তেওঁলোকক কুমন্ত্ৰণা দিবলৈ ধৰিলে যাতে আবৃত লজ্জাস্থান সিহঁতৰ সন্মুখত উন্মুক্ত হৈ পৰে। সি ক'লে- 'তোমালোকৰ প্ৰভুৱে তোমালোকক এই গছজোপাৰ সমীপলৈ যাবলৈ বাৰণ কৰাৰ কেৱল কাৰণ হ'ল যাতে তোমালোক ফিৰিস্তা হৈ নোযোৱা বা অমৰ নোহোৱা।' (২১) সি শপত খাই তেওঁলোকক কৈছিল- 'মই তোমালোকৰ প্ৰকৃত হিতাকাংক্ষী।'

(২২) এনেদৰে ছলনা কৰি সি তেওঁলোকক পথভ্ৰষ্ট কৰিলে। যেতিয়া তেওঁলোক দুয়ো সেই গছজোপাৰ ফলৰ স্বাদ গ্ৰহণ কৰিলে, তেতিয়া

তেওঁলোকৰ লজ্জাস্থান উন্মুক্ত হৈ পৰিল আৰু তেওঁলোকে স্বৰ্গৰ গছৰ পাতেৰে নিজকে আবৃত কৰিব ধৰিলে। তেওঁলোকৰ প্ৰভুৱে তেওঁলোকক সম্বোধন কৰি ক'লে- 'মই তোমালোকক সেই গছজোপাৰ সমীপলৈ যাবলৈ বাৰণ কৰা নাছিলোনে? আৰু ছয়তান তোমালোকৰ প্ৰকাশ্য শত্ৰু বুলি কোৱা নাছিলোনে?' (২৩) তেওঁলোকে ক'লে- 'হে আমাৰ প্ৰভু, আমি নিজেই নিজৰ অন্যায় কৰিলো। তুমি যদি আমাক ক্ষমা নকৰা আৰু দয়া নকৰা, তেনেহ'লে আমি ক্ষতিগ্ৰস্ত হ'ম।' (২৪) আল্লাহে ক'লে- 'ইয়াৰ পৰা নামি যোৱা, তোমালোক ইজন সিজনৰ শত্ৰু। এটি নিৰ্দিষ্ট সময়লৈকে পৃথিৱী তোমালোকৰ অৱস্থানৰ স্থল আৰু আছে জীৱন নিৰ্বাহৰ সমল।' (২৫) আৰু ক'লে- 'তাতে তোমালোকে জীৱন ধাৰণ কৰিবা আৰু তাতে তোমালোকৰ মৰণ হ'ব আৰু তাৰ পৰাই তোমালোকক উলিয়াই অনা হ'ব।'

(২৬) হে আদম সন্তানসকল, আমি তোমালোকক লজ্জা নিবাৰণৰ বাবে বস্ত্ৰ দান কৰিছো আৰু এয়া শোভা বৰ্দ্ধনৰো উপকৰণ। কিন্তু তাকৰা (ধৰ্মপৰায়ণতা) হ'ল উত্তম পোছাক। এয়া আল্লাহৰ এটি নিদৰ্শন যাতে মানুহে চিন্তা-চৰ্চা কৰে। (২৭) হে আদম সন্তানসকল, ছয়তানে যাতে তোমালোকক পথভ্ৰষ্ট কৰিব নোৱাৰে, যেনেদৰে তোমালোকৰ পিতৃ-মাতৃ উভয়কে স্বৰ্গৰ পৰা বহিস্কৃত কৰাইছিল আৰু বিবস্ত্ৰ কৰিছিল যাতে তেওঁলোকৰ নগ্নতা প্ৰকাশ কৰিব পাৰে। সি আৰু তাৰ সংগীবোৰে এনে ঠাইৰ পৰা তোমালোকক দেখে, য'ত তোমালোকে সিহঁতক নেদেখা। আমি ছয়তানবোৰক অবিশ্বাসকাৰী মানুহৰ পৃষ্ঠপোষক কৰি দিছো।

(২৮) যেতিয়া সিহঁতে কোনো অশোভনীয় কাম কৰে, তেতিয়া সিহঁতে কয়- 'আমাৰ পূৰ্বপুৰুষে এনে কৰা দেখিছিলো আৰু এনে কৰিবলৈ আল্লাহে আমাক আদেশ দিছে।' কোৱা- 'আল্লাহে অশোভনীয় কাম কৰিবলৈ আদেশ নিদিয়ে। তোমালোকে আল্লাহৰ সম্পৰ্কে কিয় এনে কথা কোৱা, যি বিষয়ে

তোমালোকৰ জ্ঞান নাই?' (২৯) কোৱা- 'মোৰ প্ৰভুৱে ন্যায় বিচাৰৰ আদেশ দিছে। প্ৰত্যেক উপাসনাত নিজ মুখমণ্ডল তেওঁৰ পিনেই পোনাই ৰাখিবা। শুদ্ধচিত্তে তেওঁক মাতিবা, ধৰ্মক বিশুদ্ধ কৰি ৰাখিবা। যেনেদৰে তেওঁ তোমালোকক প্ৰথমবাৰ সৃষ্টি কৰিছিল, তেনেদৰে তেওঁৰ ওচৰলৈ তোমালোক ঘূৰি যাব লাগিব।' (৩০) তেওঁ এদলক সৎপথত পৰিচালিত কৰিছে আৰু আনদলে বিপথে পৰিচালিত হোৱাৰ যোগ্যতা অৰ্জন কৰিছে। সিহঁতে আল্লাহৰ পৰিৱৰ্তে ছয়তানবোৰক পৃষ্ঠপোষক কৰি লৈছে। সিহঁতে ধাৰণা কৰে, সিহঁত সৎপথতেই আছে।

(৩১) হে আদম সন্তানসকল, প্ৰত্যেক উপাসনাৰ সময়ত তোমালোকে সু-সজ্জিত বস্ত্ৰ পৰিধান কৰিবা। খোৱা আৰু পান কৰা, সীমা লংঘন নকৰিবা। সীমা লংঘনকাৰীক আল্লাহে ভাল নাপায়। (৩২) কোৱা- 'আল্লাহে তেওঁৰ দাসসকলৰ বাবে যি শোভা-সৌন্দৰ্য সৃষ্টি কৰিছে আৰু জীৱিকাৰ বাবে যিবোৰ পৱিত্ৰ বস্তু দান কৰিছে সেইবোৰ কোনে নিষিদ্ধ কৰিছে?' কোৱা- 'বিশ্বাস স্থাপনকাৰীসকলৰ পাৰ্থিৱ জীৱনৰ বাবে এইবোৰ বৈধ আৰু পৰকালত সেইবোৰ বিশেষভাৱে তেওঁলোকৰেই হ'ব।' জ্ঞান অন্বেষণকাৰীসকলৰ বাবে আমি এইদৰে আমাৰ নিদৰ্শনসমূহ বিতংভাৱে বৰ্ণনা কৰো। (৩৩) কোৱা- 'মোৰ প্ৰভুৱে অশ্লীল কাজ-কৰ্ম অবৈধ কৰিছে, সেয়া প্ৰকাশ্যই হওক বা গোপনেই হওক। পাপ কৰ্ম কৰিবলৈ আৰু আইন উলংঘা কৰি অন্যায়-অত্যাচাৰ কৰিবলৈ নিষেধ কৰিছে। আল্লাহৰ লগত আনক অংশী কৰিবলৈ, যি বিষয়ে কোনো চনদ পঠোৱা নাই, যি বিষয়ে তোমালোকৰ কোনো জ্ঞান নাই, তেনে কথা আল্লাহৰ প্ৰতি আৰোপ কৰিবলৈও নিষেধ কৰিছে।'

(৩৪) প্ৰত্যেক মানুহৰ বাবে এটা নিৰ্ধাৰিত সময় আছে। যেতিয়া সেই নিৰ্ধাৰিত সময় আহিব, তেতিয়া সিহঁতে মুহূৰ্তৰ বাবেও আগ-পিছ কৰিব নোৱাৰিব। (৩৫) হে আদম সন্তানসকল, যেতিয়া তোমালোকৰ মাজৰ পৰাই

তোমালোকলৈ বাৰ্তাবাহক আহি আমাৰ বাণী পাঠ কৰি শুনায়, তেতিয়া যিয়ে সচেতন হয় আৰু নিজ আচাৰ-আচৰণ সংশোধন কৰি লয়, তেনে ব্যক্তিৰ বাবে কোনো শংকা নাই আৰু তেওঁ শোক কৰিব লগীয়াও নহ'ব। (৩৬) যিবিলাকে আমাৰ বাণীসমূহ মিছা বুলি কয় আৰু ঔদ্ধত্য প্ৰদৰ্শন কৰে, সিহঁত নৰকবাসী, য'ত সিহঁত চিৰকাল থাকিব। (৩৭) তাতকৈ বেছি অবিচাৰী আন কোন হ'ব পাৰে, যিয়ে আল্লাহৰ বিষয়ে মিছা ৰচনা কৰে নাইবা তেওঁৰ নিদৰ্শনসমূহক অস্বীকাৰ কৰে? এইবিলাক মানুহে নিজৰ ভাগ্যৰ লিখন অনুযায়ী নিজৰ ভাগ পাই থাকিব। যেতিয়া আমাৰ ফিৰিস্তাই প্ৰাণ হৰণ কৰিবলৈ সিহঁতৰ ওচৰলৈ আহিব, তেতিয়া সিহঁতক সুধিব- 'আল্লাহৰ পৰিৱৰ্তে তোমালোকে যিবোৰক মাতিছিলা, সেইবোৰ এতিয়া ক'ত?' সিহঁতে উত্তৰত ক'ব- 'সিহঁত আমাৰ পৰা উধাও হ'ল' আৰু সিহঁতে নিজৰ বিৰুদ্ধেই সাক্ষী দিব যে সিহঁত অবিশ্বাসকাৰী আছিল।

(৩৮) আল্লাহে ক'ব- 'যোৱা, জাহান্নামত প্ৰৱেশ কৰা, তোমালোকৰ পূৰ্বৱৰ্তী জ্বিন আৰু মানুহবিলাকেও তাত প্ৰৱেশ কৰিছে।' যেতিয়াই কোনো এটা দলে তাত প্ৰৱেশ কৰিব, তেতিয়াই সিহঁতে লগৰীয়া দলক অভিসম্পাত কৰিব। যেতিয়া সিহঁত সকলো তাত একত্ৰিত হ'ব, তেতিয়া পৰৱৰ্তী দলে পূৰ্বৱৰ্তী দল সম্পৰ্কে ক'ব- 'হে আমাৰ প্ৰভু, এই বিলাকেই, যিবিলাক মানুহে আমাক পথভ্ৰষ্ট কৰিছিল, সেয়ে ইহঁতক জাহান্নামত দুগুণ শাস্তি দিয়া।' আল্লাহে ক'ব- 'প্ৰত্যেকৰ বাবে দুগুণ শাস্তি আছে, কিন্তু তোমালোকে নাজানা।' (৩৯) সিহঁতৰ পূৰ্বৱৰ্তীসকলে পৰৱৰ্তীসকলক ক'ব- 'তোমালোক আমাতকৈ শ্ৰেষ্ঠ নাছিলা, সেয়ে নিজ অৰ্জনৰ শাস্তিৰ সোৱাদ লোৱা।' (৪০) সিহঁতৰ বাবে আকাশৰ দুৱাৰ উন্মুক্ত কৰা নহ'ব, যিবিলাকে আমাৰ নিদৰ্শনসমূহ অগ্ৰাহ্য কৰিছে আৰু সিবোৰৰ বিষয়ে ঔদ্ধত্য প্ৰকাশ কৰিছে। বেজীৰ জলাৰে উট সোমোৱা যেনেদৰে অসম্ভৱ, তেনেদৰে সিহঁতো জান্নাতত প্ৰৱেশ কৰা অসম্ভৱ।

এনেদৰে আমি অপৰাধীবিলাকক প্ৰতিফল দিওঁ। (৪১) সিহঁতৰ বাবে জাহান্নামৰ শয্যা আছে, আৰু আছে সিহঁতৰ ওপৰত অগ্নিৰ ঢাকনি। এনেদৰে আমি অন্যায়কাৰীবিলাকক প্ৰতিফল দিওঁ। (৪২) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকৰ্ম কৰিছে, আমি কোনো লোকৰ ওপৰত তাৰ সাধ্যাতীত বোজা অপৰ্ণ নকৰো, তেওঁলোকেই জান্নাতবাসী আৰু তাত তেওঁলোক চিৰকাল থাকিব। (৪৩) আমি তেওঁলোকৰ অন্তৰত থকা আশংকা দূৰ কৰিম আৰু তাত তেওঁলোকৰ পাদতলেৰে নিজৰা প্ৰবাহিত হৈ থাকিব আৰু তেওঁলোকে ক'ব- 'সকলো প্ৰশংসা আল্লাহৰ বাবেই, যিজনে আমাক এই পথ দেখুৱালে। আল্লাহে আমাক সৎপথ নেদেখুৱাহেঁতেন, আমি এই পথৰ সন্ধান নাপালোহেঁতেন। আমাৰ প্ৰভুৰ ৰছুলসকলে সত্য লৈয়ে আহিছিল।' তেওঁলোকক মাত দি কোৱা হ'ব- 'এইখনেই জান্নাত। তোমালোকৰ কৰ্মৰ বিনিময় হিচাবে তোমালোকক ইয়াৰ উত্তৰাধিকাৰী কৰা হ'ল।'

(৪৪) জান্নাতবাসীসকলে জাহান্নামবাসীবিলাকক উদ্দেশ্যি ক'ব- 'আমাৰ প্ৰভুৱে আমাক যি প্ৰতিশ্ৰুতি দিছিল, সেইবোৰ আমি সঁচাকৈয়ে পালো। তোমালোকৰ প্ৰভুৱে তোমালোকক যি প্ৰতিশ্ৰুতি দিছিল, সেইবোৰ তোমালোকে সঁচাকৈয়ে পালানে?' সিহঁতে ক'ব- 'হয়, পালো।' তেতিয়া এজন ঘোষকে সিহঁতৰ মাজত ঘোষণা কৰিব- 'আল্লাহৰ অভিশাপ সেই অন্যায়কাৰীবিলাকৰ ওপৰত- (৪৫) যিবিলাকে আল্লাহৰ পথত মানুহক বাধা দিছিল আৰু তাক বেঁকা কৰিব বিচাৰিছিল আৰু যিবিলাকে পৰকালক অবিশ্বাস কৰিছিল।

(৪৬) এই দুদল মানুহৰ মাজত এখন আঁৰ (প্ৰাচীৰ) থাকিব আৰু উৰ্ধত থাকিব কিছু মানুহ, যিসকলে দুয়োদলৰ মানুহক তেওঁলোকৰ বিশেষ চিহ্নৰ আধাৰত চিনি পাব আৰু তেওঁলোকে জান্নাতবাসীসকলক সম্বোধন কৰি ক'ব- 'তোমালোকৰ ওপৰত শান্তি বৰ্ষিত হওঁক।' তেওঁলোকে তেতিয়াও

জান্নাতত প্ৰৱেশ কৰা নাই; কিন্তু প্ৰত্যাশা কৰিছে। (৪৭) তেওঁলোকৰ দৃষ্টি যেতিয়া জাহান্নামবাসীৰ পিনে ঘুৰাই দিয়া হ'ব, তেতিয়া তেওঁলোকে ক'ব- 'হে আমাৰ প্ৰভু, আমাক এই অন্যায়কাৰী মানুহবিলাকৰ দলভুক্ত নকৰিবা।' (৪৮) উৰ্ধত অৱস্থান কৰা লোকসকলে সেই মানুহবিলাকক ক'ব যিবিলাকৰ লক্ষণ দেখি চিনি পোৱা যাব- 'তোমালোকৰ জনবল আৰু মিছা অহংকাৰ আজি কোনো কামত নাহিল।' (৪৯) এওঁলোক সেইসকল মানুহ নহয়নে, যিসকলৰ সম্পৰ্কে তোমালোকে শপত খাই কৈছিলা- 'আল্লাহে এওঁলোকক কেতিয়াও দয়া প্ৰদৰ্শন নকৰে।' (তেওঁলোকক কোৱা হ'ব)- 'জান্নাতত প্ৰৱেশ কৰা। এতিয়া তোমালোকৰ বাবে কোনো শংকাৰ কাৰণ নাই আৰু শোক কৰিব লগীয়াও নহয়।'

(৫০) জাহান্নামবাসীবিলাকে জান্নাতবাসীসকলক সম্বোধন কৰি ক'ব- 'আমাৰ ফালে অলপ পানী ঢালি দিয়া নাইবা আল্লাহে তোমালোকক খাবলৈ যি দিছে, তাৰে অলপ দিয়া।' তেওঁলোকে উত্তৰ দিব- 'আল্লাহে এই দুয়োটা বস্তু অবিশ্বাসকাৰীবিলাকৰ কাৰণে নিষিদ্ধ কৰিছে-- (৫১) যিবিলাকে সিহঁতৰ ধৰ্মক খেল-ধেমালিৰ বস্তু কৰি লৈছিল আৰু যিবিলাকক পাৰ্থিৱ জীৱনে বিভোৰ কৰি ৰাখিছিল।' আল্লাহে ক'ব- 'আজি সিহঁতক পাহৰি থাকিম, যেনেদৰে সিহঁতে আজিৰ দিনটোৰ সাক্ষাতক পাহৰি আছিল আৰু আমাৰ নিদৰ্শনসমূহক অস্বীকাৰ কৰিছিল।'

(৫২) সিহঁতক আমি এনে এখন পুথি আনি দিছিলো, যিখন জ্ঞান তথ্যৰে সমৃদ্ধ, বিশ্বাস স্থাপনকাৰীসকলৰ বাবে পথ নিৰ্দেশনা আৰু কৰুণা স্বৰূপ। (৫৩) সিহঁতে সতৰ্কবাণীবোৰ বাস্তৱায়িত হোৱাৰ অপেক্ষাত ৰৈ আছে নেকি? যিদিনা এই সতৰ্কবাণীবোৰ বাস্তৱায়িত হ'ব, সেইদিনা পূৰ্বে ইয়াক পাহৰি থকা মানুহবিলাকে ক'ব- 'বাস্তৱিকতে আমাৰ প্ৰভুৰ ৰছুলসকলে সত্যবাণী লৈ আহিছিল। আছেনে এনে কোনো মধ্যস্থতাকাৰী, যিয়ে আমাৰ বাবে মধ্যস্থতা

কৰিব ? নাইবা আমাক ঘূৰাই পঠোৱা হ'বনে যাতে আমি আগেয়ে যি কৰিছিলো তাৰ বিপৰীতে সৎ কাম কৰিব পাৰো ?' সিহঁতে নিজেই নিজৰ ক্ষতি সাধন কৰিলে আৰু সিহঁতে যিবোৰ মিছায়ে সাজি লৈছিল, সিহঁতৰ পৰা সিবোৰো উধাও হ'ল।

(৫৪) নিশ্চয় তোমালোকৰ প্ৰভু আল্লাহ, যিজনে ছদিনত আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছিল। তাৰ পিছত তেওঁ নিজ সিংহাসনত উপবিষ্ট হ'ল। তেওঁ দিনক ৰাতিৰে ঢাকি দিয়ে আৰু দিনে ৰাতিৰ পিছত দ্ৰুত বেগে গতি কৰে। তেঁৱেই সৃষ্টি কৰিছে সূর্য, চন্দ্ৰ আৰু তৰাবোৰ। সেইবোৰে তেওঁৰ ইচ্ছানুযায়ী আদেশ মানি চলে। জানি থোৱা, সেইবোৰৰ স্ৰষ্টা তেৱেঁই আৰু আদেশো তেওঁৰেই। আল্লাহ মহিমান্বিত, বিশ্বজগতৰ প্ৰভু।

(৫৫) তোমালোকৰ প্ৰভুক কাতৰ কণ্ঠে আৰু নিৰ্জনে মাতা। তেওঁ সীমালংঘনকাৰীক ভাল নাপায়। (৫৬) পৃথিৱীক সুশৃঙ্খল কৰা হৈছে, তাত বিপৰ্যয় সৃষ্টি নকৰিবা। ভয় আৰু প্ৰত্যাশাৰে প্ৰভুৰ উপাসনা কৰা। আল্লাহৰ কৰুণা সৎকৰ্মীসকলৰ নিচেই সমীপত।

(৫৭) তেঁৱেই আল্লাহ, যিজনে তেওঁৰ কৰুণাৰ (বৰষুণৰ) আগে আগে সুসংবাদ ৰূপে বতাহক পঠিয়ায়। সেই বতাহে যেতিয়া ঘন মেঘ বহন কৰে, তেতিয়া আমি তাক নিৰ্জীৱ ভূ-খণ্ডৰ ফালে চালিত কৰো আৰু তাত পানী বৰ্ষণ কৰো আৰু তাৰ পৰা নানা তৰহৰ ফলমূল উৎপন্ন কৰো। এনেদৰে আমি মৃতসকলক জীৱিত কৰি তুলিম। সম্ভৱতঃ তোমালোকে শিক্ষা লাভ কৰিব পাৰা। (৫৮) ভাল উৰ্বৰ ভূমিৰ ফচল তাৰ প্ৰভুৰ আদেশত সহজে উৎপন্ন হয়। আনহাতে অনুৰ্বৰ ভূমিত কেৱল নিম্নমানৰ ফচল উৎপন্ন হয়। এইদৰে আমি আমাৰ নিদৰ্শনসমূহ বাৰংবাৰ উত্থাপন কৰো কৃতজ্ঞতা স্বীকাৰ কৰিবলৈ ইচ্ছুকসকলৰ বাবে।

(৫৯) আমি নূহক তেওঁৰ সম্প্ৰদায়লৈ পঠিয়াইছিলো। তেওঁ কৈছিল-

‘হে মোৰ জাতিভাইসকল, আল্লাহৰ উপাসনা কৰা। তেওঁৰ বিনে তোমালোকৰ আন কোনো উপাস্য নাই। মই তোমালোকৰ বাবে এটা ভয়ানক দিনৰ শাস্তিৰ আশংকা কৰিছো।’ (৬০) তেওঁৰ সম্প্রদায়ৰ মুখীয়ালবিলাকে কৈছিল- ‘আমি দেখিবলৈ পাইছো যে তুমি স্পষ্টভাৱে বিপথে গৈছা।’ (৬১) তেওঁ ক’লে- ‘হে মোৰ জাতিভাইসকল, মই বিপথে যোৱা নাই, নিশ্চয় মই বিশ্বজগতৰ প্রভুৰ এজন ৰছুলহে। (৬২) মই মোৰ প্রভুৰ বার্তাসমূহ তোমালোকৰ ওচৰত প্রচাৰ কৰিছো আৰু তোমালোকক সদোপদেশ দিও, মই আল্লাহৰ তৰফৰ পৰা এনে কথা জানো, যিবোৰ তোমালোকে নাজানা। (৬৩) তোমালোকে এইবাবে আচৰিত হৈছা নেকি যে, তোমালোকৰে মাজৰে এজনৰ মাধ্যমত তোমালোকৰ ওচৰলৈ তোমালোকৰ প্রভুৰ পৰা উপদেশ বাণী আহিছে যাতে তেওঁ তোমালোকক সতর্ক কৰি দিয়ে আৰু তোমালোকে আল্লাহক ভয় কৰা আৰু তোমালোকক দয়া কৰা হয়।’ (৬৪) কিন্তু সিহঁতে তেওঁক অগ্রাহ্য কৰিলে, সেয়ে আমি তেওঁক আৰু তেওঁৰ লগত নাৱত আৰোহণ কৰা সকলক ৰক্ষা কৰিলো আৰু আমাৰ বাণীসমূহ অগ্রাহ্য কৰা মানুহ বিলাকক ডুবাই মাৰিলো। প্রকৃততে সিহঁত অন্ধ আছিল।

(৬৫) আদ জাতিৰ প্রতি তেওঁলোকৰ ভাতৃ হূদক পঠিয়াইছিলো। তেওঁ কৈছিল- ‘হে মোৰ জাতিভাইসকল, আল্লাহৰ উপাসনা কৰা, তেওঁৰ বিনে তোমালোকৰ আন কোনো উপাস্য নাই। তথাপি তোমালোকে আল্লাহক ভয় নকৰানে?’ (৬৬) তেওঁৰ জাতিৰ মানুহবিলাক, যিবিলাকে সত্যক মানিবলৈ অস্বীকাৰ কৰিছিল, সিহঁতে ক’লে- ‘আমি দেখিছো তুমি এজন নিবোর্ধ মানুহ আৰু আমাৰ ধাৰণা হৈছে তুমি মিছা কৈছা।’ (৬৭) তেওঁ ক’লে- ‘হে মোৰ জাতিভাইসকল, মই নিবোর্ধ নহয়; বৰং মই বিশ্বজগতৰ প্রভুৰ বার্তাবাহক। (৬৮) মই মোৰ প্রভুৰ বার্তাসমূহ তোমালোকক পৌছাই দিছো। মই তোমালোকৰ হিতাকাংক্ষী আৰু বিশ্বস্ত।’ (৬৯) তোমালোকে এইবাবে

আচৰিত হৈছা নেকি যে, তোমালোকৰে এজনৰ জৰিয়তে তোমালোকৰ ওচৰলৈ তোমালোকৰ প্ৰভুৰ উপদেশ বাণী আহিছে যাতে তেওঁ তোমালোকক সতর্ক কৰি দিয়ে? স্মৰণ কৰা, তেওঁ নূহৰ জাতিৰ পিছত তোমালোকক তেওঁলোকৰ স্থলাভিষিক্ত কৰিছে আৰু তোমালোকৰ দৈহিক গঠন সমৃদ্ধ কৰি দিছে, সেয়ে আল্লাহৰ অনুগ্ৰহসমূহ মনত ৰাখিবা যাতে তোমালোকে সফলতা লাভ কৰা।

(৭০) সিহঁতে ক'লে- 'তুমি আমাৰ ওচৰলৈ এইবাবেই আহিছা নেকি যে, আমি মাথোন আল্লাহৰেই উপাসনা কৰিব লাগে আৰু আমাৰ পিতৃ-পুৰুষসকলে যিবিলাকৰ উপাসনা কৰিছিল, সেইবিলাকক পৰিত্যাগ কৰিব লাগে? তেনেহ'লে সেই শাস্তি লৈ আহা, যি শাস্তিৰ বিষয়ে তুমি আমাক ভয় দেখুৱাইছা; যদি তুমি সঁচাই কৈছা।' (৭১) তেওঁ ক'লে- 'তোমালোকৰ ওপৰত তোমালোকৰ প্ৰভুৰ শাস্তি আৰু ক্ৰোধ অৱধাৰিত হৈছে। তোমালোকে মোৰ লগত সেইবোৰ নাম লৈ তর্ক-বিতর্ক কৰিব খোজা নেকি, যিবোৰ তোমালোক আৰু তোমালোকৰ পিতৃ-পিতামহসকলে ধার্য কৰি লৈছা আৰু যিবোৰৰ বিষয়ে আল্লাহে কোনো চনদ অৱতীর্ণ কৰা নাই। সেয়ে তোমালোকে অপেক্ষা কৰা, ময়ো তোমালোকৰ লগত অপেক্ষা কৰি আছো।' (৭২) ইয়াৰ পিছত আমি তেওঁক আৰু তেওঁৰ সহচৰসকলক আমাৰ বিশেষ অনুগ্ৰহৰে ৰক্ষা কৰিলো আৰু সিহঁতক নির্মূল কৰিলো, যিবিলাকে আমাৰ নিদর্শনসমূহক মিছা বুলি অগ্ৰাহ্য কৰিছিল।

(৭৩) চামূদ জাতিৰ প্ৰতি আমি তেওঁলোকৰে ভাতৃ চালেহক পঠিয়াইছিলো। তেওঁ কৈছিল- 'হে মোৰ জাতিভাইসকল, আল্লাহৰ উপাসনা কৰা; তেওঁৰ বিনে তোমালোকৰ আন কোনো উপাস্য নাই। তোমালোকৰ প্ৰভুৰ পৰা তোমালোকলৈ স্পষ্ট প্ৰমাণ আহি পাইছেহি। আল্লাহৰ এই উটজনী তোমালোকৰ বাবে এটি নিদর্শন স্বৰূপ। এইজনীক আল্লাহৰ পৃথিৱীত চৰি

ফুৰিবলৈ দিয়া। তাইক কোনো প্ৰকাৰ অনিষ্ট নকৰিবা; নহ'লে যন্ত্ৰণাদায়ক শাস্তিয়ে তোমালোকক আক্ৰান্ত কৰিব।' (৭৪) স্মৰণ কৰা, আদ জাতিৰ পিছত তেওঁ তোমালোকক সিহঁতৰ উত্তৰাধিকাৰী কৰিলে আৰু পৃথিৱীত বসতি কৰালে। তোমালোকে সমতল ভূমিত প্ৰাসাদ গঢ়িলা আৰু পৰ্বত খোদিত কৰি গৃহ নিমাৰ্ণ কৰিলা। সেয়ে আল্লাহৰ অনুগ্ৰহসমূহ মনত ৰাখিবা আৰু পৃথিৱীত বিপৰ্যয় সৃষ্টি নকৰিবা। (৭৫) সিহঁতৰ দাম্ভিক নেতাবিলাকে বিশ্বাস স্থাপনকাৰীসকলৰ দুৰ্বল বুলি বিবেচিত মানুহসকলক ক'লে- 'চালেহ তেওঁৰ প্ৰভুৰ পৰা প্ৰেৰিত হৈছে বুলি তোমালোকে জানানে?' সিহঁতে উত্তৰ দিছিল- 'তেওঁক যিবোৰ বাৰ্তা দি পঠোৱা হৈছে, সেইবোৰ আমি বিশ্বাস কৰো।' (৭৬) সেই দাম্ভিক মানুহবিলাকে ক'লে- 'তোমালোকে যিবোৰ বিশ্বাস কৰা, সেইবোৰ আমি অগ্ৰাহ্য কৰো।' (৭৭) ইয়াৰ পিছত সিহঁতে উটজনীৰ পিছ ঠেঙৰ শিৰ কাটি হত্যা কৰিলে আৰু সিহঁতৰ প্ৰভুৰ আদেশ তাচ্ছিল্যৰে অমান্য কৰিলে, ক'লে- 'হে চালেহ, তুমি যদি প্ৰেৰিত পুৰুষ হোৱা, তেনেহ'লে সেই শাস্তি লৈ আহা, যি শাস্তিৰ বিষয়ে তুমি আমাক ভয় দেখুৱাইছা।' (৭৮) শেষত এটি প্ৰচণ্ড ভূমিকম্পই সিহঁতক আক্ৰান্ত কৰিলে আৰু সিহঁত নিজ ঘৰতে উবুৰি খাই পৰি থাকিল। (৭৯) চালেহে সিহঁতক এৰি থৈ গৈ ক'লে- 'হে মোৰ সম্প্ৰদায়, মই মোৰ প্ৰভুৰ বাৰ্তা তোমালোকক আনি দিছিলো। মই তোমালোকক সৎ দিহা দিছিলো; কিন্তু তোমালোকেতো শুভাকাংক্ষীসকলক ভাল নোপোৱা।'

(৮০) লূতক আমি পঠাইছিলো। তেওঁ তেওঁৰ জাতিৰ মানুহবিলাকক ক'লে- 'তোমালোকে এনে অশ্লীল কৰ্ম কৰানে, যি কৰ্ম তোমালোকৰ পূৰ্বে অতীতত কোনোৱে কৰা নাই? (৮১) তোমালোকে স্ত্ৰীসকলৰ পৰিৱৰ্তে পুৰুষসকলৰ দ্বাৰা যৌন কামনা পূৰণ কৰা। তোমালোক অতিকৈ সীমালংঘনকাৰী।' (৮২) তেওঁৰ জাতিৰ মানুহবিলাকৰ কেৱল এয়াই উত্তৰ

আছিল- 'তোমালোকৰ নগৰৰ পৰা ইহঁতক উলিয়াই দিয়া; ইহঁতে নিজকে বৰ পৱিত্ৰ বুলি জহাবলৈ আহিছে।' (৮৩) শেষত আমি লূতক আৰু তেওঁৰ পৰিয়ালবৰ্গক ৰক্ষা কৰিলো- তেওঁৰ স্ত্ৰীৰ বাদে; কিয়নো তাই পিছ পৰি থকা বিলাকৰ লগত আছিল। (৮৪) আমি সিহঁতৰ ওপৰত প্ৰৱল বৃষ্টি বৰ্ষালো। চোৱা, সেই অপকৰ্মকাৰী মানুহবিলাকৰ কি দশা হ'ল!

(৮৫) মাদয়ানসকলৰ প্ৰতি আমি সিহঁতৰে ভাতৃ ছুআইবক পঠিয়াইছিলো। তেওঁ কৈছিল- 'হে মোৰ জাতিভাইসকল, আল্লাহৰ উপাসনা কৰা, তেওঁৰ বিনে তোমালোকৰ আন কোনো উপাস্য নাই। তোমালোকৰ ওচৰলৈ তোমালোকৰ প্ৰভুৰ পৰা স্পষ্ট প্ৰমাণ আহি পালেহি। সেয়ে পূৰামাত্ৰাই জোখ-মাপ কৰিবা, কমাই নিদিবা। পৃথিৱীখন সুশৃঙ্খল কৰাৰ পিছত বিপৰ্যয় সৃষ্টি নকৰিবা। এয়াই তোমালোকৰ বাবে মংগল, যদি তোমালোক প্ৰকৃত আস্থাবান হোৱা।' (৮৬) ৰাস্তাত খাপ লৈ থাকি তেওঁলোকক ভয় প্ৰদৰ্শন নকৰাবা, যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু আল্লাহৰ পথত যোৱাত বাধা নিদিবা আৰু সৰল পথক বক্ৰ কৰিবলৈ নিবিচাৰিবা। স্মৰণ কৰা, যেতিয়া তোমালোক সংখ্যাত কম আছিলা, আল্লাহে তোমালোকৰ সংখ্যা বহুগুণে বৃদ্ধি কৰি দিলে আৰু চোৱা, বিপৰ্যয় সৃষ্টিকাৰীবিলাকৰ কি দশা হ'ল! (৮৭) তোমালোকৰ এটা দলে যদি আল্লাহৰ বাণীবোৰ বিশ্বাস কৰে আৰু আন দলে বিশ্বাস নকৰে, তেনেহ'লে আল্লাহে আমাৰ মাজত মীমাংসা কৰি নিদিয়ালৈকে তোমালোকে ধৈর্য ধাৰণ কৰা। তেঁৱেই উত্তম মীমাংসাকাৰী।

(৮৮) তেওঁৰ জাতিৰ দাম্ভিক নেতাবিলাকে ক'লে- 'হে ছুআইব, আমি তোমাক আৰু তোমাৰ প্ৰতি বিশ্বাস স্থাপন কৰা মানুহবিলাককো এই নগৰৰ পৰা উলিয়াই দিম নাইবা তোমালোকে আমাৰ পথলৈ ঘূৰি আহিব লাগিব।' তেওঁ ক'লে- 'কি আমাৰ পচন্দ নহ'লেও! (৮৯) আল্লাহৰ প্ৰতি মিছা আৰোপ কৰা হ'ব; তোমালোকৰ ধৰ্মমতৰ পৰা আল্লাহে আমাক উদ্ধাৰ কৰাৰ পিছতো

যদি আমি দুনাই উভতি যাওঁ। দুনাই সেই ধৰ্মলৈ ঘূৰি যোৱা আমাৰ বাবে কোনো পথ্যে সম্ভৱ নহয়, যদি আমাৰ প্ৰভুৱে ইচ্ছা নকৰে। সকলো বস্তু আল্লাহে তেওঁৰ জ্ঞানৰ আয়ত্বত ৰাখিছে। আমি তেওঁৰ ওপৰতেই সম্পূৰ্ণ নিৰ্ভৰ কৰো। হে আমাৰ প্ৰভু, আমাৰ আৰু আমাৰ জাতিৰ মাজত মীমাংসা কৰি দিয়া। তুমিয়েই উত্তম মীমাংসাকাৰী।' (৯০) তেওঁৰ জাতিৰ অবিশ্বাসকাৰী নেতৃবৃন্দই ক'লে- 'যদি তোমালোকে ছুআইবক অনুসৰণ কৰা, তেনেহ'লে তোমালোকক ধ্বংস কৰা হ'ব।' (৯১) ইয়াৰ পিছত প্ৰবল ভূমিকঁম্পই সিহঁতক আঘাত কৰিলে আৰু পুৱা সিহঁত নিজ ঘৰতে উবুৰি হৈ পৰি মৰি থকা দেখা গ'ল। (৯২) যিবিলাকে ছুআইবক অগ্ৰাহ্য কৰিছিল, সিহঁতৰ এনে হ'ল, তাত যেন সিহঁতে কোনো দিনাই বসবাস কৰা নাছিল। যিবিলাকে ছুআইবক অগ্ৰাহ্য কৰিছিল, সিহঁত এনেদৰেই ক্ষতিগ্ৰস্ত হ'ল। (৯৩) ছুআইবে এই বুলি কৈ সিহঁতৰ পৰা আঁতৰি গ'ল- 'হে মোৰ জাতিভাইসকল, মই মোৰ প্ৰভুৰ বাৰ্তা আনি তোমালোকক দিছিলো। মই তোমালোকক সু দিহা-পৰামৰ্শ দিছিলো। এতিয়া মই সেই মানুহবিলাকৰ কাৰণে কেনেকৈ আক্ষেপ কৰিম, যিবিলাকে সত্য অগ্ৰাহ্য কৰিছিল।'

(৯৪) যেতিয়াই আমি কোনো জনবসতিলৈ নবী পঠিয়াইছিলো, তেতিয়াই তাৰ অধিবাসীবিলাকক নিৰ্যাতন আৰু দুখ-কষ্টৰ দ্বাৰা পীড়িত কৰিছিলো যাতে সিহঁত বিনয়ী হয়। (৯৫) ইয়াৰ পিছত আমি অস্বচ্ছল অৱস্থাক সচ্ছল অৱস্থালৈ পৰিণত কৰিছিলো। সিহঁতে স্বচ্ছন্দ লাভ কৰি কৈছিল- 'আমাৰ পিতৃ-পুৰুষসকলৰ প্ৰতিও এনেদৰে সুখ-দুখৰ দিন আহিছিল।' পিছত আমি সিহঁতক কোন টলকতে আটক কৰিলো, সিহঁতে গমকে নাপালে। (৯৬) সেই ঠাইৰ মানুহবিলাকে যদি বিশ্বাস স্থাপন কৰিলেহেঁতেন আৰু ভয় কৰিলেহেঁতেন, তেনেহ'লে নিশ্চয় আমি সিহঁতৰ বাবে আকাশ আৰু পৃথিৱীৰ কল্যাণৰ দুৱাৰবোৰ খুলি দিলোহেঁতেন; কিন্তু সিহঁতে সেই সত্যক অগ্ৰাহ্য কৰিলে।

সেয়ে আমি সিহঁতৰ দুষ্কর্মৰ বাবে সিহঁতক আটক কৰিলো। (৯৭) সেই ঠাইৰ মানুহবিলাকে ইমান নিৰাপদ বুলি ভাবিছিল নেকি যে, ৰাতি টোপনিত লালকাল হৈ থাকোতে আচম্বিতে সিহঁতলৈ আমাৰ শাস্তি নাহিব? (৯৮) অথবা ইমান নিশ্চিন্ত হৈ আছে নেকি যে, দিনৰ ভাগত খেল-ধেমালিত মত্ত হৈ থাকোতে সিহঁতলৈ আমাৰ শাস্তি নাহে বুলি? (৯৯) সিহঁতে আল্লাহৰ পৰিকল্পনাৰ প্ৰতি নির্ভয় হৈছে নেকি? ধ্বংস অনিবার্য হোৱা ব্যক্তিৰ বাহিৰে আনে আল্লাহৰ পৰিকল্পনাৰ প্ৰতি নির্ভয় হ'ব নোৱাৰে।

(১০০) সেই মানুহবিলাকে শিক্ষা নলয় নেকি, যিবিলাকে পূর্ববর্তী অধিবাসীবিলাকৰ পিছতে পৃথিৱীৰ উত্তৰাধিকাৰী হয়? আমি ইচ্ছা কৰিলে সিহঁতৰ পাপৰ কাৰণে সিহঁতক শাস্তি দিব পাৰো। আমি সিহঁতৰ অন্তৰত মোহৰ মাৰি দিছো, ফলস্বৰূপে সিহঁতে উপদেশমূলক কোনো কথা শুনা নাপায়।

(১০১) এইবোৰ সেই জনবসতি যিবোৰৰ কিছু কাহিনী আমি তোমাক শুনাইছো, সিহঁতৰ বার্তাবাহকসকলে সিহঁতলৈ স্পষ্ট নিদর্শন লৈ আহিছিল, কিন্তু সিহঁতে আগেয়ে যি কথা অগ্রাহ্য কৰিছিল, সেয়া দুনাই বিশ্বাস কৰিবলৈ সিহঁত মান্তি নহয়। সত্য অগ্রাহ্যকাৰীবিলাকৰ অন্তৰত আল্লাহে এনেদৰে মোহৰ মাৰি দিয়ে। (১০২) সিহঁতৰ বেছিভাগ মানুহকে আমি প্রতিজ্ঞা পালনকাৰী হিচাবে পোৱা নাই; বৰং অবাধ্য ৰূপেহে পাইছো।

(১০৩) তেওঁলোকৰ পিছত আমি মূছাক আমাৰ নিদর্শনসহ ফিৰাউন আৰু তাৰ নেতৃস্থানীয় লোকসকলৰ ওচৰলৈ পঠিয়াইছিলো; কিন্তু সিহঁতে স্ব-ইচ্ছাই সেয়া প্রত্যাখ্যান কৰিলে। চোৱা, অনাচাৰীবিলাকৰ কি দশা হ'ল! (১০৪) মূছাই ক'লে- 'হে ফিৰাউন, মই বিশ্বজগতৰ প্রভুৰ ৰছুল। (১০৫) আল্লাহৰ বিষয়ে প্রকৃত সত্যৰ বাহিৰে মই আন একো নকওঁ। মই তোমালোকৰ প্রভুৰ পৰা স্পষ্ট প্রমাণ লৈ আহিছো। সেয়ে ইছৰাঈলৰ বংশধৰবিলাকক মোৰ লগত যাবলৈ দিয়া।' (১০৬) (ফিৰাউনে) ক'লে- 'যদি তুমি কিবা নিদর্শন লৈ

আহিছা, সেয়া দাঙি ধৰা, যদি তুমি সঁচায়ে কৈছা।' (১০৭) মূছাই তেওঁৰ লাখুটিডাল মাটিত পেলাই দিলে আৰু লগে লগে ই এডাল জীৱন্ত প্ৰকৃত বিয়াগুম সাপ হৈ পৰিল। (১০৮) আৰু তেওঁ হাতখন বাহিৰলৈ উলিয়ালে আৰু ই দৰ্শকসকলৰ দৃষ্টিত জকমকীয়া বগা হৈ পৰিল। (১০৯) ফিৰাউনৰ সম্প্ৰদায়ৰ নেতাবিলাকে ক'লে- 'নিশ্চয় এওঁ এজন সুদক্ষ যাদুকৰ। (১১০) এওঁ তোমালোকক তোমালোকৰ দেশৰ পৰা উলিয়াই নিব বিচাৰিছে।' ফিৰাউনে ক'লে- 'এতিয়া তোমালোকে কি পৰামৰ্শ দিয়া?' (১১১) সিহঁতে ক'লে- 'মূছা আৰু তেওঁৰ ভায়েকক কিছুদিন সময় দিয়া হওক আৰু চহৰে-নগৰে ঘোষক পঠাওক- (১১২) যাতে সকলো দক্ষ যাদুকৰক আপোনাৰ ইয়ালৈ আনে।'

(১১৩) যাদুকৰবিলাক ফিৰাউনৰ ওচৰলৈ আহিল আৰু সুধিলে- 'যদি আমাৰ জয় হয়, আমি পুৰস্কাৰ পামনে?' (১১৪) ফিৰাউনে উত্তৰ দিলে- 'নিশ্চয় পাবা আৰু তোমালোক মোৰ সান্নিধ্যপ্ৰাপ্তসকলৰ ভিতৰত পৰিগণিত হ'বা।' (১১৫) সিহঁতে ক'লে- 'হে মূছা, তুমি আগেয়ে নিক্ষেপ কৰিবা নে আমি নিক্ষেপ কৰিম?' (১১৬) মূছাই ক'লে- 'তোমালোকেই নিক্ষেপ কৰা।' সিহঁতে যেতিয়া নিক্ষেপ কৰিলে, মানুহৰ চকুবোৰক সম্মোহিত কৰিলে আৰু সিহঁতক আতংকিত কৰিলে। এইদৰে সিহঁতে সাংঘাতিক যাদু প্ৰদৰ্শন কৰিলে। (১১৭) তেতিয়া আমি মূছাক প্ৰেৰণা দি ক'লো- 'তোমাৰ লাখুটিডাল পেলাই দিয়া।' আৰু ই সিহঁতৰ কৃত্ৰিম সৃষ্টিবোৰক গিলি পেলালে। (১১৮) এইদৰে সত্য প্ৰতিষ্ঠিত হ'ল আৰু সিহঁতে যিবোৰ উপস্থাপন কৰিছিল, সেয়া মিছা বুলি প্ৰতিপন্ন হ'ল। (১১৯) ফিৰাউন আৰু তাৰ সহচৰবিলাক পৰাজিত হ'ল আৰু বৰ লাঞ্ছিত হ'ল। (১২০) যাদুকৰবিলাক লাজত নিজে তলমূৰ হ'ল; (১২১) আৰু ক'লে- 'আমি বিশ্বজগতৰ সেইজন প্ৰভুৰ প্ৰতি বিশ্বাস স্থাপন কৰিলো, (১২২) যিজন মূছা আৰু হাৰুণৰো প্ৰভু।'

(১২৩) ফিৰাউনে ক'লে- 'মই তোমালোকক অনুমতি দিয়াৰ পূৰ্বেই তোমালোকে মূছাৰ ওপৰত বিশ্বাস স্থাপন কৰিলাই! নিশ্চয় ই এটা গোপন অভিসন্ধি। তোমালোকে এই নগৰতে থাকি ইয়াৰ বাসিন্দাসকলক উলিয়াই নিবলৈ অভিসন্ধি কৰিছা। এতিয়াই ইয়াৰ পৰিণাম গম পাবা। (১২৪) মই তোমালোকৰ হাত-ভৰিবোৰ বিপৰীত ফালৰ পৰা কাটি পেলাম আৰু তাৰ পিছত তোমালোকক শূলত দিম।' (১২৫) সিহঁতে উত্তৰ দিলে- 'নিশ্চয় আমি আমাৰ প্ৰভুৰ পিনে উভতি যাবই লাগিব। (১২৬) আপুনি আমাক এইবাবেই শাস্তি দিছে যে, যেতিয়া আমাৰ প্ৰভুৰ নিদৰ্শনসমূহ আমাৰ ওচৰ পালেহি, তেতিয়া আমি সেইবিলাকৰ ওপৰত বিশ্বাস স্থাপন কৰিলো। হে আমাৰ প্ৰভু, আমাক অসীম ধৈৰ্য দান কৰা আৰু তোমাৰ অনুগত হৈ থকা অৱস্থাতে আমাক মৃত্যু দান কৰিবা।'

(১২৭) ফিৰাউনৰ নেতৃস্থানীয় মানুহবিলাকে ক'লে- 'আপুনি মূছা আৰু তেওঁৰ সম্প্ৰদায়ৰ মানুহবিলাকক দেশত অশান্তি সৃষ্টি কৰিবলৈ এৰি দিবনে? সিহঁতে আপোনাক আৰু আপোনাৰ উপাস্যসকলক বৰ্জন কৰিলেও ৰেহাই পাবনে?' ফিৰাউনে ক'লে- 'আমি সিহঁতৰ পুত্ৰবিলাকক হত্যা কৰিম আৰু তিৰোতাবিলাকক জীয়াই থাকিবলৈ দিম। সিহঁতৰ ওপৰত আমাৰ সম্পূৰ্ণ ক্ষমতা আছে।' (১২৮) মূছাই তেওঁৰ সম্প্ৰদায়ক ক'লে- 'আল্লাহৰ ওচৰত সহায় ভিক্ষা কৰা আৰু ধৈৰ্য ধাৰণ কৰা। পৃথিৱীখন আল্লাহৰ। তেওঁ তেওঁৰ বান্দাসকলৰ যাক ইচ্ছা কৰে, তাকে ইয়াৰ উত্তৰাধিকাৰী কৰে। অন্তিম সাফল্য নীতিপৰায়ণ লোকসকলৰ বাবে।' (১২৯) মূছাৰ সম্প্ৰদায়ে ক'লে- 'তোমালোকৰ আগমনৰ পূৰ্বেও আমি নিৰ্যাতিত হৈছিলো আৰু এতিয়া আপুনি অহাৰ পিছতো নিৰ্যাতিত হৈছো।' তেওঁ ক'লে- 'তোমালোকৰ প্ৰভুৱে তোমালোকৰ শত্ৰুক বিনাশ কৰিব আৰু তোমালোকক এই ভূখণ্ডৰ উত্তৰাধিকাৰী কৰিব। তাৰ পিছত তেওঁ লক্ষ্য কৰিব, তোমালোকে কেনে কৰ্ম

কৰা।'

(১৩০) ফিৰাউনৰ মানুহবিলাকক আমি দুর্ভিক্ষ আৰু শস্যৰ অনাটনৰ যাতনা দিছিলো যাতে সিহঁতৰ চেতনা জাগ্রত হয়; (১৩১) কিন্তু যেতিয়া সিহঁতৰ মংগল হয়, সিহঁতে কয়- 'এয়াতো আমাৰ প্রাপ্য।' আকৌ যেতিয়া সিহঁতৰ অমংগল হয়, তেতিয়া সিহঁতে মূছা আৰু তেওঁৰ সহচৰসকলক দুর্ভাগ্যপূর্ণ বোলে। শুনা, সিহঁতৰ অমংগল আল্লাহৰ হাতত নিহিত। কিন্তু সিহঁতৰ প্রায়ভাগ মানুহে এয়া নাজানে। (১৩২) সিহঁতে ক'লে- 'তুমি আমাক যাদুৰে প্রভাৱিত কৰিবলৈ যিমানে নিদর্শন নানা কিয়, আমি তোমাৰ কথা বিশ্বাস নকৰো।'

(১৩৩) শেষত আমি স্পষ্ট নিদর্শন স্বৰূপে প্লাৱন, কাকতি ফৰিং, ওকণি আৰু বেঙৰ উপদ্রপ আৰু ৰক্ত বর্ষাই হাৰাশাস্তি কৰিছিলো; তথাপি সিহঁত দাম্ভিক হৈয়ে থাকিল। মূলতে সিহঁত অপৰাধ প্রৱণ আছিল। (১৩৪) যেতিয়াই সিহঁতৰ ওপৰত কোনো দুর্যোগ আহে, তেতিয়াই মূছাক কয়- 'হে মূছা, তোমাৰ প্রভুৰ ওচৰত আমাৰ বাবে প্রার্থনা কৰা, তেওঁ তোমাক যি অংগীকাৰ কৰিছে তাৰ আধাৰত। আমাৰ পৰা এই দুর্যোগ দূৰ কৰি দিলে আমি অৱশ্যই তোমাৰ ওপৰত বিশ্বাস স্থাপন কৰিম আৰু ইছৰাঈল বংশধৰসকলক তোমাৰ লগত যাবলৈ দিম।' (১৩৫) কিন্তু যেতিয়াই আমি সিহঁতৰ পৰা এটা নির্দিষ্ট সময়ৰ বাবে সেই দুর্যোগ অপসাৰিত কৰিলো, তেতিয়াই সিহঁতে সিহঁতৰ প্রতিশ্রুতি ভংগ কৰিলে।

(১৩৬) আমি সিহঁতক প্রতিফল দিলো আৰু সিহঁতক সমুদ্রত ডুবাই মাৰিলো। কিয়নো, সিহঁতে আমাৰ নিদর্শনসমূহক অবিশ্বাস কৰিছিল আৰু সেইবোৰ উপেক্ষা কৰিছিল। (১৩৭) সিহঁতে দুর্বল বুলি ভবা মানুহবিলাকক আমি পূৱৰ পৰা পশ্চিমলৈ গোটেই অঞ্চলটোৰ উত্তৰাধিকাৰী কৰি দিলো আৰু অঞ্চলটোক সমৃদ্ধ কৰিলো। এইদৰে তোমালোকৰ প্রভুৱে ইছৰাঈল

বংশধৰবিলাকৰ লগত কৰা প্ৰতিশ্ৰুতি পূৰ্ণ হ'ল। কাৰণ সিহঁতে ধৈর্য ধৰি সহি আছিল। ফিৰাউন আৰু তাৰ মানুহবিলাকে যিবোৰ গঢ়িছিল আৰু যিবোৰ প্ৰাসাদ উচ্চ কৰি সাজিছিল, সেইবোৰ আমি সমূলি ধ্বংস কৰিলো।

(১৩৮) আমি ইছ্ৰাঈল বংশধৰবিলাকক সমুদ্ৰ পাৰ কৰি দিলো। সিহঁত গৈ এনে এটা জাতিৰ ওচৰ পালেগৈ, যিবিলাকে সৰ্বান্তকৰণে প্ৰতিমাৰ প্ৰতি নিবেদিত আছিল। সিহঁতে ক'লে- 'হে মূছা, আমাৰ বাবেও এটা প্ৰতিমা সাজি দিয়া, যেনেদৰে এওঁলোকৰ প্ৰতিমা আছে।' তেওঁ ক'লে- 'তোমালোক বৰ জধামূর্খ। (১৩৯) সেই মানুহবিলাকে যিহত লিপ্ত আছে, সেয়া বিলোপ হ'ব আৰু যি কৰিছে সেয়াও অসার্থক হ'ব।' (১৪০) তেওঁ ক'লে- 'মই আল্লাহক বাদ দি তোমালোকৰ বাবে আন এজন উপাস্য অন্বেষণ কৰিমনে? অথচ তেঁৱেই তোমালোকক পৃথিৱীৰ মানুহৰ ওপৰত শ্ৰেষ্ঠত্ব দান কৰিছে।' (১৪১) আমি তোমালোকক ফিৰাউনৰ মানুহবিলাকৰ কবলৰ পৰা পৰিত্ৰাণ কৰিছিলো। সিহঁতে তোমালোকক নিৰ্মম শাস্তি দিছিল, তোমালোকৰ পুত্ৰ-সন্তানবিলাকক হত্যা কৰিছিল আৰু কন্যা-সন্তানবিলাকক জীৱিত ৰাখিছিল। সেয়া তোমালোকৰ বাবে তোমালোকৰ প্ৰভুৰ পক্ষৰ পৰা ডাঙৰ পৰীক্ষা আছিল।

(১৪২) আমি মূছাৰ বাবে ত্ৰিশ ৰাতি ধাৰ্য কৰিছিলো আৰু দহ ৰাতি বঢ়াই দিছিলো। এনেদৰে তেওঁৰ প্ৰভুৰ নিৰ্ধাৰিত ম্যাদ চল্লিছ ৰাতি পূৰ্ণ হ'ল। মূছাই তেওঁৰ ভায়েক হাৰুণক কৈছিল- 'তুমি মোৰ মানুহবিলাকৰ মাজত মোৰ অবৰ্তমানে প্ৰতিনিধিত্ব কৰিবা। সকলো কাম ভালদৰে চলাবা আৰু বিপৰ্যয় সৃষ্টিকাৰী মানুহবিলাকৰ পথ নল'বা।' (১৪৩) মূছাই নিৰ্ধাৰিত সময় অনুযায়ী যথাস্থানত উপনীত হ'ল আৰু তেওঁৰ প্ৰভুৰ লগত তেওঁৰ কথা হ'ল, তেতিয়া মূছাই ক'লে- 'প্ৰভু, তুমি মোক দেখা দিয়া। মই তোমাক চাব বিচাৰো।' আল্লাহে ক'লে- 'তুমি মোক দেখা নোপোৱা। তুমি সেই পাহাৰখনলৈ

চোৱা, যদি সি নিজ স্থানত স্থিৰে থাকিব পাৰে, তেনেহ'লে তুমি মোক দেখা পাবা।' যেতিয়া তেওঁৰ প্ৰভুৱে পাহাৰত নিজ জ্যোতিৰ বিকিৰণ ঘটালে, তেতিয়া পাহাৰখন চূৰ্ণ-বিচূৰ্ণ হ'ল আৰু লগে লগে মূছা মূৰ্ছা গ'ল। যেতিয়া তেওঁৰ সংজ্ঞা আহিল, তেতিয়া তেওঁ ক'লে- 'তুমি মহিমাময়, মই তোমাৰ পিনেই প্ৰত্যাৱৰ্তন কৰিছো আৰু ময়েই সৰ্বপ্ৰথম বিশ্বাস স্থাপন কৰিছো।'

(১৪৪) আল্লাহে ক'লে- 'হে মূছা, মই তোমাক বাছি লৈছো- তোমাক মানুহৰ ওপৰত বহুলত্ব দি আৰু মোৰ শ্ৰুতিৰ (বাক্যৰ) দ্বাৰা। সেয়ে মই তোমাক যি দিছো, সেয়া গ্ৰহণ কৰা আৰু কৃতজ্ঞ হোৱা।' (১৪৫) আমি তেওঁৰ বাবে সকলো উপদেশ আৰু নীতি-নিৰ্দেশনাৰ বিতং বিৱৰণ ফলকৰ ওপৰত লিখি দিছো- 'এইবোৰ দৃঢ়ভাৱে ধৰি থাকিবা আৰু ইয়াৰ উত্তম কথাবোৰ গ্ৰহণ কৰিবলৈ তোমাৰ সম্প্ৰদায়ৰ মানুহবিলাকক কোৱা। শীঘ্ৰে মই তোমালোকক পাপিষ্ঠবিলাকৰ বাসস্থল দেখুৱাম।' (১৪৬) মই মোৰ নিদৰ্শনসমূহৰ পৰা সিহঁতক বিমুখ কৰিম, যিবিলাকে ধৰাৰ বুকুত অন্যায়ভাৱে দাম্ভিক আচৰণ কৰে, সিহঁতে সকলো নিদৰ্শন দেখিলেও সেয়া বিশ্বাস নকৰে। সিহঁতে সৎপথ দেখিলেও তাক নিজৰ পথ হিচাবে গ্ৰহণ নকৰে। ভ্ৰান্ত পথ দেখিলেই তাকে সিহঁতৰ পথ হিচাবে গ্ৰহণ কৰে। সেয়া এইবাবে যে সিহঁতে আমাৰ নিদৰ্শনসমূহ মিছা বুলি অগ্ৰাহ্য কৰিছে আৰু সেইবোৰলৈ সিহঁতে ভ্ৰূক্ষেপ কৰা নাছিল। (১৪৭) যিবিলাকে আমাৰ নিদৰ্শনসমূহক আৰু পৰকালৰ সাক্ষাতক অস্বীকাৰ কৰিছে, সিহঁতৰ সকলো কৰ্ম নিষ্ফল হ'ব। সিহঁতে যি কৰিছে, তাৰ বাহিৰে আন কি প্ৰতিফলনো সিহঁতক দিব পাৰি?

(১৪৮) মূছাৰ অনুপস্থিতিত তেওঁৰ সম্প্ৰদায়ৰ মানুহবিলাকে সিহঁতৰ অলংকাৰ-পাতিৰে দামুৰিৰ এটা প্ৰতিমা সাজিলে। প্ৰতিমাটোৰ পৰা গৰুৰ হেম্বলনিৰ দৰে মাত ওলায়। সিহঁতে দেখা নাছিলনে যে, ই সিহঁতৰ লগত কথা পাতিব পাৰে নে কোনো পথ দেখুৱাব পাৰে? তথাপি সিহঁতে তাকে

উপাস্য কৰি লৈছিল আৰু এইদৰে সিহঁতে অন্যায় আচৰণ কৰিছিল। (১৪৯) যেতিয়া সিহঁত অনুতপ্ত হ'ল আৰু বিপথে গৈছে বুলি বুজিব পাৰিলে, সিহঁতে ক'লে- 'আমাৰ প্ৰভুৱে যদি আমাক দয়া নকৰে আৰু মাৰ্জনা নকৰে, তেনেহ'লে নিশ্চয় আমি ক্ষতিগ্ৰস্ত হ'ম।' (১৫০) মূছাই ক্ৰোধ আৰু বেজাৰত ভাৰাক্ৰান্ত হৈ নিজ সম্প্ৰদায়ৰ ওচৰলৈ ঘূৰি আহি ক'লে- 'মোৰ অনুপস্থিতিত তোমালোকে বিভৎস পাপ কৰ্ম কৰিলা। তোমালোকে প্ৰভুৰ আদেশৰ বাবে নৰৈ কিয় খৰখেদা কৰিলা?' ইয়াৰ পিছত তেওঁ ফলকবোৰ দলিয়াই পেলাই দিলে আৰু ভায়েকৰ মূৰৰ চুলিত ধৰি টানি আনিলে। হাৰুণে ক'লে- 'হে মোৰ সহোদৰ, মানুহবিলাকে মোক দমিত কৰি ৰাখিছিল আৰু মোক হত্যা কৰিবলৈও উদ্যত হৈছিল। সেয়ে মোক ইতিকিং কৰিবলৈ শত্ৰুক সুযোগ নিদিবা আৰু মোক অনাচাৰীবিলাকৰ দলভুক্ত বুলি নাভাবিবা।' (১৫১) মূছাই ক'লে- 'হে মোৰ প্ৰভু, মোক আৰু মোৰ ভাইক ক্ষমা কৰা আৰু তোমাৰ কৰুণাত আশ্ৰয় দিয়া। দয়ালুবিলাকৰ ভিতৰত তুমিয়েই সৰ্বশ্ৰেষ্ঠ দয়ালু।'

(১৫২) দামুৰিটোক উপাস্য কৰি লোৱা মানুহবিলাক সিহঁতৰ প্ৰভুৰ ক্ৰোধত পৰিব আৰু সিহঁত পাৰ্থিৱ জীৱনত লাঞ্ছিত হ'ব। মিছা ৰচনাকাৰীক আমি এইদৰেই প্ৰতিফল দিও। (১৫৩) যিবিলাকে অপকৰ্ম কৰাৰ পিছত অনুতপ্ত হয় (তওবা কৰে) আৰু বিশ্বাস স্থাপন কৰে, তেওঁলোকে তেওঁলোকৰ প্ৰভুক ক্ষমাশীল আৰু দয়ালু ৰূপে পাব।

(১৫৪) মূছাৰ খং শাম কটাত তেওঁ ফলকবোৰ তুলি ল'লে। সেইবোৰত সেইবিলাক মানুহৰ কাৰণে পথ নিৰ্দেশনা আৰু অনুগ্ৰহৰ কথা লিখা আছিল, যিবিলাকে তেওঁলোকৰ প্ৰভুক ভয় কৰে। (১৫৫) আমি নিৰ্ধাৰিত কৰি দিয়া সময় আৰু স্থানত সাক্ষাতৰ বাবে মূছাই তেওঁৰ সম্প্ৰদায়ৰ পৰা সত্তৰজন মানুহ বাছি ল'লে। যেতিয়া তেওঁলোক ভূমিকম্পৰ দ্বাৰা আক্ৰান্ত হ'ল, তেতিয়া তেওঁ ক'লে- 'হে মোৰ প্ৰভু, তুমি ইচ্ছা কৰাহেঁতেন, পূৰ্বেই এওঁলোকক আৰু

মোক ধ্বংস কৰিব পাৰিলাহেঁতেন। আমাৰ মাজৰ নিৰ্বোধবিলাকে যি কৰিছে, তাৰ বাবে তুমি আমাক ধ্বংস কৰিবানে? এয়া তোমাৰ পৰীক্ষাৰ বিনে আন একো নহয়। ইয়াৰ দ্বাৰা তুমি যাক ইচ্ছা কৰা বিপথগামী কৰা আৰু যাক ইচ্ছা কৰা তাক সৎপথত চালিত কৰা। তুমি আমাৰ অভিভাৱক। সেয়ে আমাক ক্ষমা কৰা আৰু আমাৰ প্ৰতি অনুগ্ৰহ বৰ্ষণ কৰা। তুমিয়েই শ্ৰেষ্ঠ ক্ষমাশীল। (১৫৬) তুমি আমাৰ ভাগ্যত ইহকাল আৰু পৰকালৰ কল্যাণ ধাৰ্য কৰি দিয়া। আমিতো তোমাৰ পিনেই ঘূৰি আহিছো।' তেওঁ (আল্লাহে) ক'লে- 'শাস্তি মই যাক ইচ্ছা কৰো, তাকে দিও; কিন্তু মোৰ কৰুণা সকলোতে ব্যাপ্ত। সেয়া মই সিহঁতৰ বাবে ধাৰ্য কৰিম, যিসকলে মোৰ বাধ্য হৈ চলে, যাকাত আদায় দিয়ে আৰু আমাৰ নিদৰ্শনসমূহৰ প্ৰতি বিশ্বাস স্থাপন কৰে।' (১৫৭) যিসকলে এই নিৰক্ষৰ প্ৰেৰিত পুৰুষজনাক অনুসৰণ কৰিব, যিজনৰ বিষয়ে সিহঁতৰ তওৰাত আৰু ইঞ্জিলতো লিখিত আকাৰে পাইছে; তেওঁ সৎকৰ্ম কৰিবলৈ আদেশ দিয়ে আৰু অসৎ কৰ্ম কৰিবলৈ নিষেধ কৰে আৰু তেওঁলোকৰ বা পৱিত্ৰ বস্তু সমূহ বৈধ আৰু অপৱিত্ৰ বস্তুসমূহ অবৈধ কৰে, সিহঁতৰ ওপৰৰ বোজাবোৰ আঁতৰ কৰে আৰু বাধ্যতাৰ বন্ধনৰ পৰা মুক্ত কৰে। সেয়ে যিসকলে তেওঁক বিশ্বাস কৰিব, সন্মান কৰিব আৰু সহায়-সহযোগিতা কৰিব আৰু তেওঁৰ প্ৰতি প্ৰেৰণ হোৱা জ্যোতিক অনুসৰণ কৰিব, তেওঁলোকে সফল হ'ব।

(১৫৮) কোৱা- 'হে মানৱ, মই তোমালোক সকলোৰে বাবে আল্লাহৰ প্ৰেৰিত ৰছুল। তেওঁ আকাশমণ্ডল আৰু পৃথিৱীৰ সাৰ্বভৌম অধিকাৰী। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেঁৱেই জীৱন দান কৰে, মৃত্যু ঘটায়। সেয়ে তোমালোকে আল্লাহৰ প্ৰতি আৰু তেওঁৰ নিৰক্ষৰ নবীৰ প্ৰতি বিশ্বাস স্থাপন কৰা, যিজনাই আল্লাহ আৰু তেওঁৰ বাণীসমূহৰ প্ৰতি বিশ্বাস স্থাপন কৰিছে। তোমালোকে তেওঁকে অনুসৰণ কৰা, সম্ভৱতঃ সুপথ লাভ কৰিব পাৰিবা।' (১৫৯) মূছাৰ সম্প্ৰদায়ৰ মাজতো এনে কিছুমান মানুহ আছিল,

যিসকলে সত্যৰ পথ দেখুৱাইছিল আৰু সত্য অনুযায়ী ন্যায় বিচাৰ কৰিছিল।

(১৬০) আমি সিহঁতক বাৰটা গোত্ৰত বিভক্ত কৰি ভিন ভিন সম্প্ৰদায় কৰি দিছো। মূছাৰ জাতিৰ মানুহবিলাকে যেতিয়া তেওঁৰ ওচৰত পানীৰ বাবে আবেদন কৰিলে, তেতিয়া আমি তেওঁক নিৰ্দেশ দিলো- 'তোমাৰ লাখুটিডালেৰে শিলডোখৰত কোব মাৰি দিয়া।' তাৰ পৰা বাৰটা নিজৰাৰ উৎপত্তি হ'ল। প্ৰতিটো গোত্ৰই নিজ নিজ পানী খোৱা স্থান নিৰ্ণয় কৰি ল'লে। আমি সিহঁতক মেঘৰ ছাঁ দিছিলো। খাদ্য হিচাবে সিহঁতলৈ আমি 'মান্না' আৰু 'ছালৱা' পঠিয়াইছিলো। কৈছিলো- 'খোৱা পৱিত্ৰ বস্তুবোৰ, যিবোৰ আমি তোমালোকক দান কৰিছো।' আচলতে সিহঁতে আমাৰ কোনো ক্ষতি কৰা নাছিল; বৰং সিহঁতে নিজেই নিজৰ অনিষ্ট কৰি লৈছিল। (১৬১) যেতিয়া সিহঁতক কোৱা হৈছিল- 'এই জনবসতিত বসবাস কৰা, য'ৰ পৰা যি ইচ্ছা তাকে খোৱা আৰু 'হিত্তাতুন, হিত্তাতুন' (আমাক ক্ষমা কৰা) বুলি কৈ মূৰ অৱনত কৰি দৰজাৰে প্ৰৱেশ কৰিবা। আমি তোমালোকৰ দোষবোৰ মাৰ্জনা কৰি দিম। সৎকৰ্মীসকলক আৰু অধিক দান কৰিম।' (১৬২) কিন্তু সিহঁতক যিবোৰ কথা কোৱা হৈছিল, অন্যায়কাৰীবিলাকে সেইবোৰ সলনি কৰিলে। সেয়ে সিহঁতৰ এনে দুষ্কাৰ্যৰ বাবে আমি আকাশৰ পৰা সিহঁতলৈ শাস্তি পঠিয়াইছিলো।

(১৬৩) সমুদ্ৰৰ তীৰৰ সেই জনবসতিৰ বিষয়ে তুমি সিহঁতক সোধাচোন, সিহঁতৰ কি দশা হ'ল যেতিয়া সিহঁতে 'ছাবাত' (শনিবৰীয়া)ৰ ক্ষেত্ৰত সীমা লংঘন কৰিছিল। শনিবাৰৰ দিনাহে মাছবোৰে পানীৰ ওপৰে ওপৰে সিহঁতৰ ওচৰলৈ আহিছিল আৰু শনিবাৰৰ বাহিৰে আন দিনা অহা নাছিল। সিহঁতৰ অবাধ্যতাৰ কাৰণে আমি সিহঁতক এইদৰে পৰীক্ষা কৰিছিলো। (১৬৪) সিহঁতৰ এটা দলে সুধিছিল- 'তোমালোকে তেনে মানুহবিলাকক কিয় উপদেশ দিছা, যিবিলাকক আল্লাহে ধ্বংস কৰিব কিম্বা কঠোৰ শাস্তি বিহিব?'

আনদলে উত্তৰ দিছিল- 'আমি তোমালোকৰ প্ৰভুৰ ওচৰত যাতে কৈফিয়ৎ দিব পাৰো আৰু যাতে সিহঁত অবাধ্যতাৰ পৰা বিৰত থাকে।'

(১৬৫) সিহঁতক যিবোৰ উপদেশ দিয়া হৈছিল, সেইবোৰ যেতিয়া সিহঁতে পাহৰি গ'ল, তেতিয়া যিবিলাক মানুহে অপকৰ্ম কৰাত বাধা দিছিল, সিহঁতক আমি ৰক্ষা কৰিলো আৰু অমান্যকাৰীবিলাকক অমান্যতাৰ বাবে কঠোৰ শাস্তি বিহিলো। (১৬৬) যিবোৰ কাম কৰিবলৈ সিহঁতক নিষিদ্ধ কৰা হৈছিল, সেইবোৰ কাম সিহঁতে পূৰ্ণ ঔদ্ধত্যৰে কৰি আছিল; তেতিয়া আমি ক'লো- 'তহঁত ইতৰ বান্দৰ হৈ পৰ।'

(১৬৭) যেতিয়া তোমাৰ প্ৰভুৱে ঘোষণা কৰিছিল যে, তেওঁ মহাপ্ৰলয়ৰ দিনলৈকে ইহুৱাঈলৰ বংশধৰবিলাকৰ ওপৰত এনে কিছুমান মানুহক পঠিয়াই থাকিব, যিবিলাকে সিহঁতক কঠোৰ নিৰ্যাতন কৰি থাকিব। নিশ্চয় তোমাৰ প্ৰভু শাস্তি দানত অতি ক্ষিপ্ৰ আৰু তেওঁ ক্ষমাশীল, দয়ালু। (১৬৮) আমি সিহঁতক পৃথিৱীত বিভিন্ন দলত বিভক্ত কৰি দিলো। সিহঁতৰ কিছুমান সৎকৰ্মশীল আছিল আৰু কিছুমান ইয়াৰ ব্যতিক্ৰম। আমি সিহঁতক কল্যাণ-অকল্যাণৰ দ্বাৰা পৰীক্ষা কৰিছিলো যাতে সিহঁত ঘূৰি আহে।

(১৬৯) সিহঁতৰ পিছত এনে কিছুমান অযোগ্য প্ৰজন্ম আছিল, যিবিলাক পুথিৰ উত্তৰাধিকাৰী হৈছিল আৰু সিহঁতে এই জগতৰ অসাৰ সামগ্ৰী গ্ৰহণত লিপ্ত থাকি কয়- 'আমাক ক্ষমা কৰা হ'ব।' অথচ সিহঁতৰ ওচৰলৈ যদি অনুৰূপ বৈষয়িক সামগ্ৰী আহে, ততালিকে সেয়াও সিহঁতে গ্ৰহণ কৰিব। পূৰ্বে সিহঁতৰ পৰা সেই পুথিৰ প্ৰতিশ্ৰুতি লোৱা হোৱা নাছিলনে যে সত্যৰ ব্যতীত সিহঁতে আল্লাহৰ সম্পৰ্কে আন কথা আৰোপ নকৰে? সেই পুথিত কি লিখা আছে, সেয়াও সিহঁতে অধ্যয়ন কৰিছে। খোদাভীৰু মানুহৰ বাবে পৰকালৰ আবাসেই শ্ৰেষ্ঠ, সেয়াও তোমালোকে নুবুজানে? (১৭০) যিসকলে আল্লাহৰ পুথিত দৃঢ়ভাৱে খামোচ মাৰি ধৰি থাকে আৰু নামাজ প্ৰতিষ্ঠা কৰে, নিশ্চয় আমি

তেনে ধৰণৰ সৎকৰ্মশীল মানুহৰ কৰ্মফল বিনষ্ট নকৰো। (১৭১) যেতিয়া আমি পাহাৰখন তুলি আনি চালিৰ দৰে সিহঁতৰ ওপৰত তৰি দিছিলো আৰু সিহঁতে ভাবিছিল সেইখন সিহঁতৰ ওপৰত পৰিব, তেতিয়া আমি কৈছিলো- 'তোমালোকক যি (পুথি) দান কৰা হৈছে, তাক দৃঢ়ভাৱে ধাৰণ কৰা আৰু তাত যি লিখা আছে সেয়া মনত ৰাখা যাতে তোমালোকৰ অন্তৰত আল্লাহৰ প্ৰতি ভীতি সঞ্চাৰ হয়।'

(১৭২) যেতিয়া তোমাৰ প্ৰভুৱে আদম সন্তানৰ পৃষ্ঠদেহৰ পৰা সিহঁতৰ বংশধৰবিলাকক উলিয়াই আনিছিল আৰু সিহঁতকে সিহঁতৰ নিজৰ সাক্ষী কৰি কৈছিল- 'মই তোমালোকৰ প্ৰভু নহয়নে?' সিহঁতে কৈছিল- 'হয়, আমি এয়া সাক্ষ্য দিলো।' এয়া এইবাবে কৰা হৈছিল তোমালোকে যাতে কিয়ামতৰ দিনা ক'ব নোৱাৰা যে এই বিষয়ে আমাৰ কোনো জ্ঞান নাছিল। (১৭৩) নাইবা এনেকৈয়ো ক'ব লগীয়া নহয়- 'পূৰ্বেই আমাৰ পিতৃ-পিতামহসকলে আনক আল্লাহৰ লগত অংশী কৰিছিল আৰু আমি তেওঁলোকৰেই বংশধৰ। এতিয়া তুমি সিহঁতৰ মিছা উদ্ভাৱনৰ বাবে আমাক ধ্বংস কৰিবা নেকি?' (১৭৪) এনেদৰে আমি আমাৰ নিদৰ্শনসমূহ স্পষ্টভাৱে বৰ্ণনা কৰো যাতে সিহঁত ঘূৰি আহে।

(১৭৫) সিহঁতক সেই মানুহজনৰ বৃত্তান্ত পাঠ কৰি শুনোৱা, যিজনক আমি আমাৰ বাণীসমূহৰ জ্ঞান দিছিলো, কিন্তু সি সেইবোৰ এৰাই চলিলে। শেষত ছয়তানে তাৰ পিছ ল'লে আৰু সি পথভ্ৰষ্টবিলাকৰ দলভুক্ত হ'ল। (১৭৬) আমি ইচ্ছা কৰাহেঁতেন, এই বাণীসমূহৰ দ্বাৰা তাক উচ্চ মৰ্যাদা দান কৰিলোহেঁতেন; কিন্তু সি দুনিয়াৰ প্ৰতিহে আকৃষ্ট হ'ল আৰু নিজ প্ৰবৃত্তিৰ অনুসৰণ কৰিবলৈ ল'লে। শেষত তাৰ অৱস্থা কুকুৰৰ দৰে হ'ল। তুমি তাক খেদিলেও সি জিভা উলিয়াই ফোপাই থাকে আৰু নেখেদিলেও জিভা উলিয়াই ফোপাই থাকে। এয়া আমাৰ নিদৰ্শনসমূহক অবিশ্বাস কৰা বিলাকৰ উদাহৰণ। তুমি সিহঁতক এই কাহিনীবোৰ শুনোৱা যাতে সিহঁতে চিন্তা-চৰ্চা কৰে।

(১৭৭) যিবিলাকে আমাৰ নিদৰ্শনসমূহ মিছা বুলি অস্বীকাৰ কৰিছে, সিহঁতৰ বাবে এয়া কেনে নিকৃষ্ট দৃষ্টান্ত। সিহঁতে কেৱল নিজে নিজৰহে অনিষ্ট সাধি লৈছে। (১৭৮) আল্লাহে যাক সুপথ দেখু�ৱায়, তেঁওহে সুপথ লাভ কৰে। তেওঁ যাক বিপথে নিয়ে, সি ক্ষতিগ্রস্ত হয়।

(১৭৯) আমি জ্বিন আৰু মানুহৰ অনেকক নৰকৰ বাবে সৃষ্টি কৰিছো। সিহঁতৰ হৃদয় আছে; কিন্তু হৃদয়ংগম কৰিব নোৱাৰে। সিহঁতৰ চকু আছে, কিন্তু নেদেখে। সিহঁতৰ কাণ আছে, কিন্তু নুশুনে। সিহঁত পশুৰ দৰে; বৰং তাতোকৈয়ো অধিক বিভ্রান্ত। এই মানুহবিলাকেই চেতনাহীন (আওকণীয়া)। (১৮০) আল্লাহৰ অতি উত্তম নাম আছে। তেওঁক সেইবোৰ নামেৰে মাতিবা। যিবিলাকে তেওঁৰ নাম বিকৃত কৰে, সিহঁতক বর্জন কৰিবা। সিহঁতে সিহঁতৰ কৃতকর্মৰ প্রতিফল পাবই। (১৮১) আমি যিসকলক সৃষ্টি কৰিছো, তেওঁলোকৰ ভিতৰত এনে এদল মানুহ আছে, যিসকলে মানুহক সত্যৰ পথ দেখুৱায় আৰু ন্যায় বিচাৰ কৰে। (১৮২) যিবিলাকে আমাৰ নিদৰ্শনসমূহক অস্বীকাৰ কৰে, সিহঁতক আমি লাহে লাহে নি এনে ঠাইত আটক কৰিম যে সিহঁতে গমেই নাপাব। (১৮৩) মই সিহঁতক অৱকাশ দিছো। আচলতে মোৰ কৌশল অনিবার্য।

(১৮৪) সিহঁতে চিন্তা কৰা নাইনে? সিহঁতৰ সহচৰজন (পয়গাম্বৰ) উন্মাদ নহয়। তেওঁ মাথোন এজন সতর্ককাৰীহে। (১৮৫) সিহঁতে আকাশমণ্ডল আৰু পৃথিৱীৰ সাম্রাজ্যৰ ব্যৱস্থাপনাৰ প্রতি লক্ষ্য কৰা নাইনে আৰু সেইবোৰৰ প্রতি, যিবোৰ আল্লাহে সৃষ্টি কৰিছে আৰু সিহঁতৰ জীৱনৰ নির্দিষ্ট কাল সন্নিকট আৰু অচিৰেই শেষ হ'ব বুলি ভবা নাইনে? এইবোৰ যদি সিহঁতে বিশ্বাস কৰা নাই, তেনেহ'লে কি কথানো সিহঁতে বিশ্বাস কৰিব? (১৮৬) আল্লাহে যাক বিপথে নিয়ে, তাক কোনোৱে সৎপথ দেখুৱাব নোৱাৰে। আল্লাহে সিহঁতক অবাধ্যতাৰ মাজত দিশভ্রান্ত হৈ ঘূৰিবলৈ এৰি দিয়ে। (১৮৭) সিহঁতে তোমাক মহাপ্রলয়ৰ বিষয়ে সুধে- 'সেয়া কেতিয়া ঘটিব?' কোৱা- 'ইয়াৰ জ্ঞান কেৱল

মোৰ প্ৰভুৰ ওচৰতহে আছে। সময় হ'লেই তেঁৱেই তাক প্ৰকাশ কৰিব। আকাশমণ্ডল আৰু পৃথিৱীৰ ই এটা গুৰুতৰ ঘটনা। সেয়া অকস্মাতে তোমালোকলৈ আহিব।' সিহঁতে তোমাক এনেভাৱে সোধে যেন এই বিষয়ে তোমাৰ সকলো জ্ঞান আছে, কোৱা- 'এই বিষয়ে জ্ঞান কেৱল আল্লাহৰহে আছে; কিন্তু সৰহভাগ মানুহে সেয়া নাজানে।' (১৮৮) কোৱা- 'মোৰ নিজৰ ভাল-বেয়া কৰাৰ ক্ষমতা মোৰ নাই; কিন্তু আল্লাহে যি ইচ্ছা কৰে, তাকে হয়। অদৃশ্যৰ বিষয়ে মোৰ যদি জ্ঞান থাকিলহেঁতেন, তেনেহ'লে মই মোৰ অনেক কল্যাণ সাধি ল'লোহেঁতেন আৰু মোৰ কোনো ক্ষতি নহ'লহেঁতেন। মই এজন সতৰ্ককাৰী আৰু সুসংবাদদাতাহে তেওঁলোকৰ বাবে যিসকলে মোক বিশ্বাস কৰে।'

(১৮৯) তেঁৱেই আল্লাহ, যিজনে তোমালোকক এটি প্ৰাণৰ পৰা সৃষ্টি কৰিছে আৰু তাৰ পৰাই তেওঁৰ সংগিনী সৃষ্টি কৰিছে যাতে তেওঁৰ সান্নিধ্যত তোমালোকে প্ৰশান্তি লভিব পাৰা। পুৰুষজনে নাৰী গৰাকীক সাবোট মাৰি ঢাকি ধৰাৰ ফলত এটি লঘু গৰ্ভ ধাৰণ কৰিলে আৰু তাৰ সৈতে ঘূৰা-ফিৰা কৰিব ধৰিলে। যেতিয়া গা ভাৰী হ'ল, তেওঁলোক দুয়ো মিলি তেওঁলোকৰ প্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰিলে- 'প্ৰভু, তুমি যদি আমাক সুস্বাস্থ্যবান সন্তান দান কৰা, তেনেহ'লে নিশ্চয় আমি তোমাৰ কৃতজ্ঞ হৈ থাকিম।' (১৯০) আল্লাহে সিহঁতক এটি সুস্থ সুঠাম সন্তান দান কৰিলে। সিহঁতে সেই মহান দানৰ লগত আনকো অংশী কৰিবলৈ লয়। আল্লাহ অতি মহান আৰু সিহঁতৰ এনে অংশীবাদী কথাৰ পৰা বহু উৰ্ধত। (১৯১) সিহঁতে এনে বিলাকক আল্লাহৰ অংশী কৰিলে, যিবিলাকে একোৱেই সৃষ্টি কৰা নাই; বৰং সিহঁত নিজেই সৃষ্ট; (১৯২) সিবিলাকে আনকো সহায় কৰিব নোৱাৰে; আনকি সিহঁতে নিজকে নিজেও সহায় কৰিব নোৱাৰে। (১৯৩) তুমি সিহঁতক আহৱানেই কৰা বা নীৰবেই থকা একে কথা, কিয়নো যদিও তুমি সিহঁতক সৎপথলৈ আহ্বান

কৰা সিহঁতে তোমাক অনুসৰণ নকৰে। (১৯৪) আল্লাহৰ ব্যতীত তোমালোকে যিবিলাকক মাতা, সিবিলাকো তোমালোকৰ দৰেই আল্লাহৰ দাস। মাতাচোন সিহঁতক, সিহঁতে তোমালোকক সঁহাৰি দিয়েনে? যদি তোমালোকে সিহঁতৰ বিষয়ে সঁচায়ে কৈছা।

(১৯৫) সিহঁতৰ ভৰি আছেনে যে খোজ কাঢ়িব পাৰে? সিহঁতৰ হাত আছেনে যে ধৰিব পাৰে? সিহঁতৰ চকু আছেনে যে দেখা পায়? সিহঁতৰ কাণ আছেনে যে শুনা পায়? কোৱা- 'মাতা সিহঁতক, যিবিলাকক তোমালোকে আল্লাহৰ লগত অংশী কৰিছা। তোমালোক আটায়ে মিলি মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা আৰু মোক অকণো অৱকাশ নিদিবা।' (১৯৬) নিশ্চয় মোৰ পৃষ্ঠপোষক সেইজন, যিজনে এই পুথিখন অৱতীৰ্ণ কৰিছে আৰু তেঁৱেই সৎকৰ্মপৰায়ণ মানুহক ৰক্ষা কৰে। (১৯৭) তেওঁৰ পৰিৱৰ্তে তোমালোকে যিবিলাকক মাতা, তোমালোকক সহায় কৰাৰ ক্ষমতা সিহঁতৰ নাই আৰু সিহঁতে নিজকেও সহায় কৰিব নোৱাৰে। (১৯৮) তুমি যদি সিহঁতক সৎপথলৈ আহবান কৰা, সিহঁতে তোমাৰ কথা নুশুনে। তুমি দেখিবা সিহঁতে তোমালৈ চাই আছে, কিন্তু প্ৰকৃততে সিহঁতে একোৱেই দেখা নাই।

(১৯৯) সহনশীল হোৱা, সৎকৰ্মৰ আদেশ দিয়া আৰু নিৰ্বোধবিলাকৰ পৰা আঁতৰি থাকা। (২০০) ছয়তানে যদি কেতিয়াবা তোমাক প্ৰৰোচিত কৰে, তেনেহ'লে আল্লাহৰ আশ্ৰয় প্ৰাৰ্থনা কৰিবা। তেওঁ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ। (২০১) খোদাভীৰুসকলক ছয়তানে কুমন্ত্ৰণা দিয়াৰ লগে লগে তেওঁলোক সতৰ্ক হয় আৰু তেওঁলোকৰ সঠিক পথ তেওঁলোকে দেখা পায়।

(২০২) ছয়তানৰ অনুগামীসকলে সিহঁতক পথভ্ৰষ্টতাৰ পিনে টানি নিয়ে আৰু সিহঁতক বিভ্ৰান্ত কৰিবলৈ চেষ্টাৰ ত্ৰুটি নকৰে।

(২০৩) তুমি সিহঁতৰ সন্মুখত (অলৌকিক) নিদৰ্শন নানিলে সিহঁতে কয়- 'তুমি নিজৰ পৰাই কোনো নিদৰ্শন সাজি নানিলা কিয়?' কোৱা- 'মই

কেৱল সেয়াহে মানি চলো, মোৰ প্ৰভুৰ পৰা যি প্ৰত্যাদেশ মৌলৈ আহে। এই পুথিখন তোমাৰ প্ৰভুৰ পৰা অন্তৰ্দৃষ্টিৰ উজ্বল জ্যোতি আৰু বিশ্বাস স্থাপনকাৰীসকলৰ বাবে পথনির্দেশনা আৰু দয়া। (২০৪) যেতিয়া কুৰআন পাঠ কৰা হয়, তেতিয়া মনোযোগেৰে শুনিবা আৰু নিৰৱে থাকিবা যাতে তোমালোক কৰুণাপ্ৰাপ্ত হ'ব পাৰা। (২০৫) পুৱা-গধূলি তোমাৰ প্ৰভুক সবিনয়ে আৰু ভয় শংকাভাৱেৰে স্মৰণ কৰিবা। অমনোযোগী নহ'বা। (২০৬) তোমাৰ প্ৰভুৰ নৈকট্যত থকাসকলে (ফিৰিস্তাসকলে) দাসত্ব কৰিবলৈ অহংকাৰ নকৰে। তেওঁলোকে তেওঁৰ গুণানুকীর্তন কৰে আৰু তেওঁক সাস্তাংগে প্ৰণিপাত কৰে।

আল-আনফাল (যুদ্ধলব্ধ সম্পদ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) সিহঁতে তোমাক যুদ্ধলব্ধ সম্পদৰ বিষয়ে সোধে, কোৱা- 'যুদ্ধলব্ধ সম্পদ আল্লাহ আৰু তেওঁৰ ৰছুলৰ। সেয়ে আল্লাহক ভয় কৰা আৰু তোমালোকৰ পাৰস্পৰিক সুসম্পর্ক গঢ়ি তোলা। আল্লাহ আৰু ৰছুলক মানি চলা, যদি তোমালোক প্ৰকৃত বিশ্বাস স্থাপনকাৰী হোৱা।' (২) প্ৰকৃত বিশ্বাস স্থাপনকাৰী তেওঁলোকেই, আল্লাহৰ কথা আলোচিত হ'লে যিসকলৰ অন্তৰত ভীতিৰ সঞ্চাৰ হয় আৰু আল্লাহৰ বাণী পাঠ কৰিলে তেওঁলোকৰ ঈমান (বিশ্বাস) আৰু দৃঢ় হয়। তেওঁলোকে তেওঁলোকৰ প্ৰভুৰ ওপৰত ভৰসা কৰে, (৩) নামাজ প্ৰতিষ্ঠা কৰে আৰু আমি তেওঁলোকক যি দিছো, তাৰ পৰা খৰচ কৰে, (৪) তেওঁলোকেই প্ৰকৃত মুমিন। তেওঁলোকৰ বাবে তেওঁলোকৰ প্ৰভুৰ ওচৰত আছে উচ্চ মর্যাদা, তেওঁৰ ক্ষমা আৰু সন্মানজনক জীৱিকা।

(৫) তোমালোকৰ প্ৰভুৱে তোমালোকক ন্যায়সংগতভাৱে তোমালোকৰ

ঘৰৰ পৰা উলিয়াই আনিছিল আৰু মুমিনসকলৰ এটা দলে সেয়া ভাল পোৱা নাছিল। (৬) সত্য স্পষ্টভাৱে প্ৰকাশ পোৱাৰ পিছত সিহঁতে তোমাৰ লগত বিতৰ্ক কৰিছিল, যেনিবা সিহঁতক মৃত্যুৰ ফালে খেদি নিয়া হৈছে আৰু সেয়া সিহঁতে চাই আছে। (৭) যেতিয়া আল্লাহে তোমালোকক প্ৰতিশ্ৰুতি দিছিল যে, দুদলৰ মাজত এদল তোমালোকে পাবা আৰু তোমালোকে বিচাৰিছিলা যে সংকটমুক্ত দলটো তোমালোকৰ হওঁক; কিন্তু আল্লাহৰ ইচ্ছা তেওঁৰ বাণীৰে সত্যক সত্য ৰূপে প্ৰতিষ্ঠিত কৰি দেখুওৱা আৰু অস্বীকাৰকাৰীবিলাকক নিৰ্মূল কৰা; (৮) যাতে সত্যক সত্য ৰূপে আৰু অসত্যক অসত্য ৰূপে প্ৰতিপন্ন কৰিব পাৰে পাপিষ্ঠবিলাকে যিমানেই অপচন্দ নকৰক কিয়?

(৯) যেতিয়া তোমালোকে তোমালোকৰ প্ৰভুৰ ওচৰত সাহায্যৰ বাবে প্ৰাৰ্থনা কৰিছিলা, তেতিয়া তেওঁ সঁহাৰি জনাই কৈছিল- 'মই পৰ্যায়ক্ৰমে এহেজা�ৰ ফি�ৰিস্তা (দেৱদূত) পঠিয়াই তোমালোকক সহায় কৰিম।' (১০) আল্লাহে এয়া কৰিছিল এটা সুসংবাদ হিচাবে আৰু যাতে তোমালোকৰ অন্তৰ আশ্বস্ত হয়। সহায় কেৱল আল্লাহৰ পৰাইহে আহে। নিশ্চয় আল্লাহ প্ৰবল পৰাক্ৰমী, প্ৰজ্ঞাময়। (১১) আল্লাহে তোমালোকক তন্দ্ৰাচ্ছন্ন কৰিছিল তোমালোকক প্ৰত্যয় নিয়াবলৈ আৰু আকাশৰ পৰা পানী বৰ্ষাইছিল তোমালোকক পৱিত্ৰ কৰিবলৈ আৰু ছয়তানে কৰা তোমালোকৰ অপৱিত্ৰতা দূৰ কৰিবলৈ আৰু তোমালোকৰ অন্তৰসমূহ সুদৃঢ় কৰিবলৈ আৰু চৰণসমূহ দৃঢ়ভাৱে স্থিৰ কৰি ৰাখিবলৈ। (১২) যেতিয়া তোমাৰ প্ৰভুৱে ফিৰিস্তাসকলৈ বাৰ্তা পঠাইছিল যে- 'মই তোমালোকৰ লগত আছো। তোমালোকে বিশ্বাস স্থাপনকাৰীসকলক অবিচল কৰি ৰাখা। অচিৰেই মই অবিশ্বাসকাৰীবিলাকৰ অন্তৰত ভয়ৰ উদ্ৰেক কৰি দিম; সেয়ে সিহঁতৰ ডিঙিত আঘাত কৰা আৰু আঙুলিৰ গাঁঠিত আঘাত কৰা।' (১৩) ইয়াৰ কাৰণ হ'ল, সিহঁতে আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰুদ্ধাচৰণ কৰিছে। যেয়ে আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰোধিতা কৰে, আল্লাহে তাক

কঠোৰ শাস্তি দিব। (১৪) এয়া তোমালোকৰ শাস্তি, সোৱাদ লোৱা। জানি থোৱা, সত্য অস্বীকাৰকাৰীবিলাকৰ বাবে জাহান্নামৰ শাস্তি আছে।

(১৫) হে বিশ্বাস স্থাপনকাৰীসকল, যেতিয়া তোমালোকে যুদ্ধ ক্ষেত্ৰত অবিশ্বাসকাৰী শত্রু সেনাৰ মুখামুখী হোৱা, তেতিয়া তোমালোকে পৃষ্ঠ প্রদর্শন নকৰিবা। (১৬) যুদ্ধৰ কৌশল হিচাবে বা প্রতিপক্ষৰ সেনাৰ লগত মিলিত হোৱাৰ উদ্দেশ্যে ব্যতীত যদি কোনোৱে পিছ হোঁহকে, তেনেহ'লে নিশ্চয় সি আল্লাহৰ বিৰাগভাজন হ'ব। সিহঁতৰ আশ্রয় স্থল হ'ব জাহান্নাম আৰু সেয়া অতি জঘন্য আশ্রয়স্থল।

(১৭) তোমালোকে সিহঁতক হত্যা কৰা নাছিলা; বৰং আল্লাহে সিহঁতক হত্যা কৰিছিল। তুমি যেতিয়া ধূলিমুঠি নিক্ষেপ কৰিছিলা, সেয়া তুমি নিক্ষেপ কৰা নাছিলা, আল্লাহে নিক্ষেপ কৰিছিল যাতে মুমিনসকলক নিজৰ ফালৰ পৰা পূৰাপূৰি সহায় কৰিব পাৰে। নিশ্চয় আল্লাহ সর্বশ্রোতা, সর্বজ্ঞ। (১৮) এয়া যি হ'বৰ হ'ল। আল্লাহে সিহঁতৰ কৌশল ব্যর্থ কৰি দিয়ে, যিবিলাকে সত্য অস্বীকাৰ কৰিছে। (১৯) যদি তোমালোকে মীমাংসা বিচৰা, তেনেহ'লে মীমাংসা তোমালোকৰ ওচৰ পালেহি। এতিয়া তোমালোকে যদি বিৰত থাকা, তোমালোকৰ বাবে মংগল। পুনৰপি যদি তোমালোকে তেনে কৰা, আমিও তেনে কৰিম। তোমালোকৰ সেনা-বাহিনী কোনো কামত নাহিব লাগিলে যিমানেই বৃহৎ সংখ্যক নহওঁক কিয়? নিশ্চয় আল্লাহ বিশ্বাস স্থাপনকাৰীসকলৰ লগত আছে।

(২০) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহ আৰু ৰছুলৰ আজ্ঞা পালন কৰা। তেওঁৰ নির্দেশ শুনাৰ পিছত তেওঁৰ পৰা আঁতৰি নাযাবা, (২১) সিহঁতৰ দৰে নহ'বা, যিবিলাকে কয়- 'আমি শুনিছো।' আচলতে সিহঁতে শুনাই নাই। (২২) আল্লাহৰ মানত নিকৃষ্ট সৃষ্টি হ'ল সেইবিলাক কলা, বোবা মানুহ, যিবিলাকে একোৱেই নুবুজে। (২৩) আল্লাহে যদি সিহঁতৰ ভিতৰত কোনো ভাল

দেখিলেহেঁতেন, তেনেহ'লে সিহঁতক শুনাৰ সামৰ্থ দান কৰিলেহেঁতেন। তেওঁ যদি সিহঁতক শুনাইও দিলেহেঁতেন, সিহঁতে মুখ ঘুৰাই আঁতৰি গ'লহেঁতেন।

(২৪) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহ আৰু তেওঁৰ ৰছুলৰ আহবানত সঁহাৰি জনাবা। ৰছুলে তোমালোকক সেই বস্তুৰ পিনে আহবান কৰে, যিটোৱে তোমালোকক নৰ জীৱন দান কৰে। জানি থোৱা, আল্লাহ মানুহ আৰু অন্তৰৰ মাজত বিদ্যমান। তেওঁৰ ওচৰত তোমালোকক সমবেত কৰা হ'ব। (২৫) বিপর্যয় সৃষ্টি কৰাৰ পৰা বিৰত থাকিবা। কিয়নো সেয়া কেৱল বিপর্যয় সৃষ্টিকাৰীৰ মাজতেই সীমাবদ্ধ নাথাকে। জানি থোৱা, আল্লাহ কঠোৰ শাস্তিদাতা।

(২৬) স্মৰণ কৰা, যেতিয়া তোমালোক কম সংখ্যক আছিলা আৰু দেশত তোমালোকক দুর্বল বুলি ভবা হৈছিল তোমালোকে ভয় কৰিছিলা কিজানি মানুহবিলাকে তোমালোকক নিশ্চিহ্ন কৰি দিয়ে। পিছে আল্লাহে তোমালোকক আশ্রয় স্থলৰ ব্যৱস্থা কৰি দিলে। নিজ সহায়েৰে তোমালোকক শক্তিশালী কৰিলে আৰু তোমালোকক পৱিত্র জীৱিকা দান কৰিলে যাতে তোমালোক কৃতজ্ঞ হোৱা। (২৭) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহ আৰু তেওঁৰ ৰছুলৰ লগত বিশ্বাসঘাতকতা নকৰিবা। জানি-শুনি তোমালোকে আমানত সমূহৰ (গচ্ছিত দ্রব্য) সম্পর্কে বিশ্বাস ভংগ নকৰিবা। (২৮) জানি থোৱা, তোমালোকৰ ধন-সম্পদ আৰু সন্তান-সন্ততি তোমালোকৰ কাৰণে এটা পৰীক্ষা। আল্লাহৰ ওচৰতহে আছে উত্তম পুৰস্কাৰ।

(২৯) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে যদি আল্লাহক ভয় কৰা, আল্লাহে তোমালোকক ফুৰকান (ভাল-বেয়া বিচাৰৰ মানদণ্ড) দান কৰিব, তোমালোকৰ পাপবোৰ মোচন কৰি দিব আৰু তোমালোকক ক্ষমা কৰিব। আল্লাহ মহা অনুগ্রহৰ অধিকাৰী। (৩০) স্মৰণ কৰা, সত্য অস্বীকাৰকাৰীবিলাকে

তোমালোকৰ বিৰুদ্ধে নানা অভিসন্ধি কৰিছিল, হয় তোমাক বন্দী কৰিব, নহয় হত্যা কৰিব নাইবা দেশান্তৰ কৰিব। সিহঁতে অভিসন্ধি কৰিছিল আৰু আল্লাহেও তাৰ প্ৰতি ব্যৱস্থা কৰিছিল। আল্লাহ সবাতোকৈ উত্তম কৌশলী।

(৩১) যেতিয়া সিহঁতক আমাৰ বাণীসমূহ পাঠ কৰি শুনোৱা হয়, তেতিয়া সিহঁতে কয়- 'আমি শুনিলো। ইচ্ছা কৰিলে আমিও এনেদৰে ৰচনা কৰিব পাৰো। এইবোৰ পুৰণিকলীয়া কাহিনীৰ বাহিৰে আন একো নহয়।' (৩২) সিহঁতে কৈছিল- 'হে প্ৰভু, এয়া যদি সত্যই তোমাৰ পৰাই আহিছে, তেনেহ'লে আকাশৰ পৰা আমাৰ ওপৰত শিলা-বৃষ্টি বৰ্ষণ কৰা নাইবা আমাৰ বাবে কোনো বেদনাদায়ক শাস্তি আনা।' (৩৩) আল্লাহে সিহঁতক শাস্তি দিব বিচৰা নাই যিহেতু তুমি সিহঁতৰ মাজত আছা। আল্লাহৰ এয়াও নীতি নহয় যে, মানুহে ক্ষমা বিচাৰিব আৰু আল্লাহে সিহঁতক শাস্তি দিব। (৩৪) তথাপি আল্লাহে সিহঁতক কিয় শাস্তি নিবিহিব, যিহেতু সিহঁতে 'মছজিদুল হাৰাম' (পৱিত্ৰ কাবা) লৈ যোৱাৰ পথত বাধা দিছে? অথচ সিহঁত তাৰ বৈধ তত্ত্বাৱধায়ক নহয়। একমাত্ৰ খোদাভীৰু মানুহহে ইয়াৰ তত্ত্বাৱধায়ক হ'ব পাৰে আৰু সিহঁতৰ অধিকাংশ মানুহে সেয়া নাজানে। (৩৫) কাবা গৃহত কৰা সিহঁতৰ উপাসনা উৰুলি আৰু হাত তালিৰ বাহিৰে আন একো নহয়। সেয়ে অস্বীকাৰ কৰাৰ শাস্তি এতিয়া ভোগ কৰা।

(৩৬) যিবিলাকে সত্য মানিবলৈ অস্বীকাৰ কৰে, সিহঁতে মানুহক আল্লাহৰ পথৰ পৰা বিৰত ৰাখিবৰ বাবে নিজৰ ধন-সম্পদ ব্যয় কৰে আৰু আগলৈয়ো ব্যয় কৰি থাকিব। শেষত ইয়ে সিহঁতৰ আক্ষেপৰ কাৰণ হ'ব। ইয়াৰ পিছত সিহঁত পৰাভূত হ'ব আৰু সত্য অবিশ্বাসকাৰীবিলাকক খেদি নি জাহান্নামত একত্ৰিত কৰা হ'ব, (৩৭) যাতে আল্লাহে অপৱিত্ৰক পৱিত্ৰৰ পৰা পৃথক কৰিব পাৰে আৰু অপৱিত্ৰক এটাৰ ওপৰত আনটো ৰাখি একগোট কৰি আটাইকে জাহান্নামত নিক্ষেপ কৰিব পাৰে আৰু সিহঁত ক্ষতিগ্ৰস্ত হ'ব।

(৩৮) সত্য অস্বীকাৰকাৰীবিলাকক কোৱা- 'সিহঁতে পূর্বতে যি কৰিছিল, সেয়া যদি পৰিহাৰ কৰি চলে, সেয়া মার্জনা কৰা হ'ব; কিন্তু সিহঁতে যদি সেয়া পুনৰপি কৰে, তেনেহ'লে বিগত জাতিবোৰৰ উদাহৰণটো আছেই সিহঁতৰ কি দশা হৈছিল। (৩৯) অশান্তি শাম নকটালৈকে আৰু ধর্ম সামগ্রিকভাৱে প্রতিষ্ঠা নোহোৱালৈকে সিহঁতৰ বিৰুদ্ধে সংগ্রাম কৰি থাকা। সিহঁত যদি তাৰ পৰা বিৰত হয়, তেনেহ'লে আল্লাহে সিহঁতৰ কর্মসমূহ নিৰীক্ষণ কৰি আছে। (৪০) আৰু যদি সিহঁতে মুখ ঘুৰায়, তেনেহ'লে জানি থোৱা, আল্লাহ তোমালোকৰ ৰক্ষক। তেঁৱেই শ্রেষ্ঠ ৰক্ষক আৰু শ্রেষ্ঠ সহায়ক।

(৪১) জানি থোৱা, তোমালোকে যিবোৰ যুদ্ধলব্ধ সম্পদ লাভ কৰা, তাৰ এক পঞ্চমাংশ আল্লাহ আৰু তেওঁৰ ৰছুলৰ, আত্মীয়-স্বজন, মাউৰা, অভাৱগ্রস্ত আৰু পথিকৰ বাবে। যদি তোমালোকে আল্লাহৰ প্রতি বিশ্বাস স্থাপন কৰা আৰু সেই সমূহক যিবোৰ আমি নিজৰ বান্দা (মুহাম্মদ) ওচৰলৈ নির্ণয়ৰ দিনা (বদৰ যুদ্ধৰ দিনা) পঠিয়াইছিলো, যিদিনা দুয়োদল মুখামুখী হৈছিল আৰু আমি আমাৰ দাসৰ প্রতি যি অৱতীর্ণ কৰিছিলো তাৰ প্রতি বিশ্বাসী হোৱা। আল্লাহ সকলো বস্তুৰ ওপৰত ক্ষমতাবান।

(৪২) যেতিয়া তোমালোকে উপত্যকাৰ নিকটৱর্তী প্রান্তত আছিলা আৰু সিহঁত দূৰ প্রান্তত আছিল আৰু বণিকৰ দলটো তোমালোকৰ নিম্ন দিশত আছিল। তোমালোকে যদি পৰস্পৰে মিলি এটা সময় নির্ধাৰণ কৰিব বিচাৰিলাহেঁতেন, তোমালোকৰ মাজত মতভেদ হ'লহেঁতেন। পিছে আল্লাহে যি ধার্য কৰি থৈছিল, সেয়া তেওঁ প্রকাশ কৰিবই আৰু যি নিহত হ'ব লগীয়া হয় সি প্রকাশ্য প্রমাণৰ আধাৰত নিহত হ'বই আৰু যি জীয়াই থাকিব লগীয়া হয় সি প্রকাশ্য প্রমাণৰ আধাৰতে জীয়াই থাকিবই। আল্লাহ সর্বশ্রোতা, সর্বজ্ঞ। (৪৩) আল্লাহে তোমাক সপোনত সিহঁতৰ সংখ্যা কম দেখু�ৱাইছিল, যদি বেছি দেখুৱালেহেঁতেন, তোমালোকে নিৰুৎসাহ হৈ নিজৰ মাজতে মতভেদ সৃষ্টি

কৰিলাহেঁতেন; কিন্তু আল্লাহে তোমালোকক ৰক্ষা কৰিলে। তেওঁ অন্তৰ্যামী।
(৪৪) যুদ্ধৰ সন্মুখীন হোৱাৰ সময়ত আল্লাহে তোমালোকৰ দৃষ্টিত শত্রু পক্ষক কম সংখ্যক দেখুৱাইছিল আৰু শত্রু পক্ষৰ দৃষ্টিতো তোমালোকক কম সংখ্যক দেখুৱাইছিল যাতে আল্লাহে যি ধাৰ্য কৰি থৈছিল, সেয়া কাৰ্যকৰী কৰিব পাৰে। শেষত সকলো বিষয় আল্লাহৰ পিনেই প্রত্যাৱর্তিত হয়।

(৪৫) হে বিশ্বাস স্থাপনকাৰীসকল, যেতিয়া তোমালোক কোনো বাহিনীৰ মুখামুখি হোৱা, তেতিয়া অবিচল হৈ থাকিবা আৰু আল্লাহক বেছিকৈ স্মৰণ কৰিবা যাতে তোমালোক সফল হ'ব পাৰা। (৪৬) আল্লাহ আৰু তেওঁৰ ৰছুলৰ আনুগত্য কৰা আৰু আত্মকলহ নকৰিবা, নহ'লে তোমালোকৰ মাজত দুর্বলতা আহিব আৰু তোমালোকৰ শক্তি বিলুপ্ত হ'ব। ধৈর্য ধাৰণ কৰা। নিশ্চয় আল্লাহ ধৈর্যশীলসকলৰ লগত থাকে। (৪৭) তোমালোক সিহঁতৰ দৰে নহ'বা, যিসকলে দম্ভ কৰে আৰু আনক দেখুওৱাৰ উদ্দেশ্যে নিজ ঘৰৰ পৰা ওলাই যায়। সিহঁতে আল্লাহৰ পথৰ পৰা মানুহক বিৰত ৰাখে। সিহঁতৰ যাৱতীয় কাম-কাজ আল্লাহে পৰিবেষ্টন কৰি আছে।

(৪৮) ছয়তানে সিহঁতৰ কাম-কাজবোৰ সিহঁতৰ দৃষ্টিত আকর্ষণীয় কৰি দি কৈছিল- 'আজি তোমালোকৰ ওপৰত কোনোৱে জয়লাভ কৰিব নোৱাৰে। মই তোমালোকৰ ৰক্ষাকাৰী।' কিন্তু যেতিয়া দুয়োদল পৰস্পৰ মুখামুখী হ'ল, সি মূৰ পোলোকা মাৰিলে আৰু ক'লে- 'এয়া মই তোমালোকৰ লগ এৰিলো। মই যি দেখিছো, তোমালোকে সেয়া দেখা নোপোৱা। মই আল্লাহক ভয় কৰো। শাস্তি বিহাত আল্লাহ অতি কঠোৰ।' (৪৯) কপটাচাৰী আৰু যিবিলাকৰ অন্তৰত ব্যাধি আছে, সিহঁতে কৈছিল- 'এই মানুহবিলাকক ইহঁতৰ ধর্মই বিভ্রান্ত কৰিছে; কিন্তু যিয়ে আল্লাহৰ ওপৰত নির্ভৰ কৰে, (তেওঁ জানে) আল্লাহ সর্বশক্তিমান, প্রজ্ঞাময়।

(৫০) যদি তুমি দেখিলাহেঁতেন, যেতিয়া ফিৰিস্তাসকলে সত্য

অস্বীকাৰকাৰীবিলাকৰ প্ৰাণ হৰণ কৰে, তেওঁলোকে সিহঁতৰ মুখমণ্ডল আৰু পিঠিত প্ৰহাৰ কৰি কয়- 'দহন যন্ত্ৰণা ভোগ কৰা, (৫১) এয়া তোমালোকে পূৰ্বে নিজ হাতেৰে পঠোৱা কৰ্মৰ প্ৰতিফল।' আল্লাহে তেওঁৰ বান্দাৰ ওপৰত অবিচাৰ নকৰে। (৫২) ফিৰাউনৰ সম্প্ৰদায় আৰু সিহঁতৰ পূৰ্বৱৰ্তী মানুহবিলাকৰ দৰে সিহঁতে আল্লাহৰ নিদৰ্শনসমূহ অস্বীকাৰ কৰিছিল, সেয়ে সিহঁতৰ পাপৰ কাৰণে সিহঁতক আটক কৰিলে। আল্লাহ শক্তিমান আৰু কঠোৰ শাস্তিদাতা। (৫৩) আল্লাহে কোনো জাতিক যি অনুগ্ৰহ দান কৰে, সেয়া তেওঁ পৰিৱৰ্তন কৰি নিদিয়ে, যেতিয়ালৈকে সিহঁতে নিজে নিজৰ অন্তৰ পৰিৱৰ্তন কৰি নলয়। আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ। (৫৪) ফিৰাউনৰ সম্প্ৰদায় আৰু সিহঁতৰ পূৰ্বৱৰ্তী মানুহবিলাকৰ আচৰণৰ দৰে সিহঁতে সিহঁতৰ প্ৰভুৰ নিদৰ্শনসমূহক অগ্ৰাহ্য কৰিছিল। এই পাপৰ বাবে আমি সিহঁতক বিনাশ কৰিলো আৰু ফিৰাউন আৰু তাৰ মানুহবিলাকক ডুবাই মাৰিলো। সিহঁত আটায়ে অন্যায়কাৰী আছিল।

(৫৫) আল্লাহৰ মানত আটাইতকৈ নিকৃষ্ট সৃষ্টি হ'ল সেইবিলাক মানুহ, যিবিলাকে তেওঁক অস্বীকাৰ কৰে আৰু কোনো পধ্যে বিশ্বাসেই নকৰে; (৫৬) যিবিলাকৰ লগত তুমি চুক্তি কৰিছা, প্ৰতিটো ক্ষেত্ৰতে সিহঁতে চুক্তি উলংঘা কৰিছে আৰু সিহঁতে (আল্লাহক) ভয় নকৰে। (৫৭) তুমি যদি যুদ্ধক্ষেত্ৰত সিহঁতৰ মুখামুখি হোৱা, তেনেহ'লে সিহঁতক এনে শাস্তি দিবা যাতে সিহঁতৰ পিছৰ মানুহবিলাকে অভিসন্ধি বৰ্জন কৰে আৰু চেতনা জাগে। (৫৮) যদি কোনো সম্প্ৰদায়ে বিশ্বাসঘাতকতা কৰাৰ শংকা কৰা, তেনেহ'লে সিহঁতৰ লগত কৰা চুক্তি প্ৰকাশ্যভাৱে সিহঁতলৈ দলিয়াই দিবা যাতে সমস্থিতিত থাকা। আল্লাহে বিশ্বাসঘাতকক ভাল নাপায়।

(৫৯) সত্য অস্বীকাৰকাৰীবিলাকে পলাই সাৰিব পাৰিব বুলি কেতিয়াও ধাৰণা কৰিব নালাগে। সিহঁতে (আল্লাহৰ উদ্দেশ্যক) ব্যৰ্থ কৰিব নোৱাৰে।

(৬০) সিহঁতৰ বিৰুদ্ধে তোমালোকে পাৰ্যমানে শক্তি আহৰণ কৰা আৰু অশ্ববাহিনী সুসজ্জিত কৰি সাজু ৰাখা যাতে আল্লাহ আৰু তোমালোকৰ শত্ৰু আৰু আনবোৰ শত্ৰুকো শংকিত কৰিব পাৰা। তোমালোকে সিহঁতক নাজানা, কিন্তু আল্লাহে সিহঁতক ভালকৈয়ে জানে। তোমালোকে আল্লাহৰ পথত যি ব্যয় কৰা, তাৰ প্ৰতিদান তোমালোকক দিয়া হ'ব আৰু তোমালোকৰ প্ৰতি কোনো অবিচাৰ কৰা নহ'ব। (৬১) সিহঁতে যদি সন্ধি কৰিবলৈ আগ্ৰহ কৰে, তুমিও আগ্ৰহী হ'বা আৰু আল্লাহৰ ওপৰত ভৰসা কৰিবা। আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ। (৬২) সিহঁতে যদি তোমাক প্ৰতাৰণা কৰিব বিচাৰে, আল্লাহেই তোমাৰ বাবে যথেষ্ট। তেঁৱেইতো তোমালোকক নিজ সাহাৰ্য্যৰে আৰু বিশ্বাস স্থাপনকাৰীসকলে তোমাক সমৰ্থন কৰি শক্তি যোগান ধৰিছে; (৬৩) আৰু তেওঁলোকৰ অন্তৰত মিলা-প্ৰীতিৰ সৃষ্টি কৰি দিছে। তুমি পৃথিৱীৰ সমগ্ৰ ধন-সম্পদ ব্যয় কৰিলেও তেওঁলোকৰ অন্তৰত সুহৃদয়তা সৃষ্টি কৰিব নোৱাৰিলাহেঁতেন; কিন্তু আল্লাহে তেওঁলোকৰ মাজত প্ৰীতি সৃষ্টি কৰি দিছে। তেঁৱেই পৰাক্ৰমী, বিজ্ঞ।

(৬৪) হে নবী, তোমাৰ বাবে আল্লাহেই যথেষ্ট আৰু সেইসকল বিশ্বাস স্থাপনকাৰী, যিসকলে তোমাক অনুসৰণ কৰে। (৬৫) হে নবী, বিশ্বাস স্থাপনকাৰীসকলক যুদ্ধৰ বাবে উদ্বুদ্ধ কৰা। তোমালোকৰ যদি কুৰিজন ধৈৰ্যশীল অবিচল মানুহ হয়, তেওঁলোকে দুশজনক পৰাভূত কৰিব আৰু তোমালোকৰ যদি এশজন হয়, তেওঁলোকে এহেজাৰজন অবিশ্বাসকাৰীৰ ওপৰত বিজয় লাভ কৰিব। কাৰণ সিহঁতে জ্ঞান শিক্ষা নলয়। (৬৬) আল্লাহে এতিয়া তোমালোকৰ বোজা লাঘৱ কৰিলে আৰু তোমালোকৰো দুৰ্বলতা আছে বুলি জানিব পাৰিলে। সেয়ে তোমালোকৰ যদি এশজন অটল ধৈৰ্যশীল লোক হয়, তেওঁলোকে সিহঁতৰ দুশজনক পৰাভূত কৰিব আৰু তোমালোকৰ যদি এহেজাৰ হয়, তেনেহ'লে আল্লাহৰ ইচ্ছাত তেওঁলোকে সিহঁতৰ

দুহেজাৰজনক পৰাভূত কৰিব। আল্লাহ ধৈর্যশীলসকলৰ লগত থাকে।

(৬৭) দেশত সম্পূর্ণৰূপে শত্রুক উচ্ছন্ন নকৰালৈকে যুদ্ধবন্দী ৰখাটো কোনো নবীৰ পক্ষে উচিত নহয়। তোমালোকে পার্থিৱ কল্যাণ বিচৰা, কিন্তু আল্লাহে তোমালোকৰ বাবে পৰকালৰ কল্যাণ বিচাৰে। আল্লাহ পৰাক্রমী, প্রজ্ঞাময়। (৬৮) আল্লাহৰ পূর্ব বিধান নথকাহেঁতেন, তোমালোকে যি গ্রহণ কৰিছিলা, তাৰ বাবে তোমালোকে অৱশ্যই কঠোৰ শাস্তি পালাহেঁতেন। (৬৯) যুদ্ধত যিবোৰ তোমালোকৰ হস্তগত হৈছে, সেয়া ভোগ কৰা। সেইবোৰ বৈধ আৰু পৱিত্র। আল্লাহক ভয় কৰা। আল্লাহ অতি ক্ষমাশীল আৰু দয়ালু।

(৭০) হেনবী, তোমাৰ কৰায়ত্বত থকা বন্দীবিলাকক কোৱা- 'আল্লাহে যদি তোমালোকৰ অন্তৰত কোনো কিছু ভাল পায়, তেনেহ'লে তোমালোকৰ পৰা যি গ্রহণ কৰা হৈছে, তাতোকৈ বেছি ভাল তোমালোকক দিব আৰু তেওঁ তোমালোকক ক্ষমা কৰিব। আল্লাহ ক্ষমাশীল, পৰম দয়ালু।' (৭১) সিহঁতে যদি তোমালোকক বিশ্বাসঘাতকতা কৰিব বিচাৰে, তেনেহ'লে ইতিপূর্বেই সিহঁতে আল্লাহৰ লগত বিশ্বাসঘাতকতা কৰিছিল। সেয়ে তেওঁ সিহঁতৰ ওপৰত তোমালোকক প্রভূত্ব দান কৰিলে। আল্লাহ সর্বজ্ঞ, প্রজ্ঞাময়।

(৭২) যিসকলে বিশ্বাস স্থাপন কৰিছে, যিসকলে হিজৰত কৰিছে, ধন-প্রাণ দি আল্লাহৰ পথত সংগ্রাম কৰিছে আৰু যিসকলে তেওঁলোকক আশ্রয় দিছে আৰু সহায় কৰিছে, প্রকৃততে তেওঁলোক পৰস্পৰৰ মিত্র আৰু পৃষ্ঠপোষক। আনহাতে যিসকলে বিশ্বাস স্থাপন কৰিছে, কিন্তু হিজৰত কৰা নাই, সিহঁতে হিজৰত কৰি নহালৈকে সিহঁতৰ পৃষ্ঠপোষকতা কৰা তোমাৰ দায়িত্ব নহয়। যদি ধর্মৰ বিষয়ে তোমালোকৰ সহায় বিচাৰে, তেনেহ'লে সিহঁতক সহায় কৰা তোমালোকৰ কর্তব্য। অৱশ্যে তোমালোকৰ লগত চুক্তিবদ্ধ হৈ থকা কোনো সম্প্রদায়ৰ বিৰুদ্ধে সিহঁতক সহায় নকৰিবা। তোমালোকে যি

কৰা, আল্লাহে সেয়া দেখি আছে। (৭৩) যিবিলাকে অবিশ্বাস কৰিছে, সিহঁত পৰস্পৰৰ মিত্ৰ। তোমালোকে যদি তেনে নকৰা, তেনেহ'লে দেশত অশান্তি আৰু বিশৃংখলা সৃষ্টি হ'ব।

(৭৪) যিসকলে বিশ্বাস স্থাপন কৰিছে, হিজৰত কৰিছে, আল্লাহৰ পথত সংগ্ৰাম কৰিছে আৰু যিসকলে তেওঁলোকক আশ্ৰয় দিছে আৰু সাহায্য কৰিছে, তেওঁলোক প্ৰকৃত মুমিন। তেওঁলোকৰ বাবে আছে ক্ষমা আৰু উৎকৃষ্ট জীৱিকা। (৭৫) যিসকলে পিছত বিশ্বাস স্থাপন কৰিছে, হিজৰত কৰিছে আৰু তোমালোকৰ লগ লাগি সংগ্ৰাম কৰিছে, তেওঁলোক তোমালোকৰ দলভুক্ত। কিন্তু আল্লাহৰ পুথি অনুযায়ী ৰক্ত সম্বন্ধ থকা আত্মীয়-স্বজন পৰস্পৰ বেছি ওচৰীয়া। নিশ্চয় আল্লাহে সকলো জানে।

আত-তওবা (অনুতাপ)

(১) আল্লাহ আৰু তেওঁৰ ৰছুলৰ পক্ষৰ পৰা সেই অংশীবাদীবিলাকৰ লগত সম্পৰ্কচ্ছেদৰ ঘোষণা কৰা হ'ল, যিবিলাকৰ লগত তোমালোকে চুক্তি কৰিছিলা। (২) এতেকে তোমালোকে পৃথিৱীত চাৰিমাহ ঘূৰি-ফুৰি লোৱা; কিন্তু জানি থোৱা, তোমালোকে আল্লাহৰ পৰিকল্পনাক ব্যৰ্থ কৰিব নোৱাৰা; বৰং আল্লাহে সত্য অস্বীকাৰকাৰীবিলাকক অপদস্ত কৰিব। (৩) আল্লাহ আৰু তেওঁৰ ৰছুলৰ পক্ষৰ পৰা মানুহৰ প্ৰতি মহা হজ্জৰ ঘোষণা কৰা এই যে, অংশীবাদীবিলাকৰ লগত আল্লাহ আৰু তেওঁৰ ৰছুলৰ কোনো সম্পৰ্ক নাই। এতিয়া যদি তোমালোকে অনুশোচনা কৰা, তোমালোকৰ বাবেই উত্তম আৰু যদি মুখ ঘূৰোৱা, তেনেহ'লে ভালদৰে জানি থোৱা, তোমালোকে আল্লাহক ব্যৰ্থ কৰিব নোৱাৰা। সত্য অস্বীকাৰকাৰীবিলাকক কঠোৰ শাস্তিৰ সুসংবাদ দিয়া। (৪) কিন্তু যিবিলাক অংশীবাদীৰ লগত তোমালোকে চুক্তি কৰিছা আৰু সিহঁতে চুক্তি বৰ্তাই ৰখাৰ ক্ষেত্ৰত অলপো ত্ৰুটি কৰা নাই আৰু তোমালোকৰ

বিৰুদ্ধে কাকো সহায় কৰা নাই, তেনে ধৰণৰ মানুহৰ লগত নির্দিষ্ট সময়লৈকে চুক্তিৰ ম্যাদ পূৰা কৰিবা। আল্লাহে সদাচাৰী মানুহক ভাল পায়।

(৫) যেতিয়া নিষিদ্ধ মাহসমূহ উকলি যায়, তেতিয়া অংশীবাদীবিলাকক য'তে পোৱা হত্যা কৰা আৰু সিহঁতক ধৰা, অৱৰোধ কৰা আৰু প্রতিটো ঘাঁটিত সিহঁতৰ বাবে খাপ পাতি ৰৈ থাকা। সিহঁতে যদি অনুতাপ কৰে, নামাজ প্রতিষ্ঠা কৰে, যাকাত আদায় দিয়ে, তেনেহ'লে সিহঁতক এৰি দিবা। আল্লাহ ক্ষমাশীল, কৰুণাময়। (৬) অংশীবাদীবিলাকৰ কোনোৱে যদি তোমাৰ ওচৰত আশ্রয় বিচাৰে, তুমি তাক আশ্রয় দিবা যাতে সি আল্লাহৰ বাণী শুনিবলৈ পায়। তাৰ পিছত তাক নিৰাপদ ঠাইত থৈ আহিবাগৈ। এয়া এইবাবে যে সিহঁত নিবোর্ধ মানুহ।

(৭) আল্লাহ আৰু তেওঁৰ ৰছুলৰ লগত অংশীবাদীবিলাকৰ কেনেকৈ বুজাপৰা হ'ব পাৰে? যিহেতু যিবিলাক অংশীবাদীৰ লগত তোমালোকে পৱিত্র মছজিদৰ (কাবাৰ) ওচৰত চুক্তিবদ্ধ হৈছা যে, যেতিয়ালৈকে সিহঁতে তোমালোকৰ লগত ভাল ভাৱেৰে চলিব, তোমালোকেও সিহঁতৰ লগত ভাল ভাৱেৰে চলিবা। কিয়নো আল্লাহে নীতিপৰায়ণ মানুহক ভাল পায়। (৮) কেনেকৈ চুক্তি হ'ব পাৰে, সিহঁতে তোমালোকৰ ওপৰত বিজয়ী হ'লে সিহঁতে নে তোমালোকৰ আত্মীয়তাৰ মর্যাদা দিব, নে চুক্তিৰ দায়িত্ব ৰক্ষা কৰিব? সিহঁতে মুখেৰে তোমালোকক ভালৰি লগাবলৈ চেষ্টা কৰে, কিন্তু সিহঁতৰ অন্তৰত বিদ্বেষ আছে। সিহঁতৰ বেছিভাগেই বিশ্বাসঘাতক। (৯) সিহঁতে আল্লাহৰ বাণীসমূহক নগণ্য মূল্যত বিক্রী কৰিলে আৰু আল্লাহৰ পথত প্রতিবন্ধকতাৰ সৃষ্টি কৰিলে। সিহঁতে যি কৰিলে, সেয়া অতি জঘন্য। (১০) মুমিনসকলৰ ক্ষেত্রত সিহঁতে আত্মীয়তাৰ সম্পর্ক ৰক্ষা নকৰে আৰু চুক্তিৰ দায়িত্বও পালন নকৰে। সিহঁতেই সীমালংঘনকাৰী। (১১) যদি সিহঁতে তওবা (অনুশোচনা) কৰে, নামাজ প্রতিষ্ঠা কৰে আৰু যাকাত আদায় দিয়ে, তেনেহ'লে সিহঁত

তোমালোকৰ ধৰ্মভাই। জ্ঞানসম্পন্ন মানুহৰ বাবে এইদৰে আমি আমাৰ নিদৰ্শনসমূহ স্পষ্টভাৱে বৰ্ণনা কৰো।

(১২) চুক্তি কৰাৰ পিছত যদি সিহঁতে চুক্তি ভংগ কৰে আৰু তোমালোকৰ ধৰ্মক নিন্দা কৰে, তেনেহ'লে অবিশ্বাসকাৰীৰ সেই দলপতি বিলাকৰ লগত যুদ্ধ কৰা যাতে সিহঁত বিৰত থাকে। সিহঁতৰ প্ৰতিশ্ৰুতিৰ কোনো মূল্য নাই। (১৩) তোমালোকে সেই মানুহবিলাকৰ বিপক্ষে যুদ্ধ নকৰিবানে, যিবিলাকে নিজ প্ৰতিশ্ৰুতি ভংগ কৰি আছে আৰু ৰছুলক বহিষ্কাৰ কৰাৰ সংকল্প কৰিছিল আৰু সিহঁতেই প্ৰথম তোমালোকক আক্ৰমণ কৰিছিল? তোমালোকে সিহঁতক ভয় কৰা নেকি? আল্লাহকহে বেছি ভয় কৰা উচিত, যদি তোমালোক প্ৰকৃত মুমিন হোৱা। (১৪) সিহঁতৰ লগত যুদ্ধ কৰা। আল্লাহে তোমালোকৰ হতুৱাই সিহঁতক শাস্তি দিব আৰু সিহঁতক অপমানিত কৰিব। সিহঁতৰ ওপৰত প্ৰভূত্ব বিস্তাৰ কৰাত আল্লাহে তোমালোকক সহায় কৰিব আৰু মুমিনসকলৰ অন্তৰ জুৰ পেলাব; (১৫) সিহঁতৰ অন্তৰৰ ক্ষোভ দূৰ কৰি দিব। আল্লাহে যাক ইচ্ছা কৰিব, তাকে ক্ষমা কৰি দিব। আল্লাহ সৰ্বজ্ঞ আৰু প্ৰজ্ঞাময়।

(১৬) (হে ঈমানদাৰসকল) তোমালোকে ভাবা নেকি যে তোমালোকক এনেয়ে এৰি দিয়া হ'ব? অথচ আল্লাহে এতিয়াও চিহ্নিত কৰা নাই তোমালোকৰ কোন আল্লাহৰ পথৰ সংগ্ৰামী আৰু কোনে আল্লাহ, তেওঁৰ ৰছুল আৰু মুমিনসকলৰ বাদে আনক অন্তৰংগ বন্ধুৰূপে গ্ৰহণ কৰা নাই? তোমালোকে যি কৰা, আল্লাহে সেয়া ভালকৈয়ে জানে। (১৭) অংশীবাদীবিলাক আল্লাহৰ মছজিদৰ তত্ত্বাৱধায়ক হ'ব নোৱাৰে; যিহেতু সিহঁতে নিজকে নিজেই অবিশ্বাসকাৰী বুলি স্বীকাৰ কৰিছে। সিহঁতৰ কৃতকৰ্মসমূহ নিষ্ফল হ'ল আৰু সিহঁত সৰ্বদা নৰকতেই থাকিব। (১৮) কেৱল তেওঁলোকহে আল্লাহৰ মছজিদৰ তত্ত্বাৱধায়ক হ'ব পাৰে, যিসকলে আল্লাহ আৰু পৰকালক বিশ্বাস কৰে, নামাজ প্ৰতিষ্ঠা কৰে, যাকাত আদায় দিয়ে আৰু কেৱল মাথোন আল্লাহকেই ভৰসা

কৰে। আশা কৰিব পাৰি এনে মানুহ সঠিক পথত চলিব। (১৯) হাজীসকলক পানী পান কৰোৱা আৰু মছজিদে হাৰামৰ তত্ত্বাৱধান কৰা কাৰ্যক তোমালোকে সেই ব্যক্তিৰ কাৰ্যৰ সমতুল্য বুলি ভাবানে, যি ব্যক্তিয়ে আল্লাহ আৰু পৰকালৰ প্ৰতি বিশ্বাস স্থাপন কৰিছে আৰু আল্লাহৰ পথত সংগ্ৰাম কৰিছে? আল্লাহৰ মানত এই উভয় শ্ৰেণীৰ মানুহ একে সমান নহয়। আল্লাহে অন্যায়কাৰীবিলাকক সুপথ প্ৰদৰ্শন নকৰে। (২০) যিসকলে বিশ্বাস স্থাপন কৰিছে, আল্লাহৰ পথত নিজ ঘৰ-দুৱাৰ এৰিছে আৰু ধন-প্ৰাণ দি আল্লাহৰ পথত সংগ্ৰাম কৰিছে, তেওঁলোকৰ বাবে আল্লাহৰ ওচৰত আছে অতি উচ্চ মৰ্যাদা, তেওঁলোকেই সাফল্য লাভ কৰিব। (২১) তেওঁলোকৰ প্ৰভুৱে তেওঁলোকক সুসংবাদ দিছে নিজ কৰুণা, সন্তুষ্টি আৰু এনে জান্নাতৰ, য'ত তেওঁলোকৰ বাবে আছে চিৰস্থায়ী সুখৰ সমল। (২২) তাত তেওঁলোক চিৰকাল থাকিব। নিঃসন্দেহ, আল্লাহৰ ওচৰত আছে প্ৰতিদানৰ অফুৰন্ত সামগ্ৰী।

(২৩) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকৰ পিতৃ-ভাতৃয়ে যদি বিশ্বাসতকৈ অবিশ্বাসক বেছি পচন্দ কৰে, তেনেহ'লে সিহঁতক মিত্ৰ হিচাবে গ্ৰহণ নকৰিবা। তোমালোকৰ যিসকলে এনে মানুহক মিত্ৰ হিচাবে লয়, সিহঁতেই অন্যায়কাৰী। (২৪) কোৱা- 'তোমালোকৰ পিতৃ, তোমালোকৰ সন্তান, তোমালোকৰ ভাতৃ, তোমালোকৰ পত্নীসকল আৰু তোমালোকৰ পৰিবাৰ, তোমালোকৰ আৰ্জিত ধন-সম্পদ, তোমালোকৰ সেই ব্যৱসায় য'ত লোকচান হোৱাৰ আশংকা কৰা আৰু তোমালোকে ভাল পোৱা পচন্দৰ ঘৰ-বাৰী, সেই সকলোবোৰ যদি আল্লাহ, তেওঁৰ ৰছুল আৰু আল্লাহৰ পথত সংগ্ৰাম কৰাতকৈ অধিক প্ৰিয় হয়, তেনেহ'লে আল্লাহৰ চূড়ান্ত মীমাংসা নহালৈকে তোমালোকে অপেক্ষা কৰা। আল্লাহে কেতিয়াও অবাধ্যবিলাকক সুপথ প্ৰদৰ্শন নকৰে।

(২৫) নিশ্চয় আল্লাহে তোমালোককক বহু ক্ষেত্ৰত সহায় কৰিছে, বিশেষকৈ হুনাইনৰ দিনা, সেইদিনা তোমালোকৰ সংখ্যা গৰিষ্ঠতাই

তোমালোকক গর্বিত কৰিছিল; কিন্তু সেয়া তোমালোকৰ কোনো কামত নাহিল। পৃথিৱীখন বিশাল হোৱা সত্ত্বেও তোমালোকৰ বাবে সংকুচিত হৈ পৰিল আৰু পিঠি দি পলায়ন কৰিলা। (২৬) পিছত আল্লাহে তেওঁৰ ৰছুল আৰু বিশ্বাস স্থাপনকাৰীসকলৰ প্ৰতি প্ৰশান্তি দান কৰিলে আৰু এনে এদল সেনা-বাহিনী পঠালে, যাক তোমালোকে দেখা নাছিলা। তেওঁ সত্য অস্বীকাৰকাৰীবিলাকক শাস্তি বিহিলে। এয়াই সত্যদ্ৰোহীবিলাকৰ কৰ্মফল। (২৭) ইয়াৰ পিছতো আল্লাহে যাক ইচ্ছা কৰে, ক্ষমা প্ৰাৰ্থনা কৰাৰ সুযোগ দিয়ে। আল্লাহ অতি ক্ষমাশীল, কৰুণাময়। (২৮) হে বিশ্বাস স্থাপনকাৰীসকল, অংশীবাদীবিলাক অপৰিত্ৰ। সেয়ে এই বছৰৰ পিছত সিহঁত যেন মছজিদে হাৰামৰ (কাবা) ওচৰলৈ নাহে। তোমালোকে যদি চৰম অভাৱগ্ৰস্ততাৰ আশংকা কৰা, তেনেহ'লে আল্লাহে ইচ্ছা কৰিলে নিজ কৰুণাৰে তোমালোকক সম্পদশালী কৰি দিব। আল্লাহ সৰ্বজ্ঞ, প্ৰজ্ঞাময়।

(২৯) সেই ঐশীপুথিপ্ৰাপ্ত মানুহবিলাকৰ বিৰুদ্ধে যুদ্ধ কৰা, যিবিলাকে আল্লাহ আৰু পৰকালক বিশ্বাস নকৰে, আল্লাহ আৰু তেওঁৰ ৰছুলে যিবোৰ অবৈধ বুলি ঘোষণা কৰিছে, সেইবোৰ অবৈধ বুলি গণ্য নকৰে আৰু সত্য ধৰ্ম ইছলাম ধৰ্মক নিজ ধৰ্ম বুলি মানি নলয়, যেতিয়ালৈকে সিহঁতে নিজ হাতেৰে জিজিয়া কৰ নিদিয়ে আৰু বশ্যতা স্বীকাৰ নকৰে। (৩০) ইহুদীবিলাকে কয়- 'উজাইৰ (এযৰা) আল্লাহৰ পুত্ৰ।' আৰু খৃষ্টিয়ানবিলাকে কয়- 'মছীহ আল্লাহৰ পুত্ৰ।' এয়া সম্পূৰ্ণ ভীত্তিহীন অমূলক কথা। সিহঁতৰ পূৰ্বৰ সত্য অবিশ্বাসকাৰী বিলাকক অনুসৰণ কৰি সিহঁতে এয়া আওৰাই থাকে। আল্লাহে সিহঁতক ধ্বংস কৰক! সিহঁত কেনেদৰে বিচ্যুত হৈ বহুদূৰ আঁতৰি গ'ল!

(৩১) আল্লাহ বাদে সিহঁতে সিহঁতৰ ধৰ্মগুৰু আৰু পুৰোহিতবিলাকক নিজৰ প্ৰভু বুলি মানি লৈছিল। সেইদৰে মৰিয়ম পুত্ৰ ঈছা মছীহকো প্ৰভু বুলি মানি লৈছিল, অথচ আল্লাহৰ বাহিৰে আনৰ উপাসনা কৰিবলৈ সিহঁতক নিষেধ

কৰা হৈছিল। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। সিহঁতে তেওঁৰ লগত যিবিলাকক অংশী কৰি লৈছে, তাৰ পৰা তেওঁ পৱিত্ৰ।

(৩২) সিহঁতে আল্লাহৰ জ্যোতিক ফুঁ মাৰি নিৰ্বাপিত কৰিব বিচাৰে। কোনো কথা নাই, সত্য অস্বীকাৰকাৰীবিলাকৰ অপ্ৰিয় হ'লেও আল্লাহে তেওঁৰ জ্যোতিক পূৰ্ণতা দান কৰিহে এৰিব। (৩৩) তেঁৱেই তেওঁৰ ৰছুলক পথনিৰ্দেশনা আৰু সত্য ধৰ্মৰসৈতে প্ৰেৰণ কৰিছে যাতে ইয়াক সকলো ধৰ্মৰ ওপৰত জয়যুক্ত কৰাব পাৰে আৰু এয়া অংশীবাদীবিলাকৰ বাবে যিমানেই অপ্ৰীতিকৰ নহওক কিয়।

(৩৪) হে বিশ্বাস স্থাপনকাৰীসকল, অনেক ধৰ্মগুৰু আৰু পুৰোহিতে অসৎ উপায়েৰে মানুহৰ ধন-সম্পদ ভক্ষণ কৰিছিল আৰু মানুহক আল্লাহৰ পথৰ পৰা বিৰত ৰাখিছিল। যিবিলাকে সোণ-ৰূপ জমা কৰে আৰু আল্লাহৰ পথত ব্যয় নকৰে, সিহঁতক যন্ত্ৰণাদায়ক শাস্তিৰ সুসংবাদ দিয়া। (৩৫) সেইদিনা ধন-সম্পদবোৰ জাহান্নামৰ অগ্নিত উত্তপ্ত কৰা হ'ব আৰু তাৰ দ্বাৰা সিহঁতৰ কপাল, দেহৰ দুয়োকাষে আৰু পিঠিত দাগ দিয়া হ'ব। সিহঁতক কোৱা হ'ব- 'এইবোৰকে তোমালোকে নিজৰ বাবে সঞ্চিত কৰি ৰাখিছিলা, এতিয়া তোমালোকৰ সঞ্চিত সম্পদৰ সোৱাদ লোৱা।'

(৩৬) আল্লাহৰ হিচাবত মাহবোৰৰ সংখ্যা বাৰ মাহ। এয়া তেওঁৰ পুথিত লিখা হৈছে যিদিনা আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰা হৈছিল। তাৰে চাৰি মাহ পৱিত্ৰ। এয়া সুপ্ৰতিষ্ঠিত সত্য বিধান। এই মাহ কেইটাত তোমালোকে নিজে নিজৰ অন্যায় নকৰিবা। তোমালোক সকলোৱে সংগবদ্ধ হৈ অংশীবাদীবিলাকৰ বিৰুদ্ধে যুদ্ধ কৰা। জানি থোৱা, আল্লাহ খোদাভীৰুসকলৰ লগত থাকে। (৩৭) পৱিত্ৰ মাহ কেইটা সাল-সলনি কৰা সত্য অবিশ্বাসৰ এটা জঘন্য পৰ্যায়। ই অবিশ্বাসকাৰীবিলাকক ভ্ৰষ্ট পথত আৰু দূৰলৈ লৈ যায়। সিহঁতে কোনো এবছৰ নিষিদ্ধ মাহক বৈধ কৰি লয় আৰু কোনো বছৰ সেই

মাহকে বৈধ কৰি লয় যাতে আল্লাহে নিষিদ্ধ কৰা মাহৰ সংখ্যা পূৰণ কৰিব পাৰে আৰু এইদৰে আল্লাহে যি অবৈধ কৰিলে, সেয়া সিহঁতে বৈধ কৰি লয়। সিহঁতৰ অসৎ কামবোৰ সিহঁতৰ বাবে মনঃপুত কৰি দিয়া হয়। আল্লাহে সত্য অস্বীকাৰকাৰীবিলাকক কেতিয়াও সুপথ নেদেখুৱায়।

(৩৮) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকৰ কি হ'ল, যেতিয়া তোমালোকক আল্লাহৰ পথত ওলাই আহিবলৈ কোৱা হ'ল, তেতিয়া তোমালোকে পৃথিৱীখনকে সাৱটি ধৰি থাকিলা! পৰকালৰ তুলনাত পার্থিৱ জীৱনকলৈয়ে তোমালোক সন্তুষ্ট আছা নেকি? পৰকালৰ তুলনাত এই পার্থিৱ জীৱনৰ ভোগ-বিলাস নগণ্য। (৩৯) তোমালোক যদি আগুৱাই নাহা, তেনেহ'লে আল্লাহে তোমালোকক যন্ত্ৰণাদায়ক শাস্তি দিব আৰু তোমালোকৰ ঠাইত আন জাতিক প্ৰতিষ্ঠিত কৰিব আৰু তোমালোকে আল্লাহৰ কোনো ক্ষতি কৰিব নোৱাৰা। আল্লাহে সকলো কৰিবলৈ সক্ষম। (৪০) তোমালোকে যদি তেওঁক (ৰছুলক) সহায় নকৰা, জানি থোৱা, স্বয়ং আল্লাহে তেওঁক সহায় কৰিছিল, তেতিয়া অৱজ্ঞাকাৰীবিলাকে তেওঁক বহিষ্কাৰ কৰিছিল যেতিয়া গুহাত থাকোতে তেওঁ দুজনৰ ভিতৰত এজন আছিল, তেতিয়া তেওঁ নিজৰ সংগীজনক কৈছিল- 'চিন্তা নকৰিবা, আল্লাহ আমাৰ লগত আছে।' আল্লাহে তেওঁৰ অন্তৰত প্ৰশান্তি দান কৰিলে আৰু এনে সৈন্যদলেৰে সাহায্য কৰিলে, যিসকল তোমালোকৰ দৃষ্টিগোচৰ নহ'ল আৰু অবিশ্বাসকাৰীবিলাকৰ কথাক হেয় কৰি দিলে। আল্লাহৰ কথা শীর্ষত আছে। আল্লাহ মহা পৰাক্ৰমী, প্ৰজ্ঞাময়।

(৪১) লঘু আৰু গধূৰ সৰঞ্জাম লৈ আৰু নিজৰ ধন-প্ৰাণ দি আল্লাহৰ পথত যুদ্ধ কৰা, সেয়া তোমালোকৰ বাবে মংগল, যদি তোমালোকে জানিলাহেঁতেন! (৪২) লাভা-লাভ যদি তৎকালেই পোৱা গ'লহেঁতেন আৰু প্ৰবাস যাত্ৰা যদি সুচল হ'লহেঁতেন, তেনেহ'লে সিহঁত তোমালোকৰ লগত গ'লহেঁতেন; কিন্তু এই পথ সিহঁতৰ বাবে অতি দুর্গম হৈ পৰিল। তথাপি

সিহঁতে আল্লাহৰ নামত শপত খাই কয়- 'পাৰিলে আমিও তোমালোকৰ লগত গ'লোহেঁতেন।' সিহঁতে নিজেই নিজৰ ওপৰত ধ্বংস মাতি আনিছে। আল্লাহে ভালকৈয়ে জানে যে সিহঁত মিছলীয়া।

(৪৩) আল্লাহে তোমাক ক্ষমা কৰক! তুমি সিহঁতক কিয় অনুমতি দিলা যে কোনবিলাক সত্যবাদী আৰু কোনবিলাক মিছলীয়া সেয়া তোমাৰ ওচৰত প্ৰকাশ পোৱাৰ পূৰ্বতেই? (৪৪) যিবিলাকে আল্লাহ আৰু পৰকালৰ প্ৰতি বিশ্বাস স্থাপন কৰিছে, তেওঁলোকে ধন-প্ৰাণ দি আল্লাহৰ পথত সংগ্ৰাম কৰাৰ পৰা অব্যাহতি পাবলৈ তোমাৰ ওচৰত প্ৰাৰ্থনা নকৰে। আল্লাহে খোদাভীৰুসকলক ভালকৈ জানে। (৪৫) কেৱল সিহঁতেহে অনুমতি বিচাৰে, যিবিলাকে প্ৰকৃততে আল্লাহ আৰু পৰকালৰ প্ৰতি বিশ্বাস স্থাপন কৰা নাই। সিহঁতৰ অন্তৰ সংশয়ৰে ভৰা আৰু এই সংশয়ৰ বাবে দ্বিধাগ্ৰস্ত হৈছে। (৪৬) যদি সিহঁতৰ ওলাই যোৱাৰ ইচ্ছা থাকিলহেঁতেন, তাৰ বাবে নিশ্চয় প্ৰস্তুত হ'লহেঁতেন! সিহঁত ওলাই যোৱাটো আল্লাহে পচন্দ কৰা নাছিল, সেয়ে তেওঁ সিহঁতক পিছ পৰি থাকিবলৈ দিলে আৰু সিহঁতক কোৱা হ'ল- 'পিছত ৰৈ যোৱা মানুহবিলাকৰ লগত তোমালোকো ৰৈ থাকা।'

(৪৭) সিহঁত যদি তোমালোকৰ লগত গ'লহেঁতেন, তেনেহ'লে কেৱল তোমালোকৰ অসুবিধাহে বৃদ্ধি কৰিলেহেঁতেন আৰু সিহঁতে তোমালোকৰ মাজত বিদ্ৰোহ সৃষ্টি কৰিবলৈ চেষ্টা কৰিলেহেঁতেন। সিহঁতৰ কথা শুনিবলৈ উৎকৰ্ণ হৈ থকা বহু মানুহ তোমালোকৰ মাজত আছে। অন্যায়কাৰীবিলাকক আল্লাহে ভালকৈয়ে জানে। (৪৮) ইতিপূৰ্বে সিহঁতে বিদ্ৰোহ কৰিবলৈ বহু চেষ্টা কৰিছিল আৰু তোমালোকৰ কামবোৰ ওলট-পালট কৰিবলৈ পাৰ্যমানে চেষ্টা কৰিছিল তোমাক ব্যৰ্থ কৰাৰ উদ্দেশ্যেৰে। সিহঁতৰ অনিচ্ছা সত্ত্বেও আল্লাহৰ ইচ্ছা বাস্তবায়িত হ'ল।

(৪৯) সিহঁতৰ কিছুমানে কয়- 'আমাক ৰেহাই দিয়ক। আমাক ফিতনাত

নেপেলাব।' অৱশ্যই সিহঁত ফিতনাত পৰিলেই। সত্য অস্বীকাৰকাৰীবিলাকক জাহান্নামে ঘেৰি আছে। (৫০) তোমালোকৰ কোনো কল্যাণ হ'লে সিহঁত ব্যথিত হয় আৰু তোমালোকৰ বিপদ হ'লে সিহঁতে এই বুলি কয়- 'আগেয়ে আমি সতর্কতা অৱলম্বন কৰিছিলো' আৰু প্রসন্নচিত্তে আঁতৰি যায়। (৫১) কোৱা- 'আল্লাহে আমাৰ বাবে যি ধার্য কৰিছে তাৰ বাহিৰে আন একো নহয়। তেঁৱেই আমাৰ কার্যনির্বাহী সর্বোচ্চ প্রভু। মুমিনসকলে আল্লাহৰ ওপৰতেই ভৰসা কৰা উচিত।' (৫২) কোৱা- 'সেই দুটা কল্যাণৰ ভিতৰত যিকোনো এটা আমাৰ লাভ হ'বই, তাৰে প্রতীক্ষাত তোমালোক আছা আৰু সেয়া হ'ল- আল্লাহে নিজে তোমালোকক শাস্তি দিব, নে আমাৰ হতুৱাই দিব! সেয়ে তোমালোকে অপেক্ষা কৰা আৰু তোমালোকৰ লগত আমিয়ো অপেক্ষা কৰি আছো।'

(৫৩) কোৱা- 'তোমালোকে স্বেচ্ছাই ব্যয় কৰা কিম্বা অনিচ্ছাতেই তোমালোকে যি ব্যয় কৰা, সেয়া আল্লাহৰ ওচৰত কেতিয়াও গৃহীত নহ'ব, কিয়নো তোমালোক প্রকৃততে অৱজ্ঞাকাৰী মানুহ।' (৫৪) সিহঁতে প্রদান কৰাবোৰ গ্রহণ নোহোৱাৰ কাৰণ কেৱল এই যে, সিহঁতে আল্লাহ আৰু তেওঁৰ ৰছুলক অস্বীকাৰ কৰিছিল, নামাজলৈ আহোতে গেঁৰো-গেথোকৈহে আহে আৰু আল্লাহৰ পথত যি ব্যয় কৰে, অনিচ্ছাপূর্বকহে ব্যয় কৰে। (৫৫) সিহঁতৰ ধন-সম্পদ আৰু সন্তান-সন্ততি দেখি তুমি মোহিত নহ'বা। আল্লাহে এইবোৰেৰে সিহঁতক পার্থিৱ জীৱনত শাস্তি দিব বিচাৰে আৰু সত্য অস্বীকাৰ কৰি থকা অৱস্থাতে সিহঁতৰ প্রাণ যাব। (৫৬) সিহঁতে আল্লাহৰ নামত শপত খাই কয় যে, সিহঁতো তোমালোকৰ লগত আছে। আচলতে সিহঁত তোমালোকৰ লগত নাই। বৰং সিহঁতে তোমালোকক ভয়হে কৰে। (৫৭) সিহঁতে যদি কোনো আশ্রয় স্থল বা গিৰি-গুহা নাইবা মূৰ গুজিবলৈ কোনো স্থান পায়, তেনেহ'লে সিহঁতে তালৈকে ভীৰাই লৰ মাৰিব।

(৫৮) সিহঁতৰ এনে কিছুমান মানুহ আছে, যিবিলাকে ছদকা (দান) বণ্টনৰ ক্ষেত্ৰত তোমাক দোষাৰূপ কৰে। সিহঁতক তাৰ পৰা কিছু অংশ দিলে সন্তুষ্ট হয় আৰু নিদিলে ক্ৰুদ্ধ হয়। (৫৯) আল্লাহ আৰু ৰছুলে সিহঁতক যি দিছে তাতে পৰিতৃপ্ত থকাহেঁতেন কিমান ভাল হ'লহেঁতেন আৰু যদি ক'লেহেঁতেন- 'আল্লাহ আমাৰ বাবে যথেষ্ট। তেওঁ নিজ অনুগ্ৰহৰ পৰা আমাক আৰু কিছু দান কৰিব আৰু তেওঁৰ ৰছুলেও। আমি আল্লাহৰ ওচৰতেই আশা পোষণ কৰো।' (৬০) ছদকা (যাকাত) কেৱল ফকীৰ (নিঃস্ব), মিছকীন (কঙাল), যাকাতৰ কামত নিযুক্ত কৰ্মচাৰী, মানুহৰ অন্তৰ জয় কৰাৰ কাৰণে, দাসমুক্তি, ঋণগ্ৰস্ত, আল্লাহৰ পথত ব্যয় আৰু প্ৰয়োজন হোৱা পথিক ভ্ৰমণকাৰীৰ বাবেহে। এয়া আল্লাহৰ নিৰ্ধাৰিত বাধ্যতামূলক দেয়। আল্লাহ সৰ্বজ্ঞ, প্ৰজ্ঞাময়।

(৬১) সিহঁতৰ ভিতৰত এনে মানুহো আছে যিবিলাকে নবীক মনোকষ্ট দিয়ে এইবুলি কৈ- 'এওঁ সকলো কথাতে কাণসাৰ দিয়ে।' কোৱা- 'তেওঁ তোমালোকৰ মংগলৰ বাবে কাণসাৰ দিয়ে। তেওঁ আল্লাহৰ ওপৰত বিশ্বাস স্থাপন কৰে আৰু মুমিনসকলৰ ওপৰত আস্থা ৰাখে। তোমালোকৰ বিশ্বাস স্থাপনকাৰীসকলৰ বাবে তেওঁ আশীৰ্বাদ স্বৰূপ। যিবিলাকে আল্লাহৰ ৰছুলক কষ্ট দিয়ে, সিহঁতৰ বাবে আছে যন্ত্ৰণাদায়ক শাস্তি।' (৬২) সিহঁতে তোমালোকৰ আগত আল্লাহৰ নামত শপত খায় যাতে তোমালোকক সন্তুষ্ট কৰিব পাৰে। অথচ আল্লাহ আৰু তেওঁৰ ৰছুলক সন্তুষ্ট কৰাই তেওঁলোকৰ কৰ্তব্য যদি তেওঁলোক বিশ্বাস স্থাপনকাৰী হয়! (৬৩) সিহঁতে নাজানেনে আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰোধীতাকাৰীবিলাকৰ বাবে নৰকৰ অগ্নি আছে, য'ত সিহঁত চিৰকাল থাকিব লাগিব। সেয়া চৰম লাঞ্ছনা।

(৬৪) সেই মুনাফিক (কপটাচাৰী)বিলাকে ভয় কৰিছে, সিহঁতৰ সম্পৰ্কে এনে কোনো ছুৰা অৱতীৰ্ণ হয়য়েই নেকি, যিটোৱে সিহঁতৰ অন্তৰৰ

গোপন কথা প্রকাশ কৰি দিব। সিহঁতক কোৱা- 'উপহাস কৰিয়েই থাকা। নিশ্চয় আল্লাহে সেয়া প্রকাশ কৰি দিব যিহলৈ তোমালোকে ভয় কৰি আছা।' (৬৫) তুমি যদি সিহঁতক সোধা, সিহঁতে ক'ব- 'আমি হাঁহি-ধেমালি আৰু তামাছাহে কৰিছিলো।' কোৱা- 'তেনেহ'লে তোমালোকে আল্লাহ আৰু তেওঁৰ বাণীসমূহ আৰু তেওঁৰ ৰছুলকহে উপহাস কৰিছিলা নেকি? (৬৬) অজুহাত নেদেখুৱাবা। তোমালোকে বিশ্বাস স্থাপন কৰাৰ পিছতো দুনাই অস্বীকাৰ কৰিছা।' তোমালোকৰ এদলক আমি ক্ষমা কৰি দিলেও আন দলক অৱশ্যই শাস্তি দিম; কিয়নো সিহঁত অপৰাধী।

(৬৭) মুনাফিক পুৰুষ আৰু মহিলা সকলো একেই ৰকম। সিহঁতে অসৎ কাম কৰিৰবৈ উৎসাহ যোগায় আৰু সৎকামত বাধা দিয়ে। ভাল কাম কৰাৰ পৰা হাত সাৱটি বহি থাকে। সিহঁতে আল্লাহক পাহৰিলে, সেয়ে আল্লাহেও সিহঁতক পাহৰিলে। নিশ্চয় মুনাফিকবিলাক অৱজ্ঞাকাৰী। (৬৮) মুনাফিক মতা-তিৰোতা উভয় আৰু সত্য অস্বীকাৰকাৰীবিলাকৰ কাৰণে আল্লাহে নৰকৰ অগ্নিৰ অংগীকাৰ কৰিছে। সিহঁত তাত চিৰকাল থাকিব। এয়াই সিহঁতৰ পর্যাপ্ত প্রাপ্য। আল্লাহে সিহঁতক অভিশপ্ত কৰিছে আৰু সিহঁতৰ বাবে আছে চিৰস্থায়ী শাস্তি। (৬৯) তোমালোক তোমালোকৰ পূর্বৱর্তীবিলাকৰ দৰে একেই। সিহঁত তোমালোকতকৈয়ো প্রবল শক্তিশালী, অধিক ধন-সম্পদ আৰু সন্তান-সন্ততিৰ অধিকাৰী আছিল। সিহঁতে সিহঁতৰ ভাগ ভোগ কৰিলে আৰু তোমালোকেও তোমালোকৰ ভাগ ভোগ কৰিছা। সিহঁতে যিদৰে অলাগতিয়াল কথাত তর্ক-বিতর্ক কৰিছিল, তদ্রূপ তোমালোকেও তর্ক-বিতর্ক কৰিছা। সিহঁত সেইবিলাক মানুহ, যিবিলাকৰ ইহকাল আৰু পৰকালৰ কামবোৰ বিনষ্ট হ'ল আৰু সিহঁতেই ক্ষতিগ্রস্ত হ'ল। (৭০) সিহঁতে সেইবিলাক মানুহৰ কাহিনী শুনা নাইনে, যিবিলাক সিহঁতৰ পূর্বে অতীত হ'ল? সেয়া হ'ল- নূহৰ সম্প্রদায়, আদ, চামূদ, ইব্রাহীমৰ সম্প্রদায়, মাদয়ানবাসী আৰু ধ্বংসপ্রাপ্ত নগৰবোৰৰ কাহিনী। সিহঁতৰ

ৰছুলসকলে সিহঁতলৈ প্ৰকৃত সত্য প্ৰমাণসহ লৈ আহিছিল। আল্লাহে সিহঁতক অন্যায় কৰা নাই; ৰৰং সিহঁতে নিজে নিজৰ অন্যায় কৰি লৈছে।

(৭১) মুমিন পুৰুষ-মহিলা উভয়ে পৰস্পৰৰ মিত্ৰ। তেওঁলোকে সৎকৰ্মৰ আদেশ দিয়ে, অসৎ কৰ্মত বাধা দিয়ে, নামাজ প্ৰতিষ্ঠা কৰে, যাকাত আদায় দিয়ে, আল্লাহ আৰু তেওঁৰ ৰছুলৰ আদেশ মানি চলে। তেওঁলোককেই আল্লাহে কৃপা কৰিব। আল্লাহ পৰাক্ৰমশালী, তত্ত্বদৰ্শী। (৭২) আল্লাহে মুমিন নৰ-নাৰী উভয়কে এনে জান্নাতৰ অংগীকাৰ কৰিছে, যাৰ মাজেৰে প্ৰবাহিত হৈ থাকে নিজৰা। তাত তেওঁলোক চিৰকাল থাকিব। সেই চিৰস্থায়ী জান্নাতত বিতোপন আলয় আছে। তেওঁলোকৰ ডাঙৰ সৌভাগ্য হ'ল আল্লাহৰ সন্তুষ্টি আৰু এয়া চৰম সফলতা।

(৭৩) হে নবী, অবিশ্বাসকাৰী আৰু মুনাফিকবিলাকৰ বিৰুদ্ধে সংগ্ৰাম কৰা আৰু সিহঁতৰ প্ৰতি কঠোৰ হোৱা। সিহঁতৰ বাসস্থল জাহান্নাম। অতি নিকৃষ্ট সেই গন্তব্যস্থল! (৭৪) সিহঁতে আল্লাহৰ নামত শপত খাই কয় যে, সিহঁতে একোৱেই কোৱা নাই। অথচ সিহঁতেই অবিশ্বাসমূলক কথা কৈছিল। ইছলাম গ্ৰহণ কৰাৰ পিছত অবিশ্বাসকাৰী হৈছিল। সিহঁতে যিবোৰ কুঅভিসন্ধি ৰচিছিল, সেইবোৰ কাৰ্যকৰী কৰিব পৰা নাছিল। সিহঁতৰ আক্ৰোশৰ মূল কাৰণ হ'ল, আল্লাহ আৰু তেওঁৰ ৰছুলে নিজ কৃপাৰ দ্বাৰা তেওঁলোকক ঐশ্বৰ্যশালী কৰি দিছে। এতিয়া যদি তওবা (অনুতাপ) কৰে, সেয়া সিহঁতৰ পক্ষে মংগল। সিহঁতে যদি আকৌ ঘূৰি যায়, আল্লাহে সিহঁতক ইহকাল আৰু পৰকালত যন্ত্ৰণাদায়ক শাস্তি দিব আৰু পৃথিৱীত সিহঁতৰ ৰক্ষাকাৰী আৰু সহায়কাৰী কোনো নহ'ব।

(৭৫) সিহঁতৰ কিছুমানে আল্লাহক প্ৰতিশ্ৰুতি দিছিল যে- 'আল্লাহে যদি তেওঁৰ অনুগ্ৰহৰ পৰা আমাক কৃপা কৰে, তেনেহ'লে আমি যাকাত দিম আৰু সৎকৰ্মশীল হ'ম।' (৭৬) কিন্তু যেতিয়া আল্লাহে নিজ অনুগ্ৰহৰ দ্বাৰা

সিহঁতক সমৃদ্ধ কৰিলে, তেতিয়া সিহঁতে কৃপণতা কৰিলে আৰু প্ৰতিশ্ৰুতি পালনৰ পৰা মুখ ঘূৰালে। (৭৭) সেয়ে তেওঁ সিহঁতৰ অন্তৰত কপটতা বদ্ধমূল কৰি দিলে তেওঁক সাক্ষাতৰ দিনলৈকে; কিয়নো সিহঁতে সিহঁতৰ আল্লাহক দিয়া প্ৰতিশ্ৰুতি ভংগ কৰিছিল আৰু মিছা কথা কৈছিল। (৭৮) সিহঁতে নাজানে নেকি যে, আল্লাহে সিহঁতৰ গুপুত কথা আৰু গোপন আলোচনাবোৰো জানে আৰু অদৃশ্য বিষয় সম্পৰ্কেও আল্লাহে ভালদৰে জানে।

(৭৯) সেইবিলাক মানুহ, যিবিলাকে ইতিকিং কৰে মুমিনসকলক, যিসকলে যাকাত দিয়ে আৰু যিসকলে নিজ শ্ৰমেৰে আৰ্জিত ব্যতীত আন একো দিব নোৱাৰে তেওঁলোককো যিবিলাকে উপহাস কৰে, সিহঁতক আল্লাহে উপহাস কৰে আৰু সিহঁতৰ বাবে আছে যন্ত্ৰণাদায়ক শাস্তি। (৮০) তুমি সিহঁতৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা বা নকৰা একে কথা। তুমি যদি সত্তৰ বাৰো সিহঁতৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা, তথাপিও আল্লাহে সিহঁতক ক্ষমা নকৰে। কাৰণ সিহঁতে আল্লাহ আৰু তেওঁৰ ৰছুলক অস্বীকাৰ কৰিছে। আল্লাহে দুষ্কাৰ্যকাৰী মানুহক সুপথ নেদেখুৱায়।

(৮১) যিবিলাক মানুহ ঘৰত ৰৈ গৈছিল আৰু ৰছুলৰ লগত নগৈ ঘৰতে থাকিবলৈ পাই আনন্দ লভিছিল, সিহঁতে নিজ ধন-প্ৰাণ দি আল্লাহৰ পথত সংগ্ৰাম কৰিবলৈ অনিচ্ছুক আছিল। সিহঁতে কৈছিল- 'এই ভীষণ গৰমত অভিযানলৈ নাযাবা।' সিহঁতক কোৱা- 'নৰকৰ অগ্নি ইয়াতকৈ বেছি উত্তপ্ত। হায়! সিহঁতে যদি বুজিলেহেঁতেন!' (৮২) এতিয়া সিহঁতক অলপ হাঁহিবলৈ দিয়া, শেষত নিজ কৃতকৰ্মৰ ফলস্বৰূপে সিহঁতে বেছিকৈ কান্দিব লাগিব। (৮৩) আল্লাহে যদি কেতিয়াবা তোমাক সিহঁতৰ কোনো দলৰ ওচৰলৈ ঘূৰাই আনে আৰু সিহঁতে অভিযানলৈ যাবলৈ তোমাৰ অনুমতি বিচাৰে, তুমি ক'বা- 'তোমালোক কেতিয়াও মোৰ লগত যাব নোৱাৰা আৰু মোৰ শত্ৰুৰ লগত যুদ্ধ কৰিব নোৱাৰা। প্ৰথমেই তোমালোকে ঘৰতে থাকিবলৈ পচন্দ কৰিছিলা;

এতিয়াও পিছ হোঁহকা মৰা মানুহবিলাকৰ লগতে থাকা।' (৮৪) সিহঁতৰ কোনোবা মৰিলে, তুমি তাৰ (জানাযা) নপঢ়িবা। তাৰ সমাধিৰ ওচৰতো থিয় নহ'বা। কিয়নো সিহঁতে আল্লাহ আৰু তেওঁৰ ৰছুলক অস্বীকাৰ কৰিছিল আৰু বিৰোধিতাৰ অৱস্থাতে সিহঁতৰ মৃত্যু হ'ল।

(৮৫) সিহঁতৰ ধন-সম্পত্তি আৰু সন্তান-সন্ততিয়ে যেন তোমাক মুগ্ধ নকৰে। আল্লাহৰ ইচ্ছা এই পৃথিৱীতে সিহঁতক শাস্তি দিব আৰু সত্য অস্বীকাৰ কাৰী অৱস্থাতে সিহঁতৰ আত্মাই দেহ ত্যাগ কৰিব। (৮৬) যেতিয়া কোনো ছুৰা অৱতীৰ্ণ হয় এই বুলি- 'আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰা আৰু ৰছুলৰ লগ হৈ সংগ্ৰাম কৰা', তেতিয়া সিহঁতৰ সামৰ্থবান মানুহবিলাকে ৰেহাই পাবলৈ তোমাৰ পৰা অনুমতি বিচাৰি কয়- 'পিছত ৰৈ যোৱা মানুহবিলাকৰ লগতে আমাকো ৰৈ যাবলৈ অনুমতি দিয়ক।' (৮৭) ঘৰতে থকা তিৰোতাবিলাকৰ লগত থাকিবলৈ সিহঁতে পচন্দ কৰিছিল। সেয়ে সিহঁতৰ অন্তৰত মোহৰ মাৰি দিয়া হ'ল, ফলত সিহঁতে একো বুজি নাপায়। (৮৮) কিন্তু ৰছুল আৰু যিসকলে নিজ ধন-প্ৰাণ দি আল্লাহৰ পথত সংগ্ৰাম কৰিছিল, তেওঁলোকৰ কাৰণেই আছে সকলো কল্যাণ আৰু তেওঁলোকেই সাফল্য লাভ কৰিব। (৮৯) আল্লাহে তেওঁলোকৰ কাৰণে এনে জান্নাত প্ৰস্তুত কৰি ৰাখিছে, যাৰ মাজেৰে প্ৰবাহিত হৈ থাকে নিজৰা। তাত তেওঁলোক চিৰকাল থাকিব। সেয়াই চৰম সফলতা।

(৯০) আৰবৰ গ্ৰামবাসী অনেক বেদুঈনে অজুহাত দেখুৱাইছিল যেন সিহঁতকো অনুমতি দিয়া হয়। যিবিলাকে আল্লাহ আৰু তেওঁৰ ৰছুলক মিছা অজুহাত দেখুৱাইছিল, সিহঁত এইদৰে ঘৰতে ৰৈ গ'ল। সিহঁতৰ যিবিলাকে অস্বীকাৰ কৰিছে, সিহঁতক অতি যন্ত্ৰণাদায়ক শাস্তিয়ে আক্ৰান্ত কৰিব। (৯১) যিসকল দুৰ্বল, ৰোগাক্ৰান্ত আৰু আল্লাহৰ পথত সংগ্ৰাম কৰাৰ উপায়-উপকৰণো নাই অথচ আল্লাহৰ প্ৰতি প্ৰগাঢ় অনুৰাগ আছে, তেওঁলোকৰ কোনো পাপ নহয়। সৎ কৰ্মপৰায়ণ লোকৰ প্ৰতি অভিযোগৰ কোনো হেতু নাই।

(৯২) আৰু তেওঁলোকৰ বিৰুদ্ধেও কোনো অভিযোগ নাই, যিসকলে তোমাৰ ওচৰলৈ বাহন বিচাৰি আহিছিল আৰু তুমি কৈছিলা- 'মই তোমালোকৰ বাবে বাহন যোগাৰ কৰিব পৰা নাই' আৰু সিহঁত উভতি গ'ল চকুলো টুকি; কিয়নো নিজে ব্যয় বহন কৰি যুদ্ধলৈ যাব পৰা অৱস্থা সিহঁতৰ নাছিল।(৯৩) অভিযোগ কেৱল সিহঁতৰ প্ৰতি, যিবিলাক অৱস্থাসম্পন্ন হোৱা সত্ত্বেও অব্যাহতি বিচাৰি তোমাৰ পৰা অনুমতি বিচাৰিছিল। সিহঁতে সেইবিলাক মহিলাৰ লগত থকাকেই পচন্দ কৰিছিল, যিবিলাক ঘৰতে আছিল। আল্লাহে সিহঁতৰ অন্তৰত মোহৰ মাৰি দিলে; সেয়ে সিহঁতে একো নুবুজে।

(৯৪) তুমি যেতিয়া সিহঁতৰ ওচৰলৈ ঘূৰি আহিবা, তেতিয়া সিহঁতে তোমাক নানা অজুহাত দেখুৱাব। কোৱা- 'অজুহাত নেদেখুৱাবা। আমি তোমালোকক কেতিয়াও বিশ্বাস নকৰো। আল্লাহে তোমালোকৰ প্ৰকৃত স্বৰূপটো আমাক জনাই দিছে। আল্লাহ আৰু তেওঁৰ ৰছুলে তোমালোকৰ কাৰ্যকলাপ লক্ষ্য কৰিব। অৱশেষত তেওঁৰ পিনেই তোমালোকক উভতাই নিয়া হ'ব, যিজনে প্ৰকাশ্য আৰু গোপন বিষয়বোৰ জানে আৰু তেতিয়া তেঁৱেই তোমালোকক জনাই দিব তোমালোকে কি কৰিছিলা।' (৯৫) সিহঁতে তোমালোকৰ ওচৰত আল্লাহৰ নামত শপত খাই ক'ব যাতে তোমালোকে বিষয়টো উপেক্ষা কৰা। গতিকে সিহঁতক উপেক্ষা কৰা। সিহঁত অপৰিত্ৰ। সিহঁতৰ বাসস্থল জাহান্নাম। এয়া সিহঁতৰ কৰ্মৰ প্ৰতিফল।(৯৬) তোমালোকৰ সন্মুখত শপত খাব যাতে তোমালোক সিহঁতৰ প্ৰতি সন্তুষ্ট হোৱা। তোমালোক সন্তুষ্ট হ'লেও আল্লাহে তেনে দুষ্কাৰ্যকাৰী মানুহৰ প্ৰতি কোনো পধ্যেই সন্তুষ্ট নহয়।

(৯৭) আৰবৰ বেদুঈনবিলাক সত্য অস্বীকাৰ আৰু প্ৰতাৰণাত অতি আঁকোৰগোজ। আল্লাহে তেওঁৰ ৰছুলৰ প্ৰতি যি অৱতীৰ্ণ কৰিছে, তাৰ পৰিসীমা সম্বন্ধে সিহঁত অনভিজ্ঞ থকাটোৱে বেছি সম্ভৱপৰ। আল্লাহ মহাজ্ঞানী,

বিজ্ঞানময়। (৯৮) আৰবৰ বেদুঈনবিলাকৰ এনে মানুহো আছে, যিবিলাকে আল্লাহৰ পথত খৰচ কৰাক জৰিমনা বুলিহে ধাৰণা কৰে আৰু তোমালোকৰ ওপৰত কোনো দুৰ্যোগ অহাটোলৈ প্ৰতীক্ষা কৰি থাকে। সিহঁতৰ ওপৰতহে দুৰ্যোগ হওক! আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ।

(৯৯) আৰবৰ বেদুঈনবিলাকৰ এনে মানুহো আছে, যিসকলে আল্লাহ আৰু পৰকালক বিশ্বাস কৰে আৰু তেওঁলোকে আল্লাহৰ পথত যি খৰচ কৰে, সেয়া আল্লাহৰ সান্নিধ্য লাভ আৰু ৰছুলৰ আশীৰ্বাদ লাভৰ মাধ্যম বুলি ভাবে। হয়, নিশ্চয় সেয়া সান্নিধ্য লাভৰ মাধ্যম আৰু আল্লাহে তেওঁলোকক নিজ কৰুণাত প্ৰবিষ্ট কৰাব। আল্লাহ অতি ক্ষমাশীল, দয়াবান।

(১০০) মুহাজিৰ (প্ৰবাসী) আৰু আনচাৰ (সহায়কাৰী) সকলৰ যিসকলে প্ৰথমে অগ্ৰসৰ হৈছিল আৰু যিসকলে নিষ্ঠাৰে তেওঁলোকক অনুসৰণ কৰিছিল, আল্লাহ তেওঁলোকৰ প্ৰতি প্ৰসন্ন আৰু তেওঁলোকো আল্লাহৰ প্ৰতি সন্তুষ্ট। আল্লাহে তেওঁলোকৰ কাৰণে প্ৰস্তুত কৰি ৰাখিছে জান্নাত, যাৰ মাজেৰে নিজৰা প্ৰবাহিত হৈ থাকে। তাত তেওঁলোক চিৰকাল থাকিব। এয়াই চৰম সাফল্য। (১০১) তোমালোকৰ আশে-পাশে থকা বেদুঈন আৰবিলাকৰ মাজত বহু মুনাফিক আছে, তেনেদৰে মদিনাবাসীৰ মাজতো কিছু মুনাফিক আছে। সিহঁত কপটতাত আঁকোৱগোজ। তুমি সিহঁতক নাজানা; কিন্তু আমিহে সিহঁতক জানো। সিহঁতক আমি দুগুণকৈ শাস্তি দিম। পিছত সিহঁতক ভয়ানক শাস্তিৰ বাবে চালান দিয়া হ'ব।

(১০২) আন কিছুমান মানুহ আছে, যিবিলাকে নিজৰ অপৰাধ সৈ কাঢ়িছে। সিহঁতে সৎকামো কৰিছে আৰু অসৎ কামো কৰিছে। সম্ভৱতঃ আল্লাহে সিহঁতক ক্ষমা কৰি দিব। নিশ্চয় আল্লাহ অসীম ক্ষমাশীল, পৰম কৰুণাময়। (১০৩) সিহঁতৰ ধন-সম্পদৰ পৰা যাকাত লৈ সিহঁতক পৰিত্ৰ আৰু নিৰ্মল কৰা আৰু সিহঁতৰ বাবে দুআ-প্ৰাৰ্থনা কৰা। নিশ্চয় তোমাৰ প্ৰাৰ্থনা সিহঁতৰ

বাবে সান্ত্বনাৰ উৎস হ'ব। আল্লাহ সর্বশ্রোতা, সর্বজ্ঞ। (১০৪) সিহঁতে নাজানে যে, আল্লাহে তেওঁৰ দাসবিলাকৰ ক্ষমা-প্রার্থনা আৰু ছদকা (যাকাত) গ্রহণ কৰে, আল্লাহ অনুতাপ গ্রহণকাৰী, পৰম দয়ালু। (১০৫) কোৱা- 'তোমালোকৰ ইচ্ছানুযায়ী কাম কৰি থাকা। আল্লাহ, তেওঁৰ ৰছুল আৰু মুমিনসকলে তোমালোকৰ কর্মনীতি লক্ষ্য কৰিব। অনতিপলমে তোমালোকক তেওঁৰ ওচৰলৈকে উভতাই নিয়া হ'ব, যিজনে অদৃশ্য আৰু দৃশ্য সকলো জানে। তেঁৱেই তোমালোকক প্রকৃত সত্যটো দেখুৱাব, তোমালোকে কি কর্ম কৰিছিলা। (১০৬) (তথাপিও তাত) এনে কিছুমান মানুহ আছে, যিবিলাকৰ বিষয়ে আল্লাহৰ সিদ্ধান্ত নহালৈকে স্থগিত আছে। সিহঁতক হয় তেওঁ ক্ষমা কৰিব, নহ'লে শাস্তি দিব। আল্লাহ মহাজ্ঞানী, বিজ্ঞানময়।

(১০৭) সিহঁতৰ মাজত এনে মানুহো আছে, যিবিলাকে এটা মছজিদ নির্মাণ কৰিছিল ক্ষতি সাধিবলৈ, স্বধর্ম ত্যাগ কৰিবলৈ আৰু বিশ্বাস স্থাপনকাৰীসকলৰ মাজত বিভেদ সৃষ্টি কৰিবলৈ আৰু এইবাবে যে ইতিপূর্বে আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰুদ্ধে যুদ্ধকাৰীবিলাকৰ ঘাঁটি স্বৰূপে ব্যৱহাৰ কৰিবৰ বাবে। সিহঁতে শপত খাই কয়- 'আমি কেৱল সৎ উদ্দেশ্যৰে এনে কাম কৰিছিলো।' আল্লাহে সাক্ষ্য দিছে যে সিহঁত মিছলীয়া। (১০৮) তুমি কদাপিও তাত ভৰি নিদিবা। কেৱল মাথোন সেই মছজিদত তুমি থিয় দিয়াৰ যোগ্য, যিটো প্রথম দিনাৰ পৰাই আন্তৰিক ধার্মিকতাৰ ভিত্তিত স্থাপিত হৈছে। তাত এনে মানুহো আছে, যিসকলে পৱিত্র হৈ থাকিবলৈ ভাল পায় আৰু আল্লাহে পৱিত্রতা অৱলম্বনকাৰীক ভাল পায়। (১০৯) যেয়ে আল্লাহৰ ভয় আৰু তেওঁৰ সন্তুষ্টি কামনাৰ ওপৰত নিজ ঘৰৰ ভেটি স্থাপন কৰিছে, তেওঁ উত্তম নে যেয়ে খহি পৰিবলৈ ধৰা গৰাৰ কাষত ভেঁটি স্থাপন কৰিছে সি উত্তম? পিছত সেই ভেঁটিটোৱে তাক লৈ জাহান্নামৰ অগ্নিত খহি পৰিল। আল্লাহে অন্যায়কাৰীবিলাকক সুপথ নেদেখুৱায়। (১১০) সিহঁতে যিটো ভেঁটি

নির্মাণ কৰিছে, সিয়ে সিহঁতৰ অন্তৰত সদায় এটা সন্দেহৰ বস্তু হৈয়েই থাকিব যি পর্যন্ত সিহঁতৰ অন্তৰবোৰ থান-বান হৈ নাযায়। আল্লাহ মহাজ্ঞানী, বিজ্ঞানময়।

(১১১) নিশ্চয় আল্লাহে মুমিনসকলৰ পৰা জান্নাতৰ বিমিয়ত তেওঁলোকৰ জীৱন আৰু ধন-সম্পদ ক্রয় কৰিছে। তেওঁলোকে আল্লাহৰ বাবে যুদ্ধ কৰে, মাৰে আৰু মৰেও। তওৰাত, ইঞ্জিল আৰু কুৰআনতো এই কথাৰ প্রতিশ্রুতি দিয়া হৈছে। প্রতিশ্রুতি পূর্ণ কৰাত আল্লাহতকৈ শ্রেষ্ঠ আন কোন আছে? তোমালোকৰ লগত যি আদান-প্রদান কৰা হৈছে, তাৰ বাবে আনন্দ কৰা। এয়াই চৰম সাফল্য। (১১২) তেওঁলোকে অনুতাপেৰে ক্ষমা প্রার্থনা কৰে, উপাসনা কৰে, সৎ কামৰ আদেশ দিয়ে, অসৎ কামত বাধা দিয়ে আৰু আল্লাহৰ নির্ধাৰিত সীমা সংৰক্ষণ কৰে। বিশ্বাস স্থাপনকাৰীসকলক সুসংবাদ দিয়া।

(১১৩) নবী আৰু বিশ্বাস স্থাপনকাৰীসকলৰ বাবে সংগত নহয় যে, অংশীবাদীবিলাকৰ হৈ ক্ষমা-প্রার্থনা কৰা সিহঁত যিমানেই নিকট আত্মীয়-স্বজনেই নহওঁক কিয়; যিহেতু এয়া স্পষ্ট হৈ পৰিছে যে, সিহঁতে জাহান্নামৰ শাস্তি অর্জন কৰিছে! (১১৪) ইব্রাহীমে তেওঁৰ বাপেকৰ বাবে ক্ষমা প্রার্থনা কৰিছিল কেৱল বাপেকক দিয়া প্রতিশ্রুতি ৰক্ষা কৰিবৰ বাবেহে; কিন্তু তেওঁ স্পষ্টভাৱে জানিব পাৰিলে যে, তেওঁৰ পিতৃ আল্লাহৰ শত্রু, তেতিয়া তেওঁ তেওঁৰ লগত সম্পর্ক চ্ছেদ কৰিলে। ইব্রাহীম কোমল চিত্ত আৰু সহনশীল আছিল। (১১৫) আল্লাহে কোনো সম্প্রদায়ক সুপথ দেখুৱাৰ পিছত বিপথগামী নকৰে যেতিয়ালৈকে সেই সম্প্রদাক বিৰত থাকিব লগীয়া বিষয়সমূহ বিতং ভাৱে জনাই নিদিয়ে। নিশ্চয় আল্লাহে সকলো বিষয়ে জানে। (১১৬) নিশ্চয় আকাশমণ্ডল আৰু পৃথিৱীৰ সার্বভৌম আধিপত্য আল্লাহৰেই। তেঁৱেই জীৱন দান কৰে আৰু মৃত্যু ঘটায়। আল্লাহৰ ব্যতীত তোমালোকৰ আন কোনো ৰক্ষাকাৰী আৰু সাহায্যকাৰী নাই।

(১১৭) আল্লাহে নবী আৰু সেইসকল মুহাজিৰ আৰু আনচাৰৰ প্ৰতি সদয় হৈছিল, যিসকল দুৰ্দিনৰ সময়তো নবীৰ লগতে আছিল। তেওঁলোকৰ এদলৰ চিত্ত স্খলিত হোৱাৰ উপক্ৰম হৈছিল। আল্লাহে তেওঁলোকক দয়া কৰিলে। নিশ্চয় আল্লাহ তেওঁলোকৰ প্ৰতি স্নেহশীল আৰু পৰম দয়ালু। (১১৮) ইয়াৰ পিছত সেই তিনিওজনৰ প্ৰতি তেওঁ সদয় হ'ল, যি কেইজনৰ সম্পৰ্কে সিদ্ধান্ত স্থগিত ৰখা হৈছিল। আনকি বিশাল পৃথিৱী তেওঁলোকৰ বাবে সংকুচিত হৈ পৰিছিল আৰু তেওঁলোকৰ জীৱন তেওঁলোকৰ বাবে দুঃসহ হৈ পৰিছিল আৰু তেওঁলোকে বুজিব পাৰিছিল যে, আল্লাহৰ পৰা বাচিবৰ বাবে স্বয়ং আল্লাহৰ ব্যতীত আন কোনো আশ্ৰয় স্থল নাই। পিছত তেওঁ তেওঁলোকৰ প্ৰতি সদয় হ'ল যাতে তেওঁলোক অনুতপ্ত হৈ ক্ষমা প্ৰাৰ্থনা কৰে। আল্লাহ ক্ষমাশীল, দয়াবান।

(১১৯) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহক ভয় কৰা আৰু সত্যবাদীসকলৰ লগত থাকা। (১২০) মদিনাবাসী আৰু তাৰ আশে-পাশে থকা বেদুঈন আৰববাসীৰ বাবে সংগত নহয় যে তেওঁলোকে আল্লাহৰ ৰছুলৰ লগত যোৱাৰ পৰিৱৰ্তে ঘৰতে ৰব আৰু ৰছুলৰ জীৱনতকৈ নিজৰ জীৱনক অগ্ৰাধিকাৰ দিব। কিয়নো আল্লাহৰ পথত তেওঁলোক যি ভোক-পিয়াহত, ক্লান্তিত জৰ্জৰিত হয় আৰু অবিশ্বাসকাৰীবিলাকক কষ্ট দিবলৈ যি পদক্ষেপ লয় আৰু শত্ৰু পক্ষক যি আঘাত হানে তাৰ বিনিময়ত তেওঁলোকৰ বাবে সৎ কৰ্ম হিচাবে লিখা হয়। আল্লাহে সৎকৰ্মীসকলৰ শ্ৰম নিষ্ফল নকৰে। (১২১) আৰু তেওঁলোকে কম হওক বা বেছি হওক (আল্লাহৰ পথত) যি ব্যয় কৰে আৰু কোনো উপত্যকা অতিক্ৰম কৰে, সেয়া তেওঁলোকৰ নামত লিখা হয় যাতে আল্লাহে তেওঁলোকৰ কৰ্মৰ উৎকৃষ্ট প্ৰতিদান দিব পাৰে।

(১২২) বিশ্বাস স্থাপনকাৰীসকলে ধৰ্ম শিক্ষাৰ বাবে (নবীৰ ওচৰলৈ) একেলগে ওলাই যোৱা উচিত নহয়। তেওঁলোকৰ প্ৰত্যেক দলৰ একাংশই

ওলাই গৈ যাতে ধর্মৰ জ্ঞানুশীলন কৰিব পাৰে আৰু ঘূৰি আহি তেওঁলোকৰ সম্প্রদায়ৰ মানুহবিলাকক সতর্ক কৰিব পাৰে যাতে লোক সকলে নিজকে অসৎ কর্মৰ পৰা বিৰত ৰাখিব পাৰে।

(১২৩) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকৰ আশে-পাশে থকা সত্য অস্বীকাৰকাৰীবিলাকৰ লগত যুদ্ধ কৰা। সিহঁতৰ প্রতি কঠোৰতা অৱলম্বন কৰা। জানি থোৱা, আল্লাহ খোদাভীৰু মানুহৰ লগত থাকে। (১২৪) যেতিয়া কোনো নতুন ছুৰা অৱতীর্ণ হয়, তেতিয়া সিহঁতৰ কিছুমানে কয়- 'এইটোৱে তোমালোকৰ কাৰ কাৰ বিশ্বাস বৃদ্ধি কৰিলে?' কিন্তু যিসকল বিশ্বাস স্থাপনকাৰী, ই তেওঁলোকৰ বিশ্বাস বৃদ্ধি কৰে আৰু তেওঁলোকে আনন্দ লাভ কৰে। (১২৫) কিন্তু যিবিলাকৰ অন্তৰত ব্যাধি আছে, এই ছুৰাই সিহঁতৰ অন্তৰত কলুষতাৰ ওপৰত আৰু কলুষতাহে বৃদ্ধি কৰে আৰু অবিশ্বাসকাৰী অৱস্থাতে সিহঁতৰ মৃত্যু হয়। (১২৬) সিহঁতে কি দেখা নাইনে যে, প্রতি বছৰে এবাৰ বা দুবাৰ সিহঁতৰ পৰীক্ষা লোৱা হয়? ইয়াৰ পিছতো সিহঁতে অনুশোচনা নকৰে আৰু শিক্ষাও গ্রহণ নকৰে। (১২৭) যেতিয়া কোনো ছুৰা অৱতীর্ণ হয়, সিহঁতৰ ইটোৱে সিটোক চকু টিপিয়াই কয়- 'কোনোৱে দেখা নাইতো?' পিছত তাৰ পৰা আঁতৰি যায়। আল্লাহে সিহঁতৰ অন্তৰবোৰ ঘূৰাই দিছে। কাৰণ সিহঁত এনে মানুহ যিবিলাকে একো বুজিয়েই নাপায়।

(১২৮) তোমালোকৰ মাজৰ পৰাই তোমালোকলৈ এজন ৰছুল আহিছে। তোমালোক বিপদাপন্ন হ'লে, তেওঁৰ মনোকষ্ট হয়। তেওঁ তোমালোকৰ কল্যাণ বিচাৰে আৰু তেওঁ বিশ্বাস স্থাপনকাৰীসকলৰ বাবে স্নেহশীল, দয়ালু। (১২৯) ইয়াৰ পিছতো যদি সিহঁতে মুখ ঘূৰায়, কোৱা- 'মোৰ বাবে আল্লাহ যথেষ্ট। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। মই তেওঁৰ ওপৰতেই ভৰসা কৰো। তেওঁ মহা সিংহাসনৰ প্রভু।'

১০. ইউনুছ (যোনাহ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলিম-লাম-ৰা।

এইসমূহ জ্ঞান-বিজ্ঞানেৰে ভৰপূৰ পুথিৰ আয়াত, (২) মানুহবিলাকৰ কাৰণে এয়া আশ্চর্যৰ বিষয় হ'লনে যে, সিহঁতৰ মাজৰে এজনলৈ ঐশীবাণী পঠালো এই বুলি- 'মানুহবিলাকক সতর্ক কৰি দিয়া আৰু যিসকলে বিশ্বাস কৰে, তেওঁলোকক সুসংবাদ দিয়া যে তেওঁলোকৰ বাবে তেওঁলোকৰ প্ৰভুৰ ওচৰত আছে উচ্চ মর্যাদা।' সত্য অস্বীকাৰকাৰীবিলাকে ক'লে- 'এওঁ এজন প্ৰকাশ্য যাদুকৰ।'

(৩) নিঃসন্দেহে তোমালোকৰ প্ৰভু আল্লাহ, যিজনে ছদিনত আকাশমণ্ডল আৰু পৃথিৰী সৃষ্টি কৰিছে। তাৰ পিছত তেওঁ মহাসিংহাসনত অধিষ্ঠিত হ'ল আৰু সকলো পৰিচালনা কৰিব ল'লে। তেওঁৰ অনুমতি বিনে কোনো ওকালতকাৰী নাই। তেৱেঁই আল্লাহ, তোমালোকৰ প্ৰভু। সেয়ে কেৱল তেওঁৰেই উপাসনা কৰা। তোমালোকে চিন্তা-চর্চা নকৰানে? (৪) তেওঁৰ ওচৰলৈকে তোমালোক সকলোৱে ঘূৰি যাব লাগিব। আল্লাহৰ প্ৰতিশ্ৰুতি সত্য। তেৱেঁই প্ৰথমে সৃষ্টিৰ সূচনা কৰিছে আৰু তেৱেঁই পুনৰ সৃষ্টি কৰিব যাতে যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকর্ম কৰে, তেওঁলোকক ন্যায্য প্ৰতিফল দিব পাৰে। যিবিলাকে সত্য অস্বীকাৰ কৰিছে, সিহঁতৰ অস্বীকাৰ কৰাৰ প্ৰতিফল হিচাবে আছে উত্তপ্ত খোৱা পানী আৰু কঠোৰ যন্ত্ৰণাদায়ক শাস্তি।

(৫) তেওঁ সেইজনেই, যিজনে প্ৰখৰ কিৰণৰ বাবে সূর্যক আৰু স্নিগ্ধ পোহৰৰ বাবে চন্দ্ৰক সৃষ্টি কৰিছে আৰু তাৰ নির্দিষ্ট অৱস্থান নির্ধাৰণ কৰি দিছে যাতে ইয়াৰ সহায়ত তোমালোকে বছৰ আৰু সময় গণনা কৰিব পাৰা।

আল্লাহে এইবোৰ উদ্দেশ্যবিহীনভাৱে সৃষ্টি কৰা নাই। তেওঁৰ নিদর্শনসমূহ জ্ঞানবান লোকসকলৰ বাবে স্পষ্টভাৱে বর্ণনা কৰিছে। (৬) দিন-ৰাতিৰ পৰিৱর্তন আৰু আকাশমণ্ডল আৰু পৃথিৱীত আল্লাহে যি সৃষ্টি কৰিছে তাৰ প্রতিটোতে সেই মানুহবিলাকৰ কাৰণে নিদর্শন আছে যিসকলে আল্লাহক ভয় কৰে। (৭) যিবিলাকে আমাৰ লগত সাক্ষাৎ লাভৰ আশা পোষণ নকৰে আৰু পার্থিৱ জীৱনকলৈয়ে সন্তুষ্ট আৰু প্রসন্ন হৈ আছে আৰু যিবিলাকে আমাৰ নিদর্শনসমূহৰ প্রতি উদাসীন, (৮) সিহঁতৰ কৃতকর্মৰ বাবে সিহঁতৰ বাসস্থল হ'ব জাহান্নাম। (৯) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকর্ম কৰি আছে, তেওঁলোকে বিশ্বাস স্থাপন কৰা বাবে তেওঁলোকৰ প্রভুৱে তেওঁলোকক সৎপথত চালিত কৰিব আৰু সুখ সম্ভোগৰ জান্নাতত তেওঁলোকৰ পাদতলেৰে নিজৰা বৈ থাকিব। (১০) তাত তেওঁলোকে কৈ উঠিব- 'হে আল্লাহ, সকলো প্রশংসা তোমাৰ বাবেই' আৰু তেওঁলোকৰ অভিবাদন হ'ব 'ছালাম' (শান্তি হওক) আৰু কথাৰ সামৰণি হ'ব- 'সকলো প্রশংসা আল্লাহৰ বাবেই, যিজন নিখিল জগতৰ প্রভু।'

(১১) যদি মানুহৰ বাবে শাস্তি সেইদৰে শীঘ্রে পঠিয়ালোহেঁতেন, যিদৰে তেওঁ দ্রুতভাৱে দয়া প্রেৰণ কৰে, তেনেহ'লে সিহঁতৰ নির্ধাৰিত সময়-কাল কেতিয়াবাই অৱসান ঘটিলহেঁতেন। কিন্তু যিবিলাকে আমাৰ লগত সাক্ষাৎ লাভৰ আশা পোষণ নকৰে, সিহঁতক আমি অবাধ্যতাত উদ্ভ্রান্ত হৈ ঘূৰি ফুৰিবলৈ এৰি দিও। (১২) কোনো মানুহ যেতিয়া দুখ-কষ্টত পতিত হয়, তেতিয়া সি শুই, বহি, থিয় দি আমাক মাতে; কিন্তু আমি তাৰ দুখ-কষ্ট দূৰ কৰি দিলেই সি এনে আচৰণ কৰে যেনিবা আমাক মতাই নাছিল। এনেদৰে সীমালংঘনকাৰী বিলাকৰ বাবে সিহঁতৰ কাম-কাজকে সিহঁতৰ বাবে শোভনীয় কৰি দিয়া হৈছে।

(১৩) নিশ্চয় আমি তোমালোকৰ পূর্বৰ অনেক জাতিক সমূলধ্বংস কৰিছিলো, যেতিয়া সিহঁতে অন্যায় কৰিছিল। সিহঁতৰ ৰছুলসকলে সিহঁতলৈ

সুস্পষ্ট নিদর্শন লৈ অহা সত্ত্বেও সিহঁতে মুঠেই বিশ্বাস কৰা নাছিল। এইদৰে আমি অপৰাধৰ প্ৰতিফল দিও।(১৪) ইয়াৰ পিছত আমি তোমালোকক সিহঁতৰ পিছত পৃথিৱীত স্থলাভিষিক্ত কৰিলো যাতে আমি চাব পাৰো তোমালোকে কেনে আচৰণ কৰা।

(১৫) যেতিয়া আমাৰ স্পষ্টবাণীসমূহ সিহঁতক পাঠ কৰি শুনোৱা হয়, যিবিলাকে আমাৰ লগত সাক্ষাৎ কৰাৰ আশা পোষণ নকৰে, সিহঁতে কয়- 'অন্য এখন কুৰআন আনা নাইবা ইয়াতে কিছু সাল-সলনি কৰা।' কোৱা- 'মোৰ নিজৰ ফালৰ পৰা ইয়াত মই কোনো সাল-সলনি কৰিব নোৱাৰো। মই কেৱল সেইয়াহে অনুসৰণ কৰো, যি মোৰ প্ৰতি অৱতীৰ্ণ হয়। মই ভয় কৰো যদি মই মোৰ প্ৰভুৰ অবাধ্য হও, তেনেহ'লে এটা ভয়ানক দিনৰ শাস্তি আছে।' (১৬) কোৱা- 'আল্লাহে ইচ্ছা কৰাহেঁতেন, মই তোমালোকক এয়া পাঠ কৰি নুশুনালোহেঁতেন আৰু আল্লাহে তোমালোকক ইয়াৰ সম্ভেদ নিদিলেহেঁতেন। এয়া প্ৰাপ্তিৰ পূৰ্বে মই তোমালোকৰ লগতে দীৰ্ঘকাল কটালো, তথাপি তোমালোকে মোক বুজি নাপালানে?' (১৭) সেই মানুহজনতকৈ বেছি অন্যায়কাৰী আন কোন হ'ব পাৰে, যিজনে আল্লাহ সম্পৰ্কে মিছা ৰচনা কৰে নাইবা আল্লাহৰ বাণীসূহক মিছা বুলি অগ্ৰাহ্য কৰে? নিশ্চয় অন্যায়কাৰীবিলাকে কেতিয়াও সফলতা লাভ কৰিব নোৱাৰে।

(১৮) আল্লাহৰ বাহিৰে সিহঁতে এনে কিছুমানক উপাসনা কৰে, যিবোৰে নে সিহঁতৰ কোনো ক্ষতি কৰিব পাৰে, নে উপকাৰ কৰিব পাৰে আৰু সিহঁতে কয়- 'এওঁলোক আল্লাহৰ ওচৰত আমাৰ মধ্যস্থতাকাৰী।' কোৱা- 'তোমালোকে আল্লাহক আকাশমণ্ডল আৰু পৃথিৱীৰ এনে সংবাদ দিব খোজা নেকি, যিটো তেওঁ নাজানে?' তেওঁ পৱিত্ৰ আৰু মহান সিবিলাকতকৈ যিবিলাকক তেওঁৰ লগত অংশী কৰিছা।(১৯) আদিতে সকলো মানৰ জাতি একেটা সম্প্ৰদায় আছিল। পিছলৈ সিহঁতে মতভেদ সৃষ্টি কৰিলে। তোমাৰ প্ৰভুৰ ফালৰ পৰা

পূৰ্ব সিদ্ধান্ত নথকাহেঁতেন, সিহঁতে যিলৈ মতভেদ সৃষ্টি কৰিছে তাৰ মীমাংসা হৈয়ে গ'লহেঁতেন।

(২০) সিহঁতে কয়- 'এইজনা নবীৰ প্ৰতি তেওঁৰ প্ৰভুৰ পৰা কোনো নিদৰ্শন অৱতীৰ্ণ হোৱা নাই কিয়?' সিহঁতক কোৱা- 'অদৃশ্যৰ জ্ঞান কেৱল আল্লাহৰহে আছে। সেয়ে তোমালোকে অপেক্ষা কৰা, তোমালোকৰ লগতে ময়ো অপেক্ষা কৰি আছোঁ।' (২১) দুখ-কষ্ট ভোগ কৰাৰ পিছত যেতিয়া মানুহক আমি কৰুণাৰ সোৱাদ ল'বলৈ দিওঁ, তেতিয়া সিহঁতে তৎকালেই আমাৰ নিদৰ্শনসমূহৰ প্ৰতি ছলনা কৰিবলৈ লয়। সিহঁতক কোৱা- 'আল্লাহৰ ছলনা সিহঁততকৈও দ্ৰুততম। তোমালোকৰ ষড়যন্ত্ৰবোৰ আমাৰ ফিৰিস্তাই লিপিবদ্ধ কৰি আছে।'

(২২) তেওঁ আল্লাহ, যিজনে তোমালোকক স্থল আৰু জলত ভ্ৰমণ কৰায়। যেতিয়া তোমালোক নাও-জাহাজত আৰোহণ কৰি অনুকুল বতাহত আনন্দমনে ভ্ৰমণ কৰি থাকা হঠাৎ যেতিয়া ধুমুহা আহে, কেউদিশৰ পৰা উত্তাল তৰংগ আহে আৰু সিহঁতে ভাবে যে, সিহঁত ধুমুহাৰ গৰাহত পৰিছে, তেতিয়া সিহঁতে সৰল চিত্তে বিশুদ্ধভাৱে আল্লাহক প্ৰাৰ্থনা কৰে যে- 'যদি তুমি আমাক ইয়াৰ পৰা উদ্ধাৰ কৰা, নিশ্চয় আমি তোমাৰ কৃতজ্ঞ বান্দা (দাস) হৈ থাকিম।' (২৩) কিন্তু যেতিয়া তেওঁ সিহঁতক উদ্ধাৰ কৰে, তেতিয়া সিহঁতে অন্যায়ভাৱে পৃথিৱীত বিদ্ৰোহাচৰণ কৰিবলৈ ধৰে। হে মানৱ, তোমালোকৰ বিদ্ৰোহাচৰণে কেৱল তোমালোকৰেই অহিত সাধিব। বৰ্তমান জীৱনত সুখ-সম্ভোগ কৰি লোৱা। পিছত আমাৰ ওচৰলৈকে ঘূৰি আহিব লাগিব আৰু তেতিয়া আমি তোমালোকক জানিবলৈ দিম তোমালোকে কি কৰিছিলা।'

(২৪) এই পাৰ্থিৱ জীৱনৰ দৃষ্টান্ত হ'ল এনে ধৰণৰ, আমি আকাশৰ পৰা পানী বৰ্ষালো, তাৰ পৰা পৃথিৱীত বনস্পতি উৎপন্ন হ'ল, তাৰ পৰা মানুহ আৰু জীৱ-জন্তুই খালে। কিন্তু যেতিয়া ধৰণী সুজলা-সুফলা মনোমোহা

হয়, তেতিয়া মানুহে ভাবে সেইবোৰ এতিয়া সিহঁতৰ আয়ত্বত; কিন্তু ৰাতি নাইবা দিনত হঠাৎ যেতিয়া আমাৰ নির্দেশ আহি পায় আৰু আমি সেইবোৰ এনে খেৰকুটাৰ পথাৰলৈ পৰিৱর্তন কৰি দিও, ইয়াৰ পূর্বে যেনিবা তাত একোৱেই নাছিল। এইদৰে আমি চিন্তাশীল মানুহৰ বাবে আমাৰ নিদর্শনসমূহ বিতংভাৱে বর্ণনা কৰো।

(২৫) আল্লাহে মানুহক শান্তিৰ নিবাসৰ পিনে আহবান কৰে আৰু তেওঁ যাক ইচ্ছা কৰে, সৎপথত চালিত কৰে। (২৬) যিসকলে ভাল কাম কৰে, তেওঁলোকৰ কাৰণে আছে কল্যাণ আৰু ইয়াৰ উপৰিও আৰু অধিক আছে। কালিমা আৰু লাঞ্ছনাই তেওঁলোকৰ চেহেৰা ছাটি নধৰে। তেওঁলোকেই জান্নাতৰ অধিবাসী আৰু তাত তেওঁলোক চিৰকাল থাকিব। (২৭) যিবিলাকে দুষ্কর্ম কৰিছে, সেই অনুপাতে সিহঁতে প্রতিফল পাব। আল্লাহৰ পৰা সিহঁতক ৰক্ষা কৰিবলৈ কোনো নহ'ব। কালিমাই সিহঁতক এনেভাৱে আচ্ছন্ন কৰিব, যেনিবা ৰাতিৰ অন্ধকাৰৰ আৱৰণেহে সিহঁতক ছাটি ধৰিছে। ইহঁতেই জাহান্নামৰ অধিবাসী আৰু তাত সিহঁত চিৰকাল থাকিব।

(২৮) যিদিনা আমি সিহঁত সকলোকে সমবেত কৰিম, যিবিলাকে আল্লাহৰ লগত আনক অংশী কৰিছিল, সিহঁতক ক'ম- 'তোমালোক আৰু তোমালোকে পাতি লোৱা আল্লাহৰ অংশীবিলাক নিজ নিজ ঠাইত ৰৈ থাকা।' ইয়াৰ পিছত আমি ইজনৰ পৰা সিজনক পৃথক কৰি দিম আৰু সিহঁতৰ অংশী উপাস্যবিলাকে ক'ব- 'তোমালোকেতো আমাৰ উপাসনা কৰা নাছিলা। (২৯) আল্লাহেই আমাৰ আৰু তোমালোকৰ মাজত সাক্ষী হিচাবে যথেষ্ট। আমি সমূলি অজ্ঞাত আছিলো তোমালোকে যে আমাক উপাসনা কৰিছিলা।' (৩০) তেতিয়া প্রত্যেকে উপলব্ধি কৰিব পূর্বতে সিহঁতে কি কৰিছিল। সিহঁতে সিহঁতৰ প্রভুৰ ওচৰলৈকে ঘূৰি যাব যিজন প্রকৃতার্থত গৰাকী আৰু সিহঁতে যিবোৰ মিছা উদ্ভাৱন কৰিছিল, সেইবোৰ সিহঁতৰ পৰা উধাও হ'ব।

(৩১) কোৱা- 'কোনে তোমালোকক আকাশ আৰু পৃথিৱীৰ পৰা জীৱিকা দান কৰে? কোন তেওঁ, যিয়ে কাণ আৰু চকুক নিয়ন্ত্রণ কৰে? কোনে সজীৱক নিৰ্জীৱৰ পৰা উলিয়ায় আৰু নিৰ্জীৱক সজীৱৰপৰা উলিয়ায়? এই সকলো কোনে সম্পন্ন কৰে?' সিহঁতে ক'ব- 'আল্লাহ।' তেতিয়া কোৱা- 'তেনেহ'লে তোমালোকে তেওঁক ভয় নকৰিবানে? (৩২) তেৱেঁই আল্লাহ, তোমালোকৰ প্রভু। এতেকে সত্যৰ পিছত বিভ্রান্তিৰ বাহিৰে আৰুনো কি থাকিব পাৰে? কেনেকৈনো তোমালোকে বিপথে গ'লা?' (৩৩) এইদৰে তোমাৰ প্রভুৰ কথা অবাধ্যকাৰীবিলাকৰ সম্পর্কে সত্য ৰূপে সাব্যস্ত হ'ল যে সিহঁতে কেতিয়াও বিশ্বাস স্থাপন নকৰে।

(৩৪) সিহঁতক সোধা- 'তোমালোকৰ (আল্লাহৰ) অংশীবিলাকৰ এনে কোনোবা আছেনে, যিজনে সৃষ্টিৰ সূচনা কৰে, পিছত তাক পুনৰাৱর্তন কৰে?' কোৱা- 'তেৱেঁই আল্লাহ, যিজনে সৃষ্টিৰ সূচনা কৰে আৰু তাৰ পুনৰাৱর্তন কৰে। তথাপি তোমালোকে কেনেকৈ বিভ্রান্ত হ'লা?' (৩৫) কোৱা- 'তোমালোকৰ (আল্লাহৰ) অংশীবিলাকৰ এনে কোনো আছেনে, যিজনে সত্য পথ দেখুৱাব?' কোৱা- 'তেৱেঁই আল্লাহ, যিজনে সত্যৰ পথ দেখুৱায়। তেনেহ'লে যিজনে সত্যৰ পথ দেখুৱায়, তেওঁ অনুসৰণৰ যোগ্য, নে যিজনে নিজে পথ দেখা নাপায় আনে নেদেখুৱালে তেওঁ যোগ্য? তোমালোকৰ কি হ'ল? তোমালোকে কেনে উল্টা বিচাৰ কৰা?' (৩৬) সিহঁতৰ বেছিভাগেই কেৱল ধাৰণাৰ ওপৰত চলে; কিন্তু ধাৰণা কেতিয়াও সত্যৰ বিকল্প হ'ব নোৱাৰে। সিহঁতে যি কৰি আছে, সেয়া আল্লাহে খুব ভালকৈ জানে।

(৩৭) এই কুৰআন এনে নহয় যে আল্লাহৰ ব্যতীত আনে ইয়াক ৰচনা কৰিব পাৰে। ই পূর্ণতা দান কৰে ইয়াৰ পূর্বে অহা পুথিসমূহৰ আৰু ই সেইবোৰৰ বহল ব্যাখ্যা। ইয়াত কোনো সন্দেহ নাই যে এইখন জগতসমূহৰ প্রভুৰ পৰা আহিছে। (৩৮) সিহঁতে কয় নেকি- 'এইখন তেৱেঁই ৰচনা কৰিছে?' কোৱা-

'ইয়াৰ অনুৰূপ এটা অধ্যায় মোলৈ আনা। আল্লাহৰ বাহিৰে তোমালোকৰ সহায়ৰ বাবে যাক ইচ্ছা তাকে মাতা যদি তোমালোক সত্যবাদী হোৱা।' (৩৯) আচলতে সিহঁতে সেইবোৰ মিছা বুলি অমান্য কৰিছে, যিবোৰ সিহঁতৰ জ্ঞানে ঢুকি পোৱা নাই আৰু তাৰ বাস্তৱিকতা সিহঁতৰ সন্মুখত স্পষ্ট হোৱা নাছিল। এনেদৰে সিহঁতৰ পূৰ্বৱৰ্তীবিলাকেও সত্যক অগ্ৰাহ্য কৰিছিল। পিছে চোৱা, সেই অমান্যকাৰীবিলাকৰ কি দশা হ'ল!

(৪০) সিহঁতৰ কিছুমানে (এই কুৰআনৰ প্ৰতি) বিশ্বাস স্থাপন কৰে আৰু কিছুমানে নকৰে। তোমাৰ প্ৰভুৱে বিপৰ্যয় সৃষ্টিকাৰীবিলাকক ভালকৈয়ে জানে। (৪১) সিহঁতে যদি তোমাক মিছলীয়া বুলি অমান্য কৰে, সিহঁতক কোৱা- 'মোৰ কাম মোৰ বাবে আৰু তোমালোকৰ কাম তোমালোকৰ বাবে। মোৰ কামৰ বাবে তোমালোক দায়বদ্ধ নহয় আৰু তোমালোকে যি কৰা তাৰ বাবে ময়ো দায়বদ্ধ নহয়।' (৪২) সিহঁতৰ কিছুমানে তোমাৰ কথা কাণ পাতি শুনে; কিন্তু তুমি বধিৰবিলাকক শুনাব পাৰিবানে সিহঁত বুজিবলৈ অক্ষম হ'লেও?' (৪৩) সিহঁতৰ কিছুমানে তোমাৰ পিনে থৰ লাগি চায়; কিন্তু তুমি অন্ধবিলাকক পথ দেখুৱাব পাৰিবানে সিহঁতে যদি একো নেদেখে?' (৪৪) প্ৰকৃততে আল্লাহে মানুহৰ প্ৰতি মুঠেই অন্যায় নকৰে। কিন্তু মানুহে নিজেই নিজৰহে অন্যায় কৰে।

(৪৫) যিদিনা আল্লাহে সিহঁত সকলোকে একত্ৰিত কৰিব, তেতিয়া সিহঁতৰ ভাব হ'ব যে পৃথিৱীত সিহঁতে এটা দিনৰ এঘণ্টাতকৈ বেছি সময় অৱস্থান কৰা নাছিল। সিহঁতে পৰস্পৰে পৰস্পৰক চিনি পাব। সিহঁত ক্ষতিগ্ৰস্ত হ'ব, যিবিলাকে আল্লাহৰ সাক্ষাতক মিছা বুলি অস্বীকাৰ কৰিছিল আৰু সিহঁত কেতিয়াও সঠিক পথত নাছিল। (৪৬) হয়তো আমি তোমাক তাৰে কিছু দেখুৱাব পাৰো যিবোৰ আমি সিহঁতক প্ৰতিশ্ৰুতি দিছো নাইবা (তাৰ আগতে) তোমাৰ মৃত্যু ঘটাব পাৰো। যি কি নহওক, সিহঁত আমাৰ ওচৰলৈ ঘূৰি আহিবই

লাগিব। সিহঁতে যি কৰিছে, তাৰ সাক্ষী আল্লাহ।

(৪৭) প্ৰত্যেক সম্প্ৰদায়ৰ বাবে একোজনকৈ ৰছুল আছে। যেতিয়াই তেওঁলোকলৈ তেওঁলোকৰ ৰছুল আহে, তেওঁলোকৰ বিচাৰ-মীমাংসা ন্যায়পূৰ্ণভাৱে কৰা হয় আৰু তেওঁলোকৰ প্ৰতি অকণো অবিচাৰ কৰা নহয়।

(৪৮) সিহঁতে কয়- 'তোমাৰ প্ৰতিশ্ৰুতি কেতিয়া পূৰ্ণ হ'ব, যদি তুমি সঁচায়ে কৈছা?' (৪৯) কোৱা- 'মোৰ আয়ত্বত নাই মোৰ নিজৰেই অপকাৰ বা উপকাৰ কৰাৰ আল্লাহৰ ইচ্ছাৰ ব্যতীত। প্ৰত্যেক মানুহৰ বাবে এটি নিৰ্ধাৰিত সময় আছে। যেতিয়া সেই শেষ সময় আহি পায়হি, সিহঁতে সেয়া একমুহূৰ্তৰ বাবে পিছোৱাবও নোৱাৰে আৰু আগুৱাবও নোৱাৰে।' (৫০) কোৱা- 'যদি তেওঁৰ শাস্তি ৰাতিৰ অন্ধকাৰত বা দিনৰ পোহৰত তোমালোকৰ প্ৰতি আহে, অপৰাধীবিলাকে ইয়াৰ পৰা কেনেকৈ ৰক্ষা পাব? (৫১) শাস্তি অহাৰ পিছতহে তোমালোকে সেয়া বিশ্বাস কৰিবানেকি? অথচ ইয়াৰ বাবে তোমালোকেই খৰখেদা কৰিছা।' (৫২) তেতিয়া অন্যায়কাৰীবিলাকক কোৱা হ'ব- 'এতিয়া অনন্ত শাস্তিৰ সোৱাদ লোৱা। তোমালোকে যি অপকৰ্ম কৰিছিলা, তাৰ প্ৰতিফলৰ বাহিৰে তোমালোকক আৰুনো কি দিব পৰা যায়?'

(৫৩) সিহঁতে তোমাক সোধে- 'এয়া সঁচাকৈয়ে হ'বনে বাৰু?' সিহঁতক কোৱা- 'হয়, মোৰ প্ৰভুৰ শপত; এয়া নিশ্চয় সংঘটিত হ'ব। এয়া তোমালোকে ব্যৰ্থ কৰিব নোৱাৰা।' (৫৪) প্ৰতিজন অন্যায়কাৰী ব্যক্তিৰ যদি পৃথিৱী ভৰা ধন-সম্পদ হয়, সি নিজৰ মুক্তিপণ হিচাবে সেয়া সকলো দিব বিচাৰিব। যেতিয়া সিহঁতে সেই শাস্তি প্ৰত্যক্ষ কৰিব, তেতিয়া সিহঁতে অন্তৰেৰে অনুতাপ কৰিব। সম্পূৰ্ণ ন্যায়ভাৱে সিহঁতৰ বিচাৰ নিষ্পত্তি কৰা হ'ব। সিহঁতৰ প্ৰতি কোনো অবিচাৰ কৰা নহ'ব। (৫৫) নিশ্চিতৰূপে আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলো আল্লাহৰেই। জানি থোৱা, আল্লাহৰ প্ৰতিশ্ৰুতি সত্য। কিন্তু সৰহভাগ মানুহে সেয়া উপলব্ধি নকৰে। (৫৬) তেৱেঁই জীৱন দান কৰে আৰু

মৃত্যু ঘটায় আৰু তেওঁৰ ওচৰলৈকে তোমালোকক ওভতাই নিয়া হ'ব।

(৫৭) হে মানৱ, তোমালোকৰ প্ৰভুৰ পৰা তোমালোকলৈ উপদেশ বাণী আহি পাইছেহি। ই অন্তৰৰ ব্যাধিৰ প্ৰতিষেধক আৰু বিশ্বাস স্থাপন কাৰীসকলৰ বাবে পথ নিৰ্দেশনা আৰু কৰুণা। (৫৮) কোৱা- 'এয়া আল্লাহৰ দয়া আৰু অসীম কৰুণা। ইয়াৰ বাবে সিহঁত যেন প্ৰসন্ন হয়। সিহঁতে সংগ্ৰহ কৰা পাৰ্থিৱ সকলো ধন-সম্পদতকৈ এয়া উত্তম।' (৫৯) কোৱা- 'তোমালোকে কেতিয়াবা ভাবি চাইছানে যে আল্লাহে তোমালোকৰ জীৱন ধাৰণৰ বাবে যি খাদ্য পঠিয়াইছে, তাৰে কিছুমান তোমালোকে বৈধ আৰু কিছুমান অবৈধ কৰি লৈছা?' সিহঁতক সোধা- 'আল্লাহে তোমালোকক ইয়াৰ অনুমতি দিছেনে নাইবা তোমালোকেই আল্লাহৰ নামত মিছা ৰচনা কৰিছানেকি?' (৬০) যিবিলাকে আল্লাহৰ নামত মিছা ৰচনা কৰিছে, সিহঁতে কিয়ামতৰ দিনৰ বিষয়ে কি ধাৰণা কৰে? নিশ্চয় মানুহৰ প্ৰতি আল্লাহ অনুগ্ৰশীল। কিন্তু সৰহভাগ মানুহেই অকৃতজ্ঞ।

(৬১) তুমি যি অৱস্থাতেই ব্যস্ত নাথাকা কিয়, কুৰআনৰ যি অংশৰ পৰাই পাঠ নকৰা কিয় আৰু তোমালোকে যিয়েই নকৰা কিয়, আমি তোমালোকৰ সাক্ষী থাকো যেতিয়া তোমালোকে সিবোৰত লিপ্ত হৈ থাকা। পৃথিৱী আৰু আকাশমণ্ডলৰ এটি অনু-পৰামাণু তোমাৰ প্ৰভুৰ অগোচৰ নহয় আৰু তাতোকৈ ক্ষুদ্ৰ বা বৃহৎ এনে কোনো বস্তু নাই যিটো সুস্পষ্ট পুথিত লিপিবদ্ধ হোৱা নাই। (৬২) জানি থোৱা, যিসকল আল্লাহৰ নিকটৱৰ্তী, তেওঁলোকৰ কোনো ভয়ৰ কাৰণ নাই আৰু তেওঁলোকৰ দুখৰ কোনো কাৰণ নাই। (৬৩) যিসকলে বিশ্বাস স্থাপন কৰে আৰু আল্লাহক ভয় কৰে, (৬৪) তেওঁলোকৰ কাৰণে সুসংবাদ আছে ইহকাল আৰু পৰকালৰ বাবে। আল্লাহৰ বাণী অপৰিৱৰ্তনীয়। এয়া পৰম সাফল্য। (৬৫) সিহঁতৰ কথাত তুমি বেজাৰ নকৰিবা। নিশ্চয় সকলো শৌৰ্য-বীৰ্যৰ গৰাকী আল্লাহ। তেওঁ

সর্বশ্রোতা, সর্বজ্ঞ। (৬৬) প্রকৃততে আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সকলো আল্লাহৰ। সিহঁতে কোনবোৰক অনুসৰণ কৰে, যিবিলাকে আল্লাহৰ পৰিৱর্তে অংশী উপাস্যবোৰক মিনতি কৰে? আচলতে সিহঁত অলীক ধ্যান-ধাৰণাৰহে অনুসাৰী আৰু সিহঁতে কেৱল ধাৰণাৰ বশৱর্তী হৈ চলে। (৬৭) তেৱেঁই আল্লাহ, যিজনে ৰাতিক তোমালোকৰ বাবে সৃষ্টি কৰিছে যাতে তোমালোকে বিশ্রাম ল'ব পাৰা আৰু দিনক আলোকোজ্বলৰ উৎস কৰিছে। নিশ্চয় ইয়াত নিদর্শন আছে, যিসকলে মনোযোগদি শুনে।

(৬৮) সিহঁতে কয়- 'আল্লাহে এজন পুষ্য পুত্র গ্রহণ কৰিছে।' আল্লাহ মহা মহিম আৰু পৱিত্র। তেওঁ স্বয়ংসম্পূর্ণ। আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলো তেওঁৰেই। এই লৈ তোমালোকৰ কিবা তথ্য-প্রমাণ আছেনে? কিয় তোমালোকে আল্লাহৰ প্রতি এনেবোৰ আৰোপ কৰা, যিবোৰৰ বিষয়ে তোমালোকৰ কোনো জ্ঞান নাই? (৬৯) কোৱা- 'যিবিলাকে আল্লাহ সম্বন্ধে মিছা উদ্ভাৱন কৰে, সিহঁত কদাপিও সফল নহয়।' (৭০) সিহঁতৰ অংশ হ'ল ক্ষন্তেকীয়া এই পার্থিৱ সুখ-সম্ভোগ। পিছত সিহঁত আমাৰ ওচৰলৈকে ওভতি আহিব লাগিব, তেতিয়া আমি সিহঁতক কঠোৰ শাস্তিৰ সোৱাদ লোৱাম; কিয়নো সিহঁতে সত্য অৱজ্ঞা কৰিছিল।

(৭১) সিহঁতক নূহৰ কাহিনী শুনোৱা। তেওঁ তেওঁৰ জাতিৰ মানুহ বিলাকক কৈছিল- 'হে মোৰ জাতিভাইসকল, তোমালোকৰ মাজত মোৰ উপস্থিতি আৰু আল্লাহৰ বাণী শুনাই উপদেশ দিয়াৰ বাবে যদি তোমালোকৰ অসহ্য হৈছে, তেনেহ'লে জানি থোৱা, মই আল্লাহৰ ওপৰতহে ভৰসা কৰো। তোমালোকে সর্বসন্মত সিদ্ধান্ত লৈ নিখুঁত পৰিকল্পনা কৰা, আল্লাহৰ অংশীবোৰকো মাতা, তাত কোনো আসোৱাহ নাৰাখিবা। ইয়াৰ পিছত মোৰ বিৰুদ্ধে সেয়া কার্যকৰী কৰা আৰু মোক অকণো অৱকাশ নিদিবা। (৭২) তোমালোকে যদি মোৰ পৰা মুখ ঘূৰোৱা, তেনেহ'লে মনত ৰাখিবা,

মই তোমালোকৰ পৰা কোনো বিনিময় বিচৰা নাই। কেৱল আল্লাহে মোক প্ৰতিদান দিব আৰু মোক আদেশ দিয়া হৈছে মই যেন নিজে অনুগত্যৰে তেওঁৰ সমীপত আত্মসমৰ্পণ কৰি থাকো। (৭৩) পিছত সিহঁতে তেওঁক অস্বীকাৰ কৰিলে; কিন্তু আমি তেওঁক আৰু তেওঁৰ লগত নৌকাত থকাসকলক উদ্ধাৰ কৰিলো আৰু তেওঁলোকক উত্তৰাধিকাৰী কৰি দিলো; আনবিলাকক আমি ডুবাই মাৰিলো, যিবিলাকে আমাৰ নিদৰ্শনসমূহ অবিশ্বাস কৰিছিল। চোৱা, সিহঁতৰ কি পৰিণতি হ'ল, যিবিলাকক সতৰ্ক কৰি দিয়া হৈছিল।

(৭৪) নূহৰ পিছত আমি আন আন ৰছুলক তেওঁলোকৰ সম্প্ৰদায়লৈ পঠাইছিলো। তেওঁলোকে সিহঁতলৈ সুস্পষ্ট নিদৰ্শনসমূহ লৈ আহিছিল; কিন্তু সিহঁতে সেইবোৰ সত্য বিশ্বাস কৰা নাছিল। কিয়নো সিহঁতে সেয়া পূৰ্বেই প্ৰত্যাখ্যান কৰিছিল। এইদৰে আমি সীমা লংঘনকাৰীবিলাকৰ অন্তৰত মোহৰ মাৰি দিওঁ।

(৭৫) তাৰ পিছত আমি মূছা আৰু হাৰুণক আমাৰ স্পষ্ট নিদৰ্শনসহ ফিৰাউন আৰু তাৰ নেতৃস্থানীয় লোকসকলৰ প্ৰতি প্ৰেৰণ কৰিছিলো; কিন্তু সিহঁতে উদ্ধত আচৰণ কৰিলে আৰু সিহঁত আছিল অপৰাধী ব্যক্তি। (৭৬) যেতিয়া সিহঁতলৈ আমাৰ ফালৰ পৰা সত্য আহিল, সিহঁতে ক'লে- 'এয়াতো দেখদেখ যাদু।' (৭৭) মূছাই ক'লে- 'তোমালোকে সত্যক এনেদৰে আখ্যা দিয়ানে, তোমালোকলৈ অহাৰ পিছতো? এয়া যাদুনে? যাদুকৰবিলাক কেতিয়াও সফল হ'ব নোৱাৰে।' (৭৮) সিহঁতে ক'লে- 'তুমি এইবাবে আহিছা নেকি আমি আমাৰ পিতৃ-পুৰুষসকলক যি পন্থাত পাইছিলো তাৰ পৰা ঘূৰাই নিবলৈ আৰু এই দেশত তোমালোক দুজনৰে শ্ৰেষ্ঠত্ব স্থাপিত হ'ব? আমি কেতিয়াও তোমালোকৰ কথা নামানো।'

(৭৯) ফিৰাউনে ক'লে- 'সকলো দক্ষ যাদুকৰক মোৰ ওচৰলৈ আনা।' (৮০) যেতিয়া যাদুকৰসকল আহিল, মূছাই তেওঁলোকক ক'লে- 'তোমালোকে

যি নিক্ষেপ কৰিব লগা আছে, নিক্ষেপ কৰা।' (৮১) সিহঁতে যেতিয়া নিক্ষেপ কৰিলে, তেতিয়া মূছাই ক'লে- 'তোমালোকে যি যি কৰিলা, সেয়া যাদুহে। নিশ্চয় আল্লাহে এতিয়া ব্যর্থ কৰি দিব। বাস্তৱিকতে আল্লাহে কেতিয়াও বিপর্যয় সৃষ্টিকাৰীবিলাকৰ কার্যক সার্থক হ'বলৈ নিদিয়ে। (৮২) আল্লাহে নিজ বাণীৰে সত্যক প্রতিষ্ঠিত কৰিবই, অপৰাধীবিলাকৰ মনত যিমানেই অপ্রীতিকৰ নহওঁক কিয়?'

(৮৩) মাথোন কেইজনমান যুৱকৰ বাহিৰে আন কোনোৱে মূছাক নামানিলে ফিৰাউন আৰু তাৰ নেতৃবর্গই সিহঁতৰ ওপৰত নির্যাতন চলোৱাৰ ভয়ত। ফিৰাউন তাৰ দেশত দুর্বাৰ প্রৰাক্রমী আছিল। সি এটা সীমালংঘনকাৰী আছিল। (৮৪) মূছাই ক'লে- 'হে মোৰ জাতিভাইসকল, তোমালোকে যদি আল্লাহৰ প্রতি বিশ্বাস স্থাপন কৰিছা, তেনেহ'লে তোমালোকেই নিজেই তেওঁৰ ওচৰত আত্মসমর্পণ কৰা আৰু কেৱল তেওঁৰ ওপৰতেই ভৰসা কৰা।' (৮৫) সিহঁতে ক'লে- 'আমি আল্লাহৰ ওপৰতেই ভৰসা কৰিলো। হে আমাৰ প্রভু, আমাক অত্যাচাৰীবিলাকৰ কবলত নেপেলাবা। (৮৬) তোমাৰ নিজ কৃপাৰে অবিশ্বাসকাৰীবিলাকৰ পৰা উদ্ধাৰ কৰা।'

(৮৭) আমি মূছা আৰু তেওঁৰ ভাতৃক নির্দেশ দি ক'লো- 'তোমালোকৰ মানুহবিলাকৰ বাবে মিছৰত কিছু ঘৰৰ ব্যৱস্থা কৰা আৰু সেই ঘৰবোৰক উপাসনা স্থানলৈ ৰূপান্তৰ কৰা। নামাজ প্রতিষ্ঠা কৰা আৰু (হে মূছা) বিশ্বাস স্থাপনকাৰীসকলক সুসংবাদ দিয়া।'

(৮৮) মূছাই প্রার্থনা কৰিলে- 'হে আমাৰ প্রভু, তুমি ফিৰাউন আৰু তাৰ নেতৃবর্গক পার্থিৱ জীৱনত সমৃদ্ধ, জাকজমকতা আৰু ধন-সম্পদ দান কৰিছা এই বাবে নেকি তোমাৰ পথৰ পৰা মানুহবিলাকক বিভ্রান্ত কৰিবলৈ? হে আমাৰ প্রভু, সিহঁতৰ ধন-সম্পদ বিনষ্ট কৰি দিয়া আৰু সিহঁতৰ অন্তৰ কঠোৰ কৰি দিয়া যাতে সিহঁতে তেতিয়ালৈকে বিশ্বাস স্থাপন নকৰে,

যেতিয়ালৈকে সেই মর্মান্তিক শাস্তি প্রত্যক্ষ নকৰে।'

(৮৯) আল্লাহে ক'লে- 'তোমালোকৰ প্ৰাৰ্থনা গৃহীত হ'ল। সেয়ে তোমালোক দুয়ো দৃঢ় হৈ থাকা আৰু সিহঁতৰ পথ অনুসৰণ নকৰিবা, যিবিলাকৰ কোনো জ্ঞান নাই।'

(৯০) সেয়ে আমি ইছ্ৰাঈল বংশীয় মানুহবিলাকক সমুদ্ৰ পাৰ কৰালো। ফিৰাউন আৰু তাৰ সৈন্য-বাহিনীবিলাকে সিহঁতক পিছ চোচা ল'লে সিহঁতক নিৰ্যাতন আৰু নিপীড়ন কৰাৰ উদ্দেশ্যে। যেতিয়া সি ডুবি মৰাৰ উপক্ৰম হ'ল, সি ক'লে- 'মই বিশ্বাস স্থাপন কৰিছো যে তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই যিজনৰ প্ৰতি ইছ্ৰাঈল বংশীয় মানুহবিলাকে বিশ্বাস স্থাপন কৰিছে আৰু মই তেওঁলোকৰ অন্তৰ্ভুক্ত হ'লো যিসকলে তেওঁৰ ওচৰত স্বেচ্ছাই আত্মসমৰ্পণ কৰিছে।' (৯১) 'এতিয়াহে? অথচ পূৰ্বে তুমি সদায়ে বিৰুদ্ধাচৰণ কৰিছিলা আৰু বিপৰ্যয় সৃষ্টিকাৰী আছিলা। (৯২) আজি আমি তোমাৰ শটো সুৰক্ষিত কৰি ৰাখিম যাতে তুমি শিক্ষা লাভৰ প্ৰতীক হৈ থাকা তোমাৰ উত্তৰ পুৰুষৰ বাবে। অৱশ্যে অনেক মানুহে আমাৰ নিদৰ্শনৰ প্ৰতি আওকণীয়া হৈ থাকে।'

(৯৩) আমি ইছ্ৰাঈল বংশৰ মানুহবিলাকক উৎকৃষ্ট আবাসভূমিত বসবাস কৰালো আৰু আমি উত্তম উপাদান দান কৰিলো, সিহঁতৰ ওচৰলৈ প্ৰকৃত জ্ঞান নহালৈকে সিহঁতৰ মাজত মতভেদ হোৱা নাছিল। তোমাৰ প্ৰভুৱে সিহঁতৰ মাজত নিশ্চয় মীমাংসা কৰি দিব কিয়ামতৰ দিনাহে যি বিষয় লৈ সিহঁতৰ মতভেদ হৈছিল।

(৯৪) আমি যি অৱতীৰ্ণ কৰিছো, তাৰ প্ৰতি যদি তোমাৰ কোনো সন্দেহ থাকে, তেনেহ'লে সিহঁতক সোধা, যিবিলাকে তোমালোকৰ পূৰ্বে অৱতীৰ্ণ হোৱা পুথি পাঠ কৰিছে। এই প্ৰকৃত সত্য তোমাৰ প্ৰভুৰ পৰা তোমালৈ আহিছে; সেয়ে তুমি কদাপিও সন্দেহ পোষণ কৰা মানুবিলাকৰ দলভুক্ত নহ'বা।

(৯৫) তুমি সিহঁতৰ লগ নহ'বা, যিবিলাকে আল্লাহৰ নিদৰ্শনসমূহ অগ্ৰাহ্য কৰিছে, অন্যথা তুমিও ক্ষতিগ্ৰস্ত মানুহবিলাকৰ এজন হ'বা।

(৯৬) যিবিলাকৰ সম্বন্ধে তোমাৰ প্ৰভুৰ বাণী সাব্যস্ত হ'ল, সিহঁতে কদাপিও বিশ্বাস নকৰে, (৯৭) প্ৰতিটো নিদৰ্শন সিহঁতৰ ওচৰলৈ আহিলেও যেতিয়ালৈকে সিহঁতে যন্ত্ৰণাদায়ক শাস্তি প্ৰত্যক্ষ নকৰে। (৯৮) ইউনুছৰ সম্প্ৰদায়ৰ ব্যতীত কিয় এনে কোনো ব্যক্তি নাই, যিবিলাকে বিশ্বাস স্থাপন কৰিলে আৰু সেই বিশ্বাসৰ দ্বাৰা সিহঁতৰ উপকাৰ হ'ল! যেতিয়া সিহঁতে বিশ্বাস স্থাপন কৰিলে, আমি পাৰ্থিৱ জীৱনৰ পৰা সিহঁতৰ লাঞ্ছনাদায়ক শাস্তি দূৰ কৰি দিলো আৰু এটা নিৰ্দিষ্ট সময়লৈকে সিহঁতক সুখ-ভোগ কৰিব দিলো।

(৯৯) তোমাৰ প্ৰভুই ইচ্ছা কৰাহেঁতেন পৃথিৱীৰ সকলো মানুহেই তেওঁৰ প্ৰতি বিশ্বাস স্থাপন কৰিলেহেঁতেন, কোনো বাদ নপৰিলহেঁতেন। তেনেস্থলত তুমি মানুহবিলাকক বিশ্বাস স্থাপন কৰিবলৈ জবৰদস্তি কৰিবানে? (১০০) কোনো মানুহে বিশ্বাস স্থাপন কৰিব নোৱাৰে আল্লাহৰ অনুমতি অবিহনে। আল্লাহে সিহঁতক কালিমা সানি দিয়ে, যিবিলাকে জ্ঞান-বুদ্ধি খটুৱাই কাম নকৰে।

(১০১) কোৱা- 'আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সেইবোৰ লক্ষ্য কৰা। কিন্তু নিদৰ্শন আৰু সতৰ্কীকৰণৰ দ্বাৰা অবিশ্বাসকাৰীবিলাকৰ কোনো উপকাৰ নহয়। (১০২) সিহঁতে কিহৰ অপেক্ষাতনো আছে, সিহঁতৰ পূৰ্ব-পুৰুষলৈ যিবোৰ দুৰ্যোগ আহিছিল তাৰে অপেক্ষাত আছে নেকি?' কোৱা- 'ঠিক আছে, অপেক্ষা কৰা, ময়ো তোমালোকৰ লগতে অপেক্ষা কৰি আছো।' (১০৩) পিছত আমি ৰক্ষা কৰো আমাৰ ৰছুলসকলক আৰু যিসকলে বিশ্বাস স্থাপন কৰিছে। এইদৰে আমি আমাৰ নিজৰ দায়িত্ব হিচাবে লৈছো বিশ্বাস স্থাপনকাৰীসকলক ৰক্ষা কৰাৰ বাবে।

(১০৪) কোৱা- 'হে মানৱ, মোৰ ধৰ্ম সম্পৰ্কে যদি তোমালোকৰ কোনো সন্দেহ থাকে, তেনেহ'লে মই সিবিলাকৰ উপাসনা নকৰো, আল্লাহৰ

পৰিৱৰ্তে তোমালোকে যিবিলাকৰ উপাসনা কৰা; ৰৰং মই সেইজন আল্লাহৰ উপাসনা কৰোঁ, যিজনে তোমালোকৰ মৃত্যু ঘটায়। মোক আদিষ্ট কৰা হৈছে, মুমিনসকলৰ দলভুক্ত হ'বলৈ।' (১০৫) তোমাৰ মুখমণ্ডল একাগ্রচিত্তে ধর্মৰ পিনে ৰাখা আৰু অংশীবাদীবিলাকৰ দলভুক্ত নহ'বা। (১০৬) আল্লাহক বাদ দি সিবোৰক নামাতিবা, যিবোৰে তোমাৰ কোনো উপকাৰ কৰিব পাৰে নে অপকাৰ? তুমি যদি তেনে কৰা, তেনেহ'লে নিশ্চয় তুমি অন্যায়কাৰীবিলাকৰ দলভুক্ত হ'বা। (১০৭) আল্লাহে যদি তোমাক কোনো বিপদত পতিত কৰে, তেনেহ'লে সেয়া কোনোৱে দূৰীভূত কৰিব নোৱাৰে, তেওঁৰ ব্যতীত। তেওঁ যদি তোমাৰ কোনো মংগল কৰিবলৈ ইচ্ছা কৰে, তেনেহ'লে কোনোৱে তেওঁৰ মংগলক প্রতিৰোধ কৰিব নোৱাৰে। তেওঁ তেওঁৰ দাসবিলাকক মংগল দান কৰে, যাক ইচ্ছা কৰে। তেওঁ ক্ষমাশীল, পৰম দয়ালু।

(১০৮) কোৱা- 'হে মানৱমণ্ডলী, সত্য আহি পাইছেহি তোমালোকৰ প্রভুৰ পৰা। যিজনে সৎ পথ গ্রহণ কৰিব, তাৰ নিজৰ মংগলৰ বাবে গ্রহণ কৰিব আৰু যিজনে বিপথে যাব, বিপথগামীতাই তাৰেই ক্ষতি কৰিব। মোক তোমালোকৰ ৰক্ষক হিচাবে পঠোৱা নাই।' (১০৯) তোমাৰ প্রতি যি ঐশীবাণী প্রেৰণ কৰা হয়, সেয়া অনুসৰণ কৰা আৰু ধৈর্য ধৰা আল্লাহৰ চূড়ান্ত বিচাৰ নহালৈকে। তেৱেঁই সর্বোত্তম বিচাৰক।

১১. হুদ (হুদ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলিম-লাম-ৰা। (এইখন) এখন কিতাব, যাৰ আয়াতসমূহ দৃঢ়ভাৱে প্রতিষ্ঠিত আৰু বিতংভাৱে বর্ণিত এনে সত্তাৰ পৰা যিজন মহাজ্ঞানী আৰু সর্বজ্ঞ। (২) (ইয়াৰ শিক্ষা) যে- 'তোমালোকে আল্লাহৰ ব্যতীত আনৰ

উপাসনা নকৰিবা। মই তোমালোকৰ বাবে তেওঁৰ পক্ষৰ পৰা পঠোৱা সতর্ককাৰী আৰু সুসংবাদদাতা। (৩) তোমালোকৰ প্ৰভুৰ ওচৰত ক্ষমা বিচৰা আৰু (অনুতাপ কৰি) তেওঁৰ পিনে প্ৰত্যাৱর্তন কৰা। তেওঁ তোমালোকক উত্তম জীৱনৰ উপকৰণ ভোগ কৰাব এটি নির্দিষ্ট সময় পর্যন্ত আৰু মর্যাদা পোৱাৰ যোগ্য প্ৰতিজন ব্যক্তিক যথার্থ মর্যাদা প্ৰদান কৰিব। কিন্তু তোমালোকে যদি মুখ ঘুৰোৱা, তেনেহ'লে মই আশংকা কৰিছো এক ভয়ানক দিনৰ শাস্তিৰ।' (৪) তোমালোক আটায়ে আল্লাহৰ ওচৰলৈকে উভতি যাব লাগিব আৰু তেওঁ সকলো বিষয়ত ক্ষমতাবান।

(৫) চোৱা, সিহঁতে কেনেকৈ নিজকে আঁৰ কৰি ৰাখে যাতে (সিহঁতৰ বিদ্বেষবোৰ) আল্লাহৰ পৰা লুকাই ৰাখিব পাৰে; কিন্তু সিহঁতে যেতিয়া বস্ত্ৰৰ দ্বাৰা নিজকে আবৃত কৰি লয়, তেতিয়া সিহঁতে যি গোপন কৰে আৰু যি প্ৰকাশ কৰে, সেয়া আল্লাহে জানে। অন্তৰৰ নিভৃত কোণত থকা গোপন ৰহস্যও তেওঁ জানে। (৬) পৃথিৱীত বিচৰণকাৰী এনে কোনো জীৱ নাই যাৰ জীৱিকাৰ দায়িত্ব তেওঁৰ ওপৰত নাই। তেওঁ সিবোৰৰ অৱস্থান স্থল আৰু (অন্তিম) ৰক্ষণৰ স্থলো জানে। এই সকলোবোৰ এখন স্পষ্ট পুথিত লিপিবদ্ধ হৈ আছে।

(৭) তেওঁৰ মহাসিংহাসন পানীৰ ওপৰত আছিল। এইজনা তেৱেঁই, যিজনাই আকাশমণ্ডল আৰু পৃথিৱী ছদিনত সৃষ্টি কৰিছে যাতে তোমালোকক পৰীক্ষা কৰিব পাৰে সৎকর্ম কৰাত তোমালোকৰ কোন শ্ৰেষ্ঠ । তুমি যদি কোৱা- 'মৃত্যুৰ পাছত তোমালোকক পুনৰ জীৱিত কৰা হ'ব', অবিশ্বাসকাৰী বিলাকে ক'ব- 'এয়াতো স্পষ্ট যাদুৰ বাহিৰে আন একো নহয়।' (৮) আমি যদি সিহঁতৰ শাস্তি এটি নির্দিষ্ট সময়লৈকে স্থগিত ৰাখো, সিহঁতে কয়- 'কিহে ইয়াক বাধা দি ৰাখিছে?' সিদিনা যেতিয়া সেয়া আহি সিহঁতৰ ওপৰত পৰিব, সেয়া সিহঁতৰ পৰা আঁতৰাই নিয়া নহ'ব আৰু যি লৈ সিহঁতে ঠাট্টা-বিদ্ৰূপ কৰিছিল, সেয়াই সিহঁতক ঘেৰি ধৰিব।

(৯) যেতিয়া আমি মানুহক আমাৰ কৰুণাৰ সোৱাদ ল'বলৈ দিওঁ আৰু পিছত তাক তাৰ পৰা প্ৰত্যাহাৰ কৰো, তেতিয়া সি নিৰাশ হয় আৰু অকৃতজ্ঞ হ'বলৈ ধৰে। (১০) আৰু যদি দুঃখ-কষ্টই স্পৰ্শ কৰাৰ পিছত আমি তাক অনুগ্ৰহৰ সোৱাদ ল'বলৈ দিওঁ, তেতিয়া সি কয়- 'মোৰ দু�ৰাৱস্থাৰ অৱসান ঘটিল।' ইয়াৰ পিছত আনন্দত উৎফুল্লিত আৰু অহংকাৰী হয়। (১১) তেওঁলোক এনে নহয়, যিসকলে ধৈর্য ধাৰণ কৰে আৰু সৎকৰ্ম কৰে। তেওঁলোকৰ বাবে আছে ক্ষমা আৰু পৰম পুৰস্কাৰ।

(১২) তুমি (সিহঁতৰ প্ৰতি ঢাল খাই) তাৰে কিছু অংশ বুজাবলৈ যেন বাদ নিদিয়া, যি তোমাৰ প্ৰতি অৱতীৰ্ণ কৰা হৈছে আৰু হয়তো তুমি বেদনাক্লিষ্ট হ'ব পাৰা, কিয়নো সিহঁতে কয়- 'কিয়নো তেওঁলৈ কোনো ধন-ভাণ্ডাৰ পঠোৱা নহ'ল বা তেওঁৰ লগত কোনো ফি�ৰিস্তা নাহিল কিয়?' আচলতে তুমি কেৱল এজন সতৰ্ককাৰীহে আৰু সকলো বিষয় আল্লাহৰ কৰ্তৃত্বত। (১৩) সিহঁতে ক'ব বিচাৰে নেকি- 'এয়া তেওঁ নিজেই ৰচনা কৰিছে।' কোৱা- 'যদি তোমালোক সত্যবাদী হোৱা, তেনেহ'লে তোমালোকেও এনেদৰে দহটা ছুৰা ৰচনা কৰি আনা আৰু যাক ইচ্ছা তাক সহায়ৰ বাবে মাতা আল্লাহৰ বাহিৰে।' (১৪) এতিয়া যদি সিহঁতে তোমালোকক সঁহাৰি নজনায়, তেনেহ'লে জানি থোৱা, এই পুথি (কুৰআন)খন আল্লাহৰ জ্ঞানৰ ভিত্তিত অৱতীৰ্ণ কৰা হৈছে আৰু তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। ইয়াৰ পিছতো তোমালোকে নিজে তেওঁৰ ওচৰত আত্মসমৰ্পণ কৰিবানে?

(১৫) যিবিলাকে এই পাৰ্থিৱ জীৱন আৰু ইয়াৰ সমৃদ্ধিকেই কামনা কৰে, আমি তেওঁলোকৰ কৰ্মৰ প্ৰতিফল এই পৃথিৱীতেই দিওঁ আৰু সিহঁতৰ প্ৰাপ্য অকণো হ্ৰাস কৰা নহয়। (১৬) ইহঁতেই সেইবিলাক মানুহ, যিবিলাকৰ বাবে পৰকালত নৰক ব্যতীত আন একো নাই আৰু সিহঁতে যিবোৰ কৰ্ম কৰিছিল, সেই আটাইবোৰ নিষ্ফল হ'ব।

(১৭) সিহঁতে অস্বীকাৰ কৰিব পাৰেনে, যিজন তেওঁৰ প্ৰভুৰ পৰা প্ৰত্যক্ষ প্ৰমাণৰ ওপৰত প্ৰতিষ্ঠিত আৰু তেওঁলৈ তেওঁৰ প্ৰভুৰ পৰা এজন সাক্ষী আহিছে আৰু তেওঁৰ পূৰ্বেও মূছাৰ পুথি পথ নিৰ্দেশক আৰু অনুগ্ৰহ স্বৰূপ বৰ্তমান আছিল? এনে ধৰণৰ মানুহবিলাকে তাৰ প্ৰতি বিশ্বাস স্থাপন কৰে। আনহাতে যিবিলাকে ইয়াক অস্বীকাৰ কৰিব, জাহান্নামেই হ'ব সিহঁতৰ প্ৰতিশ্ৰুত স্থল। সেয়েহে তুমি ইয়াৰ প্ৰতি সন্দেহ পোষণ নকৰিবা। এয়া তোমাৰ প্ৰভুৰ পৰা অহা প্ৰকৃত সত্য। কিন্তু সৰহভাগ মানুহে সেয়া বিশ্বাস নকৰে।

(১৮) সেইজনতকৈ বেছি অন্যায়কাৰী আন কোন হ'ব পাৰে, যিজনে আল্লাহৰ সম্পৰ্কে মিছা উদ্ভাৱন কৰে? এনে ধৰণৰ মানুহবিলাকক সিহঁতৰ প্ৰভুৰ সন্মুখত উপস্থিত কৰোৱা হ'ব আৰু সাক্ষীবিলাকে সাক্ষ্য দিব যে- 'এইবিলাকেই সেইবিলাক মানুহ, যিবিলাকে সিহঁতৰ প্ৰভুৰ নামত মিছা কথা কৈ ফুৰিছিল।' নিশ্চয় আল্লাহৰ অভিসম্পাত সেই অন্যায়কাৰীবিলাকৰ ওপৰত- (১৯) যিবিলাকে আন মানুহক আল্লাহৰ পথৰ পৰা বিৰত ৰাখে আৰু তাক বক্ৰ কৰিব বিচাৰে। ইহঁত পৰকাল অবিশ্বাসকাৰী। (২০) সিহঁতে পৃথিৱীত আল্লাহক ব্যৰ্থ কৰিব নোৱাৰে আৰু আল্লাহ ব্যতীত সিহঁতৰ আন কোনো ৰক্ষাকাৰী নাই। সিহঁতক দুগুণ শাস্তি দিয়া হ'ব। সিহঁতে নে শুনা পায়, নে দেখা পায়! (২১) ইহঁত সেইবিলাক মানুহ, যিবিলাকে নিজে নিজৰ ক্ষতি কৰিছে আৰু সিহঁতে যিবোৰ উদ্ভাৱন কৰিছিল, সেইবোৰে সিহঁতৰ লগ এৰা দিলে। (২২) নিঃসন্দেহে সিহঁত পৰকালত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হ'ব।

(২৩) পিছে যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকৰ্ম কৰিছে আৰু নিজ প্ৰভুৰ প্ৰতি একান্তভাৱে বিনয়ী হৈছে, তেওঁলোক জান্নাতবাসী আৰু তাত তেওঁলোক চিৰকাল থাকিব। (২৪) এই দুদল মানুহৰ উদাহৰণ হ'ল- এজন অন্ধ, বধিৰ আৰু আনজন দৃষ্টিসম্পন্ন, শ্ৰৱণক্ষম। ইহঁত দুয়ো একে হ'ব

পাৰেনে? তথাপি তোমালোকে বুজি নোপোৱানে?

(২৫) আমি নূহক তেওঁৰ জাতিৰ মানুহবিলাকলৈ পঠিয়াইছিলো। তেওঁ ক'লে- 'মই তোমালোকক স্পষ্টভাৱে সতর্ক কৰিব দিবলৈ আহিছো, (২৬) আল্লাহৰ বাহিৰে আন কাকো উপাসনা নকৰিবা। মই তোমালোকৰ বাবে এটি দুর্যোগপূর্ণ দিনৰ মাৰাত্মক শাস্তি আহিব বুলি আশংকা কৰিছো।' (২৭) তেওঁৰ জাতিৰ নেতৃস্থানীয় মানুহবিলাক, যিবিলাকে সত্য মানিবলৈ অস্বীকাৰ কৰিছিল, সিহঁতে ক'লে- 'আমাৰ মানত তুমি আমাৰ দৰে মানুহহে। আমি দেখিছো আমাৰ অতি তলখাপৰ মানুহবিলাকেহে নভবা নিশ্চিন্তাকৈ তোমাক অনুসৰণ কৰিছে। আমি তোমাৰ গাত আমাতকৈ শ্রেষ্ঠত্বৰ কোনো গুণ দেখা নাই। অৱশ্যে তুমি মিছলীয়া বুলিহে আমাৰ ধাৰণা।'

(২৮) নূহে ক'লে- 'হে মোৰ জাতিভাইসকল, কোৱাচোন মোক, যদি মই মোৰ প্রভুৰ প্রত্যক্ষ প্রমাণৰ ওপৰত প্রতিষ্ঠিত আছো আৰু তেওঁ যদি মোক তেওঁৰ অনুগ্রহ দান কৰিছে আৰু সেই বিষয়ে তোমালোকে চকু-কাণ দিয়া নাই, তেনেহ'লে তোমালোকৰ ইচ্ছাৰ বিৰুদ্ধে মই সেয়া মানি চলিবলৈ তোমালোকক বাধ্য কৰি পাৰোনে? (২৯) হে মোৰ জাতিভাইসকল, ইয়াৰ বাবে মই তোমালোকৰ পৰা ধন-সম্পদ বিচৰা নাই। মোৰ প্রতিদান কেৱল আল্লাহৰ পৰাহে আহে। যিসকলে বিশ্বাস স্থাপন কৰে, তেওঁলোকক মই আঁতৰাই নিদিও। তেওঁলোকে নিজেই তেওঁলোকৰ প্রভুৰ লগত সাক্ষাৎ কৰিব। অথচ মই দেখিছো তোমালোক বৰ অজ্ঞ মানুহ। (৩০) হে মোৰ জাতিভাই সকল, মই যদি তেওঁলোকক খেদি দিওঁ, আল্লাহৰ ব্যতিৰেকে মোক কোনে সহায় কৰিব? এয়াও তোমালোকে বুজি নোপোৱানে? (৩১) মই তোমালোকক নকও যে মোৰ ওচৰত আল্লাহৰ ধন-ভাণ্ডাৰ আছে নাইবা অদৃশ্যৰ বিষয়ে মোৰ জ্ঞান আছে বুলিও নকও নাইবা মই এজন ফিৰিস্তা বুলিও নকও। অথবা সিহঁতৰ বিষয়ে এই বুলিও নকও যে যিবিলাকক তোমালোকে হীন দৃষ্টিৰে

চোৱা, সিহঁতক আল্লাহে মংগল নকৰে। সিহঁতৰ অন্তৰত কি আছে, সেয়া আল্লাহে ভালকৈয়ে জানে। তেনে ধৰণৰ কথা ক'লে মই অন্যায়কাৰীবিলাকৰ দলভুক্ত হ'ম।'

(৩২) সিহঁতে ক'লে- 'হে নূহ, তুমি আমাৰ লগত বাক-বিতণ্ডাৰ মাত্রা আৰু বৃদ্ধিহে কৰিছা। এতিয়াই সেয়া আমালৈ লৈ আনা, যি বিষয়ে তুমি আমাক ভয় দেখুৱাইছা, যদি তুমি সঁচাকৈয়ে কৈছা।' (৩৩) নূহে ক'লে- 'তেৱেঁই আল্লাহ, যিজনে সেয়া তোমালোকলৈ আনিব যদি তেওঁ ইচ্ছা কৰে আৰু তোমালোক পলাই সাৰিব নোৱাৰিবা। (৩৪) মোৰ উপদেশ তোমালোকৰ কোনো কামত নাহিব, মই যিমান আন্তৰিকতাৰে তোমালোকক উপদেশ নিদিও কিয় যদিহে আল্লাহে তোমালোকক বিপথে নিব বিচাৰে। তেৱেঁই তোমালোকৰ প্রভু। তেওঁৰ ওচৰলৈকে তোমালোক সকলোৱে উভতি যাব লাগিব।'

(৩৫) সিহঁতে কয় নেকি- 'তেওঁ (ৰছুলে) নিজেই এইখন ৰচনা কৰিলে বুলি?' সিহঁতক কোৱা- 'সঁচাকৈয়ে মই নিজেই যদি ইয়াক ৰচনা কৰিছো, তেনেহ'লে এই অপৰাধৰ বাবে মই শাস্তি পাম আৰু তোমালোকে যি অপৰাধ কৰিছা তাৰ বাবে মই দায়মুক্ত।'

(৩৬) নূহৰ প্রতি আল্লাহৰ অহী পঠোৱা হৈছিল- 'তোমাৰ জাতিৰ যিসকল মানুহে ইতিমধ্যে বিশ্বাস স্থাপন কৰিলে তাৰ বাদে আনবিলাকে বিশ্বাস স্থাপন নকৰে। সেয়ে তুমি বিষণ্ণ নহ'বা সিহঁতৰ কার্যকলাপৰ বাবে। (৩৭) এখন নাও সাজা, আমাৰ পর্যবেক্ষণ আৰু প্রত্যাদেশ অনুযায়ী। অনাচাৰীবিলাকৰ বাবে তুমি মোক খাটনি নধৰিবা। নিশ্চয় সিহঁত ডুবি মৰিব।' (৩৮) নূহে নাও নিমার্ণ কৰিবলৈ ল'লে। যেতিয়াই তেওঁৰ জাতিৰ নেতৃবৃন্দই তেওঁৰ ওচৰেদি যায়, তেতিয়াই তেওঁক উপহাস কৰে। তেওঁ কয়-- 'তোমালোকে যদি আমাক উপহাস কৰা, তেনেহ'লে আমিও তোমালোকক উপহাস কৰোঁ (তোমালোকৰ অজ্ঞতাৰ বাবে)। (৩৯) অচিৰেই তোমালোকে জানিব পাৰিবা কাৰ প্রতি

লাঞ্ছনাদায়ক শাস্তি আহে আৰু কাৰ ওপৰত সেই চিৰস্থায়ী শাস্তি আহি পৰে!'

(৪০) অৱশেষত যেতিয়া আমাৰ নির্দেশ আহিল আৰু চৌকাটো উথলি উঠিল, তেতিয়া আমি নূহক ক'লো- 'প্ৰত্যেক জাতৰে প্ৰাণী এযোৰ এযোৰকৈ নাঁৱত তুলি লোৱা আৰু তোমাৰ পৰিয়াল-পৰিজনকো লোৱা সেইসকলৰ ব্যতীত যিসকলৰ বিৰুদ্ধে ইতিমধ্যে সিদ্ধান্ত লোৱা হৈছে আৰু বিশ্বাস স্থাপনকাৰীসকলকো লোৱা।' কিন্তু মুষ্ঠিমেয় কেইজনমান মানুহে তেওঁৰ লগত বিশ্বাস স্থাপন কৰিছিল। (৪১) নূহে ক'লে- 'নাঁৱত আৰোহণ কৰা। আল্লাহৰ নামতেই ইয়াৰ গতি আৰু স্থিতি। নিশ্চয় মোৰ প্ৰভু ক্ষমাশীল আৰু পৰম দয়ালু।' (৪২) নাওখনে তেওঁলোকক লৈ পৰ্বতমান প্ৰকাণ্ড ঢৌৰ ওপৰেদি যাবলৈ ধৰিলে। নূহে তেওঁৰ পুত্ৰক মাত দি ক'লে, সি কিছু আঁতৰত আছিল- 'হে মোৰ পুত্ৰ, আমাৰ লগতে নাঁৱত আৰোহণ কৰাহি আৰু অবিশ্বাসকাৰী বিলাকৰ লগত নাথাকিবা।' (৪৩) সি উত্তৰ দিলে- 'মই এটা পাহাৰত গৈ আশ্ৰয় লওঁ আৰু যিয়ে মোক পানীৰ পৰা ৰক্ষা কৰিব।' নূহে ক'লে- 'আজি আল্লাহৰ হুকুমৰ পৰা কোনোৱে ৰক্ষা কৰিব নোৱাৰে; অৱশ্যে তেওঁ যাৰ প্ৰতি সদয় হয় তেওঁৰ ব্যতীত।' এনেতে এটা ঢৌ আহি তেওঁলোকক আঁতৰাই দিলে আৰু পানীত ডুবি মৰা মানুহবিলাকৰ লগত সিয়ো ডুবি মৰিল। (৪৪) পিছত আদেশ দিয়া হ'ল- 'হে ধৰণী, তোমাৰ পানীখিনি গিলি পেলোৱা আৰু হে আকাশ, তোমাৰ বৰষুণ বন্ধ কৰা।' পানী শুকাই গ'ল আৰু তেওঁৰ আদেশ বাস্তৱত পৰিণত হ'ল। নাওখন গৈ জুদী পৰ্বতত স্থিতি ল'লে আৰু কোৱা হ'ল- 'দূৰ হ', অন্যায়কাৰী মানুহবিলাক।'

(৪৫) নূহে তেওঁৰ প্ৰভুক সম্বোধন কৰি ক'লে- 'হে মোৰ প্ৰভু, মোৰ পুত্ৰ মোৰ পৰিয়ালৰে এজন। আনহাতে তোমাৰ প্ৰতিশ্ৰুতি সত্য। তুমি বিচাৰকসকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বিচাৰক।' (৪৬) আল্লাহে ক'লে- 'হে নূহ, সি তোমাৰ পৰিয়ালৰ নহয়। নিশ্চয় তাৰ কাজ-কৰ্ম আছিল অসৎ। সেয়ে

তুমি মোক এনে বিষয়ে আবেদন নকৰিবা যি বিষয়ে তোমাৰ জ্ঞান নাই। মই তোমাক উপদেশ দিছো তুমি অজ্ঞবিলাকৰ দৰে নহ'বা।' (৪৭) নূহে ক'লে- 'হে মোৰ প্ৰভু, মই তোমাৰ ওচৰত শৰণাপন্ন হৈছো। এনে বিষয়ে যাতে আবেদন নকৰো যি বিষয়ে মোৰ কোনো জ্ঞান নাই। তুমি যদি মোক ক্ষমা নকৰা আৰু দয়া নকৰা, তেনেহ'লে মই ধ্বংসপ্ৰাপ্তসকলৰ এজন হ'ম।'

(৪৮) আল্লাহে ক'লে- 'শান্তিৰ উপকুললৈ (নামি) যোৱা। আমাৰ অনুগ্ৰহ তোমাৰ প্ৰতি আৰু যিসকল তোমাৰ লগত আছে তেওঁলোকৰ প্ৰতি । (আৰু এনে কিছুমান সম্প্ৰদায় আছে) আমি সিহঁতক কিছুকালৰ বাবে সুখ ভোগ কৰিবলৈ দিম। ইয়াৰ পিছত আমাৰ যন্ত্ৰণাদায়ক শাস্তিয়ে সিহঁতক আক্ৰান্ত কৰিব।' (৪৯) এইবোৰ অদৃশ্য জগতৰ সংবাদ। আমি তোমালৈ অৱতীৰ্ণ কৰিছো। (হে নবী) যিবোৰ তুমি ইয়াৰ আগে জনা নাছিলা আৰু তোমাৰ জাতিৰ মানুহেও জনা নাছিল। সেয়ে ধৈৰ্য ধাৰণ কৰা। নিশ্চয় অন্তিম শুভ পৰিণতি খোদাভীৰুসকলৰ বাবেই।

(৫০) আদ জাতিৰ প্ৰতি আমি সিহঁতৰ ভাতৃ হুদক পঠাইছিলো। তেওঁ ক'লে- 'হে মোৰ জাতিভাইসকল, আল্লাহৰ উপাসনা কৰা। তেওঁৰ ব্যতীত তোমালোকৰ আন কোনো উপাস্য নাই। তোমালোকে কেৱল মিছা কথা সাজিছা। (৫১) হে মোৰ জাতিভাইসকল, ইয়াৰ বাবে মই তোমালোকৰ পৰা বানচ বিচৰা নাই। মোৰ বানচ তেওঁৰ ওচৰতহে আছে, যিজনে মোক সৃষ্টি কৰিছে। কিয় তোমালোকে জ্ঞান-বুদ্ধি কামত নলগোৱা। (৫২) হে মোৰ জাতিভাইসকল, তোমালোকৰ প্ৰভুৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা। অনুতপ্ত হৈ তেওঁৰ পিনেই ঘূৰি যোৱা। তেওঁ তোমালোকৰ বাবে আকাশৰ পৰা প্ৰচুৰ পানী বৰ্ষাব। তেওঁ তোমালোকৰ শক্তিৰ লগত আৰু শক্তি সামৰ্থ বঢ়াই দিব। অপৰাধীবিলাকৰ দৰে তেওঁৰ পৰা মুখ নুঘূৰাবা।'

(৫৩) সিহঁতে উত্তৰ দিলে- 'হে হুদ, তুমি আমাৰ ওচৰলৈ কোনো

স্পষ্ট প্ৰমাণ অনা নাই। তুমি কলা বুলিয়েই আমি আমাৰ দেৱ-দেৱীবোৰক ত্যাগ কৰিব নোৱাৰো আৰু তোমাক বিশ্বাস নকৰো। (৫৪) আমি মাথো ইয়াকে ক'ব খোজো আমাৰেই কোনোবা এজন দেৱতাৰ কোপদৃষ্টি তোমাৰ ওপৰত পৰিছে।' তেওঁ ক'লে- 'মই আল্লাহক সাক্ষী কৰিছো আৰু তোমালোকে সাক্ষী থাকা মই সেইবোৰ বৰ্জন কৰিছো যিবোৰক তোমালোকে আল্লাহৰ লগত অংশী কৰিছা। (৫৫) আল্লাহক বাদ দি তোমালোক আটায়ে মিলি মোৰ বিৰুদ্ধে কৌশল অৱলম্বন কৰা আৰু মোক অকণো অৱকাশ নিদিবা। (৫৬) মই আল্লাহৰ ওপৰত ভৰসা কৰিছো। তেওঁ মোৰ প্ৰভু, তোমালোকৰো প্ৰভু। এনে কোনো জীৱ নাই, যাৰ আগচুলি তেওঁৰ মুঠিত নাই। নিশ্চয় মোৰ প্ৰভু সৰল সঠিক পথত আছে।

(৫৭) তোমালোকে যদি মুখ ঘূৰোৱা, মই মোৰ বার্তা তোমালোকক পৌছাই দিছো, যি বার্তাৰে মোক তোমালোকৰ ওচৰলৈ পঠোৱা হৈছে। মোৰ প্ৰভুৱে তোমালোকৰ ঠাইত আন জাতিক স্থলাভিষিক্ত কৰিব আৰু তোমালোকে সিহঁতৰ অকণো ক্ষতি কৰিব নোৱাৰা। নিশ্চয় মোৰ প্ৰভু সকলো বস্তুৰে সুৰক্ষক।' (৫৮) যেতিয়া আমাৰ নির্দেশ আহি পালেহি, তেতিয়া আমি নিজ ক�ৰুণাৰে হুদক ৰক্ষা কৰিলো আৰু তেওঁৰ লগতে যিসকলে বিশ্বাস স্থাপন কৰিছিল তেওঁলোককো ত্ৰাণ কৰিলো আৰু তেওঁলোকক কঠোৰ শাস্তিৰ পৰা ৰক্ষা কৰিলো। (৫৯) এইবিলাকেই আদ জাতি, যিবিলাকে সিহঁতৰ প্ৰভুৰ নিদর্শনসমূহ অস্বীকাৰ কৰিছিল আৰু তেওঁৰ ৰছুলসকলকো অমান্য কৰিছিল আৰু প্ৰতিজন সত্য বিদ্রোহী আৰু বিৰোধীক অনুসৰণ কৰি চলিছিল। (৬০) শেষত সিহঁত পৃথিৰীতে অভিশপ্ত হ'ল আৰু কিয়ামতৰ দিনাও অভিশপ্ত হ'ব। শুনা, আদ জাতিয়ে সিহঁতৰ প্ৰভুক অস্বীকাৰ কৰিছিল, সেয়ে হুদৰ সম্প্ৰদায় আদ জাতিক দূৰীভূত কৰা হ'ল।

(৬১) আমি চামূদ জাতিলৈ সিহঁতৰ ভাতৃ চালেহক পঠিয়াইছিলো।

তেওঁ ক'লে- 'হে মোৰ জাতিভাইসকল, আল্লাহৰ উপাসনা কৰা। তেওঁৰ ব্যতীত তোমালোকৰ আন কোনো উপাস্য নাই। সেইজন তেৱেঁই, যিজনাই তোমালোকক মাটিৰ পৰা সৃষ্টি কৰিছে আৰু তাতে তোমালোকক বসবাস কৰাইছে। সেয়ে তেওঁৰ ওচৰত ক্ষমা বিচৰা আৰু অনুশোচনা কৰি তেওঁৰ পিনে ঘূৰি আহা। মোৰ প্ৰভু নিচেই ওচৰত আছে আৰু মাতিলে সঁহাৰি জনায়।' (৬২) সিহঁতে ক'লে- 'হে চালেহ, তুমিয়েই আমাৰ আশা-আকাংক্ষাৰ থল আছিলা। তুমি আমাক সেইবোৰৰ উপাসনা কৰিবলৈ বাৰণ কৰিবা নেকি, যিবিলাকক আমাৰ পূৰ্ব-পুৰুষসকলে উপাসনা কৰিছিল? আমাৰ ঘোৰ সন্দেহ হৈছে আৰু খু-দুৰনিত পৰিছো যাৰ প্ৰতি তুমি আমাক আহবান কৰিছা।' (৬৩) চালেহে ক'লে- 'হে মোৰ জাতিভাইসকল, কোৱাচোন, যদি মই মোৰ প্ৰভুৰ পৰা প্ৰাপ্ত স্পষ্ট প্ৰমাণত প্ৰতিষ্ঠিত আছো আৰু তেওঁ মোক অনুগ্ৰহ দান কৰে, তথাপি যদি মই তেওঁৰ অবাধ্য হওঁ, তেনেহ'লে আল্লাহৰ পৰা মোক কোনে বচাব? তোমালোকে মোৰ কেৱল ক্ষতিহে বৃদ্ধি কৰিবা।

(৬৪) হে মোৰ জাতিভাইসকল, এইজনী আল্লাহৰ উট, তোমালোকৰ বাবে এটা নিদৰ্শন। তাইক আল্লাহৰ পৃথিৱীত অবাধে চৰি ফুৰিবলৈ দিয়া। তাইৰ কোনো ক্ষতি নকৰিবা। অন্যথা তোমালোকক আল্লাহৰ যন্ত্ৰণাদায়ক শাস্তিয়ে আক্ৰান্ত কৰিব।' (৬৫) কিন্তু সিহঁতে তাইক শিৰ কাটি বধ কৰিলে। চালেহে ক'লে- 'আৰু তিনি দিনহে তোমালোকে নিজ গৃহত আনন্দ উপভোগ কৰি লোৱা। ই এনে এটা অংগীকাৰ, যিটো কেতিয়াও মিছা নহয়। (৬৬) শেষত যেতিয়া আমাৰ নিৰ্দেশ আহিল, আমি আমাৰ নিজ দয়াৰে চালেহ আৰু তেওঁৰ সৈতে বিশ্বাস স্থাপন কৰা লোকসকলক বচালো সেই দিনটোৰ লাঞ্ছনাৰ পৰা। নিশ্চয় তোমালোকৰ প্ৰভু মহা শক্তিধৰ, পৰাক্ৰমী। (৬৭) আৰু যিবিলাকে অন্যায় কৰিছিল, সিহঁতক এটা ভীষণ শব্দই আক্ৰান্ত কৰিলে আৰু সিহঁত নিজ

নিজ ঘৰত উবুৰি খাই পৰি থাকিল- (৬৮) যেনিবা সিহঁত তাত কোনো দিনাই বাস কৰা নাছিল। চামূদ জাতিয়ে সিহঁতৰ প্ৰভুক অস্বীকাৰ কৰিছিল, সেয়ে চামূদ জাতিৰ প্ৰতি অভিসম্পাত হ'ল।

(৬৯) আমাৰ ফি�ৰিস্তাই ইব্ৰাহীমৰ ওচৰলৈ সুসংবাদ লৈ আহিছিল আৰু অভিবাদন জনাই ক'লে- 'ছালাম' (তোমাৰ শান্তি হওক) আৰু তেৱোঁ 'ছালাম' বুলি তেওঁলোকক প্ৰতি অভিবাদন জনালে। ক্ষন্তেক পিছতে ইব্ৰাহীমে এটা ভজা দামুৰি আনি দিলেহি। (৭০) কিন্তু তেওঁ যেতিয়া দেখিলে যে তেওঁলোকে খাবলৈ হাত আগবঢ়োৱা নাই, তেওঁ সন্দিহান হ'ল আৰু তেওঁলোকলৈ তেওঁৰ ভয়ৰ সঞ্চাৰ হ'ল। তেওঁলোকে ক'লে- 'ভয় নকৰিব। আমাক লূত জাতিৰ প্ৰতি প্ৰেৰণ কৰা হৈছে।'

(৭১) তেওঁৰ পত্নী, যিগৰাকী ওচৰতে থিয় দি আছিল, গৃহিণীৰ হাঁহি উঠিল যেতিয়া আমি তেওঁক (গৃহিণীক) ইছহাক আৰু ইছহাকৰ পিছত ইয়াকুবৰ সুসংবাদ দিলো। (৭২) তেওঁৰ গৃহিণীয়ে ক'লে- 'হায় মোৰ কপাল! এতিয়া মোৰ সন্তান হ'বনে, এই বৃদ্ধা বয়সত! আৰু স্বামীয়ো বৃদ্ধ হ'ল? নিশ্চয় ই এটা নাভ্ৰুত-নাশ্ৰুত কথা।' (৭৩) তেওঁলোকে ক'লে- 'আল্লাহৰ আদেশৰ প্ৰতি আশ্চৰ্যবোধ কৰিছা নেকি? হে ইব্ৰাহীমৰ পৰিয়ালবৰ্গ, তোমালোকৰ প্ৰতি আল্লাহৰ দয়া আৰু অনুগ্ৰহ আছে। নিশ্চয় তেওঁ প্ৰশংসাৰ যোগ্য আৰু বৈভৱশালী।'

(৭৪) যেতিয়া ইব্ৰাহীমৰ ভয় ভাগিল আৰু সুসংবাদ পাই আনন্দিত হ'ল, তেতিয়া তেওঁ লূত জাতিৰ বিষয়ে আমাৰ লগত বাদানুবাদ কৰিছিল। (৭৫) আচলতে ইব্ৰাহীম সহনশীল আছিল আৰু কোমল চিত্তৰ ব্যক্তি আছিল আৰু সততে আল্লাহৰ অভিমুখী আছিল। (৭৬) (আমাৰ ফিৰিস্তাই ক'লে)- 'হে ইব্ৰাহীম, তোমাৰ এই কথা বাদ দিয়া। তোমাৰ প্ৰভুৰ নিৰ্দেশ হৈয়ে গ'ল।

সিহঁতৰ প্ৰতি এনে শাস্তি আহি আছে, যাক কোনোৱে ৰোধ কৰিব নোৱাৰে।'

(৭৭) যেতিয়া আমাৰ ফিৰিস্তা আহি লূতৰ ওচৰ পালে, তেওঁলোকৰ আগমণত তেওঁ অস্বস্তি বোধ কৰিলে আৰু তেওঁলোকক ৰক্ষণাবেক্ষণ দিব নোৱাৰিব বুলি অক্ষমতা অনুভৱ কৰিলে। তেওঁ ক'লে- 'আজি বৰ বিপৰ্যয়ৰ দিন।' (৭৮) তেওঁৰ জাতিৰ মানুহবিলাক যিবিলাক পূৰ্বৰ পৰা অপকৰ্ম কৰাত অভ্যস্ত আছিল, সিহঁত তেওঁৰ ওচৰলৈ ঢপলিয়াই আহিল। তেওঁ ক'লে- 'হে মোৰ জাতিভাইসকল, এইবিলাক মোৰ জীয়ৰী, ইহঁত তোমালোকৰ বাবে বেছি পৱিত্ৰ (যদি তোমালোকে বিবাহ কৰিব খোজা)। সেয়ে আল্লাহক ভয় কৰা আৰু অতিথিসকলৰ আগত মোক লজ্জিত নকৰিবা। তোমালোকৰ মাজত এজনো সাধু পুৰুষ নাইনে?' (৭৯) সিহঁতে উত্তৰ দিলে- 'তুমি দেখোন জানাই যে, তোমাৰ জীয়ৰীবিলাকৰ আমাৰ কোনো প্ৰয়োজন নাই আৰু তুমি ভালকৈ জানা আমি কি বিচাৰো?'

(৮০) তেওঁ ক'লে- 'তোমালোকক বাধা দিয়াৰ ক্ষমতা মোৰ যদি হ'লহেঁতেন নাইবা মই যদি কোনো মহাশক্তিধৰৰ ওচৰত আশ্ৰয় পালোহেঁতেন।' (৮১) ফিৰিস্তাসকলে ক'লে- 'হে লূত, আমি তোমাৰ প্ৰভুৰ দ্বাৰা প্ৰেৰিত ফিৰিস্তা। সিহঁতে তোমাৰ কাষেই চাপিব নোৱাৰে। সেয়ে তুমি তোমাৰ পৰিবাৰ-পৰিজন লৈ ৰাতি এপৰতেই ওলাই যাবা আৰু তোমালোকৰ কোনোৱে যেন পিছফালে ঘূৰি নাচায়। কিন্তু তোমাৰ স্ত্ৰীৰো সেয়াই ঘটিব, যি আনবিলাকৰ প্ৰতি ঘটিব। সিহঁতৰ ধ্বংসৰ বাবে প্ৰভাতৰ সময় নিৰ্ধাৰিত হৈ আছে। প্ৰভাত হ'বলৈ আৰু কিমান দেৰি?' (৮২) যেতিয়া আমাৰ নিৰ্দেশ আহিল, তেতিয়া আমি সেই জনবসতিক তল-ওপৰ কৰি দিলো আৰু সিহঁতৰ ওপৰত অবিৰামভাৱে পকা মাটিৰ কংকৰ বৰ্ষণ কৰিলো, (৮৩) তোমাৰ প্ৰভুৰ পৰা সিহঁতৰ বাবে সিৰোৰ চিহ্নিত কৰা আছিল। সেই অন্যায়কাৰীবিলাকৰ পৰা

এই শাস্তি বেছি দূৰত্বত নহয়।

(৮৪) মাদয়ানবাসীৰ প্ৰতি আমি সিহঁতৰ ভাতৃ ছুআইবক পঠিয়াইছিলো। তেওঁ ক'লে- 'হে মোৰ জাতিভাইসকল, আল্লাহৰ উপাসনা কৰা। তেওঁৰ বিনে তোমালোকৰ আন কোনো উপাস্য নাই। জোখ-মাখত কম নকৰিবা। বৰ্তমান তোমালোকক সমৃদ্ধিশালী দেখিছোঁ; কিন্তু তোমালোকৰ বাবে এটা পৰিবেষ্টনকাৰী দিনৰ শাস্তিৰ আশংকা কৰিছোঁ। (৮৫) হে মোৰ জাতিভাই সকল, ন্যায়ভাৱে পূৰাপূৰি মাপ-জোখ কৰিবা। মানুহক বস্তু কমাই দি নঠগিবা আৰু পৃথিৱীত বিপৰ্যয় কৰি নুফুৰিবা। (৮৬) আল্লাহ প্ৰদত্ত অৱশিষ্টখিনি তোমালোকৰ বাবে উত্তম যদি তোমালোক মুমিন হোৱা। মোক তোমালোকৰ প্ৰহৰী হিচাবে দায়িত্ব দিয়া নাই।'

(৮৭) সিহঁতে ক'লে- 'হে ছুআইব, তোমাৰ নামাজে এয়ে শিকাইছে নেকি যে, আমি সেইবিলাক উপাস্যক বৰ্জন কৰো, যিবিলাকক আমাৰ পিতৃ-পিতামহসকলে উপাসনা কৰিছিল অথবা আমাৰ ধন-সম্পদ নিজ ইচ্ছা অনুযায়ী ব্যয় কৰাৰ অধিকাৰ আমাৰ নাই? কেৱল তুমিহে মহাজ্ঞানী আৰু সদাচাৰী মানুহ হৈ ৰ'লা!'

(৮৮) ছুআইবে ক'লে- 'হে মোৰ জাতিভাইসকল, তোমালোকে ভাবি চাইছানে, যদি মই মোৰ প্ৰভুৰ সুস্পষ্ট সাক্ষ্যৰ ওপৰত প্ৰতিষ্ঠিত হৈ থাকো, ইয়াৰোপৰি যদি তেওঁ মোক তেওঁৰ নিজৰ ফালৰ পৰা উৎকৃষ্ট জীৱিকা দান কৰে, (মই তোমালোকক পথ নেদেখুৱামনে)? সেইবোৰ কাম মই কৰাৰ কোনো প্ৰশ্নই নুঠে, যিবোৰ কাম কৰিবলৈ মই তোমালোকক বাৰণ কৰিছোঁ। মই পাৰোমানে সংস্কাৰ কৰিবলৈহে বিচাৰো। আল্লাহৰ সহায় অবিহনে মই সফল হ'ব নোৱাৰো। আল্লাহৰ ওপৰতে মোৰ সকলো ভৰসা আৰু তেওঁৰ ওচৰলৈকে মোৰ প্ৰত্যাৱৰ্তন। (৮৯) হে মোৰ জাতিভাইসকল, মোৰ প্ৰতি

বিৰুদ্ধাচৰণে তোমালোকক এনে অসৎ কার্য কৰিবলৈ প্রবৃত্ত নকৰে যেন যাৰ ফলত নূহ, হুদ আৰু চালেহ জাতিৰ প্রতি যি শাস্তি হৈছিল, লূতৰ জাতিৰ ওপৰত হোৱা শাস্তি তোমালোকৰ পৰাতো বেছি আগত নহয়। (৯০) তোমালোকৰ প্রভুৰ ওচৰত ক্ষমা বিচৰা আৰু অনুতপ্ত হৈ তেওঁৰ পিনে ঘূৰি আহা। নিঃসন্দেহে মোৰ প্রভু পৰম দয়ালু, স্নেহপৰায়ণ।'

(৯১) সিহঁতে উত্তৰ দিলে- 'হে ছুআইব, তুমি যি কৈছা তাৰ বহু কথাই আমি বুজি পোৱা নাই। আমি দেখিছো তুমি আমাৰ মাজৰ এজন অক্ষম ব্যক্তি। তোমাৰ গোষ্ঠী-পৰিয়াল নথকাহেঁতেন, আমি কেতিয়াবাই তোমাক শিলগুটি দলিয়াই মাৰি পেলালোহেঁতেন। আমাৰ ওপৰত তোমাৰ কোনো শ্রেষ্ঠত্ব নাই।' (৯২) তেওঁ ক'লে- 'হে মোৰ জাতিভাইসকল, তোমালোকৰ মানত মোৰ গোষ্ঠী আল্লাহতকৈ অধিক শক্তিশালীনে? তোমালোকে আল্লাহক তোমালোকৰ পিছত ৰাখি তেওঁলৈ পিঠি দিছা। নিশ্চয় মোৰ প্রভুৱে তোমালোকৰ কর্মবোৰ পৰিবেষ্টন কৰি আছে। (৯৩) হে মোৰ জাতিভাইসকল, তোমালোকে তোমালোকৰ ভাৱে কাম কৰি যোৱা আৰু মই মোৰভাৱে কাম কৰি যাম। শীঘ্রে তোমালোকে জানিবলৈ পাবা কাৰ প্রতি লাঞ্ছনাদায়ক শাস্তি আহে আৰু কোন মিছলীয়া। অপেক্ষা কৰা আৰু ময়ো তোমালোকৰ লগতে অপেক্ষা কৰি আছো।'

(৯৪) যেতিয়া আমাৰ নির্দেশ আহিল, তেতিয়া ছুআইব আৰু তেওঁৰ লগতে বিশ্বাস স্থাপন কৰাসকলক আমি নিজ অনুগ্রহেৰে ৰক্ষা কৰিলো আৰু এটা মহা নিনাদে অন্যায়কাৰীবিলাকক আক্রান্ত কৰিলে। সিহঁত নিজ নিজ গৃহত মৰি পৰি ৰ'ল- (৯৫) যেনিবা সিহঁত তাত কোনো দিনাই বসবাস কৰা নাছিল। শুনা, মাদয়ান জাতি অভিশপ্ত হ'ল, যিদৰে চামূদ জাতি অভিশপ্ত হৈছিল।

(৯৬) আমি মূছাক আমাৰ নিদৰ্শনাৱলী আৰু স্পষ্ট চনদৰে সৈতে পঠাইছিলো- (৯৭) ফিৰাউন আৰু তাৰ নেতৃবৃন্দলৈ। কিন্তু সিহঁতে ফিৰাউনৰ আদেশ অনুসৰণ কৰিছিল যদিও ফিৰাউনৰ আদেশ সঠিক পথত নাছিল। (৯৮) কিয়ামতৰ দিনা সি তাৰ সম্প্রদায়ৰ আগে আগে থাকি সিহঁতক নৰকলৈ লৈ যাব। সেয়া কিমান যে নিকৃষ্ট ঠাই য'লৈ সিহঁতক লৈ যোৱা হ'ব! (৯৯) এই পৃথিৱীতে সিহঁতৰ পিছত অভিসম্পাত লগাই দিয়া হৈছে আৰু কিয়ামতৰ দিনাও সিহঁত অভিশপ্ত হ'ব। কিমান যে নিকৃষ্ট প্রতিফল সিহঁতক দিয়া হ'ব!

(১০০) এয়া পূৰ্বৰ জনবসতিবোৰৰ কিছু কাহিনী তোমাক শুনাইছো। তাৰে কিছুমান এতিয়াও অৱশিষ্ট আছে, আনহাতে কিছুমান ইতিপূৰ্বে নিশ্চিহ্ন হ'ল। (১০১) আমি সিহঁতৰ প্রতি অন্যায় কৰা নাই। সিহঁতে নিজেই নিজৰ অন্যায় কৰিছে। সিহঁতে আল্লাহক বাদ দি যিবোৰ উপাস্যৰ উপাসনা কৰিছিল, সিহঁতৰ কোনো কামত নাহিল। যেতিয়া তোমাৰ প্রভুৰ আদেশ আহি পালেহি, সেয়াই সিহঁতৰ ধ্বংস আৰু বৃদ্ধিহে কৰিলে।

(১০২) এনেদৰেই তোমাৰ প্রভুৱে শাস্তি দিয়ে যেতিয়া তেওঁ কোনো জনবসতিক সিহঁতৰ পাপৰ কাৰণে আটক কৰে। নিশ্চয় তেওঁৰ শাস্তিৰ কৰায়ত্ব অতি ভয়ানক আৰু অতি কঠোৰ। (১০৩) নিশ্চয় তেওঁৰ বাবে ইয়াত নিদৰ্শন আছে, যিজনে পৰকালৰ শাস্তিক ভয় কৰে। সেইটো এনে এটা দিন, যিদিনা সকলো মানুহকে একেলগে সমবেত কৰা হ'ব। সেই দিনটোত সকলো উপস্থিত হ'ব।

(১০৪) সেয়া আমি স্থগিত ৰাখিছো এটি নিৰ্ধাৰিত কাললৈকেহে। (১০৫) যেতিয়া সেই দিনটো আহিব, তেতিয়া আল্লাহৰ অনুমতি বিনে কোনোৱে একো ক'ব নোৱাৰিব। সিহঁতৰ কিছুমান হ'ব হতভগীয়া আৰু কিছুমান ভাগ্যবান। (১০৬) যিবিলাক হতভাগ্য হ'ব, সিহঁত জাহান্নামলৈ যাব। তাত সিহঁত ফোপাই থাকিব আৰু আৰ্তৰাও কৰি থাকিব। (১০৭) এনে অৱস্থাত

সিহঁত চিৰদিন থাকিব যেতিয়ালৈকে আকাশমণ্ডল আৰু পৃথিৱী বিদ্যমান থাকে। তোমাৰ প্ৰভুৰ ইচ্ছা হ'লে অন্য কথা। তোমাৰ প্ৰভুৱে যি ইচ্ছা কৰে, নিশ্চয় সেয়া কৰিবই। (১০৮) যিসকল ভাগ্যৱান হ'ব, তেওঁলোক জান্নাতলৈ যাব আৰু তাত তেওঁলোক চিৰদিন থাকিব, যেতিয়ালৈকে আকাশমণ্ডল আৰু পৃথিৱী বিদ্যমান থাকে; তোমাৰ প্ৰভুৰ ইচ্ছা হ'লে অন্য কথা। এয়া হ'ব এটা অনন্ত কৃপা। (১০৯) তুমি সন্দেহ পোষণ কৰি নাথাকিবা সিহঁতে যিবোৰক উপাসনা কৰে। সিহঁতৰ উপাসনা আন একো নহয় পূৰ্বে সিহঁতৰ পিতৃ-পিতামহসকলে কৰা পূজা-উপাসনা ব্যতীত। আমি অৱশ্যই সিহঁতৰ প্ৰাপ্য অংশ পূৰাপূৰিভাৱে দিম, অকণো কম নকৰো।

(১১০) আমি মূছাকো পুথি দিছিলো। সেই লৈ সিহঁতৰ মতভেদ হ'ল। এই বিষয়ে পূৰ্বে তোমাৰ প্ৰভুৰ সিদ্ধান্ত নথকাহেঁতেন, কেতিয়াবাই মীমাংসা কৰি দিয়া হ'লহেঁতেন। এই বিষয়ত সিহঁত সন্দেহ-সংশয়ত নিমজ্জিত হৈ আছে। (১১১) তোমাৰ প্ৰভুৱে অৱশ্যই তেওঁলোকৰ প্ৰত্যেককে তেওঁলোকৰ কৰ্মফল পূৰাপূৰিভাৱে দান কৰিব। তেওঁলোকৰ কৰ্মৰ তেওঁ সবিবেশ জানে। (১১২) গতিকে (সৎপথত) সুদৃঢ় হৈ থাকা, যেনেদৰে তোমাক আদেশ দিয়া হৈছে, তুমি আৰু তোমাৰ সেইসকল সংগী, যিসকল তোমাৰ লগতে আল্লাহৰ ফালে উভতি আহিছে আৰু সীমা লংঘন নকৰিবা। নিশ্চয় আল্লাহে সেয়া সকলো দেখি আছে, তোমালোকে যি কৰিছা। (১১৩) অন্যায়কাৰীবিলাকৰ ফালে ঢাল নাখাবা, নহ'লে (জাহান্নামৰ) অগ্নিয়ে স্পৰ্শ কৰিব। তেতিয়া আল্লাহৰ পৰা বচাবলৈ কোনো ৰক্ষাকাৰী নাপাবা আৰু কাৰো পৰা সাহায্যও নাপাবা। (১১৪) দিনৰ দুয়ো প্ৰহৰত আৰু ৰাতিৰ আগভাগত নামাজ প্ৰতিষ্ঠা কৰা। নিশ্চয় সৎকৰ্মই অসৎ কৰ্ম দূৰ কৰে। এইটো এটা স্মাৰক, উপদেশ গ্ৰহণকাৰীসকলৰ বাবে। (১১৫) ধৈৰ্য ধাৰণ কৰা। নিঃসন্দেহ, আল্লাহে সৎ কৰ্মীসকলৰ প্ৰতিফল কেতিয়াও নষ্ট নকৰে।

(১১৬) কিয় তোমালোকৰ পূৰ্বৰ জাতিসমূহৰ মাজত এনে নহ'ল যে, সিহঁতৰ সৎ কৰ্মীসকলে পৃথিৱীত বিপৰ্যয়ত বাধা দিব পাৰে? এনে মানুহ আছিল যদিও তেনেই তাকৰ, যিসকলক আমি ৰক্ষা কৰিছিলো। আনহাতে অন্যায়কাৰীবিলাকক দিয়া পার্থিৱ ভোগ-বিলাসতে সিহঁত মত্ত হ'ল আৰু এইদৰে সিহঁত অপৰাধী হৈ ৰ'ল। (১১৭) তোমাৰ প্ৰভুৱে কেতিয়াও এনে অন্যায়ভাৱে কোনো জনবসতিক ধ্বংস নকৰে যে, সিহঁত সংশোধন হ'বলৈ চেষ্টা কৰিব।

(১১৮) তোমাৰ প্ৰভুৱে ইচ্ছা কৰাহেঁতেন সকলো মানুহকে একেটা জাতি কৰিলেহেঁতেন; তথাপি সিহঁতৰ মাজত মতভেদ অন্ত নপৰিলহেঁতেন, (১১৯) এনেদৰে সমাপ্ত হ'ল আৰু তেওঁ সিহঁতক সৃষ্টি কৰিছে কেৱল সেইসকলৰ বাদে যিসকল আল্লাহৰ অনুগ্ৰহ প্ৰাপ্ত আৰু তোমাৰ প্ৰভুৰ সেই কথা পূ�ৰণ হ'ল- 'মই জ্বিন আৰু মানুহ উভয়ৰ দ্বাৰা জাহান্নাম পূৰ্ণ কৰিম।'

(১২০) আমি নবী-ৰছুলসকলৰ কাহিনীসমূহ তোমাক শুনাইছো তোমাৰ চিত্ত দৃঢ় কৰিবৰ বাবে আৰু ইয়াৰ জৰিয়তে তোমালৈ মহাসত্যৰ জ্ঞান আহিল আৰু মুমিনসকলৰ বাবে উপদেশ বাণী আৰু স্মাৰক। (১২১) সিহঁতক কোৱা, যিবিলাকে বিশ্বাস স্থাপন নকৰে- 'তোমালোকে তোমালোকৰ ভাগে কাম কৰি থাকা আৰু আমিও আমাৰ ভাগে কাম কৰি থাকিম। (১২২) তোমালোকে অপেক্ষা কৰা আৰু আমিও অপেক্ষাত ৰ'লো।' (১২৩) আকাশমণ্ডল আৰু পৃথিৱীৰ গোপন তত্ত্ব কেৱল আল্লাহৰ ওচৰতহে আছে আৰু সকলো বিষয় তেওঁৰ ওচৰলৈকে প্ৰত্যাৱৰ্তীত হ'ব। সেয়ে তেওঁৰেই উপাসনা কৰা আৰু তেওঁৰ ওপৰতেই নির্ভৰ কৰা। তোমালোকে যি কৰা সেই বিষয়ে তোমাৰ প্ৰভু আওকণীয়া নহয়।

১২. ইউছুফ (যুচেফ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলিম-লাম-ৰা।

এইবোৰ স্পষ্ট পুথিৰ আয়াত। (২) আমি এই কুৰআনখন আৰবী ভাষাত অৱতীর্ণ কৰিছো যাতে তোমালোকে বুজিব পাৰা। (৩) আমি সর্বোৎকৃষ্ট কাহিনী বিতংভাৱে বর্ণনা কৰি কুৰআন অৱতীর্ণ কৰি তোমাক শুনাইছো। এইখন অহাৰ পূর্বে তুমি মুঠেই অৱহিত নাছিলা।

(৪) যেতিয়া ইউছুফে তেওঁৰ পিতৃক কৈছিল- 'হে মোৰ আব্বা, এঘাৰটা তৰা, সূর্য আৰু চন্দ্ৰ মই সপোনত দেখিলো। মই দেখিলো, সিহঁতে মোক ছিজদা (প্ৰণাম) কৰি আছে।' (৫) তেওঁৰ পিতৃয়ে কৈছিল- 'হে পুত্ৰ, তোমাৰ এই সপোনৰ কথা তোমাৰ ভাতৃসকলৰ আগত নক'বা, সিহঁতে তোমাৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিব পাৰে। নিশ্চয় ছয়তান মানুহৰ প্ৰকাশ্য শত্ৰু। (৬) হয়তো তোমাৰ প্ৰভুৱে তোমাক মনোনীত কৰিব আৰু তোমাক ঘটনাৰ নিগূঢ় তত্ত্ব শিকাব। তেওঁ তোমাৰ প্ৰতি তেওঁৰ অনুগ্ৰহ পূর্ণ কৰিব আৰু ইয়াকুবৰ সন্তানসকলৰ প্ৰতিও পূর্ণ কৰিব, যেনেদৰে ইতিপূর্বে তেওঁ তোমাৰ পিতৃ-পুৰুষ ইব্ৰাহীম আৰু ইছহাকৰ প্ৰতি অনুগ্ৰহ পূর্ণ কৰিছিল। সঁচাকৈয়ে তোমাৰ প্ৰভু সর্বজ্ঞ আৰু প্ৰজ্ঞাময়।'

(৭) বাস্তৱিকতে ইউছুফ আৰু তেওঁৰ ভাতৃসকলৰ কাহিনীত অনুসন্ধিৎসুসকলৰ বাবে বহু নিদর্শন আছে। (৮) সিহঁতে (পৰস্পৰে আলচ কৰি) ক'লে- 'আচলতে আমাৰ পিতৃয়ে ইউছুফ আৰু তেওঁৰ ভায়েক (বানি ইয়ামিনক) আমাতকৈ বেছি ভাল পায়। অথচ আমি এটা শক্তিশালী গোট। নিশ্চয় আমাৰ পিতৃৰ প্ৰত্যক্ষভাৱে বিভ্ৰান্তি হৈছে। (৯) সেয়ে হয় ইউছুফক হত্যা কৰা নাইবা কৰবাত দূৰ ঠাইত পেলাই দি আহা যাতে তোমালোকৰ

পিতৃৰ মনোযোগ কেৱল তোমালোকৰ ওপৰতে নিবদ্ধ হয়। ইয়াৰ পিছত সাধু পুৰুষ হৈ থাকিবা।' (১০) তেওঁলোকৰ এজনে ক'লে- 'তাক হত্যা নকৰিবা, যদি কিবা কৰিবলৈ খোজা, তেন্তে তাক কোনো এটা অন্ধকাৰ নাদত পেলাই দিয়া। কোনো ভ্ৰমণকাৰী দলে তাক তুলি লৈ যাব।'

(১১) সিহঁতে বাপেকক ক'লে- 'ইউছুফৰ সম্বন্ধে কিয় আমাক বিশ্বাস নকৰে? প্ৰকৃততে আমি তাৰ শুভাকাংক্ষী। (১২) কাইলৈ তাক আমাৰ লগত পঠিয়াই দিয়ক যাতে সি খেলা-ধূলা আৰু ৰং-ধেমালি কৰিব পাৰে। নিশ্চয় আমি তাক চোৱা-চিতা কৰিম।' (১৩) বাপেকে ক'লে- 'সঁচাকৈয়ে মই মনত বৰ দুখ পাম তোমালোকে তাক লৈ গ'লে আৰু মোৰ ভয় হৈছে জানোছা তাক কুকুৰনেচিয়াই খাইয়েই যেতিয়া তোমালোক অসাৱধান হোৱা!' (১৪) সিহঁতে ক'লে- 'আমি এটা শক্তিশালী গোট হোৱা সত্ত্বেও যদি তাক কুকুৰনেচিয়াই খায়, তেনেহ'লে নিশ্চয় আমি ক্ষতিগ্ৰস্ত হ'ম।'

(১৫) ইয়াৰ পিছত যেতিয়া সিহঁতে তেওঁক সিহঁতৰ লগত লৈ গ'ল, তেতিয়া সিহঁতে সিদ্ধান্ত ল'লে তেওঁক এটা গভীৰ অন্ধকাৰ নাদত পেলাই দিব। তেতিয়া আমি তেওঁলৈ আমাৰ ইচ্ছাৰ প্ৰত্যাদেশ পঠালো- 'এনে এটা দিন আহিব, তুমি সিহঁতৰ অপকৰ্মবোৰ সিহঁতক সোঁৱৰাই দিব পাৰিবা, তেতিয়া সিহঁতে অনুধাৱন কৰিব নোৱাৰিব তুমি কোন।' (১৬) সন্ধ্যা সিহঁতে কান্দি-কাটি বাপেকৰ ওচৰলৈ আহিল, (১৭) আৰু ক'লে- 'হে আমাৰ আব্বা, আমি দৌৰা-দৌৰি খেলিবলৈ গৈছিলো আৰু ইউছুফক আমি বয়বস্তুৰ ওচৰত ৰাখি থৈ গৈছিলো; এনেতে কুকুৰনেচিয়াই তাক খাই পেলালে। আপুনিতো আমাক বিশ্বাসেই নকৰিব, আমি যিমানেই সঁচা কথা নকও কিয়!' (১৮) সিহঁতে ভায়েকৰ চোলাটো তেওঁক দেখুৱালে, যিটোত মিছাকৈ তেজ লগাই আনিছিল। বাপেকে চিঞৰী উঠিল- 'নহয়, তোমালোকৰ আত্মাই এনে কু-কৰ্ম কৰিবলৈ তোমালোকক উদ্বুদ্ধ কৰিলে! কিন্তু এতিয়া ধৈর্য ধৰাই শ্ৰেয়ঃ। তোমালোকে

কোৱা কথাৰ পৰা মই একমাত্ৰ আল্লাহৰ ওচৰতেই সহায় বিচাৰো।'

(১৯) সিফালে এটা যাত্ৰীদল আহিল। সিহঁতে পানী যোগনীয়াৰক কুঁৱাৰ পৰা পানী আনিবলৈ পঠালে। সি পানী তুলিবলৈ পাত্ৰটো নাদত পেলালে আৰু চিঞৰী উঠিল- 'আঁহ! কি সৌভাগ্যৰ কথা। এইটো দেখোন এটা ল'ৰা!' সিহঁতে তেওঁক পণ্যসামগ্ৰী হিচাবে লুকাই ৰাখিলে। কিন্তু আল্লাহে ভালদৰে জানিছিল, সিহঁতে যি কৰিছিল। (২০) সিহঁতে সামান্য মূল্যত তেওঁক বিক্ৰী কৰি দিলে মাথোন কেইটামান ৰূপৰ মুদ্ৰাৰ বিনিময়ত। এই ক্ষেত্ৰত সিহঁতে বেছি আশাও কৰা নাছিল।

(২১) মিছৰৰ যিজনে তেওঁক কিনিলে, তেওঁ নিজ স্ত্ৰীক ক'লে- 'ইয়াক আদৰ-সাদৰ কৰি ৰাখা। সম্ভৱতঃ ই আমাৰ উপকাৰত আহিব নাইবা ইয়াক নিজ সন্তান হিচাবে তুলি ল'ম।' এইদৰে আমি ইউছুফক সেই দেশত প্ৰতিষ্ঠিত কৰালো যাতে আমি সকলো কথাৰ গূঢ়তত্ত্বৰ শিক্ষা দিব পাৰো। সকলো বস্তুৰ ওপৰত আল্লাহ ক্ষমতাবান; কিন্তু সৰহভাগ মানুহে এয়া নাজানে। (২২) যেতিয়া তেওঁ যৌৱনত উপনীত হ'ল, আমি তেওঁক প্ৰকৃত বিচাৰ শক্তি আৰু জ্ঞান দান কৰিলো। এইদৰেই আমি সৎকৰ্মীসকলক পুৰষ্কাৰ দান কৰো।

(২৩) যি কি নহওক, যিগৰাকী মহিলাৰ ঘৰত তেওঁ আছিল, অসৎ কামনা চৰিতাৰ্থ কৰিবলৈ তেওঁক ফুচুলাইছিল। এদিন সেই মহিলাগৰাকীয়ে দুৱাৰ বন্ধ কৰি দি কৈছিল- 'এতিয়া আহাঁ!' তেওঁ ক'লে- 'আল্লাহে মোক ৰক্ষা কৰক। নিশ্চয় (তোমাৰ স্বামী) মোৰ গৰাকীয়ে মোক উচ্চ মৰ্যাদা দান কৰিছে। অন্যায়কাৰীবিলাক নিশ্চয় কেতিয়াও সফল নহয়।' (২৪) মহিলাগৰাকীয়ে তেওঁৰ পিনে অগ্ৰসৰ হ'ল, তেৱোঁ তাইৰ প্ৰতি ঢাল খালেহেঁতেন, যদি তেওঁ তেওঁৰ প্ৰভুৰ পৰা এটা নিদৰ্শন নেদেখিলেহেঁতেন। এয়া এইবাবে কৰিছিলো যাতে পাপকৰ্ম আৰু অশ্লীলতা আমি তেওঁৰ পৰা দূৰ কৰিব পাৰো। প্ৰকৃততে

তেওঁ আমাৰ মনোনীত সেৱকসকলৰ এজন।

(২৫) তেওঁলোক দুয়ো দুৱাৰৰ পিনে দৌৰি গ'ল আৰু সংঘৰ্ষত মহিলাগৰাকীয়ে পিছ পিনৰ পৰা তেওঁৰ চোলাটো টানি ফালি পেলালে। তেওঁলোক দুয়ো মহিলাগৰাকীৰ স্বামীক দুৱাৰ মুখত দেখিবলৈ পালে। মহিলাগৰাকীয়ে কৈ উঠিল- 'সেইজন মানুহৰ কি শাস্তি হ'ব পাৰে, যিজনৰ আপোনাৰ পত্নীৰ প্ৰতি অসৎ অভিপ্ৰায় থাকে। তাক কাৰাৰুদ্ধ কৰা বা কঠোৰ শাস্তি দিয়াৰ বাদেনো আন কি দণ্ড দিব পৰা যায়?' (২৬) ইউছুফে ক'লে- 'এওঁহে মোক কু-কামত লিপ্ত কৰিবলৈ চেষ্টা কৰিছিল।' মহিলাগৰাকীৰ পৰিয়ালৰ এজনে সাক্ষ্য দি ক'লে- 'যদি তেওঁৰ চোলাটো সন্মুখৰ ফালে ফলা হৈছে, তেনেহ'লে মহিলাগৰাকীয়ে সঁচা কৈছে আৰু তেওঁ মিছা মাতিছে। (২৭) কিন্তু যদি চোলাটো পিছ ফালৰ পৰা ফলা হৈছে, তেনেহ'লে মহিলাগৰাকীয়ে মিছা মাতিছে আৰু তেওঁ সঁচা কৈছে।' (২৮) সেয়ে যেতিয়া তেওঁ চোলাটো পিছ ফালে ফলা দেখিলে (তেওঁৰ স্বামীয়ে) ক'লে- 'এয়া তোমালোকৰ মহিলাবিলাকৰ ছলনা। নিশ্চয় তোমালোকৰ ছলনা অতি সাংঘাতিক। (২৯) ইউছুফ, এইবোৰ বাদ দিয়া আৰু তুমি (গৃহিণী) তোমাৰ পাপৰ বাবে ক্ষমা বিচৰা। আচলতে তুমিয়েই অপৰাধ কৰিছা।'

(৩০) নগৰৰ কিছুমান মহিলাই ৰটিবলৈ ধৰিলে- 'আজীজৰ পত্নীয়ে তেওঁৰ যুৱক দাসজনক ভ্ৰষ্ট কৰিব বিচাৰিছে আৰু প্ৰেমে তেওঁক উন্মত্ত কৰিছে। আমি দেখিছো তেওঁ স্পষ্ট ভুল কৰিছে।' (৩১) যেতিয়া আজীজৰ পত্নীয়ে তেওঁলোকৰ গুপুত গঞ্জনাৰ কথা শুনিবলৈ পালে, তেওঁলোকক নিমন্ত্ৰণ কৰিলে আৰু তেওঁলোকৰ বাবে এটি ভোজমেলৰ আয়োজন কৰিলে। তেওঁলোকৰ প্ৰত্যেককে একোখনকৈ ছুৰী দিলে (ফল কাটিবলৈ) আৰু ইউছুফক তেওঁলোকৰ সন্মুখত উপস্থিত হ'বলৈ ক'লে। যেতিয়া তিৰোতাসকলে ইউছুফক দেখিলে, বিমুগ্ধ হ'ল (তেওঁৰ সৌন্দৰ্য দেখি) আৰু নিজৰ হাতকে

কাটিলে। তেওঁলোকে স্বতঃস্ফূর্তভাৱে কৈ উঠিল- 'আল্লাহে আমাক ক্ষমা কৰক। এওঁ মানৱ নহয়, কোনোবা মহান ফি�ৰিস্তাহে।' (৩২) আজীজৰ পত্নীয়ে ক'লে- 'এওঁৰেই সেইজন ব্যক্তি, যিজনক লৈ তোমালোকে মোক ভৰ্ৎসনা কৰিছিলা। প্ৰকৃততে মইহে তেওঁক মোৰ প্ৰতি আকৃষ্ট কৰিবলৈ চেষ্টা কৰিছিলো। কিন্তু তেওঁ মোৰ প্ৰতি আকৃষ্ট নহ'ল। এতিয়া মই যি কৰিবলৈ কৈছো, সেয়া যদি তেওঁ নকৰে, তেনেহ'লে নিশ্চয় তেওঁক বন্দীশালত ৰখা হ'ব আৰু তেওঁ লাঞ্ছনা ভোগ কৰিব লাগিব।' (৩৩) ইউছুফে ক'লে- 'হে মোৰ প্ৰভু, ইহঁতে মোক যি কৰ্মৰ প্ৰতি আহ্বান কৰিছে, তাতোকৈ বন্দীশালেই মোৰ বাবে অধিক প্ৰিয়। তুমি যদি মোৰ পৰা সিহঁতৰ ছলনা দূৰ কৰি নিদিয়া, তেনেহ'লে মই সিহঁতৰ ছলনাৰ ফান্দত পৰিম আৰু অজ্ঞবিলাকৰ দলভুক্ত হ'ম।' (৩৪) আল্লাহে তেওঁৰ নিবেদনত সঁহাৰি জনালে আৰু তেওঁৰ পৰা মহিলাসকলৰ ছলনা দূৰ কৰি দিলে। নিশ্চয় তেওঁ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ।

(৩৫) সকলো স্পষ্ট প্ৰমাণ আদি দেখাৰ পিছতো সিহঁতে তেওঁক কিছু কালৰ বাবে বন্দীশালত থোৱাটোকে সমীচীন হ'ব বুলি ভাবিলে। (৩৬) আৰু দুজন যুৱক তেওঁৰ লগতে বন্দীশালত সোমাল। সিহঁতৰ এজনে (এদিন) ক'লে- 'মই নিজকে সপোনত দেখিলো- 'মই সু�ৰা নিঃসৰণ কৰি আছো।' আনজনে ক'লে- 'মই সপোনত দেখিলো যে মই মূৰত ৰুটি কঢ়িয়াই নিছো আৰু চৰাইয়ে সেয়া খাই আছে। আমাক ইয়াৰ তাৎপর্য কওক। আমি দেখিছো আপুনি এজন সৎ পুৰুষ।'

(৩৭) ইউছুফে তেওঁলোকক ক'লে- 'মই তোমালোকৰ সপোনৰ তাৎপর্য বুজাই দিম তোমালোকক যি আহাৰ দিয়া হ'ব তাৰ আগেয়ে। এয়া মোৰ প্ৰভুৱে মোক শিক্ষা দিয়া জ্ঞান। মই সিবিলাক মানুহৰ ধর্ম বর্জন কৰিলো, যিবিলাকে আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন নকৰে আৰু পৰকালক অস্বীকাৰ কৰে। (৩৮) মই মোৰ পিতৃ-পিতামহ ইব্ৰাহীম, ইছহাক আৰু ইয়াকুবৰ ধর্মমত

গ্রহণ কৰিছো। আল্লাহৰ লগত আনক অংশী কৰা আমাৰ কাম নহয়। এয়া আমাৰ আৰু সমগ্ৰ মানৱৰ ওপৰত আল্লাহৰ অনুগ্ৰহ; কিন্তু সৰহভাগ মানুহ কৃতজ্ঞ নহয়। (৩৯) হে বন্দীশালৰ সংগীদ্বয়, বহু সংখ্যক বিভিন্ন প্ৰভু ভাল, নে সৰ্ব শক্তিমান এজন আল্লাহ ভাল? (৪০) তেওঁৰ বাহিৰে তোমালোকে যিবোৰৰ উপাসনা কৰা, সেইবোৰ কিছুমান নামহে মাত্ৰ। তোমালোক আৰু তোমালোকৰ পিতৃ-পুৰুষে মিছাকৈ সেইবোৰ নাম দি লৈছা। সেইবোৰৰ কোনো চনদ আল্লাহে পঠোৱা নাই। সাৰ্বভৌম কৰ্তৃত্ব একমাত্ৰ আল্লাহৰ বাবে। তেওঁৰ আদেশ হ'ল- স্বয়ং তেওঁৰ বাহিৰে তোমালোকে আন কাৰো উপাসনা নকৰিবা। এয়াই সঠিক ধৰ্ম বিশ্বাস; কিন্তু অধিকাংশ মানুহে সেয়া নাজানে।'

(৪১) হে বন্দীশালৰ সংগীদ্বয়, তোমালোকৰ মাজৰ এজনে নিজ গৰাকীক সুৰা পৰিৱেশন কৰিব আৰু আনজনক শূলত দিয়া হ'ব আৰু পক্ষীবোৰে তাৰ মূৰটো খুটি খুটি খাব। যি বিষয়ে তোমালোকে জানিব বিচাৰিছিলা, সেয়া সিদ্ধান্ত কৰি দিয়া হ'ল।' (৪২) সিহঁতৰ যিজনে মুক্তি পাব বুলি ভাবিলে, তাক তেওঁ ক'লে- 'তোমাৰ গৰাকীক মোৰ কথা সুঁৰৰাই দিবা।' কিন্তু তাৰ গৰাকীক ইউছুফৰ কথা ক'বলৈ ছয়তানে তাক পাহৰাই দিলে। সেয়ে ইউছুফ কেবা বছৰ বন্দীশালত থাকিব লগা হ'ল।

(৪৩) এদিন ৰজাই ক'লে- 'মই সপোনত সাতজনী হৃষ্টপুষ্ট গাই দেখিলো, আন সাতজনী চেৰেলী গাইয়ে সিহঁতক ভক্ষণ কৰিছে আৰু দেখিলো সাতোটি সজীৱ শস্য কণা আৰু আন সাতোটি শুকান। হে সভাসদসকল, মোৰ এই সপোনৰ তাৎপর্য বুজাই দিয়া, যদি তোমালোকে সপোনৰ তাৎপর্য বুজি পোৱা।'

(৪৪) তেওঁলোকে ক'লে- 'এইবোৰ অর্থহীন খেলিমেলি সপোন আৰু আমি এনেবোৰ সপোনৰ তাৎপর্য বুজি নাপাও।' (৪৫) সেই বন্দীজনৰ যিজনে মুক্তি পাইছিল, দীর্ঘকালৰ পিছত তাৰ মনত পৰিল, সি ক'লে- 'মই এই সপোনৰ

তাৎপর্য ক'ম। এতেকে মোক (বন্দীশালৰ ইউছুফৰ ওচৰলৈ) যাবলৈ দিয়ক।'

(৪৬) 'হে ইউছুফ, সত্যৰ মহা প্রতীক! আমাক এই সপোনৰ তাৎপর্য কওক যে সাতজনী হৃষ্টপুষ্ট গাইক সাতজনী ক্ষীণ গাইয়ে ভক্ষণ কৰিলে আৰু সাতোটা সজীৱ শস্য কণা আৰু সাতোটা শুকান শস্য কণা। মই মোৰ মানুহবিলাকৰ ওচৰলৈ উভতি গৈ তেওঁলোকক ক'ব পাৰো।' (৪৭) ইউছুফে ক'লে- 'তোমালোকে একেৰাহে সাত বছৰ ৰীতিমত খেতি-বাতি কৰিবা। এই সময়ছোৱাত যি ফচল পাবা, তাৰে অলপ খাবা আৰু বাকীখিনি চিৰাতে সাঁচি থ'বা। (৪৮) ইয়াৰ পিছত সাতোটা বৰ কঠিন বছৰ আহিব, তেতিয়া সেই সাঁচি থোৱাৰ পৰা খাব পাৰিবা আৰু বাকী সামান্য অংশ সাঁচি থ'বা। (৪৯) ইয়াৰ পিছত এনে এটা বছৰ আহিব, যি বছৰত মানুহে প্রচুৰ বৰষুণ পাব আৰু সিহঁতে অধিক পৰিমাণে চেপি ৰস উলিয়াব।'

(৫০) ৰজাই ক'লে- 'তেওঁক মোৰ ওচৰলৈ লৈ আনা।' ৰজাৰ দূত ইউছুফৰ ওচৰ গৈ পোৱাত, তেওঁ ক'লে- 'তোমাৰ গৰাকীৰ ওচৰলৈ ঘূৰি যোৱা আৰু তেওঁক সোধা গৈ যি কেইগৰাকী মহিলাই হাত কাটি লৈছিল, তেওঁলোকৰ কি হ'ল? মোৰ প্রভু তেওঁলোকৰ ছলনাৰ প্রতি সম্পূর্ণ অৱগত।' (৫১) ৰজাই মহিলা কেইগৰাকীক সুধিলে- 'সেই বিষয়ৰ সত্যতা কি, তোমালোকে যে ইউছুফক আকর্ষিত কৰিব বিচাৰিছিলা?' মহিলা কেইগৰাকীয়ে ক'লে- 'আল্লাহে ৰক্ষা কৰক। আমি তেওঁৰ কোনো দোষ দেখা নাছিলো।' আজীজ পত্নীয়ে ক'লে- 'এতিয়া আচল সত্য ওলাই পৰিল। ময়ে কামনাৰ বাবে তেওঁক ছলনা কৰিছিলো। নিশ্চয় তেওঁ এজন সত্যবাদী।'

(৫২) এয়া এইবাবে, ইউছুফে ক'লে- 'আজীজে যাতে জানিব পাৰে তেওঁৰ অনুপস্থিতিত মই কোনো বিশ্বাসঘাতকতা কৰা নাছিলো। আল্লাহে বিশ্বাসঘাতকবিলাকৰ অভিসন্ধি সফল হ'ব নিদিয়ে। (৫৩) মই নিজকে দোষমুক্ত বুলি ক'বলৈ বিচৰা নাই। কু-প্রবৃত্তিয়ে মানুহক অপকর্মৰ বাবে উদ্বুদ্ধ

কৰেই। মোৰ প্ৰভুৱে যাক দয়া কৰে, তেওঁহে ৰক্ষা পৰে। নিশ্চয় মোৰ প্ৰভু অতি ক্ষমাশীল, অসীম দয়ালু।'

(৫৪) ৰজাই ক'লে- 'তেওঁক মোৰ ওচৰলৈ লৈ আনা। মই তেওঁক বিশেষভাৱে মোৰ কামত লগাম।' ইউছুফৰ লগত কথা-বতৰা হ'লত ৰজাই ক'লে- 'এতিয়াৰ পৰা আপুনি আমাৰ লগত থাকিব সন্মানিত আৰু বিশ্বস্ত ব্যক্তি হিচাবে।' (৫৫) ইউছুফে ক'লে- 'ৰাজ্যৰ কোষাগাৰৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰক। মই এজন ভাল সুৰক্ষক আৰু মোৰ অভিজ্ঞতা আছে।' (৫৬) এইদৰে আমি ইউছুফক কৰ্তৃত্ব দি সেই ৰাজ্যত প্ৰতিষ্ঠিত কৰিলো। য'তে ইচ্ছা, ত'তে তেওঁ বাস কৰিব পাৰে। আমি যাক ইচ্ছা কৰো, আমাৰ কৰুণা দান কৰো। সৎকৰ্মীসকলৰ কৰ্মফল আমি কেতিয়াও অথলে যাবলৈ নিদিও। (৫৭) পৰকালৰ পুৰস্কাৰ অতি উত্তম সেইসকলৰ বাবে, যিসকলে আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰিছে আৰু আল্লাহৰ প্ৰতি সচেতন।

(৫৮) ইউছুফৰ ভাতৃসকল (মিছৰলৈ) আহিল আৰু তেওঁৰ ওচৰত উপস্থিত হ'ল। তেওঁ সিহঁতক চিনি পালে; কিন্তু সিহঁতে তেওঁক চিনি নাপালে। (৫৯) যেতিয়া তেওঁ সিহঁতৰ খাদ্য-সম্ভাৰৰ ব্যৱস্থা কৰি দিলে, তেতিয়া সিহঁতক ক'লে- 'তোমালোকৰ মাহীয়তিৰ ভায়ে�ৰক মোৰ ওচৰলৈ লৈ আহিবা। তোমালোকে দেখা নাইনে, কেনেদৰে মই পূৰামাত্ৰাই বস্তু দিও আৰু মই কেনে অতিথিপৰায়ণ? (৬০) কিন্তু তোমালোকে যদি তাক মোৰ ওচৰলৈ লৈ নাহা, তেনেহ'লে তোমালোকে মোৰ পৰা কোনো খাদ্য নোপোৱা, আনকি তোমালোকে খাদ্যৰ বাবে মোক খাটনি নধৰিবা।' (৬১) সিহঁতে ক'লে- 'আমি তাৰ বাপেকক সন্মত কৰিম তাক আমাৰ লগত পঠাবলৈ। সেয়া আমি কৰিব পাৰিম।'

(৬২) ইউছুফে তেওঁৰ কৰ্মচাৰীবিলাকক ক'লে- 'সিহঁতে যি পণ্যদ্ৰব্য দিছে, সেয়া ওভতাই সিহঁতৰ গাঠৰিত ভৰাই দিয়া। সেয়া সিহঁত শলাগিব

যেতিয়া সিহঁতে ঘৰৰ পৰিয়ালৰ ওচৰলৈ যাব আৰু এইদৰে সিহঁতে পুনৰাই আহিব।' (৬৩) যেতিয়া সিহঁতে বাপেকৰ ওচৰলৈ ঘূৰি গ'ল, সিহঁতে ক'লে- 'হে আমাৰ আব্বাজান, আগলৈ আমাক খাদ্য দিবলৈ অস্বীকাৰ কৰিছে। সেয়ে আমাৰ ভাতৃক (বিন য়ামিনক) আমাৰ লগত পঠাই দিয়ক যাতে আমি খাদ্য-সামগ্ৰী আনিব পাৰো। আমি তাক ভালদৰে ৰক্ষণাবেক্ষণ দিম।' (৬৪) বাপেকে ক'লে- 'ইয়াৰ ক্ষেত্ৰত মই তোমালোকক বিশ্বাস কৰিব পাৰোনে, যেনেদৰে পূৰ্বে তাৰ ককায়েকৰ ক্ষেত্ৰত তোমালোকক বিশ্বাস কৰিছিলো? পিছে আল্লাহ সৰ্বশ্ৰেষ্ঠ ৰক্ষক আৰু তেৱেঁই সবাতোকৈ বেছি দয়ালু।'

(৬৫) পিছত যেতিয়া সিহঁতে টালি-টোপোলাবোৰ খুলিলে, তেতিয়া দেখা পালে যে, সিহঁতৰ পণ্যদ্ৰব্য সিহঁতক ওভতাই দিয়া হৈছে। সিহঁতে ক'লে- 'আব্বাজান, ইয়াতকৈনো আমি আৰু কি আশা কৰিব পাৰো! এয়া আমাৰ পণ্যদ্ৰব্যও আমাক ওভতাই দিয়া হৈছে। এতিয়া আমি যাও আৰু আমাৰ পা-পৰিয়ালৰ বাবে খাদ্য-সামগ্ৰী কিনি আনোগৈ। আমি আমাৰ ভাইটিক ৰক্ষণাবেক্ষণ দিম। আমি এটা উটৰ বোজাই পৰিমাণ খাদ্য আনিব পাৰিম। এয়া যি আনিছো, তেনেই সামান্য।' (৬৬) তেওঁ (ইয়াকুবে) ক'লে- 'মই তাক তোমালোকৰ লগত কোনো পধ্যে নপঠিয়াও, যেতিয়ালৈকে তোমালোকে আল্লাহৰ নামত প্ৰতিশ্ৰুতি নিদিয়া যে তোমালোকে তাক মোৰ ওচৰলৈ ঘূৰাই আনিবা, যদিহে তোমালোকক বেৰি ধৰি আটক কৰি নাৰাখে।' ইয়াৰ পিছত সিহঁত প্ৰত্যেকেই তেওঁক নিজ নিজ প্ৰতিশ্ৰুতি দিলে, তেতিয়া তেওঁ ক'লে- 'আমি যি ক'লো, ইয়াৰ সাক্ষী ৰ'ল আল্লাহ।'

(৬৭) 'হে মোৰ পুত্ৰসকল, তোমালোক সকলোৱে একেখন প্ৰৱেশ দ্বাৰেৰে প্ৰৱেশ নকৰিবা; বৰং ভিন ভিন প্ৰৱেশ দ্বাৰেৰে প্ৰৱেশ কৰিবা। কিন্তু আল্লাহৰ ইচ্ছাৰ প্ৰতিকূলে মই তোমালোকক সহায় কৰিব নোৱাৰো। সিদ্ধান্ত একমাত্ৰ তেওঁৰেই। তেওঁৰ ওপৰতেই মই ভৰসা কৰো। তেওঁৰ ওপৰতেই

সকলোৱে ভৱসা কৰা উচিত।' (৬৮) বাপেকে উপদেশ দিয়া অনুযায়ী সিহঁতে নগৰত প্ৰৱেশ কৰিলে; কিন্তু আল্লাহৰ ইচ্ছাৰ মোকাবিলাত তেওঁৰ দিহা কোনো কামত নাহিল। ইয়াৰ জৰিয়তে মাথোন ইয়াকুবৰ মনৰ ইচ্ছাহে পূৰণ হ'ল। আচলতে আমি দান কৰা জ্ঞানৰ বলত তেওঁ জ্ঞানৱান আছিল। কিন্তু সৰহভাগ মানুহে সেয়া নাজানে।

(৬৯) সিহঁতে যেতিয়া ইউছুফৰ ওচৰত উপস্থিত হ'লগৈ, ইউছুফে তেওঁৰ ভায়েকক (বিন ইয়ামিন) বেলেগে মাতি নি ক'লে- 'ময়েই তোমাৰ ককায়েৰ (ইউছুফ)। সেয়ে সিহঁতে যি কৰিছে, তাৰ বাবে তুমি দুখ নকৰিবা।' (৭০) যেতিয়া তেওঁ সিহঁতৰ খাদ্য-সামগ্ৰী বোজাই কৰালে, তেতিয়া তেওঁৰ পানী খোৱা পিয়লাটো তেওঁৰ ভায়েকৰ টোপোলাত সোমোৱাই দিয়ালে। ইয়াৰ পিছত এজন ঘোষকে ঘোষণা কৰিলে- 'হেৰা যাত্ৰীদল, তোমালোক চোৰ।' (৭১) সিহঁতে তেওঁলোকৰ পিনে ঘূৰি আহি ক'লে- 'আপোনালোকৰ কি হেৰাইছে?' (৭২) বিষয়াজনে ক'লে- 'আমাৰ ৰজাৰ পানী খোৱা পাত্ৰটো বিচাৰি পোৱা নাই। যিয়ে সেইটো আনি দিব, তাক এটা উটৰ বোজাই পৰিমাণ সামগ্ৰী দিয়া হ'ব। মই ইয়াৰ দায়িত্ব লৈছো।' (৭৩) সিহঁতে ক'লে- 'আল্লাহৰ শপত, আপোনালোকে জানে, আমি এই দেশত কোনো অশান্তি সৃষ্টি কৰিবলৈ অহা নাই আৰু আমি চোৰো নহয়।' (৭৪) মিছৰীয়সকলে সুধিলে- 'তোমালোকৰ কথা যদি মিছা বুলি প্ৰমাণিত হয়, তেনেহ'লে তোমালোকক কি শাস্তি দিব পাৰো?' (৭৫) সিহঁতে ক'লে- 'তাৰ শাস্তি হ'ল, যাৰ টোপোলাত সেই পাত্ৰটো পোৱা যাব, তাৰ অপৰাধৰ বাবে তাক আটক কৰি ৰাখি দিব। দুস্কৃতিকাৰীবিলাকক আমাৰ তাত এনেদৰেই শাস্তি দিয়া হয়।' (৭৬) তেওঁ (ইউছুফে) ভায়েকৰ টোপোলা চোৱাৰ আগেয়ে ককায়েকহঁতৰ টোপোলাত বিচাৰিবলৈ ধৰিলে। শেষত তেওঁৰ ভায়েকৰ টোপোলাটোৰ পৰা পিয়লাটো উলিয়াই আনিলে। আমি ইউছুফক সহায় কৰিবলৈ এনে কৌশল অৱলম্বন

কৰিছিলো। ৰাজধৰ্ম অনুযায়ী তেওঁ তেওঁৰ ভাতৃক আটক কৰিব নোৱাৰিলে হেঁতেন, যদি আল্লাহে ইচ্ছা নকৰিলেহেঁতেন। আমি যাক ইচ্ছা কৰো, উচ্চ মৰ্যাদা দান কৰো। সকলো জ্ঞানবানৰ উৰ্ধত আছে এজন মহাজ্ঞানী।

(৭৭) সিহঁতে ক'লে- 'ই যদি চুৰ কৰিছে, তেনেহ'লে ইতিপূৰ্বে ইয়াৰ ককায়েকেও চুৰ কৰিছিল।' ইউছুফে প্ৰকৃত কথাটো মনতে গোপনে ৰাখিলে আৰু সিহঁতৰ আগত প্ৰকাশ নকৰিলে। তেওঁ মাথোন নিজকে নিজে ক'লে- 'তোমালোকে অতি জঘন্য কাম কৰিছা। তোমালোকে যি কৈছা, ইয়াৰ প্ৰকৃত তত্ত্ব আল্লাহৱহে ভালকৈ জনা আছে।' (৭৮) সিহঁতে ক'লে- 'হে ক্ষমতাশালী মহান, ইয়াৰ বাপেক অতি বৃদ্ধ। তাৰ পৰিৱৰ্তে আমাৰ কোনো এজনক ৰাখি থওক। আমি দেখিবলৈ পাইছো, আপুনি এগৰাকী মহানুভৱ ব্যক্তি।' (৭৯) ইউছুফে ক'লে- 'আল্লাহে নকৰক, যাৰ ওচৰত মোৰ বস্তু পাইছো, তাৰ সলনি আন এজনক কেনেকৈ আটক কৰিব পাৰো। তেনে কৰিলে আমি অন্যায়কাৰী বুলি পৰিগণিত হ'ম।'

(৮০) যেতিয়া সিহঁত তেওঁৰ পৰা সম্পূৰ্ণ নিৰাশ হ'ল, সিহঁতে নিজৰ ভিতৰতে শলা-পৰামৰ্শ কৰিবলৈ ধৰিলে। সিহঁতৰ বৰ ককায়েকে ক'লে- 'তোমালোকে নাজানানে, তোমালোকৰ পিতৃয়ে তোমালোকক আল্লাহৱ নামত শপত খুৱাই প্ৰতিশ্ৰুতি লৈছিল? ইয়াৰ পূৰ্বে তোমালোকে ইউছুফৰ ক্ষেত্ৰতো অন্যায় কৰিছিলা। এতিয়া মই এই দেশ এৰি কেতিয়াও নাযাও, যেতিয়ালৈকে মোৰ আব্বাই মোক যাবলৈ অনুমতি নিদিয়ে নাইবা আল্লাহে মোৰ বাবে কোনো ব্যৱস্থা কৰি নিদিয়ে। কিয়নো তেৱেঁই সৰ্বশ্ৰেষ্ঠ ব্যৱস্থাপক। (৮১) তোমালোক তোমালোকৰ পিতৃৰ ওচৰলৈ ঘূৰি যোৱা' আৰু কোৱা- 'আব্বাজান, আপোনাৰ পুত্ৰই চুৰ কৰিছে। আমি যি জানিব পাৰিছো তাকেহে কৈছো। অদৃশ্যৰ বিষয়ে আমি কেনেকৈ ক'ব পাৰো? (৮২) আমি য'ত আছিলো তাৰ জনবসতিৰ মানুহবিলাককে সোধক আৰু সোধক যিসকলৰ আমি সহযাত্ৰী

আছিলো। আমি সত্য কথাই কৈছো।'

(৮৩) ইয়াকুবে ক'লে- 'নহয়, আচলতে তোমালোকে নিজৰ ভিতৰতে এনে এটা কাহিনী সজাই আনিছা। এতিয়া সহি থকাই শ্রেয়ঃ। আল্লাহে কৰিলে সিহঁত সকলোকে মোৰ ওচৰলৈ ঘূৰাই আনি দিব পাৰে। নিশ্চয় তেওঁ মহাজ্ঞানী, প্রজ্ঞাময়।' (৮৪) তেওঁ সিহঁতৰ পৰা আঁতৰি গৈ কান্দি ক'লে- 'হায় ইউছুফ!' শোকত তেওঁৰ চকু ঘোলা হৈ পৰিল আৰু শোকত বিহ্বল হৈ পৰিল। (৮৫) সিহঁতে ক'লে- 'আল্লাহৰ শপত, আপুনিছোন ইউছুফৰ কথা ভাবিবলৈ নেৰা হ'ল স্বাস্থ্য ভংগ নোহোৱালৈকে বা মৃত্যু নোহোৱালৈকে।' (৮৬) তেওঁ ক'লে- 'মই মাথোন আল্লাহৰ ওচৰতেই মোৰ অসহনীয় বেদনা আৰু অস্থিৰতাৰ কথা নিবেদন কৰিছো। আল্লাহৰ পৰা মই সেইবোৰ কথা জানিব পাৰিছো, যিবোৰ তোমালোকে নাজানা। (৮৭) হে মোৰ পুত্রসকল, যোৱা, ইউছুফ আৰু তাৰ ভায়েকৰ শুংসূত্র উলিওৱাগৈ। আল্লাহৰ কৰুণাৰ পৰা নিৰাশ নহ'বা। অবিশ্বাসকাৰীবিলাকেহে আল্লাহৰ কৰুণাৰ পৰা নিৰাশ হয়।'

(৮৮) তেওঁৰ ভায়েকহঁতে গৈ ইউছুফৰ ওচৰত উপস্থিত হ'ল। সিহঁতে নিবেদন কৰিলে- 'হে মহানুভৰ মান্যবৰ, আমি আৰু আমাৰ পৰিয়ালবর্গ মহা বিপদত পৰিছো আৰু সামান্য মূলধন লৈ আনিছো যদিও আমাক পূৰামাত্রাই খাদ্য-সামগ্রী দিয়ক। আমাৰ প্রতি দানশীল হওক। নিশ্চয় আল্লাহে দানশীলসকলক উত্তম প্রতিদান দিয়ে।' (৮৯) তেওঁ ক'লে- 'তোমালোকে ভালকৈয়ে জানা যে তোমালোকে নির্বোধ হৈ থাকোতে ইউছুফ আৰু তেওঁৰ ভায়েকৰ লগত কেনে আচৰণ কৰিছিলা?' (৯০) সিহঁতে কৈ উঠিল- 'আচলতে আপুনিয়েই ইউছুফ নেকি?' তেওঁ ক'লে- 'হয়, ময়েই ইউছুফ আৰু এইজন মোৰ ভাই। আল্লাহে আমাৰ প্রতি অনুগ্রহ কৰিছে। প্রকৃততে আল্লাহে তেওঁলোকৰ পুৰস্কাৰ অথলে যাবলৈ নিদিয়ে, যিয়ে সৎ কর্ম কৰে, সৎ পথত থাকে আৰু ধৈর্য ধাৰণ কৰে।'

(৯১) (ভায়েকহঁতে) ক'লে- 'আল্লাহৰ শপত, নিশ্চয় আল্লাহে আপোনাক আমাৰ ওপৰত প্ৰাধান্য দান কৰিছে। আমিয়ে অপৰাধ কৰিছিলো।' (৯২) তেওঁ ক'লে- 'আজি তোমালোকৰ ওপৰত কোনো অভিযোগ নাই। আল্লাহে তোমালোকক ক্ষমা কৰক। দয়াবানসকলৰ ভিতৰত তেৱেঁই সৰ্বশ্ৰেষ্ঠ দয়ালু। (৯৩) মোৰ এই চোলাটো লৈ যোৱা আৰু ইয়াক মোৰ আব্বাৰ মুখৰ ওপৰত থ'বা। তেওঁ দৃষ্টি শক্তি ঘূৰাই পাব আৰু তোমালোকৰ পৰিয়ালবৰ্গ সকলোকে মোৰ ওচৰলৈ লৈ আহাগৈ।'

(৯৪) যাত্ৰীদল যেতিয়া মিছৰৰ পৰা যাত্ৰা কৰিলে, তেতিয়া (কেনানত থকা) তেওঁলোকৰ বাপেকে ক'লে- 'তোমালোকে ভাবিব পাৰা মই বাৰ্দ্ধক্যৰ বাবে ভ্ৰম বকিছো; কিন্তু আচলতে মই ইউছুফৰ গোন্ধ পাইছো।' (৯৫) সিহঁতে ক'লে- 'আল্লাহৰ শপত, এতিয়াও আপুনি সেই পুৰণি ভ্ৰান্তিতে আছে।' (৯৬) যেতিয়া সেই সুসংবাদ লৈ অহা মানুহজন আহিল আৰু চোলাটো ইয়াকুবৰ মুখত থৈ দিলে লগে লগে তেওঁৰ দৃষ্টি শক্তি ঘূৰাই পালে আৰু তেওঁ ক'লে- 'মই তোমালোকক কোৱা নাছিলোনে যে মই আল্লাহৰ পৰা যি জানিব পাৰো, তোমালোকে সেয়া নাজানা?' (৯৭) সিহঁতে ক'লে- 'হে আমাৰ আব্বা, আমাৰ পাপ ক্ষমা কৰিবলৈ প্ৰাৰ্থনা কৰক। সঁচাকৈয়ে আমি অপৰাধ কৰিছিলো।' (৯৮) তেওঁ ক'লে- 'নিশ্চয় মই মোৰ প্ৰভুৰ ওচৰত তোমালোকৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিম। নিশ্চয় তেওঁ অতি ক্ষমাশীল, পৰম দয়ালু।'

(৯৯) যেতিয়া তেওঁলোক আটায়ে ইউছুফৰ ওচৰ পালেগৈ, ইউছুফে তেওঁৰ পিতৃ-মাতৃক নিজৰ ওচৰলৈ নি নিজৰ কাষতে বহুৱালে আৰু পৰিয়ালৰ আনবিলাকক ক'লে- 'মিছৰলৈ শুভ আগমণ। আল্লাহে ইচ্ছা কৰিলে ইয়াত সুখে-শান্তিৰে থাকিব পাৰিবা।'

(১০০) তেওঁ তেওঁৰ পিতৃ-মাতৃক নিজৰ ওচৰলৈ নি নিজৰ কাষতে সিংহাসনত বহুৱালে আৰু সকলোৱে স্বতঃস্ফূৰ্তভাৱে তেওঁক প্ৰণিপাত

(ছিজদাহ) কৰিলে। ইউছুফে ক'লে- 'হে মোৰ আব্বাজান, এয়াই মোৰ সপোনৰ ব্যাখ্যা। মোৰ প্ৰভুৱে ইয়াক বাস্তৱত ৰূপায়িত কৰিলে। তেওঁ মোৰ প্ৰতি অনুগ্ৰহ কৰিলে। তেওঁ মোক বন্দীশালৰ পৰা উলিয়াই আনিলে আৰু আপোনালোকক মৰুভূমিৰ পৰা ইয়ালৈ আনিলে আৰু ছয়তানে মোৰ আৰু মোৰ ভাতৃসকলৰ মাজত বৈৰিতা সৃষ্টি কৰিছিল। মোৰ প্ৰভুৱে অতি নিপুণভাৱে সম্পন্ন কৰে, তেওঁ যি ইচ্ছা কৰে। তেওঁ সৰ্বজ্ঞ, বিজ্ঞানময়।'

(১০১) ইউছুফে প্ৰাৰ্থনা কৰিলে- 'হে মোৰ প্ৰভু, তুমিয়েই মোক ৰাজত্ব দান কৰিলা আৰু সপোনৰ তাৎপৰ্যৰ ব্যাখ্যা শিকালা। হে আকাশমণ্ডল আৰু পৃথিৱীৰ স্ৰষ্টা, তুমিয়েই মোৰ ইহকাল আৰু পৰকালৰ পৃষ্ঠপোষক। তোমাৰ অনুগত অৱস্থাতে মোৰ মৃত্যু ঘটাবা আৰু সৎ কৰ্মশীল ব্যক্তিসকলৰ লগত মিলিত কৰাবা।'

(১০২) এইবোৰ তুমি নেদেখা ঘটনাৰ বাতৰি, ৱহীৰ জৰিয়তে আমি তোমাক জনাইছো। (হে নবী) তুমি সেই সময়ত উপস্থিত নাছিলা, যেতিয়া ইউছুফৰ ভায়েকহঁতে ঐক্যমতত উপনীত হৈ ষড়যন্ত্ৰ কৰিছিল। (১০৩) অধিকাংশ মানুহে বিশ্বাস স্থাপন কৰিবলৈ ইচ্ছুক নহয়, তুমি যিমানেই কামনা নকৰা কিয়। (১০৪) ইয়াৰ বাবে তুমি সিহঁতৰ পৰা কোনো প্ৰতিদান বিচৰা নাই। দৰাচলতে সকলো মানুহৰ বাবে এয়া এটি সদোপদেশ।

(১০৫) আকাশমণ্ডল আৰু পৃথিৱীত কিমান যে নিদৰ্শন আছে, যিবোৰৰ মাজেৰে সিহঁতে ঘূৰা-ফিৰা কৰে; কিন্তু সিহঁতে সেইবোৰ মনেই নকৰে। (১০৬) সিহঁতৰ সৰহভাগ মানুহে বিশ্বাস স্থাপন কৰিলেও তেওঁৰ লগত আনক অংশী কৰে। (১০৭) সিহঁতে নিজকে নিৰাপদ বুলি ভাবিছে নেকি যে, আল্লাহৰ পৰা কোনো সৰ্বগ্ৰাসী শাস্তি সিহঁতলৈ নাহে নাইবা সিহঁতৰ অজ্ঞাতসাৰে কিয়ামতৰ নিৰ্দিষ্ট মুহূৰ্তটো আচম্বিতে নাহে? (১০৮) কোৱা- 'এইটোৱেই মোৰ পথ। প্ৰত্যক্ষ জ্ঞানৰ ভিত্তিত মই তোমালোকক আল্লাহৰ

প্ৰতি বিশ্বাস স্থাপন কৰিবলৈ আহ্বান জনাও আৰু মোৰ অনুসাৰীসকলেও জনায়। আল্লাহ পৱিত্ৰ। অংশীবাদীবিলাকৰ লগত মোৰ কোনো সম্পৰ্ক নাই।'

(১০৯) তোমাৰ পূৰ্বে আমি যিসকল নবী-ৰছুল পঠিয়াইছিলো, তেওঁলোক সকলো মানৱ আছিল। তেওঁলোকক সেই জনবসতিৰ পৰাই বাছি লৈছিলো। সিহঁতে পৃথিৱীত ঘূৰি-পকি চোৱা নাইনে যে সিহঁতৰ পূৰ্ৱৱৰ্তীসকলৰ কি দশা হ'ল? যিসকলে খোদাভীৰুতাৰ নীতি অৱলম্বন কৰে, তেওঁলোকে পৰকালৰ জীৱনক প্ৰাধান্য দিয়ে। তথাপি তোমালোকে বুজি নোপোৱানে?' (১১০) শেষত যেতিয়া ৰছুলসকল নিৰাশ হ'ল আৰু মানুহবিলাকেও ভাবিবলৈ ল'লে সিহঁতক ভুৱা দিয়া হৈছে, তেতিয়া তেওঁলোকৰ প্ৰতি আমাৰ সাহায্য আহিল। মই যাক ইচ্ছা কৰো, তাক উদ্ধাৰ কৰোঁ; কিন্তু অপৰাধীবিলাকৰ পৰা আমাৰ শাস্তি ৰোধ কৰা নহয়।

(১১১) তেওঁলোকৰ কাহিনীবোৰত জ্ঞান-বুদ্ধি সম্পন্ন মানুহৰ বাবে বহু শিক্ষা নিহিত আছে। এয়া (কুৰআন) কোনো মনেগঢ়া কথা নহয়, সেয়া ইয়াৰ পূৰ্বে অহা পুথিসমূহৰ সত্যতাৰ ঘোষণা আৰু সকলো কথাৰ বিশদ বৰ্ণনা। বিশ্বাস স্থাপনকাৰীসকলৰ বাবে এয়া পথ নিৰ্দেশনা আৰু কৰুণা।

১৩. আৰ-ৰা'দ (বজ্ৰ নিনাদ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলিম-লাম-মীম-ৰা।

এয়া ঐশীপুথিৰ আয়াত। তোমাৰ প্ৰভুৰ পৰা তোমালৈ যি অৱতীৰ্ণ হৈছে, সেয়া ধ্ৰুৱ সত্য; তথাপি সৱহভাগ মানুহে বিশ্বাস নকৰে। (২) তেৱেঁই আল্লাহ, যিজনে আকাশমণ্ডলক দৃশ্যমান খুটা অবিহনে আলসতে তুলি ৰাখিছে। ইয়াৰ পিছত তেওঁ নিজ সিংহাসনত অধিষ্ঠিত হ'ল। তেৱেঁই জোন-বেলিক

এটা নিয়মৰ অধীন কৰি দিছে। প্ৰত্যেকেই এটা নিৰ্ধাৰিত সময়লৈকে আৱৰ্তন কৰি আছে। তেৱেঁই সকলোবোৰ নিয়ন্ত্ৰণ কৰে। তেৱেঁই নিদৰ্শনসমূহ বিশদভাৱে বৰ্ণনা কৰে যাতে তোমালোকে তোমালোকৰ প্ৰভুক সাক্ষাৎ কৰিব লাগিব বুলি তোমালোকৰ দৃঢ় বিশ্বাস হয়। (৩) সেইজনা তেৱেঁই, যিজনে ধৰাখন আহল-বহলকৈ পাৰি দিছে আৰু তাত পাহাৰ আৰু নদ-নদী স্থাপন কৰি দিছে। তেৱেঁই প্ৰত্যেক ফল-মূল যোৰা যোৰাকৈ সৃষ্টি কৰিছে। তেৱেঁই দিনটোক ৰাতিৰে ঢাকি দিয়ে। চিন্তাশীল মানুহৰ বাবে ইয়াত বহু নিদৰ্শন আছে।

(৪) পৃথিৱীত বিভিন্ন ভূখণ্ড আছে, সেইবোৰ পৰস্পৰ সংলগ্ন আৰু আছে আংগুৰৰ বাগান, শস্যক্ষেত্ৰ আৰু খেজুৰৰ গছ, তাৰে কিছুমান একাধিক শাখা আৰু কিছুমান এক শাখা বিশিষ্ট। এই ফলবোৰক একে পানীয়েই জীপাল কৰে; কিন্তু আমি তাৰে কিছুমানক আন কিছুমানতকৈ উৎকৃষ্ট স্বাদযুক্ত কৰিছো। জ্ঞান-বুদ্ধি সম্পন্ন মানুহৰ বাবে ইয়াত বহু নিদৰ্শন আছে।

(৫) যদি তুমি আশ্চৰ্যবোধ কৰিছা, তেনেহ'লে সিহঁতৰ উক্তিহে তাতোকৈ আশ্চৰ্যজনক যে- 'কি? আমি যেতিয়া মাটি হৈ যাম, আমাক আকৌ এবাৰ নতুনকৈ সৃষ্টি কৰা হ'ব?' এইবিলাকেই সিহঁত, যিবিলাকে নিজ প্ৰভুক অস্বীকাৰ কৰিছে। সিহঁতৰ ডিঙিত শিকলি লগোৱা হ'ব। সিহঁত জাহান্নামৰ অধিবাসী হ'ব আৰু সিহঁত তাত চিৰকাল থাকিব।

(৬) সিহঁতে মংগলৰ সলনি অমংগলহে লৰালৰিকৈ আনিবলৈ তোমাক কয়। অথচ সিহঁতৰ পূৰ্বে এনেৰূপ দৃষ্টান্তমূলক বহু শাস্তি সংঘটিত হৈছিল। তোমাৰ প্ৰভু মানুহৰ প্ৰতি অতি ক্ষমাপৰায়ণ, যদিও মানুহে অপকৰ্ম কৰে। এয়াও সত্য যে তোমাৰ প্ৰভু শাস্তি প্ৰদানতো অত্যন্ত কঠোৰ। (৭) বিশ্বাস স্থাপন কৰিবলৈ অস্বীকাৰ কৰা মানুহবিলাকে সোধে- 'তেওঁৰ প্ৰতি তেওঁৰ প্ৰভুৰ পৰা কোনো নিদৰ্শন পঠোৱা নহ'ল কিয়?' কিন্তু তুমিতো মাথোন এজন সতৰ্ককাৰীহে। প্ৰত্যেক জাতিৰ বাবে একোজনকৈ পথপ্ৰদৰ্শক আছে।

(৮) আল্লাহে জানে প্ৰতিজনী মহিলাই গৰ্ভত কি বহন কৰে। সিহঁতৰ গৰ্ভত ভ্ৰূণৰ হ্ৰাস-বৃদ্ধিৰ পৰিৱৰ্তনৰ ঘটনাও তেওঁ জানে। তেওঁৰ বিধানত প্ৰতিটো বস্তুৰ বাবে এটা নিৰ্দিষ্ট পৰিমাপ আছে। (৯) তেওঁ গোপন আৰু প্ৰকাশ্য সকলো জানে। তেওঁ মহামহিম, সৰ্বোচ্চ মৰ্যাদাবান। (১০) তোমালোকৰ মাজৰ কোনোৱে অনুস্বৰে কওক বা উচ্চস্বৰে কওক, ৰাতিৰ অন্ধকাৰত লুকাই থাকক বা দিনৰ পোহৰত ঘূৰা-ঘূৰি কৰক, তেওঁৰ কাৰণে সকলো একেই।

(১১) প্ৰতিজন মানুহৰ আগে-পিছে প্ৰহৰী আছে, যিসকলে আল্লাহৰ নিৰ্দেশ মৰ্মে তেওঁক চোৱা-চিতা কৰি থাকে। আল্লাহে কোনো জাতিৰ অৱস্থা পৰিৱৰ্তন কৰি নিদিয়ে, যেতিয়ালৈকে সিহঁতে সিহঁতৰ অন্তৰত থকা অৱস্থা পৰিৱৰ্তন নকৰে। আল্লাহে কোনো জাতিক শাস্তি দিয়াৰ সিদ্ধান্ত ল'লে, সেয়া কোনোৱে প্ৰতিৰোধ কৰিব নোৱাৰে। তেওঁৰ ব্যতীত সিহঁতৰ আন কোনো সহায়কাৰী নাই।

(১২) তেৱেঁই সেইজন, যিজনে তোমালোকক বিজুলীৰ চমক দেখুৱায় যাতে তোমালোকৰ মনত ভয়ৰ সঞ্চাৰ হয় আৰু আশাৰো উদ্ৰেক হয়। তেৱেঁই পানীৰে ভৰা মেঘ সঞ্চাৰ কৰে। (১৩) মেঘৰ গৰ্জনে প্ৰশংসাৰে সৈতে তেওঁৰেই পৱিত্ৰতা কীৰ্তন কৰে আৰু ফিৰিস্তাসকলেও তেওঁৰ ভয়ত (তেওঁৰেই পৱিত্ৰতা বৰ্ণনা কৰে) আৰু তেৱেঁই তেওঁৰ বজ্ৰপাত পেলায় আৰু ইয়াৰ দ্বাৰা যাকে ইচ্ছা তাক আঘাত কৰে। তথাপি সিহঁতে আল্লাহ সম্পৰ্কে বিতৰ্ক কৰে, যিজন অব্যৰ্থ প্ৰতাপশালী।

(১৪) প্ৰকৃত প্ৰাৰ্থনা কেৱল মাথোন আল্লাহৰ বাবেই। যিবিলাকে তেওঁৰ পৰিৱৰ্তে আনক মাতে, সিবোৰে সিহঁতৰ আহবানত কদাপিও সঁহাৰি জনাব নোৱাৰে। সিহঁতৰ দৃষ্টান্ত হ'ল সেইজন মানুহৰ দৰে, যিজনে পানীৰ বাবে হাত পাতি তাৰ মুখত পৰিবলৈ আহবান কৰি থাকে আৰু কেতিয়াও পানী আহি তাৰ মুখত পৰিব নোৱাৰে। অবিশ্বাসকাৰীবিলাকৰ প্ৰাৰ্থনাও নিষ্ফলেই হয়।

(১৫) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলোৱে কেৱল আল্লাহকেই ছিজদাহ (প্রণিপাত) কৰি থাকে স্ব-ইচ্ছাই হওক বা অনিচ্ছাই হওক আৰু সিবিলাকৰ ছাঁবোৰেই পুৱা-গধূলি তেওঁকেই ছিজদাহ কৰে। (১৬) কোৱা- 'আকাশমণ্ডল আৰু পৃথিৱীৰ প্রভু কোন?' কোৱা- 'আল্লাহ।' কোৱা- 'তেনেহ'লে কিয় তোমালোকে তেওঁক বাদ দি আনক পৃষ্ঠপোষক কৰি লৈছা, যিবোৰৰ নিজৰেই কোনো উপকাৰ বা অপকাৰ কৰাৰ ক্ষমতা নাই?' কোৱা- 'অন্ধ আৰু দৃষ্টিসম্পন্ন একে হ'ব পাৰেনে? অন্ধকাৰ আৰু পোহৰ একে হ'ব পাৰেনে? নাইবা সিহঁতে আল্লাহৰ লগত কৰা অংশীবোৰে আল্লাহে সৃষ্টি কৰাৰ দৰে কিবা সৃষ্টি কৰিছেনে যাৰ বাবে উভয়ৰ সৃষ্টি সিহঁতৰ মনত একে লাগিছে?' কোৱা- 'আল্লাহ সকলো বস্তুৰ স্রষ্টা। তেওঁ একক, মহা পৰাক্রমশালী।'

(১৭) তেৱেঁই আকাশৰ পৰা পানী বর্ষায় আৰু নদীগর্ভই নিজ আয়তন অনুসৰে সেই পানী উপচাই বোৱাই নিয়ে। প্লাৱনে ফেন-ফুটুকা উপঙাই বোৱাই নিয়ে। সেইদৰে গেদেৰি উপঙি উঠে, যেনেদৰে মানুহে অলংকাৰ আৰু সৰঞ্জাম তৈয়াৰ কৰিবলৈ ধাতু জুইত গলায়। এইদৰে আল্লাহে সত্য আৰু অসত্যৰ উপমা দাঙি ধৰিছে। ফেন-ফুটুকাবোৰ গুচি যায় আৰু মানুহৰ উপকাৰত অহাবোৰ পৃথিৱীত স্থিতি লয়। এইদৰে উপমা দি আল্লাহে নীতিগর্ভ কথাবোৰ কয়।

(১৮) তেওঁলোকৰ বাবে উত্তম প্রতিদান আছে, যিসকলে তেওঁলোকৰ প্রভুৰ আহবানত সঁহাৰি জনায়। আনহাতে যিবিলাকে সঁহাৰি নজনায়, সিহঁত যদি পৃথিৱীৰ সকলো সম্পদৰ অধিকাৰী হয় আৰু তাৰ লগতে সমপৰিমাণে আৰু থাকে, সেই সকলোবোৰ মুক্তিপণ হিচাবে (বিচাৰৰ দিনাখন) দিবলৈ প্রস্তুত হ'ব। সিহঁতৰ পৰা কঠোৰ হিচাব লোৱা হ'ব। সিহঁতৰ গন্তব্য স্থল হ'ব জাহান্নাম আৰু সেয়া অতি নিকৃষ্ট বাসস্থল।

(১৯) তোমাৰ প্ৰভুৰ পৰা তোমালৈ অৱতীৰ্ণ হোৱা পুথিখনক যিজনে সত্য বুলি জানে, তেওঁ সেইজনৰ সমান হ'ব পাৰেনে, যিজন (সত্যৰ প্ৰতি) অন্ধ? আচলতে তেওঁলোকেই উপদেশ গ্ৰহণ কৰে, যিসকল জ্ঞানবোধ সম্পন্ন। (২০) যিসকলে আল্লাহক দিয়া দৃঢ় প্ৰতিশ্ৰুতি পূৰ্ণ কৰে আৰু নিজ প্ৰতিশ্ৰুতি কেতিয়াও ভংগ নকৰে; (২১) আৰু যিসকলে সেয়া অক্ষুণ্ণ ৰাখে, যি সম্পৰ্ক অক্ষুণ্ণ ৰাখিবলৈ আল্লাহে আদেশ দিছে আৰু নিজ প্ৰভুক ভয় কৰে আৰু কঠোৰ হিচাব লোৱা হ'ব বুলি আশংকা কৰে; (২২) আৰু যিসকলে নিজৰ প্ৰভুৰ সন্তুষ্টি লাভৰ আশাত ধৈৰ্য ধাৰণ কৰে, নিয়মিত নামাজ সম্পাদন কৰে আৰু আমি দিয়া জীৱিকাৰ পৰা প্ৰকাশ্যে আৰু গোপনে ব্যয় কৰে আৰু ভালেৰে বেয়াক প্ৰতিৰোধ কৰে। তেওঁলোকৰ বাবেই পৰকালৰ আবাস; (২৩) তেওঁলোকে চিৰকলীয়া স্বৰ্গোদ্যানত প্ৰৱেশ কৰিব। তেওঁলোকৰ সৈতে প্ৰৱেশ কৰিব তেওঁলোকৰ সৎকৰ্ম কৰা পিতৃ-পিতামহ, স্ত্ৰী আৰু বংশধৰসকল। প্ৰতিখন দুৱাৰেৰে ফিৰিস্তাসকল তেওঁলোকৰ ওচৰলৈ আহি ক'ব- (২৪) 'তোমালোকৰ ওপৰত শান্তি বৰ্ষিত হওক।' কিমান যে উত্তম পৰকালৰ আবাসস্থল!

(২৫) যিবিলাকে আল্লাহৰ লগত দৃঢ় অংগীকাৰ কৰাৰ পিছত ভংগ কৰে, যিবোৰ সম্পৰ্ক অক্ষুণ্ণ ৰাখিবলৈ আল্লাহে আদেশ দিছে, সেইবোৰ ছিন্ন কৰে আৰু পৃথিৱীত বিপৰ্যয় সৃষ্টি কৰে, সিহঁতৰ কাৰণে আছে অভিশাপ আৰু আছে সিহঁতৰ বাবে নিকৃষ্ট আবাসস্থল। (২৬) আল্লাহে যাক ইচ্ছা কৰে, তাক জীৱিকাৰ প্ৰাচুৰ্য দান কৰে আৰু যাক ইচ্ছা কৰে, তাৰ জীৱিকা সংকুচিত কৰে। সিহঁত পাৰ্থিৱ জীৱনৰ আনন্দত মতলীয়া, অথচ এই পাৰ্থিৱ জীৱন পৰকালৰ তুলনাত সামান্য ভোগ-বিলাস মাথোন।

(২৭) অবিশ্বাসকাৰীবিলাকে কয়- 'এইজন ব্যক্তিৰ প্ৰতি তেওঁৰ প্ৰভুৰ পৰা কোনো নিদৰ্শন পঠোৱা নহ'ল কিয়?' কোৱা- 'আল্লাহে যাক ইচ্ছা কৰে, তাক পথভ্ৰষ্ট কৰে আৰু তেওঁ তাকহে পথ প্ৰদৰ্শন কৰে, যেয়ে তেওঁৰ

অভিমুখী হয়; (২৮) যিসকলে বিশ্বাস স্থাপন কৰে আৰু আল্লাহৰ স্মৰণত যিসকলৰ অন্তৰে পৰম শান্তি লাভ কৰে। নিশ্চয় আল্লাহৰ স্মৰণতহে অন্তৰে প্ৰশান্তি লাভ কৰে। (২৯) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, তেওঁলোকৰ বাবে আছে শুভ পৰিণাম।

(৩০) এইদৰে আমি তোমাক এটি মানৱ গোষ্ঠীলৈ পঠাইছো, যিসকলৰ পূৰ্বে বহু মানৱ গোষ্ঠী অতীত হৈ গ'ল যাতে তুমি সিহঁতক পাঠ কৰি শুনাব পাৰা আমি তোমাৰ প্ৰতি যি পুথি অৱতীৰ্ণ কৰিছো। তথাপি সিহঁতে কৰুণাময় আল্লাহক অস্বীকাৰ কৰি আছে। কোৱা- 'তেৱেঁই মোৰ প্ৰভু, তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। মই তেওঁৰ ওপৰতেই ভৰসা কৰিছো আৰু তেওঁৰ পিনেই মোৰ প্ৰত্যাগমন।'

(৩১) যদি এনে এখন কু�ৰআন অৱতীৰ্ণ হ'লহেঁতেন, যাৰ দ্বাৰা পৰ্বত চালিত হ'লহেঁতেন অথবা পৃথিৱীয়ে ফাঁট মেলিলেহেঁতেন নাইবা মৃতসকলে কথা ক'লেহেঁতেন (তথাপি সিহঁতে বিশ্বাস নকৰিলেহেঁতেন)। মুঠতে সকলো বিষয় আল্লাহৰ নিয়ন্ত্ৰণাধীন। বিশ্বাস স্থাপনকাৰীৰ প্ৰত্যয় হোৱা নাইনে যে আল্লাহে ইচ্ছা কৰিলে সমগ্ৰ মানৱ জাতিক সৎ পথত চালিত কৰিব পাৰে? অবিশ্বাসকাৰীবিলাকৰ ওপৰত কোনো নহয় কোনো দুৰ্যোগ আহিয়েই থাকে সিহঁতৰ অপকৰ্মৰ কাৰণে আৰু সিহঁতৰ বাসগৃহৰ কাষলৈকে। আল্লাহৰ অংগীকাৰ পূৰ্ণ নোহোৱালৈকে এই প্ৰক্ৰিয়া চলি থাকে। আল্লাহে তেওঁৰ প্ৰতিশ্ৰুতি কেতিয়াও ভংগ নকৰে। (৩২) তোমাৰ পূৰ্বেও বহু ৰছুলক উপহাস কৰা হৈছিল; কিন্তু আমি সিহঁতক অৱকাশ দিছিলো। যিবিলাকে অবিশ্বাস কৰিছিল শেষত সিহঁতক আটক কৰিলো। চোৱা, কেনে ভয়ানক আছিল আমাৰ শাস্তি।

(৩৩) তেৱেঁই প্ৰতিজন মানুহৰ কৰ্মৰ প্ৰতি দৃষ্টি ৰাখে (যিবিলাকে একো কৰাৰ ক্ষমতা নাৰাখে)? তথাপি সিহঁতে আল্লাহৰ লগত আনক অংশী

কৰে। কোৱা- 'সিহঁতৰ নাম কোৱা! নতুবা এই পৃথিৱীত থকা এনে বস্তুৰ সম্ভেদ দিব বিচাৰিছা নেকি, যি তেওঁ নাজানে? নাইবা এয়া কেৱল তোমালোকৰ মৌখিক ধ্যান-ধাৰণা নেকি? প্ৰকৃততে অবিশ্বাসকাৰীবিলাকৰ কূট-কৌশলক সিহঁতৰ বাবে আকৰ্ষক কৰি দিয়া হৈছে আৰু সৎ পথত যোৱাত সিহঁতক বাধা দিয়া হৈছে। তাৰ বাবে কোনো পথ প্ৰদৰ্শক নাই, যাক আল্লাহে পথভ্ৰষ্ট কৰে। (৩৪) এনে ধৰণৰ মানুহৰ বাবে পাৰ্থিৱ জীৱনত শাস্তি আছে আৰু পৰকালৰ শাস্তি তাতোকৈও কঠোৰ আৰু আল্লাহৰ পৰা সিহঁতক ৰক্ষা কৰোতা কোনো নাই।

(৩৫) খোদাভীৰু মানুহৰ বাবে জান্নাতৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। তাৰ মাজেৰে নিজৰা বৈ থাকে। তাৰ ফল স্থায়ী আৰু ছাঁও চিৰস্থায়ী। এয়া সৎপন্থীসকলৰ প্ৰতিদান আৰু সত্য অস্বীকাৰকাৰীবিলাকৰ প্ৰতিফল হ'ল নৰকৰ অগ্নি।

(৩৬) যিসকলক ইতিপূৰ্বে আমি পুথি দান কৰিছিলো, তেওঁলোকে তোমাৰ প্ৰতি অৱতীৰ্ণ হোৱা পুথি পাই সন্তোষ লভে। আনহাতে সিহঁতৰ মাজত এনে মানুহো আছে, যিবিলাকে ইয়াৰ কিছু অংশ অবিশ্বাস কৰে। সিহঁতক কোৱা- 'মোক আদেশ দিয়া হৈছে কেৱল আল্লাহৰ উপাসনা কৰিবলৈ আৰু তেওঁৰ লগত আনক অংশী কৰিবলৈ বাৰণ কৰা হৈছে। সেয়ে মই তেওঁৰ পিনেই আহবান কৰো আৰু তেওঁৰ পিনেই মোৰ প্ৰত্যাৱৰ্তন।' (৩৭) এনেদৰে আমি এই (স্পষ্ট) হুকুমনামা আৰবীত অৱতীৰ্ণ কৰিছো। তোমালৈ জ্ঞান অহাৰ পিছতো যদি তুমি সিহঁতৰ কামনা-বাসনা অনুযায়ী চলা, তেনেহ'লে আল্লাহৰ মোকাবিলাত তোমাৰ কোনো সহায়ক আৰু ৰক্ষক নাই। (৩৮) তোমাৰ পূৰ্বেও আমি বহু ৰছুল পঠিয়াইছিলো আৰু তেওঁলোকক স্ত্ৰী-পৰিবাৰ, সন্তান-সন্ততি দান কৰিছিলো। কোনো ৰছুলৰ বাবে সম্ভৱ নাছিল, আল্লাহৰ অনুমতি বিনে কোনো নিদৰ্শন আনি দেখুওৱাৰ। প্ৰত্যেক কালৰ বাবে একোখনকৈ

পুথি আছে। (৩৯) আল্লাহে যিহকে ইচ্ছা কৰে বিলুপ্ত কৰে আৰু যিহকে ইচ্ছা কৰে প্ৰতিষ্ঠিত কৰি ৰাখে। মূল গ্ৰন্থ তেওঁৰেই ওচৰত সুৰক্ষিত।

(৪০) হয়তো আমি তাৰে কিছু অংশ তোমাক দেখুৱাম, সিহঁতক যি প্ৰতিশ্ৰুতি দিছিলো নতুবা (তাৰ আগেয়ে) যদি তোমাক মৃত্যু দিও, তেনেহ'লেও তোমাৰ কৰ্তব্য হ'ল কেৱল সতৰ্ক কৰি দিয়া। হিচাব-নিকাচ লোৱা আমাৰ কাম। (৪১) সিহঁতে দেখা নাইনে আমি কেনেদৰে (সিহঁতৰ) ভূমিলৈ আহিছো আৰু ইয়াৰ পৰিধি সিহঁতৰ বাবে সংকুচিত কৰি আনি আছো? আল্লাহে নিৰ্ণয় কৰে, তেওঁৰ নিৰ্ণয়ক কোনোৱে পুনৰ বিবেচনা কৰিব নোৱাৰে। হিচাব গ্ৰহণত তেওঁ অতি ক্ষিপ্ৰ। (৪২) সিহঁতৰ পূৰ্বে যিবিলাক মানুহ আছিল, সিহঁতেও কূট কৌশল কৰিছিল; কিন্তু চূড়ান্ত কৌশল আল্লাহৰ অধিকাৰতহে। কোনে কি কৰি আছে, সকলো তেওঁ জানে। অবিশ্বাসকাৰীবিলাকে অনতি পলমে জানিবলৈ পাব কাৰ বাবে পৰকালৰ আবাস।

(৪৩) যিবিলাকে অবিশ্বাস কৰে, সিহঁতে কয়- 'তুমি আল্লাহৰ প্ৰেৰিত দূত নহয়।' কোৱা- 'আল্লাহৰ সাক্ষ্যই যথেষ্ট মোৰ আৰু তোমালোকৰ মাজত আৰু যিসকলৰ ঐশীপুথিৰ জ্ঞান আছে।'

১৪. ইব্ৰাহীম (আব্ৰাহাম)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলিম-লাম-ৰা।

এইখন এখন পুথি, যিখন আমি তোমাৰ প্ৰতি অৱতীৰ্ণ কৰিছো যাতে তুমি সিহঁতৰ প্ৰভুৰ নিৰ্দেশ মৰ্মে মানুহক ঘোৰ অন্ধকাৰৰ পৰা পোহৰলৈ আনিব পাৰা প্ৰবল পৰাক্ৰমী, স্বয়ং প্ৰশংসিত আল্লাহৰ পথত- (২) সেইজন আল্লাহৰ পিনে, যিজন আকাশমণ্ডল আৰু পথিৱীত থকা সকলো বস্তুৰেই

গৰাকী। দুৰ্ভোগ সিহঁতৰ বাবে, যিবিলাকে অবিশ্বাস কৰে, সিহঁতৰ বাবে কঠোৰ শাস্তি আছে। (৩) দুৰ্ভোগ সিহঁতৰ বাবে যিবিলাকে পৰকালৰ তুলনাত পার্থিৰ জীৱনক ভাল পায়, মানুহক আল্লাহৰ পথৰ পৰা বিপথে নিয়ে আৰু এই পথক বক্র কৰিব পাৰে। সিহঁত পথভ্রষ্ট হৈ বহুদূৰ আঁতৰি গ'ল।

(৪) আমি প্রতিজন ৰছুলক তেওঁৰ জাতিৰ মানুহৰ ভাষাত পঠিয়াইছো যাতে তেওঁ সিহঁতক কথাবোৰ ভালদৰে ফহিয়াই বুজাই দিব পাৰে। কিন্তু আল্লাহে যাক ইচ্ছা কৰে, তাক বিপথে পৰিচালিত কৰে আৰু যাক ইচ্ছা কৰে, তাক সৎ পথত পৰিচালিত কৰে। তেওঁ প্রবল পৰাক্রমী, প্রজ্ঞাময়।

(৫) আমি মূছাক আমাৰ নিদর্শনসহ পঠিয়াই কৈছিলো- 'তুমি তোমাৰ জাতিৰ মানুহবিলাকক অন্ধকাৰৰ পৰা পোহৰলৈ আনা আৰু সিহঁতক আল্লাহৰ দিনবোৰ স্মৰণ কৰাই দিয়া। নিশ্চয় ইয়াত গুৰুত্বপূর্ণ নিদর্শন আছে, প্রতিজন ধৈর্যশীল আৰু পৰম কৃতজ্ঞ ব্যক্তিৰ বাবে।'

(৬) মূছাই তেওঁৰ জাতিৰ মানুহবিলাকক ক'লে- 'আল্লাহে তোমালোকৰ প্রতি কৰা অনুগ্রহৰ কথা স্মৰণ কৰা, যেতিয়া তেওঁ তোমালোকক ফিৰাউন সম্প্রদায়ৰ পৰা ৰক্ষা কৰিছিল, যিবিলাকে তোমালোকক নিদাৰুণ কষ্ট দিছিল, তোমালোকৰ পুত্র সন্তানবিলাকক হত্যা কৰিছিল আৰু কন্যা সন্তানবিলাকক জী থাকিবলৈ দিছিল। আচলতে সেইবোৰ আছিল তোমালোকৰ প্রভুৰ ফালৰ পৰা কঠিন পৰীক্ষা।' (৭) স্মৰণ কৰা, তোমালোকৰ প্রভুৱে ঘোষণা কৰিছিল- 'যদি তোমালোক কৃতজ্ঞ হোৱা, তেনেহ'লে মই তোমালোকক আৰু বেছি দান কৰিম; কিন্তু যদি তোমালোক অকৃতজ্ঞ হোৱা, তেনেহ'লে জানি থোৱা, নিশ্চয় মোৰ শাস্তি অতি কঠোৰ।' (৮) মূছাই ক'লে- 'তোমালোকে যদি অবিশ্বাস কৰা আৰু পৃথিৱীত থকা সকলোৱে যদি অবিশ্বাস কৰে, তেনেহ'লে আল্লাহ স্বয়ং সম্পূর্ণ, স্বয়ং প্রশংসিত।'

(৯) সিহঁতৰ বাতৰি তোমাৰ ওচৰলৈ আহি পোৱা নাইনে, যিবিলাক

তোমালোকৰ পূর্বে অতীত হৈছে- নূহ, আদ, চামূদ আৰু সিহঁতৰ পৰৱর্তী জাতিবোৰ? কেৱল আল্লাহেই ভালদৰে জানে, সিহঁত কোন আছিল? সিহঁতৰ ৰছুলসকলে সিহঁতলৈ প্রত্যক্ষ প্রমাণ লৈ আহিছিল, তেতিয়া সিহঁতে নিজৰ মুখত হাত দি কৈছিল- 'আমি সেয়া নামানো, যি বার্তাৰে তোমালোকক পঠোৱা হৈছে। আমি অতিকৈ সন্ধিহান হৈছো, যি বিষয়লৈ তোমালোকে আমাক আহবান কৰিছা।'

(১০) সিহঁতৰ ৰছুলসকলে ক'লে- 'আকাশমণ্ডল আৰু পৃথিৱীৰ উদ্ভাৱক আল্লাহৰ সম্বন্ধে কিবা সন্দেহ আছেনেকি? তেওঁ তোমালোকক আহবান কৰিছে তোমালোকৰ অপৰাধ ক্ষমা কৰিবলৈ আৰু এটি নির্দিষ্ট সময়লৈ অৱকাশ দিবলৈ।' সিহঁতে উত্তৰ দিলে- 'তোমালোক আমাৰ নিচিনা মানুহহে। তোমালোকে আমাক সেইসকলৰ উপাসনাৰ পৰা বিৰত ৰাখিব খুজিছা, যিসকলক আমাৰ পিতৃ-পিতামহসকলে সর্বদা উপাসনা কৰিছিল, তেনেহ'লে আমাৰ বাবে কোনো স্পষ্ট চনদ লৈ আনা।

(১১) সিহঁতৰ ৰছুলসকলে ক'লে- 'নিশ্চয় আমি তোমালোকৰ দৰেই মানুহ; কিন্তু আল্লাহে তেওঁৰ সেৱকসকলৰ যাক ইচ্ছা কৰে, তাক অনুগ্রহ দান কৰে। অলৌকিক ঘটনা দেখুৱাৰ অধিকাৰ আমাৰ নাই আল্লাহৰ অনুমতি ব্যতিৰেকে। বিশ্বাস স্থাপনকাৰীসকলে আল্লাহৰ ওপৰতেই ভৰসা কৰা উচিত। (১২) আমি আল্লাহৰ ওপৰত কিয় ভৰসা নকৰিম, যিহেতু তেৱেঁই আমাক সৎপথ দেখুৱাইছে? নিশ্চয় আমি ধৈর্যসহকাৰে সহি থাকিম, তোমালোকে আমাক যিমানেই যাতনা নিদিয়া কিয়। ভৰসাকাৰীসকলে আল্লাহৰ ওপৰতেই ভৰসা কৰা উচিত।'

(১৩) যিবিলাকে অবিশ্বাস কৰিছিল, সিহঁতে তেওঁলোকৰ ৰছুলসকলক ক'লে- 'আমি তোমালোকক আমাৰ দেশৰ পৰা দেশান্তৰ কৰিম, যদি তোমালোকে আমাৰ ধর্মমতলৈ ঘূৰি নাহা।' তেতিয়া তেওঁলোকৰ প্রভুৱে

তেওঁলোকলৈ ঐশীবাণী পঠালে- 'নিশ্চয় আমি অন্যায়কাৰীবিলাকক ধ্বংস কৰিম; (১৪) আৰু সিহঁতৰ পিছত তোমালোকক দেশত সিহঁতৰ উত্তৰাধিকাৰ কৰিম। এয়া তেওঁলোকৰ বাবে, যিসকলে মোৰ সন্মুখীন হ'বলৈ ভয় কৰে আৰু মোৰ সতৰ্কবাণীক ভয় কৰে।'

(১৫) যেতিয়া সিহঁতে আমাৰ চূড়ান্ত মীমাংসা বিচাৰিছিল, সকলো দাম্ভিক স্বেচ্চাচাৰী ব্যৰ্থ হ'ল। (১৬) ইয়াৰ উপৰিও তাৰ বাবে আছে জাহান্নাম আৰু পান কৰিবলৈ পাব গেলা পূজৰ দৰে পানীয়; (১৭) সেয়া সি ঢোকে ঢোকে গিলিবলৈ চেষ্টা কৰিব; কিন্তু সহজে গিলিব নোৱাৰিব। কেউফালৰ পৰা মৃত্যুৱে তাক আৱৰি ধৰিব, কিন্তু তাৰ মৃত্যু নহ'ব আৰু তাৰ সন্মুখত আছে আৰু কঠোৰ শাস্তি।

(১৮) যিবিলাকে সিহঁতৰ প্ৰভুক অস্বীকাৰ কৰে, সিহঁতৰ কৰ্মৰ উপমা হ'ল সেইবোৰ ভস্মৰ দৰে, যিবোৰ ধুমুহাৰ দিনা প্ৰবল বায়ুৱে উৰুৱাই নিয়ে। সিহঁতে যি কৰ্ম কৰিলে, তাৰ কোনো ফল নাপায়। এয়া পথভ্ৰষ্টতাৰ চূড়ান্ত সীমা। (১৯) তুমি দেখা নাইনে আল্লাহে আকাশমণ্ডল আৰু পৃথিৱী এটি নিৰ্দিষ্ট উদ্দেশ্যেৰে সৃষ্টি কৰিছে? তেওঁ ইচ্ছা কৰিলে তোমালোকক অপসাৰণ কৰি নতুন সৃষ্টিৰ উদ্ভাৱন কৰিব। (২০) এনে কৰা আল্লাহৰ বাবে একো টান নহয়।

(২১) সিহঁত সকলোৱে আল্লাহৰ ওচৰত উপস্থিত হ'ব আৰু দুৰ্বল শ্ৰেণীৰ মানুহবিলাকে বৰ বৰ বোলোৱা মানুহবিলাকক ক'ব- 'আমি আপোনালোকৰ অনুগত আছিলো, এতিয়া আমাক আল্লাহৰ শাস্তিৰ পৰা বচাবলৈ কিবা এটা কৰিব পাৰিব নেকি?' সিহঁতে উত্তৰ দিব- 'আল্লাহে যদি আমাক পথ দেখুৱালেহেঁতেন, নিশ্চয় আমিয়ো তোমালোকক পথ দেখুৱালোহেঁতেন। এতিয়া যদি আমি অধৈর্যই হও বা ধৈর্য ধাৰণেই কৰো, আমাৰ বাবে একে কথা। এতিয়া আমাৰ কোনো নিস্তাৰ নাই।'

(২২) যেতিয়া চূড়ান্ত মীমাংসা হৈ যাব, তেতিয়া ছয়তানে সিহঁতক

ক'ব- 'আল্লাহে তোমালোকক সত্য প্ৰতিশ্ৰুতি দিছিল আৰু মই তোমালোকক যি প্ৰতিশ্ৰুতি দিছিলো, মই তাৰ এটাও পূৰণ কৰা নাই। তোমালোকৰ ওপৰত মোৰ কোনো ক্ষমতা নাছিল; কিন্তু মই কেৱল তোমালোকক মাতিলো আৰু তোমালোকে মোৰ আহ্বানত সঁহাৰি জনালা। এতিয়া মোক দোষ নিদিবা। তোমালোকে নিজকে দোষ দিয়া। মই তোমালোকক সহায় কৰিব নোৱাৰো নতুবা তোমালোকেও মোক সহায় কৰিব নোৱাৰা। মই সেয়া মানি নলও তোমালোকে যে মোক আল্লাহৰ লগত অংশী কৰিছিলা।' অন্যায়কাৰীবিলাকৰ বাবে যন্ত্ৰণাদায়ক শাস্তি আছে।

(২৩) আনহাতে যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকাৰ্য কৰিছে, তেওঁলোকক এনে জান্নাতত প্ৰৱেশ কৰোৱা হ'ব, যাৰ মাজেৰে নিজৰা প্ৰবাহিত হৈ থাকে। তেওঁলোকৰ প্ৰভুৰ অনুমতি ক্ৰমে তাত তেওঁলোক চিৰকাল থাকিব আৰু তাত তেওঁলোকৰ অভিবাদন হ'ব 'ছালাম' (শান্তি)।

(২৪) তুমি দেখা নাইনে, কেনেদৰে আল্লাহে পৱিত্ৰ বাক্যক এজোপা উৎকৃষ্ট গছৰ লগত তুলনা কৰিছে? ইয়াৰ শিপা সুদৃঢ় আৰু ঠাল-ঠেঙুলি আকাশ চুইছেগৈ, (২৫) ই তাৰ প্ৰভুৰ নিৰ্দেশত প্ৰত্যেক বতৰত ফল দি থাকে। আল্লাহে মানুহৰ বাবে এই উপমা এই বাবে দিছে যাতে সিহঁতে ইয়াৰ পৰা শিক্ষা গ্ৰহণ কৰে। (২৬) আনহাতে অপৱিত্ৰ বাক্যৰ তুলনা হ'ল এজোপা নিম্ন জাতৰ গছ, যাক মাটিৰ পৰা উভালি পেলোৱা হয়। ইয়াৰ কোনো দৃঢ় স্থিতি নাই।

(২৭) বিশ্বাস স্থাপনকাৰীসকলক আল্লাহে তেওঁৰ দৃঢ় কথাৰ দ্বাৰা ইহকাল আৰু পৰকালৰ দৃঢ়তা প্ৰদান কৰিছে। অন্যায়কাৰীবিলাকক আল্লাহে বিপথগামী কৰে। আল্লাহৰ যি ইচ্ছা, তেওঁ তাকে কৰে।

(২৮) তুমি সিহঁতক দেখা নাইনে, যিবিলাকে আল্লাহৰ অনুগ্ৰহ লাভৰ পৱিৱৰ্তে অকৃতজ্ঞা প্ৰকাশ কৰে আৰু সিহঁতৰ আন মানুহকো ধ্বংসৰ আবাসত

নিপতিত কৰে? (২৯) জাহান্নামত সিহঁত ভষ্ম হ'ব আৰু সেয়া যে কিমান জঘন্য অৱস্থান! (৩০) সিহঁতে কিছুমানক আল্লাহৰ সমকক্ষ হিচাবে ধার্য কৰি লৈছে যাতে মানুহক আল্লাহৰ পথৰ পৰা বিভ্রান্ত কৰিব পাৰে। কোৱা- 'কিছুদিন ভোগ কৰি লোৱা। শেষত জাহান্নামলৈকে তোমালোকৰ গতি।'

(৩১) মোৰ প্রকৃত সেৱকসকলক কোৱা, যিবিলাকে মোৰ ওপৰত বিশ্বাস স্থাপন কৰিছে, তেওঁলোকক নামাজ প্রতিষ্ঠা কৰিবলৈ আৰু আমি তেওঁলোকক যি দিছো তাৰ পৰা প্রকাশ্য আৰু গোপনে খৰচ কৰিবলৈ সেইদিনটো অহাৰ পূর্বে যিদিনা ক্রয়-বিক্রয় নহ'ব আৰু বন্ধুত্বও কোনো কামত নাহিব।

(৩২) তেৱেঁইতো আল্লাহ, যিজনে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে। তেৱেঁই আকাশৰ পৰা পানী বর্ষণ কৰিছে তোমালোকৰ জীৱিকাৰ বাবে। তেৱেঁই জাহাজবোৰক তোমালোকৰ বাবে নিয়ন্ত্রণ কৰিছে যাতে সেইবোৰে তেওঁৰ আদেশতেই সমুদ্রত চলাচল কৰে আৰু তেওঁ নদীবোৰকো তোমালোকৰ বাবে নিয়ন্ত্রণ কৰিছে। (৩৩) তেৱেঁই সূর্য আৰু চন্দ্রক তোমালোকৰ বাবে নিয়ন্ত্রণ কৰিছে আৰু সিহঁতে অবিৰাম ভাৱে গতি কৰি আছে। ৰাতি আৰু দিনকো তেৱেঁই তোমালোকৰ বাবে নিয়ন্ত্রণ কৰিছে। (৩৪) তোমালোকে তেওঁৰ ওচৰত যিহকে বিচাৰিছা তাকে তেওঁ তোমালোকক দিছে। তোমালোকে যদি আল্লাহৰ অনুগ্রহসমূহ গণনা কৰিব খোজা, গণি শেষ কৰিব নোৱাৰিবা। প্রকৃততে মানুহ অতি অবিচাৰী, বৰ অকৃতজ্ঞ।

(৩৫) স্মৰণ কৰা, যেতিয়া ইব্রাহীমে কৈছিল- 'হে মোৰ প্রভু, এই নগৰখনক (মক্কাক) শান্তিপূর্ণ নগৰ কৰি দিয়া। মোক আৰু মোৰ সন্তানসকলক মূর্তিপূজাৰ পৰা বচাই ৰাখা। (৩৬) হে মোৰ প্রভু, এই প্রতিমাবোৰে বহু মানুহক পথভ্রষ্ট কৰিছে, যেয়ে মোক অনুসৰণ কৰিব, তেওঁ মোৰ। যদি কোনোৱে মোৰ অবাধ্য হয়, নিশ্চয় তুমি ক্ষমাশীল, পৰম দয়ালু।

(৩৭) হে মোৰ প্রভু, মই মোৰ কিছুমান বংশধৰক তোমাৰ এই পৱিত্র

গৃহৰ (কাবাৰ) ওচৰত গছ-লতাবিহীন এডোখৰ অনুর্বৰ ঠাইত বসবাস কৰালো। হে প্রভু, সিহঁতে যাতে নামাজ প্রতিষ্ঠা কৰে। সেয়ে মানুহবিলাকৰ অন্তৰ সিহঁতৰ প্রতি আকৃষ্ট কৰি দিয়া আৰু জীৱন নির্বাহৰ বাবে ফলমূল দান কৰা। সম্ভৱতঃ সিহঁত কৃতজ্ঞ হ'ব।

(৩৮) হে মোৰ প্রভু, আমি যি গোপন কৰো আৰু প্রকাশ কৰো, সেয়া সকলো তুমি জানা। আকাশ আৰু পৃথিৱীত যি আছে, সেয়া আল্লাহৰ পৰা গোপন হৈ থাকিব নোৱাৰে। (৩৯) সকলো প্রশংসা আল্লাহৰ, যিজনে মোক এই বৃদ্ধ বয়সতো ইছমাইল আৰু ইছহাক দান কৰিছে। নিশ্চয় মোৰ প্রভুৱে প্রার্থনা শুনে। (৪০) হে প্রভু, মোক নামাজ প্রতিষ্ঠা কৰিবলৈ সামর্থ দিয়া আৰু মোৰ বংশধৰসকলকো সামর্থ দিয়া। হে মোৰ প্রভু, মোৰ প্রার্থনা কবুল কৰা। (৪১) হে প্রভু, ক্ষমা কৰা মোক, মোৰ পিতৃ-মাতৃক আৰু সকলো বিশ্বাস স্থাপনকাৰীকো যিদিনা হিচাব লোৱা হ'ব।'

(৪২) কেতিয়াও নাভাবিবা যে অন্যায়কাৰীবিলাকে যি কৰি আছে, সেই বিষয়ে আল্লাহ আওকণীয়া হৈ আছে। তেওঁ সিহঁতক মাথোন সেই দিনটোলৈকেহে অৱকাশ দিছে, যিদিনা আতংকত সিহঁতৰ চকুবোৰ থৰ লাগিব। (৪৩) সিহঁতে মূৰ দাঙি পলাবহে পলাব। সিহঁতৰ দৃষ্টি সিহঁতৰ ফালে ঘূৰি নাহিব আৰু সিহঁতৰ অন্তৰবোৰ খালি হৈ পৰিব।

(৪৪) সেইদিনটো সম্পর্কে মানুহক ভয় দেখুওৱা, যিদিনা সিহঁতলৈ শাস্তি আহিব, তেতিয়া অন্যায়কাৰীবিলাকে ক'ব- 'হে আমাৰ প্রভু, আমাক কিছু সময় অৱকাশ দিয়া। আমি তোমাৰ আহবানত সঁহাৰি জনাম আৰু ৰছুলসকলক অনুসৰণ কৰিম।' (আল্লাহে উত্তৰ দিব)- 'তোমালোক সেই বিলাক মানুহ নহয়নে, যিবিলাকে শপত খাই কৈছিলা তোমালোকৰ কেতিয়াও বিনাশ নহয় বুলি?' (৪৫) তোমালোকে সেই জাতিবোৰৰ বসতি স্থলতেই বসবাস কৰিছিলা, যিবিলাকে নিজেই নিজৰ অন্যায় কৰিছিল আৰু সেয়া

তোমালোকৰ স্পষ্ট জনা আছিল, সিহঁতক আমি কেনে আচৰণ কৰিলো আৰু আমি নানা উপমা দি তোমালোকক বুজাইছিলো। (৪৬) সিহঁতে সকলো কৌশল প্ৰয়োগ কৰি চালে, কিন্তু সিহঁতৰ সকলো কৌশল আল্লাহৰ জনা আছিল। সিহঁতৰ কৌশলবোৰ এনে ভয়ানক আছিল যে পৰ্বতকো টলাব পাৰে।

(৪৭) আল্লাহে তেওঁৰ ৰছুলসকলক দিয়া প্ৰতিশ্ৰুতি ভংগ কৰে বুলি কেতিয়াও নাভাবিবা। নিশ্চয় তেওঁ মহা পৰাক্ৰমী আৰু প্ৰতিশোধ লোৱাৰ ক্ষমতা তেওঁৰ আছে। (৪৮) সেইদিনাখন যেতিয়া পৃথিৱীখনক অন্য পৃথিৱীলৈ সলনি কৰি দিয়া হ'ব আৰু আকাশখনকো সলনি কৰি দিয়া হ'ব আৰু সকলোৱে মহা পৰাক্ৰমী একক অদ্বিতীয় আল্লাহৰ ওচৰত উপস্থিত হ'ব। (৪৯) সেইদিনা তুমি পাপিষ্ঠবিলাকক শিকলীৰে বান্ধি থোৱা দেখিবা। (৫০) সিহঁতৰ পোছাক হ'ব আলকাতাৰাৰ আৰু জুইৰে সিহঁতৰ মুখমণ্ডল আছন্ন কৰি ৰাখিব। (৫১) এইদৰে আল্লাহে প্ৰতিজন ব্যক্তিক তাৰ কৰ্মৰ প্ৰতিফল দিব। নিশ্চয় হিচাব গ্ৰহণত আল্লাহ অতি ক্ষিপ্ৰ।

(৫২) এয়া মানৱ জাতিৰ বাবে সংবাদ যাতে ইয়াৰ দ্বাৰা সিহঁতক সতৰ্ক কৰি দিয়া হয় আৰু যাতে জানিব পাৰে আল্লাহেই একমাত্ৰ উপাস্য আৰু যাতে জ্ঞান-বুদ্ধি সম্পন্ন মানুহে ইয়াৰ পৰা জ্ঞান লাভ কৰিব পাৰে।

১৫. আল-হিজৰ (শিলাময় প্ৰান্তৰ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলিম-লাম-ৰা।

এইসমূহ সুস্পষ্ট ঐশীপুথি কুৰআনৰ আয়াত। (২) নিশ্চয় এনে এটা সময় আহিব, যেতিয়া অবিশ্বাসকাৰীবিলাকে কামনা কৰিব যে সিহঁতেও

যদি আল্লাহৰ ওচৰত আত্মসমৰ্পণ কৰিলেহেঁতেন! (৩) সেয়ে সিহঁতক খোৱা-বোৱা, ভোগ-বিলাসত আৰু মিছা আশা-আকাঙ্খাত ভোল গৈ থাকিবলৈ দিয়া। অনতিপলমে সিহঁতে অনুধাৱন কৰিব (প্ৰকৃত সত্যটো)। (৪) কোনো জাতিকে আমি এটি নিৰ্দিষ্ট কাল নিৰ্ধাৰণ কৰি নিদিয়ালৈকে ধ্বংস কৰা নাই। (৫) কোনো মানুহে তাৰ শাস্তি প্ৰদানৰ সময় আগুৱাই আনিব নোৱাৰে আৰু পিছুৱাইও নিব নোৱাৰে।

(৬) সিহঁতে কয়- 'হেৰা মানুহজন, যাৰ প্ৰতি এই উপদেশ বাণী (কুৰআন) অৱতীৰ্ণ হৈছে, নিশ্চয় তুমি উন্মাদ। (৭) তুমি আমাৰ ওচৰলৈ ফিৰিস্তা লৈ অহা নাই কিয় যদি তুমি সত্যবাদী হোৱা?' (৮) অৱশ্যে আমি ফিৰিস্তাসকলক কেৱল ন্যায় সহকাৰে পঠাও আৰু তেতিয়া সিহঁতক অৱকাশ দিয়া নহয়।

(৯) আমিয়েই অৱতীৰ্ণ কৰিছো এই স্মাৰক (কুৰআন)খনি আৰু নিশ্চয় আমিয়েই ইয়াক সংৰক্ষণ কৰিম।

(১০) তোমাৰ পূৰ্বে আমি অতীতৰ জাতিবোৰলৈ ৰছুল প্ৰেৰণ কৰিছিলো; (১১) কিন্তু সিহঁতৰ ওচৰলৈ এনে কোনো ৰছুল অহা নাছিল, যিজনাক সিহঁতে উপহাস কৰা নাছিল। (১২) এইদৰে আমি ইয়াক (উপহাস কৰা অভ্যাসক) পাপীবিলাকৰ অন্তৰত সুমুৱাই দিওঁ। (১৩) সিহঁতে ইয়াৰ প্ৰতি বিশ্বাস স্থাপন নকৰে, কিয়নো পূৰ্বৰে পৰা সিহঁতে এই নীতিতেই চলি আহিছে। (১৪) আমি যদি সিহঁতৰ বাবে আকাশৰ দুৱাৰ খুলি দিও আৰু যদি সিহঁতে সেইপিনেদি উঠি গৈ থাকে, (১৫) তথাপিও সিহঁতে ক'ব- 'আমাৰ চকুত জলক-তবক লাগিছে, বৰং আমাক যাদু কৰা হৈছে।'

(১৬) আমি আকাশত অনেক নক্ষত্ৰপুঞ্জ স্থাপন কৰিছো আৰু সেইবোৰক দৰ্শকসকলৰ কাৰণে সুশোভিত কৰিছো; (১৭) আৰু এইবোৰক আমি প্ৰত্যেক অভিশপ্ত ছয়তানৰ পৰা সুৰক্ষিত কৰি ৰাখিছো। (১৮) যদি

কোনোৱে লুকাই চুৱকৈ শুনিব খোজে, এটি উজ্বল অগ্নিশিখাই তাক পিছে পিছে খেদি যায়।

(১৯) আমি পৃথিৱীখন বহলাই পাৰি দিছো আৰু তাত পর্বতমালা স্থাপন কৰিছো আৰু তাত সকলো বস্তু পৰিমিতভাৱে উৎপন্ন কৰিছো। (২০) আমি তাত জীৱিকাৰ ব্যৱস্থা কৰি দিছো তোমালোকৰ বাবে আৰু সিবোৰৰ বাবেও যিবোৰ জীৱ-জন্তুৰ জীৱিকাদাতা তোমালোক নহয়।

(২১) এনে কোনো বস্তু নাই যাৰ ভাণ্ডাৰ আমাৰ ওচৰত নাই; কিন্তু আমি প্রতিটো বস্তু নির্দিষ্ট পৰিমাণেহে সৰবৰাহ কৰি থাকো। (২২) আমিয়ে উর্বৰতা সঞ্চাৰক বায়ু পঠাও। পিছত আকাশৰ পৰা পানী বৰষাও তোমালোকে খাবৰ বাবে আৰু এয়া তোমালোকে একত্রে সঞ্চয় কৰিব নোৱাৰা।

(২৩) প্রকৃততে আমিয়েই জীৱন দান কৰো আৰু মৃত্যু ঘটাও আৰু আমি সকলোৰেই অধিকাৰী। (২৪) আমিয়েই জানো তোমালোকৰ পূর্বে অতীত হোৱা সকলক আৰু তোমালোকৰ পিছত আহিব লগীয়া সকলক। (২৫) এইজন তোমালোকৰেই প্রভু, যিজনে সিহঁত সকলোকে সমবেত কৰিব। তেওঁ প্রজ্ঞাময়, মহাজ্ঞানী।

(২৬) আমি মানুহক পঁচা বোকা (সাচ দিয়া) শুকান মাটিৰ পৰা সৃষ্টি কৰিছো; (২৭) আৰু তাৰ আগতে জ্বিনক জলন্ত অগ্নিশিখাৰ পৰা সৃষ্টি কৰিছো।

(২৮) তোমাৰ প্রভুৱে ফিৰিস্তাসকলক কৈছিল- 'মই পঁচা বোকাৰে সাঁচ দিয়া শুকান মাটিৰ পৰা এজন মানুহ সৃষ্টি কৰিবলৈ লৈছো। (২৯) মই যেতিয়া তাক সম্পূর্ণ কৰি তৈয়াৰ কৰিম আৰু তাত মোৰ আত্মাৰ পৰা ফুঁ দিম, তেতিয়া তোমালোকে তাৰ সন্মুখত সাস্তাংগে প্রণিপাত (ছিজদাহ) কৰিবা। (৩০) সেয়ে সকলো ফিৰিস্তাই ছিজদা কৰিলে, (৩১) কিন্তু ইবলিছে নকৰিলে। সি ছিজদাহকাৰীসকলৰ অন্তর্ভুক্ত হ'বলৈ অস্বীকাৰ কৰিলে। (৩২) আল্লাহে তাক সুধিলে- 'তোমাৰ কি হ'ল ? তুমি ছিজদাহকাৰীসকলৰ লগত কিয় ছিজদাহ

নকৰিলা ?' (৩৩) সি উত্তৰ দিলে- 'মই এনে মানুহক ছিজদাহ কৰাত নাই যাক তুমি পঁচা বোকাৰে সাঁচ দিয়া শুকান মাটিৰ দ্বাৰা সৃষ্টি কৰিছা।'

(৩৪) আল্লাহে ক'লে- 'তেনেহ'লে তই ইয়াৰ পৰা ওলাই যা, কিয়নো তই অভিশপ্ত হলি, (৩৫) আৰু কিয়ামতলৈকে তোৰ ওপৰত অভিশাপ হৈ থাকিব।' (৩৬) ছয়তানে ক'লে- 'হে মোৰ প্ৰভু, পুনৰুত্থানৰ দিনলৈকে তুমি মোক অৱকাশ দিয়া।' (৩৭) আল্লাহে ক'লে- 'তোক অৱকাশ দিয়া হ'ল (৩৮) সেই নিৰ্দিষ্ট সময়ৰ দিনটোলৈকে।'

(৩৯) সি ক'লে- 'হে মোৰ প্ৰভু, যিহেতু তমি মোক বিপথে যাবলৈ দিলা, ময়ো পৃথিৱীত ভুল পথবোৰ মনোমোহা কৰি দেখুৱাম আৰু সিহঁত সকলোকে বিপথগামী কৰিম- (৪০) তোমাৰ মনোনীত দাসসকলৰ ব্যতীত।'

(৪১) আল্লাহে ক'লে- 'এয়াই মোৰ ওচৰলৈ আহি পোৱাৰ সহজ-সৰল পথ। (৪২) নিশ্চয় মোৰ প্ৰকৃত বান্দাসকলৰ ওপৰত তোৰ আধিপত্য নচলিব, যিবিলাক বিভ্ৰান্ত আৰু তোক অনুসৰণ কৰা মানুহবিলাকৰ ব্যতীত। (৪৩) নিশ্চয় জাহান্নামেই হ'ল সিহঁতৰ বাবে প্ৰতিশ্ৰুত স্থান, (৪৪) আৰু ইয়াৰ সাতখন দুৱাৰ আছে আৰু প্ৰতিখন দুৱাৰৰ বাবে সিহঁতৰ একো একোটা দলক নিৰ্দিষ্ট কৰি দিয়া হৈছে।

(৪৫) আনহাতে পুণ্যবানসকল বাগিচা আৰু নিজৰাৰ মাজত থাকিব, (৪৬) 'শান্তি আৰু নিৰাপদে ইয়াত প্ৰৱেশ কৰা'- (৪৭) আমি তেওঁলোকৰ অন্তৰত থকা বিদ্বেষ দূৰ কৰিম আৰু তেওঁলোকে পৰস্পৰে ভাতৃত্ববোধেৰে সমুখা-সমুখি আসনত বহিব। (৪৮) তাত তেওঁলোকক কোনো দুখ-ভাগৰে স্পৰ্শ নকৰিব আৰু তাৰ পৰা তেওঁলোকক বহিস্কৃত কৰা নহ'ব। (৪৯) জনাই দিয়া মোৰ দাসসকলক যে, কেৱল ময়েই অতি ক্ষমাশীল আৰু পৰম দয়ালু। (৫০) আনহাতে মোৰ শাস্তিও অতি যন্ত্ৰণাদায়ক।

(৫১) সিহঁতক ইব্ৰাহীমৰ অতিথিসকলৰ বৃত্তান্ত শুনোৱা, (৫২) যেতিয়া

তেওঁলোক তেওঁৰ ওচৰলৈ আহিল, তেওঁক 'ছালাম' বুলি সম্ভাষণ জনালে। তেওঁ ক'লে- 'আপোনালোকক দেখি মোৰ ভয়ৰ সঞ্চাৰ হৈছে।' (৫৩) তেওঁলোকে ক'লে- 'ভয় নকৰিব। আমি এটা শুভ সংবাদ লৈ আপোনাৰ ওচৰলৈ আহিছোঁ। আপোনাৰ এটি পুত্ৰ সন্তান হ'ব, যিজন মহা জ্ঞানেৰে সমৃদ্ধ হ'ব।' (৫৪) তেওঁ ক'লে- 'বার্দ্ধক্যই স্পর্শ কৰা সত্ত্বেও আপোনালোকে মোক সন্তান লাভৰ সুসংবাদ দিছে? আপোনালোকে এইটোনো কি সুসংবাদ দিছে?'

(৫৫) তেওঁলোকে ক'লে- 'সঁচাকৈয়ে আমি আপোনাক সত্য সংবাদ দিছোঁ। আপুনি নিৰাশ নহ'ব।' (৫৬) তেওঁ ক'লে- 'পথভ্ৰষ্ট মানুহৰ বাহিৰে তেওঁলোকৰ প্ৰভুৰ কৰুণাৰ পৰা আন কোননো নিৰাশ হ'ব পাৰে?'

(৫৭) তেওঁ সুধিলে- 'হে দূতসকল, কি কথা লৈনো আপোনালোক আহিছে?' (৫৮) তেওঁলোকে ক'লে- 'আমি এটা অপৰাধী জাতিৰ প্ৰতি প্ৰেৰিত হৈছোঁ, (৫৯) লূতৰ পৰিয়ালবৰ্গ ব্যতীত। তেওঁলোক সকলোকে আমি ৰক্ষা কৰিম, (৬০) তেওঁৰ পত্নীৰ ব্যতীত। তেওঁ পিছত ৰৈ যোৱা মানুহবিলাকৰ অন্তর্ভুক্ত বুলি আমি তেওঁৰ ভাগ্যত লিখি থৈছোঁ (আৰু ক্ষতিগ্ৰস্ত হ'ব)।'

(৬১) যেতিয়া প্ৰেৰিত দূতসকল লূত আৰু তেওঁৰ পৰিয়ালৰ ওচৰলৈ আহিল, (৬২) তেওঁ ক'লে- 'আপোনালোক অপৰিচিত ব্যক্তি যেন লাগিছে।' (৬৩) তেওঁলোকে ক'লে- 'নহয়, আমি সেই কথা লৈ আপোনাৰ ওচৰলৈ আহিছোঁ যাৰ সম্পর্কে সিহঁতে বিতর্ক কৰে, (৬৪) আমি সত্য সংবাদ লৈ আপোনাৰ ওচৰলৈ আহিছোঁ আৰু আমি সঁচাকৈয়ে কৈছোঁ। (৬৫) সেয়ে আপুনি আপোনাৰ পৰিয়ালৰ লোকসকলক লৈ ৰাতি নৌপুৰাওতেই ওলাই যাব আৰু আপুনি সিহঁতৰ পিছে পিছে গৈ থাকিব। আপোনালোকৰ কোনোৱে যেন পিছলৈ ঘূৰি নাচায়। য'লৈ যাবলৈ আপোনালোকক আদেশ দিয়া হৈছে, তালৈকে যাব।' (৬৬) আমি তেওঁক আমাৰ এই সিদ্ধান্ত জনাই দিলো যে ঊষাৰ লগে লগে সিহঁতক নির্মূল কৰা হ'ব।

(৬৭) নগৰৰ মানুহবিলাকে আনন্দত উল্লাসিত হৈ আহিল- (৬৮) আৰু তেওঁ সিহঁতক ক'লে- 'এওঁলোক মোৰ অতিথি। তোমালোকে মোক অপমান নকৰিবা। (৬৯) আল্লাহক ভয় কৰা আৰু মোক লাঞ্ছিত নকৰিবা।' (৭০) সিহঁতে ক'লে- 'আমি তোমাক মানা কৰা নাছিলোনে যে দুনিয়াৰ যেই-সেই মানুহক আশ্রয় নিদিবলৈ?' (৭১) তেওঁ ক'লে- 'এইবোৰ মোৰ ছোৱালী, যদি তোমালোকে কিবা কৰিব খুজিছা?'

(৭২) তোমাৰ জীৱনৰ শপত, এতিয়া সিহঁত সুৰাসক্তৰ দৰে মতলীয়া হৈ পৰিছে। (৭৩) শেষত উষাৰ লগে লগে প্রচণ্ড ভয়ংকৰ ধ্বনি এটাই সিহঁতক আক্রান্ত কৰিলে; (৭৪) আৰু আমি সেই জনবসতিৰ ওপৰৰ দিশটো তল কৰি দিলো আৰু পকা মাটিৰ পাথৰ বৰ্ষণ কৰিলো। (৭৫) নিশ্চয় ইয়াত বহু নিদর্শন আছে শিক্ষা গ্রহণ কৰিব লগীয়া লোকসকলৰ বাবে- (৭৬) এই অঞ্চলটো সার্বজনীন ঘাই পথতে আছে- (৭৭) নিশ্চয় তাত জ্ঞান অর্জনৰ আহিলা আছে বিশ্বাস স্থাপনকাৰীসকলৰ বাবে।

(৭৮) আয়কাৰ অধিবাসীকেও সীমা লংঘন কৰিছিল। (৭৯) সেয়ে আমি সিহঁতৰ ওপৰতো পোতক তুলিলো। এই দুই পৰিত্যক্ত নগৰ ঘাই পথতে আছে, মানুহে দেখা পায়। (৮০) হিজৰবাসীয়েও আমাৰ বছুলক প্রত্যাখ্যান কৰিছিল। (৮১) আমি সিহঁতক আমাৰ নিদর্শন প্রকাশ কৰিছিলো; কিন্তু সিহঁতে তাৰ পৰা মুখ ঘূৰালে। (৮২) সিহঁতে পাহাৰ কাটি গৃহ নিমার্ণ কৰিছিল আৰু সিহঁতে নিৰাপদে বসবাস কৰিব বুলি ভাবিছিল। (৮৩) শেষত এদিন দোকমোকালিতে এটি ভয়ংকৰ শব্দই সিহঁতক আক্রান্ত কৰিলে, (৮৪) আৰু সিহঁতে যিবোৰ উপার্জন কৰিছিল, সেইবোৰ সিহঁতৰ কোনো কামত নাহিল।

(৮৫) আমি আকাশমণ্ডল আৰু পৃথিৱী আৰু তাৰ মাজত থকা সকলো বস্তুকে সত্যতাৰ ভিত্তিত তত্ত্বপূর্ণভাৱে সৃষ্টি কৰিছো। সেই চূড়ান্ত মীমাংসাৰ সময় অৱশ্যই আহিব। সেয়ে উদাৰ চিত্তে ক্ষমাৰ প্রৱণতাৰে সিহঁতক

(অপকর্মবোৰ) আওকাণ কৰা। (৮৬) নিশ্চয় তোমাৰ প্ৰভু সুবিজ্ঞ, মহা স্ৰষ্টা।

(৮৭) আমি তোমাক পুনঃ পুনঃ আবৃত্তি যোগ্য সাতোটা আয়াত দিছো আৰু দিছো মহাগ্ৰন্থ কুৰআন। (৮৮) তুমি সেই পার্থিৱ ভোগ-সম্ভোগৰ সামগ্ৰীৰ প্ৰতি চকু নিদিবা, আমি সিহঁতৰ কিছুমানক যি দিছো। সিহঁতক দিয়া বাবে দুখো নকৰিবা। বিশ্বাস স্থাপনকাৰীসকলৰ প্ৰতিহে তুমি সদয়ৰ হাত আগবঢ়াবা। (৮৯) আৰু কোৱা- 'মই স্পষ্ট সতর্ককাৰীহে মাথোন।' (৯০) এনে ধৰণৰেই আমি বিভাজনকাৰীবিলাকলৈও পঠাইছিলো, (৯১) যিবিলাকে নিজ গ্ৰন্থক ভাগ ভাগ কৰিছিল। (৯২) তোমাৰ প্ৰভুৰ শপত, আমি সিহঁত সকলোকে অৱশ্যই সুধিম- (৯৩) সিহঁতৰ কাজ-কর্ম সম্পর্কে।

(৯৪) তোমাক যি নির্দেশ দিয়া হৈছে, সেয়া তুমি প্ৰকাশ্যে ঘোষণা কৰা আৰু অংশীবাদীবিলাকক ভ্ৰক্ষেপ নকৰিবা। (৯৫) বিদ্ৰূপকাৰীবিলাকৰ বিৰুদ্ধে তোমাৰ বাবে আমিয়েই যথেষ্ট। (৯৬) যিবিলাকে আল্লাহৰ লগত আনক অংশী কৰে, অনতিপলমে সিহঁতে গম পাব, (৯৭) আমি অৱশ্যই জানো, সিহঁতে যিবোৰ কয় তাৰ বাবে তোমাৰ মন কোচ খাই যায়। (৯৮) তোমাৰ প্ৰভুৰ প্ৰশংসা কৰি গুণানুকীর্তন কৰা আৰু ছিজদাহকাৰী (সাস্তাংগে প্ৰণিপাত) কৰা সকলৰ দলভুক্ত হোৱা, (৯৯) আৰু শেষ মুহূর্তলৈকে তোমাৰ প্ৰভুৰ উপাসনা কৰি থাকা, সেই নির্দিষ্ট মুহূর্তৰ (মৃত্যু) আগমন সুনিশ্চিত।

১৬. আন-নাহল (মৌ-মাখি)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আল্লাহৰ চূড়ান্ত ফয়চলা আহি পালেহি। সেয়ে তাৰ বাবে খৰখেদা নকৰিবা। তেওঁ চিৰ পৱিত্ৰ আৰু সিহঁতে তেওঁৰ লগত যি অংশী কৰিছে, তেওঁ তাৰ বহু উর্ধত। (২) তেওঁ ফিৰিস্তাসকলক পঠিয়ায়, নিজ নির্দেশ অৱতীর্ণ

কৰি তেওঁৰ দাসসকলৰ যাকে ইচ্ছা কৰে তেওঁৰ প্ৰতি এই বুলি ক'বলৈ- 'মানুহক সতৰ্ক কৰি দিয়া, আন কোনো উপাস্য নাই মোৰ ব্যতীত, সেয়ে মোক ভয় কৰা।' (৩) তেৱেঁই আকাশমণ্ডল আৰু পৃথিৱী উদ্দেশ্যপূৰ্বক সৃষ্টি কৰিছে। সিহঁতে তেওঁৰ লগত যি অংশী স্থাপন কৰিছে, তেওঁ তাৰ বহু উৰ্ধত।

(৪) তেৱেঁই মানুহক এটোপা বীৰ্যৰ দ্বাৰা সৃষ্টি কৰিছে, তথাপি সেই মানুহে পিছত গৈ প্ৰকাশ্য বিতণ্ডকাৰী হৈ পৰে। (৫) তেৱেঁই তোমালোকৰ বাবে চতুস্পদ জন্তু সৃষ্টি কৰিছে, সেইবোৰৰ পৰা তোমালোকে খাদ্য আহৰণ কৰা, শীত নিবাৰণৰো উপকৰণ আৰু আছে নানা ধৰণৰ উপকাৰ। (৬) সেইবোৰ দেখিলে কেনে আনন্দ উপভোগ কৰা, যেতিয়া গধূলি তোমালোকে সেইবোৰ ঘৰলৈ চপাই আনা আৰু ৰাতিপুৱা সেইবোৰ চৰাবলৈ খেদি নিয়া। (৭) সেইবোৰে তোমালোকৰ গধুৰ বোজাবোৰ বহন কৰি এনে ঠাইলৈ বৈ নিয়ে, য'লৈ তোমালোকে অতি কষ্ট কৰিহে গৈ পাব পাৰা। নিশ্চয় তোমালোকৰ প্ৰভু স্নেহশীল, দয়াময়। (৮) তেৱেঁই ঘোঁৰা, খচ্চৰ আৰু গাধ সৃষ্টি কৰিছে যাতে তোমালোকে সিহঁতৰ পিঠিত আৰোহণ কৰিব পাৰা আৰু যাতে তোমালোকৰ জীৱন শোভা হয়। তেওঁ আন বহু বস্তু সৃষ্টি কৰিছে যিবোৰ তোমালোকৰ জ্ঞানৰ বহির্ভূত।

(৯) সৰল পথে আল্লাহৰ পিনে লৈ যায় আৰু আন পথো আছে, যিবোৰে সঠিক পথৰ পৰা ভ্ৰষ্ট কৰে। তেওঁ ইচ্ছা কৰাহেঁতেন, সকলোকে সৎ পথত পৰিচালিত কৰিলেহেঁতেন।

(১০) এইজনা তেৱেঁই, যিজনাই আকাশৰ পৰা পানী বৰষায়। তাৰ পৰাই তোমালোকে পান কৰা আৰু তাৰ দ্বাৰাই উদ্ভিদ জন্মায়, য'ত তোমালোকে পশুবোৰ চৰোৱা। (১১) ইয়াৰ (এই পানীৰ) সহায়ত তেওঁ জন্মায় শস্য আৰু জলফাই, খেজুৰ, আঙ্গুৰ আৰু নানা তৰহৰ ফলো সৃষ্টি কৰে। নিশ্চয় ইয়াত চিন্তা-চৰ্চা কৰা ব্যক্তিসকলৰ বাবে বহু নিদৰ্শন আছে।

(১২) তেৱেঁই দিন-ৰাতি আৰু চন্দ্ৰ-সূর্যক তোমালোকৰ বাবে নিয়োজিত কৰিছে। তৰাবোৰো তেওঁৰ আদেশতেই কার্যৰত হৈ আছে। জ্ঞান চর্চ্চা কৰা ব্যক্তিসকলৰ বাবে এইবোৰত বহু নিদর্শন আছে। (১৩) পৃথিৱীত তেওঁ তোমালোকৰ বাবে যিবোৰ ৰং-বিৰঙৰ বস্তু সৃষ্টি কৰিছে, সেইবোৰত শিক্ষা গ্রহণৰ বাবে ইচ্ছুক ব্যক্তিৰ কাৰণে বহু নিদর্শন আছে।

(১৪) এইজনা তেৱেঁই, যিজনাই সমুদ্রক তোমালোকৰ অধীন কৰি দিছে যাতে তোমালোকে তাৰ পৰা সতেজ সাগৰীয় খাদ্য খাব পাৰা আৰু পিন্ধিবলৈ অলংকাৰপাতি আহৰণ কৰিব পাৰা। তোমালোকে দেখিছা যে জলযানবোৰে সমুদ্রৰ বুকু ভেদি চলাচল কৰে। এইবোৰ এইবাবে যাতে তোমালোকে আল্লাহৰ অনুগ্রহ সন্ধান কৰিব পাৰা আৰু যেন তেওঁৰ কৃতজ্ঞতা প্রকাশ কৰা।

(১৫) তেৱেঁই সুদৃঢ় পর্বতবোৰ পৃথিৱীত স্থাপিত কৰিছে যাতে পৃথিৱীয়ে তোমালোকক লৈ টলংভটং কৰিব নোৱাৰে। তেৱেঁই নদ-নদী আৰু প্রাকৃতিক পথসমূহো সৃষ্টি কৰিছে যাতে তোমালোকে পথৰ সন্ধান পোৱা। (১৬) তেওঁ আৰু বহু পথ নির্ণায়ক চিহ্ন স্থাপন কৰিছে। এইবোৰ আৰু তৰাবোৰৰ সহায়েৰে মানুহে পথৰ সন্ধান পায়।

(১৭) যিজনে সৃষ্টি কৰিছে তেওঁ তাৰ তুল্য হ'ব পাৰেনে, যিয়ে সৃষ্টি কৰিব নোৱাৰে? তথাপি তোমালোকে চিন্তা-চর্চা নকৰানে? (১৮) যদি তোমালোকে আল্লাহৰ অনুগ্রহবোৰ গণনা কৰিব খোজা, গণি শেষ কৰিব নোৱাৰা। প্রকৃততে আল্লাহ অতি ক্ষমাশীল, পৰম দয়ালু। (১৯) আল্লাহে সেয়া সকলো জানে তোমালোকে যি গোপন কৰা আৰু যি প্রকাশ কৰা।

(২০) আল্লাহৰ বাহিৰে যিবিলাকক আহবান কৰা, সিবিলাকে একোৰেই সৃষ্টি কৰিব নোৱাৰে; বৰং সিহঁতকহে সৃষ্টি কৰা হৈছে। (২১) সেইবোৰ নিষ্প্রাণ, নির্জীৱ, সেয়ে সিহঁতে নাজানে কেতিয়া সিহঁতক পুনৰুত্থিত কৰা হ'ব।

(২২) তোমালোকৰ আল্লাহ মাথোন এজন আল্লাহ। সেয়ে যিবিলাকে পৰকালক বিশ্বাস নকৰে, সিহঁতে প্ৰকৃত সত্যক মানিবলৈ অস্বীকাৰ কৰে আৰু সিহঁত দাম্ভিক আঁকোৱগোজ। (২৩) নিশ্চিত ৰূপে আল্লাহে জানে সিহঁতে যি গোপন কৰে আৰু যি প্ৰকাশ কৰে। আল্লাহে দাম্ভিক মানুহবিলাকক মুঠেই ভাল নাপায়।

(২৪) যেতিয়া সিহঁতক সোধা হয়- 'তোমালোকৰ প্ৰভুৱে কি অৱতীৰ্ণ কৰিছে' বুলি, তেতিয়া সিহঁতে কয়- 'প্ৰাচীন কালৰ উপাখ্যান।' (২৫) সিহঁতে পুনৰুত্থানৰ দিনা নিজৰ (পাপৰ) বোজা বহন কৰিব আৰু কিছুমানৰ বোজা বহন কৰিব যিবিলাকক অজ্ঞতাবশতঃ সিহঁতে পথভ্ৰষ্ট কৰিছিল। চোৱা, সিহঁতে কেনে বেয়া গুৰুভাৰ বহন কৰিবলৈ লৈছে!

(২৬) সিহঁতৰ পূৰ্বে অহা মানুহবিলাকেও এনে ধৰণৰ চক্ৰান্ত কৰিছিল; কিন্তু আল্লাহে সিহঁতৰ চক্ৰান্তৰ প্ৰাসাদ ভেটিৰে সৈতে উচন কৰিলে আৰু ওপৰৰ পৰা সিহঁতৰ ওপৰতে চালখন খহি পৰিল। এনে ঠাইৰ পৰা সিহঁতলৈ শাস্তি আহিল, সিহঁতে সেয়া কল্পনাও কৰা নাছিল। (২৭) কিয়ামতৰ দিনা আল্লাহে সিহঁতক অপদস্ত কৰিব আৰু ক'ব- 'ক'ত মোৰ সেই অংশীবোৰ, যিবোৰৰ বাবে তোমালোকে (মোৰ সৎপথৰ) বিৰোধিতা কৰিছিলা?' যিবিলাকক জ্ঞান দান কৰা হৈছিল, সিহঁতে ক'ব- 'আজিৰ দিনটোত সত্য অস্বীকাৰকাৰীবিলাকৰ বাবে লাঞ্ছনা আৰু দুৰ্গতি অনিবাৰ্য।'

(২৮) ফিৰিস্তাই যিবিলাকৰ প্ৰাণ হৰণ কৰিব যেতিয়া সিহঁতে নিজে নিজৰ প্ৰতি অন্যায় কৰি থকা অৱস্থাতেই, তেতিয়া সিহঁতে আত্মসমৰ্পণ কৰি কয়- 'আমিতো কোনো অপৰাধ কৰা নাছিলো।' 'নিশ্চয়', ফিৰিস্তাসকলে উত্তৰ দিব- 'তোমালোকে কি কৰিছিলা, সেয়া আল্লাহৰ সম্পূৰ্ণ জনা আছে। (২৯) এতিয়া যোৱা, নৰকৰ দ্বাৰেদি প্ৰৱেশ কৰা। তাত তোমালোক চিৰকাল থাকিব লাগিব।' অতি নিকৃষ্ট এই দাম্ভিকবিলাকৰ আবাসস্থল।

(৩০) যেতিয়া পুণ্যবানসকলক সোধা হ'ব- 'তোমালোকৰ প্ৰভুৱে কি অৱতীৰ্ণ কৰিছিল?' তেওঁলোকে উত্তৰ দিব- 'অতি উৎকৃষ্ট।' সৎকৰ্মকাৰী সকলৰ বাবে এই পৃথিৱীতে কল্যাণ আছে আৰু পৰকালৰ আবাস ইয়াতকৈও উৎকৃষ্ট। পুণ্যবানসকলৰ আবাসস্থল যে কিমান উত্তম! (৩১) তেওঁলোক চিৰস্থায়ী উদ্যানত প্ৰৱেশ কৰিব। তাত তেওঁলোকৰ পাদতলেৰে নিজৰা প্ৰবাহিত হৈ থাকিব। তাত তেওঁলোকে যিহকে ইচ্ছা কৰিব, তাকে পাব। পুণ্যবানসকলক এইদৰে আল্লাহে প্ৰতিদান দিব। (৩২) পৱিত্ৰ অৱস্থাত থকা সময়ত ফিৰিস্তাই যিসকলৰ প্ৰাণ হৰণ কৰিব, (তেওঁলোকে) ক'ব- 'তোমালোকৰ ওপৰত শান্তি হওক। জান্নাতত প্ৰৱেশ কৰা, কাৰণ (পৃথিৱীত) তোমালোকে যি (পুণ্যৰ কাম) কৰিছিলা তাৰে প্ৰতিদান।

(৩৩) সেই মানুহবিলাকে ইয়াৰে অপেক্ষাত আছে নেকি যে- হয় সিহঁতৰ ওচৰলৈ ফিৰিস্তা আহক নাইবা তোমাৰ প্ৰভুৰ আদেশ সমাগত হওক? সিহঁতৰ পূৰ্বৱৰ্তীবিলাকেও এনে ধৰণেই কৰিছিল। আল্লাহে সিহঁতৰ প্ৰতি অন্যায় কৰা নাছিল; বৰং সিহঁতে নিজেই নিজৰ অন্যায় কৰিছিল। (৩৪) সিহঁতৰ অপকৰ্মৰ কুফল সিহঁতৰ ওপৰতেই আপতিত হ'ল আৰু সিহঁতে যিলৈ ঠাট্টা-বিদ্ৰূপ কৰিছিল, সেইবোৰেই সিহঁতক পৰিবেষ্টন কৰিলে।

(৩৫) যিবিলাকে (আনক আল্লাহৰ লগত) অংশী কৰে, সিহঁতে কয়- 'আল্লাহে ইচ্ছা কৰাহেঁতেন, আল্লাহৰ ব্যতীত আমি আনক উপাসনা নকৰিলোহেঁতেন আৰু আমাৰ পিতৃ-পিতামহসকলেও নকৰিলেহেঁতেন আৰু তেওঁৰ আদেশ বিনে আন কোনো বস্তুকে নিষিদ্ধ কৰি নল'লোহেঁতেন।' সিহঁতৰ পূৰ্বৱৰ্তীসকলেও এনে ধৰণেই কৰিছিল। ৰছুলসকলৰ দায়িত্ব কেৱল স্পষ্টভাৱে বাৰ্তা পৌছাই দিয়া।

(৩৬) আমি প্ৰত্যেক জাতিৰ পৰা একোজনকৈ ৰছুল উত্থিত কৰিছিলো, তেওঁ কৈছিল- 'আল্লাহক উপাসনা কৰা, ছয়তানক (তাগুতক) পৰিহাৰ কৰা।'

ইয়াৰ পিছত সিহঁতৰ কিছুমানক আল্লাহে সৎপথত পৰিচালিত কৰিলে আৰু কিছুমানৰ প্ৰতি পথভ্ৰষ্টতা অৱধাৰিত হ'ল। সেয়ে পৃথিৱীত ঘূৰি-পকি চোৱা, ৰছুলসকলৰ অগ্ৰাহ্যকাৰীবিলাকৰ কি দশা হ'ল! (৩৭) (হে নবী) সিহঁতক সৎপথ দেখুৱাবলৈ তুমি যিমানেই ব্যাকুল নোহোৱা কিয় আল্লাহে তাক সৎপথ প্ৰদৰ্শন নকৰে, যাক তেওঁ পথভ্ৰষ্ট কৰিছে। সিহঁতৰ কোনো সাহায্যকাৰীও নাই।

(৩৮) সিহঁতে আল্লাহৰ নামত দৃঢ়ভাৱে শপত খাই কয়- 'যাৰ মৃত্যু হয়, আল্লাহে তাক পুনৰুত্থিত নকৰে।' নিশ্চয় পুনৰজীৱিত কৰিব। অৱশ্যই এয়া তেওঁৰ সত্য প্ৰতিশ্ৰুতি; কিন্তু সৰহভাগ মানুহে নাজানে। (৩৯) এয়া এইবাবেই যে যি কথালৈ সিহঁতে মতবিৰোধ কৰিছে, সেয়া তেওঁ সিহঁতৰ সন্মুখত প্ৰকাশ কৰিব আৰু অবিশ্বাসকাৰীবিলাকে জানিব পাৰে যে, সিহঁতহে মিছলীয়া আছিল। (৪০) যেতিয়া আমি কোনো বস্তু অস্তিত্বলৈ অনাৰ ইচ্ছা কৰো, তেতিয়া আমি মাথোন আদেশ দিওঁ- 'হ' আৰু ই হৈ যায়।

(৪১) যিসকলে নিৰ্যাতন সহি আল্লাহৰ কাৰণে দেশ ত্যাগ কৰিছে, আমি তেওঁলোকক এই পাৰ্থিৱ জগততে নিশ্চয় উৎকৃষ্ট আবাস দান কৰিম; কিন্তু পৰকালৰ পুৰস্কাৰ ইয়াতকৈও উৎকৃষ্ট হ'ব। সিহঁতে যদি এয়া জানিলেহেঁতেন, (৪২) যিসকলে ধৈৰ্য ধাৰণ কৰে আৰু তেওঁলোকৰ প্ৰভুৰ ওপৰত ভৰসা কৰে!

(৪৩) তোমাৰ পূৰ্বেও আমি ৰছুল পঠাইছিলো; কিন্তু মানুহৰ মাজৰ পৰাই, যিসকললৈ আমাৰ ঐশীবাৰ্তা প্ৰেৰণ কৰিছিলো। ঐশীপুথি প্ৰাপ্ত সকলক সুধি চোৱা যদি তোমালোকে নাজানা। (৪৪) (আমি তেওঁলোকক পঠাইছিলো) স্পষ্ট নিদৰ্শনসমূহ আৰু পুথিসমূহসহ। এতিয়া তোমাৰ প্ৰতি এই স্মৰণিকা (কুৰআন) অৱতীৰ্ণ কৰিলো যাতে তুমি ব্যাখ্যা-বিশ্লেষণ কৰি মানুহক বুজাই দিব পাৰা যে সিহঁতৰ প্ৰতি যি অৱতীৰ্ণ কৰা হৈছে সেই বিষয়ে

যেন সিহঁতে চিন্তা-চর্চা কৰে।

(৪৫) যিবিলাকে জঘন্য অভিসন্ধি কৰিছিল, সিহঁত ইমানেই নির্ভয় আছেনে যে আল্লাহে সিহঁতক মাটিৰ লগত বিলীন কৰি নিদিব নাইবা এনে অজ্ঞাত দিশৰ পৰা শাস্তি আহি সিহঁতৰ ওপৰত নপৰিব যি কথা সিহঁতে কল্পনাও কৰা নাছিল।? (৪৬) অথবা দৈনন্দিন কাম-কাজ কৰি থাকোতেই অকস্মাতে সিহঁতক ধৃত কৰা নহ'ব বুলি? সিহঁতে আল্লাহক অক্ষম কৰিব নোৱাৰে। (৪৭) নাইবা আতংকগ্রস্ত অৱস্থাত পতিত কৰি শাস্তি নিদিব বুলি? আচলতে তোমালোকৰ প্রভু স্নেহপৰায়ণ, পৰম দয়ালু।

(৪৮) সেই মানুহবিলাকে সেইবোৰ বস্তু লক্ষ্য কৰা নাইনে, যিবোৰ আল্লাহে সৃষ্টি কৰিছে? তাৰ ছাঁবোৰে আল্লাহৰ প্রতি ছিজদাত অৱনত হৈ বিনয় সহকাৰে সোঁ আৰু বাওঁফালে ঢলি পৰে? (৪৯) আকাশমণ্ডল আৰু পৃথিৰীত যিমানবিলাক সৃষ্ট বস্তু আছে, সকলোৱে আল্লাহৰ ওচৰত ছিজদাত অৱনত হয় আৰু ফিৰিস্তাসকলেও অৱনত হয় আৰু সিহঁতে কেতিয়াও অহংবোধ নকৰে। (৫০) সিহঁতে সিহঁতৰ ওপৰত থকা প্রভুক ভয় কৰে আৰু সিহঁতক যি আদেশ দিয়া হয়, তাকে কৰে।

(৫১) আল্লাহে কৈছে- 'দুজন উপাস্য গ্রহন নকৰিবা। তেওঁ মাথোন একক আল্লাহ। সেয়ে কেৱল মোকহে ভয় কৰা।' (৫২) আকাশমণ্ডল আৰু পৃথিৰীত যি আছে সকলো তেওঁৰেই। অবিৰাম আনুগত্য মাথোন তেওঁৰেই প্রাপ্য। তথাপি তোমালোকে আল্লাহৰ ব্যতীত আনক ভয় কৰিবানে?

(৫৩) তোমালোকে যিবোৰ নিয়ামত (অনুগ্রহ) লাভ কৰিছা, সেয়া আল্লাহৰ পৰাই আহিছে আৰু তোমালোকে তেওঁৰ ওচৰতেই কাতৰভাৰে প্রার্থনা কৰা যেতিয়া তোমালোক দুখ-কষ্টত পৰা। (৫৪) পিছে যেতিয়া তেওঁ তোমালোকৰ দুখ-কষ্ট দূৰ কৰি দিয়ে, তেতিয়া তোমালোকৰ কিছুমানে তেওঁলোকৰ প্রভুৰ লগত আনকো অংশী সাব্যস্ত কৰে। (৫৫) যেনিবা আমি

যি দিছো তাৰ প্ৰতি অশলাগীহে হয়। কিছুদিন আনন্দ উপভোগ কৰি লোৱা, অচিৰেই জানিবলৈ পাবা। (৫৬) আনকি আমি সিহঁতক দান কৰা বস্তুৰ পৰাই এটা অংশ নিৰ্দিষ্ট কৰি (ভুৱা উপাস্যবোৰৰ বাবে) ৰাখে, অথচ সিবোৰৰ বিষয়ে সিহঁতে একোৱেই নাজানে। নিশ্চয় তোমালোকৰ পৰা কৈফিয়ৎ লোৱা হ'ব-তোমালোকে মিছা উদ্ভাৱন কৰি লোৱাবোৰৰ বিষয়ে।

(৫৭) আল্লাহৰ কন্যা সন্তান থকা বুলি আৰোপ কৰে। তেওঁ পৱিত্ৰ, মহিমান্বিত; কিন্তু তেওঁলোকে নিজৰ বাবে (পুত্ৰ সন্তান) হোৱাটো কামনা কৰে। (৫৮) যেতিয়া সিহঁতৰ কাৰোবাক তাৰ কন্যা সন্তান হৈছে বুলি সংবাদ দিয়া হয়, তেতিয়া তাৰ মুখ ক'লা পৰি যায় আৰু সি বিষণ্ণ হৈ পৰে। (৫৯) সেই গ্লানিৰ পৰা হাত সাৰিবলৈ সি মানুহৰ পৰা আত্মগোপন কৰি থাকে, কাৰণ তাক দুসংবাদ দিয়া হ'ল। সি ভাবে লাঞ্ছনা সহ্য কৰি তাইক পালি ৰাখিব, নে মাটিত পুতি থ'ব? সিহঁতে কেনে নিকৃষ্ট ভাৱ পোষণ কৰে! (৬০) যিবিলাকে পৰকাল বিশ্বাস নকৰে, সিহঁত অতি জঘন্য বিশেষণৰে অভিহিত হোৱাৰ যোগ্য। পক্ষান্তৰে উৎকৃষ্ট গুণাৱলী হ'ল আল্লাহৰ। তেওঁ মহা পৰাক্ৰমী, প্ৰজ্ঞাবান।

(৬১) মানুহৰ অপকৰ্মৰ বাবে যদি আল্লাহে ধৰিলেহেঁতেন, তেনেহ'লে পৃথিৱীৰ কোনো প্ৰাণীকে ৰেহাই নিদিলেহেঁতেন; কিন্তু তেওঁ এটি নিৰ্দিষ্ট সময়লৈ সিহঁতক অৱকাশ দিয়ে। যেতিয়া সিহঁতৰ নিৰ্দিষ্ট সময় আহি পায়হি, তেতিয়া সিহঁতে তাৰ এক মুহূৰ্তও বিলম্ব কৰিব বা আগুৱাই আনিব নোৱাৰে।

(৬২) সিহঁতে সেইবোৰ আল্লাহৰ প্ৰতি আৰোপ কৰে, সিহঁতে যিবোৰ নিজৰ বাবে অপচন্দ কৰে আৰু সিহঁতে মুখেৰে মিছাকৈ কৈ ফুৰে যে, সকলো ভাল বস্তুবোৰ সিহঁতৰ বাবেহে। নিঃসন্দেহ, সিহঁতৰ বাবে আছে নৰকৰ অগ্নি আৰু সিহঁতক তাত নিক্ষেপ কৰা হ'ব।

(৬৩) আল্লাহৰ শপত, তোমাৰ পূৰ্বেও আমি বহু জাতিলৈ ৰছুল

পঠাইছিলো, কিন্তু ছয়তানে সিহঁতৰ কামবোৰ সিহঁতৰ বাবে মনোমোহা কৰি দেখুৱাইছিল। ছয়তান সিহঁতৰ পৃষ্ঠপোষক হৈ পৰিল আৰু সিহঁতৰ বাবে আছে অতি যন্ত্ৰণাদায়ক শাস্তি। (৬৪) আমি তোমালৈ এইবাবেহে এই পুথি অৱতীৰ্ণ কৰিছো যি কথা লৈ সিহঁতৰ মতবিৰোধ হৈছে সেয়া সিহঁতক স্পষ্টভাৱে বুজাই দিব পাৰা আৰু বিশ্বাস স্থাপনকাৰীসকলৰ বাবে ই পথপ্ৰদৰ্শক আৰু কৰুণা স্বৰূপ।

(৬৫) আল্লাহে আকাশৰ পৰা পানী বৰষায় আৰু ইয়াৰ দ্বাৰা মৃত হৈ পৰা পৃথিৱীক সজীৱ কৰি তোলে। যিসকলে শুনে, তেওঁলোকৰ বাবে নিশ্চয় ইয়াত নিদৰ্শন আছে।

(৬৬) ঘৰচীয়া জন্তুবোৰতো তোমালোকৰ বাবে শিক্ষা নিহিত আছে। সেইবোৰৰ পেটত থকা গোবৰ আৰু তেজৰ মাজৰ পৰা আমি তোমালোকক বিশুদ্ধ গাখীৰ পান কৰাও আৰু সেয়া পান কৰোতাসকলৰ বাবে অতি তৃপ্তিকৰ। (৬৭) খেজুৰ গছৰ পৰা আৰু আংগুৰৰ পৰা তোমালোকে ৰাগীয়াল তথা পুষ্টিকৰ খাদ্য তৈয়াৰ কৰা। নিশ্চয় ইয়াত জ্ঞান সম্পন্ন মানুহৰ বাবে নিদৰ্শন আছে।

(৬৮) তোমাৰ প্ৰভুৱে মৌ-মাখিবোৰক প্ৰেৰণা দি কৈছে- 'মৌচাক সাজা পাহাৰ-পৰ্বত, গছ-গছনি আৰু মানুহে সজা হেদালিত, (৬৯) আৰু সকলো ফলৰ পৰা ৰস আহৰণ কৰা আৰু তোমাৰ প্ৰভুৰ পথত চলা।' এই মৌ-মাখিবোৰৰ উদৰৰ পৰা ৰং-বিৰঙৰ এবিধ পানীয় নিৰ্গত হয় আৰু ই মানুহৰ ৰোগ নিবাৰণ কৰে। নিশ্চয় ইয়াত চিন্তাশীল ব্যক্তিৰ বাবে নিদৰ্শন আছে।

(৭০) আল্লাহে তোমালোকক সৃষ্টি কৰিছে, পিছত তেৱেঁই তোমালোকৰ মৃত্যু ঘটায়। তোমালোকৰ মাজৰ কিছুমানৰ বয়স দীৰ্ঘায়ু কৰে, আলড় বুঢ়া হয়, ফলত অনেক জনাৰ পিছতো নজনা হয়। আল্লাহ মহাজ্ঞানী, ক্ষমতাবান।

(৭১) আল্লাহে তোমালোকৰ কিছুমানক আন কিছুমানতকৈ অধিক জীৱনোপকৰণ দান কৰিছে। যিবিলাকক অধিক উপকৰণ দান কৰা হৈছে, সিহঁতে সিহঁতৰ অধীনস্থ দাসবোৰক উপযুক্ত পৰিমাণে নিজ উপকৰণ নিদিয়ে জানোচা উভয়ে সমান সমান হয়। পিছে সিহঁতে আল্লাহৰ অনুগ্ৰহবোৰ অস্বীকাৰ কৰেনেকি?

(৭২) আল্লাহে তোমালোকৰ মাজৰ পৰাই তোমালোকক সংগিনী দিছে আৰু তোমালোকৰ সংগিনীসকলৰ জৰিয়তে তোমালোকক সন্তান-নাতিপুতি দিছে আৰু খাবলৈ উৎকৃষ্ট পৰিত্ৰ বস্তু দান কৰিছে। তৎসত্ত্বেও সিহঁতে অসত্যক মানি লৈ আল্লাহৰ অনুগ্ৰহক অস্বীকাৰ কৰিবনে? (৭৩) সিহঁতে আল্লাহক বাদ দি সেইবোৰক উপাসনা কৰে, যিবোৰৰ আকাশমণ্ডল আৰু পৃথিৱীৰ পৰা জীৱনোপকৰণ দিয়াৰ কোনো অধিকাৰ নাই আৰু সিহঁতৰ সেই ক্ষমতাও নাই। (৭৪) আল্লাহৰ লগত আনক তুলনা কৰি উপমা নিদিবা। আল্লাহে জানে তোমালোকে নাজানা।

(৭৫) আল্লাহে এটা উপমা দিছে দুজন মানুৰ, তাৰে মাজৰ এজন আনৰ অধীনস্থ দাস, যাৰ নিজৰ কোনো অধীকাৰ নাই আৰু আনজন যাক আমি আমাৰ ফালৰ পৰা উত্তম জীৱনোপকৰণ দান কৰিছো আৰু সি তাৰ পৰা প্ৰকাশ্যে আৰু গোপনে ব্যয় কৰে। দুয়ো একেনে? সকলো প্ৰশংসা আল্লাহৰ বাবেই; কিন্তু অধিকাংশ মানুহে অনুধাৱন নকৰে।

(৭৬) আল্লাহে আন এটা উপমা দিছে, দুজন মানুহ, তাৰে এজন মানুহ বোবা, সি কোনো কামেই কৰিব নোৱাৰে। সি তাৰ গৰাকীৰ বোজা হৈ পৰিছে। তাক য'তেই পঠোৱা নহওঁক কিয়, কোনো ভাল কাম কৰিব নোৱাৰে। সি সেইজন ব্যক্তিৰ সমকক্ষ হ'ব পাৰেনে, যিজনে ন্যায়ৰ আদেশ দিয়ে আৰু নিজেও সঠিক পথত আছে?

(৭৭) আকাশমণ্ডল আৰু পৃথিৱীৰ গোপন জ্ঞান আল্লাহৰহে আছে।

কিয়ামত চকুৰ পলকতে ঘটিব বা তাতোকৈ কম সময়তে সংঘটিত হ'ব পাৰে। আচলতে আল্লাহে সকলো কাম কৰিবলৈ সক্ষম।

(৭৮) আল্লাহে তোমালোকক মাতৃগৰ্ভৰ পৰা উলিয়াইছিল, যেতিয়া তোমালোক একেবাৰে অজ্ঞান আছিলা। তেওঁ তোমালোকক শ্ৰৱণ শক্তি আৰু হৃদয় দান কৰিলে যাতে তোমালোকে কৃতজ্ঞতা প্ৰকাশ কৰিব পাৰা।

(৭৯) সিহঁতে দেখা নাইনে, চৰাইবোৰে কেনেদৰে আকাশত ভাৰসাম্য ৰক্ষা কৰি উৰি ফুৰিছে? আল্লাহৰ বাহিৰে আনে সিহঁতক ধৰি ৰখা নাই। নিশ্চয় বিশ্বাস স্থাপনকাৰীসকলৰ বাবে ইয়াত নিদৰ্শন আছে। (৮০) আল্লাহে তোমালোকৰ ঘৰবোৰক তোমালোকৰ বাবে জিৰণিৰ আলয় কৰি দিছে। তেৱেঁই তোমালোকৰ বাবে জন্তুৰ চামৰাৰে এনে ঘৰৰ (তম্বুৰ) ব্যৱস্থা কৰি দিছে, যিবোৰ পাতল পোৱা, ভ্ৰমণ কালত আৰু অৱস্থান কালতো সহজে তৰিব পাৰা। তেৱেঁই তোমালোকক সেইবোৰৰ পচম ঊণ আৰু নোমৰ দ্বাৰা ঘৰুৱা আচবাবপত্ৰৰ ব্যৱস্থা কৰি দিছে আৰু সেইবোৰ কিছুকাললৈকে তোমালোকৰ কামত আহে।

(৮১) আল্লাহে তোমালোকৰ বাবে ছাঁৰ ব্যৱস্থা কৰিছে তেওঁৰ দ্বাৰা সৃষ্ট বস্তুৰ পৰাই। পাহাৰ-পৰ্বতকো তোমালোকৰ বাবে আশ্ৰয় স্থল কৰি দিছে আৰু তোমালোকক এনে পোছাক দান কৰিছে, যিয়ে তোমালোকক গৰমৰ পৰা ৰক্ষা কৰে আৰু যুদ্ধৰ সময়তো ৰক্ষা কৰে। এইদৰেই তেওঁ তোমালোকৰ প্ৰতি তেওঁৰ অনুগ্ৰহসমূহৰ পূৰ্ণতা দান কৰে যাতে তোমালোক আত্মসমৰ্পণ কাৰী হোৱা! (৮২) সিহঁতে যদি ফালৰি কাটি যায়, তেনেহ'লে তোমাৰ দায়িত্ব কেৱল বাণীসমূহ স্পষ্টভাৱে পৌছাই দিয়া। (৮৩) সিহঁতে আল্লাহৰ অনুগ্ৰহসমূহ উপলব্ধি কৰে, তথাপিও সিহঁতে সেইবোৰ অস্বীকাৰ কৰে আৰু সিহঁতৰ অধিকাংশই সত্য অস্বীকাৰকাৰী।

(৮৪) সিদিনাখন যেতিয়া আমি প্ৰত্যেক জাতিৰ পৰা একোজনকৈ

সাক্ষী উপস্থাপন কৰাম, অবিশ্বাসকাৰীবিলাকক কৈফিয়ৎ দিবলৈ কোনো সুযোগ দিয়া নহ'ব আৰু ক্ষমা প্ৰাৰ্থনাও স্বীকাৰ কৰা নহ'ব। (৮৫) অন্যায়কাৰী বিলাকে যেতিয়া শাস্তি প্ৰত্যক্ষ কৰিব, তেতিয়া সিহঁতৰ বাবে শাস্তি অলপো লাঘৱ কৰা নহ'ব নতুবা সিহঁতক অৱকাশো দিয়া নহ'ব।

(৮৬) যেতিয়া অংশীবাদীবিলাকে আল্লাহৰ লগত কৰা অংশীবোৰক দেখিব, তেতিয়া সিহঁতে ক'ব- 'হে আমাৰ প্ৰভু, এইবোৰেই আমাৰ অংশী উপাস্য, তোমাক বাদ দি যিবোৰক আমি উপাসনা কৰিছিলো।' তেতিয়া অংশী উপাস্যবোৰে সিহঁতৰ কথা উলাই কৰি ক'ব- 'আচলতে তোমালোকে মিছা কথা কৈছা।' (৮৭) সেইদিনা সিহঁতে আল্লাহৰ ওচৰত সম্পূৰ্ণৰূপে আত্মসমৰ্পণ কৰিব আৰু সিহঁতে যিবোৰ মিছাকৈয়ে ৰচনা কৰিছিল, সেইবোৰ সিহঁতৰ পৰা উধাও হ'ব। (৮৮) যিবিলাকে অবিশ্বাস কৰিছিল আৰু আল্লাহৰ পথত যোৱাত বাধা দিছিল, সেই বিপৰ্যয়কৰ কামৰ বাবে সিহঁতক আমি শাস্তিৰ উপৰি শাস্তি দিম।

(৮৯) সেইদিনো আহিব, যিদিনা আমি প্ৰত্যেক জাতিৰ মাজৰ পৰাই সিহঁতৰ প্ৰতিকূলে একোজনকৈ সাক্ষী উপস্থিত কৰিম আৰু আমি তোমাক সিহঁতৰ সাক্ষী হিচাবে আনিম। আমি তোমাৰ প্ৰতি এই পুথিখন অৱতীৰ্ণ কৰিছো প্ৰতিটো বিষয়বস্তু স্পষ্ট কৰি বুজাই দিবলৈ আৰু আত্মসমৰ্পণকাৰী সকলৰ বাবে পথ নিৰ্দেশনা, দয়া আৰু সুসংবাদ স্বৰূপে।

(৯০) আল্লাহে নিৰ্দেশ দিছে ন্যায়পৰায়ণ হ'বলৈ, সদাচৰণ কৰিবলৈ আৰু আত্মীয়-স্বজনক (সিহঁতৰ প্ৰাপ্য) দান কৰিবলৈ। আনহাতে অশ্লীলতা, দুষ্কাৰ্য আৰু বিদ্ৰোহাচৰণ কৰিবলৈ নিষেধ কৰিছে। তেওঁ তোমালোকক উপদেশ দিছে যাতে শিক্ষা লাভ কৰিব পাৰা।

(৯১) কোনোৱে আল্লাহৰ নামত অংগীকাৰ কৰিলে, সেয়া পূৰণ কৰিবা। দৃঢ়তাৰে শপত খোৱাৰ পিছত সেয়া ভংগ নকৰিবা, যিহেতু তোমালোকে

তোমালোকৰ প্ৰভুক জামিনদাৰ কৰিছা। তোমালোকে যি কৰি আছা, নিশ্চয় আল্লাহে সেয়া সকলো জানে। (৯২) তোমালোক সেই তিৰোতাজনীৰ দৰে নহ'বা, যিজনীয়ে সূতা কাটে আৰু পিছত নিজেই সেয়া ছিঙি টুকুৰা-টুকুৰ কৰি পেলায়। তোমালোকে তোমালোকৰ শপতবোৰক এজনে আনজনক প্ৰতাড়নাৰ বাবে ব্যৱহাৰ নকৰিবা যাতে এদল আন দলতকৈ বেছি উচ্চ হ'ব পাৰা। ইয়াৰ দ্বাৰা আল্লাহে তোমালোকক পৰীক্ষা কৰে। কিয়ামতৰ দিনা তেওঁ তোমালোকক স্পষ্টভাৱে জনাই দিব যি লৈ তোমালোকে মতভেদ কৰিছিলা।

(৯৩) আল্লাহে ইচ্ছা কৰাহেঁতেন, তোমালোকক একেটা জাতি কৰিলেহেঁতেন; কিন্তু তেওঁ যাক ইচ্ছা কৰে পথভ্ৰষ্ট কৰে আৰু যাক ইচ্ছা কৰে সৎপথত চালিত কৰে। নিশ্চয় তোমালোকৰ কৰ্মৰ বিষয়ে তোমালোকৰ পৰা কৈফিয়ৎ লোৱা হ'ব।

(৯৪) তোমালোকে পৰস্পৰক প্ৰৱঞ্চনা কৰিবলৈ শপতবোৰক চেলু কৰি নল'বা। তেনে কৰিলে তোমালোকৰ ভৰি পিছলি যাব পাৰে দৃঢ়ভাৱে স্থিতি লোৱাৰ পিছতো আৰু তোমালোকে শাস্তিৰ সোৱাদ ল'ব লাগিব আল্লাহৰ পথত বাধা দিয়াৰ পৰিণাম স্বৰূপে। ইয়াৰ পিছত তোমালোকৰ বাবে ভয়ানক শাস্তি আছে। (৯৫) তোমালোকে আল্লাহৰ প্ৰতিশ্ৰুতিক সামান্য মূল্যৰ বিনিময়ত বিক্ৰী নকৰিবা। আল্লাহৰ ওচৰত যি আছে, সেয়া তোমালোকৰ বাবে তাতোকৈ উত্তম, যদি তোমালোকে জানিলাহেঁতেন!

(৯৬) তোমালোকৰ ওচৰত যি আছে সেয়া শেষ হৈ যাব; কিন্তু আল্লাহৰ ওচৰত দি আছে সেয়া চিৰদিন থাকিব। যিসকলে ধৈৰ্য ধাৰণ কৰে, তোমালোকৰ সৎকৰ্মৰ প্ৰতিদান আমি অৱশ্যই দিম। (৯৭) যিয়ে সৎকৰ্ম কৰিব, পুৰুষেই হওক বা মহিলাই হওক আৰু মুমিন হয়, আমি তেওঁলোকক পৰিত্ৰভাৱে জীৱন যাপন কৰাম আৰু তেওঁলোকৰ উৎকৃষ্ট কৰ্ম অনুপাতে

তেওঁলোকক পুৰস্কাৰ প্ৰদান কৰিম।

(৯৮) তোমালোকে কুৰআন পাঠ কৰিবলৈ লওতে অভিশপ্ত ছয়তানৰ পৰা আল্লাহৰ আশ্ৰয় ল'বা।(৯৯) নিশ্চয় তাৰ আধিপত্য সেইসকলৰ ওপৰত নচলে, যিসকলে বিশ্বাস স্থাপন কৰে আৰু নিজ প্ৰভুৰ ওপৰত ভৰসা কৰে; (১০০) তাৰ আধিপত্য কেৱল সেইবিলাকৰ ওপৰতহে, যিবিলাকে স্ব-ইচ্ছাৰে তাক অনুসৰণ কৰে আৰু আল্লাহৰ লগত আনক অংশী কৰে।

(১০১) আমি যেতিয়া এটা আয়াতৰ পৰিৱৰ্তে আন এটা আয়াত অৱতীৰ্ণ কৰো আৰু আল্লাহে ভালকৈয়ে জানে তেওঁ কি অৱতীৰ্ণ কৰিছে, তেতিয়া সিহঁতে কয়- 'তুমি এইবোৰ নিজে ৰচনা কৰিছা।' প্ৰকৃততে সিহঁতৰ অধিকাংশ মানুহ অজ্ঞ। (১০২) কোৱা- 'এয়া পৱিত্ৰ আত্মাই (জিব্ৰাঈলে) তোমাৰ প্ৰভুৰ পৰা সত্যসহ হুবহু হৈ আহিছে যাতে বিশ্বাস স্থাপনকাৰী সকলক আৰু দৃঢ় কৰিব পাৰে আৰু মুছলিমসকলক পথ প্ৰদৰ্শন কৰে আৰু সুসংবাদ দিয়ে।'

(১০৩) নিশ্চয় আমি ভালকৈয়ে জানো, সিহঁতে যি কয়- 'তেওঁ এজন মানুহহে, যিজনে তেওঁক শিকায়।' কিন্তু সিহঁতে যিজনৰ প্ৰতি ইংগিত দিয়ে, তেওঁ অনাআৰবী আৰু এয়াতো বিশুদ্ধ আৰবী ভাষা।(১০৪) নিশ্চয় আল্লাহে সিহঁতক কদাপিও পথ প্ৰদৰ্শন নকৰে, যিবিলাকে আল্লাহৰ বাণীসমূহ বিশ্বাস নকৰে আৰু সিহঁতৰ বাবে আছে যন্ত্ৰণাদায়ক শাস্তি। (১০৫) সিহঁতেহে আল্লাহৰ সম্বন্ধে মিছা ৰচনা কৰিছে, যিবিলাকে আল্লাহৰ বাণীক অস্বীকাৰ কৰিছে আৰু সিহঁতহে মিছলীয়া।

(১০৬) যদি কোনোৱে বিশ্বাস স্থাপন কৰাৰ পিছত আল্লাহক অস্বীকাৰ কৰে, যাক এনে কৰিবলৈ বাধ্য কৰা হৈছে; কিন্তু তাৰ অন্তৰ বিশ্বাসৰ প্ৰতি পূৰ্ণ আস্থাবান। আনহাতে যিয়ে স্বইচ্ছাই আন্তৰিকতাৰে অবিশ্বাসক গ্ৰহণ কৰিলে, তাৰ প্ৰতি আল্লাহৰ অভিশাপ আৰু সিহঁতৰ বাবে আছে কঠোৰ শাস্তি।

(১০৭) ইয়াৰ কাৰণ হ'ল- সিহঁতে পৰকালতকৈ ইহকালৰ জীৱনক বেছি অগ্ৰাধিকাৰ দিয়ে আৰু আল্লাহে অস্বীকাৰকাৰীবিলাকক কেতিয়াও পথ প্ৰদৰ্শন নকৰে। (১০৮) এইবিলাক হ'ল সেইবিলাক মানুহ, যিবিলাকৰ অন্তৰ, কাণ আৰু চকুৰ ওপৰত আল্লাহে মোহৰ মাৰি দিছে। (১০৯) নিঃসন্দেহ, সিহঁতেই পৰকালত চৰমভাৱে ক্ষতিগ্ৰস্ত হ'ব।

(১১০) নিশ্চয় তোমালোকৰ প্ৰভু তেওঁলোকৰ প্ৰতি ক্ষমাশীল, পৰম দয়ালু, যিসকলে নিৰ্যাতিত হৈ স্বদেশ ত্যাগ কৰিছে, আল্লাহৰ পথত কষ্ট স্বীকাৰ কৰিছে আৰু ধৈৰ্য ধাৰণ কৰিছে। (১১১) সেইদিনাখন প্ৰত্যেকে আত্মসমৰ্থনত যুক্তি প্ৰদৰ্শন কৰিব আৰু প্ৰত্যেককে তাৰ কৃতকৰ্মৰ পূৰাপূৰি প্ৰতিফল দিয়া হ'ব আৰু সিহঁতৰ প্ৰতি কোনো অন্যায় কৰা নহ'ব।

(১১২) আল্লাহে এখন জনবসতিৰ উপমা দিছে। সিহঁতে সুখে-শান্তিৰে আছিল। কেউফালৰ পৰা সিহঁতলৈ প্ৰচুৰ খাদ্য আহিছিল। ইয়াৰ পিছত সিহঁতে আল্লাহৰ অনুগ্ৰহবোৰ অস্বীকাৰ কৰিবলৈ ল'লে। সিহঁতৰ কৃতকৰ্মৰ বাবে সিহঁতক ক্ষুধা আৰু আতংকৰ সোৱাদ আচ্ছাদন কৰালে। (১১৩) সিহঁতৰ মাজৰ পৰাই সিহঁতলৈ এজন ৰছুল আহিল; কিন্তু সিহঁতে মিছা বুলি তেওঁক অস্বীকাৰ কৰিলে। ফলত সিহঁতক শাস্তিয়ে গ্ৰাস কৰিলে। কিয়নো সিহঁত অন্যায়কাৰী আছিল।

(১১৪) সেয়ে বৈধ আৰু পৱিত্ৰ বস্তু খোৱা, যিবোৰ আল্লাহে তোমালোকক দান কৰিছে আৰু আল্লাহৰ অনুগ্ৰহৰ কৃতজ্ঞতা স্বীকাৰ কৰা যদি তোমালোকে তেওঁৰ উপাসনা কৰা। (১১৫) তেওঁ তোমালোকৰ বাবে নিষিদ্ধ কৰিছে- মৃত জীৱৰ মাংস, ৰক্ত, গাহৰিৰ মাংস আৰু আল্লাহৰ পৱিৰ্তে আনৰ নামত জবহ কৰা জন্তুৰ মাংস। অৱশ্যে যদি বাধ্য হৈ আল্লাহৰ আইনৰ বিৰোধীতা নকৰি বা সীমালংঘন নকৰি সেইবোৰ খায়, তেনেহ'লে তেওঁৰ প্ৰতি আল্লাহ ক্ষমাশীল, পৰম দয়ালু।

(১১৬) তোমালোকে মিছাকৈয়ে কৈ নুফুৰিবা- 'এইটো হালাল, সেইটো হাৰাম।' তেনে কৰিলে আল্লাহৰ প্ৰতি মিছা আৰোপ কৰা হ'ব। যিবিলাকে আল্লাহৰ প্ৰতি মিছা আৰোপ কৰে, সিহঁত কেতিয়াও সফল নহয়। (১১৭) সিহঁতৰ এই পাৰ্থিৱ সুখ-ভোগ ক্ষন্তেকীয়া আৰু সিহঁতৰ বাবেই আছে যন্ত্ৰণাদায়ক শাস্তি।

(১১৮) ইহুদীবিলাকৰ কাৰণে আমি যিবোৰ নিষিদ্ধ কৰিছিলো, ইতি পূৰ্বে আমি তোমালোকৰ আগত সেইবোৰ বৰ্ণনা কৰিছো। আমি সিহঁতৰ প্ৰতি অন্যায় কৰা নাছিলো; বৰং সিহঁতে নিজেই নিজৰ অন্যায় কৰিছিল। (১১৯) প্ৰকৃততে তোমালোকৰ প্ৰভু সেই মানুহবিলাকৰ কাৰণে অতি ক্ষমাশীল আৰু পৰম দয়ালু যিসকলে অজ্ঞতাবশতঃ কোনো অসৎ কৰ্ম কৰে, পিছত অনুতপ্তহৈ ক্ষমা প্ৰাৰ্থনা কৰে আৰু নিজকে সংশোধন কৰি লয়।

(১২০) প্ৰকৃততে ইব্ৰাহীম নিজেই এটা সম্প্ৰদায় আছিল। তেওঁ আল্লাহৰ অনুগত আৰু একনিষ্ঠ আছিল। তেওঁ কদাপিও অংশীবাদী নাছিল। (১২১) তেওঁ আল্লাহৰ অনুগ্ৰহবোৰৰ কৃতজ্ঞতা স্বীকাৰ কৰিছিল। আল্লাহে তেওঁক বাছি লৈছিল আৰু সৰল সৎপথ দেখুৱাইছিল। (১২২) আমি তেওঁক এই পৃথিৱীতে কল্যাণ দান কৰিছিলো আৰু পৰকালতো তেওঁ পুণ্যবানসকলৰ অন্তৰ্ভুক্ত হ'ব। (১২৩) ইয়াৰ পিছত আমি তোমাৰ প্ৰতি প্ৰত্যাদেশ দিছিলো যে- '(হে মুহাম্মদ) একনিষ্ঠভাৱে ইব্ৰাহীমৰ নীতি-নিয়ম অনুসৰণ কৰি চলা। তেওঁ অংশীবাদীবিলাকৰ অন্তৰ্ভুক্ত নাছিল।'

(১২৪) শনিবৰীয়া নিয়ম সিহঁতৰ ওপৰতেই বিধিবদ্ধ কৰা হৈছিল, যিবিলাকে এই লৈ মতভেদ কৰিছিল। তোমাৰ প্ৰভুৱে পুনৰুত্থানৰ দিনা এই সকলো কথা মীমাংসা কৰি দিব. যিলৈ সিহঁতৰ মতভেদ হৈছিল।

(১২৫) সঠিক জ্ঞান আৰু সদুপদেশৰ দ্বাৰা তোমাৰ প্ৰভুৰ পিনে আহ্বান কৰা আৰু উত্তম পন্থাৰে যুক্তিতৰ্ক কৰা। তোমাৰ প্ৰভুৱে ভালদৰে জানে কোন

তেওঁৰ পথৰ পৰা ভ্রষ্ট হৈছে আৰু তেওঁলোককো ভালকৈয়ে জানে কোন সঠিক পথত চলিছে।

(১২৬) তোমালোকে যদি প্রতিশোধ ল'ব বিচৰা, তেনেহ'লে সেই পৰিমাণহে প্রতিশোধ ল'বা যি পৰিমাণে তোমালোকক যাতনা দিছিল। কিন্তু তোমালোকে যদি ধৈর্য ধৰি সহি থাকা, তেনেহ'লে এয়া সহনশীলসকলৰ বাবে অতি উত্তম। (১২৭) দৃঢ়ভাৱে ধৈর্য ধাৰণ কৰা, নিশ্চয় তোমাৰ এই ধৈর্য ধাৰণ আল্লাহৰ সহায়ৰ বাবে সম্ভৱ হৈছে। সিহঁতৰ আচৰণত তুমি দুখ নকৰিবা নাইবা সিহঁতে কৰা চক্রান্তৰ বাবে তুমি বেদনাক্লিষ্ট নহ'বা। (১২৮) নিশ্চয় আল্লাহ তেওঁলোকৰ লগত থাকে, যিসকল পুণ্যবান আৰু যিসকল সৎকর্মপৰায়ণ।

১৭. আল-ইছৰা (নৈশ ভ্রমণ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) তেওঁ পৱিত্র সত্তা, যিজনে তেওঁৰ দাসক (মুহাম্মদক) এৰাতি মছজিদে হাৰাম (কাবা)ৰ পৰা দূৰৱর্তী মছজিদে আকছালৈ (জেৰুজালেমলৈ) লৈ গৈছিল যাৰ প্রাঙ্গণ আমি মংগলময় কৰি ৰাখিছিলো যাতে আমি তেওঁক আমাৰ নিদর্শনাৱলী দেখুৱাব পাৰো। নিশ্চয় তেওঁ সর্বশ্রোতা, সর্ব দ্রষ্টা।

(২) আমি মূছাক ঐশীপুথি দিছিলো আৰু সেইখনকে ইছৰাঈল বংশধৰৰ পথ নির্দেশনাৰ মাধ্যম কৰি এই নির্দেশনা দিছিলো- 'মোৰ ব্যতীত তোমালোকে আনক কর্তা কৰি নল'বা। (৩) তোমালোক তেওঁলোকৰ বংশধৰ, যিসকলক আমি নূহৰ লগত নাৱত আৰোহণ কৰাইছিলো।' নিশ্চয় তেওঁ এজন পৰম কৃতজ্ঞ দাস আছিল।

(৪) আমি ঐশীপুথিত ইছৰাঈল বংশধৰৰ প্রতি ভৱিষ্যদ্বাণী কৰিছিলো- 'তোমালোকে পৃথিৱীত দুবাৰ বিপর্যয় সৃষ্টি কৰিবা আৰু উদ্ভাণ্ডালি কৰিবা।'

(৫) যেতিয়া তাৰ প্ৰথমটো প্ৰতিশ্ৰুতিৰ সময় পালেহি, তেতিয়া আমি তোমালোকৰ বিৰুদ্ধে আমাৰ দুৰ্ধৰ্ষ যুজাৰু দাসসকলক পঠাইছিলো, যিসকলে তোমালোকৰ ঘৰবোৰ বিধস্ত কৰিলে। এনেদৰে প্ৰথমটো ভৱিষ্যদ্বাণী ফলিয়ালে। (৬) কিছু কালৰ পিছত পুনৰ আমি তোমালোকক সিহঁতৰ ওপৰত বিজয় দান কৰিলো আৰু ধন-সম্পদ, সন্তান-সন্ততি দি সাহায্য কৰিলো আৰু তোমালোকৰ সংখ্যা বৃদ্ধি কৰি দিলো।

(৭) (আমি ক'লো)- 'তোমালোকে যদি সৎকৰ্ম কৰা, তোমালোকৰে মংগল আৰু যদি অসৎ কৰ্ম কৰা, তোমালোকৰ নিজৰে অমংগল।' যেতিয়া দ্বিতীয় সতৰ্কীকৰণৰ সময় পালেহি, (তোমালোকৰ বিৰুদ্ধে আমি আনবিলাকক জাপি দিলো) যাতে তোমালোকৰ মুখত কালিমা সানে আৰু উপাসনালয়ত (বায়তুল মোকাদ্দছত) অনুপ্ৰৱেশ কৰে আৰু য'তে বিজয় লাভ কৰে, ত'তে সিহঁতে ধ্বংস যজ্ঞ চলায়। (৮) আমি কৈছিলো- 'সম্ভৱতঃ তোমালোকৰ প্ৰভুৱে তোমালোকক দয়া কৰিব; কিন্তু তোমালোকে যদি পুনৰ পূৰ্বৰ আচৰণ পুনৰাবৃত্তি কৰা, তেনেহ'লে আমিও তেনে আচাৰ-আচৰণ কৰিম। সত্য অস্বীকাৰকাৰী বিলাকৰ কাৰণে জাহান্নামক বন্দীশাল কৰি থৈছো।'

(৯) নিশ্চয় কুৰআনে আটাইতকৈ সৰল পোন পথ দেখুৱায় আৰু সৎকৰ্মপৰায়ণ বিশ্বাস স্থাপনকাৰীসকলক সুসংবাদ দিয়ে যে, তেওঁলোকৰ বাবে মহা পুৰস্কাৰ আছে। (১০) আৰু যিবিলাকে পৰকালক বিশ্বাস নকৰে, সিহঁতৰ বাবে আমি যন্ত্ৰণাদায়ক শাস্তি প্ৰস্তুত কৰি ৰাখিছো।

(১১) মানুহে অকল্যাণহে কামনা কৰে, যেনেদৰে কল্যাণ কামনা কৰা উচিত। নিশ্চয় মানুহ শীঘ্ৰতাপ্ৰিয়। (১২) আমি ৰাতি আৰু দিনক দুটা নিদৰ্শন স্বৰূপে সৃষ্টি কৰিছো। ৰাতিৰ নিদৰ্শনক জ্যোতিহীন কৰিছো আৰু দিনৰ নিদৰ্শনক জ্যোতিৰ্ময় কৰিছো যাতে তোমালোকে তোমালোকৰ প্ৰভুৰ অনুগ্ৰহ সন্ধান কৰিব পাৰা, ঋতু আৰু বছৰৰ হিচাব স্থিৰ কৰিব পাৰা। সকলো বিষয় আমি

বিশদভাৱে বৰ্ণনা কৰিছো।

(১৩) আমি প্ৰতিজন মানুহৰ ভাগ্য তাৰ ডিঙিত আৰি দিছো। আমি কিয়ামতৰ দিনা সিহঁতৰ বাবে এখন কিতাব আনিম, যিখন সিহঁতে উন্মুক্ত হিচাবে পাব। (১৪) ই ক'ব- 'পঢ়া, তোমাৰ কিতাবখন। আজি তোমাৰ নিজৰ হিচাব-নিকাচৰ বাবে তুমি নিজেই যথেষ্ট।' (১৫) যি সৎপথ লয়, সি নিজৰ মংগলৰ বাবে লয় আৰু যি বিপথগামী হয়, সি নিজৰ ক্ষতিৰ বাবে বিপথগামী হয়। কোনোৱে আন কাৰো বোজা বহন নকৰে। অথবা আমি তেতিয়ালৈকে কাকো শাস্তি নিদিও, যেতিয়ালৈকে আমি সিহঁতলৈ সতৰ্ককাৰী ৰছুল নপঠাও।

(১৬) যেতিয়া আমি কোনো জনবসতিক ধ্বংস কৰিবলৈ সিদ্ধান্ত লও, সেই ঠাইৰ অৱস্থাপন্ন মানুহবিলাকক আদেশ দিও; কিন্তু সিহঁতে তাত অপকৰ্ম কৰিবলৈহে লয়। এইদৰে (দণ্ডাজ্ঞাৰ) আদেশ অৱধাৰিত হয় আৰু আমি সিহঁতক সমূলধ্বে ধ্বংস কৰো। (১৭) নূহৰ পিছৰ পৰা আমি কিমান মানৰ গোষ্ঠীক ধ্বংস কৰিলো! তোমালোকৰ প্ৰভু তেওঁৰ দাসবিলাকৰ পাপাচৰণৰ সংবাদ ৰখাৰ আৰু পৰ্যবেক্ষণৰ বাবে যথেষ্ট।

(১৮) কোনোৱে এই পাৰ্থিৱ সুখ-সম্ভোগ তৎকালেই পাবলৈ কামনা কৰিলে, আমি যাক যি দিব খোজো সেয়া তাক ইয়াতে দিও। ইয়াৰ পিছত তাৰ বাবে আমি জাহান্নাম প্ৰস্তুত কৰি ৰাখিছো, য'ত সি লাঞ্ছিত আৰু বিতাড়িত হৈ প্ৰৱেশ কৰিব। (১৯) যিয়ে পৰকাল কামনা কৰে আৰু তাৰ বাবে যথাযথ চেষ্টা-সাধনা কৰে আৰু প্ৰকৃত আস্থাবান হয়, এনে লোকসকলৰ প্ৰয়াসৰ শলাগ লোৱা হ'ব।

(২০) ইহঁত (পাৰ্থিৱ অভিলাষী) আৰু সিহঁত (পৰলোক কামনাকাৰী) উভয় শ্ৰেণীৰ মানুহকে আমি তোমাৰ প্ৰভুৱে দিয়া সামগ্ৰী দান কৰো। তোমাৰ প্ৰভুৰ দান কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। (২১) চোৱা, আমি কেনেদৰে সিহঁতৰ কিছুমানক আন কিছুমানৰ ওপৰত (এই পাৰ্থিৱ জীৱনত) শ্ৰেষ্ঠত্ব

দান কৰিছো। আকৌ পৰকালত মর্যাদা আৰু বেছি হ'ব আৰু শ্রেষ্ঠত্বও বৃদ্ধি পাব।

(২২) আল্লাহৰ লগত আন কাকো উপাস্য কৰি নল'বা। অন্যথা তুমি লাঞ্ছিত আৰু পৰিত্যক্ত হৈ পৰিবা। (২৩) তোমাৰ প্রভুৱে আদেশ দিছে যে, তেওঁৰ ব্যতীত আন কাৰো উপাসনা নকৰিবা আৰু পিতৃ-মাতৃৰ লগত সদ্ব্যৱহাৰ কৰিবা। তেওঁলোকৰ কোনোবা এজন নাইবা দুয়ো তোমাৰ জীৱন কালত বার্দ্ধক্য অৱস্থাত উপনীত হয়, তেনেহ'লে তেওঁলোকক 'উহ' বুলিও নক'বা। তেওঁলোকক কেটেৰ-জেঙেৰ নকৰিবা; বৰং তেওঁলোকৰ লগত বিনম্রভাৱে শ্রদ্ধাৰে কথা ক'বা। (২৪) তেওঁলোকৰ আগত বিনম্র আৰু সদয়ভাৱে নত হৈ থাকিবা আৰু ক'বা- 'হে প্রভু, এওঁলোক দুয়োকে কৰুণা কৰা, যেনেদৰে এওঁলোকে মোক শৈশৱত লালন-পালন কৰিছিল।' (২৫) তোমালোকৰ প্রভুৱে ভালকৈয়ে জানে তোমালোকৰ অন্তৰত কি আছে। তোমালোক যদি সৎকর্মশীল হোৱা, তেনেহ'লে তেওঁ তেওঁলোকৰ বাবে অতি ক্ষমাশীল, যিসকলে সততে তেওঁৰ অভিমুখী হৈ থাকে।

(২৬) আত্মীয়-স্বজনক তেওঁলোকৰ প্রাপ্য আদায় দিবা আৰু অভাৱগ্রস্তক আৰু মুছাফিৰক দিবা; কিন্তু অমিতব্যয়ী নহ'বা। (২৭) নিশ্চয় অপব্যয়কাৰীবিলাক ছয়তানৰ ভাতৃ আৰু ছয়তান তাৰ প্রভুৰ প্রতি বৰ অকৃতজ্ঞ। (২৮) তুমি যদি তোমাৰ প্রভুৰ পৰা প্রত্যাশিত কোনো অনুগ্রহৰ অপেক্ষাত থাকোতেই সিহঁতক এৰাই চলিব লগীয়া হয়, তেনেহ'লে সিহঁতক মিঠা মাতেৰে বুজাই দিবা।

(২৯) ডিঙিত হাত বান্ধি নাৰাখিবা (কৃপণালি নকৰিবা) আৰু উন্মুক্ত ভাৱে প্রসাৰিতও নকৰিবা (ধোৱাখুলীয়াও নহ'বা)। এনে কৰিলে নিন্দিত আৰু নিঃস্ব হ'বা। (৩০) তোমাৰ প্রভুৱে যাক ইচ্ছা কৰে, জীৱনোপকৰণৰ প্রাচুর্য দান কৰে আৰু যাক ইচ্ছা কৰে, সংকুচিত কৰি দিয়ে। তেওঁ তেওঁৰ দাসবিলাকক

ভালকৈয়ে জানে আৰু তেওঁলোকক প্ৰত্যক্ষ কৰি আছে।

(৩১) অভাৱগ্ৰস্ততাৰ আশংকাত তোমালোকে তোমালোকৰ সন্তানবিলাকক হত্যা নকৰিবা। আমিয়েই সিহঁতক জীৱনোপকৰণ দান কৰো আৰু তোমালোককো দান কৰো। নিঃসন্দেহ, সিহঁতক হত্যা কৰা এটা মহা পাপ। (৩২) ব্যভিচাৰৰ ওচৰলৈকে নাযাবা। নিশ্চয় ই এটা অশ্লীল কৰ্ম আৰু নিকৃষ্ট পথ।

(৩৩) কোনো প্ৰাণকে হত্যা নকৰিবা যি প্ৰাণক হত্যা কৰিবলৈ নিষেধ কৰিছে ন্যায়সংগত কাৰণ ব্যতিৰেকে। কোনোবা অন্যায়ভাৱে নিহত হ'লে তাৰ উত্তৰাধিকাৰীক আমি প্ৰতিশোধ গ্ৰহণৰ অধিকাৰ দিছো। গতিকে সিহঁতে যেন প্ৰতিশোধৰ বিষয়ত সীমালংঘন নকৰে আৰু নিশ্চয় প্ৰতিপক্ষ (আইন অনুযায়ী) সাহায্যপ্ৰাপ্ত হ'ব।

(৩৪) মাউৰাৰ ধন-সম্পত্তিৰ ওচৰলৈকে নাযাবা সৎ উদ্দেশ্য ব্যতীত যেতিয়ালৈকে সিহঁত প্ৰাপ্ত বয়স্ক নহয়। অংগীকাৰ পূৰ্ণ কৰিবা। তোমালোকৰ প্ৰতিটো অংগীকাৰৰ কৈফিয়ৎ লোৱা হ'ব, যিবোৰ তোমালোকে কৰিছা। (৩৫) পূৰামাত্ৰা মাপি দিবা, যেতিয়া তোমালোকে মাপি দিয়া। ফেৰ নথকা তুলাচনীৰে সঠিক ওজন কৰি দিবা। এইটোৱেই উত্তম নীতি আৰু ইয়াৰ পৰিণামো বৰ ভাল।

(৩৬) যি বিষয়ে তোমাৰ কোনো জ্ঞান নাই, তেনে বিষয়ৰ পিছত লাগি নাথাকিবা। নিশ্চয় কাণ, চকু আৰু অন্তৰ সম্পৰ্কে সকলো মানুহকে সোধা হ'ব। (৩৭) পৃথিৱীত ফুটনি মাৰি ঘূৰি নুফুৰিবা। তুমি পৃথিৱীকো বিদীৰ্ণ কৰিব নোৱাৰা আৰু পৰ্বতমান উচ্চতাও লাভ কৰিব নোৱাৰা। (৩৮) এই সকলো বেয়া কামেই তোমাৰ প্ৰভুৰ ওচৰত ঘৃণনীয়।

(৩৯) এয়া জ্ঞানগৰ্ভ কথাৰ অংশ, সেয়া তোমাৰ প্ৰভুৱে তোমাৰ প্ৰতি অৱতীৰ্ণ কৰিছে। আল্লাহৰ লগত আন কাকো উপাস্য কৰি নল'বা; অন্যথা

নিন্দিত আৰু প্ৰত্যাখিত হৈ নৰকত নিক্ষেপিত হ'বা।

(৪০) কি! তোমালোকৰ প্ৰভুৱে তোমালোকক পুত্ৰ সন্তান দান কৰি ধন্য কৰিছে আৰু স্বয়ং নিজৰ বাবে ফিৰিস্তাসমূহক কন্যা ৰূপে গ্ৰহণ কৰিছে। এয়া নিশ্চয় তোমালোকে জঘন্য মিছা কথা কৈছা। (৪১) আমি এই কুৰআনত (প্ৰকৃত সত্যটো) নানা ভাৱে বৰ্ণনা কৰিছো যাতে সিহঁত সচেতন হয়; কিন্তু ইয়ে সিহঁতৰ পৰান্মুখিতা আৰু বৃদ্ধিহে কৰিলে। (৪২) কোৱা- 'সিহঁতে দাবী কৰাৰ দৰে আল্লাহৰ লগত অন্য কোনো উপাস্য থাকিলহেঁতেন, তেনেহ'লে সিহঁতে মহা সিংহাসনৰ অধিপতিজনৰ ওচৰলৈ যোৱাৰ পথ অন্বেষণ কৰিলেহেঁতেন। (৪৩) তেওঁ অতি পৱিত্ৰ আৰু মহিমান্বিত আৰু সিহঁতে যি কয় তাতকৈ তেওঁ বহু উৰ্ধত। (৪৪) সাতখন আকাশ আৰু পৃথিৱী আৰু ইয়াৰ মাজত যি আছে সকলোৱেই তেওঁৰ পৱিত্ৰতা আৰু মহিমা কীৰ্তন কৰে। এনে কোনো কিছু নাই, যিয়ে তেওঁৰ পৱিত্ৰতা আৰু মহিমা কীৰ্তন নকৰে। কিন্তু সিহঁতে কৰা কীৰ্তন আৰু মহিমা তোমালোকে বুজি নোপোৱা। প্ৰকৃততে তেওঁ সহনশীল, ক্ষমাশীল।

(৪৫) যেতিয়া তুমি কুৰআন পাঠ কৰা, তেতিয়া আমি তোমাৰ আৰু পৰকাল অবিশ্বাসকাৰীবিলাকৰ মাজত এখন অদৃশ্য পৰ্দা আঁৰ দিও। (৪৬) সিহঁতৰ অন্তৰৰ ওপৰত এইবাবে আৱৰণ দিও যাতে সিহঁতে উপলদ্ধি কৰিব নোৱাৰে আৰু সিহঁতৰ কাণ গধুৰ কৰি দিও। তোমাৰ প্ৰভু মাথোন এজন বুলি যেতিয়া তুমি কুৰআনত পঢ়া, তেতিয়া সিহঁতে তাৰ পৰা বিৰক্তিৰে পিঠি দি আঁতৰি যায়।

(৪৭) আমি সেয়া ভালকৈয়ে জানো সিহঁতে কি শুনিব বিচাৰে যেতিয়া তোমাৰ কথা কাণপাতি শুনে আৰু পৰস্পৰে গোপনে আলাপ-আলোচনা কৰে আৰু যেতিয়া অন্যায়কাৰীবিলাকে কয়- 'তোমালোকে এনে এজন মানুহক অনুসৰণ কৰিছা, যিজন যাদুকৰ।' (৪৮) চোৱা, তোমাৰ সম্পৰ্কে সিহঁতে

কেনেবোৰ উপমা দিয়ে! সিহঁত পথভ্ৰষ্ট হ'ল, সেয়ে সিহঁতে সৎপথ পাবলৈ সক্ষম নহয়।

(৪৯) সিহঁতে কয়- 'কি! আমি যেতিয়া হাড় আৰু মাটিত পৰিণত হ'ম, তাৰ পিছতো আমাক পুনৰুত্থিত কৰা হ'বনে?' (৫০) কোৱা- '(হয়) তোমালোক যদি শিল বা লো হৈ যোৱা, (৫১) নাইবা অন্য কোনো বস্তু হোৱা যিটো জী উঠিব বুলি তোমালোকে ধাৰণাও কৰিব নোৱাৰা।' তেতিয়া সিহঁতে সুধিব- 'তেওঁ কোন, যিজনে আমাৰ পুনৰ জীৱনলৈ ঘুৰাই আনিব?' সিহঁতক কোৱা- 'তেৱেঁই, যিজনে তোমালোকক প্ৰথমবাৰ সৃষ্টি কৰিছিল।' তেতিয়া সিহঁতে তোমাৰ ওচৰত মূ�ৰ জোকাৰি জোকাৰি সুধিব- 'সেয়ানো কেতিয়া হ'ব?' কোৱা- 'সম্ভৱতঃ অতি শীঘ্ৰেই হ'ব।' (৫২) সিদিনা তেওঁ তোমালোকক আহ্বান কৰিব আৰু তোমালোকে তেওঁৰ প্ৰশংসা কৰি কৰি তেওঁৰ আহ্বানত উলাই আহিবা আৰু তোমালোকৰ ধাৰণা হ'ব যে অতি কম সময়হে তোমালোকে (পৃথিৱীত) অৱস্থান কৰিছিলা।

(৫৩) মোৰ দাসসকলক কোৱা, সিহঁতে যি কয় সেয়া যেন উত্তম কথা হয়। ছয়তানে সিহঁতৰ মাজত বিৰোধ সৃষ্টি কৰে। প্ৰকৃততে ছয়তান মানুহৰ প্ৰকাশ্য শত্ৰু।

(৫৪) তোমালোকৰ প্ৰভুৱে তোমালোকক ভালকৈয়ে জানে। তেওঁ ইচ্ছা কৰিলে তোমালোকক দয়া কৰিব নাইবা তেওঁ ইচ্ছা কৰিলে তোমালোকক শাস্তি দিব। আমি তোমাক সিহঁতৰ তত্ত্বাৱধায়ক ৰূপে পঠোৱা নাই। (৫৫) আকাশমণ্ডল আৰু পৃথিৱীত থকা প্ৰতিটো বস্তু সম্পৰ্কে তোমাৰ প্ৰভুৱে ভালকৈ জানে। আমি কোনো কোনো ৰছুলক আন কিছুমান ৰছুলতকৈ অধিক মৰ্যাদা প্ৰদান কৰিছো। দাউদক 'যবুৰ' গ্ৰন্থ প্ৰদান কৰিছো।

(৫৬) কোৱা- 'মাতা সিহঁতক, যিবোৰক আল্লাহৰ পৰিৱৰ্তে উপাস্য বুলি দাবী কৰিছা। তোমালোকে জানা যে তোমালোকৰ দুখ দূৰ কৰাৰ

সিহঁতৰ কোনো ক্ষমতা নাই আৰু সেয়া পৰিৱৰ্তন কৰাৰো সামৰ্থ নাই।' (৫৭) সিহঁতে যিবোৰক আহবান কৰে স্বয়ং সিহঁতে নিজেই সিহঁতৰ প্ৰভুৰ সান্নিধ্য অন্বেষণ কৰি আছে যে কোন তেওঁৰ অধিক নিকটৱৰ্তী হ'ব পাৰে। সিহঁতে তেওঁৰ কৰুণা আশা কৰে আৰু তেওঁৰ শাস্তিক ভয় কৰে। বাস্তৱিকতে তোমাৰ প্ৰভুৰ শাস্তি ভয় কৰিব লগা বস্তুই। (৫৮) এনে কোনো জনবসতি নাই যাক আমি কিয়ামতৰ আগেয়ে ধ্বংস নকৰিম বা কঠোৰ শাস্তি নিদিম। এয়া (আল্লাহৰ) পুথিত লিপিবদ্ধ কৰা আছে।

(৫৯) আমি আমাৰ নিদৰ্শন প্ৰেৰণৰ পৰা বিৰত থকাৰ আন একো কাৰণ নাই, কাৰণ মাথোন সিহঁতৰ পূৰ্বৱৰ্তী মানুহবিলাকে সেয়া অস্বীকাৰ কৰিছিল। আমি চামূদ জাতিক প্ৰকাশ্য নিদৰ্শন স্বৰূপে উটজনীক দিছিলো। সিহঁতে তাইক অত্যাচাৰ কৰিলে। আমি কেৱল মানুহক ভয় দেখুৱাবৰ বাবেহে নিদৰ্শনসমূহ প্ৰেৰণ কৰো।

(৬০) আমি তোমাক কৈছিলো যে তোমাৰ প্ৰভুৱে মানুহক পৰিবেষ্টন কৰি আছে। আমি তোমাক যি দৃশ্য দেখুৱালো আৰু সেই গছজোপা, যিজোপা অভিশপ্ত বুলি কুৰআনত বৰ্ণিত হৈছে। এয়া মাথোন মানুহক পৰীক্ষা কৰাৰ বাবেহে। আমি সিহঁতক সতৰ্ক কৰি দিছিলো; কিন্তু ইয়ে সিহঁতৰ অবাধ্যতাৰ মাত্ৰা বৃদ্ধিহে কৰিলে।

(৬১) আমি যেতিয়া ফিৰিস্তাসকলক কৈছিলো- 'আদমৰ প্ৰতি মূৰ নত কৰা', তেতিয়া সকলোৱে মূৰ নত কৰিলে; কিন্তু ইবলিছে নকৰিলে। সি ক'লে- 'মই এনে এজনৰ প্ৰতি নতশিৰ হ'মনে, যাক তুমি বোকা মাটিৰ দ্বাৰা সৃষ্টি কৰিছা?' (৬২) সি আকৌ ক'লে- 'চোৱাছোন এওঁক, যাক তুমি মোতকৈ বেছি মৰ্যাদা দিলা। তুমি যদি মোক কিয়ামতৰ দিনলৈকে অৱকাশ দিয়া, তেনেহ'লে অতি কম সংখ্যক মানুহৰ বাহিৰে মই তাৰ বংশধৰৰ গোটেইবোৰ মানুহক বশীভূত কৰিহে এৰিম।'

(৬৩) আল্লাহে ক'লে- 'দূৰ হ'। জাহান্নামেই হ'ব তোৰ প্ৰতিফল আৰু সিহঁতৰ যিয়ে তোক অনুসৰণ কৰিব তাৰো এয়াই প্ৰতিফল আৰু এয়া হ'ল পূৰ্ণমাত্ৰাৰ প্ৰতিফল। (৬৪) যাগৈ আৰু তই যাকে পাৰ তাকে প্ৰলোভিত কৰ তোৰ কথাৰ দ্বাৰা, সিহঁতক তোৰ অশ্বাৰোহী আৰু পদাতিক বাহিনীৰে আক্ৰমণ কৰ। সিহঁতৰ ধন-সম্পদ আৰু সন্তান-সন্ততিৰো অংশী হৈ ল' আৰু সিহঁতক প্ৰতিশ্ৰুতি দে। ছয়তানৰ প্ৰতিশ্ৰুতি ছলনাৰ বাহিৰে আন একো নহয়। (৬৫) কিন্তু মোৰ প্ৰকৃত সেৱকসকলৰ ওপৰত তোৰ আধিপত্য নৰজিব। কৰ্ম বিধায়ক হিচাবে তোমাৰ প্ৰভুই যথেষ্ট।'

(৬৬) তেৱেঁই তোমালোকৰ প্ৰভু, যিজনে তোমালোকৰ বাবে সমুদ্ৰত জলযান চলাচল কৰায় যাতে তোমালোকে তেওঁৰ অনুগ্ৰহ (জীৱিকা) অনুসন্ধান কৰিব পাৰা। আচলতে তেওঁ তোমালোকৰ প্ৰতি পৰম দয়ালু। (৬৭) সমুদ্ৰত যেতিয়া তোমালোকৰ বিপদ হয়, তেতিয়া তোমালোকে তেওঁকে আহবান কৰা আৰু সিবিলাকক পাহৰি যোৱা, যিবিলাকক তোমালোকে আল্লাহৰ পৰিৱৰ্তে আহবান কৰা। কিন্তু যেতিয়া তেওঁ তোমালোকক তাৰ পৰা উদ্ধাৰ কৰি বামলৈ আনে, তোমালোকে তেওঁৰ প্ৰতি পিঠি দিয়া। প্ৰকৃততে মানুহ বৰ অকৃতজ্ঞ।

(৬৮) তোমালোকে এই বিষয়ে নিশ্চিন্ত হৈ আছা নেকি যে, আল্লাহে তোমালোকক শুকান মাটিতে পুতি নেপেলাব অথবা তেওঁ তোমালোকৰ প্ৰতি শিলা-বৃষ্টিৰে প্ৰবল ধুমুহা নপঠাব? তেতিয়া তোমালোকে তোমালোকৰ কোনো ৰক্ষাকাৰী নাপাবা। (৬৯) নাইবা তোমালোকে এই বিষয়েও নিশ্চিন্ত হৈ আছা নেকি যে তেওঁ তোমালোকক আকৌ এবাৰ সমুদ্ৰলৈ নিনিব আৰু তোমালোকলৈ ভয়ানক ধুমুহা পঠাই তোমালোকক ডুবাই নামাৰিব তোমালোকৰ অকৃতজ্ঞতাৰ কাৰণে। আমাৰ বিপক্ষে তোমালোকক সহায় কৰোতা তাত কোনো নহ'ব।

(৭০) আদম সন্তানক আমি সন্মান প্রদান কৰিছো। জলে-স্থলে চলাচল কৰিবলৈ আমি সিহঁতক বাহন দিছো, জীৱনোপকৰণৰ বাবে ভাল আৰু পৱিত্র বস্তু দান কৰিছো আৰু আমাৰ বহু সৃষ্টিৰ ওপৰত শ্রেষ্ঠত্ব দান কৰিছো।

(৭১) সিদিনাখন নিশ্চয় আহিব, যেতিয়া আমি মানুহবিলাকক সিহঁতৰ নেতাৰ সৈতে আহবান কৰিম। তেতিয়া যিসকলক তেওঁলোকৰ কর্ম বিৱৰণি সোঁহাতত দিয়া হ'ব, তেওঁলোকে নিজ কর্ম বিৱৰণি (উৎকণ্ঠাৰে) পঢ়িব আৰু তেওঁলোকৰ প্রতি তিল পৰিমাণো অন্যায় কৰা নহ'ব। (৭২) আৰু যেয়ে এই পৃথিৱীত অন্ধ হৈ আছিল, পৰকালতো অন্ধ হৈয়ে থাকিব; বৰং সি (সৎ) পথৰ পৰা অনেক দূৰত পৰি ৰ'ব।

(৭৩) আমি তোমাৰ প্রতি প্রত্যাদেশ পঠাইছো, তাৰ পৰা তোমাৰ পদস্খলন ঘটাবলৈ সিহঁতে আপ্রাণ চেষ্টা কৰিছে যাতে তুমি মোৰ নামত মিছা ৰচনা কৰা। এনে কৰিলে সিহঁতে তোমাক ঘনিষ্ঠ বন্ধু কৰি ল'ব। (৭৪) আমি যদি তোমাক অবিচলিত কৰি নাৰাখিলোহেঁতেন, তেনেহ'লে তুমি সিহঁতৰ প্রতি কিঞ্চিত ঢাল খালাহেঁতেন। (৭৫) এই বাবে আমি তোমাক ইহকালতে দুগুণ শাস্তি দিলোহেঁতেন আৰু পৰকালতো দুগুণকৈ শাস্তি দিলোহেঁতেন। তেতিয়া তুমি আমাৰ বিপক্ষে কোনো সাহায্যকাৰী নাপালাহেঁতেন।

(৭৬) সিহঁতে তোমাক উচ্ছেদ কৰিবলৈ আপ্রাণ চেষ্টা কৰিছিল যাতে তোমাক সেই দেশৰ পৰা বহিস্কাৰ কৰিব পাৰে; কিন্তু তেনে কৰাহেঁতেন, সিহঁত তাত বেছি দিন তিষ্ঠি থাকিব নোৱাৰিলেহেঁতেন। (৭৭) এয়াই আমাৰ নীতি আৰু তোমাৰ পূর্বে পঠোৱা ৰছুলসকলৰ ক্ষেত্রতো এই নিয়মেই আছিল। আমাৰ নীতিত তুমি কোনো পৰিৱর্তন নোপোৱা।

(৭৮) নামাজ প্রতিষ্ঠা কৰা সূর্য ঢাল খোৱাৰ পৰা ৰাতিৰ অন্ধকাৰ আচ্ছন্ন হোৱালৈকে আৰু বিশেষভাৱে ফজৰৰ নামাজৰ কুৰআন পাঠ। কিয়নো ফজৰৰ কুৰআন পাঠ লক্ষ্য কৰা হয়। (৭৯) ৰাতিৰ এভাগত তাহাজ্জুদ নামাজ

পঢ়া। এয়া তোমাৰ বাবে অতিৰিক্ত নামাজ। হয়তো তোমাৰ প্ৰভুৱে তোমাক প্ৰশংসিত স্থানলৈ উন্নিত কৰিব।

(৮০) কোৱা- 'হে প্ৰভু, মোক সন্মানৰ সৈতে প্ৰৱেশ কৰাবা আৰু সন্মানৰ সৈতে উলিয়াই নিবা। তোমাৰ শক্তিৰ পৰা মোক সহায়ক প্ৰদান কৰা।' (৮১) কোৱা- 'সত্য আহিল আৰু অসত্য বিলোপ হ'ল। অসত্য সৰ্বদা বিলোপ হোৱাটো অনিবাৰ্য।'

(৮২) আমি কু�ৰআনত এনে কিছুমান অৱতীৰ্ণ কৰিছো, যি মুমিনসকলৰ কাৰণে আৰোগ্যকাৰক আৰু কৰুণা। আনহাতে অন্যায়কাৰীবিলাকৰ কেৱল ক্ষতিহে বৃদ্ধি হয়।

(৮৩) আমি যেতিয়া মানুহক উপকাৰ কৰো, সি মুখ ঘূৰায় আৰু আঁতৰি যায়। আকৌ যেতিয়া সি বিপদগ্ৰস্ত হয়, নিৰাশ হৈ পৰে। (৮৪) সিহঁতক কোৱা- 'প্ৰত্যেকে নিজৰ ৰীতিমতে কাম কৰি আছে; কিন্তু তোমাৰ প্ৰভুৱে ভালকৈ জানে কোন সঠিক পথত আছে।'

(৮৫) সিহঁতে তোমাক 'ৰূহ' সম্পৰ্কে সোধে, সিহঁতক কোৱা- 'এই ৰূহ মোৰ প্ৰভুৰ আদেশ আৰু এই বিষয়ে তোমালোকক সামান্য জ্ঞানহে দান কৰা হৈছে।' (৮৬) আমি ইচ্ছা কৰিলে তোমাৰ প্ৰতি যি প্ৰত্যাদেশ কৰা হৈছে, সেয়া প্ৰত্যাহাৰ কৰিব পাৰো, তেতিয়া আমাৰ বিৰুদ্ধে তোমাৰ কোনো সহায়ক নহ'ব। (৮৭) এয়া কেৱল তোমাৰ প্ৰভুৰ একান্ত অনুগ্ৰহ। তোমাৰ প্ৰতি তেওঁৰ অনুগ্ৰহ অসীম।

(৮৮) কোৱা- 'সকলো মানুহ আৰু জ্বিন লগ লাগি সংঘবদ্ধ হৈ এই কুৰআনৰ অনুৰূপ পুথি ৰচনা কৰিবলৈ চেষ্টা নকৰক কিয়, সিহঁতে অনুৰূপ ৰচনা কৰিব নোৱাৰে। লাগিলে সিহঁতে ইজনে সিজনক যিমানেই সহায় নকৰক কিয়?'

(৮৯) এই কুৰআনত আমি বিভিন্ন উপমা বিশদভাৱে দিছো মানুহক

বুজাবলৈ; কিন্তু সৰহভাগ মানুহ সেই সত্য অস্বীকাৰতে দৃঢ় সংকল্প হৈ থাকিল। (৯০) সিহঁতে ক'লে- 'আমি তোমাৰ কথা কেতিয়াও বিশ্বাস নকৰো, যেতিয়ালৈকে তুমি আমাৰ বাবে পৃথিৱীৰ গৰ্ভৰ পৰা এটি নিজৰা প্ৰবাহিত কৰি নিদিয়া, (৯১) নাইবা তোমাৰ এখন খেজুৰ আৰু আঙ্গুৰৰ বাগান নহয় আৰু তাৰ মাজেৰে তুমি নিজৰা প্ৰবাহিত কৰি নিদিয়া; (৯২) অথবা আকাশৰ পৰা এডোখৰ ভাঙি আমাৰ ওপৰত পেলাই নিদিয়া তুমি দাবী কৰাৰ দৰে; নাইবা আল্লাহ আৰু ফি�ৰিস্তাক আমাৰ সন্মুখত উপস্থিত কৰি নিদিয়া; (৯৩) নাইবা তোমাৰ এটি সোণৰ ঘৰ নহয় বা তুমি আকাশত আৰোহণ নকৰা আৰু আমি তোমাৰ এই আৰোহণক বিশ্বাস নকৰো যেতিয়ালৈকে তুমি আমাৰ বাবে এখন পুথি লৈ নাহা যিখন আমি পঢ়ি চাব পাৰো।' সিহঁতক কোৱা- 'পৱিত্ৰ মোৰ প্ৰভু। মই এজন মানুহহে, মোক বাৰ্তাবাহক হিচাবেহে পঠোৱা হৈছে।'

(৯৪) মানুহৰ ওচৰলৈ যেতিয়া পথ নিদৰ্শনা আহে, তেতিয়া তেওঁৰ প্ৰতি বিশ্বাস স্থাপন কৰিবলৈ ক'লে, সিহঁতে মাথোন ইয়াকে কয়- 'আল্লাহেনো মানৱ এজনক ৰছুল কৰি পঠিয়াইছেনে?' (৯৫) কোৱা- 'পৃথিৱীত যদি ফি�ৰিস্তাই বিচৰণ কৰি থাকিলহেঁতেন, নিশ্চয় আমি আকাশৰ পৰা ফি�ৰিস্তা এজনকে সিহঁতৰ বাবে ৰছুল হিচাবে পঠিয়ালোহেঁতেন।' (৯৬) কোৱা- 'মোৰ আৰু তোমালোকৰ মাজত সাক্ষী হিচাবে আল্লাহেই যথেষ্ট। নিশ্চয় তেওঁ তেওঁৰ সেৱকসকলক ভালকৈ জানে আৰু তেওঁ সকলো দেখি আছে।

(৯৭) আল্লাহে যাক সুপথ দেখুৱায়, সিহে সুপথ পায়। তেওঁ যাক পথভ্ৰষ্ট কৰে, সিহঁতৰ বাবে আল্লাহৰ বাহিৰে তুমি আন কাকো সহায়কাৰী হিচাবে নোপোৱা। কিয়ামতৰ দিনা আমি সিহঁতক উবুৰি খুৱাই অন্ধ, বোবা আৰু বধিৰ অৱস্থাত সমবেত কৰিম। সিহঁতৰ বাসস্থল জাহান্নাম। জাহান্নামৰ জুই নিস্তেজ হৈ আহিলেই আমি সিহঁতৰ বাবে জুইকুৰা আকৌ বঢ়াই দিম।

(৯৮) এয়াই সিহঁতৰ প্ৰতিফল। কিয়নো সিহঁতে আমাৰ নিদৰ্শনসমূহ অস্বীকাৰ কৰিছিল আৰু কৈছিল- 'আমি হাড়-মাটিত পৰিণত হোৱাৰ পিছতো আমাক নতুন সৃষ্টি ৰূপে উত্থিত কৰা হ'বনে?'

(৯৯) সিহঁতে দেখা নাইনে, যিজনে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে, তেওঁ সিহঁতৰ অনুৰূপ পুনৰ সৃষ্টি কৰিবলৈ সক্ষম নহয়নে? তেওঁ সিহঁতৰ বাবে এটি নিৰ্দিষ্ট কাল নিৰ্ণয় কৰি ৰাখিছে। এই বিষয়ে কোনো সন্দেহ নাই। কিন্তু অন্যায়কাৰীবিলাকে সেয়া অস্বীকাৰ কৰিয়েই থাকিব। (১০০) কোৱা- 'যদিও তোমালোকে মোৰ কৰুণাৰ ভাণ্ডাৰৰ অধিকাৰী হ'লাহেঁতেন, তথাপিও সেয়া খৰচ হোৱাৰ আশংকাত নিশ্চয় ধৰি ৰাখিলাহেঁতেন। প্ৰকৃততে মানুহ অতি সংকীৰ্ণমনা।'

(১০১) আমি মূছাক নটা প্ৰকাশ্য নিদৰ্শন দিছিলো। ইছ্ৰাঈল বংশধৰসকলক সুধি চোৱা। তেওঁ যেতিয়া সিহঁতৰ ওচৰলৈ আহিছিল, তেতিয়া ফিৰাউনে কৈছিল- 'হে মূছা, মোৰ ধাৰণা তোমাক যাদু কৰা হৈছে।' (১০২) তেওঁ ক'লে- 'তুমি ভালকৈয়ে জানা যে এই নিদৰ্শনবিলাক আকাশমণ্ডল আৰু পৃথিৱীৰ প্ৰভুৰ বিনে আন কোনোৱে অৱতীৰ্ণ কৰা নাই প্ৰত্যক্ষ প্ৰমাণ হিচাবে। হে ফিৰাউন, মোৰ ধাৰণা তুমি ধ্বংস হ'বলৈ ধৰিছা।' (১০৩) ফিৰাউনে তেওঁলোকক দেশৰ পৰা উৎখাৎ কৰিবলৈ মনস্থ কৰিলে। কিন্তু আমি তাক আৰু সঙ্গী-সাৰথি আটাইবিলাককে পানীত ডুবাই মাৰিলো। (১০৪) ইয়াৰ পিছত আমি ইছ্ৰাঈল বংশৰ মানুহবিলাকক ক'লো- 'এই দেশত বসবাস কৰা। যেতিয়া পৰকালৰ প্ৰতিশ্ৰুতি বাস্তৱায়িত হ'বলৈ ধৰিব, তেতিয়া আমি তোমালোক সকলোকে সমবেত কৰি উপস্থিত কৰিম।'

(১০৫) এই কুৰআনক আমি সত্যসহ অৱতীৰ্ণ কৰিছো আৰু ই সত্য সহকাৰেই অৱতীৰ্ণ হৈছে। আমি তোমাক কেৱল মাথোন শুভ সংবাদদাতা আৰু সতৰ্ককাৰী ৰূপেহে পঠাইছো। (১০৬) আমি কুৰআনক অলপ অলপকৈ

অৱতীর্ণ কৰিছো যাতে তুমি সেয়া মানুহক ক্রমে ক্রমে পাঠ কৰি শুনাব পাৰা আৰু আমি সেয়া পর্যায়ক্রমে অৱতীর্ণ কৰিছো।

(১০৭) সিহঁতক কোৱা- 'তোমালোকে এয়া বিশ্বাস কৰা বা নকৰা, যিসকলক ইতিপূর্বে জ্ঞান দিয়া হৈছিল, তেওঁলোকক যেতিয়া এয়া পাঠ কৰি শুনোৱা হয়, তেতিয়া তেওঁলোকে নতশিৰে ছিজদা কৰে।' (১০৮) তেওঁলোকে কয়- 'আমাৰ প্রভু পৰিত্র। নিশ্চয় আমাৰ প্রভুৰ প্রতিশ্রুতি পূর্ণ হ'বই।' (১০৯) তেওঁলোকে কান্দি কান্দি তলমূৰ কৰি পৰি যায় আৰু এয়াই (কুৰআনে) তেওঁলোকৰ বিনয় বৃদ্ধি কৰে।

(১১০) কোৱা- 'আল্লাহ' বুলিয়েই মাতা বা 'ৰহমান' বুলিয়েই মাতা, যি নামেৰেই নামাতা কিয়, সকলো ভাল নাম তেওঁৰেই। নামাজ পঢ়োতে খুব উচ্চস্বৰে নপঢ়িবা আৰু নিচেই মৃদু স্বৰেও নপঢ়িবা। দুয়োৰে মধ্যম স্তৰত পঢ়িবা।' (১১১) আকৌ কোৱা- 'সকলো প্রশংসা আল্লাহৰেই, যিজনাই কোনো পুত্র গ্রহণ কৰা নাই আৰু যাৰ আধিপত্যত কাৰো কোনো অংশী নাই আৰু তেওঁ এনে শক্তিহীনো নহয়, যাৰ বাবে তেওঁৰ কোনো সহায়ক আছে। সেয়ে তুমি সসম্ভ্রমে তেওঁৰ মাহাত্ম্য ঘোষণা কৰা।'

১৮. আল-কাহাফ (গুহা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) সকলো প্রশংসা আল্লাহৰ বাবে, যিজনাই তেওঁৰ দাসৰ প্রতি এই পুথি অৱতীর্ণ কৰিছে। ইয়াত কোনো বক্রতাৰ অৱকাশ নাই। (২) এইখন সৰল সঠিক যাতে আল্লাহৰ পক্ষৰ পৰা কঠোৰ শাস্তিৰ প্রতি সতর্ক কৰি দিব পাৰে আৰু বিশ্বাস স্থাপনকাৰীসকলক সুসংবাদ দিয়ে যে, যিসকলে সৎকর্ম কৰে, তেওঁলোকৰ বাবে উত্তম পুৰস্কাৰ আছে- (৩) য'ত তেওঁলোক চিৰকাল থাকিব; (৪) আৰু সেইবিলাকক সতর্ক কৰি দিব পাৰে, যিবিলাকে কয়-

'আল্লাহে নিজৰ বাবে পুত্ৰ সন্তান গ্ৰহণ কৰিছে।' (৫) এই বিষয়ে সিহঁতৰ কোনো জ্ঞান নাই আৰু সিহঁতৰ পূৰ্বপুৰুষসকলৰো নাছিল। সিহঁতৰ মুখৰ পৰা যিবোৰ ওলায়, সেয়া অতি জঘন্য কথা। দৰাচলতে সিহঁতে মিছা কথাহে কয়।

(৬) হয়তো, তুমি সিহঁতৰ বাবে শোকাকুল হৈ নিজৰ জীৱনকে নাশ কৰিবা সিহঁতে এই কথা বিশ্বাস নকৰা বাবে। (৭) আমি পৃথিৱীখন আকৰ্ষণীয় বস্তুৰে সজ্জিত কৰিছো যাতে আমি মানুহক পৰীক্ষা কৰিব পাৰো কোনে ভাল কাম কৰে, (৮) আৰু আমি এইবোৰ তৃণহীন শুকান ভূমিলৈ পৰিণত কৰিম।

(৯) তুমি জানানে, গুহাবাসী আৰু ফলকধাৰীসকল আমাৰ নিদৰ্শন সমূহৰ অন্যতম এক বিস্ময়কৰ নিদৰ্শন আছিল? (১০) যেতিয়া সেই যুৱক কেইজনে গুহাত আশ্ৰয় লৈছিল, তেতিয়া কৈছিল- 'হে আমাৰ প্ৰভু, তোমাৰ পৰা আমাক বিশেষ কৰুণা দান কৰা আৰু আমাৰ কাম-কাজবোৰ সঠিক ভাৱে পৰিচালনা কৰা।' (১১) তেতিয়া আমি গুহাৰ ভিতৰতে তেওঁলোকক বহু কেইবছৰমানৰ বাবে গভীৰ নিদ্ৰাত ৰাখিলো। (১২) তাৰ পিছত আমি তেওঁলোকক পুনৰ জগাই দিলো যাতে তেওঁলোকে জানিব পাৰে যে তেওঁলোকৰ দুদলৰ কোন দলে অৱস্থান কালৰ সঠিক সময় ক'ব পাৰে।

(১৩) আমি তোমাৰ আগত তেওঁলোকৰ বৃত্তান্তৰ সঠিক বৰ্ণনা দিলো। তেওঁলোক আছিল কেইজনমান যুৱক। তেওঁলোকে তেওঁলোকৰ প্ৰভুৰ প্ৰতি বিশ্বাস স্থাপন কৰিছিল আৰু আমি তেওঁলোকক সুপথ প্ৰদৰ্শনৰ মাত্ৰা অধিক বৃদ্ধি কৰি দিছিলো। (১৪) আমি তেওঁলোকৰ চিত্ত সুদৃঢ় কৰি দিছিলো। যেতিয়া তেওঁলোকে সাৰ পালে, তেতিয়া ক'লে- 'তেৰেঁই আমাৰ প্ৰভু, যিজন আকাশমণ্ডল আৰু পৃথিৱীৰ প্ৰভু। তেওঁৰ বাহিৰে আমি আন কাকো উপাস্য ৰূপে কদাপিও গ্ৰহণ নকৰো। তেনে কৰিলে, সেয়া অতি গৰ্হিত কথা হ'ব।

(১৫) আমাৰ জাতিৰ এই মানুহবিলাকে তেওঁৰ পৰিৱর্তে আনক উপাস্য কৰি লৈছে। ইহঁতে তেওঁলোকৰ সম্পর্কে কোনো স্পষ্ট দলীল-প্রমাণ উত্থাপন নকৰে কিয়? এনে ব্যক্তিতকৈ আন কোন বেছি অবিচাৰী হ'ব পাৰে, যিয়ে আল্লাহ সম্বন্ধে মিছা ৰচনা কৰে?'

(১৬) 'এতিয়া যিহেতু তোমালোকে সিহঁতক বর্জন কৰিছা আৰু সিহঁতৰ উপাস্যবোৰকো যিবোৰক সিহঁতে উপাসনা কৰে, সেয়ে তোমালোকে সেই গুহাতেই আশ্রয় লোৱাগৈ। তোমালোকৰ প্রভুৱে তোমালোকৰ প্রতি কৃপা বিস্তাৰ কৰিব আৰু তোমালোকৰ কাম-কাজসমূহ সহজ সাধ্য কৰি দিব।'

(১৭) তেওঁলোকক গুহাৰ ভিতৰত দেখা হেঁতেন, এনে লাগিলহেঁতেন যে সূর্য যেতিয়া উদয় হয়, তেতিয়া সিহঁতৰ গুহাৰ পৰা ফালৰি কাটি সোঁফালে ঢাল খায় আৰু যেতিয়া অস্ত যায়, সিহঁতৰ গুহাৰ পৰা ফালৰি কাটি বাওঁদিশে লহিয়ায়। সিহঁত গুহাৰ ভিতৰত এখন আহল-বহল চোতালত শুই আছিল। এয়া আল্লাহৰ এটা নিদর্শন। আল্লাহে যাক পথ দেখুৱায়, তেওঁ সুপথপ্রাপ্ত হয় আৰু তেওঁ যাক পথভ্রষ্ট কৰে, তাৰে বাবে তুমি কোনো পথ প্রদর্শক বা সহায়ক নাপাবা।

(১৮) তেওঁলোকক দেখিলে তোমালোকৰ ধাৰণা হ'লহেঁতেন যে তেওঁলোক সাৰে আছে, অথচ তেওঁলোক টোপনিত আছে। আমি তেওঁলোকক সোঁ আৰু বাওঁফালে বাগৰ সলোৱাই ইকাতি -সিকাতি কৰি দিছিলো। তেওঁলোকৰ কুকুৰটো গুহাৰ মুখত ঠেং মেলি বহি আছিল। তুমি যদি ভুমুকি মাৰি চালাহেঁতেন, তুমি সিহঁতৰ পৰা পলাই পত্রং দিলাহেঁতেন আৰু তেওঁলোকৰ ভয়ত থৰহৰি কম্পমান হ'লাহেঁতেন।

(১৯) নির্ধাৰিত সময়ত আমি তেওঁলোকক জাগ্রত কৰিলো যাতে তেওঁলোক ইজনে সিজনক সুধাসুধি কৰে। তেওঁলোকৰ এজনে সুধিলে- 'তোমালোকে এনে অৱস্থাত কিমান দিন আছিলা?' তেওঁলোকে ক'লে- 'এদিন

কি এবেলাহে আছিলো।' আনবিলাকে ক'লে- 'তোমালোকৰ প্ৰভুৱে ভালকৈ জানে এনে অৱস্থাত তোমালোক কিমান দিন আছিলা। এতিয়া তোমালোকৰ এজনক এই ৰূপৰ মুদ্ৰা দি নগৰলৈ পঠিয়াই দিয়া ক'ত ভাল খাদ্য পোৱা যায়, চাই-চিতি কিছু আহাৰ লৈ আহিব। কিন্তু সতৰ্ক হ'ব লাগিব যাতে তোমালোকৰ বিষয়ে কোনোৱে ভু নাপায়। (২০) যদি সিহঁতে কেনেবাকৈ সন্ধেদ পায়, তেনেহ'লে শিলগুটি দলিয়াই মাৰি পেলাব নাইবা বলপূৰ্বক ধৰ্মান্তৰ কৰিব। এনে কৰিলে তোমালোক কেতিয়াও সফল হ'ব নোৱাৰিবা।'

(২১) এইদৰে আমি মানুহক তেওঁলোকৰ বিষয়ে অৱগত কৰালো যাতে মানুহে জানিব পাৰে যে আল্লাহৰ প্ৰতিশ্ৰুতি সত্য আৰু কিয়ামত যে সংঘটিত হ'ব তাত কোনো সন্দেহ নাই। তেওঁলোকক লৈ মানুহবিলাকৰ পৰস্পৰৰ ভিতৰতে বাদানুবাদ হৈছিল। সিহঁতে কৈছিল- 'তেওঁলোকৰ ওপৰত এটা সৌধ নিমাৰ্ণ কৰা হওক। তেওঁলোকৰ প্ৰভুৱে তেওঁলোকৰ বিষয়ে ভালকৈয়ে জানে।' তেওঁলোকৰ সম্পৰ্কত যিবিলাকৰ মত সবল হ'ল, সিহঁতে ক'লে- 'নিশ্চয় আমি তেওঁলোকৰ ওপৰত এটি উপাসনালয় নিমাৰ্ণ কৰিম।'

(২২) কিছুমানে কয়- 'তেওঁলোক তিনিজন আছিল, চতুৰ্থ আছিল কুকুৰটো।' আন কিছুমানে কয়- 'তেওঁলোক পাঁচজন আছিল, ষষ্ঠ আছিল কুকুৰটো।' এয়া আন্দাজ-অনুমানৰ ভিত্তিত কয়। আন কিছুমানে কয়- 'তেওঁলোক সাতজন আছিল, অষ্টম আছিল কুকুৰটো।' কোৱা- 'তেওঁলোকৰ সংখ্যাৰ বিষয়ে মোৰ প্ৰভুৱে ভালকৈ জানে।' তেওঁলোকৰ বিষয়ে অতি কম সংখ্যক মানুহে জানে। সেয়ে তেওঁলোকৰ বিষয়ে বিতৰ্ক নকৰিবা নাইবা তেওঁলোকৰ বিষয়ে কাকো একো নুসুধিবা। (২৩) কেতিয়াও কোনো কথা এনেদৰে নক'বা- 'মই এইটো কাইলৈ কৰিম', (২৪) 'আল্লাহে ইচ্ছা কৰিলে' কথাষাৰ যোগ নিদিয়াকৈ। যদি পাহৰি যোৱা, ততালিকে তোমাৰ প্ৰভুক সুৱৰিবা আৰু ক'বা- 'আশা কৰো মোৰ প্ৰভুৱে মোক ইয়াতকৈ বেছি ওচৰৰ সত্যৰ

পথ দেখুৱাব।'

(২৫) (কিছুমানে কয়)- 'তেওঁলোকে তেওঁলোকৰ গুহাত তিনিশ বছৰ আছিল।' কিছুমানে আৰু যোগ কৰি ন বছৰ বঢ়ালে। (২৬) কোৱা- 'আল্লাহে ভালকৈ জানে, তেওঁলোকে কিমান দিন অৱস্থান কৰিছিল।' আকাশমণ্ডল আৰু পৃথিৱীৰ সকলো গোপন তত্ত্ব আল্লাহৰ জনা আছে। কেনে ভালদৰে তেওঁ দেখে আৰু কেনে ভালদৰে তেওঁ শুনে। তেওঁৰ বাহিৰে আন কোনো পৃষ্ঠপোষক নাই। তেওঁৰ কৰ্তৃত্বত তেওঁ কাকো অংশী নকৰে।

(২৭) তোমাৰ প্ৰভুৰ পুথিৰ পৰা তোমাৰ প্ৰতি যি অৱতীৰ্ণ হৈছে, সেয়া পাঠ কৰি শুনোৱা। তেওঁৰ বাণী কোনোৱে পৰিৱৰ্তন কৰিব নোৱাৰে। তেওঁৰ বাহিৰে আন কোনো আশ্ৰয়স্থল নাপাবা। (২৮) তুমি তেওঁলোকৰ লগত সুসম্পৰ্ক ৰাখিবা, যিসকলে পুৱা-গধূলি তেওঁলোকৰ প্ৰভুকে স্তুতি কৰে, তেওঁলোকৰ প্ৰভুৰ সন্তুষ্টিৰ বাবে কৰে। পাৰ্থিৱ জীৱনৰ শোভা-সৌন্দৰ্য কামনা কৰি তোমাৰ দৃষ্টি তেওঁলোকৰ পৰা আঁতৰাই নিনিবা। তুমি এনে ব্যক্তিৰ আনুগত্য নকৰিবা যাৰ অন্তৰ আমি আমাৰ স্মৰণৰ প্ৰতি অমনোযোগী কৰি দিছো, যি নিজ প্ৰবৃত্তিৰ কামনা অনুসৰি চলে আৰু সীমা চেৰাই যোৱাই যাৰ নীতি।

(২৯) কোৱা- 'এয়াই মহা সত্য, তোমাৰ প্ৰভুৰ পৰা আহিছে। যাৰ ইচ্ছা বিশ্বাস কৰক আৰু যাৰ ইচ্ছা প্ৰত্যাখ্যান কৰক।' অন্যায়কাৰীবিলাকৰ বাবে আমি একুৰা জুই প্ৰস্তুত কৰি ৰাখিছো যাৰ লেলিহান শিখাই সিহঁতক পৰিবেষ্টন কৰি ৰাখিছে। সিহঁতে পানী বিচাৰিলে, সিহঁতক গলিত ধাতুৰ দৰে এনে পানীয় দিয়া হ'ব, যিয়ে সিহঁতৰ মুখমণ্ডল দেইপুৰি নিব। কিমান যে নিকৃষ্ট সেই পানীয় আৰু কিমান যে জঘন্য সেই আশ্ৰয়স্থল!

(৩০) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, আমি তেওঁলোকৰ কৰ্মফল কেতিয়াও অথলে যাবলৈ নিদিও। (৩১) তেওঁলোক

চিৰস্থায়ী জান্নাতৰ বাগিচাত থাকিব। তাত তেওঁলোকৰ পাদতলেৰে নিজৰাসমূহ প্ৰবাহিত হৈ থাকিব। তাত তেওঁলোকক সোণৰ অলংকাৰেৰে অলংকৃত কৰা হ'ব। তেওঁলোকে মিহি পাট আৰু সিংখাপৰ সেউজীয়া ৰঙৰ বস্ত্ৰ পৰিধান কৰিব আৰু সুকোমল উচ্চ আসনত আউজি বহিব। এয়া কিমান যে উৎকৃষ্ট কৰ্মফল আৰু কিমান যে উত্তম আশ্ৰয়স্থল!

(৩২) সিহঁতক মানুহ দুজনৰ সেই কাহিনীটো শুনোৱা। সিহঁতৰ এজনক দুখন আঙ্গুৰৰ বাগান দিছিলো। ইয়াৰ কেউকাযে খেজুৰৰ গছ আৰু দুয়োখন বাগানৰ মাজত এখন খেতি পথাৰ। (৩৩) প্ৰতিখন বাগানত প্ৰচুৰ পৰিমাণে ফল-মূল উৎপন্ন হৈছিল, কোনো ব্যতিক্ৰম হোৱা নাছিল। দুয়োখন বাগানৰ মাজেৰে আমি এটা জান প্ৰবাহিত কৰি দিছিলো। (৩৪) সি প্ৰচুৰ ফল পালে। কথা প্ৰসংগত সি তাৰ লগৰীয়াজনক ক'লে- 'তোমাতকৈ মোৰ ধন-সম্পদ বেছি আৰু অনুগামীৰ সংখ্যাও মোৰ বেছি।' (৩৫) এইদৰে সি নিজেই নিজৰ ক্ষতি কৰিলে আৰু তাৰ নিজ বাগানত প্ৰৱেশ কৰি ক'লে- 'মই নাভাবো যে এয়া কেতিয়াবা ধ্বংস হ'ব। (৩৬) আৰু কেতিয়াবা কিয়ামত সংঘটিত হ'ব বুলিও মই বিশ্বাস নকৰো। যদি কেতিয়াবা মোৰ প্ৰভুৰ ওচৰলৈ মোক ঘুৰাই নিয়া হয়, তেনেহ'লে নিশ্চয় মই ইয়াতকৈ উৎকৃষ্ট স্থানহে পাম।'

(৩৭) তাৰ সংগীজনে তেওঁলোকৰ আলোচনা প্ৰসংগতে তাক ক'লে- 'তুমি সেইজন সত্তাক অস্বীকাৰ কৰানে, যিজনে তোমাক সৃষ্টি কৰিছে মাটিৰ পৰা, তাৰ পিছত এটোপা তৰল পদাৰ্থৰ পৰা আৰু তাৰ পিছত তোমাক পূৰ্ণ মানৰ আকৃতি দান কৰিছে? (৩৮) পিছে মোৰ কথা হ'ল- কেৱল মাথো আল্লাহ মোৰ প্ৰভু আৰু মই তেওঁৰ লগত আন কাকো অংশী নকৰো।' (৩৯) তুমি যেতিয়া বাগানত প্ৰৱেশ কৰিছিলা, তেতিয়া কিয় এনেদৰে কোৱা নাছিলা যে- 'আল্লাহে যি ইচ্ছা কৰে (সেয়ে হয়), ৰক্ষা কৰাৰ ক্ষমতা আল্লাহৰ বাহিৰে আন কাৰো নাই।' যদিও তুমি তোমাৰ ধন-সম্পদ আৰু সতি-সন্ততিতকৈ মোক

হীন দেখিছা, (৪০) হয়তো মোৰ প্ৰভুৱে মোক তোমাৰ বাগানতকৈ উৎকৃষ্ট বস্তু দান কৰিব আৰু আকাশৰ পৰা কোনো বিপৰ্যয় তোমাৰ বাগানলৈ পঠাব আৰু সেয়া ভষ্ম টকলা ভূমিত পৰিণত কৰিব। (৪১) নাইবা তাৰ পানী মাটিৰ তলত শুকাই যাব আৰু সেই পানী তুমি কেতিয়াও কোনো পধ্যে উলিয়াই আনিব নোৱাৰা।'

(৪২) শেষত সেয়াই হ'ল আৰু তাৰ সকলো ফল-মূল নষ্ট হ'ল। আঙ্গুৰৰ গছবোৰ হেদালিৰ সৈতে ভাঙি-ছিণ্ডি পৰি থকা দেখি সি তাত বিনিয়োগ কৰা পুজিৰ বাবে হাত মোহাৰি মোহাৰি ক'বলৈ ধৰিলে- 'হায়! মই যদি মোৰ প্ৰভুৰ লগত আন কাকো অংশী কৰি নল'লোহেঁতেন!' (৪৩) তাৰ এনে কোনো বাহিনী নাছিল যিয়ে আল্লাহৰ বিৰুদ্ধে তাক সহায় কৰিব পাৰে নাইবা সি নিজে তাৰ প্ৰতিকাৰ কৰিবলৈও সমর্থ নহ'ল। (৪৪) সকলো সাহায্যৰ মূল আল্লাহ, তেৱেঁই সত্য উপাস্য। তেৱেঁই উত্তম পুৰস্কাৰদাতা আৰু তেওঁ দিয়া প্ৰতিদানো শ্ৰেষ্ঠ।

(৪৫) সিহঁতক এই পার্থিৱ জীৱনৰ এটা উপমা দিয়া। এয়া যেনিবা পৃথিৱীৰ গছ-গছনি, তৰু-লতা, বৰষুণৰ পানী পৰিলে এইবোৰ উৎপন্ন হয়, যি পানী আমি আকাশৰ পৰা বর্ষণ কৰো। ইয়াৰ পিছত সেইবোৰ শুকাই ভাগি-ছিগি ক্ষুদ্ৰ হয় আৰু বতাহে সেইবোৰ উৰাই নিয়ে। আল্লাহে সকলো কৰিবলৈ সক্ষম। (৪৬) ধন-সম্পদ আৰু সন্তান-সন্ততি পার্থিৱ জীৱনৰ শোভা মাথোন। আনহাতে স্থায়ী সৎকর্মৰ ফল হ'ল তোমাৰ প্ৰভুৰ উত্তম প্ৰতিদান আৰু এয়া আশা কৰাতকৈও উত্তম।

(৪৭) যিদিনা আমি পর্বতবোৰ সঞ্চালন কৰিম আৰু তুমি পৃথিৱীখনক এখন সমতল ভূমিৰ ৰূপত দেখিবা আৰু আমি সকলো মানুহকে একেলগে সমবেত কৰিম, সিহঁতৰ কোনো এজনো বাদ নপৰিব। (৪৮) সিহঁতক তোমাৰ প্ৰভুৰ সন্মুখত শাৰীবদ্ধভাৱে থিয় কৰোৱা হ'ব আৰু তেওঁ সিহঁতক ক'ব-

‘এতিয়া তোমালোকে আমাৰ ওচৰলৈ আহিছা যেনেদৰে আমি তোমালোকক প্ৰথমবাৰ সৃষ্টি কৰিছিলো। কিন্তু তোমালোকে ভাবিছিলা যে আমি তোমালোকৰ বাবে কোনো প্ৰতিশ্ৰুতিৰ সময় নিৰ্ধাৰণ নকৰো।’

(৪৯) যেতিয়া কৰ্মতালিকা সিহঁতৰ সন্মুখত উপস্থাপন কৰিম আৰু তুমি দেখিবা অপৰাধীবিলাকে সিহঁতৰ কৰ্মবিৱৰণি চাই ভয়ত স্ত্ৰস্তমান হ’ব আৰু সিহঁতে ক’ব- ‘হায়! দুৰ্ভাগ্য আমাৰ। এইখন কেনে কৰ্মবিৱৰণি। ই সৰু-বৰ কোনো কথাই লিখিবলৈ বাদ দিয়া নাই।’ সিহঁতে যি কৰিছিল তাৰ প্ৰতিটো কথাই সিহঁতৰ সন্মুখত উত্থাপন কৰা দেখা পাব। তোমাৰ প্ৰভুৱে কাৰো প্ৰতি কোনো অবিচাৰ নকৰে।

(৫০) যেতিয়া আমি ফিৰিস্তাসকলক কৈছিলো- ‘তোমালোকে আমদৰ সন্মুখত সাষ্টাংগে প্ৰণিপাত কৰা।’ তেতিয়া সকলোৱে প্ৰণিপাত কৰিলে, কেৱল ইবলিছে (ছয়তানে) নকৰিলে। সি জ্বিন জাতিৰ অন্তৰ্ভুক্ত আছিল আৰু সি তাৰ প্ৰভুৰ আদেশ অমান্য কৰিলে। তথাপি তোমালোকে মোৰ পৰিৱৰ্তে তাক আৰু তাৰ বংশধৰবিলাকক অভিভাৱক হিচাবে গ্ৰহণ কৰিবানে যদিও সিহঁত তোমালোকৰ শত্ৰু? পাপিষ্ঠবিলাকৰ কাৰণে এয়া কিমান নিকৃষ্ট বিনিময়?

(৫১) আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰোতে মই সিহঁতক সাক্ষী হিচাবে মতা নাছিলো আৰু স্বয়ং সিহঁতক সৃষ্টি কৰোতেও মতা নাছিলো। মই সিহঁতক মোৰ সহায়কাৰী ৰূপে গ্ৰহণ নকৰো, যিয়ে আনক বিপথে পৰিচালিত কৰে।

(৫২) সিদিনাখন আল্লাহে সিহঁতক ক’ব- ‘মাতা সিহঁতক, যিবিলাকক তোমালোকে মোৰ অংশী বুলি ভাবিছিলা।’ তেতিয়া সিহঁতে সিহঁতক মাতিব; কিন্তু সিবিলাকে সিহঁতৰ আহ্বান শুনা নাপাব আৰু আমি সিহঁতৰ মাজত (শত্ৰুতাৰ) এখন অন্তৰায় সৃষ্টি কৰি দিম। (৫৩) অপৰাধীবিলাকে জুই দেখিব আৰু বুজিব পাৰিব যে এতিয়া সিহঁত ইয়াত পতিত হ’ব। সিহঁতে তাৰ পৰা

সাৰি পলাবলৈ কোনো পথ নাপাব।

(৫৪) আমি এই কুৰআনত বিভিন্ন ধৰণে বিষদভাৱে বৰ্ণনা কৰিছো আৰু মানুহৰ উপকাৰৰ বাবে নানা উপমাও দাঙি ধৰিছো। কিন্তু মানুহে প্ৰায়ে বাক-বিতণ্ডা কৰে। (৫৫) যেতিয়া মানুহৰ ওচৰলৈ পথনিৰ্দেশনা আহিল, সেয়া বিশ্বাস কৰিবলৈ আৰু সিহঁতৰ প্ৰভুৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিবলৈ সিহঁতৰ বাধাৰ কাৰণ হয়তো এয়াই যে সিহঁতৰ পূৰ্বৱৰ্তীসকলৰ লগত যি আচৰণ কৰা হৈছিল, সিহঁতকো তেনে কৰা হওক বুলি বাট চাই আছে নাইবা সিহঁতে প্ৰত্যক্ষভাৱে নিজৰ শাস্তি নিজে চোৱাৰ প্ৰতীক্ষাত আছে।

(৫৬) আমি ৰছুলসকলক কেৱল মাথোন সুসংবাদদাতা আৰু সতৰ্ক কাৰী হিচাবেহে পঠাও। সত্য অস্বীকাৰকাৰীবিলাকে মিছা অৱলম্বন কৰি সত্যক হেয় কৰিবলৈ বাক-বিতণ্ডা কৰে। সিহঁতে মোৰ নিদৰ্শনাৱলী আৰু মোৰ সতৰ্কীকৰণক ঠাট্টা-বিদ্ৰূপৰ বিষয় হিচাবে লৈছিল। (৫৭) সেই মানুহতকৈ আৰু বেছি অন্যায়কাৰী আন কোন হ'ব পাৰে, যাক তাৰ প্ৰভুৰ বাণী শুনাই উপদেশ দিয়া হয়, তেতিয়া সি তাৰ পৰা ফালৰি কাটি আঁতৰিহে যায় আৰু নিজ হাতেৰে কৰা কৰ্মৰ কথা পাহৰি যায়? আমি সিহঁতৰ অন্তৰ আৱৰণেৰে ঢাকি দিছো, সেয়ে সিহঁতে আমাৰ বাণীবোৰ বুজি নাপায়। সিহঁতৰ কাণত বধিৰতা সৃষ্টি কৰি দিছো। তুমি সিহঁতক যিমানেই সৎ পথৰ পিনে আহবান নকৰা কিয়, সিহঁতে কেতিয়াও সৎপথলৈ নাহে।

(৫৮) তোমাৰ প্ৰভু অতি ক্ষমাশীল, পৰম দয়ালু। তেওঁ যদি সিহঁতৰ কৃতকৰ্মৰ বাবে সিহঁতক আটক কৰিব বিচাৰিলেহেঁতেন, তেনেহ'লে ইতিমধ্যে সিহঁতক শাস্তি দিলেহেঁতেন। সিহঁতৰ বাবে এটি সময় নিৰ্ধাৰিত কৰা আছে, তাৰ পৰা পলাই সাৰিবলৈ সিহঁতৰ কোনো পথ নহ'ব। (৫৯) সেই জনবসতিক আমি বিনাশ কৰিলো, যেতিয়া সিহঁত অত্যাচাৰী হৈ পৰিছিল। আমি সিহঁতৰ বিনাশৰ বাবে এটা ক্ষণ নিৰ্ধাৰিত কৰি ৰাখিছিলো।

(৬০) স্মৰণ কৰা, মূছাই যেতিয়া তেওঁৰ লগুৱাজনক ক'লে- 'মই মোৰ গমণ শেষ নকৰো যেতিয়ালৈকে নৈ দুখনৰ সংগম স্থলত উপনীত নহওঁ, লাগিলে বছৰ বছৰ ধৰি গৈ থাকিম।' (৬১) অৱশেষত যেতিয়া তেওঁলোক গৈ নৈ দুখনৰ সংগম স্থলত উপনীত হ'ল, তেওঁলোকে তেওঁলোকৰ মাছৰ কথা পাহৰি থাকিল আৰু মাছটোৱে নিজ পথ ধৰি তৎক্ষণাত নদীলৈ গ'ল। (৬২) তেওঁলোক আৰু কিছুদূৰ অগ্ৰসৰ হোৱাৰ পিছত মূছাই তেওঁৰ ডেকা লগুৱাজনক ক'লে- 'এতিয়া আমাৰ পুৱাৰ আহাৰ আনা। ভ্ৰমণ কৰি আমি ভাগৰি পৰিছো।'

(৬৩) লগুৱাজনে ক'লে- 'তেতিয়া আপুনি মন কৰিছিলনে, যেতিয়া আমি শিলাখণ্ডত জিৰণি লৈছিলো? মাছটোৰ কথা পাহৰিয়েই গ'লো। ছয়তানে মোক পাহৰাই দিলে। সেয়ে মাছটোৰ কথা কোৱা নহ'ল। মাছটোৱে আশ্চৰ্যজনকভাৱে নদীৰ পথ ধৰি গুচি গ'ল।' (৬৪) মূছাই ক'লে- 'সেয়াইতো আমি বিচাৰিছিলো।' সেয়ে নিজৰ খোজৰ চিন ধৰি তেওঁলোক উভতিল। (৬৫) তেওঁলোকে আমাৰ দাসসকলৰ এনে এজন দাসক লগ পালে, যিজনাক আমি আমাৰ অনুগ্ৰহ দান কৰিছিলো আৰু আমাৰ ফালৰ পৰা বিশেষ জ্ঞান দান কৰিছিলো।

(৬৬) মূছাই তেওঁক ক'লে- 'মই আপোনাৰ লগত যাব পাৰোনে যাতে আপুনি লাভ কৰা জ্ঞানৰ পৰা মোকো অলপ শিকাব পাৰে?' (৬৭) তেওঁ ক'লে- 'আপুনি মোৰ লগত ধৈর্য ধৰি থাকিব নোৱাৰিব। (৬৮) আৰু সেই বিষয়ে আপুনি ধৈর্যইবা ধৰিব কেনেকৈ, যি বিষয়ে আপোনাৰ কোনো জ্ঞান নাই?' (৬৯) মূছাই ক'লে- 'আল্লাহে কৰিলে আপুনি মোক ধৈর্যশীল ৰূপে পাব আৰু মই আপোনাৰ কোনো কথা উলাই নকৰো।' (৭০) তেওঁ ক'লে- 'ভাল বাৰু, আপুনি যদি মোৰ লগত যায়, তেনেহ'লে কোনো বিষয়ে মোক সুধিব নোৱাৰিব যেতিয়ালৈকে মই নিজে সেই বিষয়ে আপোনাক নকওঁ।'

(৭১) ইয়াৰ পিছত দুয়ো যাবলৈ ধৰিলে। তেওঁলোক গৈ এখন নাৱত উঠিল আৰু সেই ব্যক্তিজনে নাওঁখন ফুটাই দিলে। মূছাই চিঞৰী উঠিল- 'আপুনি নাওঁখন এইবাবে ফুটা কৰি দিলে নেকি যে ইয়াৰ মানুহবোৰ ডুব যাওক? নিশ্চয় আপুনি এইটো বৰ জঘন্য কাম কৰিলে।' (৭২) তেওঁ ক'লে- 'মই কোৱা নাছিলোনে যে আপুনি মোৰ লগত কদাপিও ধৈর্য ধৰি থাকিব নোৱাৰিব?' (৭৩) মূছাই ক'লে- 'মোৰ ভুল হ'ল। পাহৰি যোৱা বাবে মোৰ যেন দোষ নধৰে। মই যি কৰিলো, তাৰ বাবে আপুনি মোৰ প্রতি যেন কঠোৰ নহয়।' (৭৪) তেওঁলোক দুয়ো আকৌ যাবলৈ ধৰিলে। গৈ থাকোতে বাটত এটি শিশু লগ পালে আৰু সেই ব্যক্তিজনে শিশুটোক হত্যা কৰিলে। মূছাই ক'লে- 'আপুনি এটা নিষ্পাপ জীৱন নাশ কৰিলে, সিতো কাকো হত্যা কৰা নাই? নিশ্চয় আপুনি এইটো বৰ গর্হিত কাম কৰিলে।'

(৭৫) সেই ব্যক্তিজনে ক'লে- 'মই আপোনাক কোৱা নাছিলোনে যে, আপুনি মোৰ লগত ধৈর্য ধৰি থাকিব নোৱাৰিব?' (৭৬) মূছাই ক'লে- 'এইবাৰৰ পিছত যদি আপোনাক মই কিবা সোধো, তেনেহ'লে আপুনি মোক আপোনাৰ লগত নাৰাখিব। (আপুনি খেদাই দিবলৈ) মোৰ পৰা যথেষ্ট ওজৰ পাব।' (৭৭) তেওঁলোক এখন গাওঁ নোপোৱালৈকে আগুৱাই গৈ থাকিল। তেওঁলোকে তাৰ মানুহবিলাকৰ পৰা আহাৰ বিচাৰিলে; কিন্তু সিহঁতে আতিথ্য কৰিবলৈ অস্বীকাৰ কৰিলে। তেওঁলোকে সেই গাৱঁতে এখন দেৱাল দেখিলে, যিখন ভাঙি পৰিবলৈ উপক্রম হৈছিল। মূছাৰ সংগীজনে সেইখন মেৰামতি কৰি দিলে। মূছাই ক'লে- 'আপুনি ইচ্ছা কৰিলে ইয়াৰ বাবে পাৰিশ্রমিক দাবী কৰিব পাৰিলেহেঁতেন।' (৭৮) তেওঁ ক'লে- 'বাচ, ইমানতেই আপোনাৰ সৈতে মোৰ লগ ভংগ হ'ল। যিবোৰ কথাত আপুনি ধৈর্য ধাৰণ কৰিব নোৱাৰিলে, সেইবোৰৰ তাৎপর্য মই এতিয়া আপোনাক কওঁ।

(৭৯) নাওঁখনৰ কথা হ'ল- সেইখন আছিল কেইজনমান দুখীয়া মানুহৰ,

যিসকলে নৈৰ পৰাই জীৱিকা আৰ্জন কৰিছিল। মই সেইখনত ঘৃণ লগাই দিবলৈ ইচ্ছা কৰিলো, কিয়নো সিহঁতৰ আগত এনে এজন ৰজা আছে, যিজনে (ভাল) নাওবোৰ বলপূৰ্বকভাৱে কাঢ়ি নিয়ে।

(৮০) শিশুটোৰ কথা হ'ল- তাৰ মাক-বাপেক হাল বিশ্বাস স্থাপনকাৰী আৰু মোৰ আশংকা হৈছিল সি সিহঁতৰ অবাধ্য হ'ব আৰু সত্যদ্রোহী হৈ সিহঁতক মনোকষ্ট দিব। (৮১) সেয়ে আমাৰ ইচ্ছা হ'ল, সিহঁতৰ প্রভুৱে সিহঁতক তাৰ পৰিৱর্তে এনে এটি সন্তান দিয়ক, যিজন তাতকৈ বেছি পৱিত্র আৰু বেছি সদয় হয়।

(৮২) দেৱালখনৰ কথা হ'ল- সেইখন আছিল এই চহৰৰে দুজন অনাথ শিশুৰ। সিহঁতৰ বাপেক সৎকর্মপৰায়ণ আছিল। এই দেৱালখনৰ তলতে সিহঁতৰ বাবে কিছু ধন পুতি থোৱা আছে। সেয়ে আপোনাৰ প্রভুৰ ইচ্ছা হ'ল, সিহঁত বয়ঃপ্রাপ্ত হৈ সিহঁতৰ ধনখিনি উলিয়াই ল'ক। এয়া আপোনাৰ প্রভুৰ কৃপাৰ কাৰণে হৈছে। মই নিজ ইচ্ছাৰে কৰা নাই। এয়াই হ'ল সেইবোৰ কথাৰ তাৎপর্য, যিবোৰৰ বিষয়ে আপুনি ধৈর্য ধাৰণ কৰিব নোৱাৰিলে।'

(৮৩) সিহঁতে তোমাক জুলকাৰনাইনৰ বিষয়ে সোধে, কোৱা- 'মই তোমাক তেওঁৰ বিষয়ে বিৱৰণ দিম।' (৮৪) আমি তেওঁক এই পৃথিৱীত সুপ্রতিষ্ঠিত কৰিছিলো আৰু সর্বপ্রকাৰ উপায়-উপাদান দিছিলো।

(৮৫) তেওঁ নির্দিষ্ট পথত অভিযানৰ আয়োজন কৰে, (৮৬) গৈ গৈ তেওঁ সূর্যাস্তৰ সীমা পালেগৈ। তেওঁ সূর্যটোক ক'লা জলাশয়ত অস্ত যোৱা দেখা পালে আৰু তাৰ ওচৰতে কিছুমান মানুহ দেখা পালে। আমি ক'লো- 'হে জুলকাৰনাইন, তুমি ইচ্ছা কৰিলে সিহঁতক শাস্তি দিব পাৰা নাইবা সিহঁতৰ লগত সদ্ব্যৱহাৰ কৰিব পাৰা।' (৮৭) তেওঁ ক'লে- 'সিহঁতৰ যিজনে অন্যায় কৰিব, নিশ্চয় তাক আমি শাস্তি দিম।' তাৰ পিছত তাক তাৰ প্রভুৰ ওচৰলৈ ঘূৰাই নিয়া হ'ব আৰু তেওঁ তাক কঠোৰ শাস্তি দিব। (৮৮) কিন্তু যিজনে

বিশ্বাস স্থাপন কৰিব আৰু সৎকৰ্ম কৰিব, তেওঁৰ বাবে আছে উত্তম প্ৰতিদান আৰু আমিও তেওঁৰ লগত সৰল ব্যৱহাৰ কৰিম।'

(৮৯) ইয়াৰ পিছত তেওঁ আন এটা দিশত (অভিযানৰ) আয়োজন কৰে। (৯০) গৈ গৈ তেওঁ সূৰ্যোদয়ৰ স্থান পালেগৈ, য'ত এনে এটা জাতিৰ ওপৰেদি সূৰ্য উদয় হোৱা দেখিলে, যিবিলাকক সূৰ্যৰ তাপৰ পৰা ৰক্ষা পাবলৈ আমি কোনো ব্যৱস্থা কৰি দিয়া নাছিলো। (৯১) এয়া আছিল সিহঁতৰ অৱস্থা আৰু জুলকাৰনাইনৰ বিষয়ে আমাৰ ভালদৰে জনা আছিল।

(৯২) ইয়াৰ পিছত তেওঁ আন এটা (অভিযানৰ) আয়োজন কৰে। (৯৩) গৈ গৈ তেওঁ দুখন পাহাৰৰ মধ্যৱৰ্তী স্থল পালেগৈ। তাত তেওঁ কিছুমান মানুহ লগ পালে, যিবিলাকে তেওঁৰ কোনো কথা বুজিয়েই নাপাইছিল। (৯৪) সিহঁতে ক'লে- 'হে জুলকাৰনাইন, ইয়াজুজ আৰু মাজুজে দেশত বিশৃঙ্খলা সৃষ্টি কৰি ফুৰিছে। সেয়ে আপোনাক আমি মাচুল দিম, চৰ্ত হিচাবে আপুনি সিহঁত আৰু আমাৰ মাজত এটা গড় বান্ধি দিবনে?'

(৯৫) তেওঁ ক'লে- 'মোৰ প্ৰভুৱে মোক যি (সামৰ্থ) দিছে সেয়ে যথেষ্ট। তোমালোকে মাথো দৈহিক শ্ৰম দান কৰি মোক সহায় কৰা। মই তোমালোক আৰু সিহঁতৰ মাজত এটা গড় বান্ধি দিম। (৯৬) মোক লোৰ পাট আনি দিয়া দিয়া।' পিছত যেতিয়া তেওঁ (লোৰ পাটেৰে) দুয়ো পাহাৰৰ মধ্যৱৰ্তী ঠাইডোখৰ পূৰ্ণ কৰিলে, তেতিয়া ক'লে- 'এতিয়া জুই জ্বলাই ভাটি মাৰা।' যেতিয়া লোৰ পাটবোৰ দগদগীয়া ৰঙা হৈ পৰিল, তেতিয়া তেওঁ ক'লে- 'গলিত তাম আনা, ইয়াৰ ওপৰত ঢালি দিও।' (৯৭) ফলত সিহঁতে (ইয়াজুজ-মাজুজ) ইয়াৰ ওপৰেদি বগাই আহিব নোৱাৰা হ'ল আৰু সুৰংগ কাটিও আহিব নোৱাৰা হ'ল। (৯৮) তেওঁ ক'লে- 'এয়া মোৰ প্ৰভুৰ কৃপা। কিন্তু যেতিয়া প্ৰতিশ্ৰুতিৰ নিৰ্দিষ্ট সময় আহিব, তেতিয়া তেওঁ ইয়াক ধূলিস্যাৎ কৰি দিব। মোৰ প্ৰভুৰ প্ৰতিশ্ৰুতি সত্য।'

(৯৯) সেইদিনা আমি মানুহবিলাকক এৰি দিম। তৰংগৰ দৰে সিহঁতে ইজনে সিজনৰ লগত খুন্দা-খুন্দুলি খাব আৰু শিঙাত ফু দিয়া হ'ব। ইয়াৰ পিছত আমি সিহঁত সকলোকে একেলগে সমবেত কৰিম। (১০০) সেইদিনা আমি জাহান্নামক আনি সিহঁতৰ সন্মুখত উপস্থিত কৰিম, যিবিলাকে সত্য অস্বীকাৰ কৰিছিল, (১০১) যিবিলাকৰ চকু আমাৰ নিদর্শনৰ প্ৰতি অন্ধ আছিল আৰু মোৰ সতর্কৰ প্ৰতি সিহঁতৰ কাণ কলা আছিল।

(১০২) যিবিলাকে সত্য অস্বীকাৰ কৰিছে, সিহঁতে এই ধাৰণা কৰে নেকি যে মোৰ পৰিৱর্তে মোৰ দাসবিলাকক সিহঁতৰ অভিভাৱক ৰূপে গ্ৰহণ কৰিব? এই সত্য প্ৰত্যাখ্যানকাৰীবিলাকক আতিথ্য কৰিবলৈ জাহান্নামক প্ৰস্তুত কৰি ৰাখিছো।

(১০৩) কোৱা- 'মই তোমালোকক সিবিলাকৰ বিষয়ে কমনে, নিজ কর্ম অনুসৰি যিবিলাক আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত? (১০৪) সিহঁত সেইবিলাক মানুহ, যিবিলাকৰ চেষ্টা-প্ৰচেষ্টা পার্থিৱ জীৱনতে ব্যর্থ হ'ল, অথচ সিহঁতে ভাবি থাকে সিহঁতে ভাল কামেই কৰি আছে। (১০৫) সিহঁত সেইবিলাক মানুহ, যিবিলাকে সিহঁতৰ প্ৰভুৰ নিদর্শনসমূহ আৰু তেওঁৰ সাক্ষাতক অস্বীকাৰ কৰে। সেয়ে সিহঁতৰ সকলো কর্ম পণ্ড হ'ল। কিয়ামতৰ দিনা আমি সিহঁতক কোনো গুৰুত্বই নিদিও। (১০৬) জাহান্নামেই সিহঁতৰ প্ৰতিফল। কিয়নো সিহঁতে সত্য প্ৰত্যাখ্যান কৰিছে, মোৰ নিদর্শনসমূহ আৰু মোৰ ৰছুলসকলক উপহাস কৰিছে।

(১০৭) আনহাতে যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকর্ম কৰিছে, তেওঁলোকৰ বাসস্থলৰ বাবে আছে স্বর্গৰ উদ্যান। (১০৮) তেওঁলোক স্বর্গৰ উদ্যানত চিৰকাল বসবাস কৰিব। তাৰ পৰা ওলাবলৈ মন নকৰিব।

(১০৯) সিহঁতক কোৱা- 'মোৰ প্ৰভুৰ কথা লিখিবলৈ সমুদ্ৰৰ পানী যদি চিয়াহী হয়, তেনেহ'লে সেই সমুদ্ৰৰ পানী শেষ হৈ যাব, মোৰ প্ৰভুৰ

কথা লিখা শেষ হোৱাৰ আগতেই। ইয়াৰ লগত আন এখন সমুদ্ৰ মিলালেও শেষ নহ'ব।'

(১১০) কোৱা- 'তোমালোকৰ দৰে ময়ো এজন মানুহ। মোলৈ ঐশীবাণী পঠোৱা হৈছে যে, তোমালোকৰ উপাস্য মাথোন একক উপাস্য আল্লাহ। সেয়ে যেয়ে তেওঁৰ প্ৰভুৰ সাক্ষাৎ কামনা কৰে, তেওঁ সৎকৰ্ম কৰা উচিত আৰু উপাসনাৰ ক্ষেত্ৰত তেওঁৰ নিজ প্ৰভুৰ লগত আন কাকো অংশী নকৰে।

১৯. মৰিয়ম (মেৰী)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) ক্বাফ-হা-য়া-আইন-চাদ।

(২) এয়া তোমাৰ প্ৰভুৰ অনুগ্ৰহৰ বিৱৰণ, যি তেওঁৰ দাস জাকাৰিয়াৰ প্ৰতি কৰিছিল, (৩) যেতিয়া তেওঁ তেওঁৰ প্ৰভুক নিভৃতে মাতিছিল। (৪) তেওঁ কৈছিল- 'হে প্ৰভু, মোৰ হাড়বোৰ শিথিল হ'ল আৰু বার্দ্ধক্যত মূৰৰ চুলি ধক্‌ধকীয়া বগা হ'ল। হে প্ৰভু, তোমাৰ ওচৰত প্ৰার্থনা কৰি মই কেতিয়াও নিৰাশ হোৱা নাই। (৫) মই যোৱাৰ পিছত স্বগোত্ৰীয়ৰ প্ৰতি মোৰ শংকা হৈছে (সিহঁতে মোৰ উদ্দেশ্য সার্থক কৰিব বুলি মোৰ আশা নাই) আৰু মোৰ স্ত্ৰীয়ো বন্ধ্যা। তথাপি তোমাৰ অনুগ্ৰহৰ পৰা মোক এজন উত্তৰাধিকাৰী দান কৰা, (৬) যিজন মোৰ স্থলাভিষিক্ত হ'ব আৰু ইয়াকুবৰ পৰিয়ালৰ উত্তৰাধিকাৰী হ'ব। হে প্ৰভু, তেওঁক তোমাৰ প্ৰিয় কৰি লোৱা।'

(৭) "হে জাকাৰিয়া, তোমাক আমি এটি পুত্ৰ সন্তানৰ সুসংবাদ দিছো, যাৰ নাম হ'ব 'য়াহ্‌য়া'। ইতিপূৰ্বে আমি এই নামেৰে কাকো নামকৰণ কৰা নাই।" (৮) তেওঁ ক'লে- 'হে প্ৰভু, কেনেকৈ মোৰ পুত্ৰ সন্তান হ'ব, যিহেতু মোৰ স্ত্ৰীও বন্ধ্যা আৰু ময়ো আলৰ বুঢ়া হ'লো?'

(৯) উত্তৰ আহিল- 'এইদৰেই হ'ব।' তোমাৰ প্ৰভুৱে কৈছে- 'এয়া মোৰ পক্ষে তেনেই সহজ। ইয়াৰ পূৰ্বে তোমাকো সৃষ্টি কৰিছিলো, যেতিয়া তুমি একোৱেই নাছিলা।' (১০) জাকাৰিয়াই ক'লে- 'হে প্ৰভু, মোৰ বাবে কোনো পূৰ্ব লক্ষণ নিৰ্ধাৰণ কৰি দিয়া।' তেওঁ ক'লে- 'তোমাৰ পূৰ্ব লক্ষণ হ'ল- সুস্থ-সবল থকাৰ পিছতো তুমি একেৰাহে তিনি দিন, তিনি ৰাতিলৈ মানুহৰ লগত কথা পাতিব নোৱাৰিবা।' (১১) ইয়াৰ পিছত জাকাৰিয়াই তেওঁৰ আচুতীয়া কক্ষৰ পৰা ওলাই তেওঁৰ মানুহবিলাকৰ ওচৰলৈ আহিল আৰু ইংগিতেৰে তেওঁলোকক ক'লে- 'তোমালোকে পুৱা-গধূলি আল্লাহৰ মহিমা কীৰ্তন কৰা।'

(১২) আমি য়াহয়াক ক'লো- 'এই পুথিখন দৃঢ়ভাৱে ধা�ৰণ কৰা।' তেওঁ শৈশৱত থাকোতেই আমি তেওঁক জ্ঞান দান কৰিছিলো, (১৩) আৰু এখন স্নেহশীল অন্তৰ আৰু পৱিত্ৰতা দান কৰিছিলো। তেওঁ আছিল নীতিপৰায়ণ, (১৪) আৰু পিতৃ-মাতৃৰ প্ৰতি কৰ্তব্যপৰায়ণ আছিল আৰু তেওঁ স্বৈৰাচাৰী আৰু অবাধ্য নাছিল। (১৫) তেওঁৰ প্ৰতি শান্তি বৰ্ষিত হওক, যিদিনা তেওঁ জন্ম গ্ৰহণ কৰিছিল, যিদিনা মৃত্যু বৰণ কৰিব আৰু যিদিনা তেওঁ পুনৰ জীৱন্ত হৈ উঠিব।'

(১৬) এই পুথিত বৰ্ণনা কৰা মৰিয়মৰ কথা উল্লেখ কৰা, যেতিয়া তেওঁ নিজ পৰিয়ালবৰ্গৰ পৰা আঁতৰি গৈ পূৱদিশত এডোখৰ ঠাইলৈ গৈছিল, (১৭) আৰু তেওঁলোকৰ পৰা আঁৰ হৈ অন্তৰালত থাকিল। আমি তেওঁৰ ওচৰলৈ আমাৰ ফি�ৰিস্তা পঠালো আৰু তেওঁ তেওঁৰ সন্মুখত পূৰ্ণ মানৱৰ ৰূপ লৈ আত্মপ্ৰকাশ কৰিলে। (১৮) যেতিয়া মৰিয়মে তেওঁক দেখিলে, তেতিয়া ক'লে- 'মই তোমাৰ পৰা ৰক্ষা পাবলৈ আল্লাহৰ ওচৰত আশ্ৰয় বিচাৰিছোঁ। (মোৰ ওচৰলৈ নাহিবা) যদি তুমি আল্লাহক ভয় কৰা।' (১৯) তেওঁ ক'লে- 'মই মাথোন তোমাৰ প্ৰভুৰ প্ৰেৰিত দূত। তোমাক এটি পৱিত্ৰ পুত্ৰ সন্তান দানৰ বাতৰি দিবলৈ মই প্ৰেৰিত হৈছোঁ।' (২০) মৰিয়মে ক'লে- 'মোৰ

কেনেকৈনো পুত্ৰ হ'ব, যিহেতু মোক কোনো পুৰুষে স্পৰ্শ কৰা নাই আৰু মই অসৎ চৰিত্ৰৰ নাৰীও নহয়।' (২১) (ফিৰিস্তাই) ক'লে- 'এইদৰেই হ'ব।' তোমাৰ প্ৰভুৱে কৈছে- 'এয়া মোৰ বাবে তেনেই উজু আৰু আমি তেওঁক তেওঁৰ মানুহবোৰৰ বাবে এটি নিদৰ্শন আৰু আমাৰ কৰুণাৰ আধাৰ স্বৰূপ কৰিব বিচাৰো। এইটো এটা স্থিৰকৃত বিষয়।'

(২২) মৰিয়মে তেওঁক (ঈছাক) গৰ্ভ ধাৰণ কৰিলে আৰু সেই গৰ্ভ লৈ এডোখৰ দূৰণি ঠাইলৈ গ'ল। (২৩) পিছত প্ৰসৱ বেদনাত বিতত হৈ এজোপা খেজুৰ গছৰ তললৈ গ'ল আৰু নিজকে ক'লে- 'হায়! ইয়াৰ আগেয়ে মই মৰা হেঁতেন একেবাৰে বিস্মৃত হৈ গ'লোহেঁতেন।'

(২৪) তেওঁৰ পাদ দিশৰ পৰা তেওঁক মাত দি ক'লে- 'শোক নকৰিবা। তোমাৰ প্ৰভুৱে তোমাৰ পাদতলেদি এটি নিজৰা বোৱাই দিছে। (২৫) আৰু তুমি যদি এই খেজুৰ গছজোপাত ধৰি জোকাৰি দিয়া, তেনেহ'লে তোমাৰ ওপৰত তাজা পকা খেজুৰ সৰি পৰিব। (২৬) সেয়া খোৱা, পান কৰা আৰু চকু জুৰ পেলোৱা।' যদি কোনো মানুহ দেখা, তেনেহ'লে ক'বা- 'মই পৰম কৰুণাময় আল্লাহৰ বাবে মৌনব্ৰত পালন কৰিছো আৰু আজি মই কোনো মানুহৰ লগত কথা নাপাতো।'

(২৭) ইয়াৰ পিছত কেঁচুৱাটোক লৈ তেওঁ নিজৰ মানুহবিলাকৰ ওচৰলৈ আহিল। সিহঁতে ক'লে- 'হে মৰিয়ম, তুমিতো এটা জঘন্য কাম কৰিলা। (২৮) হে হাৰুণৰ ভগ্নী, তোমাৰ পিতৃ অসৎ ব্যক্তি নাছিল নাইবা তোমাৰ মাতৃয়ো অসতী নাছিল।'

(২৯) মৰিয়মে কেঁচুৱাটোৰ ফালে ইংগিত কৰিলে। মানুহবিলাকে ক'লে- 'আমি ইয়াৰ লগত কেনেকৈ কথা পাতিম? ইতো দোলনাত শুই থকা এটি পানীকেঁচুৱাহে।' (৩০) কেঁচুৱাটোৱে কৈ উঠিল- 'মই আল্লাহৰ দাস। তেওঁ মোক পুথি দিছে আৰু মোক নবী হিচাবে পঠাইছে। (৩১) মই য'তেই

নাথাকো কিয়, তেওঁ মোক মংগলময় কৰিছে। জীৱিত থকা দিনলৈকে তেওঁ মোক নামাজ পঢ়িবলৈ আৰু যাকাত আদায় দিবলৈ আদেশ দিছে। (৩২) তেওঁ মোক মোৰ মাতৃৰ অনুগত কৰি দিছে। তেওঁ মোক স্বৈৰাচাৰী আৰু হতভগীয়া কৰা নাই। (৩৩) মোৰ প্ৰতি শান্তি, যিদিনা মোৰ জন্ম হৈছিল, যিদিনা মোৰ মৃত্যু হ'ব আৰু যিদিনা মোক পুনৰ জীৱিত কৰি উঠোৱা হ'ব।'

(৩৪) এওঁৰেই হ'ল ঈছা, মৰিয়ম পুত্ৰ। এয়াই হ'ল সম্পূৰ্ণ সত্য কথা যি বিষয়ে মানুহবিলাকে এতিয়াও বিবাদ কৰি আছে। (৩৫) এয়া আল্লাহৰ বাবে শোভা নাপায় যে, তেওঁ কোনো সন্তান গ্ৰহণ কৰিব। সকলো মহিমা তেওঁৰেই। তেওঁ সিৰোৰৰ উৰ্ধত। তেওঁ কোনো কৰিবলৈ স্থিৰ কৰিলে, তেওঁ মাথোন কয়- 'হ' আৰু সেয়া হৈ যায়।

(৩৬) 'আল্লাহ মোৰো প্ৰভু আৰু তোমালোকৰো প্ৰভু, সেয়ে কেৱল মাথোন তেওঁৰেই উপাসনা কৰা। এইটোৱেই সৰল সঠিক পথ।' (৩৭) তথাপি বিভিন্ন দলবোৰে পৰস্পৰে মতভেদ সৃষ্টি কৰিলে। সত্য অবিশ্বাসকাৰীবিলাক সেই মহা দিনটোত উপনীত হ'লে ভয়ংকৰ অৱস্থাৰ সন্মুখীন হ'ব। (৩৮) সিহঁত যেতিয়া আমাৰ ওচৰত উপস্থিত হ'ব, তেতিয়া সিহঁতে কাণেৰে ভালকৈ শুনা নাপাব আৰু চকুৰেও ভালকৈ দেখা নাপাব; কিন্তু আজি সীমালংঘনকাৰী বিলাক স্পষ্ট বিভ্ৰান্তিত আছে।

(৩৯) সিহঁতক সেই (আগন্তুক) অনুশোচনাৰ দিনটোৰ সম্পৰ্কে সতৰ্ক কৰি দিয়া, যিদিনা সকলো মীমাংসা কৰা হ'ব, অথচ আজি সিহঁত অমনোযোগিতাত ডুবি আছে আৰু বিশ্বাস স্থাপন কৰা নাই। (৪০) শেষত আমিয়েই পৃথিৱী আৰু তাত বাস কৰা সকলোৰেই উত্তৰাধিকাৰী হ'ম আৰু সিহঁতক আমাৰ ওচৰলৈকে ঘূৰাই অনা হ'ব।

(৪১) এই পুথিত উল্লেখ কৰা ইব্ৰাহীমৰ কথা উল্লেখ কৰা। নিঃসন্দেহে তেওঁ সত্যবাদী আৰু নবী আছিল। (৪২) তেওঁ তেওঁৰ বাপেকক কৈছিল-

'আপুনি এইবোৰক কিয় উপাসনা কৰে, যিবোৰে নে শুনা পায়, নে দেখা পায়, নে আপোনাৰ কোনো উপকাৰত আহে? (৪৩) আব্বাজান, মোক এনে কিছু জ্ঞান দান কৰা হৈছে, যিটো আপোনালৈ অহা নাই। সেয়ে মোক অনুসৰণ কৰক, মই আপোনাক সৰল সঠিক পথ দেখুৱাম। (৪৪) আব্বাজান, ছয়তানৰ উপাসনা নকৰিব। প্ৰকৃতাৰ্থত ছয়তান দয়াময় আল্লাহৰ অবাধ্য। (৪৫) আব্বাজান, মোৰ শংকা হৈছে, জানোছা দয়াময় প্ৰভুৰ শাস্তি আহি আপোনাৰ ওপৰত পৰেহি আৰু আপুনি ছয়তানৰ বন্ধু হৈ পৰে!'

(৪৬) বাপেকে ক'লে- 'ইব্ৰাহীম, তুমি কি মোৰ ইষ্টদেৱতাসকলক প্ৰত্যাখ্যান কৰিছা? তুমি যদি বিৰত নাথাকা, তেনেহ'লে নিশ্চয় মই পাথৰ মাৰি তোমাৰ প্ৰাণ নাশ কৰিম। তুমি মোৰ পৰা আঁতৰি যোৱা।' (৪৭) ইব্ৰাহীমে ক'লে- 'আপোনাৰ ওপৰত শান্তি বৰ্ষিত হওক। মই মোৰ প্ৰভুৰ ওচৰত আপোনাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিম। নিশ্চয় মোৰ প্ৰভু মোৰ প্ৰতি অতি দয়াবান। (৪৮) মই আপোনাক বৰ্জন কৰিছো আৰু সিবোৰকো বৰ্জন কৰিছো, আল্লাহক বাদ দি আপোনালোকে যিবোৰক উপাসনা কৰে। মই মোৰ প্ৰভুৰহে উপাসনা কৰিম। আশা কৰো, মই মোৰ প্ৰভুক আহবান কৰি বঞ্চিত নহওঁ।'

(৪৯) সেয়ে যেতিয়া তেওঁ নিজকে সিহঁতৰ পৰা আৰু আল্লাহৰ ব্যতীত যিবিলাকক উপাসনা কৰে সেইবিলাকৰ পৰা সম্পৰ্ক চ্ছেদ কৰিলে, তেতিয়া আমি তেওঁক ইছহাক আৰু ইয়াকুবৰ দৰে সন্তান দান কৰিলো আৰু আমি তেওঁলোক প্ৰত্যেককে নবী ৰূপে মনোনীত কৰিছিলো। (৫০) আমি তেওঁলোকক আমাৰ অনুগ্ৰহ দান কৰিছিলো আৰু তেওঁলোকৰ প্ৰকৃত নাম-যশ উচ্চ কৰিছিলো।

(৫১) এই পুথিত উল্লেখ কৰা মূছাৰ কথাও বৰ্ণনা কৰা। নিশ্চয় তেওঁ মনোনীত আছিল আৰু তেওঁ ৰছুলো আছিল, নবীও আছিল। (৫২) আমি তেওঁক (তূৰ) পৰ্বতৰ সোঁফালৰ পৰা মাতিছিলো আৰু গূঢ়তত্ত্বৰ কথা

ক'বলৈ ওচৰলৈ আনিছিলো।(৫৩) আমি আমাৰ অনুগ্ৰহৰ দ্বাৰা তেওঁৰ ভায়েক হাৰুণক তেওঁৰ সহায়কাৰী কৰি দিছিলো আৰু নবী কৰি দিছিলো।

(৫৪) এই পুথিত থকা ইছমাইলৰ কথাও বৰ্ণনা কৰা। তেওঁ নিষ্ঠাৰে প্ৰতিশ্ৰুতি পালনকাৰী আছিল আৰু তেওঁ এজন ৰছুল আৰু নবীও আছিল। (৫৫) তেওঁ নিজ পৰিজনবৰ্গক নামাজ পঢ়িবলৈ আৰু যাকাত আদায় দিবলৈ উদ্বুদ্ধ কৰিছিল। তেওঁৰ প্ৰভু তেওঁৰ প্ৰতি সন্তোষভাজন আছিল। (৫৬) এই পুথিত থকা ইদ্ৰিছৰ কথাও বৰ্ণনা কৰা। তেওঁ অতি সত্যনিষ্ঠ ব্যক্তি আছিল আৰু এজন নবী আছিল। (৫৭) আমি তেওঁক মৰ্যাদাপূৰ্ণ উচ্চ স্থানলৈ উন্নীত কৰিছিলো।

(৫৮) এওঁলোক সেইসকল ব্যক্তি, যিসকলক আল্লাহে নবী কৰি নিজ অনুগ্ৰহ দান কৰিছিল। এওঁলোক আদমৰ বংশধৰ আৰু সেইসকলৰো বংশধৰ, যিসকলক আমি নূহৰ লগত নাৱঁত আৰোহণ কৰাইছিলো। এওঁলোক ইব্ৰাহীম আৰু ইছমাইলৰো বংশধৰ আৰু তেওঁলোকৰেই দলভুক্ত, যিসকলক আমি পথ প্ৰদৰ্শন কৰিছিলো আৰু মনোনীত কৰিছিলো। এওঁলোকক যেতিয়া দয়াময় আল্লাহৰ বাণীসমূহ পাঠ কৰি শুনোৱা হয়, তেতিয়া এওঁলোকে কান্দি কান্দি ছিজদাত অৱনত হয়।

(৫৯) কিন্তু তেওঁলোকৰ পিছত এনে এটা প্ৰজন্মই ঠাই ল'লেহি যে সিহঁতে নামাজ পঢ়িবলৈ বাদ দিলে আৰু নিজ প্ৰবৃত্তিৰ বশৱৰ্তী হ'ল। সেয়ে অচিৰেই সিহঁতে ভ্ৰষ্টতাৰ পৰিণামৰ সন্মুখীন হ'ব। (৬০) পিছে যিসকলে অনুশোচনা কৰি ক্ষমা প্ৰাৰ্থনা কৰে, বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, তেওঁলোক জান্নাতত প্ৰৱেশ কৰিব আৰু তেওঁলোৰ প্ৰতি অকণো অবিচাৰ কৰা নহ'ব।

(৬১) তেওঁলোকৰ বাবে আছে সেইবিলাক চিৰকলীয়া জান্নাত, পৰম কৰুণাময়ে তেওঁৰ দাসসকলক যিবিলাক অদৃশ্য জগতৰ প্ৰতিশ্ৰুতি দিছে।

নিশ্চয় তেওঁৰ প্ৰতিশ্ৰুতি পূৰ্ণ হ'বই হ'ব। (৬২) তাত তেওঁলোকে অবান্তৰ কথা শুনা নাপাব, কেৱল শুনা পাব শান্তিৰ আভিবাদন। পুৱা-গধূলি অনবৰত তেওঁলোকে আহাৰ পাই থাকিব। (৬৩) এইখনেই জান্নাত, যিখনক আমি আমাৰ সেইসকল দাসক উত্তৰাধিকাৰী কৰিম, যিসকলে আল্লাহক ভয় কৰে।

(৬৪) তোমাৰ প্ৰভুৰ আদেশ ব্যতীত আমি (ফিৰিস্তা) অৱতৰণ নকৰো। আমাৰ আগত, পিছত আৰু তাৰ মাজত যিবোৰ আছে সকলো তেওঁৰেই। তোমাৰ প্ৰভুৱে কেতিয়াও নাপাহৰে। (৬৫) আকাশমণ্ডল আৰু পৃথিৱী আৰু উভয়ৰ মাজত যি আছে, সকলোৰে প্ৰভু তেৱেঁই। সেয়ে কেৱল তেওঁৰেই উপাসনা কৰা আৰু তেওঁৰ উপাসনাত দৃঢ় হৈ থাকা। তেওঁৰ সমতুল্য কোনোবা সত্তা আছে বুলি তুমি জানানে?

(৬৬) মানুহে সোধে- 'যেতিয়া মোৰ মৃত্যু হ'ব তাৰ পিছত পুনৰাই মোক জীৱিত কৰি উঠোৱা হ'ব নেকি?' (৬৭) এই কথাও মানুহৰ মনত নাইনে, ইতিপূৰ্বে আমি তাক সৃষ্টি কৰিছিলো যেতিয়া তাৰ কোনো অস্তিত্বই নাছিল। (৬৮) তোমাৰ প্ৰভুৰ শপত, আমি সিহঁতক আৰু সিহঁতৰ লগত ছয়তানবোৰকো একেলগে সমবেত কৰিম। তাৰ পাছত জাহান্নামৰ ওচৰত সিহঁতক আঁঠুকঢ়াই উপস্থিত কৰিম।

(৬৯) ইয়াৰ পিছত প্ৰত্যেক সম্প্ৰদায়ৰ পৰা এনে মানুহবোৰ বাছি আলগ কৰিম, যিবোৰ পৰম কৰুণাময়ৰ সৰ্বাধিক অবাধ্য আছিল। (৭০) আমি ভালকৈয়ে জানো জাহান্নামৰ অগ্নিত দগ্ধ হ'বলৈ সিহঁতৰ কোন বেছি যোগ্য। (৭১) তোমালোকৰ মাজত এনে কোনো ব্যক্তি নাই, যি আহি তাত নপৰিব। এয়া তোমাৰ প্ৰভুৰ চূড়ান্ত সিদ্ধান্ত, যিটো সিদ্ধি কৰিবই। (৭২) তেতিয়া আমি সেইসকল ব্যক্তিক ৰক্ষা কৰিম, যিসকলে আল্লাহক ভয় কৰিছিল আৰু অন্যায়কাৰীবিলাকক আঁঠু কঢ়াই তাত ৰাখি থম।

(৭৩) যেতিয়া স্পষ্ট বাণীসমূহ সিহঁতক পাঠ কৰি শুনোৱা হয়, যিবিলাকে

সত্য প্ৰত্যাখ্যান কৰিছিল, সিহঁতে বিশ্বাস স্থাপনকাৰীসকলক কয়- 'দুদলৰ মাজত কোনটো দল উত্তম অৱস্থাত আছে আৰু কাৰ সভা বেছি জাকজমকতাপূৰ্ণ?' (৭৪) সিহঁতৰ পূৰ্বে আমি কিমান মানৱ গোষ্ঠীক ধ্বংস কৰিলো, যিবিলাক সিহঁততকৈও অধিক সম্পদশালী আৰু জাকজমকতাপূৰ্ণ আছিল।

(৭৫) কোৱা- 'যিবিলাকে ভ্ৰষ্টতাত মজি থাকে, দয়াময় আল্লাহে তাক আৰু কিছু অৱকাশ দিয়ে। যেতিয়া সিহঁতে সেয়া প্ৰত্যক্ষভাৱে দেখিবলৈ পাব, যি বিষয়ে সিহঁতক প্ৰতিশ্ৰুতি দিয়া হৈছিল, সেয়া (ইহকালীন) শাস্তিয়েই হওক বা কিয়ামতেই হওক, তেতিয়া সিহঁতে জানিব পাৰিব পৃথিৱীত কোন মৰ্যাদাহীন আছিল আৰু কোন দুৰ্বল আছিল।'

(৭৬) যিসকলে উপদেশ গ্ৰহণ কৰে, আল্লাহে তেওঁলোকৰ মাৰ্গ দৰ্শন বৃদ্ধি কৰে, যি সৎকৰ্মসমূহ স্থায়ীৰূপে ৰৈ যায়, প্ৰতিদান হিচাবে তোমাৰ প্ৰভুৰ ওচৰত সেয়া বেছি ফলদায়ক আৰু পৰিণতিৰ দিশৰ পৰাও অতি উত্তম।

(৭৭) তুমি তাক দেখিছানে, যিজনে আমাৰ বাণীসমূহ মানিবলৈ অস্বীকাৰ কৰে আৰু কয়- 'নিশ্চয় মোক ধন-সম্পদ আৰু সন্তান-সন্ততি দি থকা হ'বই।' (৭৮) সি অদৃশ্যলৈ ভুমুকি মাৰি চাইছে নেকি, নে সি দয়াময়ৰ লগত কোনো প্ৰতিশ্ৰুতিবদ্ধ হৈছে? (৭৯) কেতিয়াও নহয়, সি যি কয়, সেয়া আমি লিখি ৰাখিম আৰু তাৰ শাস্তিৰ মাত্ৰা বৃদ্ধি কৰি দিম। (৮০) সি যিবোৰৰ দাবী কৰে, তাৰ উত্তৰাধিকাৰী আমিয়েই হ'ম আৰু সি আমাৰ ওচৰত অকলশৰীয়া হৈ উপস্থিত হ'বহি। (৮১) সিহঁতে আল্লাহৰ বাহিৰে আন কিছুমানক উপাস্য কৰি লৈছে যাতে সেইবোৰ সিহঁতৰ শক্তি বৃদ্ধিৰ সহায়ক হয়। (৮২) কিন্তু সেই উপাস্যবোৰে সিহঁতৰ উপাসনাক অস্বীকাৰ কৰিব আৰু ওলোটাই সিহঁতৰহে বিৰোধীতা কৰিব।

(৮৩) তুমি লক্ষ্য কৰা নাইনে, সেই মানুহবিলাকক উদ্বুদ্ধ কৰিবৰ

বাবে আমি ছয়তান নিয়োজিত কৰিছো, যিবিলাকে সত্য অস্বীকাৰ কৰে আৰু অবাধ্য হয়। (৮৪) সিহঁতৰ প্ৰতি বিহিত ব্যৱস্থা লোৱাৰ বাবে অস্থিৰ নহ'বা। আমি সিহঁতৰ ক্ষণ গণনা কৰি আছো। (৮৫) সেই দিন আহি আছে, যিদিনা খোদাভীৰু লোকসকলক সন্মানিত অতিথিৰূপে দয়াময়ৰ ওচৰত সমবেত কৰা হ'ব। (৮৬) আৰু আমি পাপীবোৰক তৃষ্ণাতুৰ জন্তুৰ দৰে জাহান্নামৰ ফালে খেদি নিম। (৮৭) সেইদিনা কোনোৱে ওকালতি কৰিবলৈ সক্ষম নহ'ব কেৱল তেওঁৰ ব্যতীত যেয়ে দয়াময় প্ৰভুৰ পৰা অনুমতি লাভ কৰিছে।

(৮৮) সিহঁতে কয়- 'দয়াময় আল্লাহে এটি পুত্ৰ গ্ৰহণ কৰিছে।' (৮৯) আচৰিত, তোমালোকে কেনে জঘন্য মিছা কথা অৱতাৰণা কৰিছা! (৯০) হয়তো শীঘ্ৰে আকাশমণ্ডল ভাঙি পৰিব, পৃথিৱী খণ্ড-বিখণ্ড হ'ব আৰু পাহাৰ-পৰ্বত ভাঙি চূৰ্চুমৈ হ'ব; (৯১) কাৰণ হ'ল- সিহঁতে দয়াময়ৰ প্ৰতি সন্তান আৰোপ কৰিছে। (৯২) কাৰোবাক নিজৰ সন্তান হিচাবে গ্ৰহণ কৰাটো দয়াময় আল্লাহৰ মৰ্যাদাৰ পৰিপন্থী। (৯৩) আকাশমণ্ডল আৰু পৃথিৱীত এনে কোনো নাই, যিয়ে কৰুণাময়ৰ দাস হিচাবে তেওঁৰ ওচৰত উপস্থিত নহ'ব। (৯৪) তেওঁৰ ওচৰতেই সিহঁতৰ পৰিসংখ্যা আছে আৰু সেয়া সঠিকভাৱে গণনা কৰি থৈছে। (৯৫) সিহঁতৰ প্ৰত্যেকেই অকলশৰীয়াকৈ কিয়ামতৰ দিনা তেওঁৰ সমীপত উপস্থিত হ'ব। (৯৬) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকৰ্ম কৰিছে, পৰম প্ৰভু দয়াময়ে তেওঁলোকৰ বাবে প্ৰীতিৰ ভাৰ সঞ্চাৰ কৰি দিব।

(৯৭) আমি ইয়াক (কুৰআনক) সহজ কৰি (হে নবী) তোমাৰ ভাষাত অৱতীৰ্ণ কৰিছে যাতে তুমি সৎকৰ্মপৰায়ণ লোকসকলক সুসংবাদ দিব পাৰা আৰু ভ্ৰান্তিত আঁকোৱগোজ হৈ থকা মানুহক সতৰ্ক কৰি দিব পাৰা। (৯৮) সিহঁতৰ পূৰ্বে আমি কিমান প্ৰজন্মক ধ্বংস কৰিলো! এতিয়া জানো তুমি সিহঁতৰ কোনোবাক জীৱিত পাবানে, নে সিহঁতৰ কোনো ক্ষীণ কণ্ঠস্বৰ শুনিবলৈ পাবা?

২০. ত্বা-হা (ত্বা-হা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) ত্বা-হা।

(২) তোমাক বিপন্ন কৰিবলৈ আমি তোমাৰ প্ৰতি এই কুৰআন অৱতীৰ্ণ কৰা নাই। (৩) বৰং এয়া মাথোন সদুপদেশহে তেওঁৰ বাবে যিয়ে আল্লাহক ভয় কৰে। (৪) এয়া তেওঁৰ পৰা অৱতীৰ্ণ হৈছে, যিজনে পৃথিৱী আৰু সুউচ্চ আকাশমণ্ডল সৃষ্টি কৰিছে। (৫) তেওঁ পৰম কৰুণাময়, বিশ্ব জগতৰ মহা সিংহাখনত উপবিষ্ট হৈ আছে, (৬) আকাশমণ্ডল আৰু পৃথিৱী আৰু ইয়াৰ মাজত যি আছে সকলো তেওঁৰেই আৰু ভূগৰ্ভত যি আছে, সেয়াও তেওঁৰেই।

(৭) তুমি যদি উচ্চস্বৰে (বা নিম্নস্বৰে) কোৱা, সকলো তেওঁ শুনে। তেওঁ তোমালোকৰ গোপন আৰু অন্তর্নিহিত কথাও জানে। (৮) তেৱেঁই আল্লাহ। তেওঁৰ বিনে আন উপাস্য নাই। সর্বোৎকৃষ্ট নামসমূহ তেওঁৰেই।

(৯) তুমি মূছাৰ বৃত্তান্ত শুনিছানে? (১০) যেতিয়া তেওঁ একুৰা জুই দেখিলে, তেওঁ তেওঁৰ পৰিয়ালবৰ্গক ক'লে- 'অলপ ৰোৱা। মই একুৰা জুই দেখিছো। কিজানি মই তাৰ পৰা তোমালোকৰ বাবে এডোখৰ অঙঠা আনিব পাৰো নাইবা জুইৰ ওচৰৰ পৰা কোনো পথৰ সন্ধান পাব পাৰো।'

(১১) যেতিয়া তেওঁ জুইৰ কাষ পালে, তেতিয়া তেওঁ এটি আৰাজ শুনিবলৈ পালে- 'হে মূছা, (১২) ময়েই তোমাৰ প্ৰভু। তোমাৰ জোতা খুলি থোৱা। তুমি পৱিত্ৰ তূৱা উপত্যকাত উপনীত হৈছাহি। (১৩) মই তোমাক মনোনীত কৰিছো। সেয়ে যি ঐশীবাণী পঠোৱা হয়, সেয়া শুনা- (১৪) ময়েই আল্লাহ। মোৰ ব্যতীত আন কোনো উপাস্য নাই। এতেকে তুমি মোৰ উপাসনা কৰা আৰু মোৰ স্মৰণার্থে নামাজ প্ৰতিষ্ঠা কৰা। (১৫) কিয়ামত আহিবই;

কিন্তু মই তাৰ সময় গোপনে ৰাখিব বিচাৰিছো যাতে প্ৰত্যেক ব্যক্তিয়ে নিজ সাধনা অনুযায়ী প্ৰতিফল পাব পাৰে। (১৬) তোমাক যাতে ইয়াৰ পৰা সেই ব্যক্তিয়ে নিবৃত্ত নকৰে, যিয়ে কিয়ামতক বিশ্বাস নকৰে আৰু নিজ প্ৰবৃত্তিৰ বাসনাক অনুসৰণ কৰে, অন্যথা তুমি ধ্বংস হ'বা।'

(১৭) 'হে মূছা, তোমাৰ হাতত সেইডাল কি?' (১৮) মূছাই ক'লে- 'এইডাল মোৰ লাখুটি। ইয়াৰ ওপৰত মই ভৰ দিও। ইয়াৰে মই মোৰ ছাগলীবোৰৰ বাবে গছৰ পাত সৰাও আৰু ই মোৰ অন্যান্য কামতো আহে।' (১৯) আল্লাহে ক'লে- 'মূছা, সেইডাল (মাটিত) পেলাই দিয়া।' ২০) তেওঁ সেইডাল পেলাই দিলে আৰু হঠাৎ এডাল সাপ হৈ লৰৰি যাবলৈ ধৰিলে। (২১) (আল্লাহে) ক'লে- 'ধৰা তাক, ভয় নকৰিবা। আমি তাক পূৰ্বৰ অৱস্থালৈ ঘূৰাই আনিম। (২২) তোমাৰ হাতখন তোমাৰ কাষলতিত ৰাখা আৰু ই কোনো বিঘিনি নোহোৱাকৈ বগা হৈ জিলিকি ওলাই আহিব। এয়া আন এটা নিদৰ্শন। (২৩) আমি তোমাক আমাৰ কিছুমান মহান নিদৰ্শনাৱলী দেখুৱাম। (২৪) ফিৰাউনৰ ওচৰলৈ যোৱা। সি অহংকাৰী হৈ সীমা চেৰাই গৈছে।'

(২৫) মূছাই ক'লে- 'হে মোৰ প্ৰভু, মোৰ অন্তৰ খুলি দিয়া, (২৬) মোৰ কাম মোৰ বাবে সহজ কৰি দিয়া, (২৭) আৰু মোৰ জিভাৰ জড়তা দূৰ কৰি দিয়া, (২৮) যাতে মানুহে মোৰ কথা বুজিব পাৰে, (২৯) আৰু মোৰ পৰিয়ালৰ এজনক মোৰ সহযোগী হিচাবে নিয়োজিত কৰা; (৩০) হাৰুণকে কৰা, মোৰ ভাই। (৩১) তেওঁৰ জৰিয়তে মোৰ শক্তি বৃদ্ধি কৰি দিয়া, (৩২) আৰু মোৰ কামত তেওঁক সহযোগী কৰি দিয়, (৩৩) যাতে আমি অতি বেছিকৈ তোমাৰ পৰিত্ৰতাৰ মহিমা প্ৰচাৰ কৰিব পাৰো; (৩৪) আৰু বেছিকৈ তোমাকো স্মৰণ কৰিব পাৰো। (৩৫) নিশ্চয় তুমিতো আমাক দেখি আছা।' (৩৬) আল্লাহে ক'লে- 'হে মূছা, তোমাৰ নিবেদন মঞ্জুৰ কৰা হ'ল।'

(৩৭) অৱশ্যই আমি পূৰ্বেও আৰু এবাৰ তোমাক অনুগ্ৰহ কৰিছিলো,

(৩৮) যেতিয়া আমি তোমাৰ মাতৃক ঐশীবাণীৰে প্ৰেৰণা দি কৈছিলো-
(৩৯) 'এই কেঁচুৰাটি পেৰাত ভৰোৱা আৰু পেৰাটো নৈত উটুৰাই দিয়া। নৈয়ে তাক নি পাৰ লগাই দিবগৈ। তাক এনে এজন ব্যক্তিয়ে তুলি নিব, যিজন মোৰ শত্ৰু আৰু তেওঁৰো শত্ৰু।' মই তোমাক মোৰ ফালৰ পৰা মৰম-চেনেহ প্ৰদান কৰিছিলো যাতে তুমি মোৰ চকুৰ আগতে লালিত-পালিত হোৱা।
(৪০) স্মৰণ কৰা, যেতিয়া তোমাৰ বায়েৰে খোজ কাঢ়ি গৈ আছিল আৰু গৈ পাই ক'লে- 'মই আপোনালোকক এনে এজনৰ সম্ভেদ দিমনে, যি ইয়াক লালন-পালন কৰিব?' এইদৰে আমি তোমাক তোমাৰ মাতৃৰ ওচৰলৈ নিলো যাতে তেওঁৰ চকু জুৰ পৰে আৰু তেওঁ যেন শোক কৰি নাথাকে আৰু তুমি এজন মানুহক হত্যা কৰিছিলা, তাৰ পৰিণতিৰ দুশ্চিন্তাৰ পৰা তোমাক নিস্কৃতি দিলো। আমি তোমাক নানা ধৰণে পৰীক্ষা কৰিছিলো। ইয়াৰ পিছত তুমি কেবা বছৰ মাদয়ানবাসীৰ মাজত অৱস্থান কৰিছিলা। হে মূছা, এতিয়া তুমি এটা বিশেষ পৰ্যায়ত উপনীত হৈছা।

(৪১) মই তোমাক মোৰ বাবে মনোনীত কৰিছো। (৪২) যোৱা, তুমি আৰু তোমাৰ ভাতৃয়ে মোৰ নিদৰ্শনসহ আৰু যোৱা মোক স্মৰণ কৰিবলৈ হেলা নকৰিবা। (৪৩) যোৱা, তোমালোক দুয়ো ফিৰাউনৰ ওচৰলৈ; কিয়নো সি উদ্ভণ্ডালিৰ সকলো সীমা চেৰাই গৈছে। (৪৪) কিন্তু তাৰ লগত বিনয়ভাৱে কথা ক'বা, হয়তু সি উপদেশ গ্ৰহণ কৰিব নাইবা তাৰ ভয়ৰ উদ্ৰেক হ'ব।

(৪৫) দুয়ো নিবেদন কৰিলে- 'হে আমাৰ প্ৰভু, আমাৰ শংকা হৈছে, সি আমাক দুৰ্ব্যৱহাৰ কৰিব নাইবা সি অধিক বিৰুদ্ধাচৰণ কৰিব।' (৪৬) আল্লাহে ক'লে- 'ভয় নকৰিবা, মই তোমালোকৰ লগত আছো। মই সকলো শুনিছো আৰু চাই আছো।' (৪৭) এতিয়া তাৰ ওচৰলৈ যোৱাগৈ আৰু তাক কোৱাগৈ- 'আমি তোমাৰ প্ৰভুৰ দ্বাৰা প্ৰেৰিত দুজন বাৰ্তাবাহক। ইছৰাঈল বংশৰ মানুহবিলাকক আমাৰ লগত যাবলৈ দিয়া আৰু সিহঁতক নিপীড়ন নকৰিবা।

আমি তোমাৰ ওচৰলৈ তোমাৰ প্ৰভুৰ পৰা নিদৰ্শন লৈ আহিছো। যি সৎপথ অনুসৰণ কৰি চলিব, তাৰ ওপৰত শান্তি বৰ্ষিত হ'ব। (৪৮) আমাৰ প্ৰতি ঐশীবাণী পঠোৱা হৈছে যে সেই ব্যক্তিৰ শাস্তি হ'ব, যেয়ে ইয়াক অগ্ৰাহ্য কৰিব আৰু মুখ ঘূৰাই আঁতৰি যাব।'

(৪৯) ফিৰাউনে ক'লে- 'হে মূছা, তেনেহ'লে তোমালোক দুজনৰ প্ৰভুনো কোন?' (৫০) মূছাই উত্তৰ দিলে- 'তেৱেঁই আমাৰ প্ৰভু, যিজনে প্ৰতিটো বস্তুক তাৰ উপযুক্ত আকৃতি দান কৰিছে আৰু তাক পৰিচালিত কৰিছে।' (৫১) ফিৰাউনে সুধিলে- 'তেনেহ'লে প্ৰাচীন প্ৰজন্মৰ অৱস্থা কি হ'ব?' (৫২) মূছাই ক'লে- 'সেই সম্পৰ্কীয় জ্ঞান কেৱল মোৰ প্ৰভুৰ ওচৰত আছে আৰু সেয়া এখন পুথিত লিপিবদ্ধ হৈ আছে। মোৰ প্ৰভুৱে কেতিয়াও ভুল নকৰে আৰু নাপাহৰেও।'

(৫৩) তেৱেঁই সেইজন, যিজনে তোমালোকৰ বাবে পৃথিৱীখনক শয্যা ৰূপে পাৰি দিছে আৰু তাতে বাট-পথ কৰি দিছে আৰু আকাশৰ পৰা পানী বৰ্ষাইছে, তাৰ মাধ্যমত আমি নানা তৰহৰ বনস্পতি উৎপন্ন কৰিছো। (৫৪) সেয়া তোমালোকে খোৱা আৰু তোমালোকৰ জীৱ-জন্তুবোৰো চৰোৱা। নিশ্চয় ইয়াত জ্ঞানসম্পন্ন মানুহৰ বাবে বহু নিদৰ্শন আছে। (৫৫) আমি তোমালোকক মাটিৰ পৰা সৃষ্টি কৰিছো আৰু তালৈকে তোমালোকক ঘূৰাই নিম আৰু তাৰ পৰাই তোমালোকক দ্বিতীয়বাৰ উলিয়াই আনিম।

(৫৬) আমি ফিৰাউনক সকলো নিদৰ্শন দেখুৱালো, কিন্তু সি সেয়া অগ্ৰাহ্য কৰিলে আৰু বিশ্বাস কৰিবলৈ অস্বীকাৰ কৰিলে। (৫৭) সি ক'লে- 'হে মূছা, তুমি তোমাৰ যাদুৰ দ্বাৰা আমাক দেশৰ পৰা বহিস্কাৰ কৰিবলৈ আমাৰ ওচৰলৈ আহিছা নেকি? (৫৮) নিশ্চয় আমিও তোমাৰ যাদুৰ মোকাবিলাত তেনে ধৰণৰ যাদু দেখুৱাম। সেয়ে এতিয়া তোমাৰ আৰু আমাৰ মাজত এটা সময় ধাৰ্য কৰা। এই মোকাবিলা মুকলি পথাৰত হওক।

এই প্ৰস্তাৱ তুমি ভংগ নকৰিবা আৰু আমিও ভংগ নকৰো।'

(৫৯) মূছাই ক'লে- 'জাতীয় উৎসৱৰ দিনটোকে মোকাবিলাৰ দিন ধাৰ্য কৰা হওক আৰু সূৰ্যোদয়ৰ লগে লগে জনগণো সমবেত হওক।' (৬০) ফিৰাউন উঠি গ'ল, নিজৰ সকলো কলা-কৌশল ঠিক কৰিলে, পিছত মোকাবিলাৰ বাবে উপস্থিত হ'ল। (৬১) মূছাই ক'লে- 'অভিশাপ তোমালোকৰ ওপৰত! আল্লাহৰ নামত মিছা উদ্ভাৱন নকৰিবা, নহ'লে কোনো প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা তোমালোকক ধ্বংস কৰি দিব। যেয়ে মিছা উদ্ভাৱন কৰে, সিয়েই অসফল হয়।'

(৬২) পিছত সিহঁতৰ (যাদুকৰবিলাকৰ) মাজত মতভেদ হ'ল আৰু পৰস্পৰে গোপন আলোচনা কৰিবলৈ ধৰিলে। (৬৩) সিহঁতে ক'লে- 'নিশ্চয় এওঁলোক দুজন যাদুকৰ। এওঁলোকৰ উদ্দেশ্য হ'ল- যাদুৰ বলেৰে তোমালোকক দেশৰ পৰা বহিস্কাৰ কৰা আৰু তোমালোকৰ উৎকৃষ্ট জীৱন পদ্ধতি বিলোপ কৰা। (৬৪) এতেকে তোমালোকে তোমালোকৰ সকলো কলা-কৌশল গোটাই একত্ৰিত কৰা আৰু শাৰীবদ্ধভাৱে আগ বাঢ়া। আজি যেয়ে প্ৰাধান্য লাভ কৰিব, তাৰে জয় হ'ব।'

(৬৫) যাদুকৰবিলাকে ক'লে- 'হে মূছা, তুমি আগে নিক্ষেপ কৰিবা নে আমি আগেয়ে নিক্ষেপ কৰিম?' (৬৬) মূছাই ক'লে- 'তোমালোকে আগেয়ে নিক্ষেপ কৰা।' লগে লগেই সিহঁতৰ জৰীবোৰ আৰু লাঠিবোৰ যাদুৰ প্ৰভাৱত (সাপ হৈ) লৰচৰ কৰিছে বুলি তেওঁৰ ধাৰণা হ'ল। (৬৭) মূছাৰ মনত ভয়ৰ উদ্ৰেক হ'ল। (৬৮) আমি ক'লো- 'ভয় নাখাবা। তোমাৰেই জয় হ'ব।' (৬৯) তোমাৰ সোঁহাতত যি (লাখুটি) আছে, তাকে নিক্ষেপ কৰা। সিহঁতে কৰা কৃত্ৰিম সৃষ্টিবোৰক ই গিলি থব। সিহঁতে যি কৰিছে, সেয়া কেৱল যাদুকৰৰ কৌশলহে। যাদুকৰ কেতিয়াও সফল হ'ব নোৱাৰে, সি যেনেভাৱেই নাহক কিয়। (৭০) যাদুকৰবিলাক নিজকে নিজেই নতজানু হ'ল। সিহঁতে ক'লে-

'আমি হাৰুণ আৰু মূছাৰ প্ৰভুৰ প্ৰতি বিশ্বাস স্থাপন কৰিলো।'

(৭১) ফিৰাউনে ক'লে- 'মই অনুমতি দিয়াৰ আগেয়েই তোমালোকে তেওঁৰ প্ৰতি বিশ্বাস স্থাপন কৰিলাই? সিয়েই তোমালোকৰ গুৰু আৰু সিয়ে তোমালোক যাদু শিক্ষা দিছে। মই এতিয়াই তোমালোকৰ হাত-ভৰিবোৰ বিপৰীত ফালৰ পৰা কটাম আৰু তোমালোকক খেজুৰ গছত শূলত দিম। তেতিয়াহে তোমালোকে গম পাবা কাৰ শাস্তি বেছি কঠোৰ আৰু দীৰ্ঘস্থায়ী।'

(৭২) সিহঁতে ক'লে- 'আমাৰ ওচৰলৈ সত্যৰ যিবোৰ স্পষ্ট প্ৰমাণাদি আহি পাইছে আৰু যিজনে আমাক সৃষ্টি কৰিছে, সেইবোৰতকৈ আপোনাক আমি কদাপিও প্ৰাধান্য নিদিও। আপোনাৰ যি ইচ্ছা তাকে কৰক। আপুনি কেৱল এই পাৰ্থিৱ জীৱনতহে কৰিব পাৰে। (৭৩) আমি আমাৰ প্ৰভুৰ ওপৰত বিশ্বাস স্থাপন কৰিলো যাতে তেওঁ আমাৰ পাপবোৰ ক্ষমা কৰি দিয়ে আৰু আমাক যি যাদু কৰিবলৈ বাধ্য কৰিছিল, সেয়াও ক্ষমা কৰে। আল্লাহ সৰ্বশ্ৰেষ্ঠ আৰু নিত্য বিৰাজমান।'

(৭৪) আচলতে যি ব্যক্তি অপৰাধী হৈ তাৰ প্ৰভুৰ ওচৰত উপস্থিত হ'ব, তাৰ বাবে আছে জাহান্নাম। তাত সি নিজীয়েও, নমৰেও। (৭৫) আনহাতে যি ব্যক্তি মুমিন হৈ সৎকৰ্ম কৰি তেওঁৰ ওচৰত উপস্থিত হ'ব, এনে মানুহৰ বাবে আছে উচ্চ মৰ্যাদা। (৭৬) তেওঁলোকৰ বাবে আছে চিৰ সেউজ পুষ্পোদ্যান যাৰ মাজেৰে নিজৰা প্ৰবাহিত হৈ থাকে। তাত তেওঁলোক চিৰকাল থাকিব। এয়া হ'ল সেই ব্যক্তিসকলৰ প্ৰতিফল, যিসকলে পৱিত্ৰতা অৱলম্বন কৰে।

(৭৭) আমি মূছালৈ প্ৰত্যাদেশ কৰিলো এই মৰ্মে- 'তুমি মোৰ সেৱকসকলক লৈ ৰাতিৰ ভিতৰতে গুচি যোৱা আৰু সিহঁতৰ বাবে সমুদ্ৰৰ মাজেৰে এটি শুকান পথ কৰি লোৱা। পিছ ফালৰ পৰা কোনোৱে আহি ধৰিব বুলি শংকা নকৰিবা আৰু ভয় নকৰিবা।' (৭৮) ফিৰাউনে তাৰ সৈন্য-সামন্ত

লৈ তেওঁলোকক পিছে পিছে খেদি গ'ল; কিন্তু সমুদ্রই সিহঁতক ডুবাই দিলে আৰু সিহঁত সম্পূৰ্ণ ৰূপে জাহ গ'ল। (৭৯) ফিৰাউনে তাৰ জাতিৰ মানুহবিলাকক বিপথেহে নিছিল, সিহঁতক সঠিক সৎপথ দেখুৱা নাছিল।

(৮০) হে ইছৰাঈলৰ বংশধৰবিলাক, আমি তোমালোকক তোমালোকৰ শত্ৰুৰ কবলৰ পৰা উদ্ধা কৰিছিলো আৰু তূৰ পৰ্বতৰ সোঁফালে তোমালোকক প্ৰতিশ্ৰুতি দিছিলো। আমি তোমালোকৰ বাবে 'মান্না' আৰু 'ছালৱা' পঠাইছিলো। (৮১) 'আমি তোমালোকক যি পৱিত্ৰ জীৱিকা দিছো, তাৰ পৰা খোৱা আৰু বিদ্ৰোহাচৰণ নকৰিবা; নহ'লে মোৰ ক্ৰোধত পতিত হ'বা।' (আমি ক'লো)- 'যি মোৰ কোপত পতিত হয়, তাৰ ধ্বংস অনিবাৰ্য। (৮২) অৱশ্যে মই তেওঁলোকৰ প্ৰতি অতি ক্ষমাশীল, যিয়ে অনুতাপ কৰি ক্ষমা প্ৰাৰ্থনা কৰে, বিশ্বাস স্থাপন কৰে, সৎকৰ্ম কৰে আৰু সৎপথ অনুসৰি চলে।'

(৮৩) (মূছা তূৰ পৰ্বতত থাকোতে আল্লাহে ক'লে)- 'হে মূছা, তোমাৰ মানুহবিলাকক এৰি তুমি কিয় খৰধৰকৈ আহিলা?' (৮৪) তেওঁ ক'লে- 'সিহঁত মোৰ খোজ অনুসৰি আহি আছে। মই এইবাবে খৰখেদাকৈ আহিলো, হে প্ৰভু তুমি যাতে মোৰ প্ৰতি প্ৰসন্ন হোৱা।' (৮৫) (আল্লাহে) ক'লে- 'তোমাৰ অনুপস্থিতিত আমি তোমাৰ মানুহবিলাকক পৰীক্ষাৰ সন্মুখীন কৰিলো। চামিৰীয়ে সিহঁতক পথভ্ৰষ্ট কৰিলে।'

(৮৬) মূছাই অতি খঙে-বেজাৰে তেওঁৰ মানুহবিলাকৰ ওচৰলৈ ঘূৰি আহিল। তেওঁ ক'লে- 'হে মোৰ জাতিভাইসকল, তোমালোকৰ প্ৰভুৱে তোমালোকক এটা উৎকৃষ্ট প্ৰতিশ্ৰুতি দিয়া নাছিলনে? মোৰ অনুপস্থিতিত সেয়া তোমালোকৰ বাবে দীঘলীয়া হ'ল নেকি? তোমালোকে বিচৰা নেকি, তোমালোকৰ ওপৰত তোমালোকৰ প্ৰভুৰ ক্ৰোধ পতিত হওক আৰু সেয়ে তোমালোকে মোৰ লগত কৰা তোমালোকৰ প্ৰতিজ্ঞা ভংগ কৰিলা?'

(৮৭) সিহঁতে ক'লে- 'আমি নিজে ইচ্ছা কৰি আপোনাৰ লগত কৰা অংগীকাৰ ভংগ কৰা নাই। বৰং মানুহবিলাকৰ অলংকাৰৰ ভৰত আমি ভাৰাক্ৰান্ত হৈছিলো। সেয়ে সেইবোৰ আমি দলিয়াই (জুইত) পেলাই দিলো আৰু এনে কৰিবলৈ চামিৰীয়ে দিহা দিছিল।' (৮৮) ইয়াৰ পিছত সি সিহঁতৰ বাবে এটা দামুৰিৰ মূৰ্তি সাজি উলিয়ালে আৰু সেই মূৰ্তিটোৰ পৰা গৰুৰ হেম্বেলনীৰ দৰে মাত ওলাইছিল। তেতিয়া সিহঁতে ক'লে- 'ইয়েই তোমালোকৰ উপাস্য আৰু মূছাৰো উপাস্য। মূছাই ইয়াক পাহৰি গ'ল।' (৮৯) সিহঁতে কি দেখা নাইনে যে, ই সিহঁতক কোনো সঁহাৰি জনাব নোৱাৰে আৰু সিহঁতৰ অপকাৰ বা উপকাৰ কৰিবলৈও তাৰ কোনো সাধ্য নাই?

(৯০) হাৰুণে ইতিমধ্যে সিহঁতক কৈছিল- 'হে মোৰ জাতিভাইসকল, ইয়াৰ দ্বাৰা তোমালোকক পৰীক্ষা কৰা হৈছে। তোমালোকৰ প্ৰভু পৰম দয়ালু। এতেকে তোমালোকে মোক অনুসৰণ কৰা আৰু মোৰ কথা মানি চলা।' (৯১) সিহঁতে ক'লে- 'আমি ইয়াক পূজা কৰিবলৈ কেতিয়াও নেৰো, যেতিয়ালৈকে মূছা আমাৰ ওচৰলৈকে ঘূৰি নাহে।'

(৯২) মূছাই হাৰুণক ক'লে- 'যেতিয়া তুমি দেখিছিলা যে, সিহঁত বিপথে গৈছে, তেতিয়া তোমাক কিহে বাধা দিছিল- (৯৩) মোক অনুসৰণ কৰাৰ পৰা? তুমি কিয় মোৰ আদেশ অমান্য কৰিলা?' (৯৪) হাৰুণে কলে- 'হে মোৰ সহোদৰ, মোৰ দাড়ি-চুলিত ধৰি নাটানিব। মোৰ শংকা হৈছে যে আপুনি এইদৰে ক'ব- তুমি ইছ্ৰাঈল বংশৰ মানুহবিলাকৰ মাজদ বিভেদ সৃষ্টি কৰিলা আৰু মোৰ কথা নাৰাখিলা।'

(৯৫) মূছাই ক'লে- 'হে চামিৰী, তোমাৰ ক্ষেত্ৰত কি হ'ল?' (৯৬) সি ক'লে- 'মই এনে বস্তু দেখিলো, যিটো সিহঁতে দেখা নাছিল। মই ৰছুলৰ খোজৰ পৰা এমুঠি (ধূলি) লৈ (দামুৰিটোৰ মূৰ্তিত) চটিয়াই দিলো। এনে কৰিবলৈ মোৰ অন্তৰে মোক দিহা দিছিল।' (৯৭) মূছাই ক'লে- "দূৰ হোৱা, তুমি ওৰে

জীৱন এই বুলি চিঞৰী থাকিব লাগিব- ‘মোক ন্যুব্বি’ আৰু তোমাৰ কৈফিয়ৎ তলবৰ এটা নির্দিষ্ট সময় আছে, য’ৰ পৰা তুমি নিস্কৃতি নোপোৱা। এতিয়া তুমি তোমাৰ উপাস্যক চোৱা, যাৰ উপাসনাত তোমালোক সদা নিবেদিত আছিলা, আমি তাক জ্বলাই ভস্ম কৰিম আৰু সেয়া সাগৰত চটিয়াই দিম।” (৯৮) তোমালোকৰ উপাস্য একমাত্র আল্লাহ। তেওঁৰ বিনে আন কোনো উপাস্য নাই। সকলো বস্তুকে তেওঁৰ জ্ঞানে আগুৰি আছে।

(৯৯) এইদৰে আমি অতীতত ঘটি যোৱা ঘটনাসমূহৰ বৃত্তান্ত তোমাক অৱগত কৰিছো আৰু আমি আমাৰ তৰফৰ পৰা তোমাক এটি স্মাৰক (পৱিত্র কুৰআন) দান কৰিছো। (১০০) যিয়ে ইয়াৰ পৰা আঁতৰি যাব, সি কিয়ামতৰ দিনা এটা দুর্বহ বোজা বহন কৰিব। (১০১) সেয়া সিহঁতে চিৰদিন বহন কৰি থাকিব লাগিব। কিয়ামতৰ দিনা সিহঁতৰ বাবে সেই বোজা অতি দুর্বহ হ’ব। (১০২) যিদিনা শিঙাত ফুঁ দিয়া হ’ব, সেইদিনা আমি অপৰাধীবিলাকক এনে অৱস্থাত সমবেত কৰিম যে, ভয়ত সিহঁতৰ চকু নীলা হৈ পৰিব, (১০৩) আৰু সিহঁতে পৰস্পৰে ফুচফুচাই ক’ব- ‘তোমালোকে পৃথিৱীত মাথোন দহ দিনহে আছিলা।’ (১০৪) আমাৰ ভালদৰে জনা আছে, সিহঁতে কি ক’ব। সিহঁতৰ মাজৰ অতি সাৱধান অনুমানকাৰীয়ে ক’ব- ‘তোমালোকে মাথোন এদিনহে অৱস্থান কৰিছিলা।’

(১০৫) সিহঁতে তোমাক পাহাৰবোৰৰ বিষয়ে সোধে, কোৱা- ‘মোৰ প্রভুৱে সেইবোৰ ধূলিকণা কৰি উৰাই দিব, (১০৬) আৰু পৃথিৱীক এনে মুকলি ভূমিত পৰিণত কৰিব যে, (১০৭) ক’তো বেঁকা-বেকি বা খলা-বমা দেখা নাপাবা।’ (১০৮) সেইদিনা সকলো মানুহে এজন আহবানকাৰীৰ আহবান অনুসৰণ কৰিব আৰু কোনোৱে ইফাল-সিফাল কৰিব নোৱাৰিব। দয়াময় আল্লাহৰ আগত সকলো স্বৰ ক্ষীণ হৈ যাব আৰু এটা মৃদু গুণগুণনিৰ বাহিৰে আন একো শুনা নাপাব।

(১০৯) সেইদিনা কাৰো ওকালতি কোনো কামত নাহিব; স্বয়ং দয়াময়ে যাক অনুমতি দিয়ে আৰু যাৰ কথা শুনিবলৈ ইচ্ছা কৰে তেওঁৰ ব্যতীত। (১১০) তেওঁ সকলোৰে আগৰ আৰু পিছৰ অৱস্থা জানে; কিন্তু সিহঁতৰ জ্ঞানেৰে সিহঁতে সেয়া ঢুকি নাপায়। (১১১) সেইদিনা সকলো মুখমণ্ডল চিৰঞ্জীৱ, চিৰ বৰ্তমান প্ৰভুৰ সন্মুখত অৱনত হ'ব। যিজনে অপকৰ্মৰ বোজা বহন কৰি আনিব, সি পৰাম্মুখ হ'ব। (১১২) কিন্তু যিয়ে বিশ্বাস স্থাপন কৰি সৎকৰ্ম কৰিব, তেওঁৰ শংকাৰ কোনো কাৰণ নাই আৰু তেওঁৰ প্ৰতি অকণো অবিচাৰ কৰা নহ'ব।

(১১৩) এইদৰে আমি আৰবী ভাষাত কুৰআন অৱতীৰ্ণ কৰিছো আৰু ইয়াত সকলো ধৰণৰ সতৰ্কবাণী বিবৃত কৰিছো যাতে মানুহে আল্লাহক ভয় কৰে নাইবা জ্ঞান চেতনা উদয় হয়। (১১৪) আল্লাহ অতি মহান, প্ৰকৃত অধিপতি। কুৰআন অৱতৰণৰ সময়ত অৱতৰণখিনি সম্পূৰ্ণ নোহোৱালৈকে খৰখেদা নকৰিবা। কোৱা- 'হে মোৰ প্ৰভু, মোৰ জ্ঞান বৃদ্ধি কৰি দিয়া।'

(১১৫) ইতিপূৰ্বে আমি আদমৰ পৰা প্ৰতিশ্ৰুতি লৈছিলো; কিন্তু তেওঁ সেয়া পাহৰি গ'ল আৰু তেওঁৰ মাজত আমি দৃঢ়তাৰ অভাৰ পালো। (১১৬) যেতিয়া আমি ফিৰিস্তাসকলক কৈছিলো- 'তোমালোকে আদমৰ প্ৰতি নত হোৱা।' সিহঁত সকলোৱে নত হ'ল, কেৱল ইবলিছ নহ'ল। সি অস্বীকাৰ কৰিলে। (১১৭) আমি ক'লো- 'হে আদম, (ছয়তান) তোমাৰ আৰু তোমাৰ পত্নীৰ শত্ৰু। এতেকে সি যেন তোমালোক দুয়োকে জান্নাতৰ পৰা বহিস্কাৰ কৰাব নোৱাৰে, অন্যথা তুমি বিপদত পৰিবা।'

(১১৮) 'ইয়াত তোমাৰ ভোকো নালাগে আৰু বিবস্ত্ৰও নোহোৱা, (১১৯) তুমি তৃষ্ণাতুৰো নোহোৱা আৰু ৰৌদ্ৰ তাপো নোপোৱা।' (১২০) কিন্তু ছয়তানে তেওঁক কুমন্ত্ৰণা দি ক'লে- 'হে আদম, তোমাক সেই অমৰত্বৰ গছজোপা দেখুৱামনে, যিজোপাৰ দ্বাৰা অক্ষয় ৰাজত্ব লাভ কৰা

যায়?' (১২১) শেষত উভয়ে সেই বৃক্ষ জোপাৰ ফল খালে, সেয়ে তেওঁলোকৰ লজ্জাস্থান উন্মোচিত হৈ পৰিল আৰু তেওঁলোকে নিজকে জান্নাতৰ গছৰ পাতেৰে আবৃত কৰিবলৈ ধৰিলে। এইদৰে আদমে তেওঁৰ প্ৰভুৰ অবাধ্যতা কৰিলে আৰু বিভ্ৰান্ত হ'ল। (১২২) তাৰ পিছত তেওঁৰ প্ৰভুৱে তেওঁক কৃপা কৰিলে, তেওঁৰ ক্ষমা প্ৰাৰ্থনা গ্ৰহণ কৰিলে আৰু দিশ নিৰ্দেশনা দিলে।

(১২৩) আল্লাহে ক'লে- 'নামি যোৱা, তোমালোক দুয়ো (মানুহ আৰু ছয়তান)। তোমালোক এজন আনজনৰ শত্ৰু।' যদি মোৰ ফালৰপৰা তোমালোকলৈ সৎপথৰ নিৰ্দেশনা যায়, তেনেহ'লে যিয়ে মোৰ এই সৎপথ অনুসৰণ কৰি চলিব, সি বিপথগামী নহ'ব আৰু দুৰ্দশাগ্ৰস্তও নহ'ব। (১২৪) কিন্তু যিয়ে মোৰ উপদেশৰ প্ৰতি পিঠি দিব, তাৰ জীৱন নিৰ্বাহ সংকুচিত হ'ব আৰু কিয়ামতৰ দিনা অন্ধ কৰি উঠোৱা হ'ব। (১২৫) সি সুধিব- 'হে প্ৰভু, কিয় মোক অন্ধ কৰি উঠালা? অথচ মই দৃষ্টি সম্পন্ন আছিলো।' (১২৬) আল্লাহে ক'ব- 'এইদৰেই আমাৰ বাণীসমূহ যেতিয়া তোমাৰ ওচৰ পাইছিলগৈ, তেতিয়া তুমি সেইবোৰ আওকাণ কৰিছিলা। ঠিক তেনেদৰে আজি তোমাকো আওকাণ কৰা হৈছে।' (১২৭) এনেদৰে আমি সীমালংঘন কাৰীবিলাকক প্ৰতিফল দিও যিবিলাকে তাৰ প্ৰভুৰ নিদৰ্শনসমূহ অগ্ৰাহ্য কৰে। কিন্তু পৰকালৰ শাস্তি অতি ভয়ংকৰ আৰু স্থায়ী।

(১২৮) সিহঁতে সেইবিলাকৰ পৰা জ্ঞান লাভ কৰা নাইনে, সিহঁতৰ পূৰ্বে আমি কিমান জাতিক ধ্বংস কৰিলো, যাৰ বাসস্থানবোৰত সিহঁতে আজি ঘূৰা-ফিৰা কৰি আছে? নিশ্চয় ইয়াত জ্ঞান-বুদ্ধি সম্পন্ন মানুহৰ বাবে বহু নিদৰ্শন আছে। (১২৯) যদি তোমাৰ প্ৰভুৰ এটা কথাৰ পূৰ্ব সিদ্ধান্ত নাথাকিলহেঁতেন আৰু অৱকাশৰ সময় নিৰ্ধাৰিত নাথাকিলহেঁতেন, তেনেহ'লে ইতিমধ্যেই সিহঁতৰ শাস্তিৰ ফয়চলা কৰা হ'লহেঁতেন। (১৩০) সেয়ে সিহঁতে যি কি নকওক

কিয়, সেয়া সহি থাকা। প্রশংসাৰ সৈতে তোমাৰ প্রভুৰ স্তুতি কৰা- সূর্যোদয়ৰ পূর্বে, সূর্যাস্তৰৰ পূর্বে, ৰাতিৰ সময়ত আৰু দিনৰ ভাগতো যাতে তুমি প্রশান্তি লাভ কৰিব পাৰা।

(১৩১) তুমি সেইবোৰ (ইর্ষাৰ) চকুৰে নাচাবা যিবোৰ পার্থিৱ জীৱনৰ ভোগৰ উপকৰণ হিচাবে দিছো। সেইবোৰ সিহঁতৰ বাবে পৰীক্ষাহে। তোমাৰ প্রভুৱে দিয়া জীৱিকাই উত্তম আৰু চিৰস্থায়ী। (১৩২) তোমাৰ নিজৰ মানুহবোৰক নামাজৰ আদেশ দিয়া আৰু তুমি নিজেও নামাজত অবিচল থাকা। আমি তোমাৰ পৰা কোনো জীৱিকা নিবিচাৰো। আমিহে তোমাক জীৱিকা দান কৰো। শুভ প্রতিদান সৎকর্মীসকলৰ বাবে আছে।

(১৩৩) সিহঁতে কয়- 'তেওঁ তেওঁৰ প্রভুৰ পৰা আমালৈ কোনো নিদর্শন আনা নাই কিয়?' পূর্বৰ ঐশী পুথিসমূহত থকা প্রকাশ্য প্রমাণসমূহ সিহঁতৰ বাবে যথেষ্ট নহয়নে? (১৩৪) সেয়া অহাৰ আগেয়েই যদি আমি সিহঁতক নাশ কৰিলোহেঁতেন, তেনেহ'লে সিহঁতে ক'লেহেঁতেন- 'হে আমাৰ প্রভু, তুমি আমালৈ কিয় ৰছুল নপঠালা? লাঞ্ছিত আৰু অপমানিত হোৱাৰ পূর্বেই আমি তোমাৰ নির্দেশসমূহ মানি ল'লোহেঁতেন।' (১৩৫) কোৱা- 'প্রত্যেকেই অপেক্ষা কৰি আছে। সেয়ে তোমালোকেও ইচ্ছা কৰিলে অপেক্ষা কৰিব পাৰা। তোমালোকে জানিবলৈ পাবা কোন সৎপথৰ পথিক আৰু কোন সৎপথ প্রাপ্ত হৈছে।'

২১. আল-আম্বিয়া (দিব্য পুৰুষ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) মানুহৰ হিচাব-নিকাচৰ সময় ওচৰ চাপিছেহি, তথাপি সিহঁতে আওকণীয়া হৈ আঁতৰি ফুৰিছে। (২) যেতিয়াই সিহঁতৰ প্রভুৰ পৰা সিহঁতলৈ নতুন দৈব্যবাণী আহে, সিহঁতে সেয়া শুনে, কিন্তু সেয়া সিহঁতে গুৰুত্বসহকাৰে

নলয়। (৩) সিহঁতৰ অন্তৰ উদাসীন আৰু অমনোযোগী হয়। অন্যায়কাৰী বিলাকে পৰস্পৰে গুপুতে আলচ কৰে যে- 'এওঁ তোমালোকৰ দৰে মৰণশীল মানুহ নহয়নে? তেনেস্থলতো তোমালোকে দেখি-শুনি মায়াজালত পৰিবলৈ আহিছা?' (৪) ৰছুলে ক'লে- 'মোৰ প্ৰভুৱে সকলো কথা জানে, সেয়া আকাশ-পৃথিৱীৰ য'তেই যিহকেই কোৱা নহওক কিয়? তেওঁ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ।'

(৫) কিছুমানে কয়- 'এইবোৰ তেওঁৰ বিভ্ৰান্তিমূলক সপোন।' আৰু কিছুমানে কয়- 'এইবোৰ তেওঁৰ মনে সজা কথাহে।' আকৌ কিছুমানে কয়- 'তেওঁ এজন কবিহে। তেওঁ আমালৈ কোনো নিদৰ্শন লৈ আহক, যেনেদৰে পূৰ্ববৰ্তী নবীসকলক নিদৰ্শন দি পঠোৱা হৈছিল।' (৬) সিহঁতৰ পূৰ্বে আমি যিবিলাক জনবসতি ধ্বংস কৰিলো, তাৰ অধিবাসীবিলাকে বিশ্বাস স্থাপন কৰা নাছিল। এতিয়া ইহঁতে বিশ্বাস স্থাপন কৰিব জানো?

(৭) তোমাৰ পূৰ্বে আমি যিসকলক ৰছুল কৰি পঠিয়াইছিলো, তেওঁলোক মানৱেই আছিল আৰু তেওঁলোকৰ প্ৰতি ঐশীবাণী প্ৰেৰণ কৰিছিলো। এয়া তোমালোকৰ জনা নাথাকিলে ঐশীপুথি প্ৰাপ্ত লোকসকলক সুধি চোৱা। (৮) আমি তেওঁলোকক এনে কোনো দেহ দিয়া নাছিলো যে তেওঁলোকে খাব লগীয়া নহৈছিল। তেওঁলোক চিৰজীৱিতও নাছিল। (৯) তেওঁলোকৰ লগত কৰা প্ৰতিশ্ৰুতি আমি পূৰ্ণ কৰিলো। আমি তেওঁলোকক বচালো আৰু তেওঁলোকৰ লগত যিসকলক বচাবলৈ ইচ্ছা কৰিছিলো বচালো আৰু সীমালংঘনকাৰীবিলাকক ধ্বংস কৰিলো।

(১০) আমি তোমালোকৰ প্ৰতি এনে এখন পুথি অৱতীৰ্ণ কৰিছো, য'ত তোমালোকৰ বাবে উপদেশ আছে, তথাপিও তোমালোকে বুজি নোপোৱানে? (১১) কিমান যে অনাচাৰী জনবসতিক আমি সমূলি ধ্বংস কৰিলো আৰু সিহঁতৰ পিছত অন্য জাতিক উত্থিত কৰিলো। (১২) যেতিয়া সিহঁতে আমাৰ শাস্তি অহাৰ কথা গম পালে, তেতিয়া সিহঁতে তাৰ পৰা পলায়ন

কৰিবলৈ ধৰিলে। (১৩) 'পলাবলৈ চেষ্টা নকৰিবা। তোমালোকৰ নিজৰ ঘৰ-বাৰীবোৰলৈ আৰু য'ত তোমালোক ভোগ-বিলাসত মত্ত আছিলা, তালৈ ঘূৰি যোৱা যাতে তোমালোকক সুধিব পৰা যায়।' (১৪) সিহঁতে ক'লে- 'হায়, আমাৰ কি দুর্ভাগ্য! সঁচাকৈয়ে আমি অন্যায়কাৰী আছিলো।' (১৫) সিহঁতক দাই নিয়া শস্য পথাৰৰ দৰে অৱস্থা কৰি নিদিয়ালৈকে আৰু সিহঁতৰ জীৱনৰ স্পন্দন থকালৈকে এনেদৰে সিহঁতে আর্তৰাও কৰিয়েই আছিল।

(১৬) আকাশ-পৃথিৱী আৰু ইয়াত যি আছে, সেইবোৰ আমি খেল-ধেমালিৰ ছলেৰে সৃষ্টি কৰা নাই। (১৭) বিনোদনৰ বাবে সৃষ্টি কৰাই যদি মোৰ ইচ্ছা হ'লহেঁতেন আৰু আমি যদি তাকেই কৰিব খুজিলোহেঁতেন, তেনেহ'লে সেয়া আমি নিজৰ পৰাই কৰিলোহেঁতেন। (১৮) আমি সত্যৰে অসত্যক আঘাত কৰো আৰু ই অসত্যক চূৰ্চুমৈ কৰি দিয়ে আৰু অসত্য বিলুপ হয়। তোমালোকে যি ৰটি ফুৰিছা তাৰ বাবে তোমালোকৰ দুর্ভোগ নিশ্চিত।

(১৯) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সকলোবোৰেই আল্লাহৰ। যিসকল তেওঁৰ সান্নিধ্যত আছে তেওঁলোকে তেওঁৰ উপাসনা কৰিবলৈ অহংবোধ নকৰে আৰু তেওঁলোক ক্লান্তও নহয়। (২০) তেওঁলোকে জিৰণি নোলোৱাকৈ দিনে-ৰাতিয়ে অহর্নিশে তেওঁৰেই মহিমা কীর্তন কৰি থাকে।

(২১) সিহঁতে পৃথিৱীৰ পৰা এনে উপাস্য কৰি লৈছে নেকি, যিজনে মৃতক জীৱিত কৰিব পাৰে? (২২) আকাশমণ্ডল আৰু পৃথিৱীত আল্লাহৰ বাহিৰে যদি আন কোনো উপাস্য থাকিলহেঁতেন, তেনেহ'লে আকাশমণ্ডল আৰু পৃথিৱী উভয়ৰ শৃঙ্খলা লণ্ড-ভণ্ড হ'লহেঁতেন। আল্লাহ, মহাসিংহাখনৰ অধিপতি, তেওঁৰ প্রতি সিহঁতে মিছা আৰোপ কৰে, তেওঁ পৰিত্র আৰু মহান। (২৩) তেওঁ যি কৰে, তাৰ বাবে তেওঁ প্রশ্নৰ সন্মুখীন নহয়; বৰং আন সকলোকেই সোধা হ'ব।

(২৪) আল্লাহৰ ব্যতীত সিহঁতে আনক উপাস্য কৰি লৈছে নেকি? সিহঁতক কোৱা- 'আনা তোমালোকৰ চনদ। এইখন উপদেশ পুথি মোৰ লগত থকা মানুহবিলাকৰ কাৰণে আৰু মোৰ পূৰ্বৰ মানুহবিলাককো উপদেশমূলক পুথি দিয়া হৈছিল।' কিন্তু সিহঁতৰ অধিকাংশ মানুহে প্ৰকৃত সত্যটো নাজানে, সেয়ে সিহঁতে তাৰ পৰা আঁতৰি থাকে। (২৫) তোমালোকৰ পূৰ্বে আমি যিসকল ৰছুল পঠিয়াইছিলো, এই একেই প্ৰত্যাদেশ দিছিলো যে- 'মোৰ ব্যতীত আন কোনো উপাস্য নাই। সেয়ে তোমালোকে মোৰেই উপাসনা কৰা।'

(২৬) সিহঁতে কয়- 'দয়াময় আল্লাহে সন্তান গ্ৰহণ কৰিছে।' তেওঁ পৱিত্ৰ আৰু মহান। তেওঁলোক (ফিৰিস্তাসকল) তেওঁৰ সন্মানিত দাসহে মাথোন। (২৭) তেওঁলোকে আগধৰি কোনো কথা নকয়। তেওঁলোকে কেৱল মাথো তেওঁৰ আদেশ অনুযায়ীহে কাম কৰে। (২৮) তেওঁলোকৰ আগত যি আছে, সেয়া তেওঁ জানে আৰু তেওঁলোকৰ অগোচৰে যি আছে সেয়াও তেওঁ জানে। তেওঁৰ অনুমতি বিনে তেওঁলোকে কাৰো পক্ষে ওকালতি কৰিব নোৱাৰে। অৱশ্যে তেওঁলোকো তেওঁৰ ভয়ত ভীত-সন্ত্ৰস্ত হৈ থাকে। (২৯) তেওঁলোকৰ মাজৰ যিয়ে কয়- 'আল্লাহৰ উপৰি ময়ো এজন উপাস্য', তাক আমি জাহান্নামলৈ পঠাম। এইদৰে আমি অন্যায়কাৰীবিলাকক শাস্তি দিও।

(৩০) যিবিলাক মানুহে অবিশ্বাস কৰিছে, সিহঁতে দেখা নাইনে যে আকাশমণ্ডল আৰু পৃথিৱী মিলি একগোট হৈ আছিল? পিছত আমি সিবোৰক পৃথক কৰি দিলো আৰু সকলো প্ৰাণৱন্ত জীৱকে আমি পানীৰ পৰা সৃষ্টি কৰিছো। তথাপি সিহঁতে বিশ্বাস স্থাপন নকৰেনে?

(৩১) আমি সুদৃঢ় পৰ্বতবোৰক পৃথিৱীত স্থাপন কৰিছো যাতে সিহঁতক লৈ পৃথিৱীয়ে থৰক-বৰক কৰি নাথাকে আৰু তাত আমি প্ৰশস্ত পথ কৰি দিছো যাতে সিহঁতে পথৰ সন্ধান পাব পাৰে। (৩২) আকাশখনক আমি এখন সুৰক্ষিত চাল কৰি দিছো, তথাপি সিহঁতে এই নিদৰ্শনসমূহৰ পৰা মুখ ঘুৰাই

লৈছে। (৩৩) তেৱেঁই আল্লাহ, যিজনে ৰাতি-দিন আৰু চন্দ্ৰ-সূৰ্য সৃষ্টি কৰিছে। প্ৰত্যেকে নিজ নিজ কক্ষপথত পৰিভ্ৰমণ কৰি আছে।

(৩৪) তোমাৰ পূৰ্বে আমি কোনো মানুহকে চিৰজীৱী কৰা নাই, তোমাৰ (মুহাম্মদ) যদি মৃত্যু হয়, তেনেহ'লে সিহঁতে কি চিৰদিন জী থাকিব? (৩৫) প্ৰত্যেক জীৱই মৃত্যুৰ স্বাদ গ্ৰহণ কৰিবই লাগিব। আমি তোমালোকক ভাল-বেয়া অৱস্থাত পেলাই পৰীক্ষা কৰি থাকো। শেষত আমাৰ পিনেই তোমালোকক ঘুৰাই অনা হ'ব।

(৩৬) সত্য প্ৰত্যাখ্যানকাৰীবিলাকে যেতিয়াই তোমাক দেখে, তেতিয়া উপলুঙা কৰি কয়- 'এওঁৱেই নেকি, যিজনে তোমালোকৰ উপাস্যবিলাকক সমালোচনা কৰে?' অথচ ইহঁতেই সিহঁত, আল্লাহৰ কথা ক'লে যিবিলাকে অগ্ৰাহ্য কৰে।

(৩৭) মানুহক খৰধৰ কৰাৰ প্ৰৱণতাৰে সৃষ্টি কৰা হৈছে। অনতিপলমে মই তোমাক মোৰ নিদৰ্শনসমূহ দেখুৱাম। এতেকে খৰধৰ কৰিবলৈ মোক ক'ব নালাগে। (৩৮) সিহঁতে সোধে- 'এই প্ৰতিশ্ৰুতি কেতিয়া কাৰ্যকৰী হ'ব, যদি তুমি সঁচাকৈয়ে কৈছা?' (৩৯) সত্য অবিশ্বাসকাৰীবিলাকে যদি সেই সময়ৰ কথা জানিলেহেঁতেন, যেতিয়া সিহঁতে জুইক নে আগফালৰ পৰা প্ৰতিহত কৰিব পাৰিব, নে পিছ ফালৰ পৰা প্ৰতিহত কৰিব পাৰিব। সিহঁতৰ কোনো সহায়-সাৰথিও নহ'ব। (৪০) নিশ্চয় সেয়া সিহঁতলৈ অতৰ্কিতে আহিব আৰু সিহঁত হতভম্ব হৈ পৰিব, সিহঁতে সেয়া ৰোধ কৰিব নোৱাৰিব আৰু সিহঁতে অৱকাশো নাপাব। (৪১) তোমাৰ পূৰ্বৰ ৰছুলসকলকো ঠাট্টা-বিদ্ৰূপ কৰা হৈছিল, যি লৈ সিহঁতে ঠাট্টা-বিদ্ৰূপ কৰিছিল, পৰিণাম স্বৰূপে সেইবোৰেই সিহঁতক পৰিবেষ্টন কৰিলে।

(৪২) কোৱা- 'কোনে তোমালোকক দিনতেই হওক বা ৰাতিতেই হওক দয়াময়ৰ শাস্তিৰ পৰা ৰক্ষা কৰিব পাৰে? তথাপি সিহঁতে সিহঁতৰ প্ৰভুৰ স্মৰণৰ

পৰা আঁতৰি থাকে। (৪৩) সিহঁতৰ এনে কোনো উপাস্য আছে নেকি, যিয়ে আমাৰ মোকাবিলাত সিহঁতক ৰক্ষা কৰিব পাৰে? সিহঁতে নিজকেই ৰক্ষা কৰিব নোৱাৰে আৰু আমাৰ বিৰুদ্ধে কোনো সহায়-সহযোগিতা নাপায়।

(৪৪) আমি সিহঁতক আৰু সিহঁতৰ পিতৃ-পিতামহসকলক জীৱন যাপনৰ সামগ্ৰী দিছিলো। এনেদৰে এটি দীৰ্ঘ সময় অতিবাহিত হ'ল। সিহঁতে দেখা নাইনে যে আমি কেউদিশৰ পৰা সিহঁতৰ সীমা সংকুচিত কৰি আনিছো? ইহঁতেই সিহঁতনে, ইহঁতে সফল হ'ব পাৰিবনে?

(৪৫) কোৱা- 'মই ঐশী বাণীৰ ভিত্তিতহে তোমালোকক সতর্ক কৰি দিছিলো', কিন্তু কলা মানুহবিলাকক যেতিয়া সতর্ক বাণী শুনোৱা হয়, সিহঁতে সতর্ক বাণী নুশুনে। (৪৬) ইয়াৰ পিছতো যদি তোমাৰ প্ৰভুৰ শাস্তিৰ সামান্য এছাতি বা সিহঁতৰ গাত লাগে, সিহঁতে কয়- 'হায়, আমাৰেই কি দুৰ্ভাগ্য! নিশ্চয় আমিয়েই অন্যায় কৰিছিলো।'

(৪৭) কিয়ামতৰ দিনা আমি ন্যায় বিচাৰৰ তুলাচনী স্থাপন কৰিম। সেইদিনা কোনো প্ৰাণৰ প্ৰতি তিল পৰিমাণো অবিচাৰ কৰা নহ'ব। তিলপৰিমাণো যদি কৰ্ম থাকে, সেয়াও আমি আনি উপস্থিত কৰিম আৰু হিচাব-নিকাচ সম্পন্ন কৰাত আমিয়েই যথেষ্ট।

(৪৮) আমি মূছা আৰু হাৰুণকো সঁচা-মিছাৰ পাৰ্থক্যকাৰী গ্ৰন্থ, এটি আলোক আৰু উপদেশ দান কৰিছিলো সেইসকল সৎকৰ্মপৰায়ণ লোকৰ বাবে- (৪৯) যিসকলে নেদেখাকৈয়ে তেওঁলোকৰ প্ৰভুক ভয় কৰে আৰু কিয়ামতৰ প্ৰতি ভীত-সন্ত্ৰস্ত হৈ থাকে। (৫০) এয়া কল্যাণময় উপদেশ আমি তোমালোকৰ প্ৰতি অৱতীৰ্ণ কৰিছো, তথাপি তোমালোকে এয়া অস্বীকাৰ কৰিবানে?

(৫১) ইয়াৰ পূৰ্বেও আমি ইব্ৰাহীমক তেওঁৰ দিশ-নিদেৰ্শনা প্ৰদান

কৰিছিলো। তেওঁক আমাৰ ভালদৰে জনা আছিল। (৫২) যেতিয়া তেওঁ তেওঁৰ পিতৃ আৰু নিজ সম্প্রদায়ৰ মানুহবিলাকক সুধিছিল- 'এইবোৰ কি মূর্তি, যাৰ প্রতি তোমালোক ইমান অনুৰক্ত হৈ আছা?' (৫৩) সিহঁতে উত্তৰ দিলে- 'আমাৰ পিতৃ-পুৰুষসকলে এই বিলাকক পূজা-উপাসনা কৰা আমি পাইছিলো।' (৫৪) ইব্রাহীমে ক'লে- 'আচলতে তোমালোক ভ্রান্ত পথত আছা আৰু তোমালোকৰ পিতৃ-পুৰুষসকলো স্পষ্ট ভ্রান্ত পথত আছিল।'

(৫৫) সিহঁতে ক'লে- 'তুমি আমাৰ ওচৰলৈ প্রকৃত সত্য লৈ আহিছা নে আমাৰ লগত ধেমালিহে কৰিছা?' (৫৬) উত্তৰত ইব্রাহীমে ক'লে- 'তেৱেঁই তোমালোকৰ প্রভু, যিজন আকাশমণ্ডল আৰু পৃথিৱীৰ প্রভু। তেৱেঁই সেইবোৰ সৃষ্টি কৰিছে। এই কথাৰ মই সাক্ষ্য দিছো। (৫৭) আল্লাহৰ শপত, তোমালোক ইয়াৰ পৰা যোৱাৰ পিছত মই তোমালোকৰ প্রতিমাবোৰৰ ব্যৱস্থা ল'ম।' (৫৮) ইয়াৰ পিছত তেওঁ সেই সকলোবোৰ মূর্তি ভাঙি চুৰমাৰ কৰিলে, তাৰে ডাঙৰ আকাৰৰ মূর্তিটো নাভাঙিলে যাতে সিহঁতে (অনুসন্ধানৰ বাবে) তাৰ ওচৰলৈ যায়।

(৫৯) সিহঁতে ক'লে- 'কোনে আমাৰ উপাস্য প্রতিমাবোৰৰ এই অৱস্থা কৰিলে? নিশ্চয় সি এটা জঘন্য অন্যায়কাৰী।' (৬০) কিছুমানে ক'লে- 'এজন যুৱকে এইবোৰৰ বিষয়ে মন্তব্য কৰা শুনিছিলো, তাক ইব্রাহীম বোলা হয়।' (৬১) সিহঁতে ক'লে- 'তেনেহ'লে তাক ধৰি আনি জনতাৰ সম্মুখত উপস্থিত কৰা যাতে সেয়া সিহঁতে সাক্ষী হিচাবে চাব পাৰে।' (৬২) সিহঁতে ক'লে- 'ইব্রাহীম, তুমিয়েই আমাৰ উপাস্যবিলাকক এনে কৰিলানেকি?' (৬৩) তেওঁ উত্তৰ দিলে- 'এইয়া সিহঁতৰ ডাঙৰটোৱে কৰিছে। সিহঁতকে সোধক, যদি সিহঁতে কথা ক'ব পাৰে!'

(৬৪) তেতিয়া সিহঁতে নিজৰ ভিতৰতে গৰমিল কৰি ক'লে- 'আচলতে তোমালোকে নিজেই অসত্য পথত আছা।' (৬৫) ইয়াৰ পিছত সিহঁতে মূৰ

জোকাৰিলে আৰু ক'লে- 'হে ইব্ৰাহীম, তুমিতো জানাই যে ইহঁতে কথা ক'ব নোৱাৰে।' (৬৬) ইব্ৰাহীমে ক'লে- 'তেনেহ'লে তোমালোকে আল্লাহক বাদ দি এনে কিছুমানক উপাসনা কৰা নেকি, যিবোৰে তোমালোকৰ কোনো উপকাৰ কৰিব নোৱাৰে আৰু অপকাৰো কৰিব নোৱাৰে। (৬৭) ধিক! তোমালোকৰ প্ৰতি আৰু সেই উপাস্য দেৱ-দেৱীৰ প্ৰতি, যিবোৰক তোমালোকে আল্লাহৰ পৰিৱৰ্তে উপাসনা কৰা। তোমালোকৰ কোনো জ্ঞানবোধ নাইনেকি?'

(৬৮) সিহঁতে ক'লে- 'যদি তোমালোকে কিবা কৰিব খুজিছা, তেনেহ'লে তাক জুইত পুৰি মাৰা আৰু তোমালোকৰ উপাস্যবোৰক সহায় কৰা।' (৬৯) কিন্তু আমি ক'লো- 'হে অগ্নি, ইব্ৰাহীমৰ প্ৰতি তুমি শীতল আৰু নিৰাপদৰ কাৰক হোৱা।' (৭০) সিহঁতে তেওঁৰ ক্ষতি সাধন কৰিব বিচাৰিছিল; কিন্তু আমি সিহঁতক হতাশ কৰিলো।

(৭১) আমি তেওঁক আৰু লূতক উদ্ধাৰ কৰি এনে অঞ্চললৈ লৈ গ'লো, য'ত আমি বিশ্ববাসীৰ বাবে প্ৰচুৰ কল্যাণ ৰাখি থৈছিলো। (৭২) আমি তেওঁক দান কৰিছিলো ইছহাক আৰু অতিৰিক্তভাৱে নাতিয়েক ইয়াকুবক। আমি তেওঁলোক প্ৰত্যেককে সৎকৰ্মশীল কৰিছিলো। (৭৩) তেওঁলোকক আমি নেতৃত্ব দান কৰিছিলো যিসকলে আমাৰ নিৰ্দেশ অনুযায়ী লোকসকলক সৎপথ দেখুৱাইছিল। সৎকৰ্ম কৰিবলৈ, নামাজ প্ৰতিষ্ঠা কৰিবলৈ আৰু যাকাত আদায় দিবলৈ আমি তেওঁলোকক প্ৰত্যাদেশ কৰিছিলো। তেওঁলোকে কেৱল আমাৰেই উপাসনা কৰিছিল।

(৭৪) আমি লূতক বিচাৰ শক্তি আৰু জ্ঞান দান কৰিছিলো আৰু তেওঁক সেই জনবসতিৰ পৰা উদ্ধাৰ কৰিছিলো য'ৰ অধিবাসীবিলাক বিভৎস দুষ্কৰ্মত লিপ্ত আছিল। প্ৰকৃততে সিহঁত অতি জঘন্য দুষ্কাৰ্যকাৰী জাতি আছিল। (৭৫) আমি তেওঁক আমাৰ কৰুণাত আশ্ৰয় দিলো। তেওঁ সৎকৰ্মপৰায়ণ সকলৰ এজন আছিল।

(৭৬) তেওঁৰ পূর্বে নূহে আমাক মাতিছিল আৰু আমি তেওঁৰ মাতত সঁহাৰি জনাইছিলো। আমি তেওঁক আৰু তেওঁৰ মানুহবিলাকক মহা বিপদৰ পৰা ত্রাণ কৰিছিলো। (৭৭) আমি তেওঁক সেইবিলাক মানুহৰ বিপক্ষে সহায় কৰিছিলো, যিবিলাকে আমাৰ নিদর্শনাৱলী অস্বীকাৰ কৰিছিল। আচলতে সিহঁত বৰ জঘন্য প্রকৃতিৰ মানুহ আছিল। সেয়ে সিহঁত সকলোকে আমি ডুবাই মাৰিলো।

(৭৮) দাউদ আৰু চুলাইমান দুয়োজনেই যেতিয়া এনে এখন শস্য পথাৰৰ ৰায় দিছিল, যিখন পথাৰত ৰাতি আন মানুহৰ ছাগলী আহি চৰি ফুৰিছিল। আমি তেওঁলোকৰ বিচাৰ পর্যবেক্ষণ কৰি আছিলো। (৭৯) আমি চুলাইমানক তাৰ সঠিক বিচাৰ শিকাই দিছিলো। আমি তেওঁলোক দুয়োজনকেই বিচাৰ শক্তি দান কৰিছিলো। পাহাৰ আৰু চৰাইবোৰকো আমি দাউদৰ বশ কৰি দিছিলো। সিবোৰেও দাউদৰ লগত আল্লাহৰ পৰিত্রতা আৰু মহিমাৰ গুণ গাইছিল। এইবোৰ কৰাৰ ক্ষমতা আমাৰেই আছিল। (৮০) আমি তোমালোকৰ বাবে বর্ম তৈয়াৰ কৰা কলা-কৌশল শিকাই দিছিলো যাতে তোমালোকক যুদ্ধত আঘাতৰ পৰা সুৰক্ষিত ৰাখে। তাৰ বাবে তোমালোক কৃতজ্ঞ নহ'বানে?

(৮১) প্রৱল বায়ুক আমি চুলাইমানৰ নিয়ন্ত্রণাধীন কৰি দিছিলো। তেওঁৰ নির্দেশত বায়ু সেই ভূভাগলৈ বলিছিল, যি ভূভাগত আমাৰ প্রচুৰ কল্যাণসমূহ ৰাখি থৈছিলো। সকলো বিষয়ে আমি সম্পূর্ণ অৱগত। (৮২) আমি কিছুমান জ্বিনকো তেওঁৰ আজ্ঞাবহ কৰি দিছিলো, যিবিলাকে তেওঁৰ বাবে সমুদ্রত ডুবাৰুৰ কাম কৰিছিল। ইয়াৰ উপৰিও অন্যান্য কাম কৰিছিল। আমি সিহঁতৰ ওপৰত সতর্ক দৃষ্টি ৰাখিছিলো।

(৮৩) স্মৰণ কৰা, যেতিয়া আইয়ুবে তেওঁৰ প্রভুক মিনতি কৰি কৈছিল- 'মই অতিপাত যন্ত্রণাত ভুগিছো, কিন্তু তুমি সকলো দয়ালুতকৈ সর্বশ্রেষ্ঠ দয়ালু।'

(৮৪) আমি তেওঁৰ প্ৰাৰ্থনা কবুল কৰিলো আৰু তেওঁৰ ৰোগ যন্ত্ৰণা দূৰ কৰি দিলো। আমি তেওঁৰ পৰিয়ালবৰ্গ তেওঁক ঘূৰাই দিলো আৰু আমাৰ অনুগ্ৰহৰ দ্বাৰা সিহঁতৰ সংখ্যা দুগুণ কৰি দিলো যাতে উপাসনাকাৰীসকলৰ বাবে ই এটা স্মাৰক হয়।

(৮৫) স্মৰণ কৰা, ইছমাইল, ইদ্ৰিছ আৰু যুলকিফল, তেওঁলোক সকলো ধৈৰ্যশীল আৰু দৃঢ়মনা আছিল। (৮৬) তেওঁলোক সকলোকে আমি আমাৰ কৰুণাত আশ্ৰয় দিছিলো। কিয়নো তেওঁলোক সৎকৰ্মপৰায়ণ আছিল।

(৮৭) স্মৰণ কৰা, জুন্নুকো (মাছৰ পেটত থকা ইউনুছকো) আমি অনুগ্ৰহ কৰিছিলো। যেতিয়া তেওঁ খং কৰি গুচি গৈছিল, তেওঁ ভাবিছিল আমি তেওঁক নধৰো। শেষত তেওঁ অন্ধকাৰৰ পৰা প্ৰাৰ্থনা কৰি ক'লে- 'তোমাৰ ব্যতীত আন কোনে উপাস্য নাই। তুমিয়েই পৱিত্ৰ আৰু মহান। নিশ্চয় ময়েই দোষ কৰিছিলো।' (৮৮) আমি তেওঁৰ প্ৰাৰ্থনা শুনিলো আৰু তেওঁক সেই যন্ত্ৰণাৰ পৰা পৰিত্ৰাণ কৰিলো। এনেদৰেই আমি ঈমানদাৰসকলক ৰক্ষা কৰি থাকো।

(৮৯) স্মৰণ কৰা, যাকাৰিয়াকো অনুগ্ৰহ কৰিছিলো। যেতিয়া তেওঁ তেওঁৰ প্ৰভুক মিনতি কৰি কৈছিল- 'হে প্ৰভু, মোক উত্তৰাধিকাৰীহীন কৰি নাৰাখিবা। তুমিয়েইতো সৰ্বোত্তম উত্তৰাধিকাৰী।' (৯০) আমি তেওঁৰ নিবেদন মঞ্জুৰ কৰিলো আৰু তেওঁক 'য়াহয়া' দান কৰিলো। তেওঁৰ স্ত্ৰীক আমি গৰ্ভধাৰণৰ যোগ্যতাসম্পন্ন কৰি দিলো। পুণ্যকৰ কামৰ বাবে তেওঁ সদা তৎপৰ আছিল। আশা আৰু ভীতি সহকাৰে আমাকেই প্ৰাৰ্থনা কৰিছিল আৰু তেওঁলোক সৰ্বদা আমাৰ প্ৰতি বিনীত আছিল।

(৯১) স্মৰণ কৰা, সেই মহিলাগৰাকীৰ কথা, যি গৰীকয়ে নিজ সতীত্বৰ পৱিত্ৰতা ৰক্ষা কৰিছিল। আমি তেওঁৰ গৰ্ভত নিজৰ পৰা আত্মা ফুঁৰাই দিলো। তেওঁক আৰু তেওঁৰ পুত্ৰক আমি জগতবাসীৰ বাবে এটি নিদৰ্শন কৰিলো।

(৯২) তোমালোকৰ সম্প্ৰদায় মাথোন এটাই সম্প্ৰদায় আৰু ময়েই তোমালোকৰ প্ৰভু। এতেকে মোৰেই উপাসনা কৰা। (৯৩) কিন্তু সিহঁতে নিজৰ ভিতৰতে নিজকে বিভিন্ন দলত ভাগ কৰি ল'লে। অৱশেষত সিহঁত সকলোৱে আমাৰ ওচৰলৈকে উভতি আহিব লাগিব। (৯৪) যিজনে বিশ্বাস স্থাপন কৰি থাকি সৎকৰ্ম কৰিব, তেওঁৰ কৰ্ম উপেক্ষা কৰা নহয় আৰু সেয়া আমি লিপিবদ্ধ কৰি ৰাখো।

(৯৫) যি জনবসতিক আমি এবাৰ ধ্বংস কৰিলো, সিহঁত দুনাই ঘূৰি অহা সম্ভৱ নহয়; (৯৬) কিন্তু যেতিয়া ইয়াজুজ-মাজুজক মুকলি কৰি দিয়া হ'ব, সিহঁতে সকলো উচ্চ ভূমি বগাই ওলাই আহিব, (৯৭) তেতিয়া প্ৰভুৰ অমোঘ সত্য প্ৰতিশ্ৰুতিৰ কাল আসন্ন হ'ব, তেতিয়া অবিশ্বাসকাৰীবিলাকৰ চকু বিষ্ময়ত থৰ লাগিব আৰু চিঞৰি উঠিব- 'হায়, আমাৰেই দুৰ্ভাগ্য! এই বিষয়ে আমি মন-কাণ দিয়া নাছিলো। বৰং আমিয়েই অপৰাধ কৰিছিলো।'

(৯৮) নিশ্চয় তোমালোক আৰু তোমালোকে যিবোৰক আল্লাহৰ বাহিৰে উপাসনা কৰিছা, আটায়ে জাহান্নামৰ ইন্ধন হ'বা আৰু তোমালোক সকলোৱে তালৈকে যাব লাগিব। (৯৯) প্ৰকৃততে যদি সিহঁত উপাস্য হ'লহেঁতনে, তেনেহ'লে সিহঁতে তালৈ যাব লগা নহ'লহেঁতেন। সিহঁত সকলোৱে তাত চিৰকাল থাকিব লাগিব। (১০০) সিহঁত তাত চিঞৰী চিঞৰী আৰ্তনাদ কৰি থাকিব আৰু তাত সিহঁতে একোৱে শুনা নাপাব। (১০১) কিন্তু যিসকলক আমাৰ পক্ষৰ পৰা কল্যাণ লাভৰ অংগীকাৰ কৰা হৈছে, তেওঁলোকক জাহান্নামৰ পৰা দূৰত ৰখা হ'ব। (১০২) তেওঁলোকে তাৰ পৰা অহা নিচেই ক্ষীণ শব্দও শুনা নাপাব আৰু তেওঁলোকৰ মনে বিচৰা বস্তুবোৰৰ মাজত তেওঁলোক চিৰকাল অৱস্থান কৰিব। (১০৩) সবাতোকৈ ডাঙৰ আতংকয়ো তেওঁলোকক চিন্তিত নকৰে আৰু ফিৰিস্তাসকলেহে তেওঁলোকক অভিনন্দন জনাবলৈ

আগবাঢ়ি আহি ক'ব- 'এইটোৱেই সেইটো দিন, যিটোৰ বিষয়ে তোমালোকক প্রতিশ্রুতি দিয়া হৈছিল।'

(১০৪) সেই দিনা আমি আকাশখনক লিখিত কাগজ মেৰুৱাদি মেৰুৱাই পেলাম। প্রথমে আমি যেনেদৰে সৃষ্টিৰ সূচনা কৰিছিলো, তেনেদৰেই তাৰ পুনৰাবৃত্তি কৰিম। এইটো এটা অংগীকাৰ। ইয়াক পূৰণ কৰা আমাৰ দায়িত্ব। নিশ্চয় আমি এই কাম পূর্ণ কৰিম। (১০৫) ইতিমধ্যে আমি 'যবুৰ' পুথিত উপদেশ দিয়াৰ পিছত লিখি দিছিলো যে- 'মোৰ সৎকর্মপৰায়ণ দাসসকল পৃথিৱীৰ উত্তৰাধিকাৰী হ'ব।' (১০৬) প্রকৃত উপাসনাকাৰীসকলৰ বাবে নিশ্চয় ইয়াত এটা সুসংবাদ আছে। (১০৭) আমি তোমাক সমগ্র মানৱ জাতিৰ কাৰণে এটি কৰুণা স্বৰূপে প্রেৰণ কৰিছো। (১০৮) কোৱা- 'মোৰ প্রতি ঐশীবাণী আহিছে যে তোমালোকৰ উপাস্য মাথোন এজনহে উপাস্য। এতেকে তোমালোকে তেওঁৰ ওচৰত আত্মসমর্পণ নকৰিবানে?' (১০৯) যদি মুখ ঘূৰায়, তেনেহ'লে কোৱা- 'মই তোমালোকক প্রকাশ্যে যথাযথভাৱে সতর্ক কৰি দিছিলো, মই নাজানো তোমালোকক যি বিষয়ে প্রতিশ্রুতি দিয়া হৈছিল, সেয়া সোনকালে ঘটিব, নে পলমকৈ ঘটিব। (১১০) নিশ্চয় আল্লাহে জানে যিবোৰ তোমালোকে প্রকাশ্যে কোৱা আৰু যিবোৰ গোপন কৰা সেয়াও তেওঁ জানে। (১১১) মই নাজানো, হয়তো এয়া তোমালোকৰ বাবে এটা পৰীক্ষা আৰু ইয়াৰ পৰা উপকৃত হোৱাৰ এটা সুযোগ।' (১১২) কোৱা- 'হে মোৰ প্রভু, ন্যায়ভাৱে এটা মীমাংসা কৰি দিয়া। আমাৰ প্রভু কৰুণাময় আৰু তোমালোকে যিবোৰ কথা সাজি-পাৰি কৈছা, সেইবোৰৰ বিষয়ে আমি তেওঁৰ ওচৰত সাহায্য প্রার্থনা কৰো।'

২২. আল-হজ (তীর্থযাত্রা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হে মানৱ, তোমালোকৰ প্ৰভুক ভয় কৰা। নিশ্চয় মহাপ্ৰলয়ৰ কাম্পন অতি ভয়ংকৰ। (২) যেতিয়া সেই দিনটো আহিব, তেতিয়া প্ৰত্যেক পিয়াহ খুউৱা তিৱোতাই পিয়াহ খোৱা নিজ কেঁচুৱাৰ প্ৰতি উদাসীন হ'ব, গৰ্ভৱতী নাৰীৰ গৰ্ভপাত হ'ব আৰু মানুহবিলাকক মাতাল যেন দেখিবলৈ পাব, অথচ সিহঁত মাতাল নহয়। মূলতঃ আল্লাহৰ শাস্তি অতি কঠোৰ। (৩) এনে কিছুমান মানুহো আছে, যিবিলাকে নজনা-নুশুনাকৈ আল্লাহ সম্পৰ্কে তৰ্ক-বিতৰ্ক কৰে আৰু সিহঁতে প্ৰত্যেক স্বেচ্ছাচাৰী ছয়তানৰ অনুসৰণ কৰে। (৪) অথচ তাৰ সম্বন্ধে লিখা হৈছে যে, যিজনে তাৰ লগত বন্ধুত্ব কৰিব, সি তাক পথভ্ৰষ্ট কৰিহে এৰিব আৰু তাক জাহান্নামৰ শাস্তিৰ পথ দেখুৱাব।

(৫) হে মানৱ, মৰণোত্তৰ জীৱন সম্পৰ্কে যদি তোমালোকৰ সন্দেহ হয়, মনত পেলোৱা যে প্ৰথমবাৰ আমিয়েই তোমালোকক মাটিৰ পৰা সৃষ্টি কৰিছো, তাৰ পিছত এটোপা শুক্ৰকীটৰ পৰা, তাৰ পিছত ৰক্তপিণ্ডৰ পৰা, তাৰ পিছত আকৃতি বিশিষ্ট আৰু আকৃতি বিহীন মাংসপিণ্ডৰ পৰা যাতে (আমাৰ ক্ষমতা সম্পৰ্কে) তোমালোকক পতিয়ন নিয়াব পাৰো। আমি এটি নিৰ্দিষ্ট সময়ৰ বাবে (শুক্ৰকীটক) গৰ্ভস্থলীত স্থিতিশীল কৰি ৰাখো। পিছত তোমালোকক এটি পানী কেঁচুৱা ৰূপে প্ৰসৱ কৰাও। তাৰ পিছত লালন-পালন কৰাও যাতে তোমালোকে যৌৱনত উপনীত হ'ব পাৰা আৰু তোমালোকৰ কিছুমানৰ প্ৰাণ আগেয়ে হৰি অনা হয় আৰু কিছুমানক আলৰ বুঢ়া বয়সৰ জৰাজীৰ্ণ অৱস্থালৈ প্ৰত্যাৰ্পণ কৰা হয়। এই অৱস্থাত সকলো জনাৰ পিছতো একো নজনা হৈ পৰে। তোমালোকে দেখা পোৱা যে পৃথিৱীখন মৃত আৰু অনুৰ্বৰ হৈ পৰি আছে; কিন্তু যেতিয়াই আমি তাৰ ওপৰত পানী

বৰ্ষাও, তেতিয়াই ই সজীৱ আৰু ঠন ধৰি উঠে। বিভিন্ন ৰমকৰ মনোৰম উদ্ভিদ উৎপন্ন হয়। (৬) সেয়া এই বাবে যে আল্লাহ পৰম সত্য। এইজন তেৱেঁই, যিজনে মৃতকক জীৱিত কৰে আৰু তেওঁ সকলো বিষয়ৰ ওপৰত ক্ষমতাবান। (৭) মহাপ্রলয় অৱশ্যই আহিব। ইয়াত কোনো সন্দেহ নাই। নিশ্চয় আল্লাহে সিবিলাকক পুনৰুত্থিত কৰিব, যিবিলাক কবৰত সমাধিস্থ হৈ আছে।

(৮) কিছুমান এনে মানুহো আছে, যাৰ কোনো জ্ঞান নাই, পথ নির্দেশিকাও নাই আৰু জ্যোতিময় পুথিও নাই; অথচ সি আল্লাহ সম্বন্ধে তর্ক-বিতর্ক কৰে। (৯) সিহঁতে উচাট মাৰি ঘুৰি যায় আৰু মানুহকো আল্লাহৰ পৰা বিপথে নিয়ে। এনে মানুহৰ বাবে পার্থিৱ জীৱনতো আছে লাঞ্ছনা আৰু মহাবিনাশৰ দিনা আমি তাক জ্বলন্ত অগ্নিৰ দহন যন্ত্রণা ভোগ কৰাম। (১০) (আল্লাহে ক'ব)- 'এয়া তোমালোকৰ কৃতকর্মৰ ফল। আল্লাহে তেওঁৰ দাসবিলাকৰ প্রতি কেতিয়াও অবিচাৰ নকৰে।'

(১১) কিছুমান এনে মানুহো আছে, যিবিলাকে দ্বিধা-গ্রস্ততাৰে উপাসনা কৰে। যদি সিহঁতৰ কল্যাণ হয়, তাৰ বাবে সন্তুষ্ট হয়। যদি সিহঁতৰ অগ্নি পৰীক্ষা আহে, সিহঁতে পূর্বাৱস্থালৈ ঘুৰি যায়। সিহঁতৰ ইহকালো গ'ল আৰু পৰকালো গ'ল। এয়াই হ'ল সুস্পষ্ট ক্ষতি।

(১২) সি আল্লাহৰ পৰিৱর্তে এনে কিছুমানক মাতে, যিবোৰে তাৰ কোনো অপকাৰ কৰিব নোৱাৰে আৰু উপকাৰো কৰিব নোৱাৰে। এইটোৱেই হ'ল চৰম পথভ্রষ্টতা। (১৩) সি সেইবোৰক মাতে, যাৰ ক্ষতি লাভতকৈ সন্নিকট। কিমান নিকৃষ্ট তাৰ অভিভাৱক আৰু কিমান জঘন্য তাৰ লগৰীয়া। (১৪) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকর্ম কৰে, আল্লাহে তেওঁলোকক এনে জান্নাতত প্রৱেশ কৰাব যাৰ মাজেৰে নিজৰা প্রবাহিত হৈ থাকে। আল্লাহে যিহকে ইচ্ছা, তাকেই কৰে।

(১৫) যিয়ে ভাৱে যে, আল্লাহে ইহকাল আৰু পৰকালত তাক সহায়

নকৰে, সি আকাশলৈ এডাল ৰছী টানি দিয়ক আৰু আকাশত এটা ফুটা কৰক, তাৰ পিছত চাওক এই কৌশলে তাৰ আক্ৰোশ দূৰ কৰে নে নাই। (১৬) আমি কুৰআনক সুস্পষ্ট প্ৰমাণৰ ভিত্তিত স্থাপন কৰিছো। নিশ্চয় আল্লাহে যাক ইচ্ছা কৰে, তাক সুপথ দেখুৱায়।

(১৭) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু যিবিলাক ইহুদী হৈছে, যিবিলাক চাবিয়ী, খৃষ্টান আৰু অগ্নিপূজক আৰু যিবিলাকে আল্লাহৰ লগত আনক অংশী কৰিছে, এইসকলৰ প্ৰতি কিয়ামতৰ দিনা আল্লাহে চূড়ান্ত মীমাংসা কৰি দিব। নিশ্চয় আল্লাহে সকলো কথা প্ৰত্যক্ষ কৰে।

(১৮) তুমি লক্ষ্য কৰা নাইনে, আকাশমণ্ডল আৰু পৃথিৱীত যিবোৰ আছে, সকলোৱে আল্লাহক প্ৰণিপাত কৰি আছে- সূৰ্য, চন্দ্ৰ, নক্ষত্ৰ, পৰ্বত, গছ-গছনি, জীৱ-জন্তু আৰু অনেক মানুহেও আৰু সেইবিলাকেও (প্ৰণিপাত কৰে) যিবিলাক শাস্তিৰ যোগ্য হৈছে? আল্লাহে যাক লাঞ্ছিত কৰে, তাক কোনোৱে সন্মান দিব নোৱাৰে। নিশ্চয় আল্লাহে যিহকে ইচ্ছা, তাকেই কৰে।

(১৯) এই দুটা বিবদমান পক্ষ। ইহঁত প্ৰভু সম্পৰ্কে বিতৰ্কত লিপ্ত হৈছে। ইহঁতৰ যিবিলাকে সত্য প্ৰত্যাখ্যান কৰিছে, সিহঁতৰ বাবে জুইৰ কাপোৰ কাটি পোছাক তৈয়াৰ কৰা হৈছে। সিহঁতৰ মূৰত উতলি থকা পানী ঢালি দিয়া হ'ব, (২০) যাৰ ফলত কেৱল গাৰ ছালেই নহয়, পেটত যিবোৰ আছে, সেয়াও গলি যাব। (২১) সিহঁতক মৰিয়াবলৈ লোৰ গদাও আছে। (২২) যেতিয়া সিহঁতে যন্ত্ৰণাত অতিষ্ঠ হৈ জাহান্নামৰ পৰা ওলাবলৈ চেষ্টা কৰিব, তেতিয়া সিহঁতক খুণ্ডা মাৰি পুনৰ তাত পেলাই দিয়া হ'ব আৰু কোৱা হ'ব- 'এতিয়া অগ্নিৰ দহন যন্ত্ৰণাৰ সোৱাদ লোৱা।'

(২৩) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, তেওঁলোকক আল্লাহে এনে জান্নাতত প্ৰৱেশ কৰাব, যাৰ মাজেৰে নিজৰাসমূহ প্ৰবাহিত হৈ থাকে। তাত তেওঁলোকক সোণৰ বালা আৰু মুকুতাৰে অলংকৃত কৰা হ'ব

আৰু তেওঁলোকৰ পোছাক হ'ব পাটৰ। (২৪) তেওঁলোকক পৰিত্ৰ কথাৰ পথ দেখুৱা হৈছিল আৰু প্ৰশংসিত প্ৰভুৰ পথত পৰিচালিত কৰা হৈছিল।

(২৫) যিবিলাকে সত্য প্ৰত্যাখ্যান কৰে, আল্লাহৰ পথৰ পৰা মানুহক বিৰত ৰাখে আৰু পৰিত্ৰ মছজিদলৈ যোৱাত বাধাৰ সৃষ্টি কৰে, যিটো আমি সমগ্ৰ মানৱ মণ্ডলীৰ বাবে নিৰ্দিষ্ট কৰি দিছো, সেয়া স্থানীয় বাসিন্দাই হওক বা বহিৰাগতই হওক সকলোৰে সম অধিকাৰ। যিয়ে অন্যায়-অনাচাৰৰ নীতি অৱলম্বন কৰি ইয়াৰ পৰিত্ৰতা লংঘন কৰিব বিচাৰে, নিশ্চয় আমি সিহঁতক যন্ত্ৰণাদায়ক শাস্তিৰ সোৱাদ লোৱাম।

(২৬) আমি ইব্ৰাহীমক এই কাবা গৃহৰ স্থান নিৰ্দিষ্ট কৰি কৈছিলো- 'মোৰ লগত আন কাকো অংশী নকৰিবা আৰু মোৰ এই গৃহটিক সেইসকলৰ কাৰণে পৰিত্ৰ কৰি ৰাখা, যিসকলে ইয়াৰ চাৰিওফালে প্ৰদক্ষিণ কৰে, তাত দণ্ডায়মান হৈ থাকে আৰু ৰুকু-ছিজদা কৰি থাকে।'

(২৭) সৰ্বসাধাৰণৰ মাজত হজৰ ঘোষণা কৰি দিয়া। তেওঁলোকে দূৰ দূৰণিৰ পৰা খোজ কাঢ়ি আৰু ক্ষীণ উটত আৰোহণ কৰি তোমাৰ ওচৰলৈ আহে- (২৮) যাতে তেওঁলোকে প্ৰত্যক্ষ কৰে তেওঁলোকৰ বাবে ইয়াত ৰখা কল্যাণসমূহ আৰু সেই নিৰ্দিষ্ট দিন কেইটাত চতুষ্পদ জন্তুবোৰৰ ওপৰত আল্লাহৰ নাম লয়, যিবোৰ তেওঁলোকক প্ৰদান কৰা হৈছে। তাৰ মাংস খাব আৰু অভাৱগ্ৰস্ত দৰিদ্ৰসকলকো খাবলৈ দিব। (২৯) তাৰ পিছত তীৰ্থযাত্ৰী সকলে নিজৰ মলিনতা দূৰ কৰি পৰিচ্ছন্ন হ'ব আৰু প্ৰতিশ্ৰুত ব্ৰত সমূহ পালন কৰিব আৰু সেই প্ৰাচীন গৃহটি প্ৰদক্ষিণ কৰিব।

(৩০) এয়া হ'ল আল্লাহৰ আদেশ। যিজনে আল্লাহৰ দ্বাৰা নিৰ্ধাৰিত পৰিত্ৰ বিধানসমূহ সন্ধান কৰে, আল্লাহৰ মানত সেয়া তেওঁৰ বাবে কল্যাণকৰ। তোমালোকৰ বাবে ঘৰচীয়া জন্তুবোৰ বৈধ কৰা হ'ল, সেইবোৰ ব্যতীত যিবোৰ ইতিপূৰ্বে নিষেধ কৰা হৈছে। মূৰ্তিপূজাৰ পঙ্কীলতাৰ পৰা বাচি থাকা

আৰু মিছা কথা পৰিহাৰ কৰা।

(৩১) আল্লাহৰ প্ৰতি একনিষ্ঠ হোৱা, তেওঁৰ লগত আন কাকো অংশী নকৰিবা। যিজনে আল্লাহৰ লগত আনক অংশী কৰে, সি যেনিবা আকাশৰ পৰাহে পৰিল আৰু হয় তাক চৰাইয়ে ছোঁ মাৰি লৈ গ'ল বা বতাহে তাক উৰুৱাই নি কোনো দূৰৱৰ্তী ঠাইত পেলাই দিলে।

(৩২) এয়াই হ'ল (আল্লাহৰ বিধান)। যিজনে আল্লাহৰ দ্বাৰা নির্ধাৰিত প্ৰতীকসমূহৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে, সেয়া তেওঁৰ অন্তৰৰ খোদাভীৰুতাৰ পৰাই উদ্ভূত হয়। (৩৩) এটি নির্দিষ্ট সময়লৈকে সেই জন্তুবোৰৰ পৰা তোমালোক উপকৃত হ'ব পাৰা। পিছত সেইবোৰক প্ৰাচীন ঘৰটোৰ ওচৰত কুৰবানী কৰিব লাগিব।

(৩৪) প্ৰত্যেক জাতিৰ বাবে আমি কুৰবানীৰ একোটিকৈ প্ৰথা ধাৰ্য কৰি দিছো যাতে সিহঁতে সেই চতুস্পদ জন্তুবোৰৰ ওপৰত আল্লাহৰ নাম লয়, যিবোৰ তেওঁ সিহঁতক প্ৰদান কৰিছে। তোমালোকৰ উপাস্য একে জনেই উপাস্য, তোমালোকে তেওঁৰ ওচৰতেই আত্মসমৰ্পণ কৰা আৰু বিনয়ী সকলক সুসংবাদ দিয়া- (৩৫) যিসকলৰ অন্তৰ আল্লাহৰ নাম শুনাৰ লগে লগেই ভয়ত কঁপি উঠে, যিজনে বিপদত পৰিলেই ধৈৰ্য ধাৰণ কৰে, নামাজ প্ৰতিষ্ঠা কৰে আৰু তেওঁলোকক যি জীৱিকা দিছো তাৰ পৰা খৰচ কৰে।

(৩৬) কুৰবানীৰ উটবোৰক আমি তোমালোকৰ বাবে আল্লাহৰ অন্যতম প্ৰতীক হিচাবে নির্ধাৰণ কৰিছো। তাত তোমালোকৰ কাৰণে প্ৰচুৰ কল্যাণ আছে। এতেকে থিয় হোৱা অৱস্থাত জবহ (নহৰ) কৰাৰ সময়ত আল্লাহৰ নাম লোৱা আৰু যেতিয়া কাটি হৈ মাটিত পৰি মৰি যায়, তেতিয়া তাৰ পৰা তোমালোকেও খোৱা আৰু অভাৱগ্ৰস্তসকলকো খাবলৈ দিয়া যিবিলাকে নিবিচাৰে আৰু বিনীতভাৱ খোজাসকলকো খাবলৈ দিয়া। এইদৰে আমি পশুবোৰক তোমালোকৰ বশ কৰি দিছো যাতে তোমালোক কৃতজ্ঞ হোৱা।

(৩৭) সেই পশুৰ ৰক্ত আৰু মাংস আল্লাহৰ ওচৰ নাপায়গৈ, তেওঁৰ ওচৰ পায়গৈ মাথো তেওঁৰ প্ৰতি থকা তোমালোকৰ ধৰ্ম নিষ্ঠা (তাকৱা)। এইদৰে আল্লাহে সেইবোৰক তোমালোকৰ বশ কৰি দিছে যাতে তোমালোকে আল্লাহ প্ৰদত্ত দিশ-নিৰ্দেশনাৰ বাবে তেওঁৰ গৌৰৱ-গৰীমা প্ৰকাশ কৰিব পাৰা। সৎকৰ্মপৰায়ণসকলক এই সুসংবাদ দিয়া যে-

(৩৮) নিশ্চয় আল্লাহে বিশ্বাস স্থাপনকাৰীসকলক ৰক্ষা কৰি থাকে। আল্লাহে বিশ্বাসঘাতক আৰু অকৃতজ্ঞ মানুহক কেতিয়াও ভাল নাপায়। (৩৯) তেওঁলোকক যুদ্ধৰ অনুমতি দিয়া হ'ল, যিসকল আক্ৰান্ত হৈছে, কিয়নো তেওঁলোক নিৰ্যাতীত। সিহঁতক সহায় কৰিবলৈ আল্লাহ নিশ্চয় সক্ষম। (৪০) এওঁলোক হ'ল সেইসকল, যিসকলক নিজ ঘৰ-বাৰীৰ পৰা অন্যায়ভাৱে বহিষ্কাৰ কৰা হৈছিল। তাৰ একমাত্ৰ কাৰণ হ'ল, তেওঁলোকে কয়- 'আমাৰ প্ৰভু আল্লাহ।' আল্লাহে যদি কিছুমান মানুহৰ দ্বাৰা আন কিছুমান মানুহক প্ৰতিহত নকৰিলেহেঁতেন, তেনেহ'লে মঠ-মন্দিৰ, গীৰ্জা, চিনাগগ (ইহুদী সকলৰ উপাসনালয়) আৰু মছজিদসমূহ য'ত বেছিকৈ আল্লাহৰ নাম লোৱা হয়, সেইবোৰ ভাঙি চুৰমাৰ কৰি দিয়া হ'লহেঁতেন। আল্লাহে নিশ্চয় তেওঁক সহায় কৰিব, যেয়ে আল্লাহক ভয় কৰিব। প্ৰকৃততে আল্লাহ অতিশয় শক্তিমান, মহা পৰাক্ৰমী।

(৪১) এওঁলোকেই হ'ল সেইসকল লোক, যদি আমি তেওঁলোকক পৃথিৱীত প্ৰতিষ্ঠিত কৰো, তেওঁলোকে নামাজ প্ৰতিষ্ঠা কৰিব, যাকাত আদায় দিব, সৎকৰ্মৰ আদেশ দিব আৰু অসৎ কৰ্মত বাধা দিব। অৱশ্যে সকলো কামৰ পৰিণতি আল্লাহৰ হাতত।

(৪২) তোমাৰ প্ৰতিপক্ষই যদি তোমাক অস্বীকাৰ কৰে, তেনেহ'লে জানি থোৱা, সিহঁতৰ পূৰ্বেও নূহৰ সম্প্ৰদায়, আদ আৰু চামূদ জাতিৰ মানুহবিলাকেও অস্বীকাৰ কৰিছিল। (৪৩) ইব্ৰাহীম আৰু লূতৰ সম্প্ৰদায়ৰ

মানুহবিলাকেও অস্বীকাৰ কৰিছিল। (৪৪) মাদয়ানবাসীবিলাকেও সিহঁতৰ নবীক মিছলীয়া বুলি কৈছিল আৰু মূছাকো অস্বীকাৰ কৰা হৈছিল। তথাপি মই সেই মানুহবিলাকক, যিবিলাকে সত্য অস্বীকাৰ কৰিছিল, সিহঁতক অৱকাশ দিছিলো। তাৰ পিছত মই সিহঁতক কৰায়ত্ব কৰিলো। মোক অস্বীকাৰ কৰাৰ পৰিণতি কেনে ভয়ানক আছিল!

(৪৫) কিমান যে জনবসতি আমি ধ্বংস কৰিলো, যিবিলাকে অপৰাধ কৰিছিল, সেয়ে ছালবোৰ খহি পৰি থাকিল, কিমান যে কুঁৱা পৰিত্যক্ত হৈ আছে আৰু কিমান যে মনোৰম অট্টালিকা ধ্বংসস্তুপত পৰিণত হৈ আছে! (৪৬) এই মানুহবিলাকে সেইবিলাক ঠাইৰ মাজেৰে ঘূৰা-ফিৰা নকৰে নেকি যাতে সিহঁতে অন্তৰেৰে অনুধাৱন কৰিব পাৰে আৰু কাণেৰে শুনিব পাৰে। আচল কথা হ'ল, সিহঁতৰ চকু অন্ধ নহয়, বৰং বুকুৰ মাজত থকা হৃদয়হে অন্ধ।

(৪৭) সিহঁতে তোমাক শাস্তি শীঘ্রে আনি দিবলৈ কয়। আল্লাহে কদাপিও তেওঁৰ প্রতিশ্রুতিৰ পৰা পিছ নোহোঁহকে। তোমাৰ প্রভুৰ এদিন, তোমালোকে গণনা কৰা হেজাৰ বছৰৰ সমান। (৪৮) কিমান যে জনবসতিক আমি অৱকাশ দিছিলো, যিবিলাক দুর্নীতিপৰায়ণ আছিল। পিছত মই সিহঁতক কৰায়ত্ব কৰিছিলো। শেষত মোৰ পিনেই সকলোৱে ঘূৰি আহিব লাগিব।

(৪৯) কোৱা- 'হে মানৱ, তোমালোকক স্পষ্ট সতর্কবাণী শুনাবলৈহে মোক পঠোৱা হৈছে।' (৫০) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকর্ম কৰে, তেওঁলোকৰ বাবে আছে ক্ষমা আৰু সন্মানজনক জীৱিকা- (৫১) আৰু যিবিলাকে আমাৰ বাণীসমূহক তুচ্ছ প্রতিপন্ন কৰিবলৈ চেষ্টা কৰে, সিহঁতেই জাহান্নামৰ অধিবাসী।

(৫২) তোমাৰ পূর্বে আমি যেতিয়াই কোনো ৰছুল আৰু নবী পঠিয়াইছিলো আৰু তেওঁ কোনো কিছু পাঠ কৰিছিল, তেতিয়াই ছয়তানে তাত কিছু সংযোগ কৰিছিল। কিন্তু ছয়তানে যি সংযোগ কৰে, আল্লাহে সেয়া

বিলুপ্ত কৰে আৰু পিছত আল্লাহে তেওঁৰ বাণীসমূহ সুপ্রতিষ্ঠিত কৰে। আল্লাহ সর্বজ্ঞ, প্রজ্ঞাময়। (৫৩) তেওঁ ছয়তানৰ এই সংযোজনৰ দ্বাৰা সেইবিলাক মানুহক পৰীক্ষা কৰে, যিবিলাকৰ অন্তৰত ব্যাধি আছে আৰু যিবিলাকৰ অন্তৰ কঠোৰ। আচলতে দুষ্কৃতিকাৰীবোৰ সিহঁতৰ দুষ্কার্যৰ ক্ষেত্রত বহু দূৰলৈ আগবাঢ়ি গৈছে- (৫৪) আৰু যাতে যিসকলক জ্ঞান দান কৰা হৈছে, তেওঁলোকে জানিব পাৰে, এই পৰম সত্য তোমাৰ প্রভুৰ পৰা আহিছে, যাৰ ওপৰত তেওঁলোক বিশ্বাস স্থাপন কৰিব আৰু যাৰ প্রতি তেওঁলোকৰ অন্তৰ অনুগত হ'ব। প্রকৃততে আল্লাহে সেইসকলক পথ দেখুৱায়, যিসকলে বিশ্বাস স্থাপন কৰে।

(৫৫) যিবিলাকে সত্য প্রত্যাখ্যান কৰিছে, সিহঁতে এই বিষয়ে অবিৰত ভাৱে সন্দিহান হৈয়ে থাকিব, যেতিয়ালৈকে সিহঁতৰ ওপৰত কিয়ামতৰ সেই মুহূর্তটো হঠাৎ আহি নপৰে অথবা সেই ভয়ংকৰ দিনটোৰ শাস্তিয়ে সিহঁতক গ্রাস নকৰে। (৫৬) সেই দিনা নিৰংকুশ কর্তৃত্ব আল্লাহৰেই। তেৱেঁই সিহঁতৰ মাজত চূড়ান্ত মীমাংসা কৰি দিব। যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকর্ম কৰিছে, তেওঁলোক চিৰ সুখময় জান্নাতত প্রৱেশ কৰিব। (৫৭) আনহাতে যিবিলাকে সত্য প্রত্যাখ্যান কৰিছে আৰু আমাৰ নিদর্শনসমূহ অস্বীকাৰ কৰে, সিহঁতৰ বাবে আছে লাঞ্ছনাদায়ক শাস্তি।

(৫৮) যিসকলে আল্লাহৰ পথত নিজ ঘৰ-দুৱাৰ ত্যাগ কৰিছে, তাৰ পিছত নিহত হৈছে অথবা মৃত্যু হৈছে, আল্লাহে তেওঁলোকক উত্তম জীৱিকা দান কৰিব। নিশ্চয় আল্লাহ সর্বোত্তম জীৱিকাদাতা। (৫৯) তেওঁ তেওঁলোকক এনে ঠাইত প্রৱেশ কৰাব, য'ত তেওঁলোক পৰম সন্তুষ্টি লাভ কৰিব। বাস্তৱিকতে আল্লাহ সর্বজ্ঞ, সহনশীল।

(৬০) এয়াই হ'ল (তেওঁৰ ৰীতি)। আনহাতে যদি কোনো ব্যক্তিয়ে সিমান পৰিমাণ প্রতিশোধ লয়, যি পৰিমাণ তেওঁক কষ্ট দিয়া হৈছিল। ইয়াৰ

পিছত যদি তেওঁ পুনৰ অত্যাচাৰিত হয়, তেনেহ'লে নিশ্চয় তেওঁক আল্লাহে সহায় কৰিব। আল্লাহ মার্জনাকাৰী, ক্ষমাশীল।

(৬১) সেয়া এই বাবে, আল্লাহে ৰাতিক দিনৰ ভিতৰত আৰু দিনক ৰাতিৰ ভিতৰত প্ৰৱেশ কৰায়। নিশ্চয় আল্লাহে সকলো শুনে, সকলো দেখে। (৬২) সেয়া এই বাবে, আল্লাহ পৰম সত্য আৰু সিহঁতে আল্লাহৰ বাহিৰে যিবোৰক মাতে, সেই আটাইবোৰ অসত্য। নিশ্চয় আল্লাহ অতি উচ্চ, অতি মহান।

(৬৩) তুমি দেখা নাইনে, আল্লাহে কেনেদৰে আকাশৰ পৰা পানী বৰ্ষায়, তাৰ দ্বাৰা পৃথিৱীখন সেউজীয়া হৈ পৰে? নিশ্চয়, আল্লাহ অতি সূক্ষ্মভাৱে কাম সম্পন্নকাৰী, সৰ্বজ্ঞ। (৬৪) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলো তেওঁৰেই। নিশ্চয় আল্লাহ স্বয়ং সম্পূৰ্ণ, প্ৰশংসনীয়।

(৬৫) তুমি দেখা নাইনে, পৃথিৱীত যি আছে, সেই সকলোবোৰ কেনেদৰে আল্লাহে তোমালোকৰ আয়ত্বাধীন কৰি দিছে আৰু সেই জলযানবোৰো, যিবোৰ তেওঁৰ আদেশত সমুদ্ৰত চলাচল কৰে আৰু তেৱেঁই আকাশখনক তেওঁৰ অনুমতি বিনে ভূ-পৃষ্ঠত পৰি নোযোৱাকৈ ধৰি ৰাখিছে। প্ৰকৃততে আল্লাহ মানুহৰ প্ৰতি অতি স্নেহশীল, দয়াবান। (৬৬) এইজন তেৱেঁই, যিজনে তোমালোকক জীৱন দান কৰিছে। তেৱেঁই তোমালোকক মৃত্যু দান কৰিব। তাৰ পিছত তেওঁ তোমালোকক পুনৰ জীৱিত কৰিব। আচলতে মানুহ বৰ অকৃতজ্ঞ।

(৬৭) প্ৰত্যেক জাতিৰ বাবে আমি একোটিকৈ উপাসনাৰ পন্থা নিৰ্ধাৰিত কৰি দিছিলো। তাকে সিহঁতে পালন কৰি চলে। এই বিষয়ে সিহঁতে যেন তোমাৰ লগত বাক-বিতণ্ডাত লিপ্ত নহয়। সিহঁতক তুমি তোমাৰ প্ৰভুৰ পিনে আহবান কৰা। নিশ্চয় তুমি সঠিক পথত আছা। (৬৮) সিহঁতে যদি তোমাৰ লগত তৰ্ক-বিতৰ্ক কৰে, তেনেহ'লে তুমি কোৱা- 'আল্লাহে খুব ভালকৈয়ে

জানে তোমালোকে যি কৰি আছা।' (৬৯) কিয়ামতৰ দিনা আল্লাহে তোমালোকৰ মাজত মীমাংসা কৰি দিব, যিবোৰ বিষয় লৈ তোমালোকে মতভেদ সৃষ্টি কৰিছা। (৭০) তুমি নাজানা নেকি যে, আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সেই সকলোবোৰ আল্লাহে জানে? এই সকলোবোৰ এখন পুথিত লিপিবদ্ধ হৈ আছে। নিশ্চয় এয়া আল্লাহৰ বাবে অতি সহজ।

(৭১) তথাপি সিহঁতে আল্লাহৰ পৰিৱর্তে এনে কিছুমানক উপাসনা কৰে, যাৰ সপক্ষে আল্লাহে কোনো চনদ পঠোৱা নাই আৰু এই সম্পর্কে সিহঁতৰ কোনো জ্ঞানো নাই। সীমালংঘনকাৰীবিলাকৰ বাবে কোনো সাহায্যকাৰী নাই। (৭২) আৰু যেতিয়া আমাৰ স্পষ্টবাণীসমূহ সিহঁতক পাঠ কৰি শুনোৱা হয়, তেতিয়া তুমি সত্য অস্বীকাৰকাৰীবিলাকৰ মুখমণ্ডলত অস্বস্তিকৰ লক্ষণ দেখিবলৈ পাবা আৰু সিহঁতে তেওঁলোকৰ ওপৰত যেন জপিয়াইহে পৰিব, যিসকলে আমাৰ বাণীসমূহ সিহঁতক পাঠ কৰি শুনায়। কোৱা- 'মই তোমালোকক ইয়াতকৈও নিকৃষ্টতৰ বস্তুৰ বিষয়ে ক'মনে? সেয়া হ'ল জুই। এয়া সিহঁতৰ বাবে আল্লাহে অঙ্গীকাৰ কৰি ৰাখিছে, যিবিলাকে সত্য প্রত্যাখ্যান কৰে আৰু এয়া অতি নিকৃষ্ট গন্তব্যস্থল।'

(৭৩) হে মানৱ, তোমালোকৰ বাবে এটা উপমা দিয়া হ'ল। মনোযোগ দি শুনা। আল্লাহক বাদ দি যিবোৰক উপাস্য ৰূপে মাতিবলৈ লৈছা, সিহঁতে মাখি এটাও সৃষ্টি কৰিব নোৱাৰে। যদিও সিহঁত আটায়ে একগোট হৈ কৰিব বিচাৰে; বৰং মাখিটোৱে সিহঁতৰ পৰা যদি কোনো বস্তু কাঢ়ি নিয়ে তাকো সিহঁতে তাৰ পৰা উদ্ধাৰ কৰিব নোৱাৰে। সিহঁত উভয়ে দুর্বল, প্রার্থনাকাৰীয়ো দুর্বল আৰু যাক প্রার্থনা কৰা হয়, সিয়ো দুর্বল। (৭৪) সিহঁতে আল্লাহৰ যথাযথ মর্যাদা উপলব্ধি কৰা নাই, যেনেদৰে উপলব্ধি কৰা একান্ত কর্তব্য। আচলতে আল্লাহ মহা শক্তিমান, মর্যাদাশালী।

(৭৫) আল্লাহে তেওঁৰ ফিৰিস্তাসকলৰ পৰা আৰু মানুহৰ পৰাও তেওঁৰ

বার্তাবাহক হিচাবে মনোনীত কৰে। তেওঁ সকলো শুনে, সকলো দেখে। (৭৬) সিহঁতৰ সন্মুখত যিবোৰ প্ৰকাশ্য হৈ আছে, সেইবোৰো তেওঁ জানে আৰু পিছত যিবোৰ গোপন হৈ আছে, সেইবোৰো তেওঁ জানে। সকলো বিষয় আল্লাহৰ পিনেই প্ৰত্যাৱৰ্তন কৰিব।

(৭৭) হে বিশ্বাস স্থাপনকাৰীসকল, ৰকু কৰা, ছিজদাহ (প্ৰণিপাত) কৰা, তোমালোকৰ প্ৰভুৰ উপাসনা কৰা আৰু কল্যাণকৰ কাম কৰা যাতে তোমালোক সফল হোৱা। (৭৮) আল্লাহৰ পথত সংগ্ৰাম কৰা, যেনেদৰে সংগ্ৰাম কৰা উচিত। তেৱেঁই তোমালোকক বাচি লৈছে। ধৰ্মৰ ক্ষেত্ৰত তেওঁ তোমালোকৰ ওপৰত কোনো কঠিনতা ৰখা নাই, যিটো তোমালোকৰ পিতৃ ইব্ৰাহীমৰ ধৰ্ম। এইদৰে ইয়াৰ পূৰ্বৰ পুথিসমূহতো তোমালোকক 'মুছলিম' নামেৰে অভিহিত কৰা হৈছিল আৰু ইয়াতো (কুৰআনতো) সেই নামেই আছে যাতে ৰছুল তোমালোকৰ বাবে সাক্ষী হয় আৰু তোমালোক মানৰ জাতিৰ সাক্ষী হোৱা। এতেকে নামাজ প্ৰতিষ্ঠা কৰা, যাকাত আদায় দিয়া আৰু আল্লাহক দঢ়ভাৱে ধৰা। তেৱেঁই তোমালোকৰ অভিভাৱক। তেওঁ অতি উত্তম অভিভাৱক, অতি উত্তম সাহায্যকাৰী।

২৩. আল-মুমিনূন (আস্থাবানসকল)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) নিশ্চিতভাৱে মুমিনসকল সফল হ'ল, (২) যিসকলে বিনয় আৰু নম্ৰতাৰে নামাজ পঢ়ে, (৩) বাজে কথা-বতৰাৰ পৰা বিৰত থাকে, (৪) যাকাত আদায় কৰে, (৫) নিজৰ যৌনাংগক সংযত ৰাখে, (৬) তেওঁলোকৰ পত্নী আৰু আইনসংগতভাৱে তেওঁলোকৰ অধীনত থকা তিৰোতাৰ ব্যতীত। এই ক্ষেত্ৰত তেওঁলোক তিৰস্কৃত নহয়। (৭) আৰু ইয়াৰ ব্যতীত যিয়ে আনক কামনা কৰে, সিহঁতেই সীমালংঘনকাৰী, (৮) যিসকলে তেওঁলোকৰ আমানত

আৰু প্ৰতিশ্ৰুতি ৰক্ষা কৰে, (৯) আৰু যিসকলে নিজ নামাজ ৰক্ষাত যত্নবান হয়, (১০) এওঁলোকেই উত্তৰাধিকাৰী হ'ব, (১১) উত্তৰাধিকাৰ হিচাবে জান্নাত পাব আৰু তাত তেওঁলোক চিৰকাল থাকিব।

(১২) আমি মানুহক বোকা মাটিৰ মূল উপাদানৰ পৰা সৃষ্টি কৰিছো, (১৩) তাৰ পিছত তৰল এটোপা পানীয় হিচাবে সুৰক্ষিত স্থানত অৱস্থিত কৰালো, (১৪) পিছত আমি সেই তৰল পানীয় টোপাক ৰক্তপিণ্ডলৈ উন্নিত কৰিলো আৰু ৰক্তপিণ্ডক মাংসপিণ্ডলৈ উন্নিত কৰিলো আৰু আমি সেই মাংস পিণ্ডক অস্থিপুঞ্জলৈ উন্নিত কৰিলো আৰু অস্থিপুঞ্জক মাংসৰে ঢাকি দিলো। ইয়াৰ পিছত আমি তাক আন এটা নতুন সৃষ্টিৰ ৰূপত আনিলো। নিশ্চয় আল্লাহ মহিমান্বিত, সৰ্বশ্ৰেষ্ট সৃষ্টিকৰ্তা। (১৫) ইয়াৰ পিছত নিশ্চয় তোমালোকৰ মৃত্যু হ'বই, (১৬) আৰু কিয়ামতৰ দিনা তোমালোকক পুনৰুত্থিত কৰা হ'ব।

(১৭) আমি তোমালোকৰ ওপৰত সাতোটা পথ সৃষ্টি কৰিছো। সৃষ্টি কাৰ্যৰ বিষয়ত আমি অলপো অমনোযোগী নহওঁ। (১৮) আকাশৰ পৰা আমি পৰিমিতভাৱে পানী বৰ্ষণ কৰো। পিছত ইয়াক আমি পৃথিৱীত সংৰক্ষিত কৰি ৰাখো; কিন্তু আমি যদি ইচ্ছা কৰো, ইয়াক অপসাৰিত কৰাৰ ক্ষমতা আমাৰ আছে। (১৯) এই পানীৰেই আমি তোমালোকৰ বাবে খেজুৰ আৰু আঙ্গুৰৰ বাগান উৎপন্ন কৰো। সেই বাগানবোৰত তোমালোকৰ বাবে অনেক সুস্বাদু ফল আছে আৰু এইবোৰ তোমালোকে খোৱা। (২০) ছিনাই পৰ্তততো আমিয়েই সেই বৃক্ষ উৎপন্ন কৰিছো, য'ৰ পৰা তেল উৎপাদন হয় আৰু আহাৰ কৰাসকলৰ বাবে ই জুতি লগা হয়। (২১) ঘৰচীয়া জন্তুবোৰতো তোমালোকৰ বাবে শিক্ষণীয় বিষয় আছে। সেইবোৰৰ উদৰত যি আছে, তাৰ পৰা তোমালোকক পান কৰাও। ইয়াৰ উপৰিও সেইবোৰত তোমালোকৰ বাবে বহু উপকাৰ আছে। তাৰে কিছুমান তোমালোকে খোৱা, (২২) সিবোৰৰ ওপৰত উঠি আৰু নাও-জাহাজত আৰোহণ কৰি তোমালোকে চলাচল কৰা।

(২৩) আমি নূহক তেওঁৰ জাতিৰ মানুহৰ ওচৰলৈ পঠাইছিলো। তেওঁ কৈছিল- 'হে মোৰ জাতিভাইসকল, আল্লাহৰ উপাসনা কৰা। তেওঁৰ বিনে তোমালোকৰ আন কোনো উপাস্য নাই। তোমালোকে তেওঁক ভয় নকৰানে?' (২৪) তেওঁৰ জাতিৰ বৰ নেতাবিলাক, যিবিলাকে সত্য প্ৰত্যাখ্যান কৰিছিল, সিহঁতে কৈছিল- 'এওঁতো তোমালোকৰ দৰে এজন মানুহহে। এওঁ তোমালোকৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিব বিচাৰিছে। আল্লাহে ইচ্ছা কৰাহেঁতেন, নিশ্চয় ফিৰিস্তা এজনহে পঠিয়ালেহেঁতেন। এনে ধৰণৰ কথা আমি আমাৰ পূৰ্বপুৰুষসকলৰ পৰা কেতিয়াও শুনা নাছিলো। (২৫) নিশ্চয় এই মানুহজন বলিয়া হৈছে। এতেকে তাৰ ক্ষেত্ৰত কিছুদিনলৈ অপেক্ষা কৰি চোৱা যাওক।'

(২৬) নূহে ক'লে- 'হে মোৰ প্ৰভু, তুমি মোক সহায় কৰা, কিয়নো ইহঁতে মোক অগ্ৰাহ্য কৰিছে।' (২৭) পিছত তেওঁক আমি প্ৰত্যাদেশ কৰিলো যে- 'আমাৰ নিৰীক্ষণত আৰু আমাৰ নিৰ্দেশক্ৰমে তুমি এখন নৌকা সাজা। যেতিয়া আমাৰ আদেশ আহিব আৰু ভূপৃষ্ঠৰ পৰা পানী উথলি উঠিব, তেতিয়া প্ৰত্যেক বিধ জীৱ-জন্তুৰ পৰা একো যোৰকৈ লৈ আৰু তোমাৰ পৰিয়াল বৰ্গকো লৈ নৌকাত আৰোহণ কৰিবা। পিছে যিবিলাকৰ বিৰুদ্ধে ইতিপূৰ্বে মীমাংসা কৰা হৈছে, সিবিলাকক নল'বা আৰু অন্যায়কাৰীবিলাকৰ হৈ তুমি মোক খাটনি নধৰিবা। নিশ্চয় সিহঁত ডুবি মৰিব।'

(২৮) যেতিয়া তুমি লগৰীয়াসকলৰ সৈতে নৌকাত উঠি সকলো থান-থিত লগাই ল'বা, তেতিয়া ক'বা- 'সকলো প্ৰশংসা আল্লাহৰ বাবেই, যিজনে আমাক অত্যাচাৰী মানুহবিলাকৰ কবলৰ পৰা উদ্ধাৰ কৰিলে।' (২৯) আৰু কোৱা- 'হে মোৰ প্ৰভু, মোক তোমাৰ এডোখৰ কল্যাণময় স্থলত অৱতৰণ কৰোৱা। তুমিয়েই উত্তম অৱতৰণকাৰী।' (৩০) নিশ্চয় ইয়াত অনেক সুস্পষ্ট নিদৰ্শন আছে। এইদৰে আমি মানুহক পৰীক্ষা কৰি থাকো।

(৩১) সিহঁতৰ পিছত আমি আন এটা প্ৰজন্মৰ উত্থান ঘটালো। (৩২) পিছত সিহঁতৰ মাজৰ পৰাই সিহঁতৰ বাবে এজন ৰছুল হিচাবে পঠালো। (তেওঁ ক'লে)- 'কেৱল মাথোন আল্লাহৰ উপাসনা কৰা। তেওঁৰ বিনে তোমালোকৰ আন কোনো উপাস্য নাই। তোমালোকে তেওঁক ভয় নকৰানে?' (৩৩) কিন্তু তেওঁৰ জাতিৰ বৰ বৰ নেতাবিলাকে, যিবিলাকে সত্য প্ৰত্যাখ্যান কৰিছিল, পৰকালৰ সাক্ষাতক অস্বীকাৰ কৰিছিল আৰু যিবিলাকক আমি পাৰ্থিৱ জীৱনৰ সুখ-স্বাচ্ছন্দ দান কৰিছিলো, সিহঁতে কয়- 'এওঁ আমাৰ দৰে মানুহহে। তোমালোকে যি খোৱা, তেৱোঁ তাকে খায়, তোমালোকে যি পান কৰা, তেৱোঁ তাকে পান কৰে। (৩৪) তথাপি যদি তোমালোকে তোমালোকৰ দৰে মানুহ এজনক মানি চলা, তেনেহ'লে নিশ্চয় তোমালোক ক্ষতিগ্ৰস্ত হ'বা।'

(৩৫) এই মানুহজনে তোমালোকক এনে প্ৰতিশ্ৰুতি দিছে নেকি যে, যেতিয়া তোমালোক মৰি-হজি মাটি আৰু হাড়ত পৰিণত হ'বা, তেতিয়াও হেনো তোমালোকক পুনৰ উলিয়াই অনা হ'ব? (৩৬) তোমালোকক যি প্ৰতিশ্ৰুতি দিয়া হৈছে, সেয়া অসম্ভৱ! (৩৭) এই পাৰ্থিৱ জীৱনেই আমাৰ একমাত্ৰ জীৱন। ইয়াতেই আমাৰ জীয়ন, ইয়াতেই আমাৰ মৰণ আৰু আমাক কেতিয়াও পুনৰত্থিত কৰা নহয়। (৩৮) এওঁ এনে এজন ব্যক্তি, যিয়ে আল্লাহৰ নামত মিছা কথাহে ৰচি আছে। এওঁক আমি কেতিয়াও বিশ্বাস নকৰো।'

(৩৯) ৰছুলে ক'লে- 'হে মোৰ প্ৰভু, মোক সহায় কৰা, কিয়নো এওঁলোকে মোক অগ্ৰাহ্য কৰিছে।' (৪০) আল্লাহে ক'লে- 'অচিৰেই সিহঁত অনুতপ্ত হ'ব।' (৪১) পিছত এটা বিকট শব্দই সিহঁতক আক্ৰান্ত কৰিলে আৰু আমি সিহঁতক জাবৰ-জোঠৰত পৰিণত কৰিলো। দূৰ হ'ল এনেদৰে এটা দুৰাচাৰ জাতি।

(৪২) সিহঁতৰ পিছত আমি আন প্ৰজন্মৰ উত্থান ঘটালো। (৪৩) কোনো জাতিয়ে তাৰ নিৰ্ধাৰিত সময়ক আগুৱাবও নোৱাৰে আৰু পিছুৱাবও নোৱাৰে।

(৪৪) ইয়াৰ পিছত আমি এজনৰ পিছত আনজনকৈ ৰছুল পঠিয়াইছিলো। যেতিয়াই কোনো ৰছুল তেওঁৰ জাতিৰ ওচৰলৈ আহিছিল, তেতিয়া সিহঁতে তেওঁক অস্বীকাৰ কৰিছিল। সেয়ে আমিও এটা জাতিৰ পিছত আন এটা জাতি বিনাশ কৰিলো আৰু সিহঁতক প্ৰাচীন উপাখ্যানত পৰিণত কৰিলো। দূৰ হ'ল অবিশ্বাস কৰা মানুহবিলাক।

(৪৫) ইয়াৰ পিছত আমি আমাৰ নিদৰ্শনাৱলী আৰু সুস্পষ্ট প্ৰমাণসহ মূছা আৰু তেওঁৰ ভাতৃ হাৰুণক পঠালো- (৪৬) ফিৰাউন আৰু তাৰ পাৰিষদবৰ্গৰ ওচৰলৈ; কিন্তু সিহঁতে ঔদ্ধ্যতালি প্ৰদৰ্শন কৰিলে। কিয়নো সিহঁত আছিল এটা দাম্ভিক সম্প্ৰদায়। (৪৭) সিহঁতে ক'লে- 'আমি কি আমাৰ দৰে দুজন মানুহৰ প্ৰতি বিশ্বাস স্থাপন কৰিমনে? অথচ তেওঁলোকৰ জাতিৰ মানুহবিলাক আমাৰ দাস।' (৪৮) সেয়ে সিহঁতে তেওঁলোক দুজনক অস্বীকাৰ কৰিলে, ফলত সিহঁত ধ্বংস প্ৰাপ্ত হ'ল। (৪৯) আমি মূছাক ঐশীপুথি দিছিলো যাতে সিহঁতে সুপথ পাব পাৰে।

(৫০) আমি মৰিয়ম পুত্ৰ ঈছা আৰু তেওঁৰ মাকক এটি নিদৰ্শন স্বৰূপ কৰিছিলো আৰু তোমালোকক এনে উচ্চ ভূমিত আশ্ৰয় দিছিলো, য'ত আছিল নিৰাপদতা আৰু এটি বোৱতি নিজৰা।

(৫১) হে ৰছুলসকল, পৱিত্ৰ বস্তুবোৰ খোৱা আৰু সৎকৰ্ম কৰা। তোমালোকে যিহকে কৰা, সেয়া মই ভালকৈয়ে জানো। (৫২) তোমালোকৰ এই ধৰ্ম মাথোন একেটাই ধৰ্ম। ময়েই তোমালোকৰ একমাত্ৰ প্ৰভু। এতেকে মোকেই ভয় কৰা।

(৫৩) তথাপি মানুহবিলাকে নিজৰ ভিতৰতে বিভিন্ন দল-উপদলত বিভক্ত হ'ল আৰু প্ৰত্যেক সম্প্ৰদায়ৰ ওচৰত যি আছিল, তাকে লৈ সিহঁত সন্তুষ্ট হৈ থাকিল। (৫৪) সেয়ে সিহঁতক এৰি দিয়া আৰু কিছুদিনলৈ সিহঁত বিভ্ৰান্তিত মজি থাকক। (৫৫) সিহঁতে ভাবে নেকি যে, আমি সিহঁতক ধন-

সম্পদ আৰু সন্তান-সন্ততি দিছো বুলিয়েই- (৫৬) সিহঁতৰ বাবে সকলো প্ৰকাৰ কল্যাণ ত্বৰান্বিত কৰিম? সেয়া নহয়। আচলতে সিহঁতে সেয়া বুজাই নাই।

(৫৭) যিসকল ব্যক্তি তেওঁলোকৰ প্ৰভুৰ ভয়ত ভীত হৈ থাকে, (৫৮) তেওঁলোকৰ প্ৰভুৰ বাণীসমূহ বিশ্বাস কৰে, (৫৯) তেওঁলোকৰ প্ৰভুৰ লগত আন কাকো অংশী নকৰে, (৬০) যি দান কৰে, সেয়া আন্তৰিকতাৰে কৰে আৰু নিজ প্ৰভুৰ পিনে নিশ্চয় প্ৰত্যাৱৰ্তিত হ'ব লাগিব বুলি জানি তেওঁলোকৰ অন্তৰ কঁপি উঠে। (৬১) তেওঁলোকে কল্যাণ সাধনত এজনে আনজনৰ লগত প্ৰতিযোগিতা কৰে আৰু সেয়া অৰ্জনত অগ্ৰগামী হয়। (৬২) আমি কাকো তাৰ সাধ্যাতীত দায়িত্বৰ বোজা অৰ্পণ নকৰো। আমাৰ ওচৰত এনে পুথি আছে, যিখনে প্ৰকৃত সত্য স্পষ্টভাৱে দেখুৱাই দিয়ে আৰু সিহঁতৰ প্ৰতি কোনো অবিচাৰ কৰা নহ'ব।

(৬৩) কিন্তু এই বিষয়ত সিহঁতৰ অন্তৰবোৰ অজ্ঞতাত পতিত হৈ আছে। সিহঁতে এইবোৰৰ বাহিৰে অইন কিছুমান কাম কৰি আছে আৰু সিহঁতে সেইবোৰ কৰি থাকিব। (৬৪) যেতিয়া আমি সিহঁতৰ ঐশ্বৰ্যশালী মানুহবিলাকক শাস্তি দিও, তেতিয়া সিহঁতে সহায় নাপাই আৰ্তনাদ কৰি থাকে। (৬৫) সহায়ৰ বাবে আৰ্তনাদ নকৰিবা, কোনো লাভ নাই। তোমালোকে আমাৰ পৰা কোনো সহায় নোপোৱা। (৬৬) মোৰ বাণীসমূহ তোমালোকক পাঠ কৰি শুনোৱা হৈছিল; কিন্তু তোমালোকে উলটি পলায়নহে কৰিছিলা- (৬৭) দাম্ভিকতাৰে সৈতে যেন কাহিনীবোৰৰ কাহিনীক উপেক্ষা কৰিছা।

(৬৮) সিহঁতে বাৰু আল্লাহৰ বাণীবোৰ ফহিয়াই নাচায়নে? সিহঁতলৈ এনে কোনো কথা আহিছে নেকি যি কথা সিহঁতৰ পূৰ্বপুৰুষলৈ অহা নাছিল? (৬৯) অথবা সিহঁতে কি সিহঁতৰ ৰছুলক চিনিয়েই নাপায়, যাৰ বাবে সিহঁতে তেওঁক অগ্ৰাহ্য কৰিছে? (৭০) সিহঁতে তেওঁক উন্মাদ বুলি কয় নেকি? বৰং তেওঁ সিহঁতৰ ওচৰলৈ প্ৰকৃত সত্য লৈ আহিছে, অথচ সিহঁতৰ সৰহভাগ

মানুহেই সত্যৰ প্ৰতি বিতুষ্ট। (৭১) সত্য যদি সিহঁতৰ প্ৰবৃত্তিৰ অনুকূলে হ'লহেঁতেন, তেনেহ'লে আকাশমণ্ডল আৰু পৃথিৱী আৰু ইয়াত বাস কৰা সকলোৱেই ধ্বংস হ'লহেঁতেন। আচলতে আমি সিহঁতৰ বাবেই উপদেশ লৈ আহিছো; কিন্তু সিহঁতে সেই উপদেশৰ পৰা ফালৰি কাটি গৈছে।

(৭২) নাইবা তুমি সিহঁতৰ পৰা কিবা প্ৰতিদান বিচাৰিছা নেকি? প্ৰকৃততে তোমাৰ প্ৰভুৰ প্ৰতিদানেই উত্তম আৰু তেৱেঁই সৰ্বশ্ৰেষ্ঠ জীৱিকাদাতা; (৭৩) আৰু তুমিতো সিহঁতক সৰল সঠিক পথৰ পিনে আহ্বান কৰিয়েই আছা। (৭৪) কিন্তু যিবিলাকে পৰকালক বিশ্বাস নকৰে, সিহঁতহে সৰল-সঠিক পথৰ পৰা আঁতৰি যায়।

(৭৫) আমি যদি সিহঁতক দয়া কৰোঁ আৰু সিহঁতৰ দুখ-কষ্ট দূৰ কৰি দিওঁ, তথাপিও সিহঁতে আল্লাহৰ অবাধ্যতাত অটল থাকি অন্ধভাৱে বাট খেপিয়াই ফুৰে। (৭৬) আমি সিহঁতক দুখ-কষ্টত পেলাই শাস্তি দিয়া সত্ত্বেও সিহঁতে সিহঁতৰ প্ৰভুৰ ওচৰত নতি স্বীকাৰ নকৰিলে আৰু কাতৰভাৱে প্ৰাৰ্থনাও নকৰিলে। (৭৭) আনহাতে যেতিয়া আমি সিহঁতৰ বাবে কঠোৰ শাস্তিৰ দুৱাৰখন খুলি দিম, তেতিয়া সিহঁত হতভম্ব হৈ পৰিব।

(৭৮) এইজন তেৱেঁই, যিজনে তোমালোকক কাণ, চকু আৰু অন্তৰ দিছে, তথাপিও তোমালোকে নামমাত্ৰহে কৃতজ্ঞ হোৱা। (৭৯) তেৱেঁই, যিজনে তোমালোকক পৃথিৱীত বিস্তাৰ কৰিছে আৰু তেওঁৰ ওচৰতেই তোমালোকক সমবেত কৰা হ'ব। (৮০) তেৱেঁই একক, যিজনে জীৱন দান কৰে আৰু মৃত্যু ঘটায়। দিন-ৰাতিৰ আৱৰ্তন তেওঁৰেই কৰ্তৃত্বাধীন। এই কথাও তোমালোকে নুবুজানে?

(৮১) কিন্তু সিহঁতে সেই কথাই কয়, যি কথা পূৰ্বৱৰ্তীসকলে কৈছিল। (৮২) সিহঁতে কয়- 'যেতিয়া আমি মৰি-হজি মাটি আৰু হাড় হৈ পৰিম,

তেতিয়াও আমাক পুনৰ জীৱিত কৰি উঠোৱা হ'বনে? (৮৩) এনে প্ৰতিশ্ৰুতি আমাক দিয়া হৈছে আৰু আমাৰ পূৰ্বপুৰুষসকলকো দিয়া হৈছিল। এইবোৰ অতীতৰ উপাখ্যানৰ বাহিৰে আন একো নহয়।'

(৮৪) কোৱা- 'এই পৃথিৱী আৰু ইয়াত যি আছে, সেইবোৰ কাৰ?' 'কোৱা মোক, যদি তোমালোকৰ জ্ঞান আছে?' (৮৫) সিহঁকে ক'ব- 'আল্লাহৰ'। কোৱা- 'তেনেহ'লে তোমালোক সচেতন নোহোৱা কিয়?' (৮৬) কোৱা- 'সাতখন আকাশ আৰু মহাসিংহাখনৰ অধিপতি কোন?' (৮৭) সিহঁতে ক'ব- 'সকলো আল্লাহৰ।' কোৱা- 'তেনেহ'লে তোমালোকে তেওঁক ভয় নকৰানে?' (৮৮) কোৱা- 'কোন সেই সত্ত্বা, যাৰ হাতত সকলো বস্তুৰ কৰ্তৃত্ব আছে, যিজনে আশ্ৰয় দিয়ে, কিন্তু তেওঁৰ মোকাবিলাত কোনোৱে আশ্ৰয় দিব নোৱাৰে? কোৱা মোক, যদি তোমালোকৰ জনা আছে।' (৮৯) সিহঁতে ক'ব- 'সকলোবোৰ আল্লাহৰ।' সিহঁতক কোৱা- 'তেনেহ'লে তোমালোক কেনেকৈ বিভ্ৰান্ত হ'লা?'

(৯০) আমি সিহঁতৰ ওচৰত প্ৰকৃত সত্য আনি দিছো। কিন্তু আচলতে সিহঁত অসত্যবাদী। (৯১) আল্লাহে নিজৰ বাবে কোনো সন্তান গ্ৰহণ কৰা নাই আৰু তেওঁৰ বিনে আন কোনো উপাস্য নাই। এনে হোৱাহেঁতেন, প্ৰত্যেক উপাস্যই নিজ নিজ সৃষ্টিক লৈ পৃথক হৈ গ'লহেঁতেন আৰু এজনে আনজনৰ ওপৰত স্থান ল'লেহেঁতেন। আল্লাহ মহামহিম। সিহঁতে তেওঁৰ প্ৰতি যি আৰোপ কৰে, সেইবোৰৰ পৰা তেওঁ পৰিত্ৰ। (৯২) গোপন আৰু প্ৰকাশ্য সকলো বস্তু তেওঁৰ জ্ঞাত। সিহঁতে যিবিলাকক তেওঁৰ লগত অংশী কৰে, সিবিলাকতকৈ তেওঁ বহু উৰ্ধত।

(৯৩) প্ৰাৰ্থনা কৰা- 'হে প্ৰভু, সিহঁতক যি (শাস্তিৰ) বিষয়ে সতৰ্ক কৰি দিয়া হৈছে, সেয়া যদি তুমি মোৰ জীৱিত কালতে আনিব বিচৰা- (৯৪) তেনেহ'লে

প্ৰভু মোক অন্যায়কাৰীবিলাকৰ অন্তৰ্ভুক্ত নকৰিবা।' (৯৫) যি বিষয়লৈ সিহঁতক সতৰ্ক কৰি দিয়া হৈছে, সেয়া তোমাক দেখুৱাবলৈ আমি সম্পূৰ্ণ সক্ষম।

(৯৬) অসৎ কথাবোৰ অতি উত্তম উপায়েৰে ৰোধ কৰিবা। সিহঁতে যিবোৰ কয়, সেইবোৰ আমাৰ ভালকৈয়ে জনা আছে- (৯৭) আৰু কোৱা- 'হে মোৰ প্ৰভু, ছয়তানবোৰৰ কুমন্ত্ৰণাৰ পৰা তোমাৰ ওচৰত আশ্ৰয় বিচাৰো। (৯৮) হে প্ৰভু, সিহঁতে যাতে মোৰ ওচৰলৈকে নাহে, তাৰ বাবেও মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰিছোঁ।'

(৯৯) যেতিয়া সিহঁতৰ কাৰোবাৰ মৃত্যু কাল আসন্ন হয়, তেতিয়া সি ক'বলৈ ধৰে- 'হে মোৰ প্ৰভু, মোক পুনৰ ঘূৰাই পঠাওক- (১০০) যাতে মই সৎকৰ্ম কৰিব পাৰো, যিবোৰ কৰাৰ পৰা মই বিৰত আছিলো।' কেতিয়াও নহয়। সি যি কৈছে, সেয়া তাৰ মুখৰ কথাহে। পুনৰুত্থানৰ দিনলৈকে এনে মানুহৰ সন্মুখত এখন আৱৰণ থাকিব। (১০১) যেতিয়া শিঙাত ফুঁ দিয়া হ'ব, সেইদিনা সিহঁতৰ মাজত পাৰস্পৰিক আত্মীয়তাৰ সম্পৰ্ক নাথাকিব আৰু কোনেও কাকো সুধা-সুধি নকৰিব। (১০২) যাৰ তুলাচনী গধুৰ হ'ব, তেওঁলোকেই সফলতা লাভ কৰিব; (১০৩) কিন্তু যাৰ তুলাচনী পাতল হ'ব, সিহঁতে নিজেই নিজৰ ক্ষতি সাধিলে। সিহঁত চিৰকাল জাহান্নামত থাকিব। (১০৪) জুইয়ে সিহঁতৰ মুখমণ্ডল জ্বলাই দিব আৰু সিহঁতৰ চেহেৰা হ'ব বিভৎস।

(১০৫) তোমালোকেই সেইবিলাক মানুহ নহয়নে, যেতিয়া আমাৰ আয়াতসমূহ পাঠ কৰি শুনোৱা হৈছিল, তেতিয়া তোমালোকে সেয়া অস্বীকাৰ কৰিছিলা? (১০৬) সিহঁতে ক'ব- 'হে প্ৰভু, দুৰ্ভাগ্যই আমাক পৰাভূত কৰিলে আৰু আমি সঁচাকৈয়ে বিপথগামী আছিলো। (১০৭) হে প্ৰভু, জাহান্নামৰ পৰা আমাক উদ্ধাৰ কৰা। ইয়াৰ পিছতো যদি আমি পুনৰাই এনে অপৰাধ

কৰো, তেনেহ'লে নিশ্চয় আমি অন্যায়কাৰী হিচাবে পৰিগণিত হ'ম।' (১০৮) আল্লাহে ক'ব- "দূৰ হ' আৰু তাতে থাক। মোক কোনো কথা নকবি।" (১০৯) মোৰ বান্দাসকলৰ এনে কিছুমান আছে, যিসকলে কয়- 'হে প্ৰভু, আমি বিশ্বাস স্থাপন কৰিছো। এতেকে আমাক ক্ষমা কৰা, আমাক দয়া কৰা। তুমিয়েই সৰ্বশ্ৰেষ্ঠ দয়ালু।' (১১০) কিন্তু তোমালোকে তেওঁলোকক হাঁহিয়াতৰ পাত্ৰ কৰি লৈছিলা, আনকি সিহঁতৰ পিছত লাগি থাকি তোমালোকে মোৰ অস্তিত্বকে পাহৰি গৈছিলা আৰু তেওঁলোকক উপহাস কৰিয়েই আছিলা। (১১১) তেওঁলোকৰ সহিষ্ণুতাৰ বাবে আজি মই তেওঁলোকক প্ৰতিদান দিলো আৰু এয়া তেওঁলোক, যিসকল সাফল্যমণ্ডিত হ'ল।

(১১২) আল্লাহে তেওঁলোকক সুধিব- 'পৃথিৱীত তোমালোকে কিমান বছৰ আছিলা?' (১১৩) সিহঁতে ক'ব- 'আমি এদিন কি এবেলাহে আছিলো। তেওঁলোককে সোধাছোন, যিসকলে হিচাব ৰাখিছে।' (১১৪) কোৱা হ'ব- 'তোমালোকে অতি কম সময়হে আছিলা। সেয়া যদি তোমালোকে জানিলাহেঁতেন!

(১১৫) তোমালোকে ধাৰণা কৰিছিলা নেকি যে আমি তোমালোকক উদ্দেশ্যবিহীনভাৱে সৃষ্টি কৰিছো আৰু তোমালোকক মোৰ ওচৰলৈ ঘূৰাই অনা নহ'ব?' (১১৬) আল্লাহ মহা মহিম, প্ৰকৃত অধিপতি। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেওঁ মহা সিংহাখনৰ অধিপতি। (১১৭) যি ব্যক্তিয়ে আল্লাহৰ লগত আনকো উপাস্য প্ৰভু বুলি মাতে, তাৰ সমৰ্থনত তাৰ লগত কোনো প্ৰমাণ নাই। তাৰ হিচাব তাৰ প্ৰভুৰ ওচৰত আছে। যিবিলাকে সত্য প্ৰত্যাখ্যান কৰিছে, নিশ্চয় সিহঁত কদাপিও সফল হ'ব নোৱাৰে। (১১৮) কোৱা- 'হে প্ৰভু, আমাক ক্ষমা কৰা আৰু দয়া কৰা। তুমিয়েই সৰ্বশ্ৰেষ্ঠ দয়ালু।'

২৪. আন-নূৰ (জ্যোতি)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) ই এটা ছুৰা, যিটো আমি অৱতীর্ণ কৰিছো আৰু ইয়াক বাধ্যতা মূলক কৰি দিছো। ইয়াত আমি স্পষ্ট আয়াতসমূহ অৱতীর্ণ কৰিছো যাতে তোমালোকে মনোযোগ দিয়া। (২) ব্যভিচাৰিণী আৰু ব্যভিচাৰী উভয়ৰ প্ৰত্যেককে এশবাৰকৈ চমটা মাৰা। আল্লাহৰ বিধান কার্যকৰী কৰাৰ ক্ষেত্ৰত সিহঁতৰ প্ৰতি দয়া পৰবশ নহ'বা, যদি তোমালোক আল্লাহ আৰু পৰকালৰ বিশ্বাসী হোৱা। সিহঁতক শাস্তি দিয়াৰ সময়ত মুমিনসকলৰ এদল যেন তাত উপস্থিত থাকে। (৩) ব্যভিচাৰীয়ে ব্যভিচাৰিণী নাইবা অংশীবাদী নাৰীকহে বিবাহ কৰিব। ব্যভিচাৰী মহিলাক ব্যভিচাৰী পুৰুষ নাইবা অংশীবাদী পুৰুষেহে বিবাহ কৰিব। এনে বিবাহ মুমিনসকলৰ কাৰণে অবৈধ কৰা হ'ল।

(৪) যিবিলাকে সচ্চৰিত্ৰা নাৰীক অপবাদ দিয়ে আৰু ইয়াৰ সপক্ষে চাৰিজন সাক্ষী উপস্থিত কৰিব নোৱাৰে, সিহঁতক আশীটাকৈ বেত্ৰাঘাত কৰা আৰু সিহঁতৰ সাক্ষ্য কদাপিও গ্ৰহণ নকৰিবা। সিহঁত হ'ল মহা পাপী; (৫) কিন্তু সেইসকল ব্যতীত যিসকলে পিছত তওবা (অনুতাপ) কৰে আৰু নিজকে সংশোধন কৰি লয়। নিশ্চয় আল্লাহ ক্ষমাশীল, দয়াময়।

(৬) যিয়ে নিজ স্ত্ৰীৰ প্ৰতি অপবাদ দিয়ে আৰু নিজৰ বাহিৰে আন কোনো সাক্ষী নাথাকে, তেনেহ'লে এনে ব্যক্তিয়ে চাৰিবাৰ আল্লাহৰ নামত শপত খাই ক'ব যে, সি যি অপবাদ দিছে, সেয়া সত্য; (৭) আৰু পঞ্চম বাৰত ক'ব যে, যদি সি মিছা কৈছে, তাৰ ওপৰত আল্লাহৰ অভিসম্পাত হ'ব। (৮) আৰু স্ত্ৰী গৰাকীৰ কোনো শাস্তি নহ'ব যদি তাই চাৰিবাৰ আল্লাহৰ নামত শপত খাই কয় যে, তাইৰ স্বামীয়ে মিছা কৈছে, (৯) আৰু পঞ্চম বাৰত ক'ব, যদি সি সঁচা কৈছে, তেনেহ'লে তাইৰ ওপৰত আল্লাহৰ অভিসম্পাত হ'ব।

(১০) তোমালোকৰ প্ৰতি আল্লাহৰ অনুগ্ৰহ আৰু দয়া নথকাহেঁতেন, (তোমালোকে ধৰা পৰিলাহেঁতেন)। প্ৰকৃততে আল্লাহ মহাজ্ঞানী, অনুতাপ গ্ৰহণকাৰী।

(১১) যিবিলাকে এই অপবাদ ৰটি ফুৰিছে, সিহঁত তোমালোকৰেই এদল মানুহ। ইয়াক তোমালোকৰ বাবে বেয়া বুলি নাভাবিবা, বৰং এয়া তোমালোকৰ কাৰণে ভালহে। এই সংক্ৰান্তত যিয়ে যিমান অংশ গ্ৰহণ কৰিছে, সেই পৰিমাণে পাপ অৰ্জন কৰিছে আৰু এই ক্ষেত্ৰত যিয়ে মুখ্য ভূমিকা লৈছে, তাৰ কাৰণে আছে গুৰুতৰ শাস্তি।

(১২) যেতিয়া তোমালোকে এই কথা শুনিছিলা, তেতিয়া মুমিন পুৰুষ আৰু মুমিন মহিলাসকলে নিজৰ মানুহখিনিৰ সম্পৰ্কে ভাল ধাৰণা পোষণ নকৰিলা আৰু নক'লা- 'এয়া এটা ভিত্তিহীন স্পষ্ট অপবাদ।' (১৩) সিহঁতে চাৰিজন সাক্ষী নানিলে কিয়? যিহেতু সিহঁতে সাক্ষী উপস্থিত কৰা নাই, গতিকে আল্লাহৰ মানত সিহঁতহে মিছলীয়া।

(১৪) যদি তোমালোকৰ প্ৰতি ইহকাল আৰু পৰকালত আল্লাহৰ অনুগ্ৰহ আৰু দয়া নাথাকিলহেঁতেন, তেনেহ'লে তোমালোকে যি অপবাদ দিছা, তাৰ বাবে কঠোৰ শাস্তিয়ে তোমালোকক স্পৰ্শ কৰিলেহেঁতেন। (১৫) যেতিয়া তোমালোকে মুখে মুখে এই কথা প্ৰচাৰ কৰি ফুৰিছিলা আৰু নিজ মুখেৰে এনে কথা কৈ ফুৰিছিলা, যি বিষয়ে তোমালোকৰ জ্ঞান নাছিল, সেয়া তোমালোকে সাধাৰণ কথা বুলি ভাবিছিলা; অথচ আল্লাহৰ মানত সেয়া আছিল অতি গুৰুতৰ কথা। (১৬) যেতিয়া তোমালোকে এই কথা শুনিছিলা, তেতিয়া কিয় নক'লা যে- 'এনে ধৰণৰ কথা কোৱাৰ অধিকাৰ আমাৰ নাই। আল্লাহে নকৰক! এইটো এটা জঘন্য অপবাদ।' (১৭) আল্লাহে তোমালোকক সতৰ্ক কৰি দিছে যে, যদি তোমালোক প্ৰকৃত মুমিন হোৱা, তেনেহ'লে দুনাই কেতিয়াও এনে আচৰণ নকৰিবা। (১৮) আল্লাহে তেওঁৰ নিৰ্দেশাৱলী

তোমালোকৰ বাবে স্পষ্ট কৰি দিছে। আল্লাহ মহাজ্ঞানী, প্রজ্ঞাময়।

(১৯) যিবিলাক মানুহে বিশ্বাস স্থাপনকাৰীসকলৰ মাজত অশ্লীলতা প্রসাৰ হোৱাটো কামনা কৰে, সিহঁতৰ বাবে আছে ইহকাল আৰু পৰকালত মর্মন্তুদ শাস্তি। আল্লাহে জানে, তোমালোকে নাজানা। (২০) তোমালোকৰ প্রতি আল্লাহৰ দয়া আৰু অনুগ্রহ নথকাহেঁতেন, (তোমালোকক শাস্তি দিলেহেঁতেন)। প্রকৃততে আল্লাহ স্নেহশীল, অসীম দয়ালু।

(২১) হে বিশ্বাস স্থাপনকাৰীসকল, ছয়তানৰ পদাংক অনুসৰণ নকৰিবা। যিজনে ছয়তানৰ পদাংক অনুসৰণ কৰে, জানি থোৱা, সি অশ্লীল আৰু পাপকর্মৰ আদেশ দিয়ে। যদি তোমালোকৰ প্রতি অনুগ্রহ আৰু দয়া নহ'লহেঁতেন, তোমালোকৰ কোনোৱে পৰিত্রতা লাভ কৰিব নোৱাৰিলাহেঁতেন। আল্লাহে যাক ইচ্ছা কৰে, পৰিত্র কৰে। আল্লাহ সর্বশ্রোতা, সর্বজ্ঞ।

(২২) তোমালোকৰ যিসকল সামর্থবান আৰু ঐশ্বর্যশালী, তেওঁলোকে যেন এই বিষয়ে শপত নাখায় যে তেওঁলোকে আত্মীয়-স্বজন, দুখীয়া-নিচলা আৰু আল্লাহৰ পথত গৃহ ত্যাগ কৰোতাসকলক সহায় নকৰে। তেওঁলোকক ক্ষমা কৰা আৰু উপেক্ষা কৰা। আল্লাহে তোমালোকক ক্ষমা কৰাটো তোমালোকে নিবিচৰানে? আল্লাহ অতি ক্ষমাশীল, অসীম দয়ালু।

(২৩) যিবিলাকে সচ্চৰিত্রা, সহজ-সৰলা মুমিনা তিৰোতাৰ প্রতি মিছা অপবাদ আৰোপ কৰে, সিহঁতক ইহকাল-পৰকালত অভিশপ্ত কৰা হৈছে। সিহঁতৰ বাবে আছে ভয়ানক শাস্তি। (২৪) সেইদিনা যেতিয়া সিহঁতৰ জিভা, হাত আৰু ভৰিয়ে সিহঁতৰ নিজৰেই কৃতকর্মৰ সম্বন্ধে সাক্ষ্য দিব- (২৫) সেইদিনা আল্লাহে সিহঁতৰ প্রাপ্য প্রতিফল পূৰাপূৰিভাৱে দিব আৰু সিহঁতে অনুধাৱন কৰিব আল্লাহহে পৰম সত্য আৰু তেওঁ সকলো প্রকাশকাৰী।

(২৬) দুশ্চৰিত্রা নাৰী, দুশ্চৰিত্র পুৰুষৰ যোগ্য আৰু দুশ্চৰিত্র পুৰুষ দুশ্চৰিত্র নাৰীৰ যোগ্য। সচ্চৰিত্রা নাৰী সচ্চৰিত্র পুৰুষৰ যোগ্য আৰু সচ্চৰিত্র

পুৰুষ সচ্চৰিত্ৰ নাৰীৰ যোগ্য। সিহঁতে যিবোৰ ৰটি ফুৰে, তাৰ পৰা তেওঁলোক মুক্ত। তেওঁলোকৰ বাবে আছে ক্ষমা আৰু সন্মানজনক জীৱিকা।

(২৭) হে বিশ্বাস স্থাপনকাৰীসকল, গৃহস্থৰ অনুমতি নোপোৱালৈকে বা ছালাম নজনোৱাকৈ আনৰ ঘৰত প্ৰৱেশ নকৰিবা। এয়া তোমালোকৰ বাবে শ্ৰেয়ঃ। যাতে তোমালোকে মনত ৰাখা। (২৮) যদি ঘৰত কাকো নোপোৱা, প্ৰৱেশৰ অনুমতি নোপোৱালৈকে তাত প্ৰৱেশ নকৰিবা। যদি তোমালোকক উভতি যাবলৈ কোৱা হয়, তেনেহ'লে তোমালোক উভতি যাবা। এয়া তোমালোকৰ বাবে উত্তম। আল্লাহে ভালকৈ জানে, তোমালোকে যি কৰা। (২৯) কোনোৱে বাস নকৰা গৃহ, য'ত তোমালোকৰ প্ৰয়োজনীয় সামগ্ৰী আছে, তাত প্ৰৱেশ কৰিলে দোষ নহয়। তোমালোকে যি প্ৰকাশ কৰা আৰু যি গোপন কৰা, আল্লাহে সেয়া সকলো জানে।

(৩০) মুমিন পুৰষসকলক কোৱা, তেওঁলোকে যেন নিজৰ দৃষ্টি অৱনত ৰাখে আৰু তেওঁলোকৰ গুপ্তাংগ সুৰক্ষিত ৰাখে। এয়া তেওঁলোকৰ বাবে পৱিত্ৰতম নীতি। তেওঁলোকে যি কৰে, সেয়া সম্পূৰ্ণ আল্লাহৰ অৱগত।

(৩১) মুমিন মহিলাসকলক কোৱা, তেওঁলোকে যেন নিজৰ দৃষ্টি অৱনত ৰাখে আৰু তেওঁলোকৰ গুপ্তাংগ সুৰক্ষিত ৰাখে আৰু তেওঁলোকৰ সৌন্দৰ্য প্ৰকাশ নকৰে; সাধাৰণভাৱে যিখিনি প্ৰকাশ পায়, তাৰ অতিৰিক্ত নহয়। বক্ষস্থল যেন চাদৰেৰে আবৰি ৰাখে। তেওঁলোকে নিজৰ স্বামী, পিতৃ, নিজৰ পুত্ৰ, সতীয়া পুত্ৰ, ভাতৃ, ভতিজা, ভাগিন, লগৰীয়া তিৰোতা, নিজৰ দাসী, যৌন কামনা বোধ নকৰা অধীনস্থ পুৰুষ আৰু যৌন ৰহস্য সম্পৰ্কে অজ্ঞ শিশু ব্যতীত যেন আন কাৰো আগত নিজৰ সৌন্দৰ্য প্ৰকাশ নকৰে। আবৰি ৰখা অলংকাৰ পাতিৰ প্ৰতি পুৰুষক আকৰ্ষিত কৰাৰ উদ্দেশ্যে যেন মাটিত সজোৰে খোজ নাকাঢ়ে। হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকৰ প্ৰত্যেকে আল্লাহৰ পিনে উভতি যোৱা যাতে তোমালোক সফল হোৱা।

(৩২) তোমালোকৰ মাজৰ যিসকল অবিবাহিত, তেওঁলোকক বিবাহৰ ব্যৱস্থা কৰি দিয়া। তোমালোকৰ দাস-দাসীবিলাকৰ ভিতৰত যিবিলাক বিবাহৰ যোগ্য সিহঁতৰো বিয়া পাতি দিয়া। সিহঁত যদি দৰিদ্ৰ হয়, নিশ্চয় আল্লাহে নিজ কৃপাৰে তেওঁলোকৰ দাৰিদ্ৰতা দূৰ কৰি দিব। আল্লাহ প্ৰাচুৰ্যশালী, সৰ্বজ্ঞ। (৩৩) বিবাহ কৰিবলৈ যিসকল সামৰ্থবান নহয়, তেওঁলোকে আত্মসংযম অৱলম্বন কৰা উচিত, যেতিয়ালৈকে আল্লাহে নিজ কৃপাৰে তেওঁলোকক সচ্ছল কৰি নিদিয়ে। তোমালোকৰ অধীনস্থসকলৰ পৰা কোনোৱে মুক্তিৰ বাবে চুক্তিপত্ৰ বিচাৰিলে, সিহঁতৰ লগত চুক্তিপত্ৰ কৰিবাহক, যদিহে তাত সিহঁতৰ বাবে কল্যাণ নিহিত আছে। আল্লাহে তোমালোকক যি সম্পদ দিছে, তাৰ পৰা সিহঁতকো কিছু দিবা। তোমালোকৰ দাসীবিলাকৰ কোনোৱে সতীত্ব ৰক্ষা কৰি চলিব বিচাৰিলে, পাৰ্থিৱ স্বাৰ্থৰ লালসাত তাইক ব্যভিচাৰিণী হ'বলৈ জোৰ জবৰদস্তি কৰি বাধ্য নকৰিবা। তথাপি কোনোৱে যদি সিহঁতক বাধ্য কৰে, সিহঁতক বাধ্য কৰাৰ পিছত আল্লাহে সিহঁতক ক্ষমা আৰু দয়া কৰিব। (৩৪) আমি তোমালোকৰ প্ৰতি সুস্পষ্ট ঐশীবাণীসমূহ অৱতীৰ্ণ কৰিছো আৰু তোমালোকৰ পূৰ্বে অতীত হোৱা মানুহবিলাকৰ দৃষ্টান্তসমূহ উত্থাপন কৰিছো আৰু সৎকৰ্মপৰায়ণ লোকসকলক দিব লগীয়া উপদেশবিলাকো দিছো।

(৩৫) আল্লাহ আকাশমণ্ডল আৰু পৃথিৱীৰ জ্যোতি। তেওঁৰ জ্যোতিৰ উপমা এনে এটা গছা যাৰ ওপৰত আছে এটা বন্তি। বন্তিটো কাঁচৰ আৱৰণৰ ভিতৰত আৰু কাঁচৰ আৱৰণটো তিৰবিৰাই থকা উজ্বল তাৰকাৰ দৰে আৰু সেই বন্তিটো এনে এক পূতঃ পৱিত্ৰ (জয়তুন গছৰ) তেলেৰে প্ৰজ্বলিত কৰা হয়, সি পূবৰো নহয়, পশ্চিমৰো নহয়। তাত অগ্নিয়ে স্পৰ্শ নকৰিলেও আপোনা-আপুনি জ্বলি উঠে। ই জ্যোতিৰ উপৰিও জ্যোতি। আল্লাহে যাক ইচ্ছা কৰে, তাক জ্যোতিৰ পিনে পথ দেখুৱায়। এনেদৰে উপমা দি আল্লাহে মানুহক বুজায়। তেওঁ সকলো বিষয়তে সৰ্বজ্ঞ। (৩৬) (তেওঁলোকে উপাসনা কৰে)

সেইবোৰ গৃহত, যিবোৰ গৃহক উন্নত কৰিবলৈ আৰু আল্লাহৰ নাম কীৰ্তন কৰিবলৈ অনুমতি দিছে, য'ত পুৱা-গধূলি তেওঁলোকে তেওঁৰ গুণ-গান গায়। (৩৭) এনে লোকসকলক ব্যৱসায়-বাণিজ্য আৰু বেচা-কিনাই আল্লাহক স্মৰণ কৰা আৰু নামাজ প্ৰতিষ্ঠা কৰা, যাকাত আদায় দিয়াৰ পৰা বিৰত ৰাখিব নোৱাৰে। তেওঁলোকে সেই দিনটোক ভয় কৰি থাকে যিটো দিনত অন্তৰ আৰু দৃষ্টি ওলট-পালট হৈ পৰিব; (৩৮) যাতে আল্লাহে তেওঁলোকৰ কৰ্মৰ উৎকৃষ্টতা অনুযায়ী প্ৰতিদান দিব পাৰে আৰু ইয়াৰ উপৰিও তেওঁ নিজ অনুগ্ৰহৰ পৰা তেওঁলোকক আৰু বেছি দান কৰিব পাৰে। আল্লাহে যাক ইচ্ছা কৰে, অফুৰন্ত জীৱিকা দান কৰে।

(৩৯) আনহাতে যিবিলাকে সত্য প্ৰত্যাখ্যান কৰিছে, সিহঁতৰ কৰ্মৰ দৃষ্টান্ত হ'ল- শুকান মৰুভূমিৰ মৰিচিকাৰ দৰে। তৃষ্ণাতুৰ মানুহে তাকে পানী বুলি ভাৱে; কিন্তু সি যেতিয়া তাৰ ওচৰ পায়গৈ, তাত সি একোৱেই নাপায়; বৰং তাত আল্লাহকহে পায় আৰু তেওঁ তাক তাৰ হিচাব পূৰাপূৰি আদায় দিব। নিশ্চয় আল্লাহ দ্ৰুত হিচাব গ্ৰহণকাৰী। (৪০) অথবা অটল সমুদ্ৰৰ গভীৰ অন্ধকাৰৰ দৰে, য'ত ঢৌৰ উপৰিও ঢৌ আৰু ওপৰত আছে ঘন ক'লা মেঘ, অন্ধকাৰৰ উপৰিও অন্ধকাৰ, য'ত সি নিজৰ হাতখন উলিয়ালেও নেদেখে। নিশ্চয় আল্লাহে যাক পোহৰ নিদিয়ে তাৰ বাবে আন কোনো পোহৰ নাই।

(৪১) তুমি দেখা নাইনে যে আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলোবোৰেই আল্লাহৰ মহিমা কীৰ্তন কৰে আৰু পাখি মাৰি উৰি ফুৰা পক্ষীবোৰেও কৰে? প্ৰত্যেকেই জানে নিজৰ নিজৰ প্ৰাৰ্থনা আৰু স্তুতিৰ নিয়ম আৰু সিহঁতে যি কৰে, সেই বিষয়ে আল্লাহে সম্পূৰ্ণ জানে। (৪২) আকাশমণ্ডল আৰু পৃথিৱীৰ সাৰ্বভৌমত্ব আল্লাহৰেই আৰু আল্লাহৰ পিনেই সকলোৰে প্ৰত্যাৱৰ্তন।

(৪৩) তুমি দেখা নাইনে যে আল্লাহে কেনেদৰে মেঘ সঞ্চালন কৰে,

পিছত সেইবোৰক একত্রিত কৰে, পিছত তৰপৰ ওপৰত তৰপ কৰে আৰু তাৰ পিছত দেখা তাৰ মাজৰ পৰাই বৰষুণ বৰষিবলৈ ধৰে? তেওঁ আকাশত থকা পাহাৰ সদৃশ স্তুপৰ পৰা শিল বর্ষণ কৰে আৰু তাৰ দ্বাৰা যাকে ইচ্ছা কৰে, তাকে আঘাত কৰে আৰু যাক ইচ্ছা কৰে, তাৰ পৰা আঁতৰাই নিয়ে। তেওঁৰ বিজুলীৰ চমকনীয়ে চকু চাট মাৰি ধৰে যেন দৃষ্টি শক্তি হৰণ কৰি নিব। (৪৪) আল্লাহে ৰাতি আৰু দিনৰ পৰিৱর্তন ঘটায়। নিশ্চয় সূক্ষ্মদৃষ্টি সম্পন্ন মানুহৰ বাবে এইবোৰত অনেক শিক্ষা নিহিত আছে।

(৪৫) আল্লাহে সকলো জীৱকে পানীৰ পৰা সৃষ্টি কৰিছে। তাৰে কিছুমানে পেটেৰে চুচৰি যায়, কিছুমানে দুখন ঠেঙেৰে খোজকাঢ়ি যায় আৰু কিছুমানে চাৰিখন ঠেঙেৰে খোজকাঢ়ি যায়। আল্লাহৰ যি ইচ্ছা তাকে সৃষ্টি কৰে। নিশ্চয় তেওঁ সর্ব বিষয়ত ক্ষমতাবান। (৪৬) আমি প্রকৃত সত্য সুস্পষ্টভাৱে বর্ণনা কৰি আয়াতসমূহ অৱতীর্ণ কৰিছো। আল্লাহে যাক ইচ্ছা কৰে, সৎপথত পৰিচালিত কৰে।

(৪৭) সিহঁতে কয়- 'আমি আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্রতি বিশ্বাস স্থাপন কৰিছো আৰু আনুগত্য কৰিছো।' কিন্তু পিছত সিহঁতৰ এদলে মুখ ফিৰাই লয়। সিহঁত আচলতে বিশ্বাস স্থাপনকাৰী নহয়। (৪৮) যেতিয়া সিহঁতক আল্লাহ আৰু তেওঁৰ ৰছুলৰ পিনে আহৱান কৰা হয় যাতে ৰছুলে সিহঁতৰ মাজত মীমাংসা কৰি দিব পাৰে, তেতিয়া সিহঁতৰ এদলে ফালৰি কাটি যায়। (৪৯) অৱশ্যে বিচাৰত সত্য যদি সিহঁতৰ অনুকূলে হয়, তেতিয়া সিহঁতে একান্ত বিনীত হৈ তেওঁৰ ওচৰ চাপে। (৫০) সিহঁতৰ অন্তৰত ব্যাধি আছে নেকি? নাইবা সিহঁত সন্দেহত পতিত হৈ আছে নেকি? অথবা আল্লাহ আৰু তেওঁৰ ৰছুলে সিহঁতৰ প্রতি অবিচাৰ কৰিব বুলি ভয় কৰিছে নেকি? আচল কথা হ'ল, সিহঁত নিজেই অন্যায়কাৰী।

(৫১) মুমিনসকলৰ কথা হ'ল, যেতিয়া তেওঁলোকক আল্লাহ আৰু

তেওঁৰ ৰছুলৰ পিনে আহ্বান কৰা হয় যাতে ৰছুলে তেওঁলোকৰ মাজত মীমাংসা কৰি দিব, তেতিয়া তেওঁলোকে কয়- 'আমি শুনিলো আৰু মানি ল'লো।' এওঁলোকেই কল্যাণ লাভ কৰে। (৫২) যিজনে আল্লাহ আৰু তেওঁৰ ৰছুলৰ আনুগত্য কৰে আৰু আল্লাহক ভয় কৰে আৰু তেওঁৰ অবাধ্যতাৰ পৰা বিৰত থাকে, তেওঁলোকেই সফলতা লাভ কৰিব।

(৫৩) সিহঁতে আল্লাহৰ নামত দৃঢ়ভাৱে অংগীকাৰ কৰে যে আপুনি আদেশ দিলেই সিহঁত ওলাই আহিব। কোৱা- 'অংগীকাৰ নকৰিবা। তোমালোকৰ অংগীকাৰক নহয়, তোমালোকৰ আনুগত্যকহে প্ৰাধান্য দিয়া হ'ব। তোমালোকৰ কাৰ্যকলাপ সম্পৰ্কে আল্লাহে ভালকৈ জানে।'(৫৪) আল্লাহৰ অনুগত হোৱা আৰু ৰছুলক অনুসৰণ কৰা। যদি তোমালোকে তেওঁৰ প্ৰতি পিঠি দিয়া, তেনেহ'লে ৰছুলৰ ওপৰত যি দায়িত্ব অৰ্পণ কৰা হৈছে, তাৰ বাবে তেওঁ দায়ী আৰু তোমালোকৰ ওপৰত যি দায়িত্ব অৰ্পণ কৰা হৈছে তাৰ বাবে তোমালোক দায়ী। যদি তোমালোকে তেওঁৰ কথা মতে চলা, তোমালোকে সৎপথ পাবা। ৰছুলৰ দায়িত্ব কেৱল সুস্পষ্টভাৱে বাৰ্তা জনাই দিয়া।

(৫৫) আল্লাহে তোমালোকৰ মাজৰ সেই লোকসকলক প্ৰতিশ্ৰুতি দিছে যে যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, তেওঁলোকক পৃথিৱীত ক্ষমতা প্ৰদান কৰিব, যেনেদৰে তেওঁলোকৰ পূৰ্বৱৰ্তী লোকসকলক ক্ষমতা প্ৰদান কৰা হৈছিল। নিশ্চয় তেওঁ তেওঁলোকৰ দ্বীনক (ধৰ্মক) তেওঁলোকৰ বাবে প্ৰতিষ্ঠা কৰি দিব, যিটো তেওঁ তেওঁলোকৰ বাবে পচন্দ কৰিছে। ভয় আৰু আতংকৰ সলনি তেওঁ তেওঁলোকক নিৰাপত্তা দান কৰিব। তেওঁলোকে কেৱল মোৰহে উপাসনা কৰিব লাগে আৰু মোৰ লগত আন কাকো অংশী কৰিব নালাগে। ইয়াৰ পিছতো যদি কোনোৱে সত্য প্ৰত্যাখ্যান কৰে, তেনেহ'লে এনে মানুহেই সত্যদ্ৰোহী।

(৫৬) নামাজ প্ৰতিষ্ঠা কৰা, যাকাত আদায় দিয়া আৰু ৰছুলৰ আজ্ঞা পালন কৰা যাতে তোমালোক অনুগ্ৰহ ভাজন হ'ব পাৰা। (৫৭) যিবিলাকে সত্য প্ৰত্যাখ্যান কৰিছে, সিহঁতে পৃথিৱীত আল্লাহক ব্যৰ্থ কৰিব পাৰিব বুলি তোমালোকে ভুল ধাৰণা পোষণ নকৰিবা। সিহঁতৰ আশ্ৰয়স্থল জাহান্নাম আৰু সেয়া অতি নিকৃষ্ট স্থান।

(৫৮) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকৰ অধিকাৰভুক্ত দাস-দাসীবিলাক আৰু তোমালোকৰ অপ্ৰাপ্ত বয়স্কসকলে তিনিটা সময়ত তোমালোকৰ অনুমতি লৈহে যেন তোমালোকৰ কক্ষত প্ৰৱেশ কৰে- ফজৰৰ (প্ৰভাতৰ) নামাজৰ পূৰ্বে, দুপৰীয়া তোমালোকে বিশ্ৰামৰ বাবে সাজ-পাৰ সোলোকাই থোৱা আৰু ইছাৰ নামাজৰ পিছত। এই তিনিটা তোমালোকৰ গোপনীয়তাৰ সময়। ইয়াৰ বাহিৰে আন সময়ত সিহঁত তোমালোকৰ ওচৰলৈ অহাত তোমালোকৰ কোনো দোষ নহয় আৰু সিহঁতৰো নহয়। কিয়নো তোমালোক ইজন সিজনৰ ওচৰলৈ অহা-যোৱা কৰিয়েই থাকিব লগীয়া হয়। এইদৰে আল্লাহে তেওঁৰ বিধানসমূহ তোমালোকৰ বাবে সুস্পষ্টভাৱে বিশ্লেষণ কৰে। আল্লাহ সৰ্বজ্ঞ, প্ৰজ্ঞাময়। (৫৯) তোমালোকৰ শিশুবিলাক যেতিয়া সাবালক হ'ব, তেতিয়া সিহঁতেও এইদৰে অনুমতি ল'ব, যেনেদৰে সিহঁতৰ বয়োজ্যেষ্ঠসকলে অনুমতি লৈছিল। এইদৰে আল্লাহে তেওঁৰ নিৰ্দেশাৱলী তোমালোকৰ বাবে সুস্পষ্টভাৱে বিশ্লেষণ কৰে। আল্লাহ সৰ্বজ্ঞ, প্ৰজ্ঞাময়। (৬০) বয়োজ্যেষ্ঠ বৃদ্ধা মহিলা, যিবিলাকে বিবাহৰ আকাঙ্খাও নকৰে, সিহঁতে যদি চাদৰ খুলি থয়, তেনেহ'লে সিহঁতৰ কোনো দোষ নহয়, যদিহে সৌন্দৰ্য প্ৰদৰ্শনৰ অভিপ্ৰায় নাথাকে। সিহঁতে যদি শালীনতা ৰক্ষা কৰি চলে, সেয়া সিহঁতৰ কাৰণেই কল্যাণকৰ। আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ।

(৬১) অন্ধ, খোৰা আৰু ৰোগীয়া মানুহৰ বাবে বাধা নাই। তোমালোকে নিজ ঘৰত, পিতৃ বা ককাৰ ঘৰত, মাতৃসকলৰ ঘৰত, নিজ ককাই-ভাই বা

বাই-ভনী, দদাই-বৰককাই, পেহী-জেঠাই বা মাহী-জেঠাই নাইবা যিবোৰ ঘৰৰ চাবি-কাঠি তোমালোকৰ ওচৰত আছে নাইবা নিজ বন্ধু-বান্ধৱৰ ঘৰত কোনো বাধা নাই। তোমালোকে লগে ভাগে বা পৃথকে পৃথকে খালেও কোনো দোষ নহয়। কিন্তু যেতিয়া ঘৰত প্ৰৱেশ কৰা, তেতিয়া স্বজনক ছালাম জনাবা। এই মংগলসূচক অভিবাদন আল্লাহৰ দ্বাৰা নিৰ্ধাৰিত। ই কল্যাণকৰ আৰু পৱিত্ৰ। এনেদৰে আল্লাহে তেওঁৰ নিৰ্দেশাৱলী তোমালোকৰ বাবে স্পষ্টভাৱে বিশ্লেষণ কৰে যাতে তোমালোকে বুজি পোৱা।

(৬২) তেৱেঁই প্ৰকৃত মুমিন, যিসকলে আল্লাহ আৰু তেওঁৰ ৰছুলক অন্তৰেৰে বিশ্বাস কৰে। যেতিয়া সামাজিক কথা লৈ ৰছুলৰ লগত সমবেত হয়, তেতিয়া তেওঁৰ অনুমতি নোলোৱাকৈ গুচি নাযায়। যিসকল ব্যক্তিয়ে তোমাৰ অনুমতি বিচাৰে, তেওঁলোকে আল্লাহ আৰু তেওঁৰ ৰছুলক বিশ্বাস কৰে। সেয়ে তেওঁলোকৰ কোনোৱে তোমাৰ ওচৰত কোনো কথাৰ অনুমতি বিচাৰিলে, তোমাৰ যাক ইচ্ছা অনুমতি দিয়া আৰু তেওঁৰ কাৰণে আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিবা। নিশ্চয় আল্লাহ ক্ষমাশীল, দয়াময়।

(৬৩) তোমালোকে ৰছুলক এনেদৰে সম্বোধন নকৰিবা, যেনেদৰে তোমালোকৰ ভিতৰত ইজনে সিজনক সম্বোধন কৰা। আল্লাহে তোমালোকৰ সেই মানুহবিলাকক ভালকৈয়ে জানে, যিবিলাকে পুলুকামাৰি মনে মনে গুচি যায়। যিবিলাকে তেওঁৰ আদেশ উলংঘন কৰে, সিহঁতৰ যাতে বিপৰ্যয় নঘটে নাইবা সিহঁতক কঠোৰ শাস্তিয়ে যেন আক্ৰান্ত নকৰে, তাৰ বাবে সিহঁত সাৱধান হোৱা উচিত। (৬৪) জানি থোৱা, আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সেয়া সকলো আল্লাহৰেই। আল্লাহে ভালকৈয়ে জানে তোমালোকে কি অৱস্থাত আছা। সেইদিনা যেতিয়া সিহঁতক তেওঁৰ ওচৰলৈ উভতাই নিয়া হ'ব, তেতিয়া তেওঁ সিহঁতক অৱহিত কৰিব, সিহঁতে কি কৰিছিল। আল্লাহ সৰ্ব বিষয়ে সৰ্বজ্ঞ।

২৫. আল-ফুৰকান (নির্ণায়ক)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) অতি কল্যাণময় সেই সত্তা, যিজনে তেওঁৰ দাসৰ প্ৰতি ফুৰকান (সত্য-অসত্য পৃথককাৰী পুথি) অৱতীৰ্ণ কৰিছে যাতে তেওঁ জগতবাসীক সতৰ্ক কৰিব পাৰে। (২) আকাশমণ্ডল আৰু পৃথিৱীৰ সাৰ্বভৌম আধিপত্য সেইজন সত্তাৰেই। তেওঁ কোনো সন্তান জন্ম দিয়া নাই। তেওঁৰ ৰাজত্বত কোনো অংশীদাৰ নাই। তেৱেঁই সকলো বস্তু সৃষ্টি কৰিছে আৰু প্ৰত্যেককে যথাযথ অনুৰূপে পৰিমিত কৰিছে। (৩) তথাপি সিহঁতে তেওঁৰ পৰিৱৰ্তে এনে কিছুমানক উপাস্য কৰি লৈছে, যিবিলাকে কোনো বস্তু সৃষ্টি কৰা নাই; বৰং সিহঁতকহে সৃষ্টি কৰা হৈছে। সিহঁতৰ নিজৰেই মংগল-অমংগল সাধন কৰাৰ ক্ষমতা নাই। সিহঁতে কাৰো মৃত্যু ঘটাব নোৱাৰে, কাকো জীৱন দান দিব নোৱাৰে আৰু পুনৰ জীৱিতও কৰিব নোৱাৰে।

(৪) সত্য অস্বীকাৰকাৰীবিলাকে কয়- 'এয়া মিছাৰ বাহিৰে আন একো নহয়। ইয়াক তেওঁ নিজেই উদ্ভাৱন কৰিছে আৰু ইয়াত তেওঁক কিছুমান মানুহে সহায় কৰিছে।' সিহঁতে বৰ অন্যায় কৰিছে আৰু গোকাট মিছা কথা কৈছে। (৫) সিহঁতে কয়- 'এইবোৰ অতীত কালৰ মানুহৰ ৰূপ কথা, যিবোৰ তেওঁ লিখোৱাই থৈছিল। পুৱা-গধূলি তাকে পাঠ কৰি শুনোৱা হয়।' (৬) সিহঁতক কোৱা- 'এয়া সেইজন সত্তাই অৱতীৰ্ণ কৰিছে, যিজনে আকাশমণ্ডল আৰু পৃথিৱীৰ গুঢ় ৰহস্য জানে। প্ৰকৃততে তেওঁ অতি ক্ষমাশীল, পৰম দয়ালু।'

(৭) সিহঁতে কয়- 'এওঁনো কেনেকুৱা ৰছুল! খাদ্যও খায়, হাটে-বজাৰেও যাতায়ত কৰে? এওঁলৈ কোনো ফিৰিস্তা পঠোৱা নহ'ল কিয়, যিয়ে আমাৰ সতৰ্ককাৰী হিচাবে তেওঁৰ লগতেই থাকিলহেঁতেন? (৮) নাইবা তেওঁলৈ কোনো ধনভাণ্ডাৰ পঠোৱাহেঁতেন অথবা তেওঁৰ এখন বাগান হোৱাহেঁতেন,

য'ৰ পৰা খাব পৰা গ'লহেঁতেন।' অন্যায়কাৰীবিলাকে কয়- 'তোমালোকে এজন যাদুগ্ৰস্ত মানুহক অনুসৰণ কৰিবলৈ লৈছা।' (৯) চোৱা, সিহঁতে তোমাক কেনে বিশেষণেৰে বিভূষিত কৰিছে। সিহঁত এনেভাৱে বিভ্ৰান্ত হৈছে যে সিহঁতে পুনৰ সঠিক পথ বিচাৰি নাপায়।

(১০) তেওঁ অতি কল্যাণময়। তেওঁ ইচ্ছা কৰিলে তাতোকৈ উৎকৃষ্ট বস্তু তোমাক দিব পাৰে। বহু বাগ-বাগিচা, যাৰ মাজেৰে প্ৰবাহিত হৈ থাকে নিজৰা আৰু দিব পাৰে বৃহৎ বৃহৎ বিতোপন অট্টালিকা। (১১) সিহঁতে সেই নিৰ্দিষ্ট মুহূৰ্তটোক অস্বীকাৰ কৰিছে। যিবিলাকে সেই মুহূৰ্তটো অস্বীকাৰ কৰে, সিহঁতৰ বাবে আমি জলন্ত জুই প্ৰস্তুত কৰি ৰাখিছো। (১২) সেই জুইয়ে যেতিয়া সিহঁতক দূৰৰ পৰা দেখিব, তেতিয়া সিহঁতে শুনিবলৈ পাব তাৰ তৰ্জন-গৰ্জন আৰু দপদপনি। (১৩) সিহঁতক যেতিয়া একেলগে সাঙুৰি (নৰকৰ) কোনো সংকীৰ্ণ ঠাইত পেলাই দিয়া হ'ব, তেতিয়া তাত সিহঁতে মৃত্যুক আহ্বান কৰিব। (১৪) কিন্তু সিহঁতক কোৱা হ'ব- 'আজি তোমালোকে এটা মৃত্যু কিয় বহু মৃত্যুক আহ্বান কৰি থাকা।' (১৫) কোৱা- 'কি ভাল, এয়া ভাল নে সেই চিৰন্তন জান্নাত ভাল, যাৰ প্ৰতিশ্ৰুতি দিয়া হৈছে সৎকৰ্মপৰায়ণ লোকসকলক? এয়া তেওঁলোকৰ সৎকৰ্মৰ প্ৰতিদান আৰু যাত্ৰাৰ শেষ গন্তব্যস্থল।' (১৬) তাত তেওঁলোক চিৰকাল থাকিব আৰু তেওঁলোকে যি বাঞ্ছা কৰিব তাকে তাত পাব। এয়া এটা তোমাৰ প্ৰভুৰ অৱশ্য পূৰণীয় প্ৰতিশ্ৰুতি। ইয়াক পালন কৰা তেওঁ নিজৰ দায়িত্ব হিচাবে লৈছে।

(১৭) সেইদিনা তেওঁ সকলো মানুহকে সমবেত কৰিব আৰু আল্লাহৰ বাহিৰে সিহঁতে যিবিলাকক উপাসনা কৰিছিল, সিহঁতকো একেলগে সমবেত কৰিব। তেওঁ ক'ব- 'তোমালোকে মোৰ এই বান্দাবিলাকক বিপথে নিছিলা নেকি, নে সিহঁত নিজেই বিপথগামী হৈছিল?' (১৮) উত্তৰত সিহঁতে ক'ব- 'আপুনি পৱিত্ৰ আৰু মহান। আপোনাৰ পৰিৱৰ্তে আনক পৃষ্ঠপোষক কৰি

লোৱা আমাৰ বাবে সংগত নাছিল; কিন্তু আপুনিয়েইতো সিহঁতক আৰু সিহঁতৰ পিতৃ-পিতামহসকলক ভোগ-বিলাসৰ সামগ্ৰী দিছিলে। শেষত সিহঁতে সেই উপদেশ পাহৰি গ'ল আৰু সিহঁত এটা অধঃপতিত জাতিত পৰিণত হ'ল।' (১৯) (আল্লাহে ক'ব)- 'আজি সিহঁতে তোমাৰ কথাক মিছা বুলি সাব্যস্ত কৰিছে। এতিয়া তোমালোকে (তোমালোকৰ শাস্তি) প্ৰতিৰোধ কৰিব নোৱাৰিবা আৰু কাৰো পৰা কোনো সাহায্যও নাপাবা।' তোমালোকৰ মাজৰ যিবিলাকে অন্যায়-অবিচাৰ কৰিব, সিহঁতক আমি কঠোৰ শাস্তিৰ সোৱাদ ভোগ কৰাম।

(২০) তোমাৰ পূৰ্বে আমি এনে কোনো ৰছুল প্ৰেৰণ কৰা নাছিলো, যিজনে খাদ্য খোৱা নাছিল আৰু হাটে-বজাৰে ঘূৰা-ফিৰা কৰা নাছিল। আমি তোমালোকৰ এজনক আনজনৰ পৰীক্ষাৰ উপলক্ষ্য কৰি দিছো যাতে চাব পাৰো তোমালোকে ধৈর্য ধাৰণ কৰানে? তোমাৰ প্ৰভুৱে সকলো দেখি আছে।

(২১) যিবিলাকে আমাৰ লগত সাক্ষাৎ হ'ব লাগিব বুলি ধাৰণা নকৰে, সিহঁতে কয়- 'আমাৰ ওচৰলৈ ফিৰিস্তা পঠোৱা হোৱা নাই কিয়?' নাইবা 'আমি আমাৰ প্ৰভুক দেখা নাপাও কিয়' প্ৰকৃততে সিহঁত আত্মগৰ্বত ওফন্দি আছে আৰু অবাধ্যতাৰ চৰম সীমা লংঘন কৰিছে। (২২) যিদিনা সিহঁতে ফিৰিস্তাসকলক দেখিব, সেইদিনা অপৰাধীবিলাকৰ বাবে কোনো সুসংবাদ নাথাকিব। সিহঁতে মাথোন আৰ্তনাদ কৰি ক'ব- 'ৰক্ষা কৰা, ৰক্ষা কৰা।' (২৩) আৰু আমি সিহঁতৰ কৰ্মবোৰৰ পিনে মনোনিবেশ কৰিম আৰু সেইবোৰ বিক্ষিপ্ত ধূলি-মাকতিত পৰিণত কৰিম। (২৪) জান্নাতবাসীসকলে সেইদিনা উৎকৃষ্ট স্থানত অৱস্থান কৰিব আৰু জিৰণিৰ ঠাইয়ো হ'ব অতি মনোৰম।

(২৫) সেইদিনা আকাশ বিদীর্ণ হৈ অহা এডোখৰ মেঘ পৰিদৃষ্ট হ'ব আৰু ফিৰিস্তাসকলক শাৰীবদ্ধভাৱে অৱতৰণ কৰোৱা হ'ব। (২৬) সেইদিনা প্ৰকৃত কৰ্তৃত্ব হ'ব দয়াময়ৰ আৰু সত্য অস্বীকাৰকাৰীবিলাকৰ কাৰণে সেইটো এটা কঠিন দিন হ'ব। (২৭) সেইদিনা অন্যায়কাৰীবিলাকে নিজৰে হাত কামুৰি

কামুৰি ক'ব- 'হায়! আমি যদি ৰছুলৰ পথকে গ্রহণ কৰিলোহেঁতেন! (২৮) 'হায়! মোৰ কি দুর্ভাগ্য! মই যদি অমুকক বন্ধু কৰি নল'লোহেঁতেন! (২৯) মোলৈ উপদেশ বাণী অহাৰ পিছতো সি মোক তাৰ প্রতি আওকণীয়া কৰিলে। ছয়তান মানুহৰ ঘোৰ প্রতাড়ক।' (৩০) ৰছুলে ক'ব- 'হে প্রভু, মোৰ মানুহবিলাকে কুৰআনখনক প্রত্যাখ্যান কৰিছিল।' (৩১) এইদৰে আমি প্রত্যেক নবীক দুস্কৃতিকাৰীবিলাকৰ বাবে শত্রু কৰি দিছিলো। তোমাৰ প্রভুৰেই পথ প্রদর্শক আৰু সহায়কাৰী হিচাবে যথেষ্ট।

(৩২) সত্য অস্বীকাৰকাৰীবিলাকে কয়- 'তেওঁলৈ সম্পূর্ণ কুৰআনখন এবাৰতে অৱতীর্ণ কৰা নহ'ল কিয়?' আমি এই কাৰণেই এনেদৰে অৱতীর্ণ কৰিছো যাতে ইয়াক তোমালোকৰ অন্তৰত বদ্ধমূল কৰি দিব পাৰো। এইখনক আমি ক্রমে ক্রমে অলপ অলপকৈ অৱতীর্ণ কৰিছো। (৩৩) বাৰে প্রতি সিহঁতে এনে কিছুমান অভিযোগ উত্থাপন কৰি থাকিব, আমি তোমাক তাৰ যথার্থ সত্যতা আৰু উত্তম ব্যাখ্যা-বিশ্লেষণ জনাই দিম। (৩৪) যিবিলাক মানুহক উবুৰি খুবাই জাহান্নামলৈ নিয়া হ'ব, সিহঁতৰ স্থান অতি নিকৃষ্ট আৰু সিহঁত অধিক পথভ্রষ্ট।

(৩৫) আমি মূছাক পুথি দিছিলো আৰু তেওঁৰ ভায়েকক তেওঁৰ সহায়ক হিচাবে নিয়োগ কৰি দিছিলো। (৩৬) ইয়াৰ পিছত আমি কৈছিলো- 'তোমালোক দুয়ো সিহঁতৰ ওচৰলৈ যোৱা, যিবিলাকে আমাৰ বাণীসমূহ মিছা বুলি অগ্রাহ্য কৰিছে।' ইয়াৰ পিছত আমি সিহঁতক সমূলি ধ্বংস কৰিলো। (৩৭) আমি নূহৰ জাতিৰ মানুহবিলাকক পানীত ডুবাই মাৰিলো, যেতিয়া সিহঁতে সিহঁতৰ ৰছুলক অগ্রাহ্য কৰিলে আৰু আমি সিহঁতক মানৱ জাতিৰ নিদর্শন স্বৰূপ কৰি ৰাখিলো। আমি অনাচাৰী মানুহবিলাকৰ কাৰণে অত্যন্ত যন্ত্রণাদায়ক শাস্তি প্রস্তুত কৰি ৰাখিছো। (৩৮) তেনেদৰে 'আদ', 'চামূদ' আৰু 'ৰাছ' বাসী আৰু সিহঁতৰ অনেক প্রজন্মকো (ধ্বংস কৰিলো)। (৩৯) সিহঁতৰ প্রত্যেককে আমি

নানা উদাহৰণ দি সকীয়াই দিছিলো। শেষত সিহঁত সকলোকে আমি সমূলধ্বংস কৰিছিলো। (৪০) সিহঁতে অৱশ্যই সেই নগৰৰ ওপৰেদি আহে, য'ত বিধ্বংসী বৃষ্টি বৰ্ষণ কৰা হৈছিল। এয়া সিহঁতে দেখা নাইনে? তথাপি সিহঁতে মৃত্যুৰ পিছৰ আন এটা জীৱনক বিশ্বাস কৰা নাছিল।

(৪১) সিহঁতে যেতিয়াই তোমাক দেখে, তেতিয়াই ইতিকিং কৰি তোমাক কয়- 'এই মানুহজনকেই আল্লাহে তেওঁৰ ৰছুল কৰি পঠাইছেনে? (৪২) সি অৱশ্যই আমাক আমাৰ উপাস্য দেৱ-দেৱীসমূহৰ পৰা আঁতৰাই নিলেহেঁতেন, যদিহে আমি সেইবোৰৰ প্ৰতি দৃঢ়ভাৱে প্ৰতিষ্ঠিত হৈ নাথাকিলো হেঁতেন।' অচিৰেই সিহঁতে শাস্তি প্ৰত্যক্ষ কৰিব, তেতিয়াহে জানিব পাৰিব কোন পথভ্ৰষ্ট হৈ দূৰলৈ গৈছিল।

(৪৩) তুমি এনে ব্যক্তি দেখিছানে, যিজনে নিজ প্ৰবৃত্তিক উপাস্য কৰি লৈছে? তুমি এনে ব্যক্তিৰ দায়িত্ব ল'ব পাৰিবানে? (৪৪) তুমি ভাবানে যে সিহঁতৰ সৰহভাগ মানুহে শুনা পায় আৰু বুজি পায়? আচলতে সিহঁত পশুতুল্য; বৰং পশুতকৈও অধম।

(৪৫) তুমি দেখা নাইনে, তোমাৰ প্ৰভুৱে কি ভাৱে ছাঁ প্ৰসাৰিত কৰে? তেওঁ ইচ্ছা কৰিলে নিশ্চয় ইয়াক স্থিৰ কৰি ৰাখিব পাৰিলেহেঁতেন। পিচে আমি সূৰ্যক ইয়াৰ নিৰ্দেশক কৰি দিছো। (৪৬) পিছত আমি লাহে লাহে ইয়াক আমাৰ পিনে ছপাই আনি থাকো। (৪৭) এইজন তেৱেঁই, যিজনে তোমালোকৰ কাৰণে ৰাতিক আৱৰণ, নিদ্ৰাক মৃত্যুসম বিশ্ৰাম আৰু দিনক জীৱন্ত হৈ উঠাৰ সময় কৰি দিছে। (৪৮) এইজন তেৱেঁই, যিজনে নিজ কৰুণাৰ আগ জাননি বতাহক আগে আগে পঠায় আৰু আমি আকাশৰ পৰা নিৰ্মল পানী বৰষাও, (৪৯) যাতে তাৰ দ্বাৰা এটি মৃত অঞ্চলক সঞ্জীৱিত কৰিব পাৰো আৰু আমাৰ সৃষ্টি জগতৰ অনেক পশু আৰু মানুহক পানী পান কৰাব পাৰো।

(৫০) আমি এইবোৰ সিহঁতৰ আগত বিভিন্ন ধৰণে বিতংভাৱে দাঙি ধৰিছো যাতে সিহঁতে শিক্ষা লাভ কৰিব পাৰে; কিন্তু অধিকাংশ মানুহে কেৱল অকৃতজ্ঞতাহে প্ৰকাশ কৰে। (৫১) আমি যদি ইচ্ছা কৰিলোহেঁতেন, প্ৰত্যেক জনবসতিলৈ একোজনকৈ সতৰ্ককাৰী প্ৰেৰণ কৰিলোহেঁতেন। (৫২) গতিকে তুমি সত্য অস্বীকাৰকাৰীবিলাকৰ কথা কদাপিও নামানিবা আৰু ইয়াৰ (কুৰআন) সহায়ত সিহঁতৰ লগত মহা সংগ্ৰামত প্ৰবৃত্ত হোৱা।

(৫৩) এইজন তেৱেঁই, যিজনে দুখন সমুদ্ৰৰ বোৱতি পানীক মিলিত কৰিছে। এখনৰ পানী সুস্বাদু মিঠা আৰু আনখনৰ লুণীয়া, কেঁহা আৰু এই দুয়োখনৰ মাজত আছে এটা প্ৰতিবন্ধক, দুৰ্ভেদ্য অন্তৰায়। (৫৪) এইজন তেৱেঁই, যিজনে মানুহক পানীৰ পৰা সৃষ্টি কৰিছে। ইয়াৰ পিছত তেওঁ মানুহৰ মাজত বংশগত আৰু বৈবাহিক সম্পৰ্ক স্থাপন কৰি দিছে। তোমাৰ প্ৰভু মহা ক্ষমতাবান।

(৫৫) সিহঁতে আল্লাহক বাদ দি এনে কিছুমানৰ উপাসনা কৰে, যি সিহঁতৰ নে কোনো উপকাৰ কৰিব পাৰে, নে অপকাৰ! প্ৰতিজন অবিশ্বাস কাৰীয়ে তাৰ প্ৰকৃত প্ৰভুৰ বিৰুদ্ধে (অন্যায়কাৰীবিলাকক) সহায় কৰে। (৫৬) আমি তোমাক মাথোন এজন সুসংবাদদাতা আৰু সতৰ্ককাৰী হিচাবেহে পঠাইছো। (৫৭) কোৱা- 'ইয়াৰ বাবে মই তোমালোকৰ পৰা কোনো পাৰিশ্ৰমিক বিচৰা নাই, মই মাথোন ইয়াকে বিচাৰো, যি ইচ্ছা কৰে, সি যেন তাৰ প্ৰভুৰ পথ ধৰে।'

(৫৮) তুমি সেইজন চিৰ জীৱন্ত সত্তাৰ ওপৰত ভৰসা কৰা, যিজনৰ মৃত্যু নাই। তেওঁৰ গুণ-গৰিমাৰ সৈতে তেওঁক স্তুতি কৰা। তেওঁৰ দাসবিলাকৰ পাপ কৰ্মৰ খবৰ ৰাখিবলৈ তেৱেঁই যথেষ্ট। (৫৯) এইজনা তেৱেঁই, যিজনে আকাশমণ্ডল আৰু পৃথিৱী আৰু উভয়ৰ মাজত যি আছে সেই সকলো ছদিনত সৃষ্টি কৰিছে। ইয়াৰ পিছত তেওঁ মহা সিংহাখনত উপবিষ্ট হ'ল। তেওঁ

পৰম দয়ালু। তেওঁৰ বিষয়ে যিকোনো অভিজ্ঞ ব্যক্তিক সুধি চোৱা। (৬০) সিহঁতক যেতিয়া কোৱা হয়- 'পৰম দয়াময়ক ছিজদাহ কৰা', তেতিয়া সিহঁতে কয়- 'দয়াময়নো কোন? তুমি যাকে ক'বা, তাকে আমি ছিজদাহ কৰিমনে?' ইয়ে সিহঁতৰ বিমুখীতা আৰু বৃদ্ধিহে কৰে।

(৬১) অতি কল্যাণময় সেই মহান সত্তা, যিজনে আকাশমণ্ডলত নক্ষত্রপুঞ্জ স্থাপন কৰিছে আৰু তাত এটি উজ্বল প্রদীপ আৰু এটি জ্যোতিময় চন্দ্র স্থাপন কৰিছে। (৬২) এইজন তেৱেঁই, যিজনে ৰাতি আৰু দিনক পৰস্পৰ অনুবর্তনশীল কৰি সৃষ্টি কৰিছে। এয়া এটা নিদর্শন তেওঁলোকৰ বাবে যেয়ে জ্ঞান লাভ কৰিব বিচাৰে আৰু কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰে।

(৬৩) তেওঁলোকেই দয়াময়ৰ প্রকৃত দাস, যিসকলে পৃথিৱীত বিনম্রভাৱে চলাফিৰা কৰে আৰু অজ্ঞানবিলাকে তেওঁলোকক সম্বোধন কৰিলে, তেওঁলোকে সঁহাৰি জনাই কয়- 'ছালাম' (তোমালোকৰ শান্তি হওক)। (৬৪) আৰু যিসকলে নিজ প্রভুক ছিজদাহ কৰি আৰু থিয় দি উপাসনা কৰি ৰাতি কটায়, (৬৫) আৰু যিসকলে কয়- 'হে আমাৰ প্রভু, আমাক জাহান্নামৰ শাস্তিৰ পৰা বচোৱা যাৰ শাস্তি অতি মাৰাত্মক যন্ত্রণাদায়ক। (৬৬) নিশ্চয় বিশ্রামস্থল আৰু আশ্রয়স্থল হিচাবে সেয়া অতি জঘন্য।' (৬৭) আৰু যিসকলে ব্যয় কৰোতে অপব্যয় নকৰে আৰু কৃপণালিও নকৰে; বৰং এই দুয়োৰে মাজত মধ্যমপন্থা অৱলম্বন কৰে, (৬৮) আৰু যিসকলে আল্লাহৰ বাহিৰে আন কাকো উপাস্যৰূপে নামাতে। আল্লাহে নিষিদ্ধ কৰা কোনো প্রাণকে ন্যায্য কাৰণ ব্যতীত হত্যা নকৰে আৰু ব্যভিচাৰ নকৰে। যিজনে এইবোৰ কাম কৰে, সি তাৰ শাস্তিৰ ভাগ পাব। (৬৯) কিয়ামতৰ দিনা তাক দ্বিগুণ শাস্তি দিয়া হ'ব আৰু তাতেই সি লাঞ্ছিত হৈ চিৰকাল থাকিব। (৭০) তেওঁলোক ইয়াৰ পৰা বাচিব, যিসকলে অনুতাপ কৰি ক্ষমা বিচাৰে, বিশ্বাস স্থাপন কৰে আৰু সৎকর্ম কৰে। এনে ধৰণৰ লোকসকলৰ অপকর্মবোৰ আল্লাহে সৎকর্মলৈ পৰিৱর্তন কৰি দিব।

আল্লাহ অতি ক্ষমাশীল, পৰম দয়ালু। (৭১) যি ব্যক্তি অনুতপ্ত হয় আৰু সৎকৰ্ম কৰে, আচলতে তেওঁ আল্লাহৰ অভিমুখী হয়।

(৭২) যিসকলে মিছা সাক্ষী নিদিয়ে আৰু অশালীন পৰিস্থিতিৰ সন্মুখীন হ'লে, সিহঁতে সসম্ভ্রমেৰে আঁতৰি যায়, (৭৩) আৰু তেওঁলোকক তেওঁলোকৰ প্ৰভুৰ বাণী শুনাই উপদেশ দিলে, তেওঁলোকে অন্ধ আৰু বধিৰৰ দৰে আচৰণ নকৰে- (৭৪) আৰু যিসকলে কয়- 'হে প্ৰভু, আমাৰ স্ত্ৰী আৰু সন্তানসকলৰ দ্বাৰা আমাৰ চকু জুৰ পেলোৱা আৰু আমাক ধৰ্মনিষ্ঠসকলৰ কাৰণে আদৰ্শ স্বৰূপ কৰি দিয়া।'

(৭৫) এওঁলোকেই হ'ল সেইসকল লোক, যিসকলে ধৈৰ্য ধাৰণৰ প্ৰতিদান স্বৰূপে উচ্চ মৰ্যাদাপূৰ্ণ স্থান লাভ কৰিব। তাত তেওঁলোকক 'ছালামেৰে' সাদৰ সম্ভাষণ আৰু স্বাগতম জনোৱা হ'ব। (৭৬) তাত তেওঁলোক চিৰকাল থাকিব। অতি উত্তম সেই বিশ্ৰামস্থল আৰু অতি উত্তম সেই বাসস্থল। (৭৭) কোৱা- 'তোমালোকে যদি আল্লাহক উপাসনা নকৰা, তাৰ বাবে তেওঁৰ একো আহে-নাযায়। কিয়নো তোমালোকে প্ৰকৃত সত্য অস্বীকাৰ কৰিছা, সেয়ে তেওঁৰ শাস্তিয়ে তোমালোকক নিশ্চয় আক্ৰান্ত কৰিব।'

২৬. আছ-ছু'আৰা (কবিসকল)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) ত্বা-ছীন-মীম।

(২) এইসমূহ স্পষ্টকাৰী পুথিৰ আয়াত, (৩) তুমি হয়তো দুশ্চিন্তাতে নিজকে বিনাশ কৰিবা, কিয়নো সিহঁতে বিশ্বাস স্থাপন নকৰে। (৪) আমি ইচ্ছা কৰিলে সিহঁতলৈ আকাশমণ্ডলৰ পৰা কোনো নিদৰ্শন অৱতীৰ্ণ কৰিব পাৰো, যাৰ জৰিয়তে অৱনমিত হৈ সিহঁতৰ শিৰ নত হৈ পৰিব। (৫) যেতিয়াই সিহঁতলৈ দয়াময়ৰ পৰা কোনো নতুন উপদেশ আহে, তেতিয়াই সিহঁতে তাৰ

পৰা মুখ ঘূৰাই লয়। (৬) অৱশ্যে সিহঁতে এই সংবাদ প্ৰত্যাখ্যান কৰিছে, কিন্তু যিবোৰ লৈ সিহঁতে অৱজ্ঞাৰে ঠাট্টা-বিদ্ৰূপ কৰিছে, অনতিপলমে সেইবোৰেই সিহঁতৰ ওপৰত আপতিত হ'ব।

(৭) সিহঁতে পৃথিৱীখনৰ প্ৰতি লক্ষ্য কৰা নাইনে, তাত আমি কিমান তৰহে তৰহে উপকাৰী উদ্ভিদ উৎপন্ন কৰিছো? (৮) নিশ্চয় তাত নিদৰ্শন আছে, তথাপি সিহঁতৰ সৰহ ভাগ মানুহেই বিশ্বাস নকৰে। (৯) তোমালোকৰ প্ৰভু অৱশ্যই প্ৰবল পৰাক্ৰমী, পৰম দয়ালু।

(১০) যেতিয়া তোমাৰ প্ৰভুৱে মূছাক সম্বোধন কৰি কৈছিল- 'তুমি সেই দুস্কৃতিপৰায়ণ মানুহবিলাকৰ ওচৰলৈ যোৱা- (১১) ফি�ৰাউনৰ মানুহবিলাকৰ ওচৰলৈ- সিহঁতে আল্লাহক ভয় নকৰে নেকি?' (১২) মূছাই ক'লে- 'হে মোৰ প্ৰভু, মোৰ শংকা হৈছে, সিহঁতে মোক অগ্ৰাহ্য কৰিব, (১৩) মোৰ অন্তৰ কোঁচ খাই গৈছে আৰু মোৰ ভাষাও সলসলীয়া নহয়, সেয়ে হাৰুণকো মোৰ লগতে মনোনীত কৰক, (১৪) আৰু মোৰ বিৰুদ্ধে সিহঁতৰ এটা অপৰাধৰ অভিযোগ আছে, সেয়ে মোৰ ভয় হৈছে সিহঁতে মোক হত্যা কৰিব বুলি।'

(১৫) আল্লাহে ক'লে- 'কেতিয়াও নহয়। তোমালোক দুয়ো আমাৰ নিদৰ্শনাৱলী লৈ যোৱা। আমি তোমালোকৰ লগত থাকিম, (তোমালোকৰ কথা) শুনি থাকিম।' (১৬) তোমালোক দুয়ো ফি�ৰাউনৰ ওচৰলৈ যোৱা আৰু কোৱা- 'আমি বিশ্বজগতৰ প্ৰভুৰ দূত, (১৭) ইছ্ৰাঈল বংশৰ মানুহবিলাকক আমাৰ লগত যাবলৈ দিয়ক।' (১৮) ফিৰাউনে ক'লে- 'আমি তোমাক শৈশৱ কালত আমাৰ লগতে ৰাখি লালন-পালন কৰা নাছিলোনে? আৰু তুমি তোমাৰ জীৱনৰ ভালে কেইবছৰ আমাৰ লগতে অতিবাহিত কৰিছিলা। (১৯) আৰু তুমি যিটো কাম কৰিলা, কৰিলায়ে। আচলতে তুমি বৰ অকৃতজ্ঞ।'

(২০) মূছাই ক'লে- 'তেতিয়া মই সেই কাম ভুলক্ৰমে কৰিছিলো।

(২১) পিছত মই আপোনাৰ ভয়ত আপোনালোকৰ পৰা পলাই গ'লো। ইয়াৰ পিছত মোৰ প্ৰভুৱে মোক জ্ঞান দান কৰিলে আৰু তেওঁৰ ৰছুলসকলৰ দৰে মোকো ৰছুল হিচাবে মনোনীত কৰিলে।

(২২) আৰু আপুনি মোক অনুগ্ৰহ কৰাৰ খটা মাতিছে। আচলতে আপুনি ইছ্ৰাঈল বংশৰ মানুহবিলাকক দাসহে কৰি লৈছে।' (২৩) ফিৰাউনে ক'লে- 'বিশ্বজগতৰ প্ৰভু, এইটো আকৌ কি?' (২৪) মূছাই ক'লে- 'আকাশমণ্ডল আৰু পৃথিৱী আৰু ইয়াৰ মাজত যি আছে সকলোৰেই তেওঁ প্ৰভু, যদি আপোনালোকে নিশ্চিত ৰূপে বিশ্বাস কৰে।' (২৫) ফিৰাউনে তাৰ আশে-পাশে থকা মানুহবিলাকক ক'লে- 'শুনিছানে তোমালোকে?' (২৬) মূছাই ক'লে- 'তেৱেঁই তোমালোকৰ প্ৰভু আৰু তোমালোকৰ পূৰ্বপুৰুষসকলৰো প্ৰভু।' (২৭) ফিৰাউনে ক'লে- 'এইজন ৰছুল, যাক তোমালোকৰ বাবে প্ৰেৰণ কৰা হৈছে, বলিয়া যেনহে লাগিছে।' (২৮) মূছাই ক'লে- 'তেওঁ পূৱ আৰু পশ্চিমৰ প্ৰভু আৰু দুয়োৰে মাজত যি আছে তাৰো প্ৰভু, যদি তোমালোকে বুজি পোৱা!' (২৯) ফিৰাউনে ক'লে- 'যদি তুমি মোৰ ব্যতীত আন কাৰোবাক উপাস্য ৰূপে মানি লোৱা, তেনেহ'লে মই তোমাক বন্দীশালত থম।' (৩০) মূছাই ক'লে- 'যদি মই আপোনাক স্পষ্ট প্ৰমাণ আনি দিও, তথাপিও?' (৩১) ফিৰাউনে ক'লে- 'তেনেহ'লে দেখুৱা, যদি তুমি সঁচাই কৈছা।' (৩২) মূছাই তেওঁৰ লাখুটিডাল নিক্ষেপ কৰিলে আৰু লগে লগেই ই এডাল সঁচাসচি সাপ হৈ পৰিল। (৩৩) ইয়াৰ পিছত তেওঁ নিজৰ হাতখন (কাষলতিৰ তলৰ পৰা) উলিয়াই আনিলে আৰু ই দৰ্শকৰ দৃষ্টিত জকমকাই জিলিকিবলৈ ধৰিলে। (৩৪) ফিৰাউনে তাৰ আশে-পাশে থকা পাৰিষদবৰ্গক ক'লে- 'নিশ্চয় এওঁ এজন দক্ষ যাদুকৰ; (৩৫) এওঁ যাদুৰ বলেৰে তোমালোকক দেশৰ পৰা উলিয়াই নিব বিচাৰিছে। এতিয়া তোমালোকৰ অভিমত কি?'

(৩৬) সিহঁতে ক'লে- 'এওঁক আৰু এওঁৰ ভায়েকক কিছুদিন অৱকাশ

দিয়ক আৰু নগৰে-চহৰে পিয়দা পঠাই দিয়ক। (৩৭) সিহঁতে প্ৰত্যেক দক্ষ যাদুকৰক আপোনাৰ ওচৰলৈ লৈ আনিব।' (৩৮) এটা নিৰ্দিষ্ট দিনত যাদুকৰসকলক সমবেত কৰা হ'ল, (৩৯) আৰু জনসাধাৰণকো কোৱা হ'ল- 'তোমালোকেও সমাবেশলৈ নোযোৱা জানো? (৪০) যাতে আমি যাদুকৰবিলাকক অনুসৰণ কৰিব পাৰো, যদি সিহঁতে জয়লাভ কৰে।' (৪১) যেতিয়া যাদুকৰবিলাক আহিল, সিহঁতে ফিৰাউনক সুধিলে- 'আমাক পুৰস্কৃত কৰা হ'বতো, যদি আমি জিকো?' (৪২) সি ক'লে- 'নিশ্চয়, এই বিষয়ত তোমালোকে মোৰ সান্নিধ্য লাভ কৰিবা।'

(৪৩) মূছাই যাদুকৰবিলাকক ক'লে- 'তোমালোকৰ যি নিক্ষেপ কৰিবলৈ আছে, নিক্ষেপ কৰা।' (৪৪) তেতিয়া সিহঁতে নিজৰ ৰছী আৰু লাখুটিবোৰ নিক্ষেপ কৰি ক'লে- 'ফিৰাউনৰ মৰ্যাদাৰ বলত নিশ্চয় আমি জয়ী হ'ম।' (৪৫) তাৰ পিছত মূছাই তেওঁৰ লাখুটিডাল নিক্ষেপ কৰিলে আৰু ই সিহঁতৰ কৃত্ৰিম সৃষ্টিবোৰ গিলিবলৈ ধৰিলে। (৪৬) যাদুকৰবিলাক স্বতঃস্ফূৰ্তভাৱে ছিজদাত নত হ'ল, (৪৭) আৰু ক'লে- 'আমি বিশ্বজগতৰ প্ৰভুৰ প্ৰতি বিশ্বাস স্থাপন কৰিলো, (৪৮) যিজন মূছা আৰু হাৰুণৰো প্ৰভু।'

(৪৯) ফিৰাউনে ক'লে- 'কি, মই অনুমতি দিয়াৰ পূৰ্বেই তোমালোকে মূছাক বিশ্বাস কৰিলা! নিশ্চয় এওঁৰেই তোমালোকৰ গুৰু, যিজনে তোমালোকক যাদু শিকাইছে। এতিয়া তোমালোকে গম পাবা। নিশ্চয় মই তোমালোকৰ হাত আৰু ভৰি বিপৰীত ফালৰ পৰা কাটিম আৰু তোমালোক সকলোকে শূলত দিম।' (৫০) সিহঁতে ক'লে- 'কোনো ক্ষতি নাই। আমি আমাৰ প্ৰভুৰ ওচৰলৈকে ঘূৰি যাম। (৫১) আমি আশা কৰো, আমাৰ প্ৰভুৱে আমাক মাৰ্জনা কৰিব, কিয়নো আমিয়ে প্ৰথমে বিশ্বাস স্থাপন কৰিছো।'

(৫২) আমি আমাৰ ইচ্ছা প্ৰত্যাদেশ কৰি মূছাক ক'লো- 'নিশাৰ ভিতৰতেই মোৰ দাসসকলক লৈ ওলাই যোৱা। নিশ্চয় তোমালোকক পিছে

পিছে খেদি যোৱা হ'ব। (৫৩) ইফালে ফিৰাউনে নগৰে-চহৰে ঘোষক পঠালে, (৫৪) সিহঁতে ক'লে- 'ইহঁত এটা ক্ষুদ্ৰ দল, (৫৫) ইহঁতে আমাক ক্ৰোধান্বিত কৰিছে, (৫৬) আমি এটা বৃহৎ আৰু সতৰ্ক দল।' (৫৭) এইদৰে আমি সিহঁতক উলিয়াই আনিলো সিহঁতৰ বাগ-বাগিচা আৰু নিজৰাসমূহ, (৫৮) আৰু ধন-সম্পদ আৰু সন্মানজনক বাসস্থানৰ পৰা। (৫৯) আৰু আমি ইছৰাঈল বংশধৰবিলাকক এই বস্তুবোৰৰ উত্তৰাধিকাৰী কৰি দিলো।

(৬০) সূর্যোদয়ৰ লগে লগে ফিৰাউন আৰু তাৰ মানুহবিলাকে তেওঁলোকক পিছে পিছে খেদি গ'ল, (৬১) শেষত যেতিয়া দুয়োটা দল দেখাদেখি হ'ল, তেতিয়া মূছাৰ সংগীসকলে ক'লে- 'আমিতো এতিয়া ধৰা পৰিলো।' (৬২) মূছাই ক'লে- 'কেতিয়াও নহয়। মোৰ লগত মোৰ প্ৰভু আছে। নিশ্চয় তেওঁ মোক পথৰ সন্ধান দিব।' (৬৩) আমি মূছাক প্ৰত্যাদেশ কৰিলো- 'তোমাৰ লাখুটিডালেৰে সাগৰত কোব মাৰি দিয়া।' ফলত সাগৰখন দুছিটা হ'ল আৰু দুয়ো ছিটা একো একোটা বিৰাট পৰ্বত সদৃশ হৈ পৰিল। (৬৪) ইতিমধ্যে আমি আনটো দলকো সেই ঠাইৰ ওচৰলৈ আনিলো। (৬৫) আমি মূছা আৰু তেওঁৰ লগত যিসকল আছিল, সেই সকলোকে বচালো। (৬৬) পিছত আনবিলাকক বুৰাই মাৰিলো। (৬৭) এই ঘটনাত এটা নিদর্শন আছে; কিন্তু সিহঁতৰ সৰহভাগেই সেয়া বিশ্বাস নকৰে। (৬৮) নিঃসন্দেহে তোমালোকৰ প্ৰভু প্ৰবল পৰাক্ৰমী, পৰম দয়ালু।

(৬৯) সিহঁতক ইব্ৰাহীমৰ বৃত্তান্ত শুনোৱা- (৭০) যেতিয় তেওঁ তেওঁৰ পিতৃ আৰু নিজৰ জাতিৰ মানুহবিলাকক সুধিলে- 'সেয়া কি, যাক তোমালোকে উপাসনা কৰা?' (৭১) সিহঁতে ক'লে- 'আমি প্ৰতিমাবোৰক উপাসনা কৰো আৰু আমি নিৰন্তৰ সিহঁতৰেই অনুৰক্ত হৈ থাকিম।' (৭২) তেওঁ সুধিলে- 'সিহঁতে তোমালোকৰ আহ্বান শুনেনে, যেতিয়া তোমালোকে সিহঁতক আহ্বান কৰা? (৭৩) নে সিহঁতে তোমালোকৰ উপকাৰ বা অপকাৰ কৰিব পাৰে?'

(৭৪) সিহঁতে ক'লে- 'অৱশ্যে আমি আমাৰ পিতৃপুৰুষসকলক এনে কৰা দেখি আহিছো।'

(৭৫) ইব্ৰাহীমে ক'লে- 'তোমালোকে কেতিয়াবা সিহঁতৰ সম্পৰ্কে ভাবি চাইছানে, যিবিলাকক উপাসনা কৰি আহিছা- (৭৬) তোমালোকে আৰু তোমালোকৰ পিতৃ-পুৰুষকলে? (৭৭) সিহঁত সকলো মোৰ শত্ৰু, কেৱল বিশ্বজগতৰ প্ৰভু আল্লাহ ব্যতীত। (৭৮) তেৱেঁই মোক সৃষ্টি কৰিছে। এইজন তেৱেঁই, যিজনে মোক সৎপথ প্ৰদৰ্শন কৰিছে। (৭৯) খাবলৈ মোক অন্ন আৰু পান কৰিবলৈ পানী যোগায়, (৮০) যিজনে মোক আৰোগ্য কৰে, যেতিয়া মই নৰীয়াত পৰো; (৮১) যিজনে মোৰ মৃত্যু ঘটাব আৰু তাৰ পিছত পুনৰ জীৱন দান কৰিব। (৮২) আৰু তেৱেঁই, যিজনৰ প্ৰতি আশা কৰো প্ৰতিফল দিৱসৰ দিনা তেৱেঁই মোৰ ভুল-ভ্ৰান্তিবোৰ মাৰ্জনা কৰি দিব।'

(৮৩) 'হে মোৰ প্ৰভু, মোক জ্ঞান দান কৰা আৰু মোক সৎকৰ্মপৰায়ণ সকলৰ অন্তৰ্ভুক্ত কৰা; (৮৪) আৰু পৰৱৰ্তীসকলৰ মাজত যেন মোৰ সুখ্যাতিৰ আলাপ হয়; (৮৫) আৰু মোক সুখময় স্বৰ্গৰ উত্তৰাধিকাৰীসকলৰ অন্তৰ্ভুক্ত কৰা; (৮৬) আৰু মোৰ পিতৃক ক্ষমা কৰি দিয়া। অৱশ্যে তেওঁ পথভ্ৰষ্টবিলাকৰ এজন আছিল। (৮৭) সেইদিনা মোক লাঞ্ছিত নকৰিবা, যিদিনা সকলো মানুহকে পুনৰ জীৱিত কৰি উঠোৱা হ'ব; (৮৮) যিদিনা ধন-সম্পদ আৰু সন্তান-সন্ততি কোনো কামত নাহিব, (৮৯) কেৱল মাথোন তেৱেঁই ৰক্ষা পাব, যিয়ে প্ৰশান্ত নিৰ্মল অন্তৰ লৈ আল্লাহৰ ওচৰত উপস্থিত হ'ব।'

(৯০) যেতিয়া জান্নাতক নীতিপৰায়ণ লোকসকলৰ ওচৰলৈ চপাই অনা হ'ব, (৯১) আৰু জাহান্নামক বিপথগামী মানুহবিলাকৰ কাৰণে উন্মোচিত কৰা হ'ব, (৯২) তেতিয়া সিহঁতক সোধা হ'ব- 'ক'ত সেইবোৰ, যিবিলাকক তোমালোকে পূজা-অৰ্চনা কৰিছিলা- (৯৩) আল্লাহৰ পৰিৱৰ্তে? সিহঁতে তোমালোকক কিবা সহায় কৰিছেনে, নাইবা নিজকে নিজে সহায় কৰিব

পাৰিছেনে?' (৯৪) পিছত সিহঁত (উপাস্য প্ৰতিমা) আৰু পথভ্ৰষ্ট মানুহ বিলাকক তললৈ মূৰ কৰি জাহান্নামত নিক্ষেপ কৰা হ'ব, (৯৫) আৰু ইবলিছৰ সৈন্য-বাহিনীসকলকো একেলগে। (৯৬) সিহঁতে তাত তৰ্ক-বিতৰ্কত লিপ্ত হ'ব আৰু ক'ব- (৯৭) 'আমি তেতিয়া দেখদেখকৈ ভ্ৰান্ত পথত আছিলো; (৯৮) যেতিয়া আমি তোমালোকক বিশ্ব জগতৰ প্ৰভুৰ সমতুল্য কৰিছিলো। (৯৯) ইহঁতেই অপৰাধী আছিল, যিবিলাকে আমাক পথভ্ৰষ্ট কৰিছিল। (১০০) এতিয়া আমাৰ মধ্যস্থতাকাৰী কেও নাই, (১০১) আৰু কোনো শুভাকাংক্ষী বন্ধুও নাই। (১০২) আমাক যদি এবাৰ উভতি যোৱাৰ সুযোগ দিয়া গ'লহেঁতেন, তেনেহ'লে নিশ্চয় আমি বিশ্বাস স্থাপন কৰিলোহেঁতেন।' (১০৩) নিশ্চয় ইয়াত এটা নিদৰ্শন আছে; কিন্তু সিহঁতৰ সৰহভাগ মানুহেই বিশ্বাস নকৰে। (১০৪) নিঃসন্দেহে তোমাৰ প্ৰভু প্ৰবল পৰাক্ৰমী, পৰম দয়ালু।

(১০৫) নূহৰ জাতিৰ মানুহবিলাকেও ৰছুলসকলক অস্বীকাৰ কৰিছিল। (১০৬) সিহঁতৰে জাতিভাই নূহে যেতিয়া সিহঁতক কৈছিল- 'আল্লাহলৈ তোমালোকৰ ভয় নাইনে? (১০৭) মই তোমালোকৰ বাবে এজন বিশ্বস্ত ৰছুল, (১০৮) এতেকে আল্লাহক ভয় কৰা আৰু মোৰ আনুগত্য কৰা। (১০৯) ইয়াৰ বাবে তোমালোকৰ পৰা কোনো প্ৰতিদান বিচৰা নাই। মোৰ প্ৰতিদান বিশ্বজগতৰ প্ৰভু আল্লাহৰ ওচৰতহে আছে। (১১০) গতিকে আল্লাহক ভয় কৰা আৰু মোৰ কথা মানি চলা।' (১১১) সিহঁতে উত্তৰ দিলে- 'আমি তোমাৰ কথা বিশ্বাস কৰিম কিয়, কিয়নো অতি নিম্ন খাপৰ মানুহবিলাকেহে তোমাৰ আনুগত্য কৰিছে।' (১১২) তেওঁ ক'লে- 'সিহঁতে কি কৰিছে, মোৰ জনা নাই। (১১৩) সিহঁতৰ হিচাব লোৱাৰ দায়িত্ব কেৱল মোৰ প্ৰভুৰহে। যদি তোমালোকে বুজিলাহেঁতেন! (১১৪) ঈমানদাৰসকলক মই খেদি নপঠাওঁ। (১১৫) মইতো কেৱল এজন স্পষ্ট সতৰ্ককাৰীহে।'

(১১৬) সিহঁতে ক'লে- 'হে নূহ, তুমি যদি বিৰত নাথাকা, তেনেহ'লে তোমাক আমি পাথৰ মাৰি নিহত কৰিম।' (১১৭) নূহে ক'লে- 'হে মোৰ প্ৰভু, মোৰ জাতিৰ মানুহবিলাকে মোক প্ৰত্যাখ্যান কৰিছে; (১১৮) সেয়ে তুমি আমাৰ আৰু সিহঁতৰ মাজত এটা চূড়ান্ত মীমাংসা কৰি দিয়া। মোক আৰু মোৰ লগত থকা মুমিনসকলকো ৰক্ষা কৰা।' (১১৯) আমি তেওঁক আৰু তেওঁৰ সংগত থকাসকলক এখন মাল বোজাই কৰা নাৱত তুলি ত্ৰাণ কৰিলো, (১২০) আৰু আনবিলাকক বুৰাই মাৰিলো। (১২১) নিশ্চয় ইয়াত এটা নিদৰ্শন আছে, কিন্তু সিহঁতৰ সৰহভাগেই বিশ্বাস নকৰে। (১২২) নিশ্চয় তোমাৰ প্ৰভু প্ৰবল পৰাক্ৰমী, পৰম দয়ালু।

(১২৩) আদ জাতিৰ মানুহবিলাকেও ৰছুলসকলক অস্বীকাৰ কৰিছিল। (১২৪) সিহঁতৰ জাতিভাই হূদে সিহঁতক কৈছিল- 'তোমালোকে আল্লাহক ভয় নকৰানে? (১২৫) মই তোমালোকৰ বাবে এজন বিশ্বস্ত ৰছুল- (১২৬) সেয়ে তোমালোকে আল্লাহক ভয় কৰা আৰু মোৰ কথা মানি চলা। (১২৭) এই কামৰ বাবে মই তোমালোকৰ পৰা কোনো প্ৰতিদান বিচৰা নাই? মোৰ প্ৰতিদান বিশ্বজগতৰ প্ৰভুৰ ওচৰতহে আছে। (১২৮) তোমালোকে কেৱল আত্মগৌৰৱৰ বাবেই সকলো ওখ ঠাইত স্মৃতি সৌধ নিৰ্মাণ কৰিছা। (১২৯) আৰু বৰ বৰ অট্টালিক নিৰ্মাণ কৰিছা, যেনিবা তোমালোক চিৰদিন থাকিবা। (১৩০) যেতিয়া তোমালোকে কাৰো ওপৰত হাত তোলা, শক্তিমত্ত নিষ্ঠুৰৰ দৰে হাত তোলা। (১৩১) সেয়ে আল্লাহক ভয় কৰা আৰু মোক মানি চলা; (১৩২) তেওঁক ভয় কৰা, যিজনে তোমালোকক সেই সকলোবোৰ দি সাহায্য কৰিছে, যিবোৰ তোমালোকে জানা। (১৩৩) তেৱেঁই তোমালোকক প্ৰদান কৰিছে ঘৰচীয়া জীৱ-জন্তু আৰু সন্তান-সন্ততি, (১৩৪) আৰু দিছে উদ্যান আৰু নিজৰা। (১৩৫) প্ৰকৃততে তোমালোকৰ প্ৰতি এটা ভয়ানক দিনৰ শাস্তি আহিব বুলি মই শংকা কৰিছো।'

(১৩৬) সিহঁতে ক'লে- 'তুমি উপদেশ দিয়া বা নিদিয়া আমাৰ বাবে একেই। (১৩৭) এইবোৰ পূৰ্বকালৰ মানুহৰেই স্বভাৱ, (১৩৮) আমাৰ ওপৰত কেতিয়াও শাস্তি নহয়।' (১৩৯) পিছত সিহঁতে তেওঁক অগ্ৰাহ্য কৰিলে, সেইবাবে আমি সিহঁতক ধ্বংস কৰিলো। নিশ্চয় ইয়াত এটা নিদৰ্শন আছে; কিন্তু সিহঁতৰ সৰহভাগেই বিশ্বাস নকৰে। (১৪০) প্ৰকৃততে তোমাৰ প্ৰভু প্ৰবল পৰাক্ৰমী, পৰম দয়ালু।

(১৪১) চামূদ জাতিৰ মানুহবিলাকেও ৰছুলসকলক অস্বীকাৰ কৰিছিল। (১৪২) যেতিয়া সিহঁতৰ জাতিভাই চালেহে সিহঁতক কৈছিল- 'তোমালোকে আল্লাহক ভয় নকৰানে? (১৪৩) মই তোমালোকৰ বাবে এজন বিশ্বস্ত ৰছুল; (১৪৪) এতেকে তোমালোকে আল্লাহক ভয় কৰা আৰু মোৰ কথা মানি চলা। (১৪৫) এই কামৰ বাবে মই তোমালোকৰ পৰা কোনো প্ৰতিদান বিচৰা নাই। মোৰ প্ৰতিদান বিশ্বজগতৰ প্ৰভুৰ ওচৰত আছে। (১৪৬) তোমালোকে ভবা নেকি, তোমালোকক (চিৰকালৰ বাবে) নিৰাপদে ভোগ কৰিবলৈ এৰি দিয়া হ'ব- (১৪৭) উদ্যান আৰু ফোৱাৰা, (১৪৮) শস্যক্ষেত্ৰ আৰু খেজুৰৰ বাগান, য'ত ৰসৰ ভৰত খেজুৰবোৰ ওলমি পৰে- (১৪৯) আৰু তোমালোকে পাহাৰ খোদিত কৰি মহা গৌৰৱেৰে গৃহ নিমাৰ্ণ কৰিছা। (১৫০) সেয়ে আল্লাহক ভয় কৰা আৰু মোৰ কথা মানি চলা। (১৫১) সেই সীমালংঘনকাৰী মানুহ বিলাকৰ কথামতে নচলিবা, (১৫২) যিবিলাকে শান্তি প্ৰতিষ্ঠাৰ পৰিৱৰ্তে পৃথিৱীত বিপৰ্যয় সৃষ্টি কৰি ফুৰে।'

(১৫৩) সিহঁতে ক'লে- 'আচলতে তুমি এজন যাদুগ্ৰস্ত ব্যক্তিহে। (১৫৪) তুমি আমাৰ দৰেই এজন মানুহহে। আমাক কিবা এটা নিদৰ্শন দেখুৱা যদি তুমি সঁচাই কৈছা।' (১৫৫) তেওঁ ক'লে- 'এইজনী উট। এইৰ পানী পান কৰাৰ পাল আছে, যেনেকৈ তোমালোকৰ পাল আছে, প্ৰত্যেকৰে এটা নিৰ্ধাৰিত দিনত। (১৫৬) সেয়ে তোমালোকে তাইক কোনো অনিষ্ট নকৰিবা, নহ'লে

তোমালোকক এটা ভয়ানক দিনৰ শাস্তিয়ে আক্রান্ত কৰিব।' (১৫৭) কিন্তু সিহঁতে তাইক পিছ ঠেঙৰ শিৰ কাটি বধ কৰিলে। তাৰ বাবে সিহঁত পস্তাব লগীয়া হ'ল। (১৫৮) ইয়াৰ পিছতে সিহঁতৰ ওপৰত শাস্তি নামি আহিল। নিশ্চয় তাত এটা নিদর্শন আছে; কিন্তু সিহঁতৰ সৰহভাগেই সেয়া বিশ্বাস নকৰে। (১৫৯) নিশ্চয় তোমাৰ প্রভু প্রবল পৰাক্রমী, পৰম দয়ালু।

(১৬০) লূতৰ সম্প্রদায়ৰ মানুহবিলাকেও ৰছুলসকলক অস্বীকাৰ কৰিছিল। (১৬১) সিহঁতৰ জাতিভাই লূতে সিহঁতক ক'লে- 'তোমালোকে আল্লাহক ভয় নকৰানে? (১৬২) মই তোমালোকৰ বাবে এজন বিশ্বস্ত ৰছুল, (১৬৩) তোমালোকে আল্লাহক ভয় কৰা আৰু মোক মানি চলা। (১৬৪) এই কামৰ বাবে মই তোমালোকৰ পৰা কোনো প্রতিদান বিচৰা নাই। মোৰ প্রতিদান বিশ্বজগতৰ প্রভুৰ ওচৰত আছে। (১৬৫) তোমালোকে কি সকলোৰে পুৰুষৰ ওচৰলৈ গমন কৰানে, (১৬৬) আৰু তোমালোকৰ প্রভুৱে তোমালোকৰ বাবে যে স্ত্রীসকলক সৃষ্টি কৰিছে, সিহঁতক পৰিহাৰ কৰানে? তোমালোক হ'লা এটা সীমালংঘনকাৰী জাতি।'

(১৬৭) সিহঁতে ক'লে- 'হে লূত, তুমি যদি বিৰত নাথাকা, তেনেহ'লে নিশ্চয় তোমাকো দেশান্তৰ কৰা হ'ব।' (১৬৮) তেওঁ ক'লে- 'তোমালোকৰ দুষ্কর্মক ঘৃণা কৰা মানুহৰ ভিতৰত ময়ো এজন। (১৬৯) হে মোৰ প্রভু, তুমি মোক আৰু মোৰ পৰিয়ালবর্গক ইহঁতৰ কুকর্মৰ পৰা ৰক্ষা কৰা।' (১৭০) ইয়াৰ পিছত আমি তেওঁক আৰু তেওঁৰ পৰিয়ালবর্গৰ সকলোকে ৰক্ষা কৰিলো- (১৭১) সেই বৃদ্ধা তিৰোতাজনী ব্যতীত, যিজনী পিছ পৰি ৰৈ গৈছিল। (১৭২) পিছত আমি সিহঁতৰ আন সকলোকে ধ্বংস কৰিলো। (১৭৩) আমি সিহঁতৰ ওপৰত বৰষুণ বর্ষালো, কেনে ভীষণ ভয়ানক আছিল সেই বৰষুণ, যিবিলাকক সতর্ক কৰি দিছিলো সিহঁতৰ ওপৰত। (১৭৪) নিশ্চয় ইয়াত এটা নিদর্শন আছে, কিন্তু সিহঁতৰ সৰহভাগেই বিশ্বাস নকৰে। (১৭৫) নিশ্চয় তোমাৰ

প্ৰভু প্ৰবল পৰাক্ৰমী, পৰম দয়ালু।

(১৭৬) আইকাৰ অধিবাসীবিলাকেও ৰছুলসকলক অস্বীকাৰ কৰিছিল। (১৭৭) চুআইবে সিহঁতক ক'লে- 'তোমালোকে আল্লাহক ভয় নকৰানে? (১৭৮) মই তোমালোকৰ বাবে এজন বিশ্বস্ত ৰছুল, (১৭৯) সেয়ে তোমালোকে আল্লাহক ভয় কৰা আৰু মোৰ কথা মানি চলা। (১৮০) এই কামৰ বাবে মই তোমালোকৰ পৰা কোনো পাৰিশ্ৰমিক বিচৰা নাই। মোৰ পাৰিশ্ৰমিক আল্লাহৰ ওচৰতহে আছে। (১৮১) পূৰাপূৰি ওজন কৰি দিবা। কাকো ওজনত কমাই নিদিবা। (১৮২) ফেৰ নথকা সঠিক তৰ্জুৰে ওজন কৰিবা। (১৮৩) মানুহৰ প্ৰাপ্য বস্তু কম কৰি নিদিবা আৰু পৃথিৱীত বিপৰ্যয় সৃষ্টি কৰি নুফুৰিবা। (১৮৪) আৰু সেইজন সত্তাক ভয় কৰা, যিজনে তোমালোকক সৃষ্টি কৰিছে আৰু তোমালোকৰ পূৰ্বপুৰুষসকলকো সৃষ্টি কৰিছিল।' (১৮৫) সিহঁতে ক'লে- 'তুমি এজন যাদুগ্ৰস্ত ব্যক্তি। (১৮৬) তুমি আমাৰ দৰে এজন মানুহহে। আমাৰ ধাৰণা, তুমি এজন মিছলীয়া। (১৮৭) সেয়ে এডোখৰ আকাশ আমাৰ ওপৰত পেলোৱাছোন, যদি তুমি সঁচাই কৈছা।' (১৮৮) চুআইবে ক'লে- 'মোৰ প্ৰভুৰ সম্পূৰ্ণ জনা আছে তোমালোকৰ কৰ্মৰ বিষয়ে।' (১৮৯) শেষত সিহঁতে তেওঁক অগ্ৰাহ্য কৰিলে। ফলত মেঘাচ্ছন্ন দিনৰ শাস্তিয়ে সিহঁতক আক্ৰান্ত কৰিলে। (১৯০) নিশ্চয় ইয়াত এটা নিদৰ্শন আছে, কিন্তু সিহঁতৰ সৰহভাগেই বিশ্বাস নকৰে। (১৯১) প্ৰকৃততে তোমাৰ প্ৰভু প্ৰবল পৰাক্ৰমী, পৰম দয়ালু।

(১৯২) নিশ্চয় এয়া বিশ্বজগতৰ প্ৰভুৰ পৰা অৱতীৰ্ণ হৈছে। (১৯৩) ইয়াক বিশ্বস্ত ফি�ৰিস্তাই (ৰুহুল আমীনে) লৈ অৱতৰণ কৰিছে- (১৯৪) তোমাৰ ওচৰলৈ যাতে তুমি এজন সতৰ্ককাৰী হ'ব পাৰা, (১৯৫) প্ৰাঞ্জল আৰবী ভাষাত। (১৯৬) আচলতে পূৰ্বৱৰ্তী ঐশীপুথিসমূহতো ইয়াৰ উল্লেখ আছে। (১৯৭) সিহঁতৰ বাবে এয়া নিদৰ্শন নহয়নে যে ইছৰাঈল বংশৰ পণ্ডিত

সকলেও এয়া জানে।

(১৯৮) ইয়াক যদি আমি কোনো অনা আৰব ব্যক্তিৰ প্ৰতি অৱতীৰ্ণ কৰিলোহেঁতেন, (১৯৯) আৰু তেওঁ ইয়াক পাঠ কৰি শুনালেহেঁতেন, তথাপিও সিহঁতে বিশ্বাস নকৰিলেহেঁতেন। (২০০) এইদৰে আমি অপৰাধীবিলাকৰ ওপৰত অবিশ্বাস সঞ্চাৰ কৰোঁ। (২০১) সিহঁতে ইয়াক বিশ্বাস নকৰে, যেতিয়ালৈকে সেই যন্ত্ৰণাদায়ক শাস্তি নেদেখে। (২০২) সিহঁতৰ ওপৰত অতৰ্কিতে আহি এই শাস্তি পৰিবহি আৰু সিহঁতে গমকে নাপাব। (২০৩) সিহঁতে চিঞৰী উঠি ক'ব- 'আমাক কিছু অৱকাশ দিয়া হ'বনে?'

(২০৪) সিহঁতে আমাৰ শাস্তি পাবলৈ খৰখেদা কৰিছে নেকি? (২০৫) চিন্তা কৰাছোন! আমি যদি কিছু বছৰ সিহঁতক ভোগ-বিলাস কৰিবলৈ দিও- (২০৬) আৰু তাৰ পিছত যদি সেই প্ৰতিশ্ৰুত শাস্তি আহি সিহঁতৰ ওপৰত পৰেহি, (২০৭) তেনেহ'লে সিহঁতৰ ভোগ-বিলাসৰ উপকৰণ সিহঁতৰ কিবা কামত আহিবনে? (২০৮) আমি কেতিয়াও কোনো জনবসতি ধ্বংস কৰা নাই য'ৰ অধিবাসীবিলাকলৈ সতৰ্ককাৰী অহা নাছিল- (২০৯) আমাৰ ফালৰ পৰা উপদেশ দিবৰ বাবে। আমি কদাপিও অন্যায় নকৰো। (২১০) এই পুথি ছয়তানবিলাকে লৈ অহা নাই। (২১১) সিহঁত এনে কামৰ যোগ্য নহয় আৰু এনে কামৰ ক্ষমতাও সিহঁতৰ নাই। (২১২) আনকি এয়া শুনাৰ পৰাও সিহঁতক বিৰত ৰখা হৈছে।

(২১৩) গতিকে আল্লাহৰ লগতে আন উপাস্যক নামাতিবা। তেনে কৰিলে তুমি তেওঁৰ শাস্তি ভুগিব লাগিব। (২১৪) তোমাৰ ওচৰ সম্বন্ধীয় আত্মীয়-স্বজনক সতৰ্ক কৰি দিয়া- (২১৫) আৰু তোমাৰ অনুসাৰী মুমিন সকলৰ প্ৰতি সদয় হোৱা; (২১৬) কিন্তু সিহঁত যদি তোমাৰ অবাধ্য হয়, সিহঁতক ক'বা- 'তোমালোকে যি কৰা, তাৰ বাবে মই দায়ী নহওঁ।' (২১৭) সেইজন প্ৰবল পৰাক্ৰমী, পৰম দয়াময়ৰ ওপৰত ভৰসা কৰা, (২১৮) যিজনে

তোমালোকক দেখা পায় যেতিয়া তোমালোকে থিয় হোৱা (নামাজৰ বাবে), (২১৯) আৰু ছিজদাহকাৰীসকলৰ মাজতো তোমাৰ গতিবিধ লক্ষ্য কৰি থাকে। (২২০) নিশ্চয় তেওঁ সর্বশ্রোতা, সর্বজ্ঞ।

(২২১) মই তোমালোকক ক'মনে ছয়তানবিলাকে কাৰ ওপৰত লম্ভে? (২২২) সিহঁতে প্রতিজন মিছলীয়া পাপিষ্ঠ মানুহৰ ওপৰত লম্ভে; (২২৩) যিয়ে সিহঁতৰ কথা কাণপাতি শুনে। সিহঁতৰ সৰহভাগেই মিছলীয়া। (২২৪) আৰু কবিসকলৰ কথা হ'ল- বিভ্রান্ত মানুহবিলাকেহে সিহঁতক অনুসৰণ কৰে। (২২৫) তুমি দেখা নাইনে, সিহঁতে উদ্ভ্রান্তভাৱে প্রত্যেক উপত্যকাতে ঘূৰি ফুৰে? (২২৬) আৰু এনেবোৰ কথা কয়, যিবোৰ সিহঁতে নিজে নকৰে। (২২৭) কিন্তু তেওঁলোক নহয়, যিসকলে বিশ্বাস স্থাপন কৰিছে, সৎকর্ম কৰিছে আৰু আল্লাহক অধিক স্মৰণ কৰে আৰু নিজে অত্যাচাৰিত হোৱাৰ পিছতহে মাথোন প্রতিশোধ লয়। অত্যাচাৰীবিলাকে অনতিপলমে জানিব পাৰিব সিহঁতে কি পৰিণতিৰ সন্মুখীন হ'ব।

২৭. আন-নমল (পিপৰা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) ত্বা-ছীন।

এইবোৰ কুৰআনৰ আয়াত, এখন পুথি, যিখনে প্রতিটো বিষয় সুস্পষ্ট কৰি দিয়ে। (২) এয়া পথনির্দেশনা আৰু সুসংবাদ সেইসকল বিশ্বাস স্থাপনকাৰীৰ বাবে- (৩) যিসকলে নামাজ প্রতিষ্ঠা কৰে, যাকাত আদায় দিয়ে আৰু পৰকালক দৃঢ়ভাৱে বিশ্বাস কৰে। (৪) যিবিলাকে পৰকালক বিশ্বাস নকৰে, আমি সিহঁতৰ কর্মক সিহঁতৰ মনত শোভনীয় কৰি দিওঁ, সেয়ে সিহঁতে উদ্ভ্রান্ত হৈ ঘূৰি ফুৰে। (৫) সিহঁতৰ নিমিত্তে আছে নিকৃষ্ট শাস্তি আৰু পৰকালতো সিহঁত সর্বাধিক ক্ষতিগ্রস্ত হ'ব। (৬) নিঃসন্দেহে তুমি এই কুৰআন লাভ কৰিছা

এগৰাকী প্ৰজ্ঞাময় সৰ্বজ্ঞ মহান সত্তাৰ পৰা।

(৭) মূছাৰ কাহিনী কোৱা, যিজনে তেওঁৰ পৰিয়ালক ক'লে- 'মই একুৰা জুই দেখিছো, মই তাৰ পৰা কিবা বা-বাতৰি আনোগৈ নাইবা তোমালোকৰ বাবে জ্বলন্ত অঙঠা এডোখৰকে আনোগৈ যাতে তোমালোকে জুই পুৰাব পাৰা।' (৮) যেতিয়া তেওঁ তাৰ ওচৰ পালেগৈ, তেতিয়া তেওঁক সম্বোধন কৰি কোৱা হ'ল- 'বৰকতময় সেইজন, যিজন এই জুইৰ ওচৰত আছে আৰু সেইজন, যিজন ইয়াৰ চাৰিওকাষে আছে। আল্লাহ পৱিত্ৰ, মহান আৰু বিশ্বজগতৰ প্ৰভু।

(৯) হে মূছা, ময়েই আল্লাহ; প্ৰবল পৰাক্ৰমী, প্ৰজ্ঞাময়। (১০) তোমাৰ লাখুটিডাল নিক্ষেপ কৰা।' যেইমাত্ৰ মূছাই দেখিলে যে লাখুটিডালে সাপৰ দৰে কেৰমেৰাবলৈ ধৰিছে, তেতিয়া তেওঁ পিছ দি পলাবলৈ ল'লে। 'হে মূছা, ভয় নকৰিবা। মোৰ উপস্থিতিত ৰছুলসকলে ভয় কৰাৰ কোনো কাৰণ নাই। (১১) কোনোৱে অপকৰ্ম কৰাৰ পিছত অপকৰ্মৰ পৰিৱৰ্তে সৎকৰ্ম কৰে, নিশ্চয় মই ক্ষমাশীল, পৰম দয়ালু। (১২) এতিয়া তুমি তোমাৰ হাতখন কাষলতিৰ তলত সুমোৱাই দিয়া আৰু কোনো অনিষ্ট নোহোৱাকৈ ই জকমকাই ওলাই আহিব। ফিৰাউন আৰু তাৰ জাতিৰ মানুহবিলাকৰ ওচৰলৈ নিবলৈ নটা নিদৰ্শনৰ ভিতৰৰে এই দুটা নিদৰ্শন। নিশ্চয় সিহঁত বৰ দু�ৰাচাৰ মানুহ।' (১৩) কিন্তু যেতিয়া আমাৰ স্পষ্ট নিদৰ্শনসমূহ সিহঁতৰ আগত প্ৰকাশ পালে, তেতিয়া সিহঁতে কৈ উঠিল- 'এয়াতো দেখদেখ যাদু।' (১৪) সিহঁতে অন্যায়ভাৱে আৰু অহংকাৰ কৰি সেইবোৰ অস্বীকাৰ কৰিলে। অথচ সিহঁতৰ অন্তৰে সেইবোৰ সত্য মানি লৈছিল। চোৱা, বিপৰ্যয় সৃষ্টিকাৰী সেই মানুহবিলাকৰ শেষ পৰিণতি কি হ'ল!

(১৫) আমি দাউদ আৰু চুলাইমানক জ্ঞান দান কৰিছিলো। তেওঁলোক দুয়ো কৈছিল- 'সকলো প্ৰশংসা আল্লাহৰ, যিজনে আমাক অনেক বিশ্বাস

স্থাপনকাৰী দাসৰ ওপৰত শ্ৰেষ্ঠত্ব প্ৰদান কৰিছে।' (১৬) চুলাইমান দাউদৰ উত্তৰাধিকাৰী হ'ল। তেওঁ ক'লে- 'জানি থোৱা, হে জনগণ, আমাক পক্ষীৰ ভাষা শিকোৱা হৈছে আৰু সকলো প্ৰকাৰ ভাল বস্তু দিয়া হৈছে। অৱশ্যই এয়া আল্লাহৰ প্ৰকাশ্য অনুগ্ৰহ।'

(১৭) চুলাইমানৰ বাবে জ্বিন, মানুহ আৰু পক্ষী লগ লগাই এটা সেনা-বাহিনী গঠন কৰা হৈছিল আৰু সেইবোৰক যুদ্ধৰ বাবে শ্ৰেণীবদ্ধভাৱে ৰখা হৈছিল। (১৮) আৰু তেওঁলোক যেতিয়া আহি পিপৰাৰ উপত্যকা পালে, এটা পিপৰাই ক'লে- 'হে পিপৰাবোৰ, নিজ নিজ বাসস্থললৈ যোৱা যাতে চুলাইমান আৰু তেওঁৰ সৈন্য-বাহিনীয়ে অজানিতে তোমালোকক গছকি নামাৰে।' (১৯) পিপৰাটোৰ কথা শুনি চুলাইমানে মিচিকিয়াই হাঁহি মাৰি ক'লে- 'হে প্ৰভু, মোক সামৰ্থ দান কৰা, মই যেন তোমাৰ অনুগ্ৰহৰ কৃতজ্ঞতা প্ৰকাশ কৰিব পাৰো, যি অনুগ্ৰহ তুমি মোক আৰু মোৰ পিতৃ-মাতৃৰ প্ৰতি দান কৰিছা আৰু যাতে সৎকৰ্ম কৰিব পাৰো, যি কৰ্ম তোমাৰ পচন্দ হয়। তুমি তোমাৰ কৰুণাৰে মোক তোমাৰ সৎকৰ্মপৰায়ণসকলৰ অন্তৰ্ভুক্ত কৰা।'

(২০) চুলাইমানে পক্ষীবোৰক নিৰিক্ষণ কৰিলে আৰু ক'লে- 'কি হ'ল! মই হুদহুদক দেখা নাইছোন? নে সি অনুপস্থিত? (২১) অৱশ্যই মই তাক কঠোৰ শাস্তি দিম নাইবা নিশ্চয় তাক জবহ কৰাৰ আদেশ দিম নতুবা সি মোৰ আগত অনুপস্থিতিৰ উপযুক্ত কাৰণ দৰ্শাব লাগিব।' (২২) ক্ষন্তেক পিছতে হুদহুদ আহিল আৰু ক'লে- 'মই এনে কথা জানি আহিছো যি আপোনাৰ জনা নাই। মই আপোনালৈ "চাবা"ৰ পৰা নিৰ্ভুল তথ্য লৈ আহিছো। (২৩) মই এগৰাকী মহিলা পালো। তেওঁ সিহঁতৰ ওপৰত ৰাজত্ব কৰি আছে। তেওঁক সকলো দান কৰা হৈছে আৰু তেওঁৰ এখন আড়ম্বৰপূৰ্ণ সিংহাসন আছে। (২৪) আৰু মই দেখা পালো তেওঁ আৰু তেওঁৰ প্ৰজাবিলাকে আল্লাহৰ পৰিৱৰ্তে সূৰ্যক উপাসনা কৰে। ছয়তানে সিহঁতৰ কাম-কাজবোৰ সিহঁতৰ

মনত শোভনীয় কৰি দিছে আৰু সিহঁতক প্ৰকৃত সত্যৰ পৰা বিপথে নিছে। গতিকে সিহঁতে সত্য পথ পোৱা নাই।(২৫) ফলত সিহঁতে সেইজন আল্লাহক ছিজদাহ নকৰে, যিজনে আকাশমণ্ডল আৰু পৃথিৱীৰ গোপন বস্তুবোৰ প্ৰকাশ কৰে আৰু তোমালোকে যি গোপন কৰা আৰু প্ৰকাশ কৰা সেইবোৰো জানে।' (২৬) তেৱেঁই আল্লাহ, তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেওঁ মহাসিংহাসনৰ অধিপতি।

(২৭) চুলাইমানে ক'লে- 'মই এতিয়াই চাম, তুমি সঁচায়েই কৈছা নে তুমি মিছলীয়া। (২৮) মোৰ এই চিঠিখন লৈ যোৱা আৰু সিহঁতৰ মাজত পেলাই দিয়াগৈ। তাৰ পিছত সিহঁতৰ পৰা নিলগলৈ গৈ চাবা সিহঁতে কেনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।' (২৯) চাবাৰ ৰাণীয়ে ক'লে- 'হে সভাসদসকল, মোলৈ এখন গুৰুত্বপূৰ্ণ পত্ৰ প্ৰেৰণ কৰা হৈছে।(৩০) এইখন চুলাইমানৰ পৰা প্ৰেৰণ কৰা হৈছে। ইয়াৰ পাঠ হ'ল- পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত।(৩১) তোমালোকে মোৰ বিদ্ৰোহাচৰণ নকৰিবা; বৰং বশ্যতা স্বীকাৰ কৰি মোৰ ওচৰত উপস্থিত হোৱাহি।' (৩২) (ৰাণীয়ে ক'লে)- 'হে সভাসদসকল, এই বিষয়ত মোক পৰামৰ্শ দিয়া। তোমালোকৰ পৰামৰ্শ অবিহনে মই কোনো কথাৰে সিদ্ধান্ত নলও।' (৩৩) সিহঁতে ক'লে- 'আমি পৰাক্ৰমী আৰু দক্ষ ৰণুৱা; কিন্তু সিদ্ধান্ত লোৱাৰ ক্ষমতা আপোনাৰহে। এতিয়া ভাবি চাওঁ কি আদেশ দিয়ে।'(৩৪) ৰাণীয়ে ক'লে- 'শক্তিশালী ৰজাবিলাকে যেতিয়া কোনো দেশত প্ৰৱেশ কৰে, তেতিয়া সেই দেশখনক লণ্ডভণ্ড কৰে আৰু তাৰ অভিজাত মানুহবিলাকক অপদস্ত কৰে। তেওঁলোকেও তেনেকুৱাই কৰিব-(৩৫) মই তেওঁলোকলৈ কিছু উপঢৌকন পঠিয়াও। চাওঁ, আমাৰ কটকীয়ে কি উত্তৰ লৈ আহে।'

(৩৬) যেতিয়া কটকী চুলাইমানৰ ওচৰ পালে, চুলাইমানে ক'লে- 'কি! তোমালোকে মোক ধন-সম্পদ অৰ্পণ কৰিব বিচাৰিছা? আল্লাহে মোক যি

দিছে, সেয়া তোমালোকক যি দিয়া হৈছে তাতকৈ উৎকৃষ্ট। এতেকে তোমালোকৰ উপটৌকন তোমালোকে লৈ উৎফুল্ল হৈ থাকাগৈ। (৩৭) তেওঁলোকৰ ওচৰলৈ ঘূৰি যোৱাগৈ। আমি নিশ্চয় এনে এদল সেনা লৈ তালৈ যাবলৈ ধৰিছো, যাৰ আগত সিহঁতে তিষ্ঠিবই নোৱাৰিব আৰু আমি সিহঁতক তাৰ পৰা এনেভাৰে অপদস্ত কৰি উলিয়াই দিম যে সিহঁত লাঞ্ছিত হৈ থাকিব।'

(৩৮) চুলাইমানে ক'লে- 'হে সভাসদসকল, সিহঁতে বশ্যতা স্বীকাৰ কৰি মোৰ ওচৰলৈ অহাৰ পূৰ্বে কোনে তেওঁৰ সিংহাসনখন মোৰ ওচৰত আনি দিব পাৰে।' (৩৯) এটা বিৰাটকায় জ্বিনে ক'লে- 'আপুনি এই আসনৰ পৰা উঠাৰ আগতে মই আপোনাক সেইখন আনি দিম। সেয়া কৰিবলৈ মোৰ সামৰ্থ আছে আৰু মই বিশ্বাসযোগ্য।' (৪০) কিন্তু ধৰ্মপুথিৰ জ্ঞানেৰে পুষ্ঠ এজনে ক'লে- 'আপোনাৰ চকুৰ পৰকতে মই সেইখন আপোনাক আনি দিছো।' চুলাইমানে সেই সিংহাসনখন সন্মুখতে দেখাৰ লগে লগে কৈ উঠিল- 'এয়া মোৰ প্ৰভুৰ অনুগ্ৰহ যাতে তেওঁ মোক পৰীক্ষা কৰিব পাৰে মই তেওঁৰ প্ৰতি কৃতজ্ঞ হওঁ নে নহওঁ। যিজন কৃতজ্ঞ হয়, তেওঁ নিজৰ কল্যাণৰ বাবে কৃতজ্ঞ হয় আৰু যি অকৃতজ্ঞ হয়, নিশ্চয় মোৰ প্ৰভু অভাৱমুক্ত, মহানুভৱ।'

(৪১) চুলাইমানে ক'লে- 'ৰাণীৰ সিংহাসনখনক কৃত্ৰিম ৰূপ দিয়া। চাওছোন বাৰু নিজৰ সিংহাসনখন চিনি পায় নে নাপায়।' (৪২) ৰাণী চুলাইমানৰ ওচৰ পোৱাত তেওঁক সোধা হ'ল- 'আপোনাৰ সিংহাসনখন এনেকুৱাই নেকি?' তেওঁ ক'লে- 'এইখনেই যেন লাগিছে। ইয়াৰ পূৰ্বে (আপোনাৰ ক্ষমতাৰ বিষয়ে) আমাক জ্ঞাত কৰা হ'ল আৰু আমি আনুগত্য স্বীকাৰ কৰিলো।' (৪৩) আল্লাহৰ পৰিৱৰ্তে তেওঁ যাৰ উপাসনা কৰিছিল, সেয়ে তেওঁক (বিশ্বাস স্থাপন কৰাৰ পৰা) বাধা দি ৰাখিছিল। কিয়নো তেওঁ অবিশ্বাসকাৰীবিলাকৰ অন্তৰ্ভুক্ত আছিল। (৪৪) তেওঁক কোৱা হ'ল- 'ৰাজপ্ৰাসাদত প্ৰৱেশ কৰক।' তেওঁ ভিতৰলৈ চালে আৰু তেওঁৰ ধাৰণা হ'ল

সেয়া এডোঙা দ পানীহে। সেয়ে তেওঁ কলাফুলকৈলে কাপোৰ কোচালে। চুলাইমানে ক'লে- 'এয়া কাঁচেৰে নির্মিত স্বচ্ছ মজিয়াহে।' আৰু তেওঁ কৈ উঠিল- 'হে মোৰ প্ৰভু, মই নিজে নিজৰ প্ৰতি ঘোৰ অন্যায় কৰি আছিলো। এতিয়া মই চুলাইমানৰ লগতে বিশ্বজগতৰ প্ৰভু আল্লাহৰ ওচৰত আত্মসমৰ্পণ কৰিলো।'

(৪৫) চামূদ জাতিৰ প্ৰতি আমি সিহঁতৰে জাতিভাই চালেহক পঠাইছিলো। তেওঁ কৈছিল- 'আল্লাহক উপাসনা কৰা।' তেতিয়া সিহঁত দুটা দলত বিভক্ত হ'ল আৰু পৰস্পৰে বিবাদত লিপ্ত হ'ল। (৪৬) তেওঁ ক'লে- 'হে মোৰ জাতিভাইসকল, তোমালোকে মংগলৰ পৰিৱৰ্তে অমংগল আনিবলৈ কিয় খৰখেদা কৰিছা? আল্লাহৰ ওচৰত ক্ষমা নিবিচৰা কিয়? হয়তো তোমালোকৰ প্ৰতি কৰুণা কৰা হ'ব।' (৪৭) সিহঁতে ক'লে- 'আমি তোমাক আৰু তোমাৰ সংগীবিলাকক আমাৰ অমংগলৰ কাৰণ বুলি ভাবিছো।' চালেহে ক'লে- 'তোমালোকৰ অমংগল আল্লাহৰ হাতত। আচলতে তোমালোকক পৰীক্ষা কৰা হৈছে।'

(৪৮) সেই নগৰত নজন দলপতি আছিল, যিবিলাকে দেশত বিপৰ্যয় সৃষ্টি কৰি ফুৰিছিল আৰু সংস্কাৰমূলক কাম-কাজ কৰা নাছিল। (৪৯) সিহঁতে ক'লে- 'আমি আল্লাহৰ নামত শপত খাও আহা, চালেহ আৰু তেওঁৰ সংগী বিলাকক ৰাতিৰ বেলিকা আক্ৰমণ কৰিম আৰু তেওঁৰ অভিভাৱকসকলক (প্ৰতিশোধৰ দাবীদাৰসকলক) আমি ক'ম- সিহঁতক হত্যা কৰাৰ সময়ত আমি তাত উপস্থিত নাছিলো আৰু আমি সঁচা কথা কৈছো।' (৫০) সিহঁতে এটা অভিসন্ধি কৰিছিল আৰু আমিও এটা প্ৰতিঅভিসন্ধি কৰিছিলো। সিহঁতে তাৰ গমকে নাপালে। (৫১) চোৱা, সিহঁতৰ অভিসন্ধিৰ শেষ দশা কি হ'ল! আমি সিহঁতক আৰু সিহঁতৰ সম্প্ৰদায়ৰ সকলোকে ধ্বংস কৰিলো। (৫২) এয়া সিহঁতৰ অন্যায় আচৰণৰ পৰিণতি। সিহঁতৰ ঘৰ-বাৰীবোৰ জনশূন্য হৈ পৰি

আছে। নিশ্চয় ইয়াত জ্ঞানবান মানুহৰ বাবে (শিক্ষণীয়) নিদর্শন আছে। (৫৩) আৰু আমি সেই মানুহবিলাকক ৰক্ষা কৰিলো, যিসকলে বিশ্বাস স্থাপন কৰিছিল আৰু আল্লাহক ভয় কৰিছিল।

(৫৪) লূতৰ কাহিনী কোৱা। তেওঁ তেওঁৰ জাতিৰ মানুহবিলাকক কৈছিল- 'তোমালোকে জানি-বুজি কিয় এনে অশ্লীল কাম কৰিছা? (৫৫) তোমালোকে কাম প্ৰবৃত্তি চৰিতাৰ্থে নাৰীবিলাকৰ ওচৰলৈ নগৈ পুৰুষবিলাকৰ ওচৰলৈ যোৱা! আচলতে তোমালোক এটা বৰ্বৰ জাতি।' (৫৬) সিহঁতৰ উত্তৰ মাথো এয়ে আছিল- 'লূত আৰু লূতৰ পৰিয়ালবৰ্গক নগৰৰ পৰা খেদাই দিয়া। সিহঁতে নিজকে বৰ পুতঃ পৱিত্ৰ চৰিত্ৰৰ লোক বুলি জহাবলৈ আহিছে।' (৫৭) পিছত আমি তেওঁক আৰু তেওঁৰ পৰিয়ালবৰ্গক ৰক্ষা কৰিলো, তেওঁৰ স্ত্ৰীৰ বাহিৰে। পিছত ৰৈ যোৱা মানুহবিলাকৰ লগতে তাইয়ো ৰৈ যোৱাটোকে আমি সিদ্ধান্ত কৰিছিলো। (৫৮) সিহঁতৰ ওপৰত আমি দবাপিটা বৰষুণ বৰ্ষালো। কিযে ভয়ানক আছিল সেই বৰষুণ, পূৰ্বে সতৰ্ক কৰি দিয়া মানুহবিলাকৰ প্ৰতি! (৫৯) কোৱা- 'সকলো প্ৰশংসা কেৱল আল্লাহৰ বাবে আৰু সেইসকল দাসৰ প্ৰতি শান্তি বৰ্ষিত হওক, যিসকলক তেওঁ মনোনীত কৰি লৈছে। - 'আল্লাহ শ্ৰেষ্ঠ, নে সেইবিলাক উপাস্য শ্ৰেষ্ঠ, যিবিলাকক সিহঁতে তেওঁৰ অংশী কৰি লৈছে?'

(৬০) কোন সেইজন, যিজনে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে আৰু তোমালোকৰ বাবে আকাশৰ পৰা পানী বৰ্ষণ কৰিছে। তাৰ দ্বাৰা আমি বিতোপন উদ্যান সৃষ্টি কৰিছো। সেইবোৰ গছ-গছনি উৎপন্ন কৰা তোমালোকৰ সাধ্য নাই। আল্লাহৰ লগত আন কোনো উপাস্য আছে নেকি? নাই, আচলতে সিহঁত এনে ব্যক্তি, যি আল্লাহৰ লগত আনক সমকক্ষ কৰে। (৬১) কোনে পৃথিৱীখনক স্থিৰ কৰি বাসোপযোগী কৰি দিছে? কোনে ইয়াৰ মাজেৰে নদ-নদী প্ৰবাহিত কৰিছে? কোনে পৰ্বতসমূহক স্থাপন কৰি দিছে আৰু দুখন সাগৰৰ

মাজত অন্তৰায় সৃষ্টি কৰি দিছে? আল্লাহৰ লগত আন কোনো উপাস্য আছে নেকি? নাই, আচলতে সিহঁতৰ বেছিভাগেৰেই জ্ঞান নাই।

(৬২) কোনে বিপন্নজনৰ আৰ্তনাদত সঁহাৰি জনায়, যেতিয়া সি তেওঁক মাতে আৰু তাৰ বিপদ-আপদ দূৰ কৰে আৰু কোনে তোমালোকক পৃথিৱীৰ উত্তৰাধিকাৰী কৰিছে? তেনেহ'লে আল্লাহৰ বাহিৰে আন কোনো উপাস্য আছে নেকি? তোমালোকে খুব কমকৈহে চিন্তা-চৰ্চা কৰা! (৬৩) জল আৰু স্থলৰ গভীৰ অন্ধকাৰত তোমালোকক কোনে পথ দেখুৱায়? কোনে নিজ কৰুণাৰ আগজাননী হিচাবে বতাহ বলায়? তেনেহ'লে আল্লাহৰ ব্যতীত আন কোনো উপাস্য আছে নেকি? আল্লাহ মহামহিম, সিহঁতে যাক অংশী কৰিছে তাতকৈ আল্লাহ বহু উৰ্ধত। (৬৪) কোনে সৃষ্টিৰ সূচনা কৰে আৰু তাৰ পিছত তাক পুনৰাবৃত্তি কৰে? কোনে তোমালোকক আকাশ আৰু পৃথিৱীৰ পৰা জীৱিকা দান কৰে? তেনেহ'লে আল্লাহৰ ব্যতীত আন কোনো উপাস্য আছে নেকি? কোৱা- 'আনা তোমালোকৰ তথ্য-প্ৰমাণ যদি তোমালোক সত্যবাদী হোৱা!'

(৬৫) কোৱা- 'আকাশমণ্ডল আৰু পৃথিৱীৰ অদৃশ্য বিষয়ৰ জ্ঞান আল্লাহৰ ব্যতীত আন কাৰো নাই। সিহঁতে নাজানে কেতিয়া সিহঁতক পুনৰুত্থান কৰা হ'ব।' (৬৬) প্ৰকৃততে পৰকাল সম্পৰ্কে সিহঁতৰ জ্ঞান লোপ পালে, সেয়ে প্ৰকৃত সত্যৰ বিষয়ে সন্দেহ পোষণ কৰে। দৰাচলতে এই বিষয়ে সিহঁত একেবাৰে অন্ধ। (৬৭) সত্য অস্বীকাৰকাৰীবিলাকে কয়- 'আমি আমাৰ পিতৃ-পুৰুষসকলৰ দৰে মাটিত বিলীন হৈ যোৱাৰ পিছতো আমাক সঁচাকৈয়ে পুনৰুত্থিত কৰা হ'বনে? (৬৮) এইবোৰ প্ৰতিশ্ৰুতি আমাক আৰু পূৰ্বে আমাৰ পিতৃ-পিতামহসকলকো দিয়া হৈছিল, এয়া পুৰণি সাধুকথা। (৬৯) কোৱা- 'পৃথিৱীখন ঘূৰিপকি চোৱা, অপৰাধীবিলাকৰ শেষ পৰিণতি কি হ'ল!'

(৭০) সিহঁতৰ বাবে দুখ নকৰিবা আৰু সিহঁতৰ ষড়যন্ত্ৰৰ বাবে মন যেন

ক্ষুণ্ণ নহয়। (৭১) সিহঁতে কয়- 'কেতিয়া সেই প্রতিশ্রুতি পূর্ণ হ'ব, যদি তোমালোক সত্যবাদী হোৱা?' (৭২) কোৱা- 'তোমালোকে যিহৰ বাবে খৰখেদা কৰিছা, সম্ভৱতঃ তাৰে কিছু তোমালোকৰ ওপৰত পৰেহিহে লাগে।' (৭৩) নিশ্চয়, তোমাৰ প্রভু মানুহৰ প্রতি বৰ অনুগ্রহশীল; কিন্তু সৰহভাগ মানুহেই কৃতজ্ঞতা প্রকাশ নকৰে। (৭৪) তোমাৰ প্রভুৱে ভালকৈ জানে সিহঁতে অন্তৰত যিবোৰ লুকাই ৰাখে আৰু যিবোৰ প্রকাশ কৰে। (৭৫) আকাশ আৰু পৃথিৱীত এনে কোনো গোপন কথা নাই, যি এখন স্পষ্ট পুথিত লিপিবদ্ধ হৈ থকা নাই।

(৭৬) এই কুৰআনখনে ইছৰাঈল বংশৰ মানুহবিলাকক অনেক বিষয় সুস্পষ্ট কৰি দিছে যিবোৰ লৈ সিহঁতৰ মতভেদ হৈছে। (৭৭) বাস্তৱিকতে এইখন বিশ্বাস স্থাপনকাৰীসকলৰ বাবে পথ নির্দেশনা আৰু কৰুণা। (৭৮) নিশ্চয় তোমাৰ প্রভুৱে নিজ সিদ্ধান্ত অনুযায়ী সিহঁতৰ মাজত মীমাংসা কৰি দিব। তেওঁ প্রবল পৰাক্রমী, সর্বজ্ঞ। (৭৯) গতিকে আল্লাহৰ ওপৰত ভৰসা কৰা। নিঃসন্দেহে তুমি স্পষ্ট সত্যৰ ওপৰত প্রতিষ্ঠিত আছা। (৮০) তুমি কেতিয়াও মৃতবিলাকক কথা শুনাব নোৱাৰা আৰু বধিৰ বিলাককো তোমাৰ আহবান শুনাব নোৱাৰা, যেতিয়া সিহঁতে পিছ দি গুচি যায়। (৮১) আৰু অন্ধবিলাককো বিপথৰ পৰা সৎপথলৈ আনিব নোৱাৰা। তুমি কেৱল সেইসকলকহে শুনাব পাৰা যিসকলে আমাৰ আয়াতসমূহ বিশ্বাস কৰে আৰু নিজেই সম্পূর্ণৰূপে আমাৰ প্রতি আত্মসমর্পণ কৰে।

(৮২) যেতিয়া সিহঁতৰ সম্বন্ধে আল্লাহৰ কথা পূর্ণ হোৱাৰ সময় সমাগত হ'বহি, তেতিয়া আমি সিহঁতৰ বাবে মাটিৰ পৰা 'দাব্বাহ' (অমানৱীয় প্রাণী) এটা উলিয়াম আৰু সি সিহঁতৰ লগত কথা পাতিব এইবাবে যে মানুহবিলাকে আমাৰ নিদর্শনসমূহ মুঠেই বিশ্বাস কৰা নাছিল। (৮৩) সেইদিনা আমি প্রত্যেক সম্প্রদায়ৰ পৰা একো একোটা দল আনি একত্রিত কৰিম, যিবিলাকে আমাৰ

বাণীসমূহ অস্বীকাৰ কৰিছিল। পিছত সিহঁতক ভাগে ভাগে শাৰীবদ্ধ কৰা হ'ব। (৮৪) শেষত যেতিয়া সকলোবিলাক আহি সমাগত হ'বহি, তেতিয়া আল্লাহে ক'ব- 'তোমালোকে মোৰ আয়াতসমূহ অস্বীকাৰ কৰিছিলা নেকি, যদিও তোমালোকৰ সেইবোৰৰ বিষয়ে সঠিক জ্ঞান নাছিল? নহ'লে তোমালোকে সেয়া কি কৰি আছিলা?' (৮৫) সিহঁতক দিয়া প্ৰতিশ্ৰুতি বাস্তৱায়িত হ'বই, কিয়নো সিহঁতে অন্যায় কৰিছিল। তেতিয়া সিহঁতে মাত মাতিবই নোৱাৰিব। (৮৬) সিহঁতে দেখা নাইনে, ৰাতিক আমি সিহঁতৰ বিশ্ৰামৰ বাবে সৃষ্টি কৰিছো আৰু দিনক পোহৰ বিলাবৰ কাৰণে? বিশ্বাস স্থাপনকাৰীসকলৰ বাবে ইয়াত নিশ্চয় বহু নিদৰ্শন আছে।

(৮৭) সেইদিনা যেতিয়া শিঙাত ফুঁ দিয়া হ'ব, তেতিয়া আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সকলোৱে ভয়ত থৰহৰি কম্পান হ'ব, অৱশ্যে আল্লাহে যাক ৰক্ষা কৰিবৰ ইচ্ছা কৰে, সেইসকল ব্যতীত। সকলোৱে বিনীতভাৱে তেওঁৰ সমীপত উপস্থিত হ'বহি। (৮৮) পাহাৰবোৰ দেখি নিশ্চয় ভাবিছা সেইবোৰ অলৰ-অচৰভাবে স্থিৰ হৈ আছে, কিন্তু সেইদিনা সেইবোৰ মেঘৰ দৰে উৰি ফুৰিব। এয়া আল্লাহৰ কৰ্ম, যিজনে সকলো কৰ্ম নিখুঁত নিপুণভাৱে কৰিছে। তোমালোকে যিহকে কৰা, সেয়া তেওঁ জানে। (৮৯) যিয়ে সৎকৰ্ম কৰিব, তেওঁ তাতকৈ উৎকৃষ্ট প্ৰতিদান লাভ কৰিব আৰু এনে মানুহ সেই দিনা ভয় আৰু আশংকাৰ পৰা নিৰাপদে থাকিব। (৯০) যিবিলাকে অপকৰ্ম কৰিব, সিহঁতক অধোমুখে নৰকৰ অগ্নিত নিক্ষেপ কৰা হ'ব। তোমালোকে যি কৰিছিলা কেৱল তাৰহে প্ৰতিফল দিয়া হৈছে।

(৯১) কোৱা- 'মোক এই আদেশ দিয়া হৈছে যে মই এই নগৰৰ (মক্কাৰ) প্ৰভুৰ উপাসনা কৰিব লাগে, যিজনে ইয়াক পৱিত্ৰতা দান কৰিছে আৰু যিজন প্ৰতিটো বস্তুৰেই গৰাকী আৰু মোক আদেশ দিয়া হৈছে তেওঁৰ প্ৰতি আত্মসমৰ্পণকাৰীসকলৰ মাজৰ এজন হৈ থাকিবলৈ, (৯২) আৰু কুৰআন

পাঠ কৰি শুনাবলৈ।' এতেকে যিয়ে ইয়াৰ নিৰ্দেশনাৱলী মানি ল'ব, সি নিজৰ কল্যাণৰ বাবে সৎপথ ল'ব আৰু যিয়ে ভ্ৰান্ত পথ ল'ব, তাক কোৱা- 'মই মাথোন এজন সতৰ্ককাৰীহে।' (৯৩) সিহঁতক কোৱা- 'সকলো প্ৰশংসা আল্লাহৰ বাবে। অতিশীঘ্ৰে তেওঁ তোমালোকক তেওঁৰ নিদৰ্শনসমূহ দেখুৱাব আৰু তোমালোকে সেয়া চিনি পাবা। তোমালোকে যি কৰি আছা, সেই বিষয়ে তোমালোকৰ প্ৰভু আওকণীয়া নহয়।'

২৮. আল-কাছাছ (বিৱৰণ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) ত্বা-ছীন-মীম।

(২) এইবোৰ এনে পুথিৰ আয়াত, যি প্ৰতিটো বিষয় স্পষ্ট কৰি দিয়ে। (৩) আমি তোমাক মূছা আৰু ফিৰাউনৰ ইতিবৃত্তৰ কিছু কথা সত্যসহকাৰে বিৱৰণ দিছো, সেইসকলৰ বাবে যিসকলে বিশ্বাস স্থাপন কৰিছে।

(৪) ফিৰাউনে দেশত উদ্ধতালি কৰিছিল আৰু মানুহবিলাকক বিভিন্ন শ্ৰেণীত বিভক্ত কৰিছিল। তাৰে এটা শ্ৰেণীক সি হীন-দুৰ্বল কৰি ৰাখিছিল। সি সিহঁতৰ পুত্ৰ সন্তানবিলাকক বধ কৰিছিল আৰু কন্যাসন্তানবিলাকক জী থাকিবলৈ দিছিল। আচলতে সি বিপৰ্যয় সৃষ্টিকাৰীসকলৰ এজন আছিল। (৫) আমি সিহঁতক অনুগ্ৰহ কৰিছিলো, যিসকলক দুৰ্বল কৰি ৰখা হৈছিল আৰু সিহঁতক নেতৃত্ব দান কৰিবলৈ আৰু উত্তৰাধিকাৰী কৰিবলৈ (আমাৰ অনুগ্ৰহৰ)। (৬) আৰু সিহঁতক দেশত ক্ষমতাত অধিস্থিত কৰিবলৈ বিচাৰিছিলো আৰু ফিৰাউন, হামান আৰু সিহঁতৰ সেনা-বাহিনীক সেইটোৱেই দেখুৱাবলৈ বিচাৰিছিলো, যিটো সিহঁতে ভয় কৰিছিল।

(৭) আমি মূছাৰ মাকক প্ৰেৰণা দি ক'লো- 'পিয়াহ খুওৱা আৰু যেতিয়া তাৰ জীৱন সম্পৰ্কে তোমাৰ শংকা হয়, তেতিয়া নৈত উটুৱাই দিবা আৰু

তুমি ভয়ো নকৰিবা, শোকো নকৰিবা। আমি তাক তোমাৰ ওচৰলৈকে ঘুৰাই আনিম আৰু ৰছুলসকলৰ অন্তর্ভুক্ত কৰিম।' (৮) পিছত ফিৰাউনৰ মানুহে তেওঁক তুলি আনিলে। পিছলৈ তেৱেঁই সিহঁতৰ শত্রু আৰু দুখৰ হেতু হৈ পৰিল। আচলতে ফিৰাউন, হামান আৰু সিহঁতৰ সৈন্য-সামন্ত ভ্রষ্ট পথত আছিল। (৯) ফিৰাউনৰ পত্নীয়ে ক'লে- 'ই মোৰ আৰু আপোনাৰ চকুৰ মণি হ'ব। ইয়াক হত্যা নকৰিব। হয়তো ই আমাৰ উপকাৰত আহিব, নাইবা ইয়াক আমি তোলনীয়া পো কৰি ল'ম।' কিন্তু সিহঁতে বুজিব পৰা নাছিল, সিহঁতে কি কৰিবলৈ গৈ আছে।

(১০) ইফালে মূছাৰ মাকৰ অন্তৰ ব্যাকুল হৈ পৰিল। তেওঁৰ নিজৰ পৰিচয় ব্যক্ত কৰিয়েই দিলেহেঁতেন, যদিহে আমি তেওঁৰ অন্তৰ (আমাৰ প্রতিশ্রুতিৰ প্রতি) সুদৃঢ় আস্থাবান কৰি নিদিলোহেঁতেন। (১১) তেওঁ মূছাৰ বায়েকক ক'লে- 'যোৱা, তাৰ প্রতি লক্ষ্য ৰাখা।' বায়েকে তেওঁক আলেঙে আলেঙে নিৰিক্ষণ কৰিছিল অপৰিচিতা হিচাবে আৰু সেয়া সিহঁতে গম পোৱা নাছিল। (১২) আমি পূর্বৰ পৰাই মূছাক ধাই মাকৰ পৰা বিৰত ৰাখিছিলো, সেয়ে তেওঁৰ বায়েকে সিহঁতক ক'লে- 'মই আপোনালোকক এনে এঘৰ মানুহৰ সন্ধেদ দিমনে, যি ইয়াৰ লালন-পালনৰ দায়িত্ব ল'ব আৰু ভালদৰে যত্ন ল'ব।' (১৩) এনেদৰে আমি তেওঁক মাকৰ কাষলৈ ঘুৰাই আনিলো যাতে মাকৰ চকু জুৰ পৰে আৰু শোক কৰি নাথাকে আৰু তেওঁ যাতে জানিব পাৰে যে আল্লাহৰ প্রতিশ্রুতি সত্য। কিন্তু সৰহভাগেই সেয়া উপলদ্ধি কৰিব নোৱাৰে। (১৪) যেতিয়া মূছা যৌৱন প্রাপ্ত আৰু পূর্ণ বয়স্ক হ'ল, তেতিয়া আমি তেওঁক বুদ্ধিমত্তা আৰু জ্ঞান দান কৰিলো। এনেদৰেই আমি সৎকর্মপৰায়ণসকলক পুৰস্কাৰ দিওঁ।

(১৫) নগৰৰ মানুহবোৰ অসাৱধান হৈ থকাৰ পৰত মূছাই নগৰত প্রৱেশ কৰিলে। তাত তেওঁ দুজন মানুহে যুঁজ-বাগৰ কৰি থকা দেখিলে। তাৰে এজন

তেওঁৰ ফৈদৰ আৰু আনজন শত্ৰুপক্ষৰ। তেওঁৰ ফৈদৰ মানুহজনে শত্ৰুপক্ষৰ মানুহজনৰ বিৰুদ্ধে তেওঁৰ সহায় বিচাৰিলে। মূছাই তাক এনে এটা ঘোচা মাৰিলে যে সি মৰিয়েই থাকিল। মূছাই ক'লে- 'এয়া ছয়তানৰহে কাম; সি প্ৰকাশ্য শত্ৰু আৰু মানুহৰ মাজত বিভ্ৰান্তি সৃষ্টিকাৰী।' (১৬) তেওঁ প্ৰাৰ্থনা কৰিলে- 'হে প্ৰভু, মোক ক্ষমা কৰা, মই নিজেই নিজৰ প্ৰতি অন্যায় কৰিছো।' আল্লাহে তেওঁক ক্ষমা কৰিলে। তেওঁ ক্ষমাশীল, পৰম দয়ালু। (১৭) মূছাই ক'লে- 'হে মোৰ প্ৰভু, তুমি মোৰ প্ৰতি এই যে অনুগ্ৰহ কৰিলা, এতিয়াৰ পৰা মই কদাপিও অন্যায়কাৰীবিলাকক সহায় নকৰো।'

(১৮) পিছদিনা ৰাতিপুৱা তেওঁ ভয়ে ভয়ে সতৰ্কতাৰে ইফাল-সিফালে চাই গৈ থাকোতে হঠাতে তেওঁ শুনিবলৈ পালে কালি যিটো মানুহে তেওঁৰ সহায় বিচাৰিছিল, আজিও সিয়ে সহায় বিচৰি তেওঁক চিঞৰী মাতিছে। মূছাই তাক ক'লে- 'নিশ্চয় তুমি এজন বিপথগামী মানুহ।' (১৯) মূছাই সেই মানুহজনক ধৰিব খুজোতেই যিজন সিহঁত দুয়োজনৰে শত্ৰু, সি চিঞৰী উঠিল- 'মূছা, তুমি মোক হত্যা কৰিব বিচাৰিছা নেকি, যেনেদৰে তুমি কালি এজন মানুহক হত্যা কৰিছিলা ? তুমি দেশত স্বৈৰাচাৰী হ'ব বিচাৰিছা, শান্তি-সম্প্ৰীতি প্ৰতিষ্ঠা কৰা তোমাৰ ইচ্ছা নাই।'

(২০) নগৰৰ এটা প্ৰান্তৰ পৰা এজন মানুহ দৌৰি আহিল আৰু ক'লে- 'হে মূছা, পাৰিষদবৰ্গই তোমাক প্ৰাণদণ্ড দিয়াৰ আলচ কৰিছে, সেয়ে তুমি এই নগৰ এৰি গুচি যোৱা। মই তোমাৰ এজন শুভাকাংক্ষী।' (২১) সেয়ে মূছাই ভয়ে ভয়ে অতি সন্তৰ্পণে নগৰ এৰি গুচি গ'ল আৰু প্ৰাৰ্থনা কৰিলে- 'হে মোৰ প্ৰভু, অত্যাচাৰী মানুহবিলাকৰ পৰা মোক ৰক্ষা কৰা।'

(২২) যেতিয়া তেওঁ মাদয়ান অভিমুখে যাত্ৰা কৰিলে, তেতিয়া ক'লে- 'আশা কৰো, নিশ্চয় মোৰ প্ৰভুৱে মোক সঠিক পথে পৰিচালিত কৰিব।' (২৩) যেতিয়া তেওঁ মাদয়ানৰ কুঁৱাৰ ওচৰ পালেগৈ, তেওঁ দেখিলে এদল

মানুহে সিহঁতৰ পশুবোৰক পানী খুৱাই আছে আৰু তেওঁ দেখিলে অলপ আঁতৰত দুজনী তিৰোতাই সিহঁতৰ পশুবোৰক আগচি ৰাখিছে। সেয়ে তেওঁ সুধিলে- 'তোমালোকৰ কি হ'ল?' সিহঁত দুজনীয়ে উত্তৰ দিলে- 'এই ৰখীয়াবিলাকে তেওঁলোকৰ নিজৰ পশুবোৰক নিনিয়ালৈকে আমি আমাৰ পশুবোৰক পানী খুৱাব নোৱাৰো আৰু আমাৰ পিতৃ এজন অতি বৃদ্ধ মানুহ।' (২৪) সেয়ে মূছাই সিহঁতৰ হৈ সিহঁতৰ পশুবোৰক পানী খুৱালে। পিছত তেওঁ এডোখৰ ছাঁলৈ গ'ল আৰু প্ৰাৰ্থনা কৰিলে- 'হে প্ৰভু, তুমি মোৰ প্ৰতি যি অনুগ্ৰহকে কৰা তাৰেই মোৰ প্ৰয়োজন।' (২৫) তাৰ পিছত সিহঁত দুজনীৰ এজনীয়ে তেওঁৰ ওচৰলৈ লাজকুৰীয়াভাৱে আহি ক'লে- 'আমাৰ আব্বাই আপোনাক মাতি পঠিয়াইছে। আমাৰ হৈ আপুনি আমাৰ পশুবোৰক পানী খুওৱা বাবে পাৰিশ্ৰমিক দিব বিচাৰিছে।' তেতিয়া মূছাই তেওঁৰ ওচৰলৈ গ'ল আৰু নিজৰ সকলো কথা বৰ্ণনা কৰিলত তেওঁ ক'লে- 'ভয় নকৰিবা। এতিয়া তুমি সেই অত্যাচাৰী মানুহবিলাকৰ পৰা হাত সাৰিলা।' (২৬) সিহঁত দুজনীৰ এজনীয়ে বাপেকক ক'লে- 'আব্বা, এওঁক কামত মকৰল কৰক। কাৰোবাক মকৰল কৰিব লগীয়া হ'লে শক্তিশালী আৰু বিশ্বাসী মানুহক মকৰল কৰাই ভাল।' (২৭) বাপেকে ক'লে- 'মোৰ এই দুজনী জীয়ৰীৰ এজনীক মই তোমাৰ লগত বিবাহ দিব খোজো, চর্ত হ'ল- তুমি আঠ বছৰ মোৰ ঘৰত কাম-বন কৰি দিব লাগিব। তুমি যদি দহ বছৰ পূৰ্ণ কৰা, সেয়া তোমাৰ ইচ্ছা। মই তোমাৰ লগত কঠোৰ আচৰণ নকৰো। আল্লাহে ইচ্ছা কৰিলে, তুমি মোক ন্যায়পৰায়ণ হিচাবে পাবা।' (২৮) মূছাই ক'লে- 'আপোনাৰ আৰু মোৰ মাজত এই বন্দবস্ত থাকিল। এই দুটাৰ যিকোনো এটাৰ ম্যাদ মই পূৰণ কৰিলে মোৰ ওপৰত কোনো অভিযোগ নাথাকে। আমাৰ মাজত যি কথা-বতৰা হ'ল, আল্লাহ তাৰ সাক্ষী ৰ'ল।'

(২৯) মূছাই ম্যাদ পূৰ্ণ কৰি সপৰিয়ালে গৈ থাকোতে তেওঁ তূৰ

পৰ্বতৰ পিনে একুৰা জুই দেখা পালে। তেওঁ তেওঁৰ পৰিয়ালক ক'লে- 'ইয়াতে ৰোৱাছোন, মই এজুৰা জুই দেখা পাইছো। সম্ভৱ মই তাৰ পৰা কোনো বা-বাতৰি আনিব পাৰিম অথবা জ্বলি থকা অঙঠা এডোখৰকে লৈ আহিম যাতে তোমালোকে জুই পুৱাব পাৰা।' (৩০) যেতিয়া তেওঁ তালৈ আহিল, উপত্যকাৰ সোঁফালৰ পৰিত্ৰ স্থানত থকা এজোপা গছৰ পিনৰ পৰা তেওঁক সম্বোধন কৰি কোৱা হ'ল- 'হে মূছা, ময়েই আল্লাহ, বিশ্বজগতৰ প্ৰভু। (৩১) তোমাৰ লাখুটিডাল পেলাই দিয়া।' যেইমাত্ৰ মূছাই দেখিলে যে লাখুটিডাল সাপৰ দৰে কেৰমেৰাবলৈ ধৰিছে, তেতিয়া তেওঁ পিছ দি পলাবলৈ ধৰিলে আৰু পিছ পিনে ঘূৰিও নাচালে। তেওঁক কোৱা হ'ল- 'হে মূছা, আগুৱাই আহা, ভয় নকৰিবা। তুমি সম্পূৰ্ণ সুৰক্ষিত। (৩২) তোমাৰ হাতখন কাষলতিত থোৱা আৰু কোনো অনিষ্ট নোহোৱাকৈ ই উজ্বল বগা হৈ ওলাই আহিব আৰু ভয় দূৰ কৰিবৰ বাবে তুমি তোমাৰ হাতেৰে বুকুৰ ওপৰত হেচি ধৰা। ফিৰাউন আৰু তাৰ পাৰিষদবৰ্গৰ কাৰণে এই দুটা তোমাৰ প্ৰভুৰ পৰা বিশ্বাসযোগ্য প্ৰমাণ। সিহঁত দুৰন্ত দুৰাচাৰ জাতি।'

(৩৩) মূছাই ক'লে- 'হে মোৰ প্ৰভু, মই সিহঁতৰ এজন মানুহক হত্যা কৰিছো, সেয়ে সিহঁতে মোক হত্যা কৰিব বুলি মোৰ ভয় হৈছে। (৩৪) মোৰ সৰু ভাই হাৰুণ, তেওঁ মোতকৈ বেছি বাকশক্তি সম্পন্ন। মোক সমৰ্থন কৰিবলৈ মোৰ সহায়কাৰী বিচাৰে তেওঁক মোৰ লগত পঠাই দিয়া। মোৰ শংকা হৈছে, সিহঁতে মোক অস্বীকাৰ কৰিব।' (৩৫) আল্লাহে ক'লে- 'তোমাৰ ভাতৃৰ দ্বাৰা আমি তোমাৰ বাহু শক্তিশালী কৰিম আৰু তোমালোক দুয়োকে এনে ক্ষমতা প্ৰদান কৰিব যে সিহঁতে তোমালোকৰ কোনো অনিষ্ট কৰিব নোৱাৰিব। আমাৰ নিদৰ্শনসমূহ লৈ আগুৱাই যোৱা। তোমালোক আৰু তোমালোকৰ অনুগামীসকল নিশ্চয় বিজয়ী হ'বা।'

(৩৬) মূছাই যেতিয়া আমাৰ প্ৰকাশ্য নিদৰ্শনসমূহ লৈ সিহঁতৰ ওচৰলৈ

আহিল, সিহঁতে ক'লে- 'এয়া কৃত্রিম ভেল্কিবাজীৰ বাহিৰে আন একো নহয় আৰু আমি আমাৰ পিতৃ-পিতামহসকলৰ মুখত এনে কথা শুনাই নাছিলো।' (৩৭) মূছাই ক'লে- 'মোৰ প্ৰভুৱে ভালকৈ জানে কোনে তেওঁৰ পৰা সঠিক পথনিৰ্দেশনা লৈ আহিছে আৰু পৰকালত কাৰ পৰিণতি ভাল হ'ব। অন্যায় কাৰীবিলাকে কেতিয়াও সফলতা লাভ কৰিব নোৱাৰে।' (৩৮) ফিৰাউনে ক'লে- 'হে সভাসদসসকল, মোৰ ব্যতীত তোমালোকৰ আন কোনো উপাস্য আছে বুলি মই নাজানো। হে হামান, বোকা মাটি জুইত পুৰা (ইটা বনোৱা) আৰু মোৰ বাবে এটা সুউচ্চ অট্টালিকা নিৰ্মাণ কৰা, তাত উঠিলে কিজানি মূছাৰ উপাস্যক দেখা পাওঁ, যদিও মই তাক এজন ঘোৰ মিছলীয়া বুলি ভাবো।'

(৩৯) ফিৰাউন আৰু তাৰ সৈন্য-বাহিনীয়ে অযথাই পৃথিৱীত দম্ভ কৰিছিল। সিহঁতে ভাবিছিল যে সিহঁতক আমাৰ ওচৰলৈ ঘূৰাই অনা নহ'ব। (৪০) সেয়ে আমি তাক আৰু তাৰ সৈন্য-বাহিনীক আটক কৰিলো আৰু সমুদ্ৰত পেলাই দিলো। চোৱা, সেই অন্যায়কাৰীবিলাকৰ শেষ পৰিণাম কি হ'ল! (৪১) সিহঁতক আমি নেতা কৰি দিছিলো; কিন্তু সিহঁতে মানুহক জাহান্নামৰ পিনেহে আহবান কৰে। কিয়ামতৰ দিনা সিহঁতে কোনো ফালৰ পৰা কোনো ধৰণৰ সহায় নাপাব। (৪২) এই পৃথিৱীতে আমি সিহঁতৰ পিছত অভিশাপ লগাই দিছো আৰু কিয়ামতৰ দিনা সিহঁত অতি দুৰ্দশাগ্ৰস্ত হ'ব। (৪৩) পূৰ্বৱৰ্তী মানুহবিলাক বিনাশ হোৱাৰ পিছত আমি মূছাক পুথি দিছিলো। এইখন মানুহৰ বাবে জ্ঞান দায়িনী, পথনিৰ্দেশনা আৰু কৰুণা স্বৰূপ যাতে সিহঁতে উপদেশ গ্ৰহণ কৰে।

(৪৪) আমি যেতিয়া মূছাক ঐশী বিধান দান কৰিছিলো, তেতিয়া তুমি পৰ্বতৰ পশ্চিম প্ৰান্তত উপস্থিত নাছিলা আৰু প্ৰত্যক্ষদৰ্শীও নাছিলা। (৪৫) আমি অনেক প্ৰজন্ম সৃষ্টি কৰিলো আৰু সিহঁতৰ ওপৰেৰে বহু কাল বাগৰি গ'ল। তুমি মাদয়ানবাসীৰ মাজতো নাছিলা সিহঁতক আমাৰ আয়াত

পাঠ কৰি শুনাবলৈ। আমিয়েই ৰছুলসকলক পঠাইছিলো। (৪৬) আমি মূছাক আহবান কৰাৰ সময়ত তুমি তূৰ পৰ্বতৰ কাষতো নাছিলা; বৰং এয়া তোমাৰ প্ৰভুৰ অনুগ্ৰহ বিশেষ যে তুমি সেই মানুহবিলাকক সতৰ্ক কৰি দিব পাৰা, যিবিলাকৰ ওচৰলৈ তোমাৰ পূৰ্বে কোনো সতৰ্ককাৰী অহা নাছিল। সম্ভৱতঃ সিহঁতে উপদেশ গ্ৰহণ কৰিব। (৪৭) সিহঁতৰ নিজ কৃতকৰ্মৰ ফলত সিহঁতৰ ওপৰত কোনো বিপদ আহিলে যাতে সিহঁতে এই বুলি ক'ব নোৱাৰে- 'হে প্ৰভু, তুমি আমালৈ কোনো এজন ৰছুল পঠোৱাহেঁতেন, আমি তোমাৰ বাণীসমূহ মানি চলিলোহেঁতেন আৰু বিশ্বাস স্থাপনকাৰীসকলৰ অন্তৰ্ভুক্ত হ'লোহেঁতেন।' (৪৮) কিন্তু যেতিয়া সিহঁতলৈ আমাৰ পৰা সত্য আহিল, সিহঁতে ক'লে- 'মূছাক যিবোৰ দিয়া হৈছিল, এওঁকো সেইবোৰ দিয়া নহ'ল কিয়?' ইতিপূৰ্বে মূছাক যিবোৰ দিয়া হৈছিল, সেয়া ইহঁতেই অস্বীকাৰ কৰা নাছিলনে? সিহঁতে ক'লে- 'এই দুয়োটাই (মূছা আৰু মুহাম্মদ) যাদু আৰু দুয়ো পৰস্পৰৰ সহায়ক।' সিহঁতে আৰু ক'লে- 'আমি দুয়োটাকে অবিশ্বাস কৰোঁ।'

(৪৯) সিহঁতক কোৱা- 'তেনেহ'লে আল্লাহৰ পৰা এনে এখন পুথি আনা, যিখনে এই দুয়োখনতকৈ উৎকৃষ্ট পথ দেখু�ৱাব পাৰে আৰু ময়ো তাকে অনুসৰণ কৰিম, যদি তোমালোক সত্যবাদী হোৱা।' (৫০) সিহঁতে যদি তোমাক সঁহাৰি নজনায়, তেনেহ'লে জানি থোৱা যে আচলতে সিহঁতে নিজৰ কামনা-বাসনাহে অনুসৰণ কৰে। সেইজনতকৈ অধিক পথভ্ৰষ্ট কোন হ'ব পাৰে, যিয়ে আল্লাহৰ পথ নিৰ্দেশনা নামানি নিজ প্ৰবৃত্তিক অনুসৰণ কৰে? আল্লাহে অন্যায়কাৰী মানুহক কেতিয়াও সুপথ নেদেখু�ৱায়। (৫১) আমি সিহঁতলৈ ধাৰাবাহিকভাৱে আমাৰ বাণী প্ৰেৰণ কৰিছো যাতে সিহঁতে উপদেশ গ্ৰহণ কৰে।

(৫২) ইতিপূৰ্বে আমি যিবিলাকক পুথি দিছিলো, সিহঁতে ইয়াক (কুৰআনক) বিশ্বাস কৰে। (৫৩) যেতিয়া সিহঁতক পাঠ কৰি শুনোৱা হয়, তেতিয়া সিহঁতে কয়- 'ইয়াৰ প্ৰতি বিশ্বাস কৰিলো। এই পৰম সত্য আমাৰ

প্রভুৰ পৰা আহিছে। আমিতো আগৰ পৰাই আত্মসমৰ্পণ কৰি আছো।' (৫৪) এনে মানুহক দুবাৰ পুৰস্কাৰ দিয়া হ'ব, কাৰণ তেওঁলোকে ধৈর্য ধাৰণ কৰে আৰু ভালেৰে বেয়াক প্রতিহত কৰে আৰু আমি তেওঁলোকক যি জীৱিকা দিছো তাৰ পৰা খৰচ কৰে। (৫৫) তেওঁলোকে যেতিয়া অবাঞ্ছিত বাজে কথা-বতৰা শুনে, তেওঁলোকে তাৰ পৰা আঁতৰি যায় আৰু কয়- 'আমাৰ বাবে আমাৰ কর্ম আৰু তোমালোকৰ বাবে তোমালোকৰ কর্ম। তোমালোকৰ প্রতি ছালাম, অজ্ঞবিলাকৰ লগত আমাৰ কোনো সম্পর্ক নাই।' (৫৬) তুমি যাক ইচ্ছা কৰা, তাকে সৎপথত আনিব নোৱাৰা, কিন্তু আল্লাহে যাক ইচ্ছা কৰে, তাকে সৎপথ প্রদর্শন কৰে। কোনে সৎপথ গ্রহণ কৰিব, সেয়া তেওঁ ভালদৰে জানে।

(৫৭) সিহঁতে কয়- 'আমি যদি আপোনাৰ পথ নিদের্শনা অনুসৰি চলো, তেনেহ'লে আমাক আমাৰ ভূভাগৰ পৰা উৎখাত কৰি দিব পাৰে। আমি সিহঁতৰ বাবে এখন নিৰাপদ আবাসস্থল (মক্কা) হিচাবে প্রতিষ্ঠিত কৰি দিয়া নাইনে, য'লৈ আমাৰ পক্ষৰ পৰা খাদ্য হিচাবে সকলো ধৰণৰ ফল-মূল সৰবৰাহ কৰা হয়। কিন্তু সিহঁতৰ সৰহভাগৰেই সেই বিষয়ে জ্ঞান নাই।

(৫৮) আমি কিমান জনবসতি ধ্বংস কৰিলো, য'ৰ অধিবাসীবিলাকে জীৱন যাপনৰ প্রাচুর্যৰ বাবে গর্ববোধ কৰিছিল। তাৰ পিছত সিহঁতৰ আবাস স্থলত অতি কম মানুহহে বসবাস কৰি আছে। পিছত আমিয়েই তাৰ উত্তৰাধিকাৰী হ'লো। (৫৯) তোমাৰ প্রভুৰে তেতিয়ালৈকে কোনো জনবসতি ধ্বংস নকৰে, যেতিয়ালৈকে আমাৰ বাণী পাঠ কৰি শুনাবলৈ তাৰ কেন্দ্র স্থলবোৰলৈ এজন ৰছুল প্রেৰণ নকৰে আৰু তাৰ অধিবাসীসকল ঘোৰ অন্যায়কাৰী নোহোৱালৈকে আমি কোনো জনবসতি ধ্বংস নকৰো।

(৬০) তোমালোকক যি দিয়া হৈছে, সেয়া পার্থিৱ জীৱনৰ ভোগ-বিলাসৰ সামগ্রী আৰু তাৰ শোভাহে মাথোন আৰু আল্লাহৰ ওচৰত যি আছে

সেয়া উত্তম আৰু চিৰস্থায়ী। এয়াও তোমালোকে বুজি নোপোৱানে? (৬১) এজন মানুহ, যাক আমি উত্তম পুৰস্কাৰৰ প্ৰতিশ্ৰুতি দিছো আৰু সেয়া সি লাভো কৰিব আৰু আন এজন মানুহ, যাক আমি পার্থিৱ জীৱনৰ ভোগ-বিলাসৰ সামগ্ৰী দিছো, পিছত তাক শাস্তি ভোগাবলৈ কিয়ামতৰ দিনা (আল্লাহৰ সন্মুখত) উপস্থিত কৰোৱা হ'ব, এই দুজন মানুহ সমান হ'ব পাৰেনে?

(৬২) সেইদিনাখন তেওঁ সিহঁতক মাতি আনি সুধিব- 'সিহঁত ক'ত, যিবিলাকক তোমালোকে মোৰ অংশী বুলি দাবী কৰিছিলা?' (৬৩) যিবিলাকৰ ক্ষেত্ৰত এই সিদ্ধান্ত প্ৰযোজ্য হ'ব, সিহঁতে ক'ব- 'হে আমাৰ প্ৰভু, এই বিলাকেই মানুহ, যিবিলাকে আমাক পথভ্ৰষ্ট কৰিছিল। আমি ইহঁতক পথভ্ৰষ্ট কৰিছিলো, যেনেদৰে আমি নিজেই পথভ্ৰষ্ট হৈছিলো। আমাৰ গাত দোষ নাই বুলি আমি আপোনাক নিবেদন কৰিছো। ইহঁতে আমাক উপাসনা কৰা নাছিল।'

(৬৪) সিহঁতক কোৱা হ'ব- 'তোমালোকৰ অংশী (উপাস্য) বোৰক মাতা।' সিহঁতে সিহঁতক মাতিব, কিন্তু সিহঁতে কোনো সঁহাৰি নিদিব। সিহঁতে প্ৰত্যক্ষভাৱে শাস্তি দেখিবলৈ পাব। হায়! সিহঁতে যদি সুপথত চলিলেহেঁতেন! (৬৫) সেইদিনা আল্লাহে সিহঁতক মাতি আনি ক'ব- 'তোমালোকে আমাৰ ৰছুলসকলক কেনেভাৱে সঁহাৰি দিছিলা?' (৬৬) সেইদিনা ক'বলৈ সিহঁতৰ কোনো কথা নাথাকিব আৰু পৰস্পৰে সোধা-সুধিও কৰিব নোৱাৰিব। (৬৭) কিন্তু যিজনে অনুতপ্ত হৈ ক্ষমা প্ৰাৰ্থনা কৰে, বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, আশা কৰা যায় তেওঁ সফলতা লাভ কৰিব।

(৬৮)তোমাৰ প্ৰভুই যি ইচ্ছা কৰে, তাকে সৃষ্টি কৰে আৰু যাক ইচ্ছা কৰে, তাকে বাছি লয়। ইয়াত সিহঁতৰ পচন্দৰ কোনো স্বাধীনতা নাই। আল্লাহ পৱিত্ৰ, মহান আৰু সিহঁতে তেওঁৰ লগত যাক অংশী কৰি লৈছে, তাতকৈ তেওঁত বহু উৰ্ধত। (৬৯) তোমাৰ প্ৰভুৱে সকলো জানে, সিহঁতে অন্তৰত

যিবোৰ লুকাই ৰাখে আৰু যিবোৰ সিহঁতে প্ৰকাশ কৰে। (৭০) তেৱেঁই আল্লাহ। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। ইহকাল আৰু পৰকাল উভয়তে তেওঁৰেই সকলো প্ৰশংসা। সিদ্ধান্তৰ অধিকাৰী তেৱেঁই আৰু তেওঁৰ ওচৰলৈকে তোমালোকে উভতি যাব লাগিব।

(৭১) সিহঁতক সোধা- 'কোৱাছোন মোক, আল্লাহে যদি কিয়ামতৰ দিনালৈকে ৰাতিৰ অন্ধকাৰক অবিচ্ছিন্ন কৰি ৰাখে, তেনেহ'লে আল্লাহ ব্যতীত আন কোনো উপাস্য আছে নেকি, যিয়ে তোমালোকক পোহৰ আনি দিব পাৰে? তথাপিও তোমালোকে কৰ্ণপাত নকৰিবানে? (৭২) সোধা- 'কোৱাছোন মোক, আল্লাহে যদি কিয়ামতলৈকে দিনটোক অবিচ্ছিন্ন কৰি ৰাখে, তেনেহ'লে আল্লাহ ব্যতীত আন কোনো উপাস্য আছে নেকি, যিয়ে ৰাতিটো আনি দিব পাৰে যাতে তোমালোকে বিশ্ৰাম ল'ব পাৰা? এইবোৰো তোমালোকে দেখা নোপোৱানে? (৭৩) এয়া তেওঁৰেই দয়া, তেওঁ তোমালোকৰ বাবে ৰাতি আৰু দিন সৃষ্টি কৰিছে যাতে তোমালোকে বিশ্ৰাম ল'ব পাৰা আৰু তেওঁৰ অনুগ্ৰহ সন্ধান কৰিব পাৰা। সম্ভৱ তোমালোক কৃতজ্ঞ হ'বা।'

(৭৪) সেইদিনা তেওঁ সিহঁতক মাতি আনিব আৰু সুধিব- 'ক'ত সিহঁত, যিবিলাকক তোমালোকে মোৰ অংশী বুলি গণ্য কৰিছিলা?' (৭৫) আমি প্ৰত্যেক সম্প্ৰদায়ৰ পৰা একোজনকৈ সাক্ষী উপস্থিত কৰাম আৰু সিহঁতক ক'ম- 'আনা তোমালোকৰ সাক্ষী-প্ৰমাণ।' তেতিয়া সিহঁতে গম পাব সত্য মাথোন আল্লাহৰহে আৰু সিহঁতে সাজি লোৱা অসত্যবোৰ অন্তৰ্ধ্যান হ'ব।

(৭৬) কাৰুণ মূছাৰ সম্প্ৰদায়ৰ এজন ব্যক্তি আছিল; কিন্তু সি সিহঁতৰ প্ৰতি বিদ্ৰোহাচৰণ কৰিছিল। তাক আমি ইমান ধন-সম্পদ দান কৰিছিলো যে তাৰ চাবিবোৰ এমখা বলবান মানুহে কথমপিহে দাঙিব পাৰিছিল। তাৰ

সম্প্রদায়ৰ মানুহবিলাকে তাক ক'লে- 'ধনৰ বলত অহংকাৰ নকৰিবা, অহংকাৰী মানুহক আল্লাহে ভাল নাপায়। (৭৭) আল্লাহে তোমাক যি দিছে, তাৰে পৰকালৰ ঘৰ বনাবলৈ যত্ন কৰা আৰু ইহকালতো নিজৰ অংশক উপেক্ষা নকৰিবা। মানুহক অনুগ্ৰহ কৰা, যেনেদৰে আল্লাহে তোমালোকৰ প্ৰতি অনুগ্ৰহ কৰিছে। পৃথিৱীত বিপৰ্যয় সৃষ্টি কৰিবলৈ প্ৰয়াস নকৰিবা। আল্লাহে বিপৰ্যয় সৃষ্টিকাৰীক মুঠেই ভাল নাপায়।'

(৭৮) উত্তৰত সি ক'লে- 'মোৰ ওচৰত যি আছে এয়া মোৰ জ্ঞান-বুদ্ধিৰ গুণতহে মোক দিয়া হৈছে।' সি নাজানে নে যে তাৰ পূৰ্বে আল্লাহে কিমান প্ৰজন্মক ধ্বংস কৰিছে, যিবিলাক তাতকৈয়ো বেছি শক্তিশালী আৰু ঐশ্বৰ্যশালী আছিল? অপৰাধীবিলাকক সিহঁতৰ অপৰাধৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱাৰ প্ৰয়োজন নহয়।

(৭৯) সি আড়ম্বৰপূৰ্ণ জাকজমকতাৰে তাৰ সম্প্ৰদায়ৰ মানুহৰ ওচৰলৈ ওলাই আহিল। যিসকল পার্থিৱ জীৱনৰ অভিলাসী আছিল, সিহঁতে ক'লে- 'আমাৰো কাৰুণৰ দৰে যদি ভাগ্য হ'লহেঁতেন! আচলতে সি বৰ ভাগ্যবান মানুহ!' (৮০) কিন্তু যিসকলক জ্ঞানবোধ দিয়া হৈছিল, তেওঁলোকে ক'লে- 'ধিক, তোমালোক! আল্লাহৰ পুৰস্কাৰ তেওঁলোকৰ বাবে শ্ৰেষ্ঠ, যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে। এই উত্তম পুৰস্কাৰ কেৱল ধৈৰ্যশীল মানুহেহে পাব।'

(৮১) ইয়াৰ পিছত আমি তাক ঘৰ-দুৱাৰৰ সৈতে মাটিত পুতি পেলালো। আল্লাহৰ মোকাবিলাত তাক সহায় কৰিবলৈ আগুৱাই আহিব পৰা কোনো নাছিল নতুবা সি আত্মৰক্ষাও কৰিব নোৱাৰিলে। (৮২) কালিলৈকে যিবিলাক মানুহে তাৰ দৰে ঐশ্বৰ্যশালী হোৱাৰ হাবিয়াস কৰিছিল, সিহঁতে ক'বলৈ ধৰিলে- 'বৰ পৰিতাপৰ কথা! নিশ্চয় আল্লাহে যাক ইচ্ছা কৰে, তাৰ

জীৱিকা বৃদ্ধি কৰি দিয়ে আৰু যাক ইচ্ছা কৰে, তাৰ জীৱিকা সংকুচিত কৰি দিয়ে। আল্লাহে আমাৰ প্ৰতি অনুগ্ৰহ নকৰাহেঁতেন, আমাকো মাটিত পুতি পেলালেহেঁতেন। আপচোচ, অবিশ্বাসকাৰীবিলাক কেতিয়াও সফল হ'ব নোৱাৰে।'

(৮৩) পৰকালৰ ঘৰ আমি বিশেষভাৱে সেইসকল লোকৰ বাবে নিৰ্ধাৰণ কৰি দিম, যিসকলে পৃথিৱীত ঔদ্ধত্য প্ৰকাশ কৰিবলৈ আৰু বিপৰ্যয় সৃষ্টি কৰিবলৈ নিবিচাৰে। অন্তিম শুভ পৰিণাম সৎকৰ্মপৰায়ণ লোকসকলৰ বাবেহে আছে। (৮৪) যিজনে সৎকৰ্ম লৈ আহিব, তেওঁৰ বাবে তাতকৈ উৎকৃষ্ট প্ৰতিদান আছে আৰু যেয়ে অসৎকৰ্ম লৈ আহিব, সিহঁতে যি কৰিছে, সিহঁতক কেৱল সেই অনুপাতেহে প্ৰতিফল দিয়া হ'ব।

(৮৫) যিজনে তোমাক এই কুৰআনৰ দায়িত্বভাৰ অপৰ্ণ কৰিছে, নিশ্চয় তেওঁ তোমাক এক কল্যাণময় পৰিণতিত উপনীত কৰিব। কোৱা- 'মোৰ প্ৰভুৱে ভালকৈ জানে, কোন সৎপথে পৰিচালিত আৰু কোন প্ৰকাশ্য বিভ্ৰান্তিত আছে।' (৮৬) এই পুথিখনি তোমাৰ পূৰ্বে অৱতীৰ্ণ হ'ব বুলি তুমি কেতিয়াও আশা কৰা নাছিলা। এয়া তোমাৰ প্ৰভুৰ অনুগ্ৰহৰ বাবেহে তুমি পাইছা। এতেকে সত্য অস্বীকাৰকাৰীবিলাকক সহায় নকৰিবা। (৮৭) সিহঁতে যাতে কেতিয়াও তোমাক আল্লাহৰ বাণীৰ পৰা আঁতৰাই ৰাখিব নোৱাৰে, যিহেতু তোমাৰ প্ৰতি দয়া অৱতীৰ্ণ হৈছে। মানুহবোৰক তোমাৰ প্ৰভুৰ পিনে আহবান কৰা আৰু তুমি কেতিয়াও অংশীবাদীবিলাকৰ দলভুক্ত নহ'বা। (৮৮) আল্লাহৰ ব্যতীত আন উপাস্যক আহবান নকৰিবা। তেওঁৰ বিনে আন কোনো উপাস্য নাই। আল্লাহৰ সত্তা ব্যতীত সকলো বস্তু ধ্বংসশীল। সিদ্ধান্ত কেৱল তেওঁৰেই আৰু তেওঁৰ ওচৰলৈকে তোমালোক ঘূৰি যাব লাগিব।

২৯. আল-আনকাবূত (মকৰা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলিম-লাম-মীম।

(২) মানুহে ভাবে নেকি যে- 'আমি বিশ্বাস স্থাপন কৰিছো' বুলি ক'লেই সিহঁতক এৰি দিয়া হ'ব আৰু পৰীক্ষাৰ সম্মুখীন কৰা নহ'ব? (৩) সিহঁতৰ পূর্বে অতীত হৈ যোৱা সকলো মানুহকে আমি পৰীক্ষা কৰিছিলো যাতে আল্লাহে জানিব পাৰে সিহঁতৰ কোন সত্যবাদী আৰু কোন মিথ্যাবাদী।

(৪) যিবিলাকে দুষ্কর্ম কৰিছে, সিহঁতে আমাৰ পৰা হাত সাৰিব পাৰিব বুলি ভাবিছে নেকি? ধিক সিহঁতৰ বিচাৰ! (৫) যিজনেই আল্লাহৰ লগত সাক্ষাতৰ আশা পোষণ কৰে, সি জনা উচিত আল্লাহৰ নির্ধাৰিত সময় অৱশ্যই আহিব। তেওঁ সর্বশ্রোতা, সর্বজ্ঞ। (৬) যিজনে সংগ্রাম-সাধনা কৰে, তেওঁ নিজৰ বাবেই কৰে। আল্লাহ বিশ্বজগতৰ কাৰো ওপৰত নির্ভৰশীল নহয়। (৭) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকর্ম কৰে, আমি নিশ্চয় তেওঁলোকৰ অপকর্মবোৰ দূৰ কৰি দিম আৰু তেওঁলোকৰ কর্ম অনুযায়ী উৎকৃষ্ট প্রতিদান দিম।

(৮) আমি মানুহক সিহঁতৰ পিতৃ-মাতৃৰ প্রতি সদ্ব্যৱহাৰ কৰিবলৈ নির্দেশ দিছো। পিছে সিহঁতে যদি তোমাক আন কোনোবাক মোৰ লগত অংশী কৰিবলৈ হেঁচা দিয়ে আৰু যাৰ বিষয়ে তোমাৰ কোনো জ্ঞান নাই, তেনেহ'লে তুমি সিহঁতৰ কথা নামানিবা। মোৰ পিনেই তোমালোক সকলোৱে ঘূৰি আহিব লাগিব, তেতিয়া মই তোমালোকক সকলো জনাই দিম, তোমালোকে কি কৰিছিলা। (৯) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকর্ম কৰে, নিশ্চয় আমি তেওঁলোকক সৎকর্মীসকলৰ দলভুক্ত কৰি দিম।

(১০) মানুহৰ মাজত এনে মানুহো আছে, যিবিলাকে কয়- 'আমি

আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰিছো; কিন্তু সিহঁত যেতিয়া আল্লাহৰ পথত মানুহৰ দ্বাৰা নিৰ্যাতীত হয়, সেয়া আল্লাহৰ শাস্তি বুলি গণ্য কৰে। আনহাতে যেতিয়া তোমাৰ প্ৰভুৰ পৰা যদি কোনো সাহায্য আহে, তেতিয়া সিহঁতে কয়- 'আমিতো তোমালোকৰ লগতেই আছিলো।' সৃষ্টি জগতৰ সকলোৰে অন্তৰত কি আছে, সেয়া আল্লাহে ভালকৈ নাজানে বাৰু? (১১) আল্লাহে নিশ্চয় পৰীক্ষা কৰি চাব প্ৰকৃততে কোন বিশ্বাস স্থাপনকাৰী আৰু কোনে বিশ্বাস স্থাপন কৰাৰ ভাও জুৰে।

(১২) অবিশ্বাসকাৰী মানুহবিলাকে বিশ্বাস স্থাপনকাৰীসকলক কয়- 'তোমালোকে আমাৰ পন্থা অৱলম্বন কৰা, তোমালোকৰ পাপ আমি বহন কৰিম।' কিন্তু সিহঁতে তোমালোকৰ পাপৰ বোজা বহন নকৰে। সিহঁতে গোকাট মিছা কথা কৈছে। (১৩) সিহঁতে অবশ্যই নিজৰ বোজা বহন কৰিব আৰু নিজৰ বোজাৰ লগতে আন বহুতৰো বোজা বহন কৰিব। এতিয়া সিহঁতে যিবোৰ মিছা উদ্ভাৱন কৰিছে, কিয়ামতৰ দিনা সেই সম্পৰ্কে সিহঁতক সোধা হ'ব।

(১৪) আমি নূহক তেওঁৰ জাতিৰ মানুহৰ প্ৰতি পঠাইছিলো আৰু তেওঁ সিহঁতৰ মাজত পঞ্চাশ বছৰ কম এহেজাৰ বছৰ অৱস্থান কৰিছিল। সিহঁতক মহা প্লাৱনে আক্ৰান্ত কৰিলে। কিয়নো সিহঁত অন্যায়কাৰী আছিল। (১৫) আমি তেওঁক আৰু তেওঁৰ লগতে নাৱত আৰোহন কৰা বিলাকক ত্ৰাণ কৰিলো। এই ঘটনাক জগতবাসীৰ কাৰণে এটি নিদৰ্শন স্বৰূপ কৰি দিলো।

(১৬) ইব্ৰাহীমৰ কাহিনী শুনোৱা। তেওঁ তেওঁৰ জাতিৰ মানুহবিলাকক ক'লে- 'আল্লাহৰ উপাসনা কৰা আৰু তেওঁক ভয় কৰা। তোমালোকৰ বাবে এয়াই শ্ৰেয়ঃ; যদি তোমালোকে বুজিলাহেঁতেন! (১৭) তোমালোকে আল্লাহৰ বাহিৰে কিছুমান প্ৰতিমাৰহে অৰ্চনা কৰিছা আৰু সেইবোৰ মিছাকৈ উদ্ভাৱন কৰিছা। আল্লাহৰ পৰিৱৰ্তে তোমালোকে যিবিলাকৰ উপাসনা কৰিছা,

তোমালোকক জীৱিকা দিয়াৰ ক্ষমতা সিহঁতৰ নাই। সেয়ে আল্লাহৰ ওচৰতে তোমালোকে জীৱিকা বিচৰা। তেওঁৰেই উপাসনা কৰা আৰু তেওঁৰ কৃতজ্ঞতা প্ৰকাশ কৰা। তেওঁৰ ওচৰলৈকে তোমালোকে ঘূৰি যাব লাগিব। (১৮) তোমালোকে যদি এই সত্যক অস্বীকাৰ কৰা, তোমালোকৰ পূৰ্বৰ বহু জাতিয়েও অস্বীকাৰ কৰিছিল। ৰছুলৰ দায়িত্ব মাথোন স্পষ্টভাৱে এই বাৰ্তা পৌছাই দিয়া।'

(১৯) সিহঁতে দেখা নাইনে, কেনেকৈ আল্লাহে সৃষ্টিৰ সূচনা কৰে আৰু তাক পুনৰাবৃত্তি কৰে? এয়া নিশ্চয় আল্লাহৰ পক্ষে অতি সহজ। (২০) সিহঁতক কোৱা- 'তোমালোকে পৃথিৱীত ঘূৰি-পকি চোৱা, কেনেদৰে তেওঁ সৃষ্টিৰ সূচনা কৰে। ইয়াৰ পিছত তেওঁ আকৌ সৃষ্টিৰ পুনৰাবৃত্তি কৰিব। নিশ্চয় আল্লাহ সৰ্ব বিষয়ত সৰ্বশক্তিমান। (২১) তেওঁ যাক ইচ্ছা কৰে, শাস্তি দিয়ে আৰু যাক ইচ্ছা কৰে, তাৰ প্ৰতি সদয় হয়। তেওঁৰ ওচৰলৈকে তোমালোকক উভতাই নিয়া হ'ব। (২২) পৃথিৱীতেই হওক বা আকাশতেই হওক, তোমালোকে আল্লাহক ব্যৰ্থ কৰিব নোৱাৰা আৰু আল্লাহৰ ব্যতীত তোমালোকৰ পৃষ্ঠপোষক আৰু সাহায্যকাৰী কোনো নাই।' (২৩) যিবিলাকে আল্লাহৰ বাণীসমূহ অগ্ৰাহ্য কৰে আৰু তেওঁক সাক্ষাৎ কৰিব লাগিব বুলি বিশ্বাস নকৰে, সিহঁত মোৰ কৰুণাৰ পৰা বঞ্চিত হ'ব। সিহঁতৰ বাবে আছে যন্ত্ৰণাদায়ক শাস্তি।

(২৪) ইব্ৰাহীমৰ জাতিৰ মানুহবিলাকে উত্তৰত মাথোন ক'লে- 'তাক হত্যা কৰা নাইবা পুৰি মাৰা।' অৱশেষত আল্লাহে তেওঁক জুইৰ পৰা ৰক্ষা কৰিলে। নিশ্চয় ইয়াত বিশ্বাস স্থাপনকাৰীসকলৰ বাবে বহু নিদৰ্শন আছে। (২৫) ইব্ৰাহীমে ক'লে- 'আল্লাহৰ পৰিৱৰ্তে তোমালোকে যিবোৰ মূৰ্তিক উপাস্য কৰি লৈছা, সেয়া তোমালোকৰ এই পাৰ্থিৱ জীৱনৰ পাৰস্পৰিক বন্ধুত্ব অক্ষণ্ণ ৰখাৰ হেতু হিচাবে লৈছা। কিন্তু কিয়ামতৰ দিনা তোমালোকে পৰস্পৰে পৰস্পৰক অস্বীকাৰ কৰিবা আৰু এজনে আনজনক অভিশাপ দিবা।

জাহান্নামেই হ'ব তোমালোকৰ বাসস্থল আৰু তোমালোকৰ সহায়কাৰীও কেও নহ'ব।'

(২৬) লূতে তেওঁৰ প্ৰতি বিশ্বাস স্থাপন কৰিলে আৰু ক'লে- 'মই মোৰ প্ৰভুৰ খাতিৰত দেশ ত্যাগ কৰিবলৈ ওলাইছো। নিশ্চয় তেওঁ মহা পৰাক্ৰমশালী, প্ৰজ্ঞাময়।' (২৭) আমি তেওঁক 'ইছহাক' আৰু 'ইয়াকুব' দান কৰিছিলো আৰু তেওঁৰ বংশধৰৰ প্ৰতি নবুৱত আৰু পুথি দান কৰিছিলো। আমি তেওঁক এই পৃথিৱীতে পুৰস্কৃত কৰিছিলো আৰু পৰকালত তেওঁ সৎকৰ্মপৰায়ণ লোকসকলৰ অন্তৰ্ভুক্ত হ'ব।

(২৮) আমি লূতক তেওঁৰ জাতিৰ মানুহবিলাকলৈ প্ৰেৰণ কৰিছিলো। তেওঁ সিহঁতক ক'লে- 'তোমালোকে এনে বীভৎস অশ্লীল কৰ্মত ৰত আছা, যি কৰ্ম তোমালোকৰ পূৰ্বে জগতত কোনোৱে কৰা নাছিল। (২৯) তোমালোকে কি পুৰুষৰ ওচৰলৈ গমন কৰা, বাটে-ঘাটে খাপ পাতি ৰৈ থকা আৰু সমজুৱা ঠাইতো প্ৰকাশ্যে ঘৃণনীয় কৰ্মত লিপ্ত হোৱা?' তেওঁৰ জাতিৰ মানুহবিলাকৰ উত্তৰ মাথো এয়ে আছিল- 'আনা আমালৈ আল্লাহৰ শাস্তি, যদি তুমি সঁচাই কৈছা।' (৩০) লূতে প্ৰাৰ্থনা কৰিলে- 'হে প্ৰভু, দুষ্কাৰ্যকাৰী এই মানুহবিলাকৰ বিৰুদ্ধে মোক সহায় কৰা।'

(৩১) যেতিয়া আমাৰ দূতসকলে সুসংবাদ (ইছহাকৰ জন্ম) লৈ ইব্ৰাহীমৰ ওচৰ আহি পালে, তেওঁলোকে ক'লে- 'নিশ্চয় আমি এই জনবসতিৰ মানুহবিলাকক বিনাশ কৰিম। ইয়াৰ অধিবাসীবিলাক অতিশয় দুষ্কৰ্মত লিপ্ত হৈছে।' (৩২) ইব্ৰাহীমে ক'লে- 'তাত লূতেও বাস কৰে।' তেওঁলোকে ক'লে- 'আমি ভালকৈয়ে জানো তাত কোন বাস কৰে। আমি তেওঁৰ পত্নীৰ ব্যতীত তেওঁক আৰু তেওঁৰ পৰিয়ালবৰ্গক নিশ্চয় ৰক্ষা কৰিম। তাই পিছত ৰৈ যোৱা মানুহবিলাকৰ লগত থাকিব।' (৩৩) যেতিয়া আমাৰ দূতসকল লূতৰ ওচৰ আহি পালে, তেওঁ তেওঁলোকৰ বাবে উদ্বিগ্ন হৈ পৰিল আৰু তেওঁলোকৰ

সুৰক্ষাৰ বাবে দুশ্চিন্তাত পৰিল। তেওঁলোকে ক'লে- 'ভয় নকৰিব আৰু দুশ্চিন্তাও নকৰিব। আপোনাৰ পত্নীৰ বাহিৰে আপোনাক আৰু আপোনাৰ পৰিয়ালবৰ্গক আমি ৰক্ষা কৰিম। তেওঁ পিছত ৰৈ যোৱা মানুহবিলাকৰ লগত থাকিব।' (৩৪) নিশ্চয় আমি এই জনবসতিৰ মানুহবিলাকৰ দুশ্চৰিত্রৰ বাবে সিহঁতৰ ওপৰত এটা দৈৱ দুর্যোগ অৱতীর্ণ কৰিম। (৩৫) জ্ঞানসম্পন্ন মানুহৰ বাবে আমি সেই জনবসতিত এটা সুস্পষ্ট নিদর্শন ৰাখি থলো।

(৩৬) মাদয়ানবাসীৰ প্ৰতি আমি সিহঁতৰে জাতিভাই চুআইবক পঠাইছিলো। তেওঁ কৈছিল- 'হে মোৰ জাতিভাইসকল, আল্লাহৰ উপাসনা কৰা আৰু শেষ বিচাৰৰ দিনটোৰ প্ৰতি আশাবাদী হোৱা আৰু পৃথিৰীত বিশৃঙ্খলা সৃষ্টি নকৰিবা আৰু উদ্ভগুলি নকৰিবা।' (৩৭) কিন্তু সিহঁতে তেওঁক অগ্ৰাহ্য কৰিলে; সেয়ে সিহঁতক এক প্ৰবল ভূমিকম্পই আক্ৰান্ত কৰিলে আৰু সিহঁত নিজ ঘৰতে উবুৰি খাই পৰি ৰ'ল।

(৩৮) আমি আদ আৰু চামূদ জাতিকো বিনাশ কৰিলো। সিহঁতৰ ধ্বংসপ্ৰাপ্ত ঠাইবিলাক তোমালোকে দেখিছাই। ছয়তানে সিহঁতৰ কাম-কাজবোৰক সিহঁতৰ বাবে মনোগ্ৰাহী কৰি দিছিল আৰু সৎপথৰ পৰা সিহঁতক আঁতৰাই ৰাখিছিল যদিও সিহঁত বুদ্ধিমান আছিল।

(৩৯) কাৰুণ, ফিৰাউন আৰু হামানকো ধ্বংস কৰিলো। মূছাই সিহঁতলৈ স্পষ্ট নিদর্শন লৈ আহিছিল, কিন্তু সিহঁতে ধৰণীত অহংকাৰ কৰিবলৈ ল'লে; অথচ সিহঁতে আমাৰ পৰা হাত সাৰি যাব নোৱাৰিলে। (৪০) সিহঁতৰ প্ৰত্যেককে আমি সিহঁতৰ নিজ অপৰাধৰ বাবে আটক কৰিলো। সিহঁতৰ কিছুমানৰ ওপৰত শিলবৃষ্টিকাৰী ধুমুহা পঠালো। তাৰে কিছুমানক বজ্রধ্বনিয়ে আঘাত কৰিলে আৰু কিছুমানক ভূগর্ভত পুতি পেলালো আৰু কিছুমানক ডুবাই মাৰিলো। আল্লাহে সিহঁতৰ প্ৰতি অন্যায় কৰা নাছিল, সিহঁতে নিজেহে নিজৰ প্ৰতি অন্যায় কৰিছিল।

(৪১) যিবিলাকে আল্লাহক বাদ দি আনক পৃষ্ঠপোষক কৰি লৈছে, সিহঁতৰ অৱস্থা মকৰাৰ দৰে। সি নিজৰ বাবে এটা ঘৰ সাজিলে; কিন্তু আটাইতকৈ দুৰ্বল ঘৰ হ'ল মকৰাৰ ঘৰ। হায়! সেই মানুহবিলাকে যদি বুজিলেহেঁতেন! (৪২) আল্লাহক এৰি সিহঁতে যিহকেই আহবান কৰে, সেয়া সকলো তেওঁ ভালকৈ জানে। তেওঁ প্ৰবল পৰাক্ৰমী, প্ৰজ্ঞাময়। (৪৩) এইবোৰ উদাহৰণ আমি মানুহৰ বাবে দাঙি ধৰিছো; কিন্তু তেওঁলোকেহে এইবোৰ বুজিব পাৰে, যিসকলৰ জ্ঞান-বুদ্ধি আছে। (৪৪) আকাশমণ্ডল আৰু পৃথিৱী আল্লাহে এটি নিৰ্দিষ্ট উদ্দেশ্যেৰে সৃষ্টি কৰিছে। নিশ্চয় ইয়াত বিশ্বাস স্থাপনকাৰীসকলৰ বাবে এটা নিদৰ্শন আছে।

(৪৫) তোমাৰ প্ৰতি যিখন পুথি অৱতীৰ্ণ কৰা হৈছে, সেয়া পাঠ কৰা আৰু নামাজ প্ৰতিষ্ঠা কৰা। নিশ্চয় নামাজে অশ্লীল আৰু গৰ্হিত কামৰ পৰা বিৰত ৰাখে আৰু উত্তম হ'ল আল্লাহক স্মৰণ কৰা। তোমালোকে যিহকে কৰা, সেয়া আল্লাহে জানে।

(৪৬) হে বিশ্বাস স্থাপনকাৰীসকল, ঐশীপুথি প্ৰাপ্তসকলৰ লগত যুক্তি-তৰ্ক কৰিলে, অতি উত্তমভাৱে কৰিবা। অৱশ্যে সিহঁতৰ অন্যায়কাৰীবিলাকৰ লগত নহয়। কোৱা- 'আমাৰ প্ৰতি যি অৱতীৰ্ণ কৰা হৈছে আৰু তোমালোকৰ প্ৰতিও যি অৱতীৰ্ণ কৰা হৈছিল, সেইবোৰৰ প্ৰতি আমি বিশ্বাস স্থপন কৰিছো। আমাৰ উপাস্য আৰু তোমালোকৰ উপাস্য একেজনেই আৰু আমি তেওঁৰ ওচৰত আত্মসমৰ্পণ কৰিছো।'

(৪৭) অনুৰূপভাৱে আমি তোমাৰ প্ৰতি এই পুথি অৱতীৰ্ণ কৰিছো। সেয়ে যিসকলক আমি পুথি প্ৰদান কৰিছিলো, সিহঁতে ইয়াৰ প্ৰতি বিশ্বাস স্থাপন কৰে আৰু তোমালোকৰ মাজৰ বহু মানুহেও বিশ্বাস স্থাপন কৰিছে। কেৱল অবিশ্বাসকাৰী মানুহবিলাকেহে আমাৰ বাণীসমূহ অস্বীকাৰ কৰে। (৪৮) ইয়াৰ আগেয়ে তুমি কোনো পুথি পাঠ কৰা নাই আৰু নিজ হাতেৰেও

কোনো কিছু লিখাও নাই। তেনে কৰাহেঁতেন, অসত্যবাদীবিলাকে সন্দেহ কৰাৰ থল পালেহেঁতেন। (৪৯) আচলতে যিসকলক জ্ঞান দান কৰা হৈছে, তেওঁলোকৰ অন্তৰত এই কুৰআন উজ্বল নিদর্শন হিচাবে বিৰাজমান হৈ আছে। কেৱল মাথোন অন্যায়কাৰীবিলাকেহে আমাৰ বাণীসমূহ মানিবলৈ অস্বীকাৰ কৰে।

(৫০) সিহঁতে কয়- 'তেওঁৰ প্রভুৰ পৰা তেওঁলৈ কোনো নিদর্শন পঠোৱা হোৱা নাই কিয়?' কোৱা- 'নিদর্শনসমূহ আল্লাহৰ ওচৰতহে আছে। মই এজন স্পষ্টভাৱে সাৱধান কৰোতাহে মাথোন।' (৫১) এয়াই সিহঁতৰ বাবে যথেষ্ট নহয়নে যে আমি এই পুথি তোমাৰ প্রতি অৱতীর্ণ কৰিছো , সিহঁতক পাঠ কৰি শুনোৱাৰ বাবে। নিশ্চয় এয়া কৰুণা আৰু হিতোপদেশ বিশ্বাস স্থাপনকাৰীসকলৰ বাবে। (৫২) কোৱা- 'মোৰ আৰু তোমালোকৰ মাজত সাক্ষ্য হিচাবে আল্লাহেই যথেষ্ট। আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সেই সকলো তেওঁ জানে। যিবিলাকে অসত্যক বিশ্বাস কৰে আৰু আল্লাহক অস্বীকাৰ কৰে, সিহঁতহে ক্ষতিগ্রস্ত হ'ব।'

(৫৩) অবিলম্বে শাস্তি আনিবলৈ সেই মানুহবিলাকে তোমাক কৈছে। তাৰ বাবে যদি এটা সময় নির্দিষ্ট কৰি দিয়া নহ'লহেঁতেন, তেনেহ'লে সিহঁতলৈ শাস্তি আহিলেই হেঁতেন। নিশ্চয় সেয়া হঠাৎ আহি সিহঁতৰ ওপৰত পৰিব আৰু সিহঁতে তাৰ ততকেই ধৰিব নোৱাৰিব। (৫৪) অনতিপলমে শাস্তি আনি দিবলৈ সিহঁতে তোমাক কৈছে। কিন্তু জাহান্নামে অবিশ্বাসকাৰীবিলাকক পৰিবেষ্টন কৰি আছেই। (৫৫) সেইদিনা সিহঁতক মূৰৰ ওপৰৰ পৰা আৰু ভৰিৰ তলৰ পৰা শাস্তিয়ে আৱৰি ধৰিব। সিহঁতক কোৱা হ'ব- '(এতিয়া শাস্তিৰ) সোৱাদ লোৱা তোমালোকৰ নিজ কৃতকর্মৰ বাবে।'

(৫৬) হে বিশ্বাস স্থাপনকাৰী মোৰ বান্দাসকল, মোৰ পৃথিৱীখন বিশাল। এতেকে তোমালোকে কেৱল মোকহে উপাসনা কৰা। (৫৭) প্রত্যেক জীৱই

মৃত্যুৰ সোৱাদ ল'ব লাগিব। পিছত তোমালোক সকলোকে মোৰ ওচৰলৈকে ঘূৰাই অনা হ'ব। (৫৮) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, তেওঁলোকক আমি জান্নাতৰ সুউচ্চ অট্টালিকাত থাকিবলৈ দিম যাৰ মাজেৰে নিজৰাবোৰ প্ৰবাহিত হৈ থাকে। তাত তেওঁলোক চিৰকাল থাকিব। সৎকৰ্মীসকলৰ বাবে এয়া কিমান যে উত্তম প্ৰতিদান, (৫৯) আৰু যিসকলে ধৈৰ্য ধৰি সহি থাকে আৰু নিজ প্ৰভুৰ ওপৰত ভৰসা কৰে! (৬০) এনে কিমান যে জীৱ-জন্তু আছে, যিবোৰে নিজৰ খাদ্য বহন কৰি লৈ নুফুৰে। আল্লাহে সিবিলাকক আৰু তোমালোককো খাদ্য দিয়ে। তেওঁ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ।

(৬১) তুমি যদি সিহঁতক সোধা- 'আকাশমণ্ডল আৰু পৃথিৱী কোনে সৃষ্টি কৰিছে আৰু সূর্য আৰু চন্দ্রক কোনে নিয়ন্ত্রণত ৰাখিছে?' সিহঁতে ক'ব- 'আল্লাহ'। তেনেহ'লে সিহঁত কেনেকৈ প্ৰতাড়িত হ'ল? (৬২) আল্লাহে তেওঁৰ দাসবিলাকৰ যাক ইচ্ছা কৰে, তাৰ জীৱিকা প্ৰশস্ত কৰি দিয়ে আৰু যাক ইচ্ছা কৰে, তাৰ জীৱিকা সংকুচিত কৰি দিয়ে। প্ৰকৃততে সকলো বস্তু সম্পৰ্কে আল্লাহ সম্পূৰ্ণ অৱগত। (৬৩) তুমি যদি সিহঁতক সোধা- 'আকাশৰ পৰা কোনে পানী বৰ্ষণ কৰে আৰু তাৰ দ্বাৰা মৃত পৃথিৱীক কোনে সজীৱ কৰি তুলে?' সিহঁতে নিশ্চয় উত্তৰ দিব- 'আল্লাহ।' কোৱা- 'সকলো প্ৰশংসা আল্লাহৰ বাবেই', কিন্তু সিহঁতৰ সৰহভাগেই এয়া বুজি নাপায়।

(৬৪) এই পাৰ্থিৱ জীৱন আমোদ-প্ৰমোদ আৰু ৰং-ধেমালিৰ বাহিৰে আন একো নহয়। পৰকালৰ জীৱনেই প্ৰকৃত জীৱন। এই কথা যদি সিহঁতে জানিলেহেঁতেন। (৬৫) সিহঁতে যেতিয়া নাৱত আৰোহন কৰে, তেতিয়া সিহঁতে ধৰ্মনিষ্ঠ হৈ বিশুদ্ধ চিত্তে আল্লাহক প্ৰাৰ্থনা কৰে। কিন্তু তেওঁ সিহঁতক উদ্ধাৰ কৰি বামলৈ অনাৰ পিছতেই সিহঁতে তেওঁৰ লগত আনক অংশী কৰিবলৈ ধৰে। (৬৬) এনেদৰে আমি কৰা অনুগ্ৰহৰ প্ৰতি সিহঁত অকৃতজ্ঞ হয়। সিহঁতক কিছুদিন ভোগ-বিলাসত মত্ত হৈ থাকিবলৈ দিয়া। অচিৰেই সিহঁতে গম পাব।

(৬৭) সিহঁতে দেখা নাইনে, আমি সিহঁতৰ বাবে কি দৰে এখনি শান্তিপূর্ণ নিৰাপদ স্থান কৰি দিছো; অথচ ইয়াৰ চৌপাশৰ মানুহ অপহৃত হয়? তথাচ সিহঁতে অসত্যক বিশ্বাস কৰিবনে আৰু আল্লাহৰ অনুগ্রহক অস্বীকাৰ কৰিবনে? (৬৮) যিজন মানুহে আল্লাহ সম্বন্ধে মিছা ৰচনা কৰে নাইবা তাৰ ওচৰলৈ সত্য অহাৰ পিছতো সি অস্বীকাৰ কৰে, সেইজনতকৈ অধিক অবিবেচক আন কোন হ'ব পাৰে? সত্য অস্বীকাৰকাৰীবিলাকৰ কাৰণে জাহান্নামেই উপযুক্ত বাসস্থল নহ'বনে? (৬৯) যিসকলে আমাৰ বাবে কঠোৰ সংগ্রাম কৰে, তেওঁলোকক আমি আমাৰ সুপথ দেখুৱাম আৰু অৱশ্যই আল্লাহ সৎকর্মপৰায়ণ সকলৰ লগত থাকে।

৩০. আৰ-ৰূম (ৰোমান)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলিম-লাম-মীম।

(২) ৰোমানবিলাক পৰাভূত হ'ল- (৩) নিকটৱর্তী দেশত। সিহঁতে এই পৰাজয়ৰ পিছত অদূৰ ভৱিষ্যতে বিজয় লাভ কৰিব- (৪) কেই বছৰ মানৰ ভিতৰতেই। আগৰ আৰু পাছৰ সকলো বিষয়ৰ কর্তৃত্ব আল্লাহৰ। সেইদিনা বিশ্বাস স্থাপনকাৰীসকল আনন্দিত হ'ব, (৫) আল্লাহৰ সহায়ৰ বাবে। তেওঁ যাক ইচ্ছা কৰে, তাক তেওঁ সাহায্য দান কৰে আৰু তেওঁ মহা পৰাক্রমী, পৰম দয়ালু। (৬) (এয়া) আল্লাহৰ প্রতিশ্রুতি। আল্লাহে নিজ প্রতিশ্রুতি কেতিয়াও ভংগ নকৰে; কিন্তু সৰহভাগ মানুহে এয়া নাজানে। (৭) সিহঁতে পার্থিৱ জীৱনৰ কেৱল বাহ্যিক দিশটোহে জানে আৰু পৰকাল সম্পর্কে আওকণীয়া।

(৮) সিহঁতে নিজে নিজৰ বিষয়ে চিন্তা কৰা নাইনে? আকাশমণ্ডল আৰু পৃথিৱী আৰু ইয়াৰ মাজত যি আছে, সকলোকে আল্লাহে এটি উদ্দেশ্যৰে

এটা নির্দিষ্ট সময়ৰ বাবে সৃষ্টি কৰিছে। তথাপি অনেক মানুহে সিহঁতৰ প্ৰভুৰ লগত সাক্ষাৎ হ'ব লাগিব বুলি বিশ্বাস নকৰে। (৯) সিহঁতে পৃথিৱীত ঘুৰা-পকা কৰা নাইনে আৰু দেখা নাইনে সিহঁতৰ পূৰ্ৱৱৰ্তীসকলৰ কি দশা হ'ল? সিহঁত ইহঁততকৈও বেছি পৰাক্ৰমী আছিল। সিহঁতে পৃথিৱীত প্ৰচুৰ কৃষিকৰ্ম কৰিছিল। ইহঁতে যি নিমাৰ্ণ কৰিছে, তাতোকৈ সিহঁতে বেছি নিমাৰ্ণ কৰিছিল। সিহঁতৰ নিজৰ ৰছুলসকলে সিহঁতৰ ওচৰলৈ সুস্পষ্ট নিদৰ্শনসমূহ লৈ আহিছিল। আল্লাহে সিহঁতৰ প্ৰতি অন্যায় কৰা নাছিল; ৰৰং সিহঁতে নিজেহে নিজৰ অন্যায় কৰিছিল। (১০) যিবিলাকে দুষ্কাৰ্য কৰিছিল, অৱশেষত সিহঁতৰ পৰিণাম অতি শোচনীয় হ'ল; কিয়নো সিহঁতে আল্লাহৰ নিদৰ্শনসমূহ মানিবলৈ অস্বীকাৰ কৰিছিল আৰু তাকেলৈ ঠাট্টা-বিদ্ৰূপ কৰিছিল।

(১১) আল্লাহে সৃষ্টিৰ সূচনা কৰে আৰু তেৱেঁই তাক পুনৰাবৃত্তি কৰিব। তাৰ পিছত তেওঁৰ পিনেই তোমালোকক ওভতাই নিয়া হ'ব। (১২) যিদিনা কিয়ামত সংঘটিত হ'ব, সেইদিনা অপৰাধীবিলাক হতভম্ভ হৈ পৰিব। (১৩) সিহঁতে (আল্লাহৰ) অংশী কৰি লোৱা উপাস্যবিলাকৰ কোনোৱে সিহঁতৰ হৈ ওকালতি নকৰিব। সিহঁতে নিজেই এই অংশী উপাস্যবিলাকক অস্বীকাৰ কৰিব। (১৪) যিদিনা মহা বিনাশ হ'ব, সিদিনা সকলো মানুহ বিভিন্ন দলত বিভক্ত হৈ পৰিব। (১৫) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, তেওঁলোকক এখনি সুখ-স্বচ্ছন্দৰ উদ্যানত অৱস্থান কৰোৱা হ'ব। (১৬) আনহাতে যিবিলাকে অবিশ্বাস কৰিছে, আমাৰ নিদৰ্শনসমূহ উপেক্ষা কৰিছে আৰু পৰকালৰ সাক্ষাৎকাৰক মিছা বুলি অস্বীকাৰ কৰিছে, সিহঁতক শাস্তিৰ বাবে উপস্থিত কৰোৱা হ'ব। (১৭) সেয়ে তোমালোকে পুৱা-গধূলি আল্লাহৰ পৱিত্ৰতা আৰু মহিমা কীৰ্তন কৰা। (১৮) আকাশমণ্ডল আৰু পৃথিৱীত সকলো প্ৰশংসা তেওঁৰেই। দুপৰীয়া আৰু আবেলি পৰত তেওঁৰে কীৰ্তন কৰা।

(১৯) তেৱেঁই নিৰ্জীৱৰ পৰা সজীৱ উলিয়ায় আৰু সজীৱৰ পৰা নিৰ্জীৱ

উলিয়ায়। তেৱেঁই পৃথিৱীক তাৰ মৃত্যুৰ পিছত সঞ্জীৱিত কৰে আৰু তেনেদৰে তোমালোককো পুনৰজীৱিত কৰি উলিয়াই আনিব। (২০) তেওঁৰ নিদর্শনসমূহৰ এটা নিদর্শন হ'ল, তেওঁ তোমালোকক মাটিৰ পৰা সৃষ্টি কৰিলে। তাৰ পিছত তোমালোক মানৱৰূপে পৃথিৱীত সিঁচৰিত হৈ পৰিলা।(২১) তেওঁৰ নিদর্শনসমূহৰ আন এটা নিদর্শন হ'ল- তেওঁ তোমালোকৰ বাবে তোমালোকৰ মাজৰ পৰাই সংগিনী সৃষ্টি কৰিছে যাতে তোমালোকে সিহঁতৰ সান্নিধ্যত প্রশান্তি লাভ কৰিব পাৰা আৰু তেওঁ তোমালোকৰ মাজত পাৰস্পৰিক মৰম-চেনেহ সৃষ্টি কৰি দিছে। নিশ্চয় ইয়াত চিন্তা-চর্চা কৰা লোকৰ বাবে বহু নিদর্শন আছে।

(২২) তেওঁৰ নিদর্শনসমূহৰ আন এটা হ'ল- আকাশমণ্ডল আৰু পৃথিৱীৰ সৃষ্টি আৰু তোমালোকৰ ভাষা আৰু বর্ণৰ বৈচিত্রতা। নিশ্চয় ইয়াত বিজ্ঞসকলৰ বাবে বহু নিদর্শন আছে। (২৩) তেওঁৰ নিদর্শনসমূহৰ ভিতৰত হ'ল- শয়নৰ বাবে ৰাতি আৰু অনুগ্রহ অন্বেষণৰ বাবে দিন। মনোযোগ দি শুনা মানুহৰ বাবে ইয়াত বহু নিদর্শন আছে। (২৪) তেওঁৰ নিদর্শনসমূহৰ ভিতৰত হ'ল- তোমালোকৰ মনত ভয় আৰু আশাৰ সঞ্চাৰ কৰিবৰ বাবে তেওঁ তোমালোকক বিজুলীৰ চমক দেখুৱায় আৰু আকাশৰ পৰা পানী বর্ষায়। তাৰ পিছত তাৰে মৃত পৃথিৱীক জীৱন্ত কৰি তোলে। জ্ঞানসম্পন্ন মানুহৰ বাবে ইয়াত বহু নিদর্শন আছে।

(২৫) তেওঁৰ নিদর্শনসমূহৰ ভিতৰত হ'ল- আকাশমণ্ডল আৰু পৃথিৱী তেওঁৰ আদেশতেই সুপ্রতিষ্ঠিত হৈ আছে। পিছত যেতিয়াই তেওঁ তোমালোকক আহ্বান কৰিব, লগে লগেই তোমালোক পৃথিৱীৰ পৰা ওলাই আহিবা।(২৬) আকাশমণ্ডল আৰু পৃথিৱীত যিমান আছে, সকলো তেওঁৰেই। প্রত্যেকেই তেওঁৰ আজ্ঞাবহ।(২৭) তেৱেঁই সৃষ্টিৰ সূচনাকাৰী। তেৱেঁই তাক পুনৰাবৃত্তি কৰিব। এয়া তেওঁৰ পক্ষে অতি সহজ। তেওঁ আকাশমণ্ডল আৰু

পৃথিৱীৰ সৰ্বোচ্চ গুণৰ অধিকাৰী। তেওঁ প্ৰবল পৰাক্ৰমী, প্ৰজ্ঞাময়।

(২৮) তেওঁ তোমালোকৰ নিজৰ পৰাই তোমালোকৰ বাবে এটা উপমা দাঙি ধৰিছে। আমি তোমালোকক যি ঐশ্বৰ্য দান কৰিছো, তাৰ সমান অংশীদাৰ হোৱাৰ তোমালোকৰ দাস-দাসীৰ কোনো অধিকাৰ আছেনে? তোমালোকে সমস্থানৰ এজনে আনজনক যেনেদৰে ভয় কৰা, সিহঁতকো তেনেদৰে ভয় কৰানে? এইদৰে আমি আমাৰ নিদৰ্শনাৱলী জ্ঞানসম্পন্ন মানুহৰ বাবে বিশদভাৱে বৰ্ণনা কৰো। (২৯) তথাপি এই অন্যায়কাৰী মানুহবিলাকে অজ্ঞানতাবশতঃ নিজ ধ্যান-ধাৰণাক অনুসৰণ কৰে। আল্লাহে যাক পথভ্ৰষ্ট কৰিছে, কোনে তাক সৎপথ দেখুৱাব পাৰে? সিহঁতক সহায় কৰোতা কোনো নাই।

(৩০) এতেকে একনিষ্ঠভাৱে নিজকে এই ধৰ্মত প্ৰতিষ্ঠিত ৰাখা। প্ৰকৃতিক আল্লাহে যিদৰে সৃষ্টি কৰিছে, অনুৰূপভাৱে অনুসৰণ কৰা। আল্লাহৰ সৃষ্টিক কোনোৱে সাল-সলনি কৰিব নোৱাৰে। এইটোৱেই সৰ্বতো ভাৱে সত্য ধৰ্ম; কিন্তু সৰহভাগ মানুহে এয়া অনুভৱ নকৰে। (৩১) বিশুদ্ধ চিত্তে তেওঁৰ অভিমুখী হোৱা আৰু তেওঁক ভয় কৰা। দৃঢ়তাৰে নামাজ প্ৰতিষ্ঠা কৰা আৰু অংশীবাদীবিলাকৰ দলভুক্ত নহ'বা- (৩২) যিবিলাকে নিজ ধৰ্মত বিভাজন সৃষ্টি কৰিছে আৰু বিভিন্ন দল-উপদলত বিভক্ত হৈছে। প্ৰত্যেক দলেই নিজ নিজ মতবাদলৈ সন্তুষ্ট হৈ আছে।

(৩৩) মানুহ যেতিয়া কোনো দুখ-কষ্টত পৰে, তেতিয়া সিহঁতে সিহঁতৰ প্ৰভুৰ অভিমুখী হৈ অনুশোচনাৰ সৈতে তেওঁকেই বিনীতভাৱে মিনতি কৰে। পিছত যেতিয়া তেওঁ সিহঁতক নিজ অনুগ্ৰহৰ সোৱাদ ল'বলৈ দিয়ে, তেতিয়া সিহঁতৰ এটা দলে সিহঁতৰ প্ৰভুৰ অংশী স্থাপন কৰিবলৈ লয়। (৩৪) আৰু আমি সিহঁতক যি দান কৰিছো, সেইবোৰৰ প্ৰতি সিহঁত অকৃতজ্ঞ হয়। ঠিক আছে, কিছুদিন তোমালোকে ভোগ কৰি লোৱা। অচিৰেই তোমালোকে জানিবলৈ পাবা। (৩৫) আমি সিহঁতলৈ এনে কোনো চনদ অৱতীৰ্ণ কৰিছো

নেকি, যিয়ে সিহঁতে স্থাপন কৰা অংশীবাদৰ সত্যতাৰ সাক্ষ্য দিয়ে?

(৩৬) যেতিয়া আমি মানৱ জাতিক আমাৰ কৰুণাৰ সোৱাদ ল'বলৈ দিও, তেতিয়া সেয়া পাই সিহঁত উৎফুল্ল হৈ উঠে আৰু নিজ কৃতকৰ্মৰ বাবে সিহঁতৰ ওপৰত কোনো বিপদ আহিলে, সিহঁত নিৰাশ হৈ পৰে। (৩৭) সিহঁতে দেখা নাইনে, আল্লাহে যাক ইচ্ছা কৰে, তাৰ জীৱিকা প্ৰশস্ত কৰে আৰু যাক ইচ্ছা কৰে, তাক সংকুচিত কৰি দিয়ে? নিশ্চয় ইয়াত বিশ্বাস স্থাপনকাৰীসকলৰ বাবে বহু নিদৰ্শন আছে। (৩৮) এতেকে নিকটাত্মীয় আত্মীয়-স্বজন, অভাৱগ্ৰস্ত আৰু ভ্ৰমণৰত লোকৰ প্ৰাপ্য দিবা। যিসকলে আল্লাহৰ সন্তুষ্টি কামনা কৰে, তেওঁলোকৰ বাবে এয়া উত্তম আৰু তেওঁলোকেই সাফল্য মণ্ডিত হ'ব। (৩৯) আৰু যি সুদ তোমালোকে দিয়া যাতে মানুহৰ মূলধনৰ সৈতে লগ লাগি বৃদ্ধি পায় এই আশাৰে, সেয়া আল্লাহৰ মানত বৃদ্ধি নাপায়; কিন্তু আল্লাহৰ সন্তুষ্টি কামনা কৰি তোমালোকে যি যাকাত দিয়া, সেয়া কেবাগুণো বৃদ্ধি পায়।

(৪০) তেৱেঁই আল্লাহ, যিজনে তোমালোকক সৃষ্টি কৰিছে, তাৰ পিছত তোমালোকক জীৱিকা দান কৰিছে। পিছত তেৱেঁই তোমালোকক মৃত্যু ঘটাব আৰু তেৱেঁই পুনৰ জীৱিত কৰিব। তোমালোকে (আল্লাহৰ লগত) অংশী কৰি লোৱা সকলৰ এনে কোন আছে, যিজনে এইবোৰৰ যিকোনো এটা কৰিব পাৰে? তেওঁ মহা মহিম। সিহঁতে যাক অংশী কৰি লৈছে, তাতকৈ তেওঁ বহু উৰ্ধত। (৪১) মানুহৰ নিজ কৰ্মৰ ফল স্বৰূপে জলে-স্থলে বিপৰ্যয় উদ্ভৱ হৈছে। সেয়ে তেওঁ সিহঁতৰ কিছুমানক সিহঁতৰ অপকৰ্মৰ সোৱাদ লোৱাব পাৰে। ফলত সিহঁত অপকৰ্মৰ পৰা উভতি আহিব। (৪২) কোৱা- 'পৃথিৱীত ঘূৰি-পকি চোৱা, পূৰ্বৱতী মানুহবিলাকৰ কি দশা হ'ল? সিহঁতৰ সৰহভাগেই আল্লাহৰ লগত অংশী কৰিছিল।'

(৪৩) (হে নবী) সঠিক সত্য ধৰ্মৰ পিনে মুখ কৰি থাকিবা, সেই দিনটো আল্লাহৰ পক্ষৰ পৰা অহাৰ পূৰ্বেই, যিটো কোনোৱে ইফাল-সিফাল কৰিব

নোৱাৰে। সেইদিনা মানুহ দুদলত বিভক্ত হ'ব। (৪৪) যিবিলাকে সত্যক অস্বীকাৰ কৰিছে, তাৰ অস্বীকাৰৰ ফল তাৰ ওপৰতেই বর্তিব আৰু যিসকলে সৎকর্ম কৰিছে, তেওঁলোকে নিজৰ বাবেই মংগল সাধন কৰিছে। (৪৫) যাতে তেওঁ বিশ্বাস স্থাপনকাৰী আৰু সৎকর্মপৰায়ণ লোকসকলক তেওঁৰ অনুগ্রহ দানেৰে ধন্য কৰাব পাৰে। তেওঁ অবিশ্বাসকাৰীবিলাকক ভাল নাপায়।

(৪৬) তেওঁৰ নিদর্শনসমূহৰ ভিতৰত এইটোও এটা- তেওঁ সুসংবাদবাহী হিচাবে বায়ুক পঠায় যাতে তোমালোকক তেওঁৰ কৰুণাৰ সোৱাদ আস্বাদন কৰাব পাৰে আৰু যাতে তেওঁৰ আদেশতে নাওবিলাক চলাচল কৰে আৰু তোমালোকে তেওঁৰ অনুগ্রহ সন্ধান কৰিব পাৰা আৰু তেওঁৰ কৃতজ্ঞতা প্রকাশ কৰা। (৪৭) নিশ্চয় আমি তোমাৰ পূর্বে ৰছুলসকলক তেওঁলোকৰ জাতিৰ মানুহবিলাকৰ প্রতি পঠিয়াইছিলো। তেওঁলোকে তেওঁলোকৰ ওচৰলৈ সুস্পষ্ট নিদর্শন লৈ আহিছিল। পিছত যিবিলাকে অপৰাধ কৰিছিল, আমি সিহঁতৰ প্রতিশোধ ল'লো। বিশ্বাস স্থাপনকাৰীসকলক সহায় কৰা আমাৰ দায়িত্ব।

(৪৮) তেৰেঁই আল্লাহ, যিজনে বতাহ প্রেৰণ কৰে আৰু তাৰ দ্বাৰা মেঘমালা উত্থিত কৰে। ইয়াৰ পিছত আল্লাহে যেনেদৰে বিচাৰে তেনেদৰে আকাশত সিঁচৰিত কৰে আৰু তাক তৰপে তৰপে স্থাপন কৰে আৰু পিছত দেখিবলৈ পোৱা তাৰ পৰা বৰষুণ টোপা-টোপে পৰিবলৈ ধৰে। তেওঁ তেওঁৰ দাসবিলাকৰ যাৰ প্রতি ইচ্ছা কৰে, সিহঁতৰ প্রতি এয়া বর্ষণ কৰে আৰু সিহঁত উৎফুল্লিত হয়, (৪৯) যদিও ইয়াৰ আগতে এয়া সিহঁতৰ ওপৰত বর্ষণ হোৱাৰ আগলৈকে সিহঁত নিৰাশ হৈ আছিল। (৫০) চোৱা, আল্লাহৰ কৰুণাৰ নিদর্শনসমূহ- মৃত হৈ পৰি থকা পৃথিৱীক কেনেদৰে জীৱিত কৰি তোলেহুঁ নিশ্চয় তেৰেঁই এইদৰে মৃতকক জীৱিত কৰিব আৰু তেওঁ সর্ব বিষয়ত ক্ষমতাবান। (৫১) আমি যদি এনে বতাহ প্রেৰণ কৰো, যাৰ ফলত সিহঁতৰ শস্য হালধীয়া হোৱা দেখিবলৈ পায়, তাৰ পিছতো সিহঁতে (আমাৰ কৰুণাক)

অস্বীকাৰ কৰিয়েই থাকিব। (৫২) (হে নবী) তুমি মৃতবিলাকক শুনাব নোৱাৰা আৰু সেই বধিৰবিলাককো তোমাৰ আহবান শুনাব নোৱাৰা যেতিয়া সিহঁতে পিঠি দি আঁতৰি যায়। (৫৩) যি দৰে তুমি অন্ধবিলাককো সিহঁতৰ পথভ্রষ্টতাৰ পৰা সৎপথলৈ আনিব নোৱাৰা। যিসকলে স্বইচ্ছাই আমাৰ বাণীসমূহৰ প্ৰতি বিশ্বাস স্থাপন কৰে, তেওঁলোকৰ বাদে আনক তোমাৰ বাণী শুনাব নোৱাৰা। তেওঁলোকে নিজেই আমাৰ প্ৰতি অনুগত হয় আৰু মূৰ নত কৰে।

(৫৪) আল্লাহ তেৱেঁই, যিজনে দুৰ্বল অৱস্থাৰে তোমালোকৰ সৃষ্টিৰ সূচনা কৰিলে। এই দুৰ্বল অৱস্থাৰ পিছত তোমালোকক শক্তি দান কৰিলে। এই শক্তিৱন্ত অৱস্থাৰ পৰা আকৌ দুৰ্বল আৰু পকামূৰীয়া অৱস্থালৈ নিলে। তেওঁৰ যি ইচ্ছা, সৃষ্টি কৰে। তেওঁ সৰ্বজ্ঞ, সৰ্ব বিষয়ে ক্ষমতাবান। (৫৫) সিদিনা যেতিয়া অন্তিম মুহূৰ্তটো আহি পাবহি, তেতিয়া অপৰাধীবিলাকে শপত খাই ক'ব, সিহঁত এক মুহূৰ্ততকৈ অধিক কাল অৱস্থান কৰা নাছিল। এইদৰে সিহঁত সততে প্ৰতাৰিত হৈ আছিল। (৫৬) কিন্তু যিসকলক জ্ঞান আৰু আস্থা দান কৰা হৈছিল, তেওঁলোকে ক'ব- 'নিশ্চয় তোমালোকে আল্লাহৰ বিধান অনুযায়ী পুনৰুত্থানৰ দিনলৈকে অৱস্থান কৰিছিলা। এইটোৱেই পুনৰুত্থানৰ দিন, কিন্তু তোমালোকে জনা নাছিলা।' (৫৭) সেয়ে সেইদিনা সিহঁতৰ ওজৰ-আপত্তি কোনো কামত নাহিব আৰু সিহঁতক ক্ষমা খুজিবলৈও দিয়া নহ'ব।

(৫৮) দৰাচলতে আমি এই কুৰআনত মানুহৰ বাবে নানা উপমা দাঙি ধৰিছো। তুমি যদি সিহঁতৰ ওচৰলৈ কোনো নিদৰ্শন আনা, যিবিলাকে অবিশ্বাস কৰিছে, সিহঁতে ক'ব- 'তোমালোক অসত্যবাদীৰ বাহিৰে আন একো নোহোৱা।' (৫৯) এনেদৰে আল্লাহে অজ্ঞান মানুহবিলাকৰ অন্তৰত মোহৰ মাৰি দিয়ে। (৬০) এতেকে (হে নবী) ধৈর্য ধাৰণ কৰা। নিশ্চয় আল্লাহৰ প্ৰতিশ্ৰুতি সত্য। যিবিলাকে দৃঢ় বিশ্বাস পোষণ নকৰে, সিহঁতে যেন তোমাক বিচলিত কৰিব নোৱাৰে।

৩১. লোকমান (লোকমান)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলিফ-লাম-মীম।

(২) এইসমূহ জ্ঞানগর্ভ পুথিৰ আয়াত। (৩) এয়া পথনির্দেশনা আৰু কৰুণা সেইসকল সৎকর্মপৰায়ণ মানুহৰ বাবে, (৪) যিসকলে নামাজ প্রতিষ্ঠা কৰে, যাকাত আদায় দিয়ে আৰু পৰকাল সম্পর্কে দৃঢ় বিশ্বাস পোষণ কৰে। (৫) এওঁলোকেই নিজ প্রভুৰ সৎপথত প্রতিষ্ঠিত হৈ আছে আৰু এওঁলোকেই সফলতা লাভ কৰিব।

(৬) মানুহৰ মাজত এনে মানুহো আছে, যিবিলাকে মানুহক আল্লাহৰ পথৰ পৰা বিপথে নিবৰ বাবে সময় খৰচ কৰে আৰু সঠিক জ্ঞানবোধ নথকা সত্ত্বেও উপহাস কৰে। এনে মানুহৰ বাবে লাঞ্ছনাদায়ক শাস্তি আছে। (৭) তেনে মানুহক যেতিয়া আমাৰ বাণীসমূহ শুনোৱা হয়, তেতিয়া সি দাংকোপ মাৰি মুখ ঘূৰাই লয়, যেন সেয়া সি শুনাই নাই, যেনিবা সি কাণ কলা মানুহ। এতেকে তাক যন্ত্রণাদায়ক শাস্তিৰ সুসংবাদ দিয়া। (৮) নিঃসন্দেহ, যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকর্ম কৰে, তেওঁলোকৰ বাবে আছে সুখ-স্বাচ্ছন্দৰে ভৰা বিতোপন উদ্যানসমূহ, (৯) য'ত তেওঁলোক চিৰকাল থাকিব। এয়া আল্লাহৰ সত্য প্রতিশ্রুতি। তেওঁ প্রবল পৰাক্রমী, প্রজ্ঞাময়।

(১০) খুটা নোহোৱাকৈ তেওঁ আকাশমণ্ডল সৃষ্টি কৰিছে, সেয়া তোমালোকে দেখিছাই আৰু পৃথিৱীৰ ওপৰত দৃঢ়ভাৱে পর্বতমালা স্থাপন কৰি দিছে যাতে তোমালোকক লৈ পৃথিৱী ঢলি নপৰে। তেওঁ সকলো প্রকাৰৰ প্রাণী ধৰাৰ বুকুত বিস্তাৰ কৰি দিছে। আৰু আমি আকাশৰ পৰা পানী বর্ষাইছো আৰু এইদৰে আমি পৃথিৱীত নানা তৰহৰ উৎকৃষ্ট উদ্ভিদ উৎপন্ন কৰিছো। (১১) এয়া আল্লাহৰ সৃষ্টি। দেখুৱাছোন মোক, তেওঁৰ ব্যতীত আনে কি সৃষ্টি

কৰিছে! দৰাচলতে অবিচাৰী মানুহবিলাকে স্পষ্ট ভ্ৰান্তিত পতিত হৈ আছে।

(১২) আমি লোকমানক জ্ঞান-বুদ্ধি দান কৰিছিলো আৰু কৈছিলো- 'আল্লাহৰ ওচৰত কৃতজ্ঞ হোৱা।' যিজনে আল্লাহৰ কৃতজ্ঞ হয়, তেওঁ নিজৰ কল্যাণৰ বাবেই কৃতজ্ঞ হয় আৰু যদি কৃতজ্ঞ হ'বলৈ অমান্তি হয়, তেনেহ'লে প্ৰকৃততে আল্লাহ কাৰো ওপৰত নিৰ্ভৰশীল নহয় আৰু তেওঁ স্বয়ং প্ৰশংসিত। (১৩) লোকমানে তেওঁৰ পুতেকক উপদেশ দি কৈছিল- 'হে মোৰ মৰমৰ পুত্ৰ, আল্লাহৰ লগত আন কাকো অংশী নকৰিবা। আল্লাহৰ লগত আনক অংশী কৰাটো ঘোৰ অন্যায়।'

(১৪) আমি মানুহক তাৰ পিতৃ-মাতৃৰ প্ৰতি সদয় হ'বলৈ জোৰ দি উপদেশ দিছিলো। তাৰ মাকে কষ্টৰ উপৰিও কষ্ট সহ্য কৰি তাক গৰ্ভত বহন কৰিছিল আৰু তাক পিয়াহ এৰুৱাবলৈ দুবছৰ লাগিছিল। (সেয়ে আমি কৈছিলো)- 'মোৰ শলাগ লোৱা আৰু নিজ পিতৃ-মাতৃৰ প্ৰতিও কৃতজ্ঞ হৈ থাকা। তোমালোক সকলোৱে মোৰ ওচৰলৈকে ঘূৰি আহিব লাগিব।' (১৫) কিন্তু সিহঁতে যদি মোৰ লগত আন কোনো কিছুক অংশী কৰিবলৈ হেঁচা দিয়ে যাৰ বিষয়ে তোমাৰ কোনো জ্ঞান নাই, তেনেহ'লে কদাপিও সিহঁতৰ কথা নামানিবা। অৱশ্যে এই পৃথিৱীত সিহঁতৰ প্ৰতি সদয় হ'বা; কিন্তু তেওঁৰহে পথ অনুসৰণ কৰিবা, যিয়ে মোৰ অভিমুখী হৈছে। অৱশেষত তোমালোক সকলোৱে মোৰ ওচৰলৈকে ঘূৰি আহিব লাগিব আৰু মই তোমালোকক জনাই দিম তোমালোকে কি কৰ্ম কৰিছিলা।

(১৬) (লোকমানে আকৌ ক'লে)- 'হে মোৰ পুত্ৰ, কোনো বস্তু যদি সৰিয়হৰ বীজটোৰ সমানো হয় আৰু ই যদি শিলৰ ভিতৰত নাইবা আকাশমণ্ডলত অথবা ভূগৰ্ভতো লুকাই থাকে, আল্লাহে তাক উলিয়াই আনিব। নিশ্চয় আল্লাহ সূক্ষ্মদৰ্শী, সৰ্বজ্ঞ। (১৭) হে মোৰ মৰমৰ পুত্ৰ, নামাজ প্ৰতিষ্ঠা কৰিবা, সৎকৰ্মৰ আদেশ দিবা, অসৎকৰ্ম নিষেধ কৰিবা আৰু তোমাৰ ওপৰত

যিকোনো বিপদেই নাহক কিয়, ধৈর্য সহকাৰে সহি থাকিবা। নিশ্চয় ইয়াৰ বাবে দৃঢ় মনোবলৰ প্ৰয়োজন। (১৮) অহংকাৰত মানুহৰ পৰা মুখ ঘূৰাই নিনিবা আৰু পৃথিৱীত ফিতাহি মাৰি নুফুৰিবা। আল্লাহে আত্মাভিমানী গৰ্বী মানুহক ভাল নাপায়। (১৯) সংযতভাৱে চলা-ফিৰা কৰিবা আৰু মৃদুস্বৰে কথা ক'বা। সবাতোকৈ শ্ৰুতিকটু মাত হ'ল গাধৰ মাত।'

(২০) তোমালোকে দেখা নাইনে, আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সেই সকলো আল্লাহে তোমালোকৰ আয়ত্বাধীন কৰি দিছে আৰু তোমালোকৰ প্ৰতি তেওঁৰ প্ৰকাশ্য আৰু অপ্ৰকাশ্য অনুগ্ৰহবোৰ সম্পূৰ্ণ কৰি দিছে? তথাপিও এনে কিছুমান মানুহ আছে, যিবিলাকে আল্লাহ সম্পৰ্কে তৰ্ক-বিতৰ্ক কৰে, নে সিহঁতৰ কোনো জ্ঞান আছে, নে কোনো পথনিৰ্দেশনা আছে, নে কোনো দীপ্তিমান পুথি আছে। (২১) যেতিয়া সিহঁতক কোৱা হয়- 'আল্লাহে যি অৱতীৰ্ণ কৰিছে, সেয়া মানি চলা।' সিহঁতে কয়- 'ওহোঁ, আমি তাকেহে মানি চলিম, আমাৰ পিতৃ-পিতামহসকলে যিবোৰ মানি চলিছিল।' হয়নে! ছয়তানে সিহঁতক জলন্ত অগ্নিৰ পিনে আহবান কৰা সত্ত্বেও?

(২২) যিজনে নিজকে সম্পূৰ্ণৰূপে সঁপি দিয়ে আৰু সৎকৰ্মপৰায়ণ হয়, তেৱেঁই প্ৰকৃততে হাতনি মাৰিত দৃঢ়ভাৱে খামুচি ধৰে। সকলো বিষয়ৰ চূড়ান্ত মীমাংসা আল্লাহৰ হাতত। (২৩) যদি কোনোৱে বিশ্বাস কৰিবলৈ অস্বীকাৰ কৰে, তাৰ অস্বীকাৰে যেন তোমাৰ মন ক্ষুণ্ণ নকৰে। আমাৰ ওচৰলৈকে সিহঁতৰ প্ৰত্যাৱৰ্তন আৰু তেতিয়া আমি সিহঁতক অৱগত কৰিম, সিহঁতে প্ৰকৃততে কি কৰিছিল। মানুহৰ অন্তৰত যিবোৰ আছে, সেয়া আল্লাহে ভালদৰে জানে। (২৪) আমি সিহঁতক অলপ সময়ৰ বাবে ভোগ-বিলাস কৰিবলৈ সুযোগ দিম। তাৰ পিছত আমি সিহঁতক এক কঠোৰ শাস্তিৰ পিনে টানি আনিম।

(২৫) তুমি যদি সিহঁতক সোধা- 'আকাশমণ্ডল আৰু পৃথিৱী কোনে

সৃষ্টি কৰিছে?' সিহঁতে উত্তৰত নিশ্চয় ক'ব- 'আল্লাহ।' কোৱা- 'সকলো প্ৰশংসা আল্লাহৰ বাবেই।' কিন্তু সিহঁতৰ বেছিভাগেই বুজি নাপায়। (২৬) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলো আল্লাহৰেই। আল্লাহ স্বনিৰ্ভৰশীল আৰু তেওঁ প্ৰশংসিত। (২৭) পৃথিৱীৰ সকলো বৃক্ষ যদি কলম হয় আৰু সাগৰ খনৰ লগত আৰু সাতখন সাগৰৰ পানী চিয়াহী হয়, তথাপি আল্লাহৰ কথা লিখা শেষ নহয়। আল্লাহ প্ৰবল পৰাক্ৰমী, প্ৰজ্ঞাময়।

(২৮) তোমালোক সকলোকে সৃষ্টি কৰা আৰু পুনৰজীৱিত কৰা, এটি মাত্ৰ প্ৰাণ সৃষ্টি কৰা আৰু পুনৰ জীৱিত কৰাৰ সমতুল্য। নিশ্চয় আল্লাহে সকলো শুনে, সকলো দেখে। (২৯) তুমি দেখা নাইনে, আল্লাহে ৰাতিক দিনৰ ভিতৰত আৰু দিনক ৰাতিৰ ভিতৰত প্ৰৱেশ কৰায়? তেৱেঁই সূর্য আৰু চন্দ্ৰক তেওঁৰ কাৰ্যৰ বাবে নিয়ন্ত্ৰণ কৰি ৰাখিছে। প্ৰত্যেকেই এটি নিৰ্ধাৰিত কাল পৰ্যন্ত গতি কৰি থাকে আৰু তোমালোকে নাজানে নেকি যে তোমালোকে যি কৰা তাৰ সকলো খবৰ আল্লাহে ৰাখে? (৩০) ইয়াৰ কাৰণ হ'ল আল্লাহেই পৰম সত্য। তেওঁৰ ব্যতীত সিহঁতে যাক মাতে, সেয়া মিছা। আল্লাহ সৰ্বোচ্চ, অতি মহান।

(৩১) তুমি দেখা নাইনে আল্লাহৰ অনুগ্ৰহত জাহাজবোৰে কেনেদৰে সমুদ্ৰত চলাচল কৰে যাতে তেওঁ তোমালোকক তেওঁৰ কিছুমান নিদৰ্শন দেখুৱাব পাৰে? নিশ্চয় ইয়াত ধৈৰ্যশীল আৰু কৃতজ্ঞ মানুহৰ বাবে বহু নিদৰ্শন আছে। (৩২) যেতিয়া সমুদ্ৰৰ ঢৌৱে (মৃত্যুৰ) ছাঁৰ দৰে সিহঁতক আৱৰি ধৰে, (সেই মুহূৰ্তত) সিহঁতে বিশুদ্ধ চিত্তে আন্তৰিক বিশ্বাসেৰে আল্লাহকহে মাতে; কিন্তু যেতিয়া তেওঁ সিহঁতক উদ্ধাৰ কৰি পাৰ লগাই দিয়ে, তেতিয়া সিহঁতৰ আন কিছুমানে সঠিক পন্থা অৱলম্বন কৰে। বিশ্বাসঘাতক আৰু অকৃতজ্ঞ মানুহৰ ব্যতীত আন কোনোৱে আমাৰ নিদৰ্শনসমূহ অস্বীকাৰ নকৰে।

(৩৩) হে মানৱ, তোমালোকে তোমালোকৰ প্ৰভুৰ আশ্ৰয় বিচৰা আৰু

সেই দিনটোক ভয় কৰা, যিদিনা বাপেক পুতেকৰ কোনো উপকাৰত নাহিব আৰু পুতেকো বাপেকৰ কোনো উপকাৰত নাহিব। প্ৰকৃততে আল্লাহৰ প্ৰতিশ্ৰুতি সত্য। এতেকে পাৰ্থিৱ জীৱনে যেন তোমালোকক প্ৰতাৰিত নকৰে আৰু প্ৰতাৰকেও যেন তোমালোকক আল্লাহৰ সম্পৰ্কে প্ৰতাৰিত নকৰে। (৩৪) দৰাচলতে কিয়ামতৰ জ্ঞান আল্লাহৰ ওচৰতহে আছে। তেৱেঁই বৃষ্টি বৰ্ষণ কৰে। মাতৃগৰ্ভত যি আছে, তেৱেঁই জানে। কোনো প্ৰাণীয়ে নাজানে কাইলৈ সি কি অৰ্জন কৰিব আৰু কোনোৱেই নাজানে কোন ঠাইত তাৰ মৰণ হ'ব। নিশ্চয় আল্লাহ সৰ্বজ্ঞ আৰু সকলো বিষয়ৰ খবৰ ৰাখে।

৩২. আছ-ছাজদাহ (স্তাংগে প্ৰণিপাত)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আলিফ-লাম-মীম।

(২) এই পুথিখন বিশ্বজগতৰ প্ৰভুৰ পৰা অৱতীৰ্ণ হৈছে। (৩) সিহঁতে কয় নেকি- 'এইখন তেওঁ নিজেই ৰচনা কৰিছে?' নহয়, বৰং এয়া তোমাৰ প্ৰভুৰ পৰা অহা প্ৰকৃত সত্য যাতে তুমি এনে এটা জাতিক সতৰ্ক কৰি দিব পাৰা যিসকললৈ তোমাৰ পূৰ্বে কোনো সতৰ্ককাৰী অহা নাছিল। আশা কৰা যায় হয়তো সিহঁতে সুপথ পাব।

(৪) তেৱেঁই আল্লাহ, যিজনে আকাশমণ্ডল আৰু পৃথিৱী আৰু ইয়াৰ মাজত যি আছে, সকলো ছদিনত সৃষ্টি কৰিলে আৰু তাৰ পিছত তেওঁ মহাসিংহাসনত উপবিষ্ট হ'ল। তেওঁৰ ব্যতীত তোমালোকৰ আন কোনো পৃষ্ঠপোষক আৰু মধ্যস্থতাকাৰী নাই। তথাপিও তোমালোকৰ বুজ নহয়নে? (৫) তেৱেঁই আকাশৰ পৰা পৃথিৱীলৈকে সকলো বিষয় পৰিচালনা কৰে। এই আটাইবোৰ এটা বিশাল দিনত তেওঁৰ ওচৰ পাবগৈ, যাৰ পৰিমাণ তোমালোকৰ গণনা অনুসাৰে এহেজাৰ বছৰৰ সমান। (৬) গোপন আৰু প্ৰকাশ্য

সকলো তেওঁৰেই জনা আছে। তেৱেঁই পৱাক্রমশালী, পৱম দয়ালু।

(৭) তেওঁ যি সৃষ্টি কৰিছে, অতি নিখুঁতভাৱে সৃষ্টি কৰিছে। তেৱেঁই আলতীয়া বোকা মাটিৰ দ্বাৰা মানুহ সৃষ্টিৰ সূচনা কৰিছে, (৮) তাৰ পিছত তাৰ বংশ পৰম্পৰাৰ উৎপাদন নিকৃষ্ট জুলীয়া সাৰ পদাৰ্থৰ দ্বাৰা অব্যাহত ৰাখিলে। (৯) তাৰ পিছত তেওঁ তাক সুষম দেহ বিশিষ্ট কৰিলে আৰু তাত তেওঁ নিজৰ আত্মা ফুঁৰাই দিলে। তেওঁ তোমালোকক কাণ, চকু আৰু হৃদয় দিলে। তোমালোকে খুব কমেইহে তেওঁৰ কৃতজ্ঞতা প্ৰকাশ কৰা।

(১০) সিহঁতে কয়- 'আমি যেতিয়া মাটিত বিলীন হৈ যাম, তেতিয়া আমাক কেনেকৈ সৃষ্টি কৰা হ'ব?' দৰাচলতে সিহঁতে নিজ প্ৰভুৰ লগত আকৌ হ'ব লগা সাক্ষাতক অস্বীকাৰ কৰে। (১১) কোৱা- 'তোমালোকৰ প্ৰাণ হৰণৰ দায়িত্বত থকা ফিৰিস্তাই তোমালোকৰ প্ৰাণ হৰণ কৰিব। তাৰ পিছত তোমালোকক তোমালোকৰ প্ৰভুৰ ওচৰলৈ ঘুৰাই নিয়া হ'ব।' (১২) যদি তুমি দেখিলাহেঁতেন যে অপৰাধীবিলাকে লাজত সিহঁতৰ প্ৰভুৰ ওচৰত মূৰ দোৱাই থাকি ক'ব- 'হে আমাৰ প্ৰভু, আমি দেখা পালো আৰু শুনা পালো, সেয়ে আমাক আকৌ ঘুৰাই পঠোৱা যাতে আমি সৎকৰ্ম কৰিব পাৰো। এতিয়া আমাৰ দৃঢ় বিশ্বাস হ'ল।' (১৩) আমি যদি ইচ্ছা কৰিলোহেঁতেন, তেনেহ'লে অৱশ্যই আমি প্ৰত্যেক মানুহকে সৎপথত পৰিচালিত কৰিলোহেঁতেন; কিন্তু মোৰ সেই কথা সত্যত পৰিণত হ'ল যে, 'মই জ্বিন আৰু মানুহেৰে জাহান্নাম পূৰ্ণ কৰিম।' (১৪) আমি সিহঁতক কম- 'এয়া সোৱাদ লোৱা, কাৰণ এই দিনটোৰ সাক্ষাতৰ কথা পাহৰি গৈছিলা, আমিও তোমালোকক পাহৰি গৈছো আৰু নিজ কৃতকৰ্মৰ বাবে চিৰকলীয়া শাস্তি ভোগ কৰা।' (১৫) আমাৰ বাণীসমূহ তেওঁলোকেই বিশ্বাস কৰে, যিসকলক সেইবোৰ স্মৰণ কৰাই দিলে, তেওঁলোকে নতশিৰে ছিজদাহ (প্ৰণিপাত) কৰে আৰু নিজ প্ৰভুৰ প্ৰশংসা কীৰ্তন কৰে আৰু অহংকাৰ নকৰে। (১৬) তেওঁলোকে নিজ শয্যা ত্যাগ কৰে, নিজ প্ৰভুক

ভয় আৰু আশাৰে প্ৰাৰ্থনা কৰে আৰু আমি তেওঁলোকক যি দিছো তাৰ পৰা ব্যয় কৰে। (১৭) কোনো প্ৰাণেই নাজানে যে তেওঁলোকৰ কৃতকৰ্মৰ পুৰস্কাৰ হিচাবে চকু জোৰ পেলোৱা কেনে বস্তু লুকুৱাই ৰখা হৈছে।

(১৮) সেয়ে, যিজন বিশ্বাস স্থাপনকাৰী ব্যক্তি, তেওঁ আল্লাহৰ প্ৰতি অবিশ্বাসকাৰী ব্যক্তিৰ দৰে হ'ব পাৰেনে? নোৱাৰে, দুয়ো সমান হ'ব নোৱাৰে। (১৯) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকৰ্ম কৰিছে, তেওঁলোকৰ কৃতকৰ্মৰ প্ৰতিদান স্বৰূপে তেওঁলোকৰ আতিথ্যৰ বাবে জান্নাতেই হ'ব তেওঁলোকৰ বাসস্থল। (২০) আনহাতে যিবিলাকে আল্লাহক অস্বীকাৰ কৰিছে, জাহান্নামেই হ'ব সিহঁতৰ বাসস্থল। যেতিয়াই সিহঁতে তাৰ পৰা ওলাই আহিবলৈ উদ্যত হ'ব, তেতিয়াই সিহঁতক তালৈ ঘুৰাই পঠোৱা হ'ব আৰু সিহঁতক কোৱা হ'ব- 'নৰক যন্ত্ৰণা ভোগ কৰা যাক তোমালোকে অনবৰত মিছা বুলি অস্বীকাৰ কৰিছিলা।' (২১) নিশ্চয় আমি সিহঁতক গুৰুতৰ শাস্তি দিয়াৰ আগেয়ে ইহকালতে লঘু শাস্তিৰ সোৱাদ ল'বলৈ দিম। সম্ভৱতঃ সিহঁত অনুতপ্ত হৈ আমাৰ ওচৰলৈ ঘূৰি আহিব। (২২) সেইজনতকৈ বেছি অন্যায়কাৰী আন কোন হ'ব পাৰে, যেতিয়া তাক তাৰ প্ৰভুৰ বাণী শুনাই উপদেশ দিয়া হয়, সি তাৰ পৰা মুখ ঘূৰায়? এনে ধৰণৰ অপৰাধীৰ প্ৰতিশোধ আমি লৈহে এৰিম।

(২৩) আমি মূছাক ঐশীপুথি দিছিলো। সেয়ে (হে মুহাম্মদ) তুমি এইখন লাভ কৰা সম্পৰ্কে মনত সন্দেহ জগা উচিত নহয়। যিদৰে সেই পুথিখনকে আমি ইছৰাঈল বংশৰ মানুহবিলাকৰ বাবে পথনিৰ্দেশক কৰি দিছিলো। (২৪) আমি সিহঁতৰ মাজৰ পৰাই নেতা মনোনীত কৰি দিছিলো। তেওঁলোকে আমাৰ নিৰ্দেশ অনুসাৰে পথ প্ৰদৰ্শন কৰিছিল, যেতিয়া তেওঁলোকে ধৈৰ্য ধাৰণ কৰিছিল আৰু আমাৰ বাণীসমূহৰ প্ৰতি তেওঁলোকে দৃঢ় বিশ্বাস পোষণ কৰিছিল। (২৫) নিশ্চয় তোমাৰ প্ৰভুৱে মহাবিচাৰৰ দিনা সেইবোৰ মীমাংসা

কৰি দিব, যিবোৰ বিষয় লৈ সিহঁতৰ মাজত মতবিৰোধ হৈছিল। (২৬) এইবোৰ সিহঁতৰ বাবে দিশ নির্দেশনা নহয়নে, (দেখিছা যে) সিহঁতৰ পূর্বে আমি কিমান প্রজন্মক ধ্বংস কৰিলো, যিবিলাকৰ বাসস্থানৰ ওপৰেদি এতিয়াও সিহঁতে যাতায়ত কৰে? নিশ্চয় ইয়াত বহু নিদর্শন আছে। সিহঁতে মনকাণ নিদিবনে?

(২৭) সিহঁতে দেখা নাইনে যে আমি শুকান অনুর্বৰ মাটিৰ পিনে পানী বোৱাই লৈ যাও, পিছত তাৰ দ্বাৰা শস্য উৎপন্ন কৰো, যি সিহঁতৰ পশুবোৰে খায় আৰু সিহঁতে নিজেও খায়? সেয়াও সিহঁতে নেদেখেনে? (২৮) সিহঁতে কয়- 'এই মীমাংসা কেতিয়া হ'ব, যদি তুমি সত্যবাদী হোৱা?' (২৯) কোৱা- 'যিবিলাকে অবিশ্বাস কৰি আছিল, সিহঁতে বিচাৰৰ দিনাখন বিশ্বাস স্থাপন কৰিলে কোনো লাভ নহ'ব। সিহঁতক কোনো অৱকাশো দিয়া নহ'ব।' (৩০) এতেকে সিহঁতৰ পৰা মুখ ঘূৰাই লোৱা আৰু অপেক্ষা কৰা। সিহঁতেও অপেক্ষা কৰি আছে।

৩৩. আল-আহযাব (মিত্র জোটৰ সৈন্য-বাহিনী)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হে নবী, আল্লাহক ভয় কৰা, অবিশ্বাসকাৰী আৰু কপটাচাৰী বিলাকৰ অনুগত নহ'বা। আল্লাহ সর্বজ্ঞ, প্রজ্ঞাময়। (২) তোমাৰ প্রভুৰ পৰা তোমাৰ প্রতি যি অৱতীর্ণ হৈছে, সেয়া অনুসৰণ কৰা। তোমালোকে যি কৰা, সেই বিষয়ে আল্লাহ অৱহিত। (৩) আল্লাহৰ ওপৰত নির্ভৰ কৰা। কর্ম বিধায়ক হিচাবে আল্লাহেই যথেষ্ট।

(৪) আল্লাহে কোনো মানুহৰ দেহত দুখন হৃদয় দিয়া নাই নাইবা সেই পত্নীবিলাককো তোমালোকৰ মাতৃ কৰি দিয়া নাই, যাক তোমালোকে মাতৃৰ পিঠিৰ তুল্য বুলি কৈ আঁতৰাই ৰাখিছা আৰু তোমালোকৰ তোলনীয়া পুত্রবিলাককো তোমালোকৰ পুত্র কৰি দিয়া নাই। এইবোৰ তোমালোকৰ মুখৰ

কথাহে। কিন্তু আল্লাহে প্রকৃত সত্য কথাহে কয় আৰু সঠিক পথ প্রদর্শন কৰে। (৫) সিহঁতক সিহঁতৰ পিতৃৰ পৰিচয়ৰে মাতিবা। এয়া আল্লাহৰ মানত অধিক ন্যায়সংগত। যদি তোমালোকে সিহঁতৰ পিতৃৰ পৰিচয় নাজানা, তেনেহ'লে সিহঁতক তোমালোকৰ ধর্মমতে ভাই-ককাই আৰু লগৰীয়া বুলি গণ্য কৰিবা। ইয়াত তোমালোকৰ কোনো ভুল-ত্রুটি হ'লে, তোমালোকৰ দোষ ধৰা নহয়। কিন্তু ইচ্ছাকৃতভাৱে কৰিলেহে নিশ্চয় দোষ ধৰা হ'ব। আল্লাহ ক্ষমাশীল, পৰম দয়ালু।

(৬) মুমিনসকলৰ বাবে নবী গৰাকী তেওঁলোকৰ নিজতকৈয়ো বেছি অগ্রণীয় আৰু তেওঁৰ সহধর্মিনীসকল তেওঁলোকৰ মাতৃ। আল্লাহৰ পুথিৰ বিধান অনুযায়ী সর্বসাধাৰণ বিশ্বাস স্থাপনকাৰী আৰু মুহাজিৰ (প্রবাসী) সকলৰ তুলনাত আত্মীয়-স্বজনসকল পৰস্পৰ অধিক সম্বন্ধীয়। অৱশ্যে বন্ধু-বান্ধৱৰ প্রতি সহৃদয়তা প্রদর্শন কৰিব পাৰা। এই বিধানো আল্লাহৰ পুথিত লিপিবদ্ধ আছে।

(৭) আমি নবীসকলৰ পৰা অংগীকাৰ লৈছিলো। বিশেষকৈ তোমাৰ পৰা আৰু নূহ, ইব্রাহীম, মূছা আৰু মৰিয়ম পুত্র ঈছাৰ পৰাও লৈছিলো। আমি তেওঁলোকৰ পৰা দৃঢ় অংগীকাৰ লৈছিলো, (৮) যাতে আল্লাহে সৎ লোকসকলক তেওঁলোকৰ সততা সম্বন্ধে সুধিব পাৰে; কিন্তু অবিশ্বাসকাৰী বিলাকৰ কাৰণে অতি যন্ত্রণাদায়ক শাস্তি প্রস্তুত কৰি ৰাখিছে।

(৯) হে লোকসকল, যিসকলে বিশ্বাস স্থাপন কৰিছা, তোমালোকৰ প্রতি কৰা আল্লাহৰ অনুগ্রহৰ কথা স্মৰণ কৰা। যেতিয়া প্রবল ক্ষমতাশালী সৈন্য-বাহিনীয়ে তোমালোকক আক্রমণ কৰিছিলহি, তেতিয়া আমি সিহঁতৰ বিৰুদ্ধে প্রবল ধুমুহা প্রেৰণ কৰিছিলো আৰু এনে সৈন্য-বাহিনী প্রেৰণ কৰিছিলো, যিবিলাকক তোমালোকে দেখা পোৱা নাছিলা। তোমালোকে যি কৰা, সেয়া আল্লাহে দেখা পায়। (১০) সিহঁতে যেতিয়া তোমালোকৰ উচ্চ

দিশৰ পৰা আৰু নিম্ন দিশৰ পৰা তোমালোকৰ পিনে আহিছিল, ভয়ত তোমালোকৰ চকু থৰ লাগিছিল আৰু জীও আহি টেটু পাইছিল আৰু তোমালোকে আল্লাহ সম্পৰ্কে নানা ধৰণৰ (বেয়া) ধাৰণা কৰিবলৈ ধৰিলা, (১১) তেনে অৱস্থাত পেলাই বিশ্বাস স্থাপনকাৰীসকলক পৰীক্ষা কৰা হৈছিল আৰু তেওঁলোক ভয়ত থৰহৰি কম্পমান হৈছিল।

(১২) কপটাচাৰী আৰু যাৰ অন্তৰত ব্যাধি আছিল, সিহঁতে কৈছিল- 'আল্লাহ আৰু তেওঁৰ ৰছুলে আমাৰ লগত কৰা প্ৰতিশ্ৰুতি প্ৰতাড়ণাৰ বাহিৰে আন একো নাছিল।' (১৩) আন এদলে কৈছিল- 'হে য়াচৰিব (মদিনা) বাসী, তোমালোকে (শত্ৰুৰ লগত) তিষ্ঠিব নোৱাৰিবা, সেয়ে ঘূৰি যোৱা।' সিহঁতৰ আন এদলে অব্যাহতি বিচাৰি ৰছুলক নিবেদন কৰিলে- 'আমাৰ ঘৰ-বাৰীবোৰ অৰক্ষিত হৈ আছে।' প্ৰকৃততে সিহঁতৰ ঘৰ-বাৰী অৰক্ষিত নাছিল, সিহঁতে পলাবলৈহে বিচাৰিছিল। (১৪) যদি সিহঁতৰ চহৰ আক্ৰমন কৰিলেহেঁতেন আৰু বিদ্ৰোহ কৰিবলৈ সিহঁতক উচটনি দিলেহেঁতেন, তেনেহ'লে সিহঁতে অকণো কুণ্ঠাবোধ নকৰাকৈ বিদ্ৰোহ কৰিলেহেঁতেন। (১৫) ইতিপূৰ্বে সিহঁতেই আল্লাহৰ ওচৰত প্ৰতিজ্ঞা কৰিছিল যে সিহঁতে পৃষ্ঠ প্ৰদৰ্শন নকৰে। আল্লাহৰ ওচৰত কৰা প্ৰতিজ্ঞাৰ বিষয়ে অৱশ্যই কৈফিয়ৎ লোৱা হ'ব। (১৬) কোৱা- 'যদি তোমালোকে মৃত্যুৰ বা হত্যাৰ ভয়ত পলায়ন কৰা, সেই পলায়ন তোমালোকৰ কোনো কামত নাহিব; তাৰ পিছত ভোগ-বিলাস কৰিবলৈ তোমালোকক খুব কম সময়হে দিয়া হ'ব।' (১৭) কোৱা- 'কোনে তোমালোকক আল্লাহৰ পৰা ৰক্ষা কৰিব পাৰে, যদি তেওঁ তোমালোকৰ ক্ষতি কৰিব বিচাৰে? যদি আল্লাহে তোমালোকৰ প্ৰতি অনুগ্ৰহ কৰিবলৈ ইচ্ছা কৰে, কোনে তেওঁক বাধা দিব পাৰে? আল্লাহৰ ব্যতীত সিহঁতে আন কোনো পৃষ্ঠপোষক আৰু সাহায্যকাৰী নাপায়।

(১৮) আল্লাহে তোমালোকৰ মাজৰ সিবিলাকক ভালকৈয়ে জানে,

যিবিলাকে প্রতিবন্ধকতাৰ সৃষ্টি কৰে আৰু যিবিলাকে সিহঁতৰ ভাতৃবৃন্দক কয়- 'আমাৰ ফলীয়া হোৱা' আৰু সিহঁতে কাচিৎহে যুদ্ধত অংশ গ্ৰহণ কৰে। (১৯) তোমালোকক সহায় কৰিবলৈ সিহঁতে ইতস্ততঃ কৰে; কিন্তু বিপদ আহিলে দেখিবা যে মৃত্যুৰ ভয়ত মূৰ্চা যাব ধৰা মানুহৰ দৰে চকু ঘূৰাই তোমাৰ পিনে থৰ লাগি চাই থাকে। পিছত যেতিয়া বিপদ আঁতৰি যায়, সিহঁতেই ধন-সম্পদ লাভৰ লালসাত তোমালোকক কটু বাক্যবাণেৰে থকা-সৰকা কৰে। সেই মানুহবিলাকে বিশ্বাস স্থাপন কৰা নাছিল, সেয়ে আল্লাহে সিহঁতৰ কৰ্মসমূহ নিষ্ফল কৰি দিছে আৰু এয়া আল্লাহৰ পক্ষে তেনেই উজু। (২০) সিহঁতে ভাবিছিল যে শত্ৰুপক্ষৰ মিত্ৰ জোট সৈন্য-বাহিনী কেতিয়াও গুচি নাযায়, যদি মিত্ৰ জোট বাহিনী পুনৰ আহেহি, তেতিয়া সিহঁতৰ ইচ্ছা হ'ল সিহঁত গৈ মৰুবাসী বেদুঈনবিলাকৰ লগত থাকিব। তাৰ (এটা নিৰ্দিষ্ট দূৰত্বৰ) পৰাই তোমালোকৰ খা-খবৰ লৈ থাকিব। সিহঁত তোমালোকৰ মাজত থকাহেঁতেন, নাম মাত্ৰহে যুদ্ধত ভাগ ল'লেহেঁতেন।

(২১) তোমালোকৰ বাবে আল্লাহৰ ৰছুলৰ জীৱনত উত্তম আদৰ্শ আছে সেইসকল ব্যক্তিৰ বাবে, যিসকল আল্লাহ আৰু পৰকালৰ প্ৰত্যাশী আৰু সদা-সৰ্বদা আল্লাহক স্মৰণ কৰে। (২২) যেতিয়া মু'মিনসকলে মিত্ৰ জোটৰ সৈন্য-বাহিনী দেখিলে, তেওঁলোকে ক'লে- 'এইটোৱেই সেই প্ৰতিশ্ৰুতি, যিটো আল্লাহ আৰু তেওঁৰ ৰছুলে আমাক দিছিল।' এয়াই তেওঁলোকৰ বিশ্বাস আৰু আনুগত্য আৰু বৃদ্ধিহে কৰিলে। (২৩) মুমিনসকলৰ ভিতৰত এনে কিছুমান মানুহো আছে, যিসকলে আল্লাহৰ লগত কৰা প্ৰতিশ্ৰুতিক সত্যত পৰিণত কৰি দেখুৱালে। তেওঁলোকৰ কিছুমানে নিজ প্ৰতিজ্ঞা পূৰণ কৰিলে আৰু কিছুমানে প্ৰতীক্ষা কৰি ৰৈ আছে। তেওঁলোকে নিজ সংকল্প অকণো সলনি কৰা নাই। (২৪) নিশ্চয় আল্লাহে সত্যবাদীসকলক তেওঁলোকৰ সত্যতবাদীতাৰ বাবে পুৰস্কাৰ দিব আৰু মুনাফিক (কপটাচাৰী) বিলাকক শাস্তি দিব যদি তেওঁ

ইচ্ছা কৰে আৰু তেওঁ ইচ্ছা কৰিলে তেওঁলোকৰ ক্ষমা প্ৰাৰ্থনা গ্ৰহণ কৰিব। আল্লাহ ক্ষমাশীল, পৰম দয়ালু।

(২৫) আল্লাহক অস্বীকাৰ কৰাবিলাকে অন্তৰত ক্ষোভ লৈ উভতি গ'ল। সিহঁতৰ কোনো ইচ্ছাই পূৰণ নহ'ল। মুমিনসকলৰ পক্ষে যুদ্ধত আল্লাহেই যথেষ্ট হ'ল। আল্লাহ প্ৰবল শক্তিমন্ত, মহা পৰাক্ৰমী। (২৬) ঐশী পুথিপ্ৰাপ্ত সেইবিলাক মানুহক সিহঁতৰ দুৰ্গৰ পৰা উলিয়াই আনিলে, যিবিলাকে আক্ৰমণকাৰী পক্ষক সহায় কৰিছিল আৰু সিহঁতৰ অন্তৰত ভয়ৰ সঞ্চাৰ কৰি দিলে। সিহঁতবে কিছুমানক তোমালোকে হত্যা কৰিছা আৰু কিছুমানক তোমালোকে বন্দী কৰিছা। (২৭) তেওঁ তোমালোকক সিহঁতৰ ভূমি, ঘৰ-বাৰী আৰু ধন-সম্পদৰ উত্তৰাধিকাৰী কৰি দিলে আৰু সেইবোৰ ভূখণ্ডও তোমালোকক দিলে, যিবোৰত ইতিপূৰ্বে তোমালোকে খোজ পেলোৱা নাছিলা। আল্লাহ সৰ্ববিষয়ে সৰ্বশক্তিমান।

(২৮) হে নবী, তোমাৰ সহধৰ্মিনীসকলক কোৱা- 'এই পাৰ্থিৱ জীৱন আৰু ইয়াৰ ভোগ-বিলাসিতাই যদি তোমালোকে বিচৰা, তেনেহ'লে আহা, মই তোমালোকক ধন-সম্পদ দি স-সন্মানেৰে বিদায় দিও। (২৯) কিন্তু তোমালোকে যদি আল্লাহ, তেওঁৰ ৰছুল আৰু পৰকালৰ আবাস বিচৰা, তেনেহ'লে জানি থোৱা, আল্লাহে তোমালোকৰ বাবে মহা প্ৰতিদান প্ৰস্তুত কৰি ৰাখিছে, তোমালোকৰ মাজৰ যিসকলে সৎকৰ্ম কৰে।' (৩০) হে নবী পত্নীসকল, তোমালোকৰ কোনোৱে স্পষ্ট অশালীন কৰ্ম কৰিলে তেওঁক দ্বিগুণ শাস্তি দিয়া হ'ব। এয়া আল্লাহৰ পক্ষে অতি সহজ।

(৩১) আৰু তোমালোকৰ যিজনে আল্লাহ আৰু তেওঁৰ ৰছুলৰ আনুগত্য কৰে আৰু সৎকৰ্ম কৰে, তেওঁক দুগুণ পুৰস্কাৰ দিয়া হ'ব। তেওঁলোকৰ বাবে আমি সন্মানজনক জীৱিকা প্ৰস্তুত কৰি ৰাখিছো। (৩২) হে নবীপত্নীসকল, তোমালোক আন তিৰোতাবিলাকৰ দৰে নোহোৱা। তোমালোকে যদি

আল্লাহক ভয় কৰা, অতি নৰম সুৰেৰে কথা নাপাতিবা, নহ'লে অন্তৰত কলুষ থকা ব্যক্তি প্ৰলুব্ধ হ'ব পাৰে। সহজ-সৰলভাৱে কথা পাতিবা।

(৩৩) নিজৰ ঘৰতে থাকিবা আৰু পূৰ্বৰ অজ্ঞতা যুগৰ তিৰোতাৰ দৰে নিজৰ সৌন্দৰ্য প্ৰদৰ্শন কৰি নুফুৰিবা। নামাজ প্ৰতিষ্ঠা কৰা, যাকাত আদায় দিয়া। আল্লাহ আৰু তেওঁৰ ৰছুলৰ কথা মানি চলা। (হে নবী) পৰিয়ালৰ পত্নীসকল, আল্লাহে মাথোন তোমালোকৰ পৰা পংকিলতা দূৰ কৰিব বিচাৰে আৰু তোমালোকক সম্পূৰ্ণ পৱিত্ৰ কৰিব বিচাৰে। (৩৪) তোমালোকৰ ঘৰত আল্লাহৰ যি বাণী আৰু জ্ঞানগৰ্ভ কথা পাঠ কৰা হয়, তাত মনোনিবেশ কৰিবা। নিশ্চয় আল্লাহ সূক্ষ্মদৰ্শী আৰু সৰ্ববিষয়ে অভিজ্ঞ।

(৩৫) নিঃসন্দেহে মুমিন পুৰুষ আৰু মুমিন নাৰী, বিশ্বাস স্থাপনকাৰী পুৰুষ আৰু বিশ্বাস স্থাপনকাৰী নাৰী, অনুগত পুৰুষ আৰু অনুগত নাৰী, সত্যবাদী পুৰুষ আৰু সত্যবাদী নাৰী, ধৈৰ্যশীল পুৰুষ আৰু ধৈৰ্যশীল নাৰী, বিনয়ী পুৰুষ আৰু বিনয়ী নাৰী, দানশীল পুৰুষ আৰু দানশীল নাৰী, ৰোজাধাৰী পুৰুষ আৰু ৰোজাধাৰী নাৰী, লজ্জাস্থান সংৰক্ষণকাৰী পুৰুষ আৰু লজ্জাস্থান সংৰক্ষণকাৰী নাৰী, বেছি বেছিকৈ আল্লাহক স্মৰণ কৰা পুৰুষ আৰু নাৰীৰ বাবে আল্লাহে ক্ষমা আৰু উৎকৃষ্ট পুৰস্কাৰ প্ৰস্তুত কৰি ৰাখিছে। (৩৬) আল্লাহ আৰু তেওঁৰ ৰছুলে তেওঁলোকৰ নিজা কোনো বিষয় মীমাংসা কৰি দিয়াৰ পিছত কোনো বিশ্বাস স্থাপনকাৰী পুৰুষ বা মহিলাৰ সেই বিষয়ত নিজে আন সিদ্ধান্ত লোৱা শোভা নাপায়। যিজন আল্লাহ আৰু তেওঁৰ ৰছুলৰ অবাধ্য হয়, সি প্ৰকাশ্যে বিপথগামী হয়।

(৩৭) যিজন ব্যক্তিক আল্লাহে অনুগ্ৰহ কৰিছিল আৰু তুমিও কৰিছিলা, তেওঁক তুমি কৈছিলা- 'তোমাৰ পত্নীক লগত ৰাখা। আল্লাহক ভয় কৰা। তুমি তোমাৰ অন্তৰত সেয়া লুকুৱাই ৰাখিব বিচাৰিছিলা, যিটো আল্লাহে প্ৰকাশ কৰিব বিচাৰিছিল। তুমি মানুহক ভয় কৰিছিলা, অথচ আল্লাহক ভয়

কৰাহে বেছি সংগতিপূর্ণ হ'লহেঁতেন। পিছত যেতিয়া জায়েদে তেওঁৰ পত্নীক তালাক দিলে, তেতিয়া আমি তেওঁক তোমাৰ লগত বিয়া পাতি দিলো যাতে মুমিনসকলৰ তোলনীয়া পুত্রবিলাকে নিজ পত্নীক তালাক দিলে, সেইবিলাক তিৰোতাক তেওঁলোকে বিবাহ কৰাত কোনো বাধা নাথাকে। আল্লাহৰ নির্দেশ কার্যকৰী কৰিব লাগিব। (৩৮) আল্লাহে নবীৰ বাবে যি নির্ধাৰণ কৰি দিছে, সেয়া সম্পন্ন কৰিলে তেওঁৰ কোনো দোষ নহয়। এয়া আল্লাহৰ নীতি, তেওঁৰ পূর্বে অতীত হোৱা সকলৰ ক্ষেত্রতো এই বিধানেই প্রচলিত আছিল। আল্লাহৰ আদেশ চূড়ান্ত মীমাংসিত। (৩৯) যিসকলে আল্লাহৰ বাণী প্রচাৰ কৰে আৰু তেওঁকেই ভয় কৰে আৰু তেওঁৰ ব্যতীত আন কাকো ভয় নকৰে। হিচাব লোৱাত আল্লাহেই যথেষ্ট। (৪০) মুহাম্মদ তোমালোকৰ কোনো মানুহৰে পিতৃ নহয়। তেওঁ আল্লাহৰ ৰছুল আৰু সর্বশেষ নবী। আল্লাহ সর্ববিষয়ে সর্বজ্ঞ।

(৪১) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহক বেছিকৈ স্মৰণ কৰা। (৪২) পুৱা-গধূলি তেওঁৰেই স্তুতি কৰা। (৪৩) এইজনা তেৱেঁই, যিজনাই তোমালোকৰ প্রতি কৰুণা বর্ষণ কৰে আৰু তেওঁৰ ফিৰিস্তাসকলে তোমালোকৰ বাবে কৰুণা প্রার্থনা কৰে যাতে তেওঁ তোমালোকক অন্ধকাৰৰ পৰা পোহৰলৈ আনে। তেওঁ মুমিনসকলৰ প্রতি অতি দয়ালু। (৪৪) সিদিনা তেওঁলোকে তেওঁৰ সাক্ষাৎ লাভ কৰিব, তেওঁলোকক 'ছালামেৰে' অভিবাদন জনোৱা হ'ব। তেওঁ তেওঁলোকৰ বাবে সন্মানজনক প্রতিদান প্রস্তুত কৰি ৰাখিছে।

(৪৫) হে নবী, আমি তোমাক প্রেৰণ কৰিছো সাক্ষীস্বৰূপে, সুসংবাদ দাতাৰূপে আৰু সতর্ককাৰী হিচাবে। (৪৬) আৰু আল্লাহৰ অনুমতি ক্রমে তেওঁৰ পিনে আহবানকাৰী আৰু পথ প্রদর্শক উজ্বল প্রদীপ হিচাবে। (৪৭) বিশ্বাস স্থাপনকাৰীসকলক সুসংবাদ দিয়া যে, তেওঁলোকৰ কাৰণে আল্লাহৰ পক্ষৰ পৰা মহা অনুগ্রহ আছে। (৪৮) অবিশ্বাসকাৰী আৰু কপটাচাৰী বিলাকৰ ওচৰত সেও নামানিবা, সিহঁতৰ কটু কথাক উলাই কৰা। আল্লাহৰ

ওপৰত ভৰসা কৰা। পষ্ঠপোষক হিচাবে আল্লাহেই যথেষ্ট।

(৪৯) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে যদি বিশ্বাস স্থাপনকাৰী তিৰোতাক বিবাহ কৰা আৰু স্পৰ্শ কৰাৰ আগেয়ে সিহঁতক তালাক দিয়া, তেনেহ'লে তেওঁলোকৰ বাবে গণনা কৰি ইদ্দত (অপেক্ষাৰ সময়কাল) পালন কৰাৰ আৱশ্যক নহয়। সেয়ে তোমালোকে সিহঁতক জীৱন যাপনৰ কিছু সমল দিবা আৰু সৌজন্যমূলকভাৱে বিদায় দিবা।

(৫০) হে নবী, আমি তোমাৰ বাবে বৈধ কৰি দিলো তোমাৰ সেইসকল পত্নীক, যিসকলক তুমি 'মোহৰ' আদায় দিছা আৰু তোমাৰ সেইসকল অধীকাৰভুক্ত তিৰোতা, যিসকলক যুদ্ধ বন্দিনী হিচাবে লাভ কৰিছা আৰু তোমাৰ দদাই-বৰপাইৰ জীয়েকহঁত, তোমাৰ মোমায়েৰৰ জীয়েকহঁত আৰু তোমাৰ জেঠাই-মাহীৰ জীয়েকহঁত, যিবিলাক তোমাৰ লগতে 'হিজৰত' (দেশ ত্যাগ) কৰি আহিছে আৰু কোনো বিশ্বাস স্থাপনকাৰিণী তিৰোতাই যদি নিজকে নবীজনাৰ ওচৰত সঁপি দিয়ে আৰু নবীয়ে যদি তেওঁক বিবাহ কৰিবলৈ ইচ্ছা কৰে। এই বিধি কেৱল তোমাৰ বাবেহে, আন মুমিন ব্যক্তিৰ বাবে নহয়। আমাৰ ভালদৰে জনা আছে তেওঁলোকৰ স্ত্রী আৰু দাসীবিলাকৰ সম্বন্ধে যি বিধি ধার্য কৰা আছে যাতে তোমাৰ ওপৰত কোনো অভিযোগ নাথাকে। আল্লাহ ক্ষমাশীল, পৰম দয়ালু।

(৫১) তোমাৰ সহধর্মিনীসকলৰ যাক ইচ্ছা বেলেগাই ৰাখিব পাৰা আৰু যাক ইচ্ছা নিজৰ লগত ৰাখিবলৈ আনিব পাৰা। ইয়াত তোমাৰ কোনো দোষ নহয় যদি তুমি বেলেগে ৰখাসকলৰ কাৰোবাক আমন্ত্রণ কৰা। আশা কৰা যায় এনে কৰিলে তেওঁলোকৰ চকু জুৰ পৰি থাকিব আৰু তেওঁলোক অসন্তুষ্ট নহ'ব আৰু তুমি তেওঁলোকক যিহকে দিবা তাতে তেওঁলোক সন্তুষ্ট হৈ থাকিব। তোমাৰ অন্তৰত যি আছে, সেয়া আল্লাহৰ জনা আছে। আল্লাহ সর্বজ্ঞ, সহনশীল। (৫২) ইয়াৰ পিছত আন তিৰোতা বিবাহ কৰা তোমাৰ বাবে বৈধ

নহয়। তেওঁলোকৰ পৰিৱৰ্তে তুমি আন তিৰোতাও বিবাহ কৰিব নোৱাৰা, সিহঁতৰ ৰূপ-লাৱণ্য যিমানেই তোমাৰ ভাল নালাগক কিয়! অৱশ্যে তোমাৰ অধিকাৰভুক্ত দাসীবিলাকৰ ক্ষেত্ৰত এই বিধি প্ৰযোজ্য নহয়। আল্লাহে সকলো বস্তুৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখে।

(৫৩) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে ৰছুলৰ ঘৰত প্ৰৱেশ নকৰিবা যদি তোমালোকক খাবলৈ মতা নহয়। খোৱাৰ সময়ৰ বাবেও অপেক্ষা কৰি নাথাকিবা। যেতিয়া তোমালোকক খাবলৈ মতা হয়, প্ৰৱেশ কৰিবা আৰু খোৱা শেষ হ'লেই গুচি যাবা। কথা-বতৰাৰ মহলা মাৰি নাথাকিবা। তোমালোকৰ এনে আচৰণে নবীক বিৰক্ত কৰে; কিন্তু তোমালোকক ক'বলৈ সংকোচ কৰে আৰু আল্লাহে সত্য কথা ক'বলৈ সংকোচ নকৰে। (নবীৰ সহধৰ্মিনীসকলৰ পৰা) কিবা বিচাৰিলে পৰ্দাৰ আঁৰৰ পৰা বিচাৰিবা। এনে কৰিলে তোমালোকৰ আৰু তেওঁলোকৰ অন্তৰ অধিক পৱিত্ৰ হৈ থাকিব। আল্লাহৰ ৰছুলক কষ্ট দিয়া তোমালোকৰ বাবে উচিত নহয় আৰু তেখেতৰ সহধৰ্মিনীসকলক বিবাহ কৰা তোমালোকৰ বাবে বৈধ নহয়। নিশ্চয় এয়া আল্লাহৰ মানত মহা অপৰাধ। (৫৪) তোমালোকে যিয়েই প্ৰকাশ কৰা বা গোপন কৰা, আল্লাহে সেয়া সকলো জানে।

(৫৫) নবী পত্নীসকলৰ ঘৰলৈ তেওঁলোকৰ পিতৃসকল, তেওঁৰ পুত্ৰসকল, ককাই-ভাইসকল, ভতিজাসকল, ভাগিনসকল, তেওঁলোকৰ মহিলাসকল আৰু তেওঁলোকৰ মালিকানাধীন দাস-দাসীবিলাক অহা-যোৱা কৰাত কোনো দোষ নহয়। হে নাৰীসমাজ, আল্লাহক ভয় কৰা। আল্লাহে সকলো প্ৰত্যক্ষ কৰি আছে।

(৫৬) আল্লাহ আৰু তেওঁৰ ফিৰিস্তাসকলে নবীৰ প্ৰতি কৰুণা বৰ্ষণ কৰে। হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকেও তেওঁৰ কৰুণা আৰু শান্তিৰ বাবে প্ৰাৰ্থনা কৰা। (৫৭) যিবিলাকে আল্লাহ আৰু তেওঁৰ ৰছুলক কষ্ট

দিয়ে, আল্লাহে সিহঁতক ইহকাল আৰু পৰকালতো অভিশপ্ত কৰে। আল্লাহে সিহঁতৰ বাবে লাঞ্ছনাদায়ক শাস্তি প্ৰস্তুত কৰি ৰাখিছে। (৫৮) যিবিলাকে বিনা দোষতে বিশ্বাস স্থাপনকাৰী পুৰুষ আৰু মহিলাক অপবাদ দিয়ে, সিহঁতে এটা জঘন্য মিছা অপবাদ আৰু ঘোৰ পাপৰ বোজা বহন কৰে।

(৫৯) হে নবী, তোমাৰ সহধৰ্মিনীসকলক, কন্যাসকলক আৰু বিশ্বাস স্থাপনকাৰী তিৰোতাসকলক কৈ দিয়া- তেওঁলোকে (বাহিৰলৈ যাওঁতে) গাত চাদৰ মেৰিয়াই লয়। এয়া চিনি পোৱাৰ বাবে, ক্ষতি কৰাৰ বাবে নহয়। আল্লাহ ক্ষমাশীল, পৰম দয়ালু। (৬০) কপটাচাৰীবিলাক আৰু যিবিলাকৰ অন্তৰত ব্যাধি আছে আৰু যিবিলাকে মদিনাত গুজব ৰটি ফুৰিছে, সিহঁতে যদি তাৰ পৰা বিৰত নাথাকে, তেনেহ'লে সিহঁতৰ বিৰুদ্ধে তোমাক কৰ্তৃত্ব দিম আৰু সেই নগৰত সিহঁত বেছি দিন তিষ্ঠি থাকিব নোৱাৰিব। (৬১) সিহঁত অভিশপ্ত হ'ল। সিহঁতক য'তেই পোৱা যাব, তাতেই ধৰা হ'ব আৰু বধ কৰা হ'ব। (৬২) এয়া আল্লাহৰ নীতি। সিহঁতৰ পূৰ্বৰ মানুহৰ প্ৰতিও এই নীতিয়েই প্ৰচলিত আছিল। আল্লাহৰ নীতিত তুমি কোনো পৰিৱৰ্তন নোপোৱা।

(৬৩) মানুহবিলাকে তোমাক কিয়ামত সম্পৰ্কে সোধে, কোৱা- 'তাৰ জ্ঞান কেৱল আল্লাহৰ ওচৰতহে আছে। কোনে জানে, কিয়ামত হয়তো সোনকালেই ঘটিব।' (৬৪) যিবিলাকে অবিশ্বাস কৰিছে, সিহঁতক আল্লাহে অভিশপ্ত কৰিছে আৰু সিহঁতৰ বাবে জলন্ত জুই প্ৰস্তুত কৰি ৰাখিছে। (৬৫) তাত সিহঁত চিৰকাল থাকিব। সিহঁতে কোনো বন্ধু আৰু সাহায্যকাৰী নাপাব। (৬৬) যিদিনা সিহঁতৰ মুখমণ্ডল জলন্ত জুইত ইলুটি-সিলুটি কৰা হ'ব, তেতিয়া সিহঁতে ক'ব- 'হায়, আমি যদি আল্লাহ আৰু ৰছুলৰ কথা মানি চলিলোহেঁতেন!' (৬৭) সিহঁতে আৰু ক'ব- 'হে আমাৰ প্ৰভু, আমি আমাৰ নেতৃবৃন্দ আৰু মুখীয়ালবিলাকৰ কথা মানি চলিছিলো; কিন্তু সিহঁতেই আমাক সৎপথৰ পৰা আঁতৰাই নিলে। (৬৮) হে আমাৰ প্ৰভু, সিহঁতক দ্বিগুণ শাস্তি

দিয়া আৰু সিহঁতক মহা অভিশাপেৰে অভিশপ্ত কৰা।'

(৬৯) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে সিবিলাকৰ দৰে নহ'বা, যিবিলাকে মূছাক যাতনা দিছিল। আল্লাহে তেওঁক সিহঁতৰ অভিযোগৰ পৰা দোষমুক্ত কৰিলে। আল্লাহৰ দৃষ্টিত তেওঁ সন্মানিত ব্যক্তি আছিল। (৭০) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহক ভয় কৰা আৰু উচিত কথাহে ক'বা। (৭১) তেওঁ তোমালোকৰ কৰ্মসমূহ শুভ কৰিব আৰু পাপবোৰ মাৰ্জনা কৰিব। যিজনে আল্লাহ আৰু তেওঁৰ ৰছুলৰ কথা মানি চলে, তেওঁ পৰম সফলতা লাভ কৰে।

(৭২) আমি এই আমানত (দায়িত্বভাৰ) আকাশমণ্ডল, পৃথিৱী আৰু পৰ্বতবোৰৰ প্ৰতি অৰ্পণ কৰিবলৈ বিচাৰিছিলো, সেইবোৰে এই দায়িত্ব বহন কৰিবলৈ অস্বীকাৰ কৰিলে আৰু সেয়া ল'বলৈ ভয় কৰিলে। কিন্তু মানুহে সেয়া বহন কৰিলে। মানুহ অবিবেচক আৰু নিৰ্বোধ বুলি সাব্যস্ত হ'ল। (৭৩) আল্লাহে কপটাচাৰী পুৰুষ-মহিলা আৰু অংশীবাদী পুৰুষ-মহিলা বিলাকক শাস্তি দিব আৰু আল্লাহে মুমিন পুৰুষ-মহিলাসকলৰ ক্ষমা প্ৰাৰ্থনা গ্ৰহণ কৰিব। আল্লাহ অতি ক্ষমাশীল, পৰম দয়ালু।

৩৪. চাবা (চাবা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) সকলো প্ৰশংসা আল্লাহৰ বাবেই, যিজন আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সেই সকলোৰে মালিক। পৰকালতো তেওঁৰেই প্ৰশংসা। তেওঁ সুবিজ্ঞ, সর্বজ্ঞ। (২) সেয়া সকলো তেওঁ জানে ভূভাগত যি সোমায়, তাৰ পৰা যি ওলায় আৰু আকাশৰ পৰা যি নামে আৰু যি তালৈ উঠে। তেওঁ পৰম দয়ালু, অতি ক্ষমাশীল।

(৩) যিবিলাকে অবিশ্বাস কৰে, সিহঁতে কয়- 'আমাৰ প্ৰতি কদাপিও মহা প্ৰলয় নাহে।' কোৱা- 'নিশ্চয় আহিব। মোৰ প্ৰভুৰ শপত, এয়া তোমালোকৰ প্ৰতি অৱশ্যই আহিব। তেওঁ অদৃশ্য সম্পৰ্কে জ্ঞাত। আকাশমণ্ডল আৰু পৃথিৱীত যি লুকাই আছে, সেয়া অনু পৰিমাণ কিংবা তাতোকৈ ক্ষুদ্ৰ বা বৃহৎ হ'লেও তেওঁৰ অগোচৰ নহয়। সেয়া সকলো এখন সুস্পষ্ট গ্ৰন্থত লিপিবদ্ধ হৈ আছে। (৪) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, তেওঁ তেওঁলোকক নিশ্চয় তাৰ প্ৰতিদান দিব। তেওঁলোকৰ বাবে ক্ষমা আৰু সন্মানজনক জীৱিকা আছে। (৫) কিন্তু যিবিলাকে আমাৰ বাণীসমূহক ব্যৰ্থ কৰিবলৈ উঠিপৰি লাগে, সিহঁতে কঠোৰ যন্ত্ৰণাদায়ক শাস্তি ভুগিব লাগিব। (৬) যিসকলক জ্ঞান দান কৰা হৈছে, তেওঁলোকে ভালদৰে জানে যে তোমাৰ প্ৰভুৰ পৰা তোমাৰ প্ৰতি যি অৱতীৰ্ণ কৰা হৈছে, সেয়া পৰম সত্য আৰু সেয়াই প্ৰবল পৰাক্ৰমী, প্ৰশংসিত আল্লাহৰ পিনে পথ দেখুৱায়।

(৭) অবিশ্বাসকাৰীবিলাকে কয়- 'আমি তোমালোকক এনে এজন মানুহৰ সন্ধান দিমনে, যিজনে কয়- 'তোমালোকক যেতিয়া খণ্ড-বিখণ্ড কৰি ছিন্ন-ভিন্ন কৰা হ'ব, তেতিয়াও হেনো তোমালোকক পুনৰাই নতুনকৈ সৃষ্টি কৰা হ'ব? (৮) নাজানো, সি আল্লাহৰ বিষয়ে মিছা ৰচনা কৰিছে, নে সি বলিয়াহে হৈছে?' নিশ্চয় নহয়, আচলতে যিবিলাকে পৰকাল বিশ্বাস নকৰে, সিহঁতেই কঠোৰ শাস্তি ভুগিব লাগিব আৰু সিহঁত সুদূৰ পথভ্ৰষ্টাত পতিত হৈ আছে। (৯) সিহঁতে আকাশ আৰু পৃথিৱীৰ প্ৰতি লক্ষ্য কৰা নাইনে, সিহঁতক আগফালৰ পৰা আৰু পিছ ফালৰ পৰা ঘেৰি আছে। আমি ইচ্ছা কৰিলে সিহঁতক মাটিত পুতি পেলাব পাৰো নাইবা আকাশৰ পৰা এডোখৰ আকাশ সিহঁতৰ ওপৰত পেলাব পাৰো। নিশ্চয় এনে প্ৰতিজন ব্যক্তিৰ বাবে ইয়াত নিদৰ্শন আছে, যিজন আল্লাহৰ প্ৰতি অভিমুখী হয়।

(১০) আমি দাউদৰ প্ৰতি বৰ অনুগ্ৰহ কৰিছিলো। আমি কৈছিলো- 'হে

পর্বতমালা আৰু পক্ষীকুল, তোমালোকেও দাউদৰ লগতে মোৰ পৰিত্রতা ঘোষণা কৰা।' আমি লোহাক তেওঁৰ কাৰণে লেতুসেতু কৰি দিছিলো। কৈছিলো- (১১) 'পূর্ণ দৈর্ঘ্যৰ লোহাৰ বর্ম তৈয়াৰ কৰা আৰু তাৰ জোৰাবোৰ সঠিকভাৱে সংলগ্ন কৰা আৰু সৎকর্ম কৰা। তোমালোকে যি কৰা, সেয়া মই নিশ্চয় দেখি আছো।'

(১২) আমি বায়ুক চুলাইমানৰ নিয়ন্ত্রণাধীন কৰি দিছিলো। তাৰ পুৱাৰ গতি হ'ল এমাহৰ বাট আৰু আবেলিৰ গতি হ'ল এমাহৰ বাট। আমি তেওঁৰ বাবে গলিত তামৰ জান বোৱাই দিছিলো আৰু কিছুমান জ্বিনক তেওঁৰ অনুগত কৰি দিছিলো, যিবিলাকে তেওঁৰ প্রভুৰ আদেশ মর্মে তেওঁৰ সন্মুখত কাম কৰিছিল। সিহঁতৰ কোনোৱে আমাৰ আদেশ অমান্য কৰিলে, তাক আমি জ্বলন্ত অগ্নিৰ শাস্তিৰ সোৱাদ লোৱাম। (১৩) সিহঁতে তেওঁৰ বাবে তেওঁৰ ইচ্ছানুযায়ী সাজিছিল ওখ ওখ অট্টালিকা, ভাস্কর্য, জলাধাৰ সদৃশ পাত্র আৰু চৌকাৰ ওপৰত স্থাপিত কৰিছিল গধূৰ মজবুত বন্ধন পাত্র। আমি কৈছিলো- 'হে দাউদৰ বংশধৰসকল, কৃতজ্ঞতা প্রকাশ কৰা। মোৰ দাসসকলৰ খুব কম সংখ্যকহে কৃতজ্ঞ হয়।'

(১৪) আমি যেতিয়া চুলাইমানৰ মৃত্যুৰ সিদ্ধান্ত কার্যকৰী কৰিলো, তেতিয়া তেওঁৰ মৃত্যুৰ সংবাদ জনাবলৈ পৃথিৱীৰ তুচ্ছ জীৱ ঘুণৰ বাহিৰে আন একো নাছিল। তেওঁৰ লাখুটিডাল ঘুণে ধৰিলে। তেওঁ মাটিত পৰি যোৱাতহে জ্বিনবিলাকে উপলব্ধি কৰিব পাৰিলে যে সিহঁতে যদি অদৃশ্যৰ বিষয়ে জানিলেহেঁতেন, তেনেহ'লে এনে লাঞ্ছনাজনক কষ্ট ভুগি থাকিব লগীয়া নহ'লহেঁতেন।

(১৫) 'চাবা'বিলাকৰ কাৰণে সিহঁতৰ নিজ বাসস্থলতে এটা নিদর্শন আছিল। দুখন উদ্যান, এখন সোঁফালে, আনখন বাওঁফালে। সিহঁতক আমি কৈছিলো- 'তোমালোকৰ প্রভুৰে দিয়া জীৱিকা তোমালোকে খোৱা আৰু

তেওঁৰ কৃতজ্ঞতা প্ৰকাশ কৰা। তোমালোকৰ দেশখন বৰ ভাল আৰু তোমালোকৰ প্ৰভু অতি ক্ষমাশীল।' (১৬) কিন্তু সিহঁতে সেয়া (সত্যক) উলাই কৰিলে। সেয়ে আমি সিহঁতৰ প্ৰতি মথাউৰি ভাঙি ছিণ্ডি নিয়া দোকোলটোকা ঢলপানী পঠালো আৰু সিহঁতৰ উদ্যান দুখনক এনে দুখন উদ্যানলৈ পৰিৱৰ্তন কৰি দিলো, য'ত উৎপন্ন হয় তিতা-কেহা ফল, ঝাউগছ আৰু কেইজোপামান বগৰি গছ। (১৭) সিহঁতৰ কৃতঘ্নতাৰ কাৰণে আমি এই প্ৰতিফল দিলো। কৃতঘ্ন মানুহৰ বাহিৰে অইনক আমি এই প্ৰতিফল নিদিও।

(১৮) আমি সিহঁতক আৰু যিবিলাকক কল্যাণ দান কৰিছিলো, সেই জাতিৰ মাজত চকুত লগাকৈ কিছুমান জনবসতি স্থাপন কৰি দিছিলো। (ভ্ৰমণৰ বাবে) তাত পৰিমিত ব্যৱধান নিৰূপিত কৰি ক'লো- 'তাৰ মাজত দিনে-নিশাই নিৰাপদে ভ্ৰমণ কৰা।' (১৯) সিহঁতে ক'লে- 'হে আমাৰ প্ৰভু, আমাৰ ভ্ৰমণৰ ব্যৱধান দীৰ্ঘ কৰি দিয়া।' এইদৰে সিহঁতে নিজেই নিজৰ অন্যায় কৰিছিল। সেয়ে আমি সিহঁতক কাহিনীৰ বিষয়বস্তুত পৰিণত কৰিলো আৰু সিহঁতক সম্পূৰ্ণভাৱে ছেদেলি-ভেদেলি কৰিলো। নিশ্চয় ইয়াত প্ৰতিজন ধৈৰ্যশীল আৰু কৃতজ্ঞ মানুহৰ বাবে নিদৰ্শন আছে।

(২০) ইবলিছে সিহঁতৰ প্ৰতি কৰা ধাৰণাই সঁচা হ'ল আৰু মাথোন মুষ্ঠিমেয় কেইজনমান বিশ্বাস স্থাপনকাৰীৰ বাহিৰে আটায়ে তাক অনুসৰণ কৰিলে। (২১) সিহঁতৰ ওপৰত ইবলিছৰ কোনো কৰ্তৃত্ব নাছিল। মাথো আমি চাব বিচাৰিছিলো কোনে পৰকালৰ প্ৰতি বিশ্বাস স্থাপন কৰে আৰু কোনে সন্দেহ পোষণ কৰে। তোমালোকৰ প্ৰভু প্ৰতিটো বস্তুৰে সংৰক্ষক।

(২২) মাতা সিহঁতক, আল্লাহৰ পৰিৱৰ্তে তোমালোকে যিবিলাকক উপাস্য বুলি গণ্য কৰিছা। সিহঁত আকাশমণ্ডল আৰু পৃথিৱীৰ ক'তো তিলপৰিমাণ বস্তুৰো অধিকাৰী নহয়। তাত সিহঁতৰ কাৰণে অংশীদাৰিত্বও নাই আৰু সিহঁতৰ কোনোৱেই আল্লাহৰ সহায়কো নহয়। (২৩) তেওঁৰ

সমীপত কাৰো কোনো ওকালতি কামত নাহে, অৱশ্যে তেওঁ কাৰোবাক অনুমতি দিলে অন্য কথা। যেতিয়া সিহঁতৰ অন্তৰবোৰ শংকা মুক্ত হ'ব, তেতিয়া যাক ওকালতি কৰিবলৈ অনুমতি দিয়া হৈছিল, সিহঁতে তেওঁলোকৰ পৰা জানিব বিচাৰিব- 'তোমালোকৰ প্ৰভুৱে কি ক'লে?' তেওঁলোকে ক'ব- 'সত্য কথাই কৈছে। তেওঁ অতি উচ্চ, মহামহিম।'

(২৪) সিহঁতক সোধা- 'কোনে তোমালোকক আকাশমণ্ডল আৰু পৃথিৱীৰ পৰা জীৱিকা দিয়ে?' কোৱা- 'আল্লাহ। হয় আমি, নহয় তোমালোক, কোনো এক পক্ষই সৎপথত নাইবা স্পষ্ট ভ্ৰান্তিত আছো।' (২৫) সিহঁতক কোৱা- 'আমি যি অপৰাধ কৰিছো, তাৰ বাবে তোমালোকৰ পৰা কৈফিয়ৎ লোৱা নহ'ব আৰু তোমালোকে যি কৰি আছা, তাৰ বাবে আমাৰ পৰাও কোনো কৈফিয়ৎ লোৱা নহ'ব।' (২৬) সিহঁতক কোৱা- 'আমাৰ প্ৰভুৱে আমাক সকলোকে সমবেত কৰিব। তাৰ পিছত তেওঁ আমাৰ মাজত সত্যসহ ন্যায় বিচাৰ কৰি দিব। তেৱেঁই মহা বিচাৰক, মহাজ্ঞানী।' (২৭) সিহঁতক কোৱা- 'দেখুৱাছোন মোক চাওঁ, কোনবিলাকক তোমালোকে তেওঁৰ অংশী হিচাবে যুক্ত কৰি লৈছা। কেতিয়াও নহয়, তেৱেঁই একক আল্লাহ। অত্যন্ত পৰাক্ৰম শালী, প্ৰজ্ঞাময়।'

(২৮) আমি তোমাক সমগ্ৰ মানৱ জাতিৰ কাৰণে সুসংবাদদাতা আৰু সতৰ্ককাৰী হিচাবেহে প্ৰেৰণ কৰিছো। কিন্তু বেছিভাগ মানুহে সেয়া নাজানে। (২৯) সিহঁতে সোধে- 'যদি তোমালোক সত্যবাদী হোৱা, তেনেহ'লে কোৱা সেই প্ৰতিশ্ৰুতি কেতিয়া পূৰ্ণ হ'ব?' (৩০) কোৱা- 'তোমালোকৰ বাবে এটা বিশেষ দিনৰ ম্যাদ ধাৰ্য কৰা হৈছে, যিটো তোমালোকে এক মুহূৰ্তৰ বাবে পিছুৱাই নিব নোৱাৰা আৰু আগুৱাইও আনিব নোৱাৰা।'

(৩১) অবিশ্বাসকাৰীবিলাকে কয়- 'আমি কদাপিও এই ঐশীপুথি (কুৰআন) বিশ্বাস নকৰো আৰু ইয়াৰ পূৰ্বে অহা কোনো পুথিকেই বিশ্বাস

নকৰো।' তুমি যদি সেই অৱস্থা দেখিলাহেঁতেন, যেতিয়া পাপিষ্ঠবিলাকক সিহঁতৰ প্ৰভুৰ সন্মুখত থিয় কৰোৱা হ'ব, তেতিয়া সিহঁতে ইটোৱে সিটোক দোষাৰূপ কৰিব। যিবিলাকক (পৃথিৱীত) দুৰ্বল বুলি ভবা হৈছিল, সিহঁতে গৰ্বী মানুহবিলাকক ক'ব- 'তোমালোক নথকাহেঁতেন আমি নিশ্চয় বিশ্বাস স্থাপন কৰিলোহেঁতেন।' (৩২) গৰ্বী মানুহবিলাকে দুৰ্বল মানুহবিলাকক ক'ব- 'সঠিক পথ তোমালোকলৈ অহাৰ পিছত তাৰ পৰা আমি তোমালোকক আঁতৰাই ৰাখিছিলোনে? নাই ৰখা। তোমালোকে নিজেই অপৰাধ কৰিছিলা।' (৩৩) যিবিলাকক দুৰ্বল কৰি ৰখা হৈছিল, সিহঁতে গৰ্বী মানুহবিলাকক ক'ব- 'নহয়, আচলতে তোমালোকেহে দিনে-নিশাই চক্ৰান্ত কৰি আমাক নিৰ্দেশ দিছিলা যে আল্লাহক অস্বীকাৰ কৰা আৰু আনকো তেওঁৰ সমতুল্য উপাস্য কৰা।' সিহঁতে যেতিয়া শাস্তি প্ৰত্যক্ষ কৰিব, তেতিয়া অনুতাপ কৰিব। আমি অবিশ্বাসকাৰীবিলাকৰ গলত লোৰ গলবেৰী লগাম। সিহঁতে যি অপকৰ্ম কৰিছিল সেই অনুপাতে সিহঁতক প্ৰতিফল দিয়া হ'ব।

(৩৪) আমি যেতিয়াই কোনো সম্প্ৰদায়লৈ সতৰ্ককাৰী প্ৰেৰণ কৰিছিলো, তেতিয়া তাৰ সমৃদ্ধশালী লোকসকলে কৈছিল- 'তোমালোকক যি প্ৰত্যাদেশ দি পঠোৱা হৈছে, সেয়া আমি নামানো।' (৩৫) সিহঁতে কয়- 'আমি অধিক ধন-সম্পদ আৰু সন্তান-সন্ততিৰে সমৃদ্ধ আৰু আমাক শাস্তিও দিয়া নহ'য়।' (৩৬) সিহঁতক কোৱা- 'মোৰ প্ৰভুৱে যাক ইচ্ছা কৰে, তাৰ জীৱিকা বৃদ্ধি কৰি দিয়ে আৰু যাক ইচ্ছা কৰে, তাক কমাই দিয়ে। কিন্তু সৰহভাগ মানুহে এয়া নাজানে।' (৩৭) তোমালোকৰ এই ধন-সম্পদ আৰু সন্তান-সন্ততিয়ে তোমালোকক মোৰ নৈকট্য লাভ নকৰায়। অৱশ্যে যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকৰ্ম কৰিছে, তেওঁলোকে তেওঁলোকৰ সৎকৰ্মৰ বাবে দ্বিগুণ প্ৰতিদান পাব আৰু (জান্নাতত) সুউচ্চ অট্টালিকাত পৰম সন্তোষেৰে অৱস্থান কৰিব। (৩৮) আনহাতে যিবিলাকে আমাৰ বাণীসমূহৰ উদ্দেশ্য ব্যৰ্থ

কৰিবলৈ উঠিপৰি লাগে, সিহঁতক শান্তিৰ সন্মুখীন কৰা হ'ব। (৩৯) সিহঁতক কোৱা- 'মোৰ প্ৰভুৱে তেওঁৰ দাসবিলাকৰ যাক ইচ্ছা কৰে, তাৰ জীৱিকা বৃদ্ধি কৰি দিয়ে আৰু যাক ইচ্ছা কৰে, তাৰ জীৱিকা সংকুচিত কৰি দিয়ে। তোমালোকে যি ব্যয় কৰা, তেৱেঁই তাৰ প্ৰতিদান দিব। তেৱেঁই উত্তম জীৱিকাদাতা।'

(৪০) যিদিনা তেওঁ সিহঁত সকলোকে সমবেত কৰিব, ফিৰিস্তাসকলক সুধিব- 'এই মানুহবিলাকেই তোমালোকৰ উপাসনা কৰিছিল নেকি?' (৪১) তেওঁলোকে উত্তৰ দিব- 'পৰম পৱিত্ৰ, মহান আপোনাৰ সত্তা। আপুনিয়েই আমাৰ পৃষ্ঠপোষক, সিহঁত নহয়। আচলতে (আমাক) নহয়, সিহঁতে জ্বিনবিলাককহে উপাসনা কৰিছিল। সিহঁতৰ অধিকাংশই সিহঁতৰ প্ৰতি আস্থাবান আছিল।' (৪২) আজি তোমালোকৰ ইজনে সিজনৰ উপকাৰ কিম্বা অপকাৰ কৰাৰ ক্ষমতা নাই। আমি অন্যায়কাৰীবিলাকক ক'ম- 'এতিয়া জাহান্নামৰ শাস্তিৰ সোৱাদ লোৱা, যাক তোমালোকে দৃঢ়তাৰে অস্বীকাৰ কৰিছিলা।'

(৪৩) যেতিয়া সিহঁতক আমাৰ আয়াতসমূহ সুস্পষ্টকৈ পাঠ কৰি শুনোৱা হয়, তেতিয়া সিহঁতে কয়- 'এওঁ (মুহাম্মদ) এজন মানুহৰ বাহিৰে আন একো নহয়। তোমালোকৰ পিতৃ-পুৰুষসকলে যাৰ উপাসনা কৰি আহিছে, তাৰ পৰা এওঁ তোমালোকক বাধা দি ৰাখিব বিচাৰে।' সিহঁতে আৰু কয়- 'এই (কুৰআন) মনে সজা ফাঁকিহে।' অবিশ্বাসকাৰীবিলাকৰ ওচৰলৈ যেতিয়া প্ৰকৃত সত্য আহিল, তেতিয়া সি কৈ উঠিল- 'এয়া স্পষ্ট যাদুৰ বাহিৰে আন একো নহয়।' (৪৪) সিহঁতক আমি অধ্যয়ন কৰিবলৈ কোনো পুথি দিয়া নাই আৰু তোমাৰ পূৰ্বে আমি সিহঁতলৈ কোনো সতৰ্ককাৰীও প্ৰেৰণ কৰা নাই। (৪৫) সিহঁতৰ পূৰ্বৱৰ্তীবিলাকেও সত্য অগ্ৰাহ্য কৰিছিল। সিহঁতক যি ক্ষমতা দিছিলো তাৰ দহ ভাগৰ এভাগো ইহঁতে পোৱা নাই। তথাপিও সিহঁতে মোৰ ৰছুলসকলক অস্বীকাৰ কৰিছিল। তেতিয়া কেনে ভয়ানক আছিল মোৰ শাস্তি!

(৪৬) সিহঁতক কোৱা- 'মই মাত্ৰ এটা বিষয়ে তোমালোকক উপদেশ দিছো- তোমালোকে দুজন দুজনকৈ বা অকলশৰে আল্লাহৰ বাবে নিজক প্ৰতিভাত কৰা আৰু তাৰ পিছত চিন্তা কৰা, তেতিয়া উপলব্ধি কৰিবা তোমালোকৰ সংগীজন অকণো বলিয়া নহয়।' (৪৭) কোৱা- 'মই যদি তোমালোকৰ পৰা কোনো পাৰিশ্ৰমিক বিচাৰিছো, তেনেহ'লে সেয়া তোমালোকৰ ওচৰতে থাকক। মোৰ প্ৰতিদান কেৱল আল্লাহে দিব। তেৱেঁই প্ৰত্যেক বস্তুৰে সাক্ষী।'

(৪৮) সিহঁতক কোৱা- 'মোৰ প্ৰভুৱে সজোৱে সত্যৰে (মিথ্যাক) আঘাত কৰে আৰু তেওঁ সকলো গোপন তত্ত্ব সম্পৰ্কে সম্পূৰ্ণ অৱহিত।' (৪৯) সিহঁতক কোৱা- 'সত্যৰ আগমন হ'ল আৰু ই প্ৰতিষ্ঠিত হ'ব। কোনো ভাল বস্তু উদ্ভৱ কৰাৰ ক্ষমতা অসত্যৰ নাই আৰু ই পুনৰ প্ৰতিষ্ঠিতো কৰিব নোৱাৰে।' (৫০) দৃঢ়তাৰে কোৱা- 'মই যদি ভ্ৰান্তিত আছো, তাৰ বোজা মইেই বহন কৰিব লাগিব আৰু যদি মই সৎপথত পৰিচালিত হৈছো তাৰ কাৰণ হ'ল মোৰ প্ৰভুৱে মোৰ প্ৰতি ৱহী (ঐশীবাণী) প্ৰেৰণ কৰে। প্ৰকৃততে তেওঁ সৰ্বশ্ৰোতা আৰু ওচৰতেই বিৰাজমান।'

(৫১) তুমি যদি সেই অবিশ্বাসকাৰীবিলাকক দেখিলাহেঁতেন, যেতিয়া সিহঁত আতংকত অস্থিৰ হৈ পৰিব আৰু পলাবলৈও পথ নাপাব আৰু সিহঁতক তেনেই ওচৰৰ পৰা ধৰি অনা হ'ব- (৫২) তেতিয়া সিহঁতে ক'ব- 'এতিয়া আমি তেওঁৰ প্ৰতি বিশ্বাস স্থাপন কৰিলো।' কিন্তু সিহঁতে এতিয়া কেনেকৈ বিশ্বাস কৰিব, সিহঁত যিহেতু ইয়াৰ পৰা বহু দূৰ আঁতৰি গ'ল? (৫৩) ইতিপূৰ্বে সিহঁতেই ইয়াক অগ্ৰাহ্য কৰিছিল আৰু সত্যাসত্য বিচাৰ নকৰি দূৰৰ পৰাই মন্তব্য দিছিল। (৫৪) সিহঁতৰ আৰু সিহঁতৰ আশা-আকাংক্ষাবোৰৰ মাজত অন্তৰায় সৃষ্টি কৰি দিয়া হ'ব, যেনেদৰে পূৰ্বেই সিহঁতৰ সতীৰ্থবিলাকৰ ক্ষেত্ৰত কৰা হৈছিল। নিশ্চয় সিহঁত অতি বিভ্ৰান্তকৰ সন্দেহত পতিত হৈ আছিল।

৩৫. ফাতিৰ (স্ৰষ্টা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) সকলো প্ৰশংসা আল্লাহৰ বাবে, যিজন আকাশমণ্ডল আৰু পৃথিৱীৰ সৃষ্টিকৰ্তা, যিজন ফিৰিস্তাসকলক বাণীবাহকৰূপে নিয়োগ কৰোতা, যিসকলৰ দুখন দুখন, তিনিখন তিনিখন আৰু চাৰিখন চাৰিখনকৈ ডেউকা আছে। তেওঁ তেওঁৰ সৃষ্টিৰ গঠনত যিভাৱে ইচ্ছা কৰে, বৃদ্ধি কৰে। নিশ্চয় আল্লাহ সৰ্ব বিষয়ত ক্ষমতাবান। (২) আল্লাহে মানুহৰ বাবে যি কৰুণা খুলি দিয়ে তাক ৰোধ কৰোতা কোনো নাই আৰু তেওঁ যি ৰোধ কৰে, সেয়া মুকলি কৰি আনোতা কোনো নাই। তেওঁ প্ৰবল পৰাক্ৰমী, প্ৰজ্ঞাময়।

(৩) হে মানৱ, তোমালোকৰ প্ৰতি থকা আল্লাহৰ অনুগ্ৰহবোৰ স্মৰণ কৰা। আল্লাহৰ ব্যতীত আন কোনোবা সৃষ্টিকৰ্তা আছেনে, যিজনে আকাশমণ্ডল আৰু পৃথিৱীৰ পৰা তোমালোকক জীৱিকা দান কৰে? তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেনেহ'লে তোমালোকে কেনেকৈ সত্যৰ পৰা ফালৰি কাটি দূৰলৈ গ'লা? (৪) সিহঁতে যদি তোমাক অস্বীকাৰ কৰে, তোমাৰ পূৰ্বেও অনেক ৰছুলকো অস্বীকাৰ কৰা হৈছিল। সকলো বিষয় আল্লাহৰ পিনেই প্ৰত্যাৱৰ্তিত হয়।

(৫) হে মানৱ, নিঃন্দেহে আল্লাহৰ অংগীকাৰ সত্য। এতেকে পাৰ্থিৱ জীৱনে যেন তোমালোকক প্ৰতাৰিত নকৰে আৰু মহা প্ৰৱঞ্চকেও যেন তোমালোকক আল্লাহৰ বিষয়ত প্ৰৱঞ্চনা কৰিব নোৱাৰে। (৬) প্ৰকৃততে ছয়তান তোমালোকৰ শত্ৰু। সেয়ে তাক শত্ৰু বুলিয়েই ভাবিবা। সি তাৰ অনুসাৰী বিলাকক এইবাবে আহবান কৰে যাতে সিহঁতো জাহান্নামবাসী হয়। (৭) যিবিলাকে সত্য অস্বীকাৰতে মত্ত থাকে, সিহঁতৰ বাবে কঠোৰ শাস্তি

আছে আৰু যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, তেওঁলোকৰ কাৰণে আছে ক্ষমা আৰু মহা পুৰস্কাৰ।

(৮) যিজন মানুহক তাৰ দুষ্কৰ্মকে তাৰ বাবে মনোগ্ৰাহী কৰি দিয়া হয়, সি তাকে ভাল বুলি ভাবে। আল্লাহে যাক ইচ্ছা কৰে, পথভ্ৰষ্ট কৰে আৰু যাক ইচ্ছা কৰে, সৎপথত চালিত কৰে। সেয়ে সিহঁতৰ বাবে দুখ কৰি তোমাৰ নিজৰ জীৱনটো ধ্বংস নকৰিবা। সিহঁতৰ কৰ্মৰ বিষয়ে আল্লাহে ভালকৈয়ে জানে।

(৯) তেৱেঁই আল্লাহ, যিজনে বায়ু পঠায় যাতে বায়ুয়ে মেঘ উত্তলন কৰে। পিছত সেয়া আমি নিৰ্জীৱ ভূখণ্ডৰ ফালে পৰিচালিত কৰি লৈ যাও আৰু মৃত হৈ পৰি থকা ভূখণ্ডক তাৰ দ্বাৰা সজীৱ কৰো। পুনৰুত্থিত কৰাও তদ্ৰূপ। (১০) যদি কোনোৱে সন্মান বিচাৰে, সি জনা উচিত সকলো সন্মান মাথোন আল্লাহৰ বাবে। পৱিত্ৰ কথা তেওঁৰ ওচৰলৈ উৰ্ধগামী হয় আৰু সৎ কৰ্মই সেয়া উৰ্ধলৈ লৈ যায়। যিবিলাকে অপকৰ্মৰ অভিসন্ধি কৰে, সিহঁতৰ বাবে কঠোৰ শাস্তি আছে আৰু সিহঁতৰ অভিসন্ধি ব্যৰ্থ হয়। (১১) আল্লাহে তোমালোকক মাটিৰ পৰা সৃষ্টি কৰিছে, তাৰ পিছত শুক্ৰকীটৰ পৰা, তাৰ পিছত যোৰ যোৰ কৰিছে। আল্লাহৰ অজ্ঞাতে কোনো নাৰীয়ে গৰ্ভ ধাৰণ নকৰে আৰু প্ৰসৱো নকৰে। কাৰো আয়ুস বৃদ্ধি নহয় বা হ্ৰাস নহয়, এই কথা এখন পুথিত লিপিবদ্ধ আছে। আল্লাহৰ বাবে এয়া তেনেই সহজ।

(১২) দুখন সমুদ্ৰ একে নহয়। এখনৰ পানী পান কৰিবলৈ সুস্বাদু, তৃষ্ণা নিবাৰক। আনহাতে আনখনৰ পানী লুণীয়া আৰু অকটা, তথাপি উভয়ৰ পৰা তোমালোকে তাজা মাছ খোৱা আৰু পিন্ধিবৰ বাবে অলংকাৰৰ বস্তু আহৰণ কৰা। সাগৰৰ বুকু ভেদ কৰি চলাচল কৰা জাহাজবোৰ তোমালোকে দেখিছা যাতে তোমালোকে আল্লাহৰ অনুগ্ৰহ সন্ধান কৰা আৰু

তেওঁৰ কৃতজ্ঞতা প্ৰকাশ কৰা। (১৩) তেৱেঁই ৰাতিক দিনৰ ভিতৰত প্ৰৱেশ কৰায় আৰু দিনক ৰাতিৰ ভিতৰত প্ৰৱেশ কৰায়। তেৱেঁই সূর্য আৰু চন্দ্ৰক নিয়ন্ত্ৰণ কৰি আছে। প্ৰত্যেকে এটা নিৰ্দিষ্ট কাললৈকে গতি কৰি আছে। তেৱেঁই আল্লাহ, তোমালোকৰ প্ৰভু। তেওঁৰেই সাৰ্বভৌম ৰাজত্ব। তেওঁৰ পৰিৱৰ্তে তোমালোকে যিবিলাকক আহ্বান কৰা, সিহঁত খেজুৰৰ গুটিৰ পাতল আৱৰণৰো গৰাকী নহয়। (১৪) যদি তোমালোকে সিহঁতক আহ্বান কৰা, সিহঁতে শুনা নাপায়। যদি সিহঁতে শুনা পায়, তথাপি সিহঁতে তোমালোকক সঁহাৰি জনাব নোৱাৰে। কিয়ামতৰ দিনা সিহঁতে সেয়া অস্বীকাৰ কৰিব আজি যে সিহঁতক আল্লাহৰ অংশী কৰি লৈছা। তেওঁৰ দৰে এজন সর্বজ্ঞৰ ব্যতিৰেকে আন কোনোৱে তোমালোকক (প্ৰকৃত সত্যৰ) বিষয়ে জনাব নোৱাৰে।

(১৫) হে মানৱজাতি, আল্লাহ তোমালোকৰ বাবে প্ৰয়োজন; কিন্তু তেওঁ স্বনির্ভৰশীল আৰু স্বয়ং প্ৰশংসিত। (১৬) তেওঁ ইচ্ছা কৰিলে, তোমালোকক আঁতৰাই দি তোমালোকৰ পৰিৱৰ্তে নতুন সৃষ্টি অস্তিত্বলৈ আনিব পাৰে। (১৭) সেয়া আল্লাহৰ বাবে মুঠেই কঠিন নহয়। (১৮) কোনো ভাৰ বহন কাৰীয়ে আন কাৰো ভাৰ বহন নকৰে। অতিৰিক্ত ভাৰ বহনকাৰীয়ে যদি আনক নিজ ভাৰ বহন কৰিবলৈ মাতে, তাৰ কিঞ্চিৎমানো ভাৰ বহন কৰিবলৈ কোনো নাহিব। সি যিমানেই নিকটাত্মীয় নহওক কিয়। তুমি কেৱল সেইসকলকহে সতর্ক কৰিব পাৰা, যিসকলে নেদেখাকৈ আল্লাহক ভয় কৰে আৰু নামাজ প্ৰতিষ্ঠা কৰে। যি ব্যক্তিয়ে পৱিত্ৰতা অৱলম্বন কৰে, নিজৰ কল্যাণৰ বাবে কৰে। সকলোৱে আল্লাহৰ ওচৰলৈকে উভতি যাব লাগিব।

(১৯) অন্ধ আৰু দৃষ্টিমান একে নহয়, (২০) আন্ধাৰ আৰু পোহৰো একে নহয়, (২১) শীতল ছাঁ আৰু প্ৰসৰ ৰ'দৰ তাপো একে নহয়, (২২) জীৱিত আৰু মৃতও একে নহয়। আল্লাহে যাক ইচ্ছা কৰে, তাকে শ্ৰৱণ কৰায়; কিন্তু

যিবিলাক সমাধিস্থলত আছে, সিহঁতক তুমি শুনাব নোৱাৰা। (২৩) তুমিতো মাথোন এজন সতর্ককাৰীহে। (২৪) আমি তোমাক সত্য সহকাৰে এজন সুসংবাদদাতা আৰু সতর্ককাৰী হিচাবেহে প্রেৰণ কৰিছো। এনে কোনো উম্মত (সম্প্রদায়) নাই, যাৰ ওচৰলৈ কোনো সতর্ককাৰী অহা নাছিল। (২৫) সিহঁতে যদি তোমাক অবিশ্বাস কৰে, সিহঁতৰ পূর্বৰ মানুহবিলাকেও অবিশ্বাস কৰিছিল। ৰছুলসকলে সিহঁতৰ ওচৰলৈ প্রত্যক্ষ প্রমাণ, চহীফা (ঐশ্রী পুস্তিকা) আৰু জ্যোতির্ময় পুথি লৈ আহিছিল। (২৬) যিবিলাকে অস্বীকাৰ কৰিছিল, অৱশেষত আমি সিহঁতক কৰায়ত্ব কৰিছিলো আৰু কেনে ভয়ংকৰ আছিল মোৰ শাস্তি!

(২৭) তুমি দেখা নাইনে, আল্লাহে কেনেদৰে আকাশৰ পৰা পানী বৰষায় আৰু তাৰ দ্বাৰাই আমি নানা তৰহৰ ৰঙ-বিৰঙৰ ফল-মূল উৎপন্ন কৰো? পাহাৰবোৰতো নানা বৰণৰ বগা, ৰঙা আৰু গাঢ় ক'লা স্তৰ পোৱা যায়। (২৮) এনেদৰে মানুহ, পশু আৰু ঘৰচীয়া জন্তুবোৰৰ বৰণো বিভিন্ন বৰণৰ। আল্লাহৰ দাসসকলৰ জ্ঞানবান লোক সকলেহে তেওঁক ভয় কৰে। নিঃসন্দেহে আল্লাহ প্রবল পৰাক্রমী, অতি ক্ষমাশীল।

(২৯) যিসকলে আল্লাহৰ পুথি পাঠ কৰে, নামাজ প্রতিষ্ঠা কৰে আৰু আমি তেওঁলোকক যি জীৱিকা দিছো তাক গোপনে আৰু প্রকাশ্যে বয় কৰে, তেওঁলোকে এনে এটা বাণিজৰ আশা কৰে, য'ত কদাপিও লোকচান নহয়। (৩০) তেওঁ তেওঁলোকক পূৰাপূৰি প্রতিদান দিব আৰু নিজৰ অনুগ্রহৰ পৰাও আৰু অধিক দান কৰিব। আল্লাহ ক্ষমাশীল, গুণগ্রাহী। (৩১) আমি তোমাৰ প্রতি যি পুথি অৱতীর্ণ কৰিছো, এইখনে ইয়াৰ পূর্বে অহা পুথিসমূহৰ সত্যতা সাব্যস্ত কৰে। আল্লাহে তেওঁৰ দাসবিলাকক ভালদৰে জানে আৰু তেওঁলোকক চকু দি থাকে।

(৩২) আমি আমাৰ দাসবিলাকৰ যিবিলাকক বাছি লৈছিলো, সিহঁতক এই পুথিৰ উত্তৰাধিকাৰী কৰি দিলো। পিছে সিহঁতৰে কোনো কোনোৱে নিজেই নিজৰ অন্যায় কৰে, কোনো কোনোৱে (ন্যায় আৰু অন্যায়ৰ মাজৰ) মধ্যম পন্থা অৱলম্বন কৰে আৰু কোনো কোনোৱে আল্লাহৰ কৃপাত কল্যাণকৰ কাম-কাজৰ প্ৰতি অগ্ৰগামী হয়। এয়াই আল্লাহৰ মহা অনুগ্ৰহ। (৩৩) তেওঁলোক চিৰকলীয়া জান্নাতত প্ৰৱেশ কৰিব। তাত তেওঁলোকক সোণৰ খাৰু আৰু মুকুতাৰ অলংকাৰেৰে অলংকৃত কৰা হ'ব আৰু তেওঁলোকৰ পোছাক হ'ব পাটসিংখাপৰ। (৩৪) তেওঁলোকে ক'ব- 'সকলো প্ৰশংসা আল্লাহৰ, যিজনে আমাৰ সকলো দুঃশ্চিন্তা দূৰ কৰি দিলে। নিশ্চয় আমাৰ প্ৰভু ক্ষমাশীল, গুণগ্ৰাহী, (৩৫) যিজনে তেওঁৰ নিজ অনুগ্ৰহেৰে আমাক চিৰকলীয়া বসবাসৰ ঠাইত অৱস্থান কৰালে, য'ত আমাক কোনো দুখ-কষ্টই স্পৰ্শ নকৰে আৰু ক্লান্তিয়ে আমাক স্পৰ্শ নকৰে।'

(৩৬) যিবিলাকে অবিশ্বাস কৰিছে, সিহঁতৰ বাবে আছে জাহান্নামৰ জুই। সিহঁতৰ প্ৰতি মৃত্যুৰ আদেশ দিয়া নহয় আৰু সিহঁতৰ মৰণো নহয় যাতে মৃত্যুৰ জৰিয়তে সিহঁতৰ যন্ত্ৰণাৰ অন্ত পৰে আৰু সিহঁতৰ বাবে নৰক যন্ত্ৰণা অকণো লাঘৱ কৰা নহ'ব। এইদৰে আমি অকৃতজ্ঞ মানুহৰ প্ৰত্যেককে প্ৰতিফল দিওঁ। (৩৭) সিহঁতে তাত আৰ্তনাদ কৰি ক'ব- 'হে প্ৰভু, আমাক উলিয়াই নিয়া। আমিও সৎকৰ্ম কৰিম, পূৰ্বে যি কৰিছিলো তাৰ অন্যথা কৰিম।' কিন্তু তাক কোৱা হ'ব- 'আমি তোমাক দীৰ্ঘায়ু কৰা নাছিলোনে যাতে কোনোৱে উপদেশ গ্ৰহণ কৰিব খুজিলে গ্ৰহণ কৰিব পাৰিলেহেঁতেন? তোমালোকৰ ওচৰলৈ সতৰ্ককাৰীও আহিছিল। সেয়ে এতিয়া শাস্তিৰ সোৱাদ লোৱা। অন্যায়কাৰীবিলাকৰ কোনো সহায়ক নাই।

(৩৮) আল্লাহে আকাশমণ্ডল আৰু পৃথিৱীৰ গোপন ৰহস্যসমূহ জানে।

তেওঁ মানুহৰ অন্তৰৰ নিভৃত ৰহস্যও ভালকৈয়ে জানে।(৩৯) এইজনা তেৱেঁই, যিজনে তোমালোকক পৃথিৱীত প্ৰতিনিধি কৰিছে। এতিয়া যি মানুহে তেওঁক অস্বীকাৰ কৰে, অস্বীকাৰৰ শাস্তি তাৰ ওপৰতে বৰ্তিব। অবিশ্বাসকাৰীবিলাকৰ অবিশ্বাসে সিহঁতৰ প্ৰতি আল্লাহৰ অসন্তুষ্টিহে বৃদ্ধি কৰে আৰু এয়াই সিহঁতৰ মাথো ক্ষতিহে বৃদ্ধি কৰে।

(৪০) কোৱা- 'আল্লাহৰ অংশী লোৱা বিলাকৰ কথা তোমালোকে কেতিয়াবা ভাবি চাইছানে, যিবিলাকক তোমালোকে আল্লাহৰ ব্যতীত আহবান কৰা? মোক দেখুৱাছোন, সিহঁতে পৃথিৱীত কি সৃষ্টি কৰিছে? নাইবা আকাশমণ্ডল সৃষ্টিত সিহঁতৰ কিবা ভাগ আছে নেকি? সিহঁতক আমি কোনো পুথি দিছো নেকি, যাক প্ৰকাশ্য প্ৰমাণ হিচাবে দাঙি ধৰিব পাৰে? বৰং অন্যায়কাৰীবিলাকৰ এজনে আনজনক কেৱল প্ৰতাৰণামূলক অংগীকাৰ কৰি থাকে। (৪১) প্ৰকৃততে আল্লাহে আকাশমণ্ডল আৰু পৃথিৱীক ধৰি ৰাখিছে যাতে (কক্ষপথৰ পৰা) বিচ্যুত হৈ নাযায়। যদি বিচ্যুত হয়, তেওঁৰ ব্যতীত আন কোনোৱে তাক ধৰি ৰাখিব নোৱাৰে। নিশ্চয় তেওঁ সহনশীল, পৰম ক্ষমাশীল।

(৪২) সিহঁতে দৃহতাৰে আল্লাহৰ নামত শপত খাই কৈছিল যে যদি সিহঁতৰ ওচৰলৈ কোনো সতৰ্ককাৰী আহে, তেনেহ'লে সিহঁতে আন সম্প্ৰদায়বিলাকতকৈ বেছি সৎপথৰ অধিকাৰী হ'ব। কিন্তু যেতিয়া সিহঁতৰ ওচৰলৈ সতৰ্ককাৰী আহিল, সিহঁত আৰু অধিক বিমুখ হ'ল। (৪৩) আৰু সিহঁতে দেশত আৰু বেছি অতপালি আৰু কূটকৌশল অৱলম্বন কৰিবলৈ ধৰিলে। অথচ কূটকৌশলে কূটকৌশলকাৰীবিলাককহে আবদ্ধ কৰে। পিছে সিহঁতে ইয়াকে বাট চাই আছে নেকি যে সিহঁতৰ পূৰ্বৱৰ্তী (পাপিষ্ঠ) মানুহবিলাকৰ প্ৰতি যি আচৰণ কৰা হৈছিল? আল্লাহৰ বিধানত তুমি কদাপিও

কোনো পৰিৱৰ্তন নোপোৱা আৰু আল্লাহৰ নীতিত কেতিয়াও হেৰফেৰ হোৱা নোপোৱা। (৪৪) ইহঁতে পৃথিৱীত ঘুৰি-পকি চোৱা নাইনে? আৰু দেখা নাইনে যে ইহঁতৰ পূৰ্বৱৰ্তীবিলাকৰ কি দশা হ'ল! সিহঁত ইহঁততকৈ অধিক শক্তিশালী আছিল। আকাশমণ্ডল আৰু পৃথিৱীৰ একোৱে কেতিয়াও আল্লাহক ব্যৰ্থ কৰিব নোৱাৰে। তেওঁ সকলো জানে আৰু সকলো বিষয়ে ক্ষমতাবান।

(৪৫) আল্লাহে যদি মানুহৰ কৃতকৰ্মৰ বাবে সিহঁতক ধৰিলেহেঁতেন, তেনেহ'লে ধৰাৰ বুকুৰ কোনো প্ৰাণীকে ৰেহাই নিদিলেহেঁতেন। কিন্তু তেওঁ সিহঁতক এটা নিৰ্দিষ্ট সময়লৈকে অৱকাশ দিছে। যেতিয়া সেই নিৰ্দিষ্ট সময় আহি পাবহি, তেতিয়া সিহঁতে জানিব পাৰিব যে আল্লাহে তেওঁৰ সকলো দাসকেই নিৰীক্ষণ কৰি আছিল।

৩৬. য়া-ছীন (য়া-ছীন)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) য়া-ছীন।

(২) জ্ঞানগৰ্ভ কুৰআনৰ শপত, (৩) নিশ্চয় তুমি ৰছুলসকলৰ এজন, (৪) আৰু নিৰ্ভুল সঠিক পথৰ অনুসাৰী। (৫) এইখন (কুৰআন) প্ৰবল পৰাক্ৰমী, পৰম কৰুণাময় মহান সত্তাৰ পক্ষৰ পৰা অৱতীৰ্ণ পুথি, (৬) যাতে তুমি এনে এটা জাতিক সতৰ্ক কৰি দিব পাৰা, যিবিলাকৰ পিতৃ-পুৰুষ বিলাকক সতৰ্ক কৰা হোৱা নাছিল, সেয়ে সিহঁত অনভিজ্ঞ হৈ আছে।

(৭) সিহঁতৰ সৰহভাগ মানুহৰ ওপৰত সেই সিদ্ধান্তৰ সত্যতা প্ৰতিপন্ন হ'ল। এতেকে সিহঁতে বিশ্বাস স্থাপন নকৰে। (৮) আমি সিহঁতৰ ডিঙিত থুঁতৰিলৈকে লোৰ গলাবন মেৰিয়াই দিছো, সেয়ে সিহঁতে শিৰ নত কৰিব নোৱাৰে। (৯) আমি সিহঁতৰ আগফালে এটা প্ৰতিবন্ধক আৰু পিছফালে এটা

প্রতিবন্ধক স্থাপন কৰি দিলো আৰু আমি সিহঁতক আবৰি দিলো, সেয়ে সিহঁতে দেখা নাপায়। (১০) তুমি সিহঁতক সতর্ক কৰা বা নকৰা সিহঁতৰ বাবে একে কথা। সিহঁতে বিশ্বাস নকৰে। (১১) তুমি কেৱল সেইসকলকহে সতর্ক কৰি দিব পাৰা, যিসকলে উপদেশ মানি চলে আৰু নেদেখাকৈয়ে দয়াময় আল্লাহক ভয় কৰে। তেওঁলোকক ক্ষমা আৰু সন্মানজনক পুৰস্কাৰৰ সুসংবাদ দিয়া।

(১২) নিশ্চয় আমি মৃতকক জীৱিত কৰিম। সিহঁতে আগতে যি পঠিয়াইছে আৰু পাছলৈ যি এৰি থৈ আহিছে, সেয়া সকলো আমি লিপিবদ্ধ কৰি ৰাখিছো। এই সকলোবোৰ আমি এখন প্রকাশ্য গ্রন্থত লিপিবদ্ধ কৰি ৰাখিছো।

(১৩) দৃষ্টান্ত স্বৰূপে সিহঁতক সেই নগৰখনৰ বাসিন্দাসকলৰ কাহিনী শুনোৱা, য'লৈ আমাৰ ৰছুলসকল আহিছিল। (১৪) যেতিয়া আমি সিহঁতলৈ দুজন ৰছুল প্রেৰণ কৰিছিলো, সিহঁতে দুয়োজনকে অগ্রাহ্য কৰিলে। সেয়ে আমি তেওঁলোকৰ সাহার্যার্থে তৃতীয় এজন ৰছুল প্রেৰণ কৰিছিলো। তেওঁলোকে ক'লে- 'নিশ্চয় আমি (আল্লাহৰ তৰফৰ পৰা) তোমালোকৰ প্রতি ৰছুল হিচাবে প্রেৰিত হৈছো।' (১৫) সিহঁতে ক'লে- 'তোমালোকতো আমাৰ দৰেই মৰণশীল মানুহ আৰু কৰুণাময়ে কোনো কিছু অৱতীর্ণ কৰা নাই। নিশ্চয় তোমালোকে মিছা মাতিছা।' (১৬) তেওঁলোকে ক'লে- 'আমাৰ প্রভুৱে জানে যে আমাক তোমালোকৰ প্রতি প্রেৰণ কৰা হৈছে। (১৭) আৰু আমাৰ দায়িত্ব কেৱল সুস্পষ্ট সংবাদ পৌছাই দিয়াহে।' (১৮) কিন্তু সিহঁতে ক'লে- 'আমি তোমালোকক আপদীয়া বুলিহে ভাবিছো। তোমালোকে যদি বিৰত নাথাকা, আমি তোমালোকক নিশ্চয় শিলগুটি মাৰি হত্যা কৰিম আৰু আমাৰ পৰা তোমালোকে কঠোৰ শাস্তি পাবা।' (১৯) তেওঁলোকে ক'লে- 'তোমালোকৰ অমংগল তোমালোকৰ লগতে আছে। তোমালোকক সত্যৰ সদোপদেশ দিয়া

হৈছে বাবে এনে কথা কৈছা নেকি? দৰাচলতে তোমালোক সীমা লংঘনকাৰী মানুহ।'

(২০) এনেতে নগৰৰ দূৰ প্ৰান্তৰ পৰা এজন ব্যক্তি দৌৰি আহিল। সি ক'লে- 'হে মোৰ জাতিভাইসকল, ৰছুলসকলৰ কথা মানি লোৱা। (২১) তোমালোকে তেওঁলোকক অনুসৰণ কৰা, যিসকলে তোমালোকৰ পৰা কোনো প্ৰতিদান নিবিচাৰে আৰু তেওঁলোক সঠিক পথত আছে।

(২২) কিয় মই সেই সত্তাৰ উপাসনা নকৰিম, যিজনে মোক সৃষ্টি কৰিছে আৰু যাৰ ওচৰলৈকে তোমালোক সকলোৱে ঘূৰি যাব লাগিব? (২৩) তেওঁৰ সলনি মই আনক উপাস্য কৰি ল'মনে? দয়াময় প্ৰভুৱে মোৰ অনিষ্ট কৰিব বিচাৰিলে সিহঁতৰ মধ্যস্ততা কোনো কামত নাহে আৰু সিহঁতে মোক উদ্ধাৰো কৰিব নোৱাৰে। (২৪) তেনে কৰিলে মই দেখ্‌দেখ পথভ্ৰষ্টতাত পতিত হ'ম। (২৫) প্ৰকৃততে মই তোমালোকৰ প্ৰভুৰ প্ৰতি বিশ্বাস স্থাপন কৰিছো। সেয়ে মোৰ কথা শুনা।' (২৬) আমি তেওঁক ক'লো- 'জান্নাতত প্ৰৱেশ কৰা', আৰু তেওঁ কৈ উঠিল- 'হায়! মোৰ জাতিৰ মানুহবিলাকে যদি জানিলেহেঁতেন- (২৭) যে মোৰ প্ৰভুৱে মোক কিদৰে ক্ষমা কৰিলে আৰু মোক সন্মানিত লোকসকলৰ অন্তৰ্ভুক্ত কৰিলে!'

(২৮) তাৰ পিচত আমি তেওঁৰ জাতিৰ বিৰুদ্ধে আকাশৰ পৰা কোনো সৈন্য-বাহিনী পঠোৱা নাছিলো আৰু আমি সৈন্য-বাহিনী পঠোৱাৰ প্ৰয়োজনো নাছিল। (২৯) কেৱল মাথো এটি ভয়ংকৰ বিস্ফোৰণ হ'ল আৰু সিহঁত নিথৰ নিস্তব্ধ হৈ পৰি ৰ'ল। (৩০) আক্ষেপ মানৱ জাতিৰ কাৰণে! সিহঁতে প্ৰতিজন ৰছুলকে ঠাট্টা-বিদ্ৰূপ কৰিছিল যেতিয়া কোনো ৰছুল সিহঁতৰ ওচৰলৈ আহিছিল। (৩১) সিহঁতে দেখা নাইনে, সিহঁতৰ পূৰ্বে আমি কিমান প্ৰজন্মক ধ্বংস কৰিলো? সিহঁত কেতিয়াও সিহঁতৰ ওচৰলৈ দুনাই ঘূৰি নাহে। (৩২) সিহঁত সকলোকে

একেলগে সমবেত কৰি নিশ্চয় আমাৰ ওচৰত উপস্থিত কৰা হ'ব।

(৩৩) সিহঁতৰ কাৰণে এটা নিদর্শন হ'ল এই নির্জীৱ পৃথিৱী। আমি ইয়াক সঞ্জীৱিত কৰো আৰু ইয়াৰ পৰা আমি শস্য উৎপন্ন কৰো আৰু সেয়া সিহঁতে খায়। (৩৪) আৰু তাত আমি খেজুৰ আৰু আংগুৰৰ বাগিচা স্থাপন কৰিছো আৰু তাত নিজৰা প্রবাহিত কৰিছো, (৩৫) যাতে সিহঁতে তাৰ ফল খাব পাৰে, যদিও সেইবোৰ সিহঁতে নিজ হাতেৰে উৎপাদন কৰা নাই। তথাপি সিহঁত কৃতজ্ঞ নহ'বনে? (৩৬) পৱিত্র আৰু মহান সত্তা, যিজনে সকলো বস্তু যোৰ পাতি সৃষ্টি কৰিছে। সেয়া পৃথিৱীৰ উদ্ভিদেই হওক বা সিহঁতৰ নিজ প্রজাতিয়েই হওক নাইবা আন বস্তুৰেই হওক, যিবোৰৰ বিষয়ে সিহঁতে নাজানে।

(৩৭) সিহঁতৰ বাবে আন এটা নিদর্শন হ'ল ৰাতি। আমি তাৰ পৰা দিনটো (পোহৰ) আঁতৰাই নিও, তেতিয়া সিহঁতক অন্ধকাৰে আচ্ছন্ন কৰে। (৩৮) সূর্যটো, সিয়ো তাৰ নির্দিষ্ট গন্তব্য স্থানলৈ গৈ আছে। সেয়া প্রবল পৰাক্রমী সর্বজ্ঞানী মহা সত্তাৰ দ্বাৰা নির্ধাৰিত বিধান। (৩৯) আৰু চন্দ্রটোৰ বাবে কিছুমান তিথি নির্দিষ্ট কৰি দিছো। সেইবোৰ অতিক্রম কৰি শেষত সি শুকান খেজুৰৰ ঠানীৰ সদৃশ হয়। (৪০) সূর্যই চন্দ্রক লগ ধৰিবলৈ সক্ষম নহয় আৰু ৰাতিয়েও দিনক অতিক্রম কৰিবলৈ সক্ষম নহয়। প্রত্যেকে (নিজ নিজ) কক্ষপথত সাঁতুৰি আছে।

(৪১) সিহঁতৰ বাবে আন এটা নিদর্শন হ'ল- আমি সিহঁতৰ বংশধৰবিলাকক বোজাই হৈ থকা নাৱত আৰোহন কৰাইছিলো। (৪২) তাৰ পিচত সিহঁতৰ বাবে আমি তেনে ধৰণৰ আৰু কিছুমান সৃষ্টি কৰিছিলো, যিবিলাকত সিহঁতে আৰোহন কৰে। (৪৩) আমি ইচ্ছা কৰিলে সিহঁতক ডুবাই মাৰিব পাৰো। তেতিয়া সিহঁতৰ সহায়ৰ বাবে (আর্তনাদ শুনোতা) কোনো নহ'ব আৰু সিহঁতক উদ্ধাৰো কৰিব পৰা নাযাব। (৪৪) এয়া একমাত্র আমাৰ

কৰুণা যে এটি নির্দিষ্ট সময়লৈকে আমি সিহঁতক জীৱন উপভোগ কৰাৰ সুযোগ দিও।

(৪৫) যেতিয়া সিহঁতক কোৱা হয়- 'আগলৈ আহিব ধৰা আৰু পিচত ৰৈ যোৱা পৰিণতিৰ পৰা তোমালোকে আত্মৰক্ষা কৰা। সম্ভৱতঃ তোমালোকক কৃপা কৰা হ'ব।' (৪৬) প্ৰকৃততে সিহঁতৰ প্ৰভুৰ নিদৰ্শন সমূহৰ এনে কোনো নিদৰ্শন অহা নাই, যিটোৰ পৰা সিহঁতে আঁতৰি যোৱা নাই। (৪৭) যেতিয়া সিহঁতক কোৱা হয়- 'আল্লাহে তোমালোকক যি জীৱিকা দিছে, তাৰ পৰা কিছু আনক দিয়া', তেতিয়া অবিশ্বাসকাৰীবিলাকে বিশ্বাস স্থাপনকাৰীবিলাকক কয়- 'আমি সিহঁতক কিয় খুৱাম, যিবিলাকক আল্লাহে ইচ্ছা কৰিলে খুৱাব পাৰে?' তোমালোক স্পষ্ট বিভ্ৰান্তিত আছা।

(৪৮) সিহঁতে কয়- 'এই প্ৰতিশ্ৰুতি কেতিয়া পূৰ্ণ হ'ব? কোৱা, যদি তোমালোক সত্যবাদী হোৱা।' (৪৯) সিহঁতে নিশ্চয় মাথোন এটি ভয়ংকৰ নিনাদৰ অপেক্ষাত আছে, যিটোৱে সিহঁতক এনে সময়ত আঘাত কৰিব, যেতিয়া সিহঁত বাক-বিতণ্ডাত লিপ্ত থাকিব। (৫০) তেতিয়া সিহঁতে জীৱনৰ অন্তিম কথাখিনিও ক'বলৈ সময় নাপাব আৰু নিজ পৰিয়াল-পৰিজনৰ ওচৰলৈকো ঘূৰি আহিব নোৱাৰিব। (৫১) পিচত শিঙাত ফুঁ দিয়া হ'ব আৰু ততালিকে সিহঁত কবৰৰ পৰা ওলাই নিজৰ প্ৰভুৰ ওচৰলৈ ঢপলিয়াই যাব। (৫২) সিহঁতে ক'ব- 'হায়! আমাৰেই দুৰ্ভাগ্য! কোনে আমাক নিদ্ৰাৰ পৰা উঠালে?' এয়াই, দয়াময় প্ৰভুৰে যাৰ প্ৰতিশ্ৰুতি দিছিল আৰু নবী-ৰছুলসকলে সত্য কথাই কৈছিল। (৫৩) এটা মাত্ৰ ভয়ংকৰ নিনাদ হ'ব আৰু আটাইকে সমবেত কৰি আমাৰ ওচৰলৈ আনি উপস্থিত কৰা হ'ব।

(৫৪) সেইদিনা কাৰো প্ৰতি সামান্যতমো অবিচাৰ কৰা নহ'ব। তোমালোকে যেনে কৰ্ম কৰিছিলা, কেৱল তাৰহে প্ৰতিফল দিয়া হ'ব।

(৫৫) সেইদিনা জান্নাতবাসীসকল মহা আনন্দত বিভোল হৈ থাকিব- (৫৬) তেওঁলোক আৰু তেওঁলোকৰ সংগিনীসকল শীতল ছাঁত ওখ কোমল গাদীত আউজী আৰাম কৰিব। (৫৭) তাত তেওঁলোকৰ বাবে সুস্বাদু ফলমূল থাকিব আৰু যিহকে বিচাৰিব তাকে তেওঁলোকে পাব। (৫৮) কৰুণাময় পক্ষৰ পৰা তেওঁলোকক 'ছালাম' বুলি অভিবাদন জনোৱা হ'ব।

(৫৯) (আল্লাহে ক'ব)- 'হে অপৰাধীবিলাক, আজি তোমালোক সৎকর্মপৰায়ণসকলৰ পৰা আঁতৰি যোৱা, (৬০) হে আদম সন্তানবিলাক, মই তোমালোকক আদেশ দিয়া নাছিলোনে যে ছয়তানৰ দাসত্ব নকৰিবা, সি তোমালোকৰ প্ৰকাশ্য শত্ৰু; (৬১) আৰু মোৰহে উপাসনা কৰা? প্ৰকৃততে এইটোহে সঠিক সৰল পথ। (৬২) তথাপি সি তোমালোকৰ বহু সংখ্যক মানুহক আওবাটে নিলে। তোমালোকৰ বোধশক্তি নাছিলনেকি? (৬৩) এইখনেই জাহান্নাম, ইয়াৰেই তোমালোকক প্ৰতিশ্ৰুতি দিয়া হৈছিল। (৬৪) তোমালোকে এই সত্যতাক অস্বীকাৰ কৰিছিলা বাবে আজি ইয়াত প্ৰৱেশ কৰা। (৬৫) আজি আমি সিহঁতৰ মুখবোৰ বন্ধ কৰি দিম আৰু সিহঁতৰ হাতবোৰে আমাৰ লগত কথা ক'ব আৰু ভৰিবোৰে সাক্ষী দিব সিহঁতে কি অপকর্ম কৰিছিল।

(৬৬) আমি যদি ইচ্ছা কৰিলোহেঁতেন, সিহঁতৰ দৃষ্টি কাঢ়ি আনিব পাৰিলোহেঁতেন, সিহঁতে পথৰ সন্ধানত সংগ্ৰাম কৰিলেহেঁতেন; কিন্তু সিহঁতে পথনো দেখিব কেনেকৈ? (৬৭) আমি যদি ইচ্ছা কৰিলোহেঁতেন, সিহঁতে য'ত থিয় দি আছে, ত'তে অৱশ কৰি দিব পাৰিলোহেঁতেন যে সিহঁতে আগলৈও অগ্ৰসৰ হ'ব নোৱাৰিব আৰু পিচলৈও উভতিব নোৱাৰিব। (৬৮) আমি যদি কাৰোবাক দীৰ্ঘজীৱি কৰো, তাক আকৌ পূৰ্বাৱস্থালৈ ঘুৰাই নিও। সিহঁতে সিহঁতৰ জ্ঞানবুদ্ধি নখটায়নে? (৬৯) আমি এওঁক কবিতা শিকোৱা নাই আৰু

এয়া এওঁৰ পক্ষে শোভা নাপায়। এয়া বিশুদ্ধ স্মাৰক আৰু কুৰআন (পৰিষ্কাৰ কৰি পাঠ কৰাৰ উপযুক্ত পুথি)- (৭০) যাতে প্ৰতিজন জীৱিত ব্যক্তিৰ সতৰ্ক বাৰ্তা আৰু অবিশ্বাসকাৰীবিলাকৰ বিৰুদ্ধে (আল্লাহৰ ফয়চলাৰ) অকাট্য দলীল।

(৭১) সিহঁতে দেখা নাইনে, আমি নিজ হাতেৰে সৃষ্টি কৰা বস্তুবিলাকৰ ভিতৰত সিহঁতৰ বাবে ঘৰচীয়া জন্তুও সৃষ্টি কৰিছো আৰু সিহঁতেই সেইবোৰৰ গৰাকী, (৭২) সেইবোৰ আমি সিহঁতৰ বশ কৰি দিছো যে কিছুমানৰ ওপৰত সিহঁতে আৰোহণ কৰে আৰু কিছুমানৰ মাংস খায়, (৭৩) সেইবোৰৰ পৰা পান কৰিবলৈ গাখীৰ আৰু অনেক উপকাৰো পায়। তথাপি সিহঁত কৃতজ্ঞ নহ'বনে? (৭৪) সিহঁতে আল্লাহৰ পৰিৱৰ্তে আনক উপাস্য কৰি লৈছে আৰু সিহঁতৰ পৰা সহায় পাব বুলি আশা পালি আছে, (৭৫) কিন্তু সিহঁতে (উপাস্যবিলাকে) সিহঁতক সহায় কৰিব নোৱাৰে; বৰং সিহঁতকহে সিহঁতৰ (উপাস্যবিলাকৰ) বাবে বাহিনী ৰূপে উপস্থিত কৰা হয়। (৭৬) সেয়ে সিহঁতৰ কথাত তুমি দুখ নকৰিবা। সিহঁতে যি গোপন কৰে আৰু যি প্ৰকাশ কৰে, সেয়া সকলো আমি জানো।

(৭৭) মানুহে দেখা নাইনে যে আমি তাক এটি টোপালৰ পৰা সৃষ্টি কৰিছো? পিচত সিয়ে আকৌ দুৰ্ঘোৰ বাক-বিতণ্ডা কৰে, (৭৮) আৰু আমাৰ বিপক্ষে যুক্তি উত্থাপন কৰে আৰু নিজৰ সৃষ্টিৰ কথা পাহৰি যায়। সি সোধে- 'এই হাড়বোৰ জহি-খহি গেলি-পচি যোৱাৰ পিচত এইবোৰ কোনে জীয়াব?' (৭৯) কোৱা- 'যিজনে প্ৰথমবাৰ সৃষ্টি কৰিছিল, তেৱেঁই এইবোৰ জীয়াব। সৰ্বপ্ৰকাৰ সৃষ্টি সম্পৰ্কে তেওঁৰ সম্পূৰ্ণ জ্ঞান আছে। (৮০) তেৱেঁই তোমালোকৰ বাবে সেউজীয়া গছৰ পৰা অগ্নি উৎপন্ন কৰে আৰু তাৰে

তোমালোকে জুই ধৰা।' (৮১) যিজনে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে, তেওঁ এই মানুহবিলাকৰ অনুৰূপ অন্য সৃষ্টি কৰিবলৈ সক্ষম নহয়নে? নিশ্চয়, তেওঁ সক্ষম হয়। বাস্তৱিকতে তেওঁ সুদক্ষ মহা স্ৰষ্টা আৰু সকলো জানে। (৮২) যেতিয়া তেওঁ কিবা কৰিবলৈ ইচ্ছা কৰে, তেওঁ মাথোন কয়- 'হ' আৰু সেয়া হৈ যায়। (৮৩) পৱিত্ৰ আৰু মহান সত্তা তেওঁ, যাৰ হাতত সৰ্বময় কৰ্তৃত্ব আছে আৰু তেওঁৰ ওচৰলৈকে তোমালোক সকলোকে উভতাই নিয়া হ'ব।

৩৭. আছ-ছাফ্‌ফাত (শাৰীবদ্ধ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত (সেইসকল ফিৰিস্তাৰ), যিসকলে শ্ৰেণীবদ্ধভাৱে শাৰী পাতে, (২) যিসকলে ভৰ্ৎসনা কৰি (অসৎকৰ্মীক) খেদি পঠায়, (৩) আৰু উপদেশ বাণী শুনায়- (৪) তোমালোকৰ উপাস্য মাথো এজনেই, (৫) আকাশ মণ্ডল আৰু পৃথিৱী আৰু উভয়ৰ মাজত যি আছে, সকলোৱে তেওঁ প্ৰভু আৰু উদয়াচল সমূহৰো প্ৰভু।

(৬) আমি নিম্নতম আকাশখন তাৰকাৰাজীৰে শোভিত কৰিছো, (৭) আৰু প্ৰত্যেক বিদ্ৰোহী ছয়তানৰ পৰা তাক সুৰক্ষিত কৰিছো। (৮) সেয়ে সিহঁতে উৰ্ধজগতৰ কথা শুনিব নোৱাৰে। কেউদিশৰ পৰা সিহঁতলৈ নিক্ষেপ কৰা হয়- (৯) সিহঁতক খেদি পঠিয়াবৰ বাবে আৰু সিহঁতৰ বাবে আছে অনন্ত শাস্তি। (১০) তথাপি যদি সিহঁতৰ কোনোবাই গুপুতে শুনি (এনে জ্ঞানৰ কিয়দাংশ) ছো মাৰি লৈ যায়, তেতিয়া এটা জ্বলন্ত উল্কাপিণ্ডই তাৰ চোঁচা লয়।

(১১) এতেকে অবিশ্বাসকাৰীবিলাকক সোধা- 'সিহঁতক সৃষ্টি কৰা বেছি জটিল নে আমি আন যিবোৰ সৃষ্টি কৰিছো সেইবোৰ?' আমি সিহঁতক আলতীয়া মাটিৰে সৃষ্টি কৰিছো। (১২) তুমি তবধ মানিছা যেতিয়া সিহঁতে উপহাস কৰি হাঁহে। (১৩) সিহঁতক বুজালেও বুজ নলয়; (১৪) আৰু কোনো নিদর্শন দেখিলে, সিহঁতে ইয়াক ঠাট্টা কৰি- (১৫) কয়- 'এয়া দেখদেখ যাদু।' (১৬) 'কি! আমি যেতিয়া মৰি-হাজি হাড় আৰু মাটিত পৰিণত হ'ম, তেতিয়া আমাক পুনৰজীৱিত কৰা হ'ব- (১৭) আৰু আমাৰ পিতৃ-পুৰুষকলকো?' (১৮) কোৱা- 'হয়, নিশ্চয় তোমালোকক অসহায় কৰি অনা হ'ব।'

(১৯) এটি মাত্র ভয়ংকৰ শব্দ হ'ব আৰু সিহঁতৰ চকু মেল খাব। (২০) সিহঁতে ক'ব- 'আমাৰেই দুর্ভাগ্য। এইটোৱেই বিচাৰৰ দিন।' (২১) (এই বুলি কোৱা হ'ব)- 'এইটোৱেই চূড়ান্ত মীমাংসাৰ দিন, যিটোক তোমালোকে অস্বীকাৰ কৰিছিলা।' (২২) কিন্তু আমি ক'ম- 'গোটাই লৈ আনা অন্যায়কাৰী বিলাকক, সিহঁতৰ সংগীবিলাকক আৰু সিহঁতে যাক উপাসনা কৰিছিল- (২৩) আল্লাহৰ পৰিৱর্তে। সিহঁতক জাহান্নামৰ বাট দেখুৱাই লৈ যোৱা, (২৪) সিহঁতক তাত ৰখোৱা, সিহঁতক সুধিব লগা আছে।' (২৫) 'তোমালোকৰ কি হ'ল? তোমালোকে ইজনে সিজনক সহায় কৰিব পৰা নাই কিয়?' (২৬) অৱশ্যই সিদিনা সিহঁতে নিজেই আত্ম সমর্পণ কৰিব।

(২৭) সিহঁতৰ এজনে আনজনৰ ওচৰলৈ যাব আৰু ইজনে সিজনক প্রশ্ন কৰিব। (২৮) সিহঁতে ক'ব- 'তোমালোকে সোফালৰ পৰা আমাৰ ওচৰলৈ আহিছিলা।' (২৯) উত্তৰত সিহঁতে ক'ব- 'তেনে নহয়, আচলতে তোমালোকেই বিশ্বাস স্থাপন কৰা নাছিলা- (৩০) তোমালোকৰ ওপৰত আমাৰ কোনো ক্ষমতা নাছিল; বৰং তোমালোক নিজেই বিদ্রোহী আছিলা। (৩১) আমাৰ সম্বন্ধে আমাৰ প্রভুৰ কথাই সাব্যস্ত হ'ল। নিশ্চয় আমি (শাস্তিৰ) সোৱাদ গ্রহণ কৰিবই

লাগিব। (৩২) আমিয়েই তোমালোকক পথভ্রষ্ট কৰিছিলো যিহেতু আমিয়েই পথভ্রষ্ট আছিলো।' (৩৩) সিদিনা সিহঁত আটায়ে শাস্তিৰ ভাগী হ'ব। (৩৪) অপৰাধীবিলাকৰ প্ৰতি আমি এনে আচৰণেই কৰো। (৩৫) যেতিয়া সিহঁতক কোৱা হৈছিল- 'আল্লাহৰ ব্যতীত আন উপাস্য নাই', তেতিয়া সিহঁতে ডাংকোপ মাৰি আঁতৰি গৈছিল; (৩৬) আৰু কৈছিল- 'এজন উন্মাদ কবিৰ কথাত আমি আমাৰ উপাস্যবিলাকক ত্যাগ কৰিমনে?' (৩৭) আচলতে তেওঁ সত্য লৈ আহিছিল আৰু পূৰ্বৰ ৰছুলসকলৰ সত্যতা সাব্যস্ত কৰিছিল। (৩৮) তোমালোকে অৱশ্যই অতি যন্ত্ৰণাদায়ক শাস্তি ভোগ কৰিব লাগিব। (৩৯) তোমালোকে যি কৰা, তাৰহে প্ৰতিফল পাবা।

(৪০) কিন্তু আল্লাহে বাছি লোৱা দাসসকলৰ বাবে- (৪১) নিৰ্ধাৰিত জীৱিকা আছে, (৪২) নানা ধৰণৰ ফলমূল আৰু তেওঁলোকক সা-সন্মান জনোৱা হ'ব- (৪৩) আনন্দময় স্বৰ্গোদ্যানত। (৪৪) তাত তেওঁলোকে আৰামদায়ক আসনত মুখমুখিকৈ বহিব। (৪৫) পানীয়ৰ নিজৰাৰ পৰা পানপাত্ৰত ভৰাই আনি তেওঁলোকক পৰিবেশন কৰা হ'ব, (৪৬) সেয়া হ'ব স্বচ্ছ নিৰ্মল পানীয় আৰু খাওতাসকলৰ বাবে তৃপ্তিকৰ, (৪৭) সেয়া কোনো ক্ষতিকৰ নহয় আৰু ৰাগীয়েও নধৰে। (৪৮) তেওঁলোকৰ ওচৰত আয়ত নয়না, আয়ত লোচনা স্ত্ৰীসকল থাকিব- (৪৯) যেনিবা আলফুলকৈ আৱৰি ৰখা মুকুতাহে।

(৫০) তেওঁলোকে ইজনে সিজনৰ মুখ কৰি বহি কথা-বতৰা পাতিব। (৫১) তেওঁলোকৰ এজনে ক'ব- 'মোৰ এজন বন্ধু আছিল, (৫২) সি মোক সুধিছিল'- 'তুমিও প্ৰকৃততে সেয়া বিশ্বাস কৰিছিলা নেকি-(৫৩) আমি যেতিয়া মৰিম, মাটি আৰু হাড়ত পৰিণত হ'ম, তেতিয়াও আমাক সঁচাকৈয়ে বিচাৰৰ বাবে উঠোৱা হ'বনে?' (৫৪) তেতিয়া তেওঁ ক'ব- 'সেয়া আপোনালোকে চাব খোজে নেকি?' (৫৫) তাৰ পিচত তেওঁ ভুমুকি মাৰি চাব আৰু তেওঁ

তাক জাহান্নামৰ মাজত দেখিবলৈ পাব। (৫৬) তেওঁ ক'ব- 'আল্লাহৰ শপত, তুমি মোক প্ৰায় ধ্বংস কৰিছিলাই, (৫৭) মোৰ প্ৰভুৰে মোক কৃপা নকৰা হেঁতেন, মোকো জাহান্নামলৈ ধৰি অনা হ'লহেঁতেন।' (৫৮) তেতিয়া সি ক'ব (কৃপাপ্ৰাপ্ত তাৰ বন্ধুবৰ্গক)- 'ইয়াত আমাৰ মৰণ নহয়তো- (৫৯) প্ৰথম মৃত্যু ঘটাৰ পিচত ? আমাৰ শাস্তিও নহ'বতো ?' (৬০) নিশ্চয়, এয়া পৰম সফলতা। (৬১) এনে সফলতাৰ বাবে সকলোৱে সাধনা কৰা উচিত।

(৬২) আতিথ্যৰ বাবে এইবোৰ ভাল নে যাকুম গছ, (৬৩) যি জোপা আমি দু�ৰাচাৰীবিলাকৰ কাৰণে পৰীক্ষা স্বৰূপে সৃষ্টি কৰিছো। (৬৪) ই এনে এজোপা গছ, যি জোপা জাহান্নামৰ তলৰ পৰা গজি উঠে। (৬৫) ইয়াৰ ফলবোৰ ভূতৰ মূৰৰ দৰে। (৬৬) ইয়াৰ পৰাই সিহঁতে খাব আৰু তাৰেই পেট ভৰাব। (৬৭) ইয়াৰ উপৰিও সিহঁতক দিয়া হ'ব টগবগাই উতলি থকা পানীৰ মিশ্ৰণ। (৬৮) পিচত সিহঁত জাহান্নামৰ পিনেই প্ৰত্যাৱৰ্তন কৰিব। (৬৯) সিহঁতে সিহঁতৰ পিতৃ-পুৰুষবিলাকক বিপথগামী ৰূপে পাইছিল। (৭০) সেয়ে সিহঁতেও সিবিলাকৰ পদাংক অনুসৰণত ধাবিত হৈছিল। (৭১) আচলতে সিহঁতৰ পূৰ্বেও সিহঁতৰ পূৰ্বৱৰ্তীবিলাকৰ অধিকাংশই বিপথগামী আছিল। (৭২) যদিও আমি সিহঁতৰ প্ৰতি সতৰ্ককাৰী পঠিয়াইছিলো। (৭৩) চোৱা, যিবিলাকক সতৰ্ক কৰা হৈছিল, সিহঁতৰ কি দশা হ'লহু (৭৪) তেওঁলোক নহয়, যিসকলক আল্লাহে দাস হিচাবে বাছি লৈছিল।

(৭৫) নূহে আমাক প্ৰাৰ্থনা কৰিছিল। চোৱা, আমি কেনে উত্তমভাৱে সঁহাৰি জনাইছিলো। (৭৬) আমি তেওঁক আৰু তেওঁৰ মানুহবিলাকক মহা বিপদৰ পৰা ত্ৰাণ কৰিলো, (৭৭) আৰু একমাত্ৰ তেওঁৰ বংশধৰসকলক ৰক্ষা কৰিলো, (৭৮) আৰু আমি পৰৱৰ্তী বংশধৰ সকলৰ মাজত তেওঁৰ গুণানুলোচনাৰ প্ৰক্ৰিয়া বৰ্তাই ৰাখিলো। (৭৯) বিশ্ববাসীৰ ভিতৰত নূহৰ

প্রতি শান্তি হওক। (৮০) এনেদৰে আমি সৎকৰ্মীসকলক প্রতিদান দিওঁ। (৮১) প্রকৃততে তেওঁ আমাৰ মুমিনসকলৰ এজন আছিল। (৮২) পিচত আমি আনবিলাকক ডুবাই মাৰিলো।

(৮৩) ইব্রাহীমো একে পন্থাৰেই বিশ্বাসী আছিল। (৮৪) তেওঁ বিশুদ্ধ চিত্তে তেওঁৰ প্রভুৰ সমীপত উপস্থিত হ'ল। (৮৫) 'চোৱা', তেওঁ নিজ পিতৃ আৰু তেওঁৰ জাতিৰ মানুহবিলাকক সুধিছিল- 'এইবোৰ কি, যিবোৰক তোমালোকে উপাসনা কৰিছা? (৮৬) তোমালোকে আল্লাহৰ পৰিৱর্তে কাল্পনিক উপাস্য বিচৰা নেকি? (৮৭) বিশ্বজগতৰ প্রভুৰ বিষয়ে তোমালোকে কি বুলি ভাবা?'

(৮৮) পিচত তেওঁ তাৰকাসমূহলৈ দৃষ্টি দিলে, (৮৯) আৰু ক'লে- 'মই অসুস্থ', (৯০) পিচত সিহঁতে তেওঁক এৰি গুচি গ'ল। (৯১) তেওঁ সিহঁতৰ উপাস্যবিলাকৰ কাষলৈ গ'ল আৰু ক'লে- 'তোমালোকে নোখোৱা কিয়? (৯২) তোমালোকৰ কি হ'ল, তোমালোকে একো নোকোৱাও দেখোন?' (৯৩) তেওঁ সিবোৰৰ ওচৰলৈ গ'ল আৰু সিহঁতক পূর্ণহতীয়া মাৰ শোধাবলৈ ধৰিলে। (৯৪) তেওঁৰ গোষ্ঠীৰ মানুহবিলাকে লৰালৰি কৰি তেওঁৰ ওচৰলৈ গ'ল। (৯৫) তেওঁ ক'লে- 'তোমালোকে সেইবোৰক কেনেকৈ পূজা কৰা, যিবোৰ ভাষ্কর্য তোমালোকে সৃষ্টি কৰিছা? (৯৬) অথচ আল্লাহে তোমালোকক সৃষ্টি কৰিছে আৰু তোমালোকে যিবোৰ সাজি লৈছা, সিবোৰকো সৃষ্টি কৰিছে।' (৯৭) সিহঁতে ক'লে- 'ইয়াৰ বাবে এটা অগ্নিকুণ্ড তৈয়াৰ কৰা আৰু তাক সেই জলন্ত অগ্নিকুণ্ডত পেলাই দিয়া।' (৯৮) সিহঁতে তেওঁৰ অনিষ্ট সাধিব বিচাৰিছিল; কিন্তু আমি সিহঁত সকলোকে অতি হীনভাৱে অপদস্ত কৰিলো। (৯৯) তেওঁ ক'লে- 'মই মোৰ প্রভুৰ ওচৰলৈকে গৈ আছো। তেৱেঁই মোক পথ দেখুৱাব। (১০০) হে প্রভু, মোক এটি সুপুত্র দান কৰা।' (১০১) আমি

তেওঁক সুসংবাদ দিলো যে, তোমাৰ এটি ধীৰ ধৈর্যশীল পুত্ৰ সন্তান হ'ব।

(১০২) যেতিয়া সি তেওঁৰ লগত কাম-কাজ কৰিব পৰা বয়সত উপনীত হ'ল, তেতিয়া তেওঁ ক'লে- 'হে মোৰ চেনেহৰ পুত্ৰ, মই সপোনত দেখিছো যে মই হেনো তোমাক জবহ (কুৰবানী) কৰিছো। তুমি কি বুলি ভাবা কোৱা মোক।' তেওঁ উত্তৰ দিলে- 'হে মোৰ আব্বাজান, আপোনাক যি আদেশ দিয়া হৈছে, তাকে কৰক। আল্লাহে কৰিলে মোক ধৈৰ্শীল হিচাবে পাব।'(১০৩) যেতিয়া তেওঁলোক দুয়ো আল্লাহৰ শৰণাপন্ন হ'ল আৰু তেওঁ তেওঁৰ পুত্ৰক তলমূৰ কৰি বগৰাই ল'লে,(১০৪) তেতিয়া আমি মাত দি তেওঁক ক'লো- 'হে ইব্ৰাহীম, (১০৫) তুমি তোমাৰ সপোন বাস্তৱায়িত কৰিলা।' এনেদৰে আমি সৎকৰ্মীসকলক প্ৰতিদান দিওঁ। (১০৬) নিশ্চয় এইটো এটা জটিল পৰীক্ষা আছিল।(১০৭) এটা মহা কুৰবানীৰ বিনিময়ত আমি তেওঁক বচাই ৰাখিলো। (১০৮) আৰু এইদৰে আমি তেওঁক বতাঁই ৰাখিলো পৰৱৰ্তীত তেওঁৰ উত্তৰসূৰী পৰা এদল তেওঁৰ অনুগামীৰ আগমনৰ বাবে।(১০৯) ইব্ৰাহীমৰ প্ৰতি শান্তি আৰু শোভাশীষ হওক। (১১০) এনেদৰেই আমি সৎকৰ্মীসকলক প্ৰতিদান দিও।(১১১) প্ৰকৃততে তেওঁ আমাৰ মুমিনসকলৰ এজন আছিল।(১১২) আমি ইব্ৰাহীমক ইছহাকৰ সুসংবাদ দিছিলো। তেওঁ হ'ব এজন নবী আৰু সৎকৰ্মপৰায়ণ।(১১৩) আমি তেওঁক আৰু ইছহাকক সমৃদ্ধি দান কৰিছিলো। এতিয়া তেওঁলোক দুজনৰ বংশধৰৰ কিছুমান ভাল আৰু কিছুমান স্পষ্টভাৰে নিজেই নিজৰ ক্ষতি সাধন কৰে। (১১৪) মূছা আৰু হাৰুণকো আমাৰ অনুগ্ৰহ দান কৰিছিলো।(১১৫) আমি তেওঁলোকক আৰু তেওঁলোকৰ সম্প্ৰদায়ক মহা বিপদৰ পৰা ত্ৰাণ কৰিছিলো।(১১৬) আমি তেওঁলোকক সহায় কৰিছিলো, সেয়ে তেওঁলোকে বিজয়ী হৈছিল।(১১৭) আমি তেওঁলোক দুয়োকো পুথি দিছিলো, যিয়ে কথাবোৰ স্পষ্টভাৰে বুজাই দিয়ে,(১১৮) আৰু তেওঁলোকক

সঠিক পথ প্রদর্শন কৰিছিলো, (১১৯) আমি তেওঁলোকৰ পৰৱর্তী মানুহবিলাকৰ এটা সম্প্রদায়ক তেওঁলোকৰ পথৰ (অনুসাৰী হিচাবে) বর্তাই ৰাখিছিলো।(১২০) মূছা আৰু হাৰুণৰ প্রতি শান্তি বর্ষিত হওঁক।(১২১) এনেদৰে আমি সৎকর্মপৰায়ণসকলক পুৰস্কাৰ দিওঁ।(১২২) প্রকৃততে তেওঁলোক দুজন আমাৰ মুমিন দাসকলৰ অন্তর্ভুক্ত আছিল।

(১২৩) ইলিয়াছো আমাৰ ৰছুলসকলৰ ভিতৰৰে এজন আছিল। (১২৪) তেওঁ তেওঁৰ জাতিৰ মানুহবিলাকক কৈছিল- 'তোমালোকে (আল্লাহক) ভয় নকৰানে? (১২৫) তোমালোকে কি 'বা'ল' দেৱতাক প্রার্থনা কৰা, সর্বশ্রেষ্ঠ সৃষ্টিকর্তাক বাদ দি? (১২৬) যিজন আল্লাহ তোমালোকৰ প্রভু আৰু তোমালোকৰ পিতৃ-পিতামহসকলৰো প্রভু?' (১২৭) কিন্তু সিহঁতে অস্বীকাৰ কৰিলে; সেয়ে নিশ্চয় সিহঁতৰ পৰা কৈফিয়ৎ তলব কৰা হ'ব, (১২৮) তেওঁলোকৰ ব্যতীত, যিসকলক আল্লাহৰ দাস হিচাবে বাছি লোৱা হৈছিল।(১২৯) আমি তেওঁৰ পৰৱর্তী মানুহবিলাকৰ মাজত এটা দলক তেওঁৰ পথৰ (অনুগামী) কৰি ৰাখিছিলো। (১৩০) ইলিয়াছ আৰু তেওঁৰ জাতিৰ (অনুগামী) মানুহবিলাকৰ ওপৰত শান্তি বর্ষিত হওঁক। (১৩১) এনে ধৰণে আমি সৎকর্ম কৰা মানুহবিলাকক পুৰস্কাৰ দিওঁ। (১৩২) নিশ্চয়কৈ তেওঁ আমাৰ মুমিন দাসসকলৰ এজন আছিল।

(১৩৩) আৰু লূতো ৰছুলসকলৰ ভিতৰৰ এজন আছিল।(১৩৪) আমি তেওঁক আৰু তেওঁৰ মানুহবিলাকক ৰক্ষা কৰিছিলো- (১৩৫) এজনী বৃদ্ধা ব্যতীত। তাই পিচত ৰৈ গৈছিল।(১৩৬) আৰু আন সকলোকে আমি ধ্বংস কৰিলো।(১৩৭) তোমালোকে সিহঁতৰ ধ্বংসপ্রাপ্ত অঞ্চলেদি যাতায়ত কৰা পুৱাৰ ভাগত- (১৩৮) আৰু ৰাতিও। তথাপিও তোমালোকৰ বুজ নহয়নে?

(১৩৯) ইউনুছো ৰছুলসকলৰ ভিতৰৰ এজন আছিল। (১৪০) তেওঁ

পলাই গৈ বোজাই কৰা নাও পালেগৈ- (১৪১) তেৰোঁ চিঠি খেলত ভাগ ল'লে আৰু হাৰিল। (১৪২) ইয়াৰ পিচত তেওঁক মাছে গিলি পেলালে আৰু তেওঁ নিজকে নিজে ধিক্কাৰ দিবলৈ ধৰিলে। (১৪৩) তেওঁ যদি আল্লাহৰ মহিমা কীৰ্তনকাৰীসকলৰ এজন নহ'লহেঁতেন, (১৪৪) তেনেহ'লে নিশ্চয় তেওঁ কিয়ামতৰ দিনলৈকে মাছৰ পেটতে থাকিলহেঁতেন। (১৪৫) পিচত আমি তেওঁক ৰুগ্ন অৱস্থাত সমুদ্ৰ তীৰত পেলাই দিলো। (১৪৬) আৰু আমি তেওঁৰ ওপৰত এজোপা লাও গছ গজাই দিলো। (১৪৭) আমি তেওঁক একলাখ বা ততোধিক মানুহৰ প্ৰতি এজন ৰছুল হিচাবে প্ৰেৰণ কৰিছিলো। (১৪৮) আৰু তেওঁলোকে তেওঁক বিশ্বাস কৰিলে। সেয়ে আমি তেওঁলোকক এটি বিশেষ সময়লৈকে ভোগ-বিলাস কৰিবলৈ অৱকাশ দিলো।

(১৪৯) সিহঁতক সোধাছোন যে, তোমালোকৰ প্ৰভুৰ বাবে আছে কন্যা সন্তান আৰু সিহঁতৰ বাবে পুত্ৰ সন্তান। (১৫০) আমি কি ফিৰিস্তা সকলক নাৰী আকাৰে সৃষ্টি কৰিছো আৰু সেয়া সিহঁতে প্ৰত্যক্ষভাৱে দেখিছেনে? (১৫১) কদাপিও নহয়, আচলতে এইবোৰ সিহঁতৰ মনেসজা কথা যে, (১৫২) 'আল্লাহে সন্তান জন্ম দিছে!' দৰাচলতে সিহঁত গোকাট মিছলীয়া। (১৫৩) তেওঁ পুত্ৰ সন্তানৰ পৰিৱৰ্তে কন্যা সন্তান পচন্দ কৰি লৈছে নেকি? (১৫৪) তোমালোকৰ কি হ'ল? তোমালোকে কেনেকৈ এনে বিচাৰ কৰা? (১৫৫) তোমালোকে বিচাৰ-বিবেচনা নকৰানে? (১৫৬) নাইবা তোমালোকৰ ওচৰত কোনো স্পষ্ট প্ৰমাণ আছেনে? (১৫৭) থাকিলে সেই লিখিত চনদ উত্থাপন কৰা, যদি তোমালোকে সঁচা কথা কৈছা।

(১৫৮) আল্লাহৰ লগত জ্বিনবিলাকৰ আত্মীয়তাৰ সম্পৰ্ক থকা বুলি সিহঁতে দাবী কৰে; অথচ জ্বিনবিলাকে জানে যে সিহঁতকো অৱশ্যই (বিচাৰৰ বাবে) উপস্থিত কৰা হ'ব। (১৫৯) সিহঁতে আল্লাহৰ প্ৰতি যিবোৰ আৰোপ

কৰে, তাৰ পৰা তেওঁ পৱিত্ৰ। (১৬০) কিন্তু তেওঁৰ নিষ্ঠাবান দাসসকল তেনে নহয়। (১৬১) তোমালোক আৰু তোমালোকে যিবিলাকৰ উপাসনা কৰা, (১৬২) আল্লাহৰ পথৰ পৰা কাকো বিভ্ৰান্ত কৰিব নোৱাৰিবা, (১৬৩) কেৱল সিহঁতকহে পাৰিবা, যিবিলাক জাহান্নামৰ অগ্নিত ভষ্ম হ'ব। (১৬৪) (ফিৰিস্তা সকলে ক'লে)- 'আমাৰ প্ৰত্যেকৰ বাবে একোটিকৈ নিৰ্দিষ্ট স্থান আছে, (১৬৫) আৰু আমি শৃঙ্খলাবদ্ধ হৈ শাৰী পাতি থাকোঁ, (১৬৬) আৰু আমি তেওঁৰ মহিমাৰ গুণ গাই থাকো।'

(১৬৭) সিহঁতে কৈছিল- (১৬৮) 'পূৰ্বৰ মানুহবিলাকৰ থকাৰ দৰে আমাৰো যদি ঐশীপুথি থাকিলহেঁতেন, (১৬৯) তেনেহ'লে নিশ্চয় আমি আল্লাহৰ নিষ্ঠাবান দাস হ'লোহেঁতেন।' (১৭০) কিন্তু সিহঁতে ইয়াক (কুৰআনক) অস্বীকাৰ কৰিলে আৰু অচিৰেই সিহঁতে গম পাব। (১৭১) আমি আমাৰ দাস, ৰছুলসকলক কথা দিছিলো যে- (১৭২) নিশ্চয় তেওঁলোকক সহায় কৰা হ'ব, (১৭৩) আৰু সেয়া হ'ল, আমাৰ সৈন্য বাহিনীয়েই বিজয় লাভ কৰিব। (১৭৪) এতেকে সাময়িকভাবে সিহঁতৰ প্ৰতি পিঠি দিয়া, (১৭৫) চাই থাকা, অচিৰেই সিহঁতে দেখিবলৈ পাব।

(১৭৬) সিহঁতে সঁচাকৈয়ে আমাৰ শাস্তিৰ বাবে খৰধৰ কৰিছে নেকি? (১৭৭) সেয়া আহি যেতিয়া সিহঁতৰ চোতাল পাবহি, যিবিলাকক সতৰ্ক কৰি দিয়া হৈছিল, সেই প্ৰাতঃ বেলা সিহঁতৰ বৰ ভয়াবহ হ'ব। (১৭৮) সেয়েহে কিছু সময়ৰ বাবে সিহঁতৰ ফালে পিঠি দি থাকা। (১৭৯) চাই থাকা, অচিৰেই সিহঁতে দেখিবলৈ পাব। (১৮০) পৱিত্ৰতা তোমাৰ প্ৰভুৰ বাবেই। তেওঁ মৰ্যাদাৰ অধিকাৰী আৰু সিহঁতে তেওঁৰ প্ৰতি যি আৰোপ কৰিছে, তাতকৈ তেওঁ উৰ্ধত। (১৮১) ৰছুলসকলৰ ওপৰত শান্তি বৰ্ষিত হওঁক, (১৮২) সকলো প্ৰশংসা আল্লাহৰ বাবে, তেওঁ বিশ্বজগতৰ প্ৰভু।

৩৮. চাদ (চাদ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) চাদ।

উপদেশপূর্ণ কুৰআনৰ শপত। (২) যিবিলাকে অবিশ্বাস কৰে, সিহঁত অহংকাৰ আৰু বিৰুদ্ধাচাৰণত লিপ্ত। (৩) সিহঁতৰ পূর্বে আমি কিমান প্রজন্মক ধ্বংস কৰিলো! তেতিয়া সিহঁতে আর্তনাদ কৰিছিল, কিন্তু ৰক্ষা পোৱাৰ সময় উকলি গৈছিল।

(৪) সিহঁতে আশ্চর্য বোধ কৰিছে। কিয়নো সিহঁতৰ মাজৰ পৰাই সিহঁতৰ ওচৰলৈ এজন সতর্ককাৰী আহিছিল। সিহঁতে ক'লে- 'তেওঁ এজন যাদুকৰ, ঘোৰ মিছলীয়া। (৫) ই সকলো উপাস্য এৰি মাত্র এজনহে উপাস্য কৰি লৈছে নেকি? এইটো এটা অদ্ভুত কথা।' (৬) সিহঁতৰ নেতাবিলাকে এই বুলি কৈ কৈ প্রস্থান কৰিলে- 'যোৱা, নিজ নিজ উপাস্যবিলাকৰ পূজা-অর্চনাতে অটল থাকা। এয়া নিশ্চিতভাৱে এক ষড়যন্ত্র। (৭) পুৰণি ধর্মত আমি এনে কোনো কথা পোৱা নাই। এয়া মনেসজা কথাৰ বাহিৰে আন একো নহয়। (৮) আমাৰ মাজত কেৱল মাথো ইয়াৰ প্রতিহে ঐশীবাণী প্রেৰণ কৰা হ'লনে?' আচলতে সিহঁতে মোৰ সতর্কবাণীৰ প্রতি সন্দেহ পোষণ কৰিছে। প্রকৃততে সিহঁতে এতিয়ালৈ মোৰ শাস্তিৰ সোৱাদ পোৱা নাই।

(৯) সিহঁতৰ ওচৰত তোমাৰ প্রভুৰ কৰুণাৰ ভাণ্ডাৰ আছে নেকি, যিজন মহা পৰাক্রমী, মহা দাতা? (১০) আকাশমণ্ডল আৰু পৃথিৱী আৰু উভয়ৰ মাজত যি আছে, সকলো সিহঁতৰ প্রভূত্বত আছে নেকি? তেনেহ'লে সিহঁতে ৰছী লগাই আকাশলৈ উঠকগৈ। (১১) মিলিত সৈন্য-বাহিনীৰ ভিতৰত ইহঁতো এটা সৈন্য দল। ইহঁতৰ পৰাজয় হ'বই। (১২) সিহঁতৰ পূর্বে নূহৰ সম্প্রদায়েও অস্বীকাৰ কৰিছিল, তেনেদৰে আদ জাতি আৰু লৌহ শলাধাৰী

ফিৰাউনেও কৰিছিল। (১৩) চামূদ জাতি, লূতৰ সম্প্ৰদায় আৰু আইকাবাসী বিলাকেও অবিশ্বাস কৰিছিল। সিহঁত আচলতে মিত্ৰ বাহিনীৰ সন্মিলিত জোট আছিল। (১৪) সিহঁতৰ এনে কোনো জাতি নাছিল, যিয়ে ৰছুলসকলক মিছলীয়া ৰূপে আচৰণ কৰা নাছিল। সেয়ে মোৰ শাস্তিয়ে সঁচাকৈয়ে সিহঁতক কাবু কৰিলে। (১৫) সিহঁতে মাথোন এটা ভয়ংকৰ বিস্ফোৰণৰ শব্দৰ অপেক্ষাত আছে আৰু এয়া সামান্য পৰিমাণো বিলম্ব কৰা নহ'ব। (১৬) সিহঁতে কয়- 'হে আমাৰ প্ৰভু, চূড়ান্ত বিচাৰৰ দিনটো অহাৰ আগেয়ে আমাৰ প্ৰাপ্য অংশ শীঘ্ৰে আমাক দিয়া।'

(১৭) সিহঁতৰ কথাত তুমি ধৈৰ্য ধাৰণ কৰা। আমাৰ দাস দাউদৰ কথা মনত পেলোৱা- তেওঁ অত্যন্ত শক্তিশালী আছিল আৰু তেওঁ সততে আমাৰ অভিমুখী আছিল। (১৮) আমি পাহাৰবোৰক তেওঁৰ বশ কৰি দিছিলো। সিবোৰেও পুৱা-গধূলি তেওঁৰ লগতে আমাৰ মহিমা কীৰ্তন কৰে। (১৯) পক্ষী বোৰেও তেওঁৰ ওচৰত সমবেত হৈছিল আৰু তেওঁৰ অভিমুখী হৈছিল। (২০) আমি তেওঁৰ ৰাজত্বক সুদৃঢ় কৰি দিছিলো। আমি তেওঁক জ্ঞান-বুদ্ধি আৰু সিদ্ধান্ত দিয়াৰ বিচাৰ শক্তিও দান কৰিছিলো।

(২১) তুমি সেই বিবাদীবিলাকৰ বৃত্তান্ত পাইছানে, যিবিলাকে বেৰ বগাই আহি তেওঁৰ আচুতীয়া কক্ষত প্ৰৱেশ কৰিছিল? (২২) যেতিয়া সিহঁত দাউদৰ ওচৰ পাইছিল, তেতিয়া তেওঁ ভয় খালে। সিহঁতে কৈছিল- 'ভয় নকৰিব, আমি দুটা বিবাদী দল। কোনো এক পক্ষই আন পক্ষক অন্যায় কৰিছো। আপুনি আমাৰ মাজত ন্যায় বিচাৰ কৰি দিয়ক। অবিচাৰ যেন নকৰে আৰু আমাক সঠিক সৰল পথ প্ৰদৰ্শন কৰক।'

(২৩) এওঁ মোৰ ককাই। এওঁৰ নিৰানব্বৈজনী দুম্বা আছে আৰু মোৰ মাত্ৰ এজনীয়ে আছে। তেওঁ কৈছে- 'এইজনীও মোকে গতাই দিয়া' আৰু কথাৰ দ্বাৰা মোক পৰাভূত কৰিছে। (২৪) দাউদে ক'লে- 'তেওঁ তোমাৰ

দুস্বাজনী তেওঁৰ দুস্বাৰ লগত একলগ কৰি ল'বলৈ দাবী কৰি নিশ্চয় তোমাৰ প্ৰতি অন্যায় কৰিছে। এইদৰে যৌথ অংশীদাৰবিলাকৰ ইজনে সিজনৰ প্ৰতি অন্যায় কৰেই। অৱশ্যে ঈমানদাৰ আৰু সৎকৰ্মীসকল ইয়াৰ ব্যতীক্ৰম। অৱশ্যে এনে মানুহৰ সংখ্যা নিচেই কম।' (হঠাৎ) দাউদে বুজিব পাৰিলে যে আমি তেওঁক পৰীক্ষাহে কৰিছো। সেয়ে তেওঁ তেওঁৰ প্ৰভুৰ ওচৰত নিজ পাপৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলে, ছিজদাত অৱনত হ'ল আৰু অনুতপ্ত হৈ তেওঁৰ অভিমুখী হ'ল। (২৫) আমি তেওঁৰ পাপ ক্ষমা কৰি দিলো। তেওঁৰ পুৰস্কাৰ হ'ব আমাৰ নৈকট্য আৰু ই এক উত্তম প্ৰত্যাৱৰ্তন।

(২৬) আমি ক'লো- 'হে দাউদ, আমি তোমাক পৃথিৱীত কৰ্তৃত্ব দান কৰিছো। এতেকে মানুহৰ মাজত ন্যায় বিচাৰ কৰিবা। প্ৰবৃত্তিৰ অনুসৰণ নকৰিবা, নহ'লে সেইবোৰে তোমাক আল্লাহৰ পথৰ পৰা পথচ্যুত কৰিব। যিবিলাক আল্লাহৰ পথৰ পৰা আওবাটে যায়, সিহঁতৰ বাবে আছে কঠোৰ শাস্তি। কিয়নো সিহঁতে বিচাৰৰ দিনটোক অৱজ্ঞা কৰিছে।'

(২৭) আকাশমণ্ডল আৰু পৃথিৱী আৰু উভয়ৰ মাজত যি আছে, সেই সকলোবোৰ আমি অনৰ্থক সৃষ্টি কৰা নাই। অবিশ্বাসকাৰীবিলাকেহে এনে ধাৰণা কৰে। যিবিলাকে সত্যক অস্বীকাৰ কৰে, সিহঁতৰ ধ্বংস নিশ্চিত, যেতিয়া সিহঁতক জান্নামৰ জুইত নিক্ষেপ কৰা হ'ব। (২৮) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, তেওঁলোকক আমি সিহঁতৰ দৰে আচৰণ কৰিমনে, যিবিলাকে পৃথিৱীত বিপৰ্যয় সৃষ্টি কৰি ফুৰে? পুণ্যবান আৰু পাপিষ্ঠবিলাকক আমি একে আচৰণ কৰিমনে? (২৯) এইখন এখন কল্যাণময় পুথি, যিখন আমি তোমাৰ (মুহাম্মদ) প্ৰতি অৱতীৰ্ণ কৰিছো যাতে মানুহে ইয়াৰ আয়াতসমূহ গভীৰভাৱে চিন্তা-চৰ্চা কৰে আৰু জ্ঞানবোধ সম্পন্ন মানুহে শিক্ষা আহৰণ কৰে।

(৩০) আমি দাউদক চুলাইমান (পুত্ৰ) দান কৰিছিলো। তেওঁ এজন

উত্তম দাস আছিল আৰু সততে আল্লাহৰ অভিমুখী হৈছিল। (৩১) আবেলি পৰত যেতিয়া প্ৰশিক্ষণ প্ৰাপ্ত উৎকৃষ্ট জাতৰ বেগী ঘোঁৰাবোৰ তেওঁৰ সন্মুখলৈ অনা হ'ল- (৩২) তেওঁ ক'লে- 'মোৰ প্ৰভুৰ স্মৰণতকৈ ভাল বস্তুৰ প্ৰতি মোৰ আকৰ্ষণ অধিক হ'ল।' যেতিয়া (বেলি) আঁৰ হৈ নেদেখা হ'ল আৰু ঘোঁৰাবোৰ চকুৰ আঁৰ হ'ল- (৩৩) (তেওঁ ক'লে)- 'সেইবোৰ মোৰ ওচৰলৈ ঘূৰাই আনা' আৰু তেওঁ সেইবোৰৰ ডিঙিয়ে-ঠেঙে হাত বুলাবলৈ ধৰিলে।

(৩৪) আমি চুলাইমানকো পৰীক্ষা কৰিছিলো আৰু তেওঁৰ সিংহাসনত এটি (প্ৰাণহীন) দেহ আনি ৰাখিছিলো আৰু পিচত তেওঁ আমাৰ অভিমুখী হ'ল। (৩৫) তেওঁ প্ৰাৰ্থনা কৰিলে- 'হে মোৰ প্ৰভু, মোক ক্ষমা কৰা। মোক এনে ৰাজত্ব দান কৰা, মোৰ পিচত কাৰো যেন এনে ৰাজত্ব নহয়। নিশ্চয় তুমিয়েই মহা দাতা।' (৩৬) আমি বতাহক তেওঁৰ নিয়ন্ত্ৰণাধীন কৰি দিলো। তেওঁ য'লৈ ইচ্ছা কৰিছিল, তালৈ তেওঁৰ আদেশত বতাহ মৃদু গতিৰে বলিছিল। (৩৭) আৰু জ্বিনবিলাককো তেওঁৰ অধীন কৰি দিছিলো। সিহঁত সৰ্বপ্ৰকাৰ নিমাৰ্ণকাৰী আৰু ডুবাৰু আছিল; (৩৮) আৰু শিকলিত আবদ্ধ আন কিছুমানকো। (৩৯) আমি ক'লো- 'এইবোৰ আমাৰ দান। এইবোৰ তুমি কাৰোবাক দিব পাৰা বা নিজেও ৰাখিব পাৰা। ইয়াৰ বাবে কোনো হিচাব দিব নালাগে।' (৪০) তেওঁৰ বাবে আছে আমাৰ ওচৰত নৈকট্যৰ মৰ্যাদা আৰু উৎকৃষ্ট পৰিণাম।

(৪১) আমাৰ দাস আয়ুবৰ কথা স্মৰণ কৰা। তেওঁ তেওঁৰ প্ৰভুক সম্বোধন কৰি কৈছিল- 'ছয়তানে মোক নিদাৰুণ বেদনা আৰু যন্ত্ৰণাত ভোগাইছে।' (৪২) আমি ক'লো- 'ভৰিৰে (মাটিত) গোৰ মাৰা। এয়া গা-ধুবৰ বাবে আৰু খাবৰ বাবে শীতল পানী।' (৪৩) আমি তেওঁৰ পৰিয়ালবৰ্গ তেওঁক ঘূৰাই দিলো আৰু আমাৰ কৰুণা স্বৰূপে তাৰ লগতে আৰু সিমান বৃদ্ধি কৰি দিলো। আৰু এয়া জ্ঞানসম্পন্ন লোকৰ বাবে উপদেশ স্বৰূপ। (৪৪) আমি

তেওঁক ক'লো- 'তোমাৰ হাতত একোছা শুকান ঘাঁহ লোৱা আৰু তাৰে তুমি কোবোৱা, কিন্তু তোমাৰ শপত ভংগ নকৰিবা।' আমি তেওঁক ধৈর্যশীল পালো। কেনে উত্তম দাস আছিল! তেওঁ সর্বদা তেওঁৰ প্রভুৰ অভিমুখী আছিল।

(৪৫) স্মৰণ কৰা আমাৰ দাস ইব্রাহীম, ইছহাক আৰু ইয়াকুবৰ কথা। তেওঁলোক কর্মদক্ষ আৰু সূক্ষ্মদর্শী আছিল। (৪৬) আমি তেওঁলোকক বাছি লৈছিলো এটি বিশেষ উদ্দেশ্যৰে- সেয়া হ'ল পৰকালৰ সংবাদ প্রচাৰ কৰা। (৪৭) আৰু তেওঁলোক আমাৰ ওচৰত আমি বাছি লোৱা সদাচাৰীসকলৰ অন্তর্ভুক্ত। (৪৮) ইছমাইল, আল-য়াছা আৰু যুলকিফলৰ কথাও স্মৰণ কৰা। তেওঁলোক প্রত্যেকেই ন্যায়পৰায়ণ লোকসকলৰ দলভুক্ত।

(৪৯) এয়া এটা উপদেশমূলক স্মাৰকবাণী। সৎকর্মপৰায়ণসকলৰ কাৰণে প্রত্যাৱর্তনৰ উত্তম আবাস স্থল হ'ল- (৫০) চিৰস্থায়ী স্বর্গোদ্যানসমূহ, যাৰ দুৱাৰবোৰ তেওঁলোকৰ বাবে উন্মুক্ত থাকিব। (৫১) তাত তেওঁলোকে সুকোমল দলিচাত আউজি বহি থাকিব আৰু প্রচুৰ পৰিমাণে ফলমূল আৰু পানীয় বিচাৰিব। (৫২) আৰু তেওঁলোকৰ ওচৰত থাকিব সমবয়সীয়া সতী, লাজকুৰীয়া ৰমণীসকল। (৫৩) এয়া হ'ল সেইবোৰ, যিবোৰ মহা বিচাৰৰ দিনাখন তোমালোকক দিয়া হ'ব বুলি প্রতিশ্রুতি দিয়া হৈছিল। (৫৪) এই তোমালোকক দিয়া আমাৰ জীৱিকা, যি কেতিয়াও ঢুকাই নাযায়।

(৫৫) কিন্তু আল্লাহৰ বিদ্রোহীবিলাকৰ কাৰণে আছে নিকৃষ্ট ঠাই- (৫৬) জাহান্নাম, তাত সিহঁত দগ্ধ হ'ব। সেয়া অতি নিকৃষ্ট আবাস স্থল। (৫৭) সেইবোৰ সিহঁতৰ বাবেই। তাত আছে টগবগাই উতলি থকা পানী আৰু গেলা পূঁজ; সেয়া সিহঁতে সোৱাদ ল'ক। (৫৮) আৰু আছে তেনে ধৰণৰ যন্ত্রণাদায়ক (শাস্তি)। (৫৯) (সিহঁতে এজনে আনজনক ক'ব- দেখিছানে) এই এদল মানুহ, ইহঁতেও আজি তোমালোকৰ লগতে প্ররেশ কৰিছেহি। সিহঁতক সাদৰ-সম্ভাষণ জনোৱাৰ কোনো প্রয়োজন নাই। ইহঁত অগ্নিত দগ্ধ

হ'ব।' (৬০) সিহঁতে ইহঁতক ক'ব- 'তোমালোককহে সাদৰ-সম্ভাষণ জনোৱাৰ প্ৰয়োজন নাই। তোমালোকেহে আমাৰ বাবে এইবোৰ আনিছা। অতি নিকৃষ্ট এই বাসস্থল। (৬১) সিহঁতে আৰু ক'ব- 'হে আমাৰ প্ৰভু, সিহঁতক দ্বীগুণ শাস্তি দিয়া যিবিলাকে আমাক এই পৰিণতিলৈ আনিছে।' (৬২) আৰু সিহঁতে ক'ব- 'ঘটনা কি? যিবিলাকক আমি অসৎ বুলি গণ্য কৰিছিলো, সিহঁতৰ কাকো ইয়াত দেখা নাই?' (৬৩) যিবিলাকক আমি উপহাসৰ লক্ষ্য কৰিছিলো? নে সিহঁত ইয়াতে আছে আৰু আমাৰ চকুৰে সিহঁতক চাবলৈ ব্যৰ্থ হৈছে?' (৬৪) এইবোৰ প্ৰকৃততে সত্য কথা যে, জাহান্নামবাসীবিলাকৰ এজনে আনজনক এইদৰে দোষাৰূপ কৰিবই।

(৬৫) (হে নবী) কোৱা- 'মই এজন সতৰ্ককাৰীহে মাথোন। আল্লাহৰ ব্যতীত আন কোনো উপাস্য নাই। তেওঁ একক, প্ৰবল প্ৰতাপী। (৬৬) আকাশ মণ্ডল আৰু পৃথিৱী আৰু উভয়ৰ মাজত যি আছে, সেই সকলোৰে তেওঁ প্ৰভু। তেওঁ মহা পৰাক্ৰমী, অতি ক্ষমাশীল। (৬৭) কোৱা- 'ই এটা গুৰুত্বপূৰ্ণ সংবাদ, (৬৮) তথাপি তোমালোকে তাক উলাই কৰা! (৬৯) উৰ্ধতম মহলৰ বিষয়ে মোৰ কোনো জ্ঞান নাছিল যেতিয়া তেওঁলোকে বাদানুবাদ কৰিছিল (মানৱ সৃষ্টি সম্পৰ্কে), (৭০) এইবোৰ কথা ঐশীবাণীৰ জৰিয়তে এইবাবে কোৱা হৈছে যে মই মাথোন এজন স্পষ্ট সতৰ্ককাৰীহে।'

(৭১) তোমাৰ প্ৰভুৱে ফিৰিস্তাসকলক কৈছিল- 'মই আলতীয়া মাটিৰে এজন মানুহ সাজিবলৈ লৈছো- (৭২) যেতিয়া তাক মই পূৰ্ণাংগ ৰূপ দিম আৰু মোৰ নিজৰ 'ৰূহ' সঞ্চাৰ কৰিম, তেতিয়া তোমালোকে তেওঁৰ সন্মুখত ছিজদাত নত (প্ৰণিপাত) হ'বাহক।' (৭৩) সেয়ে সকলো ফিৰিস্তাই একেলগে স্বতঃস্ফূৰ্তভাৱে ছিজদাহ কৰিলে, (৭৪) কিন্তু ইবলিছে নকৰিলে। সি নিজকে বৰ ডাঙৰ বুলি অহংকাৰ কৰিলে। সি অৱজ্ঞাকাৰীবিলাকৰ দলভুক্ত হ'ল। (৭৫) আল্লাহে ক'লে- 'ইবলিছ, যিজনক মই নিজ হাতেৰে সৃষ্টি কৰিছো, তেওঁক

ছিজদাহ কৰিবলৈ কিহে তোক বাধা দিলে? নে নিজকে তই বৰ ডাঙৰ বুলি ভাবিলি? নে নিজকে উচ্চ মর্যাদাসম্পন্নসকলৰ এজন বুলি ভাবিলি?' (৭৬) ইবলিছে উত্তৰ দিলে- 'মই তেওঁতকৈ শ্রেষ্ঠ। আপুনি মোক অগ্নিৰ পৰা সৃষ্টি কৰিছে; কিন্তু তেওঁক আপুনি আলতীয়া মাটিৰ পৰা সৃষ্টি কৰিছে।' (৭৭) 'ইয়াৰ পৰা ওলাই যা। তোক অভিশপ্ত কৰা হ'ল। (৭৮) মোৰ এই অভিশাপ শেষ বিচাৰৰ দিনলৈকে তোৰ ওপৰত বর্তি থাকিব।'

(৭৯) কিন্তু ইবলিছে ক'লে- 'হে মোৰ প্রভু, তেনেহ'লে মোক পুনৰুত্থানৰ দিনলৈকে অৱকাশ দিয়ক।' (৮০) আল্লাহে ক'লে- 'তোক অৱকাশ দিয়া হ'ল- (৮১) সেই নির্ধাৰিত দিনলৈকে।' (৮২) সি ক'লে- 'আপোনাৰ সন্মানৰ শপত, মই সিহঁত সকলোকে পথভ্রষ্ট কৰিম- (৮৩) আপোনাৰ সেইসকল দাসৰ বাহিৰে, যিসকলক আপুনি নির্বাচিত কৰি লৈছে।' (৮৪) আল্লাহে ক'লে- 'এয়াই সত্য আৰু মই সত্য কথাকে কওঁ- (৮৫) নিশ্চয় মই তোৰে আৰু যিবিলাকে তোক অনুসৰণ কৰে, সিবিলাকেৰে জাহান্নাম পূর্ণ কৰিম।'

(৮৬) কোৱা- 'মই ইয়াৰ বাবে তোমালোকৰ পৰা কোনো প্রতিদান নিবিচাৰো আৰু মই মিছা প্রতিশ্রুতি দিয়া ব্যক্তিও নহয়। (৮৭) এয়া (কুৰআন) মানৰ জাতিৰ বাবে উপদেশ মাথোন। (৮৮) অনতিপলমে তোমালোকে ইয়াৰ সত্যতা জানিব পাৰিবা।'

৩৯. আয-যুমাৰ (জন সমাবেশ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) এইখন এখন পুথি প্রবল পৰাক্রমী, প্রজ্ঞাময় আল্লাহৰ পক্ষৰ পৰা অৱতীর্ণ হৈছে। (২) (হে নবী) এই পুথি আমি তোমাৰ প্রতি সত্যসহ অৱতীর্ণ কৰিছো। সেয়ে আল্লাহক উপাসনা কৰা সম্পূর্ণ আনুগত্য সহকাৰে। (৩) বিশুদ্ধ আন্তৰিক উপাসনা কেৱল মাথোন আল্লাহৰহে প্রাপ্য। যিবিলাকে

তেওঁৰ পৰিৱৰ্তে আনক পৃষ্ঠপোষক কৰি লৈছে, সিহঁতে কয়- 'আমি এওঁলোকৰ উপাসনা এইবাবে কৰো যে এওঁলোকে আমাক আল্লাহৰ নিকটৱৰ্তী কৰাই দিব।' যি বিষয় লৈ সিহঁতৰ মতভেদ হৈছে, নিশ্চয় আল্লাহে সেয়া চূড়ান্ত ভাৱে মীমাংসা কৰি দিব। আল্লাহে এনে ব্যক্তিক কদাপিও সৎপথ প্রদান নকৰে, যিয়ে মিছাতে অনুৰক্ত আৰু সত্য অস্বীকাৰত ৰত।

(৪) আল্লাহে যদি এজন পুত্র গ্রহণ কৰি ল'বলৈ ইচ্ছা কৰিলেহেঁতেন, তেনেহ'লে তেওঁৰ সৃষ্টিৰ যাক ইচ্ছা তাকে বাছি ল'লেহেঁতেন। তেওঁ পৱিত্র (তেনে কথাৰ পৰা তেওঁ উর্ধত)। তেৱেঁই আল্লাহ, একক, প্রবল প্রতাপশালী। (৫) তেৱেঁই আকাশমণ্ডল আৰু পৃথিৱী প্রকৃত উদ্দেশ্যৰ ভিত্তিত সৃষ্টি কৰিছে। তেৱেঁই ৰাতিক দিনেৰে ঢাকি দিয়ে আৰু দিনক ৰাতিৰে ঢাকি দিয়ে। তেৱেঁই সূর্য আৰু চন্দ্রক নিয়ন্ত্রণ কৰি ৰাখিছে যাতে এটি নির্দিষ্ট সময়লৈকে সিবোৰে গতি কৰি থাকে। সঁচাকৈয়ে তেওঁ মহা পৰাক্রমশালী, অতি ক্ষমাশীল।

(৬) তেৱেঁই তোমালোকক একেটা প্রাণৰ পৰা সৃষ্টি কৰিছে। পিচত তাৰ পৰাই তেওঁৰ সংগিনী সৃষ্টি কৰিছে। তেৱেঁই তোমালোকৰ বাবে আঠ বিধ মতা-মাইকী ঘৰচীয়া জন্তু প্রদান কৰিছে। তেৱেঁই তোমালোকক তোমালোকৰ মাতৃগর্ভত পর্যায়ক্রমে এটাৰ পিচত এটাকৈ তিনিটা অন্ধকাৰ আৱৰণৰ ভিতৰত সৃষ্টি কৰিছে। তেৱেঁই আল্লাহ, তোমালোকৰ প্রভু। সার্বভৌম কর্তৃত্ব তেওঁৰেই। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেনেহ'লে কেনেকৈ তোমালোক বিভ্রান্ত হ'লা?

(৭) যদি তোমালোক অকৃতজ্ঞ হোৱা, মনত ৰাখিবা আল্লাহৰ তোমালোকৰ প্রয়োজন নাই। তেওঁ তেওঁৰ দাসবিলাক অশলাগী হোৱাটো ভাল নাপায় আৰু যদি তোমালোক কৃতজ্ঞ হোৱা, সেয়া (তোমালোকৰ মাজত) দেখি তেওঁ সন্তোষ পায়। কোনোৱে কাৰো বোজা বহন নকৰে। তোমালোক সকলোৱে তোমালোকৰ প্রভুৰ পিনে উভতি যাব লাগিব। তেতিয়া তেওঁ

তোমালোকক জনাই দিব তোমালোকে কি কৰিছিলা। নিশ্চয় তেওঁ মানুহৰ অন্তৰৰ গুপুত কথাও ভাল দৰে জানে।

(৮) মানুহ যেতিয়া বিপদত পৰে, তেতিয়া সি তাৰ প্ৰভুক প্ৰাৰ্থনা কৰে আৰু অনুতপ্ত হৈ তেওঁৰ পিনে উভতে; কিন্তু যেতিয়া সি তাৰ প্ৰভুৰ পৰা অনুগ্ৰহ লাভ কৰে, তেতিয়া সি সেই কথা পাহৰি যায় যাৰ বাবে সি আগেয়ে তাৰ প্ৰভুক প্ৰাৰ্থনা কৰিছিল আৰু সি আনক আল্লাহৰ সমকক্ষ কৰি লয় যাতে আন মানুহক আল্লাহৰ পৰা বিপথে নিব পাৰে। কোৱা- 'তুমি অবিশ্বাসতে ৰত থাকি কিছুদিন ভোগ কৰি লোৱা। নিশ্চয় তুমি জাহান্নামৰ বাসিন্দাসকলৰ এজন হ'বা।' (৯) যদি কোনো ব্যক্তিয়ে ৰাতিৰ ভাগত ছিজদাত অৱনত হৈ আৰু থিয় দি আন্তৰিক আনুগত্য প্ৰকাশ কৰে, পৰকালক ভয় কৰে আৰু নিজ প্ৰভুৰ অনুগ্ৰহৰ প্ৰত্যাশী হয়, (যিয়ে এইবোৰ নকৰে, দুয়ো একেনে)? কোৱা- 'যিবিলাকে জানে আৰু যিবিলাকে নাজানে, সিহঁত একে হ'ব পাৰেনে?' প্ৰকৃততে জ্ঞানী লোকেহে মাথোন উপদেশ গ্ৰহণ কৰে।

(১০) কোৱা- '(আল্লাহে কয়)- হে মোৰ দাসসকল, যিসকলে বিশ্বাস স্থাপন কৰিছা, তোমালোকে তোমালোকৰ প্ৰভুক ভয় কৰা। যিসকলে এই পৃথিৱীত সৎকৰ্ম কৰিব, তেওঁলোকৰ কাৰণে উত্তম প্ৰতিদান আছে। আল্লাহৰ এই ধৰা বিশাল। যিসকলে ধৈৰ্য ধাৰণ কৰে, নিশ্চয় তেওঁলোকক অগণিতভাৱে প্ৰতিদান দিয়া হ'ব।

(১১) কোৱা- 'মোক আদেশ দিয়া হৈছে যেন আল্লাহৰ স্তুতি কৰো, মোৰ সমস্ত উপাসনা আল্লাহৰ উদ্দেশ্যেই। (১২) মোক আদেশ দিয়া হৈছে ময়েই যেন সৰ্বপ্ৰথম মুছলমান হওঁ।' (১৩) কোৱা- 'যদি মই মোৰ প্ৰভুৰ অবাধ্য হওঁ, তেনেহ'লে এটা ভয়ংকৰ দিনৰ শাস্তিক মই ভয় কৰো।' (১৪) এইজন আল্লাহ, মই উপাসনা কৰো আৰু তেওঁৰ বাবেই মোৰ দ্বীনক (ধৰ্মক) বিশুদ্ধ কৰি ৰাখো। (১৫) এতেকে তোমালোকে যাৰ উপাসনা কৰিব

খোজা, কৰি থাকা।' আৰু কোৱা- 'প্ৰকৃত ক্ষতিগ্ৰস্ত সিহঁত, যিবিলাকে কিয়ামতৰ দিনা নিজেই নিজকে আৰু পৰিয়ালবৰ্গৰ ক্ষতি সাধন কৰে। স্বাভাৱিকতে এয়াই মাৰাত্মক ক্ষতি। (১৬) সিহঁতৰ ওপৰত থাকিব অগ্নিৰ আৱৰণ আৰু তলফালেও থাকিব অগ্নিৰ আৱৰণ।' এনেদৰেই আল্লাহে তেওঁৰ দাসবিলাকৰ অন্তৰত ভীতিৰ সঞ্চাৰ কৰে- 'হে মোৰ দাসসকল, মোক ভয় কৰা।'

(১৭) তেওঁলোকৰ বাবে সুসংবাদ আছে, যিসকলে মিছা উপাস্যৰ উপাসনা পৰিহাৰ কৰি আল্লাহৰ অভিমুখী হয়। সেয়ে মোৰ দাসসকলক সুসংবাদ দিয়া- (১৮) যিসকলে কথা মন দি শুনে আৰু ইয়াৰ উৎকৃষ্ট কথা বোৰ মানি চলে। এওঁলোকেই হ'ল সেইসকল, যিসকলক আল্লাহে সৎপথ প্ৰদৰ্শন কৰিলে আৰু এওঁলোকেই হ'ল জ্ঞানবান।

(১৯) কিন্তু যাৰ ওপৰত শাস্তিৰ বিধান অৱধাৰিত কৰা হৈছে, তাৰ কি হ'ব? জাহান্নামত পতিত হোৱা জনক তুমি ত্ৰাণ কৰিব পাৰিবানে? (২০) কিন্তু যিসকলে প্ৰকৃততে নিজ প্ৰভুক ভয় কৰে, তেওঁলোকৰ বাবে আছে এটিৰ ওপৰত আন এটিকৈ নিমাৰ্ণ কৰা সুউচ্চ অট্টালিকা, যিবোৰৰ কাষেৰে বৈ থাকে নিজৰাবোৰ। এয়া আল্লাহৰ প্ৰতিশ্ৰুতি। আল্লাহে নিজ প্ৰতিশ্ৰুতি কেতিয়াও ভংগ নকৰে।

(২১) তোমালোকে দেখা নাইনে আল্লাহে আকাশৰ পৰা পানী বৰ্ষণ কৰে, তাৰ পিচত তাক ভূভাগত প্ৰবাহিত কৰে, তাৰ দ্বাৰা নানা তৰহৰ ফচল উৎপন্ন কৰে, পিচত সেয়া পকি শুকাই যায় আৰু হালধীয়া বৰণ লোৱা দেখিবলৈ পোৱা আৰু তেওঁ সেইবোৰক খেৰকুটাত পৰিণত কৰে? নিশ্চয় ইয়াত জ্ঞান-বুদ্ধি সম্পন্ন মানুহৰ বাবে শিক্ষা আছে। (২২) আল্লাহে যাৰ অন্তৰ ইছলামৰ বাবে উন্মুক্ত কৰি দিছে, তেওঁ তেওঁৰ প্ৰভুৰ পৰা আলোক প্ৰাপ্ত। আনহাতে সিহঁতৰ ধ্বংস অনিবাৰ্য যিবিলাকৰ অন্তৰ আল্লাহৰ স্মৰণৰ

বিৰুদ্ধে কঠোৰহে হয়। এনে মানুহ স্পষ্ট ভ্ৰান্তিত আছে।

(২৩) আল্লাহে উত্তম বাণী সম্বলিত এখন পুথি অৱতীৰ্ণ কৰিছে। ইয়াৰ সকলো কথা সুসামঞ্জস্যপূৰ্ণ আৰু একে কথাকে নানাভাৱে বাৰে বাৰে উল্লেখ কৰা হৈছে। এয়া শুনিলে তেওঁলোকৰ গাৰ নোম শিয়ৰি উঠে, যিসকলে আল্লাহক ভয় কৰে, পিচত তেওঁলোকৰ গা-মন জুৰ পৰি যায় আৰু আল্লাহৰ স্মৰণত বিনম্ৰ হয়। এনেকুৱাই আল্লাহৰ পথ নিদৰ্শনা। ইয়াৰ দ্বাৰা যাক ইচ্ছা কৰে, সৎপথ প্ৰদৰ্শন কৰে; কিন্তু আল্লাহে যাক পথভ্ৰষ্ট কৰে, তাক কোনোৱে সৎপথ প্ৰদৰ্শন কৰিব নোৱাৰে।

(২৪) সেই মানহজন সম্পৰ্কে কি জানা, যিজনে কিয়ামতৰ দিনা ভয়ানক শাস্তিক ৰোধ কৰিবলৈ মুখখনৰ বাহিৰে একো নাথাকিব। এনে ধৰণৰ অন্যায়কাৰীবিলাকক কোৱা হ'ব- 'তোমালোকে যি অৰ্জন কৰিছিলা, তাৰে সোৱাদ লোৱা।' (২৫) সিহঁতৰ পূৰ্বৱৰ্তীবিলাকেও অবিশ্বাস কৰিছিল আৰু সিহঁতৰ ওপৰত ক'ৰ পৰা শাস্তি আহিল, সিহঁতে ভাবিয়েই নাপালে। (২৬) আল্লাহে সিহঁতক এই পাৰ্থিৱ জীৱনতে লাঞ্ছনাৰ সোৱাদ ভোগ কৰালে আৰু পৰকালৰ শাস্তি ইয়াতকৈও গুৰুতৰ। এয়া যদি সিহঁতে জানিলেহেঁতেন!

(২৭) মানুহৰ বাবে আমি এই কুৰআনত নানা ধৰণৰ উপমা দিছো যাতে সিহঁতে সেয়া হৃদয়ংগম কৰে। (২৮) এইখন আৰবী কুৰআন, সন্দেহ সংশয় মুক্ত যাতে মানুহে চিন্তা বিবেচনা কৰে। (২৯) আল্লাহে এটা উপমা দিছে। দুজন মানুহ। তাৰে এজনৰ কেবাজনো গৰাকী। কাৰো লগত কাৰো মত নিমিলে। আনজনৰ মাথোন এজনেই গৰাকী। এই দুয়োজনৰ অৱস্থা একে হ'ব পাৰেনে? সকলো প্ৰশংসা কেৱল আল্লাহৰ বাবে; কিন্তু সিহঁতৰ অধিকাংশৰে জ্ঞান নাই। (৩০) নিশ্চয় তোমালোকৰো মৃত্যু হ'ব আৰু সিহঁতৰো মৃত্যু হ'ব। (৩১) আৰু কিয়ামতৰ দিনা তোমালোকে তোমালোকৰ প্ৰভুৰ ওচৰত নিজৰ বাদ-বিবাদবোৰ উত্থাপন কৰিবা।

(৩২) সেইজনতকৈ বেছি অন্যায়কাৰী আন কোন হ'ব পাৰে, যিজনে আল্লাহ সম্পৰ্কে মিছা কথা কয় আৰু তাৰ ওচৰলৈ পৰম সত্য অহাৰ পিচতো অস্বীকাৰ কৰে? এনে অস্বীকাৰকাৰীবিলাকৰ কাৰণে জাহান্নামেই বাসস্থল নহ'বনে? (৩৩) যিজনে পৰম সত্য আনিলে আৰু যিসকলে সেয়া সত্য বুলি মানিলে, তেওঁলোকেই খোদাভীৰু। (৩৪) তেওঁলোকে যি বিচাৰিব, সেই সকলো তেওঁলোকৰ প্ৰভুৰ ওচৰত পাব। এয়া সৎকৰ্মীসকলৰ পুৰস্কাৰ। (৩৫) আল্লাহে তেওঁলোকৰ অপকৰ্মবোৰ তেওঁলোকৰ পৰা মছি দিব আৰু তেওঁলোকে কৰা উৎকৃষ্ট কৰ্ম অনুপাতে তেওঁলোকক পুৰস্কাৰ দিব।

(৩৬) আল্লাহেই তেওঁৰ দাসবিলাকৰ কাৰণে যথেষ্ট নহয়নে? তথাপি সিহঁতে তোমাক তেওঁৰ পৰিৱৰ্তে আনৰ (উপাস্যৰ) ভয় দেখুৱায়। আল্লাহে যাক বিপথগামী কৰে, কোনোৱে তাক পথ দেখুৱাব নোৱাৰে। (৩৭) কিন্তু আল্লাহে যাক পথ প্ৰদৰ্শন কৰে, তাক কোনোৱে পথভ্ৰষ্ট কৰিব নোৱাৰে। আল্লাহ প্ৰবল পৰাক্ৰমী আৰু শাস্তি প্ৰদান কৰিবলৈ সক্ষম নহয়নে?

(৩৮) তুমি যদি সিহঁতক সোধা- 'আকাশমণ্ডল আৰু পৃথিৱী কোনে সৃষ্টি কৰিছে?' নিশ্চয় সিহঁতে উত্তৰ দিব- 'আল্লাহ।' কোৱা- 'আল্লাহৰ পৰিৱৰ্তে যিবিলাকক প্ৰাৰ্থনা কৰা, সিহঁতৰ বিষয়ে ভাবি চাইছানে? যদি আল্লাহে মোৰ কোনো ক্ষতি কৰিব বিচাৰে, সিহঁতে সেই ক্ষতি ৰোধ কৰিব পাৰিবনে? নাইবা আল্লাহে যদি মোক কৃপা কৰিব বিচাৰে, সিহঁতে সেই কৃপা ৰোধ কৰিব পাৰিবনে?' কোৱা- 'আল্লাহ মোৰ বাবে যথেষ্ট। নিৰ্ভৰ কৰা মানুহবিলাকে তেওঁৰ ওপৰতে নিৰ্ভৰ কৰে।' (৩৯) কোৱা- 'হে মোৰ জাতিভাইসকল, তোমালোকে তোমালোকৰ ক্ষমতা অনুযায়ী কৰি থাকা আৰু ময়ো মোৰ ভাগে কাম কৰি আছো। অচিৰেই গম পাবা- (৪০) কোনে লাঞ্ছনাদায়ক শাস্তি ভোগ কৰে আৰু কাৰ ওপৰত স্থায়ী শাস্তি আহি পৰেহি।' (৪১) (হে নবী) আমি মানুহৰ বাবে সত্য সহকাৰে এই পুথিখনি তোমাৰ প্ৰতি অৱতীৰ্ণ কৰিছো।

এতেকে যিজনে সৎপথ গ্ৰহণ কৰিব, সি নিজৰ কল্যাণৰ বাবে গ্ৰহণ কৰিব আৰু যিজনে বিপথে যাব, সি নিজৰেই ক্ষতি কৰিব। তুমি সিহঁতৰ বাবে দায়বদ্ধ নোহোৱা।

(৪২) তেৱেঁই আল্লাহ, যিজনে মানুহৰ মৃত্যুৰ সময়ত প্ৰাণ হৰি নিয়ে আৰু জীৱিতজনৰো প্ৰাণ টোপনিত হৰি নিয়ে। তাৰ পিচত যাৰ প্ৰতি তেওঁ মৃত্যুৰ ফয়চলা কৰে, তাৰ প্ৰাণ ৰাখি থয় আৰু আনবিলাকৰ প্ৰাণ এটা নিৰ্দিষ্ট সময়ৰ বাবে এৰি দিয়ে। নিশ্চয় ইয়াত চিন্তাশীল ব্যক্তিসকলৰ বাবে বহু নিদৰ্শন আছে।

(৪৩) সিহঁতে আল্লাহৰ পৰিৱৰ্তে আনবিলাকক মধ্যস্ততাকাৰী হিচাবে গ্ৰহণ কৰিছে নেকি? কোৱা- 'যদিও সিহঁতৰ কোনো ক্ষমতা নাই আৰু একো নুবুজেও?' (৪৪) কোৱা- 'মধ্যস্ততাৰ কৰ্তৃত্ব কেৱল আল্লাহৰ হাতত। তেৱেঁই আকাশমণ্ডল আৰু পৃথিৱী নিয়ন্ত্ৰণ কৰে। তোমালোক আটাইকে তেওঁৰ ওচৰলৈকে উভতাই নিয়া হ'ব।' (৪৫) যেতিয়া কেৱল আল্লাহৰ নাম লোৱা হয়, তেতিয়া পৰকাল অবিশ্বাসকাৰী মানুহবিলাকৰ অন্তৰ সংকুচিত হয় আৰু তেওঁৰ পৰিৱৰ্তে যেতিয়া আনবিলাকৰ নাম লোৱা হয়, সিহঁত আনন্দত উৎফুল্ল হয়। (৪৬) কোৱা- 'হে আল্লাহ, আকাশমণ্ডল আৰু পৃথিৱীৰ উদ্ভাৱক, দৃশ্য আৰু অদৃশ্যৰ জ্ঞাতা, তুমি তোমাৰ দাসবিলাকৰ মাজত মীমাংসা কৰি দিবা, যিবোৰ লৈ সিহঁতে নিজৰ ভিতৰতে মতভেদ সৃষ্টি কৰিছে।' (৪৭) পৃথিৱীত যি আছে, সকলোৱে গৰাকী যদি অন্যায়কাৰীবিলাক হয় আৰু যদি সিমান পৰিমাণ যোগ দিয়া হয়, তেনেহ'লে কিয়ামতৰ দিনা কঠোৰ শাস্তিৰ পৰা ৰেহাই পাবলৈ আটাইখিনিকে মুক্তিপণ হিচাবে দিবলৈ প্ৰস্তুত হ'ব। তাত সিহঁতে আল্লাহৰ এনে এটা বিষয়ৰ সন্মুখীন হ'ব, যি সিহঁতে কল্পনাও কৰা নাছিল। (৪৮) সিহঁতে কৰা অপকৰ্মবোৰ সিহঁতৰ আগত ওলাই পৰিব আৰু সিহঁতে যি লৈ ঠাট্টা-মস্কৰা কৰিছিল, সেয়াই সিহঁতক ঘেৰি ধৰিব।

(৪৯) যেতিয়া মানুহৰ ওপৰত বিপদ আপতিত হয়, তেতিয়া সিহঁতে আমাক প্ৰাৰ্থনা কৰে; কিন্তু যেতিয়া আমি আমাৰ পক্ষৰ পৰা তাক দয়া কৰো, সি কয়- 'এয়াতো মোক মোৰ জ্ঞানৰ ভিত্তিত দিয়া হৈছে।' আচলতে সেয়া নহয়। এইটো এটা পৰীক্ষা মাথোন। কিন্তু সিহঁতৰ সৰহভাগ মানুহে সেয়া নাজানে। (৫০) সিহঁতৰ পূৰ্বৱৰ্তী মানুহবিলাকেও এনে কথাকে কৈছিল। কিন্তু সিহঁতে যি অৰ্জন কৰিছিল, সেয়া কোনো কামত নাহিল। (৫১) সিহঁতৰ অপকৰ্মবোৰে সিহঁতক মোক্ষম আঘাত হানিলে। তেওঁলোকৰ মাজতো যিবিলাকে অন্যায় কৰিব, সিহঁতৰ কৃতকৰ্মই সিহঁতক মোক্ষম আঘাত হানিব। সিহঁতে (আমাৰ পৰিকল্পনা) কদাপিও ব্যৰ্থ কৰিব নোৱাৰে। (৫২) সিহঁতে নাজানে নে যে, আল্লাহে যাক ইচ্ছা কৰে, তাৰ জীৱিকা বৃদ্ধি কৰি দিয়ে আৰু যাক ইচ্ছা কৰে, তাক কমাই দিয়ে? নিশ্চয় ইয়াত বিশ্বাস স্থাপনকাৰীসকলৰ বাবে বহু নিদৰ্শন আছে। (৫৩) (হে নবী, মোৰ হৈ) কোৱা- 'হে মোৰ দাসবিলাক, তোমালোকৰ যিবিলাকে নিজেই নিজৰ ওপৰত অতিচাৰ কৰিছাহক, আল্লাহৰ কৰুণাৰ পৰা নিৰাশ নহ'বা। নিশ্চয় আল্লাহে সকলো পাপ মাৰ্জনা কৰি দিয়ে। দৰাচলতে তেওঁ অতি ক্ষমাশীল, পৰম দয়ালু। (৫৪) তোমালোকলৈ শাস্তি অহাৰ আগেয়ে তোমালোকে তোমালোকৰ প্ৰভুৰ অভিমুখী হোৱা আৰু তেওঁৰ ওচৰত আত্মসমৰ্পণ কৰা, নহ'লে তোমালোকক সাহায্য কৰা নহ'ব।'

(৫৫) তোমালোকৰ অজ্ঞাতসাৰে শাস্তি আহি পৰাৰ আগেয়ে তোমাৰ প্ৰভুৰ পৰা তোমালৈ অৱতীৰ্ণ কৰা পুথিৰ উত্তম শিক্ষাসমূহ মানি চলা, (৫৬) যাতে কোনোৱে ক'ব লগীয়া নহয় যে- 'হায় মোৰ কপাল! আল্লাহৰ প্ৰতি কৰণীয়ক মই অৱহেলা কৰিছিলো আৰু এই উপহাসকাৰীবিলাকৰ মাজৰ এজন আছিলো।' (৫৭) নাইবা 'আল্লাহে যদি মোক পথ প্ৰদৰ্শন কৰিলেহেঁতেন, ময়ো খোদাভীৰুসকলৰ এজন হ'লোহেঁতেন।' (৫৮) অথবা

শাস্তি দেখি কোনোৱে যাতে ক'ব লগীয়া নহয়- 'মোক যদি দ্বিতীয়বাৰ সুযোগ দিয়া হ'লহেঁতেন, ময়ো সৎকৰ্মীসকলৰ অন্তৰ্ভুক্ত হ'লোহেঁতেন।' (৫৯) ' কদাপিও হয়, মোৰ নিদৰ্শনসমূহ তোমাৰ ওচৰলৈ লৈ গৈছিল; কিন্তু তুমি সেয়া অগ্ৰাহ্য কৰিছিলা, অহংকাৰ কৰিছিলা আৰু অস্বীকাৰকাৰীবিলাকৰ দলৰ লগত আছিলা।' (৬০) তুমি কিয়ামতৰ দিনা সিহঁতৰ মুখ ক'লা পৰি যোৱা দেখিবা, যিবিলাকে আল্লাহক মিছা বুলি কৈছিল। দাম্ভিকবিলাকৰ কাৰণে জাহান্নামত যথেষ্ট ঠাই নাইনে বাৰু? (৬১) অৱশ্যে আল্লাহে তেওঁলোকক ৰক্ষা কৰিব, যিসকলে আল্লাহক ভয় কৰে। কোনো অমংগলে তেওঁলোকক স্পৰ্শ নকৰে আৰু তেওঁলোকে শোক কৰিব লগীয়া নহয়।

(৬২) আল্লাহ সকলো বস্তুৰে সৃষ্টিকৰ্তা আৰু প্ৰতিটো বস্তুৰেই তত্ত্বাৱধায়ক। (৬৩) আকাশমণ্ডল আৰু পৃথিৱীৰ চাবি-কাঠি তেওঁৰ হাততেই। যিবিলাকে আল্লাহৰ আয়াতসমূহক অবিশ্বাস কৰে, সিহঁতেই নিশ্চয় ক্ষতিগ্ৰস্ত হ'ব। (৬৪) কোৱা- 'হে নিবোৰ্ধ মানুহবিলাক, তোমালোকে মোক আল্লাহৰ পৰিৱৰ্তে আনৰ উপাসনা কৰিবলৈ দাবী কৰা নেকি?' (৬৫) তোমালোকৰ প্ৰতি আৰু তোমালোকৰ পূৰ্বৱৰ্তীসকলৰ প্ৰতি এই প্ৰত্যাদেশ প্ৰেৰণ কৰা হৈছিল যে, তুমি যদি আনক আল্লাহৰ অংশী আৰোপ কৰা, তেনেহ'লে তোমালোকৰ কৰ্মসমূহ অথলে যাব আৰু নিশ্চয় তুমি ক্ষতিগ্ৰস্ত হ'বা। (৬৬) সেয়েহে তোমালোকে কেৱল মাথোন আল্লাহৰ উপাসনা কৰা আৰু তেওঁৰ কৃতজ্ঞতা প্ৰকাশকাৰীসকলৰ অন্তৰ্ভুক্ত হোৱা।

(৬৭) সিহঁতে আল্লাহক যেনেদৰে মূল্যায়ন কৰিব লাগে, তেনেদৰে সিহঁতে তেওঁক মূল্যায়ন কৰিব পৰা নাই। কিয়ামতৰ দিনা গোটেই পৃথিৱীখন তেওঁৰ হাতৰ মুঠিত থাকিব আৰু আকাশমণ্ডল তেওঁৰ সোহাতত নুৱিয়াই থোৱা অৱস্থাত থাকিব। তেওঁ মহা মহিম। সিহঁতে তেওঁৰ লগত যিবোৰক অংশী কৰি লৈছে, তাৰ পৰা তেওঁ বহু উৰ্ধত। (৬৮) যেতিয়া শিঙাত ফু

দিয়া হ'ব, তেতিয়া আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলো মূর্চা যাব সেইসকলৰ ব্যতীত, যিসকলক আল্লাহে নিলগাই ৰাখিব বিচাৰে। আকৌ এবাৰ শিঙাত ফু দিয়া হ'ব, তেতিয়া সেই আটাইবোৰ ততালিকে উঠিব আৰু কেউফালে থৰ লাগি চাই থাকিব। (৬৯) পৃথিৱীখন তাৰ প্রভুৰ জ্যোতিৰে জ্যোতির্ময় হৈ পৰিব। কর্ম-পঞ্জিকা ৰাখি থোৱা হ'ব, ৰছুলসকল আৰু সাক্ষীসকলকো উপস্থিত কৰোৱা হ'ব আৰু তেওঁলোকৰ মাজত ন্যায় বিচাৰ কৰি ৰায় দিয়া হ'ব আৰু কাৰো প্রতি অকণো অবিচাৰ কৰা নহ'ব। (৭০) প্রত্যেক ব্যক্তিক তাৰ কৃতকর্মৰ পূৰাপূৰি প্রতিফল দিয়া হ'ব। সিহঁতে যি কৰে, সেয়া তেওঁ সবিশেষ জানে।

(৭১) যিবিলাকে সত্যক অগ্রাহ্য কৰিছে, সিহঁতক দলে দলে জাহান্নামলৈ খেদি নিয়া হ'ব। সিহঁত যেতিয়া তাত গৈ পাব, তাৰ দুৱাৰবোৰ খুলি দিয়া হ'ব আৰু তাৰ প্রহৰীবিলাকে সিহঁতক ক'ব- 'তোমালোকৰ মাজৰ পৰাই তোমালোকলৈ কোনো ৰছুল অহা নাছিলনে, যিসকলে তোমালোকক তোমালোকৰ প্রভুৰ বাণী পাঠ কৰি শুনাবলৈ আৰু আজিৰ দিনটোত (তেওঁক) সাক্ষাৎ কৰিব লাগিব বুলি সকীয়াই দিবলৈ?' সিহঁতে উত্তৰ দিব- 'হয়, তেওঁলোক আহিছিল।' কিন্তু অবিশ্বাসকাৰীবিলাকৰ প্রতি শাস্তিৰ হুকুম কার্যকৰী কৰাটো সঁচা হ'ল। (৭২) সিহঁতক কোৱা হ'ব- 'জাহান্নামৰ দুৱাৰেদি প্রৱেশ কৰা। ইয়াতে চিৰকাল থাকিব লাগিব।' দুৰাচাৰীবিলকৰ কাৰণে এয়া কিমান যে জঘন্য বাসস্থল!

(৭৩) কিন্তু যিসকলে তেওঁলোকৰ প্রভুক ভয় কৰিছিল, তেওঁলোকক ভাগে ভাগে জান্নাতলৈ লৈ যোৱা হ'ব। যেতিয়া তেওঁলোক তালৈ গৈ পাব, তাৰ দুৱাৰবোৰ খুলি দিয়া হ'ব আৰু তাৰ প্রহৰীবিলাকে তেওঁলোকক ক'ব- 'আপোনালোকৰ প্রতি শান্তি বর্ষিত হওঁক। আপোনালোকে সৎকর্ম কৰিছিল। সেয়ে এই জান্নাতত প্রৱেশ কৰক আৰু ইয়াতে চিৰকাল থাকক।'

(৭৪) আৰু তেওঁলোকে ক'ব- 'সকলো প্ৰশংসা আল্লাহৰ, যিজনে আমাক দিয়া প্ৰতিশ্ৰুতি পূৰ্ণ কৰিলে আৰু আমাক এই ভূমিৰ উত্তৰাধিকাৰী কৰি দিলে। এতিয়া আমি জান্নাতৰ য'তেই ইচ্ছা, ত'তেই থাকিব পাৰো।' সৎকৰ্ম কৰোতাসকলৰ বাবে এয়া কিমান যে উত্তম প্ৰতিফল! (৭৫) আৰু তুমি দেখিবা ফিৰিস্তাসকলে মহাসিংহাসনৰ চাৰিওফালে ঘেৰি ধৰি তেওঁলোকৰ প্ৰভুৰ প্ৰশংসময় গুণ-গান গাই আছে। মানুহবিলাকৰ মাজত ন্যায়ভাৱে বিচাৰ কৰা হ'ব আৰু কোৱা হ'ব- 'সকলো প্ৰশংসা নিখিল জগতৰ প্ৰভু আল্লাহৰ প্ৰাপ্য।'

৪০. আল-গাফীৰ (ক্ষমাশীল)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হা-মীম।

(২) এই পুথিখন আল্লাহৰ পক্ষৰ পৰা অৱতীৰ্ণ হৈছে, যিজন পৰাক্ৰমশালী, সৰ্বজ্ঞ, (৩) পাপ মাৰ্জনাকাৰী আৰু তওবা (অনুশোচনা) গ্ৰহণকাৰী, কঠোৰ শাস্তিদাতা আৰু অতি উদাৰ অনুগ্ৰহকাৰী। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। আটায়ে তেওঁৰ ওচৰলৈকে উভতি যাব লাগিব।

(৪) যিবিলাকে সত্য অস্বীকাৰ কৰে, কেৱল মাথোন সিহঁতেহে আল্লাহৰ নিদৰ্শনসমূহ সম্পৰ্কে বিতৰ্ক কৰে। দেশে-বিদেশে কৰা সিহঁতৰ কাৰ্যক্ৰমনিকাই যেন তোমাক বিভ্ৰান্ত নকৰে। (৫) সিহঁতৰ পূৰ্বে নূহৰ সম্প্ৰদায়েও অস্বীকাৰ কৰিছিল আৰু আন আন সম্প্ৰদায় বিলাকেও অস্বীকাৰ কৰিছিল। প্ৰত্যেক জাতিয়ে সিহঁতৰ ৰছুলক আটক কৰিবৰ অভিপ্ৰায়েৰে অহোপুৰুষাৰ্থ কৰিছিল। সিহঁতে (সিহঁতৰ ৰছুলৰ সৈতে) অযথা বিতৰ্ক কৰিছিল যাতে সত্যক হেয় প্ৰতিপন্ন কৰিব পাৰে। মই সিহঁতক জব্দ কৰিলো। চোৱা, কেনে ভয়ানক আছিল মোৰ শাস্তি! (৬) এইদৰে তোমাৰ প্ৰভুৰ

প্ৰতিশ্ৰুতি অবিশ্বাসকাৰীবিলাকৰ ক্ষেত্ৰত সত্যত পৰিণত হ'ল যে, সিহঁত জাহান্নামৰ অধিবাসী হ'ব।

(৭) যিসকলে সিংহাসনখন বহন কৰে আৰু যিসকলে ইয়াৰ চাৰিও ফালে উপস্থিত থাকে, এই সকলোৱে তেওঁলোকৰ প্ৰভুৰ পৱিত্ৰতা আৰু গুণানুকীৰ্তন কৰি থাকে। তেওঁলোকে তেওঁৰ প্ৰতি আস্থা ৰাখে। তেওঁলোকে বিশ্বাস স্থাপনকাৰীসকলৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি কয়- 'হে আমাৰ প্ৰভু, তোমাৰ দয়া আৰু জ্ঞানে সকলোকে পৰিবেষ্টন কৰি আছে। তুমি তেওঁলোকক ক্ষমা কৰা, যিসকলে তওবা (অনুশোচনা) কৰে আৰু তোমাৰ পথ অৱলম্বন কৰে। তেওঁলোকক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰা। (৮) হে প্ৰভু, তুমি তেওঁলোকক চিৰস্থায়ী জাহান্নাতত প্ৰৱেশ কৰোৱা, যাৰ প্ৰতিশ্ৰুতি তুমি তেওঁলোকক দিছিলা, লগতে তেওঁলোকৰ সৎকৰ্মপৰায়ণ পিতৃ-মাতৃ, পত্নী আৰু সন্তান-সন্ততিসকলকো জান্নাতত প্ৰৱেশ কৰোৱা। নিশ্চয় তুমিয়েই নিৰংকুশ শক্তিমান, প্ৰজ্ঞাময়। (৯) আৰু তেওঁলোকক অপকৰ্মৰ পৰা বচোৱা। যাক তুমি অপকৰ্মৰ (শাস্তিৰ) পৰা বচালা, তাক তুমি বৰ অনুগ্ৰহ কৰিলা আৰু এয়াই পৰম সফলতা।'

(১০) যিবিলাকে অবিশ্বাস কৰিছে, সিহঁতক কোৱা হ'ব- 'আজি তোমালোকৰ নিজৰ ওপৰত যিমান ক্ষোভ হৈছে, তাতোকৈ বেছি আল্লাহৰ প্ৰতি তোমালোকৰ ক্ষোভ হৈছিল। তোমালোকক বিশ্বাস স্থাপন কৰিবলৈ আহ্বান কৰা হৈছিল; কিন্তু তোমালোকে অগ্ৰাহ্য কৰিছিলা।' (১১) সিহঁতে ক'ব- 'হে আমাৰ প্ৰভু, তুমি আমাক দুবাৰ মৃত্যু দিছা আৰু দুবাৰ জীৱন দিছা। আমি আমাৰ অপৰাধ স্বীকাৰ কৰিছো। এতিয়া (ইয়াৰ পৰা) ওলোৱাৰ কোনো উপায় আছে নেকি?' (১২) (সিহঁতক কোৱা হ'ব)- 'তোমালোকৰ এই দশাৰ কা�ৰণ হ'ল, যেতিয়া তোমালোকক একক আল্লাহৰ পিনে আহ্বান কৰা হৈছিল, তেতিয়া তোমালোকে সেয়া অস্বীকাৰ কৰিছিলা আৰু যেতিয়া তেওঁৰ

লগত আনক অংশী কৰা হৈছিল, সেয়া তোমালোকে মানি লৈছিলা।' চূড়ান্ত মীমাংসা আল্লাহৰ হাতত। তেওঁ সৰ্বোচ্চ, মহা মহিম।

(১৩) এইজনা তেৱেঁই, যিজনাই তেওঁৰ নিদৰ্শনসমূহ দেখুৱায় আৰু আকাশৰ পৰা জীৱিকা নমাই পঠায়। কিন্তু সেই ব্যক্তিয়েহে উপদেশ গ্ৰহণ কৰে, যিজন অনুতপ্ত হয়। (১৪) সেয়ে তেওঁকহে প্ৰাৰ্থনা কৰা, বিশুদ্ধ চিত্তে তেওঁক বিশ্বাস কৰা, অবিশ্বাসকাৰী বিলাক যিমানেই বিৰুদ্ধ নহওঁক কিয়! (১৫) তেওঁ অতি মৰ্যাদাপূৰ্ণ আৰু মহা সিংহাসনৰ অধিপতি। তেওঁৰ দাসসকলৰ যাক ইচ্ছা কৰে, তেওঁলৈ 'ৱহ' (দিব্যজ্ঞান) প্ৰেৰণ কৰে যাতে তেওঁ সাক্ষাতৰ দিনটোৰ সম্পৰ্কে সতৰ্ক কৰি দিয়ে। (১৬) সিদিনাখন যেতিয়া সকলো উঠি আহিব (কবৰৰ পৰা) আৰু আল্লাহৰ পৰা সিহঁতৰ কোনো কথা গোপন হৈ নাথাকিব, 'সেই দিনা একছত্ৰ আধিপত্য কাৰ?' সকলো কেৱল আল্লাহৰ। তেওঁ একক, প্ৰবল পৰাক্ৰমশালী। (১৭) সেই দিনা প্ৰত্যেককে নিজ নিজ উপাৰ্জনৰ প্ৰতিফল দিয়া হ'ব। সেই দিনা কাৰো প্ৰতি কোনো অবিচাৰ কৰা নহ'ব। নিশ্চয় হিচাব গ্ৰহণত আল্লাহ অতি ক্ষীপ্ৰ।

(১৮) (হে নবী) সেই আসন্ন বিপদৰ দিনটোৰ সম্পৰ্কে সিহঁতক সতৰ্ক কৰি দিয়া, যেতিয়া হৃদপিণ্ড আহি টেটু পাবহি আৰু শ্বাস-প্ৰশ্বাস বন্ধ হৈ পৰিব, অন্যায়কাৰীবিলাকৰ কোনো বন্ধু নহ'ব নাইবা এনে কোনো মধ্যস্থতাকাৰীও নহ'ব, যাৰ কথা মানি লোৱা হ'ব। (১৯) তেওঁ চকুৰ প্ৰতাৰনা (অপব্যৱহাৰ) জানে আৰু অন্তৰৰ গুপুত কথাবোৰো জানে। (২০) আল্লাহে সত্যৰ ভিত্তিত (ন্যায়) মীমাংসা কৰিব; কিন্তু সিহঁতে আল্লাহৰ পৰিৱৰ্তে যিবিলাকক প্ৰাৰ্থনা কৰে, ন্যায় মীমাংসা কৰাৰ সিহঁতৰ কোনো ক্ষমতা নাই। নিশ্চয় আল্লাহে সকলো শুনে আৰু সকলো দেখে।

(২১) সিহঁতে কি পৃথিৱীত ঘূৰাফিৰা কৰা নাইনে আৰু দেখা নাইনে সিহঁতৰ পূৰ্বৱৰ্তীবিলাকৰ কি দশা হ'ল? ইহঁততকৈও সিহঁত বেছি শক্তিশালী

আছিল আৰু সিহঁতে ধৰাৰ বুকুত অনেক কীৰ্তিচিহ্ন ৰাখি থৈ গৈছে। তথাপি আল্লাহে সিহঁতক ধ্বংস কৰিলে সিহঁতৰ পাপৰ কাৰণে। তেওঁৰ পৰা সিহঁতক ৰক্ষা কৰোতা সিহঁতৰ কোনো নাছিল। (২২) এই দশা এইবাবে হৈছিল, সিহঁতৰ ৰছুলসকলে সিহঁতলৈ সুস্পষ্ট নিদৰ্শন হৈ আহিছিল; কিন্তু সিহঁতে অস্বীকাৰ কৰিলে। সেয়ে আল্লাহে সিহঁতক ধৰিলে। নিশ্চয় আল্লাহ অতি শক্তিশালী, শাস্তি দিয়াত অতি কঠোৰ।

(২৩) আমি আমাৰ নিদৰ্শনাৱলী আৰু প্ৰকৃত কৰ্তৃত্ব দি মূছাক প্ৰেৰণ কৰিছিলো- (২৪) ফিৰাউন, হামান আৰু কাৰুণৰ ওচৰলৈ; কিন্তু সিহঁতে ক'লে- 'এওঁ এজন যাদুকৰ আৰু এওঁ ঘোৰ মিছলীয়া।' (২৫) পিচত যেতিয়া তেওঁ আমাৰ পৰা প্ৰকৃত সত্য লৈ সিহঁতৰ ওচৰলৈ আহিল, সিহঁতে ক'লে- 'সিহঁতৰ পুত্ৰ সন্তানবিলাকক হত্যা কৰা যিবিলাকে তেওঁক বিশ্বাস কৰিছে আৰু সিহঁতৰ কন্যা সন্তানবিলাকক জীয়াই থাকিবলৈ দিয়া।' কিন্তু অবিশ্বাসকাৰী বিলাকৰ অভিসন্ধি ব্যৰ্থ হ'ল।

(২৬) ফিৰাউনে ক'লে- 'এৰা মোক, মূছাক হত্যা কৰো। সি তাৰ প্ৰভুক মাতক। মোৰ শংকা হৈছে সি তোমালোকৰ ধৰ্মত পৰিৱৰ্তন ঘটাব পাৰে আৰু দেশত অশান্তি সৃষ্টি কৰিব পাৰে।' (২৭) মূছাই ক'লে- 'মই মোৰ আৰু তোমালোকৰ প্ৰভুৰ ওচৰত আশ্ৰয় লৈছো এনে প্ৰতিজন দাম্ভিক মানুহৰ পৰা, যিবিলাকে শেষ বিচাৰৰ দিনটোক বিশ্বাস নকৰে।'

(২৮) ফিৰাউনৰ সম্প্ৰদায়ৰ এজন মুমিন ব্যক্তি, যিজনে বিশ্বাস আনি গোপন কৰি ৰাখিছিল, তেওঁ ক'লে- 'এজন মানুহে মোৰ প্ৰভু আল্লাহ বুলি কোৱা বাবে তোমালোকে তেওঁক হত্যা কৰিবানে? তেওঁ তোমালোকৰ প্ৰভুৰ পৰা তোমালোকলৈ স্পষ্ট নিদৰ্শন লৈ আহিছে। তেওঁ যদি মিছা কৈছে, মিছাৰ দোষে তেওঁকে পৰশিব; কিন্তু যদি তেওঁ সত্যবাদী হয়, তেনেহ'লে তেওঁ যিহৰ বাবে তোমালোকক সতৰ্ক কৰি দিছে, তাৰ কিছু অংশ নিশ্চয়

তোমালোকৰ ওপৰত আপতিত হ'ব। আচলতে আল্লাহে সীমালংঘনকাৰী আৰু মিছলীয়া মানুহক পথ প্ৰদৰ্শন নকৰে। (২৯) হে মোৰ জাতিভাইসকল, আজি তোমালোকৰেই ৰাজত্ব। দেশত তোমালোকৰেই কৰ্তৃত্ব; কিন্তু আল্লাহৰ মাধমাৰ যদি আমাৰ ওপৰত পৰেহি, তেনেহ'লে কোন আছে, যিজনে আমাক সহায় কৰিবহি?' ফিৰাউনে ক'লে- 'যিটো মই শুদ্ধ বুলি ভাবিছো, সেইটোহে মই তোমালোকক আঙুলিয়াই দিছো আৰু মই তোমালোকক সঠিক পথ প্ৰদৰ্শন কৰিছো।'

(৩০) বিশ্বাস স্থাপন কৰা মানুহজনে ক'লে- 'হে মোৰ জাতিভাই সকল, মোৰ ভয় হৈছে জানোচা তোমালোকৰ প্ৰতি সেই দুৰ্দশা আহে নেকি, যিটো আহিছিল পূৰ্বৰ মানুহবিলাকৰ প্ৰতি- (৩১) যেনে দুৰ্দশা হৈছিল- নূহ, আদ, চামূদ আৰু তেওঁলোকৰ পৰৱৰ্তী জাতিবিলাকৰ। আল্লাহে তেওঁৰ সৃষ্টসৰক কদাপিও অন্যায় কৰিবলৈ নিবিচাৰে। (৩২) হে মোৰ জাতিভাই সকল, মোৰ শংকা হৈছে জানোচা তোমালোকৰ প্ৰতি বিভিষীকাময় আৰ্তনাদৰ দিনটো আহি পায়হি- (৩৩) যিদিনা তোমালোকে পিঠি দি পলাবলৈ চেষ্টা কৰিবা; কিন্তু তোমালোকক আল্লাহৰ পৰা বচাবলৈ কোনো নহ'ব। আল্লাহে যাক পথভ্ৰষ্ট কৰে, তাক পথ দেখাওতা কোনো নাই।'

(৩৪) পূৰ্বে ইউছুফেও তোমালোকলৈ স্পষ্ট নিদৰ্শন হৈ আহিছিল; কিন্তু তোমালোকলৈ ৰছুলসকলে যি লৈ আহিছিল, তাৰ প্ৰতি সন্দেহ কৰাৰ পৰা তোমালোক কদাপিও বিৰত নাথাকিলা। পিচত যেতিয়া তেওঁৰ মৃত্যু হ'ল, তোমালোকে ক'বলৈ ধৰিলা- 'আল্লাহে কেতিয়াও আন কোনো ৰছুল নপঠায়।' এইদৰে আল্লাহে সেই সীমাংলঘনকাৰী আৰু সন্দেহ পোষণকাৰী মানুহবিলাকক পথভ্ৰষ্ট হ'বলৈ এৰি দিয়ে- (৩৫) যিবিলাকে দলীল প্ৰমাণ অবিহনে আল্লাহৰ আয়াত সম্পৰ্কে বিতৰ্ক কৰে। এনে আচৰণ আল্লাহ আৰু বিশ্বাস স্থাপনকাৰী সকলৰ বাবে অতি ঘৃণনীয়। এইদৰে আল্লাহে প্ৰত্যেক

দাম্ভিক অত্যাচাৰীৰ অন্তৰত মোৰ মাৰি দিয়ে।

(৩৬) ফিৰাউনে ক'লে- 'হে হামান, মোৰ বাবে এটি উচ্চ প্ৰাসাদ নিৰ্মাণ কৰা যাতে মই পথ পাব পাৰো- (৩৭) আকাশমণ্ডললৈ যাবলৈ আৰু মূছাৰ উপাস্যক চাব পাৰো। মোৰ মনে কয়, সি এটা মিছলীয়া।' এনেদৰে ফিৰাউনৰ দুষ্কাৰ্যবোৰকে তাৰ মনত শোভনীয় কৰি দিয়া হ'ল আৰু তাক (সত্য) সৰল পথৰ পৰা আঁতৰাই ৰখা হ'ল। ফিৰাউনৰ ষড়যন্ত্ৰ তাৰ পতনৰ কাৰণ হ'ল।

(৩৮) বিশ্বাস স্থাপন কৰা মানুহজনে ক'লে- 'হে মোৰ জাতিভাইসকল, মোক অনুসৰণ কৰা। মই তোমালোকক সঠিক পথৰ নিৰ্দেশনা দিম। (৩৯) হে মোৰ জাতিভাইসকল, এই পাৰ্থিৱ জীৱন সাময়িক ভোগ-বিলাস মাথোন। পৰকাল হ'ল চিৰস্থায়ী আবাসস্থল।' (৪০) যি ব্যক্তিয়ে অপকৰ্ম কৰে, সেই অপকৰ্ম অনুপাতে প্ৰতিফল পাব আৰু যিজনে সৎকৰ্ম কৰে, তেওঁ পুৰুষেই হওঁক বা নাৰীয়েই হওক, তেওঁ যদি মুমিন হয়, তেওঁলোকক জান্নাতত প্ৰৱেশ কৰাব। তাত তেওঁলোকক প্ৰচুৰ পৰিমাণে জীৱনোপকৰণ দিয়া হ'ব। (৪১) হে মোৰ জাতিভাইসকল, ই আকৌ কেনে কথা! মই তোমালোকক আহবান কৰিছো মুক্তিৰ পিনে আৰু তোমালোকে মোক আহবান কৰিছা নৰকৰ অগ্নিৰ পিনে। (৪২) আৰু তোমালোকে মোক আহবান কৰিছা আল্লাহক অস্বীকাৰ কৰিবলৈ আৰু আন উপাস্যক উপাসনা কৰিবলৈ, যিবোৰ সম্পৰ্কে মোৰ কোনো জ্ঞান নাই। অথচ মই তোমালোকক মহা শক্তিশালী, অতি ক্ষমাশীল আল্লাহৰ পিনে আহবান কৰিছো। (৪৩) তোমালোকে যিবিলাকৰ পিনে মোক আহবান কৰিছা, সিহঁতৰ কথা ইহকালতো নৰজে আৰু পৰকালতো নৰজে। নিশ্চয় আমি আল্লাহৰ পিনেই উভতি যাব লাগিব আৰু সীমালংঘনকাৰীবিলাক নৰকৰ অগ্নিত পতিত হ'ব। (৪৪) মই যি কৈছো, শীঘ্ৰে তোমালোকে সেয়া স্মৰণ কৰিবা। মই মোৰ সকলো বিষয় আল্লাহৰ ওচৰত সঁপি দিছো। তেওঁ তেওঁৰ দাসবিলাকৰ প্ৰতি দৃষ্টি ৰাখে।'

(৪৫) এইদৰে আল্লাহে তেওঁক সিহঁতৰ চক্ৰান্তৰ পৰা ৰক্ষা কৰিলে আৰু ফিৰাউনৰ সংগী-সাৰথিবিলাকক ভয়ানক শাস্তিয়ে আগুৰি ধৰিলে। (৪৬) পুৱা-গধূলি সিহঁতক জাহান্নামৰ জুইৰ ওচৰত উপস্থিত কৰা হ'ব। কিয়ামতৰ দিনা (কঠোৰভাৱে আদেশ দিব)- 'ফিৰাউনৰ সম্প্ৰদায়ৰ মানুহ বিলাকক আলগ কৰি জঘন্যতম শাস্তিত নিক্ষেপ কৰা।'

(৪৭) যেতিয়া সিহঁতে জাহান্নামত পৰস্পৰে তৰ্ক-বিতৰ্ক কৰি থাকিব, তেতিয়া দুৰ্বলীবিলাকে নিজকে বৰলোক বোলা মানুহবিলাকক ক'ব- 'আমিতো তোমালোকৰেই অনুসাৰী আছিলো। সেয়ে তোমালোকে আমাৰ নৰকৰ যাতনা কিছু লাঘৱ কৰি দিবানে?' (৪৮) কিন্তু যিবিলাক দাম্ভিক আছিল, সিহঁতে ক'ব- 'আমি সকলোৱে ইয়াত একেলগে আছো। আল্লাহে তেওঁৰ দাসবিলাকৰ বিচাৰ মীমাংসা কৰিয়ে দিলে।' (৪৯) নৰকত পতিত হৈ থকা মানুহবিলাকে তাৰ প্ৰহৰীবিলাকক ক'ব- 'তোমালোকৰ প্ৰভুক প্ৰাৰ্থনা কৰাছোন, যাতে তেওঁ এদিনৰ বাবে আমাৰ শাস্তি লাঘৱ কৰি দিয়ে।' (৫০) কিন্তু সিহঁতে ক'ব- 'তোমালোকৰ ৰছুলসকলে তোমালোকলৈ সুস্পষ্ট নিদৰ্শন লৈ অহা নাছিলনে?' সিহঁতে ক'ব- 'হয়, (আহিছিল)।' তেতিয়া প্ৰহৰীবিলাক ক'ব- '(সাহায্যৰ বাবে) তোমালোকে নিজেই প্ৰাৰ্থনা কৰাছোন।' অবিশ্বাসকাৰী বিলাকৰ প্ৰাৰ্থনা অথলে যোৱা স্বাভাৱিক।

(৫১) নিশ্চিতভাৱে আমি আমাৰ ৰছুলসলক সাহায্য কৰো আৰু বিশ্বাস স্থাপনকাৰীসকলকো পাৰ্থিৱ জীৱনতো সহায় কৰো আৰু সিদিনাও কৰিম, যিদিনা সাক্ষীসকল থিয় হ'বহি। (৫২) সেই দিনা দুষ্কৃতিকাৰীবিলাকৰ ওজৰ-আপত্তি সিহঁতৰ কোনো কামত নাহিব। সিহঁতৰ ভাগ্যত হ'ব অভিশাপ আৰু থাকিবলৈ পাব অতি জঘন্য ঠাই। (৫৩) আমি মূছাক আমাৰ পথ প্ৰদৰ্শন কৰিছিলো আৰু ইছ্ৰাঈলৰ সন্তানবিলাকক সেই পুথিৰ উত্তৰাধিকাৰী কৰি দিছিলো- (৫৪) পথ নিদেৰ্শনা আৰু উপদশে স্বৰূপে জ্ঞানসম্পন্ন লোকসকলৰ

বাবে। (৫৫) সেয়ে ধৈর্য ধৰা। আল্লাহে যি প্রতিশ্রুতি দিছে, সেয়া বাস্তৱত ৰূপায়িত হ'বই। তোমালোকৰ অপৰাধৰ বাবে ক্ষমা ভিক্ষা কৰা। পুৱা-গধূলি তোমালোকৰ প্রভুৰ প্রশংসা কৰি স্তুতি কৰা।

(৫৬) সেইবিলাক মানুহ, যিবিলাকে কোনো কর্তৃত্ব নথকাকৈয়ে আল্লাহৰ আয়াত সম্পর্কে বিতর্ক কৰে, সিহঁতৰ অন্তৰত মহত্বৰ আকাংখাৰ বাহিৰে আন একো নাই আৰু সেয়া সিহঁতে কদাপিও লাভ কৰিব নোৱাৰে। আল্লাহৰ ওচৰত আশ্রয় বিচৰা। তেওঁ সকলো দেখে আৰু শুনে। (৫৭) নিশ্চয়, আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰাটো মানুহ সৃষ্টি কৰাতকৈয়ো ডাঙৰ কাম। কিন্তু সৰহভাগ মানুহে নাজানে। (৫৮) অন্ধ আৰু দৃষ্টিসম্পন্ন মানুহ সমান হ'ব নোৱাৰে। সেইদৰে যিজনে বিশ্বাস স্থাপন কৰিছে আৰু যিজনে দুষ্কার্য কৰিছে, এই দুয়ো সমান হ'ব নোৱাৰে। তোমালোকে খুব কমকৈহে চিন্তা-চর্চা কৰা। (৫৯) নিশ্চয় কিয়ামতৰ দিনটো আহিবই। তাত কোনো সন্দেহ নাই। কিন্তু অধিকাংশ মানুহে সেয়া বিশ্বাস নকৰে।

(৬০) তোমালোকৰ প্রভুৱে কৈছে- 'মোক প্রার্থনা কৰা আৰু মই তোমালোকৰ প্রার্থনাৰ সঁহাৰি জনাম। কিন্তু যিবিলাকে মোক উপাসনা কৰিবলৈ অহংকাৰ কৰে, নিশ্চয় সিহঁত লাঞ্ছিত হৈ জাহান্নামত প্রৱেশ কৰিব।' (৬১) তেৱেঁই আল্লাহ, যিজনে তোমালোকৰ বাবে ৰাতি সৃষ্টি কৰিছে যাতে তোমালোকে বিশ্রাম ল'ব পাৰা আৰু দিনটো যাতে দেখা পোৱা। প্রকৃততে আল্লাহ মানুহৰ প্রতি বৰ অনুগ্রহশীল; কিন্তু সৰহভাগ মানুহে কৃতজ্ঞতা প্রকাশ নকৰে। (৬২) সেইজনেই আল্লাহ, তোমালোকৰ প্রভু, সকলো বস্তুৰ সৃষ্টিকর্তা। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেনেক্ষেত্রত তোমালোকে কেনেকৈ (তেওঁৰ পৰা) আঁতৰি গৈছা? (৬৩) যিবিলাকে আল্লাহৰ নিদর্শন সমূহক অস্বীকাৰ কৰে, তেনে ক্ষেত্রক নিশ্চয় সিহঁত তেওঁৰ পৰা আঁতৰি যায়।

(৬৪) তেৱেঁই আল্লাহ, যিজনে পৃথিৱীখন তোমালোকৰ বাবে

বাসোপযোগী কৰি দিছে আৰু আকাশখনক চাদ কৰি দিছে। তেওঁ তোমালোকক সুন্দৰ সুঠাম আকৃতিৰে গঢ় দিছে আৰু উত্তম বস্তুবোৰ জীৱিকা হিচাবে দান কৰিছে। তেৱেঁই আল্লাহ, তোমালোকৰ প্ৰভু। সেয়ে সকলো প্ৰশংসা তেওঁৰ বাবেই। তেওঁ জগতসমূহৰ প্ৰভু। (৬৫) তেওঁ চিৰঞ্জীৱ। তেওঁৰ ব্যতিৰেকে আন কোনো উপাস্য নাই। সেয়ে তেওঁকে নিবেদন কৰা আৰু দ্বীনক (ধৰ্মক) অকল তেওঁৰ বাবেই বিশুদ্ধ কৰি ৰাখা। সৰ্বতো প্ৰশংসা আল্লাহৰ বাবেই। তেওঁ বিশ্বব্ৰহ্মাণ্ডৰ প্ৰভু।

(৬৬) কোৱা- 'মোক সেইবোৰ সত্তাৰ উপাসনা কৰিবলৈ নিষেধ কৰা হৈছে, যিবোৰ সত্তাক তোমালোকে আল্লাহৰ পৰিৱৰ্তে আহবান কৰা। মোৰ প্ৰভুৰ পৰা মোলৈ স্পষ্ট নিদৰ্শন আহি পাইছেহি আৰু মোক নিৰ্দেশ দিয়া হৈছে যাতে মই বিশ্বব্ৰহ্মাণ্ডৰ প্ৰভুৰ ওচৰত আত্মসমৰ্পণ কৰো। (৬৭) এইজনা তেৱেঁই, যিজনাই তোমালোকক সৃষ্টি কৰিছে মাটিৰ পৰা, তাৰ পিচত ঘনীভূত তলৰ পদাৰ্থৰ পৰা, তাৰ পিচত ৰক্ত পিণ্ডৰ পৰা, তাৰ পিচত পানী কেঁচুৱাৰ ৰূপত ভূমিস্থ কৰায়। তাৰ পিচত তোমালোকক ডাঙৰ-দীঘল কৰে যাতে তোমালোক পূৰ্ণ বয়স্ক হ'ব পাৰা, তাৰ পিচত তেওঁ তোমালোকক বৃদ্ধ কৰে আৰু তাৰ আগতে তোমালোকৰ কিছুমানক মৃত্যু ঘটায় আৰু যাতে তোমালোকে তোমালোকৰ নিৰ্ধাৰিত সময়লৈকে থাকিব পাৰা আৰু যাতে চিন্তা-চৰ্চা কৰিব পাৰা। (৬৮) এইজনা তেৱেঁই, যিজনে জীৱন দান কৰে আৰু মৃত্যু ঘটায় আৰু যেতিয়া তেওঁ কিবা কৰিবলৈ ইচ্ছা কৰে, তেওঁ মাথো কয়- 'হ' আৰু সেয়া হৈ যায়।

(৬৯) তুমি সিবিলাকক দেখা নাইনে, যিবিলাকে আল্লাহৰ নিদৰ্শন সমূহক লৈ বিতৰ্ক কৰে কি দৰে সিহঁতক সৎ পথৰ পৰা আঁতৰাই ৰখা হৈছে? (৭০) যিবিলাকে এই পুথিখনক অগ্ৰাহ্য কৰিছে আৰু আমাৰ ৰছুলসকললৈ যি প্ৰেৰণ কৰা হৈছিল, তাকো কৰিছে, অনতিপলমে সিহঁতে জানিবলৈ পাব-

(৭১) যেতিয়া সিহঁতৰ ডিঙিত লোৰ গলাবান্ধ আৰু শিকলি লগাই সিহঁতক টানি নিয়া হ'ব- (৭২) টগ বগাই উতলি থকা তপত পানীলৈ আৰু সিহঁতক জাহান্নামৰ অগ্নিত নিক্ষেপ কৰা হ'ব। (৭৩) আৰু তাৰ পিচত সিহঁতক সোধা হ'ব- 'ক'ত সিহঁত, যিবিলাকক তোমালোকে (আল্লাহৰ) অংশী কৰি লৈছিলা?' (৭৪) সিহঁতে ক'ব- 'সিহঁত আমাৰ পৰা উধাও হ'ল। প্ৰকৃততে আমি পূৰ্বে কাকো আহবান কৰা নাছিলো।' এইদৰেই আল্লাহে অস্বীকাৰকাৰী বিলাকক বিপথে যাবলৈ এৰি দিয়ে। (৭৫) ইয়াৰ কাৰণ হ'ল- পৃথিৱীত তোমালোকে নীতি বৰ্হিভূতভাৱে আনন্দোল্লাস কৰিছিলা আৰু তাকে লৈ দম্ভ কৰিছিলা। (৭৬) জাহান্নামৰ দুৱাৰেৰে প্ৰৱেশ কৰা। তাতে তোমালোক চিৰকাল থাকিব লাগিব। দাম্ভিকবিলাকৰ বাসস্থল অতি নিকৃষ্ট।

(৭৭) সেয়ে (হে নবী) ধৈৰ্য ধাৰণ কৰা। আল্লাহৰ প্ৰতিশ্ৰুতি সত্য। সিহঁতক যি প্ৰতিশ্ৰুতি দিছো, সেয়া হয়তো আমি তোমাৰ জীৱিত কালতে দেখুৱাব পাৰো নাইবা তাৰ আগেয়ে তোমাক মৃত্যু দান কৰিম। সিহঁতকো আমাৰ ওচৰলৈকে ঘূৰাই অনা হ'ব।

(৭৮) তোমাৰ পূৰ্বেও আমি আন আন ৰছুলসকলক পঠাইছিলো। তাৰে কিছুমানৰ বৃত্তান্ত আমি তোমাক শুনাইছো আৰু কিছুমান এনেও আছে, যিসকলৰ বৃত্তান্তৰ বিৱৰণ তোমাক দিয়া নাই। আল্লাহৰ অনুমতি ব্যতিৰেকে নিদৰ্শন অনা কোনো ৰছুলৰ পক্ষে সম্ভৱ নহয়। যেতিয়া আল্লাহৰ আদেশ হ'ল, প্ৰতি বিষয় সত্যসহকাৰে আৰু ন্যায় সংগতভাৱে বিচাৰ কৰা হৈছিল। মিছাৰ আশ্ৰয় লোৱা মানুহবিলাক তেতিয়া ক্ষতিগ্ৰস্ত হ'ল।

(৭৯) তেৱেঁই আল্লাহ, যিজনে তোমালোকৰ বাবে ঘৰচীয়া জন্তুবোৰ সৃষ্টি কৰিছে। তাৰে কিছুমানৰ ওপৰত আৰোহন কৰা আৰু কিছুমান তোমালোকে খোৱা, (৮০) আৰু সিবোৰত তোমালোকৰ বাবে আন উপকাৰো আছে। তোমালোকে য'লৈকে যাবলৈ মন কৰা, সিবোৰৰ ওপৰত উঠি সেই

নির্দিষ্ট ঠাইলৈকে তোমালোকে যাব পাৰা। সিবোৰে স্থলভাগত তোমালোকক বহন কৰে যিদৰে নাওবোৰে তোমালোকক জলভাগত বহন কৰে। (৮১) তেৰেঁই তোমালোকক তেওঁৰ নিদর্শনবোৰ দেখুৱায়। তোমালোকে আল্লাহৰ কোনবোৰ নিদর্শন অস্বীকাৰ কৰিবা?

(৮২) সিহঁতে পৃথিৱীত ঘূৰি-পকা কৰি দেখা নাইনে যে, সিহঁতৰ পূর্বে অহা মানুহবিলাকৰ কি দশা হৈছিল? সিহঁত সংখ্যাত অধিক আছিল আৰু অধিক শক্তিশালীও আছিল। সিহঁতে পৃথিৱীত অনেক গৌৰৱময় কীর্তি চিহ্ন ৰাখি থৈ গৈছে। সিহঁতে যিবোৰ সম্পাদন কৰিছিল, সেয়া সিহঁতৰ কোনো কামত নাহিল। (৮৩) যেতিয়া ৰছুলসকলে সিহঁতৰ ওচৰলৈ স্পষ্ট নিদর্শন লৈ আহিছিল, তেতিয়া সিহঁতে নিজৰ জ্ঞানক লৈয়ে দম্ভ কৰি থাকিল আৰু যি কথালৈ সিহঁতে ঠাট্টা-মস্কৰা কৰিছিল, তাৰ শাস্তিয়েই সিহঁতক আবদ্ধ কৰিলে। (৮৪) কিন্তু যেতিয়া সিহঁতে আমাৰ শাস্তি দেখিলে, সিহঁতে ক'লে- 'আমি আল্লাহৰ ওপৰত বিশ্বাস স্থাপন কৰিলো। আল্লাহ একক। যিবিলাকক আমি তেওঁৰ অংশী কৰি লৈছিলো, সিবিলাকক আমি প্রত্যাখ্যান কৰিলো।' (৮৫) কিন্তু আমাৰ শাস্তি প্রত্যক্ষ কৰাৰ পিচত সিহঁতৰ বিশ্বাস স্থাপন মুঠেই কামত নাহিল। এয়া আল্লাহৰ বিধান, তেওঁৰ দাসবিলাকৰ ক্ষেত্রত কার্যকৰ হৈ আহিছে। এইদৰে অবিশ্বাসকাৰীবিলাক ক্ষতিগ্রস্ত হ'ল।

৪১. ফুচচিলাত (স্পষ্ট ব্যাখ্যা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হা-মীম।

(২) এয়া পৰম দয়ালু, পৰম কৰুণাময় (আল্লাহৰ) পক্ষৰ পৰা অৱতীর্ণ বাণী, (৩) এখন পুথি, যাৰ আয়াতসমূহ বিতংকৈ স্পষ্টভাৱে ব্যাখ্যা কৰা হৈছে। এয়া আৰবী ভাষাৰ কুৰআন, জ্ঞানবোধ থকা লোকসকলৰ কাৰণে,

(৪) সুসংবাদদাতা আৰু সতৰ্ককাৰী ৰূপে। কিন্তু সিহঁতৰ সৰহভাগেই ইয়াৰ পৰা মুখ ঘুৰালে। সেয়ে সিহঁতে নুবুজে। (৫) আৰু সিহঁতে কয়- 'আমাৰ অন্তৰত আৱৰণ পৰিছে, যি বিষয়লৈ তুমি আমাক আহ্বান কৰিছা। আমাৰ কাণ গধূৰ হৈছে। তোমালোক আৰু আমাৰ মাজত এখন অন্তৰাল আছে। সেয়ে তোমালোকে তোমালোকৰ ভাগে কাম কৰি থাকা আৰু আমি আমাৰ ভাগে কাম কৰি যাম।'

(৬) কোৱা- 'ময়ো তোমালোকৰ দৰেই এজন মানুহ। মোৰ প্ৰতি ঐশীবাণী আহিছে যে তোমালোকৰ উপাস্য মাথোন এজনেই উপাস্য। গতিকে তোমালোকে পোনে পোনে তেওঁৰেই অভিমুখী হোৱা আৰু তেওঁৰ ওচৰত ক্ষমা ভিক্ষা কৰা।' ধ্বংস নিশ্চিত, যিবিলাকে তেওঁৰ লগত আনক অংশী কৰে- (৭) যিবিলাকে যাকাত আদায় নিদিয়ে আৰু পৰকালক অবিশ্বাস কৰে। (৮) যিসকলে বিশ্বাস স্থাপন কৰিছে, সৎকৰ্ম কৰিছে, তেওঁলোকৰ বাবে এনে পুৰস্কাৰ আছে, যি কেতিয়াও অন্ত নপৰে।

(৯) কোৱা- কি! তোমালোকে সেই সত্তাক অবিশ্বাস কৰা, যি সত্তাই পৃথিৱীখন দুদিনত সৃষ্টি কৰিছে আৰু আনক তেওঁৰ সমকক্ষ বুলি গণ্য কৰা? তেওঁ নিখিল বিশ্বৰ প্ৰভু।' (১০) তেৱেঁই পৃথিৱীৰ ওপৰিভাগত পৰ্বতমালাক দৃঢ়ভাৱে স্থাপন কৰি দিছে আৰু তাত অনেক কল্যাণ নিহিত কৰি ৰাখিছে। প্ৰত্যেক অনুসন্ধানকাৰীৰ বাবে পৰিমিত অনুযায়ী জীৱিকাৰ ব্যৱস্থা কৰিলে আৰু সকলোবোৰ কাম চাৰি দিনত সমাধা কৰিলে। (১১) ইয়াৰ পিচত আকাশৰ পিনে মনোনিবেশ কৰিলে আৰু সেয়া কেৱল ধোঁৱাহে আছিল। তেওঁ আকাশ আৰু পৃথিৱীক ক'লে- 'আহা (অস্তিত্বলৈ) ইচ্ছাতেই হওক বা অনিচ্ছা সত্ত্বেই হওক।' উভয়ে ক'লে- 'আমি ইচ্ছাকৃতভাৱে আহিলো।' (১২) তাৰ পিচত তেওঁ দুদিনত সাতখন আকাশ সৃষ্টি কৰিলে আৰু প্ৰত্যেকখন আকাশক তাৰ বিধি-বিধান প্ৰত্যাদেশ কৰিলে। আমি নিম্নতম আকাশখনক

উজ্বল প্রদীপমালাৰে (তৰাৰে) সুসজ্জিত কৰিলো আৰু সুৰক্ষিত কৰিলো। সেইবোৰ পৰাক্রমশালী, সর্বজ্ঞ আল্লাহৰ পৰিকল্পনা।

(১৩) সিহঁতে যদি মুখ ঘুৰায়, তেনেহ'লে কোৱা- 'মই তোমালোকক আকস্মিকভাৱে অহা শাস্তিৰ বিষয়ে সতর্ক কৰি দিছো, যি শাস্তি আদ আৰু চামূদ জাতিৰ ওপৰত আহি পৰিছিল। (১৪) ৰছুলসকলে যেতিয়া সিহঁতৰ ওচৰলৈ আগ-পিছ সকলো ফালৰ পৰা আহি ক'লে- 'আল্লাহৰ বিনে আন কাৰো উপাসনা নকৰিবা', সিহঁতে কয়- 'আমাৰ প্রভুৱে ইচ্ছা কৰাহেঁতেন, আমালৈ ফি�ৰিস্তা পঠালেহেঁতেন। সেয়ে আমি কদাপিও বিশ্বাস নকৰো, যি লৈ তোমাক পঠোৱা হৈছে।'

(১৫) আদবিলাকৰ কথা হ'ল, সিহঁতে পৃথিৱীত অহেতুক দম্ভ কৰিছিল আৰু যুক্তিহীনভাৱে কৈছিল- 'আমাতকৈ অধিক শক্তিশালী আৰু কোন আছে?' সিহঁতে আল্লাহক লক্ষ্য কৰা নাইনে, যিজনে সিহঁতক সৃষ্টি কৰিলে আৰু তেওঁ সিহঁততকৈও অধিক শক্তিশালী? তথাপি সিহঁতে আমাৰ নিদর্শনসমূহ অস্বীকাৰ কৰিয়েই থাকিল। (১৬) সেয়ে আমি কিছুমান অমংগলীয়া দিনত সিহঁতলৈ প্রবল ধুমুহা বতাহ পঠালো যাতে সিহঁতক এই পার্থিৱ জীৱনতে লাঞ্ছনাৰ শাস্তিৰ সোৱাদ লোৱাব পাৰো আৰু পৰকালৰ শাস্তি ইয়াতকৈও অধিক লাঞ্ছনাদায়ক। তাত সিহঁতক সহায় কৰিবলৈ কোনো নহ'ব। (১৭) চামূদ জাতিৰ কথা হ'ল, আমি সিহঁতক সৎপথ প্রদর্শন কৰিছিলো; কিন্তু সিহঁতে সঠিক পথৰ পৰিৱর্তে অন্ধকাৰত থকাকে অগ্রাধিকাৰ দিলে। গতিকে সিহঁতৰ কৃতকর্মৰ ফল স্বৰূপে বজ্রাঘাতৰ লাঞ্ছনাদায়ক শাস্তি আহি সিহঁতক আক্রান্ত কৰিলে। (১৮) আমি সেইসকলক বচালো, যিসকলে বিশ্বাস স্থাপন কৰিছিল আৰু খোদা ভীৰু আছিল।

(১৯) সিদিনাখন আল্লাহৰ শত্রুবিলাকক সমবেত কৰা হ'ব আৰু জাহান্নামলৈ খেদি নিয়া হ'ব আৰু গোট গোট কৰি ৰখা হ'ব। (২০) যেতিয়া

সিহঁত তাত গৈ পাবলৈ, তেতিয়া সিহঁতৰ কাণ, চকু আৰু গাৰ ছালেও সিহঁতৰ কুকর্মৰ বিৰুদ্ধে সাক্ষ্য দিব। (২১) সিহঁতে সিহঁতৰ ছালবোৰক সুধিব- 'তহঁতে আমাৰ বিৰুদ্ধে কিয় সাক্ষ্য দিলি?' সিহঁতৰ ছালবোৰে উত্তৰ দিব- 'যিজন আল্লাহে সকলোকে বাকশক্তি দিছে, তেওঁ আমাক বাকশক্তি দান কৰিছে।' এইজন তেৱেঁই, যিজনে তোমালোকক প্ৰথম বাৰ সৃষ্টি কৰিছিল আৰু তেওঁৰ ওচৰলৈকে তোমালোকক (এতিয়া) ঘূৰাই অনা হৈছে। (২২) তোমালোকে নিজকে লুকাব নোৱাৰিবা তোমালোকৰ কাণ, তোমালোকৰ চকু আৰু তোমালোকৰ ছালৰ পৰা, সিবোৰেও তোমালোকৰ বিপক্ষে সাক্ষ্য দিব। তোমালোকে ভাবিছিলা তোমালোকৰ অনেক কৃতকর্মৰ বিষয়ে আল্লাহে নাজানে। (২৩) তোমালোকে তোমালোকৰ প্ৰভু সম্পর্কে কৰা ভ্ৰান্ত ধাৰণাই তোমালোকৰ ধ্বংস মাতি আনিলে। এতেকে তোমালোক ক্ষতিগ্ৰস্তবিলাকৰ অন্তর্ভুক্ত হ'লা। (২৪) আনকি সিহঁতে ধৈর্য ধৰিলেও জাহান্নামেই হ'ব সিহঁতৰ আবাসস্থল আৰু সিহঁতে ক্ষমা প্ৰাৰ্থনা কৰিব খুজিলেও সিহঁতক কোনো সুযোগ দিয়া নহ'ব।

(২৫) আমি এনে কিছুমানক সিহঁতৰ সংগী কৰি দিছিলো, যিবিলাকে সিহঁতৰ প্ৰতিটো কামকে আগ-পিছ ফালৰ পৰা সিহঁতৰ বাবে শোভনীয় কৰি দেখুৱাইছিল। পিছত আমি সিহঁতৰ ওপৰত (এনে শাস্তি) কার্যকৰ কৰিলো, যি (শাস্তি) সিহঁতৰ পূর্বে জ্বিন আৰু মানুহৰ ওপৰত কার্যকৰ কৰা হৈছিল। নিশ্চয় সিহঁত ক্ষতিগ্ৰস্ত হ'ল।

(২৬) সত্য অস্বীকাৰকাৰীবিলাকে কয়- 'তোমালোকে এই কুৰআন নুশুনিবা। এয়া পাঠ কৰিলে হৈ চৈ কৰি ব্যাঘাত জন্মাবা যাতে তোমালোকৰ প্ৰভূত্ব বর্তি থাকে।' (২৭) সেয়ে আমি অবিশ্বাসকাৰীবিলাকক অৱশ্যেই কঠোৰ শাস্তিৰ সোৱাদ লোৱাম আৰু সিহঁতে যিবোৰ অপকর্ম কৰিছিল, তাৰ পূৰাপূৰি প্ৰতিফল অৱশ্যেই সিহঁতক দিম। (২৮) এয়া আল্লাহৰ শত্ৰুবিলাকৰ

প্রতিফল- জাহান্নাম। এয়া সিহঁতৰ চিৰকালৰ আবাসস্থল, আমাৰ নিদর্শনসমূহ অগ্রাহ্য কৰাৰ প্রতিফল।

(২৯) অবিশ্বাসকাৰীবিলাকে ক'ব- 'হে আমাৰ প্রভু, আমাক সেই জ্বিন আৰু মানুহবিলাকক দেখুৱাই দিয়া, যিবিলাকে আমাক পথভ্রষ্ট কৰিছিল। আমি সিহঁতক ভৰিৰে গছকি অপদস্ত কৰিম যাতে সিহঁত ভালদৰে লাঞ্ছিত হয়।' (৩০) আৰু যিসকলে দৃঢ়তাৰে কয়- 'আল্লাহ আমাৰ প্রভু আৰু ইয়াতেই তেওঁলোক অটল হৈ থাকে। তেওঁলোকৰ বাবে ফিৰিস্তাসকল নামি আহে আৰু কয়- 'ভয় নকৰিবা, দুশ্চিন্তাও নকৰিবা আৰু সেই জান্নাত লাভৰ সুসংবাদ পাই উৎফুল্লিত হোৱা যাৰ প্রতিশ্রুতি তোমালোকক দিয়া হৈছিল। (৩১) আমি তোমালোকৰ পার্থিৱ জীৱন আৰু পৰকালৰো বন্ধু। তাত তোমালোকে যিহকে পাবলৈ হাবিয়াস কৰিবা, তাকে তোমালোকে পাবা। (৩২) এয়াই হ'ল সেই সত্তাৰ আতিথ্যৰ যা-যোগাৰ, যিজন অতি ক্ষমাশীল, পৰম দয়ালু।'

(৩৩) সেইজনতকৈ কাৰ কথা উত্তম হ'ব পাৰে, যিজনে আল্লাহৰ পিনে আহবান কৰে আৰু ভাল কাম কৰে আৰু কয়- 'নিশ্চয়, মই আত্মসমর্পণকাৰী সকলৰ এজন।' (৩৪) ভাল আৰু বেয়া কাম একে নহয়। উত্তম পন্থাৰে অসৎ পন্থাৰ প্রতিকাৰ কৰিবা। তেতিয়া দেখিবা তোমালোকৰ প্রতি যাৰ শত্রুতা আছিল, সি তোমালোকৰ অন্তৰংগ বন্ধু হৈ পৰিল। (৩৫) এই গুণ সকলোৱে লাভ নকৰে, কৰে মাথোন ধৈর্যশীল আৰু আত্মসংযমীসকলেহে আৰু সঁচাকৈয়ে ভাগ্যবানসকলেহে এয়া লাভ কৰে। (৩৬) যদি কেতিয়াবা ছয়তানে তোমাক প্রৰোচনা কৰিছে বুলি তুমি অনুভৱ কৰা, তেতিয়া আল্লাহৰ আশ্রয় বিচাৰিবা। নিশ্চয় তেওঁ সকলো শুনে আৰু সকলো জানে।

(৩৭) তেওঁৰ নিদর্শনৰ ভিতৰত হ'ল ৰাতি আৰু দিন, সূর্য আৰু চন্দ্র। তোমালোকে সূর্যকো ছিজদা নকৰিবা আৰু চন্দ্রকো ছিজদা নকৰিবা। বৰং আল্লাহকহে ছিজদা (সাস্তাংগে প্রণিপাত) কৰা, যিজনে সেইবোৰ সৃষ্টি

কৰিছে, যদি তোমালোকে সঁচকৈয়ে তেওঁকহে উপাসনা কৰা। (৩৮) যদি সিহঁতে দাম্ভিকতাত আঁকোৱগোজ হয়, (মনত ৰাখিবা) যিসকল তোমাৰ প্ৰভুৰ সান্নিধ্যত আছে, তেওঁলোকে ৰাতিয়ে-দিনে তেওঁৰেই গুণ-গৰিমা কীৰ্তন কৰি আছে আৰু তেওঁলোকে কেতিয়াও ক্লান্তি বোধ নকৰে।

(৩৯) তেওঁৰ নিদৰ্শনসমূহৰ এটা নিদৰ্শন হ'ল- তুমি দেখিছা পৃথিৱীখন শুকাই অনুৰ্বৰ হৈ পৰিছে; কিন্তু যেতিয়া আমি তাৰ ওপৰত পানী বৰ্ষণ কৰো, তেতিয়া ই উজ্জীৱিত হয় আৰু জাতিষ্কাৰ হৈ পৰে। যিজনে ইয়াক জীৱিত কৰিছে, নিশ্চয় তেৱেঁই মৃতকক জীৱিত কৰিব। তেওঁ সকলো বস্তুৰ ওপৰত ক্ষমতাবান। (৪০) যিবিলাকে আমাৰ আয়াতসমূহৰ (ঐশীবাণী) বিকৃত অৰ্থ কৰে, সিহঁত আমাৰ অগোচৰ নহয়। কোন ভাল- যিজন নৰকৰ অগ্নিত নিক্ষিপ্ত সেইজন, নে যিজন কিয়ামতৰ দিনা নিৰাপদ হৈ আহিব সেইজন? তোমালোকে যি ইচ্ছা কৰি থাকা, তোমালোকে যি কৰিছা, নিশ্চয় সেয়া তেওঁ দেখি আছে।

(৪১) সেইবিলাক মানুহ, যিবিলাকে এই উপদেশ বাণী (কুৰআনক) অস্বীকাৰ কৰিছিল যেতিয়া সিহঁতলৈ এয়া আহিছিল। প্ৰকৃততে ই এখন শক্তিশালী মহান গ্ৰন্থ। (৪২) অসত্যই ইয়াৰ ওচৰকে চাপিব নোৱাৰে। আগফালৰ পৰাও নোৱাৰে, পিছ ফালৰ পৰাও নোৱাৰে। নিশ্চয় এয়া প্ৰজ্ঞাময় অতি প্ৰশংসিত সত্তাৰ পক্ষৰ পৰা অৱতীৰ্ণ। (৪৩) তোমাক এনে কোনো কথা কোৱা নাই, যিবোৰ তোমাৰ পূৰ্বৰ ৰছুলসকলক কোৱা হোৱা নাছিল। নিশ্চয় তোমাৰ প্ৰভু ক্ষমাশীল আৰু যন্ত্ৰণাদায়ক শাস্তিদাতাও।

(৪৪) আমি যদি এই কুৰআন আৰবীৰ বাহিৰে (আন ভাষাত) অৱতীৰ্ণ কৰিলোহেঁতেন, তেনেহ'লে সিহঁতে ক'লেহেঁতেন- 'ইয়াৰ আয়াতসমূহ বিতংভাৱে বৰ্ণনা নহ'ল কিয়? কি আচৰিত! ৰছুল হ'ল আৰবী আৰু (কুৰআনৰ) ভাষা হ'ল অনা-আৰবী?' কোৱা- 'এয়া ঈমানদাৰসকলৰ বাবে পথনিৰ্দেশনা আৰু ব্যাধিৰ প্ৰতিষেধক। কিন্তু যিবিলাকে বিশ্বাস নকৰে,

সিহঁতৰ কাণত বধিৰতা আছে আৰু ইয়াৰ প্ৰতি সিহঁতৰ অন্ধতা আছে। সিহঁতৰ অৱস্থা হ'ল- সিহঁতক যেন বহু দূৰৰ পৰা মতা হৈছে।

(৪৫) আমি মূছাকো পুথি দান কৰিছিলো। তাতো মতভেদ সৃষ্টি কৰা হৈছিল। তোমাৰ প্ৰভুৰ পৰা যদি ইতিমধ্যে সিদ্ধান্ত কৰি থোৱা নহ'লহেঁতেন, তেনেহ'লে সিহঁতৰ মাজত চূড়ান্ত মীমাংসা হৈয়েই গ'লহেঁতেন। অৱশ্যই সিহঁত এই বিষয়ত বিভ্ৰান্তিকৰ সন্দেহত পতিত হৈ আছে। (৪৬) যিজনে ন্যায়পূৰ্ণ সৎকৰ্ম কৰে, তেওঁ নিজৰ কল্যাণৰ বাবে কৰে আৰু যিজনে অপকৰ্ম কৰে, তাৰ কুপৰিণতি তাৰ ওপৰতেই বৰ্তিব। আচলতে তোমাৰ প্ৰভুৱে তেওঁৰ দাসবিলাকৰ প্ৰতি মুঠেই অবিচাৰ নকৰে।

(৪৭) (কিয়ামতৰ) মুহূৰ্তটোৰ জ্ঞান কেৱল তেওঁৰ ওপৰতহে অৰ্পিত। তেওঁৰ অগোচৰে কোনো ফল থোৰ ভেদি ওলাই নাহে, কোনো মহিলাই গৰ্ভ ধাৰণ নকৰে আৰু প্ৰসৱো নকৰে। সেইদিনা তেওঁ সিহঁতক সুধিব- 'ক'ত মোৰ অংশীবোৰ?' সিহঁতে উত্তৰ দিব- 'আমি আপোনাক নিবেদন কৰিলোৱেই যে এই বিষয়ত সাক্ষী দিওতা আমাৰ মাজত কোনো নাই।' (৪৮) পূৰ্বে সিহঁতে যিবোৰক (উপাস্যক) আহবান কৰিছিল, সেইবিলাক সিহঁতৰ পৰা উধাও হ'ব আৰু সিহঁতে উপলব্ধি কৰিব যে, সিহঁতৰ এতিয়া বাচিবৰ কোনো উপায় নাই।

(৪৯) মানুহে নিজনৰ জীৱনৰ মংগল বিচাৰি কেতিয়াও ক্লান্তি বোধ নকৰে; কিন্তু যদি কোনো দুখ-কষ্ট আহি পৰে, তেতিয়া সি নিৰাশ হয় আৰু হতাশাত ভাগি পৰে। (৫০) তাক আক্ৰান্ত কৰা দুখ-কষ্ট আঁতৰ হোৱাৰ পিচত যেতিয়া তাক আমাৰ অনুগ্ৰহৰ সোৱাদ ল'বলৈ দিওঁ, তেতিয়া সি নিশ্চয় কয়- 'এয়াতো আমাৰ প্ৰাপ্য। (কিয়ামতৰ) মুহূৰ্তটো আহিব বুলি মই নাভাবো আৰু যদি মোক মোৰ প্ৰভুৰ ওচৰলৈ ঘূৰাই নিয়া হয়, তেনেহ'লে নিশ্চয় তেৱোঁ মোক ভালদৰে সন্মানিত কৰিব।' নিশ্চয় আমি সিহঁতক

সিহঁতৰ কৃতকর্মৰ বিষয়ে জনাই দিম, যিবিলাকে অবিশ্বাস কৰিছিল আৰু সিহঁতক অতি কঠোৰ শাস্তিৰ সোৱাদ ল'বলৈ দিম।

(৫১) আমি যেতিয়া মানুহক অনুগ্রহ দান কৰো, তেতিয়া সি মুখ ঘুৰায় আৰু যেতিয়া তাক বিপদ-আপদে স্পর্শ কৰে, তেতিয়া সি দীঘলীয়া দুআ-প্রার্থনা কৰিবলৈ ধৰে। (৫২) সিহঁতক সোধা- 'তোমালোকে ভাবি চাইছানে, এই কুৰআনখন যদি প্রকৃততে আল্লাহৰ ফালৰ পৰাই আহিছে আৰু তোমালোকে ইয়াক অস্বীকাৰ কৰি আছা, তেনেহ'লে সেইজন ব্যক্তিতকৈ অধিক ভ্রান্ত আন কোন হ'ব পাৰে, যিজনে ইয়াৰ বিৰোধীতাত অনেক দূৰলৈ অগ্রসৰ হৈছে?'

(৫৩) শীঘ্রে সিহঁতক আমাৰ নিদর্শনাৱলী পৃথিৱীৰ দিক-দিগন্তত প্রকাশ কৰি দেখুৱাম আৰু সিহঁতৰ অন্তৰতো দেখুৱাম। আনকি সিহঁতৰ সন্মুখত এই কথা স্পষ্ট হৈ পৰিব যে প্রকৃততে কুৰআন সত্য। এয়ে যথেষ্ট নহয়নে যে তোমাৰ প্রভু এই সকলো বস্তুৰে সাক্ষী। (৫৪) তথাপিও সিহঁতে সিহঁতৰ প্রভুৰ সৈতে সাক্ষাৎ হ'ব লাগিব বুলি সন্দেহ পোষণ কৰে। শুনা, নিশ্চয় তেওঁ প্রতিটো বস্তুকে পৰিবেষ্টন কৰি আছে।

৪২. আছ-ছূৰা (পাৰস্পৰিক পৰামর্শ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হা-মীম। (২) আইন-ছীন-কাফ।

(৩) এনেদৰেই মহা পৰাক্রমী, প্রজ্ঞাময় আল্লাহে তোমাৰ প্রতি ঐশীবাণী প্রেৰণ কৰিছে, যেনেদৰে তেওঁ তোমাৰ পূর্বৱর্তী প্রেৰিত পুৰুষসকলৰ প্রতিও প্রেৰণ কৰিছিল। (৪) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলো তেওঁৰেই। তেওঁ অতি উচ্চ মর্যাশীল, মহা মহিম। (৫) আকাশমণ্ডল ওপৰৰ পৰা ভাঙি পৰো পৰো, ফিৰিস্তাসকলে তেওঁলোকৰ প্রভুৰ মহিমা কীর্তনত

ৰত থকাৰ বাবে আৰু জগতবাসীৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি আছে। প্ৰকৃততে আল্লাহ ক্ষমাশীল, পৰম দয়ালু। (৬) যিবিলাকে তেওঁৰ পৰিৱৰ্তে আনক নিজৰ অভিভাৱক হিচাবে গ্ৰহণ কৰে, আল্লাহে সিহঁতৰ ওপৰত চকু ৰাখে আৰু তুমি সিহঁতৰ কৰ্মৰ বিধায়ক নোহোৱা।

(৭) এইবাবেই আমি তোমাৰ প্ৰতি এই আৰবী কুৰআন অৱতীৰ্ণ কৰিছো যাতে তুমি এই মাতৃ নগৰ (মক্কা) আৰু তাৰ আশে-পাশে থকা মানুহবিলাক সতৰ্ক কৰি দিব পাৰা আৰু যাতে সাৱধান কৰি দিব পাৰা সমবেত কৰা সেই দিনটোৰ (কিয়ামতৰ) প্ৰতি যিটো দিনৰ আগমনৰ কোনো সন্দেহ নাই। সেইদিনা কিছুমান দল জান্নাতত প্ৰৱেশ কৰিব আৰু কিছুমান জাহান্নামত প্ৰৱেশ কৰিব।

(৮) আল্লাহে ইচ্ছা কৰাহেঁতেন, সিহঁত সকলোকে একেটা উম্মত (গোষ্ঠী) কৰি দিলেহেঁতেন; কিন্তু তেওঁ যাক ইচ্ছা কৰে, তেওঁ তাক নিজৰ কৰুণাত প্ৰৱেশ কৰায়; আৰু অন্যায়কাৰীবিলাকৰ কোনো পৃষ্ঠপোষক আৰু সাহায্যকাৰী নাই। (৯) সিহঁতে তেওঁৰ পৰিৱৰ্তে আনক পৃষ্ঠপোষক কৰি লৈছে নেকি? কিন্তু তেৱেঁই আল্লাহ, যিজন প্ৰকৃত পৃষ্ঠপোষক। তেৱেঁই মৃতকক জীৱিত কৰে। তেওঁ সৰ্ব বিষয়ত ক্ষমতাবান। (১০) যি বিষয়লৈ তোমালোকৰ মাজত মতভেদ হয়, তাৰ মীমাংসা আল্লাহৰ হাতত। তেৱেঁই আল্লাহ, মোৰ প্ৰভু। তেওঁৰ ওপৰতেই মই ভৰসা কৰো আৰু তেওঁৰ পিনেই উভতি যাব লাগিব।

(১১) তেৱেঁই আকাশমণ্ডল আৰু পৃথিৱীৰ স্ৰষ্টা। তেৱেঁই তোমালোকৰ মাজৰ পৰাই তোমালোকৰ সংগিনী সৃষ্টি কৰিছে আৰু পশুবোৰৰ মাজতো যোৰা সৃষ্টি কৰি দিছে। এইদৰে তেওঁ সৃষ্টিৰ পৰম্পৰা বিস্তাৰ কৰে। কোনো কিছুই তেওঁৰ লগত ৰিজনি নাখাটে। তেওঁ সৰ্বশ্ৰোতা, সকলো দেখোতা। (১২) আকাশমণ্ডল আৰু পৃথিৱীৰ চাবি-কাঠি তেওঁৰ ওচৰত আছে। তেওঁ

যাক ইচ্ছা কৰে, অধিক জীৱিকা দান কৰে আৰু যাক ইচ্ছা কৰে, তাৰ জীৱিকা সংকুচিত কৰে। তেওঁ সৰ্ব বিষয়ে সম্পূৰ্ণ জ্ঞান ৰাখে।

(১৩) তেৱেঁই তোমালোকৰ বাবে সেই ধৰ্ম (জীৱন ব্যৱস্থা) নিৰ্ধাৰণ কৰি দিছে, যি জীৱন ব্যৱস্থাৰ আদেশ তেওঁ নূহক দিছিল আৰু এতিয়া আমি ৰহীৰ জৰিয়তে তোমালৈ যি প্ৰেৰণ কৰিছো আৰু যি আদেশ-উপদেশ আমি ইব্ৰাহীম, মূছা আৰু ঈছাক দিছিলো, সেয়া হ'ল- 'তোমালোকে এই দ্বীন-ধৰ্ম (জীৱন ব্যৱস্থা) প্ৰতিষ্ঠা কৰা আৰু এই লৈ অনৈক্যৰ সৃষ্টি নকৰিবা।' তুমি অংশীবাদীবিলাকক যি কথালৈ আহবান কৰিছা, সেয়া অতি দুৰ্বহ বুলি সিহঁতৰ ধাৰণা হৈছে। আল্লাহে যাক ইচ্ছা কৰে, নিজৰ বাবে বাছি লয় আৰু তেওঁৰ পথত পৰিচালিত কৰে যিজনে তেওঁৰ অভিমুখী হয়।

(১৪) সিহঁতলৈ জ্ঞান অহাৰ পিচতহে পাৰস্পৰিক ইৰ্ষাবশতঃ সিহঁত বিভক্ত হ'ল। তোমাৰ প্ৰভুৰ পক্ষৰ পৰা এটি নিৰ্ধাৰিত সময়লৈকে অৱকাশৰ পূৰ্ব সিদ্ধান্ত কৰি নৰখাহেঁতেন, নিশ্চয় সিহঁতৰ মাজত মীমাংসা কৰিয়েই দিয়া হ'লহেঁতেন। সিহঁতৰ পিচত যিবিলাকক এই পুথিৰ উত্তৰাধিকাৰী কৰা হৈছে, সিহঁতে সেই বিষয়ত বিভ্ৰান্তিকৰ সন্দেহত আছে।

(১৫) এতেকে তুমি মানুহবিলাকক সেই দ্বীনৰ প্ৰতি আহবান কৰা আৰু তোমাক যি আদেশ দিয়া হৈছে, তাতে তুমি দৃঢ়ভাৱে অবিচল হৈ থাকা। সিহঁতৰ ইচ্ছা বাসনা অনুসৰণ নকৰিবা; বৰং কোৱা- 'আল্লাহে যি পুথি অৱতীৰ্ণ কৰিছে, তাৰ প্ৰতি মই বিশ্বাস স্থাপন কৰিছো। তোমালোকৰ মাজত ন্যায় বিচাৰ কৰিবলৈ মোক আদেশ দিয়া হৈছে। আল্লাহ আমাৰো প্ৰভু আৰু তোমালোকৰো প্ৰভু। আমাৰ কৰ্মৰ বাবে আমি দায়বদ্ধ আৰু তোমালোকৰ কৰ্মৰ বাবে তোমালোক দায়বদ্ধ। তোমালোক আৰু আমাৰ মাজত কোনো বিবাদ নাই। আল্লাহে আমাক সকলোকে এদিন সমবেত কৰিব আৰু আমি তেওঁৰ ওচৰলৈকে ঘূৰি যাব লাগিব।' (১৬) আল্লাহক মানি লোৱাৰ পিচতো

যিবিলাকে তেওঁৰ সম্পৰ্কে তৰ্ক-বিতৰ্ক কৰে, সিহঁতৰ তৰ্ক-বিতৰ্ক আল্লাহৰ ওচৰত নিষ্ফল হ'ব। সিহঁতৰ প্ৰতি তেওঁৰ অভিসম্পাত হ'ব আৰু আছে সিহঁতৰ বাবে কঠোৰ শাস্তি।

(১৭) তেৱেঁই আল্লাহ, যিজনে এই পুথিখন অৱতীৰ্ণ কৰিছে সত্যতাৰে আৰু ন্যায়ৰ মানদণ্ডৰ ভিত্তিত। তুমি কেনেকৈ অনুধাৱন কৰিবা, সেই চূড়ান্ত সময়টো ছাগে সন্নিকট। (১৮) যিবিলাকে এয়া বিশ্বাস নকৰে, সিহঁতেই তাৰ বাবে খৰখেদা কৰে; কিন্তু যিসকলে ইয়াক বিশ্বাস কৰে, তেওঁলোকে ইয়াক ভয় কৰে আৰু তেওঁলোকে এয়া সত্য বুলি জানে। যিবিলাকে সেই ক্ষণ সম্পৰ্কে তৰ্ক-বিতৰ্ক কৰে, সিহঁত পথভ্ৰষ্টতাত বহু দূৰ আগুৱাই গ'ল।

(১৯) আল্লাহ তেওঁৰ দাসবিলাকৰ প্ৰতি অতি দয়ালু। তেওঁ যাক ইচ্ছা কৰে, তাক জীৱিকা দান কৰে। কেৱল তেৱেঁই মহা শক্তিধৰ, প্ৰবল পৰাক্ৰমী। (২০) যিজনে পৰকালৰ ফচল বিচাৰে, আমি তাৰ ফচল বৃদ্ধি কৰি দিওঁ; কিন্তু যিজনে পাৰ্থিৱ জগতৰ ফচল বিচাৰে, আমি তাক তাৰ পৰাই কিছু দিও আৰু পৰকালত তাৰ কোনো অংশ নাথাকে।

(২১) সিহঁতৰ এনে কোনো অংশী উপাস্য আছে নেকি, যিবিলাকে সিহঁতৰ বাবে এনে কোনো দ্বীন (ধৰ্ম) প্ৰৱৰ্তন কৰি দিছে, যাৰ অনুমতি আল্লাহে দিয়া নাই? যদি চূড়ান্ত মীমাংসাৰ কথা আল্লাহৰ পৰা নিৰ্ধাৰিত কৰি থোৱা নহ'লহেঁতেন, তেনেহ'লে সিহঁতৰ মাজত বিষয়টোৰ মীমাংসা হৈয়ে গ'লহেঁতেন। নিশ্চয় অন্যায়কাৰীবিলাকৰ কাৰণে যন্ত্ৰণাদায়ক শাস্তি আছে। (২২) তুমি দেখিবলৈ পাবা, অত্যাচাৰীবিলাকে নিজ কৰ্মৰ পৰিণামক ভয় কৰি থাকিব, যিটো সিহঁতৰ ওপৰত আপতিত হ'বই। আনহাতে যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকৰ্ম কৰিছে, তেওঁলোকে স্বৰ্গৰ উদ্যানত অৱস্থান কৰিব। তেওঁলোকে যিহকে বিচাৰিব তাকে তেওঁলোকৰ প্ৰভুৰ পৰা পাব। এয়াই

হ'ল মহা অনুগ্ৰহ। (২৩) এইবোৰেই শুভ সংবাদ আল্লাহে তেওঁৰ সেই দাসসকলক দিছে, যিসকলে বিশ্বাস কৰে আৰু সৎকৰ্ম কৰে। কোৱা- 'মই ইয়াৰ বাবে তোমালোকৰ পৰা কোনো প্ৰতিদান বিচৰা নাই, বিচাৰিছো কেৱল আত্মীয়তাৰ সৌহাদ্য।' যিজনে সৎকৰ্ম কৰিব, আমি তেওঁৰ বাবে কল্যাণৰ মাত্ৰা বৃদ্ধি কৰি দিম। নিশ্চয় আল্লাহ অতি ক্ষমাশীল, গুণগ্ৰাহী।

(২৪) সিহঁতে কয় নেকি- 'এওঁ আল্লাহৰ সম্পৰ্কে মিছা ৰটি ফুৰিছে?' আল্লাহে ইচ্ছা কৰিলে তোমালোকৰ অন্তৰত মোহৰ মাৰি দিব পাৰে। আল্লাহে অসত্যক নিৰ্মূল কৰি দিয়ে আৰু নিজৰ বাণীৰ দ্বাৰা সত্যক প্ৰতিষ্ঠিত কৰে। মানুহৰ অন্তৰৰ নিভৃত কোণত লুকাই থকাবোৰো তেওঁ ভালদৰে জানে। (২৫) তেওঁ তেওঁৰ দাসবিলাকৰ তওবা (অনুশোচনা) গ্ৰহণ কৰে আৰু পাপবোৰ ক্ষমা কৰে। তোমালোকে যি কৰা, সেয়া সকলো তেওঁ জানে। (২৬) তেওঁ সেই মানুহবিলাকৰ আহবানত সঁহাৰি জনায়, যিয়ে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে। তেওঁ নিজ কৃপাৰে তেওঁলোকক আৰু অধিক দান কৰে। সত্য প্ৰত্যাখ্যানকাৰীবিলাকৰ কাৰণে কঠোৰ শাস্তি আছে।

(২৭) আল্লাহে যদি তেওঁৰ দাসবিলাকৰ বাবে উন্মুক্ত জীৱিকাৰ পথ খুলি দিলেহেঁতেন, তেনেহ'লে সিহঁতে পৃথিৱীত উদ্ধতালি কৰিলেহেঁতেন। কিন্তু তেওঁ ইচ্ছানুযায়ী এটা পৰিমাণত অৱতাৰিত কৰে। তেওঁ তেওঁৰ দাস বিলাকৰ বিষয়ে সবিশেষ জানে আৰু সিহঁতৰ প্ৰতি দৃষ্টি ৰাখে। (২৮) এইজনা তেৰেঁই, যিজনাই বৃষ্টি বৰ্ষণ কৰে মানুহ নিৰাশ হোৱাৰ পিচত আৰু তেওঁৰ কৰুণা বহলভাৱে বিস্তাৰ কৰে। তেৰেঁই তত্ত্বাৱধায়ক, সৰ্বতো প্ৰশংসাৰ অধিকাৰী। (২৯) তেওঁৰ নিদৰ্শনসমূহৰ ভিতৰত হ'ল- আকাশমণ্ডল আৰু পৃথিৱীৰ সৃষ্টি আৰু আটাইবোৰ জীৱন্ত সৃষ্টি, যিবোৰ উভয়তে সিঁচৰিত কৰি ৰাখিছে। তেওঁ যেতিয়া ইচ্ছা কৰিব, তেতিয়া সিহঁতক একত্ৰিত কৰিবলৈ সক্ষম।

(৩০) তোমালোকলৈ যি বিপদ আহে, সেয়া তোমালোকৰ নিজ কৃতকর্মৰ ফল। আল্লাহে যথেষ্ট ক্ষমা কৰিয়েই থাকে। (৩১) পৃথিৱীত তোমালোকে তেওঁৰ পৰা পলাই সাৰিব নোৱাৰা। আল্লাহৰ ব্যতীত তোমালোকৰ কোনো তত্ত্বাৱধায়ক আৰু সাহায্যকাৰী নাই।

(৩২) তেওঁৰ নিদর্শনসমূহৰ ভিতৰত হ'ল- সাগৰত চলি থকা পর্বত সদৃশ নৌযানবোৰ- (৩৩) তেওঁ ইচ্ছা কৰিলে বায়ুক ৰুদ্ধ কৰি দিব পাৰে আৰু সেই নৌযানবোৰ সমুদ্রপৃষ্ঠত নিশ্চল হৈ পৰিব। নিশ্চয় ইয়াত প্রতিজন ধৈর্যশীল আৰু কৃতজ্ঞ মানুহৰ বাবে বহু নিদর্শন আছে। (৩৪) নাইবা সিহঁতৰ দুষ্কর্মৰ বাবে সিহঁতক ডুবাই ধ্বংস কৰিব পাৰে। অৱশ্যে তেওঁ সিহঁতৰ অনেকক মার্জনা কৰে। (৩৫) যিবিলাকে আমাৰ নিদর্শনসমূহ লৈ বিতর্ক কৰে, সিহঁতে জানিবলৈ পাব যে পলাই সাৰিবলৈ কোনো উপায় নাই।

(৩৬) তোমালোকক যি দিয়া হৈছে, সেয়া এই পার্থিৱ জীৱনৰ ক্ষণস্থায়ী ভোগৰ সামগ্রী মাথোন। কিন্তু আল্লাহৰ ওচৰত যি আছে, সেয়া অতি উৎকৃষ্ট আৰু চিৰস্থায়ী। সেয়া তেওঁলোকৰ বাবে যিসকলে বিশ্বাস স্থাপন কৰে আৰু তেওঁলোকৰ প্রভুৰ ওপৰত ভৰসা কৰে। (৩৭) যিসকলে মহাপাপ আৰু অশ্লীলতাৰ পৰা বিৰত থাকে আৰু ক্রোধৰ সময়ত মার্জনা কৰে, (৩৮) আৰু যিসকলে নিজ প্রভুৰ প্রতি সঁহাৰি জনায়, নামাজ প্রতিষ্ঠা কৰে আৰু যিসকলে তেওঁলোকৰ কামবোৰ পাৰস্পৰিক আলাপ-আলোচনাৰে সমাধা কৰে আৰু আমি তেওঁলোকক যি দিছো তাৰ পৰা ব্যয় কৰে, (৩৯) আৰু যেতিয়া সিহঁতক আক্রমণ কৰা হয়, নিজকে প্রতিৰক্ষা কৰে। (৪০) বেয়াৰ প্রতিফল সেই অনুপাতে বেয়া। কিন্তু যিজনে ক্ষমা কৰে আৰু সংশোধন কৰি লয়, তেওঁলোকৰ পুৰস্কাৰ আল্লাহৰ ওচৰত আছে। তেওঁ অন্যায়কাৰীবিলাকক ভাল নাপায়। (৪১) অত্যাচাৰিত হোৱাৰ পিচত যিবিলাকে প্রতিশোধ লয়, সিহঁতৰ প্রতি কোনো অভিযোগ নাই। (৪২) অভিযোগ

কেৱল সিহঁতৰ প্ৰতি, যিবিলাকে মানুহক অত্যাচাৰ কৰে আৰু অন্যায়ভাৱে পৃথিৱীত বিপৰ্যয় সৃষ্টি কৰে। এনে মানুহৰ বাবে আছে যন্ত্ৰণাদায়ক শাস্তি। (৪৩) যিজনে ধৈৰ্য ধাৰণ কৰে আৰু মাৰ্জনা কৰে, তেনেহ'লে এয়া নিশ্চয় উচ্চ সাহসিকতা আৰু দৃঢ় মনোবলৰ পৰিচায়ক।

(৪৪) আল্লাহে যাক বিপথগামী কৰে, তাৰ কোনো তত্ত্বাৱধায়ক নাই। তুমি দেখিবা অন্যায়কাৰীবিলাকক যেতিয়া সিহঁতে শাস্তি প্ৰত্যক্ষ কৰিব, তেতিয়া চিঞৰী উঠিব- 'উভতি যাবলৈ কোনো পথ আছেনে?' (৪৫) তুমি সিহঁতক জুইৰ সন্মুখীন হোৱা দেখা পাবা, অপমানত অৱনত হৈ থাকিব আৰু লুকাই চুৰকৈ চাই থাকিব। যিসকলে বিশ্বাস স্থাপন কৰিছিল তেওঁলোকে ক'ব- 'সিহঁতহে ক্ষতিগ্ৰস্ত হ'ল, যিবিলাকে কিয়ামতৰ (পুনৰুত্থানৰ) দিনা নিজে ক্ষতিগ্ৰস্ত হ'ব আৰু নিজৰ পৰিয়ালবৰ্গৰ ক্ষতি সাধন কৰিব।' নিশ্চয় অন্যায়কাৰীবিলাক চিৰকলীয়া শাস্তিত পতিত হ'ব, (৪৬) সিহঁতৰ এনে কোনো সহায়কাৰী নহ'ব, যিয়ে আল্লাহৰ মোকাবিলাত সিহঁতক সহায় কৰিব। আল্লাহে যাক পথভ্ৰষ্ট কৰে, তাৰ আন কোনো পথ নাই।

(৪৭) তোমালোকৰ প্ৰভুৰ আহ্বানত সঁহাৰি জনোৱা সেই দিনটো অহাৰ আগেয়ে, যিটো কেতিয়াও ৰোধ কৰিব নোৱাৰি। সেইদিনা তোমালোকৰ প্ৰভুৰ ব্যতীত আন কোনো আশ্ৰয়স্থল নাথাকিব আৰু তোমালোকৰ পাপবোৰ নুই কৰিবও নোৱাৰিবা। (৪৮) এতিয়া যদি সিহঁতে আঁতৰি যায়, তেহে'লে (হে নবী) আমি তোমাক সিহঁতৰ ৰক্ষক কৰি পঠোৱা নাই। তোমাৰ দায়িত্ব কেৱল বাৰ্তা পৌছাই দিয়া। মানুহৰ প্ৰকৃতি হ'ল, যেতিয়া তাক আমাৰ কৰুণাৰ সোৱাদ ল'বলৈ দিও, তেতিয়া সি প্ৰসন্ন হয়; কিন্তু যদি তাৰ কৃতকৰ্মৰ বাবে তাৰ ওপৰত কোনো বিপদ আহে, তেতিয়া সি অত্যন্ত অকৃতজ্ঞ হৈ পৰে।

(৪৯) আকাশমণ্ডল আৰু পৃথিৱীৰ নিয়ন্ত্ৰণ একমাত্ৰ আল্লাহৰ আয়ত্ত। তেওঁ যিহকে ইচ্ছা কৰে, সৃষ্টি কৰে। তেওঁ যাক ইচ্ছা কৰে কন্যা সন্তান দান

কৰে আৰু যাক ইচ্ছা কৰে পুত্ৰ সন্তান দান কৰে। (৫০) অথবা (যাক ইচ্ছা কৰে) পুত্ৰ-কন্যা উভয়কে দান কৰে আৰু যাক ইচ্ছা কৰে বন্ধ্যা কৰে। তেওঁ সৰ্বজ্ঞ আৰু সৰ্ব শক্তিমান।

(৫১) কোনো মানুহকে এনে কৰ্তৃত্ব দিয়া নাই যে আল্লাহে তেওঁৰ লগত পোনপটীয়াকৈ কথা পাতিব লাগে। তেওঁ কথা পাতে ৱহীৰ মাধ্যমত বা পৰ্দাৰ আঁৰৰ পৰা অথবা তেওঁলৈ বাৰ্তাবাহক (ফিৰিস্তা) পঠায় যাতে আল্লাহে যি ইচ্ছা কৰে, সেয়া তেওঁৰ নিৰ্দেশতে প্ৰত্যাদেশ কৰে। নিশ্চয় তেওঁ মহিমান্বিত আৰু প্ৰজ্ঞাময়। (৫২) এইদৰে আমি (হে নবী) আমাৰ আদেশ মৰ্মে তোমাৰ প্ৰতি এটা 'ৰূহ' প্ৰত্যাদেশ কৰিছো। ইয়াৰ পূৰ্বে তুমি জনা নাছিলা পুথি কি, ঈমান কি (বিশ্বাস) কি? কিন্তু আমি ইয়াক এটি 'আলো' কৰি দিলো যাৰ সহায়ত আমি আমাৰ দাসবিলকৰ যাক ইচ্ছা কৰো, তাক পথ দেখুৱাও। নিশ্চয় তুমি মানুহক সঠিক সৰল পথকে দেখুৱাইছা। (৫৩) সেয়া আল্লাহৰ পথ, যিজন আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সকলোৰে গৰাকী। নিশ্চয় সকলো বিষয় আল্লাহলৈকে প্ৰত্যাৱৰ্তন কৰে।

৪৩. আয-যুখৰুফ (স্বৰ্ণ অলংকাৰ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হা-মীম।

(২) স্পষ্টকাৰী পুথিৰ শপত, (৩) ইয়াক আমি আৰবী কুৰআন কৰিছো যাতে তোমালোকে বুজি পোৱা। (৪) প্ৰকৃততে ই মূল পুথিৰূপে লিপিবদ্ধ হৈ আছে, আমাৰ সুৰক্ষাত আছে। এইখন মৰ্যাদাপূৰ্ণ আৰু জ্ঞান তত্ত্বৰে ভৰা।

(৫) তোমালোক সীমালংঘনকাৰী বুলিয়েই তোমালোকৰ পৰা আমি এই পথ নিৰ্দেশনা প্ৰত্যাহাৰ কৰিমনে? (৬) আমি পূৰ্ৱৱৰ্তী মানুহবিলাকলৈও অনেক ৰছুল প্ৰেৰণ কৰিছিলো। (৭) কিন্তু যেতিয়াই সিহঁতলৈ কোনো ৰছুল

আহিছিল, সিহঁতে তেওঁক ঠাট্টা-বিদ্রূপ কৰিছিল। (৮) সেয়ে আমি সিহঁতক ধ্বংস কৰিলো, যিবিলাক ইহঁততকৈও অধিক পৰাক্রমী আছিল। সেয়া আছিল অতীতৰ মানুহবিলাকৰ দৃষ্টান্ত।

(৯) তুমি যদি সিহঁতক সোধা- 'আকাশমণ্ডল আৰু পৃথিৱী কোনে সৃষ্টি কৰিলে?' সিহঁতে নিশ্চয় উত্তৰ দিব- 'প্ৰবল পৰাক্রমী, মহা বিজ্ঞ আল্লাহে সেইবোৰ সৃষ্টি কৰিছে।' (১০) যিজনে তোমালোকৰ বাবে পৃথিৱীখনক বিচনা কৰি দিছে আৰু তাত তোমালোকৰ বাবে পথ তৈয়াৰ কৰিছে, আশা কৰা যায় যাতে তোমালোকে পথ পাব পাৰা। (১১) এইজনা তেৱেঁই, যিজনাই আকাশৰ পৰা পৰিমিতভাৱে পানী বৰ্ষণ কৰে, তাৰ দ্বাৰা আমি নিৰ্জীৱ পৃথিৱীক সজীৱ কৰি তোলো। এইদৰে এদিন তোমালোকক কবৰৰ পৰা উলিয়াই অনা হ'ব। (১২) এইজনা তেৱেঁই, যিজনাই সকলো জীৱিতকে যোৰ পাতি সৃষ্টি কৰিছে আৰু তোমালোকৰ বাবে নাওঁ-জাহাজ আৰু পশুবোৰক বাহন কৰি দিছে, (১৩) যাতে তোমালোকে সিবোৰৰ পিঠিত আৰোহণ কৰিব পাৰা। যেতিয়া তোমালোকে সিবোৰৰ পিঠিত বহিবা, তেতিয়া তোমালোকৰ প্ৰভুৰ অনুগ্ৰহ সুঁৱৰি ক'বা- 'মহান পৱিত্ৰ তেওঁ, যিজনে এইবোৰ আমাৰ বশীভূত কৰি দিছে, নহ'লে আমি এইবোৰক নিয়ন্ত্ৰণ কৰিব নোৱাৰিলোহেঁতেন। (১৪) আৰু নিশ্চয় এদিন আমি আমাৰ প্ৰভুৰ ওচৰলৈকে উভতি যাব লাগিব।'

(১৫) তথাপি সিহঁতে আল্লাহৰ দাসবিলাকৰ কিছুমানক আল্লাহৰ অংশী কৰি লৈছে। প্ৰকৃততে মানুহ দেখদেখকৈ অকৃতজ্ঞ। (১৬) আল্লাহে তেওঁৰ নিজৰ সৃষ্টিকুলৰ পৰাই কন্যা সন্তান গ্ৰহণ কৰিছে আৰু তোমালোকৰ বাবে পুত্ৰ সন্তান বাচি দিছে নেকি? (১৭) যেতিয়া সিহঁতৰ কাৰোবাক (কন্যা সন্তান জন্মৰ) সংবাদ দিয়া হয়, যিবিলাক সিহঁতে দয়ামৰ প্ৰতি আৰোপ কৰে, তেতিয়া তাৰ মুখ ক'লা পৰি যায় আৰু দুশ্চিন্তাত ভাগি পৰে।

(১৮) (সিবিলাকহে আল্লাহৰ ভাগত পৰিলনেকি) যিবিলাকক

অলংকাৰপাতিৰে লালন-পালন কৰা হয় আৰু নিজ বক্তব্য যুক্তিৰে দাঙি ধৰিব নোৱাৰে? (১৯) সিহঁতে আল্লাহৰ দাস ফিৰিস্তাসকলক নাৰী জ্ঞান কৰে। সিহঁতে তেওঁলোকৰ সৃষ্টি প্ৰক্ৰিয়া দেখিছেনে? সিহঁতৰ এই দাবী লিপিবদ্ধ কৰা হ'ব আৰু সিহঁতক এই বিষয়ে সোধা হ'ব।

(২০) সিহঁতে ক'ব- 'যদি দয়াময়ৰ তেনে ইচ্ছা হ'লহেঁতেন, আমি সিহঁতৰ উপাসনা নকৰিলোহেঁতেন!' সেই বিষয়ে সিহঁতৰ কোনো জ্ঞান নাই। সিহঁতে কেৱল আন্দাজ-অনুমানৰ ভিত্তিত কথা কয়।' (২১) ইয়াৰ আগতে আমি সিহঁতক এনে কোনো পুথি দিছিলো নেকি যাক সিহঁতে দৃঢ়ভাৱে ধাৰণ কৰি আছে? (২২) কেতিয়াও নহয়! সিহঁতে কয়- 'আমি আমাৰ পূৰ্বপুৰুষ সকলক এটা বিশেষ পন্থা অনুসৰণ কৰা দেখিছো আৰু আমিও তেওঁলোকৰে পদাংক অনুসৰণ কৰি চলিছো।' (২৩) তোমালোকৰ পূৰ্বে যেতিয়া আমি কোনো জনবসতিলৈ সতৰ্ককাৰী প্ৰেৰণ কৰিছিলো, তেতিয়াই সিহঁতৰ প্ৰভাৱশালী মানুহবিলাকে কৈছিল- 'আমি আমাৰ পিতৃ-পিতামহসকলক এই পন্থা অনুসৰণ কৰা দেখিছিলে আৰু আমিও তেওঁলোকৰেই পদাংক অনুসৰণ কৰিছো।' (২৪) প্ৰত্যেক ৰছুলে সুধিছিল- 'তোমালোকে তোমালোকৰ পিতৃ-পুৰুষসকলক যি পথৰ অনুসাৰী পাইছিলা, মই যদি তাতোকৈ উত্তম সঠিক পথ দেখুৱাও?' সিহঁতে উত্তৰ দিছিল- 'যি বাৰ্তা দি তোমাক পঠোৱা হৈছে, সেয়া আমি স্বীকাৰ নকৰো।' (২৫) আমি সিহঁতৰ ওপৰত প্ৰতিশোধ ল'লো। এতেকে চোৱা, অস্বীকাৰকাৰীবিলাকৰ শেষত কি দশা হ'ল!

(২৬) স্মৰণ কৰা, যেতিয়া ইব্ৰাহীমে তেওঁৰ পিতৃ আৰু তেওঁৰ জাতিৰ মানুহবিলাকক কৈছিল- 'তোমালোকে যিবিলাকক উপাসনা কৰা, সিবিলাকক মই বৰ্জন কৰিছো। (২৭) (মই উপাসনা কৰো) কেৱল তেওঁৰ, যিজনে মোক সৃজিলে। তেৱেঁই মোক নিশ্চয় সুপথ দেখুৱাব।' (২৮) এই কথাবোৰ তেওঁ

তেওঁৰ বংশধৰসকলৰ মাজত যুগমীয়া কৰি থৈ গ'ল যাতে তেওঁলোক (আল্লাহৰ ওচৰলৈ) ঘূৰি আহে। (২৯) হয়, মই ইহঁতক আৰু ইহঁতৰ পিতৃ-পুৰুষসকলকো পার্থিৱ সামগ্রী দিছিলো। শেষত সিহঁতলৈ প্রকৃত সত্য আহিল আৰু সুস্পষ্ট ব্যাখ্যা কৰা এজন ৰছুল আহিল। (৩০) কিন্তু যেতিয়া সিহঁতৰ ওচৰলৈ সত্য আহিল, সিহঁতে ক'লে- 'এয়াতো যাদু আৰু এয়া আমি নামানো।'

(৩১) সিহঁতে ক'লে- 'দুয়োখন নগৰৰ কোনো সম্ভ্রান্ত মানুহৰ প্রতি এই কুৰআন অৱতীর্ণ কৰা নহ'ল কিয়?' (৩২) তোমাৰ প্রভুৰ কৰুণা সিহঁতেই বণ্টন কৰে নেকি? আমিয়েই সিহঁতৰ মাজত পার্থিৱ জীৱনৰ সমল বিতৰণ কৰো আৰু সিহঁতৰ কিছুমানৰ ওপৰত আন কিছুমানক প্রাধান্য দিছো যাতে এজনে আনজনৰ দ্বাৰা কাম কৰাই ল'ব পাৰে। তোমাৰ প্রভুৰ কৰুণা সেইবোৰতকৈ উত্তম, যিবোৰ সিহঁতে সঞ্চয় কৰে। (৩৩) যদি সকলো মানৰ একে শ্রেণীভুক্ত হোৱাৰ সম্ভাৱনা নাথাকিলেহেঁতেন, তেনেহ'লে অবিশ্বাসকাৰী বিলাকৰ যিবিলাকে তেওঁৰ প্রভুৰ কৰুণাক অগ্রাহ্য কৰিছে, সিহঁতক ৰূপৰ চাদ আৰু ঘৰলৈ উঠা ৰূপৰ খটখটী দিলোহেঁতেন, (৩৪) আৰু সিহঁতৰ ঘৰৰ দুৱাৰবোৰ আৰু আউজী বহা আসনবোৰ ৰূপৰ কৰি দিলোহেঁতেন, (৩৫) আৰু দিলোহেঁতেন সোণৰ অলংকাৰ। কিন্তু এইবোৰ হ'ল পার্থিৱ জীৱনৰ ভোগৰ সামগ্রী। পৰকালৰ সামগ্রী তোমাৰ প্রভুৰ ওচৰত আছে, যিসকলে তেওঁক ভয় কৰে সেয়া তেওঁলোকৰ বাবেহে।

(৩৬) আনহাতে যিজনে দয়াময় আল্লাহৰ স্মৰণৰ পৰা মুখ ঘূৰায়, আমি তাৰ বাবে এটা ছয়তান নিযুক্ত কৰি দিও আৰু সিয়ে তাৰ পৰম লগৰীয়া হয়। (৩৭) ছয়তানে মানুহক (সৎপথৰ পৰা) আঁতৰাই নিয়ে, অথচ সিহঁতে ভাবি থাকে যে সিহঁত সৎপথতেই আছে। (৩৮) অৱশেষত যেতিয়া তেনে ব্যক্তি আমাৰ ওচৰলৈ আহিব, সি ক'ব- (তাৰ লগৰীয়া ছয়তানক)- 'হায়!

তোৰ আৰু মোৰ মাজত যদি পূৱ-পশ্চিমৰ দূৰত্বৰ ব্যৱধান থাকিলহেঁতেন! তই কিমান জঘন্য লগৰীয়া!' (৩৯) (তেনে মানুহক) কোৱা হ'ব- 'যিহেতু তহঁতেই অন্যায় কৰিছিলি, সেয়ে একে শাস্তিৰ (ভাগৰ) লগৰীয়া হোৱা। আজি তোমালোকৰ কোনো লাভ নহ'ব।'

(৪০) (হে নবী) তুমি কলাক শুনাব পাৰিবা জানো? নাইবা অন্ধ অথবা স্পষ্ট ভ্ৰান্তিত থকাজনক পথ দেখু�ৱাব পাৰিবা জানো? (৪১) যদিও আমি তোমাক এই পৃথিৱীৰ পৰা উঠাই নিওঁ, তথাপি আমি সিহঁতক ইয়াৰ প্ৰতিশোধ ল'ম। (৪২) নাইবা সিহঁতক যি প্ৰতিশ্ৰুতি দিছো, সেয়া তোমাক দেখু�ৱাম। নিশ্চয় সিহঁতৰ ওপৰত আমাৰ পূৰ্ণ ক্ষমতা আছে। (৪৩) সেয়ে তুমি এই পুথিখন দৃঢ়ভাৱে ধা�ৰণ কৰা, যিখন তোমাৰ প্ৰতি অৱতীৰ্ণ কৰা হৈছে। নিশ্চয় তুমি সঠিক সৎপথতে আছা। (৪৪) এইখন তোমাৰ আৰু তোমাৰ জাতিৰ মানুহৰ বাবে স্মাৰক। অতি শীঘ্ৰে তোমালোকে ইয়াৰ কৈফিয়ৎ দিব লাগিব। (৪৫) তোমালোকৰ পূৰ্বে আমি যিসকল ৰছুলক পঠিয়াইছিলো, সিহঁতক সুধি চোৱা- 'পৰম কৰুণাময়ৰ পৰিৱৰ্তে আনক উপাসনা কৰিবলৈ আমি কোনো উপাস্য নিৰ্ধাৰণ কৰি দিছিলোনেকি?'

(৪৬) আমি মূছাক আমাৰ নিদৰ্শনসমূহ দি ফিৰাউন আৰু তাৰ পাৰিষদবৰ্গৰ ওচৰলৈ পঠাইছিলো। তেওঁ কৈছিল- 'মই বিশ্বজগতৰ প্ৰভুৰ প্ৰেৰিত ৰছুল।' (৪৭) কিন্তু যেতিয়া আমাৰ নিদৰ্শনসমূহ লৈ সিহঁতৰ ওচৰলৈ আহিল, সিহঁতে তেওঁক ঠাট্টা-বিদ্ৰূপহে কৰিবলৈ ধৰিলে। (৪৮) সিহঁতক আমি এটা এটাকৈ নিদৰ্শন দেখুৱাইছিলো আৰু সেইবিলাকৰ প্ৰতিটো নিদৰ্শন আগৰটোতকৈ ডাঙৰ আছিল। সিহঁতক আমি কঠোৰ শাস্তিৰ দ্বাৰা আক্ৰান্ত কৰিছিলো যাতে সিহঁত (সৎ পথলৈ) ঘূৰি আহে। (৪৯) সিহঁতে কৈছিল- 'হে যাদুকৰ, তোমাৰ প্ৰভুৰ পৰা লাভ কৰা পদমৰ্যাদাৰ ভিত্তিত আমাৰ বাবে তোমাৰ প্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰা। নিশ্চয় আমি উপদেশ গ্ৰহণ কৰিম।' (৫০) কিন্তু

যেতিয়া আমি সিহঁতৰ পৰা শাস্তি আঁতৰাই নিলো, তেতিয়াই সিহঁতে নিজ প্রতিশ্রুতি ভংগ কৰিলে।

(৫১) ফিৰাউনে তাৰ মানুহবিলাকক সম্বোধন কৰি ক'লে- 'হে মোৰ জাতিভাইসকল, মিছৰৰ ৰাজত্ব মোৰেই নহয়জানো? মোৰ পাদতলেৰে প্রবাহিত হৈ থকা এই নদীবোৰ মোৰ নহয়নেবাৰু? তোমালোকে দেখা নাইনে? (৫২) মই সেই নীহ অধম মানুহটোতকৈ শ্রেষ্ঠ নহয়নে? সি নিজৰ কথাকে স্পষ্টকৈ ক'বলৈ অক্ষম। (৫৩) তাৰ প্রতি সোণৰ গামখাৰু পঠোৱা নহ'ল কিয় আৰু ফিৰিস্তাসকলৰ এটা বাহিনী অনুচৰ হৈ তাৰ লগত নাহিল কিয়?' (৫৪) এইদৰে সি তাৰ জাতিৰ মানুহবিলাকক বিবুদ্ধি কৰিলে আৰু সিহঁত তাৰ অনুগত হ'ল। আচলতে সিহঁত এটা অবাধ্য জাতি আছিল। (৫৫) শেষত যেতিয়া সিহঁতে আমাৰ খঙক উত্তেজিত কৰিলে, আমি সিহঁতৰ প্রতিশোধ ল'লো আৰু সিহঁতৰ সকলোকে ডুবাই মাৰিলো। (৫৬) আমি সিহঁতক অতীত ইতিহাস কৰিলো আৰু পৰৱর্তী প্রজন্মৰ বাবে দৃষ্টান্ত ৰূপে ৰাখিলো।

(৫৭) যেতিয়া মৰিয়ম পুত্র (যীশুৰ) উপমা দিয়া হ'ল, তেতিয়া তোমাৰ জাতিৰ মানুহবিলাকে হৈ চৈ কৰি হুলস্থুল লগাই দিলে, (৫৮) আৰু ক'লে- 'আমাৰ উপাস্যবোৰ শ্রেষ্ঠ নে তেওঁ শ্রেষ্ঠ?' সিহঁতে তোমাক প্রত্যাহবান জনোৱাৰ উদ্দেশ্যেহে এনে ৰিজনি দিয়ে। আচলতে সিহঁত হাই-কাজিয়া কৰা মানুহেই। (৫৯) কিন্তু তেওঁ মাথোন আমাৰ এজন দাসহে আছিল। আমি তেওঁক অনুগ্রহ দান কৰিছিলো আৰু ইছ্ৰাঈল বংশধৰসকলৰ কাৰণে তেওঁক আদর্শ স্বৰূপ কৰিছিলো। (৬০) আমি ইচ্ছা কৰিলে তোমালোকৰ পৰিৱর্তে ফিৰিস্তা নিযুক্ত কৰিব পাৰিলোহেঁতেন; তেওঁলোক পৃথিৱীত তোমালোকৰ উত্তৰাধিকাৰী হ'বৰ বাবে। (৬১) আচলতে তেওঁ (ঈছা) কিয়ামতৰ এটি নিদর্শন। তোমালোকে ইয়াত সন্দেহ পোষণ নকৰিবা আৰু মোক অনুসৰণ কৰা। এইটোৱেই সঠিক সৰল পথ, (৬২) (চাবা) ছয়তানে যাতে তোমালোকক

এই পথৰ পৰা বাধা দি ৰাখিব নোৱাৰে। প্ৰকৃততে সি তোমালোকৰ প্ৰকাশ্য শত্ৰু।

(৬৩) ঈছাই যেতিয়া স্পষ্ট নিদৰ্শন লৈ আহিল, তেওঁ ক'লে- 'মই তোমালোকৰ ওচৰলৈ জ্ঞান লৈ আহিছোঁ যাতে তোমালোকক পৰিষ্কাৰভাৱে বুজাই দিব পাৰো, যিবোৰ বিষয়লৈ তোমালোকৰ মতভেদ হৈছে। এতেকে তোমালোকে আল্লাহক ভয় কৰা আৰু মোক মানি চলা। (৬৪) আচলতে আল্লাহ মোৰো প্ৰভু, তোমালোকৰো প্ৰভু। সেয়ে তেওঁৰ উপাসনা কৰা। এয়ে সৰল সৎপথ।' (৬৫) সিহঁতৰ বিভিন্ন দলৰ মাজত মতভেদ হ'ল। সেয়েহে সিহঁতৰ ধ্বংস নিশ্চিত। যিবিলাকে অন্যায় কৰিছিল, সিহঁতৰ বাবে আছে এটা যন্ত্ৰণাদায়ক দিনৰ শাস্তি।

(৬৬) সিহঁতে সেই সময়ৰ অপেক্ষাত আছে নেকি যে সিহঁতৰ অলক্ষিতে হঠাৎ আহি সিহঁতৰ ওপৰত পৰকহি। (৬৭) সেই দিনাখন পুণ্যবানসকলৰ বাহিৰে আন বন্ধু-বান্ধৱবিলাক পৰস্পৰৰ শত্ৰু হৈ পৰিব- (৬৮) 'হে মোৰ দাসসকল, আজি তোমালোকৰ কোনো ভয় নাই নাইবা তোমালোকে দুখ কৰিব লগীয়াও নহ'ব। (৬৯) যিবিলাকে আমাৰ বাণীসমূহ বিশ্বাস কৰিছিলা আৰু নিজকে নিজে আমাৰ ওচৰত আত্মসমৰ্পণ কৰিছিলা, (৭০) আনন্দচিত্তে জান্নাতত প্ৰৱেশ কৰা তোমালোক আৰু তোমালোকৰ স্ত্ৰীসকল উভয়ে। (৭১) সোণৰ কাঁহী-বাটিত তেওঁলোকক (খাদ্য) পৰিবেশন কৰা হ'ব আৰু সেইবোৰ মনে বিচৰা আৰু চালে চকু ৰোৱা বিধৰ হ'ব। তাত তোমালোক চিৰকাল থাকিবা। (৭২) এইখনেই জান্নাত, তোমালোকৰ পূৰ্বৱৰ্তী সৎকৰ্মৰ ফল স্বৰূপে তোমালোকক ইয়াৰ উত্তৰাধিকাৰী কৰা হৈছে, (৭৩) আৰু ইয়াত তোমালোকৰ বাবে প্ৰচুৰ ফলমূল আছে, তাৰ পৰা খাবা।'

(৭৪) অপৰাধীবিলাক চিৰকাল জাহান্নামৰ শাস্তি ভুগি থাকিব লাগিব। (৭৫) সেয়া অকণো লাঘৱ কৰা নহ'ব আৰু সিহঁত তাত নিৰাশাত থাকিব

লাগিব। (৭৬) আমি সিহঁতক অকণো অন্যায় কৰা নাই; বৰং সিহঁতে নিজেই নিজৰ অন্যায় কৰি লৈছে। (৭৭) সিহঁতে চিঞৰী ক'ব- 'হে মালিক, তোমাৰ প্ৰভুৱে আমাক নিঃশেষ কৰিলেই ভাল হয়।' কিন্তু তেওঁ (ফিৰিস্তাই) উত্তৰ দিব- 'নহয়, তোমালোকে এনে অৱস্থাতে থাকিব লাগিব। (৭৮) প্ৰকৃততে আমি তোমালোকলৈ প্ৰকৃত সত্য লৈ আহিছিলো; কিন্তু তোমালোক বেছিভাগেই সেই সত্যৰ প্ৰতি বিমুখ আছিলা।' (৭৯) সিহঁতে কিবা পদক্ষেপ লোৱাৰ সিদ্ধান্ত লৈছে নেকি? তেনেহ'লে আমিও এটা দৃঢ় সিদ্ধান্ত লওঁ। (৮০) সিহঁতে ভাবে নেকি যে আমি সিহঁতৰ গোপন কথা-বতৰা আৰু মন্ত্ৰণা শুনা নাপাওঁ? ইয়াৰ বিপৰীতে আমাৰ দূতসকল সিহঁতৰ নিচেই ওচৰতে আছে আৰু সকলো লিখি আছে।

(৮১) কোৱা- 'দয়াময়ৰ যদি কোনো সন্তান হ'লহেঁতেন, তেনেহ'লে ময়েই প্ৰথম তেওঁৰ উপাসনাকাৰী হ'লোহেঁতেন!' (৮২) কিন্তু আকাশমণ্ডল আৰু পৃথিৱীৰ মহামহিম, মহা সিংহাসনৰ অধিপতি, সিহঁতৰ সেইবোৰ (মিছা) কথাৰ পৰা বহু উৰ্ধত। (৮৩) সেয়ে সিহঁতক বাদ দিয়া, ভ্ৰান্ত চিন্তা-বিশ্বাসত মজি থাকক আৰু ক্ৰীয়া-কৌতুকত মগ্ন থাকক সেই দিনটোৰ সন্মুখীন নোহোৱালৈকে যি দিনটোৰ বিষয়ে সিহঁতক প্ৰতিশ্ৰুতি দিয়া হৈছিল।

(৮৪) এইজনা তেৱেঁই, যিজনা আকাশৰ অধিপতি আৰু পৃথিৱীৰো অধিপতি আৰু তেওঁ প্ৰজ্ঞাময়, সৰ্বজ্ঞ। (৮৫) অত্যন্ত কৰুণাময় তেওঁ, যিজনৰ হাতৰ মুঠিত আকাশমণ্ডল আৰু পৃথিৱী আৰু উভয়ৰ মাজত থকা সকলো বস্তুৰে কৰ্তৃত্ব আছে। কিয়ামতৰ (মহাপ্ৰলয়ৰ) সময় তেওঁৰহে জনা আছে আৰু তেওঁৰ ওচৰলৈকে তোমালোকক উভতাই নিয়া হ'ব।

(৮৬) আল্লাহক বাদ দি সিহঁতে যিবিলাকক প্ৰাৰ্থনা কৰে, মধ্যস্থতা কৰাৰ ক্ষমতা সিহঁতৰ নাই। কিন্তু যিবিলাকে সত্যৰ সাক্ষ্য দিয়ে, সিহঁতে জানি-বুজিয়েই দিয়ে। (৮৭) তুমি যদি সিহঁতক সোধা যে সিহঁতক কোনে সৃষ্টি

কৰিলে, নিশ্চয় সিহঁতে ক'ব- 'আল্লাহ।' তেনেহ'লে সিহঁত কেনেকৈ উভতি গ'ল? (৮৮) ৰছুলে ক'লে- 'হে প্ৰভু, ইহঁত এনে মানুহ, ইহঁতে বিশ্বাস স্থাপন নকৰে।' (৮৯) এতেকে (হে নবী) ইহঁতক এৰাই চলা আৰু কোৱা- 'তোমালোকৰ শান্তি হওঁক।' অনতিপলমে সিহঁতে জানিবলৈ পাব।

৪৪. আদ-দুখান (ধোঁৱা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হা-মীম।

(২) স্পষ্টকাৰী পুথিৰ শপত, (৩) নিশ্চয় আমি এই পুথিখন এটা কল্যাণময় ৰাতিত অৱতীৰ্ণ কৰিছো। সততে আমি মানুহক সতৰ্ক কৰি দিছিলো- (৪) সেই ৰাতিত সকলো প্ৰজ্ঞাপূৰ্ণ বিষয় স্থিৰ কৰা হয়- (৫) আমাৰ নিজা আদেশ মৰ্মে । আমি বাৰ্তাবাহক প্ৰেৰণ কৰো- (৬) তোমাৰ প্ৰভুৰ কৰুণা স্বৰূপে। তেওঁ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ। (৭) আকাশমণ্ডল আৰু পৃথিৱী আৰু উভয়ৰ মাজত যি আছে, সকলোৰে তেওঁ প্ৰভু, যদি তোমালোকে প্ৰকৃততে তেওঁক বিশ্বাস কৰা- (৮) তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। এইজনা তেৱেঁই, যিজনাই জীৱন আৰু মৃত্যু উভয়কে দান কৰে। তেৱেঁই তোমালোকৰ প্ৰভু আৰু তোমালোকৰ পূৰ্বপুৰুষসকলৰো প্ৰভু। (৯) তথাপি সিহঁতে সন্দেহৰ বশৱৰ্তী হৈ কৌতুকহে কৰিছে। (১০) অপেক্ষা কৰা, সেইদিনটোলৈ, যিদিনা আকাশখন ধোঁৱাছন্ন হৈ থকা স্পষ্টভাৱে দেখা পোৱা যাব। (১১) সেয়াই মানুহক ঢাকি ধৰিব। এয়া এটা যন্ত্ৰণাদায়ক শাস্তি। (১২) তেতিয়া সিহঁতে ক'ব- 'হে প্ৰভু, আমাক এই শাস্তিৰ পৰা উদ্ধাৰ কৰা। নিশ্চয় এতিয়া আমি তোমাৰ প্ৰতি বিশ্বাস স্থাপন কৰিছো।' (১৩) সিহঁতে উপদেশৰ পৰা কেনেকৈনো উপকৃত হ'ব? সিহঁতে দেখিছে যে সিহঁতলৈ সুস্পষ্ট ব্যাখ্যাকাৰী ৰছুল আহি পালেহি- (১৪) তাৰ পিচত সিহঁতে তেওঁৰ পৰা মুখ

ঘূৰালে আৰু ক'লে- 'এওঁ এজন বলিয়া মানুহ, এওঁক আনে শিকাই-বুজাই দিছে।' (১৫) আমি যদি কিছু সময়ৰ বাবে শাস্তি প্ৰত্যাহাৰ কৰো, তোমালোকে পুনৰ পূৰ্বাৱস্থালৈ ঘূৰি যাবা। (১৬) সিদিনা আমি পাপিষ্ঠ বিলাকক প্ৰবলভাৱে আঘাত কৰিম, সেইদিনা আমি নিশ্চয় যথার্থ প্ৰতিশোধ ল'ম।

(১৭) ইহঁতৰ পূৰ্বে আমি ফিৰাউনৰ জাতিৰ মানুহবিলাকৰ পৰীক্ষা লৈছিলো। এজন মহান ৰছুল সিহঁতলৈ পঠোৱা হৈছিল, (১৮) তেওঁ ক'লে- 'আল্লাহৰ দাসবিলাকক মোক গতাই দিয়া। মই তোমালোকৰ প্ৰতি এজন বিশ্বাসযোগ্য ৰছুল। (১৯) নিজকে আল্লাহৰ বিৰুদ্ধে উৰ্ধত আচৰণ নকৰিবা। মই তোমালোকলৈ সুস্পষ্ট চনদ লৈ আহিছো। (২০) তোমালোকে মোক পাথৰ মাৰি (মাৰিবা) বুলি মই মোৰ প্ৰভুৰ আৰু তোমালোকৰ প্ৰভুৰ ওচৰত আশ্ৰয় লৈছো। (২১) তোমালোকে যদি মোৰ প্ৰতি বিশ্বাস স্থাপন নকৰা, তেনেহ'লে অন্ততঃ মোৰ পৰা আঁতৰি যোৱা।'

(২২) শেষত তেওঁ (মূছাই) তেওঁৰ প্ৰভুক আহবান কৰি ক'লে- 'ইহঁত পাপী-অপৰাধী।' (২৩) আল্লাহে ক'লে- 'মোৰ দাসসকলক লগত লৈ ৰাতিৰ ভিতৰতে ওলাই যোৱা। নিশ্চয় তোমালোকক পিছ চোঁচা লৈ খেদিব।' (২৪) তুমি পাৰ হোৱাৰ পিচত সমুদ্ৰক তেনে অৱস্থাত থাকিবলৈ দিবা। সিহঁতৰ বিৰাট বাহিনী পানীত ডুবি মৰিব। (২৫) কিমান যে বাগ-বাগিচা আৰু জুৰি-নিজৰা সিহঁতে এৰি থৈ গ'ল, (২৬) আৰু এৰি গ'ল খেতি-পথাৰ আৰু সুৰম্য প্ৰাসাদ, (২৭) আৰু লাহ-বিলাসৰ সামগ্ৰী, যিবোৰ লৈ সিহঁতে প্ৰসন্ন লভিছিল। (২৮) এনেদৰে সিহঁতৰ অন্ত পৰিল আৰু অন্য জাতিৰ মানুহক সিবোৰৰ উত্তৰাধিকাৰী কৰি দিলো। (২৯) সিহঁতৰ বাবে নে আকাশে কান্দিলে, নে ধৰণীয়ে কান্দিলে, নে সিহঁতক অলপ অৱকাশ দিয়া হ'ল!

(৩০) আমি ইছৰাঈল বংশৰ মানুহবিলাকক সিহঁতৰ লাঞ্ছনাদায়ক শাস্তিৰ পৰা উদ্ধাৰ কৰিছিলো- (৩১) (অর্থাৎ) ফিৰাউনৰ হাতৰ পৰা। সি

অত্যাচাৰী আছিল, যিজনে সকলো সীমা চেৰাই গৈছিল। (৩২) আমি জানি-বুজি সিহঁতক আন জাতিতকৈ প্ৰাধান্য দি বাছি লৈছিলো, (৩৩) আৰু নিদৰ্শনসমূহ সিহঁতক দেখুৱাইছিলো য'ত সুস্পষ্ট পৰীক্ষা নিহিত আছিল।

(৩৪) তথাপি অবিশ্বাসকাৰী মানুহবিলাকে কয়- (৩৫) 'আমাৰ প্ৰথম মৃত্যুৰ বাহিৰে আন একো নহয় আৰু আমাক পুনৰুত্থিত কৰা নহ'ব। (৩৬) তুমি যদি সত্যবাদী হোৱা, তেনেহ'লে আমাৰ পিতৃ-পিতামহসকলক (উভতাই) আনাছোন।' (৩৭) ইহঁত 'তুব্বা' জাতিৰ মানুহবিলাকতকৈ আৰু সিহঁতৰ পূৰ্ববৰ্তী মানুহবিলাকতকৈ শ্ৰেষ্ঠ নেকি? আমি সিহঁতক ধ্বংস কৰিছিলো, কিয়নো সিহঁত পাপী-অপৰাধী আছিল।

(৩৮) আকাশমণ্ডল আৰু পৃথিৰী আৰু উভয়ৰ মাজত যি আছে, সেইবোৰ আমি ধেমালিৰ ছলেৰে সৃষ্টি কৰা নাই। (৩৯) এইবোৰ আমি এক মহৎ উদ্দেশ্যেৰে সৃষ্টি কৰিছো, তথাপি সিহঁতৰ অধিকাংশ মানুহে এয়া নাজানে। (৪০) নিশ্চয় চূড়ান্ত মীমাংসাৰ দিনটোৰেই সিহঁত সকলোৰে বাবে নিৰ্ধাৰিত সময়। (৪১) সেইদিনা কোনো বন্ধু কোনো বন্ধুৰ অলপো কামত নাহিব নাইবা কোনো সাহায্যও নাপাব। (৪২) কেৱল সেইসকল ৰক্ষা পৰিব, যিসকলক আল্লাহে কৃপা কৰিব। নিশ্চয় তেওঁ পৰাক্ৰমশালী, পৰম দয়ালু।

(৪৩) নিশ্চয় যাক্কুম গছৰ ফল, (৪৪) পাপীবিলাকৰ খাদ্য হ'ব, (৪৫) তেলৰ গেদৰ দৰে সেয়া পেটত উতলি থাকিব, (৪৬) যেনিবা পানীহে টগবগাই উতলি আছে। (৪৭) (আদেশ দিয়া হ'ব)- 'ধৰা তাক আৰু চোঁচৰাই জাহান্নামৰ মাজলৈ টানি লৈ যোৱা- (৪৮) পিচত তাৰ মূৰত উতলা পানী ঢালি দিয়া শাস্তি স্বৰূপে। (৪৯) 'ল' ইয়াৰ সোৱাদ। তই নিজকে শক্তিশালী আৰু সম্মানিত ব্যক্তি বুলি ভাবিছিলি। (৫০) এয়া সেয়াই, যাৰ বিষয়ে তহঁতে সন্দেহ পোষণ কৰিছিলি।'

(৫১) কিন্তু যিসকলে আল্লাহক ভয় কৰে, তেওঁলোক থাকিব নিৰাপদ

ঠাইত, (৫২) বাগ-বাগিচা আৰু জান-জুৰিৰ মাজত। (৫৩) তেওঁলোকে মিহি পাট আৰু সিংখাপৰ পোচাক পিন্ধিব, ইজনে সিজনৰ মুখামুখিকৈ বহিব। (৫৪) এয়া তেওঁলোকৰ (মর্যাদা)। আমি তেওঁলোকক বিবাহ কৰাই দিম ৰূপহী আৰু মৃগনয়নী ৰমণীৰ লগত। (৫৫) তাত তেওঁলোকে প্রসন্ন মনে আৰু নির্বিঘ্নে সকলো ধৰণৰ ফলমূল বিচাৰিব পাৰিব। (৫৬) তাত তেওঁলোকে মৃত্যুৰ সোৱাদ ল'ব লগীয়া নহ'ব (পৃথিৱীৰ) প্রথম মৃত্যুৰ পিচত। আল্লাহে তেওঁলোকক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰিব- (৫৭) নিজ কৃপাৰে। সেয়াই হ'ব পৰম সফলতা।

(৫৮) আমি এই কুৰআনখনি বুজিবলৈ সহজ কৰি দিছো তোমাৰ নিজৰ ভাষাত যাতে মানুহে ইয়াৰ উপদেশ গ্রহণ কৰে। (৫৯) অপেক্ষা কৰা, সিহঁতেও অপেক্ষা কৰি আছে।

৪৫. আল-জাছিয়া (নতজানু)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হা-মীম।

(২) এইপুথিখন মহা পৰাক্রমী আৰু প্রজ্ঞাময় আল্লাহৰ পৰা অৱতীর্ণ হৈছে। (৩) বিশ্বাস স্থাপনকাৰীসকলৰ বাবে আকাশমণ্ডল আৰু পৃথিৱীত অনেক নিদর্শন আছে। (৪) দৃঢ়ভাৱে বিশ্বাস স্থাপন কৰা লোকসকলৰ বাবে তেওঁলোকৰ সৃষ্টিত আৰু তেওঁ সিঁচৰিত কৰি ৰখা সৃষ্টিবোৰতো বহু নিদর্শন আছে। (৫) ৰাতি-দিনৰ পৰিৱর্তনত আৰু আল্লাহে আকাশৰ পৰা নমোৱা জীৱিকাত, মৃত হৈ পৰি থকা পৃথিৱীক জীৱিত কৰণত আৰু বায়ু সঞ্চালনত সেইসকল মানুহৰ বাবে বহু নিদর্শন আছে, যিসকলে জ্ঞানবুদ্ধি খটাই কাম কৰে। (৬) এইবোৰ আল্লাহৰ প্রকাশিত ৰহস্য, যিবোৰ আমি তোমাক সঠিকভাৱে পাঠ কৰি শুনাইছো। যদি সিহঁতে আল্লাহক অস্বীকাৰ কৰে আৰু

তেওঁৰ বাণীক অবিশ্বাস কৰে, তেনেহ'লে সিহঁতে কি বাণীক বিশ্বাস কৰিব?

(৭) ধ্বংস (অনিবার্য) প্রত্যেক পাপিষ্ঠ মিছলীয়াৰ বাবে। (৮) সি আল্লাহৰ বাণী শুনে, যেতিয়া পাঠ কৰি তাক শুনোৱা হয়, তথাপি সি নিজ দম্ভত এনেভাৱে আঁকোৱগোজ হৈ থাকে যেনিবা সেয়া সি শুনাই নাই। তাক সেই যন্ত্রণাদায়ক শাস্তিৰ বাতৰি শুনাই সতর্ক কৰি দিয়া। (৯) যেতিয়া সি আমাৰ বাণীৰ কোনো কথা জানিব পাৰে, সিবোৰক সি উপহাস কৰিবলৈ লয়। এনে মানুহৰ বাবে লাঞ্ছনাদায়ক শাস্তি আছে। (১০) সিহঁতৰ সন্মুখত জাহান্নাম আছে। সিহঁতে যি অর্জন কৰিছে, সেয়া সিহঁতৰ কোনো কামত নাহিব নাইবা আল্লাহৰ পৰিৱর্তে যিবিলাকক সিহঁতে পৃষ্ঠপোষক কৰি লৈছে, সিবিলাকো সিহঁতৰ কোনো কামত নাহিব। সিহঁতৰ বাবে আছে কঠোৰ শাস্তি। (১১) এয়া আমাৰ পথনির্দেনা। যিবিলাকে সিহঁতৰ প্রভুৰ বাণীসমূহ অগ্রাহ্য কৰে, সিহঁতে অতি যন্ত্রণাদায়ক শাস্তি ভুগিব লাগিব।

(১২) তেৱেঁই আল্লাহ, যিজনে সমুদ্রক তোমালোকৰ আয়ত্বাধীন কৰি দিছে যাতে তাত তেওঁৰ আদেশতেই জাহাজ চলাচল কৰিব পাৰে আৰু যাতে তোমালোকে তেওঁৰ অনুগ্রহ সন্ধান কৰিব পাৰা আৰু যাতে তোমালোক তেওঁৰ কৃতজ্ঞ হোৱা। (১৩) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলো তেওঁ নিজৰ পক্ষৰ পৰা তোমালোকৰ আয়ত্বাধীন কৰি দিছে। চিন্তা-চর্চা কৰা মানুহৰ বাবে নিশ্চয় ইয়াত বহু নিদর্শন আছে।

(১৪) বিশ্বাস স্থাপনকাৰীসকলক কোৱা- 'সেই মানুহবিলাকক উপেক্ষা কৰা, যিবিলাকে আল্লাহৰ দিনসমূহৰ আগমন অস্বীকাৰ কৰে। আল্লাহে মানুহবিলাকক সিহঁতৰ নিজ কৃতকর্মৰ প্রতিফল দিব।' (১৫) যিজনে ন্যায় আৰু সৎকর্ম কৰে, তাৰ নিজৰ কল্যাণৰ বাবেই কৰে আৰু যিজনে অসৎকর্ম কৰে, তাৰ কুপৰিণতি সি নিজেই ভোগ কৰিব। শেষত তোমালোক সকলোৱেই তোমালোকৰ প্রভুৰ ওচৰলৈকে প্রত্যাৱর্তন কৰিব লাগিব।

(১৬) আমি ইছ্ৰাঈল বংশধৰবিলাকক পুথি, তত্ত্বজ্ঞান আৰু নবুৱত দান কৰিছিলো। সিহঁতক উত্তম জীৱিকাৰ সামগ্ৰী দিছিলো আৰু আন মানুহৰ ওপৰত শ্ৰেষ্ঠত্ব প্ৰদান কৰিছিলো। (১৭) (ধৰ্ম সম্পৰ্কে) আমি সিহঁতক সুস্পষ্ট নিদেৰ্শনা দিছিলো। সিহঁতৰ ওচৰত জ্ঞান অহাৰ পিচতহে পাৰস্পৰিক ইৰ্ষা-বিদ্বেষ বশতঃ মতভেদ সৃষ্টি হ'ল। নিশ্চয় কিয়ামতৰ দিনাহে তোমাৰ প্ৰভুৱে সিহঁতৰ মাজত মীমাংসা কৰি দিব যি লৈ সিহঁতৰ মতভেদ হৈছিল। (১৮) এতিয়া আমি তোমাক (ধৰ্মৰ বিষয়ত) এটি সুস্পষ্ট পথত প্ৰতিষ্ঠিত কৰিছো। গতিকে তুমি ইয়াক অনুসৰণ কৰি চলা আৰু অজ্ঞ মানুহবিলাকৰ কামনা-বাসনা অনুসৰি নচলিবা। (১৯) আল্লাহৰ মোকাবিলাত সিহঁত তোমাৰ কোনো কামত নাহিব। অসৎ কৰ্মপৰায়ণবিলাক পৰস্পৰ বন্ধু আৰু সৎকৰ্মপৰায়ণসকলৰ বন্ধু হ'ল আল্লাহ। (২০) এইখন (পুথি) মানৱ জাতিৰ বাবে জ্ঞানৰ জ্যোতি আৰু পথনিদেৰ্শনা আৰু দৃঢ়ভাৱে বিশ্বাস স্থাপন কৰা লোকসকলৰ বাবে কৰুণা।

(২১) যিবিলাকে অপকৰ্ম কৰিছে, সিহঁতে ভাবিছে নেকি যে আমি সিহঁতক বিশ্বাস স্থাপনকাৰী আৰু সৎকৰ্মকাৰীসকলৰ দৰে গণ্য কৰিম? জীৱন-মৰণৰ বেলিকাও সিহঁতক একে বুলি গণ্য কৰিম? কিমান যে নিকৃষ্ট সিহঁতৰ বিচাৰ! (২২) আল্লাহে আকাশমণ্ডল আৰু পৃথিৱী প্ৰকৃত উদ্দেশ্যৰে সৃষ্টি কৰিছে যাতে প্ৰত্যেক প্ৰাণক তাৰ অৰ্জনৰ ফল দিব পাৰে আৰু কাৰো প্ৰতি কোনো অবিচাৰ কৰা নহ'ব।

(২৩) (হে নবী) তুমি সেইজন মানুহৰ বাবে ভাবি চাইছানে, যিজনে নিজ প্ৰবৃত্তিক নিজৰ উপাস্য কৰি লৈছে, তাৰ জ্ঞান থকা সত্ত্বেও আল্লাহে তাক পথভ্ৰষ্ট কৰি দিলে? তাৰ কাণত আৰু অন্তৰত মোহৰ মাৰি দিলে আৰু তাৰ চকুত এখন আৱৰণ দি দিলে। এনে ব্যক্তিক কোনে পথ দেখুৱাব, আল্লাহে (তাক বিপথগামী) কৰাৰ পিচত? তথাপি তোমালোকৰ জ্ঞান নহয়নে?

(২৪) সিহঁতে কয়- 'এই পার্থিৱ জীৱনৰ বাহিৰে আৰু কোনো জীৱন নাই। ইয়াতে আমাৰ জীয়ন, ইয়াতে আমাৰ মৰণ। কালচক্ৰৰ বাহিৰে একোৱে আমাক ধ্বংস কৰিব নকৰে।' এই বিষয়ে সিহঁতৰ কোনো জ্ঞান নাই। সিহঁতে কেৱল আন্দাজ-অনুমান অনুসৰি চলে। (২৫) যেতিয়া সিহঁতক আমাৰ স্পষ্ট আয়াতসমূহ পাঠ কৰি শুনোৱা হয়, তেতিয়া সিহঁতৰ একমাত্ৰ যুক্তি হ'ল- 'আমাৰ পিতৃ-পিতামহসকলক উঠাই আনাছোন যদি তোমালোকে সঁচাই কৈছা।' (২৬) কোৱা- 'আল্লাহে তোমালোকক জীৱন দান কৰে, পিচত তেৱেঁই তোমালোকৰ মৃত্যু ঘটায়। কিয়ামতৰ (পু�ৰুত্থানৰ) দিনা তেৱেঁই তোমালোকক সমবেত কৰিব, ইয়াত কোনো সন্দেহ নাই; কিন্তু অধিকাংশ মানুহে সেয়া নাজানে।'

(২৭) আকাশমণ্ডল আৰু পৃথিৱীৰ ৰাজত্ব আল্লাহৰেই। যিদিনা কিয়ামত সংঘটিত হ'ব, অসত্যবাদীবিলাক সিদিনা ক্ষতিগ্ৰস্ত হ'ব। (২৮) তুমি দেখিবা প্ৰতিটো দলৰ মানুহ নতজানু হৈ আছে। প্ৰত্যেক দলৰ মানুহক মাতি আনি সিহঁতৰ কৰ্ম-পঞ্জীকা দিয়া হ'ব আৰু (মাত দি কোৱা হ'ব)- 'তোমালোকে যি কৰ্ম কৰিছিলা, আজি তাৰেই প্ৰতিফল দিয়া হ'ব।' (২৯) এইখন আমাৰ কৃতকৰ্মৰ তালিকাই তোমালোকৰ বিষয়ে সঠিক তথ্য প্ৰদান কৰিব। তোমালোকে যিহকে কৰিছিলা, সেয়া আমি লিপিবদ্ধ কৰি গৈছিলো।

(৩০) যিসকলে ঈমান আনিছিল আৰু সৎকৰ্ম কৰিছিল, তেওঁলোকৰ প্ৰভুৱে তেওঁলোকক নিজ কৰুণাত সুমুৱাই ল'ব আৰু এয়াই পৰম সাফল্য। (৩১) আনহাতে যিবিলাকে অবিশ্বাস কৰিছিল, (সিহঁতক সোধা হ'ব)- 'যেতিয়া মোৰ আয়াতসমূহ তোমালোকক পাঠ কৰি শুনোৱা হৈছিল, তোমালোকে দম্ভ কৰি অৱজ্ঞা কৰা নাছিলানে আৰু অপকৰ্ম কৰাতে বদ্ধমূল হৈ থকা নাছিলানে?' (৩২) যেতিয়া তোমালোকক কোৱা হৈছিল- 'আল্লাহৰ প্ৰতিশ্ৰুতি ধ্ৰুব সত্য। কিয়ামতৰ ক্ষেত্ৰত কোনো সন্দেহ নাই।' তোমালোকে কোৱা

নাছিলানে- 'কিয়ামত কি, আমি নাজানো। আমি ভাবো, ই এটা ধাৰণাহে। আমি পতিয়ন যোৱা নাই।'

(৩৩) সিহঁতৰ অপকর্মবোৰ সিহঁতৰ সন্মুখত স্পষ্টভাৱে প্রকাশ হৈ পৰিব। যিবোৰ শাস্তিক লৈ সিহঁতে ঠাট্টা-বিদ্রূপ কৰিছিল, সিবোৰে সিহঁতক আগুৰি ধৰিব। (৩৪) সিহঁতক কোৱা হ'ব- 'আজি আমি তোমালোকক পাহৰি যাম, যেনেদৰে তোমালোকে আজিৰ এই সাক্ষাতৰ দিনটোক পাহৰি আছিলা। তোমালোকৰ বাসস্থল জাহান্নাম আৰু তোমালোকক সাহায্য কৰিবলৈ কোনো নাই। (৩৫) ইয়াৰ কাৰণ হ'ল- তোমালোকে আল্লাহৰ বাণীসমূহক উপহাস কৰিছিলা। পার্থিৱ জীৱনে তোমালোকক প্রলুব্ধ কৰিছিল। সেয়ে আজি সিহঁতক জাহান্নামৰ পৰা উলিয়াই অনা নহ'ব নাইবা সিহঁতক ক্ষমা বিচৰাৰ সুযোগো দিয়া নহ'ব।

(৩৬) সকলো প্রশংসা আল্লাহ বাবেই, যিজন আকাশমণ্ডলৰ প্রভু আৰু পৃথিৱীৰ প্রভু আৰু নিখিল জগতবো প্রভু। (৩৭) আকাশমণ্ডল আৰু পৃথিৱীত তেওঁৰেই গৌৰৱ গৰিমা। তেওঁ পৰাক্রমশালী, প্রজ্ঞাময়।

৪৬. আল-আহ্কাফ (বালিৰ টিলা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হা-মীম।

(২) এই পুথিখন মহা পৰাক্রমী, অসীম প্রজ্ঞাময় আল্লাহৰ তৰফৰ পৰা অৱতীর্ণ হৈছে। (৩) আকাশমণ্ডল আৰু পৃথিৱী আৰু উভয়ৰ মাজত যি আছে সত্যতাৰে এটি নির্দিষ্ট সময়ৰ বাবে সৃষ্টি কৰিছো; কিন্তু যিবিলাকে বিশ্বাস কৰিবলৈ অমান্তি হয়, সিহঁতে তাৰ পৰা মুখ ঘূৰায়, যি বিষয়লৈ সিহঁতক সতর্ক কৰা হৈছে।

(৪) কোৱা- 'আল্লাহৰ পৰিৱর্তে যিবিলাকক তোমালোকে আহবান কৰা,

সিবিলাকৰ বিষয়ে কেতিয়াবা ভাবি চাইছানে? মোক দেখুৱাছোন, সিহঁতে পৃথিৱীত কি সৃষ্টি কৰিছে? নাইবা আকাশমণ্ডল (সৃষ্টিত) কিবা অৱিহণা আছেনে? আনা মোলৈ, এইখনৰ পূর্বে যদি কোনো পুথি অৱতীর্ণ হৈছে অথবা আন কোনো জ্ঞানৰ নিদর্শন আছে, যদি তোমালোকে সঁচাই কৈছা। (৫) সেইজনতকৈ অধিক বিপথগামী আন কোন হ'ব পাৰে, যিজনে আল্লাহৰ পৰিৱর্তে এনে কিছুমানক প্রার্থনা কৰে, যিবিলাকক কিয়ামতলৈকে প্রার্থনা কৰি থাকিলেও সঁহাৰি জনাবলৈ অক্ষম। সিহঁতক যে কোনোবাই প্রার্থনা কৰি আছে সেয়াও সিহঁতে গমকে নাপায়। (৬) যেতিয়া সকলো মানুহক সমবেত কৰা হ'ব, তেতিয়া সিহঁত (উপাস্যবিলাক) সিহঁতৰ শত্রু হৈ পৰিব আৰু সিহঁতক যে উপাসনা কৰিছিল, সেয়া অস্বীকাৰ কৰিব।

(৭) যেতিয়া আমাৰ স্পষ্ট আয়াতসমূহ সিহঁতক পাঠ কৰি শুনোৱা হয় আৰু প্রকৃত সত্য সিহঁতৰ ওচৰলৈ আহি পাইছে, তাৰ পিচতো অবিশ্বাসকাৰী বিলাকে কয়- 'এয়া দেখদেখ যাদু।' (৮) সিহঁতে ক'ব খোজে নেকি যে, ৰছুলে এয়া নিজেই ৰচনা কৰিছে? (হে নবী) কোৱা- 'এয়া যদি মই নিজেই ৰচনা কৰি লৈছো, তেনেহ'লে আল্লাহৰ শাস্তিৰ পৰা তোমালোকে মোক বচাব নোৱাৰিবা। তোমালোকে যিবোৰ কথা ৰটি ফুৰিছা, আল্লাহে সেয়া ভালকৈয়ে জানে। তোমালোক আৰু মোৰ মাজত সাক্ষী হিচাবে তেৱেঁই যথেষ্ট। তেওঁ অতি ক্ষমাশীল, পৰম দয়ালু।'

(৯) কোৱা- 'ৰছুলসকলৰ ভিতৰত মই প্রথম ৰছুল নহওঁ। মই নাজানো মোৰ প্রতি কি আচৰণ কৰা হ'ব আৰু তোমালোকৰ প্রতিও কি আচৰণ কৰা হ'ব। মোলৈ যি ঐশীবাণী প্রেৰণ কৰা হৈছে, তাৰ বাহিৰে মই আন কোনো বাণী অনুসৰণ নকৰো। মই মাথোন এজন স্পষ্ট সতর্ককাৰীহে।' (১০) কোৱা- 'তোমালোকে কেতিয়াবা ভাবি চাইছানে, এই কুৰআন যদি প্রকৃততে আল্লাহৰ তৰফৰ পৰা আহিছে আৰু তোমালোকে ইয়াক অবিশ্বাস কৰিছা?

যদি ইছৰাঈল বংশৰ কোনো এজনে এই পুথিখনৰ পূৰ্বৰ ঐশীপুথিৰ লগত সামঞ্জস্য থকাৰ সাক্ষ্য দিয়ে আৰু ইয়াৰ প্ৰতি ঈমান (বিশ্বাস) আনে, তথাপি তোমালোকে নিজ অহংভাৱত অবিচল থাকা। আল্লাহে অন্যায়কাৰীবিলাকক কদাপিও সৎপথ প্ৰদৰ্শন নকৰে।'

(১১) অবিশ্বাসকাৰী মানুহবিলাকে বিশ্বাস স্থাপনকাৰীসকলক কয়- 'এই কুৰআনখনত যদি কিবা ভাল থাকিলহেঁতেন, তেনেহ'লে আমি বিশ্বাস কৰাৰ আগতে সিহঁতে ইয়াক বিশ্বাস কৰিব নোৱাৰিলেহেঁতেন।' সিহঁতে যিহেতু ইয়াৰ পৰা সঠিক পথৰ সন্ধান ল'বলৈ অনিচ্ছুক, সেয়ে সিহঁতে ক'ব- 'এয়া পু�ৰণিকলীয়া কল্পকাহিনী।'

(১২) ইয়াৰ পূৰ্বে মূছাৰ ঐশীপুথিখনো পথনিৰ্দেশনা আৰু কৰুণা স্বৰূপে অৱতীৰ্ণ হৈছিল। এইখন পুথি, সেইখনৰে (পৌৰাণিক ঐশীবাণী) পূৰণৰ বাবে আৰবী ভাষাত আহিছে যাতে দুস্কৃতিকাৰীবিলাকক সতৰ্ক কৰি দিয়ে আৰু সৎকৰ্মীসকলক শুভ বাতৰি দিয়ে। (১৩) দৃঢ়ভাৱে যিসকলে কয়- 'আল্লাহ আমাৰ প্ৰভু' আৰু (এই বিশ্বাসতে) অবিচল হৈ থাকে, তেওঁলোকৰ বাবে কোনো ভয় নাই আৰু তেওঁলোকে শোক কৰিব লগীয়া নহয়। (১৪) এওঁলোক হ'ল সেইসকল, যিসকল জান্নাতৰ অধিবাসী। তেওঁলোক তাত চিৰকাল থাকিব। তেওঁলোকে যি কৰিছিল, তাৰে এয়া প্ৰতিদান।

(১৫) আমি মানুহক নিৰ্দেশ দিছো যাতে নিজ পিতৃ-মাতৃৰ প্ৰতি সদ্ব্যৱহাৰ কৰে। তাৰ মাকে কষ্টৰে তাক গৰ্ভত ৰাখিছিল আৰু কষ্টৰে তাক জন্ম দিছিল। তাৰ গৰ্ভ ধাৰণ আৰু পিয়াহ এৰুৱাবলৈ ত্ৰিশ মাহ সময় লাগিছিল। শেষত যেতিয়া সি পূৰ্ণ বয়ঃপ্ৰাপ্ত হৈ চল্লিছ বছৰ বয়সত ভৰি দিলে, সি ক'লে- 'হে মোৰ প্ৰভু, মোক তোমাৰ কৃতজ্ঞতা প্ৰকাশৰ সামৰ্থ দিয়া, যিবোৰ তুমি মোক আৰু মোৰ পিতৃ-মাতৃক দান কৰিছা আৰু সেইবোৰ

সৎকর্ম কৰিব পাৰো যাতে তুমি প্ৰসন্ন হোৱা। মোৰ সতি-সন্ততিবিলাকক সৎকর্মপৰায়ণ কৰি তোলা। প্ৰকৃততে মই তোমাৰ পিনেই ঘূৰি আহিছো আৰু তোমাৰ ওচৰতেই আত্মসমৰ্পণ কৰিছো।' (১৬) এনে ধৰণৰ মানুহৰ আমি তেওঁলোকে কৰা উৎকৃষ্ট কর্মবোৰ গ্ৰহণ কৰো আৰু তেওঁলোকৰ অপকর্ম মার্জনা কৰি দিওঁ। তেওঁলোক জান্নাতবাসীসকলৰ অন্তর্ভুক্ত হ'ব। এয়া সত্য প্ৰতিশ্ৰুতি, তেওঁলোকক দিয়া হৈছিল।

(১৭) কিন্তু যিজনে তাৰ পিতৃ-মাতৃক কয়- 'ধিক, তোমালোকৰ প্ৰতি। তোমালোকে মোক ভয় দেখুৱাইছা নেকি, মই মৰাৰ পিচত পুনৰ কবৰৰ পৰা উলিয়াই অনা হ'ব, মোৰ পূর্বে বহু প্ৰজন্ম অতীত হৈ গ'ল (সিহঁতৰ কোনোৱে উঠি অহা নাই দেখোন)।' পিতৃ-মাতৃ উভয়ে আল্লাহৰ সাহায্য বিচাৰে আৰু তাক কয়- 'ঐ হতভগা, বিশ্বাস কৰ। আল্লাহৰ প্ৰতিশ্ৰুতি অৱশ্যই সত্য।' কিন্তু সি কয়- 'এইবোৰ পুৰণিকলীয়া ৰূপকথাৰ বাহিৰে আন একো নহয়।' (১৮) এনেদৰে ইহঁতৰ প্ৰতি আল্লাহৰ প্ৰতিশ্ৰুতি সত্যত পৰিণত হ'ল। ইহঁতৰ পূর্বে এনে প্ৰকৃতিৰ সকলো জ্বিন আৰু মানৱ গোষ্ঠীৰ একে পৰিণতি হৈছিল। নিশ্চয় সিহঁত ক্ষতিগ্ৰস্ত হৈছিল।

(১৯) প্ৰত্যেকৰে কর্ম অনুযায়ী বিভিন্ন স্তৰৰ মর্যাদা হ'ব। আমি সিহঁতৰ কর্মৰ পূর্ণমাত্ৰাই প্ৰতিফল দিম আৰু সিহঁতৰ প্ৰতি কোনো অবিচাৰ কৰা নহ'ব। (২০) সেই দিনাখন অবিশ্বাসকাৰীবিলাকক যেতিয়া জাহান্নামৰ ওচৰলৈ আনা হ'ব, সিহঁতক কোৱা হ'ব- 'তোমালোকৰ ভাগত থকা ভাল বস্তুবোৰ তোমালোকে পার্থিৱ জীৱনতে লৈছা আৰু সেয়া তোমালোকে ভোগো কৰিলা। আজি তোমালোকক লাঞ্ছনাদায়ক শাস্তি বিহা হ'ব, কিয়নো কোনো ন্যায় সংগত কাৰণ নথকাকৈয়ে তোমালোকে পৃথিৱীত ঔদ্ধত্য কৰিছিলা আৰু অবাধ্যতা প্ৰদর্শন কৰিছিলা।

(২১) সিহঁতক 'আদ' জাতিৰ ভাতৃ (হুদৰ) কাহিনী শুনোৱা। যেতিয়া

তেওঁ তেওঁৰ স্বগোষ্ঠীয় 'আহকাফবাসী' (বালিৰ টিলাৰ অধিবাসী)ক সতর্ক কৰিছিল আৰু নিশ্চয় তেওঁৰ পূর্বে আৰু পাছত অনেক সতর্ককাৰী আহিছিল আৰু কৈছিল- 'আল্লাহৰ বাহিৰে আন কাৰো উপাসনা নকৰিবা। তোমালোকলৈ এটা ভয়ানক শাস্তিৰ দিন আহিব বুলি মই আশংকা কৰিছোঁ।' (২২) কিন্তু সিহঁতে ক'লে- 'তুমি আমাৰ ইষ্ট দেৱতাবিলাকৰ পৰা আমাক আঁতৰাই নিবলৈ আহিছা নেকি? তেনেহ'লে আনা আমালৈ সেই শাস্তি, যি শাস্তিৰ প্রতি আমাক ভয় দেখুৱাইছা, যদি তোমালোক সত্যবাদী হোৱা।' (২৩) তেওঁ ক'লে- ' কেৱল মাথোন আল্লাহে জানে সেয়া কেতিয়া আহিব। মই মাথো তোমালোকৰ ওচৰত সেই বার্তাহে পৌছাই দিছো, যি বার্তাৰসৈতে মোক প্রেৰণ কৰা হৈছে। কিন্তু মই দেখিছো তোমালোকে নির্বোধ মানুহৰ দৰে আচৰণ কৰিছা।

(২৪) পিচত যেতিয়া এডোখৰ মেঘৰ দৰে সিহঁতৰ উপত্যকাৰ পিনে আহি থকা দেখিলে, সিহঁতে কৈ উঠিল- 'এয়া ঘন মেঘ। আমাৰ ইয়াত বৰষুণ দিব।' (কিন্তু হুদে ক'লে)- 'নহয়, বৰং এয়া হ'ল সেই শাস্তি, যাৰ বাবে তোমালোকে খৰখেদা কৰিছিলা। এয়া এজাক ধুমুহা বতাহ, ই ভয়ানক কঠোৰ শাস্তি লৈ আহিছে- (২৫) যিয়ে তাৰ প্রভুৰ আদেশত সকলো সংহাৰ কৰি দিব। পিছ দিনা পুৱা সিহঁত থকা ঘৰ-দুৱাৰৰ ভগ্নাশেষৰ বাহিৰে তাত আন একো চিনচাব দেখা নগ'ল। এনেদৰে আমি অপৰাধীবিলাকক শাস্তি দিওঁ।

(২৬) সিহঁতক আমি এনে প্রতিপত্তি দান কৰিছিলো, যি প্রতিপত্তি তোমালোকক দিয়া নাই। আমি সিহঁতক কাণ, চকু আৰু হৃদয় দিছিলো; কিন্তু সেই কাণ, চকু আৰু হৃদয় সিহঁতৰ কোনো কামত নাহিল। কিয়নো সিহঁতে আল্লাহৰ বাণীসমূহ বাৰম্বাৰ অস্বীকাৰ কৰিছিল। সিহঁতে যিবোৰ উপহাসত অভ্যস্থ আছিল, সিবোৰেই সিহঁতক আগুৰি ধৰিলে। (২৭) তোমালোকৰ আশে-পাশে থকা অঞ্চলৰ আন বহু জনবসতি ধ্বংস কৰিলো। আমি আমাৰ

নিদৰ্শনাৱলী বাৰে বাৰে সিহঁতলৈ পঠাইছিলো যাতে সিহঁত (সৎ পথলৈ) ঘূৰি আহে। (২৮) সিহঁতক সেইবিলাক সত্তাই সহায় নকৰিলে কিয়, যিবিলাকক সিহঁতে আল্লাহৰ নৈকট্যলাভৰ মাধ্যমৰূপে উপাস্য কৰি লৈছিল? বৰং সেইবিলাক (উপাস্য) সিহঁতৰ পৰা অন্তর্ধ্যান হ'ল। আচলতে এয়া আছিল সিহঁতৰ মিছা, অলীক উদ্ভাৱন আৰু মনে সাজি ৰচনা কৰা।

(২৯) স্মৰণ কৰা, কেনেদৰে আমি এদল জ্বিনক কুৰআন শুনিবলৈ তোমাৰ ওচৰলৈ আনিছিলো আৰু যেতিয়া কুৰআন পাঠ শুনিলে। সিহঁতৰ এজনে আনজনক ক'লে- 'মনে মনে থাকা, শুনা।' পিচত যেতিয়া পাঠ সমাপ্ত হ'ল, সিহঁতে নিজ জাতিৰ ওচৰলৈ গ'ল আৰু আনবিলাকক সতর্ক কৰিবলৈ ধৰিলে। (৩০) সিহঁতে ক'লে- 'হে আমাৰ জাতিভাইসকল, আমি এনে পুথি পাঠ কৰা শুনিলো, যিখন মূছাৰ পিচত অৱতীর্ণ কৰা হৈছে। এইখনে পূর্বৰ পুথিসমূহৰ সত্যতা সাব্যস্ত কৰে আৰু সত্য সৰল পথৰ পিনে পৰিচালিত কৰে। (৩১) হে আমাৰ জাতিভাইসকল, তেওঁৰ প্রতি সঁহাৰি জনোৱা, যিজনে আল্লাহৰ পথৰ পিনে আহবান কৰে, তেওঁৰ প্রতি বিশ্বাস স্থাপন কৰা। আল্লাহে তোমালোকৰ পাপসমূহ মার্জনা কৰি দিব আৰু তোমালোকক যন্ত্রণাদায়ক শাস্তিৰ পৰা ৰক্ষা কৰিব। (৩২) কিন্তু যিজন ব্যক্তিয়ে আল্লাহৰ আহবানকাৰীক সঁহাৰি নিদিয়ে, সি পৃথিৱীত আল্লাহক ব্যর্থ কৰিব নোৱাৰে নাইবা আল্লাহৰ বিপৰীতে তাক ৰক্ষা কৰোতাও কোনো নাই। এনে মানুহ দেখদেখকৈ ভ্রান্ত পথত আছে।

(৩৩) সেই মানুহবিলাকে সেইজন আল্লাহক দেখা নাইনে যে, যিজনে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে আৰু এইবোৰ সৃষ্টি কৰোতে তেওঁ অকণো ক্লান্ত বোধ কৰা নাই। তেৱেঁই মৃতবিলাকক পুনৰ জীৱিত কৰি তুলিবলৈ সক্ষম নহ'বনে? নিশ্চয় হ'ব। তেওঁ সর্ব বিষয়ত ক্ষমতাবান। (৩৪) সিদিনাখন অবিশ্বাসকাৰীবিলাকক যেতিয়া জাহান্নামৰ ওচৰত উপস্থিত কৰোৱা হ'ব,

সিহঁতক সোধা হ'ব- 'এয়া সত্য নহয়নে?' সিহঁতে উত্তৰ দিব- 'হয়, আমাৰ প্ৰভুৰ শপত।' তেওঁ (আল্লাহে) ক'ব- 'তেনেহ'লে শাস্তিৰ সোৱাদ লোৱা, কিয়নো তোমালোকে সত্যক অস্বীকাৰ কৰিছিলা।'

(৩৫) ধৈর্য ধাৰণ কৰা, যিদৰে তোমাৰ পূৰ্বৰ উচ্চ মনোবল সম্পন্ন ৰছুলসকলে ধৈর্য ধাৰণ কৰিছিল আৰু সিহঁতৰ বাবে খৰখেদা নকৰিবা। সিদিনা সিহঁতে যেতিয়া সেয়া দেখিব, যিটো বিষয়ে সিহঁতক সতর্ক কৰা হৈছিল, সিহঁতৰ অনুমান হ'ব দিনটোৰ এটি ক্ষণৰ অধিক (পৃথিৱীত) অৱস্থান কৰা নাছিল। (তোমাৰ দায়িত্ব হ'ল) এই বাণী সিহঁতক পৌছাই দিয়া। অবাধ্য মানুহবিলাকৰ বাহিৰে আন কোনো ধ্বংস নহয়।

৪৭. মুহাম্মদ (মুহাম্মদ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আল্লাহে সিহঁতৰ সৎকৰ্মসমূহ নিষ্ফল কৰি দিব, যিবিলাকে অবিশ্বাস কৰে আৰু আল্লাহৰ পথত বাধাৰ সৃষ্টি কৰে। (২) আনহাতে যিসকলে বিশ্বাস স্থাপন কৰে, সৎকৰ্ম কৰে আৰু মুহাম্মদৰ প্ৰতি অৱতীর্ণ হোৱা কথাবোৰ মানি লয় আৰু এয়াই তেওঁলোকৰ প্ৰভুৰ পৰা প্ৰেৰিত পৰম সত্য। আল্লাহে তেওঁলোকৰ পাপবোৰ তেওঁলোকৰ পৰা দূৰীভূত কৰিব আৰু তেওঁলোকৰ অৱস্থা সুস্থ কৰি দিব। (৩) তাৰ কাৰণ হ'ল- যিবিলাকে সত্যক অবিশ্বাস কৰে, সিহঁতে অসত্যক অনুসৰণ কৰে আৰু যিসকলে বিশ্বাস স্থাপন কৰিছে, তেওঁলোকে তেওঁলোকৰ প্ৰভুৰ পৰা অহা সত্যক অনুসৰণ কৰিছে। এইদৰে আল্লাহে মানুহৰ বাবে বাবে উপমাসমূহ দাঙি ধৰে।

(৪) ইয়াৰ পিচত অবিশ্বাসকাৰীবিলাকৰ লগত যেতিয়া তোমালোকৰ যুদ্ধ হ'ব, তেতিয়া সিহঁতৰ ডিঙিত ঘাপ মাৰিবা। যেতিয়া সিহঁত সম্পূর্ণৰূপে পৰাভূত হ'ব, তেতিয়া বন্দী কৰিবা। ইয়াৰ পিচত তোমালোকে হয় সিহঁতক

অনুগ্রহ কৰি মুক্তি দিবা, নহ'লে (সিহঁতৰ লগত) মুক্তিপণৰ চুক্তি কৰিবা যেতিয়ালৈকে যুদ্ধ সমাপ্ত নহয়। এইয়া তোমালোকৰ বিধি ব্যৱস্থা। আল্লাহে ইচ্ছা কৰাহেঁতেন, নিজেই সিহঁতৰ ব্যৱস্থা ল'ব পাৰিলেহেঁতেন। কিন্তু তেওঁৰ উদ্দেশ্য হ'ল ইজন-সিজনৰ দ্বাৰা তোমালোকক পৰীক্ষা কৰি চোৱা। যিসকল ব্যক্তি আল্লাহৰ পথত নিহত হয়, তেওঁ কেতিয়াও তেওঁলোকৰ কৰ্মফল বিনষ্ট কৰি নিদিয়ে। (৫) তেওঁ তেওঁলোকক পথ প্ৰদৰ্শন কৰিব আৰু তেওঁলোকৰ অৱস্থা উন্নত কৰি দিব। (৬) তেওঁ তেওঁলোকক জান্নাতত প্ৰৱেশ কৰাব। তেওঁ ইতিমধ্যে তেওঁলোকক অৱগত কৰাইছে।

(৭) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে যদি আল্লাহক সাহায্য কৰা, তেনেহ'লে আল্লাহেও তোমালোকক সাহায্য কৰিব আৰু তোমালোকৰ ভৰিৰ খোপনি সুদৃঢ় কৰি দিব। (৮) কিন্তু যিবিলাকে অস্বীকাৰ কৰিছে, সিহঁতৰ ধ্বংস নিশ্চিত আৰু (আল্লাহে) সিহঁতৰ কৰ্ম বিনষ্ট কৰি দিব। (৯) ইয়াৰ কাৰণ হ'ল- আল্লাহে যি অৱতীৰ্ণ কৰিছে, সিহঁতে তাৰ বিৰোধিতা কৰে আৰু সেয়ে সিহঁতৰ কৰ্ম নিষ্ফল কৰি দিব। (১০) সিহঁতে পৃথিৱীত ভ্ৰমণ কৰা নাইনে আৰু দেখা নাইনে, সিহঁতৰ পূৰ্বৱৰ্তী মানুহবিলাকৰ কি দশা হ'ল? আল্লাহে সিহঁতক সমূলধ্বংস কৰিলে। অবিশ্বাসকাৰীবিলাকৰ কাৰণে আছে অনুৰূপ দুৰ্ভোগ। (১১) তাৰ কাৰণ হ'ল- বিশ্বাস স্থাপনকাৰীসকলৰ ৰক্ষক হ'ল আল্লাহ আৰু অবিশ্বাসকাৰীবিলাকৰ কোনো ৰক্ষক নাই।

(১২) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, আল্লাহে তেওঁলোকক এনে জান্নাতত প্ৰৱেশ কৰাব, য'ত নিজৰা প্ৰবাহিত হৈ থাকে। যিবিলাকে অবিশ্বাস কৰে, সিহঁতে এই পাৰ্থিৱ জীৱনত ভোগ-বিলাসত মত্ত থাকে আৰু জন্তু-জানোৱাৰৰ দৰে খায়। জাহান্নামেই হ'ব সিহঁতৰ অন্তিম বাসস্থল। (১৩) কিমান যে জনবসতি আমি ধ্বংস কৰিলো, যিবোৰ তোমালোকৰ জনবসতিতকৈও অধিক শক্তিশালী আছিল, য'ৰ পৰা

তোমালোকক বহিস্কৃত কৰা হৈছিল আৰু সিহঁতক সহায় কৰোতা কোনো নোলাল।

(১৪) যিজন ব্যক্তি তেওঁৰ প্ৰভুৰ পৰা পোৱা স্পষ্ট প্ৰমাণৰ ওপৰত প্ৰতিষ্ঠিত, তেওঁ সেই ব্যক্তিৰ দৰে হ'বনে, যাৰ অপকৰ্মবোৰ তাৰ নিজৰ মনতে শোভনীয় বুলি প্ৰতিয়মান হয় আৰু নিজৰ প্ৰবৃত্তিৰ অনুসৰণ কৰি চলে? (১৫) এয়া জান্নাতৰ বৰ্ণনা, যাৰ প্ৰতিশ্ৰুতি নীতিপৰায়ণ লোকসকলক দিয়া হৈছে। তাৰ বৈশিষ্ট্য হ'ল- তাত এনে পানীৰ নিজৰা বৈ থাকে, যি সৰ্বদা নিৰ্মল, এনে গাখীৰৰ নিজৰা, যাৰ সোৱাদ কেতিয়াও পৰিৱৰ্তন নহয় আৰু এনে সুৰাৰ নিজৰা, যি পানকাৰীৰ বাবে তৃপ্তিদায়ক আৰু থাকিব মৌজোলৰ নিজৰা। তাত তেওঁলোকৰ কাৰণে নানা তৰহৰ ফলমূল আছে আৰু আছে তেওঁলোকৰ প্ৰভুৰ তৰফৰ পৰা ক্ষমা। যিসকলে এনে অনুগ্ৰহ ভোগ কৰিব, তেওঁলোক সেইবিলাক মানুহৰ সৈতে একে হ'ব পাৰেনে, যিবিলাক চিৰকাল জাহান্নামত থাকিব আৰু খাবলৈ দিয়া হ'ব উতলা গৰম পানী, যিয়ে সিহঁতৰ নাড়ী-ভুৰু চিঙি টুকুৰা-টুকুৰ কৰি পেলাব?

(১৬) সিহঁতৰ ভিতৰত এনে মানুহো আছে, যিবিলাকে তোমাৰ কথা মনোযোগ দি শুনে, কিন্তু যেতিয়া তোমাৰ পৰা আঁতৰি যায়, যিসকলক (পুথিৰ) জ্ঞান দান কৰা হৈছিল, তেওঁলোকক সোধে- 'এইমাত্ৰ তেওঁ কিনো ক'লে?' ইহঁত সেইবিলাক মানুহ, যিবিলাকৰ অন্তৰত আল্লাহে মোহৰ মাৰি দিছে আৰু সিহঁতে নিজৰ কামনা-বাসনা অনুসৰণ কৰে। (১৭) কিন্তু যিসকল সৎপথ অনুসৰণ কৰি চলে, তেওঁ তেওঁলোকৰ সৎপথ প্ৰাপ্তিত অধিক সহায় কৰে আৰু তেওঁলোকক 'তাকৱা' (সংযমশীলতা) প্ৰদান কৰে।

(১৮) সিহঁতে কেৱল কিয়ামতৰ দিনটো অতৰ্কিতে আহি পৰাৰ বাবে অপেক্ষাৰত নেকি? কিয়ামতৰ লক্ষণবোৰ আহি পাইছেহি; কিন্তু যেতিয়া প্ৰকৃততে আহি সিহঁতৰ ওচৰ পাবহি, তেতিয়া সিহঁতৰ পক্ষে উপদেশ গ্ৰহণ

কৰাৰ কোনো সুযোগ থাকিবনে? (১৯) ভালদৰে জানি থোৱা, আল্লাহৰ ব্যতীত আন কোনো উপাস্য নাই। তোমালোকৰ ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা আৰু মুমিন নৰ-নাৰীৰ বাবেও ক্ষমা প্ৰাৰ্থনা কৰা। আল্লাহে তোমালোকৰ গতি-বিধি জানে আৰু অৱস্থানো জানে।

(২০) যিসকলে বিশ্বাস স্থাপন কৰিছে, তেওঁলোকে সোধে- '(যুদ্ধৰ নিৰ্দেশৰ) ছুৰা অৱতীৰ্ণ হোৱা নাই কিয়?' কিন্তু যেতিয়া যুদ্ধৰ নিৰ্দেশ থকা দ্ব্যৰ্থহীন ছুৰা অৱতীৰ্ণ হ'ল, তেতিয়া তুমি দেখিবা যে যিবিলাকৰ অন্তৰত ব্যাধি আছে, সিহঁতে মৃত্যু পথৰ যাত্ৰীৰ দৰে তোমাৰ ফালে ভেবা লাগি চাই আছে। সেয়ে সিহঁতৰ এনে অৱস্থা পৰিতাপৰ বিষয়। (২১) আনুগত্যৰ স্বীকাৰুক্তি আৰু উত্তম কথা কয়; কিন্তু যেতিয়া (যুদ্ধৰ) চূড়ান্ত সিদ্ধান্ত হ'ল, তেতিয়া যদি সিহঁতে আল্লাহৰ প্ৰতি আন্তৰিকতাৰে কৰ্ম সম্পাদন কৰিলেহেঁতেন, তেনেহ'লে সেয়া সিহঁতৰ বাবে উত্তম হ'লহেঁতেন। (২২) এতেকে তোমালোকে যদি মুখ ফিৰাই উলটি যোৱা, তেনেহ'লে তোমালোকে পচন্দ কৰিবা পৃথিৱীত বিপৰ্যয় সৃষ্টি কৰিবলৈ আৰু পাৰস্পৰিক সম্পৰ্ক ছিন্ন কৰিবলৈ। (২৩) এইবিলাক, সেইবিলাক মানুহ, যিবিলাকক আল্লাহে অগ্ৰাহ্য কৰিছে, সিহঁতৰ কাণ কলা কৰি দিছে আৰু চকু অন্ধ কৰি দিছে।

(২৪) সিহঁতে কুৰআনৰ বিষয়ে চিন্তা-চৰ্চা নকৰেনে? নে সিহঁতৰ অন্তৰত তলা লগাই থোৱা আছে? (২৫) আচলতে যিবিলাকে (এই বাৰ্তাৰ) প্ৰতি পিঠি দি আঁতৰি গৈছে, সুপথ স্পষ্টভাৱে প্ৰকাশ হৈ পৰাৰ পিচত সিহঁতক ছয়তানে সিহঁতৰ ধ্যান-ধাৰণাক আকৰ্ষণীয় কৰি দিছে আৰু আল্লাহে সিহঁতক অৱকাশ দিছে। (২৬) ইয়াৰ কাৰণ হ'ল- আল্লাহে যি অৱতীৰ্ণ কৰিছে, সেইবোৰ ঘৃণাৰে পৰিহাৰ কৰা মানুহবিলাকক সিহঁতে কয়- 'আমি কিছুমান বিষয়ত তোমালোকক মানি চলিম।' আল্লাহে সিহঁতৰ গোপন অভিসন্ধিবোৰ ভালকৈয়ে জানে। (২৭) তেতিয়া কি হ'ব, যেতিয়া ফিৰিস্তাসকলে সিহঁতৰ মুখে পিঠিয়ে

মৰিয়াই মৰিয়াই প্ৰাণ হৰণ কৰিব? (২৮) কাৰণ হ'ল- সিহঁতে সেই পন্থা অনুসৰণ কৰে, যি পন্থাই আল্লাহক অসন্তোষ কৰে আৰু তেওঁৰ সন্তোষিত পন্থা মানি চলিবলৈ অপচন্দ কৰে। সেয়ে তেওঁ সিহঁতৰ কাম-কাজবোৰ নিষ্ফল কৰি দিছে।

(২৯) যিবিলাকৰ অন্তৰত কপটতাৰ ব্যাধি আছে, আল্লাহে সেইবোৰ প্ৰকাশ কৰি নিদিব বুলি সিহঁতে ভাবিছে নেকি? (৩০) আমি ইচ্ছা কৰিলে, এতিয়াই সিহঁতক প্ৰকাশ্যভাৱে তোমাক দেখু�ৱাই দিব পাৰো। সিহঁতৰ বৈশিষ্ট্য দেখিলেই তুমি সিহঁতক নিশ্চিতভাৱে চিনি পাবা। সিহঁতৰ কথা-বতৰাৰ ধৰণ দেখিলেই তুমি নিশ্চিতভাৱে সিহঁতক চিনি পাবা। তোমালোকে যি কৰা, সেয়া আল্লাহে ভালকৈয়ে জানে।

(৩১) আমি অৱশ্যই তোমালোকক পৰীক্ষৰ সন্মুখীন কৰিম যাতে আমি সেইবিলাক মানুহক জানিব পাৰো, তোমালোকৰ কোনে কঠিনভাৱে সংগ্ৰাম কৰে আৰু কোনে নিজ স্থিতিত অবিচল থাকে আৰু তোমালোকৰ হিচাব পৰীক্ষা কৰিম। (৩২) সৎপথ স্পষ্টভাৱে প্ৰতিভাত হোৱাৰ পিচতো যিবিলাকে অবিশ্বাস কৰে, আল্লাহৰ পথত আনক বিধি-পথালি দিয়ে আৰু ৰছুলৰ বিৰোধিতা কৰে, সিহঁতে আল্লাহৰ কোনো ক্ষতি কৰিব নোৱাৰে। বৰং আল্লাহে সিহঁতৰ কৰ্মবোৰ নিষ্ফল কৰি দিব।

(৩৩) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে আল্লাহক মানি চলা আৰু ৰছুলৰ আনুগত্য কৰা আৰু তোমালোকৰ কৰ্মসমূহ অথলে যাবলৈ নিদিবা- (৩৪) যিবিলাকে অবিশ্বাস কৰে, আল্লাহৰ পথত বাধা জন্মায় আৰু অবিশ্বাসকাৰী অৱস্থাতে মৃত্যু বৰণ কৰে, আল্লাহে কদাপিও সিহঁতক ক্ষমা নকৰে। (৩৫) গতিকে তোমালোকে মনোবল নেহেৰুৱাবা নাইবা শান্তি-চুক্তিৰ প্ৰস্তাৱো নিদিবা, তোমালোকে প্ৰভাৱশালী হৈ থাকিবা। আল্লাহ তোমালোকৰ লগত আছে আৰু তেওঁ তোমালোকৰ কৰ্মসমূহ কেতিয়াও নিষ্ফল হ'বলৈ

নিদিয়ে।

(৩৬) এই পার্থিৱ জীৱন মাথোন খেল-ধেমালি, আমোদ-প্রমোদহে। যদি তোমালোক বিশ্বাস স্থাপনকাৰী হোৱা আৰু আল্লাহক ভয় কৰি চলা, তেনেহ'লে তোমালোকক প্রতিদান দিব। তেওঁ তোমালোকৰ পৰা তোমালোকৰ ধন-সম্পদ নিবিচাৰে। (৩৭) তেওঁ যদি তোমালোকৰ পৰা (ধন-সম্পদ) বিচাৰে আৰু সেয়া পাই থাকিবলৈ জোৰ কৰে, তেনেহ'লে তোমালোকে কৃপণালি কৰিবা আৰু তেওঁ তোমালোকৰ অন্তৰৰ কলুষতা প্রকাশ কৰি দিব। (৩৮) সাৱধান! তোমালোক সেইবিলাক মানুহ, যিবিলাকক আল্লাহৰ পথত খৰচ কৰিবলৈ কোৱা হৈছে, কিন্তু তোমালোকৰ কিছুমানে কৃপণালি কৰে। যিয়ে কৃপণালি কৰে, নিজৰ প্রতিয়েই কৃপণালি কৰে। প্রকৃততে আল্লাহ অভাৱমুক্ত আৰু তোমালোক (তেওঁৰ) মুখাপেক্ষী আৰু তোমালোকে যদি পিঠি দিয়া, তেনেহ'লে তেওঁ তোমালোকৰ সলনি অন্য জাতিক প্রতিষ্ঠিত কৰিব আৰু যিবিলাক তোমালোকৰ দৰে নহ'ব।

৪৮. আল-ফাতহ (বিজয়)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) নিঃসন্দেহে আমি তোমাক স্পষ্ট বিজয় দান কৰিছো, (২) যাতে আল্লাহে তোমাৰ অতীত আৰু ভবিষ্যতৰ ত্রুটিসমূহ মার্জনা কৰি দিয়ে আৰু তোমাৰ প্রতি তেওঁৰ অনুগ্রহ পূর্ণ কৰি দিয়ে আৰু তোমাক সৎপথ দেখুৱায়, (৩) আৰু যাতে আল্লাহে তোমাক বলিষ্ঠভাৱে সাহায্য দান কৰে।

(৪) এইজনা তেৱেঁই, যিজনাই মুমিনসকলৰ অন্তৰত প্রশান্তি দান কৰে যাতে তেওঁলোকৰ অন্তৰত এটি ঈমানৰ লগত আন এটি ঈমান সংযোগ কৰি দিব পাৰে। আকাশমণ্ডল আৰু পৃথিৱীৰ বাহিনীসমূহ আল্লাহৰেই। তেওঁ সর্বজ্ঞ, প্রজ্ঞাময়। (৫) আৰু যাতে তেওঁ মুমিন পুৰুষ আৰু মুমিন নাৰীক

এনে জান্নাতত প্ৰৱেশ কৰাব পাৰে, যাৰ মাজেৰে প্ৰবাহিত হৈ থাকে নিজৰা। তাত তেওঁলোক চিৰকাল থাকিব আৰু যাতে তেওঁলোকৰ পাপসমূহ মোচন কৰি দিব পাৰে। নিশ্চয় এয়া আল্লাহৰ মানত পৰম সাফল্য। (৬) আৰু যাতে তেওঁ মুনাফিক (প্ৰতাৰক) পুৰুষ আৰু মহিলাবিলাকক, অংশীবাদী পুৰুষ আৰু অংশীবাদী মহিলাবিলাকক শাস্তি দিব পাৰে, যিবিলাকে আল্লাহ সম্পৰ্কে ভ্ৰান্ত ধাৰণা পোষণ কৰে। দুৰ্যোগৰ কুটিল বেহুত সিহঁত নিজেই সোমাই পৰিব। সিহঁতৰ প্ৰতি আল্লাহ ক্ষুব্ধ হৈছে আৰু সিহঁতক অভিসম্পাত কৰিছে আৰু সিহঁতৰ বাবে জাহান্নাম প্ৰস্তুত কৰি ৰাখিছে। সেয়া যে কিমান নিকৃষ্ট গন্তব্যস্থল! (৭) আকাশমণ্ডল আৰু পৃথিৰীৰ বাহিনীসমূহ তেওঁৰেই। তেওঁ প্ৰবল পৰাক্ৰমী, প্ৰজ্ঞাময়।

(৮) আমি তোমাক সাক্ষ্যদাতা, সুসংবাদদাতা আৰু সতৰ্ককাৰীৰূপে প্ৰেৰণ কৰিছো; (৯) যাতে তোমালোকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি বিশ্বাস স্থাপন কৰা আৰু তেওঁক সহায় কৰা আৰু সন্মান কৰা আৰু পুৱা-গধূলি আল্লাহৰ পৱিত্ৰতা আৰু মহিমা কীৰ্তন কৰা। (১০) চোৱা, যিবিলাকে তোমাৰ ওচৰত আনুগত্যৰ শপত খায়, সিহঁতে আচলতে আল্লাহৰ আনুগত্যৰহে শপত খায়। আল্লাহৰ হাত সিহঁতৰ হাতৰ ওপৰত থাকিব। এতেকে যিবিলাকে শপত ভংগ কৰিব, সি তাৰ নিজৰেই ক্ষতি কৰিব। আনহাতে যিবিলাকে শপত পূৰণ কৰিব, যি শপত আল্লাহৰ ওচৰত খাইছিল, আল্লাহে তেওঁক মহা পুৰস্কাৰ দান কৰিব।

(১১) মৰুবাসী আৰববিলাকৰ যিবিলাক মানুহে পিছ হোঁহকা মাৰিছিল, সিহঁতে আহি তোমাক ক'বহি- 'আমাৰ সা-সম্পত্তি আৰু সন্তান-সন্ততিয়ে আমাক ব্যতিব্যস্ত কৰি ৰাখিছিল। আপুনি আমাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰক।' সিহঁতে মুখেৰে যি কয়, সেয়া সিহঁতৰ অন্তৰত নাই। কোৱা- 'আল্লাহে যদি তোমালোকৰ কোনো ক্ষতি কৰিব বিচাৰে বা মংগল সাধিব বিচাৰে, কাৰ

এনে ক্ষমতা আছে, যিয়ে তেওঁক ৰোধ কৰিব পাৰে? তোমালোকে যি কৰা সেয়া আল্লাহে অৱশ্যই ভালকৈয়ে জানে। (১২) সেয়া নহয়। তোমালোকে ভাবিছিলা যে ৰছুল আৰু মুমিনসকল কদাপিও তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওচৰলৈ দুনাই ঘূৰি আহিব নোৱাৰে। এনে ধাৰণা তোমালোকৰ মনত বৰ ভাল লাগিছিল। এয়া তোমালোকে বৰ জঘন্য ধাৰণা পোষণ কৰিছিলা। এইদৰে তোমালোক ধ্বংসমুখী মানুহ আছিলা। (১৩) যিবিলাকে সত্যক অস্বীকাৰ কৰে আৰু আল্লাহ আৰু তেওঁৰ ৰছুলক বিশ্বাস নকৰে, সিহঁতৰ বাবে আমি জলন্ত অগ্নিকুণ্ড প্ৰস্তুত কৰি ৰাখিছো। (১৪) আকাশমণ্ডল আৰু পৃথিৱীৰ ৰাজত্ব আল্লাহৰেই। তেওঁ যাক ইচ্ছা কৰে, ক্ষমা কৰে আৰু যাক ইচ্ছা কৰে, শাস্তি দিয়ে। আল্লাহ অতি ক্ষমাশীল, পৰম দয়ালু।

(১৫) যেতিয়া তোমালোকে (ঈমানদাৰসকলে) যুদ্ধলব্ধ সম্পদ আহৰণ কৰিবলৈ যাবা, তেতিয়া পিছ হোঁহকা মাৰি থকা মানুহবিলাকে ক'ব- 'আমাকো তোমালোকৰ লগত যাবলৈ দিয়া।' সিহঁতে আল্লাহৰ বাণী সলনি কৰিব খোজে। সিহঁতক কোৱা- 'তোমালোকে কদাপিও আমাৰ লগত যাব নোৱাৰা। এয়া আগতেই আল্লাহে ঘোষণা কৰি থৈছে।' তেতিয়া সিহঁতে ক'ব- 'তোমালোকে আমাক হিংসা কৰিছা।' আচলতে সিহঁতে কিমান কমকৈ বুজে!

(১৬) পিছ হোঁহকা মাৰি ৰৈ যোৱা মৰুবাসী আৰববিলাকক কৈ দিয়া- 'এটি প্ৰবল পৰাক্ৰমী জাতিৰ লগত যুঁজিবলৈ তোমালোকক আহবান জনোৱা হ'ব। তোমালোকে যুদ্ধ কৰিয়েই থাকিব লাগিব, যেতিয়ালৈকে সিহঁতে আত্মসমৰ্পণ নকৰে। তোমালোকে নিজকে একান্ত বাধ্য বুলি সাব্যস্ত কৰা, তেনেহ'লে আল্লাহে তোমালোকক উত্তম পুৰস্কাৰ দান কৰিব। কিন্তু তোমালোকে যদি পিছ হোঁহকা মাৰা, যেনেদৰে পূৰ্বতে মাৰিছিলা, তেনেহ'লে তেওঁ তোমালোকক কঠোৰ যন্ত্ৰণাদায়ক শাস্তি দিব- (১৭) অন্ধ, খোৰা আৰু ৰোগাগ্ৰস্ত ব্যক্তিৰ কোনো দোষ নহয়।' যিজনে আল্লাহ আৰু তেওঁৰ ৰছুলৰ

আনুগত্য কৰে, তেওঁক আল্লাহে এনে জান্নাতত প্ৰৱেশ কৰাব, যাৰ মাজেৰে নিজৰা প্ৰবাহিত হৈ থাকে। কিন্তু যিজনে মুখ ঘূৰায়, তাক তেওঁ কঠোৰ শাস্তি দিব।

(১৮) আল্লাহ মুমিনসকলৰ প্ৰতি সন্তুষ্ট হ'ল, যেতিয়া তেওঁলোকে তোমাৰ (নবীৰ) লগত গছৰ তলত আনুগত্যৰ শপত গ্ৰহণ কৰিছিল। তেওঁলোকৰ অন্তৰ কি আছিল, সেয়া আল্লাহৰ জনা আছিল। সেয়ে তেওঁ তেওঁলোকক প্ৰশান্তি দান কৰিলে আৰু পুৰস্কাৰ হিচাবে তেওঁলোকক আসন্ন বিজয় দান কৰিলে। (১৯) আৰু ভবিষ্যতত লভিব অধিক যুদ্ধলব্ধ সম্পদ। আল্লাহ প্ৰবল পৰাক্ৰমী, অসীম প্ৰজ্ঞাবান। (২০) আল্লাহে তোমালোকক প্ৰচুৰ পৰিমাণে যুদ্ধলব্ধ সম্পদ দানৰ প্ৰতিশ্ৰুতি দিছে আৰু এয়া তেওঁ তোমালোকক সদ্যহতে দান কৰিলেই। তোমালোকক অনিষ্ট কৰাৰ পৰা মানুহৰ হাত বিৰত ৰাখিলে যাতে তোমালোকৰ মুমিনসকলৰ বাবে এয়া এটা নিদৰ্শন হয় আৰু যাতে তেওঁ তোমালোকক সঠিক সৰল পথ প্ৰদৰ্শন কৰিব পাৰে। (২১) ইয়াৰ উপৰিও আন বহু (সম্পদ) আছে, যিবোৰ লাভ কৰিবলৈ এতিয়াও তোমালোক সমৰ্থ হোৱা নাই। কিন্তু সেইবোৰ এতিয়াও (তোমালোকৰ বাবে) পৰিবেষ্টন কৰি ৰাখিছে। আল্লাহ সৰ্ব বিষয়ত ক্ষমতাবান।

(২২) যিবিলাকে অবিশ্বাস কৰিছে, সিহঁতে যদি তোমালোকৰ লগত যুদ্ধ কৰিলেহেঁতেন, তেনেহ'লে নিশ্চয় সিহঁতে পৃষ্ঠভংগ দিলেহেঁতেন। তেতিয়া সিহঁতে কোনো পৃষ্ঠপোষক আৰু সাহায্যকাৰী নাপালেহেঁতেন। (২৩) এয়াই আল্লাহৰ নীতি, পূৰ্বৰে পৰা চলি আহিছে আৰু তোমালোকে আল্লাহৰ নীতিত কোনো পৰিৱৰ্তন নাপাবা। (২৪) এইজনা তেৱেঁই, যিজনাই তোমালোকক সিহঁতৰ ওপৰত বিজয় দান কৰাৰ পিচত মক্কা উপত্যকাত সিহঁতৰ হাত তোমালোকৰ হাতৰ পৰা আৰু তোমালোকৰ হাত সিহঁতৰ হাতৰ পৰা ৰোধ কৰিছিল। তোমালোকে যি কৰা, আল্লাহে দেখি থাকে।

(২৫) ইহঁতেই সেইবিলাক মানুহ, যিবিলাকে অবিশ্বাস কৰিছিল আৰু যিবিলাকে তোমালোকক মছজিদে হাৰামলৈ (পৱিত্ৰ মছজিদ) যোৱাত আৰু কুৰবাণীৰ জন্তুবোৰ নির্দিষ্ট স্থানলৈ গৈ পোৱাত বাধা দিছিল। যদি (মক্কাত) মুমিন পুৰুষ আৰু মুমিন নাৰী নাথাকিলহেঁতেন, যিসকলক তোমালোকে নাজানা আৰু এনে আশংকাও যদি নাথাকিলহেঁতেন যে, তোমালোকে অজ্ঞনতা বশতঃ তেওঁলোকক পদদলিত কৰিলাহেঁতেন, যাৰ ফলত তোমালোকৰ ওপৰত আৰোপ আহিলহেঁতেন, (তেনেহ'লে আল্লাহে তোমালোকক সিহঁতৰ লগত যুদ্ধৰ আদেশ দিলেহেঁতেন; কিন্তু তেওঁ অনুমতি নিদিলে) যাতে আল্লাহে যাক ইচ্ছা কৰে, নিজ কৰুণাৰ অন্তর্ভুক্ত কৰিব পাৰে। যদি তেওঁলোক (মুমিনসকল) আলগ হৈ থাকিলহেঁতেন, তেনেহ'লে আমি সিহঁতৰ অবিশ্বাসকাৰীবিলাকক কঠোৰ যন্ত্রণাদায়ক শাস্তি দিলোহেঁতেন।

(২৬) অবিশ্বাসকাৰীবিলাকে যেতিয়া (সিহঁতৰ অন্তৰত) অজ্ঞতা যুগৰ গোড়ামীকে পোষণ কৰি ৰাখিছিল, তেতিয়া আল্লাহে তেওঁৰ ৰছুল আৰু মুমিনসকলৰ অন্তৰত নিজ সহিষ্ণুতা অৱতীর্ণ কৰিলে আৰু তেওঁলোকক তাকৰাৰ (আল্লাহৰ ভয়) নীতিত অটল ৰাখিলে। তেওঁলোকেই ইয়াৰ অধিক হকদাৰ আৰু উপযুক্ত আছিল। আল্লাহ সর্ববিষয়ত জ্ঞানবান।

(২৭) আল্লাহে তেওঁৰ ৰছুলক সত্য সপোনকে দেখুৱাইছিল, যিটো ফলিয়ালে। তেওঁ ক'লে- 'আল্লাহে ইচ্ছা কৰিলে, নিশ্চয় তোমালোকে মছজিদে হাৰামত (কাবা) শ্বৱীফত মূৰ খুৰোৱা বা চুলি ছটোৱা অৱস্থাত শান্তি আৰু নিৰাপত্তাৰ সৈতে কোনো ভয় নোহোৱাকৈ প্ৰৱেশ কৰিব পাৰিবা। আল্লাহে যিবোৰ জানে, তোমালোকে সেয়া নাজানা। ইতিপূর্বে তেওঁ তোমালোকক এই আসন্ন বিজয় দান কৰিছে।

(২৮) তেৱেঁই আল্লাহ, যিজনে তেওঁৰ ৰছুলক সুপথ আৰু সত্য ধর্ম দি প্ৰেৰণ কৰিছে যাতে তেওঁ (আল্লাহে) আন সকলো ধর্মৰ ওপৰত ইয়াক

জয়যুক্ত কৰিব পাৰে। সাক্ষী হিচাবে আল্লাহেই যথেষ্ট।

(২৯) মুহাম্মদ আল্লাহৰ ৰছুল। যিসকল তেওঁৰ লগত আছে, তেওঁলোক অবিশ্বাসকাৰীবিলাকৰ প্ৰতি কঠোৰ আৰু নিজৰ ভিতৰত পৰস্পৰ সহানুভূতিশীল। তুমি তেওঁলোকক ৰুকু (অৱনত) আৰু ছিজদাহ (প্ৰণিপাত), আল্লাহৰ অনুগ্ৰহ আৰু তেওঁৰ প্ৰসন্ন লাভৰ সন্ধানত আত্মনিয়োগ কৰা দেখিবলৈ পাবা। তেওঁলোকৰ মুখমণ্ডলত ছিজদাৰ চিহ্নই তেওঁলোক স্বতন্ত্ৰভাৱে পৰিচিত হয়। তেওঁলোকৰ বৰ্ণনা তওৰাতত আছে। ইঞ্জীলত তেওঁলোকৰ উপমা হ'ল- যেনিবা এটি বীজ, সি অংকুৰিত হয় আৰু অংকুৰটি শক্তিশালী হয় আৰু ই শকত-আৱত হয় আৰু পিচত ই গা-গছ ৰূপে থিয় হয়। ইয়ে ৰোপনকাৰীৰ চকু জুৰায়। তেওঁলোকৰ দ্বাৰা তেওঁ অবিশ্বাসকাৰী বিলাকক হিংসান্বিত কৰে। আল্লাহে তেওঁলোকৰ ভিতৰত সেইসকলক ক্ষমা আৰু মহা পুৰস্কাৰৰ প্ৰতিশ্ৰুতি দিছে, যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে।

৪৯. হুজুৰাত (আচুতীয়া কক্ষ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হে ঈমানদাৰসকল, তোমালোকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ ক্ষেত্ৰত নিজেই অগ্ৰসৰ নহ'বা। আল্লাহক ভয় কৰা। আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞ। (২) হে ঈমানদাৰসকল, তোমালোকৰ কণ্ঠস্বৰ নবীৰ কণ্ঠস্বৰতকৈ উচ্চ নকৰিবা। তোমালোকে নিজৰ ভিতৰতে উচ্চস্বৰে কথা পতাৰ দৰে নবীৰ লগত তেনেদৰে উচ্চস্বৰে কথা নাপাতিবা। অন্যথা তোমালোকৰ কৰ্মসমূহ নিষ্ফল হৈ যাব আৰু তোমালোকে গমকে নাপাবা। (৩) যিসকলে আল্লাহৰ ৰছুলৰ সন্মুখত নিজৰ কণ্ঠস্বৰ মৃদু কৰি ৰাখে, তেওঁলোক সেইসকল মানুহ, যিসকলৰ অন্তৰসমূহ আল্লাহে 'তাকৱাৰ' (খোদাভীৰুতাৰ) বাবে পৰীক্ষা

কৰি লৈছে। তেওঁলোকৰ বাবে আছে ক্ষমা আৰু মহা পুৰস্কাৰ। (৪) যিবিলাকে তোমাক কোঠাৰ বাহিৰৰ পৰা চিঞৰী মাতে, সিহঁতৰ বেছিভাগেই নিবোৰ্ধ। (৫) তুমি ওলাই সিহঁতক দেখা কৰিবলৈ নহালৈকে যদি সিহঁতে ধৈর্য ধৰি অপেক্ষা কৰিলেহেঁতেন, সেয়া সিহঁতৰ বাবেই কল্যাণকৰ হ'লহেঁতেন। আল্লাহ অতি ক্ষমাশীল, পৰম কৰুণাময়।

(৬) হে ঈমানদাৰসকল, কোনো অসৎ প্ৰকৃতিৰ মানুহে যদি কোনো সংবাদ তোমালোকৰ ওচৰলৈ লৈ আহে, তেনেহ'লে তাৰ সত্যতাৰ বাচ-বিচাৰ কৰিবা যাতে এনে নহয়, অজ্ঞতা বশতঃ তোমালোকে আনৰ ক্ষতি সাধিবা আৰু পিচত নিজ কৰ্মৰ বাবে নিজে অনুতপ্ত হ'বা। (৭) জানি থোৱা, তোমালোকৰ মাজত আল্লাহৰ ৰছুল আছে। অনেক বিষয়ত তেওঁ যদি তোমালোকৰ কথা মানি লয়, তেনেহ'লে তোমালোকেই কষ্টত ভুগিবা। কিন্তু আল্লাহে তোমালোকৰ বাবে ঈমানক প্ৰিয় কৰি দিছে আৰু তাক তোমালোকৰ মনঃপুত কৰি দিছে। আনহাতে অবিশ্বাস, দুৰাচাৰিতা আৰু অবাধ্যতা তোমালোকৰ মনত ঘৃণনীয় কৰি দিছে। এনে ধৰণৰ মানুহ সৎপথত পৰিচালিত- (৮) আল্লাহৰ কৃপা আৰু অনুগ্ৰহক্ৰমে। আল্লাহ সর্বজ্ঞ, প্ৰজ্ঞাময়।

(৯) যদি মুমিনসকলৰ দুটা দলে পৰস্পৰে যুজ-বাগৰত লিপ্ত হয়, তেনেহ'লে তেওঁলোকক মিটমাট কৰাই দিবা। তাৰ পিচত এটা দলে যদি আনটো দলৰ প্ৰতি অতিচাৰ কৰে, তেনেহ'লে অতিচাৰ কৰা দলটোৰ বিপক্ষে যুঁজ কৰা যেতিয়ালৈকে সিহঁতে আল্লাহৰ নির্দেশৰ পিনে ঘূৰি নাহে। তেওঁলোক যদি বাধ্য হয়, তেনেহ'লে তেওঁলোকৰ মাজত শান্তি স্থাপন কৰি দিবা আৰু সুবিচাৰ কৰিবা। নিশ্চয় আল্লাহে সুবিচাৰকাৰীক ভাল পায়। (১০) মুমিনসকল পৰস্পৰ ভাই-ককাই। সেয়ে ভাতৃবর্গৰ মাজত শান্তি প্ৰতিষ্ঠা কৰা আৰু আল্লাহক ভয় কৰা যাতে তোমালোক অনুগ্ৰহ প্ৰাপ্ত হোৱা।

(১১) হে ঈমানদাৰসকল, তোমালোকৰ কোনো পুৰুষে যেন আন

পুৰুষক উপহাস নকৰে, হয়তো তেওঁ উপহাসকাৰীতকৈ শ্ৰেষ্ঠ হ'ব পাৰে আৰু কোনো তিৰোতাই যেন আন তিৰোতাক ইতিকিং নকৰে, হয়তো তেওঁ ইতিকিং কাৰিণীতকৈ শ্ৰেষ্ঠ হ'ব পাৰে। তোমালোকে পৰস্পৰে অপবাদ নিদিবা বা ইতিকিং নকৰিবা বা উপলুঙাসূচক নামেৰে নামাতিবা। ঈমান অনাৰ পিচত উপলুঙা সূচক নাম দি মতা গৰ্হিত কাম। যিবিলাকে এইবোৰৰ পৰা বিৰত নাথাকে, সিহঁত অন্যায়কাৰী।

(১২) হে ঈমানদাৰসকল, অতিমাত্ৰা সন্দেহ কৰাৰ পৰা বিৰত থাকা। কিয়নো কেতিয়াবা সন্দেহ কৰাটো পাপ। এজনে আনজনৰ গোপন অনুসন্ধান কৰি নুফুৰিবা আৰু এজনে আনজনৰ নিন্দাও নকৰিবা। তোমালোকৰ কোনোবাই জানো মৃত ভাতৃৰ মঙহ খাবলৈ ভাল পাবা? নিশ্চয় নোপোৱা, তোমালোকে বিতৃষ্ণাহে কৰিবা। আল্লাহক ভয় কৰা। আল্লাহ অতি ক্ষমাশীল, পৰম দয়ালু।

(১৩) হে মানৱ, আমি তোমালোকক এজন পুৰুষ আৰু এজনী নাৰীৰ পৰা সৃষ্টি কৰিছো। তাৰ পিচত তোমালোকক বিভিন্ন জাতি-উপজাতিত বিভক্ত কৰিছো যাতে তোমালোকে পৰস্পৰে পৰস্পৰক চিনিব পাৰা। প্ৰকৃততে তোমালোকৰ সেই ব্যক্তি আল্লাহৰ ওচৰত অতি সন্মানীয়, যিজনে আল্লাহক আটাইতকৈ বেছি ভয় কৰে। নিশ্চয় আল্লাহে সকলো জানে, সকলো খবৰ ৰাখে।

(১৪) মৰুবাসী আৰববিলাকে কয়- 'আমি বিশ্বাস স্থাপন কৰিছো।' সিহঁতক কোৱা- 'তোমালোকে এতিয়াও বিশ্বাস স্থাপন কৰা নাই।' বৰং এনেদৰে কোৱা- 'আমি অনুগত হ'লো।' কিয়নো এতিয়াও তোমালোকৰ অন্তৰত বিশ্বাস জন্মা নাই। তোমালোকে যদি আল্লাহ আৰু তেওঁৰ ৰছুলৰ আনুগত্য কৰা, তেনেহ'লে তেওঁ তোমালোকৰ সৎকৰ্মসমূহ অকণো হ্ৰাস নকৰে। নিশ্চয় আল্লাহ পৰম ক্ষমাশীল, অসীম দয়ালু। (১৫) প্ৰকৃততে তেওঁলোকহে

প্ৰকৃত মুমিন, যিসকলে আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি বিশ্বাস স্থাপন কৰাৰ পিচত কোনো সন্দেহ পোষণ নকৰে আৰু নিজৰ ধন-প্ৰাণ দি আল্লাহৰ পথত জিহাদ (কঠোৰ পৰিশ্ৰম) কৰে। এওঁলোকেই সত্যবাদী।

(১৬) কোৱা- 'তোমালোকে কি আল্লাহক তোমালোকৰ ধৰ্মৰ বিষয়ে শিকাবলৈ আহিছা?' অথচ আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলো আল্লাহে ভালকৈ জানে আৰু তেওঁ প্ৰতিটো বস্তু সম্পৰ্কে পূৰ্ণ অৱহিত। (১৭) এই মানুহবিলাকে নিজে মুছলমান হৈ তোমাক ধন্য কৰিছে বুলি ভাবিছে। কোৱা- 'তোমালোকে ইছলাম ধৰ্ম গ্ৰহণ কৰি মোক ধন্য কৰিছা বুলি নাভাবিবা। বৰং আল্লাহে তোমালোকক ঈমানৰ পথ দেখুৱাই তোমালোকৰ প্ৰতি অনুগ্ৰহ কৰিছে। (এয়া মানি লোৱা) যদিহে তোমালোকে সঁচা কথা কৈছা।' (১৮) নিশ্চয় আল্লাহে আকাশমণ্ডল আৰু পৃথিৱীৰ অদৃশ্যৰ বিষয়ে জানে। তোমালোকে যি কৰা, আল্লাহে দেখি আছে।

৫০. ক্বা-ফ (ক্বা-ফ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) ক্বাফ।

মৰ্যাদাপূৰ্ণ কুৰআনৰ শপত। (২) প্ৰকৃততে সিহঁতে আশ্চৰ্যবোধ কৰিছে যে সিহঁতৰ মাজৰ পৰাই সিহঁতলৈ এজন সতৰ্ককাৰী আহিছে। সেয়ে এই অবিশ্বাসকাৰীবিলাকে ক'বলৈ ধৰিলে- 'এয়া আশ্চৰ্যজনক কথা! (৩) আমি মৰি-হজি যেতিয়া মাটি হৈ যাম, তেতিয়া আমাক পুনৰজীৱিত কৰা হ'ব। এয়া একেবাৰে অসম্ভৱ।' (৪) মাটিয়ে সিহঁতৰ পৰা কি হৰি নিয়ে, সেয়া আমাৰ জনা আছে। আমাৰ ওচৰত এনে গ্ৰন্থ আছে, য'ত সকলো কথা সংৰক্ষণ কৰা আছে। (৫) সিহঁতে সত্য অস্বীকাৰ কৰিছে, যেতিয়া এয়া সিহঁতৰ ওচৰলৈ আহিল। সেয়ে সিহঁত বিমূঢ়ত পৰিছে।

৬) সিহঁতে সিহঁতৰ ওপৰত থকা আকাশৰ পিনে লক্ষ্য কৰা নাইনে, আমি তাক কেনেদৰে সাজিছো, সুশোভিত কৰিছো আৰু তাত কোনো খুঁত ৰখা নাই। (৭) আমি পৃথিৱীখন প্ৰসাৰিত কৰিছো আৰু তাত পাহাৰ-পৰ্বত দৃঢ়ভাৱে স্থাপন কৰিছো আৰু আমি তাত নানা তৰহৰ মনোৰম উদ্ভিদ উৎপন্ন কৰিছো- (৮) শিক্ষাপ্ৰদ আৰু উপদেশ স্বৰূপে আল্লাহৰ প্ৰতি অভিমুখী প্ৰতিজন মানুহৰ বাবে। (৯) আৰু আমি আকাশৰ পৰা মংগলময় পানী বৰষাও। তাৰে আমি সৃষ্টি কৰো উদ্যান আৰু উৎপন্ন কৰো কাটি চপাব পৰা বিভিন্ন শস্য, (১০) ওখ খেজুৰ গছ, য'ত আছে ওপৰাওপৰিকৈ লাগি থকা থোকাথোকে খেজুৰ- (১১) মানুহৰ জীৱিকাৰ ব্যৱস্থা। এইসমূহৰ জৰিয়তে আমি নিৰ্জীৱ পৃথিৱীক সজীৱ কৰি তোলো। এনেদৰেই পুনৰুত্থান কৰা হ'ব।

(১২) সিহঁতৰ পূৰ্বে অবিশ্বাস কৰিছিল- নূহৰ সম্প্ৰদায়ে, ৰাছ্ব অধিবাসী বিলাকে আৰু চামূদ সম্প্ৰদায়ে- (১৩) আদ সম্প্ৰদায়ে, ফি�ৰাউন আৰু লূতৰ ভাতৃবৃন্দই, (১৪) আইকা অধিবাসী আৰু তুব্বাৰ জাতিৰ মানুহবিলাকৰো প্ৰত্যেকে তেওঁলোকৰ ৰছুলক অস্বীকাৰ কৰিছিল। সেয়ে মোৰ সতৰ্কবাণী সত্যত পৰিণত হ'ল। (১৫) আমি প্ৰথমবাৰ সৃষ্টি কৰিবলৈ অসমৰ্থ আছিলোনেকি? তথাপি সিহঁতে দ্বিতীয়বাৰ সৃষ্টি সম্পৰ্কে সন্দেহ পোষণ কৰিছে।

(১৬) আমিয়েই মানুহক সৃষ্টি কৰিছো। তাৰ অন্তৰৰ নিভৃত কোণত জাগ্ৰত হোৱাবোৰো আমি জানো। আমি তাৰ ডিঙিৰ শিৰডালতকৈ ওচৰতে আছো। (১৭) দুজন লেখক ফিৰিস্তাই তাৰ সোঁফালে আৰু বাওঁ ফালে বহি লিপিবদ্ধ কৰি থাকে। (১৮) সি যি শব্দই উচ্চাৰণ কৰে, সতৰ্ক প্ৰহৰীয়ে সেয়া লিপিবদ্ধ কৰে।

(১৯) মৃত্যু যাতনাই সত্য উদ্ভাসিত কৰিব আৰু তাৰ পৰাই

তোমালোকে ৰক্ষা পাবলৈ চেষ্টা কৰিছিলা। (২০) এদিন শিঙা বজোৱা হ'ব। এইটোৱেই হ'ল সেইদিন যিটোৰ বিষয়ে (তোমালোকক) সাৱধান কৰি দিয়া হৈছিল। (২১) প্ৰতিজন ব্যক্তিয়েই উপস্থিত হ'ব, লগত থাকিব এজনকৈ (ফি�ৰিস্তা) চালক হিচাবে আৰু একোজনকৈ সাক্ষী থাকিব। (২২) এই সম্বন্ধে তোমালোক আওকণীয়া হৈ আছিলা। আজি তোমালোকৰ পৰা পৰ্দা আঁতৰাই দিছো, সেয়ে আজি তোমালোকৰ দৃষ্টিশক্তি প্ৰসৰ হৈছে। (২৩) তাৰ সংগী চালকে (ফিৰিস্তাই) ক'ব- 'এয়া মই তাৰ সম্পূৰ্ণ তথ্য প্ৰস্তুত কৰিছো।' (২৪) 'প্ৰতিজন কৃতঘ্ন, অবাধ্যক জাহান্নামত নিক্ষেপ কৰা- (২৫) যিজনে সৎকামত বাধা দিছিল, সীমালংঘন কৰিছিল, আনক সন্দেহ পোষণ কৰাইছিল, (২৬) আৰু আল্লাহৰ লগত আনক উপাস্য কৰি লৈছিল। এতেকে তাক কঠোৰ শাস্তিলৈ নিক্ষেপ কৰা, (২৭) তাৰ লগৰীয়া (ছয়তানে) ক'ব- 'হে মোৰ প্ৰভু, মই তাক বিদ্রোহাচৰণত লিপ্ত কৰোৱা নাছিলো; ববং সি নিজেই পথভ্ৰষ্ট হৈ বহুদূৰলৈ আঁতৰি গৈছিল।' (২৮) আল্লাহে ক'ব- 'মোৰ সন্মুখত বাক-বিতণ্ডা নকৰিবা। মই তোমালোকক আগেয়েই শাস্তিৰ বিষয়ে সতর্ক কৰি দিছিলো। (২৯) মোৰ কথা লৰচৰ নহয় আৰু মই মোৰ দাসবিলাকৰ প্ৰতি কোনো অন্যায় নকৰো।'

(৩০) সেইদিনাখন আমি জাহান্নামক সুধিম- 'তুমি পূৰামাত্ৰাই ভৰপুৰ হ'লানে?' জাহান্নামে ক'ব- 'আৰু আছেনে?' (৩১) আনহাতে জান্নাত পুণ্যবানসকলৰ নিচেই ওচৰলৈ অনা হ'ব, কোনো দূৰত্ব নাথাকে। (৩২) এয়াই, যাৰ বিষয়ে তোমালোকক প্ৰতিশ্ৰুতি দিয়া হৈছিল। তোমালোকৰ এনে প্ৰতিজন ব্যক্তিক যিজন সততে আল্লাহৰ অভিমুখী হৈছিল আৰু তেওঁক স্মৰণ কৰিছিল, (৩৩) নেদেখাকৈয়ে দয়াময়ক ভয় কৰিছিল আৰু বিনীত চিত্তে তেওঁৰ ওচৰতেই উপস্থিত হৈছিল। (৩৪) সেয়ে শান্তিৰে ইয়াত প্ৰৱেশ কৰা।

এইটোৱেই অনন্ত কালৰ জীৱনৰ দিন। (৩৫) তাত তেওঁলোকে যি বিচাৰিব, তাকে পাব আৰু আমাৰ ওচৰত আৰু বহুত আছে।

(৩৬) সিহঁতৰ পূৰ্বে আমি অনেক প্ৰজন্মক ধ্বংস কৰিলো, যিবিলাক ইহঁততকৈও অধিক পৰাক্ৰমী আছিল। সিহঁতে সমগ্ৰ দেশতে ঘূৰিলে, পিছে আশ্ৰয় ল'বলৈ কোনো ঠাই পালেনে? (৩৭) এয়া প্ৰকৃত স্মাৰক, এনে ব্যক্তিৰ বাবে যাৰ অন্তৰ আছে আৰু যিজনে একান্তমনে শুনে।

(৩৮) আমি আকাশমণ্ডল, পৃথিৱী আৰু উভয়ৰ মাজত যি আছে, সকলো ছদিনত সৃষ্টি কৰিছো আৰু আমাক অৱসাদে স্পৰ্শ কৰা নাই। (৩৯) সেয়ে সিহঁতে যি কয়, তাৰ বাবে ধৈর্য ধাৰণ কৰা আৰু তোমাৰ প্ৰভুৰ প্ৰশংসাৰ সৈতে গুণানুকীৰ্তন কৰা- সূৰ্যোদয়ৰ পূৰ্বে আৰু সূৰ্যাস্তৰ পূৰ্বে- (৪০) তেওঁৰ প্ৰশংসা কীৰ্তন কৰা নিশাৰ ভাগতো আৰু প্ৰত্যেক নামাজৰ পিছতো।

(৪১) মন দি শুনা! সিদিনাখন যেতিয়া এজন ঘোষকে নিচেই ওচৰৰ পৰা মাত দিব- (৪২) সিদিনা যেতিয়া মানুহে ভয়ংকৰ নিনাদটো শুনিবলৈ পাব, সিহঁতে (সিহঁতৰ কবৰৰ পৰা) ওলাই আহিব। (৪৩) প্ৰকৃততে আমিয়েই জীৱন দান কৰো আৰু মৃত্যু ঘটাও আৰু আমাৰ ওচৰলৈকে উভতি আহিব লাগিব। (৪৪) সিদিনা পৃথিৱীখন দীৰ্ণ-বিদীৰ্ণ হ'ব আৰু মানুহবিলাকে খৰধৰকৈ ওলাই ঢাপলি মাৰিব। সিহঁত সকলোকে সমবেত কৰা আমাৰ পক্ষে তেনেই উজু।

(৪৫) অবিশ্বাসকাৰীবিলাকে যি কয়, সেয়া আমি ভালকৈয়ে জানো। সিহঁতক বল প্ৰয়োগ কৰা তোমাৰ কাম নহয়। সেয়ে তুমি কুৰআনৰ মাধ্যমত উপদেশ দিয়া যিজনে মোৰ সতৰ্ক বাণীলৈ ভয় কৰে।

৫১. আয-যাৰিয়াহ (বিক্ষিপ্ত বতাহ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) সেই বতাহৰ শপত, যিয়ে ধূলি উৰুৱায়, (২) আৰু যেয়ে (বৃষ্টিৰ) বোজা বহন কৰে, (৩) তাৰ পিচত মৃদু গতিৰে বয়, (৪) আৰু আল্লাহৰ নিৰ্দেশক্ৰমে (সেই বৃষ্টি) বিতৰণ কৰে। (৫) তোমালোকক যি প্ৰতিশ্ৰুতি দিয়া হৈছে, সেয়া ধ্ৰুব সত্য। (৬) বিচাৰ অৱশ্যই হ'ব, (৭) তাৰকাখচিত আকাশৰ শপত, (৮) নিশ্চয় মত বিৰোধৰ মাজতে আছা (কোনটো বিশ্বাস কৰিম)। (৯) সি (সত্যৰ পৰা) ফালৰি কাটি গৈছে, মুখ ঘূৰাই লয়।

(১০) ধাৰণাৰ ভিত্তিত সিদ্ধান্ত লোৱা মানুহ ধ্বংস হওক, (১১) যিবিলাকে অজ্ঞতাত ডুব গৈ চৰমভাৱে অমনোযোগী হৈ থাকে। (১২) সিহঁতে সোধে- 'সেই শেষ বিচাৰৰ দিনটো কেতিয়া আহিব?' (১৩) সেয়া সেইটো দিন, যিদিনা সিহঁতক জ্বলন্ত অগ্নিৰ যাতনা দিয়া হ'ব। (১৪) 'বিপৰ্যয় সৃষ্টি কৰাৰ সোৱাদ গ্ৰহণ কৰা। এয়াই, যাৰ বাবে তোমালোকে খৰখেদা কৰিছিলা।' (১৫) নিশ্চয় আল্লাহক ভয় কৰোতাসকল সিদিনা উদ্যান আৰু নিজৰা প্ৰবাহিত হৈ থকা ঠাইত থাকিব। (১৬) তেওঁলোকৰ প্ৰভুৱে যি দিব, তাকে তেওঁলোকে গ্ৰহণ কৰিব। ইতিপূৰ্বে তেওঁলোকে সৎকৰ্ম কৰিছিল, (১৭) ৰাতিৰ ভাগত কমকৈ টোপনি মাৰিছিল, (১৮) পুৱতি নিশা ক্ষমা প্ৰাৰ্থনা কৰিছিল, (১৯) আৰু তেওঁলোকৰ ধন-সম্পদত খোজনীয়া আৰু অভাৱগ্ৰস্তবিলাকৰো অংশ আছে।

(২০) দৃঢ়ভাৱে বিশ্বাস স্থাপন কৰা মানুহৰ বাবে পৃথিৱীত বহু নিদৰ্শন আছে, (২১) আৰু স্বয়ং তোমালোকৰ নিজ সত্তাতো আছে। তোমালোকে এয়া দেখা নোপোৱানে? (২২) তোমালোকৰ জীৱিকা আকাশত আছে আৰু তোমালোকক দিয়া প্ৰতিশ্ৰুতিবোৰো আছে। (২৩) আকাশ আৰু পৃথিৱীৰ প্ৰভুৰ শপত, এয়া পৰম সত্য। এয়া এনেদৰে সত্য, যিদৰে সত্য তোমালোকৰ

কথা পতাৰ সক্ষমতা।

(২৪) ইব্ৰাহীমৰ সন্মানিত অতিথিসকলৰ কাহিনীটো তোমাৰ কাণত পৰিছেনে? (২৫) যেতিয়া তেওঁলোক তেওঁৰ ওচৰত উপস্থিত হ'ল, তেওঁলোকে ক'লে- 'আপোনাৰ প্ৰতি শান্তি বৰ্ষিত হওক।' তেওঁ উত্তৰ দিলে- 'আপোনালোকৰ প্ৰতিও শান্তি বৰ্ষিত হওক।' (তেওঁ নিজকে ক'লে)- এওঁলোকচোন অচিনাকী মানুহ।' (২৬) ইয়াৰ পিচত তেওঁ ততাতৈয়াকৈ গৃহিণীৰ ওচৰলৈ গ'ল আৰু এটা মঙহাল (ভজা) দামুৰি লৈ আহিল- (২৭) আৰু তেওঁলোকৰ আগত থলে। তেওঁ ক'লে- 'আপোনালোকে খোৱা নাইচোন?' (২৮) তেওঁলোকৰ প্ৰতি তেওঁৰ ভয়ৰ সঞ্চাৰ হ'ল। তেওঁলোকে ক'লে- 'ভয় নকৰিব।' এটি গুণী-জ্ঞানী পুত্ৰ সন্তান লাভ হ'ব বুলি তেওঁলোকে তেওঁক সুসংবাদ দিলে। (২৯) তেওঁৰ গৃহিণীয়ে চিঞৰ-বাখৰ কৰি আগুৰাই আহিল আৰু কপালত থপৰিয়াই থপৰিয়াই ক'লে- 'মই এজনী বন্ধ্যা, বৃদ্ধা তিৰোতা।' (৩০) তেওঁলোকে ক'লে- 'এয়াই তোমাৰ প্ৰভুৰ ইচ্ছা। তেওঁ প্ৰজ্ঞাময়, সৰ্বজ্ঞ।'

(৩১) ইব্ৰাহীমে ক'লে- 'হে আল্লাহৰ দূতসকল, আপোনালোকৰ উদ্দেশ্য কি?' (৩২) তেওঁলোকে ক'লে- 'এটি অপৰাধী জাতিৰ প্ৰতি আমাক প্ৰেৰণ কৰা হৈছে। (৩৩) যাতে আমি সিহঁতৰ ওপৰত পকা মাটিৰ চপৰা বৰষাব পাৰো, (৩৪) যিবোৰ সীমালংঘনকাৰী মানুহৰ বাবে আপোনাৰ প্ৰভুৰ দ্বাৰা চিহ্নিত কৰা আছে। (৩৫) আমি তাত থকা মুমিনসকলক তাৰ পৰা উলিয়াই আনিলো। (৩৬) কিন্তু তাত আমি মাত্ৰ এঘৰহে মুছলমান (আত্মসমৰ্পণকাৰী) পালো- (৩৭) তাত আমি এটা নিদৰ্শন ৰাখিলো, তেওঁলোকৰ বাবে যিসকলে কঠোৰ শাস্তিক ভয় কৰে।

(৩৮) মূছাৰ কাহিনীতো এটা নিদৰ্শন আছে। আমি তেওঁক স্পষ্ট চনদসহ ফিৰাউনৰ ওচৰলৈ পঠালো, (৩৯) কিন্তু সি নিজে আৰু অনুচৰবিলাকৰ

সৈতে মুখ ঘুৰালে আৰু ক'লে- 'ই এটা যাদুকৰ, নহয় ই বলিয়া।' (৪০) পিচত আমি তাক আৰু তাৰ সৈন্যবাহিনীক ধৃত কৰিলো আৰু সিহঁত সকলোকে সমুদ্রত নিক্ষেপ কৰিলো। তাৰেই (ফিৰাউনৰ) দোষ আছিল। (৪১) আদ (সম্প্রদায়) কাহিনীতো তোমালোকৰ বাবে এটা নিদর্শন আছে। আমি সিহঁতলৈ জীৱন নাশকাৰী ধুমুহা পঠাইছিলো। (৪২) ই যি বস্তুৰ ওপৰেদি প্রবাহিত হৈছিল, তাকে মহতীয়াই চূর্ণ-বিচূর্ণ কৰি থৈ গৈছিল আৰু সকলো ধূলিস্যাৎ কৰি দিছিল। (৪৩) চামূদ জাতিৰ কাহিনীতো (তোমালোকৰ বাবে আন এটা নিদর্শন আছে), যেতিয়া সিহঁতক কোৱা হৈছিল- 'কিছুদিনৰ বাবে ভোগ কৰি লোৱা।' (৪৪) কিন্তু সিহঁতে সিহঁতৰ প্রভুৰ আদেশৰ বিৰুদ্ধাচৰণ কৰিবলৈ ধৰিলে। তাৰ পিচত এটা আকস্মিক বজ্রাঘাত আহি সিহঁতক আক্রান্ত কৰিলে আৰু সিহঁত চাইয়ে ৰ'ল। (৪৫) সিহঁত পুনৰ উঠিবলৈও সক্ষম নহ'ল আৰু সিহঁতে নিজকে ৰক্ষাও কৰিব নোৱাৰিলে। (৪৬) সিহঁতৰ পূর্বে নূহৰ জাতিৰ মানুহবিলাকো (আমি ধ্বংস কৰিছিলো)। কিয়নো সিহঁত নিশ্চয় জঘন্য পাপিষ্ঠ আছিল।

(৪৭) আমি আমাৰ নিজ ক্ষমতাৰে জগত নিমার্ণ কৰিছো। ইয়াক আমি বিস্তাৰিতও কৰিছো। (৪৮) আমিয়েই পৃথিৱীখন পাৰি দিছো আৰু কেনে সুন্দৰভাৱে আমি ইয়াক পাৰি দিছো। (৪৯) আৰু প্রতিটো বস্তুকে আমি যোৰ যোৰকৈ সৃষ্টি কৰিছো যাতে তোমালোকে চিন্তা-চর্চা কৰা। (৫০) সেয়ে আল্লাহৰ পিনে ধাবিত হোৱা। মই তেওঁৰ পক্ষৰ পৰা তোমালোকলৈ অহা এজন প্রকাশ্য সতর্ককাৰী। (৫১) তোমালোকে আল্লাহৰ লগত আন কাকো উপাস্য কৰি নল'বা। তেওঁৰ পক্ষৰ পৰা অহা মই এজন প্রকাশ্য সতর্ককাৰী।

(৫২) এনেদৰে তোমালোকৰ পূর্বৱর্তী মানুহবিলাকৰ প্রতি এনে কোনো ৰছুল অহা নাছিল, যিজনক সিহঁতে কোৱা নাছিল- 'এওঁ এজন যাদুকৰ বা এজন বলিয়া।' (৫৩) সিহঁতে এই বিষয়ে পৰস্পৰাগতভাৱে অচিয়ত কৰি

গৈছে নেকি? আচলতে সিহঁত এটা সীমালংঘনকাৰী স্বেচ্ছাচাৰী জাতি। (৫৪) সেয়ে সিহঁতক এৰাই চলা। তোমালোকৰ কোনো দোষ নহয়। (৫৫) কিন্তু উদ্বোদ্ধ কৰি থাকা। কিয়নো এনে উদ্বোদ্ধতাত মুমিনসকলৰ উপকাৰ হ'ব।

(৫৬) মই জ্বিন আৰু মানুহক এইবাবেই সৃষ্টি কৰিছো যাতে সিহঁতে কেৱল মোৰহে উপাসনা কৰে। (৫৭) মই সিহঁতৰ পৰা কোনো জীৱিকা নিবিচাৰো আৰু মোৰ কোনো প্রয়োজনো নাই যে সিহঁতে মোক আহাৰ যোগান ধৰক। (৫৮) তেৱেঁই আল্লাহ, যিজন মহান জীৱিকাদাতা। তেওঁ মহা ক্ষমতাশালী, অজেয়। (৫৯) অন্যায়কাৰী মানুহবিলাকে এনে শাস্তি পাব, যেনেদৰে সিহঁতৰ পূর্বপুৰুষসকলে পাইছিল। সেয়ে সিহঁতে (শাস্তিৰ পৰা) খৰখেদা কৰিব নালাগে। (৬০) অবিশ্বাসকাৰীবিলাকৰ সেইদিন বিনাশ হ'ব, যি দিনটোৰ প্রতিশ্রুতি সিহঁতক দিয়া হৈছিল।

৫২. আত-তূৰ (চিনাই পর্বত)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত তূৰ পর্বতৰ, (২) লিপিবদ্ধ পুথিৰ, (৩) চেপেটা পাতল চামৰাত, (৪) আৰু শপত সঘনে আবাদ গৃহটোৰ, (৫) আৰু শপত সুউচ্চ ছাদৰ, (৬) আৰু শপত উত্তাল সমুদ্রৰ, (৭) নিশ্চয় তোমাৰ প্রভুৰ শাস্তি আহিবই, (৮) ইয়াক কোনোৱে প্রতিৰোধ কৰিব নোৱাৰে, (৯) যিদিনা আকাশখন প্রচণ্ডভাৱে আন্দোলিত হ'ব, (১০) আৰু পর্বতবোৰ উৰি ফুৰিব, (১১) সেইদিনা দুর্ভোগ হ'ব, সত্য অগ্রাহ্যকাৰী মানুহৰ- (১২) যিবিলাকে কথাৰে ছলেৰে নিজকে ফালৰি কটাই নিয়ে- (১৩) সেইদিনা সিহঁতক নিষ্ঠুৰতাৰে ঠেলি-হেঁচি জাহান্নামৰ অগ্নিলৈ নিয়া হ'ব- (১৪) এইখনেই

জাহান্নাম, যিখনক তোমালোকে বিশ্বাস কৰা নাছিলা। (১৫) এয়া যাদুনে? নে তোমালোকে দেখা নাই? (১৬) এতিয়া ইয়াত প্ৰৱেশ কৰা। তোমালোকে ধৈর্য ধাৰণ কৰা বা অধৈর্য হোৱা, কোনো পার্থক্য নহয়। তোমালোকে যি কৰিছিলা, কেৱল মাথো তাৰেই প্ৰতিফল দিয়া হৈছে।

(১৭) নিশ্চয় খোদাভীৰুসকল (সিদিনা) উদ্যানত অপাৰ অনুগ্ৰহত থাকিব, (১৮) তেওঁলোকৰ প্ৰভুৱে তেওঁলোকক যি দিব, তাতে তেওঁলোক প্ৰফুল্ল হ'ব। তেওঁলোকৰ প্ৰভুৱে তেওঁলোকক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰিব। (১৯) তোমালোকৰ কর্মৰ প্ৰতিদান স্ৱৰূপে উৎফুল্লমনে খোৱা-বোৱা আৰু পান কৰা।' (২০) শাৰী শাৰীকৈ পাতি থোৱা আসনত আউজী বহিব। আমি তেওঁলোকক সুন্দৰী মৃগনয়নী যুৱতীসকলৰ লগত বিবাহ পাতি দিম।

(২১) যিসকলে বিশ্বাস স্থাপনতে অধিস্থিত থাকে আৰু তেওঁলোকৰ সন্তানসকলেও যদি বিশ্বাস স্থাপন কৰি তেওঁলোকক অনুসৰণ কৰে, তেনেহ'লে তেওঁলোকৰ লগতে সন্তানসকলকো একত্ৰিত কৰিম আৰু তেওঁলোকৰ সৎকর্মৰ ফল নিদিয়াকৈ নাথাকো। প্ৰত্যেক ব্যক্তি নিজ কৃতকর্মৰ বাবে নিজে দায়বদ্ধ। (২২) আমি তেওঁলোকৰ হেঁপাহ অনুযায়ী পর্যাপ্ত পৰিমাণে ফলমূল আৰু মাংস যোগান ধৰিম। (২৩) তেওঁলোকে পৰস্পৰে পানপাত্ৰবোৰ আদান-প্ৰদান কৰিব। (সেয়া খালে) কোনো অপলাপ নবকে আৰু পাপতো লিপ্ত নহয়। (২৪) তাত তেওঁলোকক চিৰ কিশোৰবিলাকে সর্বদা পৰিচর্যা কৰিব, যেনিবা ঢাকি ৰখা সুৰক্ষিত মুকুতাহে। (২৫) তেওঁলোকে পৰস্পৰে কথা-বতৰা পাতি ইজনে সিজনক সোধা-সুধি কৰিব, (২৬) ইয়াৰ আগেয়ে আমি যেতিয়া পৰিয়ালবর্গৰ লগত আছিলো, আল্লাহৰ অসন্তুষ্টিৰ ভয়ত শংকিত আছিলো। (২৭) আল্লাহে আমাৰ প্ৰতি অনুগ্ৰহ কৰিলে আৰু আমাক দগ্ধ কৰা জাহান্নামৰ উত্তপ্ত শাস্তিৰ পৰা ৰক্ষা কৰিলে। (২৮) ইয়াৰ পূর্বে আমি তেওঁৰেই উপাসনা কৰিছিলো। নিশ্চয় তেওঁ অতি সুহৃদয়, পৰম দয়ালু।

(২৯) সেয়ে অবিৰতভাৱে উপদেশ দিয়েই থাকা। তোমাৰ প্ৰভুৰ কৃপাত তুমি গণক নহয় আৰু বলিয়াও নহয়। (৩০) যদি সিহঁতে কয়- 'তেওঁ এজন কবি। তেওঁ বিপদত পতিত হোৱালৈকে আমি প্ৰতীক্ষাত আছো।' (৩১) (সিহঁতক) কোৱা- 'অপেক্ষা কৰা, ময়ো তোমালোকৰ লগতে অপেক্ষা কৰি আছো'- (৩২) সিহঁতৰ মানসিকতাই এনে ক'বলৈ সিহঁতক উদ্বুদ্ধ কৰে নেকি? নে প্ৰকৃতপক্ষে সিহঁত ঔদ্ধত্যকাৰী মানুহ? (৩৩) নাইবা সিহঁতে কয় নেকি- 'এইখন (কুৰআন) তেওঁ নিজেই ৰচনা কৰি লৈছে?' আচলতে সিহঁত বিশ্বাস স্থাপন কৰিবলৈ ইচ্ছুক নহয়। (৩৪) সিহঁতে ইয়াৰ অনুৰূপ এটি বাণী ৰচনা কৰি আনকছোন, যদি সিহঁতে সঁচাই কৈছে।

(৩৫) কোনো সৃষ্টিকৰ্তা অবিহনে সিহঁত সৃষ্টি হৈছে নেকি? নাইবা সিহঁতে নিজে নিজৰ স্ৰষ্টা নেকি? (৩৬) আকাশমণ্ডল আৰু পৃথিৱী সিহঁতেই সৃষ্টি কৰিছে নেকি? নাই কৰা। আচলতে সিহঁতে বিশ্বাস নকৰে। (৩৭) তোমাৰ প্ৰভুৰ ধন-ভাণ্ডাৰ সিহঁতে লাভ কৰিছে নেকি? নাইবা সিহঁতক এইবোৰৰ সৰ্বময় অধিকাৰী কৰা হৈছে নেকি? (৩৮) সিহঁতৰ ওচৰত এনে কোনো জখলা আছে নেকি, যাৰ জৰিয়তে সিহঁতে আকাশলৈ গৈ ঊর্ধজগতৰ কথা শুনিব পাৰে? যদি সেয়ে হয়, তেনেহ'লে সিহঁতৰ শুনোতাবিলাকে কোনো প্ৰত্যক্ষ প্ৰমাণ লৈ আহকছোন! (৩৯) আল্লাহৰ বাবে কন্যা সন্তান আছে অথচ তোমালোকৰ বাবে পুত্ৰ সন্তান আছে নেকি?

(৪০) নাইবা তুমি সিহঁতৰ পৰা কিবা পাৰিতোষিক বিচাৰিছা নেকি, যাৰ কৰৰ বোজাত সিহঁত জুৰুলা হৈ পৰিছে? (৪১) অদৃশ্য জ্ঞানত সিহঁতৰ এনে কোনো দখল আছে নেকি, যাৰ ভিত্তিত সেয়া সিহঁতে লিখি লয়। (৪২) সিহঁতে কোনো কূটকৌশল কৰিব বিচাৰিছে নেকি? তেনেহ'লে অবিশ্বাসকাৰীবিলাকেই ওলটাই এই কূটকৌশলৰ বলি হ'ব। (৪৩) আল্লাহৰ ব্যতীত সিহঁতৰ আন কোনো উপাস্য আছে নেকি? (তেওঁৰ লগত) সিহঁতে

যিবিলাকক অংশী কৰি লৈছে, আল্লাহ সিবিলাকৰ পৰা পৱিত্ৰ।

(৪৪) আকাশৰ এটুকুৰা ভাগি পৰা দেখিলেও সিহঁতে ক'ব- 'এয়াতো এডোখৰ পুঞ্জীভূত মেঘহে।' (৪৫) সেয়ে সিহঁতক সেই দিনটোলৈকে নিজ অৱস্থাত থাকিবলৈ দিয়া, যিদিনা সিহঁত নিৰ্বাক হৈ পৰিব। (৪৬) সিহঁতৰ চক্ৰান্ত সেইদিনা সিহঁতৰ কোনো কামত নাহিব আৰু সিহঁতক উদ্ধাৰ কৰোতাও কোনো নহ'ব। (৪৭) অন্যায়কাৰীবিলাকৰ কাৰণে ইয়াৰোপৰিও আৰু শাস্তি আছে, কিন্তু সিহঁতৰ অধিকাংশমানুহে সেয়া নাজানে।

(৪৮) তোমাৰ প্ৰভুৰ মীমাংসা নহালৈকে ধৈৰ্য ধাৰণ কৰা। নিশ্চয় তুমি আমাৰ নজৰত আছা। যেতিয়া তুমি (শুৱাৰ পৰা) জাগি উঠিবা, তেতিয়া তোমাৰ প্ৰভুৰ স্তুতি আৰু মহিমা কীৰ্তন কৰিবা- (৪৯) নিশাৰ ভাগতো তেওঁৰ স্তুতি কৰিবা আৰু তৰাবোৰ অস্তমিত হোৱাৰ সময়তো কীৰ্তন কৰিবা।

৫৩. আন-নাজম (অস্তগামী তাৰকা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) অস্তগামী তৰাৰ শপত, (২) তোমালোকৰ সংগীজন পথভ্ৰষ্ট হোৱা নাই আৰু আওবাটেও যোৱা নাই। (৩) তেওঁ মনে সজা কথাও নকয়। (৪) এইখন (কুৰআন) তেওঁৰ প্ৰতি প্ৰত্যাদেশ হোৱা ঐশীবাণীহে। (৫) তেওঁক এনে এজন মহা শক্তিশালী সত্তাই শিকায়, (৬) যিজন অতি প্ৰজ্ঞাময়। সময়ত তেওঁ নিজ আকৃতিৰে প্ৰকাশমান (৭) তেওঁ উৰ্ধতম দিগন্তত উপস্থিত হ'ল। (৮) পিচত তেওঁ ওচৰ চাপিল, (৯) দুয়োৰে মাজত দুখন ধেনুৰ দূৰত্বৰ ব্যৱধান কিংবা তাতোকৈ কম ব্যৱধান ৰ'ল; (১০) আৰু আল্লাহে তেওঁৰ দাসৰ প্ৰতি যি (অহী) প্ৰত্যাদেশ কৰিব লগীয়া আছিল, সেয়া প্ৰত্যাদেশ কৰিলে। (১১) তেওঁৰ (নবীৰ) অন্তৰে যি দেখিছিল, সেয়া তেওঁ অবিশ্বাস কৰা নাছিল। (১২) তোমালোকে এতিয়া সেই বিষয় লৈ বাক-বিতণ্ডা কৰিবানে, যি তেওঁ

নিজ চকুৰে দেখিছিল? (১৩) নিশ্চয় তেওঁ সেইজনাক আৰু এবাৰ নামি অহা দেখিছিল, (১৪) 'ছিদৰাতুল মুনতাহাৰ' ওচৰলৈ (অন্তিম সীমাত থকা বগৰীৰ গছজোপালৈ, যাৰ সীমা কোনোৱে অতিক্রম কৰিব নোৱাৰে)। (১৫) যাৰ কাষতেই আছে 'জান্নাতুল মাওৱা'- (স্বৰ্গৰ অনন্তকালৰ বাসস্থল)। (১৬) যেতিয়া এক অতীন্দ্রিয় আৱৰণে বগৰী গছজোপাক আৱৰি আছিল। (১৭) তেওঁৰ দৃষ্টি ভ্রম হোৱা নাছিল আৰু সীমাও লংঘন কৰা নাছিল। (১৮) তেওঁ তেওঁৰ প্রভুৰ কিছুমান মহান নিদর্শনাৱলী দেখা পাইছিল।

(১৯) তোমালোকে কেতিয়াবা ভাবি চাইছানে, 'লাত', আৰু 'উজ্জা'ৰ স্বৰূপ সম্পর্কে, (২০) আৰু তৃতীয় হ'ল 'মানাত' ৰ স্বৰূপ সম্পর্কে? (২১) কি! তোমালোকৰ বাবে আছে পুত্র সন্তান আৰু আল্লাহৰ বাবে আছে কন্যা সন্তান? (২২) আচলতে এয়া বৰ অবিচাৰ বণ্টন। (২৩) প্রকৃতাৰ্থত এইবোৰ একো নহয়, তোমালোক আৰু তোমালোকৰ পিতৃ-পুৰুষসকলে দিয়া কিছুমান নামহে মাথোন। ইয়াৰ সপক্ষে আল্লাহে কোনো চনদ পঠোৱা নাই। সিহঁতে অমূলক ধ্যান-ধাৰণা অনুসৰণ কৰি চলিছে আৰু কামনা-বাসনাৰ ভকত হৈ পৰিছে। যদিও ইতিমধ্যে সিহঁতৰ প্রভুৰ পৰা সিহঁতলৈ পথ নিদের্শনা আহিছিল। (২৪) মানুহে যি বাঞ্ছা কৰে, তাকে সি পাবনে? (২৫) এইজনাই আল্লাহ, ইহকাল আৰু পৰকালৰ গৰাকী।

(২৬) আকাশত অগণন ফিৰিস্তা আছে; কিন্তু তেওঁলোকৰ কাৰো মধ্যস্থতা কোনো কামত নাহিব যেতিয়ালৈকে আল্লাহে যাক অনুমতি নিদিয়ে আৰু যাক পচন্দ কৰি বাচি নলয়। (২৭) যিবিলাক মানুহে পৰকাল বিশ্বাস নকৰে, সিহঁতে ফিৰিস্তাসকলক নাৰীসূচক নাম দিয়ে; (২৮) অথচ এই বিষয়ে সিহঁতৰ কোনো জ্ঞান নাই। সিহঁতে কিছুমান অমূলক ধাৰণা অনুসৰণ কৰি চলে। ধাৰণা কেতিয়াও সত্যৰ বিকল্প হ'ব নোৱাৰে। (২৯) সিহঁতক এৰাই চলা, যিবিলাকে আমাৰ নিদর্শনৰ প্রতি পিঠি দিয়ে আৰু এই পার্থিৱ জীৱনৰ

বাহিৰে আন একো নিবিচাৰে। (৩০) এয়াই সিহঁতৰ জ্ঞানৰ পৰিসৰ। নিশ্চয় তোমাৰ প্ৰভুৱে ভালকৈয়ে জানে কোন তেওঁৰ পৰা বিচ্যুত হৈছে আৰু তেওঁ ভালকৈয়ে জানে কোনে তেওঁৰ উপদেশ মানি চলে।

(৩১) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলো আল্লাহৰেই। সেয়ে যেয়ে অপকৰ্ম কৰে, তেওঁ তেওঁলোকক সিহঁতৰ কৃতকৰ্ম অনুসৰি প্ৰতিফল দিব আৰু যিসকলে সৎকৰ্ম কৰে, তেওঁলোকক উত্তম প্ৰতিদান দিব। (৩২) যিবিলাকে সৰু-সুৰা অপৰাধ কৰি পেলায়, অথচ মহাপাপ আৰু অশ্লীলতাৰ পৰা বিৰত থাকে, নিশ্চয় তোমাৰ প্ৰভু অসীম ক্ষমাশীল। তেওঁ তোমালোকক ভালকৈয়ে জানে যেতিয়া তেওঁ তোমালোকক মাটিৰ পৰা সৃষ্টি কৰিছিল আৰু যেতিয়া ভ্ৰূণ অৱস্থাত তোমালোক মাতৃৰ গৰ্ভত আছিলা। সেয়ে তোমালোকে নিজকে বৰ পৱিত্ৰ বুলি জহাই নুফুৰিবা। প্ৰকৃত নীতিপৰায়ণ কোন, সেয়া তেওঁ (আল্লাহে) ভালকৈয়ে জানে।

(৩৩) (হে নবী) তুমি সেইজন ব্যক্তিক দেখিছানে, যিজনে উভতি আঁতৰি গ'ল- (৩৪) যিজনে প্ৰথমে যৎসামান্য দি আৰু একো নিদিয়া হ'ল, (৩৫) অদৃশ্যৰ বিষয়ে তাৰ জ্ঞান আছেনে যে সি দেখিবলৈ পাইছে? (৩৬) তাক সেইবোৰ অৱগত কৰা হোৱা নাছিল নেকি, যিবোৰ বৰ্ণিত হৈছে মূছাৰ পুথিত? (৩৭) আৰু ইব্ৰাহীমৰ পুথিতো, যিজনে নিজ দায়িত্ব পালন কৰিছিল। (৩৮) আৰু এই যে, কোনো মানুহে আন মানুহৰ (পাপৰ) বোজা বহন নকৰে, (৩৯) আৰু এই যে, মানুহে যিহৰ বাবে চেষ্টা কৰে, সেয়াহে লাভ কৰে। (৪০) আৰু এই যে, (চেষ্টাৰ প্ৰতিফল) অনতিপলমে দেখিবলৈ পাব, (৪১) আৰু এই যে, পিচত পূৰ্ণমাত্ৰাই তাৰ প্ৰতিফল তাক দিয়া হ'ব। (৪২) আৰু এই যে, অৱশেষত সকলোৱে তোমাৰ প্ৰভুৰ ওচৰলৈ আহিব লাগিব, (৪৩) আৰু এই যে, তেৱেঁই হঁহুৱায়, তেৱেঁই কন্দুৱায়, (৪৪) আৰু এই যে, তেৱেঁই মৃত্যু ঘটায় আৰু জীৱন দান কৰে, (৪৫) আৰু এই যে, তেৱেঁই

পুৰুষ আৰু নাৰী দুই লিংগৰ সৃষ্টি কৰিছে, (৪৬) স্খলিত বীৰ্যৰ এটি টোপালৰ পৰা, (৪৭) আৰু এই যে, তেৱেঁই তোমালোকক দ্বিতীয়বাৰ সৃষ্টি কৰিব। (৪৮) আৰু এই যে, তেৱেঁই ধন-সম্পদ দান কৰে আৰু ধনবান কৰে। (৪৯) আৰু এই যে, তেৱেঁই 'ছৰা' তৰাৰ প্ৰভু।

(৫০) এইজনা তেৱেঁই, যিজনাই প্ৰাচীন আদ জাতিক সম্পূৰ্ণৰূপে ধ্বংস কৰিছিল। (৫১) আৰু চামূদ জাতিকো যে, সিহঁতৰ কাকো অৱশিষ্ট নাৰাখিলে- (৫২) সিহঁতৰ পূৰ্বে নূহৰ জাতিকো ধ্বংস কৰিলে। কিয়নো সিহঁত অতিশয় অত্যাচাৰী আৰু অবাধ্য আছিল। (৫৩) আৰু তেওঁ সেই ধ্বংসপ্ৰাপ্ত জনবসতি (ছদম আৰু গোমোৰা) লুটিয়াই পেলাইছিল। (৫৪) পিচত সিহঁতক এনে আৱৰণেৰে ঢাকি পেলালে যে দৃশ্যহীন হ'ল। (৫৫) সেয়ে তুমি তোমাৰ প্ৰভুৰ কোনটো নিদৰ্শনৰ প্ৰতি সন্দেহ পোষণ কৰিবা?

(৫৬) অতীতত অহা সতৰ্কবাণীৰ দৰে এইটোও এটা সতৰ্কবাণী, (৫৭) আহিব লগীয়া শেষ মুহূৰ্তটো আহি ওচৰ পাইছেহি। (৫৮) আল্লাহৰ বাহিৰে কোনোৱে ইয়াক ব্যাহত কৰিব নোৱাৰে। (৫৯) এইবোৰ কথাকেই তোমালোকে বিস্ময় মানিছা নেকি? (৬০) তোমালোকে কন্দা নাই, হাঁহিছাহে দেখোন? (৬১) তোমালোকে অহংকাৰ কৰি এৰাই চলিব বিচাৰিছা নেকি? (৬২) তোমালোকে আল্লাহক ছিজদা (প্ৰণিপাত) কৰা আৰু তেওঁৰেই উপাসনা কৰা।

৫৪. আল-কামাৰ (চন্দ্ৰ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) কিয়ামত ওচৰ পালেহি আৰু চন্দ্ৰটোৱে ফাঁট মেলিলেহি, (২) তথাপি কোনো নিদৰ্শন দেখিলেও সিহঁতে (সত্য অস্বীকাৰীয়ে) মুখ ঘুৰাই লয় আৰু কয়- 'এয়া চিৰাচৰিত যাদু।' (৩) সিহঁতে সত্যক অগ্ৰাহ্য কৰে আৰু নিজ

প্ৰবৃত্তিৰ অনুসৰণ কৰে। প্ৰত্যেক বস্তুৰেই এটা নিজস্ব নিৰ্ধাৰিত সময় আছে। (৪) সিহঁতৰ ওচৰলৈ সেই বাতৰি আহি পাইছেহি, য'ত সাৱধান বাণী আছে, (৫) গুঢ় তত্ত্বজ্ঞান আছে, কিন্তু এই সকলো সতৰ্কবাণী সিহঁতৰ কোনো কামত নাহে। (৬) সেয়ে সিহঁতক এৰাই চলা। যিদিনা আহবানকাৰীয়ে অপ্ৰীতিকৰ পৰিস্থিতিৰ পিনে আহবান কৰিব, (৭) সেইদিনা সিহঁতে অৱনমিত নয়েনেৰে কবৰৰ পৰা ওলাব, যেনিবা বিক্ষিপ্ত কাকতি ফৰিংহে। (৮) আহবানকাৰীৰ পিনে ঢপলিয়াই যাব। যিবিলাকে অস্বীকাৰ কৰিছিল, সিহঁতে ক'ব- 'এইটো বৰ কঠিন দিন।'

(৯) সিহঁতৰ পূৰ্বে নূহৰ জাতিৰ মানুহবিলাকেও (এই সত্য) অস্বীকাৰ কৰিছিল। অস্বীকাৰকাৰীবিলাকে আমাৰ ৰছুলক কৈছিল- 'এওঁ এজন বলিয়া মানুহ।' তেওঁক তিৰস্কাৰ কৰি প্ৰত্যাখ্যান কৰা হ'ল। (১০) সেয়ে তেওঁ তেওঁৰ প্ৰভুক প্ৰাৰ্থনা কৰি ক'লে- 'মই পৰাভূত হ'লো। সেয়ে মোক সহায় কৰা।' (১১) তেতিয়া আমি আকাশৰ দুৱাৰবোৰ খুলি দি ধাৰাযাৰে বৰষুণ বৰষালো, (১২) আৰু মাটি ফুটাই হেজাৰ-বিজাৰ নিজৰা সৃষ্টি কৰিলো। এই আটাইখিনি পানীৰ ধাৰ এটি নিৰ্ধাৰিত উদ্দেশ্য পূৰণৰ বাবে লগ লাগিল। (১৩) আমি তেওঁক এখন নাৱত আৰোহন কৰালো, যিখন তখতাত ঠিলা মাৰি নিমাৰ্ণ কৰা হৈছিল। (১৪) সেইখন আমাৰ প্ৰত্যক্ষ তত্ত্বাৱধানত চলিছিল। এয়া যিজনক প্ৰত্যাখ্যান কৰা হৈছিল, তেওঁক প্ৰতিষ্ঠিত কৰা হ'ল। (১৫) ইয়াক আমি নিদৰ্শন স্বৰূপে ৰাখি থলো। জ্ঞান লাভ কৰিবলৈ আছেনে কোনোবা? (১৬) কেনে ভয়ানক আছিল মোৰ শাস্তি আৰু কেনে কঠোৰ আছিল মোৰ সতৰ্কবাণী! (১৭) জ্ঞান লাভ কৰিবৰ বাবে আমি কুৰআনখন সহজ কৰি দিছো। ইয়াৰ পৰা উপদেশ গ্ৰহণ কৰোতা কোনোবা আছেনে?

(১৮) আ'দ জাতিয়েও অবিশ্বাস কৰিছিল। চোৱা, কেনে ভয়ানক আছিল মোৰ শাস্তি আৰু কেনে কঠোৰ আছিল মোৰ সতৰ্কবাণী! (১৯) আমি সিহঁতৰ

প্ৰতি পচণ্ড ধুমুহা প্ৰেৰণ কৰিছিলো সিহঁতৰ ঘোৰ দুৰ্দিন চলি থকা সময়তে। (২০) সেই ধুমুহাই সিহঁতক এনেদৰে এছাৰি পেলাইছিল, যেনিবা উঘালি পেলোৱা খেজুৰ গছৰ গুৰিহে। (২১) কেনে ভয়ানক আছিল মোৰ শাস্তি আৰু মোক সতৰ্কবাণী! (২২) জ্ঞান লাভ কৰিবৰ বাবে আমি কুৰআনখন সহজ কৰি দিছো। ইয়াৰ পৰা উপদেশ গ্ৰহণ কৰোতা কোনোবা আছেনে?

(২৩) চামূদ জাতিৰ মানুহবিলাকেও আমাৰ সতৰ্কবাণী অগ্ৰাহ্য কৰিছিল। (২৪) সিহঁতে কৈছিল- 'আমাৰ মাজৰেই এজন মানুহক আমি অনুসৰণ কৰিমনে? তেনেহ'লে নিশ্চয় আমি বিভ্ৰান্ত হ'লো আৰু আমাৰ মগজুৰ বিকাৰ ঘটিল। (২৫) আমাৰ মাজৰ কেৱল এওঁৰ প্ৰতিয়েই (ঐশী) বাণী অৱতীৰ্ণ হ'লনে? তেনে নহয়, এওঁ উদ্ধত, মিছলীয়া।' (২৬) (আমি তেওঁক ক'লো)- 'কাইলৈকে সিহঁতে গম পাব, কোন দাম্ভিক, ঘোৰ মিছলীয়া। (২৭) সিহঁতৰ পৰীক্ষা স্বৰূপে আমি মাইকী উটজনীক সিহঁতলৈ পঠাম, সেয়ে সিহঁতক প্ৰত্যক্ষ কৰা আৰু ধৈর্য ধৰা। (২৮) সেই মানুহবিলাকক জনাই দিয়া যে, (কুঁৱাৰ) পানী খোৱাৰ বাবে সিহঁতৰ মাজত পাল পাতি দিয়া হ'ব আৰু প্ৰত্যেকেই নিজৰ পাল মতে পানী খাবলৈ আহিব।' (২৯) কিন্তু সিহঁতে সিহঁতৰ লগৰীয়া এজনক মাতি আনিলে। সি এখন তৰোৱাল ল'লে আৰু উটজনীৰ পিছ ঠেঙৰ শিৰ কাটি বধ কৰিলে। (৩০) কেনে ভয়ানক আছিল মোৰ শাস্তি আৰু কেনে কঠোৰ আছিল মোৰ সতৰ্কবাণী! (৩১) সিহঁতৰ প্ৰতি আমি মাত্ৰ এটা ভয়ংকৰ নিনাদ প্ৰেৰণ কৰিছিলো, ফলত গোহালি সজা ডাল-পাতবোৰ পচি জাঁহ যোৱাৰ দৰে সিহঁতৰ অৱস্থা হ'ল। (৩২) জ্ঞান লাভ কৰিবৰ বাবে কুৰআনখন সহজ কৰি দিছো। ইয়াৰ পৰা উপদেশ গ্ৰহণ কৰোতা কোনোবা আছেনে?

(৩৩) লূত জাতিৰ মানুহবিলাকেও আমাৰ সতৰ্ককাৰীসকলক অস্বীকাৰ কৰিছিল। (৩৪) আমি সিহঁতলৈ শিল-বৰষুণেৰে সৈতে ধুমুহা পঠালো, যিয়ে

সিহঁতক ধ্বংস কৰিলে, কেৱল লূতৰ পৰিয়ালহে তাৰ পৰা পৰিত্রাণ পালে। আমি তেওঁলোকক শেষ প্ৰহৰত উলিয়াই আনি বচালো- (৩৫) আমাৰ বিশেষ অনুগ্ৰহ স্বৰূপে। কৃতজ্ঞসকলক আমি এনেদৰেই পুৰস্কৃত কৰো। (৩৬) লূতে সিহঁতক আমাৰ কঠোৰ শাস্তিৰ বিষয়ে সতৰ্ক কৰি দিছিল; কিন্তু সিহঁতে সতৰ্কবাণী সম্পৰ্কে বিতৰ্কহে কৰিবলৈ ধৰিলে। (৩৭) আনকি সিহঁতে তেওঁৰ অতিথিসকলৰ লগত অসৎ কৰ্ম চৰিতাৰ্থ কৰিব বিচাৰিলে; কিন্তু আমি সিহঁতৰ দৃষ্টিশক্তি লোপ কৰি দিলো আৰু ক'লো- 'এতিয়া মোৰ শাস্তিৰ সোৱাদ লোৱা মোৰ শাস্তিক অৱজ্ঞা কৰাৰ পৰিণাম স্বৰূপে।' (৩৮) পুৱতি নিশাতে নিৰ্দেশিত শাস্তি আহি সিহঁতৰ ওপৰত পৰিল। (৩৯) 'এতিয়া মোৰ শাস্তিৰ সোৱাদ লোৱা, মোৰ শাস্তিক অৱজ্ঞা কৰাৰ পৰিণাম স্বৰূপে।' (৪০) জ্ঞান আহৰণৰ বাবে আমি কুৰআনখন সহজ কৰি দিছো। ইয়াৰ পৰা উপদেশ গ্ৰহণ কৰোতা কোনোবা আছেনে?

(৪১) ফিৰাঊনৰ মানুহবিলাকৰ প্ৰতিও সতৰ্ককাৰী আহিছিল। (৪২) সিহঁতেও আমাৰ নিদৰ্শনসমূহ অগ্ৰাহ্য কৰিছিল, গতিকে মহা পৰাক্ৰমী, সৰ্বশক্তিমানজনে যেনেকৈ ধৰিব লাগে, তেনেকৈয়ে আমি সিহঁতক ধৰিলো।

(৪৩) তোমালোকৰ অবিশ্বাসকাৰী মানুহবিলাক সেই মানুহবিলাকতকৈ শ্ৰেষ্ঠনে? নাইবা ঐশী পুথিসমূহত তোমালোকৰ দায়মুক্তৰ কোনো কথা লিখা আছে নেকি? (৪৪) অথবা সিহঁতে কয় নেকি- 'আমি এটি ঐক্যবদ্ধ গোট, আমি নিজকে ৰক্ষা কৰিব পাৰিম?' (৪৫) এই ঐক্যবদ্ধ গোটটো অনতিপলমে পৰাজিত হ'ব আৰু সিহঁত আটায়ে পাছ দি পলায়ন কৰিব। (৪৬) অৱশ্যে কিয়ামত সিহঁতৰ নিৰ্ধাৰিত সময় আৰু এই কিয়ামত অতি ভয়াবহ আৰু তিক্তকৰ মুহূৰ্ত। (৪৭) নিশ্চয় পাপী-অপৰাধীবিলাক ভুল পথত পতিত হৈ আছে আৰু সিহঁত অজ্ঞতাত আছে। (৪৮) সিদিনাখন সিহঁতক উবুৰি খুৱাই চোঁচৰাই জাহান্নামলৈ টানি নিয়া হ'ব আৰু সিহঁতক কোৱা হ'ব- 'এতিয়া

জাহান্নামৰ স্পৰ্শৰ সোৱাদ ল'।'

(৪৯) আমি প্ৰত্যেকটো বস্তু পৰিমিত ভাবে সৃষ্টি কৰিছো। (৫০) আমাৰ সিদ্ধান্তই চূড়ান্ত আৰু সেয়া চকুৰ পলকতে কাৰ্যকৰী কৰা হয়। (৫১) নিশ্চয় আমি তোমালোকৰ দৰে বহু মানুহক ধ্বংস কৰি দিছো। তাৰ পৰা উপদেশ লওতা কোনোবা আছেনে? (৫২) সিহঁতে যিবোৰ কৰিছিল, সেই সকলো সিহঁতৰ কাৰ্য বিৱৰণিত লিখা আছে। (৫৩) আৰু প্ৰতিটো সৰু-বৰ কথা লিপিবদ্ধ হৈ আছে। (৫৪) নিশ্চয় মুত্তাকী (পুণ্যবান) সকল থাকিব উদ্যান আৰু নিজৰাবোৰৰ মাজত, (৫৫) তেওঁলোক বহি থাকিব মৰ্যাদাপূৰ্ণ স্থানত, মহা শক্তিধৰ সম্ৰাটৰ সান্নিধ্যত।

৫৫. আৰ-ৰহমান (পৰম কৰুণাময়)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) পৰম কৰুণাময়, (২) যিজনে কুৰআনৰ শিক্ষা দিলে, (৩) তেৱেঁই মানৱ সৃষ্টি কৰিলে, (৪) আৰু তাক কথা ক'বলৈ শিকালে, (৫) সূৰ্য আৰু চন্দ্ৰ এটি নিৰ্ধাৰিত হিচাবত আৱৰ্তন কৰি আছে। (৬) নক্ষত্ৰ আৰু গছ-গছনিয়ে ছিজদাহ (প্ৰণিপাত) কৰে। (৭) তেৱেঁই আকাশখন উচ্চত স্থাপন কৰিছে আৰু ভাৰসাম্য স্থাপন কৰিছে, (৮) যাতে তোমালোকে ভাৰসাম্যত ব্যাঘাত নজন্মোৱা, (৯) তোমালোকে ন্যায়ভাৱে সঠিকৰূপে জোখ-মাখ কৰিবা আৰু ওজনত কম কৰি নিদিবা। (১০) তেওঁ এই পৃথিৱীখন তেওঁৰ সৃষ্ট জীৱৰ কাৰণে স্থাপন কৰিছে। (১১) ইয়াত আছে ফলমূল, খেজুৰ গছ আৰু ফল (খেজুৰ) আৱৰণেৰে আবৃত। (১২) আৰু আছে বাকলিযুক্ত শস্য আৰু সুগন্ধি উদ্ভিদ। (১৩) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (১৪) তেওঁ মানুহক সৃষ্টি কৰিছে কুমাৰৰ পোৱা মাটিৰ দৰে শুকান খচা মাটিৰে, (১৫) আৰু জ্বিনক সৃষ্টি কৰিছে অগ্নিশিখাৰে-

(১৬) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (১৭) তেৰেঁই দুই পূৰৰ মালিক আৰু তেৰেঁই দুই পশ্চিমৰ মালিক। (১৮) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (১৯) তেৱেঁই দুই সাগৰৰ মিলিত প্ৰবাহ প্ৰবাহিত কৰিছে, (২০) দুয়োৰে মাজত আছে এখন অন্তৰায় আৰু সেয়া সিহঁতে অতিক্ৰম কৰিব নোৱাৰে। (২১) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (২২) এই উভয়ৰ পৰাই মুকুতা আৰু প্ৰবাল ওলায়। (২৩) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (২৪) সাগৰত চলাচল কৰা পৰ্বতমান ওখ ওখ বৃহৎ জাহাজবোৰো তেওঁৰেই। (২৫) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা?

(২৬) ভূপৃষ্ঠত যি আছে, সকলো ধ্বংস হয়, (২৭) ধ্বংস নহয়, কেৱল তোমাৰ প্ৰভুৰ সত্তা, যিজন মহিমাময়, মহানুভৱ। (২৮) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (২৯) আকাশমণ্ডল আৰু পৃথিৱীৰ প্ৰত্যেকে তেওঁৰ ওচৰত সনিৰ্বন্ধ অনুৰোধ কৰে। প্ৰতিটো মুহূৰ্ততে তেওঁ নৱ মহিমাত বিৰাজ কৰে। (৩০) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা?

(৩১) অনতিপলমে আমি তোমালোকৰ প্ৰতি মনোনিবেশ কৰিম, হে বৃহৎ দুই গোট (জ্বিন আৰু মানৱ)। (৩২) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৩৩) হে জ্বিন আৰু মানুহৰ দল, আকাশমণ্ডল আৰু পৃথিৱীৰ সীমা অতিক্ৰম কৰি যাব পৰাৰ ক্ষমতা যদি তোমালোকৰ আছে, তেনেহ'লে ওলাই যোৱা, (আমাৰ) কৰ্তৃত্ব অবিহনে তোমালোকে ওলাই যাব নোৱাৰিবা। (৩৪) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৩৫) তোমালোকলৈ

যদি অগ্নিশিখা আৰু গলিত তাম এৰি দিয়া হয়, তেনেহ'লে তোমালোকে তাৰ পৰা নিজকে আত্মৰক্ষা কৰিব নোৱাৰিবা। (৩৬) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা?

(৩৭) যেতিয়া আকাশখন ফাটি-ছিটি যাব আৰু ৰঙা চামৰাৰ দৰে ৰক্তবৰ্ণ হ'ব, (৩৮) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৩৯) সেইদিনা কোনো মানুহ আৰু জিনক তাৰ অপকৰ্মৰ সম্পৰ্কে সোধাৰ প্ৰয়োজন নহ'ব। (৪০) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৪১) অপৰাধীবিলাকক সিহঁতৰ চেহেৰাৰ দ্বাৰাই সিহঁতক চিনি পোৱা যাব আৰু সিহঁতক আগচুলি আৰু ভৰিত ধৰি আটক কৰা হ'ব। (৪২) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৪৩) এইখনেই জাহান্নাম, ইয়াকেই অপৰাধীবিলাকে মিছা বুলি কৈছিল। (৪৪) সিহঁতে ইয়াৰ অগ্নিশিখা আৰু টগবগাই উতলি থকা পানীৰ মাজত লৰা-ঢপৰা কৰি থাকিব। (৪৫) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা?

(৪৬) তাত দুখন উদ্যান আছে তেওঁৰ বাবে, যিজনে তেওঁৰ প্ৰভুৰ সন্মুখত থিয় হওঁতে ভয় কৰে। (৪৭) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৪৮) (তাত থাকিব উদ্যান দুখন) গছ-পাতেৰে ভৰা। (৪৯) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৫০) দুয়োখন উদ্যানতে দুটি প্ৰবাহমান নিজৰা আছে। (৫১) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৫২) দুয়োখন উদ্যানৰ প্ৰত্যেকটো ফলেই দুই প্ৰকাৰৰ। (৫৩) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৫৪) তেওঁলোকে তাত ডাঠ সিংখাপেৰে তৈৰী সুকোমল দলিচাত বালিচৰ ওপৰত আউজী বহি থাকিব। দুয়োখন উদ্যানৰ ফলবোৰ ভৰত দোঁ

খাই থাকিব। (৫৫) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৫৬) তাত থাকিব, লাজকুৰীয়া অৱনমিত নয়না ৰূপহীসকল, যিসকলক ইয়াৰ পূৰ্বে কোনো মানৱ বা জ্বিনে স্পৰ্শ কৰা নাই। (৫৭) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৫৮) (তাত থাকিব) হীৰা-মুকুতাৰ নিচিনা সৌন্দৰ্যমণ্ডিত পৰিচাৰিকা। (৫৯) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৬০) শুভ কামৰ পৰিণাম শুভৰ বাহিৰে আন কি হ'ব পাৰে! (৬১) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা?

(৬২) সেই দুখন উদ্যানৰ উপৰিও আৰু দুখন উদ্যান থাকিব, (৬৩) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৬৪) দুয়োখন (উদ্যান) গাঢ় সেউজীয়া। (৬৫) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৬৬) দুয়োখনতে থাকিব জৰ্জৰ্কৈ পানী ওলাই থকা দুটা নিজৰা। (৬৭) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৬৮) দুয়োখনতে থাকিব প্ৰচুৰ ফল, খেজুৰ আৰু দালিম। (৬৯) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৭০) তাত থাকিব সশ্চৰিত্ৰা ৰূপহী ৰমণী। (৭১) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৭২) তাৰ চামিয়ানাবোৰত (তেওঁলোকৰ সংগিনী হিচাবে) উপবিষ্ট থাকিব হুৰ-পৰীসকল (স্বৰ্গৰ অপৰূপা অপ্সৰা)। (৭৩) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৭৪) ইয়াৰ পূৰ্বে তেওঁলোকক কোনো মানৱ আৰু জ্বিনে স্পৰ্শ কৰা নাই। (৭৫) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৭৬) (তেওঁলোক এনে জান্নাতত থাকিব) য'ত সেউজীয়া দলিচা

আৰু বহুমূলীয়া দুর্লভ ধুনীয়া সিংখাপৰ গাদীত আউজী বহি থাকিব। (৭৭) গতিকে তোমালোকে তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহ অস্বীকাৰ কৰিবা? (৭৮) অতি পুণ্যময় তোমাৰ প্ৰভুৰ নাম, তেওঁ মহামহিম আৰু মহানুভৱ।

৫৬. আল-ৱাকিয়া (অনিবাৰ্য ঘটনা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) যেতিয়া ঘটিব লগা ঘটনাটো ঘটিব, (২) তেতিয়া তাক অস্বীকাৰ কৰোতা কোনো নহ'ব। (৩) কিছুমানৰ অধঃপতন ঘটিব, কিছুমান উন্নত হ'ব, (৪) যেতিয়া পৃথিৱীখন ভীষণ কম্পনৰে কঁপাই তোলা হ'ব, (৫) পৰ্বত-পাহাৰবোৰ চূচুৰ্মৈ হৈ পৰিব, (৬) সেইবোৰ বিক্ষিপ্ত ধূলিকণাত পৰিণত হ'ব, (৭) (সিদিনা) তোমালোক তিনিটা দলত বিভক্ত হ'বা।

(৮) সোঁফালৰ দল, কিমান যে ভাগ্যবান সোঁফালৰ দলটো, (৯) আৰু বাওঁফালৰ দল, কিমান যে দুর্ভগীয়া বাওঁফালৰ দলটো। (১০) আনটো হ'ল, তৃতীয় দল। এওঁলোক অগ্ৰগামী হয়েই থাকিব। (১১) তেওঁলোক আল্লাহৰ সান্নিধ্যপ্ৰাপ্ত। (১২) তেওঁলোকে পৰম সুখৰ জান্নাতত বসবাস কৰিব, (১৩) এক বৃহৎ দল আগৰ ছামৰ লোকসকলৰ ভিতৰৰ- (১৪) আৰু কিছু সংখ্যক থাকিব, পিছৰ ছামৰো, (১৫) বহি থাকিব মনি-মুকুতা খটোৱা আসনসমূহত- (১৬) পৰস্পৰে মুখামুখিকৈ আউজি বহিব। (১৭) তেওঁলোকক চিৰ যৌৱনপ্ৰাপ্ত কিশোৰবিলাকে আল-পৈচান ধৰিব, (১৮) বিশুদ্ধ সুৰাৰ পানপাত্ৰ, জগ আৰু পিয়লাবোৰ পৰিবেশন কৰিব, (১৯) সেয়া পান কৰিলে মূৰ নুঘূৰায় আৰু ৰাগিয়েও নধৰে। (২০) তেওঁলোকৰ পচন্দ অনুযায়ী ফলমূল পৰিবেশন কৰা হ'ব, (২১) ৰুচী অনুযায়ী চৰাইৰ মাংস বাছি ল'ব পাৰিব, (২২) আৰু থাকিব মৃগনয়নী হূৰ-পৰীসকল, (২৩) আৰৰি ৰখা মুকুতাৰ দৰে, (২৪) এয়া

তেওঁলোকৰ কৃতকর্মৰ প্রতিদান স্বৰূপ।(২৫) তাত তেওঁলোকে অলাগতিয়াল বাজে কথা আৰু পাপমূলক বাক্যালাপ শুনা নাপাব। (২৬) কেৱল মাথোন শব্দ হ'ব 'ছালাম', 'ছালাম' (শান্তি, শান্তি) ।

(২৭) সোঁফালৰ দলটো, কিমান যে ভাগ্যবান, সোঁফালৰ দলটোহু (২৮) তেওঁলোক থাকিব উচ্চ স্থানত, কাঁইট নথকা বগৰী গছৰ মাজত, (২৯) আখি আখিকৈ থকা কলৰ থোকবোৰ, (৩০) বিস্তৃত শীতল ছাঁ, (৩১) অনবৰত বৈ থকা পানী, (৩২) আৰু প্রচুৰ ফলমূল, (৩৩) যিবোৰ কেতিয়াও শেষ নহয় আৰু অবাৰিত, (৩৪) উন্নত মানৰ বিছনা, (৩৫) ৰমণী সকলক আমি বিশেষভাৱে সৃষ্টি কৰিছো, (৩৬) তেওঁলোকক কুমাৰী কৰি দিম, (৩৭) স্বামীৰ প্রতি আসক্ত আৰু সমবয়সীয়া হ'ব।(৩৮) এই সকলোবোৰ সোঁফালৰ দলৰ বাবে। (৩৯) এওঁলোক আগৰ ছামৰ এটা ডাঙৰ দল হ'ব, (৪০) আৰু পিছৰ ছামৰো এটা ডাঙৰ দল হ'ব।

(৪১) বাওঁফালৰ দলটো, কিমান যে দুর্ভগীয়া এই বাওঁফালৰ দলটো! (৪২) সিহঁত থাকিব উষ্ণ বতাহত আৰু টগবগাই উতলি থকা পানীত, (৪৩) আৰু অতি ক'লা ধোঁৱাৰ ছাঁত, (৪৪) সেয়া শীতলো নহয় আৰু আৰামদায়কো নহয়। (৪৫) পূর্বে সিহঁত সমৃদ্ধিশালী আছিল, (৪৬) আৰু সিহঁতে জিদ ধৰি সর্বদা মহাপাপত লিপ্ত হৈ আছিল।(৪৭) সিহঁতে কৈছিল- 'কি! আমি যেতিয়া মৰি-হজি মাটি হৈ যাম আৰু হাড়-মূৰহে ৰ'ব, তেতিয়াও আমাক পুনৰুজীৱিত কৰা হ'বনে? (৪৮) অতীতৰ আমাৰ পিতৃ-পিতামহ সকলকো উঠোৱা হ'বনে? (৪৯) কোৱা- 'নিশ্চয়, পূর্বৱর্তীসকলকো আৰু পৰৱর্তীসকলকো- (৫০) সকলোকে এদিন নির্ধাৰিত দিনত নির্দিষ্ট সময়ত সমবেত কৰা হ'ব। (৫১) সেয়েহে, হে অবিশ্বাসকাৰী পথভ্রষ্ট মানুহবিলাক, (৫২) 'যাক্কুম গছৰ ফল' খাদ্য হিচাবে খাব লাগিব, (৫৩) তাৰে তোমালোকে পেট ভৰাব লাগিব, (৫৪) তাৰোপৰি খাব লাগিব উতলা পানী, (৫৫) তৃষ্ণাতুৰ

উটৰ দৰে তোমালোকে সেই পানী খাবা, (৫৬) এয়াই হ'ব বিচাৰৰ দিনাখন সিহঁতৰ আতিথ্য।

(৫৭) আমিয়েই তোমালোকক সৃষ্টি কৰিছো। তেন্তে সত্যতা তোমালোকে স্বীকাৰ নকৰা কিয়? (৫৮) তোমালোকে যে (বীৰ্য) নিৰ্গত কৰা, সেই বিষয়ে ভাবি চাইছানে? (৫৯) সেয়া তোমালোকে সৃষ্টি কৰিছা নে আমি সৃষ্টি কৰিছো? (৬০) আমিয়েই তোমালোকৰ বাবে মৃত্যু নিৰ্ধাৰণ কৰি দিছো আৰু আমাক বাধা দিব নোৱাৰিবা- (৬১) তোমালোকৰ আকৃতি পৰিৱৰ্তন কৰি দিবলৈ নাইবা তোমালোকৰ আকৃতি পৰিৱৰ্তন কৰি এনে নতুন ৰূপে সৃষ্টি কৰিবলৈ যি তোমালোকে নাজানা। (৬২) তোমালোকে নিজৰ প্ৰথম সৃষ্টিৰ বিষয়ে নিশ্চয় জানা। পিছে তোমালোকে শিক্ষা লাভ নকৰা কিয়? (৬৩) তোমালোকে যি বীজ ৰোপন কৰা, সেই বিষয়ে কেতিয়াবা ভাবি চাইছানে? (৬৪) তাৰ পৰা তোমালোকে উৎপন্ন কৰা নে আমি কৰো? (৬৫) আমি ইচ্ছা কৰিলে সেয়া খেৰকুটাত পৰিণত কৰিব পাৰো, তেতিয়া তোমালোকে বিলাপ কৰি কৈ থাকিলাহেঁতেন- (৬৬) 'আমি ক্ষতিগ্ৰস্ত হ'লো। (৬৭) আমি (সমূলঞ্চে) বঞ্চিত হ'লো।' (৬৮) তোমালোকে যি পানী পান কৰা, তাৰ বিষয়ে ভাবি চাইছানে? (৬৯) সেয়া তোমালোকে মেঘৰ পৰা বৰ্ষণ কৰা নে আমি বৰ্ষণ কৰো? (৭০) আমি ইচ্ছা কৰিলে সেয়া লুণীয়া কৰি দিব পাৰো। তথাপিও তোমালোকে কিয় কৃতজ্ঞতা স্বীকাৰ নকৰা? (৭১) তোমালোকে যি জুই ধৰা, সেই বিষয়ে ভাবি চাইছানে? (৭২) জুই জ্বলাবলৈ গছ তোমালোকে উৎপন্ন কৰিছা নে আমি কৰিছো? (৭৩) আমি তাক স্মৰণৰ মাধ্যম কৰি দিছো আৰু পথিকৰ বাবে উপকাৰী কৰি দিছো। (৭৪) সেয়ে তোমাৰ মহান প্ৰভুৰ নাম কীৰ্তন কৰি থাকা।

(৭৫) সেয়া নহয়, মই নক্ষত্ৰৰাজিৰ অৱস্থানৰ শপত খাইছো- (৭৬) নিশ্চয় এইটো এটা ডাঙৰ শপত, যদি তোমালোকে জানিলাহেঁতেন, (৭৭) যে অৱশ্যই

এইখন এখন অতি মর্যাদা সম্পন্ন কুৰআন, (৭৮) এইখন সুৰক্ষিত পুথিত লিপিবদ্ধ, (৭৯) পূতঃ পৱিত্রসকলৰ বাহিৰে ইয়াক আনে স্পর্শ কৰিব নোৱাৰে। (৮০) এইখন বিশ্ব জগতৰ প্রভুৰ পৰা অৱতীর্ণ, (৮১) তেনেহ'লে তোমালোকে কেনেকৈ এই বাণী অৱজ্ঞা কৰা? (৮২) ইয়াক অস্বীকাৰ কৰাকেই তোমালোকে তোমালোকৰ জীৱনৰ সমল কৰি লৈছানেকি?

(৮৩) পিছে যেতিয়া মুমূর্ষু অৱস্থাত জিউ আহি কণ্ঠৰ ওচৰ পাবহি, (৮৪) আৰু (সেই সময়ত) তোমালোকে ভেবা লাগি (অসহায় ভাৱে) চাই থাকা, (৮৫) তেতিয়া আমি তোমালোকতকৈ তেওঁৰ বেছি ওচৰত থাকো; কিন্তু তোমালোকে আমাক দেখা নোপোৱা। (৮৬) পিছে তোমালোক যদি মোৰ আদেশৰ অধীন নোহোৱা, (৮৭) তেনেহ'লে তোমালোকে তাৰ আত্মা ঘূৰাই নানা কিয়, যদি তোমালোকৰ দাবীত তোমালোক সত্যবাদী হোৱা? (৮৮) কিন্তু যদি তেওঁ (মুমূর্ষু ব্যক্তিজন) আল্লাহৰ নৈকট্য প্রাপ্ত হয়, (৮৯) তেনেহ'লে তেওঁৰ বাবে আছে আৰাম, উত্তম সুখ-সামগ্রী আৰু সুখসম্পন্ন পূর্ণ জান্নাত। (৯০) যদি তেওঁ সোঁফালৰ দলৰ হয়, (৯১) তেওঁক সম্বর্ধনা জনোৱা হ'ব- 'তোমাৰ শান্তি হওক।' কিয়নো তুমি সোঁফালৰ দলৰ লোকসকলৰ এজন। (৯২) কিন্তু যদি সি অবিশ্বাসকাৰী আৰু পথভ্রষ্টবিলাকৰ মাজৰ হয়, (৯৩) তেনেহ'লে তাক উতলা পানীৰে আতিথ্য জনোৱা হ'ব। (৯৪) সি জাহান্নামত জ্বলিব, (৯৫) প্রকৃততে এইটোৱেই ধ্রুৱ সত্য। (৯৬) সেয়ে তুমি তোমাৰ মহান প্রভুৰ নাম কীর্তন কৰি থাকা।

৫৭. আল-হাদীদ (লো)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলোৱেই আল্লাহৰ গুণ-গান গাই আছে। তেওঁ মহা পৰাক্রমশালী, প্রজ্ঞাময়। (২) আকাশমণ্ডল আৰু

পৃথিৱীৰ সাৰ্বভৌম ৰাজত্ব তেওঁৰেই। তেওঁ জীৱন দান কৰে, মৃত্যু ঘটায়। তেওঁ সৰ্ব বিষয়ত সৰ্বশক্তিমান। (৩) তেৱেঁই আদি, তেৱেঁই অন্ত। তেৱেঁই প্ৰকাশ্য, তেৱেঁই গুপ্ত। সকলো বিষয়ত তেওঁৰ পূৰ্ণ জ্ঞান আছে। (৪) এইজনা তেৱেঁই, যিজনাই আকাশমণ্ডল আৰু পৃথিৱী ছদিনত সৃষ্টি কৰিছে। তাৰ পিচত তেওঁ মহাসিংহাসনত উপবিষ্ট হ'ল। ধৰণীত যি প্ৰৱেশ কৰে আৰু ধৰণীৰ পৰা যি ওলায়, আকাশৰ পৰা যি নামে আৰু আকাশলৈ যি উঠে সেয়া সকলো তেওঁ জানে। তোমালোকে যিহকে কৰা, সকলো তেওঁ দেখি আছে। (৫) আকাশমণ্ডল আৰু পৃথিৱীত সাৰ্বভৌম ৰাজত্ব তেওঁৰেই। সকলো বিষয় আল্লাহৰ পিনেই প্ৰত্যাৱৰ্তিত হয়। (৬) তেৱেঁই ৰাতিক দিনৰ ভিতৰত আৰু দিনক ৰাতিৰ ভিতৰত প্ৰৱেশ কৰায়। মানুহৰ অন্তৰৰ গোপনবোৰো তেওঁ জানে।

(৭) আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি বিশ্বাস স্থাপন কৰা। তেওঁ তোমালোকক যিবোৰৰ উত্তৰাধিকাৰী কৰি দিছে তাৰ পৰা ব্যয় কৰা। তোমালোকৰ যিসকলে বিশ্বাস স্থাপন কৰে আৰু ধন-সম্পদ ব্যয় কৰে, তেওঁলোকৰ বাবে আছে মহা পুৰস্কাৰ। (৮) তোমালোকে আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন নকৰাৰ কাৰণ কি? অথচ ৰছুলে তোমালোকক তোমালোকৰ প্ৰভুক বিশ্বাস কৰিবলৈ আহবান কৰি আছে আৰু তেওঁ (আল্লাহে) তোমালোকৰ পৰা প্ৰতিশ্ৰুতিও লৈছে, যদি তোমালোক প্ৰকৃততে মুমিন (আস্থাবান) হোৱা? (৯) এইজনা তেৱেঁই, যিজনে তেওঁৰ দাসৰ প্ৰতি সুস্পষ্ট আয়াতসমূহ অৱতীৰ্ণ কৰিছে যাতে তেওঁ (আল্লাহে) তোমালোকক অন্ধকাৰৰ পৰা পোহৰলৈ আনিব পাৰে। আচলতে আল্লাহ তোমালোকৰ প্ৰতি অত্যন্ত স্নেহপৰায়ণ, পৰম দয়ালু। (১০) তোমালোকৰ কি হ'ল, তোমালোকে আল্লাহৰ পথত ব্যয় নকৰা? অথচ আকাশমণ্ডল আৰু পৃথিৱীৰ উত্তৰাধিকাৰ সত্ব আল্লাহৰেই। তোমালোকৰ যিসকলে বিজয়ৰ পূৰ্বে ব্যয় কৰিছে আৰু যুদ্ধ কৰিছে, তেওঁলোকৰ মৰ্যাদা সিহঁততকৈ অনেক বেছি, যিসকলে বিজয়ৰ পিচত ব্যয় আৰু যুদ্ধ কৰিছে।

তথাপি আল্লাহে তোমালোকৰ সকলোকে কল্যাণৰ প্ৰতিশ্ৰুতি দিছে। তোমালোকে যি কৰা, সেই বিষয়ে আল্লাহ সম্পূৰ্ণ জ্ঞাত।

(১১) এনে কোন আছে, যিজনে আল্লাহক উত্তম ঋণ দিব সেয়া তেওঁ তেওঁৰ বাবে দুগুণ বৃদ্ধি কৰি দিব আৰু তেওঁক দিব উত্তম পুৰস্কাৰ। (১২) সেইদিনাখন তুমি (হে নবী) দেখিবা যে মুমিন পুৰুষ আৰু মহিলাসকলৰ সন্মুখত আৰু সোঁফালে তেওঁলোকৰেই জ্যোতি উদ্ভাসিত হৈ আছে। (তেওঁলোকক এই বুলি কোৱা শুনিবা)- 'আজি তোমালোকৰ বাবে শুভ সংবাদ আছে! তোমালোক জান্নাতত প্ৰৱেশ কৰিবা যাৰ মাজেৰে নিজৰা প্ৰবাহিত হৈ থাকিব আৰু তোমালোক তাত চিৰকাল বসবাস কৰিবা। এয়াই পৰম সাফল্য। (১৩) সেইদিনা মুনাফিক (কপটাচাৰী) পুৰুষ আৰু মুনাফিক নাৰীবিলাকে মুমিনসকলক ক'ব- 'আমাৰ বাবে অলপ ৰোৱা, আমিও কিজানি তোমালোকৰ জ্যোতিৰ অলপ পোহৰ পাব পাৰো।' সিহঁতক কোৱা হ'ব- 'উভতি যোৱা, আন কৰবাত পোহৰ বিচৰাগৈ।' সিহঁতৰ মাজত এখন প্ৰাচীৰ থিয় কৰি দিয়া হ'ব আৰু তাত এখন দুৱাৰ থাকিব। দুৱাৰৰ ভিতৰ ফালে থাকিব কৃপা আৰু বাহিৰ ফালে থাকিব শাস্তি। (১৪) মুনাফিকবিলাকে মুমিনসকলক চিঞৰী ক'ব- 'আমি তোমালোকৰ লগত নাছিলোনে?' তেওঁলোকে উত্তৰ দিব- 'হয়, আছিলা; কিন্তু তোমালোকে নিজে নিজৰ বিপদ মাতি আনিছা। তোমালোক দৃঢ় প্ৰতিষ্ঠ নাছিলা, সন্দেহ পোষণ কৰিছিলা আৰু মিছা আশা-আকাংখাই তোমালোকক প্ৰতাড়িত কৰিলে। অৱশেষত আল্লাহৰ সিদ্ধান্ত আহিল আৰু মহাপ্ৰৱঞ্চকে (ছয়তানে) তোমালোকক আল্লাহ সম্পৰ্কে প্ৰতাৰনা কৰিলে। (১৫) সেয়ে আজি তোমালোকৰ পৰা কোনো মুক্তিপণ গ্ৰহণ কৰা নহ'ব আৰু যিবিলাকে অস্বীকাৰ কৰিছিল, সিহঁতৰ পৰাও লোৱা নহ'ব। তোমালোকৰ বাসস্থল হ'ল জাহান্নাম। সেয়াই তোমালোকৰ সংগী-সহায় আৰু যাত্ৰাৰ গন্তব্যস্থল।

(১৬) মুমিনসকলৰ বাবে সেই সময়কণ এতিয়াও আহি পোৱা নাইনে, আল্লাহৰ স্মৰণত তেওঁলোকৰ অন্তৰ মজি যায় আৰু তেওঁ অৱতীর্ণ কৰা সত্যৰ প্রতি নত হয় আৰু তেওঁলোক সেইসকল মানুহৰ দৰে নহয়, যিসকলক পূর্বতে পুথি দিয়া হৈছিল। সিহঁতৰ ওপৰেদি সময় বাগৰি যোৱাৰ লগে লগে সিহঁতৰ অন্তৰ কঠোৰ হৈ পৰিছিল। সিহঁতৰ বেছিভাগেই অবাধ্য আছিল। (১৭) জানি থোৱা, আল্লাহে পৃথিৱীৰ মৃত্যুৰ পিচত তাক পুনৰ জীৱিত কৰে। আমি তোমালোকৰ বাবে আমাৰ নিদর্শনসমূহ স্পষ্টভাৱে বর্ণনা কৰিছো যাতে তোমালোকে বুজি পোৱা।

(১৮) দানশীল পুৰুষ আৰু দানশীল মহিলা আৰু যিসকলে আল্লাহক উত্তম ঋণ দিয়ে, সেয়া কেবাগুণো বৃদ্ধি কৰি দিয়া হ'ব আৰু তেওঁলোকৰ বাবে আছে মহান পুৰস্কাৰ। (১৯) যিসকলে আল্লাহ আৰু তেওঁৰ ৰছুলসকলৰ প্রতি বিশ্বাস স্থাপন কৰিছে, তেওঁলোক আল্লহৰ ওচৰত মুমিন আৰু শ্বহীদ ৰূপে বিবেচিত। তেওঁলোকৰ বাবে আছে প্রাপ্য পুৰস্কাৰ আৰু তেওঁলোকৰ জ্যোতি। কিন্তু যিবিলাকে অবিশ্বাস কৰিছে আৰু আমাৰ নিদর্শনসমূহ অগ্রাহ্য কৰিছে, সিহঁত জাহান্নামৰ অধিবাসী।

(২০) কেতিয়াও পাহৰি নাযাব যে এই পার্থিৱ জীৱন মাথোন খেল-ধেমালি, আমোদ-প্রমোদ, বাহ্যিক জাকজমক, পাৰস্পৰিক আত্ম গৌৰৱ, ধন-সম্পদ আৰু সন্তান-সন্ততি বৃদ্ধিৰ প্রতিযোগিতাৰ বাহিৰে আন একো নহয়। এয়া বৰষুণ দিয়াৰ পাছত শস্যৰ উৎপাদন হোৱাৰ দৰে, যিয়ে কৃষকৰ মন জুৰায়। পিচত সেই শস্য পকে আৰু হালধীয়া বৰণ হয় আৰু পিচত সেয়া খেৰকুটাত পৰিণত হয়। পৰকালত আছে কঠোৰ শাস্তি আৰু আছে আল্লাহৰ মার্জনা আৰু সন্তুষ্টি। পার্থিৱ জীৱন ছলনাময় ভোগ-বিলাসৰ ব্যতীত আন একো নহয়। (২১) প্রতিযোগিতামূলকভাৱে ধাবিত হোৱা তোমাৰ প্রভুৰ ক্ষমা পাবৰ বাবে আৰু জান্নাত লাভ কৰিবৰ বাবে যিখন আকাশ আৰু পৃথিৱীৰ সমান বিস্তৃত। সেইখন তেওঁলোকৰ বাবে প্রস্তুত কৰা হৈছে, যিসকলে আল্লাহ

আৰু তেওঁৰ ৰছুলৰ প্ৰতি বিশ্বাস স্থাপন কৰিছে। এয়াই আল্লাহৰ কৃপা। তেওঁ যাক ইচ্ছা কৰে, তাকে দান কৰে। আল্লাহ অসীম অনুগ্ৰহশীল।

(২২) পৃথিৱীত বা তোমালোকৰ নিজৰ ওপৰত আপতিত হোৱা এনে কোনো বিপৰ্যয় নাই, যাক আমি সেয়া সৃষ্টি কৰাৰ পূৰ্বে এখন পুথিত লিখি ৰখা নাই। এনে কৰা আল্লাহৰ পক্ষে অতি সহজ- (২৩) যাতে তোমালোকে তাৰ বাবে শোক নকৰা যি তোমালোকে হেৰুৱাইছা আৰু তোমালোকক যি দিছে তাৰ বাবেও যেন আনন্দত উদ্বাউল নোহোৱা। আল্লাহে সেইবিলাক মানুহক ভাল নাপায়, যিবিলাকে আত্মগৌৰৱ কৰে আৰু অহংকাৰ কৰে, (২৪) আৰু যিবিলাকে কৃপণালি কৰে আৰু আনকো কৃপণালি কৰিবলৈ উদগণি দিয়ে। যদি কোনোৱে মুখ ঘুৰায়, সি মনত ৰখা উচিত আল্লাহ অভাৱমুক্ত আৰু স্বয়ং প্ৰশংসিত সত্তা।

(২৫) আমি আমাৰ ৰছুলসকলক সুস্পষ্ট প্ৰমাণৰ সৈতে পঠাইছো আৰু তেওঁলোকৰ লগত পুথি আৰু ন্যায়ৰ মানদণ্ডও প্ৰেৰণ কৰিছো যাতে মানুহে ন্যায় প্ৰতিষ্ঠা কৰিব পাৰে। আমি লোহা অৱতীৰ্ণ কৰিছো। ইয়াত অত্যন্ত অন্তৰ্নিহিত শক্তি আছে আৰু মানুহৰ বাবে প্ৰচুৰ কল্যাণ নিহিত আছে। এই বাবে যে আল্লাহে যাতে জানিব পাৰে আল্লাহক নেদেখাকৈয়ে কোনে আল্লাহ আৰু তেওঁৰ ৰছুলক সহায় কৰে। নিশ্চয় আল্লাহ অতি ক্ষমতাশীল, মহা পৰাক্ৰমী।

(২৬) আমি নূহ আৰু ইব্ৰাহীমকো প্ৰেৰণ কৰিছিলো আৰু তেওঁলোকৰ বংশধৰৰ প্ৰতি দান কৰিছিলো ৰছুলত্ব আৰু পুথি প্ৰদান কৰিছিলো। তেওঁলোকৰ কিছুমানে সৎ পথে পৰিচালিত হ'ল আৰু বেছি ভাগেই অনাচাৰী হ'ল। (২৭) ইয়াৰ পিচত আমি তেওঁলোকৰ পদাংক অনুসৰণ কৰি বহু ৰছুল প্ৰেৰণ কৰিছিলো। তেওঁলোকৰ পিচত আমি মৰিয়ম পুত্ৰ ঈছাকো প্ৰেৰণ কৰিছিলো। আমি তেওঁক ইঞ্জীল প্ৰদান কৰিছিলো। যিসকলে তেওঁক মানি চলিছিল, তেওঁলোকৰ অন্তৰত আমি দয়া-মমতা আৰু মৰম-চেনেহ সঞ্চাৰ কৰি দিছিলো।

কিন্তু আমি সিহঁতৰ প্ৰতি বৈৰাগ্যবাদ বাধ্যতামূলক কৰি দিয়া নাছিলো। এয়া সিহঁতে নিজে উদ্ভাৱন কৰি লৈছে যাৰ জৰিয়তে সিহঁতে আল্লাহৰ সন্তুষ্টি লভিব বিচাৰে; কিন্তু যি ধৰণে সেয়া পালন কৰিবলৈ কোৱা হৈছিল, তেনে ধৰণে সিহঁতে সেয়া পালন কৰা নাছিল। সেয়ে আমি সিহঁতৰ যিসকল প্ৰকৃত মুমিন আছিল, তেওঁলোকক আমি প্ৰাপ্য পুৰস্কাৰ দিছিলো। পিছে সিহঁতৰ বেছিভাগেই আছিল অনাচাৰী।

(২৮) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহক ভয় কৰা আৰু তেওঁৰ ৰছুলৰ প্ৰতি বিশ্বাস স্থাপন কৰা। তেওঁ (আল্লাহে) তোমালোকক নিজ অনুগ্ৰহৰ পৰা দ্বিগুণ দান কৰিব আৰু তোমালোকক এনে জ্যোতি দান কৰিব, যাৰ আলোকত তোমালোক চলি থাকিব পাৰিবা। আল্লাহে তোমালোকক ক্ষমা কৰিব। তেওঁ অতি ক্ষমাশীল, পৰম দয়ালু। (২৯) ঐশীপুথি প্ৰাপ্ত লোকসকলে জানিব পাৰে যাতে আল্লাহৰ অনুগ্ৰহৰ ওপৰত সিহঁতৰ কোনো অধিকাৰ নাই। তেওঁৰ অনুগ্ৰহ কেৱল তেওঁৰ নিজৰ হাততহে আছে। তেওঁ যাক ইচ্ছা কৰে, তাক সেয়া দান কৰে। আচলতে আল্লাহ অসীম অনুগ্ৰহৰ অধিপতি।

৫৮. আল-মুজাদিলা (প্ৰতিবাদী পক্ষ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আল্লাহে অৱশ্যই সেই মহিলাগৰাকীৰ কথা শুনিছে, যি গৰাকীয়ে নিজ স্বামীৰ বিষয়ে তোমাৰ লগত বাদানুবাদ কৰিছিল আৰু আল্লাহৰ ওচৰত অভিযোগ কৰিছে। আল্লাহে তোমালোক দুজনৰ কথা-বতৰা শুনিছে। নিশ্চয় আল্লাহে সকলো শুনে আৰু সকলো জানে।

(২) যিবিলাক মানুহে নিজকে নিজ স্ত্ৰীৰ পৰা আলগ কৰি ৰাখিছে এইবুলি কৈ- 'তুমি মোৰ মাতৃৰ পিঠিৰ তুল্য।' এনেকৈ ক'লেই স্ত্ৰীসকল সিহঁতৰ মাক হৈ নাযায়। সেইবিলাক তিৰোতাহে সিহঁতৰ মাক, যিবিলাকে

সিহঁতক জন্ম দিছে। নিঃসন্দেহে সিহঁতে এটা জঘন্য গোকাট মিছা কথা কৈছে। নিশ্চয় আল্লাহ মার্জনাকাৰী, অতি ক্ষমাশীল। (৩) যিবিলাকে মাকৰ লগত তুলনা কৰি স্ত্রীসকলক আলগ কৰে আৰু সিহঁতে যি কৈছিল, পিচত সেয়া প্রত্যাহাৰ কৰিব বিচাৰে, তেনেহ'লে সিহঁতে এজনে আনজনক স্পর্শ কৰাৰ আগেয়ে এজন দাস মুক্ত কৰি দিব লাগিব। এয়া কৰিবলৈ তোমালোকক নির্দেশ দিয়া হ'ল। তোমালোকে যি কৰা, আল্লাহে সেয়া সম্পূর্ণ জানে। (৪) যাৰ এনে কৰাৰ উপায় নাই, এজনে আনজনক স্পর্শ কৰাৰ আগেয়ে দুমাহ একেলেথাৰিয়ে ৰোজা ৰাখিব লাগিব আৰু যি এয়া কৰিবলৈ সক্ষম নহয়, সি ষাঠিজন দুখীয়া-নিছলাক আহাৰ কৰাব লাগিব। এয়া এইবাবে যাতে তোমালোকৰ আল্লাহ আৰু তেওঁৰ ৰছুলৰ ওপৰত দৃঢ় বিশ্বাস জন্মে। এয়া আল্লাহে নির্ধাৰণ কৰি দিয়া সীমা ৰেখা। যিবিলাকে অবিশ্বাস কৰে, সিহঁতৰ বাবে আছে অতি যন্ত্রণাদায়ক শাস্তি।

(৫) যিবিলাকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰুদ্ধাচৰণ কৰে, সিহঁত লাঞ্ছিত হ'ব, যেনেদৰে সিহঁতৰ পূর্বৰ জাতিবিলাক লাঞ্ছিত হৈছিল। আমি সুস্পষ্ট আয়াত অৱতীর্ণ কৰিছো। অস্বীকাৰকাৰীবিলাকৰ কাৰণে আছে লাঞ্ছনাদায়ক শাস্তি। (৬) যিদিনা আল্লাহে সিহঁত সকলোকে মৃত্যুৰ পিচত পুনৰ উঠাই আনিব, তেতিয়া সিহঁতক জনাই দিব সিহঁতে কি কৰিছিল। আল্লাহে সিহঁতৰ কর্মবোৰৰ হিচাব ৰাখিছে যদিও সিহঁতে পাহৰি গৈছে। আল্লাহে সিহঁতৰ প্রতিটো বিষয়ৰে সাক্ষী।

(৭) তুমি দেখা নাইনে, আকাশমণ্ডল আৰু পৃথিৱীৰ প্রতিটো বস্তু সম্পর্কে আল্লাহে জানে। এনে কেতিয়াও নহয় যে, তিনিজন মানুহে গোপনে আলচ কৰিব আৰু তেওঁ সিহঁতৰ মাজত চতুর্থজন নহ'ব, নাইবা পাঁচজনে গোপনে আলচ কৰিব আৰু তেওঁ ষষ্ঠজন নহ'ব? গোপন আলচকাৰী কম হওক বা বেছি হওক আৰু য'তেই নাথাকক কিয়, আল্লাহে অৱশ্যই সিহঁতৰ

লগত থাকিব। সিহঁতে যি কৰ্ম কৰিছিল তাৰ সত্যতা কিয়ামতৰ দিনা আল্লাহে সিহঁতক জনাই দিব। নিশ্চয় প্ৰতিটো বস্তু সম্পৰ্কে আল্লাহ অৱগত। (৮) তুমি দেখা নাইনে, যিবিলাকক গুপুত চক্ৰান্ত কৰিবলৈ নিষেধ কৰা হৈছিল, তথাপি সিহঁতে সেয়াই কৰিছিল যি কৰিবলৈ সিহঁতক নিষেধ কৰা হৈছিল? সিহঁতে পৰস্পৰে গুপুতে দুষ্কাৰ্য, দুৰ্ব্যৱহাৰ আৰু ৰছুলৰ অবাধ্যতা কৰিবলৈ আলচ কৰিবলৈ ধৰিলে। সিহঁত যেতিয়া তোমাৰ ওচৰলৈ আহে, তোমাক এনেদৰে অভিবাদন জনায়; কিন্তু তেনেবোৰ শব্দবে নহয়, যিবোৰৰ দ্বাৰা আল্লাহে জনায়। সিহঁতে মনতে কয়- 'আমি যি কথা কৈছো, তাৰ বাবে আল্লাহে আমাক শাস্তি নিদিয়ে কিয়?' সিহঁতৰ বাবে জাহান্নামৰ শাস্তিয়েই যথেষ্ট। সিহঁত তাৰ জ্বলন্ত অগ্নিত দগ্ধ হ'ব। সেয়া অতি জঘন্য পৰিণতি।

(৯) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে যেতিয়া পৰস্পৰে গোপনে কথা পাতা, তেতিয়া দুষ্কাৰ্য, বিৰুদ্ধাচৰণ আৰু ৰছুলৰ অবাধ্যতাৰ সমৰ্থনত কথা নাপাতিবা। বৰং সৎকৰ্ম আৰু সেইজন আল্লাহক ভয় কৰি চলাৰ কথাহে পাতিবা, যিজনৰ ওচৰত তোমালোক সকলোকে সমবেত কৰা হ'ব। (১০) অসৎ উদ্দেশ্য পূৰণৰ বাবে কৌশল ৰচনা কৰা ছয়তানৰ কাম যাৰ দ্বাৰা সি বিশ্বাস স্থাপনকাৰীসকলক দুঃশ্চিন্তাত পেলাব বিচাৰে। অথচ আল্লাহৰ অনুমতি অবিহনে সি তেওঁলোকৰ কোনো অনিষ্ট সাধিব নোৱাৰে। মুমিনসকলে কেৱল আল্লাহৰ ওপৰতহে ভৰসা কৰা উচিত।

(১১) হে বিশ্বাস স্থাপনকাৰীসকল, সভাস্থলিত যেতিয়া তোমালোকক আনৰ বাবে ঠাই প্ৰশস্ত কৰিবলৈ কোৱা হয়, তেতিয়া ঠাই প্ৰশস্ত কৰি দিবা, তেনেহ'লে আল্লাহে তোমালোকক প্ৰশস্ততা দান কৰিব আৰু যেতিয়া তোমালোকক থিয় হ'বলৈ কোৱা হয়, তেতিয়া থিয় হ'বা। তোমালোকৰ ভিতৰত যি বিশ্বাস স্থাপনকাৰী আৰু যিসকলক জ্ঞান দান কৰা হৈছে, আল্লাহে তেওঁলোকৰ মৰ্যাদা উচ্চ কৰিব। তোমালোকে যি কৰা, সেই সকলো সম্পৰ্কে

আল্লাহে ভালকৈয়ে জানে।

(১২) হে বিশ্বাস স্থাপনকাৰীসকল, যেতিয়া তোমালোকে ৰছুলৰ লগত আচুতীয়াকৈ পৰামৰ্শ কৰিব খোজা, তেতিয়া পৰামৰ্শ কৰাৰ আগেয়ে মাননি দিবা। এয়া তোমালোকৰ বাবে উত্তম আৰু অধিক পৰিত্ৰকৰ। পিছে যদি তোমালোকৰ দিয়াৰ সামৰ্থ নাই, তেনেহ'লে জানি থোৱা, আল্লাহ অতি ক্ষমশীল, পৰম দয়ালু। (১৩) তোমালোকে আচুতীয়াকৈ পৰামৰ্শ কৰাৰ আগেয়ে মাননি দিবলৈ ইতস্ততঃ কৰিছা নেকি? পিছে যদি তোমালোকে সেয়া দিবলৈ অসমৰ্থ, তেনেহ'লে (জানি থোৱা) আল্লাহে তোমালোকক মাৰ্জনা কৰি দিব। তোমালোকে নামাজ প্ৰতিষ্ঠা কৰা, নিৰ্ধাৰিত যাকাত আদায় দিয়া, আল্লাহ আৰু তেওঁৰ ৰছুলক মানি চলা। তোমালোকে যি কৰা, সেয়া আল্লাহে সম্পূৰ্ণ জানে।

(১৪) তুমি সেইবিলাক মানুহক দেখা নাইনে, যিবিলাকে এনে কিছুমান মানুহৰ লগত বন্ধুত্ব কৰিছে, যিবিলাকৰ প্ৰতি আল্লাহ ৰুষ্ট? সিহঁত তোমালোকৰ পক্ষতো নহয়, সিহঁতৰ পক্ষতো নহয়। সিহঁতে জানিবুজি মিছা কথাত শপত খায়। (১৫) আল্লাহে সিহঁতৰ প্ৰতি অতি কঠোৰ শাস্তি প্ৰস্তুত কৰি ৰাখিছে। সিহঁতে যি কৰে, সেয়া অতি গৰ্হিত। (১৬) সিহঁতে সিহঁতৰ শপতবোৰক অপকৰ্মৰ ঢাল হিচাবে ব্যৱহাৰ কৰিছে আৰু এইদৰে সিহঁতে মানুহক আল্লাহৰ পথৰ পৰা আঁতৰাই ৰাখে। অতি লাঞ্ছনাদায়ক শাস্তিয়ে সিহঁতৰ বাবে অপেক্ষা কৰি আছে।

(১৭) সিহঁতৰ ধন-সম্পদ আৰু সিহঁতৰ সন্তান-সন্ততিয়ে আল্লাহৰ মোকাবিলাত সিহঁতৰ কোনো কামত নাহিব। সিহঁত জাহান্নামৰ অধিবাসী আৰু সিহঁত তাত চিৰকাল থাকিব। (১৮) যিদিনাখন আল্লাহে সিহঁত সকলোকে মৃত্যুৰ পৰা উঠাই আনিব, সিহঁতে তেওঁৰ ওচৰত শপত খাব, যেনেদৰে আজি সিহঁতে তোমালোকৰ ওচৰত শপত খাইছে। সিহঁতে ভাৱে সিহঁত সবল স্থিতিত আছে। আচলতে সিহঁত ঘোৰ মিছলীয়া। (১৯) ছয়তানে সিহঁতক মায়াজালত পেলাইছে আৰু আল্লাহৰ স্মৰণৰ পৰা সিহঁতক পাহৰাই ৰাখিছে। সিহঁত

ছয়তানৰ দলৰ মানুহ। জানি থোৱা, ছয়তানৰ দলৰ মানুহবিলাকেই ক্ষতিগ্ৰস্ত হ'ব। (২০) যিবিলাকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰোধিতা কৰে, সিহঁত চৰমভাৱে লাঞ্ছিতবিলাকৰ অন্তৰ্ভুক্ত। (২১) আল্লাহে লিখি দিছে- 'মই আৰু মোৰ ৰছুলসকলেই নিশ্চয় আধিপত্যতাত থাকিম।' নিশ্চয় আল্লাহ মহা শক্তিধৰ, পৰাক্ৰমশালী।

(২২) তুমি এনে কোনো মানুহ নাপাবা, যিয়ে আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি বিশ্বাস স্থাপন কৰিছে, তেওঁ আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰুদ্ধা চৰণ কৰা মানুহৰ সান্নিধ্যত থাকিব, লাগিলে সিহঁত তেওঁলোকৰ পিতৃ, সন্তান অথবা নিজ ভাতৃ নাইবা সিহঁতৰ নিকটাত্মীয় নহওঁক কিয়? এনে মানুহৰ অন্তৰত আল্লাহে ঈমান বদ্ধমূল কৰি দিছে আৰু নিজৰ শক্তি দান কৰি তেওঁলোকক শক্তিশালী কৰিছে। তেওঁ তেওঁলোকক এনে জান্নাতত প্ৰৱেশ কৰাব, যাৰ মাজেৰে নিজৰাবোৰ প্ৰবাহিত হৈ থাকিব, য'ত তেওঁলোক চিৰকাল থাকিব। আল্লাহ তেওঁলোকৰ প্ৰতি সন্তুষ্ট আৰু তেওঁলোকো আল্লাহৰ প্ৰতি সন্তুষ্ট। এওঁলোকেই আল্লাহৰ দলৰ মানুহ। নিশ্চয় আল্লাহৰ দলৰ লোকসকলহে সফলতা লাভ কৰিব।

৫৯. আল-হাছৰ (বিতাৰণ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলোৱে আল্লাহক স্তুতি কৰে। তেওঁ পৰাক্ৰমশালী, প্ৰজ্ঞাময়। (২) তেৱেঁই সেইজনা, যিজনাই সেইবিলাক মানুহক, যিবিলাক ঐশীপুথিপ্ৰাপ্ত অথচ তাক অবিশ্বাস কৰিছে, সিহঁতক প্ৰথম বাৰ সিহঁতৰ ঘৰ-বাৰীৰ পৰাই উলিয়াই দিলে প্ৰথমটো নিৰ্বাসনত। তুমি কেতিয়াও ভবা নাছিলা যে সিহঁত ওলাই যাব আৰু আৰু সিহঁতে ভাবিছিল যে, সিহঁতৰ সুদৃঢ় দুৰ্গবোৰে সিহঁতক আল্লাহৰ পৰা ৰক্ষা কৰিব। কিন্তু আল্লাহে এনে ফালৰ পৰা সিহঁতৰ ওচৰলৈ আহিল, সেয়া সিহঁতে কল্পনাও কৰা নাছিল।

সিহঁতৰ অন্তৰত এনে আতংক সৃষ্টি কৰি দিলে যে সিহঁতে নিজ হাতেৰেই নিজৰ ঘৰ- দুৱাৰবোৰ ধ্বংস কৰিলে আৰু মুমিনসকলৰ হাতেৰেও কৰালে। এতেকে হে অন্তদৃষ্টি সম্পন্ন লোকসকল, তোমালোকে শিক্ষা লোৱা।

(৩) আল্লাহে যদি সিহঁতৰ ভাগ্যত নিৰ্বাসন লিখি নিদিলেহেঁতেন, তেনেহ'লে নিশ্চয় তেওঁ এই পাৰ্থিৱ জগততেই সিহঁতক শাস্তি দিলেহেঁতেন আৰু পৰকালতো সিহঁতৰ বাবে আছে নৰক যন্ত্ৰণা। (৪) ইয়াৰ কাৰণ হ'ল- সিহঁতে আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰোধিতা কৰিছিল। যি মানুহে আল্লাহৰ বিৰোধিতা কৰে (সি জনা উচিত) আল্লাহ অতি কঠোৰ শাস্তিদাতা। (৫) তোমালোকে যিবোৰ খেজুৰ গছ কাটিলা বা নাকাটি শিপাৰ ওপৰতে থিয় হৈ থাকিবলৈ দিলা, সেয়াও আল্লাহৰেই নিদৰ্শন আছিল যাতে দুষ্কাৰ্যকাৰীবিলাকক আল্লাহে চৰমভাৱে লাঞ্ছিত কৰে।

(৬) আল্লাহে যুদ্ধলব্ধ ধন-সম্পদ সিহঁতৰ পৰা তেওঁৰ ৰছুলক যি অৰ্পণ কৰিলে, সেয়া আল্লাহৰ অনুগ্ৰহ, তাৰ বাবে তোমালোকে উট-ঘোঁৰা দৌৰোৱা নাই। আল্লাহে তেওঁৰ ৰছুলসকলৰ যাক ইচ্ছা কৰে, তেওঁক ক্ষমতা দান কৰে। আল্লাহ সকলো বস্তুৰ ওপৰত ক্ষমতাবান। (৭) আল্লাহে সেই জনবসতিৰ মানুহবিলাকৰ পৰা তেওঁৰ ৰছুলক যি অৰ্পণ কৰিছে, সেয়া- আল্লাহ, ৰছুল, তেওঁৰ আত্মীয়-স্বজন, মাউৰা, দুখীয়-দৰিদ্ৰ আৰু ভ্ৰমণৰত পথিকৰ বাবে যাতে সেয়া তোমালোকৰ ধনবান মানুহৰ মাজতেই আবদ্ধ হৈ নাথাকে। ৰছুলে তোমালোকক যি দিয়ে, তাকে গ্ৰহণ কৰা আৰু যি বস্তুৰ পৰা তোমালোকক বিৰত ৰাখে, তাৰ পৰা বিৰত থাকা। আল্লাহক ভয় কৰা। শাস্তি দিয়াত আল্লাহ অতি কঠোৰ। (৮) এয়া সেইসকল দৰিদ্ৰ মুহাজিৰৰ বাবেও, যিসকলক তেওঁলোকৰ ঘৰ-বাৰীৰ আৰু ধন-সম্পদৰ পৰা বহিষ্কৃত কৰা হৈছে। সিহঁতে আল্লাহৰ অনুগ্ৰহ আৰু সন্তুষ্টি কামনা কৰে আৰু আল্লাহ আৰু তেওঁৰ ৰছুলক সহায় কৰিবলৈ প্ৰস্তুত থাকে। এনে মানুহেই সত্যবাদী লোক।

(৯) যিসকলে ইতিমধ্যে (মদিনা) চহৰত বসতি কৰিছিল আৰু বিশ্বাসত দৃঢ় অটুট আছিল, তেওঁলোকৰ ওচৰলৈ হিজৰত (দেশত্যাগ) কৰি আশ্রয় বিচাৰি অহা লোকসকলক তেওঁলোকে তেওঁলোকক (মুহাজিসকলক) ভাল পায়। তেওঁলোকক (মুহাজিৰসকলক) যি দিয়া হয়, তাৰ বাবে তেওঁলোকে অন্তৰত আকাংক্ষা পোষণ নকৰে। তেওঁলোকে (আনচাৰীসকলে) নিজতকৈ আনকহে বেছি অগ্রাধিকাৰ দিয়ে, যদিওবা তেওঁলোক নিজেই অভাৱগ্রস্ত নহওক কিয়! যিসকলক অর্থলিপ্সাৰ পৰা আন্তৰিকতাৰ সৈতে আঁতৰাই ৰখা হৈছে, তেওঁলোকেই সাফল্যমণ্ডিত হ'ব।

(১০) যিসকলে তেওঁলোকৰ পিচত (বিশ্বাস স্থাপন) কৰিছে, তেওঁলোকে কয়- 'হে আমাৰ প্রভু, আমাক ক্ষমা কৰা আৰু আমাৰ সেইসকল ভাতৃক যিসকলে আমাৰ পূর্বে বিশ্বাস স্থাপন কৰিছিল আৰু বিশ্বাস স্থাপনকাৰী সকলৰ প্রতি আমাৰ অন্তৰত বিদ্বেষৰ ভাৱ নাৰাখিবা। হে আমাৰ প্রভু, তুমি অত্যন্ত স্নেহ পৰায়ণ, অতি কৃপালু।'

(১১) তুমি সিহঁতক দেখা নাইনে, যিবিলাকে মুনাফিকৰ (কপটতাৰ) আচৰণ কৰিছে? সিহঁতে ঐশীপুথিপ্রাপ্ত মানুহবিলাকৰ মাজৰ যিবিলাক অবিশ্বাসকাৰী সংগী আছে, সিহঁতক কয়- 'তোমালোকক যদি বহিষ্কাৰ কৰা হয়, আমিও তোমালোকৰ লগতে ওলাই যাম। আমি তোমালোকৰ বিৰুদ্ধে আন কাৰো কথা কেতিয়াও নামানো আৰু যদি তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰা হয়, আমি তোমালোকক সহায় কৰিম।' আল্লাহে সাক্ষ্য দিছে সিহঁত অৱশ্যই ঘোৰ মিছলীয়া। (১২) যদি সিহঁতক বহিষ্কৃত কৰা হয়, ইহঁত সিহঁতৰ লগত কেতিয়াও ওলাই নাযায় আৰু যদি সিহঁতক আক্রমণ কৰা হয়, ইহঁতে সিহঁতক সহায় নকৰে। অগত্যা যদি সহায় কৰিবলৈ আহেও সিহঁতে সমৰসামৰৰ পৰা পিঠি দি পলায়ন কৰিব আৰু ইয়াৰ পিচত সিহঁতে ক'ৰো পৰা সাহায্য নাপাব।

(১৩) আল্লাহতকৈ তোমালোকৰ প্ৰতিহে সিহঁতৰ ভয় বেছি। কিয়নো সিহঁতৰ কোনো জ্ঞানবোধ নাই। (১৪) সিহঁতে কদাপিও ঐক্যবদ্ধ হৈ তোমালোকৰ লগত যুদ্ধ কৰিবলৈ নাহে। যুদ্ধ কৰিলেও সুৰক্ষিত দুৰ্গৰ জনবসতিৰ পৰা নাইবা বেৰৰ আঁৰ লৈহে কৰিব। সিহঁতৰ নিজৰ মাজতে প্ৰচণ্ড সংঘাত। তুমি ভাবা সিহঁত ঐক্যবদ্ধ; কিন্তু সিহঁতৰ অন্তৰত মিল নাই। কিয়নো সিহঁত যুক্তি বিবৰ্জিত জাতি।

(১৫) সিহঁত সেইবিলাক মানুহৰ দৰে, যিবিলাকে সিহঁতৰ মাত্ৰ কিছুদিনৰ পূৰ্বে নিজ কৃতকৰ্মৰ কুপৰিণতিৰ সোৱাদ পাইছে আৰু সিহঁতৰ কাৰণে আছে যন্ত্ৰণাদায়ক শাস্তি। (১৬) সিহঁত ছয়তানৰ লেখীয়া, যিবিলাকে মানুহক কয়- 'বিশ্বাস নকৰিবা।' কিন্তু যেতিয়া মানুহে অবিশ্বাস কৰিবলৈ লয়, তেতিয়া সি কয়- 'মই তোমাক বৰ্জন কৰিলো। মই আল্লাহক ভয় কৰো, যিজন বিশ্বব্ৰহ্মাণ্ডৰ প্ৰভু।' (১৭) সিহঁতৰ শেষ পৰিণতি হ'ল উভয়ে নিজকে জাহান্নামত পাব। তাত সিহঁত চিৰকাল থাকিব। অন্যায়কাৰীবিলাকৰ এনেকুৱাই দশা হয়।

(১৮) হে বিশ্বাস স্থাপনকাৰীসকল, আল্লাহক ভয় কৰা। প্ৰতিজন ব্যক্তিয়ে লক্ষ্য কৰা উচিত ভবিষ্যতৰ কাৰণে সি কি ৰাখি থৈ গৈছে। আল্লাহক ভয় কৰা। তোমালোকে যি কৰা সেয়া সকলো আল্লাহৰ অৱগত। (১৯) তোমালোক সিহঁতৰ দৰে নহ'বা, যিবিলাকে আল্লাহক পাহৰি গৈছে। সেয়ে আল্লাহে সিহঁতক নিজকে পাহৰাই দিলে। এইবিলাকেই হ'ল দুষ্কৃতিপৰায়ণ মানুহ। (২০) জাহান্নামী আৰু জান্নাতবাসী কেতিয়াও একে হ'ব নোৱাৰে। জান্নাতবাসী সকলহে প্ৰকৃত সাফল্যমণ্ডিত।

(২১) আমি যদি এই কুৰআন কোনো পৰ্বতৰ ওপৰত অৱতীৰ্ণ কৰিলো হেঁতেন, তেনেহ'লে নিশ্চয় তুমি দেখিলাহেঁতেন আল্লাহৰ ভয়ত ই ডবি গৈছে আৰু ভাঙি-ছিঙি চুৰমাৰ হৈ গৈছে। আমি মানুহৰ বাবে এইবোৰ উপমা এইবাবে দাঙি ধৰিছো যাতে সিহঁতে চিন্তা-চৰ্চা কৰে। (২২) তেৱেঁই আল্লাহ। তেওঁৰ

ব্যতীত আন কোনো উপাস্য নাই। তেৱেঁই গোপন-প্ৰকাশ্য সকলো জানে। তেওঁ পৰম কৰুণাময়, অসীম দয়ালু। (২৩) তেৱেঁই আল্লাহ। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। তেৱেঁই মহা অধিপতি, সর্বতোপৰি পৱিত্ৰ, শান্তিৰ উৎস, মহা সংৰক্ষক, নিৰাপত্তাদাতা, পৰাক্ৰমশালী, মহাশক্তিমান, মহানুভৰ। আল্লাহ মহিমাময়, সেইবোৰৰ পৰা পৱিত্ৰ, মানুহে তেওঁৰ প্ৰতি যিবোৰ আৰোপ কৰে। (২৪) তেৱেঁই আল্লাহ, সৃষ্টি কৰোতা, সৃষ্টিৰ উদ্ভাৱক, তাৰ আকাৰ-আকৃতি দানকাৰী। সার্বভৌম নামসমূহ তেওঁৰেই। আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলোৱে তেওঁৰেই মহিমা কীর্তন কৰে। তেৱেঁই পৰাক্ৰমশালী, অসীম প্ৰজ্ঞাবান।

৬০. আল-মুমতাহিনা (পৰীক্ষিতা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে মোৰ আৰু তোমালোকৰ শত্ৰুবিলাকক বন্ধু কৰি নল'বা। তোমালোকে সিহঁতৰ লগত বন্ধুত্ব কৰিবানে, অথচ তোমালোকলৈ যি সত্য আহিছে, সেয়া সিহঁতে প্ৰত্যাখ্যান কৰিছে। সিহঁতে তোমালোকক আৰু ৰছুলক এই কাৰণে নির্বাসিত কৰিছে যে, তোমালোকে তোমালোকৰ প্ৰভু আল্লাহৰ প্ৰতি বিশ্বাস কৰিছা। যদি তোমালোকে মোৰ পথত জিহাদ (সংগ্ৰাম) কৰিবলৈ আৰু মোৰ সন্তুষ্টি লাভৰ মানসেৰে তোমালোকৰ ঘৰ-দুৱাৰ এৰি আহিছা, তেনেহ'লে তোমালোকে গোপনে কিয় সিহঁতৰ সৈতে মিতিৰালি কৰিবা? তোমালোকে যি গোপন কৰা আৰু প্ৰকাশ কৰা, সেয়া মই ভালকৈয়ে জানো। তোমালোকৰ মাজৰ যিজনে এনে আচৰণ কৰে, সি নিশ্চয় সৰল সত্য পথৰ পৰা বিচ্যুত হয়। (২) সিহঁতে যদি তোমালোকৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব পাৰে, তেনেহ'লে সিহঁতে তোমালোকক শত্ৰু স্বৰূপ আচৰণ কৰিব আৰু তোমালোকৰ

অপকাৰ সাধিবলৈ সিহঁতৰ হাত আৰু জিভা তোমালোকলৈ প্ৰসাৰিত কৰিব। তোমালোক অবিশ্বাসকাৰী হোৱাটো সিহঁতে কামনা কৰে। (৩) কিয়ামতৰ দিনা তোমালোকৰ আত্মীয়-স্বজন আৰু তোমালোকৰ সন্তান-সন্ততি তোমালোকৰ কোনো কামত নাহিব। তেওঁ তোমালোকৰ মাজত ন্যায় বিচাৰ কৰি দিব। তোমালোকে যি কৰা, সেয়া সকলো আল্লাহে দেখি আছে।

(৪) ইব্ৰাহীম আৰু তেওঁৰ সংগী-সাৰথিসকলৰ মাজত তোমালোকৰ বাবে উত্তম আদৰ্শ আছে। তেওঁলোকে যেতিয়া তেওঁলোকৰ জাতিৰ মানুহবিলাকক কৈছিল- 'আমি সিবিলাকক বৰ্জন কৰিলো, যিবিলাকক তোমালোকে আল্লাহৰ পৰিৱৰ্তে উপাসনা কৰা। আমি তোমালোকক আনুষ্ঠানিকভাৱে প্ৰত্যাখ্যান কৰিলো। তোমালোকৰ আৰু আমাৰ মাজত শত্ৰুতা আৰু বিদ্বেষ থাকিব, যেতিয়ালৈকে তোমালোকে এক আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন নকৰা।' (এই উক্তি ব্যতিক্ৰম আছিল) যেতিয়া ইব্ৰাহীমে তেওঁৰ বাপেকক কৈছিল- 'মই আপোনাৰ কাৰণে অৱশ্যই (আল্লাহৰ ওচৰত) ক্ষমা প্ৰাৰ্থনা কৰিম, যদিও আপোনাৰ হকে আল্লাহৰ পৰা কিবা উপকাৰ কৰাৰ ক্ষমতা মোৰ নাই।' তেওঁলোকে প্ৰাৰ্থন কৰিলে- 'হে আমাৰ প্ৰভু, তোমাৰ ওপৰতেই আমি ভৰসা কৰিছো আৰু অনুতপ্ত হৈ তোমাৰেই অভিমুখী হৈছো আৰু তোমাৰ ওচৰলৈকে আমাৰ প্ৰত্যাৱৰ্তন। (৫) হে আমাৰ প্ৰভু, তুমি আমাক অবিশ্বাসকাৰীবিলাকৰ অভিসন্ধিৰ ফান্দত নেপেলাবা। হে আমাৰ প্ৰভু, আমাক মাৰ্জনা কৰা। কেৱল মাথোন তুমিয়েই পৰাক্ৰমশালী, প্ৰজ্ঞাময়।' (৬) নিশ্চয় তোমালোকৰ বাবে সিহঁতৰ মাজতো উত্তম আদৰ্শ আছে, যিসকলে আল্লাহ আৰু পৰকালৰ প্ৰতি আশাবাদী। যিবিলাকে মুখ ঘুৰায়, সিহঁতে জনা উচিত আল্লাহ স্বনিৰ্ভৰশীল আৰু সকলো প্ৰশংসাৰ অধিকাৰী। (৭) এনে হ'ব পাৰে, আল্লাহে তোমালোক আৰু সিহঁতৰ মাজত সুসম্পৰ্ক সৃষ্টি কৰি দিব, যিবিলাকৰ লগত তোমালোকৰ শত্ৰুতা আছে। আল্লাহ মহা ক্ষমতাবান, অতি

ক্ষমাশীল, পৰম দয়ালু।

(৮) সিহঁতৰ প্ৰতি সদাচাৰ হ'বলৈ আৰু ন্যায় বিচাৰ কৰিবলৈ আল্লাহে তোমালোকক বাৰণ কৰা নাই, যিবিলাক মানুহে ধৰ্ম-বিশ্বাস সংক্ৰান্তত তোমালোকৰ লগত যুদ্ধ কৰা নাই আৰু তোমালোকক তোমালোকৰ ঘৰ-বাৰীৰ পৰা বহিষ্কাৰ কৰা নাই। নিশ্চয় আল্লাহে ন্যায় বিচাৰকাৰীক ভাল পায়। (৯) আল্লাহে মাথোন তোমালোকক সেইবিলাকৰ লগত বন্ধুত্ব কৰিবলৈ বাৰণ কৰিছে, যিবিলাকে ধৰ্ম-বিশ্বাস সংক্ৰান্তত তোমালোকৰ লগত যুদ্ধ কৰিছে আৰু তোমালোকক তোমালোকৰ ঘৰ-বাৰীৰ পৰা উৎখাত কৰিছে আৰু তেনে কৰিবলৈ আনকো সহায় কৰিছে। এই মানুহবিলাকৰ লগত যিবিলাকে মিত্ৰতা কৰে, সিহঁত অন্যায়কাৰী।

(১০) হে বিশ্বাস স্থাপনকাৰীসকল, যেতিয়া মুমিন নাৰীসকল হিজৰত কৰি (আশ্ৰয় পাৰ্থী হৈ) তোমালোকৰ ওচৰলৈ আহে, তেতিয়া সিহঁতক বাচ-বিচাৰ কৰি ল'বা। সিহঁতৰ ঈমানৰ (বিশ্বাসৰ) স্বৰূপ আল্লাহে ভালকৈয়ে জানে। যদি তোমালোকে জানিব পাৰা যে সিহঁত প্ৰকৃত বিশ্বাস স্থাপনকাৰিণী, তেনেহ'লে সিহঁতক অবিশ্বাসকাৰীৰ ওচৰলৈ ঘূৰাই নপঠাবা। এই মহিলাবিলাক সিহঁতৰ বাবে বৈধ নহয় আৰু যিবিলাকে অবিশ্বাস কৰে, সিহঁতৰ বাবেও এই মোহৰ দিছিল, সেয়া সিহঁতক ঘূৰাই দিবা। তোমালোকে মোহৰ দি সিহঁতক বিবাহ কৰালে তোমালোকৰ কোনো দোষ নহয়। তোমালোকে অবিশ্বাসকাৰী নাৰীবিলাকক বিবাহ বন্ধনেৰে আবদ্ধ কৰি নাৰাখিবা। তোমালোকে যি মোহৰ দিছিলা, সেয়া সিহঁতৰ পৰা ঘূৰাই বিচৰা আৰু অবিশ্বাসকাৰীবিলাকেও বিশ্বাস স্থাপনকাৰী স্ত্ৰীসকলক যি মোহৰ দিছিল, সেয়া সিহঁতেও ঘূৰাই বিচাৰক। এয়া আল্লাহৰ ৰায়। তেৱেঁই তোমালোকৰ মাজত ন্যায় মীমাংসা কৰি দিয়ে। আল্লাহ মহাজ্ঞানী, প্ৰজ্ঞাময়।

(১১) যদি তোমালোকৰ কোনোবা এগৰাকী স্ত্রীয়ে তোমালোকক পৰিত্যাগ কৰি অবিশ্বাসকাৰীৰ ওচৰলৈ যায় আৰু পাছত যদি তোমালোকৰ বাবে সুযোগ আহে (আন পক্ষৰ পৰা তিৰোতা আহে) যিসকলক এওঁলোকে পৰিত্যাগ কৰি আহে, সেইসকলক সমপৰিমাণৰ মোহৰ আদায় দিয়া। আল্লাহক ভয় কৰা, যিজন আল্লাহৰ ওপৰত তোমালোকে বিশ্বাস স্থাপন কৰিছা।

(১২) হে নবী, যেতিয়া মুমিন মহিলা তোমাৰ ওচৰলৈ আহে আৰু সিহঁতে শপত খায় যে তেওঁলোকে আল্লাহৰ লগত আন কাকো অংশী নকৰে, চুৰি নকৰে, ব্যভিচাৰ নকৰে বা নিজ সন্তানক হত্যা নকৰে, ইচ্ছাকৃত ভাৱে নিজে কলংক ৰচনা কৰি তাকে ৰটি নুফুৰে আৰু কোনো ন্যায্য কামত তোমাৰ অবাধ্যতা নকৰে, তেনেহ'লে তুমি তেওঁলোকৰ আনুগত্যৰ শপত ল'বা আৰু তেওঁলোকৰ পাপ মোচনৰ বাবে আল্লাহৰ ওচৰত ক্ষমা প্রার্থনা কৰা। নিশ্চয় আল্লাহ ক্ষমাশীল, পৰম দয়ালু। (১৩) হে ঈমানদাৰসকল, তোমালোকে সেইবিলাক মানুহৰ লগত মিত্রতা নকৰিবা, যিবিলাকৰ ওপৰত আল্লাহৰ অভিশাপ পৰিছে। সিহঁতে পৰকাল সম্পর্কে নিৰাশ হৈছে, যেনেদৰে কবৰত সমাধিত অবিশ্বাসকাৰীবিলাক নিৰাশ হৈছে।

৬১. আছ-ছফ (শাৰীবদ্ধ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আকাশমণ্ডল আৰু পৃথিৱীৰ সকলো বস্তুৱেই আল্লাহৰ মহিমা কীর্তন কৰে। তেওঁ মহা পৰাক্রমশালী, অসীম প্রজ্ঞাময়। (২) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে সেই কথা কোৱা কিয়, যিটো কার্যতঃ তোমালোকে নকৰা? (৩) আল্লাহৰ ওচৰত আটাইতকৈ ঘৃণনীয় হ'ল- তোমালোকে এনে কথা কোৱা, যিটো নিজে নকৰা। (৪) নিশ্চয় আল্লাহে

সেইসকল মানুহক ভাল পায়, যিসকলে শৃঙ্খলাবদ্ধভাৱে শাৰী পাতি তেওঁৰ পথত যুদ্ধ কৰে। যেনিবা তেওঁলোক গলিত সীহেৰে নির্মিত সুদৃঢ় প্ৰাচীৰহে।

(৫) স্মৰণ কৰা, যেতিয়া মূছাই তেওঁৰ জাতিৰ মানুহবিলাকক কৈছিল- 'হে মোৰ জাতিভাইসকল, তোমালোকে মোক কিয় কষ্ট দিছা, যিহেতু তোমালোকে জানাই যে মই তোমালোকৰ প্ৰতি প্ৰেৰিত আল্লাহৰ ৰছুল?' যেতিয়া সিহঁত দুদোল্যমান হ'ল, আল্লাহে সিহঁতৰ অন্তৰ ঘূ�ৰাই দিলে। দুষ্কৃতিকাৰীবিলাকক আল্লাহে সৎপথ প্ৰদৰ্শন নকৰে।

(৬) স্মৰণ কৰা, যেতিয়া মৰিয়ম তনয় ঈছাই কৈছিল- 'হে ইছৰাঈলৰ বংশধৰসকল, মই তোমালোকৰ প্ৰতি প্ৰেৰিত আল্লাহৰ ৰছুল। মোৰ পূৰ্বে অৱতীৰ্ণ হোৱা তওৰাত পুথিৰ সত্যতা মই সাব্যস্ত কৰো আৰু মোৰ পিচত আহিব লগা এনে এজন বার্তাবাহকৰ সুসংবাদ দিও যিজনৰ নাম হ'ব আহমদ।' পিচত যেতিয়া তেওঁ সুস্পষ্ট নিদর্শন লৈ সিহঁতৰ ওচৰত উপস্থিত হ'ল, সিহঁতে ক'লে- 'এয়া দেখদেখ যাদু।' (৭) সেইজনতকৈ অধিক অন্যায়কাৰী আন কোন হ'ব পাৰে, যিজনে আল্লাহৰ প্ৰতি মিছা ৰচনা কৰে, যেতিয়া সিহঁতক তেওঁৰ (আল্লাহৰ) ওচৰত আত্মসমর্পণ কৰিবলৈ আহ্বান কৰা হৈছে? আল্লাহে অন্যায়কাৰীবিলাকক পথ প্ৰদৰ্শন নকৰে। (৮) সিহঁতে আল্লাহৰ জ্যোতিক ফুঁ মাৰি নিৰ্বাপিত কৰিব বিচাৰে; কিন্তু আল্লাহে তেওঁৰ জ্যোতিক পূৰ্ণতা দান কৰিবই, অবিশ্বাসকাৰীবিলাকৰ বাবে যিমানেই অপ্ৰীতিকৰ নহওক কিয়! (৯) এইজনা তেওঁ, যিজনাই তেওঁৰ ৰছুলক পথ নিদের্শনা আৰু সত্য ধর্মসহ প্ৰেৰণ কৰিছে যাতে ইয়াক সকলো ধর্মৰ ওপৰত বিজয়ী কৰাব পাৰে আৰু সেয়া অংশীবাদীবিলাকে যিমানেই বেয়া নাপাওক কিয়!

(১০) হে বিশ্বাস স্থাপনকাৰীসকল, মই তোমালোকক এনে এটা বাণিজ্যৰ পথৰ সন্ধান দিমনে, যিটোৱে তোমালোকক কঠোৰ শাস্তিৰ পৰা ৰক্ষা কৰিব? (১১) তোমালোকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি বিশ্বাস

স্থাপন কৰা আৰু নিজ ধন-সম্পদ দি, জীৱন পণ কৰি আল্লাহৰ পথত জিহাদ (সংগ্ৰাম) কৰা। এয়া তোমালোকৰ বাবে উত্তম, যদিহে তোমালোকে অনুধাৱন কৰিব পাৰা! (১২) আৰু তেওঁ তোমালোকৰ পাপবোৰ ক্ষমা কৰি দিব আৰু তোমালোকক এনে জান্নাততে প্ৰৱেশ কৰাব, যাৰ মাজেৰে নিজৰা প্ৰবাহিত হৈ থাকে। তেওঁ তোমালোকক বাস কৰিবলৈ এনে মনোমোহা আবাস দিব, যিবোৰ চিৰস্থায়ী জান্নাততে অৱস্থিত। এয়াই পৰম সাফল্য। (১৩) তেওঁ তোমালোকক আন এটা অনুগ্ৰহ দান কৰিব, যিটো তোমালোকে বাঞ্ছা কৰা, সেয়া- আল্লাহৰ সাহায্য আৰু আসন্ন বিজয়। (হে মুহাম্মদ) মুমিনসকলক এই সুসংবাদ দিয়া।

(১৪) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোক আল্লাহৰ সহায়কাৰী হোৱা, যেনেদৰে মৰিয়ম পুত্ৰ ঈছাই তেওঁৰ শিষ্যসকলক কৈছিল- 'আল্লাহৰ পথত মোৰ সহায়ক কোন হ'ব?' শিষ্যসকলে কৈছিল- 'আমি আল্লাহৰ সহায়কাৰী হ'ম।' ইছ্ৰাঈল বংশধৰবিলাকৰ কিছুমানে বিশ্বাস স্থাপন কৰিলে আৰু কিছুমানে অগ্ৰাহ্য কৰিলে। বিশ্বাস স্থাপনকাৰীসকলক আমি তেওঁলোকৰ শত্ৰুৰ বিপক্ষে সমৰ্থন দিছিলো আৰু তেওঁলোক সিহঁতৰ ওপৰত বিজয়ী হ'ল।

৬২. আল-জুমুআ (ধৰ্ম সমাবেশৰ দিন)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলোৱে আল্লাহৰ মহিমা কীৰ্তন কৰি আছে, যিজন ৰাজাধিৰাজ, মহা পৱিত্ৰ, মহা পৰাক্ৰমশালী, অসীম প্ৰজ্ঞাময়। (২) তেৱেঁই সেইজন, যিজনে নিৰক্ষৰ মানুহবিলাকৰ মাজৰ পৰাই এজনক ৰছুল হিচাবে পঠিয়াইছে, যিজনাই তেওঁৰ আয়াতসমূহ তেওঁলোকক পাঠ কৰি শুনায়, তেওঁলোকক কলুষমুক্ত কৰে আৰু তেওঁলোকক জ্ঞান আৰু কুৰআনৰ শিক্ষা দিয়ে। ইতিপূৰ্বে তেওঁলোক স্পষ্ট ভ্ৰান্ত পথত আছিল। (৩) আৰু এওঁ আন মানুহৰ প্ৰতিও প্ৰেৰিত হৈছে, যিবিলাকে এতিয়াও তেওঁৰ

লগত মিলিত হোৱা নাই। তেওঁ মহা পৰাক্ৰমশালী, অসীম প্ৰজ্ঞাময়। (৪) সেয়া আল্লাহৰ অনুগ্ৰহ। তেওঁ যাক ইচ্ছা কৰে, তাক সেয়া দান কৰে আৰু আল্লাহ অসীম অনুগ্ৰহৰ অধিকাৰী।

(৫) যিবিলাকক তওৰাতৰ ভাৰ অৰ্পণ কৰা হৈছিল, সিহঁতে কিন্তু সেই ভাৰ বহন নকৰিলে। সিহঁত যেনিবা কিতাব কঢ়িওৱা গাধহে। কিমান নিকৃষ্ট দৃষ্টান্ত সিহঁতৰ যিবিলাকে আল্লাহৰ নিদৰ্শনসমূহ অবিশ্বাস কৰিছে! অন্যায়কাৰী মানুহক আল্লাহে সৎপথ প্ৰদৰ্শন নকৰে। (৬) কোৱা- 'তোমালোক, যিবিলাক ইহুদী, তোমালোকে যদি দাবী কৰা আন সকলোবিলাকতকৈ তোমালোকহে আল্লাহৰ অধিক প্ৰিয়পাত্ৰ, তেনেহ'লে তোমালোকে মৃত্যু কামনা কৰাছোন, যদি তোমালোক সত্যবাদী হোৱা।' (৭) এয়া সিহঁতে কদাপিও কামনা নকৰে, সিহঁতৰ নিজ কৃতকৰ্মৰ কাৰণে। আল্লাহে দুষ্কৃতিকাৰীবিলাকক ভালকৈয়ে জানে। (৮) কোৱা- 'যি মৃত্যুৰ পৰা তোমালোকে পলাইছা, নিশ্চয় সেয়াই তোমালোকক লগ পাবই। তাৰ পিচত তোমালোকক সেই সত্যৰ সন্মুখীন কৰোৱা হ'ব, যিজনে গোপন আৰু প্ৰকাশ্য সকলো জানে আৰু তেতিয়া তেওঁ তোমালোকক জনাই দিব তোমালোকে কি কৰিছিলা।'

(৯) হে বিশ্বাস স্থাপনকাৰীসকল, জুমুআৰ দিনা (ধৰ্মসমাবেশৰ দিনা) যেতিয়া তোমালোকক নামাজৰ (আল্লাহৰ স্মৰণৰ) বাবে আহবান কৰা হয়, তেতিয়া বেচা-কিনা বন্ধ কৰি লৰালৰিকৈ যোৱা। এয়া তোমালোকৰ বাবে শ্ৰেয়ঃ, যদি বুজিব পাৰা। (১০) যেতিয়া নামাজ সমাপ্ত হয়, তেতিয়া ধৰণীত দিহা-দিহি গৈ আল্লাহৰ অনুগ্ৰহ বিচৰা। আল্লাহক অধিক স্মৰণ কৰা, সম্ভৱতঃ তোমালোক সফল হ'বা। (১১) তথাপি সিহঁতে যেতিয়া ব্যৱসায়-বাণিজ্য অথবা খেল-ধেমালি হোৱা দেখে, সেইফালে ধাবিত হয় আৰু সিহঁতে তোমাক থিয় হৈ থকা অৱস্থাতে এৰি যায়। কোৱা- 'আল্লাহৰ ওচৰত যি আছে, সেয়া ব্যৱসায়-বাণিজ্য আৰু খেল-ধেমালিতকৈ উৎকৃষ্ট। আল্লাহ সৰ্বশ্ৰেষ্ঠ জীৱিকাদাতা।

৬৩. আল-মুনাফিকুন (কপটাচাৰীবিলাক)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) যেতিয়া মুনাফিকবিলাক (কপটাচাৰীবিলাক) তোমাৰ ওচৰলৈ আহে, সিহঁতে কয়- 'আমি সাক্ষ্য দিছো যে নিশ্চয় আপুনি আল্লাহৰ ৰছুল।' আল্লাহে জানে যে তুমি অৱশ্যই তেওঁৰ প্ৰেৰিত ৰছুল; কিন্তু আল্লাহে সাক্ষ্য দিছে যে এই মুনাফিকবিলাকে গোকাট মিছা মাতিছে। (২) সিহঁতে নিজ শপতবোৰক ঢাল হিচাবে ব্যৱহাৰ কৰে, এইদৰে সিহঁতে আনকো আল্লাহৰ পথৰ পৰা বিৰত ৰাখে। সেয়ে সিহঁতে যি কৰি আছে, সেয়া অতি কদৰ্য কাম। (৩) ইয়াৰ কাৰণ হ'ল- সিহঁতে বিশ্বাস স্থাপন কৰাৰ পিচত আকৌ ঈমান (বিশ্বাস) পৰিত্যাগ কৰিলে। সিহঁতৰ অন্তৰত মোহৰ মাৰি দিয়া হ'ল। সেয়ে সিহঁতে একো নুবুজা হ'ল।

(৪) তুমি যেতিয়া সিহঁতক দেখা, সিহঁতৰ বাহ্যিক চেহেৰাই তোমাক মুগ্ধ কৰে আৰু সিহঁতে যেতিয়া কথা কয়, সিহঁতৰ কথা তুমি ৰ' লাগি শুনি থাকা। কিন্তু সিহঁত বেৰত আউজাই থোৱা এডোখৰ কাঠৰ দৰে। চিঞৰ এটা মাৰিলেই সিহঁতৰ বিৰুদ্ধে মাৰিছে বুলি সিহঁতে ভাৰে। সিহঁত প্ৰকৃত শত্ৰু। সেয়ে সিহঁতৰ প্ৰতি সতৰ্ক থাকিবা। আল্লাহে সিহঁতক নাশ কৰক। কেনেদৰে সিহঁত আঁতৰি যায়। (৫) সিহঁতক যেতিয়া কোৱা হয়- 'আহা, আল্লাহৰ ৰছুলে তোমালোকৰ বাবে ক্ষমা-প্ৰাৰ্থনা কৰিব, তেতিয়া সিহঁতে অইন ফালে মূৰ ঘূৰায় আৰু তুমি দেখিবা যে সিহঁতে দম্ভ কৰি আঁতৰি গ'ল। (৬) তুমি সিহঁতৰ বাবে ক্ষমা-প্ৰাৰ্থনা কৰা বা নকৰা সিহঁতৰ বাবে একেই। আল্লাহে সিহঁতক ক্ষমা নকৰে, আল্লাহে এনে দুৰাচাৰ মানুহবিলাকক পথ প্ৰদৰ্শন নকৰে।

(৭) ইহঁত সেইবিলাক মানুহ, যিবিলাকে কয়- 'আল্লাহৰ ৰছুলৰ অনুসৰণকাৰীবিলাকৰ কাৰণে অৰ্থ ব্যয় নকৰিবা, যেতিয়ালৈকে সিহঁতে তেওঁক পৰিত্যাগ নকৰে।' অথচ আকাশমণ্ডল আৰু পৃথিৱীৰ সকলো ধনভাণ্ডাৰৰ

গৰাকী মাথোন আল্লাহ; কিন্তু সেই মুনাফিকবিলাকে বুজি নাপায়। (৮) সিহঁতে কয়- 'আমি মদিনালৈ প্ৰত্যাৱৰ্তন কৰিলে সম্ভ্ৰান্ত শ্ৰেণীৰ মানুহে নিম্ন শ্ৰেণীৰ মানুহবিলাকক (দুমুখীয়া মুছলমানসকলক) তাৰ পৰা বহিষ্কাৰ কৰিব।' কিন্তু মান-মৰ্যাদা আল্লাহ, তেওঁৰ ৰছুল আৰু মুমিনসকলৰ বাবেহে। এই মুনাফিক বিলাক এই সম্পৰ্কে সচেতন নহয়।

(৯) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকৰ ধন-সম্পদ আৰু সন্তান-সন্ততিয়ে যেন তোমালোকক আল্লাহৰ স্মৰণৰ পৰা আঁতৰাই নিনিয়ে। যিবিলাকে এনে কৰিব, সিহঁতেই ক্ষতিগ্ৰস্ত হ'ব। (১০) আমি তোমালোকক যি উপকৰণ দিছো, মৃত্যু অহাৰ আগেয়ে তোমালোকে তাৰ পৰা ব্যয় কৰা। সি ক'ব- 'হে মোৰ প্ৰভু, তুমি যদি মোক আৰু অলপ সময় অৱকাশ দিলাহেঁতেন, তেনেহ'লে মই দান-খয়ৰাত কৰিলোহেঁতেন আৰু সৎকৰ্মীসকলৰ অন্তৰ্ভুক্ত হ'লোহেঁতেন!' (১১) কিন্তু যেতিয়া কাৰোবাৰ নিৰ্ধাৰিত সময়কাল আহি পায়, তেতিয়া আল্লাহে তাক অলপো অৱকাশ নিদিয়ে। তোমালোকে যি কৰা, আল্লাহে সেয়া ভালকৈয়ে জানে।

৬৪. আত-তাগাবুন (লাভ-লোকচান)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে, সকলোৱে আল্লাহৰেই মহিমা কীৰ্তন কৰে। সাৰ্বভৌম ৰাজত্ব আৰু সকলো প্ৰশংসা তেওঁৰেই। সৰ্ব বিষয়তে তেওঁ ক্ষমতাবান। (২) এইজনা তেৱেঁই, যিজনাই তোমালোকক সৃষ্টি কৰিছে। পিচত তোমালোকৰ কোনো কোনো অবিশ্বাসকাৰী হোৱা আৰু কোনো কোনোৱে বিশ্বাস স্থাপনকাৰী হোৱা, তোমালোকে যি কৰা সেয়া সকলো আল্লাহে দেখি আছে। (৩) তেৱেঁই আকাশমণ্ডল আৰু পৃথিৱী নিৰ্দিষ্ট উদ্দেশ্যৰে সৃষ্টি কৰিছে। তেওঁ তোমালোকৰ আকৃতি দান কৰিছে আৰু

তোমালোকক উৎকৃষ্ট আকৃতি দান কৰিছে। তেওঁৰ পিনেই তোমালোক উভতি যাব লাগিব। (৪) আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সকলো তেওঁ জানে। তোমালোকে যি গোপন কৰা আৰু যি প্ৰকাশ কৰা, সেয়াও তেওঁ জানে। আল্লাহে তোমালোকৰ অন্তৰৰ গুপুত ৰহস্যও ভালদৰে জানে।

(৫) তোমালোকে সিহঁতৰ বিষয়ে শুনা নাইনে, যিবিলাকে তোমালোকৰ পূৰ্বে অবিশ্বাস কৰিছিল? সিহঁতে সিহঁতৰ অপকৰ্মৰ ফল ভোগ কৰিলে, সিহঁতৰ বাবে আৰু আছে যন্ত্ৰণাদায়ক শাস্তি। (৬) ইয়াৰ কাৰণ হ'ল- সিহঁতৰ ৰছুলে সিহঁতলৈ সুস্পষ্ট প্ৰমাণ লৈ আহিছিল; কিন্তু সিহঁতে কৈছিল- 'মৰণশীল মানুহে আমাক পথ দেখুৱাবনে?' সেয়ে সিহঁতে অগ্ৰাহ্য কৰিলে আৰু মুখ ঘূৰালে। এনে প্ৰকৃতিৰ মানুহৰ আল্লাহৰ প্ৰয়োজন নাই। আল্লাহ অভাৱমুক্ত আৰু সকলো প্ৰশংসাৰ অধিকাৰী।

(৭) যিবিলাকে অবিশ্বাস কৰে, সিহঁতে দাবী কৰে যে সিহঁতক কেতিয়াও পুনৰাই উঠোৱা নহ'ব। কোৱা- 'নিশ্চয় হ'ব, মোৰ প্ৰভুৰ শপত, তোমালোকক অৱশ্যই পুনৰাই উঠোৱা হ'ব। তোমালোকে কি কৰিছিলা, সেয়াও তোমালোকক জনাই দিয়া হ'ব আৰু এনে কৰা আল্লাহৰ পক্ষে তেনেই উজু।' (৮) সেয়ে আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি বিশ্বাস স্থাপন কৰা আৰু আমি অৱতীৰ্ণ কৰা আলোৰ (কুৰআনৰ) প্ৰতিও বিশ্বাস স্থাপন কৰা। তোমালোকে যি কৰা, আল্লাহে সেয়া সম্পূৰ্ণ জানে। (৯) সমবেত হোৱাৰ দিনাখন তেওঁ তোমালোক সকলোকে সমবেত কৰিব, সেইদিনটো হ'ব লাভ-লোকচানৰ দিন। যি ব্যক্তিয়ে আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰিছিল আৰু সৎকৰ্ম কৰিছিল, আল্লাহে তেওঁৰ পাপ মোচন কৰি দিব আৰু এনে জান্নাতত প্ৰৱেশ কৰাব, য'ত নিজৰাবোৰ প্ৰবাহিত হৈ থাকে। তাত তেওঁলোক চিৰকাল থাকিব। এয়াই পৰম সাফল্য। (১০) আনহাতে যিবিলাকে অবিশ্বাস কৰিছিল আৰু আমাৰ নিদৰ্শনসমূহ অগ্ৰাহ্য কৰিছিল। সিহঁত জাহান্নামৰ অধিবাসী। তাত সিহঁত

চিৰকাল থাকিব আৰু সেয়া অতি নিকৃষ্ট গন্তব্যস্থল!

(১১) আল্লাহৰ অনুমতি অবিহনে কোনো বিপদ-আপদ নাহে। যিজনে আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰে, তেওঁৰ অন্তৰ তেওঁ সুপথত চালিত কৰে। সকলো বিষয়ে তেওঁ ভালকৈয়ে জানে। (১২) আল্লাহৰ অনুগত হোৱা আৰু ৰছুলক মানি চলা। যদি তোমালোকে মুখ ঘুৰোৱা, জানি থোৱা, আমাৰ ৰছুলৰ দায়িত্ব হ'ল মাথোন সুস্পষ্টকৈ বার্তা পৌছাই দিয়া। (১৩) আল্লাহ! তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। সেয়ে মুমিনসকলে তেওঁৰ ওপৰতেই ভৰসা কৰা উচিত।

(১৪) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকৰ স্ত্রী আৰু সন্তানসকলৰ মাজতে তোমালোকৰ শত্রু আছে। গতিকে সিহঁতৰ পৰা সাৱধান থাকিবা। তোমালোকে যদি সিহঁতৰ কুকর্ম উপেক্ষা কৰা আৰু সিহঁতক ক্ষমা কৰা, তেনেহ'লে অৱশ্যই আল্লাহ ক্ষমাশীল, পৰম দয়ালু। (১৫) তোমালোকৰ ধন-সম্পদ আৰু তোমালোকৰ সন্তান-সন্ততি এটা পৰীক্ষা মাথোন। আল্লাহৰ ওচৰত আছে মহান পুৰস্কাৰ। (১৬) গতিকে তোমালোকে পার্যমানে আল্লাহক ভয় কৰা আৰু শুনা, আনুগত্য কৰা আৰু নিজ ধন-সম্পদ ব্যয় কৰা। এয়া তোমালোকৰ কাৰণে মংগলজনক। যিবিলাক মানুহে নিজৰ লোভৰ পৰা নিজক সংযমিত কৰিলে, তেওঁলোক সফল হ'ল। (১৭) তোমালোকে যদি আল্লাহক উত্তম ঋণ দিয়া, তেনেহ'লে তেওঁ সেয়া কেবাগুণ বৃদ্ধি কৰি দিব আৰু তোমালোকক মার্জনা কৰিব। আল্লাহ গুণগ্রাহী, সহনশীল। (১৮) অদৃশ্য আৰু দৃশ্য আল্লাহে সকলো জানে। তেওঁ পৰাক্রমশালী, প্রজ্ঞাময়।

৬৫. আত-তালাক (বিবাহ বিচ্ছেদ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হে নবী, তোমালোকে যেতিয়া তিৰোতাসকলক তালাক দিয়া,

তেতিয়া ইদ্দতৰ (পৰিত্ৰ সময় কাল) ভিত্তিত তালাক দিবা। ইদ্দতৰ সময় ভালদৰে গণনা কৰিবা আৰু তোমালোকৰ প্ৰভু আল্লাহক ভয় কৰিবা। সিহঁতক ঘৰৰ পৰা উলিয়াই নিদিবা আৰু সিহঁতে নিজেও যেন ঘৰৰ পৰা ওলাই নাযায়। পিছে সিহঁতে অশ্লীল কৰ্ম কৰিলে অন্য কথা। এয়া আল্লাহে নিৰ্ধাৰণ কৰি দিয়া সীমাৰেখা। যিজনে আল্লাহৰ সীমাৰেখা লংঘন কৰে, সি নিজৰেই অনিষ্ট কৰে। তুমি নাজানা, ইয়াৰ পিচত হয়তো আল্লাহে নতুন কোনো ব্যৱস্থা উদ্ভাৱন কৰি দিব। (২) সিহঁতৰ ইদ্দতৰ ম্যাদ উকলিবৰ হ'লে, হয় সিহঁতক স-সন্মানেৰে ৰাখিবা, নহ'লে ৰীতি অনুযায়ী সম্পৰ্ক চ্ছেদ কৰিবা। তোমালোকৰ মাজৰ দুজন ন্যায়পৰায়ণ মানুহক সাক্ষী ৰাখিব আৰু তেওঁলোকে আল্লাহৰ উদ্দেশ্যে সঠিক সাক্ষ্য দিব। আল্লাহ আৰু পৰকালৰ প্ৰতি বিশ্বাস স্থাপন কৰা প্ৰতিজন ব্যক্তিক এই উপদেশ দিয়া হৈছে। যিজনে আল্লাহক ভয় কৰে, তেওঁক আল্লাহে (এনে সংকটৰ পৰা ৰক্ষা পোৱাৰ) ব্যৱস্থা কৰি দিব। (৩) আৰু তেওঁক এনে উৎসৰ পৰা জীৱিকা দান কৰিব, যি উৎস সম্পৰ্কে তেওঁ কল্পনাই কৰিব নোৱাৰে। যি মানুহে আল্লাহৰ ওপৰত ভৰসা কৰে, তেওঁৰ বাবে আল্লাহেই যথেষ্ট। নিশ্চয় আল্লাহে নিজ উদ্দেশ্য পূৰণ কৰিবই। প্ৰতিটো বস্তুৰ বাবে তেওঁ এটি নিৰ্দিষ্ট মাত্ৰা নিৰ্ধাৰণ কৰি দিছে।

(৪) তোমালোকৰ যিসকল স্ত্ৰী ঋতুমতী হোৱাৰ বয়স অতিক্ৰম কৰিছে, তেওঁলোকৰ সম্পৰ্কে যদি তোমালোকৰ সন্দেহ জাগে, তেনেহ'লে জানি থোৱা, তেওঁলোকৰ ইদ্দত কাল তিনি মাহ। ঠিক তেনেদৰে যিসকল ঋতুমতী হোৱা নাই, তেওঁলোকৰ ইদ্দতৰ সময়ো তিনি মাহ। গৰ্ভৱতী তিৰোতাৰ ইদ্দতৰ সময় সন্তান প্ৰসৱ হোৱালৈকে। যি মানুহে আল্লাহক ভয় কৰে, আল্লাহে তেওঁৰ কাম সহজ কৰি দিব। (৫) এয়া আল্লাহৰ নিৰ্দেশ, তোমালোকৰ প্ৰতি অৱতীৰ্ণ কৰিছে। যি মানুহে আল্লাহক ভয় কৰে, আল্লাহে তেওঁৰ পাপসমূহ মোচন কৰিব আৰু তেওঁক ভাল প্ৰতিদান দিব।

(৬) সেই তিৰোতাসকলক (ইদ্দতৰ সময়ছোৱাত) সেই ঘৰতে থাকিবলৈ দিয়া, তোমালোকে সামৰ্থ অনুযায়ী যি ঘৰত থাকা। কষ্ট দিয়াৰ উদ্দেশ্যে সিহঁতক যাতনা নিদিবা। যদি সিহঁত গৰ্ভৱতী হয়, প্ৰসৱ নকৰালৈকে সিহঁতৰ খৰচ বহন কৰিবা। যদি সিহঁতে তোমালোকৰ কেঁচুৱাক পিয়াহ খোৱায়, সিহঁতক তাৰ প্ৰাপ্য আদায় দিবা আৰু এয়া তোমালোকে আপোচতে ন্যায়সংগত ভাৱে আলোচনা কৰি বুজা-পৰা কৰি ল'বা। তোমালোকে যদি পৰস্পৰে মীমাংসাত আহিব নোৱাৰা, তেনেহ'লে আন তিৰোতাৰ পিয়াহ খুৱাবা। (৭) অৱস্থাপন্ন মানুহে নিজ স্বচ্ছলতা অনুযায়ী খৰচ কৰিব। যাৰ জীৱিকা আল্লাহে সীমিত কৰি দিছে, আল্লাহে তেওঁক যি দিছে, তাৰ পৰাই তেওঁ ব্যয় বহন কৰিব। আল্লাহে যাক যি দিছে তাতোকৈ বেছি ব্যয় বহন কৰাৰ ভাৰ তেওঁ কাৰো ওপৰত জাপি নিদিয়ে। কষ্টৰ পিচত আল্লাহে স্বচ্ছন্দ দান কৰিব।

(৮) অনেক জনবসতিয়ে সিহঁতৰ প্ৰভু আৰু তেওঁৰ ৰছুলসকলৰ আদেশৰ বিৰুদ্ধাচৰণ কৰিছিল, সেয়ে আমি সিহঁতৰ পৰা কঠোৰ হিচাব লৈছিলো আৰু সিহঁতক ভয়ানক শাস্তি দিছিলো। (৯) গতিকে সিহঁতে নিজ অপকৰ্মৰ সোৱাদ ভোগ কৰিলে আৰু পৰিণতি হিচাবে সিহঁত ধ্বংস হ'ল। (১০) আল্লাহে সিহঁতৰ কাৰণে কঠোৰ শাস্তি প্ৰস্তুত কৰি ৰাখিছে। সেয়ে আল্লাহক ভয় কৰা, হে জ্ঞানবোধসম্পন্ন লোকসকল, যিসকলে আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰিছা। আল্লাহে তোমালোকৰ প্ৰতি পঠাইছে এটা বার্তা, (১১) আৰু এজন ৰছুল, যিজনে আল্লাহৰ সুস্পষ্ট বাণীসমূহ পাঠ কৰি শুনাইছে যাতে নেতৃত্ব দিব পাৰে সেইসকলক, যিসকল বিশ্বাস স্থাপনকাৰী আৰু সৎকৰ্ম কৰোতা, অন্ধকাৰৰ পৰা পোহৰলৈ আনে। যি সকলে তেওঁৰ প্ৰতি বিশ্বাস স্থাপন কৰে আৰু সৎকৰ্ম কৰে, আল্লাহে তেওঁলোকক এনে জান্নাতত প্ৰৱেশ কৰাব, য'ৰ মাজেৰে প্ৰবাহিত হৈ থাকে নিজৰাবোৰ। তাত তেওঁলোক চিৰকাল থাকিব। আল্লাহে তেওঁলোকৰ বাবে উত্তম জীৱিকা ৰাখি থৈছে।

(১২) তেৱেঁই আল্লাহ, যিজনে সাতখন আকাশ সৃষ্টি কৰিছে আৰু তেনেকৈ পৃথিৱীও সৃষ্টি কৰিছে। এইবোৰৰ মাজতে তেওঁৰ বিধান অৱতীর্ণ হয় যাতে তোমালোকে জানিব পাৰা আল্লাহ সর্ব বিষয়তে ক্ষমতাবান। আল্লাহৰ জ্ঞানে সকলো বস্তুকে পৰিবেষ্টন কৰি ৰাখিছে।

৬৬. আত-তাহৰীম (নিষিদ্ধকৰণ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হে নবী, তুমি কিয় সেই বস্তু অবৈধ কৰি লৈছা, যি বস্তু আল্লাহে তোমাৰ বাবে বৈধ কৰি দিছে তোমাৰ ভার্যাসকলক সন্তুষ্ট কৰিবৰ আশাৰে? আল্লাহ অতি ক্ষমাশীল, পৰম দয়ালু। (২) আল্লাহে তোমালোকৰ বাবে তোমালোকৰ শপতবোৰৰ পৰা অব্যাহতি পোৱাৰ বিধান দিছে। আল্লাহ তোমালোকৰ পৃষ্ঠপোষক। তেওঁ মহাজ্ঞানী, প্রজ্ঞাময়।

(৩) নবীয়ে এবাৰ তেওঁৰ সহধর্মিনী এগৰাকীক গোপনে এটা কথা কৈছিল। তেওঁ সেইটো গোপনে ৰাখিব নোৱাৰিলে আৰু এই কথা আল্লাহে তেওঁক (নবীক) অৱগত কৰালে। তেতিয়া তেওঁ (নবীয়ে) কিছুমান কথা জনাই দিলে আৰু কিছুমান কথা (উল্লেখ নকৰি) উপেক্ষা কৰিলে। যেতিয়া তেওঁ এই কথা তেওঁৰ সহধর্মিনীক ক'লে, তেতিয়া ভার্যাগৰাকীয়ে সুধিলে- 'এই কথা আপোনাক কোনে ক'লে?' উত্তৰত তেওঁ ক'লে- 'তেৱেঁই মোক জনালে, যিজন অতি বিজ্ঞ আৰু সকলো কথা অৱগত।' (৪) তোমালোক দুয়োগৰাকীয়ে অনুতাপ কৰি আল্লাহৰ ওচৰত ক্ষমা প্রার্থনা কৰা, কিয়নো তোমালোকৰ অন্তৰ ইতিমধ্যে ঢাল খাইছে। তোমালোকে যদি তেওঁৰ বিৰুদ্ধে জোঁট বান্ধা, তেনেহ'লে জানি থোৱা, নিশ্চয় আল্লাহ তেওঁৰ পৃষ্ঠপোষক আৰু জিব্রাইল, বিশ্বাস স্থাপনকাৰীসকল, সৎকর্মপৰায়ণ লোকসকল, ইয়াৰোপৰি ফিৰিস্তাসকল তেওঁৰ সহায়কাৰী। (৫) যদি তেওঁ (নবীয়ে) তোমালোকক

তালাক দিয়ে, তেনেহ'লে তেওঁৰ প্ৰভুৱে তোমালোকৰ পৰিৱৰ্তে তেওঁক তোমালোকতকৈও শ্ৰেষ্ঠ সহধৰ্মিনী দিব, তেওঁলোক হ'ব- (আল্লাহৰ প্ৰতি) আত্মসমৰ্পণকাৰিণী, বিশ্বাস স্থাপনকাৰিণী, ধৰ্মিষ্ঠা, অনুতপ্ত হৈ ক্ষমা-প্ৰাৰ্থনাকাৰিণী, উপাসনাকাৰিণী, ৰোজা ব্ৰত পালনকাৰিণী আৰু তেওঁলোক পূৰ্বে বিবাহিতা হওক বা কুমাৰীয়েই হওক।

(৬) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে নিজকে আৰু তোমালোকৰ পৰিয়ালবৰ্গক সেই জুইৰ পৰা বচোৱা, যাৰ ইন্ধন হ'ব মানুহ আৰু শিল। তাত নিয়োজিত থাকিব অতি ৰূঢ় আৰু শক্তিশালী ফিৰিস্তা। আল্লাহে তেওঁলোকক যি আদেশ দিব, সেয়া তেওঁলোকে অমান্য নকৰে। তেওঁলোকক যি আদেশ দিয়া হয়, সেয়া তেওঁলোকে ততালিকে কৰে। (৭) তোমালোক, যিবিলাকে অস্বীকাৰ কৰিছা, আজি তোমালোকে অজুহাত নেদেখুৱাবা। তোমালোকে যি কৰ্ম কৰিছিলা, তাৰেই ফল তোমালোকক দিয়া হৈছে।

(৮) হে বিশ্বাস স্থাপনকাৰীসকল, তোমালোকে বিশুদ্ধচিত্তে আল্লাহৰ ওচৰত তওবা (অনুশোচনা) কৰা। আশা কৰা যায় তোমালোকৰ প্ৰভুৱে তোমালোকৰ অপকৰ্মবোৰ মাৰ্জনা কৰি দিব আৰু তোমালোকক এনে জান্নাতত প্ৰৱেশ কৰাব, য'ৰ মাজেৰে নিজৰাবোৰ প্ৰবাহিত হৈ থাকে। সেইদিনা আল্লাহে ৰছুল আৰু তেওঁৰ প্ৰতি বিশ্বাস স্থাপন কৰা লোকসকলক লাজত নেপেলাব। তেওঁলোকৰ জ্যোতি তেওঁলোকৰ সন্মুখত আৰু সোঁফালে উজ্বলি থাকিব আৰু তেওঁলোকে ক'ব- 'হে প্ৰভু, আমাৰ জ্যোতি আমাৰ বাবে পূৰ্ণ কৰি দিয়া আৰু আমাক ক্ষমা কৰা। নিশ্চয় তুমি সৰ্ববিষয়ত ক্ষমতাবান।'

(৯) হে নবী, অবিশ্বাসকাৰী আৰু মুনাফিকবিলাকৰ লগত যুদ্ধ কৰা আৰু সিহঁতৰ প্ৰতি কঠোৰ হোৱা। জাহান্নামেই সিহঁতৰ আশ্ৰয়স্থল আৰু সেয়া অতি জঘন্য গন্তব্যস্থল। (১০) আল্লাহে অবিশ্বাসকাৰীবিলাকৰ কাৰণে উদাহৰণ দিছে লূতৰ পত্নী আৰু নূহৰ পত্নীৰ। সিহঁত দুজনী আমাৰ দুজন পুণ্যবান দাসৰ

স্ত্রী আছিল, যি দুজনীয়ে নিজ স্বামীৰ লগত বিশ্বাসঘাতকতা কৰিছিল। সেয়ে তেওঁলোকে সিহঁত দুজনীক আল্লাহৰ মোকাবিলাত একো সহায় কৰিব নোৱাৰিলে আৰু সিহঁতক কোৱা হ'ল- 'যোৱা, জাহান্নামত প্ৰৱেশ কৰা আন মানুহবিলাকৰ লগতে তোমালোকেও প্ৰৱেশ কৰা।'

(১১) বিশ্বাস স্থাপনকাৰীসকলৰ কাৰণে আল্লাহে ফিৰাউনৰ পত্নীৰ উপমা দিছে। তেওঁ কৈছিল- 'হে মোৰ প্ৰভু, মোৰ বাবে তোমাৰ ওচৰতে জান্নাতত এটি ঘৰ নিমাৰ্ণ কৰি দিয়া আৰু মোক ফিৰাউন আৰু তাৰ অপকৰ্মৰ পৰা বচোৱা আৰু মোক অত্যাচাৰী মানুহবিলাকৰ কবলৰ পৰা ৰক্ষা কৰা।' (১২) (আন এটা কাহিনীত আল্লাহে আন এটা উপমা দিছে) ইমৰাণ তনয়া মৰিয়মৰ, যি গৰাকীয়ে নিজ সতীত্ব ৰক্ষা কৰিছিল। ইয়াৰ পিচত আমি আমাৰ আত্মা তেওঁৰ তাত ফুঁৰাই দিলো। তেতিয়া তেওঁ তেওঁৰ প্ৰভুৰ বাণীসমূহ আৰু পুথিসমূহৰ সত্যতা স্বীকাৰ কৰিলে। তেওঁ আচলতে অনুগত দাসসকলৰ এগৰাকী আছিল।

৬৭. আল-মুলক (সাৰ্বভৌম কৰ্তৃত্ব)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) মহিমান্বিত সেই সত্তা, যাৰ হাতত আছে সাৰ্বভৌম কৰ্তৃত্ব। তেওঁ সকলো বিষয়ত ক্ষমতাবান। (২) তেৱেঁই মৰণ আৰু জীয়ন সৃষ্টি কৰিছে যাতে তোমালোকক পৰীক্ষা কৰিব পাৰে যে সৎকৰ্মৰ দিশত তোমালোকৰ কোন শ্ৰেষ্ঠ। তেওঁ পৰাক্ৰমশালী, অতি ক্ষমাশীল। (৩) তেৱেঁই ইখনৰ ওপৰত সিখনকৈ তৰপে তৰপে সাতখন আকাশ সৃষ্টি কৰিছে। দয়াময়ৰ সৃষ্টিত তুমি কোনো খুঁত নোপোৱা। আৰু এবাৰ চকু ফুৰাই চোৱা, কোনো খুঁত দেখা পোৱানে? (৪) বাৰে বাৰে দৃষ্টিপাত কৰি চোৱা, তোমাৰ দৃষ্টি ক্লান্ত, ব্যৰ্থ হৈ তোমাৰ ফালে উভতি আহিব।

(৫) আমি নিকটৱর্তী আকাশখনক প্রদীপমালাৰে সুসজ্জিত কৰিছো আৰু সেইবোৰক ছয়তানক খেদি পঠোৱাৰ আহিলা কৰি দিছো আৰু সিহঁতৰ বাবে আমি জ্বলন্ত অগ্নিকুণ্ডৰ শাস্তি প্রস্তুত কৰি ৰাখিছো। (৬) যিবিলাকে সিহঁতৰ প্রভুক নিন্দাসূচক কথা কয়, সিহঁতৰ কাৰণে আছে জাহান্নামৰ শাস্তি আৰু সেয়া অতি জঘন্য গন্তব্যস্থল। (৭) সিহঁতক যেতিয়া তাত নিক্ষেপ কৰা হ'ব, সিহঁতে তাত বিকট গর্জন শুনিবলৈ পাব যেতিয়া টগবগাই উতলি থাকিব, (৮) যেনিবা ক্রোধত ই ফাটি যাব। যেতিয়াই তাত কোনো দলক নিক্ষেপ কৰা হ'ব, তেতিয়াই তাৰ প্রহৰীবিলাকে সিহঁতক সুধিব- 'তোমালোকৰ ওচৰলৈ কোনো সতর্ককাৰী অহা নাছিলনে?' (৯) সিহঁতে ক'ব- 'হয়, আহিছিল। আমাৰ ওচৰলৈ এজন সতর্ককাৰী আহিছিল; কিন্তু আমি তেওঁক মিছা বুলি অগ্রাহ্য কৰিছিলো আৰু আমি কৈছিলো, আল্লাহে একো অৱতীর্ণ কৰা নাই।' আচলতে তোমালোক ঘোৰ পথভ্রষ্টতাত নিমর্জিত হৈ আছা। (১০) সিহঁতে আৰু ক'ব- 'আমি যদি শুনিলোহেঁতেন আৰু বুজিলোহেঁতেন, তেনেহ'লে এই জাহান্নামবাসীবিলাকৰ অন্তর্ভুক্ত নহ'লোহেঁতেন।' (১১) এইদৰে সিহঁতে নিজৰ অপৰাধৰ কথা সৈ কাঢ়িব। জাহান্নামৰ অধিবাসীবিলাক আল্লাহৰ কৰুণাৰ পৰা বহু দূৰত।

(১২) যিসকলে নেদেখাকৈয়ে তেওঁলোকৰ প্রভুক ভয় কৰে, তেওঁলোকৰ বাবে আছে ক্ষমা আৰু মহান পুৰস্কাৰ। (১৩) তোমালোকে মনে মনে কোৱা বা প্রকাশ্যে কোৱা, তেওঁ তোমালোকৰ অন্তৰৰ গহন কোণত থকা কথাবোৰো ভালদৰে জানে। (১৪) যিজনে সৃষ্টি কৰিছে, তেওঁ নিজৰ সৃষ্টি সম্পর্কে নাজানিবনে? তেৱেঁই একমাত্র অতি সূক্ষ্মদর্শী আৰু সুবিজ্ঞ।

(১৫) এইজনা তেৱেঁই, যিজনাই পৃথিৱীখন তোমালোকৰ অধীনস্থ কৰি দিছে। এতেকে তোমালোকে তাৰ অঞ্চল সমূহত চলাচল কৰা আৰু তেওঁ দিয়া জীৱিকাৰ পৰা খোৱা। পুনৰ জীৱিত হৈ তেওঁৰ ওচৰলৈকে যাব

লাগিব। (১৬) যিজন আকাশত আছে, তেওঁ তোমালোকক মাটিৰে সৈতে পুতি নেপেলাব বুলি আৰু পৃথিৱীখন থৰথৰকৈ কম্পমান নহ'ব বুলি তোমালোক নিৰ্ভয় হৈ আছা নেকি? (১৭) নাইবা যিজন আকাশত আছে, তেওঁ তোমালোকৰ প্ৰতি শিল বৰ্ষণকাৰী ধুমুহা নপঠাব বুলিও নিঃশংক হৈ আছা নেকি? তেতিয়া তোমালোকে জানিব পাৰিবা কেনে (সত্য) আছিল মোৰ সতৰ্কবাণী। (১৮) সিহঁতৰ পূৰ্বে যিবিলাক আহিছিল, সিহঁতেও আমাৰ (সত্য বাণীক) অবিশ্বাস কৰিছিল। মোক অস্বীকাৰ কৰাৰ পৰিণতি কেনে ভয়ানক আছিল!

(১৯) সিহঁতে সিহঁতৰ মূৰৰ ওপৰেদি উৰি ফুৰা চৰাইবোৰক দেখা নাইনে, কেনেদৰে সিবোৰে পাখী মেলি দিয়ে আৰু জপাই উৰি ফুৰে? দয়াময়ৰ বাহিৰে সেইবোৰক আলাসতে ধৰি ৰাখোতা কোনো নাই। নিশ্চয় তেওঁ সকলো বস্তু পৰ্যবেক্ষণ কৰি আছে। (২০) আল্লাহৰ বাহিৰে এনে কোন আছে, যিয়ে সৈন্য-বাহিনীৰ দৰে তোমালোকক ৰক্ষা কৰিব পাৰে? যিবিলাকে অস্বীকাৰ কৰে, সিহঁত প্ৰৱঞ্চনাৰ চিকাৰ হৈ আছে। (২১) কোনে তোমালোকক জীৱিকা দিব পাৰে, যদি তেওঁ তোমালোকৰ জীৱিকা বন্ধ কৰি দিয়ে? তথাপি সিহঁত বিদ্রোহাচৰণ আৰু সত্য পৰিহাৰ কৰি চলাত অটল হৈ আছে।

(২২) যিজনে মূৰ নত কৰি অধোমুখে খোজ কাঢ়ে সি অধিক সৎ পথ প্ৰাপ্ত নে সেইজন, যিজনে পোন বাটেৰে উচ্চ শিৰে চিধা হৈ খোজ কাঢ়ে? (২৩) কোৱা- 'এইজনা তেৱেঁই, যিজনাই তোমালোকক অস্তিত্বলৈ আনিছে আৰু তোমালোকক কাণ, চকু আৰু অন্তৰ দিছে। তথাপি তোমালোকে কাচিৎহে তেওঁৰ কৃতজ্ঞতা স্বীকাৰ কৰা।' (২৪) কোৱা- 'এইজনা তেৱেঁই, যিজনাই তোমালোকক ধৰণিত সম্প্ৰসাৰণ কৰিছে আৰু তেওঁৰ ওচৰতে তোমালোকক সমবেত কৰা হ'ব।'

(২৫) সিহঁতে সোধে- 'কেতিয়া সেই প্ৰতিশ্ৰুতি পূৰ্ণ হ'ব? কোৱা, যদি

তোমালোক সত্যবাদী হোৱা!' (২৬) কোৱা- 'সেই জ্ঞান কেৱল আল্লাহৰ ওচৰতহে আছে। মই মাথোন এজন স্পষ্ট সতর্ককাৰীহে।' (২৭) কিন্তু যেতিয়া সিহঁতে সেয়া নিচেই ওচৰতে দেখিবলৈ পাব, অবিশ্বাস কৰা মানুহবিলাকৰ মুখৰ চেহেৰা তেতিয়া বিবর্ণ হৈ পৰিব আৰু সিহঁতক কোৱা হ'ব- 'এয়াই সেয়া, ইয়াকে তোমালোকে বিচাৰিছিলা।' (২৮) কোৱা- 'তোমালোকে কেতিয়াবা ভাবি চাইছানে, আল্লাহে মোক আৰু মোৰ লগত থকাসকলক ধ্বংসই কৰক বা আমাৰ প্রতি দয়াই কৰক, তেনেহ'লে যিবিলাকে অবিশ্বাস কৰিছে, সিহঁতক যন্ত্রণাদায়ক শাস্তিৰ পৰা কোনে ৰক্ষা কৰিব?' (২৯) কোৱা- 'তেৱেঁই পৰম কৰুণাময়। তেওঁৰ প্রতিয়েই আমি বিশ্বাস স্থাপন কৰিছো আৰু আমি তেওঁৰ ওপৰত ভৰসা কৰিছো। অচিৰেই তোমালোকে জানিব পাৰিবা স্পষ্ট পথভ্রষ্টতাত কোন পতিত হৈ আছে।' (৩০) কোৱা- 'তোমালোকে ভাবি চাইছানে যে তোমালোকৰ পানী শুকাই যদি ভূগর্ভলৈ সোমাই যায়, তেনেহ'লে এই পানীৰ প্রবহমান ধাৰাবোৰ কোনে উলিয়াই তোমালোকক আনি দিব?'

৬৮. আল-কলম (কলম)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) নূন,

শপত, কলমৰ আৰু লেখকে যি লিখিছে, (২) তোমাৰ প্রভুৰ কৃপাত তুমি বলিয়া নহয়। (৩) নিঃসন্দেহ, তোমাৰ বাবে আছে অফুৰন্ত প্রতিদান। (৪) নিশ্চয় তুমি মহৎ চৰিত্রৰ অধিকাৰী, (৫) অতি শীঘ্রে তুমি দেখিবা আৰু সিহঁতেও দেখিব- (৬) যে তোমালোকৰ কাৰ মূৰৰ বিকাৰ ঘটিছে। (৭) তোমাৰ প্রভুৱে ভালকৈয়ে জানে, কোন তেওঁৰ পথৰ পৰা বিচ্যুত হৈছে আৰু কোন সৎপথত অধিষ্ঠিত হৈ আছে।

(৮) অবিশ্বাসকাৰী মানুহবিলাকৰ কথা মতে নচলিবা। (৯) সিহঁতে বিচাৰে তুমি শিথিল হোৱা, তেনেহ'লে সিহঁতেও শিথিল হ'ব। (১০) তুমি এনে মানুহৰ কথা নামানিবা, যিজনে কথাই কথাই শপত খায়, যিজন ইতৰ, (১১) যি কুৎসা ৰটি ফুৰে, টুটকীয়ালি কৰি ফুৰে, (১২) যি মংগলজনক কামত বাধাৰ হেঙাৰ হয়, সীমালংঘন কৰে, অপকৰ্মত লিপ্ত থাকে, (১৩) যি ৰূঢ় স্বভাৰৰ, তাৰোপৰি জন্মসূত্রে নীচকুলীয়া খেতৰ লোক হয়। (১৪) এই কাৰণে যে, তাৰ অগাধ ধন-সম্পদ আৰু সন্তান-সন্ততি আছে। (১৫) যেতিয়া তাক আমাৰ আয়াতসমূহ পাঠ কৰি শুনোৱা হয়, তেতিয়া সি কয়- 'এয়া অতীত কালৰ মানুহৰ উপাখ্যান মাথোন।' (১৬) অতি সোনকালে আমি তাক নাকটিত দাগ দিম।

(১৭) আমি সিহঁতক পৰীক্ষাৰ সন্মুখীন কৰিছিলো, যিদৰে আমি এখন বাগানৰ গৰাকীক পৰীক্ষাৰ সন্মুখীন কৰিছিলো। গিৰিহঁতে শপত খাইছিল যে ৰাতিপুৱাই সিহঁতে বাগানৰ শস্য চপাই আনিবই। (১৮) সি কোৱা নাছিল (আল্লাহে ইচ্ছা কৰিলে)- (১৯) সিহঁত শুই থাকোতেই তোমাৰ প্ৰভুৰ তৰফৰ পৰা এটা বিপর্যয় আহি বাগানৰ ওপৰত পৰিল, (২০) ৰাতিপুৱা এনে অৱস্থা হ'ল যেনিবা শস্য কাটি তহিলং কৰা এডোখৰ ঠাইহে, (২১) সেয়ে পুৱা সিহঁতে ইজনে সিজনক ৰিঙিয়াই ক'লে- (২২) 'ততাতৈয়াকৈ নিজ শস্য ক্ষেত্রলৈ যোৱা, যদি তোমালোকে শস্য চপাব বিচাৰিছা।' (২৩) সেয়ে সিহঁত ওলাই গ'ল। সিহঁতে পৰস্পৰে মনে মনে এই বুলি আলচ কৰি গৈছিল যে- (২৪) 'চাবা, আজি যাতে কোনো গৰীব-দুখীয়া বাগানত সোমাব নোৱাৰে।' (২৫) সিহঁতে খৰখেদা কৰি নিচেই পুৱাতেই মনতে এই ভাবি ওলাই গ'ল যেনিবা সিহঁত বাধা দিবলৈ সম্পূৰ্ণ সক্ষম। (২৬) কিন্তু সিহঁতে গৈ যেতিয়া বাগান দেখিলে, তেতিয়া ক'বলৈ ধৰিলে- 'নিশ্চয় আমি আমাৰ পথ হেৰুৱালো। (২৭) বৰং আমি নিশ্চয় বঞ্চিত হ'লো।' (২৮) সিহঁতৰ মাজৰ

শ্রেষ্ঠ সত্যপৰায়ণ ব্যক্তিজনে ক'লে- 'মই তোমালোকক কোৱা নাছিলোনে কিয় তোমালোকে আল্লাহৰ মহিমাৰ গুণ-গান নোগোৱা?' (২৯) সিহঁতে ক'লে- 'মহান আৰু পৱিত্ৰ আমাৰ প্ৰভু। নিশ্চয় আমিয়েই অন্যায় কৰিছিলো।' (৩০) পিচত সিহঁতে পৰস্পৰে ইজনে সিজনক দোষাৰূপ কৰিবলৈ ধৰিলে। (৩১) সিহঁতে ক'লে- 'হায়, আমাৰেই দুৰ্কপাল! প্ৰকৃততে আমিয়েই সীমালংঘন কৰিছিলো। (৩২) হয়তো আমাৰ প্ৰভুৱে আমাক ইয়াতকৈও উৎকৃষ্ট বাগান দান কৰিব। আমি তেওঁৰ অভিমুখী হ'লো।' (৩৩) এয়া আছিল সিহঁতৰ (পার্থিৱ জীৱনৰ) শাস্তি। কিন্তু পৰকালৰ শাস্তি ইয়াতকৈও অধিক কঠোৰ। এয়া যদি সিহঁতে জানিলেহেঁতেন!

(৩৪) যিসকল পুণ্যবান, তেওঁলোকৰ বাবে তেওঁলোকৰ প্ৰভুৰ ওচৰত আছে কল্যাণেৰে ভৰা জান্নাত। (৩৫) আমি বিশ্বাস স্থাপনকাৰীসকলক আৰু অপকৰ্মকাৰীবিলাকক একেদৰে গণ্য কৰিমনে? (৩৬) তোমালোকৰ কি হ'ল? তোমালোকে কেনে বিচাৰ কৰা? (৩৭) তোমালোকৰ কোনো পুথি আছে নেকি, যিখনে এইবোৰ তোমালোকক কৈছে? (৩৮) তোমালোকে যিহকে পচন্দ কৰা, তাৰে অনুমোদন দিয়া হ'ব? (৩৯) নাইবা তোমালোকৰ লগত আমাৰ এনে কোনো শপত বাক্য আছে নেকি যি কিয়ামতলৈ বলবৎ থাকিব আৰু তোমালোকে যি সিদ্ধান্ত ল'বা তাকে পাবা? (৪০) সিহঁতক সোধা- 'ইয়াৰ বাবে কোনে জামিন লৈছে?' (৪১) নাইবা (আল্লাহৰ বাহিৰে) সিহঁতৰ আন কোনো অংশী উপাস্য আছে নেকি? সিহঁতে যি কৈছে সেয়া যদি সত্য হয়, তেনেহ'লে সিহঁতে সিহঁতৰ অংশী উপাস্যবিলাকক লৈ আহক।

(৪২) সিদিনাখন যেতিয়া সত্যৰ পর্দা খোল খাব, মানুহবিলাকক ছিজদাহ (প্ৰণিপাত) কৰিবলৈ আহবান কৰা হ'ব, তেতিয়া সিহঁতে ছিজদাহ কৰিব নোৱাৰিব। (৪৩) সিহঁতৰ দৃষ্টি নত হ'ব, ঘোৰ লাঞ্ছনাই সিহঁতক আচ্ছন্ন কৰিব, সুস্থ-সবল থাকোতে সিহঁতক ছিজদাহ কৰিবলৈ কোৱা হৈছিল (কিন্তু সেয়া

সিহঁতে নামানিলে)।(৪৪) সেয়ে যিবিলাকে এই বাণী অমান্য কৰিছিল, সিহঁতক মোৰ হাতত এৰি দিয়া। আমি সিহঁতক ক্ৰমে ক্ৰমে ধ্বংসৰ পিনে লৈ যাম যে সিহঁতে গমকে নাপাব।(৪৫) মই সিহঁতক কিছু অৱকাশ দিছো। মোৰ পৰিকল্পনা খুবেই শক্তিশালী।

(৪৬) তুমি সিহঁতৰ পৰা কোনো ক্ষতিপূৰণ দাবী কৰিছা নেকি যে তাৰ ঋণৰ কবলত পৰি সিহঁত জুৰুলা হৈ পৰিছে? (৪৭) সিহঁতৰ ওচৰত অদৃশ্যৰ কোনো জ্ঞান আছে নেকি যে সিহঁতে সেয়া লিখি ৰাখে? (৪৮) তোমাৰ প্ৰভুৰ চূড়ান্ত সিদ্ধান্ত নহালৈকে ধৈর্য ধৰা আৰু সেই ব্যক্তিৰ দৰে নহ'বা যিজনক (ইউনুছক) মাছে গিলি পেলাইছিল। তেওঁ দুখে-ভাগৰে জর্জৰিত হৈ প্ৰাৰ্থনা কৰিছিল- (৪৯) তেওঁৰ প্ৰভুৰ তেওঁৰ প্ৰতি অনুগ্ৰহ নথকাহেঁতেন, তেওঁক অপদস্ত কৰি নির্জন প্ৰান্তৰত পেলাই দিয়া হ'লহেঁতেন। (৫০) কিন্তু তেওঁৰ প্ৰভুৱে তেওঁক নিজৰ বাবে বাছি ল'লে আৰু তেওঁক সাধুপুৰুষসকলৰ দলভুক্ত কৰিলে। (৫১) যিবিলাকে সত্যক অস্বীকাৰ কৰিছে, সিহঁতে যেতিয়া উপদেশ বাণী শুনে, তেতিয়া সিহঁতে এনে চাৱনিৰে চায়, যেনিবা তোমাক খাইহে পেলাব আৰু সিহঁতে কয়- 'নিশ্চয় এওঁ বলিয়া।'(৫২) অথচ এয়া মানৱজাতিৰ বাবে এটি মহান উপদেশ।

৬৯. আল-হাক্কাহ (অৱশ্যম্ভাৱী ঘটনা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) অৱশ্যম্ভাৱী ঘটনাটো! (২) সেই অৱশ্যম্ভাৱী ঘটনাটো কি? (৩) তুমি কিবা অনুধাৱন কৰিব পাৰিছানে, সেই অৱশ্যম্ভাৱী ঘটনাটোনো কি? (৪) চামূদ আৰু আদবিলাকে আচম্বিতে হ'ব লগা সেই ঘটনাটো অবিশ্বাস কৰিছিল। (৫) সেয়ে চামূদবিলাকক এটা ভীষণ বজ্ৰপাতেৰে ধ্বংস কৰা হৈছিল। (৬) আৰু আদবিলাকক এজাক ভয়ংকৰ ধুমুহা বতাহৰ দ্বাৰা ধ্বংস

কৰা হ'ল। (৭) আল্লাহে নিৰন্তৰ সাত ৰাতি, আঠ দিন সিহঁতৰ ওপৰত বলাই ৰাখিছিল। সেয়ে সিহঁতে হামখুৰি খাই এনেদৰে পৰি থকা দেখিলাহেঁতেন, যেনিবা সিহঁত পৰি থকা খেজুৰৰ ফোপোলা গা-গছহে। (৮) এতিয়া তুমি সিহঁতৰ কিবা চিন-ছাপ দেখিবলৈ পোৱানে? (৯) ফিৰাউন আৰু পূৰ্বে যিবিলাক মানুহ আহিছিল আৰু ওলট-পালট কৰি দিয়া জনবসতিৰ মানুহবিলাকে মাৰাত্মাক পাপ কৰি গৈ আছিল। (১০) সিহঁতে সিহঁতৰ প্ৰভুৰ ৰছুলক অস্বীকাৰ কৰিছিল, সেয়ে তেওঁ সিহঁতক কঠোৰ ভাৱে ধৰিলে।

(১১) কিন্তু যেতিয়া বানপানীয়ে বিপদসীমা অতিক্ৰম কৰিলে, তেতিয়া আমি তোমালোকক নৌকাত আৰোহন কৰাই দিলো, (১২) যাতে ইয়াক আমি তোমালোকৰ বাবে এটা অবিস্মৰণীয় শিক্ষা হিচাবে ৰাখিব পাৰো আৰু সচেতন কাণবোৰে ইয়াক স্মৰণ কৰি ৰাখে।

(১৩) যেতিয়া শিঙাত ফু দিয়া হ'ব, (১৪) পৃথিৱী আৰু পাহাৰবোৰক ওপৰলৈ তুলি একে খুণ্ডাতে চূৰ্ণ-বিচূৰ্ণ কৰি দিয়া হ'ব, (১৫) সেইদিনা সেই অৱশ্যম্ভাৱী ঘটনাটো ঘটিব। (১৬) সেইদিনা আকাশখন ফাটি ছিটা-ছিট হ'ব আৰু সোলোক-ঢোলোক হৈ পৰিব। (১৭) ফিৰিস্তাসকল তাৰ আশে-পাশে থাকিব আৰু আঠজন ফিৰিস্তাই তোমাৰ প্ৰভুৰ সিংহাসনখন বহন কৰিব। (১৮) সেইদিনাখন বিচাৰৰ বাবে তোমালোকক উপস্থিত কৰোৱা হ'ব। তোমালোকৰ কোনো গোপন কথা লুকাই নাথাকিব।

(১৯) তেতিয়া যাৰ কৰ্মতথ্য তালিকা সোঁহাতত দিয়া হ'ব, তেওঁ জোৰকৈ ক'ব- 'এয়া মোৰ কৃতকৰ্মৰ তালিকা, পঢ়ি চোৱা। (২০) মই জানিছিলো যে মই মোৰ কৰ্মৰ খতিয়ান দিব লাগিব।' (২১) সেয়ে তেওঁ এটি সন্তোষজনক সুখময় জীৱন লাভ কৰিব- (২২) সুউচ্চ জান্নাতত, (২৩) য'ত ফলবোৰ সহজে ঢুকি পোৱাকৈ ওলমি থাকিব। (২৪) আমি তাক ক'ম- 'তৃপ্তিৰে খাই-বই থাকা, তোমালোকৰ সেই ভাল কৰ্মৰ বিনিময়ত বিগত দিনবোৰত

তোমালোকে যি কৰিছিলা।' (২৫) আনহাতে যিজন ব্যক্তিক তাৰ কৃতকৰ্মৰ তালিকা বাওঁহাতত দিয়া হ'ব, সি ক'ব- 'মোৰ কৃতকৰ্মৰ তালিকা যদি মোক নিদিলেহেঁতেন! (২৬) আৰু মই মোৰ হিচাবো নাজানিলোহেঁতেন! (২৭) হায়! সেই মৃত্যুৱেই যদি মোৰ শেষ মৃত্যু হ'লেহেঁতেন! (২৮) আৰু মোৰ ধন-সম্পদ মোৰ কোনো কামত নাহিল। (২৯) আৰু মোৰ ক্ষমতাও শেষ হ'ল।' (৩০) ধৰা তাক আৰু গল বান্ধনি লগাই দিয়া, (৩১) আৰু তাক জাহান্নামত পেলাই দিয়া। (৩২) পিচত তাক এডাল সত্তৰ হাত দীঘল শিকলিৰে বান্ধি পেলোৱা, (৩৩) কাৰণ সি সর্বশক্তিমান আল্লাহক বিশ্বাস কৰা নাছিল। (৩৪) আৰু তেওঁ গৰীব-দুখীয়া মানুহক অন্ন দান কৰিবলৈ উৎসাহ দিয়া নাছিল। (৩৫) সেয়ে আজি ইয়াত তাৰ কোনো সহানুভূতিশীল বন্ধু নাই। (৩৬) খাদ্য হিচাবে আছে মাঁথো গেলা পূঁজ। (৩৭) তেনে খাদ্য পাপিষ্ঠবিলাকৰ বাহিৰে আন কোনোৱে নাখায়।

(৩৮) কিন্তু নহয়, মই শপত খাইছো সেইবোৰ বস্তুৰ, যিবোৰ তোমালোকে দেখা পোৱা, (৩৯) সেইদৰে সেইবোৰ বস্তুৰো, যিবোৰ তোমালোকে দেখা নোপোৱা। (৪০) নিশ্চয় এয়া এগৰাকী সন্মানীয় ৰছুললৈ পঠোৱা বাণী, (৪১) এয়া কোনো কবিৰ কথা নহয়। তোমালোকে কিঞ্চিতহে বিশ্বাস কৰা। (৪২) এয়া কোনো গণকৰ কথা নহয়। তোমালোকে তেনেই কমকৈহে চিন্তা-ভাৱনা কৰা। (৪৩) এয়া গোটেই জগতৰ জীৱিকা দান কৰা প্রভুৰ পৰা অৱতীর্ণ হৈছে। (৪৪) তেওঁ যদি নিজে কোনো কথা ৰচনা কৰি মোৰ নামত প্রচলন কৰিলেহেঁতেন, (৪৫) তেনেহ'লে মই তেওঁৰ সোঁহাতত থাপ মাৰি ধৰিলোহেঁতেন, (৪৬) আৰু নিশ্চয় তেওঁৰ মহাধমনী কাটি দিলোহেঁতেন! (৪৭) আৰু তোমালোকৰ কোনোৱে মোক এই কামত বাধা দিব নোৱাৰিলাহেঁতেন। (৪৮) প্রকৃততে এয়া নীতিপৰায়ণ সদাচাৰী মানুহৰ বাবে উপদেশ। (৪৯) মই ভালদৰে জানো, তোমালোকৰ মাজত এনে কিছুমান

মানুহ আছে, যিবিলাকে মোৰ নিদৰ্শনসমূহ অগ্ৰাহ্য কৰে। (৫০) অবিশ্বাসকাৰী বিলাকৰ কাৰণে এয়া নিশ্চয় তিক্ত অনুশোচনাৰ কাৰণ। (৫১) নিশ্চয় এয়া দৃঢ় প্ৰত্যয়মূলক ধ্ৰুব সত্য। (৫২) সেয়ে তুমি তোমাৰ মহান প্ৰভুৰ নামৰ পৰিত্ৰতা আৰু মহিমা কীৰ্তন কৰা।

৭০. আল-মা'আৰিজ (ঊৰ্ধগামী খটখটী)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) এজন প্ৰাৰ্থনাকাৰীয়ে দাবী কৰিলে যে সেই শাস্তি শীঘ্ৰেই নামি আহক- (২) সেইবিলাকৰ প্ৰতি, যিবিলাকে অবিশ্বাস কৰিছে। সেয়া বাধা দি ৰখাৰ কাৰো ক্ষমতা নাই আল্লাহৰ- (৩) পৰা যি শাস্তি সিহঁতলৈ আহে। তেওঁ হ'ল ঊৰ্ধগামী খটখটীবোৰৰ অধিপতি। (৪) ফিৰিস্তা আৰু 'ৰূহ' (জিব্ৰাইল) তেওঁৰ পিনে যায় আৰু তেওঁৰ ওচৰ পাবলৈ এনে এটা দিনত যায়, যিটো দিন পঞ্চাশ হাজাৰ বছৰৰ সমান। (৫) সেয়েহে (হে বিশ্বাস স্থাপনকাৰীসকল) শোভনীয় মৰ্যাদাপূৰ্ণ ধৈৰ্যসহকাৰে সহি থাকা। (৬) সিহঁতে ইয়াক (বিচাৰৰ দিনটোক) বহু দূৰত থকা বুলি ভাৱে, (৭) কিন্তু আমি ইয়াক নিচেই ওচৰতে দেখিছো। (৮) সেইদিনা আকাশখন গলিত তামৰ দৰে হ'ব- (৯) পাহাৰবোৰ ধূনা ঊণৰ দৰে হ'ব। (১০) কোনো অন্তৰংগ বন্ধুৱে তাৰ অন্তৰংগ বন্ধুৰ খা-খবৰ নল'ব- (১১) যদিও সিহঁত পৰস্পৰে দেখা-দেখি হ'ব। অপৰাধীবিলাকে সেইদিনা শাস্তিৰ পৰা ৰেহাই পাবলৈ দিবলৈ বিচাৰিব নিজ সন্তান, (১২) পত্নী, ভাতৃ, (১৩) আৰু আত্মীয়-কুটুম, যিবিলাকে তাক আশ্ৰয় দিছিল, (১৪) আৰু ভূ-পৃষ্ঠত থকা সকলোকে দিব বিচাৰিব যাতে তাৰ মুক্তি লাভ হয়।

(১৫) কিন্তু তেনে নহয়, তাত আছে জুইৰ লেলিহান শিখা, (১৬) সেয়ে তাৰ গাৰ ছাল-মঙহ দেই পুৰি নিব। (১৭) আৰু ই সিহঁতক চিঞৰী চিঞৰী মাতিব, যিজনে (সত্যৰ পৰা) পিছ হোঁহকিছিল আৰু (সত্যৰ প্ৰতি) পৃষ্ঠ

প্ৰদৰ্শন কৰিছিল, (১৮) আৰু ধন-সম্পদ গোটাইছিল আৰু সেইবোৰ সাঁচি থৈছিল। (১৯) আচলতে মানুহক ধৈৰ্যহীন প্ৰকৃতিৰে সৃষ্টি কৰা হৈছে। (২০) যেতিয়া তাক বিপৰ্যই স্পৰ্শ কৰে, তেতিয় সি অস্থিৰ হৈ পৰে, (২১) আৰু যেতিয়া তাৰ অৱস্থা স্বচ্ছল হয়, সি কৃপণালি কৰিবলৈ ধৰে, (২২) কিন্তু তেওঁলোক এনে নহয়, যিসকলে উপাসনা কৰে, (২৩) যিসকলে উপসনাত অবিচল হৈ থাকে, (২৪) যিসকলে ধন-সম্পত্তিৰ নিৰ্ধাৰিত অংশ দান কৰে- (২৫) খোজনীয়া-মগনীয়া আৰু বঞ্চিতবিলাকক, (২৬) আৰু যিসকলে শেষ বিচাৰৰ দিনটোক বিশ্বাস কৰে, (২৭) আৰু যিসকলে নিজ প্ৰভুৰ শাস্তিক ভয় কৰে, (২৮) কিয়নো কোনোৱে তেওঁলোকৰ প্ৰভুৰ শাস্তিৰ পৰা নিৰাপদতা অনুভৱ কৰিব নোৱাৰে, (২৯) যিসকলে কাম প্ৰবৃত্তি সংযত ৰাখে, (৩০) নিজ পত্নী কিংবা মালিকানাধীন দাসীৰ ব্যতীত আনৰ সৈতে (কাম প্ৰবৃত্তি চৰিতাৰ্থ নকৰে)। (৩১) কিন্তু যিবিলাকে এই সীমা অতিক্ৰম কৰিব, সিহঁতহে বিৰুদ্ধাচৰণকাৰী, (৩২) আৰু সেইসকল, যিসকলে নিজ আমানত ৰক্ষা কৰে আৰু অংগীকাৰ পূৰ্ণ কৰে, (৩৩) আৰু যিসকলে সাক্ষ্যদানৰ ক্ষেত্ৰত অবিচল হৈ থাকে, (৩৪) আৰু যিসকলে দৃঢ়তাৰে নামাজ আদায় কৰে, (৩৫) তেওঁলোককেই সা-সন্মান জনোৱা হ'ব পৰম সন্তোষৰ জান্নাতত।

(৩৬) অবিশ্বাসকাৰীবিলাকৰ কি হ'ল, সিহঁতে দেখোন তোমাৰ ওচৰলৈ লৰৰি আহিছে- (৩৭) দলে দলে, সোঁফালৰ পৰা আৰু বাওঁফালৰ পৰা? (৩৮) সিহঁতৰ প্ৰত্যেকে এই আশা পোষণ কৰে নেকি যে তাক সুখ-আনন্দৰে ভৰা জান্নাতত প্ৰৱেশ কৰোৱা হ'ব? (৩৯) কেতিয়াও নহয়, সিহঁতে ভালদৰে জানে যে, সিহঁতক আমি কিহেৰে সৃষ্টি কৰিছো।

(৪০) সেয়া কেতিয়াও হ'ব নোৱাৰে। মই উদয়াচল আৰু অস্তাচল সমূহৰ প্ৰভুৰ শপত খাইছো যে আমাৰ ক্ষমতা আছে- (৪১) সিহঁততকৈও

উত্তম লোকৰ দ্বাৰা সিহঁতৰ স্থলাভিষিক্ত কৰাৰ। এনে কৰাত আমাক কোনোৱে ব্যৰ্থ কৰিব নোৱাৰে। (৪২) সেয়ে সিহঁতক নিৰৰ্থক বাজে কথাত আৰু খেল-ধেমালিত মত্ত হৈ থাকিবলৈ দিয়া, সেইদিনটোৰ সন্মুখীন নোহোৱালৈকে যিটো দিনৰ প্ৰতিশ্ৰুতি সিহঁতক দিয়া হৈছিল। (৪৩) সেইদিনা যেতিয়া সিহঁতে কবৰৰ পৰা ওলাই ঢপলিয়াই যাব, যেনিবা সিহঁত কোনো নিৰ্ধাৰিত লক্ষ্যৰ পিনে লৰি গৈছে। (৪৪) লাজত সিহঁতৰ দৃষ্টি অৱনত হ'ব আৰু অপমান-লাঞ্ছনাই সিহঁতক আচ্ছন্ন কৰিব। এইটোৱেই সেই দিনটো, যিটোৰ বিষয়ে সিহঁতক প্ৰতিশ্ৰুতি দিয়া হৈছিল।

৭১. নূহ (নূহ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আমি নূহক তেওঁৰ জাতিৰ মানুহবিলাকৰ প্ৰতি প্ৰেৰণ কৰিছিলো এই নিৰ্দেশ দি- 'তোমাৰ জাতিৰ মানুহবিলাকক সতৰ্ক কৰি দিয়া, সেই কঠোৰ যন্ত্ৰণাদায়ক শাস্তি অহাৰ আগেয়ে।' (২) (নূহে) ক'লে- 'হে মোৰ জাতিভাইসকল, মই তোমালোকৰ বাবে মাথোন এজন স্পষ্ট সতৰ্ককাৰীহে- (৩) তোমালোক সকলোৱে (একক) আল্লাহৰ উপাসনা কৰা, তেওঁক ভয় কৰা আৰু মোৰ কথাত গুৰুত্ব দিয়া। (৪) তেওঁ তোমালোকৰ পাপসমূহ মোচন কৰি দিব আৰু এটি নিৰ্দিষ্ট সময়লৈকে তোমালোকক অৱকাশ দিব। যেতিয়া আল্লাহৰ নিৰ্ধাৰিত সময় আহি পায়, সেয়া কেতিয়াও পিছোৱাব নোৱাৰি। যদি তোমালোকে জানিলাহেঁতেন!' (৫) তেওঁ ক'লে- 'হে মোৰ প্ৰভু, মই মোৰ মানুহবিলাকক দিনে-নিশাই আহবান কৰিছো, (৬) কিন্তু মোৰ আহবানে সিহঁতৰ অনীহা আৰু বৃদ্ধি কৰিলে। (৭) বাৰে প্ৰতি মই সিহঁতক আহবান কৰিছিলো যাতে তুমি সিহঁতক ক্ষমা কৰি দিয়া। সিহঁতে কেৱল কাণত আঙুলিৰে সোপা দিছিল আৰু কাপোৰেৰে নিজকে ঢাকি লৈছিল। সিহঁত

আঁকোৱগোজ হৈ ৰ'ল আৰু অহংকাৰ কৰিয়ে থাকিল। (৮) মই সিহঁতক প্ৰকাশ্যে আহবান কৰিছো- (৯) জনসমাবেশতো সিহঁতক কৈছো আৰু গোপনেও সিহঁতক বুজাইছো।' (১০) মই কৈছিলো- 'তোমালোকৰ প্ৰভুৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা। নিশ্চয় তেওঁ অতি ক্ষমাশীল। (১১) তেওঁ তোমালোকৰ বাবে আকাশৰ পৰা পৰ্যাপ্ত পৰিমাণে বৰষুণ বৰ্ষাব।(১২) তোমালোকক ধন-সম্পদ আৰু সন্তান-সন্ততিৰে সমৃদ্ধি কৰিব আৰু তোমালোকক বাগ-বাগিচা আৰু জলধাৰা দান কৰিব। (১৩) তোমালোকৰ কি হ'ল, তোমালোকে আল্লাহৰ মহানুভৱতা অস্বীকাৰ কৰিছা কিয়? (১৪) যিহেতু তেৱেঁই তোমালোকক বিভিন্ন স্তৰত পৰ্যায়ক্ৰমে অস্তিত্বলৈ আনিছে।(১৫) তোমালোকে দেখা নাইনে, আল্লাহে তৰপে তৰপে কেনেদৰে সাতখন আকাশ নিমাৰ্ণ কৰিছে? (১৬) আৰু তাত জোনটোক পোহৰ আৰু বেলিটোক প্ৰদীপ হিচাবে স্থাপন কৰিছে, (১৭) আল্লাহে তোমালোকক মাটিৰ পৰা বিশেষভাৱে উদ্ভূত কৰিছে আৰু ডাঙৰ কৰিছে (১৮) আৰু তেৱেঁই তোমালোকক মাটিলৈ ওভোতাই নিব আৰু তাৰ পৰাই তোমালোকক পুনৰাই উলিয়াই আনিব। (১৯) আল্লাহে তোমালোকৰ বাবে ভূ-পৃষ্ঠক সমতল কৰি দিছে, (২০) যাতে তোমালোকে আহল-বহল পথেৰে চলাচল কৰিব পাৰা।

(২১) নূহে মিনতি কৰিলে- 'প্ৰভু, ইহঁতে মোক অস্বীকাৰ কৰিছে আৰু সেইবিলাক মানুহক অনুসৰণ কৰিছে, যিবিলাকৰ ধন-সম্পদ আৰু সন্তান-সন্ততিয়ে সিহঁতৰ ক্ষতিহে বৃদ্ধি কৰিছে। (২২) আৰু সিহঁতে বিৰাট ষড়যন্ত্ৰ ৰচিছে- (২৩) আৰু সিহঁতে (অনুসৰণকাৰীবিলাকক) কৈছে- 'তোমালোকে কদাপিও তোমালোকৰ উপাস্য দেৱ-দেৱীবিলাকক পৰিত্যাগ নকৰিবা আৰু ৱাদ্দ, চুৱাআ, য়াগূছ, য়ায়ক আৰু নাছৰকো পৰিত্যাগ নকৰিবা।' (২৪) সিহঁতে অনেক মানুহক পথভ্ৰষ্ট কৰিছে। সেয়ে এই অন্যায়কাৰীবিলাকৰ পথভ্ৰষ্টতা আৰু বৃদ্ধি কৰি দিয়া। (২৫) সিহঁতৰ অপকৰ্মৰ বাবে সিহঁতক ডুবাই মৰা হ'ল

আৰু পিচত সিহঁতক নৰকত নিক্ষেপ কৰা হ'ল। সিহঁতে আল্লাহৰ বিপৰীতে আন কোনো সাহায্যকাৰী নাপালে।

(২৬) নূহে প্ৰাৰ্থনা কৰিলে- 'হে মোৰ প্ৰভু, যিবিলাকে সত্য অস্বীকাৰ কৰিছে, সিহঁতৰ এজনকো এই পৃথিৱীত বসবাস কৰিবলৈ এৰি নিদিবা, (২৭) তুমি যদি কাৰোবাক এৰি দিয়া সিহঁতে তোমাৰ দাসবিলাকক বিপথগামী কৰিব। সিহঁতৰ বংশৰ পৰা যিবিলাকৰ জন্ম হ'ব, সিহঁত পাপিষ্ঠ আৰু অবিশ্বাসকাৰী হ'ব। (২৮) হে মোৰ প্ৰভু, মোক ক্ষমা কৰা। মোৰ পিতৃ-মাতৃক ক্ষমা কৰি দিয়া আৰু যিসকল মুমিন হৈ মোৰ ঘৰত প্ৰৱেশ কৰিব সকলোকে ক্ষমা কৰা আৰু সকলো মুমিন পুৰুষ, মুমিন তিৰোতাক ক্ষমা কৰি দিয়া আৰু দুষ্কৃতিকাৰীবিলাকৰ কাৰণে ধ্বংসৰ বাহিৰে আন একো বৃদ্ধি কৰি নিদিবা।'

৭২. আল-জ্বিন (জ্বিন)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) কোৱা- 'মোলৈ বাৰ্তা পঠোৱা হৈছে যে জ্বিনবিলাকৰ এটা দলে (কুৰআন পাঠ) শুনিছে আৰু সিহঁতে কৈছে- আমি এখন আশ্চৰ্যজনক কুৰআন পাঠ কৰা শুনিছো- (২) যিখনে সৰল সত্য পথ প্ৰদৰ্শন কৰে; সেয়ে আমি সেইখনৰ প্ৰতি বিশ্বাস স্থাপন কৰিছো আৰু আমি আমাৰ প্ৰভুৰ লগত আন কাকো অংশী নকৰো। (৩) আমাৰ প্ৰভুৰ মৰ্যাদা সুউচ্চ আৰু মহান। তেওঁৰ কোনো পত্নী বা পুত্ৰ সন্তান নাই। (৪) আৰু (আমি জানিব পাৰিছো) আমাৰ মাজৰ নিৰ্বোধবিলাকে আল্লাহৰ সম্পৰ্কে অপলাপ বকিছে। (৫) আমি ভাবিছিলো যে মানুহ আৰু জ্বিনে আল্লাহ সম্পৰ্কে কদাপিও মিছা কথা আৰোপ নকৰে। (৬) পূৰ্বতে কিছুমান মানুহে কোনো কোনো জ্বিনৰ শৰণ লৈছিল আৰু সেয়াই সিহঁতৰ ঔদ্ধত্য অধিক বৃদ্ধিহে কৰিলে। (৭) তোমালোকে যেনেদৰে ধাৰণা কৰা, তেনেদৰে সিহঁতেও ধাৰণা কৰিছিল যে মৰাৰ পিচত

আল্লাহে কাকো কেতিয়াও পুনৰুত্থিত নকৰে। (৮) আমি আকাশত উঠি তাৰ তথ্য ল'ব বিচাৰিছিলো; কিন্তু দেখিবলৈ পালো সেয়া কটকটীয়া প্ৰহৰীৰে পৰিবেষ্টিত হৈ আছে আৰু আছে উল্কাপাত। (৯) আমি কিবা শুনিবৰ অভিপ্ৰায়ে বহিবলৈ লৈছিলো; কিন্তু যেতিয়াই কোনোৱে কিবা শুনিবলৈ চেষ্টা কৰে, তালৈ খাপপাতি ৰৈ থকা উল্কাপাত সি দেখিবলৈ পায়। (১০) আমি ক'ব নোৱাৰো এয়া জগতবাসীৰ প্ৰতি অমংগলৰ অভিপ্ৰায়, নে সিহঁতৰ প্ৰভুৱে সিহঁতক সৎপথ দেখু�ৱাবলৈ ইচ্ছা কৰিছে। (১১) আমাৰ মাজৰ কিছুমান সৎকৰ্মপৰায়ণ আৰু আনবিলাক তেনে নহয়। আমি বিভিন্ন পথৰ অনুসাৰী। (১২) আমি বুজি পাইছিলো আমি পৃথিৱীত আল্লাহক ব্যৰ্থ কৰিব নোৱাৰিম আৰু পলাই গৈয়ো তেওঁক ব্যৰ্থ কৰিব নোৱাৰিম। (১৩) যেতিয়া আমি সৎপথলৈ আহবান কৰা শুনিলো, তেতিয়াই আমি তাৰ প্ৰতি বিশ্বাস স্থাপন কৰিলো। যিজনে তেওঁৰ প্ৰভুৰ প্ৰতি বিশ্বাস স্থাপন কৰে, তেওঁৰ কোনো ক্ষতি কিম্বা অন্যায়ৰ আশংকা নাথাকে। (১৪) আমাৰ মাজৰ কিছুমান আছে আজ্ঞাবহ (মুছলিম), অথচ আনবিলাক দুষ্কৰ্মকাৰী। যিসকল আজ্ঞাবহ, তেওঁলোকে সঠিক পথ বিচাৰি পাইছে। (১৫) কিন্তু যিবিলাক দুষ্কৃতিকাৰী, সিহঁতেই নৰকৰ ইন্ধন হ'ব।'

(১৬) সিহঁতে যদি সৎপথ অনুসৰণ কৰি চলিলেহেঁতেন, আমি সিহঁতৰ বাবে পৰ্যাপ্ত পৰিমাণে বৰষুণ বৰ্ষালোহেঁতেন- (১৭) যাতে ইয়াৰ দ্বাৰা আমি সিহঁতক পৰীক্ষা কৰিব পাৰো। যিজনে তাৰ প্ৰভুক স্মৰণ কৰিবলৈ আওকাণ কৰে, তাক অতি কঠোৰ শাস্তি দিয়া হ'ব। (১৮) মছজিদসমূহ কেৱল আল্লাহৰ উপাসনাৰ বাবে। এতেকে তোমালোকে আল্লাহৰ লগত আন কাকো আহবান নকৰিবা। (১৯) যেতিয়া আল্লাহৰ দাসজনে তেওঁক প্ৰাৰ্থনা কৰিবৰ বাবে থিয় হ'ল, তেতিয়া তেওঁক আক্ৰমণ কৰাৰ উদ্দেশ্যে সিহঁতৰ এটা বৃহৎ সংখ্যক গোট আহি তেওঁৰ ওচৰত উপনীত হ'ল। (২০) কোৱা- 'মই মাথোন মোৰ

প্রভুকহে আহবান কৰো আৰু তেওঁৰ লগত আন কাকো অংশী নকৰো।' (২১) কোৱা- 'তোমালোকৰ ক্ষতিসাধন কৰা বা কল্যাণ কৰাৰ ক্ষমতা মোৰ নাই।' (২২) কোৱা- 'আল্লাহৰ কৰায়ত্বৰ পৰা মোক কোনোৱে বচাব নোৱাৰে আৰু তেওঁৰ ব্যতীত মই আন কোনো আশ্রয়স্থল পাব নোৱাৰো। (২৩) মোৰ কর্তব্য হ'ল কেৱল মাত্র আল্লাহৰ পৰা তেওঁৰ যি বাণী পাইছো, সেয়া পৌছাই দিয়া। যিবিলাকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ কথা অমান্য কৰিব, সিহঁতৰ কাৰণে আছে জাহান্নামৰ অগ্নি। তাত সিহঁত চিৰকাল থাকিব।

(২৪) যেতিয়া সিহঁতে স্বচক্ষে দেখিব যাৰ প্রতিশ্রুতি সিহঁতক দিয়া হৈছিল, তেতিয়াহে সিহঁতে জানিব পাৰিব কাৰ সাহায্যকাৰী দুর্বল আৰু কোন সংখ্যাত তাকৰীয়া। (২৫) কোৱা- 'মই নাজানো তোমালোকক যি প্রতিশ্রুতি দিয়া হৈছে, সেয়া তেনেই ওচৰ চাপিছে নে মোৰ প্রভুৱে তাৰ দীর্ঘ ম্যাদ নির্ধাৰিত কৰি ৰাখিছে- (২৬) অদৃশ্যৰ সম্ভেদ কেৱল তেৱেঁই জানে। সেয়া তেওঁ কাকো ব্যক্ত নকৰে- (২৭) সেইসকল ৰছুলৰ ব্যতীত, যিসকলক তেওঁ বাছি লৈছে। তেৱেঁই প্রহৰী পঠিয়াইছে, যিসকলে তেওঁৰ আগে-পিছে (পহৰা দি) গৈ থাকে - (২৮) যাতে আল্লাহে জানিব পাৰে যে ৰছুলসকলে তেওঁলোকৰ প্রভুৰ বার্তাসমূহ পৌছাই দিছে। তেওঁলোকৰ সৈতে যি আছে, সকলো তেওঁ পৰিবেষ্টন কৰি আছে আৰু সকলো বিষয়ৰ হিচাব ৰাখিছে।

৭৩. আল-মুয্যাম্মিল (বস্ত্রাবৃত)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হেৰা, বস্ত্রাবৃত মানুহজন, (২) ৰাতিৰ বেছিভাগ সময় থিয় দি নামাজ পঢ়া, (৩) আধা ৰাতি বা তাতোকৈ অলপ কম। (৪) অথবা তাতোকৈ অলপ বেছি। লাহে লাহে স্পষ্টকৈ কুৰআন পাঠ কৰিবা। (৫) আমি তোমাৰ প্রতি এটি গুৰুত্বপূর্ণ বাণী অৱতীর্ণ কৰিবলৈ লৈছো।

(৬) আচলতে, ৰাতিৰ ভাগত (উপাসনাৰ বাবে) শয্যা ত্যাগ কৰা দৃঢ় আত্মসংযমৰ মাধ্যম আৰু (উপাসনা কৰাৰ) সঠিক অনুকুল সময়, (৭) দিনৰ ভাগত তোমাৰ অনেক কর্ম ব্যস্ততা থাকে (ধর্ম প্রচাৰৰ কামত)। (৮) তোমাৰ প্রভুৰ নাম লৈ থাকা আৰু একাগ্রচিত্তে তেওঁৰ পিনেই মনোনিবেশ কৰা। (৯) তেৱেঁই পূৱ আৰু পশ্চিমৰ প্রভু। তেওঁৰ ব্যতীত আন কোনো উপাস্য নাই। সেয়ে তেওঁকেই তোমাৰ পৃষ্ঠপোষক কৰি লোৱা। (১০) সিহঁতে যি কয় তাৰ বাবে ধৈর্য ধাৰণ কৰা আৰু সৌহার্দ্যপূর্ণমূলকভাৱে সিহঁতক এৰাই চলা। (১১) অগ্রাহ্যকাৰীবিলাকক, যিবিলাকে সুখ-স্বচ্ছন্দৰে বসবাস কৰি আছে, সিহঁতক মোৰ হাতত এৰি দিয়া আৰু সিহঁতৰ সৈতে কিছুদিনৰ বাবে ধৈর্য ধৰা। (১২) সিহঁতৰ বাবে আমাৰ ওচৰত আছে মজবুত শিকলি আৰু ৰৌ ৰৌ কৈ জ্বলি থকা জুই, (১৩) ডিঙিত লাগি ধৰা খাদ্য আৰু যন্ত্রণাদায়ক শাস্তি। (১৪) সেইদিনা ভূমি আৰু পাহাৰ কঁপি উঠিব আৰু পর্বতবোৰ টুকুৰা টুকুৰ হৈ অ'ত অ'ত বালিৰ দমৰ নিচিনা পৰি থাকিব।

(১৫) আমি তোমালোকলৈ এজন ৰছুল পঠিয়াইছো, তোমালোকৰ সাক্ষী স্বৰূপে যেনেদৰে তোমালোকৰ পূর্বে আমি ফিৰাউনৰ ওচৰলৈ ৰছুল পঠিয়াইছিলো। (১৬) কিন্তু ফিৰাউনে ৰছুলৰ বিৰুদ্ধাচৰণ কৰিলে, সেয়ে তাক আমি ধৰিলো, কঠোৰ হাতেৰে ধৰিলো। (১৭) তোমালোকে যদি সত্য অস্বীকাৰ কৰা, তেনেহ'লে তোমালোকে সেইদিনা শাস্তিৰ পৰা কেনেকৈ ৰক্ষা পাবা, যিদিনা শিশুবিলাকক পকামূৰীয়া কৰি দিব, (১৮) সেইদিনা যেতিয়া আকাশখন ফাটি-ছিটি যাব আৰু আল্লাহৰ প্রতিশ্রুতি বাস্তৱত পৰিণত হ'ব। (১৯) আচলতে নিশ্চয় এয়া এটা উপদেশ। এতেকে যিজনে ইচ্ছা কৰে, তেওঁ নিজ প্রভুৰ পথ ধৰক।

(২০) তোমাৰ প্রভুৱে জানে যে তুমি নিশা প্রায় দুই তৃতীয়াংশ নাইবা কেতিয়াবা আধা ৰাতি আৰু কেতিয়াবা এক তৃতীয়াংশ সময় থিয় দি উপাসনা

কৰি কটোৱা। তোমাৰ সংগীসকলৰো কিছুমানে এনেদৰে কটায়। আল্লাহে ৰাতি-দিনৰ পৰিমাণ নির্ধাৰণ কৰি দিছে। তেওঁ জানে যে সেয়া তোমালোকে পূৰ্ণ কৰিব নোৱাৰিবা, সেয়ে তেওঁ তোমালোকক কৃপা কৰিলে। কুৰআনৰ যিমানখিনি সহজে পাঠ কৰিব পাৰা, সিমানখিনিকে পাঠ কৰি থাকা। তেওঁ জানে যে তোমালোকৰ কিছু লোক অসুস্থ হ'ব পাৰে, আন কিছু লোকে আল্লাহৰ অনুগ্ৰহ বিচাৰি ধৰণিত ঘূৰি ফুৰিব লগীয়া হ'ব আৰু আন কিছুমানে আল্লাহৰ পথত সংগ্ৰামত লিপ্ত থাকিবলগীয়া হ'ব পাৰে। সেয়ে সহজে যিমানখিনি পঢ়িব পাৰা, সিমানখিনিকে পাঠ কৰিবা। নামাজ প্ৰতিষ্ঠা কৰা, যাকাত আদায় দিয়া আৰু আল্লাহক উত্তম ঋণ দিয়া। তোমালোকৰ নিজৰ বাবে যিবোৰ সৎকৰ্ম কৰি আগতীয়াকৈ পঠোৱা, সেয়া আল্লাহৰ ওচৰত পাবা। সেয়া শ্ৰেষ্ঠ আৰু তেওঁৰ প্ৰতিদান অনেক বেছি। আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা। তেওঁ অতি ক্ষমাশীল, পৰম দয়ালু।

৭৪. আল-মুদ্দাছ্ছিৰ (কম্বলেৰে আবৃত)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) হেৰা, কম্বল উৰি শুই থকা মানুহজন, (২) উঠা আৰু সতর্ক কৰি দিয়া। (৩) তোমাৰ প্ৰভুৰ গৰীমা বর্ণনা কৰা, (৪) তোমাৰ পোছাক-পৰিচ্ছদ পৰিষ্কাৰ ৰাখিবা, (৫) অপৰিত্ৰতা পৰিহাৰ কৰা। (৬) অধিক ঘূৰাই পোৱাৰ আশাত কাকো উপকাৰ নকৰিবা। (৭) তোমাৰ প্ৰভুৰ খাতিৰত ধৈর্য ধাৰণ কৰা।

(৮) যিদিনা শিঙাত ফুঁ দিয়া হ'ব, (৯) সেই দিনটো হ'ব এটা কঠিন আৰু মহা সংকটৰ দিন, (১০) যিবিলাকে অবিশ্বাস কৰিছে, সিহঁতৰ বাবে সহজ নহ'ব। (১১) তাক অকলে মোৰ হাতত এৰি দিয়া, যাক মই অকলশৰীয়াকৈ সৃষ্টি কৰিছিলো, (১২) আৰু যাক মই অজস্ৰ ধন-সম্পদ

দিছিলো, (১৩) আৰু তাৰ কাষতে থাকিবলৈ পুত্ৰবোৰ, (১৪) আৰু যিজনক সকলো ফালৰ পৰা স্বচ্ছলতা দান কৰিছিলো, (১৫) তথাপি সি বাঞ্ছা কৰিছিল যাতে তাক মই আৰু অধিক দিও, (১৬) কোনো পধ্যে নহয়। সি আমাৰ আয়াতসমূহৰ বিৰোধিতাতে বদ্ধপৰিকৰ আছিল। (১৭) অনতিপলমে মই তাক এটা কঠিন শাস্তিৰ উচ্চ গৰাত আৰোহন কৰাম।

(১৮) সি চিন্তা কৰিলে আৰু এটা পৰিকল্পনা কৰিলে- (১৯) পিচত তাৰ বিপর্যয় ঘটিল, তেনেহ'লে সি কিনো পৰিকল্পনা কৰিছিল! (২০) তাক ধ্বংস হ'বলৈ দিয়া। সি কিনো পৰিকল্পনা কৰিছিল! (২১) পিচত সি কেউপিনে লক্ষ্য কৰিলে- (২২) তাৰ ভ্রূঁ কোচ খালে আৰু সি মুখ বেকেটালে, (২৩) আৰু সি পিঠি দিলে আৰু দাম্ভিক আচৰণ কৰিলে- (২৪) আৰু সি ক'লে- 'এয়া যাদুৰ বাহিৰে আন একো নহয়। এয়া পুৰণি কালৰ পৰা চলি আহিছে। (২৫) এয়া মানুহৰ কথাৰ বাহিৰে আন একো নহয়।'

(২৬) শীঘ্রে মই তাক জাহান্নামত নিক্ষেপ কৰিম। (২৭) তুমি কিবা জানানে, সেই জাহান্নামৰ জ্বলন্ত অগ্নি কি? (২৮) ই কাকো জীয়াই থাকিবলৈ নিদিয়ে আৰু কাকো মৰিবলৈও নিদিয়ে। (২৯) ই গাৰ ছাল দেই পুৰি টোটোৰা পেলায়। (৩০) তাত উনৈশজন কর্মচাৰী (ফিৰিস্তা) নিয়োজিত থাকিব। (৩১) আমি কেৱল ফিৰিস্তাকহে জাহান্নামৰ প্রহৰী কৰিছো। আমি তেওঁলোকৰ এই সংখ্যা নির্ধাৰণ কৰি দিছো যাতে অবিশ্বাসকাৰীবিলাকক পৰীক্ষা কৰিব পাৰো আৰু যাতে ঐশীপুথিপ্রাপ্ত লোকসকলৰ দৃঢ় প্রত্যয় জন্মে আৰু যিসকলে বিশ্বাস স্থাপন কৰিছে, তেওঁলোকৰ বিশ্বাস আৰু বৃদ্ধি পায় আৰু যাতে ঐশীপুথিপ্রাপ্ত (ইহুদী আৰু খৃষ্টান) আৰু মুমিনসকলে সন্দেহ পোষণ নকৰে আৰু যিবিলাকৰ অন্তৰত ব্যাধি আছে আৰু যিবিলাকে সত্য অস্বীকাৰ কৰে, সিহঁতে সোধে- 'আল্লাহে এনে ধৰণে কোৱাৰ তাৎপর্য কি?' এইদৰে আল্লাহে যাক ইচ্ছা কৰে, তাক পথভ্রষ্ট কৰে আৰু যাক ইচ্ছা সৎপথ প্রদর্শন কৰে।

তোমাৰ প্ৰভুৰ সৈন্য-সামন্তৰ বিষয়ে কোনোৱে নাজানে তেওঁৰ ব্যতীত। এয়া মানুহৰ বাবে মাথোন এটা স্মাৰকহে।

(৩২) কেতিয়াও নহয়, চন্দ্ৰৰ শপত, (৩৩) ৰাতিৰ শপত, যেতিয়া ই অৱসান হয়, (৩৪) উষাৰ শপত, যেতিয়া ই উদ্ভাসিত হয়, (৩৫) নিশ্চয় ই (জাহান্নাম) বিষয়সমূহৰ এটি, (৩৬) মানুহৰ বাবে সতৰ্কবাণী, (৩৭) তোমালোকৰ প্ৰত্যেক এনে ব্যক্তিৰ বাবে, যিজনে অগ্ৰসৰ হ'ব বা পিছ হোঁহকিব বিচাৰে। (৩৮) প্ৰত্যেক ব্যক্তি নিজ কৃতকৰ্মৰ বাবে নিজেই পণবন্দী- (৩৯) সোঁ পন্থীসকলৰ ব্যতীত, (৪০) তেওঁলোক জান্নাতত থাকিব। (৪১) পাপিষ্ঠ বিলাকৰ সম্পৰ্কে (সোধ-পোছ কৰিব)- (৪২) 'কিহে তোমালোকক নৰকৰ অগ্নিলৈ নিলে?' (৪৩) সিহঁতে উত্তৰ দিব- 'আমি সেইসকলৰ লগত নাছিলো, যিসকলে নামাজ পঢ়িছিল, (৪৪) আৰু আমি গৰীব-দুখীয়াক খাবলৈ আহাৰ দিয়া নাছিলো। (৪৫) বিভ্ৰান্তমূলক কথা আলোচনা কৰা মানুহবিলাকৰ লগত আমিও অনুৰূপ কথাৰ তৰ্ক-বিতৰ্কত ভাগ লৈছিলো; (৪৬) আৰু আমি শেষ বিচাৰৰ দিনটোক অস্বীকাৰ কৰিছিলো। (৪৭) শেষত সেই অৱশ্যম্ভাবী শেষ পৰিণতিয়ে (মৃত্যু) আমাক চুলেহি।' (৪৮) তেতিয়া মধ্যস্থতাকাৰীৰ মধ্যস্থতাও সিহঁতৰ কোনো কামত নাহিব।

(৪৯) সিহঁতৰ কি হ'ল, সিহঁতে যে উপদেশৰ প্ৰতি পিঠি দিছে? (৫০) যেনিবা ভয়াতুৰ গাধহে, (৫১) সিংহৰ ভয়ত পলাইছে। (৫২) অৱশ্যে সিহঁতৰ প্ৰত্যেকেই কামনা কৰে যে সিহঁতক একোখনকৈ খোলা পত্ৰ দিয়া হওক। (৫৩) কেতিয়াও নহয়, আচলতে সিহঁতে পৰকালক মুঠেই ভয় নকৰে, (৫৪) কিন্তু প্ৰকৃততে এয়া এটা উপদেশবাণীহে মাথোন। (৫৫) এতিয়া যাৰ ইচ্ছা ইয়াৰ পৰা শিক্ষা গ্ৰহণ কৰক। (৫৬) আল্লাহৰ ইচ্ছা হ'লেহে সিহঁতে ইয়াৰ পৰা শিক্ষা গ্ৰহণ কৰিব। তেৱেঁই প্ৰভু, যিজন ভয় কৰিব লগাৰ যোগ্য, ক্ষমা কৰাৰ অধিকাৰী।

৭৫. আল-কিয়ামাহ (পুনৰুত্থানৰ দিন)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) নহয়, পুনৰুত্থানৰ দিনটোৰ শপত, (২) তেনে নহয়, আত্মনিন্দাকাৰী আত্মাৰ শপত, (৩) মানুহে ভাবিছে নেকি যে আমি (তাক পুনৰ উঠাই) তাৰ হাড়বোৰ যোৰা লগাব নোৱাৰিম বুলি? (৪) কিয় নোৱাৰিম? আমি তাৰ আঙুলিৰ পাববোৰকো নিখুঁতভাৱে পুনৰ সন্নিবিষ্ট কৰিবলৈ সক্ষম। (৫) তথাপি মানুহে তাৰ আগলৈ আহি থকাবোৰকো অস্বীকাৰ কৰিব বিচাৰে। (৬) সি সোধে- 'সেই কিয়ামতৰ দিনটো কেতিয়া আহিব?' (৭) কিন্তু (সেইদিনা) যেতিয়া মানুহৰ চকুৱে জলক-তবক দেখিব, (৮) আৰু চন্দ্রটো জ্যোতিহীন হৈ পৰিব, (৯) আৰু যেতিয়া চন্দ্র আৰু সূর্যক লগলগাই একগোট কৰা হ'ব, (১০) সেইদিনা মানুহে সুধিব- 'মই এতিয়া ক'ত পলাও?' (১১) নাই, তাত কোনো আশ্রয় স্থল নাথাকিব, (১২) সেইদিনা আশ্রয় স্থল হ'ব কেৱল মাথোন তোমাৰ প্রভুৰ ওচৰত। (১৩) সেইদিনা মানুহক জনাই দিয়া হ'ব, সি আগেয়ে কি কৰি পঠিয়ালে আৰু পিছলৈ কি এৰি থৈ আহিলে? (১৪) অৱশ্যে মানুহে নিজেই নিজৰ বিৰুদ্ধে সাক্ষ্য দিব। (১৫) সি যিমানেই অজুহাত নেদেখুৱাওক কিয়।

(১৬) (হে নবী) এই বাণী খৰ-ধৰকৈ মুখস্থ কৰিবলৈ তুমি তোমাৰ জিহবা নলৰাবা। (১৭) ইয়াক সংৰক্ষণ কৰা আৰু পাঠ কৰোৱাৰ দায়িত্ব আমি নিজেই লৈছো। (১৮) যেতিয়া আমি সেয়া পাঠ কৰো, সেয়া তুমি মনোযোগেৰে শুনি থাকিবা। (১৯) পিচত তাৰ তাৎপর্য বুজাই দিয়াৰ দায়িত্ব আমাৰেই।

(২০) আচলতে শীঘ্রে পাব পৰা বস্তুৰ প্রতি তোমালোকৰ হেঁপাহ; (২১) আৰু পৰকালক উপেক্ষা কৰা। (২২) সেইদিনা কিছুমান মুখমণ্ডল

প্ৰফুল্ল হ'ব, (২৩) সিহঁতে সিহঁতৰ প্ৰভুৰ পিনে চাই থাকিব, (২৪) আৰু সেইদিনা কিছুমান মুখমণ্ডল বিমৰ্ষ হ'ব, (২৫) মহা বিপৰ্যয়ৰ আশংকাত সিহঁত আতংকিত হ'ব। (২৬) কিন্তু যেতিয়া (মানুহৰ জীউ) আহি কণ্ঠ পাবহি, (২৭) আৰু যেতিয়া তাক সোধা হ'ব- 'তাক ৰক্ষা কৰিবলৈ এতিয়া কোনো যাদুকৰ আছেনে?' (২৮) আৰু সি জানিব পাৰিব যে এইটোৱেই বিদায় লোৱাৰ ক্ষণ, (২৯) আৰু তেতিয়া ভৰিয়ে ভৰিয়ে জোট-পোট খাব, (৩০) সেইদিনাখন তাক তোমাৰ প্ৰভুৰ পিনে খেদি নিয়া হ'ব।

(৩১) সি বিশ্বাসো নকৰিলে, নামাজো নপঢ়িলে, (৩২) বৰং সি সত্যক অগ্ৰাহ্য কৰিলে আৰু মুখ ঘুৰাই আঁতৰি গ'ল। (৩৩) পিচত সি দম্ভ কৰি তাৰ নিজৰ মানুহবিলাকৰ ওচৰলৈ গ'ল। (৩৪) দুৰ্ভাগ্য তোমাৰ বাবে, (হে মানৱ) হয়, দুৰ্ভাগ্য তোমাৰ বাবে, (৩৫) আকৌ দুৰ্ভাগ্য তোমাৰ বাবে, (হে মানৱ) হয়, দুৰ্ভাগ্য তোমাৰ বাবে। (৩৬) মানুহে ভাবিছে নেকি তাক নিজ ইচ্ছাধীন হৈ চলিবলৈ এৰি দিয়া হ'ব? (৩৭) এসময়ত নিক্ষিপ্ত এটোপা বীৰ্য নাছিলনে? (৩৮) তাৰ পিচত সেয়াই লোপথোপীয়া মাংসপিণ্ড হয়। পিচত আল্লাহে তাক দেহৰ আকাৰ দিলে আৰু যথা প্ৰয়োজনে অংগ-প্ৰত্যংগ দি সুঠাম কৰিলে। (৩৯) তাৰ পিচত তাক দুই প্ৰকাৰ কৰিলে- পুৰুষ আৰু মহিলা, (৪০) তেনেহ'লে, তেৱেঁই মৃতবিলাকক পুনৰাই জীৱিত কৰিবলৈ সক্ষম নহয়নে?

৭৬. আল-ইনছান (মানৱ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) এনে এটা সময় অতিবাহিত হোৱা নাছিলনে, যেতিয়া মানুহ কোনো উল্লেখযোগ্য নাছিল? (২) আমি মানুহক এটোপা মিলিত বীৰ্যৰ পৰা সৃষ্টি কৰিছো যাতে আমি তাক পৰীক্ষা কৰিব পাৰো। সেয়ে আমি তাক শ্ৰৱণশক্তি আৰু দৃষ্টিসম্পন্ন কৰিলো। (৩) আমি তাক পথ দেখুৱাই দিছো। হয় সি কৃতজ্ঞ

হ'ব, নহয় সি অকৃতজ্ঞ হ'ব।

(৪) যিবিলাকে অবিশ্বাস কৰিছে, সিহঁতৰ বাবে আমি শিকলিৰ গলবেৰি আৰু জ্বলন্ত অগ্নি প্ৰস্তুত কৰি ৰাখিছো। (৫) (কিন্তু) পুণ্যবানসকলে এনে এপিয়লা পানী পান কৰিব, য'ত কৰ্পূৰ মিশ্ৰিত থাকিব, (৬) এয়া এটি বোঁৱতী নিজৰা, য'ৰ পৰা আল্লাহৰ দাসসকলে পান কৰিব আৰু ইয়াৰ শাখা-প্ৰশাখাবোৰ বৈ যাব। (৭) তেওঁলোকে অংগীকাৰ পূৰণ কৰে আৰু এনে এটা দিনক ভয় কৰে, যিটো দিনৰ দুৰ্দশা সৰ্বত্ৰতে বিয়পি পৰিব। (৮) তেওঁলোকে খোৱা খাদ্য ভাল পোৱা সত্ত্বেও আহাৰ কৰায় দুখীয়া-নিছলা, অনাথ আৰু বন্দীক। (৯) কয়- 'আমি কেৱল আল্লাহৰ খাতিৰতহে তোমালোকক খাবলৈ দিছো। আমি তোমালোকৰ পৰা কোনো প্ৰতিদান নিবিচাৰো আৰু কৃতজ্ঞতাও বাঞ্ছা নকৰো। (১০) সঁচাকৈয়ে আমি আমাৰ প্ৰভুৰ পৰা আহিব লগীয়া ঘোৰ বিপদ সংকুল কঠিন দিনটোৰ প্ৰতি ভয়ত ভীত।' (১১) সেয়ে আল্লাহে তেওঁলোকক সেই দিনটোৰ বিপদ-সংকুলৰ পৰা ৰক্ষা কৰিব আৰু তেওঁলোকক উজ্জলতা আৰু উৎফুল্লতা দান কৰিব। (১২) তেওঁলোকৰ ধৈৰ্যৰ বাবে তেওঁলোকক জান্নাত আৰু পাটৰ পোছাক পুৰস্কাৰ হিচাবে দান কৰিব। (১৩) তেওঁলোকে সুকোমল গাদীত আউজী বহিব। তাত তেওঁলোকে সূৰ্যৰ প্ৰখৰ তাপ আৰু হাড় কপোৱা জাৰ অনুভৱ নকৰিব। (১৪) গছৰ ছাঁ দিয়া ডালবোৰ হাউলি আহি তেওঁলোকক ওপৰৰ পৰা ছাতি ধৰিব আৰু ফলৰ থোকবোৰ তললৈ নামি আহিব যাতে তেওঁলোকে সহজে ঢুকি পায়। (১৫) তেওঁলোকক পৰিবেশন কৰা হ'ব ৰূপৰ পাত্ৰ আৰু স্বচ্ছ কাঁচৰ পিয়লা, (১৬) আৰু পানপাত্ৰবোৰ ৰূপালী ফটিকৰ দৰে হ'ব আৰু পৰিমান অনুযায়ী সেইবোৰ ভৰোৱা হ'ব, (১৭) আৰু তেওঁলোকক পান কৰিবলৈ দিয়া হ'ব আদা মিশ্ৰিত পানীয়, (১৮) এটি বোৱতী নিজৰা, যাক 'চালচাবিল' বোলা হয়। (১৯) তেওঁলোকক এনে কিছুমান কিশোৰে আলপৈচান ধৰি ঘূৰি ফুৰিব,

যিসকল সর্বদা কিশোৰ হৈয়ে থাকিব। তেওঁলোকক দেখিলে ভাৱ হ'ব যে, তেওঁলোক যেনিবা সিঁচৰিত হৈ থকা মুকুতাহে। (২০) যিফালে তোমালোকে চাবা, সেইফালেই দেখিবা অনুগ্রহ আৰু এখন বিশাল সাম্ৰাজ্য- (২১) তেওঁলোকৰ পিন্ধনত হ'ব সেউজীয়া মিহি ৰেছমী বস্ত্ৰ আৰু সোণালী পাতেৰে ফুল বছা সিংখাপৰ বস্ত্ৰ। তেওঁলোকক ৰূপৰ গামখাৰু পিন্ধোৱা হ'ব। তেওঁলোকৰ প্ৰভুৱে তেওঁলোকক পৰিত্ৰ নিৰ্মল পানীয় পান কৰাব। (২২) এয়া তেওঁলোকৰ পুৰস্কাৰ। তোমালোকৰ চেষ্টা-প্ৰচেষ্টা সম্পূৰ্ণৰূপে স্বীকৃত হৈছে।

(২৩) নিশ্চয় এয়া আমি, যিয়ে তোমাৰ প্ৰতি পৰ্যায়ক্ৰমে অলপ অলপকৈ কুৰআন অৱতীৰ্ণ কৰিছো। (২৪) সেয়ে তোমাৰ প্ৰভুৰ নিৰ্দেশৰ বাবে ধৈৰ্য ধাৰণ কৰা আৰু সিহঁতৰ মাজৰ কোনো পাপিষ্ঠ বা অকৃতজ্ঞৰ কথা নামানিবা- (২৫) আৰু পুৱা-গধূলি তোমাৰ প্ৰভুৰ নাম স্মৰণ কৰা। (২৬) আৰু ৰাতিৰ ভাগতো তেওঁক ছিজদাহ কৰা আৰু ৰাতিৰ বেছিভাগ সময় ধৰি তেওঁৰ স্তুতি কৰি থাকিবা। (২৭) সেইবিলাক মানুহে (আল্লাহৰ প্ৰতি অন্যমনস্ক) ক্ষণস্থায়ী বস্তু তৎকালেই পাবলৈ বিচাৰে আৰু এটি কঠিন দিনক উপেক্ষা কৰি থাকে। (২৮) আমিয়েই সিহঁতক সৃষ্টি কৰিছো আৰু সিহঁতৰ গাঁঠিবোৰ মজবুত কৰি দিছো। কিন্তু আমি ইচ্ছা কৰিলেই সিহঁতক সলনি কৰি সিহঁতৰ দৰেই আন এদলক আনিম। (২৯) এয়া এটা উপদেশ। এতেকে যাৰ ইচ্ছা নিজ প্ৰভুৰ পিনে যোৱাৰ পথ ধৰক। (৩০) আচলতে তোমালোকে ইচ্ছ কৰিলেই নহয়, যেতিয়ালৈকে আল্লাহে ইচ্ছা নকৰে (তোমালোকক পথ দেখুৱাবলৈ)- নিশ্চয় আল্লাহ মহাজ্ঞানী, প্ৰজ্ঞাময়। (৩১) তেওঁ যাক ইচ্ছা কৰে, নিজ অনুগ্রহৰ অন্তৰ্ভুক্ত কৰে আৰু অন্যায়কাৰীবিলাকৰ কাৰণে অতি যন্ত্ৰণাদায়ক শাস্তি প্ৰস্তুত কৰি ৰাখিছে।

৭৭. আল-মুৰছ্বালাত (প্ৰেৰিতসকল)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) সেই বতাহৰ শপত, যাক মৃদুভাৱে বলোৱা হয়, (২) পিচত সি প্ৰবল ধুমুহা গতিত বলিবলৈ লয়, (৩) আৰু মেঘবোৰক উত্তলন কৰি সঞ্চালন কৰে, (৪) সেইবোৰ ফালি ভাগ ভাগ কৰি দিয়ে, (৫) আৰু যিবোৰে স্মৰণ জগাই তোলে, (৬) কিছুমানৰ অজুহাত স্বৰূপে নাইবা সতৰ্ক স্বৰূপে। (৭) তোমালোকক যি প্ৰতিশ্ৰুতি দিয়া হৈছে, সেয়া অৱশ্যই প্ৰতিফলিত হ'ব।

(৮) যেতিয়া নক্ষত্ৰৰাজি জ্যোতিহীন হৈ পৰিব, (৯) আৰু আকাশখন বিদীৰ্ণ কৰা হ'ব, (১০) আৰু যেতিয়া পৰ্বত-পাহাৰবোৰ চূৰ্ণ-বিচূৰ্ণ হৈ ধূলিত পৰিণত হ'ব- (১১) আৰু যেতিয়া ৰছুলসকলক উপস্থিত কৰা হ'ব নিৰ্ধাৰিত সময়ত, (১২) কোনটো দিনৰ বাবে এইবোৰ স্থগিত ৰখা হৈছে? (১৩) সেই চূড়ান্ত বিচাৰৰ দিনটোৰ বাবে। (১৪) তুমি জানানে, সেই চূড়ান্ত বিচাৰৰ দিনটোনো কি? (১৫) সত্য অবিশ্বাসকাৰীবিলাকৰ কাৰণে সেইটো বিনাশৰ দিন। (১৬) আমি পূৰ্বৱৰ্তী মানুহবিলাকক ধ্বংস কৰা নাছিলোনে? (১৭) এতিয়া আমি পৰৱৰ্তী মানুহবিলাকক সিহঁতৰেই অনুগামী কৰিম। (১৮) অপৰাধী মানুহবিলাকৰ লগত আমি এনে আচৰণেই কৰো। (১৯) সত্য অবিশ্বাসকাৰী বিলাকৰ কাৰণে সেইটো বিনাশৰ দিন।

(২০) আমি তোমালোকক নিকৃষ্ট পানীৰ পৰা সৃষ্টি কৰা নাইনে? (২১) পিচত আমি সেয়া এটি সুৰক্ষিত ঠাইত (গৰ্ভত) ৰাখিছো, (২২) এটি নিৰ্দিষ্ট সময়লৈকে? (২৩) এনেদৰে আমি ক্ৰমবৰ্ধমানৰ স্তৰবোৰ সমাধা কৰো আৰু উত্তমভাৱে সমাধা কৰাৰ ক্ষমতা আমাৰ আছে। (২৪) সত্য অবিশ্বাসকাৰীবিলাকৰ কাৰণে সেইটো বিনাশৰ দিন। (২৫) আমি পৃথিৱীখনক সৃষ্টি কৰা নাইনে সামৰি ৰাখিবলৈ, (২৬) জীৱিত আৰু মৃতবিলাকক?

(২৭) ইয়াৰ ওপৰত আমি সুউচ্চ পৰ্বতবোৰক সুদৃঢ়ভাৱে স্থাপন কৰা নাইনে আৰু পান কৰিবলৈ নিৰ্মল পানী দিয়া নাইনে? (২৮) সত্য অবিশ্বাসকাৰী বিলাকৰ কাৰণে সেইটো বিনাশৰ দিন।

(২৯) তোমালোকে যিবোৰ অস্বীকাৰ কৰিছিলা, এতিয়া তালৈকে যোৱা, (৩০) তিনিটা শাখা বিশিষ্ট ছাঁৰ পিনে যোৱা। (৩১) ই তোমালোকক শীতল ছাঁও নিদিয়ে আৰু অগ্নি শিখাৰ উত্তাপৰ পৰাও ৰক্ষা নকৰে। (৩২) আৰু সেই জুইৰ ফিৰিঙতি উৎক্ষেপন কৰিব অট্টালিকা সদৃশ। (৩৩) সেয়া যেনিবা হালধীয়া উটৰ পালহে। (৩৪) সত্য অবিশ্বাসকাৰীবিলাকৰ কাৰণে সেইটো বিনাশৰ দিন। (৩৫) সেইদিনাখন সিহঁতে কথা ক'ব নোৱাৰিব, (৩৬) আৰু আপত্তি দৰ্শাবলৈও সিহঁতক অনুমতি দিয়া নহ'ব। (৩৭) সত্য অবিশ্বাসকাৰী বিলাকৰ কাৰণে সেইটো বিনাশৰ দিন। ৩৮) এইটোৱেই চূড়ান্ত মীমাংসাৰ দিন। আমি তোমালোকক আৰু তোমালোকৰ পূৰ্বৱৰ্তী মানুহবিলাকক একেলগে সমবেত কৰিছো। (৩৯) এতিয়া যদি তোমালোকৰ কোনো কৌশল আছে, তেনেহ'লে মোৰ বিৰুদ্ধে প্ৰয়োগ কৰা। (৪০) সত্য অবিশ্বাসকাৰীবিলাকৰ কাৰণে সেইটো বিনাশৰ দিন।

(৪১) পুণ্যবানসকল শীতল ছাঁ আৰু নিজৰাৰ মাজত থাকিব। (৪২) তেওঁলোকে যি ফল বিচাৰিব, তাকে তাত পাব। (৪৩) (তেওঁলোকক কোৱা হ'ব)- 'খোৱা-পিয়া কৰা তৃপ্তিসহকাৰে, তোমালোকে যি কৰ্ম কৰিছিলা, তাৰে এয়া প্ৰতিদান। (৪৪) যিসকলে সৎকৰ্ম কৰে, তেওঁলোকক আমি এইদৰেই প্ৰতিফল দিও। (৪৫) সত্য অবিশ্বাসকাৰীবিলাকৰ কাৰণে সেইটো বিনাশৰ দিন। (৪৬) খোৱা আৰু ক্ষণিক উপভোগ কৰি লোৱা। আচলতে তোমালোকহে পাপত নিমজ্জিত। (৪৭) সত্য অবিশ্বাসকাৰীবিলাকৰ কাৰণে সেইটো বিনাশৰ দিন। (৪৮) যেতিয়া সিহঁতক অনৱত হ'বলৈ কোৱা হয়, তেতিয়া সিহঁতে অৱনত নহয়। (৪৯) সত্য অবিশ্বাসকাৰীবিলাকৰ কাৰণে

সেইটো বিনাশৰ দিন। (৫০) ইয়াৰ পিচত কি কথা আছে, যাৰ প্ৰতি সিহঁতে বিশ্বাস স্থাপন কৰিব?

৭৮. আন-নাবা (সংবাদ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) মানুহবিলাকে পৰস্পৰে কি বিষয়ে সুধা-সুধি কৰিছে? (২) সেই গুৰুত্বপূৰ্ণ সংবাদটোৰ (পুনৰুত্থানৰ) বিষয়ে নেকি, (৩) যি বিষয়লৈ সিহঁতৰ মাজত মতানৈক্য হৈছে? (৪) নহয়, সিহঁতে অতি সোনকালে জানিব পাৰিব। (৫) কেতিয়াও নহয়, নিশ্চয় অনতিপলমে সিহঁতে প্ৰকৃত সত্য জানিব পাৰিব। (৬) আমি পৃথিৱীখনক শয্যা ৰূপে পাৰি দিয়া নাইনে? (৭) আৰু পাহাৰবোৰক গোজ মাৰি পুতি দিয়া নাইনে? (৮) আমি তোমালোকক যোৰ যোৰকৈ সৃষ্টি কৰিছো, (৯) আৰু টোপনিক বিশ্ৰামৰ মাধ্যম কৰিছো, (১০) আৰু ৰাতিক আৱৰণ কৰিছো, (১১) আৰু দিনক জীৱিকা উপাৰ্জনৰ সময় কৰি দিছো। (১২) তোমালোকৰ ওপৰত সাতখন সুদৃঢ় আকাশ সৃষ্টি কৰিছো। (১৩) তাত এটা উজ্বল প্ৰদীপ স্থাপন কৰিছো। (১৪) বৃষ্টি বহনকাৰী মেঘমালাৰ পৰা প্ৰচুৰ পৰিমাণে বৃষ্টিপাত কৰিছো, (১৫) যাতে আমি তাৰ দ্বাৰা উৎপন্ন কৰাব পাৰো শস্য আৰু বিভিন্ন উদ্ভিদ, (১৬) আৰু ঘন গছ-গছনি বিশিষ্ট উদ্যান। (১৭) নিশ্চয় চূড়ান্ত বিচাৰৰ দিনটোৰ সময় নিৰ্ধাৰিত কৰি থোৱা আছে।

(১৮) সেইদিনা যেতিয়া শিঙাত ফুঁ দিয়া হ'ব, তোমালোক দলে দলে ওলাই আহিবা, (১৯) আৰু আকাশখন খুলি দিয়া হ'ব আৰু দুৱাৰেই দুৱাৰ হৈ যাব, (২০) আৰু পৰ্বতবোৰক চালিত কৰা হ'ব আৰু সেইবোৰ মৰীচিকা সদৃশ হ'ব। (২১) নিশ্চয় নৰকে অপেক্ষা কৰি আছে। (২২) খোদাদ্রোহী বিলাকৰ কাৰণে ই বাসস্থল, (২৩) য'ত সিহঁত যুগ যুগ ধৰি অৱস্থান কৰিব,

(২৪) আৰু য'ত সিহঁতে শীতলতা নাইবা খোৱা পানীও আস্বাদন কৰিবলৈ নাপাব, (২৫) পাব কেৱল উতলা পানী আৰু গেলা পুঁজ। (২৬) এয়া কৰ্মৰ যথোচিত প্রতিফল। (২৭) হিচাব-নিকাচ হ'ব বুলি সিহঁতে কেতিয়াও ভবাই নাছিল। (২৮) আমাৰ আয়াতসমূহ মিছা বুলি কৈ সিহঁতে পোনছাটেই অস্বীকাৰ কৰিছিল। (২৯) কিন্তু আমি প্রতিটো কথা এখন পুথিত লিখিতভাৱে সংৰক্ষণ কৰি ৰাখিছিলো। (৩০) (সেয়ে আমি ক'ম)- 'সোৱাদ লোৱা, এতিয়া আমি তোমালোকক শাস্তিৰ উপৰিও শাস্তিৰ বাহিৰে আন একো বঢ়াই নিদিও।'

(৩১) নিশ্চয় আল্লাহক ভয় কৰোতা (মুত্তাকী) সকলৰ বাবে আছে বিৰাট সাফল্য, (৩২) তাত আছে উদ্যান আৰু আঙ্গুৰ, (৩৩) আৰু আছে সমবয়সীয়া নৰ যুৱতীসকল, (৩৪) আৰু সু�ৰাভর্তি পিয়লাবোৰ, (৩৫) তাত তেওঁলোকে আজেবাজে আৰু অসত্য কথা শুনা নাপাব, (৩৬) এয়া তোমাৰ প্রভুৰ পৰা পাবলগীয়া প্রতিদান, যথোপযুক্ত পুৰস্কাৰ, (৩৭) পৰম কৰুণাময়ৰ পক্ষৰ পৰা, যিজন আকাশমণ্ডল আৰু পৃথিৱী আৰু ইয়াৰ মাজত থকা সকলো বস্তুৰে গৰাকী আৰু তেওঁৰ সন্মুখত কথা কোৱাৰ কাৰো ক্ষমতা নাই। (৩৮) সেইদিনা যেতিয়া ৰূহ (জিব্রাইল) আৰু ফিৰিস্তাসকল শাৰী পাতি থিয় হ'ব, কোনোৱে মাত মাতিব নোৱাৰিব, অৱশ্যে তেওঁ যাক অনুমতি দিব, তেওঁহে ক'ব আৰু তেওঁ উচিত কথাহে ক'ব। (৩৯) নিশ্চয় সেই দিনটো আহিব। সেয়ে যিয়ে ইচ্ছা কৰে, তেওঁ তেওঁৰ প্রভুৰ ওচৰলৈ যোৱাৰ পথ বাচি লওক। (৪০) আমি তোমালোকক নিকটৱর্তী শাস্তি সম্পর্কে সতর্ক কৰি দিলো। সেইদিনা মানুহে যেতিয়া (স্পষ্টভাৱে) দেখিব যে, সিহঁতে নিজ হাতেৰে কি পঠিয়াইছে আৰু যিবিলাকে অবিশ্বাস কৰিছিল, সিহঁতে ক'ব- 'হায়হু মই যদি ধূলি-মাকতি হৈ গ'লোহেঁতেন!'

৭৯. আন-নাযিআত (ডুব মাৰি টানি অনা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত (বতাহৰ), যিয়ে উঘালি আনে আৰু প্ৰচণ্ডভাৱে টান মাৰি নিয়ে, (২) আৰু যিয়ে মৃদু গতিৰে বয়, (৩) আৰু শপত, (আলাসত) সাঁতুৰি ফুৰা মেঘৰ, (৪) আৰু সেইবিলাকৰ, যিবিলাকে হঠাৎ তৎপৰতাৰে আগুৱাই যায়, (৫) আৰু যিয়ে যাৱতীয় কাম-কাজ সম্পাদন কৰে। (৬) সেইদিনাখন যেতিয়া ভীষণ কম্পন হ'ব, (পৃথিৱীখন) কঁপি উঠিব, (৭) তাৰ পিচত আন এটা (কম্পন) হ'ব, (৮) অন্তৰবোৰ কঁপি উঠিব, (৯) দৃষ্টি অৱনত হ'ব, (১০) সিহঁতে কয়- 'কি? আমাক আকৌ পূৰ্বাৱস্থালৈ ঘূৰাই নিয়া হ'ব, (১১) আমি গেলি-পঁচি হাড়ত পৰিণত হোৱাৰ পাছতো?' (১২) আৰু সিহঁতে কয়- 'এই প্ৰত্যাৱৰ্তন নিশ্চয় বৰ ক্ষতিকৰ হ'ব।' (১৩) আচলতে এইটো হ'ব এটা প্ৰচণ্ড বিস্ফোৰণ, (১৪) তাৰ পিচত লগে লগে সিহঁত এখন সমতল ভূমিত উপস্থিত হ'বহি।

(১৫) মূছাৰ কাহিনীটো তুমি শুনিছানে? (১৬) তেওঁৰ প্ৰভুৱে তেওঁক পৱিত্ৰ তুৱা উপত্যকাত সম্বোধন কৰিছিল, (১৭) (কৈছিল)- 'ফিৰাউনৰ ওচৰলৈ যোৱা, সি সীমাতিক্ৰম কৰিছে।' (১৮) আৰু ক'বা- 'তুমি নিজকে সংশোধন কৰিবলৈ বিচৰানে? (১৯) মই তোমাক তোমাৰ প্ৰভুৰ পিনে পথ দেখুৱাম, যাতে তুমি তোমাৰ প্ৰভুক ভয় কৰি চলা?' (২০) মূছাই তাক এটা অতি ডাঙৰ নিদৰ্শন দেখুৱালে, (২১) কিন্তু সি ইয়াক অবিশ্বাস কৰিলে আৰু (বিশ্বাস কৰিবলৈ) অমান্তি হ'ল। (২২) তাৰ পিচত সি তৎক্ষণাত পিছ হোঁহকিল, (২৩) আৰু সি তাৰ মানুহবিলাকক সমবেত কৰিলে, (২৪) আৰু সম্বোধন কৰি ক'লে- 'ময়েই তোমালোকৰ সৰ্বশ্ৰেষ্ঠ প্ৰভু।'

(২৫) কিন্তু আল্লাহে তাক আটক কৰিলে আৰু ইহকাল-পৰকালৰ দৃষ্টান্তমূলক শাস্তি বিহিলে। (২৬) নিশ্চয় ইয়াত প্রতিজন ব্যক্তিৰ বাবে শিক্ষা নিহিত আছে, যিজনে আল্লাহক ভয় কৰে।

(২৭) (হে মানৱ) তোমালোকক সৃষ্টি কৰাটো জটিল নে আকাশ সৃষ্টি কৰা জটিল? যিটো আল্লাহে নিমাৰ্ণ কৰিছে। (২৮) তাৰ চালখন ওখ কৰিছে আৰু তাক খুঁতবিহীনভাৱে সুসংগঠিত কৰিলে। (২৯) আৰু ইয়াৰ ৰাতিক অন্ধকৰাচ্ছন্ন কৰিছে আৰু পুৱাৰ ভাগত উজ্বলতা আনিছে। (৩০) ইয়াৰ পিচত তেওঁ পৃথিৱীখন প্রসাৰিত কৰিলে। (৩১) তাৰ পৰা তেওঁ পানী উলিয়াইছে আৰু তাত চাৰণভূমি কৰিলে, (৩২) আৰু পর্বতবোৰক দৃঢ়ভাৱে স্থাপন কৰি দিলে, (৩৩) (আটাইবোৰ) তোমালোকৰ আৰু তোমালোকৰ ঘৰচীয়া জন্তুবোৰৰ জীৱিকাৰ সামগ্রী স্বৰূপে।

(৩৪) যেতিয়া আচ্ছন্ন কৰা মহা বিপদৰ সময় আহিব, (৩৫) সেইদিনা মানুহৰ নিজ কৃতকর্মবোৰ মনত পৰিব, (৩৬) আৰু নৰকক সকলোৱে দেখিবলৈ পাব, (৩৭) যিজনে ঔদ্ধত্য প্রদর্শন কৰিছিল- (৩৮) আৰু পার্থিৱ জীৱনক অগ্রাধিকাৰ দিছিল, (৩৯) নৰকেই হ'ব তাৰ বাসস্থল; (৪০) আৰু যিজনে নিজ প্রভুৰ সন্মুখত থিয় হ'বলৈ ভয় ৰাখিছিল আৰু নিজক কামনা-বাসনাৰ পৰা বিৰত ৰাখিছিল, (৪১) জান্নাতেই হ'ব তেওঁৰ বাসস্থল। (৪২) (হে নবী) সিহঁতে তোমাক কিয়ামত সম্পর্কে সোধে- 'সেয়া কেতিয়ানো বাৰু সংঘটিত হ'ব?' (৪৩) সেইটো কোৱা জানো তোমাৰ কাম? (৪৪) কেৱল তোমাৰ প্রভুৱেহে জানে সেইটো কেতিয়া সংঘটিত হ'ব। (৪৫) তুমি মাথোন এজন সতর্ককাৰী সেইসকলৰ বাবে, যিজনে ইয়াক ভয় কৰে। (৪৬) সেইদিনা যেতিয়া সিহঁতে সেই দিনটো দেখিব, তেতিয়া সিহঁতৰ ধাৰণা হ'ব যে এই পৃথিৱীত সিহঁতে এটা আবেলি বা এটি প্রভাততকৈ বেছি সময় থকা নাছিল।

৮০. আল-আবাছা (ভ্রু-কুঞ্চিত)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) তেওঁ (মুহাম্মদ) ভ্রূ কুঞ্চিত কৰিলে আৰু মুখ ঘূৰালে, (২) যেতিয়া তেওঁৰ ওচৰলৈ অন্ধ মানুহজন আহিছিল। (৩) তুমি কেনেকৈ জানিবা, সি কিজানি সংশোধন হয়েই। (৪) নাইবা উপদেশ গ্ৰহণ কৰে আৰু (আমাৰ) সতৰ্কীকৰণত তাৰ কিবা লাভ হয়েই? (৫) যিজন মানুহ উদাসীন, (৬) তাৰ প্ৰতিহে তুমি আগ্ৰহেৰে মনোযোগ দিছা, (৭) অথচ তাৰ সংশোধন নহ'লেও তোমাৰ কোনো দোষ নহয়, (৮) কিন্তু যিজনে আগ্ৰহেৰে তোমাৰ ওচৰলৈ লৰৰি আহে, (৯) আল্লাহৰ প্ৰতি ভয়ত, (১০) তাৰ প্ৰতি তুমি মনকাণ দিয়া নাই। (১১) প্ৰকৃততে এয়া (কুৰআন) এটা উপদেশ, (১২) এতেকে যাৰ ইচ্ছা, সি ইয়াক আন্তৰিকতাৰে গ্ৰহণ কৰক। (১৩) এয়া সন্মানিত পুথিত লিপিবদ্ধ, (১৪) উচ্চ মৰ্যাদাসম্পন্ন আৰু পৱিত্ৰকৃত, (১৫) এনে লেখকৰ হাতত আছে, (১৬) যি অতি সন্মানিত আৰু পৱিত্ৰকৃত। (১৭) ধ্বংস হওক মানুহ, সি কিমান যে অকৃতজ্ঞ! (১৮) আল্লাহে তাক কি বস্তুৰে সৃষ্টি কৰিলে? (১৯) এটি টোপালেৰে তাক সৃষ্টি কৰিলে আৰু তাৰ পৰিমাপ নিৰ্ধাৰণ কৰিলে। (২০) তাৰ পিচত তাৰ কাৰণে তাৰ পথ সুগম কৰি দিলে। (২১) তাৰ পিচত তেওঁ তাৰ মৃত্যু ঘটালে আৰু কবৰস্থ কৰালে। (২২) পিচত যেতিয়া তেওঁ ইচ্ছা কৰিব, তেওঁ তাক পুনৰ জীৱিত কৰিব। (২৩) সন্দেহ নাই, সেয়া সি পালন কৰা নাছিল, তেওঁ তাক যি আদেশ দিছিল। (২৪) মানুহে যি খাদ্য খায়, তাৰ প্ৰতি সি দৃষ্টিপাত কৰক। (২৫) আমি প্ৰচুৰ পৰিমাণে বৃষ্টি বৰ্ষণ কৰো, (২৬) পিচত আমি পৃথিৱীক বিদীর্ণ কৰো, (২৭) আৰু তাৰ পৰাই আমি শস্য উৎপন্ন কৰো, (২৮) আঙ্গুৰৰ গছ আৰু শাক-পাচলি, (২৯) জলফাই আৰু খেজুৰ, (৩০) ঘন গছ-গছনি বিশিষ্ট উদ্যান, (৩১) আৰু বিভিন্ন ফলমূল আৰু

পশু খাদ্য- (৩২) তোমালোকৰ আৰু তোমালোকৰ ঘৰচীয়া জন্তুৰ জীৱনোপকৰণ ৰূপে।

(৩৩) যেতিয়া কাণ তাল মৰা বিকট ধ্বনিটো নিনাদিত হ'ব, (৩৪) তেতিয়া মানুহে পলাব তাৰ নিজ ভাতৃৰ পৰা, (৩৫) তাৰ মাতৃৰ পৰা, তাৰ পিতৃৰ পৰা, (৩৬) তাৰ স্ত্রীৰ পৰা, তাৰ পুত্রৰ পৰা, (৩৭) সেইদিনা সিহঁতৰ প্রতিজন মানুহৰ এনে অৱস্থা হ'ব, সি কেৱল নিজৰ বিষয়েহে ভাবিব। (৩৮) সেইদিনা কিছুমান মুখ উজ্বল হ'ব, (৩৯) হাঁহিমুখীয়া হ'ব আৰু প্রফুল্ল হ'ব, (৪০) আনহাতে কিছুমান মুখ ধূলি-মাকতিৰে মলিন হ'ব, (৪১) ক'লা মলিন আৰু গোমা হ'ব, (৪২) ইহঁতেই হ'ল সেইবিলাক, যিবিলাকে সত্য অস্বীকাৰ কৰিছিল আৰু সিহঁত দুৰন্ত দুৰাচাৰ।

৮১. আত-তাকৱীৰ (মেৰুৱা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) যেতিয়া সূর্যক আবৃত কৰা হ'ব, (২) আৰু যেতিয়া তৰাবোৰ দীপ্তিহীন হৈ পৰিব, (৩) আৰু যেতিয়া পর্বতবোৰ সঞ্চালিত হ'ব, (৪) যেতিয়া দহমহীয়া গাভিনী উটবোৰক অযন্তে এৰি দিয়া হ'ব, (৫) আৰু যেতিয়া বনৰীয়া জন্তুবোৰক একত্রিত কৰা হ'ব, (৬) আৰু যেতিয়া সমুদ্রবোৰক উত্তাল উথল-পাথল কৰা হ'ব, (৭) যেতিয়া মানুহবিলাকক বিভিন্ন দলত ভাগ কৰা হ'ব, (৮) আৰু যেতিয়া জীৱন্তে পুতি থোৱা শিশু কন্যাৰ বিষয়ে সোধা হ'ব- (৯) কি দোষত তাইক হত্যা কৰা হৈছিল, (১০) আৰু যেতিয়া মানুহৰ আমলনামা (কর্মপঞ্জী) খুলি দিয়া হ'ব, (১১) যেতিয়া আকাশখন আৱৰণমুক্ত হ'ব, (১২) আৰু যেতিয়া জাহান্নামৰ অগ্নি প্রজ্বলিত কৰা হ'ব, (১৩) যেতিয়া জান্নাত ওচৰ চপোৱা হ'ব, (১৪) তেতিয়াহে প্রত্যেক মানুহে জানিব পাৰিব, সি কি লৈ আহিছে।

(১৫) মই শপত খাইছো, পিছ হোঁহকি যোৱা গ্ৰহবোৰৰ, (১৬) আৰু তীব্ৰবেগে গৈ আঁৰ হৈ যোৱা নক্ষত্ৰবোৰৰ, (১৭) আৰু ৰাতিৰ, যেতিয়া ই অৱসান হয়, (১৮) আৰু প্ৰভাতৰ, যেতিয়া ই উদিত হয়, (১৯) নিশ্চয় এয়া এক অতি সম্ভ্ৰান্ত বাৰ্তাবাহকে অনা বাণী, (২০) যিজন ক্ষমতা প্ৰাপ্ত আৰু মহা সিংহাখনৰ মালিকৰ ওচৰত উচ্চ মৰ্যাদা সম্পন্ন, (২১) যিজনক তাত মান্য কৰা হয় আৰু তেওঁ আস্থাভাজন। (২২) তোমালোকৰ সংগীজন উন্মাদ নহয়। (২৩) সঁচাকৈয়ে তেওঁ তেওঁক (ফিৰিস্তাক) উজ্বল দিগন্তত দেখিছে। (২৪) তেওঁ অদৃশ্যৰ বিষয়ত কোনো উৎসুক নহয়, (২৫) নাইবা এয়া কোনো অভিশপ্ত ছয়তানৰ বাণী নহয়। (২৬) এতেকে তোমালোকে কোন পিনে গতি কৰিছা? (২৭) এয়া সমগ্ৰ জগতবাসীৰ বাবে উপদেশ বাণী মাথোন, (২৮) তোমালোকৰ এনে প্ৰতিজন ব্যক্তিৰ বাবে যিজনে সৎপথত চলিব বিচাৰে; (২৯) কিন্তু তোমালোকে ইচ্ছা কৰিলেও একো নহয়, যেতিয়ালৈকে বিশ্বজগতৰ প্ৰভু আল্লাহে ইচ্ছা নকৰে।

৮২. আল-ইনফিতাৰ (বিদীর্ণ)

– পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) যেতিয়া আকাশখন বিদীর্ণ হ'ব, (২) যেতিয়া তৰাবোৰ সিঁচৰিত হৈ পৰিব, (৩) যেতিয়া সাগৰবোৰ উফন্দি উঠিব, (৪) আৰু যেতিয়া কবৰবোৰ মোকলাই দিয়া হ'ব, (৫) তেতিয়া প্ৰতিজন মানুহে জানিব পাৰিব সি আগেয়ে কি পঠিয়াইছে আৰু পিছলৈ কি এৰি আহিছে। (৬) হে মানৱ, কিহে তোমালোকক সেই মহাদাতা আল্লাহ সম্পর্কে বিভ্ৰান্ত কৰি ৰাখিছে? (৭) যিজনে তোমাক সৃষ্টি কৰিলে সর্বাঙ্গ সুন্দৰ আৰু সামঞ্জস্যপূর্ণ কৰি- (৮) তেওঁ যেনেভাৱে ইচ্ছা কৰিছে, তেনেভাৱে আকৃতি দান কৰিছে, (৯) তথাপি তোমালোকে শেষ বিচাৰৰ দিনটোক অস্বীকাৰ কৰিছা। (১০) নিশ্চয়

তোমালোকৰ ওপৰত পৰ্যবেক্ষক নিযুক্ত কৰা আছে, (১১) অতি সন্মানিত লিপিকাৰ। (১২) তোমালোকে যিহকে কৰা, তেওঁলোকে জানে। (১৩) নিশ্চয় পুণ্যবানসকল সুখ-শান্তিত থাকিব, (১৪) আনহাতে দুষ্কৃতিকাৰীবিলাক জাহান্নামত থাকিব। (১৫) সিহঁতে বিচাৰৰ দিনা তাত প্ৰৱেশ কৰিব। (১৬) আৰু তাৰ পৰা সিহঁতে কদাপিও পলাব নোৱাৰিব। (১৭) তুমি কিবা ধাৰণা কৰিব পাৰানে, সেই বিচাৰৰ দিনটোনো কি? (১৮) আকৌ তুমি কিবা ধাৰণা কৰিব পাৰানে, সেই বিচাৰৰ দিনটো কি? (১৯) সেইটো এনে এটা দিন, যিদিনা কোনোৱে কাৰো বাবে একো কৰিব নোৱাৰিব, সেইদিনা সকলো কৰ্তৃত্ব একমাত্ৰ আল্লাহৰ হ'ব।

৮৩. আল-মুতাফফিফীন (ওজনত হীন-ডেঢ়ি কৰোতা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) অধঃপতন হ'ব সিহঁতৰ, যিবিলাকে জোখ-মাখত কমকৈ দিয়ে, (২) যিজনে আন মানুহৰ পৰা লওতে পূৰাপূৰিভাৱে মাপিবলৈ দাবী কৰে; (৩) কিন্তু সিহঁতে আনক মাপি বা ওজন কৰি দিওতে কম কৰি দিয়ে। (৪) এনে প্ৰকৃতিৰ মানুহবিলাকে ধাৰণা নকৰে নেকি যে সিহঁতক উঠাই অনা হ'ব, (৫) এটি অৱশ্যম্ভাৱী মহা দিৱসৰ দিনা, (৬) যিদিনা সকলো মানুহ বিশ্বজগতৰ প্ৰভুৰ সন্মুখত থিয় হ'ব? (৭) নিশ্চয় পাপীবিলাকৰ কৃতকৰ্মৰ তালিকা 'ছিজ্জিনত' থাকে। (৮) 'ছিজ্জিন' বুলিলে তোমালোকে কি ধাৰণা কৰা? (৯) এয়া এখন লিখিত কাৰ্যবিৱৰণী। (১০) সেইদিনা ধ্বংস অনিবাৰ্য, যিবিলাকে অগ্ৰাহ্য কৰিছে, (১১) যিবিলাকে বিচাৰৰ দিনটোক অস্বীকাৰ কৰিছে। (১২) সেই দিনটোক কোনোৱে অস্বীকাৰ নকৰে, কৰে মাথোন সীমালংঘন কাৰী পাপিষ্ঠবিলাকেহে। (১৩) যেতিয়া তাক আমাৰ আয়াতসমূহ পাঠ কৰি শুনোৱা হয়, সি কয়- 'এইবোৰ প্ৰাচীন কালৰ গল্প-কাহিনী।' (১৪) কেতিয়াও

নহয়, আচলতে সিহঁতৰ অপকৰ্মই সিহঁতৰ অন্তৰ এখন আৱৰণেৰে ঢাকি দিছে। (১৫) কেতিয়াও নহয়, সেইদিনা সিহঁত আৰু সিহঁতৰ প্ৰভুৰ মাজত এখন আঁৰ থাকিব। (১৬) তাৰ পিচত সিহঁত জাহান্নামৰ অগ্নিত পতিত হ'ব, (১৭) আৰু সিহঁতক কোৱা হ'ব- 'এইটোৱেই, যাক তোমালোকে বিশ্বাস কৰিবলৈ অস্বীকাৰ কৰিছিলো।'

(১৮) কিন্তু পুণ্যবানসকলৰ কৰ্মপঞ্জী 'ইল্লিয়য়ুন'ত থাকিব। (১৯) ইল্লিয়য়ূন সম্পৰ্কে তোমাৰ ধাৰণা কি? (২০) ই এখন সুলিখিত কৰ্মবিৱৰণী। (২১) যিখনক আল্লাহৰ নৈকট্যপ্ৰাপ্ত ফিৰিস্তাসকলে ৰক্ষণাবেক্ষণ কৰি আছে। (২২) নিশ্চয় পুণ্যবানসকল সুখ-শান্তিত থাকিব, (২৩) আৰামদায়ক গাদীত বহিব আৰু কেউফালে বিষ্ময়েৰে চাই থাকিব। (২৪) তুমি তেওঁলোকৰ মুখমণ্ডল স্বৰ্গীয় আভাৰে উদ্ভাসিত দেখা পাবা। (২৫) তেওঁলোকক চিল-মোহৰ মাৰি থোৱা বিশুদ্ধ সুৰা পৰিবেশন কৰা হ'ব। (২৬) তাত চিল-মোহৰ মৰা থাকিব কস্তুৰীৰে। সেয়া লাভ কৰিবলৈ প্ৰতিযোগিতামূলক ভাৱে চেষ্টা কৰা উচিত। (২৭) এই সুৰাৰ মিশ্ৰণ হ'ব 'তচনিম'ৰ পানী- (২৮) ই এনে এটি নিজৰা য'ৰ পৰা আল্লাহৰ নৈকট্যপ্ৰাপ্তসকলে পান কৰিব। (২৯) দুষ্কৃতিকাৰী বিলাকে বিশ্বাস স্থাপনকাৰীসকলক উপহাস কৰে- (৩০) সিহঁত যেতিয়া তেওঁলোকৰ ওচৰেৰে যায়, কটাক্ষ কৰি চকু টিপিয়ায়। (৩১) সিহঁত যেতিয়া নিজ মানুহবিলাকৰ ওচৰলৈ ঘূৰি যায় আনন্দ-উল্লাসেৰে কথা পাতে। (৩২) সিহঁতে যেতিয়া তেওঁলোকক দেখে সিহঁতে (কটাক্ষ কৰি) কয়- 'এই মানুহবিলাক আচলতে পথভ্ৰষ্ট' (৩৩) অথচ সিহঁতক আমি তেওঁলোকৰ নিৰীক্ষক কৰি পঠোৱা নাছিলো। (৩৪) সেয়ে আজি বিশ্বাস স্থাপনকাৰীসকলে অবিশ্বাসকাৰীবিলাকক উপহাস কৰিব, (৩৫) আৰামদায়ক গাদীত বহিব আৰু কেউপিনে চাই থাকিব। (৩৬) যিবিলাকে সত্যক অস্বীকাৰ কৰিছিল, সিহঁতে সিহঁতৰ কৃতকৰ্মৰ ফল পূৰাপূৰিভাৱে পোৱা নাইনে?

৮৪. আল-ইনছিকাক (খণ্ড-বিখণ্ডকৰণ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) যেতিয়া আকাশখন খণ্ড-বিখণ্ড হ'ব, (২) আৰু ই তাৰ প্ৰভুৰ আদেশ পালন কৰিব যে এয়া তাৰ কৰ্তব্য, (৩) যেতিয়া পৃথিৱীখনক সমতল কৰি দিয়া হ'ব, (৪) আৰু তাৰ ভিতৰত যি আছে, সেই সকলোবোৰ বাহিৰলৈ দলিয়াই দিব আৰু গৰ্ভশূণ্য হ'ব, (৫) আৰু সি তাৰ প্ৰভুৰ আদেশ পালন কৰিব যে এয়া তাৰ কৰ্তব্য, (৬) হে মানৱ, তোমালোকক তোমালোকৰ প্ৰভুৰ পিনে খেদি নিয়া হৈছে, তেওঁৰ লগত তোমালোকৰ অৱশ্যই সাক্ষাৎ হ'ব। (৭) পিচত যাৰ আমল-নামা (কৃতকৰ্ম বিৱৰণী) তেওঁৰ সোঁহাতত দিয়া হ'ব, (৮) তেওঁৰ হিচাব সহজভাৱে লোৱা হ'ব, (৯) আৰু তেওঁ আপোনজনৰ ওচৰলৈ আনন্দ উৎফুল্ল মনে উভতিব, (১০) কিন্তু যাৰ আমলনামা তাৰ পিঠিৰ ফালে দিয়া হ'ব, (১১) সি মৃত্যুক আহ্বান কৰিব, (১২) সি জ্বলন্ত অগ্নিত প্ৰৱেশ কৰিব, (১৩) সি নিজৰ মানুহবিলাকক লৈ আনন্দ-উল্লাসেৰে আছিল, (১৪) তাৰ প্ৰভুৰ ওচৰলৈ উভতি যাব লাগিব বুলি সি কেতিয়াও ভবা নাছিল। (১৫) কিয় (উভতিব) নালাগিব, যিহেতু তাৰ প্ৰভুৱে তাক নিৰীক্ষণ কৰি আছিল। (১৬) মই শপত খাইছো সূৰ্যাস্তৰ ৰঙা কিৰণৰ, (১৭) ৰাতিৰ, ই যিবোৰক ঢাকি লয়, (১৮) আৰু চন্দ্ৰৰ, যেতিয়া ই পূৰ্ণ উজ্বলতা প্ৰাপ্ত হয়, (১৯) তোমালোকে অৱশ্যই এটি স্তৰৰ পৰা আন এটি স্তৰলৈ অগ্ৰসৰ হ'ব লাগিব। (২০) সিহঁতৰ কি হ'ল, সিহঁতে বিশ্বাস নকৰে কিয়? (২১) সিহঁতৰ সন্মুখত যেতিয়া কুৰআন পাঠ কৰা হয়, তেতিয়া সিহঁতে ছিজদা (মূৰ নত) নকৰে কিয়? (২২) আচলতে যিবিলাকে বিশ্বাস স্থাপন নকৰে, সিহঁতেই ইয়াক অগ্ৰাহ্য কৰে। (২৩) সিহঁতে অন্তৰত কি পুহি ৰাখিছে, আল্লাহে ভালদৰে জানে। (২৪) গতিকে সিহঁতক যন্ত্ৰণাদায়ক শাস্তিৰ শুভসংবাদ

দিয়া। (২৫) কিন্তু যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকৰ্ম কৰিছে, তেওঁলোকৰ কাৰণে অফুৰন্ত পুৰস্কাৰ আছে।

৮৫. আল-বুৰূজ (নক্ষত্রপুঞ্জ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত, নক্ষত্রপুঞ্জবিশিষ্ট আকাশৰ, (২) আৰু প্রতিশ্রুত দিনটোৰ, (৩) প্রত্যক্ষদর্শী আৰু যিজনক প্রত্যক্ষ কৰা হৈছে, (৪) ধ্বংস হ'ল কুণ্ড তৈয়াৰ কৰা মানুহবিলাক, (৫) যিবিলাক মানুহে ইন্ধনৰ জুই প্রজ্বলিত কৰিছিল, (৬) সিহঁত তাৰ কাষত উপবিষ্ট আছিল- (৭) বিশ্বাস স্থাপনকাৰীসকলক যি কৰা হৈছিল, সেয়া সিহঁতে প্রত্যক্ষ কৰিছিল। (৮) সিহঁতে তেওঁলোকৰ লগত শত্রুতা কৰিছিল, তাৰ কাৰণ মাঁথো এয়ে আছিল যে তেওঁলোকে আল্লাহৰ প্রতি বিশ্বাস স্থাপন কৰিছিল, যিজন প্রবল পৰাক্রমী, প্রশংসাৰ অধিকাৰী, (৯) যিজনৰ অধিকাৰত আছে আকাশমণ্ডল আৰু পৃথিৱীৰ সার্বভৌম ৰাজত্ব। আল্লাহে সকলো বস্তু প্রত্যক্ষ কৰি আছে। (১০) যিবিলাকে ঈমানদাৰ পুৰুষ আৰু ঈমানদাৰ মহিলাক নির্যাতন কৰে আৰু পিচত অনুশোচনা নকৰে, নিশ্চয় সিহঁতে জাহান্নামৰ শাস্তি ভোগ কৰিব আৰু অগ্নিকুণ্ডত দগ্ধ হোৱা শাস্তি। (১১) কিন্তু যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকৰ্ম কৰিছে, নিশ্চয় তেওঁলোকৰ বাবে আছে, জান্নাত য'ৰ মাজেৰে নিজৰা প্রবাহিত হৈ থাকে। এয়া পৰম সফলতা। (১২) তোমাৰ প্রভুৰ মুঠি অতি শক্তিশালী, (১৩) এইজনা তেৱেঁই, যিজনাই (সৃষ্টিৰ) সূচনা কৰে আৰু তাক পুনৰাবৃত্তি কৰিব। (১৪) তেওঁ ক্ষমাশীল, স্নেহপৰায়ণ। (১৫) তেওঁ মহাসিংহাসনৰ অধিপতি, (১৬) তেওঁ যি ইচ্ছা কৰে, তাকে সম্পন্ন কৰে, (১৭) তুমি সেই সৈন্যদলৰ বৃত্তান্ত শুনা নাইনে, (১৮) ফিৰাউন আৰু চামূদৰ? (১৯) কিন্তু যিবিলাকে সত্য অস্বীকাৰ কৰে, সিহঁতে অস্বীকাৰতে অটল হৈয়ে থাকে। (২০) আল্লাহে সিহঁতক

কেউদিশৰ পৰা পৰিবেষ্টন কৰি ৰাখিছে। (২১) প্ৰকৃততে এইখন অতি উচ্চ মৰ্যাদাসম্পন্ন কুৰআন। (২২) এইখন সুৰক্ষিত ফলকত (লওহে মাহফুজত) লিপিবদ্ধ হৈ আছে।

৮৬. আত-তাৰিক (নৈশ আগমনকাৰী)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত আকাশমণ্ডল আৰু ৰাতিৰ আগমনকাৰীৰ, (২) তুমি কিবা জানানে ৰাতিৰ আগমনকাৰী কি? (৩) এইটো এটা অতি উজ্বল তৰা, (৪) এনে কোনো মানুহ নাই, যাৰ কোনো ৰক্ষক নাই। (৫) মানুহে ভবা উচিত যে তাক কিহেৰে সৃষ্টি কৰা হৈছে, (৬) তাক সৃষ্টি কৰা হৈছে প্ৰবল বেগে নিৰ্গত হোৱা এটোপাল পানীৰে, (৭) ই বুকু আৰু পিঠিৰ মাজৰ হাড়ৰ পৰা নিৰ্গত হয়, (৮) নিশ্চয় তেওঁ তাক পুনৰাই জীৱিত অৱস্থালৈ আনিবলৈ সক্ষম। (৯) সেইদিনা যেতিয়া গোপন তত্ত্বসমূহ প্ৰকাশ কৰা হ'ব, (১০) (মানুহৰ) কোনো সামৰ্থ নাথাকিব আৰু কোনো সাহায্যকাৰীও নহ'ব। (১১) শপত, আকাশমণ্ডলৰ, সৰ্বদা ঘূৰ্ণনকাৰীৰ, (১২) শপত, গজালি মেলোতে দীৰ্ণ হোৱা পৃথিৰীৰ, (১৩) নিশ্চয় এইটো এটা মীমাংসিত চূড়ান্ত কথা, (১৪) এয়া কোনো ধেমালিৰ কথা নহয়। (১৫) সিহঁতে এটা কৌশল ৰচিছে, (১৬) আৰু ময়ো এটা ৰচিছো। (১৭) সেয়ে যিবিলাকে সত্য অস্বীকাৰ কৰিছে, সিহঁতৰ লগত থাকি সহ্য কৰা আৰু সিহঁতক কিছুদিন অৱকাশ দিয়া।

৮৭. আল-আ'লা (সৰ্বোন্নত)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) তোমাৰ প্ৰভুৰ পৰিত্ৰতা কীৰ্তন কৰা, তেওঁ সবাতোকৈ উন্নত, (২) যিজনে সকলো বস্তু সৃষ্টি কৰিছে আৰু যথাযথভাৱে স্থাপন কৰিছে।

(৩) তেৱেঁই সকলো বস্তুৰ আকৃতি-প্ৰকৃতি নিৰ্ধাৰণ কৰে আৰু পথ প্ৰদৰ্শন কৰে। (৪) যিজনে সেউজীয়া উদ্ভিদ উৎপন্ন কৰিছে। (৫) পিচত তাক ক'লা বৰণৰ খেৰ-কুটাত পৰিণত কৰিছে। (৬) (হে নবী) আমি তোমাক কুৰআন পাঠ কৰি শুনাম যাতে তুমি ইয়াৰ একো নাপাহৰা- (৭) সেইবোৰ ব্যতীত, যিবোৰ আল্লাহে ইচ্ছা কৰে। যিবোৰ প্ৰকাশ্য আৰু যিবোৰ গোপন, সেই সকলোবোৰ তেওঁ জানে। (৮) আমি তোমাক সৰল পথত চলিবলৈ সহজ কৰি দিম। (৯) সেয়ে উপদেশ দি থাকা যদি উপদেশ ফলদায়ক হয়। (১০) যিজনে (আল্লাহক) ভয় কৰে, তেওঁ উপদেশ গ্ৰহণ কৰিব। (১১) কিন্তু যিবিলাক হতভগা, সি ইয়াৰ পৰা ফালৰি কাটি থাকিব, (১২) সিহঁত মহা অগ্নিকুণ্ডত পতিত হ'ব। (১৩) তাত সি নমৰেও, নিজীয়েও। (১৪) যিজনে নিজকে সংশোধন কৰি লয়, (১৫) যিজনে নিজ প্ৰভুৰ নাম স্মৰণ কৰে আৰু নামাজ পঢ়ে, নিশ্চয় তেওঁ সফল হ'ব। (১৬) কিন্তু তোমালোকে এই পাৰ্থিৱ জীৱনকেই অগ্ৰাধিকাৰ দিছা, (১৭) অথচ পৰকালহে উৎকৃষ্ট আৰু চিৰস্থায়ী। (১৮) এয়া অৱশ্যই পূৰ্বৰ ঐশীপুথিসমূহতো শিকোৱা হৈছে, (১৯) ইব্ৰাহীম আৰু মূছাৰ প্ৰতি অৱতীৰ্ণ হোৱা পুথিতো আছে।

৮৮. আল-গাছিয়া (আচ্ছন্নকাৰী ঘটনা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) তুমি সেই আচ্ছন্নকাৰী ঘটনাটোৰ সংবাদ পাইছানে? (২) সেইদিনা কিছুমান মুখমণ্ডল মন মৰা হ'ব, (৩) কঠোৰ শ্ৰমত ব্যতিব্যস্ত হ'ব, ক্লান্ত হ'ব, (৪) সিহঁত ৰৌ ৰৌকৈ জ্বলি থকা অগ্নিত প্ৰৱেশ কৰিব, (৫) টগবগাই উতলি থকা নিজৰাৰ পানী পান কৰিবলৈ দিয়া হ'ব, (৬) কাঁইটিয়া শুকান ঘাঁহৰ বাহিৰে সিহঁতৰ আন কোনো খাদ্য নহ'ব, (৭) সেয়াই সিহঁতৰ পুষ্টি সাধিব নে ক্ষুধা নিবাৰণ কৰিব! (৮) সেইদিনা কিছুমান মুখমণ্ডল আনন্দত উৎফুল্ল হ'ব,

(৯) তেওঁলোকে নিজ কৰ্মফলৰ বাবে সন্তুষ্ট হ'ব, (১০) উচ্চ মৰ্যাদাসম্পন্ন জান্নাতত থাকিব, (১১) য'ত তেওঁলোকে কোনো আজেবাজে কথা শুনা নাপাব। (১২) তাত বোৱতি নিজৰা থাকিব, (১৩) উন্নত আসনসমূহ থাকিব, (১৪) পানপাত্ৰসমূহ সজোৱা থাকিব, (১৫) শাৰী শাৰীকৈ ৰখা গাৰু থাকিব, (১৬) আৰু পাৰি থোৱা থাকিব দলিচা। (১৭) সিহঁতে কেতিয়াও উটবোৰ লক্ষ্য কৰা নাইনে, কেনে ধৰণে সিবোৰক সৃষ্টি কৰা হৈছে? (১৮) আকাশখন লক্ষ্য কৰা নাইনে, কেনেদৰে ইয়াক উৰ্ধত স্থাপন কৰা হৈছে? (১৯) পাহাৰবোৰ লক্ষ্য কৰা নাইনে, কেনেদৰে সিবোৰক দৃঢ়ভাৱে স্থাপন কৰা হৈছে? (২০) আৰু পৃথিৱীখন লক্ষ্য কৰা নাইনে, কেনেদৰে ইয়াক পাৰি দিয়া হৈছে? (২১) সেয়ে (হে নবী) সিহঁতক উপদেশ দিয়া, তোমাৰ কাম হ'ল মাথোন উপদেশ দিয়া, (২২) তুমি সিহঁতৰ ৰখীয়া নহয়। (২৩) কিন্তু যিজনে মুখ ঘুৰায় আৰু সত্যক অস্বীকাৰ কৰে, (২৪) আল্লাহে তাক শাস্তি দিব, অতি কঠোৰ শাস্তি দিব। (২৫) নিশ্চয় আমাৰ ওচৰলৈকে সিহঁতে উভতি আহিব লাগিব, (২৬) তেতিয়া সিহঁতৰ হিচাব লোৱাটো আমাৰেই কাম।

৮৯. আল-ফজৰ (প্ৰভাত)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত প্ৰভাতৰ, (২) শপত দহোটা ৰাতিৰ, (৩) শপত যোৰ আৰু বেযোৰৰ, (৪) আৰু শপত অৱসান হ'ব ধৰা ৰাতিৰ, (৫) এইবোৰত জ্ঞানবুদ্ধি সম্পন্ন মানুহৰ বাবে দৃঢ় প্ৰমাণ নাইনে? (৬) তুমি শুনা নাইনে, তোমাৰ প্ৰভুৱে আ'দ সম্প্ৰদায়ৰ লগত কেনে আচৰণ কৰিছিল? (৭) সুউচ্চ স্তম্ভৰে শোভিত ইৰামৰ অধিবাসীবিলাকৰ লগত, (৮) সিহঁতৰ সমতুল্য পৃথিৱীত অন্য কোনো জাতি সৃষ্টি কৰা নাছিল, (৯) আৰু চামূদ জাতিৰ লগত, যিবিলাকে উপত্যকাত বিশাল পাথৰ খোদিত কৰিছিল, (১০) আৰু শূলদণ্ডৰ

অধিকাৰী ফিৰাউনৰ লগত কেনে আচৰণ কৰা হৈছিল? (১১) সিহঁতৰ সকলোৱে পৃথিৱীত ঔদ্ধত্যৰ সীমা চেৰাই গৈছিল, (১২) আৰু দেশত ঘোৰ অশান্তি সৃষ্টি কৰিছিল। (১৩) সেয়ে তোমাৰ প্ৰভুৱে সিহঁতৰ ওপৰত শাস্তিৰ চাবুক বৰষিলে। (১৪) আচলতে তোমাৰ প্ৰভুৱে সৰ্বদা সতৰ্ক দৃষ্টি দি ৰৈ আছে। (১৫) মানুহৰ প্ৰকৃতি হ'ল এই যে যেতিয়া প্ৰভুৱে তাক পৰীক্ষা কৰে সন্মান আৰু অনুগ্ৰহৰ দ্বাৰা, তেতিয়া সি কয়- 'মোৰ প্ৰভুৱে মোক সন্মানিত কৰিছে।' (১৬) কিন্তু যেতিয়া তেওঁ তাক পৰীক্ষা কৰে তাৰ জীৱিকা সংকুচিত কৰি, তেতিয়া সি কয়- 'মোৰ প্ৰভুৱে মোক লাঞ্ছিত কৰিছে।' (১৭) সেয়া কেতিয়াও নহয়, বৰং তোমালোকে অনাথ ল'ৰা-ছোৱালীক সমাদৰ নকৰা, (১৮) আৰু দুখীয়া-নিছলাক খুৱাবৰ বাবে ইজনে সিজনক উৎসাহিত নকৰা, (১৯) আৰু তোমালোকে উত্তৰাধিকাৰী সূত্ৰে পোৱা দুৰ্বলৰ সম্পদ সমূলে গ্ৰাস কৰা, (২০) তোমালোকৰ ধন-সম্পদৰ প্ৰতি আসক্তিয়ে কেতিয়াও তোমালোকক সন্তোষ দিব নোৱাৰে, (২১) কেতিয়াও নহয়, যেতিয়া পৃথিৱীখন চূৰ্ণ-বিচূৰ্ণ হৈ ধূলি-মাকতিত পৰিণত হ'ব, (২২) যেতিয়া তোমাৰ প্ৰভুৱে নামি আহিব আৰু ফিৰিস্তাসকলো নামি আহি শাৰীবদ্ধভাৱে উপস্থিত হ'ব, (২৩) সেইদিনা জাহান্নামক উপস্থিত কৰা হ'ব আৰু সেইদিনা মানুহে বুজিব পাৰিব, কিন্তু তেতিয়া তাৰ বোধগম্যই কি কামত আহিব? (২৪) সি ক'ব- 'হায়! মোৰ জীৱনৰ বাবে আগতেই যদি মই কিবা ব্যৱস্থা কৰিলোহেঁতেন!' (২৫) সেইদিনা আল্লাহৰ দৰে আন কোনোৱে শাস্তি দিব নোৱাৰিব। (২৬) আৰু তেওঁৰ বান্ধোনৰ দৰে আন কোনোৱে বান্ধিব নোৱাৰে। (২৭) (আনহাতে পুণ্যবানসকলক আল্লাহে ক'ব)- 'হে প্ৰশান্ত আত্মা, (২৮) তোমাৰ প্ৰভুৰ ওচৰলৈ প্ৰসন্নতা লাভ কৰি সন্তুষ্টচিত্তে ঘূৰি ব'লা, (২৯) মোৰ দাসসকলৰ দলভুক্ত হোৱা, (৩০) আৰু মোৰ জান্নাতত প্ৰৱেশ কৰা।'

৯০. আল-বালাদ (নগৰ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) নহয়, শপত এই নগৰৰ, (২) আৰু তুমি এই নগৰতে বাস কৰা, (৩) আৰু শপত, পিতৃ আৰু সন্তানসকলৰ, (৪) যে আমি মানুহক এক কষ্টময় আৰু পৰীক্ষামূলক জীৱন বিধানেৰে সৃষ্টি কৰিছো, (৫) সি ভাৱেনে যে তাৰ ওপৰত কাৰো কৰ্তৃত্ব নাই? (৬) সি কয়- 'মই অজস্ৰ ধন-সম্পদ ব্যয় কৰিলো।' (৭) তেনেহ'লে সি ভাবেনে যে তাক কোনোৱে দেখা নাই? (৮) আমি তাক দুটা চকু দিয়া নাইনে, (৯) আৰু এখন জিভা আৰু দুটা ওঠ, (১০) আৰু তাক দুটা পথ দেখুওৱা নাইনে? (১১) কিন্তু সি কষ্টকৰ পথেৰে আৰোহন কৰিবলৈ চেষ্টা নকৰিলে, (১২) তুমি জানানে সেই কষ্টকৰ পথটোনো কি? (১৩) দাসমুক্ত কৰা। (১৪) নাইবা আপাত কালত অভাৱগ্ৰস্তক খাদ্য দান কৰা, (১৫) নাইবা নিকটাত্মীয় অনাথক, (১৬) নাইবা চৰম অভাৱগ্ৰস্তক, (১৭) আৰু সেইসকলৰ অন্তৰ্ভুক্ত হোৱা, যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু এজনে আনজনক সহিষ্ণু হ'বলৈ আৰু দয়া প্ৰদৰ্শন কৰিবলৈ উপদেশ দিয়ে। (১৮) যিসকলে এনেবোৰ কাম কৰে, তেওঁলোকেই সোঁপন্থী। (১৯) আৰু যিবিলাকে আমাৰ আয়াতসমূহ অবিশ্বাস কৰিছে, সিহঁতেই বাওঁপন্থী। (২০) সিহঁত জুইৰ আবেষ্টনীৰ মাজত থাকিব।

৯১. আছ-ছামচ (সূর্য)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত, সূর্য আৰু তাৰ বিচ্যুৰিত জ্যোতিৰ, (২) আৰু শপত চন্দ্ৰৰ, ই তাক অনুসৰণ কৰে, (৩) আৰু শপত দিনৰ, যেতিয়া ই তাৰ মহিমা প্ৰকাশিত কৰে, (৪) আৰু শপত ৰাতিৰ, যেতিয়া ই নিজকে এখন আৱৰণেৰে ঢাকি লয়, (৫) আৰু শপত আকাশৰ আৰু ইয়াক কেনেদৰে তেওঁ স্থাপন কৰিছে,

(৬) আৰু শপত পৃথিৱীৰ, কেনেদৰে তেওঁ ইয়াক প্ৰসাৰিত কৰিছে, (৭) আৰু শপত মানুহৰ, কেনেদৰে তাক সুন্দৰভাৱে গঢ়িছে, (৮) তাৰ পিচত তাক শুদ্ধ আৰু অশুদ্ধৰ জ্ঞান দান কৰিছে। (৯) যিয়ে ইয়াক পৱিত্ৰ ৰাখিলে, সিয়ে সফল হ'ল, (১০) যিয়ে ইয়াক কলুষিত কৰিলে, সিয়ে বিফল হ'ল। (১১) চামূদ জাতিয়ে এই সত্যক অগ্ৰাহ্য কৰিলে সিহঁতৰ আত্মগৰ্বীতাৰ বাবে। (১২) যেতিয়া সিহঁতৰ মাজৰ আটাইতকৈ দুৰ্দান্ত মানুহটো উদ্যত হ'ল, (১৩) তেতিয়া আল্লাহৰ ৰছুলে সিহঁতক ক'লে- 'এইজনী আল্লাহৰ মাইকী উট। তাইক পানী খাবলৈ দিবা।' (১৪) কিন্তু সিহঁতে তেওঁক মিছা মাতিলে আৰু উটজনীক পিছ ঠেঙৰ শিৰ কাটি বধ কৰিলে। সেয়ে সিহঁতৰ প্ৰভুৱে সিহঁতৰ অপৰাধৰ বাবে সিহঁতক বিনাশ কৰিলে আৰু সিহঁতৰ নগৰক মাটিৰ লগত একাকাৰ কৰিলে। (১৫) এনে পৰিণতিৰ বাবে আল্লাহৰ কোনো ভয় নাই।

৯২. আল-লাইল (ৰাত্ৰি)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত ৰাতিৰ, যেতিয়া ই (পৃথিৱীক) অন্ধকাৰাচ্ছন্ন কৰে, (২) আৰু শপত দিনৰ, যেতিয়া ই উজ্বল হয়, (৩) আৰু শপত তেওঁৰ, যিজনে মতা আৰু মাইকী সৃষ্টি কৰিছে। (৪) হে মানৱ, তোমালোকৰ কৰ্ম প্ৰয়াস ভিন ভিন, (৫) সেয়ে যিজনে দান কৰে আৰু (আল্লাহক) ভয় কৰে, (৬) আৰু যিটো সত্য, তাক সত্য বুলি মানে, (৭) আমি তাক সহজ পথত চলিবলৈ সুগম কৰি দিম, (৮) কিন্তু যিজনে কৃপণালি কৰে আৰু আওকাণ কৰি চলে, (৯) আৰু প্ৰকৃত সত্যক অগ্ৰাহ্য কৰে, (১০) আমি তাক কঠিন পথৰ দিশে লৈ যাম, (১১) তাৰ ধন-সম্পদ তেতিয়া কোনো কামত নাহিব, যেতিয়া সি (ধ্বংসৰ গড়াত) পৰিব। (১২) নিশ্চয় পথ প্ৰদৰ্শনৰ দায়িত্ব আমাৰ।

(১৩) ইহকাল আৰু পৰকালৰ কৰ্তৃত্ব আমাৰেই। (১৪) মই তোমালোকক লেলিহান শিখাযুক্ত অগ্নিকুণ্ড সম্পৰ্কে সতৰ্ক কৰি দিলো। (১৫) তাত কোনো পতিত নহ'ব, হ'ব মাথোন দুৰ্ভগীয়া ব্যক্তি, (১৬) যিজনে (সত্যক) অস্বীকাৰ কৰিলে আৰু মুখ ঘুৰালে। (১৭) যিজনে আল্লাহক ভয় কৰে, তেওঁক ইয়াৰ পৰা সুৰক্ষিত ৰখা হ'ব, (১৮) যিজনে আত্মশুদ্ধিৰ বাবে ধন-সম্পদ দান কৰে, (১৯) আৰু যাৰ আনৰ ওচৰত কোনো অনুগ্ৰহ নাই, যাৰ সি প্ৰতিদান দিব লগীয়া হ'ব, (২০) তেওঁ যিহকে কৰে, তেওঁৰ অতি মৰ্যাদা সম্পন্ন মহান প্ৰভুৰ সন্তুষ্টি লাভৰ বাবে কৰে, (২১) অচিৰেই তেওঁ সন্তুষ্ট হ'ব।

৯৩. আদ-দুহা (পূৰ্বাহ্ণৰ কিৰণ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত পূৰ্বাহ্ণৰ কিৰণৰ, (২) আৰু শপত ৰাতিৰ, যেতিয়া অন্ধকাৰাচ্ছন্ন হয়, (৩) তোমাৰ প্ৰভুৱে তোমাক (নবী) পৰিত্যাগ কৰা নাই আৰু তেওঁ তোমাৰ প্ৰতি অসন্তুষ্টও হোৱা নাই, (৪) নিশ্চয় তোমাৰ বাবে পাৰ্থিৱ জীৱনতকৈ পৰকাল শ্ৰেয়ঃ। (৫) অনতিপলমে তোমাৰ প্ৰভুৱে তোমাক যি দান কৰিব, তাৰ বাবে তুমি সন্তুষ্ট হ'বা। (৬) তেওঁ তোমাক মাউৰা হিচাবে পোৱা নাইনে আৰু তোমাক আশ্ৰয় দিয়া নাইনে? (৭) তেওঁ তোমাক পথহাৰা হিচাবে পোৱা নাছিলনে আৰু তোমাক পথ দেখুওৱা নাইনে? (৮) তেওঁ তোমাক দৰিদ্ৰ হিচাবে পোৱা নাছিলনে আৰু তোমাক দৰিদ্ৰতাৰ পৰা মুক্ত কৰা নাছিলনে? (৯) সেয়ে তুমি মাউৰাৰ প্ৰতি কঠোৰ নহ'বা, (১০) আৰু খোজনীয়া-মগনীয়াক দাবী-ধমকী দি খেদি নিদিবা, (১১) আৰু তোমাৰ প্ৰভুৰ অনুগ্ৰহৰ কথা প্ৰচাৰ কৰা।

৯৪. আল-ইনছিৰাহ (প্ৰশস্তকৰণ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আমি তোমাৰ বাবে তোমাৰ বক্ষ প্ৰশস্ত কৰি দিয়া নাইনে? (২) আৰু তোমাৰ সেই দুৰ্বহ বোজা আঁতৰাই দিয়া নাইনে? (৩) যি বোজাই তোমাৰ কঁকাল বেঁকা কৰি দিছিল। (৪) আৰু আমি তোমাৰ কাৰণে তোমাৰ যশস্যা উচ্চ কৰা নাইনে? (৫) প্ৰকৃততে দুখৰ লগত সুখ আছে। (৬) নিশ্চয় দুখৰ লগত সুখ আছে। (৭) গতিকে যেতিয়াই আজৰি সময় পোৱা, তেতিয়াই কঠোৰ শ্ৰম কৰিবা। (৮) আৰু তোমাৰ প্ৰভুৰ প্ৰতি গভীৰভাৱে আত্মনিয়োগ কৰিবা।

৯৫. আত-তীন (ডিমৰু)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত, ডিমৰু আৰু জলফাইৰ, (২) আৰু শপত, চিনাই পৰ্বতৰ, (৩) আৰু শপত, এই নিৰাপদ নগৰৰ, (৪) নিশ্চয় আমি মানুহক উৎকৃষ্ট গঠনত সৃষ্টি কৰিছো, (৫) ইয়াৰ পিচত আমি তাক নিকৃষ্টৰ পৰা নিকৃষ্টতম স্থানলৈ নিক্ষেপ কৰিছো- (৬) সেইসকলৰ ব্যতীত, যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু সৎকৰ্ম কৰিছে। তেওঁলোকৰ কাৰণে আছে অফুৰন্ত প্ৰতিদান। (৭) তথাপি (হে মানৱ), কিহে তোমাক সেই দিনটোৰ প্ৰতি অবিশ্বাসী কৰায়? (৮) আল্লাহ সকলো বিচাৰকতকৈ শ্ৰেষ্ঠ বিচাৰক নহয়নে?

৯৬. আল-আলাক (গোট মৰা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) পঢ়া, তোমাৰ প্ৰভুৰ নাম লৈ পঢ়া, যিজনে সৃষ্টি কৰিলে, (২) সৃষ্টি কৰিলে মানুহক গোট মৰা (ৰক্তপিণ্ডৰ) পৰা, (৩) পঢ়া, তোমাৰ প্ৰভু

সকলোতকৈ মহানুভৱ।(৪) যিজনে কলমৰ সহায়ত শিক্ষা দিছে, (৫) মানুহক এনে শিক্ষা দিছে, যিবোৰ সি জনা নাছিল, (৬) তথাপি মানুহে বিদ্রোহাচৰণ কৰে, (৭) কিয়নো সি নিজকে স্বনির্ভৰশীল বুলি ধাৰণা কৰে। (৮) নিশ্চয় প্ৰত্যেকেই তোমালোকৰ প্ৰভুৰ ওচৰলৈকে উভতি যাব লাগিব। (৯) তুমি এনে মানুহ দেখিছানে, যিজনে বাধা দিয়ে (১০) এজন উপাসকক উপাসনাৰ সময়ত? (১১) তুমি কি ভাবা নেকি, সি সৎপথত আছে, (১২) নাইবা ধাৰ্মিকতা অৱলম্বনৰ নিৰ্দেশ দিয়ে? (১৩) তুমি দেখিছানে, সি কেনেদৰে সত্য অবিশ্বাস কৰিছিল আৰু ইয়াৰ পৰা মুখ ঘূৰাইছিল? (১৪) সি নাজানে নেকি যে আল্লাহে সকলো বস্তু লক্ষ্য কৰি আছে? (১৫) সি সাৱধান হওক! সি যদি বিৰত নাথাকে, তেনেহ'লে আমি তাৰ আগচুলিত ধৰি টানি আনিম- (১৬) সেই মিছলীয়া পাপিষ্ঠৰ আগচুলি। (১৭) সি তাৰ লগৰীয়াবিলাকক মাতক, (১৮) আমিও নৰকৰ প্ৰহৰীবিলাকক মাতো। (১৯) নুশুনিবা, কেতিয়াও তাৰ কথা নুশুনিবা; কিন্তু ছিজদাহ (সাস্তাংগে প্ৰণিপাত) কৰা আৰু প্ৰভুৰ নৈকট্য অৰ্জন কৰা।

৯৭. আল-কদৰ (মহিমান্বিত)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আমি ইয়াক (কুৰআনক) কদৰৰ (মহিমান্বিত) ৰাতি অৱতীর্ণ কৰিছো; (২) আৰু তুমি কিবা জানানে, সেই কদৰৰ ৰাতিটোনো কি? (৩) এই কদৰৰ ৰাতিটো এহেজাৰ মাহতকৈও শ্ৰেষ্ঠ।(৪) সেইদিনা ৰাতি ফিৰিস্তাসকল আৰু ৰূহে (জিব্ৰাইলে) তেওঁলোকৰ প্ৰভুৰ অনুমতিক্ৰমে তেওঁৰ সকলো আদেশ লৈ নামি আহে। (৫) এইটো শান্তি আৰু নিৰপত্তাৰ ৰাতি, প্ৰভাত উদয় হোৱালৈকে।

৯৮. আল-বাইয়িনাহ (সুস্পষ্ট প্ৰমাণ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) ঐশীপুথিপ্ৰাপ্ত আৰু অংশীবাদীবিলাকৰ যিবিলাকে অবিশ্বাস কৰিছে, সিহঁতে কেতিয়াও নামানে, যেতিয়ালৈকে সিহঁতৰ ওচৰলৈ সুস্পষ্ট প্ৰমাণ নাহে- (২) এজন ৰছুল, আল্লাহৰ পক্ষৰ পৰা, যিজনে পৱিত্ৰ পুথিসমূহ পাঠ কৰি শুনায়, (৩) য'ত সঠিক লিখনিসমূহ লিপিবদ্ধ হৈ আছে। (৪) যিসকলক ঐশীপুথি দিয়া হৈছিল তেওঁলোক বিচ্ছিন্ন হোৱা নাছিল অথচ সুস্পষ্ট প্ৰমাণ অহাৰ পিচতহে সিহঁতৰ মাজত বিচ্ছিন্নতাই দেখা দিছিল। (৫) সিহঁতক আদেশ দিয়া হৈছিল যে সিহঁতে মাঁথো আল্লাহৰহে উপাসনা কৰিব, দ্বীনক আন্তৰিকতাৰে মানিব, একাগ্ৰচিত্তে নামাজ প্ৰতিষ্ঠা কৰিব আৰু যাকাত আদায় দিব। এইটোৱেই সঠিক ধৰ্ম। (৬) ঐশীপুথিপ্ৰাপ্ত আৰু অংশীবাদীবিলাকৰ যিবিলাকে অবিশ্বাস কৰিছে, সিহঁত নৰকৰ অগ্নিত পতিত হ'ব, তাত সিহঁত চিৰকাল থাকিব। ইহঁতেই সৃষ্টিৰ অধম। (৭) নিশ্চয়, যিবিলাকে বিশ্বাস স্থাপন কৰিছে আৰু সৎকৰ্ম কৰিছে, তেওঁলোকেই সৃষ্টিৰ উত্তম। (৮) আল্লাহে তেওঁলোকৰ বাবে প্ৰতিদান স্বৰূপে ৰাখিছে চিৰস্থায়ী স্বৰ্গ, য'ত নিজৰাবোৰ প্ৰবাহিত হৈ থাকিব। তাত তেওঁলোক চিৰকাল থাকিব। আল্লাহ তেওঁলোকৰ প্ৰতি সন্তুষ্ট আৰু তেওঁলোকো আল্লাহৰ প্ৰতি সন্তুষ্ট। এইবোৰ আল্লাহক ভয় কৰি চলা ব্যক্তিৰ বাবে প্ৰতিদান।

৯৯. আয-যিল্যাল (কম্পন)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) যেতিয়া পৃথিৱীখনক কঁপাই তোলা হ'ব ভীষণ কম্পনৰে, (২) যেতিয়া মাটিয়ে তাৰ বোজাবোৰ উলিয়াই দিব, (৩) যেতিয়া মানুহে চিঞৰী সুধিব- 'ইয়াৰ কি হ'ল?' (৪) সেইদিনা (মাটিয়ে) তাৰ বৃত্তান্ত বৰ্ণনা কৰিব,

(৫) কিয়নো তোমাৰ প্ৰভুৱে তাক আদেশ দিছে। (৬) সেইদিনা মানুহবিলাকে ভিন্ ভিন্ দলত বিভক্ত হৈ ওলাই আহিব যাতে সিহঁতে কৰা কামবোৰ সিহঁতক দেখুৱাব পৰা যায়। (৭) যিজনে অনুপৰিমাণো সৎ কাম কৰিছে, সেয়া সি দেখিবলৈ পাব, (৮) আৰু যিজনে অনুপৰিমাণো অসৎ কাম কৰিছে, সেয়াও সি দেখিবলৈ পাব।

১০০. আল-আদিয়াত (ঘোঁৰাৰ ফোঁপনি)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত সেইবোৰ ঘোঁৰাৰ, যিবোৰে ফোঁপাই ফোঁপাই দৌৰে, (২) আৰু খুৰাৰ আঘাতত ফিৰিঙতি ওলায়, (৩) আৰু যে পুৱতি নিশাই অতৰ্কিতে আক্ৰমণ কৰাৰ বাবে উদ্যত হয়, (৪) আৰু ধূলি উৰুৱায়, (৫) আৰু বলপূৰ্বক শত্ৰু সেনাৰ মাজত প্ৰৱেশ কৰে, (৬) প্ৰকৃততে মানুহ প্ৰভুৰ প্ৰতি অকৃতজ্ঞ, (৭) আৰু সি নিজেই ইয়াৰ সাক্ষী। (৮) নিশ্চয় সি ধন-সম্পদৰ প্ৰতি আসক্ত। (৯) সি সেই সময়ৰ কথা নাজানে, যেতিয়া কবৰত সমাহিতবোৰ উলিয়াই অনা হ'ব? (১০) অন্তৰত থকাবোৰো উলিয়াই বাহিৰ কৰা হ'ব, (১১) নিশ্চয় সিদিনা সিহঁতে জানিব পাৰিব, সিহঁতৰ প্ৰভুৱে সিহঁতৰ বিষয়ে ভালদৰে জানে।

১০১. আল-কাৰিআ (খট্‌খট্‌শব্দ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) খট্‌খট্‌শব্দ। (২) সেই খট্‌খট্‌ শব্দটোনো কি? (৩) তুমি জানানে, সেই খট্‌খট্‌শব্দটো কি? (৪) (এইটো) এনে এটা দিন, যিদিনা মানুহবিলাক বিক্ষিপ্ত কীট-পতংগৰ দৰে হ'ব, (৫) পাহাৰবোৰ ৰঙ-বিৰঙৰ ধুনা ঊণৰ দৰে হ'ব, (৬) তেতিয়া যাৰ তৰ্জু সৎকৰ্মৰ ফালে গধুৰ হ'ব, (৭) তেওঁৰ বাবে হ'ব সুখৰ জীৱন, (৮) আনহাতে যাৰ সৎকৰ্মৰ তৰ্জু পাতল হ'ব, (৯) গভীৰ

গহ্ববেই হ'ব তাৰ বাসস্থল, (১০) তোমাক কিহে জনাব সেইটোনো কি? (১১) ই এটা জ্বলন্ত অগিকুণ্ড।

১০২. আত-তাকাছুৰ (প্রাচুর্যৰ প্রতিযোগিতা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) অত্যধিক প্রাচুর্য লাভৰ প্রতিযোগিতাই তোমালোকক (আল্লাহৰ প্রতি) আওকণীয়া কৰি ৰাখিছে- (২) তোমালোক কবৰত সমাধিস্থ নোহোৱালৈকে। (৩) কিন্তু অনতিপলমে তোমালোকে জানিবলৈ পাবা, (৪) (আকৌ শুনা) অনতিপলমে তোমালোকে জানিবলৈ পাবা, (৫) অৱশ্যই যদি তোমালোকে নিশ্চিতভাৱে সেই সত্য জানিলাহেঁতেন, (৬) যে তোমালোকে নিশ্চিতভাৱে নৰকৰ অগ্নিকুণ্ডও দেখিবলৈ পাবা, (৭) নিশ্চয় তোমালোকে সেয়া পতিয়ন যোৱাকৈ স্বচক্ষে দেখিবলৈ পাবা। (৮) ইয়াৰ পিচত সেইদিনা তোমালোকক পার্থিৱ সুখ-সম্পদৰ বিষয়ে সোধ-পোছ কৰা হ'ব।

১০৩. আল-আছৰ (অতীত হোৱা সময়)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) শপত, অতীত হোৱা সময়ৰ, (২) নিশ্চয় মানুহ ক্ষতিগ্রস্তৰ মাজত নিমর্জ্জিত- (৩) সেইসকল ব্যতীত, যিসকলে বিশ্বাস স্থাপন কৰে, সৎকাম কৰে, এজনে আনজনক হকৰ (ন্যায়ৰ) উপদেশ দিয়ে আৰু ধৈর্য ধৰিবলৈ উপদেশ দিয়ে।

১০৪. আল-হুমাযা (পৰনিন্দাকাৰী)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) ধ্বংস নিশ্চিত এনে প্রতিজন ব্যক্তিৰ, যিজনে আনৰ দোষ খোচৰে

আৰু পৰনিন্দা কৰে, (২) যিজনে ধন-সম্পদ জমা কৰে আৰু ঘনে ঘনে গণি থাকে, (৩) সি ভাৱে তাৰ ধন-সম্পদে তাক অমৰ কৰি ৰাখিব। (৪) কেতিয়াও নহয়, নিশ্চয় তাক চূর্ণ-বিচূর্ণকাৰী স্থানত নিক্ষেপ কৰা হ'ব। (৫) তুমি কিবা জানানে, সেই চূর্ণ-বিচূর্ণকাৰী স্থানডোখৰ কি? (৬) এয়া আল্লাহৰ প্রজ্বলিত অগ্নি, (৭) যি অগ্নিয়ে মানুহৰ অন্তৰলৈকে ভেদিব, (৮) সিহঁতৰ ওপৰত ঢাকনি দি ইয়াক কেউদিশৰ পৰা বন্ধ কৰি দিয়া হ'ব- (৯) ওখ ওখ স্তম্ভৰ মাজত।

১০৫. আল-ফীল (হাতী)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) তুমি দেখা নাইনে, তোমাৰ প্রভুৱে হাতীৰ অধিকাৰীবিলাকৰ লগত কেনে আচৰণ কৰিলে? (২) তেওঁ সিহঁতৰ চক্রান্ত ব্যর্থ কৰা নাইনে? (৩) আৰু সিহঁতৰ বিৰুদ্ধে জাকে জাকে পক্ষী পঠোৱা নাছিলনে, (৪) যিবোৰে সিহঁতৰ ওপৰত পকা মাটিৰ কংকৰ নিক্ষেপ কৰিছিল? (৫) সেইদৰে তেওঁ সিহঁতক জন্তুৱে চোবাই পেলোৱা শুকান ঘাঁহ যেন কৰিলে।

১০৬. কুৰাইছ (কুৰাইছ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) কুৰাইছসকল অভ্যস্ত হৈ পৰিছে, (২) শীতকাল আৰু গ্রীষ্মকালি যাত্রাতো, (৩) সেয়ে তেওঁলোকে যেন এই ঘৰৰ প্রভুক উপাসনা কৰে, (৪) যিজনে তেওঁলোকক ভোক নিবাৰণৰ বাবে আহাৰ যোগায় আৰু ভয়ৰ পৰা নিৰাপত্তা দান কৰে।

১০৭. আল-মাউন (সৰু-সুৰা নিত্য প্ৰয়োজনী বস্তু)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) তুমি সেইজনক দেখিছানে, যিজনে শেষ বিচাৰৰ দিনটোক অস্বীকাৰ কৰে? (২) যিজনে অনাথক ৰূঢ়ভাৱে খেদি পঠায়, (৩) আৰু যিজনে দুখীয়া-নিছলাক খাদ্য দানত উৎসাহ নিদিয়ে। (৪) সেয়ে ধ্বংস হওক সেই নামাজী, (৫) যিবিলাকে নামাজ আদায়ৰ ক্ষেত্ৰত মনোযোগী নহয়। (৬) যিবিলাকে আনক দেখুৱাবলৈহে কৰে। (৭) আৰু যিবিলাকে আনক সুৰা-সুৰা বস্তু-বাহানি দি সহায় নকৰে।

১০৮. আল-কাওচাৰ (প্ৰচুৰতা)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আমি তোমাক কাওচাৰ (প্ৰচুৰতা) দান কৰিছো, (২) গতিকে তোমাৰ প্ৰভুৰ উপাসনা কৰা (নামাজ পঢ়া) আৰু কেৱল তেওঁৰ বাবেই কুৰবানী কৰা। (৩) নিশ্চয় তোমাৰ শত্ৰুবোৰহে নিৰ্বংশ।

১০৯. আল-কাফিৰুণ (সত্য প্ৰত্যাখ্যানকাৰী)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) কোৱা- 'হে সত্য প্ৰত্যাখ্যানকাৰীবিলাক, (২) মই তাৰ উপাসনা নকৰো, তোমালোকে যাৰ উপাসনা কৰা, (৩) আৰু তোমালোকে তাৰ উপাসনা নকৰা, মই যাৰ উপাসনা কৰো, (৪) মই কেতিয়াও তাৰ উপাসক নহওঁ, তোমালোকে যাক উপাসনা কৰিছা, (৫) আৰু তোমালোকে কেতিয়াও তাৰ উপাসক নোহোৱা, মই যাৰ উপাসনা কৰো, (৬) তোমালোকৰ বাবে তোমালোকৰ ধৰ্ম আৰু মোৰ বাবে মোৰ ধৰ্ম।'

১১০. আন-নাছৰ (সাহায্য)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) যেতিয়া আল্লাহৰ সাহায্য আহিব আৰু বিজয় হ'ব, (২) আৰু তুমি দেখিবা মানুহবিলাকে দলে দলে আল্লাহৰ ধর্মত প্ৰৱেশ কৰিছে, (৩) তেতিয়া তোমাৰ প্ৰভুৰ পৰিত্ৰতা আৰু মহিমা কীৰ্তন কৰিবা আৰু তেওঁৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰিবা। নিশ্চয় তেওঁ ক্ষমা প্ৰাৰ্থনা গ্ৰহণ কৰিবলৈ সৰ্বদা প্ৰস্তুত।

১১১. আল-লাহাব (এঙাৰ বৰণীয়া)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) আবু লাহাবৰ হাতদুখন ধ্বংস হওক আৰু সিয়ো বিনাশ হওক। (২) তাৰ ধন-সম্পদ আৰু তাৰ উপাৰ্জনবোৰ তাৰ কোনো কামত নাহিল। (৩) অচিৰেই সি লেলিহান অগ্নিশিখাত পতিত হ'ব, (৪) আৰু তাৰ ঘৈণীয়েকজনীও, যিজনীয়ে খৰি বহন কৰিছিল; (৫) তাইৰ ডিঙিত থাকিব খেজুৰৰ আঁহেৰে পকোৱা ৰছী।

১১২. আল-ইখলাছ (একত্ব)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) কোৱা- 'তেৱেঁই আল্লাহ, একক। (২) আল্লাহ স্বনির্ভশীল, (৩) তেওঁ কোনো (সন্তান) জন্ম দিয়া নাই আৰু তেওঁ (সন্তান ৰূপে) জন্ম গ্ৰহণ কৰা নাই; (৪) আৰু তেওঁৰ সমতুল্য কোনো নাই।'

১১৩. আল-ফালাক (প্রভাত)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) কোৱা- 'মই আশ্রয় বিচাৰিছো প্রভাতৰ প্রভুৰ ওচৰত, (২) তেওঁৰ সৃষ্টিৰ অনিষ্টৰ পৰা, (৩) আৰু অন্ধকাৰ ৰাতিৰ অনিষ্টৰ পৰা, যেতিয়া ই নামি আহে, (৪) আৰু গাঁঠিত ফুক দিয়া বিলাকৰ অনিষ্টৰ পৰা, (৫) আৰু হিংসুকৰ অনিষ্টৰ পৰা, যেতিয়া সি হিংসা কৰে।'

১১৪. আন-নাছ (মানৱ)

পৰম কৰুণাময়, পৰম দয়ালু আল্লাহৰ নামত

(১) কোৱা- 'মই আশ্রয় বিচাৰিছো মানৱৰ প্রভুৰ, (২) মানৱৰ অধিপতিৰ, (৩) মানৱৰ উপাস্যৰ ওচৰত, (৪) আত্মগোপনকাৰীয়ে ক্ষণে ক্ষণে দি থকা কুমন্ত্রণাৰ অনিষ্টৰ পৰা, (৫) যিয়ে মানুহৰ অন্তৰত কুমন্ত্রণা দি থাকে, (৬) সি জ্বিনেই হওক বা মানুহেই হওক।'

পৱিত্ৰ কুৰআন

পৱিত্ৰ কুৰআন এনে এখন পুথি যিখনে সমগ্ৰ মানৱ জাতিক ঐশী উপদেশ বাণীৰ সুখবৰ দিয়ে আৰু প্ৰকৃত সত্য উদ্‌ঘাটনৰ বাবে আধ্যাত্মিক আৰু বৌদ্ধিক ভাৱে মানুহক উদ্বুদ্ধ কৰে।

প্ৰতিখন গ্ৰন্থৰে একোটা বিষয়বস্তু থাকে আৰু পৱিত্ৰ কুৰআনৰ বিষয়বস্তু হ'ল আল্লাহৰ সৃষ্টি নিমাৰ্ণৰ যোজনা সম্পৰ্কে মানুহক অৱগত কৰোৱা। সেয়া হ'ল এই বিশ্ব জগত আল্লাহে কিয় সৃজন কৰিলে? মানুহক পৃথিৱীত বসবাস কৰোৱাৰ উদ্দেশ্য কি? মৃত্যুৰ পূৰ্বৰ জীৱন কালত মানুহৰ পৰা কি বাঞ্ছা কৰা হৈছে আৰু মৃত্যুৰ পিচত মানুহ কিহৰ মুখামুখি হ'ব? মানুহক এই ধ্ৰুৱ সত্য উপলব্ধি কৰোৱাই হ'ল পৱিত্ৰ কুৰআনৰ মূল উদ্দেশ্য। কুৰআনে মানুহৰ ইহকাল আৰু পৰকালৰ সফল জীৱন যাত্ৰাৰ পথ প্ৰদৰ্শন কৰে।

কুৰআনৰ মৌলিক বিষয়বস্তু হ'ল জ্ঞানদান, আল্লাহৰ নৈকট্য প্ৰাপ্তি, পৰম প্ৰশান্তি আৰু আধ্যাত্মিকতা লাভ। সেয়ে কুৰআনত ব্যৱহৃত পৱিভাষা হ'ল- 'তাৱাচ্ছুম', 'তাদাব্বুৰ' আৰু 'তাফাক্কুৰ', যিয়ে বিশ্ব জগতত সিঁচৰিত হৈ থকা আল্লাহৰ নিদৰ্শন সমূহৰ শিক্ষণীয় প্ৰতিফলন, চিন্তা-চৰ্চা আৰু অধ্যয়ন-গৱেষণাৰ ইংগিত বহন কৰে। এই বিষয়বস্তু বোৰৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই পৱিত্ৰ কুৰআনখনি অনুবাদ কৰা হৈছে।

goodwordbooks.com cpsglobal.org

Goodword Books

ISBN 978-93-91969-03-5

9 789391 969035